# ভাৰতীয় ভক্তিধাৰা বিভিন্ন প্ৰান্তত

শ্ৰীধৰণীধৰ চৌধুৰী
চন্দ্ৰালয়
পূব শৰণীয়া, গুৱাহাটী - ৩

গ্ৰন্থপীঠ
পানবজাৰ গুৱাহাটী- ৭৮১ ০০১

**Bharatiya Bhaktidhara– Bivinna Prantat : A study of the lives and Teachings of the Baisnaba Saints of India under the background of Bedantic theories by Sri Dharanidhar Choudhury, Published by Sri Niharendra Choudhury, Grantha Peeth, Panbazar, Guwahati-1.** ***150/-***

---

**প্ৰকাশক**
**শ্ৰীনীহাৰেন্দ্ৰ চৌধুৰী**
**গ্ৰন্থপীঠ, পাণবজাৰ**
**গুৱাহাটী- ৭৮১০০১**

**প্ৰথম প্ৰকাশ - [redacted] ১৯৯৮ ইং**

**মূল্য ঃ ১৫০.০০ *(একশ পঞ্চাশ)* টকা**

**লেখক ঃ শ্ৰীধৰণীধৰ চৌধুৰী**

**বেটুপাত ঃ**

**লেখকৰ সৰ্বস্বত্ব সংৰক্ষিত**

***ডি. টি. পি. টাইপ-ছেটিং***
**এল ডোৰাডো পাব্লিকেশ্যন**
**শ্ৰীমন্তপুৰ, গুৱাহাটী - ৩২**

**মুদ্ৰাকৰ ঃ** ***মেৰিডিয়ান অফছেট***
***[illegible], গুৱাহাটী- ৫***

# উৎসৰ্গ

পুণ্যশীলা প্ৰিয়তমা জীৱনসংগিনী
স্বৰ্গীয়া মিনতি চৌধুৰীৰ পবিত্ৰ স্মৃতিত



মোৰ গীতৰ তুমিয়ে আছিলা সুৰ
ভাৱনাৰ সুৰধাৰ
মোৰ কল্পনাৰ তুমিয়ে ব্যঞ্জনা
প্ৰেৰণাৰ সাধনাৰ,
মোৰ সংস্কৃতিৰ আছিলা চৈতন্য
উৰ্দ্ধগামী বাসনাৰ।
জীৱন পাত্ৰ উজাৰ কৰি
মাধুৰী কৰিলা দান
নিদিলা কাকো অকণো সুযোগ
বুজিবলৈ মূল্যৰ পৰিমাণ,
তপুত হিয়াত কান্দোনৰ ৰোল
করুণ নিজম বয়,
চকুৰ আঁতৰ হ'লেও তোমাৰ
আত্মাৰ সান্নিধ্য পাওঁ সদায়।

তপ্তহৃদয় স্বামী।

// DEPARTMENT OF PHILOSOPHY
## UNIVERSITY OF GAUHATI

**Dr. Dilip Kumar Chakravarty**
**Professor**

Guwahati - 781014
Assam (India)
Telephone . 570342 (O)
57063
(Res)

*Ref* Date 5/4/95

**[ Report on the Manuscript 'Bharatiya Bhaktidhara ; Vibhinna Prantat' written by Shri Dharanidhar Choudhury. ]**

In these days of rapidly dwindling standards, aimless research and commercialism in the sphere of scholarship it is comforting to read the manuscript on the history of the Bhakti movement in the different parts of India Religion is the pivot of Indian life. The author has successfully explained the Philosophy of devotion as understood by different saints and seers What we get is the fabric of Vaishnavism in all its wonderful variety The author gives very systematic and comprehensive outline of the history and Philosophy of Vaishnavism which represents a federation of diverse devotional approches to the Reality The treatment of the Neo vaishnavism of Shri Sankardeva is particularly illuminating from the religio-spiritual point of view, as it represents the glorious tradition of Indian spiritualism and its vigorous continuation for the spiritual well-being of the individual and society. In the new religious renaissance the author has found wonderful blending of the active and contemplative sides of spiritual life

Shri Choudhury seeks to show the meaning and value of life as the great philosophers of devotion taught and illustrated in their lives He must be praised for his attempt to help forward the promotion of mutual understanding among the followers of different sects of Vaishnavism I have no hesitation to remark. in conclusion that Shri Choudhury has given us a scholarly and thought-provoking book which is a welcome addition to the devotional literature

**DR. D. K. CHAKRAVARTY**
PROFESSOR OF PHILOSOPHY
GAUHATI UNIVERSITY (ASSAM)

# সূচীপত্ৰ

## প্ৰথম অধ্যায়


বিষয়বস্তু

| | |
|---|---|
| সনাতন ধৰ্মৰ বিভিন্ন শাখা | ১ |
| শঙ্কৰাচাৰ্য্য | ১ |
| বৈষ্ণৱ সম্প্ৰদায়ৰ তত্ত্ব আৰু আধাৰ | ৫ |
| ৰামায়ণ | ৬ |
| মহাভাৰত | ৯ |
| ভগবদ্‌গীতা | ১১ |
| প্ৰাচীন বৈষ্ণৱ ধৰ্ম | ১৫ |
| ৰামানুজাচাৰ্য্য | ১৮ |
| নিম্বাৰ্কাচাৰ্য্য | ২০ |
| মাধ্বাচাৰ্য্য | ২১ |
| বল্লভাচাৰ্য্য | ২৩-২৫ |
| বেদান্ত ৰহস্য | ২৬-২৭ |
| অৱতাৰবাদ | ২৮-৩৬ |
| বিষ্ণুকৃষ্ণ তত্ত্ব | ৩৭-৪১ |
| দাক্ষিণাত্যত ভক্তি গঙ্গাৰ উৎপত্তি আলবাৰ আন্দোলন | ৪২-৫৫ |


## দ্বিতীয় অধ্যায়


| | |
|---|---|
| মহাৰাষ্ট্ৰৰ হৰিভক্তসকল | ৫৬ |
| জ্ঞানদেৱ বা জ্ঞানেশ্বৰ | ৫৬ |
| নামদেৱ | ৬০-৭০ |
| একনাথ | ৭১ |
| টুকাৰাম | ৭২ |
| সমৰ্থ ৰামদাস | ৭৩-৭৫ |
| কৰ্ণাটকৰ দাসকূটা বা হৰিদাস সম্প্ৰদায়ৰ ভূমিকা | ৭৬ |

| | |
|---|---|
| শ্ৰীপদৰাজ | ৭৭ |
| ব্যাসৰায় | ৭৮ |
| বদিৰাজ | ৭৮-৭৯ |
| কনকদাস | ৭৯-৮০ |
| বিজয় দাস | ৮০-৮১ |
| জগন্নাথ দাস | ৮১ |
| উত্তৰ ভাৰতত ভক্তিগঙ্গাৰ | |
| নব ভগীৰথ—ৰামানন্দ স্বামী | ৮১-৯০ |

## তৃতীয় অধ্যায়

| | |
|---|---|
| বেদভূমিত ভক্তিধৰ্মৰ প্লাবন | |
| শিখ্ সম্প্ৰদায় | ৯১ |
| গুৰু নানক | ৯১-৯৮ |
| আদি গুৰুগ্ৰন্থ চাহিব | ৯৮-১০০ |
| তেগ বাহাদুৰ নৱম গুৰু | ১০১-১০২ |
| দশম আৰু শেষ গুৰু গোবিন্দৰায় | ১০৩ |
| বঙ্গদেশ, উৰিষ্যা আৰু বৃন্দাবনৰ | ১০৭-১১৪ |
| ভক্তিধৰ্মৰ ধাৰা | |
| শ্ৰীশ্ৰী চৈতন্যদেৱ | |
| ৰাধা তত্ত্ব | ১১৫-১২১ |
| সামাজিক প্ৰতিক্ৰিয়া | ১২২ |
| সাংস্কৃতিক প্ৰভাৱ | ১২৩ |
| গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায় | ১২৪ |
| বৃন্দাবনৰ ছজন গোস্বামী | ১২৫ |
| উৰিষ্যাৰ পঞ্চসখা | ১২৬ |
| নবদ্বীপৰ ত্ৰিমূৰ্তি | ১২৭ |

## চতুৰ্থ অধ্যায়

| | |
|---|---|
| প্ৰাচীন কামৰূপৰ ভক্তি আন্দোলনৰ জোৱাৰ | ১২৮ |
| যুগনায়ক শ্ৰীমন্ত শঙ্কৰদেৱ | ১২৮-১৬০ |
| মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ | ১৭১-১৭২ |
| নাৰায়ণদাস ঠাকুৰ আতা | ১৭৩ |
| শ্ৰীশ্ৰীৰাম আতা | ১৭৮ |

বৰবিষ্ণু আতা ১৭৯
মথুৰাদাস বুঢ়া আতা ১৭৯-১৮১
ৰামচৰণ ঠাকুৰ ১৮২
ঘাঘৰি মাজি ১৮৩-১৯০
শ্ৰীশ্ৰী পদ্মআতা বা বদুলা আতা ১৯২-১৯৭
মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰদেৱ ১৯৮-২০৫
ভাগৱত ভট্টাচাৰ্য্য ভট্টদেৱ ২০৬-২২৮
মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ ২২৯-২৩৪
পুৰুষোত্তম বিদ্যাবাগীশ ২৩৫-২৪৭
মহাপুৰুষ শ্ৰীশ্ৰী গোপালদেৱ ২৪৮-২৭৮
শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ২৭৯

## পঞ্চম অধ্যায়

বিহঙ্গম দৃষ্টিত গুৰুসকলৰ ২৮৮-৩০৮
জীৱন আলেখ্য আৰু দৰ্শন
জাতি ভেদ ৩০৯
শূদ্ৰ কাক বোলে? ৩১০-৩১৩
বেদবিহিত কৰ্ম? ৩১৪-৩১৫
বেদ সম্বন্ধে ৩১৬-৩২২
ভাগৱতী মতৰ উদাৰতা ৩২৩-৩২৪
কামৰূপীয় ভাগৱতী ধৰ্ম সম্প্ৰদায়ৰ বৈশিষ্ট্য ৩২৫
সত্ৰ। থান। নামঘৰ ৩৩৩-৩৩৬

সহায়ক গ্ৰন্থ সমূহ (*অসমীয়া আৰু বঙলা*) ৩৩৭-৩৪১

# পাতনি

## ওঁ স্বস্তি

শ্ৰদ্ধেয় শ্ৰীযুত ধৰণীধৰ চৌধুৰীদেৱে ৰচনা কৰা "ভাৰতীয় ভক্তিধাৰা ; বিভিন্ন প্ৰান্তত" গ্ৰন্থৰ পাণ্ডুলিপিটো অতি আগ্ৰহেৰে পঢ়িলো। গ্ৰন্থখনত চৌধুৰীদেৱে কামৰূপীয় ভাগৱতী ধৰ্ম বা একশৰণ ভাগৱতী ধৰ্মৰ স্বৰূপ বৰ্ণনা কৰিবলৈ লৈ সমগ্ৰ ভাৰতবৰ্ষত প্ৰবৰ্ত্তিত ধৰ্মমতসমূহৰ এটি ধাৰাবাহিক বিবৰণ দিবলৈ যত্ন লোৱা দেখা যায়। নৱ-বৈষ্ণৱ ধৰ্ম বা একশৰণ ভাগৱতী ধৰ্মৰ আন্দোলন বা জাগৰণৰ ক্ৰমবিবৰ্ত্তনৰ এটি সুস্পষ্ট চিত্ৰ গ্ৰন্থখনত চৌধুৰীদেৱে দাঙি ধৰিছে। গ্ৰন্থখন অধ্যয়ন কৰি চৌধুৰীদেৱৰ ব্যাপক আৰু গভীৰ অধ্যয়নৰ কথা সহজে অনুমান কৰিব পাৰি। ইতিপূৰ্বে তেখেতে ৰচনা কৰা 'পুৰাণ প্ৰভা' নামৰ কিতাপখন পুৰাণৰ বিষয়ে জিজ্ঞাসু পঢ়ুৱৈ সমাজত বিশেষ সমাদৰ লাভ কৰিছে।

ভাৰতবৰ্ষৰ ধৰ্ম জগত বা সমাজখনলৈ পশ্চাদ্দৃষ্টি কৰিলে দেখা যায় যে বৌদ্ধধৰ্মৰ প্ৰভাৱত বিশেষকৈ বৌদ্ধধৰ্মত অনুষ্ঠান কৰিব লগা কেচি বিগৰ্হিত কিছুমান কাৰ্য্যকলাপৰ প্ৰৱৰ্ত্তনৰ ফলত ভাৰতবৰ্ষৰ বৈদিক ধৰ্ম বা সনাতন ধৰ্মৰ ভিত্তি সমূলি শিথিল হৈ পৰে আৰু ক্ষয়িষ্ণু অৱস্থাত স্থিতি লাভ কৰে। তেনে এক যুগসন্ধিত ক্ষুৰধাৰবুদ্ধিসম্পন্ন অপ্ৰতিমপ্ৰভাৰ মধ্যাহ্নকালীন প্ৰদীপ্ত সূৰ্য্যৰ দৰে ভাৰত আকাশত ভগৱান আদি শঙ্কৰাচাৰ্য্যৰ আবিৰ্ভাৱ হয়। ভগৱান শঙ্কৰাচাৰ্য্যই স্বকীয় প্ৰভা আৰু প্ৰখৰ বুদ্ধিৰে শ্ৰুতি আৰু যুক্তি এই দুয়োৰে সমন্বয় সাধনৰ দ্বাৰা সনাতন ধৰ্মৰ পুনৰুজ্জীৱন সাধন কৰে আৰু সনাতন ধৰ্মৰ ধাৰাৰ অব্যাহত গতি প্ৰদান কৰে।

তেখেতৰ কাৰ্য্যাৱলী আৰু তাৰ পাছতে বৈষ্ণৱ আচাৰ্য্য ৰামানুজ, নিম্বাৰ্ক, মধ্বাচাৰ্য্য আদি বৈদান্তিকসকলৰ অক্লান্ত শ্ৰমপ্ৰসূত কাৰ্য্যাৱলীৰ কথা চৌধুৰীদেৱে গ্ৰন্থখনিত উপস্থাপন কৰিছে। ভক্তি আন্দোলন বা নৱ-বৈষ্ণৱ ধৰ্ম ধাৰাৰ বিবৰ্ত্তনৰ ক্ষেত্ৰত তেখেতসকলৰ অৱদান যে বিশেষভাৱে উল্লেখনীয় এই বিষয়ে সন্দেহ নাই।

সাধাৰণ দৃষ্টিত শিক্ষাদীক্ষাত তেনে উন্নত স্তৰৰ নহয়, দাক্ষিণাত্যত তেনে এখন সমাজত আড়ৱাৰ নামৰ এক সম্প্ৰদায়ে বিষ্ণুপ্ৰেম উন্মাদনাত ভক্তিমূলক গীতাৱলী ৰচনাৰ মাধ্যমেৰে ভগৱৎনামকীৰ্ত্তনত বিহ্বল হৈ ভগৱৎপ্ৰেমমূলক লীলাৰ ধাৰণাৰ স্বতঃস্ফূৰ্ত্ত বিকাশৰ দ্বাৰা ধৰ্মভাৱেৰে অনুপ্ৰাণিত আনৰো হৃদয় ভক্তিভাৱতৰঙ্গিনীৰ ধাৰাত অভিষিক্ত কৰি ভক্তিৰসামৃতৰ আস্বাদনত নিমজ্জমান কৰে। আড়ৱাৰ সম্প্ৰদায় বা শ্ৰীসম্প্ৰদায়ৰ একান্ত অনুগত ভক্ত দাৰ্শনিক ৰামানুজাচাৰ্য্যই অতি সাধাৰণ জনসমাজত প্ৰবৰ্ত্তিত যি বৈষ্ণৱভাৱধাৰা, তাক "বেদাৰ্থসংগ্ৰহ", "ব্ৰহ্মসূত্ৰৰ শ্ৰীভাষ্য" আদি তত্ত্বগধুৰ গ্ৰন্থাৱলী ৰচনাৰ মাজেদি শাস্ত্ৰীয় পৰ্য্যায়লৈ উন্নীত কৰে আৰু যুক্তিৰ ভিত্তিত বৈষ্ণৱভাৱধাৰাক বিদ্বজ্জনসমাজত দৃঢ়ভাৱে প্ৰতিষ্ঠিত কৰে। বেদান্তদাৰ্শনিক শ্ৰীবল্লভাচাৰ্য্যৰ সময়লৈকে বেদান্তদৰ্শনৰ ব্যাখ্যাৰ মাজেদি বৈষ্ণৱতত্ত্ব আলোচনাৰ এই ধাৰা

অব্যাহত থাকে।

বিষ্ণুসম্বন্ধীয় যি কোনো কথা বৈষ্ণৱী কথা বুলি অভিহিত কৰা যায়, সেই একেদৰে বিষ্ণুদেৱতা সম্বন্ধীয় ধৰ্ম বৈষ্ণৱধৰ্ম বুলি অভিহিত হয়। নৱ-বৈষ্ণৱ ধৰ্ম বুলি ক'লে বৈষ্ণৱ ধৰ্মৰ নতুন ৰূপ এই ধাৰণা স্বাভাৱিকতে মনলৈ আহে। বৈদিক যুগতো বিষ্ণুৰ ধাৰণা বিদ্যমান দেখা যায়। ঋগ্‌বেদত 'বিষ্ণুসূক্ত'ত (১।১২) বিষ্ণুৰ মহিমাৰ বৰ্ণনা আছে। উপনিষদতো (কঠ উপনিষদত) 'তদ্ বিষ্ণোঃ পৰমং পদম্' বুলি অভিহিত হৈছে। সেই বিষ্ণুৰ ধাৰণা সৰ্বব্যাপী পৰমাত্মাৰ ধাৰণা। বৈষ্ণৱ ধাৰাতো চতুৰ্ব্যূহৰূপ নাৰায়ণৰূপী বিষ্ণুতত্ত্বৰ বিষয়ে বিস্তৃত বিবৰণ অভিহিত হৈছে। কিন্তু সেই পৰমাত্মা বিষ্ণুক মধুৰ ৰূপত পৰমাত্মীয় প্ৰিয়তমৰূপে সাহচৰ্য্যলাভৰ কাৰণে হৃদয়ৰ আবেগ, অন্তৰৰ আকুলতা আৰু অহৈতুকী নিষ্কাম ভক্তিৰে প্ৰাণপ্ৰিয়তম ভগৱানৰ সেৱা, ভজনা, আৰাধনা নামপ্ৰসঙ্গকীৰ্তন আদিৰ দ্বাৰা পৰম শান্তি আৰু তৃপ্তি লাভৰ আকাঙ্ক্ষা নৱ-বৈষ্ণৱ ধৰ্মত স্পষ্টভাৱে অভিব্যক্ত হয়। ভগৱানৰ মধুৰৰূপলীলাত ভগৱানৰ সাহচৰ্য্য লাভ ভক্তৰ কাৰণে একান্ত বাঞ্ছিত, একমাত্ৰ আনন্দ, পৰম শান্তি। তেতিয়া সচ্চিদানন্দ ভগৱানৰ মধুৰ ৰূপ সন্দৰ্শনত ভক্তপ্ৰাণ বিমোহিত। ভক্তৰ কাৰণে ভগৱানে একমাত্ৰ আকাঙ্ক্ষিত। ভগৱানৰ সকলো তেওঁৰ কাৰণে মধুৰ, অতি মধুৰ। বল্লভাচাৰ্য্যৰ ভাষাত—

'অধৰং মধুৰং বদনং মধুৰং নয়নং মধুৰং
হসিতং মধুৰম্।
হৃদয়ং মধুৰং গমনং মধুৰং মধুৰাধিপতৈ—
ৰখিলং মধুৰম্।।
বচনং মধুৰং চৰিতং মধুৰং বসনং মধুৰং
বলিতং মধুৰং
চলিতং মধুৰং ভ্ৰমিতং মধুৰং মধুৰাধি-
পতেৰখিলং মধুৰম্।।'
'মধুৰং মধুৰং বপুৰস্য বিভোঃ মধুৰং মধুৰং
বদনং মধুৰং
মধুগন্ধি মধু স্মিতম্ এতদহো মধুৰং
মধুৰং মধুৰং মধুৰম্।।'

বহু অতীজৰে পৰা বিষ্ণু, ৰুদ্ৰ আদি দেৱতাৰ ধাৰণাৰ কথা ভাৰতবৰ্ষত অভিব্যক্ত হোৱা দেখা যায়। শৈৱ সম্প্ৰদায় আৰু বৈষ্ণৱ সম্প্ৰদায় এই দুয়ো সম্প্ৰদায়ৰ অস্তিত্বৰ প্ৰাচীনতাৰ কথা আমি জানিব পাৰো। পাছে শৈৱসম্প্ৰদায়ে শিৱাদ্বৈত তত্ত্বৰ ব্যাখ্যা বিশ্লেষণ আদিৰ মাজেদি পৰোক্ষভাৱে অদ্বৈতবাদতে বৈ যোৱা যেন পৰিলক্ষিত হয়। আনহাতে নৱ-বৈষ্ণৱ সম্প্ৰদায়ে প্ৰেমময় ভগৱানৰ ভজনীয় ৰূপ আৰু ভগৱানক ভজনা কৰা ভক্ত এই দুয়োৰ মাজত সেব্য-সেৱকভাৱৰ ৰক্ষা কৰি আহিছে।

বেদসন্মত অদ্বৈতবাদৰ অবিচল একনিষ্ঠ সাধক আৰু সংৰক্ষক ভগৱান শঙ্কৰাচাৰ্য্যয়ো 'সাৰতত্ত্বোপদেশ' নামৰ উপদেশত কৈছে যে,—

'ভাৱাদ্বৈতং সদা কুৰ্য্যাৎ ক্ৰিয়াদ্বৈতং নকাৰ্হিচিৎ।

অদ্বৈতং ত্ৰিষু লোকেষু নাদ্বৈতং গুৰুণা সহ।'

গুৰু শিষ্য ভাব, সেব্য-সেবকভাৱ, ভক্ত-ভগবান ভাৱ এনে পাৰ্থক্য ৰখাৰ একান্ত আৱশ্যকতাৰ কথা অতি স্পষ্টভাৱে আচাৰ্য্য শঙ্কৰে ইয়াত অভিহিত কৰিছে।

বৈদিকসাহিত্যত সুস্পষ্টভাৱে 'ভক্তি' শব্দৰ উল্লেখ পোৱা নাযায় যদিও তাত অভিহিত 'শ্ৰদ্ধা' শব্দই অন্তৰৰ ভক্তিভাৱকে সূচায়। শ্ৰীমদ্ভাগবদ্‌গীতা শাস্ত্ৰত সৰ্বপ্ৰথমে ভক্তি সম্বন্ধে ইমান বিস্তৃত বিৱৰণ পোৱা যায়। শ্ৰীমদ্ভাগবদ্‌গীতা শাস্ত্ৰৰ দ্বাদশ অধ্যায়, যিটো অধ্যায় 'ভক্তিযোগ' নামেৰে অভিহিত তাত আমি দেখা পাওঁ যে, অৰ্জ্জুনৰ প্ৰশ্নৰ উত্তৰত শ্ৰীভগবানে প্ৰথমতে ক'লে—

'ময্যাবেশ্য মনো যে মাং নিত্যযুক্তা উপাসতে।

শ্ৰদ্ধয়া পৰয়োপেতাস্তে মে যুক্ততমা মতাঃ। (১২।২)

ইয়াত ভগৱানে প্ৰথমতে 'ভক্তি' শব্দৰ উল্লেখ কৰা নাই, 'পৰা শ্ৰদ্ধা' বুলি অভিহিত কৰিছে। বৈদিক সাহিত্যত শ্ৰদ্ধাৰ বিষয়ে বাৰে বাৰে অভিহিত হৈছে। তদুপৰি শ্বেতাশ্বতৰ উপনিষদৰ ষষ্ঠ অধ্যায়ত অভিহিত হৈছে—

'যস্য দেবে পৰা ভক্তিৰ্যথা দেবে তথা গুৰৌ।

তস্যৈতে কথিতা হ্যৰ্থাঃ প্ৰকাশন্তে মহাত্মনঃ।। (৬।২৯)

ইয়াত উদ্ধৃত মন্ত্ৰত অকল ভক্তি শব্দৰ প্ৰয়োগ হোৱা নাই, 'পৰা ভক্তি' বুলি অভিহিত হৈছে। 'পৰা' শব্দৰ অৰ্থ হৈছে পৰম বা চৰম। গতিকে 'পৰা শ্ৰদ্ধা' 'পৰা ভক্তি' আদি শব্দসমূহ বিশেষভাৱে লক্ষণীয়।

ইয়াত প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে, কেৱলাদ্বৈতবাদী শঙ্কৰাচাৰ্য্যয়ো গীতা, ব্ৰহ্মসূত্ৰ আদিৰ ব্যাখ্যাপ্ৰসঙ্গত অতি স্পষ্টভাৱাত ভক্তিৰ বিষয়ে অভিহিত কৰিছে। উপনিষদত অভিহিত হৈছে 'দ্বে বাব ব্ৰহ্মণো ৰূপে, মূৰ্ত্তং চৈব অমূৰ্ত্তংচ' (বৃউপঃ ২।৩।১) ইয়াৰ পাছত 'অথাত আদেশো নেতি নেতি' (২।৩।৬)। ইয়াত মূৰ্ত্তিযুক্ত আৰু মূৰ্ত্তিহীন বা সাকাৰ আৰু নিৰাকাৰ এই দুইবিধৰ ব্ৰহ্মৰ স্বৰূপ বৰ্ণনা কৰা হৈছে আৰু সমগ্ৰ বিশ্বপ্ৰপঞ্চৰ আধাৰ বা আশ্ৰয় ব্ৰহ্মত বিশ্বপ্ৰপঞ্চ প্ৰতিভাসমান বুলি কোৱা হৈছে। গতিকে তাৰ বাস্তৱসত্য বা চিৰন্তন সত্য নাই। উপনিষদত অভিহিত 'সত্যস্য সত্যম-' অৰ্থাৎ চকুৰ আগত প্ৰতিভাসমান প্ৰাণ আদি বস্তুতকৈয়ো অধিকতৰ সত্য অৰ্থাৎ পৰম বা চৰম সত্য, নাম ৰূপ আদি উপাধিৰহিত অব্যক্ত পূৰ্ণব্ৰহ্ম পৰমাত্মাক যোগিসকলে একান্ত নিবিষ্টচিত্তেৰে আৰাধনা কৰা সময়ত প্ৰত্যক্ষ দৰ্শন কৰে। ব্ৰহ্মসূত্ৰকাৰ আচাৰ্য্য বাদৰায়নে উপনিষদুক্ত এই তত্ত্ব 'অপিচ সংৰাধনে প্ৰত্যক্ষানুমানাভ্যাম' এই সূত্ৰৰ মাজেৰে প্ৰকাশ কৰিছে। ভাষ্যকাৰ ভগৱান শঙ্কৰাচাৰ্য্যই এই সূত্ৰৰ ব্যাখ্যাপ্ৰসঙ্গত 'সংৰাধন' শব্দৰ অৰ্থ বুজাবলৈ লৈ কৈছে যে, 'সংৰাধনং চ ভক্তিধ্যানৰ প্ৰণিধানাদ্যনুষ্ঠানম্' অৰ্থাৎ ভক্তি সহকাৰে ধ্যানৰ দ্বাৰা চিত্ত বা মনক পৰমাত্মা পৰব্ৰহ্মত প্ৰকৃষ্টভাৱে আৰু নিশ্চিতৰূপে স্থাপন কৰাহে হৈছে সংৰাধন বা সম্যকৰূপে আৰাধনা কৰা।

শ্ৰীমদ্ভাগবদ্‌গীতাৰ ত্ৰয়োদশ অধ্যায়ত আকৌ 'ধ্যান' শব্দৰ ব্যাখ্যা প্ৰসঙ্গত শঙ্কৰাচাৰ্য্যই কৈছে যে, 'তৈলধাৰাবৎ সন্ততোঽবিচ্ছিন্নপ্ৰত্যয়ো ধ্যানম্' অৰ্থাৎ তেলৰ ধাৰা মাজতে নিছিগাকৈ একেবাৰে এটি টোপালৰ সৈতে আনটো টোপাল লাগি থকাৰ দৰে অবিচ্ছিন্নভাৱে অৰ্থাৎ

নিৰন্তৰে চিত্তক ঈশ্বৰৰ লগত সংলগ্ন বা যুক্ত ৰখাহে হৈছে ধ্যান। মূঠতে উদ্ধৃত ব্যাখ্যাত দেখা যায় যে শঙ্কৰাচাৰ্য্যৰ মতে ভক্তিয়ে হৈছে আত্মসাক্ষাৎকাৰ বা ব্ৰহ্মসাক্ষাৎকাৰৰ অন্যতম প্ৰধান উপায়। এই বিষয়ে বিশদ আলোচনাৰ অৱকাশ ইয়াত নাই।

অসমৰ একশৰণ ধৰ্ম বা ভাগৱতী ধৰ্মৰ বৰ্ণনাপ্ৰসঙ্গত শ্ৰদ্ধেয় গ্ৰন্থকাৰ চৌধুৰীদেৱে বৰ্ণাইছে যে অসমৰ একশৰণ বা ভাৰতবৰ্ষৰ নৱ বৈষ্ণৱ ধৰ্মধাৰাৰ অসাধাৰণ বৈশিষ্ট্য হ'ল বিশ্বপ্ৰপঞ্চৰ সকলো বস্তুত, সকলো জীৱত বিষ্ণুভাৱনাৰ জাগৰণ আৰু বৰ্ণ, শ্ৰেণী প্ৰাণিনিৰ্বিশেষে সকলোৰে প্ৰতি সমদৃষ্টি সম্পন্ন একপ্ৰাণ, একমন জনসমাজৰ তথা বৃহত্তৰ মানৱসমাজৰ সংঘটন। যাৰ ফলত সমাজৰ পৰা পাৰস্পৰিক বৈষম্যৰ অপসাৰণ আৰু দ্বন্দহীন এক সুস্থ সমাজ আৰু সুস্থ পৰিবেশৰ সৃষ্টিৰ প্ৰতিষ্ঠাৰ সম্ভাৱনা।

বিহঙ্গমদৃষ্টিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ গুৰু দামোদৰদেৱ, শ্ৰীশ্ৰীহৰিদেৱ আদিকে ধৰি তেওঁসকলৰ শিষ্য প্ৰশিষ্যসকলৰ বিষয়ে বহু তথ্য আৰু তত্ত্বমূলক আমি জানিব লগা ভালেখিনি কথাৰ সম্ভেদ দিছে। গ্ৰন্থকাৰে নাৰায়ণদাস ঠাকুৰ আতা, বদুলা আতা শ্ৰীশ্ৰীৰাম আতা, ৰামচৰণ ঠাকুৰ, শ্ৰীশ্ৰীগোপালদেৱ, শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ আদিৰ বিষয়ে যি তথ্য পৰিৱেশন কৰিছে, অসমৰ নৱ-বৈষ্ণৱধৰ্মৰ গভীৰ অধ্যয়ন আৰু অনুশীলনৰ ক্ষেত্ৰত তেওঁসবৰ সেই অৱদানসমূহৰ কথা ধৰ্মসাধনৰ ক্ষেত্ৰত বিশেষভাৱে পঢ়ুৱৈসকলক উদ্বুদ্ধ আৰু অনুপ্ৰাণিত কৰিব। কোনো এটি দৰ্শন বা ধৰ্মমতৰ ধাৰা বা পৰম্পৰা অব্যাহত ৰখাৰ ক্ষেত্ৰত শিষ্য প্ৰশিষ্যসকলৰ দায়িত্ব অতি গধুৰ আৰু তেখেতসকলৰ একনিষ্ঠভাৱে দায়িত্ব পালনৰ দ্বাৰাহে সেই পৰম্পৰা ৰক্ষা হোৱাটো সম্ভৱ হয়। সেই কথাখিনি গ্ৰন্থকাৰজনৰ দ্বাৰা ৰচিত এই গ্ৰন্থত গুৰু আৰু শিষ্যসকলৰ চৰিত্ৰবৰ্ণনাত স্পষ্টভাৱে ব্যক্ত হৈছে। বৈষ্ণৱভকতসকলৰ বিষয়ে একেলগে জানিব পৰা এই ধৰণৰ কোনো গ্ৰন্থ আজিকোপতি ওলোৱা নাই বোধহয়।

শ্ৰদ্ধেয় গ্ৰন্থকাৰজনে গোপাল আতা পাছত মথুৰাদাস আতা বা বুঢ়া আতা নামেৰে প্ৰখ্যাত আতাজনে গুৰু মাধৱদেৱৰ পৰা দীক্ষাগ্ৰহণৰ বিষয়ে বৰ্ণনাপ্ৰসঙ্গত আগৰ গুৰুজনাক পৰিহাৰ কৰা সম্বন্ধে মাধৱদেৱৰ নিৰ্দেশ সংক্ৰান্তত বুঢ়া আতাজনৰ গুৰুনিষ্ঠাৰ যিটো চিত্ৰ অঙ্কণ কৰিছে একনিষ্ঠ ভক্তপ্ৰাণ যি কোনো শিষ্যৰ কাৰণে সেয়া অতি উৎসাহোদ্দীপক।

ঠায়ে ঠায়ে চৰিতাৱলী বৰ্ণনা প্ৰসঙ্গত গ্ৰন্থকাৰজনৰ নিজস্ব অভিমতো অভিব্যক্ত হৈছে। মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ অতুলনীয় গুৰুভক্তিৰ বিষয়ে অতি প্ৰাণস্পৰ্শী ভাৱাত গ্ৰন্থখনত বিবৃত হৈছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰবৰ্ত্তন কৰা অসমৰ ভাগৱতী ধৰ্মৰ পৰাম্পৰা অব্যাহত ৰখাৰ ক্ষেত্ৰত শঙ্কৰদেৱৰ সুযোগ্য শিষ্য অনন্যসাধাৰণ প্ৰতিভাসম্পন্ন শ্ৰীশ্ৰীমাধৱদেৱৰ অক্লান্ত একনিষ্ঠ প্ৰযত্নৰ কথা গ্ৰন্থখনত ফুটি ওলাইছে। পাছে ধৰ্মৰক্ষাৰ ক্ষেত্ৰত মাধৱদেৱৰ কঠোৰ সংৰক্ষণশীল মনোভাৱ নাইবা আন কিবা পৰোক্ষ কাৰণবশতঃ গুৰু দামোদৰদেৱৰ সৈতে মতানৈক্যৰ যিটো কথা উনুকিয়াই গ্ৰন্থকাৰজনে খেদ কৰিছে— তেনে মতানৈক্যৰ কথাটো ভকতসকলৰ কাৰণে বৰ দুখলগা কথা।

শ্ৰদ্ধেয় গ্ৰন্থকাৰজনৰ দ্বাৰা বিৰচিত এই গ্ৰন্থখন বহু জ্ঞাতব্য তথ্য আৰু তত্ত্বৰে সমৃদ্ধ। বিজ্ঞানসম্মতভাৱে লিখিত এই গ্ৰন্থখনত বৰ্ণনীয় বিষয়ৰ ধাৰাবাহিকতা বিদ্যমান। গ্ৰন্থকাৰৰ ভাষা অতি প্ৰাঞ্জল, সাৱলীল; শব্দাৱলীৰ প্ৰয়োগ সুসমঞ্জস আৰু সুসংবদ্ধ। বৰ্ণনীয় বিষয়ৰ সৈতে

সেই বিষয়ৰ বৰ্ণনাৰ ক্ষেত্ৰত ভাৱমধুৰ পদাৱলীৰ সুখমঞ্জস প্ৰয়োগে লেখা বিষয়াক উত্তম সাহিত্যৰ মৰ্যাদালৈ উন্নীত কৰে। এই গ্ৰন্থখন তেনে ধৰণৰ সাহিত্যপদবাচ্য গ্ৰন্থ বুলি ক'ব পাৰি।

গ্ৰন্থখনে পঢ়ুৱৈ সমাজৰ, বিশেষকৈ স্নাতক (সন্মান) শ্ৰেণী, স্নাতকোত্তৰ শ্ৰেণী আৰু গৱেষণা কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ নিসন্দেহে প্ৰভূত উপকাৰ সাধন কৰিব আৰু এই দিশত আলোচনাৰ ক্ষেত্ৰত বহুদিনীয়া এক অভাৱ পূৰণ কৰিব। মহাবিদ্যালয়, বিশ্ববিদ্যালয় তথা ৰাজহুৱা গ্ৰন্থাগাৰসমূহত গ্ৰন্থখন এক আপুৰুগীয়া সম্পদৰূপে স্থান পাব বুলি আশা কৰোঁ।

অসমৰ বৈষ্ণৱভকতসকলৰ কাৰণে পুণ্যক্ষেত্ৰস্বৰূপ বৰপেটানিবাসী শ্ৰীচৌধুৰীদেৱৰ গাত বংশানুক্ৰমিকভাৱে বৈষ্ণৱভাৱধাৰাৰ বিদ্যমান। গতিকে তেওঁৰ লিখনীৰ পৰা ওলোৱা গ্ৰন্থখন বৈষ্ণৱভাৱ ৰসাভিষিক্ত হোৱাটো স্বাভাৱিক কথা।

পৰম কৰুণাময় শ্ৰীশ্ৰীভগৱন্তৰ চৰণাৰবিন্দত সৰ্বান্তঃকৰণে মই শ্ৰীচৌধুৰীদেৱৰ সৰ্বাংগীন মঙ্গল প্ৰাৰ্থনা কৰিলোঁ—

ওম্ শান্তিঃ

শ্ৰীপ্ৰিয়াংসু প্ৰবল উপাধ্যায়
অৱসৰপ্ৰাপ্ত (বৰ্তমান) অতিথি
অধ্যাপক, সংস্কৃত বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
১২। ৭। ৯৩

# ভূমিকা

মোৰ প্ৰথম পুথি 'পুৰাণ প্ৰভা' (প্ৰথম খণ্ড)ৰ ভূমিকাত মই সেইখন তিনিটা খণ্ডত সম্পূৰ্ণ কৰাৰ হাবিয়াসৰ কথা লিখিছিলোঁ। দ্বিতীয় খণ্ডটোত মই লিখিব খুজিছিলোঁ ঃ

(১) সনাতন ধৰ্ম পৰম্পৰাত শংকৰাচাৰ্য্যৰ ভূমিকা

(২) ভাৰতবৰ্ষত বৈষ্ণৱ আন্দোলন

(৩) অৱতাৰবাদ আৰু ছয়খন পুৰাণ সম্বন্ধে আলোচনা

সেই মানসেৰে মই এই পুথিখন লিখা আৰম্ভও কৰিছিলোঁ। কিন্তু ভাৰতৰ বিভিন্ন প্ৰান্তৰ বৈষ্ণৱ আন্দোলন সম্বন্ধে পুথি-পাজি সংগ্ৰহ কৰি তাৰ ভিতৰত প্ৰৱেশ কৰাৰ পিছত মোৰ সাগৰৰ অতল তলিত ডুব যোৱা যেন লাগিল। এই বিষয়ত ইমান অমূল্য ৰত্নৰাজিৰ সন্ধান পাবলৈ ধৰিলোঁ যে মোৰ দৰে এজন অতি সাধাৰণ ব্যক্তিৰ পক্ষে সেইবোৰ উপলব্ধি কৰা দূৰৰ কথা বুজি পোৱাটোৱে কঠিন হ'ল। সেয়ে, সীমিত সামৰ্থ্যৰে যি দুই-এপদ ৰত্ন গোটালোঁ তাৰেই গাঁথিলো এই মণিহাৰ, অৰ্পণত হাতেৰে। সুহৃদয় পাঠক-পাঠিকাই নিজ গুণে দোষ-ত্ৰুটিবোৰ শুধৰাই লৈ নিচিকিনৰ নৈবদ্য বুলি পুথিখন গ্ৰহণ কৰিলে কৃতাৰ্থ হ'ম।

আন ছয়খন পুৰাণৰ আলোচনা পিছ পৰি ৰ'ল আৰু পুৰাণ প্ৰভাৰো সেয়ে নতুন নামকৰণ হ'ল— "ভাৰতীয় ভক্তিধাৰা–বিভিন্ন প্ৰান্তত"।

ভাৰতীয় দাৰ্শনিক চিন্তাধাৰা চাৰিটা বিশিষ্ট অৱস্থাৰ মাজেৰে প্ৰকাশ আৰু বিকাশ লাভ কৰিছে। যেনে ঃ (১) প্ৰাকৃতিক শক্তিৰ ওপৰত দেৱত্ব আৰোপ।

বেদৰ সংহিতা অংশত আমি পাওঁ বিষ্ণু, ইন্দ্ৰ, বৰুণ, অগ্নি, মৰুৎ, উষা প্ৰভৃতি দেৱতাৰ কল্পিত চৰিত্ৰ। প্ৰকৃতিৰ প্ৰচণ্ড শক্তিবোৰৰ ভয়ংকৰ ৰূপ আৰু তাৰ মাজে মাজে অৰূপ সৌন্দৰ্য্য আৰু মাংগলিক কাৰ্য্যাৱলীৰ প্ৰকাশ দেখি সেইবোৰত ভাগে ভাগে দেৱত্ব আৰোপিত হ'ল আৰু সেই দেৱতাক সন্তুষ্ট কৰিবলৈ, ভয়ৰপৰা পৰিত্ৰাণ পাবলৈ আৰু পাৰ্থিৱ সা-সম্পদ লাভ কৰিবলৈ নানা যজ্ঞানুষ্ঠান আৰু পশুবলি আদি কৰ্মৰ বিধান হ'ল। কিন্তু বেদ কেৱল ধৰ্ম গ্ৰন্থই নহয়, ই দাৰ্শনিক গ্ৰন্থও। নানা যাগ যজ্ঞত ৰত থাকিও তাৰ মাজে মাজে ঋষিসকলৰ জিজ্ঞাসু মনোভাৱো প্ৰস্ফুতিত হৈছে। নানা সূক্তৰ মাজত বিভিন্ন দাৰ্শনিক প্ৰশ্ন উত্থাপিত হৈছে- এই সৃষ্টি কিদৰে হ'ল, দেৱতা এক নে বহুত, ইত্যাদি ইত্যাদি। এই দাৰ্শনিক চিন্তাৰ মাজত আমি দেখিবলৈ পাওঁ বহু দেৱতা নিয়ন্ত্ৰিত বিশ্বৰ পৰিকল্পনাৰ মাজেৰে এটা ধাৰণাই প্ৰকটিতে হৈছে যে এই বিশ্ব একেটি মাত্ৰ নৈৰ্ব্যক্তিক মহাশক্তিৰ দ্বাৰা নিয়ন্ত্ৰিত। ঋগ্বেদৰ এটা সূত্ৰত কোৱা হৈছে—

একং সদ বিপ্ৰা বহুধা বদন্তি।
অগ্নিং যমং মাতৰিশ্বানমাহঃ।।

(২) এটিমাত্ৰ প্ৰচ্ছন্ন সৰ্বব্যাপী নৈৰ্ব্যক্তিক সত্তা বিশ্বৰ মৌলিক শক্তিৰূপে গ্ৰহণ ঃ

যি চিন্তা বেদৰ সংহিতা ভাগত বীজাকাৰে প্ৰকাশ পাইছিল, প্ৰাচীন উপনিষদবোৰত সি পূৰ্ণ বিকশিত কুসুম আকাৰ লৈছে, সংহিতাৰ পুৰুষ উপনিষদত ব্ৰহ্মত ৰূপান্তৰিত হৈছে। ঋষিসকল ব্যৱহাৰিক প্ৰয়োজনৰ উৰ্দ্ধত বিশ্ব সত্তাৰ পৰিচয় পাবলৈ বেছি উৎকণ্ঠিত। চিন্তা কৰা হৈছে যে যি সকলো মানুহ, সকলো জীৱ, সকলো বস্তুতে প্ৰচ্ছন্নভাৱে ব্যাপ্ত হৈ আছে তেৱেঁই ব্ৰহ্ম। ব্ৰহ্মৰ অৰ্থ হ'ল যি বৃদ্ধি প্ৰাপ্ত হয়। ব্ৰহ্মই বৃদ্ধিপ্ৰাপ্ত হৈ বিশ্বত পৰিণত হৈছে।

(৩) জ্ঞান মাৰ্গেৰে মুক্তিৰ অন্বেষণ ঃ

ভাৰতীয় দৰ্শনৰ তৃতীয় যুগটো হ'ল ষড়দৰ্শনৰ যুগ। এই যুগত আমি দেখিবলৈ পাওঁ জিজ্ঞাসু অৱস্থাৰ পৰিবৰ্তিত ৰূপ, অৰ্থাৎ জিজ্ঞাসুৰ দৃষ্টি ধাবিত হৈছে ব্যৱহাৰিক প্ৰয়োজন অনুসাৰে। এই যুগত কৰ্মফল ভোগ আৰু তাৰ ফলত জন্মান্তৰত বন্ধন বিশ্বাস বদ্ধমূল সংস্কাৰত পৰিণত হৈছে। লগতে এই ধাৰণাও প্ৰবল হৈছে যে জন্মবন্ধন সুখকৰ নহয়। সেয়ে পৰজন্মৰপৰা মুক্তিৰ আকাংক্ষা পৰিস্ফুত হৈছে আৰু তাৰ উপায় হিচাপে জ্ঞানমাৰ্গ অৱলম্বন কৰা হৈছে। ফলত সৃষ্টি হৈছে ষড়দৰ্শন– ন্যায়, বৈশেষিক, সাংখ্য, যোগ, পূৰ্বমীমাংসা আৰু উত্তৰ মীমাংসা বা বেদান্ত। হিন্দুৰ ষড়দৰ্শনৰ প্ৰভাৱ বৌদ্ধ আৰু জৈন দৰ্শনত দেখিবলৈ পোৱা যায়, কেৱল বেদৰ অংশ দুটা বাদ দি। তাতো মুক্তি বা নিৰ্বান হ'ল পৰমাৰ্থ আৰু তাৰ উপায় হ'ল জ্ঞানমাৰ্গ। ওপৰত উল্লেখ কৰা তিনিওটা মাৰ্গতে কিন্তু ভক্তৰ বা সাধকৰ আৰ্ত আৰু অৰ্থাৰ্থী ভাৱ স্পষ্টৰূপে পৰিলক্ষিত হয়।

(৪) ভক্তি মাৰ্গেৰে ঈশ্বৰৰ লগত মিলন ঃ

এই যুগ আহিছে ষড়দৰ্শনৰ পিছত। এই যুগ একেশ্বৰ-বাদক অৱলম্বন কৰি ব্যক্তিৰূপী ঈশ্বৰৰ পৰিকল্পনাৰ ভেটিত গঢ় লৈছে। ভক্তৰ দৃষ্টিভংগীত ঈশ্বৰ বিশ্বতত্ত্বৰ কেন্দ্ৰমূলত স্থাপিত আৰু সকলো মৌলিক শক্তিৰ আধাৰ। এই যুগত ঈশ্বৰভক্তি একমাত্ৰ সাধনমাৰ্গ বুলি বিবেচিত হৈছে আৰু এই মাৰ্গক ঈশ্বৰৰ লগত মিলন আৰু সেৱা-সেৱকভাৱে ভগৱানৰ সেৱাত নিযুক্ত থকা সৰ্বোত্তম তত্ত্ব বুলি স্বীকৃত হৈছে।

প্ৰথম তিনিটা মাৰ্গ ঋষি-পণ্ডিতসকলৰ যুক্তি তৰ্কৰ মায়াজালৰ মাজতে আৱদ্ধ আছিল। সৰ্বসাধাৰণ নিৰক্ষৰ হোজাসকলৰ আৰু বিশেষকৈ স্ত্ৰী আৰু শূদ্ৰৰ এই মাৰ্গৰ জৰিয়তে জ্ঞান লাভৰ সুবিধা বা অধিকাৰ নাছিল। ভক্তি যুগেই সকলো স্তৰৰ মানুহক আকোৱালি ল'লে। ভাৰতৰ বিভিন্ন প্ৰান্তৰ স্থানীয় ভাষাসমূহৰ মাধ্যমেৰে এই তত্ত্ব প্ৰচাৰিত হোৱা কাৰণে ই কেৱল প্ৰাদেশিক ভাষাসমূহৰ ভেটি স্থাপন কৰাই নহয় তাৰদ্বাৰা সৰ্ব-সাধাৰণ ৰাইজৰ অন্তৰতো সহজে প্ৰৱেশ কৰিবলৈ সমৰ্থ হ'ল। ভাৰতীয় দৰ্শনৰ এই যুগটোৰ মাহাত্ম্য আৰু ঐতিহ্য মহান আৰু সুদূৰ প্ৰসাৰী। এই যুগ প্ৰবৰ্তনত অৰিহণা যোগাইছে মূলতঃ গীতা আৰু পুৰাণ শাস্ত্ৰই বিশেষকৈ ভাগৱত পুৰাণে। এই যুগৰ তত্ত্ব প্ৰচাৰত ৰামায়ণ আৰু মহাভাৰতো ব্যৱহৃত হৈছে। ভক্তি সূত্ৰসমূহে টীকা-ভাষ্যকাৰৰ ভূমিকা লৈছে।

ভক্তিৰসৰ ধাৰা বেদৰ মন্ত্ৰৰ কালৰ পৰাই প্ৰৱাহিত হৈ আহিছে, যদিওবা ভক্তি শব্দটো বেদত পোৱা নাযায়। যজ্ঞানুষ্ঠানত দেৱতাসকলৰ উদ্দেশ্যে যি আহ্বান বা কাতৰ প্ৰাৰ্থনা কৰা হৈছিল সি ভক্তিসিক্ত অন্তৰৰে প্ৰকাশ, ভক্তিৰসৰেই প্লাৱিত নিবেদন। কঠ, মুণ্ডক, ঈশ আৰু শ্বেতাশ্বতৰ আদি উপনিষদত সেই ভাৱৰ চিন্তাধাৰা বৰ্ণিত হৈছে। বৃহদাৰণ্যক উপনিষদৰ চতুৰ্থ

ব্ৰাহ্মণৰ "যাজ্ঞ্যবল্ক মৈত্ৰেৰী সংবাদ" আখ্যানত ঋষি যাজ্ঞবল্কই পত্নী মৈত্ৰেয়ীক প্ৰশ্ন কৰিছে- স্বামী-প্ৰীতিৰ কাৰণে বা স্বামীক ভাল লাগে কাৰণেই কি পত্নীৰ স্বামী প্ৰিয়? বা পত্নী-প্ৰীতিৰ কাৰণেহি কি পত্নী-পতিৰ প্ৰিয়? উত্তৰ দিছে 'নহয়'। পৰস্পৰৰ পৰস্পৰৰ প্ৰতি এই ভাল পোৱাৰ কাৰণ আত্মপ্ৰীতি। পুত্ৰ বুলিয়ে যে পুত্ৰ মাতা-পিতাৰ প্ৰিয় সেইটো নহয়। পুত্ৰ প্ৰিয় আত্মপ্ৰীতিৰ কাৰণে। ইয়াৰপৰা এইটো অৰ্থ উদ্ধাৰ কৰিব পাৰি যে, আত্মপ্ৰীতিয়ে হ'ল সাংসাৰিক জীৱনত প্ৰেম-প্ৰীতিৰ সম্বন্ধবোৰৰ প্ৰতিচ্ছবি, ব্ৰহ্মপ্ৰীতিৰ আধাৰত সৃষ্ট মধুৰ ভাবাবেগ। এই তত্ত্বকেই বৈষ্ণৱ আচাৰ্যসকলে পিছৰ কালত নানান ৰূপত বিস্তৃতভাৱে প্ৰকাশ কৰি স্থান কাল অনুসাৰে জনগণৰ মাজত প্ৰচাৰ কৰিছে।

পাণিনিৰ মতে, ভক্তি শব্দটো 'ভজ' ধাতুৰ লগত 'ক্তিণ' প্ৰত্যয় যোগ হৈ সৃষ্টি হৈছে আৰু ইয়াৰ অৰ্থ হ'ল সেৱা, অনুৰাগ, আকৰ্ষণ, আনুগত্য, শ্ৰদ্ধা আৰু বৈশ্যতা বা অধীনতা স্বীকাৰ। ভাগৱত পুৰাণৰ প্ৰথম ভাষ্যকাৰ মাধ্বাচাৰ্যৰ মতে, 'ভক্তি' শব্দটো 'ভজ' ধাতুৰ লগত 'ক্তি' প্ৰত্যয় যোগ হৈ ৰূপ পাইছে। ইয়াৰ ধাতুৰূপে বুজায় 'সেৱা' আৰু প্ৰত্যয়টোৱে বুজায় 'প্ৰেম'। শাণ্ডিল্য-ভক্তিসূত্ৰ মতে ভক্তিৰ অৰ্থ ঈশ্বৰৰ প্ৰতি অন্তহীন আকৰ্ষণ— 'পৰানুৰক্তিৰ ঈশ্বৰে।' নাৰদ ভক্তিসূত্ৰত কোৱা হৈছে যে, 'সৎ ত্বস্মিণ পৰম প্ৰেমৰূপ'— অৰ্থাৎ ভগৱানৰ প্ৰতি অসীম প্ৰেমেই হ'ল ভক্তি। অনামী লিখকৰদ্বাৰা প্ৰণীত ভক্তি মীমাংসা সূত্ৰৰ মত হ'ল মনুষ্যৰ সৰ্বোত্তম লক্ষ্য মোক্ষ বা মুক্তি নহয়-- ভক্তিহে। ব্যাসদেৱৰ মতে, ঈশ্বৰৰ উপাসনাৰ প্ৰতি সদায় আকৰ্ষণেই ভক্তিৰ লক্ষণ। ঋষি গৰ্গৰ মতে ঈশ্বৰৰ নানা লীলা-- বিলাসৰ কাহিনী শুনাৰ প্ৰতি প্ৰগাঢ় আগ্ৰহেই ভক্তিৰ লক্ষণ। আদিগুৰু শংকৰাচাৰ্যই তেওঁৰ গীতা ভাষ্যত কৈছে যে 'শ্ৰদ্ধাই' ভক্তি— 'ভজনম্ ভক্তি'। তেওঁ অনন্যা ভক্তিৰ ব্যাখ্যা দান প্ৰসংগত মন্তব্য কৰিছে যে বাসুদেৱৰ বাহিৰে আন একো উপলব্ধি নকৰাই ইয়াৰ লক্ষণ। ব্ৰহ্মসূত্ৰৰ ভাষ্যত তেওঁ সিদ্ধান্ত দিছে যে যদিও ব্ৰহ্ম নিৰ্গুণ, নাম আৰু ৰূপধাৰী সগুণ ৰূপেহে তেওঁক উপাসনা কৰিব লাগে।

ভক্তি তত্ত্বটো প্ৰথমতে গীতাৰ দ্বাৰাইহে প্ৰচাৰিত হৈছে। শ্ৰীমদ্ভাগৱত গীতা আৰু শ্ৰীমদ্ভাগৱত এই দুই প্ৰধান ধৰ্মশাস্ত্ৰৰ আধাৰতে মধ্যযুগীয় ভক্তি- ধৰ্ম দৰ্শন প্ৰতিষ্ঠিত। গীতা মহাভাৰতৰ অংশ, কিন্তু ভাগৱত এখন স্বকীয় পুৰাণশাস্ত্ৰ। মহাভাৰতত বিষ্ণুৰ পূৰ্ণাৱতাৰ শ্ৰীকৃষ্ণৰ বাল্যলীলাৰ বিৱৰণ নাই। দ্ৰৌপদী আৰু শিশুপালৰ উক্তিত দুই এঠাইত বৃন্দাৱনৰ গোপীসকলৰ সামান্য উল্লেখ পোৱা যায়। কুৰুক্ষেত্ৰ মহাসমৰৰ প্ৰাৰম্ভণিত শ্ৰীকৃষ্ণই সখাভক্ত অৰ্জুনক দিয়া উপদেশেই গীতা। গীতাৰ সাৰমৰ্ম হ'ল কেনেকৈ বিভিন্ন স্তৰৰ মাজেদি মনুষ্যই স্থূলৰপৰা সূক্ষ্ম আৰু সূক্ষ্মতৰ স্তৰলৈ ক্ৰমে ক্ৰমে আগবাঢ়ি গৈ অৱশেষত মোক্ষ পাব পাৰে। বেদ বেদান্তত প্ৰকাশ হোৱা সকলো কাৰণৰ কাৰণ পৰম পুৰুষেই ভগৱান শ্ৰীকৃষ্ণ— এই ভগৱানৰ গুণলীলা য'ত বৰ্ণিত হৈছে সেয়ে ভাগৱত। এই মহাপুৰাণৰ আদিৰপৰা অন্তলৈ প্ৰতি অধ্যায়ত ভগৱানৰ মহিমাকীৰ্ত্তন আছে। কিন্তু ভাগৱতৰ দশম স্কন্ধত সূক্ষ্মৰূপ, নিৰঞ্জন, নিৰ্গুণ, ভগৱানৰ গুণ শিশুলীলাৰ মাজেৰে এনেদৰে বৰ্ণিত হৈছে যে ইয়েই ভাগৱতৰ সাৰমৰ্ম বুলি ভাবিবৰ থল ওলায়।

ভাগৱতৰ শিশুলীলাত ব্ৰজধামৰ গোপীসকলৰ বালক শ্ৰীকৃষ্ণৰ প্ৰতি যি অনুৰাগ,

আকৰ্ষণ, আনুগত্য আৰু প্ৰেম সেয়া শক্তিৰ প্ৰতি ভক্তি নহয়। সেয়া হ'ল প্ৰেমময়ৰ অনন্ত প্ৰেম নিবেদন– 'প্ৰেমভক্তি'। শ্ৰীকৃষ্ণ যে বিষ্ণুৰ পূৰ্ণাৱতাৰ, সৰ্বজ্ঞ, সৰ্বশক্তিমান, সৰ্বনিয়ন্তা, তেওঁ যে অসুৰ নিধন কৰি ধৰ্ম সংস্থাপন কৰিবলৈ ধৰাধামত অৱতীৰ্ণ হৈছিল, সেই কথা গোপীসকলে নাজানিছিল বা জানিবলৈ বিচৰাও নাছিল; তেওঁলোকৰ মনত শ্ৰীকৃষ্ণ আছিল এজন গোপবালক, যশোদাদুলাল। তেওঁলোক শ্ৰীকৃষ্ণৰ প্ৰেমৰূপত মত্তলীয়া হৈছিল। ৰাসযাত্ৰাৰ সময়ত পতি-পুত্ৰ, গৃহবাৰী, ধন-সম্পদ, লাজ-সম্ভ্ৰম সকলো নেওচি, হিংস্ৰ জীৱ-জন্তুৰ ভয়কো ভ্ৰূক্ষেপ নকৰি মাজনিশা যমুনাৰ পাৰলৈ ঢাপলি মেলিছিল শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰত মত্তলীয়া হৈ-- প্ৰেমিকৰ লগত মিলন আকাংক্ষা কৰি, তেওঁৰ আলিংগন আৰু চুম্বন পৰশ পাবলৈ। ইয়াৰ বিনিময়ত গোপীসকলে কিন্তু স্বৰ্গ, মোক্ষ একোকে কামনা কৰা নাছিল। প্ৰত্যেকজনী গোপীয়ে ভাৱাতীত ভাৱত শ্ৰীকৃষ্ণৰ নিজ বাহুবন্ধনত সোমাইছিল। পৰমাত্মা আৰু জীৱাত্মাৰ মিলন সংঘটিত হৈছিল। ভগৱান, ভকত আৰু ভজন একাকাৰ হৈছিল। নিৰ্গুণ ব্ৰহ্ম আৰু সগুণ ঈশ্বৰৰ ভেদাভেদ নোহোৱা হৈছিল। বৈদিক ঋষিৰ অনন্ত জিজ্ঞাসাৰ পৰিসমাপ্তি হৈছিল। ভক্ত ভগৱানৰ কৃপাপ্ৰাৰ্থনা আৰু কৃপাময় সম্বন্ধৰ পৰিবৰ্তে কামনাহীন সেৱ্য-সেৱক ভাৱৰ, প্ৰেমময় আৰু প্ৰেমিকা ভাৱৰ মধুৰ ৰসধাৰা নিৰ্গত হৈছিল। বিশ্বৰ দাৰ্শনিক তত্ত্বৰ এটি অনন্য উদাহৰণ প্ৰকাশ পাইছিল, য'ত আকাংক্ষা নাই, আকৰ্ষণ আছে, এয়ে কাম গন্ধহীন প্ৰেম।

সনাতন ধৰ্মৰ নামত এদিন ভাৰতৰ হিন্দু সমাজত যি সাম্প্ৰদায়িক অনাচাৰ, ব্যভিচাৰ, নিম্নবৰ্গৰ মানুহক যি অনাদৰ আৰু অৱহেলা আৰু বিশেষকৈ স্ত্ৰী আৰু শূদ্ৰৰ প্ৰতি যি অমানবীয় আচৰণ আৰু ব্যৱহাৰ সৃষ্টি হৈছিল তাৰেই প্ৰতিক্ৰিয়া আছিল ভক্তি ধৰ্মৰ আন্দোলন। এই আন্দোলনে ধৰ্মীয় আচৰণৰ ক্ষেত্ৰত সকলো বৰ্ণৰ সমান অধিকাৰৰ দাবী লৈ সকলো মানুহকে আনকি সকলো জীৱকে এক ঈশ্বৰৰ সন্তান বুলি গণ্য কৰি ঈশ্বৰৰ লগত প্ৰেমৰ সম্পৰ্ক স্থাপনৰ মাজেদি ভাৰতীয় সমাজত সঞ্জীৱনী মন্ত্ৰধাৰা প্ৰাণ সঞ্চাৰ কৰিছিল।

এই ভক্তি আন্দোলনৰ চাৰিত্ৰিক বৈশিষ্ট্যবোৰৰ নিৰ্দেশ স্পষ্টভাৱে পোৱা যায় কে দামোদৰণৰ ভাষাত। তেওঁ লিখিছিল–

first, recognition of the unity of the people irrespective of religious considerations; secondly, equality of all before God, thirdly, opposition to the caste system, fourthly, the faith that communion between God and man depended on the virtues of each individual, and not on his wealth or caste, fifthly, emphasis on devotion as the highest form of worship, and finally self-mortification " (Indian Thought A Critical Survey P 318)

বৈষ্ণৱ ধৰ্মৰ চৰিত্ৰ সম্বন্ধে বিশ্বকবি ৰবীন্দ্ৰনাথৰ বৰ্ণনা এনেকুৱা–"বৈষ্ণৱ ধৰ্মই এক ভাৱৰ উচ্ছ্বাসত সামাজিক অৱস্থাক অতিক্ৰম কৰি চলৰ সৃষ্টি কৰিছিল। সামাজিক অৱস্থাৰ বান্ধোনবোৰৰ পৰা এক বৃহৎ আনন্দৰ মাজত সকলোকে মুক্তি দিছিল। শক্তিয়ে যেতিয়া সকলোকে উৎপীড়ন কৰিছিল, ওপৰৰ মানুহে যেতিয়া তলৰ মানুহক দমন কৰিছিল, তেতিয়াই বৈষ্ণৱ ধৰ্মই প্ৰেমৰ কথা কৈছিল। তেতিয়াই ই ভগৱন্তক ঐশ্বৰ্য্যময় স্বৰ্গৰ পৰা এই পৃথিৱীৰ ভক্তা ঘৰলৈ নিমন্ত্ৰণ কৰি আনিছিল। ইয়াৰ ফলত যি ব্যক্তি তৃণাদপি নীচ আছিল সিও গৌৰৱ লাভ কৰিছিল, যিজনে হাতত ভিক্ষাৰ জোলোঙা লৈছিল সিও সম্মান পাইছিল। যি আছিল

স্বেচ্ছাচাৰী সিও পবিত্ৰ হৈছিল। প্ৰেমৰ অধিকাৰত, সৌন্দৰ্য্যৰ অধিকাৰত, ভগৱত্বৰ অধিকাৰত সকলো সমান হৈ পৰিছিল" (বংগ ভাষা ও সাহিত্য)।

ভাৰতৰ উত্তৰ-পূৱ প্ৰান্তৰ প্ৰাচীন কামৰূপ দেশৰ পঞ্চদশ শতিকাৰ বৃহত্তৰ অসমীয়া সমাজক যেতিয়া 'বামানয় শাস্ত্ৰ'ৰ মোহিনী মায়াই বাইবেলৰ সাপৰ নিচিনাকৈ প্ৰলুব্ধ কৰি ভক্তিশূন্য আচাৰ কেন্দ্ৰিক ব্যভিচাৰত নিমগ্ন কৰিবলৈ অগ্ৰসৰ হৈছিল সেই সময়তে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আমাৰ ইয়াত আবিৰ্ভাৱ হৈছিল। তেৰাই ভক্তিৰসৰ নিৰ্মল প্ৰৱাহেৰে জাতি-অজাতিৰ মাজৰ সকলো ভেদাভেদ, সকলো ধৰণৰ বৈষম্যক নিশ্চিহ্ন কৰা ভক্তিধৰ্মৰ বাণী প্ৰচাৰ কৰি সফলকাম হৈছিল। সেয়ে তেৰাৰ শিষ্য মহাপুৰুষ মাধৱদেৱে 'নামঘোষাত' বৰ্ণাইছে-

হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।।

কিন্তু দুখ আৰু পৰিতাপৰ কথা এয়েই যে এনেহেন মহাপুৰুষজনক ভাৰতীয় ভক্তিধৰ্মৰ গৱেষকসকলে আজিলৈকে চিনি নাপালে আৰু তেৰাৰ বিষয়ে নিৰ্বিকাৰ হৈ থাকিল। ড' টি. এচ. কৃষ্ণনীৰ গৱেষণা গ্ৰন্থ 'A critical study of the Bhagabat Puran' অত তেখেতে 'Baishnavism in different parts of India with special reference to Bhagabat cult' শীৰ্ষক এটি পৰিচ্ছেদ যুগুত কৰিছে আৰু তাত ভাৰতবৰ্ষৰ আন প্ৰান্তৰ প্ৰায় সকলো বৈষ্ণৱ গুৰুসকলৰ ধৰ্মমতৰ বৈশিষ্ট্য সম্বন্ধে উল্লেখ কৰিছে। কিন্তু শ্ৰীমন্ত শংকৰদেৱৰ নাম তাত উল্লেখ নাই। তেনেদৰে কে. দামোদৰণৰ 'Indian Thoughts. A critical study' নামৰ প্ৰসিদ্ধ গ্ৰন্থখনৰ Bhakti Movement শীৰ্ষক অংশত কবীৰ দাস, ৰুই দাস, চৈতন্য, জ্ঞানেশ্বৰ, তুকাৰাম, নানক, অৰ্জুন আদি বৈষ্ণৱ গুৰুসকলৰ বিষয়ে বিতংকৈ লিখিছে; কিন্তু শংকৰদেৱে তাতো স্থান পোৱা নাই। প্ৰসিদ্ধ গৱেষক ছাৰ ৰামকৃষ্ণ গোপালন ভাণ্ডাৰকাৰৰ Vaishnavism, Saivism and minor Religious system নামৰ প্ৰখ্যাত গ্ৰন্থতো শংকৰদেৱৰ নাম উল্লেখিত হোৱা নাই। এইকেইখন গ্ৰন্থৰ উল্লেখ কৰা হ'ল এটা নমুনাৰ কাৰণেহে। ভাৰতীয় পণ্ডিতসকলৰ এই অবহেলাৰ কাৰণ অজ্ঞতা নে অবহেলা সেই কথা সঠিককৈ কোৱা টান। কিন্তু এই বিষয়ে অসমৰ পণ্ডিতসকলৰো কোনো প্ৰতিবাদ ধ্বনি উচ্চাৰিত নোহোৱাটো বেছি আশ্চৰ্য্যজনক কথা।

বংগদেশৰ প্ৰখ্যাৎ গৱেষক প্ৰাচ্যবিদ্যাৰ্ণৱ নগেন্দ্ৰ নাথ বসুৱে চৈতন্যদেৱৰ মতাদৰ্শৰ লগত শংকৰদেৱৰ তুলনামূলক বিচাৰ কৰি আমাৰ মহাপুৰুষজনাৰ বৈশিষ্ট্য স্পষ্টকৈ দাঙি ধৰিছে। সেই কথা আমি এই গ্ৰন্থৰ যথাস্থানত লিপিবদ্ধ কৰিছোঁ। কিন্তু বসু মহোদয়ৰ গ্ৰন্থখন বৈষ্ণৱ ধৰ্মৰ ইতিহাস নহয়, কামৰূপৰ সামাজিক বুৰঞ্জীহে। বিমান বিহাৰী মজুমদাৰৰ গৱেষণা গ্ৰন্থ 'শ্ৰীচৈতন্য চৰিত্ৰেৰ উপাদান'ত তেখেতে শংকৰদেৱ আৰু চৈতন্যৰ মাজত পাৰ্থক্য নিৰ্দেশ কৰিবলৈ গৈ লিখিছে (১) শ্ৰী চৈতন্যই শ্ৰীকৃষ্ণক মধুৰ ৰসৰ জৰিয়তে উপাসনা কৰিছিল আৰু শংকৰদেৱে দাস্য ভক্তিৰ মহিমা প্ৰচাৰ কৰিছিল। শ্ৰীচৈতন্যই হৰেকৃষ্ণ হৰেকৃষ্ণ আদি ষোড়শ নাম আৰু শংকৰদেৱে চাৰি নাম গ্ৰহণৰ উপদেশ দিছিল। (২) শংকৰদেৱে যদি

শ্ৰীচৈতন্যৰ উপদেশ গ্ৰহণ কৰি শ্ৰীমদ্ভাগৱত ৰচনা কৰিলেহেতেন, তেতিয়া হ'লে— শ্ৰীৰাধাৰ উল্লেখ থাকিলহেতেন। (৩) বেজবৰুৱাদেৱে যি সিদ্ধান্ত গ্ৰহণ কৰিছে যে শংকৰদেৱৰ ওচৰত চৈতন্যৰ কোনো প্ৰভাৱ পৰা নাই, সেই সম্পৰ্কে তেখেতৰ লগত মোৰ কোনো বিৰোধ নাই।

The Ramkrishna Mission Institute of Culture ৰ দ্বাৰা প্ৰকাশিত The cultural Heritage of India গ্ৰন্থৰ চতুৰ্থ খণ্ডটোত ধৰ্মীয় বিষয়ক আলোচনাই স্থান পাইছে। এই খণ্ডত পণ্ডিত ৰাজমোহন নাথৰ এটি মূল্যবান প্ৰবন্ধ আছে— "Sankardeva and the Vaishnava Movement of Assam." নাথদেৱৰ পাণ্ডিত্য অসমৰ কোনেও অস্বীকাৰ নকৰে। আৰু এই প্ৰবন্ধতো তেখেতে শংকৰদেৱৰ বিষয়ে তথ্যপূৰ্ণ আলোচনাই আগবঢ়াইছে। কিন্তু তাতো কেৰোণ ওলাল। তেখেতে লিখিছে এনেদৰে :

"Sankara Deva's religion is known as the Mahapurushia Dharma; and as the main method of worship is Kirtana or signing the praise of the name of the Lord, it is also called the Nama Dharma The mantra for initiation is Hare Krisna. Hare Rama."

এই শেষৰ চাৰিটা শব্দই শংকৰদেৱৰ ধৰ্মমতক চৈতন্যদেৱৰ ধৰ্মমতৰ লগত সানমিহলি কৰাৰ এটা পৰোক্ষ প্ৰচেষ্টা বুলি যদি ধৰি লোৱা হয়, তেন্তে বেছি ভুল কৰা নহ'ব। কিয়নো তেখেতৰ নিচিনা পণ্ডিতে শংকৰদেৱৰ চাৰিনাম আৰু চৈতন্যদেৱৰ ষোড়শ নামৰ পাৰ্থক্য নজনা বুলি মানি ল'ব নোৱাৰি। অসমীয়া চৰিতকাৰৰ কেইখনমান পুথিতো অসমৰ বিশিষ্ট মহাপুৰুষ শংকৰদেৱ, দামোদৰদেৱ আৰু হৰিদেৱক চৈতন্যদেৱৰ শিষ্য বুলি দেখুৱাবৰ প্ৰচেষ্টা প্ৰকট হৈছে। এই কথা আমি আমাৰ পুথিত বিশেষভাৱে আলোচনা কৰিছোঁ। ভাৰতবৰ্ষৰ সকলো প্ৰান্তৰ বৈষ্ণৱ গুৰুসকলৰ মতবাদ আলোচনা কৰি প্ৰাচীন কামৰূপীয়া ভক্তি ধাৰাটোৰ বৈশিষ্ট্যখিনি আঙুলিয়াই দিবলৈ এয়া আমাৰ নিঃকিন প্ৰচেষ্টা। বিচাৰৰ ভাৰ পাঠক-পাঠিকাৰ হাতত।

মোৰ অতি সৌভাগ্য যে এই কামত বহুকেইজন জ্ঞানী-গুণী পণ্ডিতৰ পৰামৰ্শ উপদেশ আৰু সহায় পাবলৈ সমৰ্থ হৈছিলো। নহ'লে মোৰ দৰে ক্ষুদ্ৰ বুদ্ধিৰ আৰু সীমিত জ্ঞানৰ মানুহৰ দ্বাৰা এই কাম সম্ভৱপৰ নহ'লহেঁতেন। এই ক্ষেত্ৰত প্ৰথমে স্মৰণ কৰিব লাগিব প্ৰয়াত ড° প্ৰফুল্লদত্ত গোস্বামীদেৱৰ কথা। মোৰ পৰিকল্পনাটো এদিন তেওঁক কোৱাৰ পাছৰপৰা তেওঁ মোক নেৰিলে। প্ৰায়ে আহি লিখা হোৱা অংশবিলাক ঘৰলৈ নি ভুল ভ্ৰান্তিবোৰ শুধৰাই প্ৰয়োজনীয় উপদেশবোৰ দি গৈছিল। সুদূৰ বাংগালোৰৰপৰা লিখা-লিখি কৰি কিতাপ আনি যোগান ধৰিছিল। এইখন লিখি থকা অৱস্থাতে মোৰ সকলো শিল্পকৰ্মৰ প্ৰেৰণাস্বৰূপ মোৰ সহধৰ্মিনী নিনভিৰ মৃত্যু হোৱাত মই শোকত কাতৰ হৈ লিখা-পঢ়া বাদেই দিছিলোঁ! কিন্তু গোস্বামীদেৱে মোক নেৰিলে। লিখা শেষ কৰোৱাইহে শান্ত হ'ল। ইয়াৰ পিছত পুথিৰ নামকৰণো নিজে কৰি নিজ হাতেৰে পাণ্ডুলিপিও লিপিবদ্ধ কৰিলে। অতি দুখৰ বিষয় যে ছপাপুথি এখন তেওঁৰ হাতত তুলি দিবলৈ মোৰ সৌভাগ্য নহ'ল।

দ্বিতীয়জন বেদজ্ঞ পণ্ডিত হ'ল ড প্ৰিয়াংসু প্ৰবল উপাধ্যায়দেৱ। তেখেতে গোটেইটো পাণ্ডুলিপি তন্নতন্নকৈ পৰীক্ষা কৰি ভুলভ্ৰান্তিবোৰ শুধৰাই ইয়াৰ পাতনিখনো লিখিছে। 'বংগদেশ, উৰিষ্যা আৰু বৃন্দাবনৰ ভক্তিধাৰা— শ্ৰীশ্ৰীচৈতন্যদেৱ' এই অধ্যায়টো সম্পূৰ্ণৰূপে পৰীক্ষা কৰি

নানান উপদেশ দি মোক কৃতাৰ্থ কৰিছে পণ্ডিত প্ৰবৰ শ্ৰীযুত বিষ্ণুনাৰায়ন শাস্ত্ৰীদেৱে। 'বেদভূমিত ভক্তি ধৰ্মৰ প্লাবন'— অসমীয়া শিখ সম্প্ৰদায়ৰ ভূতপূৰ্ব সভাপতি স্বৰ্গীয় ধ্যান সিংদেৱে সেই অধ্যায়টো চাইচিতি দি উপকাৰ সাধিছিল। মহাপুৰুষ মাধৱদেৱৰ সম্বন্ধে বহু তথ্য আৰু পুথি-পাজি দি সহায় কৰিছে প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ ভূতপূৰ্ব অধ্যক্ষ শ্ৰীযুত ভবানন্দ ডেকাদেৱে। আৰু এই সকলোবোৰৰ গুৰি ধৰোঁতা আৰু মন্ত্ৰণাদাতা হ'ল মোৰ পৰম বান্ধৱ ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যদেৱ। তেওঁলোকৰ ঋণ মই পৰিশোধ কৰিব নোৱাৰোঁ। কৃতজ্ঞতা জনাবলৈও ভাষাৰ নাটনি। প্ৰখ্যাত পণ্ডিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপক ড° দীলিপ কুমাৰ চক্ৰৱৰ্তীৰ এই পুথি সম্বন্ধে মতামত ইয়াত সংযোগ কৰিবলৈ পাই মই কৃতাৰ্থ হৈছোঁ আৰু তেওঁৰ প্ৰতি মোৰ কৃতজ্ঞতা জনাইছোঁ।

লিখাৰ সময়ত মোৰ আন কোনো সহায়কাৰী নথকাত মোৰ দুজনী ছোৱালী স্বৰ্ণী আৰু চন্দনাই আৰু দুই পুত্ৰ মনোজ আৰু ৰবীন্দ্ৰই নানা প্ৰকাৰে সহায় আগবঢ়াইছে। মোৰ ডাঙৰ জোঁৱাই হৰিহৰণে আলৱাৰ সম্প্ৰদায় সম্বন্ধে কিতাপ পত্ৰ সুদূৰ মাদ্ৰাজৰপৰা আনি যোগান ধৰিছে। চন্দনাই পাণ্ডুলিপি সম্পূৰ্ণ নকল কৰি ছপাশাললৈ যোৱাৰ উপযুক্ত কৰিছে। দুই বোৱাৰী প্ৰণীতা আৰু জয়শ্ৰীয়েও গ্ৰন্থসূচী আদি প্ৰস্তুত কৰাত সহায় আগবঢ়াইছে। মোৰ সৰু জোঁৱাই পৰমেশ দত্তৰ নিজা ছপাশালৰ অভিজ্ঞতাও মই কামত লগাইছোঁ। মোৰ ভাগিন ইন্দ্ৰজ্যোতিয়েও লিখা নকল কৰি দিছে। এওঁলোক সকলোকে মোৰ কৃতজ্ঞতা জনাইছোঁ।

পাণবজাৰৰ গ্ৰন্থপীঠ প্ৰকাশন প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী শ্ৰীমান নীহাৰেন্দ্ৰ চৌধুৰীয়ে মোৰ প্ৰথম পুথি 'পুৰাণ-প্ৰভা'ও প্ৰকাশ কৰিছিল আৰু সেই পুথিৰ উন্মোচনী অনুষ্ঠানত তেওঁ ঘোষণা কৰিছিল যে পিছত লেখা মোৰ পুথিও তেৱেঁই প্ৰকাশ কৰিব। সেই প্ৰতিশ্ৰুতি তেওঁ ৰাখিছে। তেওঁলৈও কৃতজ্ঞতা জনালোঁ।

চন্দ্ৰালয়
পূৱ-শৰণীয়া
গুৱাহাটী- ৩

শ্ৰীধৰণীধৰ চৌধুৰী

# প্ৰথম অধ্যায়

## সনাতন ধৰ্মৰ বিভিন্ন শাখা

ব্ৰাহ্মণ্য ধৰ্মই সৰ্বসাধাৰণ ৰাইজক সামৰা সনাতন হিন্দুধৰ্মৰ ৰূপ পাইছে পুৰাণৰ যুগতহে, বেদৰ কৰ্মকাণ্ড আৰু জ্ঞানকাণ্ডৰ প্ৰভাৱ মুষ্টিমেয় কিছু পণ্ডিতৰ মাজ'ত সীমাবদ্ধ আছিল। পৌৰাণিকসকলে সাধাৰণ মানুহৰ বুদ্ধি চিন্তা বা ইচ্ছাশক্তি ব্যাহত হওক বা ধৰ্মৰ নামত তেওঁলোকৰ ওপৰত কিছুমান নিৰ্দ্দিষ্ট তত্ত্ব জাপি দিয়া হওক , তেনে প্ৰথা শুদ্ধ বুলি ভবা নাছিল। তেওঁলোকে এনেকুৱা ব্যৱস্থা চিন্তা কৰিছিল যি পৰিবেশত মানৱ জীৱনৰ সৰ্বোচ্চ আদৰ্শ অৰ্থাৎ পুৰুষাৰ্থৰ স্বাধীনতাৰ পথ বাধাগ্ৰস্ত নহয়। চিন্তাৰ স্বাধীনতা, কৰ্মৰ স্বাধীনতা আৰু সৰ্বপ্ৰকাৰ বন্ধনৰ পৰা মুক্তিৰ জৰিয়তেহে চৈতন্য বিকাশৰ পথ প্ৰশস্ত হয়। সেয়ে আমি দেখিবলৈ পাওঁ এক সনাতন ধৰ্মৰ গণ্ডীৰ ভিতৰতে বিভিন্ন শাখাৰ সহাৱস্থান। বিৰাট সাগৰক লক্ষ্য কৰি এক মহা গিৰিশৃঙ্গৰ পৰা নিকষিত হৈছে বিভিন্ন জলধাৰা; কোনো কাৰো প্ৰতিবন্ধক হোৱা নাই, কোনেও কাৰো লগত সংঘাতত লিপ্ত হোৱা নাই, যিমান মত সিমানেই পথ- কিন্তু পথৰ লক্ষ্য এক।

ভাৰতীয় আধ্যাত্মসাধনৰ বহুমুখী ধাৰাৰ বিচিত্ৰ ইতিহাসৰ ভিতৰত আমি বিচাৰি পাওঁ এটি গভীৰ ঐক্যৰ সুৰ- মতৰ দিশৰপৰা নহলেও পথৰ দিশৰপৰা। সত্যৰ স্বৰূপ সম্বন্ধে যিমানেই মতবিৰোধ নাথাকক, সাধনাৰ ক্ষেত্ৰত যি মতাদৰ্শ সেই বিষয়ে কোনো সম্প্ৰদায়ৰ মাজত কোনো বিৰোধ নাই। এই বৈশিষ্ট্যই হিন্দুধৰ্মক পৃথিবীৰ আন ধৰ্মসমূহৰ ভিতৰত এখন বিশেষ স্থান দিছে।

## শঙ্কৰাচাৰ্য্য

হিন্দু ধৰ্মৰ এই বৈশিষ্ট্য সাধন প্ৰক্ৰিয়াৰ বুৰঞ্জীত জগদ্‌গুৰু আদি শঙ্কৰাচাৰ্য্যৰ ভূমিকা বিশেষ তাৎপৰ্য্যপূৰ্ণ। ভাৰতীয় ধৰ্মীয় সাধনাত জ্ঞান আৰু বিশ্বাসৰ সমন্বয়ৰ প্ৰক্ৰিয়া ঋগ্‌বেদতেই আৰম্ভ হৈছে আৰু বেদান্তৰ জৰিয়তে ই পৰিপূৰ্ণতা লভিছে। জীৱাত্মা পৰমাত্মাৰ অংশবিশেষ এই তত্ত্ব ভাৰতীয় ধৰ্মীয় বিশ্বাসত সুদৃঢ়ভাৱে প্ৰতিষ্ঠিত। কিন্তু মাজে মাজে সূৰ্য্যকো ডাৱৰে আৱৰি ৰাখি পোহৰ বিকিৰণত বাধা সৃষ্টি কৰাৰ দৰে, একশ্ৰেণীৰ মানুহে অধ্যাত্মিক তত্ত্ববোৰৰ বিকৃত ব্যাখ্যাৰ দ্বাৰা এটা কুখ্যাত শোষণ পদ্ধতি আবিষ্কাৰ কৰিছিল। শাস্ত্ৰবিধিৰ ভুল ব্যাখ্যা উলিয়াই গুণ-কৰ্ম নিৰ্বিচাৰে হিন্দুসমাজতে জন্মসূত্ৰে জাত-পাতৰ সৃষ্টি হৈছিল, উচ্চ-বৰ্ণ এনেদৰে

হিন্দুসকলৰদ্বাৰা নিম্নশ্ৰেণীৰ লোক নানা প্ৰকাৰে শোষিত আৰু প্ৰতাৰিত হৈছিল। এই ভাৰত তীৰ্থত বুদ্ধ আৰু মহাবীৰৰ অভ্যুত্থান আৰু তেওঁলোকৰদ্বাৰা প্ৰবৰ্ত্তিত তত্ত্বসমূহ জনগণে দেখ দেখকৈ গ্ৰহণ নকৰিলেও ইয়াৰ দ্বাৰা যে ভাৰতীয় বিবেক প্ৰচণ্ডভাবে আলোড়িত হৈছিল তাত সন্দেহ নাই। এই দুই ধৰ্মৰ নতুন সৃষ্টিকামী তত্ত্ব, যেনে অহিংসা আৰু নিৰ্বাণ বা পুনৰ্জন্মৰ ধাৰণাৰ অৱসানৰ গূঢ় তথ্য আছিল লোভমুক্তি আৰু সৎজীৱন-যাপন প্ৰণালীৰদ্বাৰা সমাজৰ শান্তি সুসংহত কৰা।

শঙ্কৰাচাৰ্য্যৰ কালতে ভাৰতৰ উত্তৰ পশ্চিম অঞ্চলত অনুপ্ৰবেশ ঘটিছিল জাত-পাতত বিশ্বাস নকৰা একেশ্বৰবাদী ইছলাম ধৰ্মৰো। ঈশ্বৰৰ পুত্ৰক বিশ্বাস কৰোতা খৃষ্টীয়ান মিছনাৰীসকল তাৰ বহু আগৰপৰা ভাৰতীয় ধৰ্মৰ লগত সহবাস কৰিছিল দক্ষিণ অঞ্চলত। নিপীড়িত নিৰ্য্যাতিত হাজাৰ-বিজাৰ হিন্দুমানুহে বিশেষকৈ নিম্নবৰ্গৰলোকে বুদ্ধ, মহাবীৰ, যীশুখৃষ্ট আৰু হজৰত মহম্মদক প্ৰকৃত মুক্তিদাতা বুলি গণ্য কৰি সেইবোৰ ধৰ্মমত গ্ৰহণ কৰিবলৈ ঢাপলি মেলিছিল। যুগ যুগ ধৰি শোষিত, প্ৰবঞ্চিত সকলৰ বিদ্ৰোহাত্মক প্ৰত্যাহ্বানৰ সন্মুখত শোষণকাৰী পুৰোহিত শ্ৰেণী আৰু তেওঁলোকৰ সহায়ক সুবিধাবাদীসকল আতঙ্কিত হৈছিল। এনে এক পটভূমিতেই খৃষ্টীয় অষ্টম শতাব্দীত দক্ষিণ ভাৰতত উদয় হৈছিল বেদান্ত-সূৰ্য্য জগদ্‌গুৰু শঙ্কৰাচাৰ্য্যৰ।

শঙ্কৰ জন্মসূত্ৰে আছিল বৈষ্ণৱ। তেওঁৰ পৰিয়ালৰ কুলদেৱতা আছিল শ্ৰীকৃষ্ণ। তেওঁ প্ৰথমে সন্ন্যাস গ্ৰহণ কৰে কেশৱ-মন্দিৰৰ বিগ্ৰহৰ সন্মুখত। তেওঁৰ শেষ স্তোত্ৰ ৰচনাও আছিল শ্ৰীনাৰায়ণৰ উদ্দেশ্যে- যাৰ নাম "হৰিমীড়ে স্তোত্ৰ"।

শঙ্কৰে পাঁচ বছৰ বয়সত শিক্ষা লাভৰ কাৰণে গুৰুগৃহলৈ গৈছিল। মাত্ৰ দুবছৰ কালতে তেওঁ শ্ৰুতি, স্মৃতি, উপনিষদ, পুৰাণ, ইতিহাস, জ্ঞান, সাংখ্য, পাতঞ্জল আৰু বৈশেষিক প্ৰভৃতি শাস্ত্ৰ পাঠ সমাপ্ত কৰি আঠ বছৰ বয়সতে বেদান্তৰ পণ্ডিতৰূপে পৰিগণিত হৈ প্ৰতিস্থা লাভ কৰিছিল। সেই বয়সতে তেওঁ সংসাৰ ত্যাগ কৰি সন্ন্যাস গ্ৰহণ কৰে। ব্যাসদেৱৰ পৰম্পৰাৰ গুৰু গোবিন্দপাদৰ পৰা তেওঁ সন্ন্যাস ধৰ্ম সম্বন্ধীয় সকলো প্ৰক্ৰিয়াৰ শিক্ষা লাভ কৰে। এইবাৰো তেওঁ মাত্ৰ দুই বছৰৰ ভিতৰতে হঠযোগ, ৰাজযোগ আদিত সিদ্ধ হৈ দূৰদৰ্শন, দূৰশ্ৰৱণ, দেহান্তৰ প্ৰবেশ, সূক্ষ্মদেহেৰে আকাশ-মাৰ্গ ভ্ৰমণ আৰু ইচ্ছা মৃত্যু আদি অলৌকিক শক্তিৰ অধিকাৰী হয়। তেওঁৰ জীৱনকাল আছিল মাত্ৰ ৩২ বছৰ।

শঙ্কৰ আছিল বিশ্বপ্লাৱন সৃষ্টিকাৰী বিশাল সনাতন ধৰ্মৰ শ্ৰেষ্ঠতম আৰু উজ্জ্বলতম প্ৰতিনিধি। সনাতন ধৰ্মৰ বিজয় পতাকা হাতত লৈ তেওঁ ষোল বছৰ কাল ভাৰতবৰ্ষৰ ইকোণৰ পৰা সিকোণলৈ- উত্তৰ, দক্ষিণ, পূব, পশ্চিম সকলো প্ৰান্ততে পদব্ৰজে ঘূৰি ফুৰিছিল বেদান্তৰ বাণী বিলাই।

তেওঁ বিধ্বস্ত সমাজক পুনৰ্গঠিত কৰিলে, বিৰুদ্ধবাদী ধৰ্মব্যসায়ীসকলৰ মতবাদক পৰাস্ত কৰি। তেওঁ নিষ্পেষিত হুতবাক সকলৰ মাজত আশাৰ ৰেঙণি সৃষ্টি কৰিবলৈ সক্ষম হ'ল, বিশুদ্ধ বেদধৰ্ম সুপ্ৰতিষ্ঠিত কৰি। এনেদৰেই এদিন লুপ্ত হ'ব ধৰা বিশৃঙ্খল হিন্দুধৰ্মক তেওঁ সুপ্ৰতিষ্ঠিত কৰাই নহয়, স ম্প্ৰসাৰণৰো পথ মুকলি কৰে। বৈদিক ধৰ্ম প্ৰচাৰৰ কাৰণে তেওঁ নেপাল, ভূটান আৰু তিব্বত আদি দেশলৈকো গৈছিল।

শঙ্কৰাচাৰ্য্যই তেওঁৰ ভ্ৰমণকালত একাধিক অবৈদিক সম্প্ৰদায়ৰ লগত মুখামুখি হ'বলগীয়া হৈছিল। সেইবিলাক হ'ল- কপিল, লোকায়তিক, কানদ, ঐশ্বৰ, কাৰণিক, কাৰন্ধমিন, সপ্ততান্তৱ, শাব্দিক, বৌদ্ধ-পঞ্চৰাত্ৰিক ইত্যাদি। এই সম্প্ৰদায়বোৰৰ পৰস্পৰৰ ভিতৰত প্ৰতিযোগিতা, অসহযোগিতা আৰু বিৰোধিতাই জনজীৱন বিধ্বস্ত কৰা অবস্থাৰ সৃষ্টি কৰিছিল। ৰাজনৈতিক ভাবে ভাৰতবৰ্ষ সেইসময়ত বহু ক্ষুদ্ৰ ৰাজ্যত বিভক্ত আছিল। সেই ৰাজ্যবোৰৰো পৰস্পৰৰ ভিতৰত মিল নাছিল, বৰঞ্চ অবিয়াঅবিৰহে সংঘাত চলিছিল।

শঙ্কৰ আছিল উদাৰপন্থী। তেওঁ কেতিয়াও কাকো ব্যক্তিগত বিশ্বাস ত্যাগ কৰিবলৈ উপদেশ দিয়া নাছিল। তেওঁ কেবল যুক্তিৰ দ্বাৰা আনৰ ভ্ৰান্ত ধাৰণা দূৰ কৰাত সহায় আগবঢ়াইছিল। কোনো ধৰ্মকেই তেওঁ তুচ্ছজ্ঞান নকৰিছিল, তেওঁ কেবল অন্য ধৰ্ম আৰু মতবাদৰ অপূৰ্ণতা আৰু ভ্ৰান্ত ধাৰণা শাস্ত্ৰমতে খণ্ডন কৰি বেদৰ সিদ্ধান্ত অনুসৰি ব্ৰহ্ম-বুদ্ধিত সাধন কৰিবলৈ উপদেশ দিছিল। শঙ্কৰৰ যুক্তিৰ সন্মুখত অবৈদিক সম্প্ৰদায়বিলাক নিশ্চিহ্ন নহ'লেও তলকা মাৰি থাকিবলৈ বাধ্য হৈছিল, কিয়নো তেওঁৰ প্ৰতিভাত মুগ্ধ হৈ অগণন জনগণে তেওঁৰ মতৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল। আনকি কাপালিকসকলে তেওঁক হত্যা কৰিবলৈ কৰা ষড়যন্ত্ৰও ব্যৰ্থ হৈছিল।

বেদান্তদৰ্শনৰ ভাষ্যমতে শঙ্কৰৰ মতক কেবলাদ্বৈতবাদ বা অদ্বৈতবাদ (বা মায়াবাদ) বোলা হয়। শঙ্কৰৰ মতে ব্ৰহ্ম একমাত্ৰ সত্য বা তত্ত্ব। তেওঁৰ মতে সেয়ে উপনিষদত ব্ৰহ্মক বাৰে বাৰে "একমেবা দ্বিতীয়ম্" (ছান্দোগ্য ৬-২) বুলি বৰ্ণনা কৰা হৈছে। ব্ৰহ্মাপেক্ষা উচ্চ স্তৰীয় বা ব্ৰহ্মৰ সমকক্ষ আৰু যে দ্বিতীয় তত্ত্ব নাই সেই মত তেওঁ দোহাৰিছে। জীৱ আৰু জগৎ ব্ৰহ্মাপেক্ষা নিম্নস্তৰীয়, ব্ৰহ্মান্তৰ্ভূক্ত বা ব্ৰহ্মাশ্ৰিত এইবুলি স্বীকাৰ কৰিলে, সেইবোৰ যে ব্ৰহ্মাতিৰিক্ত দ্বিতীয় তত্ত্ব সেইকথা অস্বীকাৰ কৰিব নোৱাৰি। তেতিয়া ব্ৰহ্ম একমেবাদ্বিতীয়ম্ এই তত্ত্ব ভুল বুলি প্ৰমাণিত হয়। সেয়ে ব্ৰহ্মই একমাত্ৰ সত্য, জীৱ আৰু জগৎ মিথ্যা, মায়াৰ ভ্ৰম মাত্ৰ। "ব্ৰহ্ম সত্য, জগৎ মিথ্যা, জগৎ ব্ৰহ্মৈব কেবলম"- পৰমাৰ্থিক ক্ষেত্ৰত শঙ্কৰৰ মত এয়ে আৰু সি অতি স্পষ্ট। কিন্তু ব্যৱহাৰিক ক্ষেত্ৰত সেই সময়ত প্ৰচলিত ভাৰতীয় সাধন-প্ৰণালী বা ধৰ্মীয় প্ৰথাবোৰ তেওঁ আওকাণ কৰিব পৰা নাছিল। বিষয়ে

তেওঁ কৈছিল যে ব্যৱহাৰিক দৃষ্টিত ব্ৰহ্মা ঈশ্বৰ অৰ্থাৎ মায়াশক্তিৰ সাহায্যত বিশ্বচৰাচৰৰ স্ৰষ্টা। সেয়ে তেওঁ ভাৰতীয় সনাতন ধৰ্মৰ সাধন প্ৰণালীত "স্মাৰ্ত" সাধন মাৰ্গৰ ব্যৱস্থা অনুমোদন কৰিছিল। এই ব্যৱস্থা মতে পঞ্চদেৱতাৰ উপাসনা স্থান পাইছে— যি ব্যৱস্থা স্মৃতিসম্মত। পঞ্চদেৱতা হ'লঃ বিষ্ণু, শক্তি, শিৱ, সূৰ্য্য আৰু গণপতি। এই সম্প্ৰদায়বোৰে প্ৰাক-শংকৰী যুগত দেশৰ বিভিন্ন ভাগত বিভিন্ন ভাৱে প্ৰভাৱ বিস্তাৰ কৰি আছিল আৰু ক্ৰমে ক্ৰমে তান্ত্ৰিক প্ৰভাৱো এই সম্প্ৰদায়বোৰৰ ভিতৰত প্ৰবেশ কৰিছিল। ইয়াৰ প্ৰমাণ বিভিন্ন পুৰাণৰ পৰা পোৱা যায়। শঙ্কৰে পঞ্চদেৱতাৰ পূজা উপাসনা পদ্ধতি অনুমোদন কৰে যদিও সেইবোৰৰ পৰা সকলো অবৈদিক ক্ৰিয়াকাণ্ড নিৰ্মূল কৰিলে। তেওঁ কৈছিল যে যাৰ যি ইষ্টদেৱতা তাকেই ব্ৰহ্মপ্ৰতীক জ্ঞানেৰেহে উপাসনা কৰিব লাগে। সেয়ে বিশ্বৰ ধৰ্মৰাজ্যত আজিও শীৰ্ষস্থান অধিকাৰ কৰি আছে শঙ্কৰ প্ৰবৰ্ত্তিত বেদান্তপন্থী সনাতন হিন্দুধৰ্মৰূপে। সেই কাৰণেই শঙ্কৰাচাৰ্য্যক "সম্মতস্থাপনাচাৰ্য্য" ৰূপে বিভূষিত কৰা হৈছিল।

শঙ্কৰাচাৰ্য্যই তেওঁৰ চমু জীৱন-কালতেই এক বিশাল সাহিত্য ভাণ্ডাৰো সৃষ্টি কৰি গৈছে। যদিও তেওঁ ধৰ্মীয় তত্ত্ব ব্যাখ্যাৰ উদ্দেশ্যই কলম হাতত লৈছিল তথাপি তেওঁৰ লিখনিৰ পৰা তেওঁৰ অদ্ভুত কাব্যিক প্ৰতিভাৰো প্ৰমাণ পোৱা যায়। তেওঁ লিখা গ্ৰন্থ, স্তোত্ৰ আৰু সংগীতমালাবোৰ হ'ল- ব্ৰহ্মসূত্ৰ ভাষ্য, ভগৱদ্‌গীতা ভাষ্য আৰু উপনিষদসমূহৰ ভাষ্য। আন ৰচনাসমূহ হ'ল- আত্মবোধ, দৃক-দৰ্শনবিবেক, হস্তামলক ভাষ্য, ললিতা-ত্ৰিসতী ভাষ্য, পঞ্চীকৰণ প্ৰক্ৰিয়া, সনত-সুজাতীয় ভাষ্য, অপৰোক্ষানুভূতি, দক্ষিণামূৰ্ত্তি অষ্টক, সুব্ৰমান্য ভূজঙ্গ, শিবাপৰাধ ক্ষমাপন, শিবানন্দ-লহৰী, সৌন্দৰ্য্য লহৰী, উপদেশ সাহস্ৰী, বাক্যসুধা, বিষ্ণুসহস্ৰনাম ভাষ্য, গণেশ-ভুজঙ্গ, প্ৰপঞ্চসাৰ তন্ত্ৰ, সৰ্ব-দৰ্শন কৌমুদী, সৰ্ব বেদান্ত সিদ্ধান্তসাৰ সংগ্ৰহ, শ্ৰীহৰিশৰণ স্তক, বিষ্ণুসতপদী, অধ্যাসে ভাষ্য, বিবেক চূড়ামণি, আনন্দ-লহৰী, ভজ গোবিন্দম্, হৰিমীড়ে স্তোত্ৰ ইত্যাদি। মুঠতে শংকৰৰ ৰচিত গ্ৰন্থ ভাষ্য আৰু স্তৱাদিৰ সংখ্যা ১০৫ বুলি জনা যায়।

দিগ্বিজয়-পৰ্ব শেষ কৰি বেদান্ত ধৰ্মৰ ভেটি সুপ্ৰতিষ্ঠিত কৰি তাৰ সুৰক্ষা নিশ্চিত কৰিবৰ কাৰণে শঙ্কৰে ভাৰতৰ চাৰি কোণত চাৰিটা মঠ প্ৰতিষ্ঠা কৰি গৈছে। সেই মঠকিটা হ'ল- দক্ষিণৰ শৃঙ্গেৰী মঠ (মহীশুৰ জিলাৰ তুঙ্গ নদীৰ পাৰত)। পূৱত- গোবৰ্দ্ধন মঠ, মূলস্থান জগন্নাথধাম অৰ্থাৎ পুৰী, পশ্চিমত শাৰদামঠ- দ্বাৰকাপুৰীত আৰু উত্তৰত জ্যোতিৰ্মঠ- বদৰিকাশ্ৰমত। কালৰ পৰিমাণত কৰ্মী হিচাপে শঙ্কৰাচাৰ্য্য বিশ্বত অনন্য।

এতিয়া আমি শঙ্কৰাচাৰ্য্য অনুমোদিত স্মাৰ্ত্ত সাধন প্ৰণালীৰ বৈষ্ণৱ সম্প্ৰদায়ৰ

অলপ আলোচনা কৰিম।

### বৈষ্ণৱ সম্প্ৰদায়ৰ তত্ত্ব আৰু আধাৰ

সনাতন ধৰ্মাবলম্বী মানুহৰ ভিতৰত বৈষ্ণৱ শাখাৰ অনুগামী মানুহৰ সংখ্যাই সৰ্বাধিক। বৈষ্ণৱ দৰ্শনৰ মূল তত্ত্বটো হ'ল- ভক্তিমাৰ্গ। বিষ্ণু বা বিষ্ণুৰ কোনো অৱতাৰ-বিশেষক ভজনীয় ঈশ্বৰ স্বৰূপে গ্ৰহণ কৰা সকলকে বৈষ্ণৱ বা ভক্তিপন্থীয়া বুলি কোৱা হয়। বৈষ্ণৱপন্থীসকলৰ মাজত সম্প্ৰদায় ভেদ নথকা নহয়। দাৰ্শনিক আধাৰতত্ত্ব, আচৰণ, শৰণ, ভজনীয় ঈশ্বৰৰ স্বৰূপ আদি প্ৰণালীৰ কিছু পাৰ্থক্য দেখা পোৱাৰ কাৰণ হ'ল, বিভিন্ন ঠাইত বিভিন্ন শাখাৰ মূল প্ৰবৰ্ত্তক সকলৰ নাম আৰু সিদ্ধান্তৰ কিছু তাৰতম্য। কিন্তু এই শাখাৰ সকলো সম্প্ৰদায়ৰে সমভাৱে মান্য ভক্তিধৰ্মৰ আধাৰ গ্ৰন্থ হ'ল- শ্ৰীমদ্ভাগৱত পুৰাণ আৰু ভগৱদ্‌গীতা।

অষ্টাদশ পুৰাণৰ ভিতৰত মুখ্য সাতখনেই বিষ্ণুমাহাত্ম্য সম্বন্ধীয় আৰু এই পুৰাণসমূহক সেয়ে সাত্ত্বিক পুৰাণৰূপে গণ্য কৰা হয়। পুৰাণকিখন হ'ল- বিষ্ণু, ভাগৱত, নাৰদীয়, ব্ৰহ্মবৈবৰ্ত্ত, গৰুড়, পদ্ম আৰু বৰাহ। আদিগুৰু শঙ্কৰাচাৰ্য্যই তেওঁৰ ব্ৰহ্মসূত্ৰ ভাষ্য আৰু ৰামানুজাচাৰ্য্যই তেওঁৰ শ্ৰীভাষ্যত একাধিক বাৰ পৰম শ্ৰদ্ধাৰে সৈতে বিষ্ণুপুৰাণৰ অংশবিশেষ নিজ নিজ যুক্তিৰ সাপেক্ষে উদ্ধৃতি দিছে। বিষ্ণুপুৰাণৰ কাহিনীয়েই ভাগৱততো স্থান পাইছে, যদিও ভাগৱতৰ ৰচনা বিষ্ণুপুৰাণৰ পিছৰ বুলি জনা যায়। লোকপ্ৰিয়তাৰ ফালৰ পৰা কিন্তু ভাগৱতৰ স্থান প্ৰথম। আজিও যদি কোনো পুৰাণৰ পাঠ, প্ৰৱচন আৰু ব্যাখ্যা বহুলভাৱে প্ৰচলিত আছে সেইবোৰ ভাগৱতৰহে। ভাগৱতৰ টীকাকাৰৰ সংখ্যাও সৰ্বাধিক, ইও এই পুথিৰ জনপ্ৰিয়তাৰ প্ৰমাণ। ওপৰোক্ত বৈষ্ণৱ পুৰাণসমূহত যে কেৱল বিষ্ণুমাহাত্ম্যই ঘোষিত হৈছে তেনে নহয়, বৈষ্ণৱ মতৰ দাৰ্শনিক ব্যাখ্যাও তাত সুন্দৰভাৱে দাঙি ধৰা হৈছে। মৎস্য আৰু কূৰ্ম এই দুখন পুৰাণ অতীজত বৈষ্ণৱসকলৰ দ্বাৰাই সৃষ্ট হৈছিল, শিৱমাহাত্ম্যৰ অংশবিলাক ইয়াত পিছত যোগ দিয়া হৈছে। ব্ৰহ্ম, বামন আৰু অগ্নিপুৰাণ আদিও বিষ্ণু মাহাত্ম্য প্ৰচাৰত পিচ পৰি থকা নাই।

বৈষ্ণৱ সম্প্ৰদায়ৰ মুখ্য উপ-পুৰাণসমূহ হ'ল- বিষ্ণুধৰ্ম, বিষ্ণুধৰ্মোত্তৰ, নৰসিংহ, বৃহন্নাৰদীয়, পুৰুষোত্তম, ধৰ্ম, ভাৰ্গৱ, আদি, কল্কি আৰু হৰিবংশ। পুৰাণলিাকে বিষ্ণুমাহাত্ম্যৰ লগে লগে বৈষ্ণৱ তীৰ্থবোৰৰ মাহাত্ম্যও প্ৰচাৰ কৰিছে, যেনে- গয়ামাহাত্ম্য (গৰুড়), মথুৰা মাহাত্ম্য (বৰাহ), পুৰুষোত্তমক্ষেত্ৰ মাহাত্ম্য (ব্ৰহ্ম) আৰু বৃন্দাবন মাহাত্ম্য (ব্ৰহ্মবৈবৰ্ত্ত)।

## ৰামায়ণ

ভাৰতবৰ্ষৰ দুখন মহাকাব্য ৰামায়ণ আৰু মহাভাৰত। এই দুয়োখন মহাগ্ৰন্থ বিষ্ণুমাহাত্ম্য সম্বন্ধীয়। এই গ্ৰন্থ সম্বন্ধে বিশ্বকবি ৰবীন্দ্ৰনাথৰ উক্তি মন কৰিবলগীয়া :-

"ৰামায়ণ মহাভাৰতক কেবল মাত্ৰ মহাকাব্য বুলিলে নহয়, সেই দুখন ইতিহাসো, কেবল ঘটনাবলীৰ ইতিহাস নহয়, কিয়নো সেই ইতিহাসে সময় বিশেষক অবলম্বন কৰি থাকে- ৰামায়ণ-মহাভাৰত ভাৰতবৰ্ষৰ চিৰকালৰ ইতিহাস। আন ইতিহাসৰ কালে কালে কিমান পৰিবৰ্তন ঘটিল, কিন্তু এই ইতিহাসৰ পৰিবৰ্তন হোৱা নাই, ভাৰতবৰ্ষৰ যি সাধনা, যি আৰাধনা, যি সংকল্প তাৰেই ইতিহাস এই দুই বিপুল কাব্য-অট্টালিকাৰ ভিতৰত চিৰকালৰ সিংহাসনত বিৰাজমান।"

—ৰামায়ণ (১৯৩৩) প্ৰাচীন সাহিত্য

ৰামায়ণ এজন ব্যক্তিবিশেষৰে ৰচনা বুলি স্বীকৃত আৰু ই ব্যাস সাহিত্যৰ অন্তৰ্ভূক্ত নহয়, এয়ে ইয়াৰ বৈশিষ্ট্য। ৰামায়ণ ৰচয়িতা হ'ল বাল্মীকি, যি আদিকবি বুলি প্ৰমাণিত। ৰামায়ণৰ পূৰ্বত এই দেশত কবিত্ব নাছিল বুলিও কোৱা টান, কিয়নো ঋগ্‌বেদৰ বহুঅংশত (যেনে- উষাবন্দনাত) চৰম কবিত্ব প্ৰকাশ পাইছে। কিন্তু ঋগ্‌বেদৰ সুক্তবিলাকক কবিতা বুলি কোৱা নহয় আৰু বৈদিক ঋষিসকলকো কবিপৰ্য্যায়ভুক্ত বুলি গণ্য কৰা নহয়। উপনিষদসমূহতো ঠায়ে ঠায়ে কবিত্বৰ উজ্জ্বল প্ৰকাশ দেখা যায়। কিন্তু সেইবিলাক সচেতন কাব্যৰচনা বুলি স্বীকৃত নহয়। মহাভাৰতৰো অনেক অংশ সম্ভৱতঃ ৰামায়ণৰ পূৰ্ববৰ্ত্তী, তাতো কাব্যপ্ৰতিভা নথকা নহয়, কিন্তু ব্যাসদেৱক কেতিয়াও কবিৰ আসন দিয়া হোৱা নাই, সেয়ে মহাভাৰতক কাব্য বুলি বৰ্ণনা কৰাটো আলঙ্কাৰিক দৃষ্টিকোণৰ পৰা বোধকৰো শুদ্ধ নহয়। ৰামায়ণেই যে আদিকাব্য তাৰ আন প্ৰমাণ এই যে ইয়াৰ প্ৰত্যেকটো কাণ্ড বিভক্ত কৰা হৈছে কিছুমান সৰ্গত। এই সৰ্গবিভাগেই হ'ল মহাকাব্যৰ মুখ্য লক্ষণ (সৰ্গবন্ধো মহাকাব্যম)। কবিৰ কল্পনা-প্ৰতিভাৰ যি সৃষ্টি তাকেই সৰ্গ বুলি কোৱা হয়। তদুপৰি বৈদিক ছন্দ অনুষ্টুভ সংস্কৃত সাহিত্যত ব্যৱহাৰ কৰা প্ৰথম কবিও আছিল বাল্মীকি, যদিও তেওঁ এই ছন্দৰ ব্যৱহাৰ কিছু ৰূপান্তৰিত ভাবে কৰিছিল। সেয়ে বাল্মীকিক সংস্কৃত সাহিত্যৰ জনক বুলিও ক'ব পাৰি।

লেখন-প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ বহু পূৰ্বতে ৰামায়ণ সৃষ্টি হৈছিল আৰু আন ধৰ্মশাস্ত্ৰবোৰৰ নিচিনা ইও বহুযুগ মুখে মুখে চলি আহিছিল। এই মুখে মুখে প্ৰচলিত হৈ থকা কামটো বিশেষকৈ ৰাজ-দৰবাৰৰ সূতসকলৰ আৰু চাৰণ-কবিসকলৰ দ্বাৰা সাধিত হৈছিল। পিছত যেতিয়া ইয়াক লিপিবদ্ধ কৰা হ'ল ইয়াত বহু পণ্ডিতৰ হাতৰ পৰশ লাগিল আৰু স্বাভাৱিকতে ইয়াৰ মূল ৰূপৰ কিছু সাল-সলনিও ঘটিল। যদিও

ৰামায়ণৰ কাহিনীবিলাক বহু পুৰণি আৰু কিছুমান বৈদিক যুগৰ সমসাময়িক, ইয়াৰ বৰ্ত্তমান ৰূপটো খৃঃ ১।২ শতিকামানৰহে। ৰামায়ণ সপ্তকাণ্ডত বিভক্ত আৰু ইয়াত সৰ্বমুঠ ২৪০০০ শ্লোক আছে।

বৰ্ত্তমানৰ ৰামায়ণ যদিও সপ্তকাণ্ডৰ, ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰমুখ্যে বহু পণ্ডিতৰ ধাৰণা এই গ্ৰন্থ প্ৰথমে পঞ্চ কাণ্ডৰহে আছিল অৰ্থাৎ ৰামায়ণৰ কাহিনী ৰামবনবাসৰ পৰা আৰম্ভ হৈ লঙ্কাবিজয়ৰ পিচত সীতাক লৈ অযোধ্যালৈ আহি সিংহাসন আৰোহন কৰাতেই সমাপ্তি ঘটিছিল। আদি আৰু উত্তৰ এই দুটা কাণ্ড পিচত যোগ দিয়া হৈছে। ৰবীন্দ্ৰনাথৰ মতে ৰামায়ণ আছিল ব্ৰাহ্মণ-ক্ষত্ৰিয় বিৰোধৰ ক্ষত্ৰিয়বিজয় কাব্য আৰু এই বিৰোধ সংক্ৰান্তত দশৰথৰ গৃহদ্বন্দ্বত ৰামৰ বনবাস বা ৰাজ্যচ্যুতি আৰু পুনঃ ৰাজ্যলাভৰ কাহিনী। কিন্তু পৰৱৰ্তী কালত যেতিয়া ব্ৰাহ্মণ ক্ষত্ৰিয় বিৰোধৰ অৱসান হ'ল আৰু সমাজত ক্ষত্ৰিয়ৰ পৰিবৰ্তে ব্ৰাহ্মণৰ আধিপত্য প্ৰতিষ্ঠিত হ'ল, তেতিয়া মূল পঞ্চকাণ্ড ৰামায়ণত 'আদি' আৰু 'উত্তৰ' এই দুটা কাণ্ড যোগ দি ব্ৰাহ্মণশাসিত সমাজৰ অনুকূলে ইয়াক সংস্কাৰ কৰা হ'ল আৰু ব্ৰাহ্মণসকলে ক্ষত্ৰিয়পূজিত বিষ্ণুক স্বীকাৰ কৰি ৰামক বিষ্ণুৰ অৱতাৰ বুলি মানি ললে। ৰামক লগে লগে ব্ৰাহ্মণ্য শাস্ত্ৰৰ অনুগামী বুলিও চিত্ৰিত কৰা হ'ল আৰু সেয়ে এসময়ত যি ৰাম গুহক চণ্ডালৰ পৰম মিত্ৰ আছিল উত্তৰ কাণ্ডত তেওঁ বিনা-অপৰাধী শূদ্ৰ শম্বুকৰ নিধনকৰ্তা ৰূপে বৰ্ণিত হ'ল। সীতা বনবাস আৰু লক্ষ্মণ বৰ্জনৰ কাহিনীও উত্তৰকাণ্ডৰহে। এইখিনিতে এইটো মনকৰিবলগীয়া যে ১৪ শতিকাত অসমীয়া অপ্ৰমাদী কবি মাধবকন্দলিয়ে ৰচনা কৰা ৰামায়ণৰো পাঁচটাহে কাণ্ড আছিল। পিচত শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱে ইয়াত আদি আৰু উত্তৰাকাণ্ড যোগ দিয়ে।

বহু শাস্ত্ৰজ্ঞ সুধীজনে আৰু পণ্ডিতে ৰামায়ণক ৰূপক বুলি আখ্যা দিছে। ৰামকৃষ্ণ পৰমহংসদেৱৰ মতে ৰাম স্বয়ং ভগৱান আছিল আৰু লক্ষ্মণে মাত্ৰ আঢ়ৈ হাত দূৰত থাকিও তেওঁক দেখা পোৱা নাছিল, কিয়নো সীতা মাজত থিয় হৈ আছিল। সেয়ে তেওঁ লক্ষ্মণক "জীৱ"ৰ লগত আৰু সীতাক "মায়া"ৰ লগত তুলনা কৰিছে।

(Gospel of the Ramkrishna by Swami Vivekananda)

স্বামী বিবেকানন্দৰ মতে ৰাম পৰমাত্মাৰ আৰু সীতা জীৱাত্মাৰ প্ৰতীক আৰু লঙ্কা জীৱাত্মাৰ শৰীৰ। জীৱাত্মা শৰীৰৰ ভিতৰত আৱদ্ধ হৈ থাকে বা লঙ্কাত বন্দী হৈ থাকে কিন্তু সদায় পৰমাত্মাৰ লগত্ মিলনৰ কামনা কৰে; কিন্তু ৰাক্ষসসকলে আকাংক্ষা সফল হ'বলৈ নিদিয়ে বা বাধা দিয়ে। ৰাক্ষসক চাৰিত্ৰিক গুণৰ প্ৰতীক বুলি কোৱা হৈছে। যেনে, বিভীষণ সত্ত্বগুণ, ৰাৱণ ৰজোগুণ আৰু কুম্ভকৰ্ণ সাৰ্থকতা ই

তমোগুণ। এই ত্ৰিগুণেই সীতাক বা জীৱাত্মাক লঙ্কাত (শৰীৰত) বন্দী কৰি ৰাখিছিল। পৰমাত্মাৰ লগত সদায় মিলন আকাংক্ষা কৰি থকা জীৱাত্মাৰ বা সীতাৰ আগত অশোকবনত গুৰু হনুমান ৰামৰ আঙঠি লৈ যেতিয়া উপস্থিত হ'ল আৰু সদুপদেশ শুনালে তেতিয়াহে সীতাৰ মায়া আবৰণ আঁতৰি গ'ল আৰু ৰামৰ লগত মিলনৰ পথো সুগম হ'ল।

(The complete work vol V Advita Ashrama)

ৰামায়ণৰ ৰূপকাৰ্থ যিমানেই যুক্তিসংগত নহওঁক কিন্তু কাব্যহিচাপে ইয়াৰ মুখ্য লক্ষ্যবিষয় সেইবোৰ নহয় যেন লাগে। ৰামায়ণ হৈছে প্ৰত্যক্ষতঃ কবিকল্পনাৰ সৃষ্টি আৰু সেইকালতে প্ৰচলিত কাহিনী বা জনশ্ৰুতি সংকলন কৰাৰ প্ৰত্যক্ষ অভিপ্ৰায়ো কাব্য ৰচনাৰ মূলতে নাছিল, বৰঞ্চ কবিয়ে লোক সমাজত প্ৰচলিত কাহিনীকহে কাব্য সৃষ্টিৰ প্ৰয়োজন অনুসৰি ৰূপান্তৰিত কৰিছে। জনসমাজত যে ৰামকাহিনী প্ৰচলিত আছিল তাৰ প্ৰমাণ যে মহাভাৰতত সংকলিত উপাখ্যানসমূহৰ ভিতৰত 'ৰামোপাখ্যান' অন্যতম। বৌদ্ধ আৰু পালি সাহিত্যতো ৰাম কাহিনী পোৱা যায়। কিন্তু এইবোৰ কাহিনীৰ লগত বাল্মীকিৰ কাহিনীৰ বহু পাৰ্থক্য। আনকি যবদ্বীপ বলিদ্বীপ আদিতো প্ৰচলিত অতি জনপ্ৰিয় ৰামকাহিনীও বাল্মীকি ৰামায়ণৰ পৰা উল্লেখযোগ্যভাৱে পৃথক। ভাৰতৰ উত্তৰ-পূব ভাগত অৱস্থিত প্ৰায় সকলোবিলাক পাহাৰত আৰু সমতলত বাস কৰা জনজাতিৰ মাজতো ৰামকাহিনী অতি জনপ্ৰিয়। এই জনজাতিসকলে বেছিভাগেই হিন্দু ধৰ্মাবলম্বী নহয়। কাৰ্বিসকলৰ নিজ ভাষাত লিখা ৰামায়ণখনৰ নাম 'সৰ্বিন অলুন'। অসমৰ লক্ষীমপুৰ জিলাত আৰু অৰুণাচল প্ৰদেশত বাস কৰা বৌদ্ধধৰ্মী খাম্‌টীসকলৰ ৰামকাহিনীখন টাই-খাম্‌টী ভাষাত লিখা আৰু ইয়াক "চাও আলং লামাঙ" বুলি নামাকৰণ কৰা হৈছে। মিজোসকলৰ ৰামকথা ১৮৯২ চনতে সম্পূৰ্ণ মিজো লোককথা, হিচাপে প্ৰকাশিত হৈছে। তাই ভাষাৰ ৰামায়ণক 'চৌ লিক লামাং' বোলা হয়। এনেদৰে উত্তৰ-পূব ভাৰতৰ প্ৰায় প্ৰত্যেকটো জনজাতি গোষ্ঠীৰ লোকৰ মাজত ৰামকাহিনী বহুকালৰ পৰা অতি জনপ্ৰিয় কাহিনীৰূপে প্ৰচলিত হৈ আহিছে। কিন্তু এই কাহিনীবিলাকৰ মূলাবস্তু বা চৰিত্ৰসমূহ বাল্মীকি ৰামায়ণৰ পৰা কিছু বেলেগ। সেয়ে অনুমান কৰি পাৰি যে ৰামকথা ভাৰতীয় জন-জীৱনৰ লগত অস্থি-মাংসৰ দৰে সাঙোৰ খাই আছে, ধৰ্মীয় গণ্ডীৰ সীমা চেৰাই।

ৰামায়ণত এফালে দেখা যায় কৰ্ত্তব্যৰ নিদাৰুণ দায়িত্ব আৰু আনফালে ভাৱৰ অপৰিসীম মাধুৰ্য্য॥ দাম্পত্য-প্ৰেম, ভ্ৰাতৃপ্ৰীতি, পিতৃভক্তি, প্ৰভুভক্তি, প্ৰজা বাৎসল্য, গুৰুভক্তি আৰু অন্যায়ৰ নিৰ্মম প্ৰতিবিধান প্ৰভৃতি মানুহৰ যিমানবোৰ স্বাভাৱিক হৃদয়ানুভূতি আছে, সেইসকলোবিলাকৰ আদৰ্শ পৰিস্ফুট হৈছে। ৰামায়ণৰ

এখন ধৰ্মগ্ৰন্থ বুলি নহয় ; ৰামায়ণৰ জনপ্ৰিয়তাৰ কাৰণ ইয়াৰ সাৰ্বজনীন মানসিকতা আৰু কাব্যৰস। এয়েই ইয়াৰ বৈশিষ্ট্য আৰু সেয়ে ই আজিও অনন্য।

সংস্কৃত ৰামায়ণ প্ৰায সকলোবিলাক প্ৰাদেশিক ভাষাতে অনূদিত হৈছে; কিন্তু প্ৰান্তীয় কবি-পণ্ডিতসকলে ৰামায়ণৰ জনপ্ৰিয় কাহিনীৰ আলমত তেওঁলোকৰ নিজ নিজ সম্প্ৰদায়ৰ আদৰ্শ আৰু ভাৱধাৰা উপস্থাপিত কৰি জনগণৰ মন আকৰ্ষণ কৰিবলৈ চেষ্টাৰ ত্ৰুটী কৰা নাই। সেই কাৰণে বহু ক্ষেত্ৰত তেওঁলোকে মূল কাহিনীৰ পৰা আঁতৰি গৈছে আৰু কাল্পনিক ৰহন সানিছে। সেয়ে দেখিবলৈ পোৱা যায় যে এই পণ্ডিতসকলে ৰামক বিষ্ণুৰ অৱতাৰ বুলি বাৰে বাৰে স্বীকাৰ কৰিও বা সেইভাবে বৰ্ণনা কৰিও ৰামৰ দ্বাৰা শক্তিৰ পূজা কৰাইছে, শিৱৰ পূজা কৰাইছে। উৰিষ্যাৰ এজন মধ্যযুগীয কবিয়ে তেওঁৰ ৰামায়ণত বৰ্ণনা কৰিছে যে ৰাম-ৰাৱণ যুদ্ধত ৰাম, লক্ষ্মণ আৰু হনুমান অসমৰ্থ হোৱাত সীতাইহে ৰাৱণক বধ কৰিছে। কিছুমানে আকৌ হনুমান চৰিত্ৰৰ অত্যধিক প্ৰাধান্য বিস্তাৰৰ চেষ্টা কৰিছে। অনুবাদ সাহিত্যত এনেকুৱা নিদৰ্শন খুব কমহে আছে। এই কবিসকলে বাল্মীকিৰ অন্নৰে পৰিপুষ্ট হৈও যেন বাল্মীকিক গ্ৰাস কৰাৰ চেষ্টা কৰিছে।

বৈষ্ণৱ কবি-পণ্ডিতসকলে কিন্তু ৰামায়ণ অনুবাদ কৰোতে মূল কাহিনীত প্ৰলেপ সানিবলৈ চেষ্টা কৰা নাই। তেওঁলোকৰ অনুবাদৰ ঘটনা বিন্যাসত স্থানীয় সংস্কৃতিৰ নিদৰ্শন অৱশ্যে দেখা যায়, যিটো অতি স্বাভাৱিক। এই ক্ষেত্ৰত অসমীয়া কবি মাধৱ কন্দলি এক দৃষ্টান্ত-স্বৰূপ। বৈষ্ণৱ কবিসকলে ৰামায়ণ মহাকাব্যক তেওঁলোকৰ ধৰ্মীয় চিন্তাৰ পৰিধিলৈ আনি ইয়াৰ গল্প-কাহিনীবোৰ নানান মাধ্যমত নানা প্ৰকাৰে মানুহৰ মাজত প্ৰচাৰ কৰি মানুহৰ শুভ-বুদ্ধি জাগৰিত কৰিবলৈ চেষ্টা কৰি যথেষ্ট সফলকাম হ'ব পাৰিছে, বিশেষকৈ ভক্তিতত্ত্বৰ দিশত।

## মহাভাৰত

মহাভাৰতক ভাৰতীয় সংস্কৃতিৰ ভাণ্ডাৰ বা বিশ্বকোষ বুলি ক'ব পাৰি। ৰবীন্দ্ৰনাথৰ ভাষাত ভাৰতবৰ্ষৰ "সজীব বিশ্ববিদ্যালয়", এই বিশ্ববিদ্যালয়ৰ ডিগ্ৰী যাৰ নাই ভাৰতকো তেওঁ ভালকৈ জানিব পৰা নাই। মহাভাৰতৰ ভিতৰত ভাৰতীয় সাধনা আৰু সংস্কৃতিৰ সংকলন আৰু বিন্যাসৰ যি শক্তি আৰু প্ৰতিভা প্ৰকাশ পাইছে ভাৰতবৰ্ষই সেই প্ৰতিভাৰ নাম দিছে— ব্যাস।

চতুৰ্বেদ, অষ্টাদশপৰ্ব মহাভাৰত আৰু অষ্টাদশ মহাপুৰাণৰ সংকলনকৰ্তা আৰু ৰচয়িতা বুলি ব্যাসদেৱকেই কোৱা হয়। ভাৰতীয় সংস্কৃতিৰ ইতিহাসত মহাভাৰতৰ স্থান হৈছে বেদ আৰু পুৰাণৰ মধ্যস্থলত। সেয়ে মহাভাৰতক পঞ্চম বেদ বুলিও কোৱা হয় আৰু আদি-পুৰাণো বোলা হয়। মহাভাৰত প্ৰকৃততে এটা

সাংস্কৃতিক মহাকোষ কাৰণেই তাৰ স্বৰূপ বৰ্ণনাৰো কোনো সীমা নাই। মহাভাৰত এক ব্যক্তিৰ ৰচনা হয়নে নহয়, সেইটো নিশ্চয় সন্দেহৰ বিষয়, কিয়নো ইয়াৰ বৰ্ণনাৰ বিষয়বস্তুবিলাক এককালৰ বুলি ক'ব নোবাৰি। অনুমান কৰিব পাৰি যে এই মহাগ্ৰন্থত ঠাই পোৱা আখ্যান উপাখ্যান উপদেশাদি ভাৰতৰ বিপুল জনতাৰ মাজত লোককথা বা লোকগীত আদিৰ দ্বাৰা পৰিব্যাপ্ত হৈ আছিল। ভাৰতৰ সংকলন প্ৰতিভাই সেইবিলাক কালে কালে সংগ্ৰহ কৰি এটা পৰিবেষ্টনীৰ মাজত এদিন বান্ধি পেলালে, এনেদৰেই এদিন ভাৰত-সংহিতাৰ উৎপত্তি হ'ল। মহাভাৰত ব্যাসদেৱৰ দ্বাৰা কথিত আৰু গণদেৱতাৰ দ্বাৰা লিখিত বুলি জনা যায়। এই কাহিনীৰ ভিতৰতে মহাভাৰতৰ উৎপত্তিৰ যথাৰ্থ ইতিহাস নিহিত আছে। যিয়ে মহাভাৰত লিপিবদ্ধ কৰিলে তেওঁ হ'ল গণদেৱতা অৰ্থাৎ জনগণ আৰু যিয়ে মুখেৰে ক'লে তেওঁ হ'ল ব্যাস বা সংকলন আৰু বিন্যাসপ্ৰতিভা।

পণ্ডিতসকলৰ মতে মহাভাৰতৰ প্ৰথম সূচনা হয় সম্ভৱতঃ খৃঃ পূঃ পঞ্চম শতিকাতে, কিন্তু তাৰ পৰিসমাপ্তি ঘটে খৃষ্টীয় পঞ্চম শতিকামানতহে। এই সহস্ৰাধিক বছৰৰ ভাৰতবৰ্ষৰ ইতিহাসত বিস্তৃত অভিব্যক্তি ৰূপ পাইছে মহাভাৰতত। এই গ্ৰন্থৰ কাহিনীবোৰৰ উপদেশ, সমাজ বৰ্ণনা আৰু আদৰ্শগত বৈচিত্ৰৰ পৰা বিভিন্ন সময়ৰ পৰম্পৰাৰ স্পষ্ট আভাস পোৱা যায়। মহাভাৰত মূলতঃ আছিল এটি ঐতিহাসিক কাহিনীৰ বৰ্ণনাগ্ৰন্থ আৰু ইয়াৰ শ্লোকসংখ্যাও আছিল অল্পপৰিসৰৰ। ক্ৰমে ক্ৰমে ইয়াত আখ্যান উপাখ্যান আদি যোগ হৈ হৈ ই বিপুলায়তন হ'ল। মহাভাৰতৰ শ্লোক সংখ্যা সম্প্ৰতি লক্ষাধিক।

"মহাভাৰত"– এই নামটো সম্বন্ধে সেই গ্ৰন্থতে উল্লেখিত হৈছে যে পুৰণিকালত সকলোবোৰ দেৱতাই লগ লাগি তুলাচনীৰ এফালে চাৰিখন বেদ আৰু আনফালে ভাৰতকথাখন তুলি দিছিল। উপনিষদ আদিৰে সৈতে চাৰিখন বেদতকৈ এই গ্ৰন্থ ওজনত গধুৰ হৈছিল। তেতিয়াৰ পৰা এই গ্ৰন্থক 'মহাভাৰত' বোলা হয়। এই 'ওজনত গধুৰ' শব্দ দুটা নিশ্চয় ৰূপকাৰ্থত ব্যৱহাৰ কৰা হৈছে। বেদ হ'ল শ্ৰুতি অৰ্থাৎ অপৌৰুষেয়। বেদৰ দুটা ভাগ- কৰ্মকাণ্ড আৰু জ্ঞানকাণ্ড। কৰ্মকাণ্ডত আছে দেৱতাৰ অনুগ্ৰহ পাবলৈ নানা যাগ-যজ্ঞৰ অনুষ্ঠানৰ বৰ্ণনা, দেৱতাৰ স্তুতি-মন্ত্ৰ আৰু যজ্ঞাদি অনুষ্ঠানৰ বিবিধ নিয়ম প্ৰণালীৰ বিষয়ে তথ্য। জ্ঞানকাণ্ডত দেখোঁ ব্ৰহ্মৰ স্বৰূপ নিৰ্দ্ধাৰণৰ মন্ত্ৰ, আৰু ব্ৰহ্ম স্বতঃসিদ্ধ বুলি ব্যাখ্যা, কিন্তু সেই বিষয়ে প্ৰমাণৰ কোনো তত্ত্ব নাই, বৰঞ্চ ব্ৰহ্ম প্ৰমাণ সাপেক্ষ নহয় বুলিহে যুক্তি। কিন্তু মহাভাৰত সগুণ ব্ৰহ্মৰ লীলামাধুৰীৰে ভৰপূৰ নানা আখ্যান-উপখ্যানৰ সমাৰোহ। মহাভাৰতৰ যি মূল কাহিনী অৰ্থাৎ কৌৰব আৰু পাণ্ডৱৰ মাজত যি অসূয়া, ঈৰ্ষা, দ্বন্দ্ব আৰু অৱশেষত কুৰুক্ষেত্ৰত মহাৰণ তাৰো পৰোক্ষ মহানায়ক সগুণ ব্ৰহ্ম

অৰ্থাৎ যদুপতি কৃষ্ণ। ভাবাতীত তত্ত্বমূলক শ্ৰুতিতকৈ একেলগে শ্ৰৱণ আৰু দৰ্শন আৰু তাৰ ফলত অনুভূতিৰ স্মৃতি যে দীৰ্ঘস্থায়ী বা গধুৰ তাত সন্দেহ নাই।

পাণ্ডুবংশৰ ৰজা জন্মেজয়ৰ সৰ্পসত্ৰত কৃষ্ণ দ্বৈপায়নে ৰচনা কৰা পুন্যজনক উপাখ্যান ভাৰতকথা ঋষি বৈশম্পায়নে পাঠ কৰিছিল। সেই কাহিনী লোমহৰ্ষণৰ পুত্ৰ সুত উগ্ৰশ্ৰবাই শুনি আছিল। তাৰ পিছত তেওঁ বহু পুণ্যক্ষেত্ৰ ভ্ৰমণ কৰি নৈমিষাৰণ্যত কুলপতি শৌনকৰ দ্বাদশবৰ্ষীয় যজ্ঞস্থলীত উপস্থিত হৈ সেই অমৃতকাহিনী তাত উপস্থিত থকা ঋষিসকলক শুনাইছিল। সেয়েই মহাভাৰত। মহাভাৰতৰ প্ৰথমতে এনে বাক্য উচ্চাৰিত হৈছে ঃ এই মহাকাব্যত যিবোৰ কাহিনী আছে সেইবোৰ কৰবাত হয়তো বিচাৰি পোৱা যাব পাৰে, কিন্তু এই মহাকাব্যত যিখিনি নাই সেইখিনি ক'তো কেতিয়াও বিচাৰি পোৱা নাযাব।

মহাভাৰত পৃথিৱীৰ সৰ্ববৃহৎ মহাকাব্য।

## ভগবদ্-গীতা

মহাভাৰতৰ ভীষ্মপৰ্বৰ ভগবদ্-গীতা অংশটো হিন্দুধৰ্মৰ প্ৰস্থানত্ৰয়ীৰ প্ৰধান; সৰ্বাশাস্ত্ৰ-শিৰোমণি গীতা শ্ৰীভগৱদুক্তি। সেয়ে কি বৈষ্ণৱ, কি শাক্ত, কি শৈৱ, কি গাণপত্য, কি সৌৰ, কি কাৰ্তিকেয় সকলো সম্প্ৰদায়ৰে এই শাস্ত্ৰ বেদৰ নিচিনা প্ৰামাণ্য আৰু নমস্য। গীতাৰ প্ৰভাৱ যে কেৱল হিন্দু ধৰ্মাৱলম্বীৰ ওপৰতে এনে নহয়, এই শাস্ত্ৰৰ প্ৰভাৱ বৌদ্ধ, জৈন আৰু খৃষ্ট ধৰ্মাৱলম্বীসকলৰ ওপৰতো অসামান্য। বস্তুবাদী পশ্চিমীয়া দেশবোৰত বৰ্তমান কালত বহু খৃষ্টধৰ্মীয় লোকে কৃষ্ণক 'চুপ্ৰিম গড্‌হেড' বুলি মানি লৈ কৃষ্ণভক্তিত আপ্লুত হৈছে।

গীতাৰ সৃষ্টি দেশকালৰ পৰিবেশত হ'লেও গীতাতত্ত্ব দেশকালৰ উৰ্দ্ধত অৱস্থিত। গীতাৰ বাণী সাৰ্ব্বজনীন। অৰ্জুন সকলো জ্ঞানপিপাসু কৰ্মযোগী মানুহৰ প্ৰতীক। সেয়ে অৰ্জুনৰ বিষাদ, সংশয় আৰু দুঃখ মুক্তি সৰ্বদেশৰ সৰ্বকালৰ মানুহৰ দুঃখবিমুক্তি। মানৱ মাত্ৰৰেই জীৱন সংশয়পূৰ্ণ আৰু দুঃখময়। পথভ্ৰান্তিৰ সমস্যা প্ৰবল। ওপৰে ওপৰে চালে জীৱনটো ৰঙীন যেন লাগিলেও ভালকৈ নিৰীক্ষণ কৰিলে ওলাই পৰে যে জীৱন কণ্টকাকীৰ্ণ, জীৱন-যুদ্ধ ভয়ঙ্কৰ। এই অৱস্থাৰ কাৰণ কি, মনস্তত্ত্বৰ গভীৰতম স্তৰৰ পৰা ইয়াৰ বিশ্লেষণৰ প্ৰয়োজন। গীতাত আমি সেই কথাৰ ব্যাখ্যা শুনিবলৈ পাওঁ।

গীতা সম্বন্ধে কোৱা হৈছে যে

"সৰ্বোপনিষদো গাবো দোগ্ধা গোপালনন্দনঃ
পাৰ্থোবৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ।"

সমস্ত উপনিষদেই ধেনুস্বৰূপ, গোপাল-নন্দন শ্ৰীকৃষ্ণ দোহন কৰ্তা, পাৰ্থ

বৎসতুল্য, গীতাৰ অমৃততুল্য বাণী উৎকৃষ্ট দুগ্ধস্বৰূপ আৰু সুধী-জ্ঞানীসকলে এই দুগ্ধৰ পানকাৰী। উপনিষদ শ্ৰুতিশাস্ত্ৰ আৰু গীতা স্মৃতিশাস্ত্ৰ। উপনিষদ ধেনুৰ পৰা দুগ্ধ দোহন কৰিলে কৃষ্ণই আৰু অৰ্জুন হ'ল বৎস, এই কথাৰ তাৎপৰ্য্য, শ্ৰুতি আৰু স্মৃতিৰ গূঢ় সম্বন্ধৰ বিষয়ে আলোচনা কৰিলে স্পষ্ট হয়।

শ্ৰুতিৰ দৃষ্টিত ব্ৰহ্ম স্বতঃসিদ্ধ হ'লেও প্ৰমাণ সাপেক্ষে নহয়, শ্ৰুতিত সেয়ে আমি ভগবৎ সত্তাৰ প্ৰমাণ একো নাপাওঁ, কেৱল পাওঁ তৎস্বৰূপ নিৰ্দ্ধাৰণ। ব্ৰহ্ম স্বৰূপৰ দ্বিবিধ প্ৰকাশ দ্ৰষ্টা ঋষিৰ অনুভূতিত ধৰা দিছে। এটা বাহিৰত, আনটো ভিতৰত। বাহিৰৰ দৃশ্যমান জগতত ওতপ্ৰোতভাৱে 'সৰ্বব্যাপীৰূপে' আৰু ভিতৰত ভাৱময় আৰু কৰ্মময় ৰাজ্যৰ সকলো প্ৰেৰণাৰ মূল উৎস 'সৰ্বভূতান্তৰাত্মাৰূপে'। বাহিৰত যি বিশাল কৰ্মচক্ৰৰ পৰিচালক, অন্তৰত তেৱেঁই বুদ্ধি বৃত্তিৰ প্ৰেৰক। শ্ৰুতিৰ এই সত্য শাশ্বত কিন্তু ভাৱাত্মকহে। ঋষিসকলে ভাবাতীত সেই সত্যৰ ৰূপ ধ্যান কৰিছে যুগ যুগ ধৰি। মাজে মাজে ছয়াময়াকৈ সগুণ সাকাৰ ৰূপ তেওঁলোকে নেদেখাও নহয়, যেনে, কেনোপনিষদত যক্ষৰূপে, শ্বেতাশ্বতৰ উপনিষদত ভয়ানক ধনুকাড় ধাৰণকাৰী ৰুদ্ৰৰূপে। গীতাত এই অনুসন্ধানৰ সাফল্য ঘটিছে। 'শ্ৰীভগবান্ উবাচ' গীতাৰ এই বাক্য গভীৰ অনুসন্ধানৰ শেষত লাভ কৰা পৰম সত্যৰ বিজয় ঘোষণা। শ্ৰুতি প্ৰতিপাদিত নিৰ্গুণ সত্য স্মৃতিৰ ভূমিকাত সগুণ সত্তাৰূপে প্ৰকট হৈছে। উপনিষদত আমি শুনি আহিছো ঋষিসকলৰ উপদেশ, গীতাত পালো ভগৱানৰ আদেশ-নিৰ্দেশ ভগৱদ্‌সত্তাৰ প্ৰমাণস্বৰূপে। সেয়ে গীতা সমস্ত বেদৰ সাৰমৰ্ম, ব্ৰহ্মজিজ্ঞাসাৰ সমাধান।

কুৰুক্ষেত্ৰত কৃষ্ণসাৰথিৰ লগত উপস্থিত হৈ সমৰক্ষেত্ৰত অৰ্জুনে দেখিলে তেওঁৰ বিপক্ষত আছে পিতামহ ভীষ্ম, গুৰু দ্ৰোণ, কৃপাচাৰ্য্য, মাতুল শৈল্য আৰু আন আত্মীয়-স্বজন, বন্ধু-বান্ধব ইত্যাদি। সেই দৃশ্য দেখি অৰ্জুন বিষাদ সিন্ধুত বুৰ গ'ল। তেওঁৰ শৰীৰ কঁপিবলৈ ধৰিলে, মূৰ ঘূৰিবলৈ ধৰিলে, অস্ত্ৰ হাতৰ পৰা সুলকি পৰিল।

এই বিষাদ দুই আদৰ্শৰ সংঘাতৰ বিষাদ। এফালে ক্ষত্ৰিয়বীৰ হিচাপে আদৰ্শ ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ সংকল্প, অন্যায়ৰ প্ৰতিকাৰ, অধৰ্মৰ বিনাশ আৰু আনফালে স্বজনপ্ৰীতি, গুৰুভক্তি, পিতামহ মাতুলাদিৰ প্ৰতি অকুণ্ঠ শ্ৰদ্ধা আৰু আনুগত্য। ৰাষ্ট্ৰনীতি সাৰ কৰিলে স্বজনপ্ৰীতি পৰিহাৰ কৰিব লাগে, পাৰিবাৰিক বিবেচনা বাদ দিব লাগে, প্ৰিয়জনৰ তেজেৰে হাত ৰাঙলী কৰিব লাগে। এনেকুৱা মানসিক দ্বন্দ্বৰ সমুখীন হ'লে সকলোৱে ভাগি পৰিব তাত সন্দেহ নাই। এনেকুৱা অৱস্থাত পতিত হোৱা সকলো মানৱৰ সংশয়াতীত হৈ কৰ্ম কৰাৰ পন্থাই গীতাত উপদিষ্ট হৈছে। গীতাৰ ওঠৰটা অধ্যায়, ওঠৰখন জখলাৰ ঢাপ। প্ৰথম অধ্যায় বিষাদযোগ আৰু শেষ

অধ্যায় মোক্ষযোগ। সংশয়াক্লিষ্ট বিষাদপূর্ণ অর্জুনক লৈ যোবা হৈছে ঢাপে ঢাপে আগুবাই, শেষৰ অৰ্থাৎ মুক্তিৰ ঢাপ উদ্দেশ্য কৰি। এই মুক্তি কিন্তু মৃত্যুৰ পৰবর্তী কোনো বিশেষ অবস্থা নহয়। জীবন্ত অবস্থাতেই ঘাত-প্রতিঘাতৰ দ্বন্দ্বময় বিষাদভূমিৰ পৰা দ্বন্দ্বাতীত শান্তিৰ ভূমিলৈ যোবাই নির্দেশ কৰা মুক্তি।

গীতাৰ নতুন বতৰা— ভগবানে নিজ মুখেৰে কথা কৈছে। এতিয়া পর্যন্ত ঋষিঃউবাচ, বাল্মীকিউবাচ, ব্যাসউবাচ আদি শ্লোকবোৰ শুনা গৈছিল, গীতাত পালোঁ- আন কোনোৱে নহয়, স্বয়ং ভগবানে কথা কয়। "শ্রীভগবান উবাচ", "শ্রীমধুসূদন উবাচ"। বেদ-উপনিষদত ভগবানৰ ৰূপৰ কল্পনা নাছিল, গতিকে ভগবানে কথা কোৱাৰ প্রশ্ন তাত নাই। মহাভাৰতত আদিপর্বৰ পৰা ভীষ্মপর্ব পর্য্যন্ত "শ্রীভগবান উবাচ" কেবাৰমান উচ্চাৰিত হৈছে; কিন্তু সেইকথা ভগবানৰ আসনৰ পৰা ভগবানৰ উক্তি নহয়। সখা, মিত্র, ৰাজদূত, মন্ত্রণাদাতা, সাৰথি প্ৰভৃতি বিভিন্ন ভূমিকাত তেওঁ কথা কৈছে, কিন্তু গীতাৰ দ্বিতীয় অধ্যায়ত সঞ্জয়ে যেতিয়া প্রথমে কৈছে "শ্রীভগবান উবাচ", সেয়া স্বয়ং ভগবদুক্তি। আচার্য্য শঙ্কৰে সেয়ে 'শ্রীভগবান উবাচ' এই কথাৰ পৰাই ভগৱগীতাৰ টীকাভাষ্য আৰম্ভ কৰিছে। আচার্য্যই সেয়ে মানব সমাজক সম্বোধি কৈছে, "শুনিবা, আহা, নতুন কথা শুনিবা, আহা। শ্রীভগবানে কথা ক'ব ধৰিছে, যাক লক্ষ্য কৰি লক্ষ লক্ষ কথা কোৱা হৈছে, যাৰ কথা কৈ কৈ অন্ত নাই, যাৰ সম্বন্ধে বাক্য উচ্চাৰিত হৈ মনৰ জগতে উভটি আহিছে— এইবাৰ তেওঁ স্বয়ং আহি নিজ তত্ত্বকথা নিজৰ শ্ৰীমুখেৰে ব্যক্ত কৰিছে। শুনা, শুনিবলগীয়া কথা নিশ্চয়।"

(গীতাধ্যান মহানামব্রত স্বামী ——)

অন্তৰৰ মাজত লুকাই থকা ক্ষুদ্রসত্তা আজি পৰমাত্মাৰ মহান সত্তাৰূপে শিষ্য অর্জুনৰ আগত থিয় হৈছে, তেওঁৰ সংশয়ৰূপ অন্ধকাৰ নাশ কৰিবলৈ বিবেকৰূপী পোহৰৰ দ্বাৰা। এই ভগবান ভকতবৎসল, তেওঁ ভক্ত অর্জুনৰ দুঃখত সমব্যথী। এফালে সৈন্যসমুদ্র আনফালে বিষাদসমুদ্র আৰু অন্তৰত সংশয়সমুদ্র। এই সমুদ্র উত্তীর্ণ হৈ দ্বন্দ্বাতীত তীৰভূমিত উপনীত হোবা পথেই মোহমুক্তিৰ পথ, জীৱনমুক্তিৰ পথ আৰু সেয়েই গীতাৰ বাণী।

আনন্দ লাভৰ বাসনা সকলোৰে থাকে। কিন্তু ভূমাৰ সন্ধানৰ বাহিৰে আনন্দ লাভৰ আন পন্থা নাই। আমি ক্ষুদ্র কাৰণে আনন্দৰ পৰা বঞ্চিত। ভূমাজ্ঞানেই ব্ৰহ্মজ্ঞান বা পৰমাত্মাৰ উপলব্ধি। এই উপলব্ধি সুকঠিন হ'লেও অসাধ্য নহয়। পোহৰ বিশ্বব্যাপী, কিন্তু সেই পোহৰ চাবলৈ আমাৰ ক্ষুদ্র চকু আছে। বিশ্বচৈতন্য উপলব্ধি কৰিবলৈকো আছে আমাৰ জীৱচৈতন্য। পোহৰ চাবলৈ যিদৰে চকু, পৰমাত্মাক জানিবলৈ তেনেদৰে জীৱাত্মা। আত্মজ্ঞান আৰু ব্ৰহ্মজ্ঞান একে জ্ঞানৰে

ইপিঠি সিপিঠি। পোহৰ দেখাই দেখা, দেখা পোহৰেই পোহৰ। আত্মাৰ পোহৰ ব্ৰহ্মদৰ্শন, ব্ৰহ্মদৰ্শনতেই আত্মাৰ প্ৰকাশ। পোহৰতো আছেই, চাবলৈ লাগে চকু। ব্ৰহ্মাতো আছেই, লাভ কৰিবলৈ লাগে আত্মা। আত্মালাভৰ প্ৰশস্ত ৰাজপথ দুটা। এটা কৰ্মযোগ আৰু আনটো জ্ঞানযোগ। ইচ্ছাবৃত্তি প্ৰধান মানুহ কৰ্মযোগী হয় আৰু বুদ্ধিবৃত্তি প্ৰধান হয় জ্ঞানযোগী।

কৰ্মযোগীৰ বৈশিষ্ট্য হ'ল তেওঁৰ অহং বা-মযিত্বৰ অহংকাৰ। মই কৰোঁ, মই খাওঁ, ইত্যাদি। কিন্তু তেওঁ নাজানে যে অহং দুটা, এটা কৃত্ৰিম অহং আৰু আনটো সঁচা অহং। কৃত্ৰিম 'মই'ৰ অন্ন হ'ল, মই কৰ্ত্তা, এই অভিমান। কৃত্ৰিম 'মই'ৰ পানীয় হ'ল, কাম কৰি ফল কামনা। এই অভিমান আৰু কামনা দুৰ্দ্দমনীয়। বিশ্বত সকলো অশান্তিৰ মূলতে হ'ল এই অভিমান আৰু কামনা, কিন্তু সাধনাৰ দ্বাৰা এই অভিমান আৰু কামনা কমাব পাৰিলে কৃত্ৰিম 'মই'ও তদনুপাতে দুৰ্বল হয়। বিশ্বব্যাপী বিৰাট কৰ্মশালাৰ অনাদি অনন্ত কৰ্মযজ্ঞৰ মই এজন ক্ষুদ্ৰাদপি ক্ষুদ্ৰ অংশীদাৰ। এই বিপুলকৰ্মৰ আৰম্ভ বা শেষ একোৱেই মোৰ অধীন নহয়। বিৰাট কৰ্মকৰ্ত্তাই যি ক্ষুদ্ৰ অংশ মোৰ ওপৰত ন্যস্ত কৰিছে, সেইখিনি সাধ্যমতে কৰি হিচাব বুজাই দিয়াটো মোৰ কৰ্ত্তব্য। এই বুদ্ধিত নিত্য-কৰ্ম কৰিলে অভিমান আৰু ফলাকাঙক্ষা উভয়ে তিৰোহিত হয়। এই জ্ঞান কিন্তু সহজলভ্য নহয়; তাৰ কাৰণে প্ৰয়োজন গীতা-জ্ঞানৰ সাধনা।

গীতাত যিমানবোৰ কথা কোৱা হৈছে তাৰ বীজ নিহিত আছে দ্বিতীয় অধ্যায়ৰ একাদশ শ্লোকৰ ভিতৰতঃ "অশোচ্যানন্বশোচস্ত্বং প্ৰজ্ঞাবাদাংশ্চ ভাষসে।"

—যাৰ কাৰণে শোক কৰাৰ কোনো কাৰণ নাই তেওঁলোকৰ কাৰণে তুমি শোক কৰিছা আৰু ইপিনে পণ্ডিতৰ নিচিনাকৈ কথা কৈ আছা।

পৰম ৰহস্যময় গীতা শাস্ত্ৰৰ সকলো ৰহস্যৰ সমাধানৰ নিৰ্ণয় এই শ্লোকতঃ

সৰ্বধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ

অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ ।১৮।৬৬

'অশোচ্যানন্বশোচঃ' বুলি ভগৱানে যি আৰম্ভ কৰিছে, 'মা শুচঃ' বুলি তেওঁ শেষ কৰিছে। আৰম্ভণি আৰু শেষত 'শুচঃ' ধাতুৰ প্ৰয়োগ বিশেষ তাৎপৰ্য্যপূৰ্ণ। 'শুচঃ' শব্দৰ দ্বাৰা গীতাৰ সৰ্বশেষ উপসংহাৰ স্বৰূপে পৰম শ্ৰেয় পথৰ শেষ নিৰ্ভয় বাণীৰে গীতাৰ পৰিসমাপ্তি। নিৰ্ভয়বাণী অৰ্থাৎ নিজকে যন্ত্ৰ আৰু ভগৱান যন্ত্ৰী বুলি জন্মা বিশ্বাস। ভগৱানে মোৰ হৃদয়ত থাকি যি কৰাইছে, তাকেই কৰিছোঁ। তেওঁৰ শৰণাগত হৈ সকলো পাপৰপৰা মুক্ত হ'লে শান্তি লাভ হ'ব।

গীতাৰ যোগমাৰ্গ ঈশ্বৰবাদ, কৰ্ম, জ্ঞান আৰু ভক্তিৰ সংযোগ আৰু সমন্বয়ৰ পথ। কৰ্মক লৈ যাব লাগিব জ্ঞানৰ স্তৰলৈ, সকলো কৰ্ম হ'ব যজ্ঞ, অৰ্থাৎ কৰ্মফল

ভগবানত উৎসৰ্গিত। জ্ঞানক নি অৰ্পণ কৰিব লাগিব ভক্তি-গঙ্গাত। জ্ঞান-কৰ্ম সমন্বিত পূৰ্ণাঙ্গ ধৰ্ম ভক্তি গঙ্গাৰ পানীত ধৌত হ'লে শ্ৰুতি, স্মৃতি, দেশাচাৰ, স্বৰ্গ, মোক্ষাদি কামনামূলক নানাবিধ কৰ্ম-বিধিৰ আৰু বিধিনিষেধৰ দাসত্ব ত্যাগ কৰি অৰ্থাৎ 'সৰ্বধৰ্মান্ পৰিত্যজ্য' মন্ত্ৰৰ দ্বাৰা বিশ্বকৰ্তাৰ চৰণত সৰ্বতোভাৱে শৰণাগতি। বিষ্ণুমায়া-আবৰণত ঢাকখাই থকা জীৱৰ ইয়াৰ বাহিৰে আন গতি নাই। ভক্তিমাৰ্গী ভাগৱতী ধৰ্মৰ এয়েই মূলতত্ত্ব। এয়েই বেদৰ সাৰ, প্ৰস্থানত্ৰয়ীৰ প্ৰধান, এয়ে উপনিষদ ধেনুৰ দুগ্ধ। দোগ্ধা গোপালনন্দন, সুধী ভক্তৰ বাবে। কিন্তু পাৰ্থক বৎস বুলি কৈছে, কিয় ?

সকলো গোপালে জানে যে গাভী দোহন কাৰ্য্যত বৎস বা দামুৰিৰ সহযোগ অপৰিহাৰ্য্য। দামুৰিয়ে মাকজনীৰ ওহাৰত মুখ লগাই দোহনৰ আগে আগে চুহি নিদিলে গাভীয়ে গাখীৰ নমাই নিদিয়ে, দোহন কাম সহজ নহয়। অৰ্জুনে গীতাত তাকেই কৰিছে। অৰ্জুনৰ সাতাবন্নটা শ্লোকৰ উত্তৰতহে কেশৱে ছশ কুৰিটা শ্লোক ব্যক্ত কৰিছে। গতিকে "পাৰ্থোবৎস" নহ'লে গীতদুগ্ধ দোহন সম্পূৰ্ণ বা সম্ভৱ নহ'লহেঁতেন। জীৱাত্মাই বৎস, পৰমাত্মাই দুগ্ধদোহনকাৰী। জীৱাত্মাই পৰমাত্মাৰ সক্ৰিয় গুণৰ কাৰণ হৈছে।

## প্ৰাচীন্ বৈষ্ণৱ ধৰ্ম

মহাভাৰতৰ অনুশাসন পৰ্বত বিষ্ণুসহস্ৰ নামস্তোত্ৰই বিষ্ণুৰ মাহাত্ম্য প্ৰচাৰ কৰিছে আৰু বাসুদেৱ কৃষ্ণই যে নাৰায়ণবিষ্ণু এই তথ্য প্ৰতিপাদিত কৰিছে। শান্তিপৰ্বৰ নাৰায়ণীয় অংশটোত বিস্তৃতভাৱে বৰ্ণিত হৈছে যে ভক্তি অবিহনে নাৰায়ণৰ কৰুণালাভ সম্ভৱ নহয়।

ভক্তিৰ স্বৰূপ নিৰ্ণায়ক দুখন সূত্ৰগ্ৰন্থও আছে। এখন নাৰদ ভক্তিসূত্ৰ আৰু আনখন শাণ্ডিল্য ভক্তিসূত্ৰ। এই দুখন গ্ৰন্থ তুলনাত সুপ্ৰাচীন নহয় যদিও ইয়াৰ সমাদৰ সকলো সম্প্ৰদায়ৰ মাজত যথেষ্ট।

বৈষ্ণৱপন্থীয় কেবাখন উপনিষদো আছে। অৱশ্যে এইবোৰ বহু পিছত ৰচিত শাস্ত্ৰ আৰু ই শ্ৰুতিৰ অন্তৰ্গত হয় নে নহয় সেইয়া পণ্ডিতসকলৰ বিবেচনাৰ বিষয়। উপনিষদবোৰ হ'ল— অব্যক্তোপনিষদ অথবা অব্যক্ত-নৃসিংহোপনিষদ, কলি-সন্তৰনোপনিষদ, কৃষ্ণোপনিষদ, গড়ুৰোপনিষদ, গোপাল পূৰ্বতাপনী উপনিষদ, গোপালোত্তৰো তাপনী উপনিষদ, তাৰাসাৰোপনিষদ, ত্ৰিপাদ-বিভূতি-মহানাৰায়ণ উপনিষদ, দত্তাত্ৰেয়োপনিষদ, নাৰায়ণোপনিষদ, নৃসিংহ তাপনী-উপনিষদ, নৃসিংহোত্তৰ তাপনী-উপনিষদ, ৰাম-তাপনী-উপনিষদ, ৰামোত্তৰত্তৰ-তাপনী-উপনিষদ, ৰাম-ৰহস্য উপনিষদ আৰু বাসুদেৱোপনিষদ।

বৈষ্ণৱসকলৰ "পাঞ্চৰাত্ৰ" সম্প্ৰদায়টো বহু প্ৰাচীন আৰু ই ঋগ্‌বেদৰ পুৰুষসূক্তৰ লগত জড়িত। মহাভাৰতৰ নাৰায়ণীয় অংশটোত এই সম্প্ৰদায়ৰ বিষয়ে বিশেষভাবে উল্লেখ আছে। আগম-প্ৰামাণ্যৰ ৰচক যামুনাচাৰ্য্যৰ মতে "পঞ্চৰাত্ৰ" তত্ত্বটো বেদৰ সমকক্ষ, কিয়নো ইও বেদৰ দৰে স্বয়ং নাৰায়ণৰ মুখৰপৰা নিঃসৃত। অতীজত নাৰায়ণৰ ভক্তসকলক "পঞ্চৰাত্ৰ" বুলি কোৱা হৈছিল। তেওঁলোকে বাসুদেৱ আৰু তেওঁৰ পৰিয়ালৰ আন চাৰিজনক একেলগে পঞ্চবীৰ হিচাপে পূজা কৰিছিল। তেওঁলোকৰ মতে বাসুদেৱ, সংকৰ্ষণ (বলদেৱ), প্ৰদ্যুম্ন আৰু অনিৰুদ্ধ বিষ্ণুৰ পৰা উদ্ভৱ হৈছিল। এই 'পঞ্চৰাত্ৰ' তথ্যৰ লগতে মহাভাৰতৰ নাৰায়ণীয় অংশটোত অৱতাৰবাদৰ কথা পোৱা যায়। তাত দশাৱতাৰ তথ্য এনেদৰে বৰ্ণিত হৈছেঃ (১)ৰাজহংস, (২)কূৰ্ম, (৩)মৎস্য, (৪)বৰাহ, (৫)নৰাসিংহ, (৬)বামন, (৭)পৰশুৰাম, (৯)কৃষ্ণ আৰু (১০)কল্কি। পিচৰ শাস্ত্ৰবোৰত অৱতাৰৰ সংখ্যা বাঢ়ি দ্বাদশ, অষ্টাদশ আৰু চতুৰ্বিংশতি পোৱা যায়। ভাগৱত পুৰাণৰ মতে বিষ্ণুৰ অৱতাৰৰ কোনো সীমা সংখ্যা নাই।

প্ৰত্নতত্ত্ববিদসকলৰ মতে অৱতাৰবাদৰ তথ্যটো গুপ্তসকলৰ ৰাজত্বকালত বেছিকৈ প্ৰচাৰ হয়। ঈশ্বৰসংহিতাৰ মতে ভগবানে পাঁচজন ঋষিক, যেনে শাণ্ডিল্য, উপগয়ন, মৌনজয়ন, কৌশিক আৰু ভৰদ্বাজক পাঁচদিন আৰু পাঁচৰাতি যি ধৰ্ম শিক্ষা দিছিল সেয়ে 'পঞ্চৰাত্ৰ' নামে জনাজাত হয়। শ্ৰীপ্ৰশ্ন-সংহিতাৰ পৰা জনা যায় যে ৰাত্ৰি মানে হ'ল অজ্ঞান আৰু পঞ্চ শব্দটো আহিছে 'পচ' ধাতুৰ পৰা, অৰ্থ হ'ল, বিয়ে সিদ্ধ কৰি নষ্ট কৰে। গতিকে 'পঞ্চৰাত্ৰ'ই অজ্ঞানতা দূৰ কৰা তথ্যকেই বুজায়। পদ্মতন্ত্ৰৰ মতে এই পন্থাটোৰ নামৰ উৎপত্তিৰ কাৰণ হ'ল সূৰ্য্যৰ পোহৰে যিদৰে ৰাতিৰ অন্ধকাৰ দূৰ কৰে ঠিক তেনেদৰে 'পঞ্চৰাত্ৰ'য়ো আন পাঁচটা পন্থা, যেনে যোগ, সাংখ্য, বৌদ্ধ, জৈন আৰু পাশুপতক অন্তৰ্হিত কৰে। অগ্নিপুৰাণত পোৱা যায় যে যি পঞ্চভূতৰ দ্বাৰা ব্ৰহ্মাৰ শৰীৰৰ সৃষ্টি তাক 'পঞ্চৰাত্ৰ' বোলা হয়। শতপথ ব্ৰাহ্মণৰ মতে আকৌ নাৰায়ণৰ উদ্দেশ্যে যি পাঁচদিন পাঁচ ৰাতি যজ্ঞ কৰা হৈছিল তাকেই 'পঞ্চৰাত্ৰ' বুলি জনা যায়। গতিকে 'পঞ্চৰাত্ৰ' প্ৰথাটো যজ্ঞৰ পৰাই প্ৰথমে উদ্ভৱ হৈছিল বুলি ধৰি লব পাৰি আৰু ইয়াৰ ওপৰত শক্তিপূজা আৰু তন্ত্ৰৰ প্ৰভাৱ পিচত বিস্তাৰ হয়।

মনুসংহিতা বা মনুস্মৃতিৰ ভূমিকা অধ্যায়তেই বিশ্বসৃষ্টি যে নাৰায়ণৰ দ্বাৰা হৈছিল সেই তথ্য পৰিবেশিত হৈছে। পতঞ্জলিৰ/ মহাভাষ্য আৰু ভৰতৰ নাট্যশাস্ত্ৰতো বৈষ্ণৱ সম্প্ৰদায়ৰ আচাৰ বিচাৰ আৰু পূজাদিৰ বিষয় বহু কথা আলোচিত হৈছে। কালিদাস, ভাস, বিশাখাদত্ত প্ৰমুখ্যে আন আন গুপ্তযুগৰ কবি নাট্যকাৰেও বৈষ্ণৱকীৰ্তি সম্বন্ধে বহু পুথি ৰচনা কৰিছে। ভাসৰ 'বালচৰিত'

পুথিখনৰ মূল তথ্য বাসুদেৱ কৃষ্ণৰ বাল্যলীলা। তেওঁৰ আন কিছু পুথিও কৃষ্ণলীলা সম্বন্ধীয়। কালিদাসৰ ৰঘুবংশত ৰামক বিষ্ণুৰ অৱতাৰ হিচাপে উপস্থাপিত কৰা হৈছে।

বৈষ্ণৱ পন্থৰ বিষয়ে তথ্য প্ৰচাৰ কৰা আটাইতকৈ পুৰণি পুথি হ'ল— পাণিনিৰ অষ্টাধ্যায়ী (খৃঃপূঃ পঞ্চম শতিকা)। এই যুগতেই বাসুদেৱ বিষ্ণুৰ প্ৰতীক হিচাপে প্ৰতিষ্ঠিত হৈছে। শক আৰু কুশান সকলৰ ৰাজত্ব কালত ভাগৱত বৈষ্ণৱ সম্প্ৰদায়ৰ বহু সাধক আৰু প্ৰচাৰকৰ সৃষ্টি হয় আৰু গুপ্তযুগত এওঁলোকৰ সংখ্যা হয় সৰ্বাধিক। গুপ্তৰজাসকলে নিজে 'পৰম ভাগৱত' খিতাপ লৈ ভাৰতবৰ্ষৰ বিভিন্ন স্থানত বৈষ্ণৱ ধৰ্মমত বহুলভাৱে প্ৰচাৰ কৰে। গুপ্ত সাম্ৰাজ্য অৱসান হোৱাত কিন্তু উত্তৰ ভাৰতত বৈষ্ণৱ মতৰ প্ৰভাৱ কিছু কমিবলৈ ধৰে।

যদিও ঋগ্‌বেদৰ ঐতৰেয় ব্ৰাহ্মণত শবৰ আৰু অন্ধ্ৰ আদি দক্ষিণ ভাৰতৰ মানুহখিনিৰ উল্লেখ আছে তথাপি বৈদিক হিন্দুধৰ্মই দক্ষিণ ভাৰতত ৫০০খৃষ্টাব্দৰ আগতে খুব বেছিকৈ প্ৰভাৱ বিস্তাৰ কৰাৰ প্ৰমাণ পোৱা নাযায়। হিন্দুধৰ্মৰ আগতে বৌদ্ধ আৰু জৈন ধৰ্মই দাক্ষিণাত্যত যথেষ্ট প্ৰভাৱ পেলাইছিল। জৈনসকলে এই অঞ্চলত ইমান প্ৰভাৱ পেলোৱাৰ গুৰিতে আছিল তেওঁলোকৰ স্থানীয় প্ৰাকৃত ভাষাৰ ব্যৱহাৰৰ জনপ্ৰিয়তা। ৰাজনৈতিক আৰু আন বহু কাৰণত যেতিয়া জৈন আৰু বৌদ্ধ ধৰ্ম দুৰ্বল হৈ পৰে তেতিয়া হিন্দুসকলে সেই অৱস্থাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰে তামিল ভাষাৰ সহায়েৰে। এই ভাষাৰ জৰিয়তে বিষ্ণুৱে যে সৰ্বশ্ৰেষ্ঠ ঈশ্বৰ এই তথ্য প্ৰচাৰিত হয়।

প্ৰাচীন তামিলসকলে কৃষ্ণবৰ্ণৰ বিষ্ণুক 'মায়ম' নামে অভিহিত কৰিছিলে। সংগম সঙ্কলন- গ্ৰন্থ 'পৰিপাদলৰ' বহু কবিতা 'মায়ম' সম্বন্ধে উৎসৰ্গিত। পৰিপাদল সাহিত্য প্ৰথমে প্ৰেমৰ কবিতাৰে আৰম্ভ হৈছিল। পিচত পাৰ্থিৱ প্ৰেমে ঈশ্বৰত পৰিণতি লাভ কৰে আৰু তাত অতি আধ্যাত্মিক ভাবৰ বিষ্ণুৰ বিষয়ে নানা লীলাবিষয়ক পদা সাহিত্যৰ সৃষ্টি হ'ল। এই কবিতাবিলাকত কোৱা হৈছে যে বিষ্ণুৱে আদি দেৱতা, তেওঁ সকলো কল্পতে থাকি নানা অলৌকিক কৰ্ম কৰিছে, কিন্তু তথাপি তেওঁ চিৰনবীন হৈ কৃষ্ণবৰ্ণৰ বাসুদেৱ, শুদ্ধবৰ্ণৰ সংকৰ্ষণ, ৰক্তবৰ্ণৰ প্ৰদ্যুম্ন আৰু হৰিত্‌বৰ্ণৰ অনিৰুদ্ধৰ ৰূপ লয়। বিষ্ণুৱে সৃষ্টি, ৰক্ষা আৰু সংহাৰ কাৰ্য্যৰ একমাত্ৰ গৰাকী।

যদিও সঙ্গমযুগৰ বহু সৃষ্টি আজি লুপ্ত, তথাপি এই সাহিত্যই দাক্ষিণাত্যত ষষ্ঠৰ পৰা নৱম শতিকাৰ ভিতৰত এটা প্ৰবল বৈষ্ণৱ প্ৰবাহ সৃষ্টি কৰে। এই যুগৰ ধৰ্মীয় সাহিত্যত 'নলইৰা দিব্য প্ৰবন্ধম'ক অতি সন্মানেৰে ভক্তি সহকাৰে গণ্য কৰি ইয়াক তামিল "বৈষ্ণৱ বেদ" আখ্যা দিয়া হৈছে। এই সাহিত্য বাৰজন আলৱাৰ

সম্প্ৰদায়ৰ লোকৰ বিষ্ণুসঙ্গীতৰ ফলত সৃষ্ট বুলি জনা যায়। সেয়ে ভাৰতৰ বৈষ্ণৱসকলৰ মানত দাক্ষিণাত্যৰ আলৱাৰ সকলৰ স্থান অতি মৰ্যাদাপূৰ্ণ আৰু এই সম্প্ৰদায়ৰে সৃষ্টি আচাৰ্য্য ৰামানুজ।

আলৱাৰ সকলে সৃষ্টি কৰা প্ৰবল বৈষ্ণৱ কীৰ্তনৰ বা ভক্তি সঙ্গীতৰ সোঁতত আচাৰ্য্যসকলৰ তাত্ত্বিক অৱদানে এক মণিকাঞ্চন যোগ সৃষ্টি কৰিলে। আলৱাৰসকলে কীৰ্ত্তনৰ মাজেদি মানুহৰ অন্তৰত আলোড়ন তুলিলে আৰু আচাৰ্য্য সকলে তেওঁলোকৰ দাৰ্শনিক ব্যাখ্যাদিৰ দ্বাৰা বিৰুদ্ধপন্থীসকলৰ মত খণ্ডন কৰিলে। তাৰ কাৰণে তেওঁলোকে ল'লে পণ্ডিতৰ ভাষা সংস্কৃতৰ সহায়। ইয়াৰ ফলত সংস্কৃত ভাষাতো বহু উচ্চস্তৰীয় বৈষ্ণৱ ৰচনাৰ সৃষ্টি হ'ল।

উভয় বেদান্তৰ প্ৰথম আচাৰ্য্য নাথমুণিয়ে (খৃঃ ৮২৪-৯২৪) দেৱালয় সমূহত "দিব্য প্ৰবন্ধম" পাঠৰ ব্যৱস্থা কৰিলে। তেওঁ ন্যায়তত্ত্ব, যোগ-ৰহস্য, পুৰুষনিৰ্ণয় নামে তিনিখন অমূল্য গ্ৰন্থও ৰচনা কৰিলে। তেওঁৰে নাতি যামুনাচাৰ্য্যই (খৃঃ ৯১৮-১০৩৮) হ'ল প্ৰথম বিশিষ্টাদ্বৈতবাদী। তেওঁ তৰ্কশাস্ত্ৰৰ দ্বাৰা অদ্বৈতবাদী মত খণ্ডন কৰি আত্মসিদ্ধিত পৰিণত কৰিলে। তেওঁৰ "আত্মসিদ্ধি", "ঈশ্বৰ সিদ্ধি" আৰু "সম্বিৎসিদ্ধি" আদি পুথি পদ্য আৰু গদ্যৰ সংমিশ্ৰন আৰু ইয়েই ভৱিষ্যতত ৰামানুজৰ ভক্তিবাদী দৰ্শনৰ মূল ভেটিস্বৰূপ হয়। যামুনাচাৰ্য্যৰ মতে অদ্বৈতবাদীসকলে অবিদ্যা মেঘৰ দ্বাৰা ঢাকি ৰাখিব খোজা হৰিৰ প্ৰতি অকুণ্ঠ ভক্তি আৰু শৰণ অবিহনে আনন্দ বা মোক্ষলাভ অসম্ভৱ। তেওঁ "আগম-প্ৰমাণ্য"ৰ দ্বাৰা শঙ্কৰ আৰু ভাস্কৰৰ মতৰ তীব্ৰ বিৰোধিতা কৰি মতপ্ৰকাশ কৰে যে 'পঞ্চৰাত্ৰ তন্ত্ৰ' বা 'বৈষ্ণৱ আগম'ৰ বেদৰ সমানে কৰ্ত্তৃত্ব আছে। বত্ৰিছ শ্লোকেৰে ৰচিত তেওঁৰ 'গীতাৰ্থ-সংগ্ৰহ' গীতাৰ এটি মধুৰ ক্ষুদ্ৰ সংস্কৰণ। তেওঁ 'মহাপুৰুষ নিৰ্ণয়', 'স্তোত্ৰ ৰত্ন', 'চতুঃশ্লোকী' আদি কেবাখনো অতি উচ্চমানৰ বৈষ্ণৱ শাস্ত্ৰ ৰচনা কৰে।

## ৰামানুজাচাৰ্য্য

ৰামানুজৰ ঈশ্বৰতত্ত্ব সম্বন্ধীয় লিখনিবোৰৰ দ্বাৰা বৈষ্ণৱ দৰ্শনৰ এক নতুন দিগন্তৰ সৃষ্টি হয়। ক্ষণজন্মা এইজন মহাপুৰুষৰ প্ৰখৰ মেধা, সংস্কাৰলব্ধ মহাজ্ঞান আৰু আলৱাৰসকলৰ প্ৰতি গভীৰ আনুগত্যৰ প্ৰভাৱত তেওঁৰ লিখনিৰ দ্বাৰা সৃষ্টি হয় 'শ্ৰীভাষ্য' আৰু 'গীতাভাষ্য'। যদিও এই পুথিত দৰ্শনৰ নানা তাত্ত্বিক দিশ আলোচিত হৈছে তথাপি তেওঁ সৰল-সহজ ভাষাৰে সকলোৱে বুজিব পৰা শুদ্ধ ভক্তিৰহে পথ প্ৰদৰ্শন কৰিছে। আৰু বিশিষ্টাদ্বৈতবাদী মত যুক্তিপূৰ্ণভাৱে দাঙি ধৰিছে। তেওঁৰ ৰচিত আন শাস্ত্ৰ হ'ল 'বেদাৰ্থ সংগ্ৰহ', 'বেদান্ত-দীপ' আৰু 'বেদান্ত-

সাৰ'। যদিও পিচৰ দুখনত ব্ৰহ্মসূত্ৰৰ কিছু তত্ত্ব আলোচিত হৈছে 'বৈদাৰ্থ-সংগ্ৰহ'ত কিন্তু বিশিষ্টাদ্বৈতবাদ আৰু বেদৰ মতৰ সামঞ্জস্য দেখুৱাবৰ চেষ্টা কৰা হৈছে। তেওঁৰ 'গদ্যত্ৰয়' তিনিটা মুকুতাৰ সমাবেশ- যেনে, শৰণাগতি-গদ্য, শ্ৰীৰঙ্গ-গদ্য আৰু শ্ৰীবৈকুণ্ঠ-গদ্য।

আত্ম-নিবেদন আৰু শৰণাগতি হ'ল বৈষ্ণৱ দৰ্শনৰ মূলতত্ত্ব, শৰণাগতি-গদ্যত এই বিষয়ে পুঙ্খানুপুঙ্খৰূপে চমুকথাৰে কৰ্তৃত্বসহকাৰে ব্যাখ্যা কৰা হৈছে। কোনো এক ধৰ্মমন্দিৰৰ এক উৎসৱত নাৰায়ণৰ প্ৰতীক দৰ্শনত ৰামানুজৰ অন্তৰৰ পৰা নিগৰি ওলোৱা প্ৰেমৰসেই শৰণা গতি-গদ্য'ত সন্নিবিষ্ট হোৱা বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰে। এই পুথি মতে ঈশ্বৰে ৰামানুজৰ সম্মুখত সুপ্ৰকাশ হৈ তেওঁৰ মোক্ষৰ প্ৰতিশ্ৰুতি দিছে। 'শ্ৰীৰঙ্গগদ্য'ত আলোচিত হৈছে যে ভক্তৰ বিপদ কালত কৰুণাময় ভগৱানে ভক্তৰ ওচৰলৈ দৌৰি আহে। শ্ৰীবৈকুণ্ঠ-গদ্য'ত কোৱা হৈছে যে সনাতন, অনাদি নাৰায়ণে তেওঁৰ ভকতক অপাৰ কৰুণাৰ দ্বাৰা আনন্দ দান কৰে। ৰামানুজ ৰচিত আন এখন ধৰ্মপুথি হ'ল— "ভাগৱত আৰাধনা-ক্ৰম"।

ৰামানুজৰ মতে, মোক্ষ জীৱনৰ বিনাশ নহয়, পৰিপূৰ্ণ বিকাশ। বদ্ধাৱস্থাত জীৱৰ স্বৰূপ আৰু গুণ ভস্মচ্ছাদিত অগ্নিৰ দৰে অপ্ৰকাশিত থাকে। দেহেন্দ্ৰিয় সংযুক্ত জীৱ অল্পজ্ঞ আৰু অল্পশক্তি হয়, অচেতন দেহমনৰ ধৰ্ম চিৎস্বৰূপ আত্মাত আৰোপ কৰি অশেষ দুঃখৰ ভাগী হয়। জীৱই অজ্ঞানতাবশতঃ নিজকে স্বাধীন আৰু স্বতন্ত্ৰ বুলি ভাবে, ক্ষুদ্ৰাতিক্ষুদ্ৰ 'ময়িত্ব'ৰ গণ্ডিত আবদ্ধ হয়, 'মই ষৰ' ভাবৰ দাস হয় আৰু সকাম কৰ্মৰ ফলস্বৰূপ পুনৰায় সংসাৰত জন্মগ্ৰহণ কৰে। মোক্ষ এই ক্ষুদ্ৰ 'ময়িত্ব'ৰ বিনাশ আৰু প্ৰকৃত জীৱত্বৰ বিকাশ।

ভক্তি বা উপাসনা ব্ৰহ্মজ্ঞানমূলক কাৰণে উচ্চবৰ্ণত্ৰয় আৰু জ্ঞানী-গুণী আৰু মেধাৱী সাধকসকলৰহে উপযুক্ত, কিন্তু ব্ৰাহ্মণ-শূদ্ৰ, পণ্ডিত-মূৰ্খ নিৰ্বিশেষে সকলোৱে প্ৰপত্তিৰ অধিকাৰী। ৰামানুজৰ মতে প্ৰপত্তিৰ অৰ্থ হ'ল, ব্ৰহ্মত সম্পূৰ্ণ আত্মসমৰ্পন।

ৰামানুজৰ পিচত বৈষ্ণৱমতৰ সাধনা চাৰিটা প্ৰধান শাখাত ভাগ হোৱা দেখা যায়, যেনে, ৰামানুজৰ শ্ৰীসম্প্ৰদায়ৰ বিশিষ্টাদ্বৈতবাদ (খৃঃ১০১৭-১১৩৭); নিম্বাৰ্কৰ সনকাদি-সম্প্ৰদায় বা হংস-সম্প্ৰদায়ৰ দ্বৈতাদ্বৈতবাদ (খৃঃ ১১০০-১২০০) ; মধ্বৰ-ব্ৰহ্মাসম্প্ৰদায়ৰ দ্বৈতবাদ (খৃঃ ১১৯৭-১২৩৬) ; আৰু বাল্লভৰ ৰুদ্ৰ-সম্প্ৰদায়ৰ শুদ্ধাদ্বৈতবাদ (খৃঃ১৪৭৩-১৫৩১)।

### নিম্বাৰ্কাচাৰ্য্য

নিম্বাৰ্কো ব্ৰহ্মসূত্ৰৰ এজন প্ৰধান ভাষ্যকাৰ। তেওঁৰ এই ভাষ্যৰ নাম 'বেদান্ত

পাৰিজাত সৌৰভ'। তেওঁৰ ৰচিত আন শাস্ত্ৰবোৰ হ'ল- 'দশশ্লোকী' ('সিদ্ধান্ত-ৰত্ন' বুলিও কোৱা হয়) ; 'শ্ৰীকৃষ্ণস্তব-ৰাজ' আৰু 'গুৰু-পৰম্পৰা'। ইয়াৰ উপৰিও 'শ্ৰীকৃষ্ণ-স্তব', 'বৈদান্ত তত্ত্ব-বোধ'; 'বৈদান্ত সিদ্ধান্ত-প্ৰদীপ' আদিও তেওঁ ৰচনা কৰা বুলি জনা যায়, যদিও এইবোৰ পুথি এতিয়ালৈ হাতে লিখা-অৱস্থাতে আছে।

### অচিৎ

ৰামানুজৰ দৰে নিম্বাৰ্কৰ মতেও অচিৎ তিনিপ্ৰকাৰ– প্ৰাকৃত, অপ্ৰাকৃত আৰু কাল। 'প্ৰাকৃতৰ অৰ্থ দৃশ্যমান বিশ্বচৰাচৰ। ই প্ৰকৃতিৰ পৰা জন্মা-হেতুকে 'প্ৰাকৃত'। প্ৰকৃতি ব্ৰহ্মাৰ অচিৎ শক্তি। প্ৰকৃতিৰ পৰাই সংসাৰৰ সৃষ্টি হয়। 'অপ্ৰাকৃত' ৰামানুজৰ শুদ্ধতত্ত্বৰ অনুৰূপ। ই ব্ৰহ্ম আৰু মুক্তাত্মাসবৰ দিব্যদেহ আৰু ব্ৰহ্মালোকস্থ দ্ৰব্যৰ উপাদান কাৰণ। 'কাল' অংশবিহীন নিত্য আৰু সত্য।

### চিৎ

ৰামানুজৰ দৰে নিম্বাৰ্কৰ মতেও, জীৱ জ্ঞানস্বৰূপ আৰু জ্ঞাতা, কৰ্তা, ভোক্তা, নিত্য, অনুপৰিমাণ, অসংখ্য আৰু অনন্ত, আৰু প্ৰকাৰভেদে বদ্ধ আৰু মুক্ত। বদ্ধজীৱৰ জাগ্ৰত, স্বপ্ন, প্ৰভৃতি অৱস্থা পঞ্চক।

ৰামানুজৰ "বিশিষ্টাদ্বৈতবাদ"ৰ লগত নিম্বাৰ্কৰ "দ্বৈতাদ্বৈতবাদ"ৰ প্ৰভেদ এই যে ৰামানুজৰ মতে ভেদ আৰু অভেদ উভয়ে সত্য হ'লেও সমভাবে সত্য নহয়, অভেদেই ভেদ-অপেক্ষাত অধিক সত্য। জীৱজগত ধৰ্মতঃ ব্ৰহ্মাৰ পৰা ভিন্ন হ'লেও স্বৰূপতঃ অভিন্ন। কিন্তু নিম্বাৰ্কৰ মতে ভেদ আৰু অভেদ সমভাবে সত্য। জীৱজগত ধৰ্মতঃ আৰু স্বৰূপতো ব্ৰহ্মৰ পৰা ভিন্নাভিন্ন।

আন এক প্ৰভেদ এই যে ৰামানুজে জীৱজগতক ব্ৰহ্মাৰ বিশেষণ আৰু ব্ৰহ্মাক বিশেষ্য বুলি কয়, কিন্তু নিম্বাৰ্কৰ সম্প্ৰদায়ৰ বৈদান্তিকসকলে সেই মত স্বীকাৰ নকৰে। তেওঁলোকৰ মতে বিশেষণে বিশেষ্যৰপৰা আন বস্তুৰ লগত পাৰ্থক্য নিৰ্দ্দেশ কৰে, যেনে নীলোৎপলৰ নীলত্বই নীলোৎপলক শ্বেতোৎপলক আদিৰ পৰা পৃথক কৰে। চিৎ আৰু অচিৎ ব্ৰহ্মাৰ বিশেষণ হ'লে, সি আন বস্তুৰ লগত ব্ৰহ্মৰ প্ৰভেদ জ্ঞান সূচাব, কিন্তু ব্ৰহ্মাৰ অতিৰিক্ত আন কোনো বস্তু নাই। নিম্বাৰ্কই ৰামানুজনৰ দৰে ব্ৰহ্মক আত্মা বা শৰীৰী আৰু জীৱজগতক দেহ বা শৰীৰ বুলিও বৰ্ণনা কৰা নাই। তেওঁৰ মতে জীৱজগত ব্ৰহ্মাৰ কাৰ্য্য আৰু শক্তি স্বৰূপ।

সামান্য প্ৰভেদ পৰিলক্ষিত হ'লেও নিম্বাৰ্কৰ মতবাদ প্ৰায় ৰামানুজৰ অনুৰূপ। ৰামানুজৰ দৰে নিম্বাৰ্কও ত্ৰিতত্ত্ববাদী। ব্ৰহ্ম, চিৎ আৰু অচিৎ এই তত্ত্বত্ৰয়। নিম্বাৰ্কৰ মতেও ব্ৰহ্ম স্বজাতীয় আৰু বিজাতীয় ভেদ-ৰহিত হ'লেও স্বগত-ভেদবান অৰ্থাৎ

জীৱজগত তেওঁৰ স্বগতভেদ। সেয়ে ব্ৰহ্ম নিৰ্বিশেষ নহয়, সবিশেষ। ব্ৰহ্ম নিৰ্গুণ নহয়, সগুণ। তেওঁ সকলো গুণ সৌন্দৰ্য্য আনন্দ আৰু কৰুণাদিৰ আকৰ। ব্ৰহ্ম নিষ্ক্ৰিয় নহয়, জগতৰ স্ৰষ্টা. পালক আৰু ধ্বংসকৰ্তা। তেওঁ জগতৰ নিমিত্ত আৰু উপাদান কাৰণ, আৰু জীৱজগৎ তেওঁৰ পৰিণাম।

ব্ৰহ্মাক ৰামানুজে বিষ্ণু আৰু নিম্বাৰ্কই কৃষ্ণ নামে অভিহিত কৰিছে। ৰামানুজৰ মতে 'ভক্তি' শব্দৰ অৰ্থ ধ্যান বা উপাসনা, কিন্তু নিম্বাৰ্কৰ মতে ভক্তি আৰু ধ্যান অঙ্গাঙ্গিভাবে বিজড়িত হ'লেও ভিন্নাৰ্থক। ভক্তি উপাসনা নহয়, প্ৰগাঢ় ভগৱৎ প্ৰীতিহে। সেয়ে ৰামানুজৰ ভক্তি ঐশ্বৰ্য্যপ্ৰধান (প্ৰেমপ্ৰধান) বুলি কোৱা হয়। ৰামানুজৰ মতবাদ আপেক্ষিকভাবে অধিক দৰ্শনমূলক আৰু বিচাৰবহুল, নিম্বাৰ্কৰ মতবাদতো দাৰ্শনিক তত্ত্বালোচনাৰ অভাৱ নাই।

## মধ্বাচাৰ্য্য

বৈষ্ণৱ আচাৰ্য্যসকলৰ ভিতৰত মধ্বাচাৰ্য্যও অতি প্ৰখ্যাত। তেওঁৰ আন নাম আছিল— পূৰ্ণপ্ৰজ্ঞ অথবা আনন্দতীৰ্থ। তেওঁ সংস্কৃত ভাষাত এক বিশাল বৈষ্ণৱ সাহিত্যৰ ভাণ্ডাৰ সৃষ্টি কৰি গৈছে (মুঠ ৩৭খন শাস্ত্ৰ)। তেওঁৰ বহুকেইখন উপনিষদৰ ভাষাৰ উপৰিও. 'গীতাভাষ্য', আৰু 'গীতা-তৎপৰয়া নিৰ্ণয়', 'ব্ৰহ্মসূত্ৰ ভাষ্য', 'মহাভাৰত- তৎপৰয়া-নিৰ্ণয়', 'ভাগৱত- তৎপৰয়া নিৰ্ণয়' আদি গ্ৰন্থ অতি উচ্চমান বিশিষ্ট। তেওঁ ঋগ্‌বেদৰ প্ৰথম ৪০টা মন্ত্ৰৰ ওপৰতো ভাষ্য ৰচনা কৰে। মধ্বৰ লিখনিৰ ধাৰাই এটা নতুন যুগৰ সূচনা কৰে আৰু ঋষি অৰবিন্দ আদি পণ্ডিতসকলক তেওঁৰ শাস্ত্ৰবোৰে বৰকৈ আকৰ্ষিত কৰে। তেওঁৰ বিষ্ণুতত্ত্ব নিৰ্ণয় পুথিখনত বিষ্ণু যে হিন্দুধৰ্মৰ আন সকলো দেৱতাতকৈ উচ্চস্থানৰ সেই বিষয়ে তাত্ত্বিক আলোচনা কৰা হৈছে। মধ্বৰ মতে সকলো কেইখন বেদতে বিষ্ণুক বিশুদ্ধ, সৰ্বদোষশূন্য আৰু সম্পূৰ্ণ বুলি বৰ্ণনা কৰা হৈছে। কোনো বেদতে এনে বাক্য কোৱা হোৱা নাই যাৰ দ্বাৰা প্ৰমাণ কৰিব পাৰি যে বিষ্ণু সৃষ্টিৰ পূৰ্বৰ নাছিল, কিন্তু আন দেৱতা বা ঈশ্বৰৰ বিষয়ে বেদত স্পষ্ট উল্লেখ আছে যে তেওঁলোক দোষত্ৰুটীপূৰ্ণ আৰু সৃষ্টিৰ আদিতে তেওঁলোকৰ কোনো মৰ্য্যাদাই নাছিল।

মধ্বই বিষ্ণুৰ মাহাত্ম্য আৰু উপাসনা পদ্ধতি সম্বন্ধে চাৰিখন পুথিত ২৪২টা গীত সংস্কৃত ভাষাত ৰচনা কৰিছিল। পুথিকেইখন হ'ল— 'দ্বাদশ-স্তোত্ৰ', 'যমক-ভাৰত', 'নৰসিংহ-নখ-স্তোত্ৰ', 'কৃষ্ণামৃত-মহাৰ্ণৱ'।

মধ্বমতবাদৰ প্ৰধান সিদ্ধান্ত নটা, যেনে, (১)বিষ্ণু বা হৰি সৰ্বোত্তম আৰু সৰ্বশ্ৰেষ্ঠ সত্তা, (২)বিষ্ণু সকলো শাস্ত্ৰৰ একমাত্ৰ প্ৰতিপাদ্য আৰু কেৱল শাস্ত্ৰৰ

পৰাহে বিষ্ণু সম্বন্ধে জ্ঞান লাভ কৰিব পাৰি, (৩)জগত সত্য, (৪)জীৱ আৰু জগত বিষ্ণুৰ পৰা ভিন্ন, (৫)জীৱসকল বিষ্ণুৰ নিত্যসেৱক, (৬)জীৱসকল বদ্ধ আৰু মুক্তভেদে পৰস্পৰে ভিন্ন, (৭)বিষ্ণুৰ পাদপদ্য লাভ আৰু জীৱৰ স্বৰূপাভিব্যক্তিয়েই মুক্তি, (৮)শুদ্ধাভক্তি মুক্তিৰ সাধন, (৯)প্ৰত্যক্ষ, অনুমান আৰু শব্দ— এই তিনিটা প্ৰমাণ। বিষ্ণুৰ ক্ৰিয়া অষ্টবিধ— সৃষ্টি, স্থিতি, প্ৰলয়, শাসন, জ্ঞানদান, স্বৰূপ প্ৰকাশ, বন্ধ আৰু মুক্তি, তেওঁৰেই জগতৰ একমাত্ৰ স্ৰষ্টা, পালক আৰু ধ্বংসকৰ্ত্তা। কিন্তু তেওঁ জগতৰ নিমিত্ত কাৰণহে, উপাদান কাৰণ নহয়, এইখিনিত মধ্বৰ ৰামানুজ আৰু নিম্বাৰ্কৰ মাজত প্ৰভেদ দেখা যায়, কিয়নো তেওঁলোকৰ মতে ব্ৰহ্ম জগতৰ অভিন্ন নিমিত্ত আৰু উপাদান কাৰণ।

মধ্বৰ লগত আন আন বৈদান্তিকসকলৰ প্ৰভেদ এনে ধৰণৰ ঃ

শঙ্কৰৰ মতে ব্ৰহ্ম নিৰ্গুণ আৰু নিৰ্বিশেষ আৰু সেয়ে স্বগতভেদশূন্য, ৰামানুজ আৰু নিম্বাৰ্কৰ মতে ব্ৰহ্ম সগুণ আৰু সবিশেষ কাৰণে স্বগত-ভেদবান, কিয়নো তেওঁৰ অসংখ্য গুণ আৰু শক্তি প্ৰভৃতি তেওঁৰ স্বগতভেদ, কিন্তু মধ্বৰ মতে ব্ৰহ্ম সগুণ হৈও স্বগতভেদশূন্য, কিয়নো তেওঁৰ স্বৰূপ আৰু গুণ আৰু স্বৰূপ আৰু দেহৰ বিন্দুমাত্ৰ প্ৰভেদ নাই আৰু সেয়ে তেওঁৰ গুণ আৰু দেহ প্ৰভৃতি তেওঁৰ স্বগতভেদ নহয়।

মধ্বৰ আন এক বিশিষ্ট মত এই যে— লক্ষ্মী বিষ্ণুৰ নিত্য সহচৰী। লক্ষ্মী বিষ্ণুৰ পৰা ভিন্ হৈও বিষ্ণুৰ আশ্ৰিতা, লক্ষ্মী নিত্যমুক্তা, পাৰ্থিব- দেহহীনা হৈও বিষ্ণুৰ দৰে অনন্ত মূৰ্তি বিশিষ্টা। লক্ষ্মী বিষ্ণুৰ ক্ৰিয়াশক্তিৰ প্ৰতীক। লক্ষ্মীৰ সহায়তে তেওঁ প্ৰকৃতিৰ পৰা জগৎ সৃষ্টি কৰে। শ্ৰী, ভূ আৰু দুৰ্গাৰূপে লক্ষ্মী সত্ত্ব, ৰজঃ আৰু তমঃ এই তিনি গুণৰ প্ৰকাশিকা আৰু যথাক্ৰমে বিশেষভাবে দেৱতা মনুষ্য আৰু আৰু দৈত্যসকলৰ বন্ধ কাৰণ। কিন্তু ৰামানুজ আৰু নিম্বাৰ্ক সম্প্ৰদায়ে যথাক্ৰমে লক্ষ্মী আৰু ৰাধাক বিষ্ণু আৰু কৃষ্ণৰ নিত্যসহচৰী হিচাবে গ্ৰহণ কৰিলেও সৃষ্টিপ্ৰণালী প্ৰভৃতি দাৰ্শনিক তত্ত্ব আলোচনাত এওঁলোকক কোনো স্থান দিয়া নাই। তেওঁলোকৰ স্থান ধৰ্মতত্ত্বহে, দৰ্শনত নহয়।

ভাৰতীয় দৰ্শনৰ কোনো সম্প্ৰদায়ে স্বীকাৰ নকৰা মধ্বৰ এক নতুন তত্ত্ব হ'ল- অনন্ত নৰকবাদ। অন্যান্য মতবাদ মতে পাপৰ ফলত জীৱ নৰকগামী হ'লেও, কৰ্মফলৰ ক্ষয় হ'লে পুনৰায় পৃথিৱীলৈ প্ৰত্যাবৰ্তন সম্ভৱ। কিন্তু মধ্বৰ মতে পাপৰ ফল অনন্ত নৰকবাস।

ৰামানুজ আৰু নিম্বাৰ্কৰ মতে জীৱৰ নিজ প্ৰচেষ্টাত ব্ৰহ্মক দৰ্শন কৰি তেওঁত আত্মসমৰ্পন কৰাৰ সামৰ্থ্য আছে, কিন্তু মধ্বৰ মতে জীৱৰ ব্ৰহ্মসাক্ষাৎ সম্ভৱপৰ নহয়, জীৱই বায়ুৰ মধ্যস্থতাতহে ব্ৰহ্মৰ সংস্পৰ্শলৈ আহিব পাৰে, কিয়নো বায়ু

বিষ্ণুৰ পুত্ৰ আৰু প্ৰিয়তম বিগ্ৰহ। প্ৰথমে বায়ুত শৰণাপন্ন নহ'লে জীৱৰ মুক্তিৰ দ্বিতীয় পথ নাই। ঈশ্বৰ পুত্ৰৰ মধ্যস্থতাবাদ আৰু জীৱৰ অনন্তনৰকবাদ খৃষ্টধৰ্মী সকলেও বিশ্বাস কৰে; সেয়ে বহু পণ্ডিতে অনুমান কৰে যে মধ্বৰ ওপৰত কিছু খৃষ্টীয় প্ৰভাৱ পৰিব পাৰে।

ৰামানুজ আৰু নিম্বাৰ্কৰ দৰে মধ্বৰ মতেও কৰ্ম, জ্ঞান, ভক্তি, ধ্যান আৰু ভগৱৎকৃপা মুক্তিৰ উপায়। মধ্বৰ মতে কিন্তু 'জ্ঞান' ব্ৰহ্ম আৰু জীৱজগতৰ ভেদজ্ঞান। ব্ৰহ্ম আৰু জীৱৰ অভেদজ্ঞান মুক্তিৰ উপায়তো নহয়েই, বৰঞ্চ ই জীৱৰ অনন্ত নৰকবাসৰ কাৰণ। কোনো প্ৰাৰ্থী যদি নৃপতিৰ ওচৰত ৰাজ্যকেই প্ৰাৰ্থনা কৰে, বৰঞ্চ ৰাজকোপত মৃত্যুদণ্ডও হ'ব পাৰে। বিনীতভাৱে সেৱা কৰিলেহে ৰজাৰ অনুগ্ৰহ লাভ সম্ভৱপৰ।

মধ্বৰ মতে ভক্তি ধ্যানৰ জনক। ঈশ্বৰভক্ত সাধকে নিৰাধাৰ ধ্যানত নিমগ্ন থাকে। ধ্যানেই মুক্তিৰ উপায়। অন্যান্য বৈষ্ণৱ বৈদান্তিকসকলৰ দৰে মধ্বইও ঈশ্বৰৰ কৰুণা অবিহনে জীৱৰ মুক্তিলাভৰ সামৰ্থ নাই বুলি কয়। ঈশ্বৰৰ কৃপা লাভৰ কাৰণে তেওঁক সেৱা কৰিব লাগে। এই সেৱা ত্ৰিবিধ— অঙ্কন, নামকৰণ আৰু ভজন। অঙ্গত বিষ্ণুৰ শঙ্খ, চক্ৰ, গদা, পদ্ম ধাৰণ বা লিখন— অঙ্কন। সন্তানাদিৰ কেশৱ নাৰায়ণ- আদি বিষ্ণুৰ নামত নামাকৰণ— নামকৰণ। ভজন দহবিধ— সত্যকথন, হিতবাক্যকথন, প্ৰিয়বাক্যকথন আৰু শাস্ত্ৰপাঠ— এই চাৰিবিধ বাচিক ভজন। সৎপাত্ৰক দান, বিপন্নৰ পৰিত্ৰাণ আৰু শৰণাগতৰ ৰক্ষণ— এই তিনিপ্ৰকাৰ কায়িক ভজন, সৰ্বজীৱে দয়া, ভগৱৎ সেৱাৰ ঐকান্তিক স্পৃহা, গুৰু আৰু শাস্ত্ৰবাক্যত শ্ৰদ্ধা— এই তিনি প্ৰকাৰ মানসিক ভজন।

মধ্বই যজ্ঞত পশু বলি সম্পূৰ্ণৰূপে নিষেধ কৰিছিল।

মধ্বৰ মতক দ্বৈতবাদ বোলা হয়।

## বল্লভাচাৰ্য্য

বল্লভাচাৰ্য্য আছিল দক্ষিণ ভাৰতৰ তৈলঙ্গ বংশৰ ব্ৰাহ্মণ। তেওঁ যিখন ঘৰত উপজিছিল তাত বৈদিক শিক্ষাৰ যথেষ্ট প্ৰসাৰ আছিল আৰু তেওঁলোক গোপালকৃষ্ণৰ পূজাৰী আছিল। তেওঁৰ জীৱনকাল ১৪৭৩ খৃঃ ৰপৰা ১৫৩১ খৃঃ লৈ। তেওঁ কেবাবাৰো গোটেই ভাৰতবৰ্ষ ভ্ৰমণ কৰিছিল আৰু বিজয়নগৰৰ ৰাজদৰবাৰৰ পৰা আচাৰ্য্য উপাধিৰে বিভূষিত হৈছিল। তেওঁৰ পুথিৰচনা আৰু ধৰ্মসম্বন্ধীয় কৰ্মৰাজিৰ মুখ্য স্থান আছিল বাৰাণসী আৰু আদেল (এলাহাবাদৰ পৰা দুমাইল দূৰত)। তেওঁ নিজে ব্যক্ত কৰিছিল যে তেওঁ শ্ৰীকৃষ্ণৰ আদেশত উপনিষদ, গীতা আৰু ব্ৰহ্মসূত্ৰৰ শঙ্কৰাচাৰ্য্যই দিয়া ভুল ব্যাখ্যাৰ বিপৰীতে শুদ্ধ ভাষ্য প্ৰচাৰ

কৰিবলৈ জন্মগ্ৰহণ কৰিছে। তেওঁৰ মত সম্পূৰ্ণ অদ্বৈতবাদী, কিন্তু তাত শঙ্কৰৰ মায়াক স্বীকাৰ কৰা নহয়। তেওঁৰ মতক "শুদ্ধাদ্বৈতাবাদ" বুলি জনা যায় আৰু সম্প্ৰদায়টো "ৰুদ্ৰসম্প্ৰদায়" নামে খ্যাত।

তেওঁ কেইখনমান শাস্ত্ৰৰ ভাষ্য ৰচনা কৰিছিল আৰু কেইখনমান শাস্ত্ৰ নিজববীয়াকৈ সৃষ্টি কৰিছিল। তেওঁ ব্ৰহ্মসূত্ৰ, জৈমিনিসূত্ৰ আৰু ভাগৱত পুৰাণৰ ভাষ্য লিখিছিল। বল্লভাচাৰ্য্যৰ ব্ৰহ্মসূত্ৰৰ ওপৰত লিখা বিস্তৃত ভাষ্যক "বৃহদ্ভাষ্য" বুলি জনা যায় আৰু তাৰেই এটা সাৰাংশও আছে, যিখন "অনুভাষ্য" বুলি পৰিচিত। ভাগৱতৰ ভাষ্যখনৰ নাম "সুবোধিনী"। তত্ত্বাৰ্থপদ নামে আৰু এখন শাস্ত্ৰত "প্ৰকাশ" নামে তেওঁৰ টীকা পোৱা যায় যি তিনিটাভাগত বিভক্ত, যেনে শাস্ত্ৰাৰ্থ, সৰ্বনিৰ্ণয় আৰু ভাগৱতাৰ্থ। শাস্ত্ৰাৰ্থত গীতাৰ ওপৰত, সৰ্বনিৰ্ণয়ত বিভিন্ন দাৰ্শনিক তত্ত্বৰ বিষয়ে আৰু ভাগৱতাৰ্থত ভাগৱত সম্বন্ধে আলোচনা কৰা হৈছে। তেওঁ যোলখন চমুগ্ৰন্থ ৰচনা কৰিছিল যিকিখনক "পত্ৰাবলম্বন" বোলা হয় আৰু তাৰপৰা তেওঁৰ প্ৰচাৰিত মতবাদৰ বিস্তৃত আভাস পাব পাৰি। তেওঁৰ শিষ্যসকলে বৰ্তমান সময়লৈকে শাস্ত্ৰৰচনা কামত লাগি আছে আৰু সংস্কৃত, হিন্দী, ব্ৰজ আৰু গুজৰাটী ভাষাত বিপুল সাহিত্যৰাজি সৃষ্টি কৰিছে। দুখৰ বিষয় এয়ে যে বল্লভাচাৰ্যই ৰচনা কৰা গ্ৰন্থসমূহৰ এখনবো সম্পূৰ্ণ কলেবৰ এতিয়ালৈ উদ্ধাৰ হোৱা নাই।

বল্লভে চাৰিখন শাস্ত্ৰৰহে কৰ্তৃত্ব স্বীকাৰ কৰে আৰু শাস্ত্ৰকিখন হ'ল— বেদ, ভগবদ্গীতা, ব্ৰহ্মসূত্ৰ আৰু ভাগৱত পুৰাণ। তেওঁৰ মতে ব্ৰহ্ম "একমেবাদ্বিতীয়ম", জীৱ আৰু জগৎ ব্ৰহ্মৰ দৰে সত্য আৰু ব্ৰহ্মৰ পৰা অভিন্ন। ব্ৰহ্ম সবিশেষ নহয় নিৰ্বিশেষ, সজাতীয় বিজাতীয় আৰু স্বগত ভেদ-ৰহিত। সৰ্বব্যাপী। ব্ৰহ্মৰ সজাতীয় আৰু বিজাতীয় ভেদ সম্ভৱপৰ নহয়, এই তত্ত্ব বেদান্তৰ সকলো সম্প্ৰদায়ে স্বীকাৰ কৰে, কিন্তু বল্লভৰ মতে ব্ৰহ্মৰ স্বগত ভেদও নাই, কাৰণ জীৱ আৰু জগৎ তেওঁৰ অন্তৰ্ভূক্ত অংশ হ'লেও তেওঁৰ পৰা ভিন্ন নহয়। যিদৰে অগ্নিস্ফুলিঙ্গ অগ্নিৰ অংশ হ'লেও অগ্নিৰ পৰা বেলেগ নহয়। ব্ৰহ্ম নিৰ্গুণ, অৰ্থাৎ জড়ত্ব প্ৰভৃতি প্ৰাকৃত গুণ-ৰহিত, কিন্তু অসংখ্য কল্যাণ গুণবিশিষ্ট কাৰণে সগুণ। তেওঁ সচ্চিদানন্দ স্বৰূপ আৰু শুদ্ধ, অৰ্থাৎ মায়াসংস্পৰ্শ-লেশহীন। জ্ঞান স্বৰূপ ব্ৰহ্ম অবিদ্যা বা অজ্ঞানৰ আধাৰ হ'ব নোৱাৰে। ব্ৰহ্ম সৰ্বশক্তিমান আৰু অনন্ত ঐশ্বৰ্য্যশালী, সেয়ে তেওঁত বিৰুদ্ধধৰ্মৰ সমাবেশ অসম্ভৱ। ব্ৰহ্ম জগতৰ স্ৰষ্টা পালক আৰু ধ্বংসকৰ্তা। তেওঁ জগতৰ নিমিত্ত আৰু উপাদান কাৰণ। তেওঁ শুদ্ধ জ্ঞান নহয়, জ্ঞাতাও। ব্ৰহ্মৰ ৰূপ তিনিটা : (১) আধিদৈবিক ৰূপ। এই ৰূপত গোলোকাধিপতি ভগবান শ্ৰীকৃষ্ণ। তেওঁ অপ্ৰাকৃত-দেহ-বিশিষ্ট আৰু অনন্ত কল্যাণ গুণৰ আধাৰ। ভক্তসকলৰ লগত নানা দিব্যক্ৰীড়াত ৰত থাকে, সেয়ে তেওঁ

পৰমানন্দ। ই তেওঁৰ পুৰুষোত্তমৰূপ। (২) অক্ষৰ ৰূপ। এই ৰূপত তেওঁ সচ্চিদানন্দস্বৰূপ, অনন্ত, বিভু আৰু নিৰ্গুণ, কাৰণ তেওঁৰ অচিন্ত্যশক্তিৰ দ্বাৰা তেওঁ নিজ গুণাৱলী আবৃত কৰি ৰাখে। জ্ঞানীসকলে তেওঁক ব্ৰহ্মাস্বৰূপে দৰ্শন কৰে। (৩) অন্তৰ্য্যামী ৰূপ। ই অক্ষৰৰূপৰ দ্বিতীয় বিকাশ। এই ৰূপত তেওঁ জগৎ স্ৰষ্টা, জগাদ্লীন আৰু অৱতাৰ।

## চিৎ

জীৱ ব্ৰহ্মাৰ দৰে জ্ঞানস্বৰূপ আৰু শুদ্ধ, জ্ঞাতা, কৰ্তা আৰু ভোক্তা। জীৱ অণুপ্ৰমাণ আৰু হৃদয়স্থিত। হৃদয়ত স্থিত হ'লেও জীৱই নিজ চৈতন্য গুণৰ দ্বাৰা সৰ্বশৰীৰ ব্যাপী থাকে। জীৱ ব্ৰহ্মাৰ পৰিণাম বা কাৰ্য্য, অংশ আৰু ব্ৰহ্মাৰ পৰা অভিন্ন। জীৱ তিনিপ্ৰকাৰ- শুদ্ধ, সংসাৰী আৰু মুক্ত। শুদ্ধ জীৱ অবিদ্যাৰহিত আৰু ঐশ্বৰ্য্যবান। সংসাৰী জীৱ অনাদি-অবিদ্যা-ক্লিষ্ট, স্থূল আৰু সূক্ষ্ম দেহবিশিষ্ট আৰু জন্ম-মৰণশীল। মুক্ত জীৱ সংসাৰচক্ৰৰ পৰা মুক্ত আৰু পুনৰ্জন্মৰহিত। জীৱ ব্ৰহ্মাৰ দৰে সৎ আৰু চিৎ হ'লেও আনন্দ নহয়, ব্ৰহ্মাৰ আনন্দ গুণ তিৰোহিত হ'লে ব্ৰহ্মাই জীৱ ৰূপ লয়।

## অচিৎ

অচিৎ দুবিধ— প্ৰকৃতি আৰু কাল। প্ৰকৃতিৰ পৰাই জগতৰ উৎপত্তি হয়। জগতো জীৱৰ নিচিনা নিত্য, সত্য, ব্ৰহ্মাৰ পৰিণাম আৰু ব্ৰহ্মাৰ পৰা অভিন্ন। জগত ব্ৰহ্মাৰ দৰে সৎ হ'লেও চিৎ আৰু আনন্দ নহয়। ব্ৰহ্মাৰ চিৎ আৰু আনন্দগুণ তিৰোহিত হ'লে জগত ৰূপে উপলব্ধি হয়।

সৃষ্টিৰ পূৰ্বত ব্ৰহ্মাই অকলে বিৰাজ কৰিছিল, কিন্তু অকলশৰীয়া বাবে তেওঁৰ আনন্দৰ অভাৱ আছিল। ক্ৰীড়া আনন্দৰ হেতু, কিন্তু অকলশৰে ক্ৰীড়া অসম্ভৱ। সেয়ে ক্ৰীড়াৰ কাৰণেই তেওঁ জীৱ-জগৎ সৃষ্টি কৰিলে। একাকীত্বৰ পৰা বহু হোৱাৰ প্ৰয়াসতে তেওঁ জীৱ-জগৎ সৃষ্টি কৰিলে। সেইকাৰণে জীৱ-জগৎ ব্ৰহ্মাৰ অংশ আৰু ব্ৰহ্মা অংশী। সৃষ্টি আৰু প্ৰলয় ব্ৰহ্মাৰ গুণাৱলীৰ আবিৰ্ভাৱ আৰু তিৰোভাৱ মাত্ৰ। জীৱ আৰু জগৎ ব্ৰহ্মাৰ কাৰ্য্য আৰু পৰিণাম হ'লেও ব্ৰহ্মা নিৰ্বিকাৰ থাকে বা অবিকৃত স্বৰূপে থাকে। অনন্ত-অচিন্ত্য-শক্তিবিশিষ্ট ব্ৰহ্মাই নিজ শক্তিৰ বলতেই জীৱ-জগতৰূপে আবিৰ্ভূত হয়, মায়া বা অবিদ্যাৰূপী অনিৰ্বচনীয় শক্তিৰ দ্বাৰা নহয়। মায়া অবিদ্যাৰূপ, সেয়ে ই ব্ৰহ্মাশ্ৰয়ী শক্তি হ'ব নোৱাৰে, মায়া ব্ৰহ্মাতিৰিক্ত দ্বিতীয় তত্ত্বহে। সেইকাৰণে মায়াবাদীসকল প্ৰকৃতপক্ষে দ্বৈতবাদী।

## সাধনাৱলী

বল্লভৰ মতে মোক্ষৰ উপায় দুটা— জ্ঞান আৰু ভক্তি। তাৰ ভিতৰত ভক্তি শ্ৰেষ্ঠ, কিয়নো জ্ঞানীয়ে কেৱল নিৰ্গুণ-ব্ৰহ্মাৰ অক্ষৰ ৰূপহে দৰ্শন কৰে; কিন্তু ভক্তই কৃষ্ণৰ পৰমানন্দৰূপ সাক্ষাৎ কৰিব পাৰে। ভক্তি দুবিধ, মৰ্য্যাদাভক্তি আৰু পুষ্টিভক্তি। মৰ্য্যাদাভক্তিৰ সাধকসকলে নিজ প্ৰচেষ্টাত শাস্ত্ৰোপদিষ্ট সাধন ভজনৰ দ্বাৰা মোক্ষ লাভ কৰে, কিন্তু পুষ্টি-ভক্তিমানসকলে আন সাধনতকৈ ভগৱত প্ৰীতিকহে লক্ষ্য কৰে। পুষ্টিভক্তি শ্ৰেয় ঃ ভক্তি আৰু ই ভগৱদনুগ্ৰহৰ ফল। পুষ্টিভক্তি চাৰিপ্ৰকাৰ—

(১) প্ৰবাহ পুষ্টিভক্তি— যিবিলাক লোক সংসাৰ প্ৰবাহত অৱৰুদ্ধ আৰু ভোগলিপ্সু হৈয়ো ঈশ্বৰলাভৰ কাৰণে নানা কৰ্মত ৰত থাকে। (২) মৰ্য্যাদাপুষ্টি ভক্তি— যিবিলাক পাৰ্থিব সুখতকৈ ব্ৰহ্মসম্বন্ধে পাঠ-পঠন, নাম-কীৰ্ত্তন আদিত সময় অতিবাহিত কৰে। (৩)পুষ্টিপুষ্টিভক্তি— এইবোৰ ভক্তই ভগৱদনুগ্ৰহ লাভ কৰি জ্ঞানলাভৰ অধিকাৰী হয় আৰু ভগৱৎ সেবাত নিযুক্ত থাকে। (৪)শুদ্ধপুষ্টিভক্তি- এয়েই ভক্তিৰ উচ্চতম অৱস্থা। এই ভক্তি ভগৱদনুগ্ৰহৰ ফল, ভক্তৰ নিজৰ চেষ্টাৰ প্ৰয়োজন নাই। শুদ্ধপুষ্টিভক্তিৰ আন নাম প্ৰেমভক্তি, শুদ্ধপুষ্টিভক্তি সৰ্বাত্মভাবান্বিত। সমগ্ৰ বিশ্বক কৃষ্ণময়— দৰ্শনৰ নামেই 'সৰ্বাত্মভাব'। এই ভক্তিত কৃষ্ণত সম্পূৰ্ণ আত্মনিবেদন আৰু সেৱা একমাত্ৰ কৰ্তব্য। সেৱা দুবিধ— ফলৰূপা আৰু সাধনৰূপা। ফলৰূপা সেৱাই স্মৰণ আদি বুজায় অৰ্থাৎ মানসিক বন্দনা আৰু সাধনৰূপা সেৱাই শাৰীৰিক সেবাক ইঙ্গিত কৰে। মৰ্য্যাদাভক্তই সাযুজ্য মুক্তি লাভ কৰে, অৰ্থাৎ হৰিৰ লগত অভিন্নত্ব অৱস্থা প্ৰাপ্ত হয়। কিন্তু পুষ্টিভক্তসকলে সালোক্য মুক্তি লাভ কৰে, অৰ্থাৎ তেওঁলোকে হৰিৰ সঙ্গত বাস কৰি তেওঁৰ লগত নিৰবচ্ছিন্ন আনন্দ লাভ কৰে। এয়েই শ্ৰেষ্ঠ মুক্তি।

বল্লভাচাৰ্য্যৰ মতে দেহ ঈশ্বৰৰ মন্দিৰ। সেয়ে দেহক কষ্ট দি তপস্যা উপবাসাদি ব্ৰত পালন কৰাটো অনুচিত। বিষয়সুখ ভোগ কৰিয়ে কৃষ্ণৰ সেৱা কৰা উচিত।

## বেদান্ত ৰহস্য

আমি ক্ৰমান্বয়ে ৰামানুজৰ বিশিষ্টাদ্বৈতবাদ, নিম্বাৰ্কৰ দ্বৈতাদ্বৈতবাদ, মধ্বৰ দ্বৈতবাদ আৰু বল্লভৰ শুদ্ধাদ্বৈতবাদ সম্বন্ধে মোটামোটিকৈ আলোচনা কৰিলো। শঙ্কৰাচাৰ্য্য ভক্তিমাৰ্গী বৈষ্ণৱ আচাৰ্য্য নহয়। তেওঁ জ্ঞানমাৰ্গীহে আৰু গীতা বিষয়ে তেওঁৰ ভাষ্যতো তেওঁ জ্ঞানমাৰ্গৰ ওপৰতে প্ৰাধান্য দিছে। গতিকে এই চাৰিজন

বৈষ্ণৱ বৈদান্তিকৰ মতখিনিৰ মাজত সামঞ্জস্য আৰু পাৰ্থক্য কেনেদৰে পৰিলক্ষিত হয় সেই বিষয়ে অলপ আলোচনা কৰিব খুজিছোঁ আৰু লগতে শঙ্কৰাচাৰ্য্যৰ লগতনো তেওঁলোকৰ মতৰ কেনেকুৱা সম্বন্ধ তাকো অলপ চালি-জাৰি চোৱাৰ প্ৰয়োজন অনুভৱ কৰিছোঁ।

শঙ্কৰৰ মতে ব্ৰহ্মাই একমাত্ৰ সত্য, কিন্তু এওঁলোক চাৰিজনৰ মতে ব্ৰহ্ম, জীৱ আৰু জগৎ সমভাবে সত্য। তেওঁলোকে পাৰমাৰ্থিক আৰু ব্যৱহাৰিক স্তৰৰ কোনো প্ৰভেদ নামানে। ব্ৰহ্ম, জীৱ, জগৎ, মুক্তি আৰু সাধনাৱলী সম্বন্ধেও এওঁলোকৰ ভিতৰত সাধাৰণভাবে কোনো প্ৰভেদ নাই। ৰামানুজ আৰু মধ্বৰ মতে বিষ্ণু আৰু নিম্বাৰ্ক আৰু বল্লভৰ মতে কৃষ্ণই ব্ৰহ্ম। মধ্বৰ মতে অৱশ্যে ব্ৰহ্ম জগতৰ উপাদান কাৰণ নহয়— নিমিত্ত কাৰণ মাত্ৰ, কিন্তু বাকী তিনিজনৰ মতে তেওঁ নিমিত্ত আৰু উপাদান কাৰণো। কিন্তু এওঁলোকৰ ভিতৰত প্ৰধান পাৰ্থক্য দেখা যায় ব্ৰহ্মাৰ লগত জীৱ জগতৰ সম্বন্ধৰ বিষয়ে। এওঁলোক সকলোৱে ব্ৰহ্ম আৰু জীৱজগতৰ সম্বন্ধক কাৰণকাৰ্য্য বা অংশীঅংশ সম্বন্ধৰ অনুৰূপ বুলি কয়। তেতিয়া স্বাভাৱিকতে প্ৰশ্ন উঠে এই কাৰণকাৰ্য্য আৰু অংশীঅংশ সম্বন্ধনো কেনেকুৱা বা কি প্ৰকাৰৰ। ৰামানুজৰ মতে কাৰণ আৰু কাৰ্য্য ধৰ্মতঃ ভিন্ন হ'লেও স্বৰূপতঃ অভিন্ন। মাটিৰ ঘট মাটিৰ লগত স্বৰূপতঃ অভিন্ন, কিন্তু ঘটৰ আকৃতি আদি বিচাৰ কৰিলে ধৰ্মানুসাৰী বেলেগ হৈ পৰে। নিম্বাৰ্কৰ মতে, কাৰ্য্য কাৰণৰ লগত স্বৰূপতঃ আৰু ধৰ্মতঃ ভিন্নাভিন্ন। মাটিৰ ঘট মাটিৰ লগত স্বৰূপতঃ আৰু ধৰ্মতঃ ভিন্ন। মধ্বৰ মতে কাৰ্য্য আৰু কাৰণ সম্পূৰ্ণ ভিন্ন। বল্লভৰ মতে, কাৰ্য্য আৰু কাৰণ, অংশ আৰু অংশী সম্পূৰ্ণ অভিন্ন। ইয়াৰ পৰা দেখা যায় যে ৰামানুজৰ মতে জীৱজগত ব্ৰহ্মাৰ হৈও স্বৰূপতে অভিন্ন। নিম্বাৰ্কৰ মতে জীৱজগত ব্ৰহ্মাৰ পৰা স্বৰূপতঃ আৰু ধৰ্মতঃ ভিন্নাভিন্ন। মধ্বৰ মতে জীৱজগত ব্ৰহ্মাৰ পৰা স্বৰূপতঃ আৰু ধৰ্মতঃ অত্যন্ত ভিন্ন। বল্লভৰ মতে জীৱজগত ব্ৰহ্মাৰ লগত স্বৰূপত আৰু ধৰ্মত অত্যন্ত অভিন্ন। ব্ৰহ্ম আৰু জীৱজগত সম্বন্ধে যিমান প্ৰকাৰ দৃষ্টিভঙ্গী সম্ভৱপৰ সকলোখিনিয়ে এই চাৰি বৈদান্তিকৰ পৰা পোৱা যায়।

শঙ্কৰৰ পৰা বল্লভ পৰ্য্যন্ত প্ৰায় সাত শতাব্দী ভাৰতভূমিত দৰ্শনৰ পৰা ধৰ্ম, জ্ঞানবাদৰ পৰা ভক্তিবাদ সম্বন্ধে সূক্ষ্মাতিসূক্ষ্মবিচাৰ আলোচনাৰ এক গম্ভীৰ ভাবাবেগৰ ক্ৰম পৰিণতি পৰিলক্ষিত হয়। শঙ্কৰৰ মতবাদ শুদ্ধ দৰ্শনমূলক, ভাবাবেগমূলক ধৰ্মৰ স্থান তাত নাই। ৰামানুজৰ মতবাদ ভক্তিমূলক হ'লেও প্ৰধানতঃ দৰ্শনবিচাৰমূলক আৰু ধৰ্ম আৰু দৰ্শনৰ তাত সংমিশ্ৰন নাই। ৰামানুজৰ ভক্তি জ্ঞানজাভক্তি, অৰ্থাৎ ভক্তি জ্ঞানৰ চৰমোৎকৰ্ষ মাত্ৰ, জ্ঞান আৰু ভক্তি ভিন্নপন্থী নহয়। নিম্বাৰ্কৰ মতবাদত দাৰ্শনিক আলোচনাৰ অভাৱ আৰু দৰ্শন আৰু ধৰ্মৰ মা বৰ্পো

সংমিশ্ৰন পৰিলক্ষিত নহ'লেও ধৰ্মৰ প্ৰভাৱ অধিকতম আৰু সেয়ে ই মাধুৰ্য্যপ্ৰধান। মধ্বৰ মতৰ ক্ষেত্ৰত দৰ্শন আৰু ধৰ্মৰ সংমিশ্ৰন দেখা যায় কিন্তু তথাপিও ই মাধুৰ্যাপ্ৰধান নহয়। বল্লভৰ মতত দৰ্শনতকৈ ধৰ্মৰ স্থানেই উচ্চতৰ। দৰ্শনৰ ফালৰ পৰা জীৱ ব্ৰহ্মাৰ লগত অভিন্ন, কিন্তু ধৰ্মৰ ফালৰ পৰা মুক্তজীৱও ভগৱানৰ দাস অৰ্থাৎ ব্ৰহ্মাৰ পৰা ভিন্ন। সেয়ে বল্লভৰ ভক্তিক জ্ঞানমূলক বুলি ক'ব নোৱাৰি, বৰঞ্চ ই আবেগবহুল আৰু উচ্ছ্বাসপ্ৰবণ।

## অৱতাৰবাদ

বৈয়াকৰণসকলে 'অৱ' উপসৰ্গপূৰ্বক 'তৃ' ধাতুৰ পিছত 'ঘঞ' প্ৰত্যয় যোগ কৰি অৱতাৰ পদটি নিষ্পন্ন কৰে। পাণিনিৰ অষ্টাধ্যায়ীত এই পদটি সাধন কৰিবৰ কাৰণে 'অবে তৃস্ত্ৰোৰ্ঘঞ' সূত্ৰ ৰচিত হৈছে। এই পদৰ আক্ষৰিক অৰ্থ অৱতৰণ। কোনো উচ্চলোকৰ পৰা অধোদেশলৈ নামি অহা ক্ৰিয়াই হ'ল অৱতাৰ। কিন্তু হিন্দু শাস্ত্ৰত বিশেষকৈ পুৰাণসমূহত অৱতাৰ সম্বন্ধে এই সাধাৰণ অৰ্থৰ উপৰি এক অসাধাৰণ বৈশিষ্ট্যপূৰ্ণ অৰ্থ প্ৰকাশিত হৈছে। যেতিয়া ভগৱানে উৰ্দ্ধদেশৰ পৰা নিম্নাভিমুখে আগমন কৰে আৰু নিজৰূপ পৰিত্যাগ কৰি কোনো মানবীয় বা অতিমানবীয় ৰূপ ধাৰণ কৰে সেই ৰূপান্তৰ পৰিগ্ৰহকেই অৱতাৰ বোলা হয়। অৰ্থাৎ অৱতাৰ পদটিৰ স্বৰূপ উপলব্ধি কৰিবলৈ হ'লে নিজস্ব ৰূপ পৰিত্যাগ পূৰ্বক বিশেষ কোনো কাৰণ বশতঃ বিশিষ্ট অন্য ৰূপ ধাৰণ এই তথ্যটি হৃদয়ঙ্গম কৰিব লাগে। জাগতিক মানুহৰ নিচিনা মাতৃজঠৰত নিৰ্দিষ্ট কাল কটাই শিশুৰ নিচিনা ভূমিষ্ঠ হৈ অন্য জন্মগ্ৰহণো অৱতাৰবাদৰ লগত সংলিষ্ট। সাধাৰণ মানুহৰ পক্ষে নিজৰ ৰূপ একেবাৰে পৰিত্যাগ কৰি ভিন্নৰূপ গ্ৰহণ অসম্ভব; অথবা নিজৰূপ পৰিত্যাগ কৰি অন্যৰূপত জন্মলৈ পুনৰ পুৰণি অৱস্থালৈ প্ৰত্যাগমনো অসম্ভৱ। ঈশ্বৰে কেতিয়াবা নিজৰূপ অপৰিৱৰ্তিত ৰাখিও ভক্তশিষ্যৰ সম্মুখত লৌকিক জগতত আবিৰ্ভূত হয়, এই ক্ৰিয়াও অৱতাৰৰ অন্তৰ্ভূক্ত। পুৰাণত প্ৰহ্লাদ, ধ্ৰুব আৰু গজেন্দ্ৰ উপাখ্যানত ভগৱান শ্ৰীবিষ্ণুৱে নিজ ৰূপলৈ ভক্তৰ সম্মুখত উপস্থিত হোৱা কাহিনী বৰ্ণিত হৈছে।

অৱতাৰবাদ পুৰাণৰ যুগত ব্যাপকভাৱে প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিলেও অৱতাৰৰ সূত্ৰ অত্যন্ত প্ৰাচীন। ঋক্‌বেদ সংহিতাৰ একাধিক মন্ত্ৰত অৱতাৰবাদৰ মূল সুৰটি প্ৰকট হৈছে। এটি মন্ত্ৰত বিষ্ণুৰ ৰূপান্তৰ পৰিগ্ৰহণৰ শক্তি অভিহিত হৈছে।

"কিমিতি তে বিষ্ণো পৰিচক্ষয়ং ভূৎ
প্ৰষদ ৰৱদে শিপিবিষ্টো অস্মি।

অস্মদ অপগূহ এতদ্,

যদমৰূপঃ সমিথে বভূথ।।"

[হে বিষ্ণু, মই শিপিবিষ্ট এই যে তোমাৰ নাম লৈছো সেয়া তোমাৰ প্ৰত্যাখ্যান কৰা কি উচিত? তুমি সংগ্ৰামত অন্যৰূপ ধাৰণ নকৰিবা। আমাৰপৰা তোমাৰ শৰীৰ নুলুকাবা]

ভাষ্যকাৰ সায়নাচাৰ্যই স্পষ্ট কৈ কৈছে যে প্ৰাচীনকালত বিষ্ণুৱে অন্য ৰূপ ধাৰণ কৰি বসিষ্ঠ ঋষিক সহায় কৰিছিল—

"পুৰা খলু বিষ্ণুঃ স্বং ৰূপং পৰিত্যাজ্য কৃত্ৰিমং

ৰূপান্তৰং ধাৰয়িত্বা সংগ্ৰামে

বসিষ্ঠস্য সাহায্যং চকাৰ"

পুৰাণসমূহত অৱতাৰবাদ, অৱতাৰৰ প্ৰয়োজন আৰু অৱতাৰৰ সংখ্যাৰ বিষয়ে বহলভাৱে আলোচনা পোৱা যায়। অৱতাৰৰ তত্ত্ব ভগৱানৰ ধৰ্মনিয়ামকত্বৰূপৰ—ওপৰত প্ৰতিষ্ঠিত। আখিল ব্ৰহ্মাণ্ডক এক সূত্ৰত ধাৰণ আৰু নিয়ন্ত্ৰণ কৰিবলৈ ধৰ্মহে একমাত্ৰ সমৰ্থ। এই ধৰ্মৰ নিয়ম সৰ্বশক্তিমান পৰমাত্মাৰ এক বিশিষ্ট শক্তিৰ বিলাস। যেতিয়াই ধৰ্মৰ গ্লানি সমুপস্থিত হয় আৰু অধৰ্মৰ অভ্যুত্থান হয় তেতিয়াই ভগৱানে নিজে ধৰাধাৰলৈ অৱতৰণ কৰে। অৱতাৰবাদৰ মৌলিক তথ্য শ্ৰীমদ্‌ভগৱদ গীতাৰ দুটি শ্লোকত প্ৰকটিত হৈছে—

"যদা যদাহি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত।

অভ্যুত্থানমধৰ্মস্য তদাত্মানং সৃজাম্যহম্।।

পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম।

ধৰ্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।।"

অৱতাৰবাদৰ আৱশ্যকতাৰ বিষয়ে পুৰাণসমূহত ব্যাপকভাৱে চৰ্চ্চা দেখা যায়। বায়ুপুৰাণত কোৱা হৈছে যে ধৰ্মব্যৱস্থা স্থাপন আৰু অধৰ্ম বিনাশৰ কাৰণে প্ৰভু বিষ্ণুৱে বাৰে বাৰে জন্মগ্ৰহণ কৰিছে। দেৱীভাগৱতকাৰৰ মতে ধৰ্মগ্লানি দূৰীকৰণ আৰু অধৰ্ম অভ্যুদয় বিনাশৰ নিমিত্তে ভগৱানে নানা বেশ পৰিগ্ৰহ কৰে। মৎস্য পুৰাণত পোৱা যায় ধৰ্ম শিথিল হৈ পৰিলে ভগৱানে অৱতাৰৰূপে আগমন কৰি অসুৰসকলক বিনষ্ট কৰে। ব্ৰহ্মপুৰাণতো একেসুৰী শ্লোক আছে। কিন্তু শ্ৰীমদ্‌ভাগৱতত এইসকল প্ৰয়োজনৰ বাহিৰেও আৰু এক প্ৰয়োজনৰ নিৰ্দেশ আছে। অৱতাৰৰ প্ৰয়োজন সম্পৰ্কে এই তত্ত্ব অতি মাহাত্ম্যপূৰ্ণ

"নৃণাং নিঃশ্ৰেয়সাৰ্থায় ব্যক্তিৰ্ভগৱতো নৃপ।

অব্যয়স্যাপ্ৰমেয়স্য নিৰ্গুণস্য গুণাত্মমঃ।।"

অৰ্থাৎ মানুহৰ পৰম কল্যাণকামী মোক্ষ সাধনৰ কাৰণেই অব্যয়, অপ্ৰমেয়, গুণহীন তথা গুণাত্মক ভগবানৰ অভিব্যক্তিৰূপ অৱতাৰধাৰণ। যদি এই পৃথিৱীত ভগৱানে অৱতাৰৰূপত প্ৰকটিত নহ'লহেঁতেন তেনেহ'লে সাধাৰণ অল্পজ্ঞ মানুহৰ পক্ষে তেওঁৰ অসীম অশেষ গুণাৱলীৰ জ্ঞান কিদৰে সম্ভৱ হ'লহেঁতেন? তেওঁৰ অনুপম চৰিত্ৰ-মাধুৰ্য্য, অপৰিমেয় আকৰ্ষণ, অনিন্দসুন্দৰ কান্তি, অতিমানবীয় ক্ৰিয়া-বিলাস; ৰোমাঞ্চকৰ কীৰ্ত্তি কাহিনী এইবোৰ দেখি শুনি ভক্তসকলৰ জাগতিক আকৰ্ষণ যুগে যুগে তিৰোহিত হৈ আহিছে। মন আৰু প্ৰাণ সদায় বিষয়সুখতে আবদ্ধ নাথাকি ঈশ্বৰত কেন্দ্ৰীভূত হৈ বাস্তৱবাদী পৃথিৱীৰ মানুহৰ মনত যুগে যুগে সুখ-শান্তি আৰু আনন্দৰ পৰিবেশ গঢ়ি তুলি জগতৰ বহু অশুভ চিন্তাকৰ্ম দূৰীকৰণ কৰি এক সুশৃঙ্খল সমাজ তথা ৰাষ্ট্ৰব্যৱস্থাৰ পটভূমি সৃষ্টি হৈছে। জীৱই প্ৰাৰ্থনা নকৰিলেও ঈশ্বৰৰ অপৰূপ লীলা মাধুৰীৰে তেওঁলোকৰ প্ৰাণত ভক্তিমুক্তিৰ চেতনা সঞ্চাৰিত কৰে। শ্ৰীমদ্‌ভাগৱত শাস্ত্ৰত আৰু শ্লোক আছে য'ত কোৱা হৈছে যে শ্ৰীভগৱানৰ অৱতাৰৰূপ ধাৰণ কৰাৰ মুখ্য প্ৰয়োজনেই হ'ল অলৌকিক ৰাগাত্মিকা ভক্তি অকৃপণভাৱে বিতৰণ। অধৰ্মৰ নাশ বা ধৰ্মপ্ৰতিষ্ঠা ইয়াৰ তুলনাত লঘুতৰ কৰ্ম। অনুৰূপভাৱে ভগৱানৰ অৱতাৰৰ আৰু এক প্ৰয়োজন জ্ঞানবিতৰণ। তেওঁ সকলো গুৰুৰ গুৰু আৰু সৰ্বজ্ঞানৰ আধাৰ। ঈশ্বৰৰ কল্পনা আৰু চিন্তাৰ পৰাই লোককল্যাণৰ কাৰণে অসীম জ্ঞানৰাশি মানুহে আয়ত্ব কৰিবলৈ সক্ষম হৈছে। ভাগৱত পুৰাণৰ তৃতীয় স্কন্ধত ঋষি কৰ্দম আৰু দেৱহুতিৰ গৃহত কপিল যেতিয়া অৱতাৰৰূপে অৱতীৰ্ণ হ'ল আৰু তেওঁৰ দ্বাৰা ভক্তি আৰু সাংখ্য দৰ্শনৰ বিশ্লেষণ মুখ্যভাৱে স্থান পালেও আত্মোপলব্ধিৰ মাৰ্গ প্ৰদৰ্শনেই হ'ল মূল তত্ত্ব। মুঠতে বদ্ধ জীৱৰ বন্ধনমুক্তি যিয়ে বিধান কৰিব পাৰে তেৰেঁই শুদ্ধ বুদ্ধ ভগৱান বা লোকচক্ষুত অৱতাৰ। অৱতাৰ অবিহনে নিৰাকাৰ নিৰ্গুণ ব্ৰহ্মাৰ ৰূপ আৰু গুণৰ প্ৰতীক মানুহৰ অন্তৰত স্থান পোৱাটো অসম্ভৱ।

অৱতাৰবাদৰ বিষয়ে আলোচনা কালত অৱতাৰৰ সংখ্যাৰ প্ৰশ্নটো আৰু পুৰাণসমূহত এই প্ৰসঙ্গৰ নানা তথ্য পৰিবেশিত হৈছে। কিন্তু এই তথ্য সম্বন্ধে বহু মতৰ পাৰ্থক্যও দেখিবলৈ পোৱা যায়। কেৱল ইখন গ্ৰন্থৰ লগত আনখন গ্ৰন্থৰ পৰস্পৰ বিৰোধী অৱতাৰ সংখ্যায়ে দেখা যায়, তেনে নহয়। একেখন গ্ৰন্থৰে ইটো অধ্যায়ৰ লগত আনটো অধ্যায়ৰো মতৰ অসাদৃশ্য চকুত পৰে। এনেকুৱা অৱস্থাৰ পৰিবেশত এইটো ধাৰণা কৰিব পাৰি যে পুৰাণৰ যুগত গুণময় আৰু শক্তিমান যিকোনো ব্যক্তি বা আন প্ৰাণীকেই অৱতাৰ আখ্যা দিয়া হৈছিল। মহাভাৰতৰ অন্তৰ্ভূক্ত গীতাত ৰাম আৰু কৃষ্ণ এই দুই অৱতাৰৰ তথ্য পোৱা যায়। স্পষ্টভাৱে কোৱা হৈছে যে কৃষ্ণ একমাত্ৰ অৱতাৰ আৰু আন ঠাইত কোৱা হৈছে যে অস্ত্ৰধাৰী

সকলৰ ভিতৰত তেওঁ ৰাম। কিন্তু মহাভাৰতৰ আন অংশত বিশেষকৈ শান্তি পৰ্বত অৱতাৰৰ উল্লেখ আছে। শ্লোকটো তলত দিয়া হ'ল—

"হংস কূৰ্মশ্চ মৎস্যশ্চ প্ৰাদুৰ্ভাবাদ্ দ্বিজোত্তম।
বৰাহো নৰসিংহশ্চ বামনো ৰাম ত্ৰব চ।
ৰামো দাশৰথিশ্চৈব সাত্বতঃ কল্কিৰেব চ।।"

পদ্মপুৰাণ, অগ্নিপুৰাণ, মৎস্যপুৰাণ আৰু বৰাহপুৰাণ আদি গ্ৰন্থত ওপৰোক্ত দহ অৱতাৰৰ সংজ্ঞা আৰু প্ৰত্যেক অৱতাৰৰ অলৌকিক কাৰ্য্যাৱলী (বিশেষকৈ অগ্নি পুৰাণত) আলোচিত হৈছে। কিন্তু অৱতাৰৰ উক্ত দহ সংখ্যাৰ উপৰিও আৰু আন বিভিন্ন নাম আৰু সংখ্যা বিশেষকৈ ভাগৱত পুৰাণত পোৱা যায়। ভাগৱতৰ প্ৰথম স্কন্ধত নাম থকা আৰু তেওঁলোকৰ কাৰ্যাৱলীৰ বিৱৰণ থকা সংখ্যা এনেধৰণৰ— (১) সনক, সনন্দ, সনাতন আৰু সনৎ কুমাৰ, (এই চাৰিজনক একৰূপে কল্পনা কৰা হৈছে), (২) বৰাহ, (৩) নাৰদ, (৪) নৰনাৰায়ণ, (৫) কপিল, (৬) দত্তাত্ৰেয়, (৭) যজ্ঞ, (৮) ঋষভ, (৯) পৃথু, (১০) মৎস্য, (১১) কূৰ্ম, (১২) ধনন্তৰি, (১৩) মোহিনী, (১৪) নৰসিংহ, (১৫) বামন, (১৬) পৰশুৰাম, (১৭) বেদব্যাস, (১৮) ৰামচন্দ্ৰ, (১৯) বলৰাম, (২০) কৃষ্ণ, (২১) বুদ্ধ আৰু (২২) কল্কি। এই বাইশ সংখ্যাৰ ওপৰৰ টীকাকাৰ সকলৰ ব্যাখ্যা আৰু বেলেগ। তেওঁলোকৰ মতে উক্ত বাইশ সংখ্যাৰ পৰা 'কৃষ্ণ' আৰু 'বলৰাম'ক বাদ দিব লাগে। কিয়নো কৃষ্ণ অৱতাৰৰ ভিতৰত নপৰে, কৃষ্ণ হ'ল পূৰ্ণ অৱতাৰ পৰম ব্ৰহ্ম। তেওঁ অৱতাৰী অৱতাৰৰ ভিতৰত পৰিগণিত নহয়। তেতিয়াহ'লে সংখ্যা হ'ল বিশ। কিন্তু অৱতাৰৰ সংখ্যা হ'ব লাগে চৰ্তুৰিংশতি। গতিকে এই বিশৰ লগত যোগ হ'ব প্ৰথম কেশৰূপী ভগৱান, দ্বিতীয় সুতপা, তৃতীয় সংকৰ্ষণ বলৰাম আৰু চতুৰ্থ পৰব্ৰহ্ম। ভাগৱতৰ দ্বিতীয় স্কন্ধৰ সপ্তম অধ্যায়ত অৱতাৰ সকলৰ দ্বিতীয় তালিকা পোৱা যায়। এই তালিকাতো অৱতাৰৰ সংখ্যা বাইশ; কিন্তু প্ৰথম তালিকাৰ নাৰদ, মোহিনী আৰু বলৰামৰ নাম এই তালিকাত নাই। তাৰ স্থানত যোগ হৈছে (১) হয়শীৰ্ষ; (২) গজেন্দ্ৰমোক্ষদাতা আৰু (৩) হংস।

ভাগৱতৰ দশম স্কন্ধত চতুৰ্দশ অৱতাৰৰ উদ্দেশ্যে প্ৰাণতি প্ৰদৰ্শিত হৈছে, যেনে ১/ মৎস্য, ২/হয়শীৰ্ষ, ৩/কূৰ্ম, ৪/বৰাহ, ৫/নৃসিংহ, ৬/বামন, ৭/ভৃগুপতি, ৮/ৰঘুবৰ্য, ৯/বাসুদেৱ, ১০/সংকৰ্ষণ, ১১/প্ৰদ্যুম্ন, ১২/অনিৰুদ্ধ, ১৩/বুদ্ধ, ১৪/কল্কি। এই তালিকাত বাসুদেৱ, সংকৰ্ষণ, প্ৰদ্যুম্ন আৰু অনিৰুদ্ধ এই চাৰিজন নতুনকৈ অনুপ্ৰবিষ্ট হৈছে আৰু প্ৰথম আৰু দ্বিতীয় তালিকাৰ কেবাজনো বাদ পৰিছে। এই পুৰাণৰ একাদশ স্কন্ধত অৱতাৰৰ চতুৰ্থখন তালিকা পোৱা যায়। তাত অৱতাৰৰ সংখ্যা বিশ। তেওঁলোকৰ নাম যথাক্ৰমে ১/নৰনাৰায়ণ, ২/হংস,

৩/দত্তাত্ৰেয়, ৪/কুমাৰ, ৫/ঋষভ, ৬/হয়াস্য, ৭/মৎস্য, ৮/বৰাহ, ৯/কূৰ্ম, ১০/গজেন্দ্ৰমোক্ষকৰ্তা, ১১/বালখিলোৰ ৰক্ষক, ১২/ইন্দ্ৰৰ শাপবিমোচনকাৰী, ১৩/দেৱস্ত্ৰীসকলৰ উদ্ধাৰকৰ্তা, ১৪/নৃসিংহ, ১৫/বামন, ১৬/ৰাম, ১৭/সীতাপতি, ১৮/কৃষ্ণ, ১৯/বুদ্ধ আৰু ২০/কল্কি।

অৱতাৰৰ সংখ্যা আৰু নাম বৰ্ণনাৰ এই পৰিপ্ৰেক্ষিতত এইটো ধাৰণা কৰিব পাৰি যে সেই সময়ত অৱতাৰ সংখ্যাৰ নিৰ্দিষ্ট সীমা নিৰ্দ্ধাৰণ হোৱা নাছিল, গুণময় যিকোনো প্ৰাণীকেই অৱতাৰৰূপে কল্পনা কৰি বন্দনা কৰা হৈছিল। ভাগৱত-পুৰাণকাৰে ইয়াতেই সন্তুষ্ট নহৈ আৰু কৈছে যে ভগৱানৰ অৱতাৰ অসংখ্য যিটো গণনাৰ অতীত। কিন্তু একমাত্ৰ কৃষ্ণ পূৰ্ণ অৱতাৰ। তেওঁ অৱতাৰী, অৱতাৰৰূপে বিবেচিত হ'ব নোৱাৰে। হৰিবংশতো পোৱা যায় যে ভগৱানৰ পূৰ্বতে সহস্ৰ সহস্ৰ অৱতাৰৰূপত প্ৰাদুৰ্ভাৱ হৈছিল, এতিয়াও হৈ আছে আৰু ভৱিষ্যতেও হৈ থাকিব। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে কীৰ্ত্তন পুথিত প্ৰথম ঘোষাত (চতুৰ্বিংশতি অৱতাৰ) বৰ্ণাইছে আৰু অৱতাৰৰ সংখ্যা অসংখ্য বুলি কৈছে।

প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।
তযু নাভিকমলত ব্ৰহ্মা ভৈলা জাত।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত।।

বৰ্ত্তমান অৱতাৰৰ সংখ্যা দহ বুলি সকলোৱে মানি লৈছে। এই দশাৱতাৰ তত্ত্বটো দশম-একাদশ শতিকাৰ পৰা পুষ্টি লাভ কৰা বুলি ধৰি লব পাৰি। পণ্ডিত ক্ষেমেন্দ্ৰই তেওঁৰ দশাৱতাৰ চৰিত্ৰ গ্ৰন্থত আৰু কবি জয়দেৱে তেখেতৰ "গীত গোবিন্দ"ত দশাৱতাৰ বৰ্ণনা কৰি তেওঁলোকৰ উদ্দেশ্যে প্ৰণতি জনাইছে। ক্ষেমেন্দ্ৰ একাদশ আৰু জয়দেৱ দ্বাদশ শতিকাত জন্ম গ্ৰহণ কৰিছিল। যাজ্ঞ্যবল্কৰ টীকাকাৰ অপৰাৰ্কৰ সময় দ্বাদশ শতিকাৰ প্ৰাৰম্ভত। তেওঁ দশ অৱতাৰৰ তালিকা মাহাত্ম্য সংকলন কৰিছে। ইয়াৰ পিছৰ পৰাই দশাৱতাৰ তত্ত্ব ধীৰে ধীৰে জনমানসত সৰ্বসন্মত হিচাবে স্বীকৃত হোৱা বুলি অনুমান কৰিব পাৰি। এই দহ অৱতাৰ হ'ল- (১) মৎস্য, (২) কূৰ্ম, (৩) বৰাহ, (৪) নৰসিংহ, (৫) বামন, (৬) পৰশুৰাম, (৭) হলিৰাম, (৮) শ্ৰীৰাম, (৯) বুদ্ধ আৰু (১০) কল্কি। এতিয়া আমি দহ অৱতাৰ সম্বন্ধে কিছু আলোচনা কৰিব পাৰোহঁক।

**মৎস্য ঃ** মৎস্য অৱতাৰৰ বীজ বৈদিক শতপথ ব্ৰাহ্মণত নিহিত আছে। নদীত হাত পখালি থাকোতে মনুৰ হাতত এটি ক্ষুদ্ৰ মাছ উঠিল। মাছটোৱে মনুক ক'লে, "তুমি মোক প্ৰতিপালন কৰা, মই তোমাক সিপাৰলৈ লৈ যাম।" মনুৱে আচৰিত হৈ সুধিলে "কিহেৰে পাৰ কৰিবা?" উত্তৰত মাছে আগত কালত ভয়াবহ

বানপানীৰ ইঙ্গিত দিলে। মনুৱে মাছটো নি প্ৰথমতে সৰু এটি পাত্ৰত, তাৰ পিছত পুখুৰীত আৰু তাৰ পিছত গভীৰ সমুদ্ৰত এৰি দিবলৈ বাধ্য হ'ল, কিয়নো মাছটো দিনে দিনে বিপুল আকাৰ ধাৰণ কৰি বিশালাকাৰত পৰিণত হ'ল। তাৰ পিছত মাছটোৰ পৰামৰ্শ অনুসৰি মনুৱে এখন নাও প্ৰস্তুত কৰি তাত আৰোহণ কৰিলে। কালক্ৰমত প্ৰবল জলপ্লাৱন হৈ নাওত থকা প্ৰাণীসকলৰ বাহিৰে সকলো প্ৰাণী বিনষ্ট হ'ল। মহাপ্ৰলয়ৰ পিছত যেতিয়া সকলো দিশ শান্ত হ'ল মনুৱে পুনৰ ভূমিত অৱতৰণ কৰিলে, এয়েই মৎস্য অৱতাৰৰ প্ৰাচীনতম কাহিনী। এই উপাখ্যানেই ভাগৱত, স্কন্দ, মৎস্য, অগ্নি, গৰুড় আৰু পদ্মপুৰাণত পোৱা যায়। বিষয়ৰ বীজ একে কেৱল ক'ৰবাত ক'ৰবাত নাম আৰু ভৌগোলিক সীমা পৃথক। বৈদিক উপাখ্যানত মৎস্য আৰু মনুৰ ভৌগোলিক পৰিবেশ হিমালয় অঞ্চল বা উত্তৰগিৰি। কিন্তু ভাগৱত পুৰাণত দ্ৰাবিড় দেশৰ কৃতমালা নদী আৰু আখ্যানৰ নায়ক মনুৰ পৰিবৰ্তে সেই দেশৰ ৰজা সত্যব্ৰত।

এই জলপ্লাৱনৰ কাহিনী পৃথিৱীৰ সকলো প্ৰাচীন দেশৰ গ্ৰন্থাদিত পৰিদৃষ্ট। বাইবেলৰ নোৱাহ্‌ৰ কাহিনীও একে প্ৰকাৰ। প্ৰাচীন মিশৰ, পাৰস্য দেশৰ গ্ৰন্থতো নীলনদ, টাইগ্ৰিছ্ আৰু ইউফ্ৰেটিছ্ নদীৰ প্লাৱনত সৃষ্টি ধ্বংসৰ কাহিনী পোৱা যায়।

**কূৰ্ম ঃ** কূৰ্ম অৱতাৰৰ কাহিনীও বৈদিক ঋষিসকলৰ অৱদান। শতপথ ব্ৰাহ্মণত বৰ্ণিত হৈছে যে, প্ৰজাপতিয়ে কূৰ্ম ৰূপ ধাৰণ কৰি প্ৰজা সৃষ্টি কৰিছিল। তৈত্তিৰীয় আৰণ্যকৰ কাহিনী আৰু চমকপ্ৰদ। প্ৰজাপতিৰ শৰীৰত এবাৰ ৰস কম্পিত হৈছিল। পানীত বিচৰণ কৰি ফুৰা কূৰ্মক দেখি প্ৰজাপতিয়ে ক'লে যে কূৰ্ম প্ৰজাপতিৰ মাংসৰ দ্বাৰা বিনিৰ্মিত। কূৰ্মই উত্তৰ দিলে "সেয়া সত্য নহয়। মই এই স্থলত তোমাৰ পূৰ্বৰ পৰাই বিদ্যমান। সেই কাৰণে মোৰ পুৰুষ সংজ্ঞা "পূৰ্বঃ তিষ্ঠতি ইতি পুৰুষঃ।" বৈদিক পুৰুষসূক্তৰ মন্ত্ৰৰ দ্বাৰা এই কূৰ্মই নিৰ্দিষ্ট।

এই বৈদিক বীজৰ আধাৰতে ভাগৱত, কূৰ্ম, অগ্নি, গৰুড়, পদ্ম ব্ৰহ্ম আৰু বিষ্ণুপুৰাণত কূৰ্মৰূপী ভগৱানৰ কল্পনা ব্যঞ্জিত হৈছে। দেৱাসুৰৰ সমুদ্ৰমন্থনৰ সময়ত যেতিয়া আধাৰহীন হৈ মন্দৰ পৰ্বত সমুদ্ৰত নিমজ্জিত হৈছিল তেতিয়া ভগৱানে কূৰ্মৰূপ গ্ৰহণ কৰি পৰ্বতক নিজৰ পিঠিত ধাৰণ কৰা কাৰণেহে সমুদ্ৰমন্থন সম্ভৱপৰ হৈছিল। এয়াই কূৰ্ম অৱতাৰৰ পৌৰাণিক স্বৰূপ।

**বৰাহ ঃ** বৰাহ অৱতাৰৰ ধাৰণাও বৈদিক। অথৰ্ববেদত বৰাহৰূপী ভগৱানে পৃথিৱী সংস্থাপন কৰাৰ কথাৰ উল্লেখ আছে। তৈত্তিৰীয় সংহিতা আৰু তৈত্তিৰীয় ব্ৰাহ্মণতো উল্লেখ আছে যে ভগৱানে বৰাহৰ ৰূপ ধাৰণ কৰি জলমগ্ন হৈ পৃথিৱীক অধোদেশৰ পৰা উৰ্দ্ধদেশলৈ উদ্ধাৰ কৰিছে। এই কাহিনী পুৰাণসমূহত বিস্তৃতভাৱে বৰ্ণিত হৈছে। বেদ যজ্ঞপ্ৰধান। সেয়ে পুৰাণত বৰাহৰ প্ৰাধান্য প্ৰতিষ্ঠাপনৰ কাৰণে

বৰাহক যজ্ঞ বৰাহৰূপে কল্পনা কৰা হৈছে। যজ্ঞত যিবিলাক দ্ৰব্যাদিৰ প্ৰয়োজন সেইবোৰ বৰাহৰ বিভিন্ন অঙ্গ-প্ৰত্যঙ্গৰূপে প্ৰদৰ্শিত হৈছে। মূলতঃ এই আখ্যান বায়ু, ব্ৰহ্মাণ্ড, মৎস্য, বিষ্ণু, অগ্নি আৰু ভাগৱত-পুৰাণত পোৱা যায়। ভাগৱতৰ দ্বিতীয় স্কন্দৰ সপ্তম অধ্যায়ত অৱতাৰসকলৰ ভিতৰত বৰাহ অৱতাৰ কথা প্ৰথমে বৰ্ণিত হৈছে। তাত কোৱা হৈছে যে যেতিয়া সৰ্বব্যাপক প্ৰভু নাৰায়ণে পৃথিৱী উদ্ধাৰ কৰিবলৈ সৰ্বজ্ঞময় বৰাহৰূপ ধাৰণ কৰিলে তেওঁৰ মহাদন্তৰদ্বাৰা সমুদ্ৰৰ তলদেশত প্ৰবিষ্ট আদি দৈত্য হিৰণ্যাক্ষক বিদীৰ্ণ কৰিলে।

**নৰসিংহ :** তৈত্তিৰীয় আৰণ্যকত নৰসিংহ-গায়ত্ৰী পোৱা যায়। ইয়াত নৰসিংহৰ ৰূপ বজ্ৰনখ আৰু তীক্ষ্ণদংষ্ট্ৰা। এই বিশেষণ দুটিৰপৰা তেওঁৰ ভয়ংকৰতা আৰু ভয়াবহতাৰ প্ৰমাণ পোৱা যায়। পুৰাণত এৰেঁই দৈত্যকুলাধিপতি হিৰণ্যকশিপুক হত্যা কৰি ভক্ত প্ৰহ্লাদৰ মনোবাঞ্ছা পূৰ্ণকাৰী নৰসিংহ অৱতাৰৰূপে পৰিকল্পিত হৈছে। ভাগৱত পুৰাণত দেৱতাসকলে তেওঁলোকৰ হৃত ৰাজ্য আৰু যজ্ঞভাগ ঘিৰাই পাই নৰসিংহৰূপী হৰিৰ স্তৱ কৰিছে।

**বামন :** বামন অৱতাৰ কাহিনী সম্পূৰ্ণৰূপে বৈদিক। ঋগ্‌বেদত বামন সম্বন্ধে বহু মন্ত্ৰ পোৱা যায়। নিৰুক্তকাৰ যাস্কই তেওঁৰ পূৰ্বাচাৰ্য্য শাকপূনিৰ মত উল্লেখ কৰি বিষ্ণুৰ ত্ৰিপাদ পৰিভ্ৰমণ ব্যাখ্যা কৰিছে। শাকপূনিৰ মতে বিষ্ণুৱে সূৰ্য্যৰূপে পৃথিৱীত, অন্তৰীক্ষত আৰু আকাশত পৰিব্যপ্ত। এয়েই পাদত্ৰয় সংক্ৰমণ। বিষ্ণুৰ যে বামন নামে প্ৰসিদ্ধি সেই তথ্যও বেদৰপৰা জানিব পাৰি। বামন অৱতাৰৰ পৌৰাণিক কাহিনী যিবিলাক পুৰাণত বিশেষভাৱে উপলব্ধ সেইবোৰ হ'ল বামন, স্কন্দ, নাৰদ, ব্ৰহ্মা, পদ্ম, মৎস্য, কূৰ্ম, অগ্নি আৰু ভাগৱত। দেৱাসুৰৰ যুদ্ধত যেতিয়া দেৱতাসকল পৰাভূত হ'ল আৰু অসুৰসকলে গোটেই পৃথিৱী নিজৰ মাজত ভাগ কৰি লবলৈ উদ্যত হ'ল তেতিয়া ভগৱান বিষ্ণুৱে বামনৰূপ ধৰি দৈত্যৰাজ বলিৰ পৰা তিনিপদ ভূমি প্ৰাৰ্থনা কৰিলে আৰু দৈত্যসকলো এই কথাত প্ৰতিশ্ৰুত হ'ল। তেতিয়া বামনে দুই পদতে পৃথিৱীৰ সকলো ভূমি অংশ অধিকাৰ কৰি তৃতীয় পদ বলিৰ মূৰত থৈ তেওঁক পাতালত নিক্ষেপ কৰিলে। এই কাহিনী বিশেষ জনপ্ৰিয় কাৰণে ইয়াৰ বিশদ বৰ্ণনাৰ লোভ ইয়াতেই সামৰা হ'ল।

**ষষ্ঠ অৱতাৰ পৰশুৰাম :** এই অৱতাৰৰ বিষয়ে বৈদিক সাহিত্যত কোনো উল্লেখ পাবলৈ নাই। প্ৰাগ্‌মহাভাৰতীয় কোনো গ্ৰন্থতে পৰশুৰাম সম্বন্ধে কোনো বিৱৰণ পোৱা নাযায়। গতিকে ধৰি ল'ব পাৰি যে পৰশুৰাম পুৰাণকাৰ সকলৰহে নিজস্ব কল্পনা। মৎস্য বিষ্ণু আৰু ভাগৱত পুৰাণত পৰশুৰাম কাহিনী বিশেষভাৱে বৰ্ণিত। হৈহয় বংশৰ কাৰ্ত্তবীৰ্য্যাৰ্জ্জুন জমদগ্নিৰ আশ্ৰমত এবাৰ সসৈন্যে অতিথি হৈ তেওঁ কামধেনু নামৰ গাই এজনীৰ অশেষ মহিমা দেখি বলপূৰ্বক হৰণ কৰি নিছিল।

সেই ঘটনাৰ কাৰণে ক্ৰোধ পৰায়ণ জমদগ্নিপুত্ৰ পৰশুৰামে অৰ্জ্জুন আৰু তেওঁৰ সমস্ত সৈন্য নিধন কৰি কামধেনু ওভোটাই আনিলে। অৰ্জ্জুনক পুত্ৰসৱে জমদগ্নিৰ শিৰ কাটি নি প্ৰতিশোধ ল'লে। এইবাৰ পৰশুৰামে অৰ্জ্জুনৰ সবংশে বিনাশ কৰি একৈশবাৰ সকলো ক্ষত্ৰিয়কে নিধন কৰি এই পৃথিৱী নিক্ষত্ৰিয় কৰিলে। পৰশুৰামে পিতৃৰ আদেশ ক্ৰমে তেওঁৰ চাৰিজন ককায়েক আৰু মাতৃ ৰেণুকাৰো শিৰশ্চ্ছেদ কৰি মহাপাতকত লিপ্ত হৈছিল। বহুকালৰ অনুশোচনা আৰু চেষ্টাৰ বলতহে তেওঁ পাপমুক্ত হ'ব পাৰিছিল। এয়েই পৰশুৰাম সম্বন্ধে পুৰাণৰ কাহিনী। কেৱল শাৰীৰিক শৌৰ্য্যবীৰ্য্যযুক্ত কাহিনীৰ আলমতে ভগবানৰ অৱতাৰৰ কল্পনা একমাত্ৰ পৰশুৰামৰ ক্ষেত্ৰতহে দেখা যায়। অৱতাৰৰ যিবোৰ উদ্দেশ্যৰ কথা আগতে বৰ্ণনা কৰি অহা হৈছে সেইবোৰ এই অৱতাৰৰ ক্ষেত্ৰত দেখা নাযায়। তদুপৰি পৃথিৱী নিক্ষত্ৰিয় কৰা বুলি পুৰাণে বৰ্ণনা কৰিলেও ক্ষত্ৰিয়বীৰ ৰামে তেওঁৰ বিবাহৰ পিছত মিথিলাত পৰশুৰামক কেৱল পৰাজিত কৰাই নহয় তেওঁৰ স্বৰ্গগমণৰ পথো ৰুদ্ধ কৰি দিয়া কাহিনী আছে। পৰশুৰামে তেওঁৰ নিজ শিষ্য ভীষ্মদেৱৰ লগত যুদ্ধতো পৰাজয়ৰ গ্লানি স্বীকাৰ কৰিবলগীয়া হোৱা কাহিনী মহাভাৰতত পোৱা যায়।

**ৰামচন্দ্ৰ ঃ** দশৰথ পুত্ৰ ৰামৰ কাহিনী ইমান জনপ্ৰিয় যে সেই বিষয়ে আলোচনাৰ প্ৰয়োজন দেখা নাযায়। ৰামচন্দ্ৰ সম্বন্ধে বেদত কিছু উল্লেখ আছে। ঋগ্‌বেদ অথৰ্ববেদত ইক্ষ্বাকু পদটো পোৱা যায়। ইক্ষ্বাকু ৰামৰ পূৰ্বপুৰুষ। ঋগ্বেদৰ দানস্তুতিত অন্যান্য ৰাজন্যবৰ্গৰ লগত দশৰথৰো স্তুতি কৰা হৈছে। ঋগ্বেদত ৰাম নামৰ এক ৰজাৰো উল্লেখ আছে। তৈত্তিৰীয় আৰু শতপথ ব্ৰাহ্মণত জনক ৰজাৰ কথা আছে। ঋগ্বেদ আৰু অথৰ্ববেদৰ মন্ত্ৰত কৃষিৰ অধিষ্ঠাত্ৰী দেৱীৰূপে সীতাৰ উল্লেখ আছে। কোনো কোনো গৱেষক পণ্ডিতে অনুমান কৰে যে বাল্মীকি ৰামায়ণ কথাবস্তুৰ কাৰণে ঋগ্বেদৰ ওচৰত ঋণী। কিন্তু কেইটামান নামসদৃশ পৰ্য্যালোচনা কৰিয়ে বৈদিক সাহিত্যৰ লগত ৰামায়ণ সংলগ্ন কৰাটো অধিক সংখ্যক পণ্ডিতে স্বীকাৰ নকৰে। গতিকে ৰামকাহিনী অতি জনপ্ৰিয় লোককথাৰ আধাৰত বাল্মীকিৰ নিজস্ব সৃষ্টি বুলিয়েই প্ৰতীয়মান হয়।

**বলৰাম বা হলিৰাম ঃ** এই অৱতাৰৰ বিষয়েও বেদৰ মন্ত্ৰত কোনো ইঙ্গিত বা আলোচনা দেখা নাযায়। সেয়ে হলিৰাম পুৰাণবিদসকলৰহে কল্পনাৰ সৃষ্টি বুলি ধৰি ল'ব পাৰি। পুৰাণত এওঁৰ পৰিচয় শ্ৰীকৃষ্ণৰ ডাঙৰ ভাই। সেয়ে বহু পণ্ডিতে ভাবে যে শ্ৰীকৃষ্ণ পৰমব্ৰহ্মৰ পূৰ্ণৰূপ বুলি স্থিৰ হোৱাত আৰু সেয়ে তেওঁ অৱতাৰৰূপে পৰিগণিত নোহোৱাৰ পিছতহে দশাৱতাৰৰ ভিতৰত হলিৰাম স্থান পাইছে। বিভিন্ন পুৰাণত তেওঁৰ কাহিনী আৰু মাহাত্ম্য বৰ্ণিত হৈছে। অগ্নিপুৰাণত হলিৰামৰ অনন্তমূৰ্ত্তিৰ কথা আলোচিত হৈছে। সেই মূৰ্ত্তি চতুৰ্ভূজ। ভাগৱতত তেওঁ দ্বিবিদ,

প্ৰলম্ব, মুষ্টিক, কংস আৰু দন্তবক্ৰ আদি অসুৰক বধ কৰি ভূমিভাৰ হৰণৰ কথা পোৱা যায়। কিন্তু পৰশুৰামৰ দৰে এওঁৰো বহু কলঙ্কৰ কথা পুৰাণত আলোচিত হৈছে। নৈমিষাৰণ্যত ঋষিসকলৰ আগত ব্যাসাসনত বহি গুৰু ৰোমহৰ্ষণে যেতিয়া পুৰাণ পাঠ কৰি আছিল, সেই সময়ত যদুবীৰ হলিৰাম তালৈ আহিছিল। ঋষিসকলে থিয় হৈ তেওঁক অভিবাদন জনালে, ৰোমহৰ্ষণ থিয় নহ'ল। তাৰ কাৰণ শাস্ত্ৰ পাঠৰ সময়ত গুৰুৱে ৰজাকো সম্মান দেখুওৱাৰ প্ৰশ্ন নাই। সেই কাৰণে হলিৰামে ৰোমহৰ্ষণক গুৰু আসনত বহি থকা অৱস্থাতেই হত্যা কৰিলে। গুৰুবধ আৰু ব্ৰহ্মবধ পাপৰ শাস্তি প্ৰাণদণ্ড, কিন্তু হলিৰামে দ্বাদশ বৰ্ষ তীৰ্থ ভ্ৰমণ কৰোতেই তেওঁৰ পাপৰ প্ৰায়চিত্ত হৈ গ'ল। মাৰ্কণ্ডেয়-পুৰাণে কয় যে যিহেতু সেই সময়ত বলৰাম অত্যন্ত সুৰামত্ত হৈ হিতাহিত জ্ঞানশূন্য আছিল সেয়ে তেওঁৰ লঘু শাস্তিৰ বিধান হ'ল।

**বুদ্ধ :** বুদ্ধদেৱৰ জীৱনচৰিত অতি প্ৰসিদ্ধ। কেইখনমান পুৰাণৰ বাহিৰে বাকী সকলো পুৰাণতে বুদ্ধ অৱতাৰৰূপে পৰিগণিত আৰু স্বীকৃত। বুদ্ধই ঈশ্বৰ পৰামাত্মা স্বীকাৰ নকৰিছিল। বৈদিক যাগযজ্ঞৰ তীব্ৰ বিৰোধিতা কৰি তেওঁ বেদবচনবোৰ ধূৰ্ত্তৰ প্ৰলাপ বুলি বিবেচনা কৰিছিল। হিন্দুধৰ্মৰ আধাৰ হ'ল বেদ। তথাপি পুৰাণকাৰসকলে বুদ্ধক দশাৱতাৰৰ মাজত স্থান দিয়াটো অসামান্য সাহসৰ পৰিচয় বুলি ক'ব পাৰি। বেদ আৰু বেদবিৰোধী অসুৰসকলক বিপথে পৰিচালিত কৰিবৰ কাৰণেই বুদ্ধৰ অৱতাৰ বুলি ভাগৱতত পোৱা যায়। এই মতৰ সমৰ্থন বিষ্ণু আৰু ভৱিষ্যপুৰাণতো পোৱা যায়। কিন্তু আধুনিক পণ্ডিতসকলৰ মতে বৌদ্ধধৰ্মৰ বিশেষ প্ৰাবল্য আৰু প্ৰসাৰ, জনমানসত বুদ্ধৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা আৰু ভক্তি স্বীকৃত হিচাবে পুৰাণকাৰসকলে বুদ্ধক ভগৱানৰ অৱতাৰ বুলি স্বীকাৰ কৰিবলৈ দ্বিধাবোধ কৰা নাই। মহাপুৰুষ শঙ্কৰদেৱে কীৰ্ত্তনঘোষাত এই অৱতাৰৰ বিষয়ে বৰ্ণাইছে এনেদৰে—

বোধ অৱতাৰে বেদপন্থ কৰি ছন্ন।
বামানয় শাস্ত্ৰে মুহি আছা সৰ্বজন। ।

**কল্কি :** অৱতাৰচক্ৰৰ দশম বা অন্তিম অৱতাৰ কল্কি। অন্য অৱতাৰৰ লগত কল্কিৰ পাৰ্থক্য যে এই অৱতাৰ ভৱিষ্যতে পৰিদৃশ্যমান হ'ব। পুৰাণসমূহত কোৱা হৈছে যে কলিকালৰ শেষত যেতিয়া শাসক সম্প্ৰদায়ে প্ৰজাসাধাৰণৰ ওপৰত অকথ্য অত্যাচাৰ কৰিব, যেতিয়া অধৰ্ম প্ৰবল প্ৰতাপী হৈ ধৰ্মপথ সম্পূৰ্ণৰূপে অৱৰুদ্ধ কৰিব, ব্ৰাহ্মণ্য ধৰ্ম ঘৃণিত আৰু নিন্দিত হ'ব তেতিয়া গঙ্গা আৰু যমুনাৰ মধ্যস্থ প্ৰদেশত সম্ভল নামে গাৱঁত কল্কি অৱতাৰ হ'ব। অশ্বৰ ওপৰত আৰোহণ কৰি তীক্ষ্ণ তৰবাৰীৰ দ্বাৰা তেওঁ বেদবিৰোধী অধাৰ্মিক সম্প্ৰদায়ক নিশ্চিহ্ন কৰি পুনঃ সত্যযুগ

প্ৰতিষ্ঠা কৰিব।

কল্কিপুৰণাত বৌদ্ধসকলক কল্কিৰ শত্ৰুৰূপে বৰ্ণনা কৰা হৈছে। ভাগবত-পুৰাণৰ মতে যেতিয়া সাধুসকলৰ গৃহতো হৰিনাম শুনা নাযাব, ব্ৰাহ্মণসকলে পাষণ্ডৰ দৰে ব্যৱহাৰ কৰিব তেতিয়া ভগৱান কল্কি জন্মগ্ৰহণ কৰি তেওঁলোকক শাসন কৰিব।

## বিষ্ণু-কৃষ্ণ তত্ত্ব

ভাৰতীয় সাহিত্য (তথা বিশ্বসাহিত্য)ৰ প্ৰাচীনতম নিদৰ্শন হ'ল ঋগ্বেদ। বহু দেৱতাৰ উদ্দেশ্যে আৰু এক আৰু বহু দেৱভাৱনাৰ বিমিশ্ৰ অনুভূতি আৰু আবেগৰ দ্বাৰাই ঋগ্বেদৰ সূক্তবিলাক গঠিত।

ঋগ্বেদৰ প্ৰধান দেৱতাবোৰ হ'ল ইন্দ্ৰ, বৰুণ, মিত্ৰ, বিষ্ণু, ৰুদ্ৰ, সবিতা, অৰ্য্যমা, সূৰ্য্য, ভৰ্গ, পৰ্জন্য, যম, অশ্বিদ্বয়, বৃহস্পতি, ত্বষ্টা, বসুসকল, অগ্নি আৰু সোম ইত্যাদি। তেতিয়া দেৱতাৰ ৰূপৰ কল্পনা পৰিপুষ্ট হোৱা নাছিল আৰু সেয়ে দেৱতাৰ প্ৰতিমাৰ বিধানো নাই। যজ্ঞত তেওঁলোকক আহ্বান কৰা হৈছিল আৰু তেওঁলোক অলক্ষে উপস্থিত হৈছিল, তেওঁলোকৰ প্ৰত্যক্ষ দূত বা প্ৰতিনিধি আছিল অগ্নি। দেৱতাৰ উদ্দেশ্যে হবিঃ অগ্নিত অৰ্পণ কৰা হৈছিল আৰু অগ্নিয়ে সেইবোৰ যথাস্থানত আগবঢ়াই দিছিল,। সেই হিচাবে ঋগ্বেদৰ ধৰ্মাচৰণ অগ্নিযাগ বা firecult বুলি ক'লে ভুল নহয়। বৈদিক যুগৰ পিছত যি দুজন দেৱতাই ব্ৰাহ্মণ্য যুগৰ ধৰ্ম আৰু সাহিত্যত মুখ্যস্থান লাভ কৰিছে তেওঁলোক হ'ল বিষ্ণু আৰু ৰুদ্ৰ। বিষ্ণু 'দেব' দেৱতা আৰু ৰুদ্ৰ 'অসুৰ' দেৱতা।

বিষ্ণু, কৃষ্ণ, বাসুদেব, মধুসূদন, গোপাল মূলতঃ এক। কিন্তু এই একীকৰণ এদিনতে হোৱা নাই। বৈদিক বিষ্ণুৰ পৰিণাম বিষ্ণু-কৃষ্ণ পৰৱৰ্তী কালত বিশেষভাবে কৃষ্ণনাম পাইছে। পুৰাণৰ কৃষ্ণ শিশু আৰু কিশোৰ, ঋগ্বেদত বিষ্ণু "যুবা", 'কুমাৰ', পুৰাণত কৃষ্ণ গোপবেশী বিষ্ণু। ঋগ্বেদত 'গোপ' নহয় গোপা অৰ্থাৎ ৰক্ষাকৰ্তা (বিষ্ণুগোপাঃ)। গোধনৰ লগত বিষ্ণু আৰু কৃষ্ণৰ সম্বন্ধ ওতপ্ৰোত। পুৰাণত কৃষ্ণই ব্ৰজধামত গৰু চৰাইছিল আৰু ঋগ্বেদত বিষ্ণুৱে 'পৰমপদ'ত অৰ্থাৎ উৰ্দ্ধতম লোকত, পৰৱৰ্তীকালত বৈকুণ্ঠত, আৰু পৰৱৰ্তীকালত গোলোকত গৰু চৰাইছিল। উৰ্দ্ধতম লোকত অনেক বহুশৃঙ্গ লঘুচাৰী গৰু আছিল- "যত্ৰ গাবো ভূৰি শৃঙ্গাত অয়াস।" পুৰাণত বিষ্ণুকৃষ্ণৰ নাম মাধব। মধু দৈত্যক নিধন কৰি তেওঁ নাম পালে মাধৱ আৰু মধুসূদন (মধুপৰিবেশক)— "বিষ্ণোঃ পদে পৰমে মাধব উৎসঃ।" ঋগ্বেদত বিষ্ণু ইন্দ্ৰৰ সহযোগী , কিন্তু বিষ্ণুৰ ওপৰত ইন্দ্ৰৰ প্ৰাধান্য। পুৰাণত ইন্দ্ৰৰ স্থান বিষ্ণুৰ বহু

তলত। প্ৰথম অৱস্থাত বৈদিক আৰ্য্যসকলৰ ভিতৰত ইন্দ্ৰপূজক আছিল বহুত; কিন্তু কালক্ৰমত বিষ্ণুপূজাক হ'ল সৰ্বাধিক, ইন্দ্ৰৰ চৰিত্ৰত বহু কলঙ্ক সনা হ'ল। ইন্দ্ৰ আৰু বিষ্ণুকৃষ্ণৰ দ্বন্দ্বলৈ বহু কাহিনীৰ সৃষ্টি হ'ল। ইন্দ্ৰ আৰু বিষ্ণুৰ বিৰোধৰ দুটা কাহিনী পুৰাণত আছে— এটা 'গোবৰ্দ্ধন ধাৰণ', আৰু আনটো 'পাৰিজাত হৰণ'।

পাৰিজাত হৰণ উপাখ্যানৰ কোনো উল্লেখ বৈদিক সাহিত্যত নাই, কিন্তু গোবৰ্দ্ধন ধাৰণ কাহিনীৰ আছে। ইন্দ্ৰৰ বৃষ্টিধাৰা-বৰ্ষণৰ পৰা গোকুলক ৰক্ষা কৰিবলৈ কৃষ্ণই গোবৰ্দ্ধন পৰ্বতক ছাতিৰ দৰে ব্যৱহাৰ কৰি ব্ৰজাবাসী আৰু গোধন ৰক্ষা কৰিছিল। বৈদিক কবিৰ কল্পনাত দেখিবলৈ পোৱা যায় যে ; বিষ্ণুৱে পৃথিৱীৰ উৰ্দ্ধ আকাশক ছত্ৰৰ দৰে ধাৰণ কৰি আছে (যো অস্কভায়দ্ উত্তৰং সধস্থম্) তাৰে তলত মৰ্ত্য-অমৰ্ত্যৰ বাস। কৃষ্ণলীলাৰ ভিতৰত যি ব্ৰজকাহিনী পৌৰাণিক কালত সৰ্ব্যাধিক সুপৰিচিত আছিল তাৰ ভিতৰত গোবৰ্দ্ধন ধাৰণ প্ৰধান।

গোবৰ্দ্ধন ধাৰণৰ লগত আৰু এটি উপাখ্যান বিজৰিত। কৃষ্ণৰ অৱতাৰত্ব পৰীক্ষা কৰিবৰ কাৰণে ব্ৰহ্মাই ব্ৰজৰ সমস্ত গোবৎস হৰণ কৰি গোবৰ্দ্ধন পাহাৰৰ গুহাত লুকাই থৈছিল। কৃষ্ণই নকৈ গোবৎস সৃষ্টি কৰি গোমাতা আৰু ব্ৰজবাসীক চিন্তাৰ পৰা পাহৰাই ৰাখিছিল। অৱশেষত ব্ৰহ্মাই লজ্জিত হৈ গোবৎস ফিৰাই দিছিল।

বিষ্ণুৰ ত্ৰিবিক্ৰম সম্বন্ধে ঋগ্বেদত পোৱা যায়— ("ইদং বিষ্ণু বিচক্ৰমে ত্ৰিধানিদধে পদং") বিষ্ণুৱে বিশ্ব পৰিক্ৰমণ কৰিছে, তেওঁ তিনিপাৰ পদক্ষেপ কৰিছে ; ঋগ্বেদৰ এই কাহিনীৰ অংশবিশেষ ঐতৰেয় ব্ৰাহ্মণত আছে— ইন্দ্ৰ আৰু বিষ্ণু আৰু অসুৰসকলৰ যুদ্ধ আৰু মৈত্ৰী সংক্ৰান্তত। এই কাহিনীৰ ৰূপান্তৰ কান্বশাখাৰ শতপথ ব্ৰাহ্মণ গ্ৰন্থতো আছে। তাত বিষ্ণু বামন কিন্তু ত্ৰিবিক্ৰম নহয় শায়িত।

পুৰাণত বিষ্ণুৱে মোহিনীৰূপ ধৰি অসুৰসকলক বঞ্চনা কৰি দেৱতাসকলক অমৃত পৰিবেশণৰ যি উপাখ্যান আছে, তাৰ বীজ শতপথ ব্ৰাহ্মণ গ্ৰন্থতো আছে।

বৈদিক সাহিত্যৰ শেষ পৰ্য্যায়ত সৃষ্টি হ'ল উপনিষদৰ। সাধাৰণ মানুহৰ জীৱনধাৰাত কৰ্মকাণ্ডৰ প্ৰত্যক্ষ প্ৰভাৱ কমি গ'ল। কেৱল যাগ-যজ্ঞ আৰু পশুবলিৰ দ্বাৰা দেৱতাৰ মনোৰঞ্জনৰ প্ৰথাটো ক্ষত্ৰিয় পণ্ডিতসকলে প্ৰত্যাখ্যান কৰিবলৈ প্ৰত্যাহ্বান জনালে। ধৰ্ম্মভাৱনা আৰু দৈৱ-চিন্তাই নতুন পথ ললে। সৃষ্টি হ'ল ভাৰতীয় দৰ্শন আৰু জ্ঞানৰ উৎস উপনিষদ।

ছান্দোগ্য উপনিষদত 'দৈৱকীপুত্ৰ' কৃষ্ণৰ উল্লেখ আছে। তৈত্তিৰীয় আৰণ্যকত বিষ্ণু বাসুদেৱ হৈছে। খৃষ্টপূৰ্ব ষষ্ঠ শতাব্দীত লিখা পাণিনিৰ অষ্টাধ্যায়ী গ্ৰন্থত বাসুদেৱ আৰু অৰ্জুনৰ উল্লেখ আছে। খৃঃ পূঃ দ্বিতীয় শতাব্দীত পতঞ্জলিয়ে তেওঁৰ মহাভাষ্যত কৃষ্ণলীলাৰ উল্লেখ কৰিছে।

"সংকৰ্ষণ দ্বিতীয়স্য বলং কৃষ্ণস্য বৰ্ধতাম্"
[সংকৰ্ষণ- সহায় কৃষ্ণৰ বল বৃদ্ধি হওক]
"জঘান কংসং কিল বাসুদেৱঃ"
[কংসক বধ কৰিলে কৃষ্ণই]

মহাভাৰতত কৃষ্ণই এটি বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। মহাভাৰতৰ ভীষ্মপৰ্ব ভাৰতীয় আধ্যাত্ম চিন্তাধাৰাৰ এটি দৃঢ় পদক্ষেপ। কুৰুক্ষেত্ৰৰ ৰণক্ষেত্ৰত যুদ্ধৰ প্ৰাৰম্ভত অৰ্জ্জুন আৰু কৃষ্ণৰ যি সংলাপ সেয়ে ভগবদগীতাৰ বিষয় বস্তু।

উপনিষদৰ ব্ৰহ্মাতত্ত্ব আৰু জ্ঞানযোগৰ পিছত ভাৰতীয় আধ্যাত্ম চিন্তাত সঞ্চাৰিত হ'ল ভক্তিযোগ। গীতাত ব্ৰহ্মবোধ, জ্ঞানযোগ আৰু ভক্তিযোগৰ সমন্বয় সাধনৰ প্ৰচেষ্টা প্ৰদৰ্শিত হৈছে। ঋগ্বেদৰ দশ মণ্ডলত যি পুৰুষবাদৰ ইঙ্গিত সি ইতিমধ্যে ব্যক্তি-ঈশ্বৰত্বত সমুন্নত হৈ অৱতাৰবাদৰ স্বৰূপ নিৰ্ণয়াৰ্থে আগবাঢ়িছে আৰু তাৰেই প্ৰতিফলন গীতাত দেখিবলৈ পোৱা যায়। ঋগ্বেদত এদিন যি সুৰ ধ্বনিত হৈছিল

"একং সদ্ বিপ্ৰা বহুধা বদন্তি
অগ্নিং যমং মাত ৰিশ্বান মাহুঃ"

গীতাত সি পৰিপূৰ্ণ ৰূপ পাইছে। পৰৱৰ্তীকালত সেই মহাসত্তাৰ সৰ্বব্যাপী কল্পনা 'পুৰুষ' নামে অভিহিত হৈছে— "পুৰুষ এবেদং সৰ্বং য়দ্ভুত যচ্চ ভব্যম্"। উপনিষদত এই পুৰুষ ব্ৰহ্ম নামে পৰিচিত। ইয়াতেই আৰম্ভ হৈছে নতুন দৃষ্টিভঙ্গী। অৰ্থাৰ্থী বা আৰ্ত হৈ প্ৰাৰ্থনা নহয়, ই বিশ্বসত্তাক জানিবৰ কাৰণে কৌতূহল। সেই কৌতূহলৰ আৰু প্ৰাৰ্থনাৰ ৰূপান্তৰ : 'অপাবৃনু'। হে পূষণ, তুমি তোমাৰ আবৰণ অপাবৃত কৰা যাতে মই তোমাৰ সত্যৰূপ বুজিব পাৰোঁ।

হিৰন্ময়েন পাত্ৰেণ সতস্যাপিহিতং সুখম্
ত্যত্বং পূষন্নপাবৃনু সত্যধৰ্মায় দৃষ্টয়ে।"

বৃহদাৰণ্যকোপনিষদ
ঈশোপনিষদ

উপনিষদৰ যুগৰ পিছত আহিল ষড়দৰ্শনৰ যুগ। সেই যুগত পৰজন্মত কৈ মোক্ষলাভৰ প্ৰচেষ্টাই প্ৰতিপাদ্য হ'ল আৰু জ্ঞানমাৰ্গতে অৱস্থিতি ৰ'ল ; ষড়দৰ্শনৰ যুগৰ পিছত পৌৰাণিক যুগ। এই যুগতেই ভক্তৰ দৃষ্টিৰ আমূল পৰিবৰ্তন ঘটিল। ভক্তিগঙ্গাৰ জোৱাৰ আহিল। ভকত প্লাৱিত হ'ল, সঞ্জীৱিত হ'ল। মোক্ষৰ কল্পনাৰ পৰিবৰ্তে অধিক কাম্য হ'ল ভগৱানৰ লগত ভক্তৰ সামীপ্য, বুদ্ধি-বৃত্তিৰ পৰিবৰ্তে, যুক্তি তৰ্কৰ পৰিবৰ্তে হৃদয়বৃত্তিৰ প্ৰাধান্য ঘটিল। উপনিষদৰ বিশ্বসত্তা আছিল নৈৰ্ব্যক্তিক পুৰাণৰ যুগত সেই নৈৰ্ব্যক্তিক বিশ্বসত্তা ব্যক্তিত্ব বিশিষ্ট ঈশ্বৰ হৈ ভক্তৰ

সন্মুখত থিয় হ'ল। ভক্ত আৰু ভগৱান, সখা, বন্ধু, মাতা, পিতা, পুত্ৰ; প্ৰিয়-প্ৰিয়াৰূপ প্ৰতিষ্ঠা লাভ কৰিলে। ভক্তি তৰঙ্গৰ উত্তাল সোঁতত সকলো একাকাৰ হ'ল।

বৌদ্ধ জাতকবিলাকৰ ভিতৰত ঘটপণ্ডিত জাতকৰ গাথাবোৰত কৃষ্ণৰ শৈশৱলীলাৰ কিছু পৰিচয় পোৱা যায়, ঘটপণ্ডিত জাতকত বলৰাম ঘটপণ্ডিত কৃষ্ণৰ সৰুভাই। দুয়োভায়েকক কেশৱ বোলা হৈছে। ঘটে তেওঁক প্ৰবোধ দি কৈছে—

"সোবন্নময়ং মনীময়ং লৌহময়ং অথ ৰূপিয়ামময়ং
সঙ্খসিলাপ্ৰবালময়ং কাৰয়িস্‌সামি তে সসং।।
সন্তি অঞ্ঞেপি সসকা অৰনঞ্ঞে বনগোচৰ
তে পি তে আনয়িসসামি কীদিসং সমসিচ্ছসি।।

সোণৰ, মণিমানিক্যৰ, লোৰ অথবা ৰূপৰ, শঙ্খপাথৰৰ. প্ৰবালৰ শহাপহু তোমাক গঢ়াই দিম, আৰু আন শহাপহুও বন অৰণ্যত পোৱা যায়, সেই শহাও তোমাক আনি দিব পাৰোঁ। কি শহা তোমাক লাগে কোৱা— কৃষ্ণই উত্তৰ দিলে—

"ন চাহসেতে ইচ্ছাসি মে সমা পথ বিস্‌মিতা
চন্দতো সঁসমিচ্ছামি তং মে ওহৰ কেশৱ।।"

এইবোৰ শহাপহু মোক নালাগে, যিবোৰ পৃথিৱীত আশ্ৰিত। চন্দ্ৰৰপৰা শহা মই বিচাৰোঁ, হে কেশৱ সেই শহাপহু মোক আনি দিয়া।

প্ৰাচীন জৈনশাস্ত্ৰত কৃষ্ণ আৰু যদুবীৰসকলৰ কাহিনী পোৱা যায় ঘোষাণ্ডী শিলালেখ (খৃঃ পূঃ ২০০) আৰু নানাঘাট শিলালিপিতো সংকৰ্ষণ আৰু বাসুদেৱৰ উল্লেখ আছে। মহাকবি কালিদাসে তেওঁৰ মেঘদূত কাব্যত গোপবেশিবিষ্ণোঃ আৰু গিৰি গোবৰ্দ্ধনৰ উল্লেখ কৰিছে। বাণভট্টৰ কাব্যতো বিষ্ণুভক্তসকলৰ উল্লেখ পোৱা যায়।

ওপৰোক্ত আলোচনাৰ পৰা দেখা যায় বিষ্ণুভক্তিৰ প্ৰসাৰ কিমান প্ৰবল। পুৰাণবিলাকৰ পৰা এইটো বুজা যায় যে ভক্তিমাৰ্গৰ ক্ষেত্ৰই এটা নতুন দৃষ্টিভঙ্গীৰ স্থান লৈছে। যুগে যুগে ই ভক্ত জিজ্ঞাসুৰ মনোভাব পৰিত্যাগ কৰি পৰম ভক্ত হৈ পৰিছে। বুদ্ধিবৃত্তিৰ পৰিবৰ্তে হৃদয়বৃত্তিৰ প্ৰাধান্য উপজিছে, উপনিষদৰ যুগত বিশ্বসত্তা আছিল নৈৰ্ব্যক্তিক। পুৰাণৰ যুগত সেই নৈৰ্ব্যক্তিক বিশ্বসত্তাই ব্যক্তিত্ববিশিষ্ট ঈশ্বৰ হৈ ভক্তৰ ওচৰত থিয় দিছে। এই যুগতেই ভক্তৰ লগত ভগৱানৰ প্ৰীতিৰ সম্বন্ধে ক্ৰমে ক্ৰমে প্ৰগাঢ়ৰ পৰা প্ৰগাঢ়তম অৱস্থা পাইছে।

মানুহৰ অন্তৰত তিনিটা মৌলিক বৃত্তি আছে-বুদ্ধিবৃত্তি, হৃদয়বৃত্তি আৰু সেৱাবৃত্তি। হৃদয়বৃত্তিয়ে যেতিয়া প্ৰাধান্য লাভ কৰে তেতিয়া স্নেহ, মমতা আৰু প্ৰীতিৰ সম্পৰ্ক হয়। প্ৰীতিৰ লগত সেৱা বৃত্তি আছে। কিন্তু যেতিয়া সেৱাবৃত্তিয়ে

প্ৰাধান্য লাভ কৰে তেতিয়া কেৱল ভক্তি নিবেদন কৰিয়ে ভক্তই নিজৰ জীৱন চৰিতাৰ্থ কৰি সন্তুষ্ট নহয়, ভক্তই তেতিয়া যিজনক ভক্তি কৰে তেওঁক সেৱা কৰিব খোজে। এই দুই বৃত্তিৰ জাগৰণৰ ফলতেই অসীম অনন্ত ভক্তৰ ওচৰত ধৰা দিয়ে, সসীম হয়।

বুদ্ধৰ শূন্যবাদ আৰু শঙ্কৰাচাৰ্য্যৰ মায়াবাদৰ বিৰুদ্ধে বিষ্ণুভক্তসকলে জনাইছে দুৰ্যোৰ প্ৰতিবাদ। উপনিষদ ঋষিয়ে কৈছে, "যতো বা ইমানি ভূতানি জায়ন্তে যেন জাত 'নি জীৱন্তি, যৎ প্ৰযন্ত্যভিসং বিশন্তি তদ্বিনি ভাসস্ব তদ্‌ব্ৰহ্ম। এই ঋষিয়ে আৰু কৈছে- "তমেব ভান্তমনুভাতি সৰ্বং তস্য ভাসা সৰ্বমিদং বিভাতি।"

বিষ্ণুভক্তসকলে গ্ৰহণ কৰিছে উপনিষদৰ সেই মহাবাণী, শূন্যবাদ আৰু মায়াবাদপিষ্ট নৰনাৰীৰ অন্তৰত বিষ্ণুভক্তসকলে জগাইছে আশাৰবাণী, প্ৰচাৰ কৰিছে এই জগত মিথ্যা নহয়, মায়া নহয়- "তস্য ভাসা সৰ্বমিদং বিভাতি" অৰ্থাৎ এই বিশ্বসৃষ্টি পৰমপুৰুষৰ লীলা, তেওঁৰ দীপ্তিত দীপ্তিমান— "আনন্দ ৰূপম্ যদ্বিভাতি।" শত সহস্ৰ অপূৰ্ণতা নানা বিকাৰ বিকৃতি সত্বেও এই মানৱ জীৱন বিফল নহয়, উপেক্ষণীয় নহয়, এই জীৱনৰ মাজতে পৰমাৰ্থিক মহাজীৱন লাভ কৰিব পাৰি—

"তদ্বিভূতি ভূতং জগদপি পৰমাৰ্থিক মে ৰেতি জায়তে"

এই বস্তু জগত, ইন্দ্ৰিয়ময় জগত আৰু জীৱন সেই পৰমপুৰুষৰে বিভূতি মাত্ৰ, তেওঁৰেই লীলা বা বিলাস।

'সৰ্ব খল্বিদং ব্ৰহ্ম'— একমাত্ৰ ব্ৰহ্ম সত্য জগৎ মিথ্যা বৈষ্ণৱসকলে এই তত্ত্ব মানি নলয়। বৈষ্ণৱসকলৰ মতে ব্ৰহ্মাই জগৎ, জগতেই ব্ৰহ্ম, অৰ্থাৎ সৃষ্টিৰ মাজতে স্ৰষ্টা বিদ্যমান।

কৃষিঃ ভূৰাচকঃ শব্দঃ নশ্চনিবৃতিবাচকঃ।<br>
দ্বয়োৰৈক্যং পৰমব্ৰহ্ম কৃষ্ণেত্য ভিধীয়তে। (মহাভাৰত)<br>
মহাপুৰুষ মাধৱদেৱৰ ভাঙনি ঃ<br>
কৃষ্ণহেন শব্দ ইটো পৃথিৱী বাচক ভৈল<br>
ন আনন্দত প্ৰবৰ্ত্তয়,<br>
দুইৰ এক পদ ভৈলে পৰমব্ৰহ্ম ৰূপ কৃষ্ণ<br>
নাম আনন্দক মাত্ৰ কয়।। (নামঘোষা)

## দাক্ষিণাত্যত ভক্তিগঙ্গাৰ উৎপত্তি ঃ
## আলৱাৰ আন্দোলন

ভক্তিৰ বিষয়ে পদ্মপুৰাণৰ শ্লোক এটিত উল্লেখ এনেধৰণৰ ঃ

উৎপন্না দ্ৰাবিড়ে চাহং কৰ্ণাটে বৃদ্ধিমাগতা

স্থিতা কিঞ্চিৎ মহাৰাষ্ট্ৰে গুৰ্জৰে জীৰ্ণতাংগতা।।

ভক্তিয়ে কৈছে ঃ মোৰ জন্ম দ্ৰাবিড় দেশত, বৃদ্ধি কৰ্ণাটকত, কিছুকাল স্থিতি মহাৰাষ্ট্ৰত আৰু জীৰ্ণ বা অৱক্ষয় গুজৰাটত। ভক্তি বা মধুসূদনত শৰণাগতিৰ বিষয়ে বিষ্ণুপুৰাণৰ মতো তাৎপৰ্যাপূৰ্ণ। এই পুৰাণৰ তৃতীয়খণ্ডৰ সপ্তম অধ্যায়ত ঋষি মৈত্ৰেয়ৰ প্ৰশ্নোত্তৰত গুৰু পৰাশৰে কৈছে যে মহাত্মা নকুলে পিতামহ ভীষ্মক প্ৰশ্ন কৰিছিল কি প্ৰকাৰ কৰ্ম কৰিলে মানুহ যমৰ অধীন নহয়? উত্তৰত ভীষ্মই কৈছিল যে কলিঙ্গদেশোদ্ভৱ তেওঁৰ এক ব্ৰাহ্মণ সখাই জাতিস্মৰ কোনো এক মুনিৰ শিক্ষাৰ উদ্ধৃতি দি কৈছিল যে মধুসূদনৰ শৰণাগত বৈষ্ণৱসকলৰ বাহিৰে আনসকলো জীৱৰ ওপৰত যমৰ অধিকাৰ। যমেও হৰিৰ আজ্ঞাত্তহে কৰ্ম্ম কৰে, তেওঁ স্বাধীন নহয়। এই কথা বৰ্ত্তমানেও সত্য আৰু ভৱিষ্যতেও সত্য থাকিব।

পৰিহৰ মধুসূদন প্ৰপন্নাম

প্ৰভুৰহমন্যনৃনাং ন বৈষ্ণৱবানাম্।

কলিঙ্গদেশ হ'ল বৰ্ত্তমানৰ উড়িষ্যা ৰাজ্য। ই দ্ৰাবিড় দেশৰ লগত সংলগ্ন আৰু ইয়াতেই মহাপ্ৰভূজগন্নাথৰ মন্দিৰ অৱস্থিত।

ভাৰতীয় ধৰ্মৰ বিবৰ্ত্তনৰ পটভূমিত শ্ৰীমদ্ভাগৱতগীতা শাস্ত্ৰত প্ৰথমে ভক্তিতত্ত্বটো সবল আৰু সুস্পষ্টৰূপে প্ৰতিষ্ঠাপিত হয়। বেদৰ কৰ্মকাণ্ডৰ পিছত উপনিষদীয় সূত্ৰই প্ৰকাশ কৰিছিল নিৰ্গুণ, নিৰাকাৰ ব্ৰহ্মতত্ত্ব। সেই যুগতো ব্ৰহ্মা বিষ্ণু আৰু শিৱ এই ত্ৰিমূৰ্তিৰ সমান্তৰাল কিন্তু নিম্নস্তৰীয় প্ৰাধান্য আছিল। গীতাই প্ৰথমে ব্ৰহ্মাক বিষ্ণুলৈ ৰূপান্তৰিত কৰিলে। নিৰাকাৰ নিৰ্গুণ ব্ৰহ্ম জ্ঞানেৰে প্ৰনিধানযোগ্য আৰু ভক্তিৰে উপাস্য দয়াময় ঈশ্বৰ ৰূপে প্ৰতিষ্ঠিত হ'ল উচ্চতম স্তৰত ব্ৰহ্মাৰ প্ৰতিষ্ঠা সলনি নোহোৱাকৈয়ে। শ্ৰীকৃষ্ণ ইমানদিন বিষ্ণুৰ যি এক খণ্ড অৱতাৰ ৰূপে কল্পিত হৈছিল তেওঁ বিষ্ণুৰ পূৰ্ণৰূপ ধাৰণ কৰি একেজনেই স্ৰষ্টা, পালন কৰ্ত্তা আৰু সংহাৰকাৰীৰূপে স্থাপিত হ'ল। উপনিষদৰ জ্ঞানমাৰ্গ, স্বীকৃত হৈ থাকিল কেৱল মুষ্টিমেয় কেইজনমান জ্ঞানীৰ মানত। কৰ্মমাৰ্গত স্বীকৃত হ'ল ফলাকাঙ্ক্ষা নকৰাকৈ, ধৰ্মৰ অনুমোদিত কৰ্মৰাজিৰ আলমত, কিন্তু সকলো মাৰ্গৰ শীৰ্ষস্থান ল'লে ভক্তিযোগে। এই মাৰ্গত শ্ৰীকৃষ্ণৰ ৰূপ হ'ল ভুবনমোহন বংশীধাৰী, যাৰ গুণ-যশৰ মহিমাৰ মাহাত্ম্য বিশাল সমুদ্ৰৰ সীমাহীন জলৰাশিতকৈয়ো বেছি বিস্তৃত বুলি প্ৰতীয়মান হ'ল। গীতাত শ্ৰীকৃষ্ণই মনুষ্যৰূপে ধৰাধামত অৱতীৰ্ণ হৈ সখা অৰ্জুনক কৰ্মযোগ, জ্ঞানযোগ, ৰাজগুহ্যযোগ আৰু অৱশেষত ভক্তিযোগৰ তাত্বিক ব্যাখ্যা শুনাই অধৰ্মীৰ নিধন সাধিলে। ভাগৱতৰ শিশু কৃষ্ণই সকলো প্ৰকাৰ মানবীয় লীলাৰ মাজেৰে সকলো প্ৰকাৰ ভক্তকে বিলালে বিবিধ ৰস, দেখুৱালে

বীৰত্বৰ, দয়া-কৰুণাৰ মহত্তম চানেকি। ভক্ত আৰু ভগৱান একাকাৰ হ'ল।

হিন্দুৰ ধৰ্মশাস্ত্ৰবোৰ পণ্ডিতৰ ভাষাত অৰ্থাৎ সংস্কৃত ভাষাত ৰচিত। সেই ভাষা আয়ত্তাধীন আছিল মুষ্টিমেয় পণ্ডিতৰহে। সংস্কৃত পঢ়িব বা লিখিব জনা বা বুজি পোৱা লোক পুৰণি কালৰ কথাই নাই আজিও হাতৰ আঙুলিত লেখিব পাৰি। সেয়ে ধৰ্ম্মীয় তত্ত্ববোৰ অনুধাৱন কৰিবলৈ সাধাৰণ লোকে পণ্ডিতৰ কাষ চাপিব লগীয়া হয়। এই প্ৰক্ৰিয়াতে ন্যস্ত স্বাৰ্থৰ গোষ্ঠীৰো সৃষ্টি নোহোৱাকৈ নাছিল। গুৰুগিৰি পেশাগত ৰূপ লোৱাত শাস্ত্ৰৰ ব্যাখ্যাৰো বিকৃতি ঘটিছিল। একে শাস্ত্ৰকে বিভিন্ন পণ্ডিতে বিভিন্ন ভাৱত ব্যাখ্যা আগবঢ়াইছিল, যাৰ ফলত প্ৰকৃত ধৰ্মীয়-তত্ত্ব আৰু সাধাৰণ মানুহে পালন কৰা ধৰ্মীয় নীতিৰ মাজত সামঞ্জস্য স্থাপিত হোৱা নাছিল। এই প্ৰথাৰ বিৰুদ্ধে প্ৰথমে বিপ্লৱ ঘোষণা কৰিছিল দুজন অৱতাৰী পুৰুষে, তেওঁলোক হ'ল মহাবীৰ জৈন আৰু গৌতম বুদ্ধ। এওঁলোক দুয়োজনে ধৰ্মীয়-তত্ত্ব আৰু সাধাৰণ মানুহৰ মাজৰ অন্তৰায় দূৰ কৰিবলৈ ধৰ্মীয় নীতি উপদেশবোৰ প্ৰাকৃত ভাষাত বা জনগণৰ কথিত ভাষাত লিপিবদ্ধ কৰাৰ ব্যৱস্থা কৰিছিল। এওঁলোকে প্ৰচলিত হিন্দু ধৰ্মীয় তত্ত্বৰ 'গুণহীন অসীম'জনৰ কল্পনাটো উপলুঙা কৰি কৈছিল যে তাতকৈ ঈশ্বৰহীন তত্ত্ব বা শূন্যবাদ বা নাস্তিকতাবাদ মানুহৰ বাবে বেছি বোধগম্য পন্থা। এই দুয়োজন সংস্কাৰকৰ উপদেশাৱলীত কিন্তু সামাজিক বা ব্যক্তিগত ক্ষেত্ৰত মানুহৰ নৈতিক দিশটোৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। আৰু এওঁলোকে গোড়া হিন্দুধৰ্মই জাপি দিয়া নানা বিধি ব্যৱস্থাৰ বিপৰীতে মানুহৰ মুক্তিৰ বাবে সহজ পথৰ সন্ধান দিছিল। এনেদৰেই প্ৰথমে আৰম্ভ হৈছিল হিন্দুধৰ্মৰ সংস্কাৰ অভিযান, যি যুগে যুগে নানা ভাৱে ক্ৰিয়া কৰি আছে। বুদ্ধৰ পিছত অতি শক্তিশালী সংস্কাৰধৰ্মী অভিযান হ'ল আলৱাৰসকলৰ ভক্তি আন্দোলন। দাক্ষিণাত্যৰ বা দ্ৰাবিড় দেশত আলৱাৰ সন্তসকলৰ কথা আলোচনা কৰিবলৈ ল'লে প্ৰথমেই এই ধাৰণা মনলৈ আহে যে তেওঁলোকেই প্ৰথমে গীতা শাস্ত্ৰৰ মহাপুৰুষ শ্ৰীকৃষ্ণক শাস্ত্ৰৰ বান্ধোন ভাঙি নৃত্যে, গানে, থলুৱাছন্দৰ বাক্যে-ব্যৱহাৰে সাধাৰণ মানুহৰ মাজলৈ নমাই আনিবলৈ সক্ষম হৈছিল। 'আলৱাৰ' শব্দৰ সাধাৰণ অৰ্থ হ'ল শাসনকৰ্তা। সঁচাকৈ তেওঁলোক ভগৱানৰ ওচৰত ভক্তি প্ৰেমেৰে এনেদৰে একাত্ম হৈ পৰিছিল যে তেওঁলোকে আবেগ অনুভূতিৰ মাধ্যমত ঈশ্বৰক বশ বা শাসন কৰাৰ অধিকাৰো অৰ্জন কৰিছিল। আলৱাৰসকলৰ মুঠ সংখ্যা আছিল দ্বাদশ। এওঁলোকৰ ভিতৰত অন্দল নামৰ এগৰাকী নাৰীও আছিল। এই দ্বাদশ সন্তৰ ভিতৰত ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু অস্পৃশ্য কুলৰ আনকি মহাপাতকী চোৰ-ডকাইতো আছিল আৰু কেজনমানৰ পিতৃ পৰিচয়ো নাছিল। 'আলৱাৰ' সম্প্ৰদায়ৰ প্ৰথম কৰিছিল। পিতৃ-মাতৃৰ কোনো পৰিচয় নথকা কাৰণে মানুহে তেওঁক জহৰা বুলি, শূদ্ৰ

তিনিজন পুৰুষক ক্ৰমে 'পৈগাই', 'পদুম' আৰু 'পে' নামেৰে জনা গৈছিল। তামিল 'পৈগাই' শব্দৰ অৰ্থ হ'ল পুখুৰী, 'পদুম' মানে ভূত আৰু পে'ৰ শব্দাৰ্থ হ'ল প্ৰেতাত্মা। এওঁলোকে হৰি কীৰ্ত্তনত এনেদৰে মতলীয়া হৈছিল যে এওঁলোক বালিয়া ভূত বুলিহে মানুহৰ প্ৰথমতে ধাৰণা হৈছিল। এওঁলোকে অধীৰভাবে হাঁহিছিল, কান্দিছিল, নাচিছিল আৰু আবেগিক গীত গাই গাই মাজে মাজে চৈতনা হেৰুৱাই পেলাইছিল। ভগবদ্ ভক্তি প্ৰেমত আপ্লুত হৈ এওঁলোকে তামিল দেশৰ গাঁৱে-ভূঞে, চহৰে-নগৰে হৰি-সংকীৰ্ত্তন কৰি ফুৰাৰ সময়ত এনেকুৱা ভাব হৈছিল যে এওঁলোকে যেন সশৰীৰে বিষ্ণুৰ লগত ধেমালিহে পাতিছে। ইমান কাল যি ঈশ্বৰ কেৱল প্ৰাৰ্থনাৰ, সাধনাৰ আৰু ধ্যানৰ বস্তু আছিল এওঁলোকে সেই ঈশ্বৰক বন্ধুৰূপে, সখাৰূপে, পুত্ৰৰূপে স্বামীৰূপে আৰু যেনে ইচ্ছা তেনে ৰূপত পাৰ্থিব জগতৰ ধূলিৰ মাজত চিৰসংগীৰূপে বিচাৰি পাইছিল। ঐতিহাসিক কালৰ হিন্দু ধৰ্মীয় ভাবধাৰাত ব্যক্তি আৰু ঈশ্বৰৰ এই মধুৰ মিলনৰ অৱস্থাৰ পৰিৱেশ অভূত-পূৰ্ব এক অভিজ্ঞতা হ'লেও ইয়ে জনগণৰ সামূহিক ধ্যান-ধাৰণাত এক বিৰাট আলোড়নৰ সৃষ্টি কৰিছিল।

পৰম্পৰাগতভাৱে চলি অহা জনশ্ৰুতিমতে দ্বাদশ আলবাৰৰ জীৱন বৃত্তান্ত এনেধৰণৰ—

পে আলবাৰৰ জন্ম হৈছিল মাইলাপুৰৰ এটি সৰোবৰত ফুলি থকা এক ৰঙা পদুমৰ ভিতৰত আৰু একেদিনতে মাইলাপুৰৰ দক্ষিণে কেইমাইলমান দূৰত মহাবলীপুৰমত জন্ম হৈছিল পদুম বা ভূতম্ আলবাৰ। এওঁলোক দুজনৰ জন্মৰ আগদিনা কাঞ্চি বা কাঞ্চিভৰমৰ বিষ্ণুমন্দিৰৰ এটি পুখুৰীৰ এটি পদুমফুলৰ পৰা উপজিছিল পৈগাই বা পৈকাই আলবাৰ। ঘটনাচক্ৰত এদিনাখন ভীষণ প্ৰাকৃতিক দুৰ্য্যোগৰ পৰা পৰিত্ৰাণ পাবলৈ এওঁলোকে দৈবক্ৰমে আহি এডুখুৰি সৰু ঠাইত লগ লাগিছিল। বাহিৰৰ প্ৰবল বৰষুণৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকে যেতিয়া ওচৰা-ওচৰিকৈ থিয় হৈছিল সেই সময়ত আন এজনেও তেওঁলোকৰ মাজত সোমাবলৈ চেষ্টা কৰাৰ উমান তেওঁলোকে পাইছিল। চতুৰ্থজন আছিল স্বয়ং ভগৱান। দুৰ্য্যোগৰ নিশা আঁতৰি যেতিয়া দিনৰ পোহৰ নামিল তেওঁলোকে আনন্দত উত্ৰাৱল হৈ গীত গাবলৈ আৰম্ভ কৰিলে। ইয়াৰ ফলতেই সৃষ্টি হৈছিল প্ৰথম, দ্বিতীয় আৰু তৃতীয় টিৰুবন্দাদি প্ৰাৰ্থনা গীতসমূহ, তিনিওজনে প্ৰত্যেকে গোৱা একশ শ্লোক বা চৰণৰ ভক্তিগীত। এই গীতৰ ভাষা তামিল।

এই সম্প্ৰদায়ৰ চতুৰ্থজনৰ নাম আছিল টিৰুমালাছাই। আগৰ কেজন আলবাৰ জন্মৰ তিনিমাহ পিছত এওঁক পুনামাল্লী নামৰ গাওঁৰ এক অৰণ্যৰ মাজত বিচাৰি পোৱা গৈছিল। এজন হীন জাতিৰ লোকে তেওঁক তুলি-তালি ডাঙৰ-দীঘল

বুলি নানা ঠাট্টা-মস্কৰা কৰিছিল। তেওঁ সকলৰে পৰা বিষ্ণুৰ একান্ত ভকত আছিল আৰু যোগ-সাধনাত ব্ৰতী হৈছিল। এওঁৰ ৰচিত ৯৬ চৰণ যুক্ত 'নাম্মুখন টিৰুবান্দাদি' আৰু ১২০ চৰণযুক্ত 'টিৰুবন্দাভিৰুত্তম' গীতত ভক্তিৰসৰ অতি উজ্বল মাহাত্ম্য প্ৰকাশ পাইছে। সেয়ে শেষত ৰাইজে তেওক 'ভক্তিসাৰ' উপাধি প্ৰদান কৰিছিল। এওঁৰ গীতত জৈন আৰু শৈৱ ভকতসকলৰ বিষয়েও অতি আকৰ্ষণীয় আৰু উচ্চ ধৰণৰ বৰ্ণনা পোৱা যায়।

ইয়াৰ পিছৰজন আলৱাৰ ভকত হ'ল নমলৱাৰ। এওঁ এই সম্প্ৰদায়ৰ শ্ৰেষ্ঠতম পুৰুষ। এওঁ লিখা ভক্তি-গীতখিনি তামিলবেদ আখ্যা পাইছে। এওঁক মানুহে নম্মলৱাৰ, মৰাণ, পৰাণকুসৰ,, সাতকোপাৰ আৰু বকুলভৰাণৰ আদি উপাধিৰে সম্বোধন কৰিছিল।

নলমৱাৰৰ জন্ম হৈছিল টিনেভেলী কুৰুকুৰ নামে ঠাইৰ এক শূদ্ৰ পৰিয়ালত। জীৱনৰ প্ৰথম যোল বছৰ যি সময়ত এওঁক মৰাণ বুলি জনা গৈছিল সেই সময়ত এওঁ এডাল তেতেলী গছৰ তলত বহি কটাইছিল। তেওঁ চকুও নেমেলিছিল আৰু মুখেৰেও কোনো কথা নকৈছিল। সেই সময়ত এওঁৰে প্ৰধান শিষ্য মধুৰ কবি উত্তৰ ভাৰতলৈ তীৰ্থ ভ্ৰমণলৈ আহোতে দাক্ষিণাত্যৰ পিনে এটি উজ্জ্বল পোহৰৰ ৰেখা দেখা পাই সেইটো অনুসৰণ কৰি গৈ গৈ নমলৱাৰৰ গাওঁ কুৰকুৰ পাইছিল আৰু তেতেলী গছৰ তলত তেওঁ বহি থকা দেখি অভিভূত হৈছিল। এটি সাঁথৰ প্ৰশ্ন কৰি তেওঁ মৰাণৰ সুদীৰ্ঘ ধ্যান-সমাধিৰ পৰিসমাপ্তি ঘটাবলৈ সক্ষম হ'ল আৰু লগে লগে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিলে। মৰাণৰ ব্ৰহ্মজ্ঞান তেতিয়া পূৰ্ণভাৱে প্ৰকাশিত হৈছে। নমলৱাৰৰ গোটেই জীৱন অতিবাহিত হৈছিল প্ৰকৃত সত্যলাভৰ ধ্যানত। এওঁ জীৱনকালতে বিষ্ণুৰ সাক্ষাৎ লাভ কৰিবলৈ সমৰ্থ হৈছিল আৰু সেয়েহে তেওঁৰ কণ্ঠেৰে নিগৰি ওলাইছিল ভক্তিগীতৰাজি, যিখিনি চাৰিবেদৰ সাৰমৰ্ম বুলি কোৱা হয় আৰু সিয়ে পঞ্চমবেদ আখ্যা পাইছে। এওঁৰ ভক্তিগীতসমূহ হ'ল শতকচৰণভূক্ত 'টিৰুভিৰুত্তম', সপ্তম চৰণৰ 'টিৰুবাসিৰিয়ম', সপ্তাশীচৰণৰ 'পৰিয়া টিৰুবন্দাদি' আৰু এহেজাৰ একশ দুই চৰণৰ 'টিৰুবায়মলী', ত্ৰয়োদশ শতিকাৰ ৰামনুজ পৰম্পৰাৰ প্ৰখ্যাত আচাৰ্য্য বেদান্ত দেশিকই টিৰুবায়মলী প্ৰাৰ্থনা সঙ্গীতক দ্ৰামিপোনিষদ আখ্যা দিছে। দাক্ষিণাত্যৰ শ্ৰীবৈষ্ণৱ সম্প্ৰদায়ৰ আজিৰ বিশ্বাস আৰু ভাৱনাৰ আধাৰ হ'ল এই মহাপুৰুষজনাৰ কীৰ্ত্তি আৰু সাধনা। আধুনিক কালৰ গৱেষক পণ্ডিতসকলে এওঁৰ জন্মকাল নৱম শতাব্দীৰ প্ৰথম ভাগ বুলি নিৰ্ণয় কৰিছে।

প্ৰথমতে গুৰুৰ জ্ঞান-মনীষাৰ ভাণ্ডাৰৰ কপাট-দ্বাৰ উন্মুক্ত কৰি নমলৱাৰৰ শিষ্যত্ব গ্ৰহণ কৰা মধুৰ কবি আলৱাৰ ব্ৰাহ্মণ কুলৰ আছিল। তেওঁ বৰ্তমান তামিলনাডু ৰাজ্যৰ টিৰুনেলভেলী জিলাৰ বাসিন্দা আছিল। তেওঁ দেখাত অতি সুশ্ৰী আৰু

তীক্ষ্ণমেধাসম্পন্ন আছিল। তেওঁৰ ৰচিত দশ অধ্যায়পূৰ্ণ 'কান্নিনুম শ্ৰীটাম্বু' আটাইখিনিকে গুৰুবন্দনা বুলিব পাৰি। তেওঁ বিষ্ণুৰ সম্বন্ধে কোনো গীত লিখা নাই। তেওঁ আনকি প্ৰকাশো কৰিছে যে তেওঁ নমলৱাৰৰ বাহিৰে আন কোনো ঈশ্বৰক বিশ্বাস নকৰে। বৈষ্ণৱ সম্প্ৰদায়ৰ গুৰুভক্তিৰ পৰম্পৰাটো এওঁৰ পৰাই আৰম্ভ হৈছে বুলি পণ্ডিতসকলে ভাৱে। এওঁক বিষ্ণুৰ খণ্ড-অৱতাৰৰূপে মানুহে বিশ্বাস কৰিছিল। পিছৰকালৰ বৈষ্ণৱ আন্দোলনত এওঁৰ ভূমিকা সোয়েহে অতি তাৎপৰ্য্যপূৰ্ণ বুলি আজিও স্বীকৃত।

সপ্তমজন আলৱাৰ কুলশেখৰ আছিল মালৱাৰৰ ৰজা। এওঁৰ ভক্তি-গীতবোৰত বহু ৰাজ প্ৰাসাদৰ বৰ্ণনা পোৱা যায়। এওঁৰ জন্ম সময়ো নৱম শতিকাৰ প্ৰথমতে বুলি নিৰ্ণয় কৰা হৈছে। এওঁ ৰাজপাটত উঠিয়েই এজন শক্তিমন্ত শাসক হিচাবে পৰিচয় দিবলৈ সক্ষম হৈছিল, কিন্তু পিছলৈ এওঁৰ মন ধৰ্মৰ ফালে এনেকৈ ঢাল খালে যে অনেক সময়ত তেওঁৰ কাৰ্য্যকলাপত বলিয়ালিৰ চিন দেখা গ'ল। এদিনাখন এওঁ ৰামায়ণৰ এটি পৰ্বৰ আবৃত্তিত শুনিলে যে ৰামে অজস্ৰ শত্ৰুৰ মাজত অকলে থিয় হৈ আছিল। তেওঁ এনেদৰে অভিভূত হৈ পৰিল যে নিজৰ সৈন্য বাহিনীক ৰামৰ উদ্ধাৰৰ বাবে যাবলৈ কঠোৰ আদেশ দিলে। তেওঁ পৰিষদ আৰু মন্ত্ৰীসকলৰ তেওঁক বুজাই-বঢ়াই নিবৃত্ত কৰিবলৈ বহু সময় লাগিল। আৰু এবাৰ তেওঁ লঙ্কাত বন্দিনী হৈ থকা সীতাৰ কল্পনাত এনেদৰে আবেগিক হৈছিল যে সীতা উদ্ধাৰৰ কাৰণে লঙ্কালৈ বুলি সমুদ্ৰত জাপ দিছিল। এওঁৰ এনেকুৱা কাহিনী আৰু বহুত আছে। অৱশেষত তেওঁ ৰাজ্য সিংহাসন ত্যাগ কৰি শ্ৰীৰঙ্গম মন্দিৰত আশ্ৰয় লৈহে শান্তি অনুভৱ কৰিছিল আৰু তাৰপৰাই আন বহু মঠ-মন্দিৰ দৰ্শন কৰি ফুৰিছিল। এওঁৰ ধৰ্ম্মীয় আবেগৰ অভিজ্ঞতাপুষ্ট প্ৰকাশ হ'ল একশ তিনি চৰণযুক্ত 'পেৰুমল টিৰুমেলী' আৰু 'মুকুন্দমালা'। মুকুণ্ডমালাৰ কাব্যৰস জয়দেৱৰ গীতগোবিন্দৰ লগত তুলনা কৰা হয়।

ইয়াৰ পিছৰজন হ'ল বিষ্ণুচিত্ত বা পেৰিয়া আলোৱাৰ। তামিল 'পেৰিয়া' শব্দৰ অৰ্থ হ'ল ডাঙৰ বা বৃহৎ। এওঁ শ্ৰীভিল্লিপুত্তুৰৰ এটি ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। নিজ গাৱঁৰ বিষ্ণুমন্দিৰত বট বৃক্ষত শুই থকা বালগোপালৰ মূৰ্ত্তিত তেওঁ সদায় ফুলৰ মালাৰ যোগান ধৰিছিল। এদিনাখন সপোনতে মাদুৰাইৰ পাণ্ডিয়া ৰজা বল্লভদেৱৰ ৰাজসভাত উপস্থিত হোৱাৰ আদেশ পালে, য'ত ৰাজাহুত বহু সন্তই বেদান্ত দৰ্শন আলোচনাত নিমগ্ন আছিল। ৰজাই বিষ্ণুচিত্তৰ পাণ্ডিত্যৰ প্ৰমাণ পাই সেই সভাতে তেওঁক ব্ৰাহ্মণ শ্ৰেষ্ঠ উপাধিৰে বিভূষিত কৰিলে। উভতি আহোঁতে তেওঁ বিষ্ণুপ্ৰেমত মতলীয়া যেন হৈ পৰিল আৰু তেওঁৰ মুখেৰে অনৰ্গল বিষ্ণুভক্তিগীত প্ৰকাশ পাবলৈ ধৰিলে। এনেদৰেই সৃষ্টি হ'ল 'টিৰুপল্লাদু'

সংগীতবাজি। ইয়াত তেওঁৰ বিষ্ণুৰ লগত সাক্ষাৎ আৰু বিষ্ণুৰ মহিমাৰ কাহিনী মধুৰ ৰসৰ সংমিশ্ৰণ হিচাপে বৰ্ণিত হৈছে। গীতসমূহত শিশুকৃষ্ণৰ প্ৰতি মাতৃৰ অপত্য স্নেহৰ বৰ্ণনাই প্ৰধানকৈ স্থান পাইছে। তেওঁ নিজকে মাতৃ যশোদাৰ স্থানত বহুৱাইছিল। এৱেঁই পাণ্ডিয়া ৰজাকো শ্ৰীবৈষ্ণৱ সম্প্ৰদায়ভুক্ত কৰিছিল। এওঁক নৱম শতিকাৰ মধ্যকালৰ বুলি নিৰ্ণয় কৰা হৈছে।

অন্দল আছিল একমাত্ৰ মহিলা আলৱাৰ। এওঁক বিষ্ণুচিত্তই তেওঁৰ ফুলৰ বাগিচাৰ এজুপি তুলসীগছৰ তলত কেঁচুৱা অৱস্থাত পাইছিল আৰু তুলি-তালি আপোন জীয়ৰীৰ দৰে ৰাখিছিল। অন্দলৰ তোলনীয়া পিতৃয়ে দিয়া নাম আছিল 'গোদা', অৰ্থাৎ মাতৃ বসুমতীৰ দান। তামিল 'অন্দল' শব্দৰ অৰ্থ হ'ল- যাৰ জনগণৰ হৃদয়ত নিবাস। কিশোৰ কালৰ পৰাই এওঁৰ চৰিত্ৰত অস্বাভাৱিক লক্ষণ প্ৰকাশ পাইছিল। বিষ্ণুচিত্তই প্ৰত্যেক দিনে তেওঁৰ ইষ্ট দেৱতা শ্ৰীকৃষ্ণলৈ বুলি এধাৰি মালা গাঁথি অতি পবিত্ৰভাৱে মন্দিৰলৈ লৈ গৈছিল। এদিন তেওঁ মন্দিৰলৈ যাবলৈ ওলাই দেখে যে সেই মালা অন্দলে পিন্ধি বহি আছে। পিতাকৰ খং উঠিল। তেওঁ সেই মালা অস্পৃশ্য হোৱা বুলি নতুনকৈ এডাল মালা গাঁথি মন্দিৰলৈ যাব ওলাল ; কিন্তু অন্দলে ক'লে যে শ্ৰীকৃষ্ণৰ মালা তেওঁহে সদায় প্ৰথমে পিন্ধে। বিষ্ণুচিত্ত আঁচৰিত হ'ল, কিন্তু একেবাৰে হতবাক হৈ পৰিল তেতিয়া যেতিয়া তেওঁ নতুনকৈ গঠা মালা শ্ৰীকৃষ্ণৰ বিগ্ৰহত পিন্ধাই দিয়াৰ লগে লগে ছিগি পৰিল। তেওঁ ঘৰলৈ উভতি আহি পুৰণি মালাডাল নি যেতিয়া পিন্ধালে তেতিয়াহে বিগ্ৰহ শান্ত হোৱা যেন অনুমান হ'ল। তেতিয়াৰপৰা সকলোৱে অন্দলক লক্ষ্মীৰ লগত তুলনা কৰিবলৈ ধৰিলে। অন্দলে নিজকে শ্ৰীকৃষ্ণৰ প্ৰিয় গোপিকা বুলি বিশ্বাস কৰিছিল আৰু সেয়ে পিতাকৰ বহু চেষ্টা সত্ত্বেও কোনো পুৰুষকে বিয়া কৰিবলৈ ৰাজি নহ'ল। তেওঁৰ মতে বিশ্বত এজনেহে পুৰুষ আছে যাৰ লগত তেওঁ বিবাহ পাশত আৱদ্ধ। ওৰে জীৱন তেওঁ শ্ৰীৰঙ্গম মন্দিৰত শ্ৰীকৃষ্ণৰ চৰণ অৰ্চন আৰু বন্দন কৰি কটালে। তেওঁ ৰচা গীত 'টিৰুপ্পাৱয়' আৰু 'নাছিয়াৰ' শ্ৰীৰঙ্গম বা শ্ৰীকৃষ্ণৰ লগত তেওঁৰ প্ৰেম-বিহাৰৰ কাহিনী। জনশ্ৰুতিমতে তেওঁ সশৰীৰে শ্ৰীৰংগম মন্দিৰৰ বিগ্ৰহৰ লগত লীন হৈ গৈছিল। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ জন্মস্থান বা আবিৰ্ভাৱস্থল শ্ৰীভিল্লিপট্টুৰত এটি বৃহৎ স্মৃতি মন্দিৰ স্থাপিত হৈছে। নৱম শতিকাৰ এই সাধিকাৰ জীৱন আৰু গীতসমূহৰ প্ৰতিফলন দেখিবলৈ পোৱা যায় পিছৰ যুগৰ মীৰাবাইত।

আলৱাৰ সম্প্ৰদায়ৰ দশমজনৰ নাম আছিল বিপ্ৰনাৰায়ণ। তেওঁ ব্ৰাহ্মণ কুলত উপজিছিল আৰু পেৰীয়া আলোৱাৰৰ দৰে সদায় শ্ৰীৰঙ্গম মন্দিৰৰ শ্ৰীকৃষ্ণ বিগ্ৰহক ফুলৰ মালাৰে পূজা কৰিছিল। এওঁৰ চেহেৰা আছিল যেনে সুদৰ্শন মেধাও আছিল তেনে তীক্ষ্ণ। কিন্তু মানুহজন ভিতৰি ভিতৰি অত্যন্ত অহংকাৰী আছিল। তেওঁ

পৃথিৱীৰ কাকো তেওঁতকৈ জ্ঞানী বা তেওঁৰ সমকক্ষ বুলি বিবেচনা নকৰিছিল। শেষত তেওঁ দেৱাদেৱী নামৰ এক বাৰাঙ্গনাৰ প্ৰলোভনত ভোল গৈ নানা বিলাই বিপত্তি ভুগিবলগীয়া হৈছিল। বেশ্যাজনীয়ে প্ৰথমে এওঁৰ ৰূপ-গুণত মুগ্ধ হৈ বৈষ্ণৱীবেশ ধৰি এওঁৰ ঘৰত একেলগে থাকিবলৈ লয় আৰু পিছত অৰ্থাদিৰ অভাৱ হোৱাত তেওঁক পৰিত্যাগ কৰি গুচি যায়। বিপ্ৰই কিন্তু তথাপিও তেওঁৰ পিছ নেৰা হয়। এদিন শ্ৰীৰঙ্গম মন্দিৰৰ সোণৰ ঠাল এখন বেশ্যাৰ ঘৰৰ পৰা উদ্ধাৰ হোৱাত ৰাজকৰ্মচাৰীয়ে বিপ্ৰক চোৰ বুলি গ্ৰেপ্তাৰ কৰি কাৰাগাৰত ৰাখে। শেষত ৰজাই এদিন তেওঁক বিনাচৰ্তে মুক্তি দি ৰাজসভাত প্ৰকাশ কৰে যে সপোনত তেওঁক বিষ্ণুৱে নিৰ্দেশ দিছে যে বিপ্ৰ প্ৰকৃততে তেওঁৰ একান্ত ভকত। এওঁৰ অহঙ্কাৰৰ বীজ বিনাশ কৰিবলৈহে বিষ্ণুৱে এওঁকলৈ এই লীলা খেলিলে।

কাৰাগাৰৰ পৰা ওলাই আহি বিপ্ৰই পুনৰ মন্দিৰলৈ আহি নতুন নাম ল'লে 'টোন্দৰাদিপ্পোদি' অৰ্থাৎ ভগৱানৰ দাসসকলৰ ভৰিৰ ধূলি। তেওঁ ওৰেজীৱন মন্দিৰত ভকতৰ ভৰিৰ ধূলি চাফ্ কৰি দিয়া কাম কৰি জীৱন কটায়। এওঁৰ ধৰ্মীয় দৰ্শনৰ চূড়ান্ত প্ৰকাশ দেখিবলৈ পোৱা যায় এওঁৰ দুই গীতমালাত, যেনে-টিৰমালাই (মালা) আৰু টিৰুপপল্লী ইলুচি (বিশ্বকৰ্তাৰ টোপনি ভঙা গীত)।

এওঁ বৌদ্ধ আৰু জৈনসকলৰ বিৰুদ্ধে বিদ্বেষ প্ৰকাশ কৰিছিল, এটি গীতত শৈৱসকলৰ বিৰুদ্ধেও উল্লেখ আছে। এওঁৰো জন্মকাল নৱম শতিকাৰ মাজভাগত বুলি ধৰা হয়।

একাদশ আলৱাৰজনৰ নাম আছিল 'টিৰুপান্নাৰ'। ট্ৰিচিনাপল্লীৰ ওৰিউৰ নামৰ গাৱঁৰ ধান খেতিৰ মাজত কেচুঁৱাতে এওঁক পাই এজোৰ অতি হীন জাতৰ দম্পতীয়ে তুলি-তালি ডাঙৰ কৰিছিল। শ্ৰীৰঙ্গমৰ বিষ্ণুৰ প্ৰতি এওঁৰ সৰুকালৰ পৰাই অচলা ভক্তি আছিল। তেওঁ সদায় বিষ্ণু ধ্যানত নিমগ্ন আছিল। অস্পৃশ্য কাৰণে মন্দিৰত তেওঁৰ প্ৰৱেশাধিকাৰ নাছিল আৰু সেয়ে তেওঁ কাবেৰী নদীৰ দক্ষিণপাৰত বহি বহি বিষ্ণু কীৰ্ত্তন কৰি কৰি ধ্যানস্থ হৈছিল। এদিনাখন মন্দিৰৰ পূজাৰী লোকসাৰঙ্গ মহামুনি বিগ্ৰহ ধুৱাবলৈ পানী আনিবলৈ নদীৰ ঘাটলৈ আহি টিৰুপান্নাৰ অস্পৃশ্যৰ ছায়াদৰ্শনত ক্ৰোধান্বিত হৈ তাক তৎক্ষণাৎ তাৰ পৰা আঁতৰি যাবলৈ আদেশ দিলে। কিন্তু টিৰুপান্নাৰ তেতিয়া আত্মহাৰা, গতিকে ক'ত শুনে পূজাৰীৰ আদেশ। বিপ্ৰই খঙত অগ্নিশৰ্মা হৈ দূৰৰ পৰা এটি শিলেৰে তাক আঘাত কৰি আঁতৰলৈ পঠিয়াই দি মন্দিৰলৈ পানী লৈ আহিল। পূজাৰীয়ে যেতিয়া সেই পানীৰে বিগ্ৰহ ধুৱায় তেতিয়া দেখে বিগ্ৰহৰ দুচকুত তেজৰ সোঁত। এই দৃশ্য দেখি পূজাৰী চঞ্চল হৈ উঠিল আৰু লগে লগে অনুভৱ কৰিলে যে সেই চণ্ডালজনক প্ৰহাৰ কৰা কাৰ্য্য ভগৱানে সহ্য কৰা নাই। পূজাৰী ভয়ত কঁপিবলৈ ধৰিলে, তেওঁ দৌৰি গৈ

পান্নাৰক বিচাৰি উলিয়াই জোৰ কৰি নিজ কান্ধত তুলি বিগ্ৰহৰ আগত থিয় কৰালে আৰু কৰযোৰে ক্ষমা ভিক্ষা মাগিলে। পান্নাৰে নিজ হাতে পানী দিয়াগুহে বিগ্ৰহৰ তেজৰ সোঁত বন্ধ হ'ল আৰু তেওঁৰ নিজ শৰীৰৰ ক্ষতৰ তেজো নোহোৱা হ'ল। ইয়াৰ পিছত তেওঁ ওৰে জীৱন বিষ্ণুৰ গুণ-কীৰ্তন কৰি মন্দিৰতে কটাই এদিন বিগ্ৰহৰ লগত বিলীন হৈ যায়। এওঁৰ দশচৰণযুক্ত গীতকুসুম 'অমলন আদি পিৰাণ' ভগবদ্‌ ভক্তিৰ এক অপূৰ্ব নিবেদন।

দ্বাদশতম বা শেষৰজন আলবাৰ আছিল 'টিৰুমাঙ্গাই' যাৰ জীৱন নাটকৰ এক বিচিত্ৰ ভূমিকাৰ দৰে। এওঁ ক্ষত্ৰিয় বংশৰ আছিল আৰু এওঁৰ দেউতাক চোলা ৰজাৰ সেনাপতি আছিল। বিষ্ণুৰ স্মৰণত দেউতাকে ল'ৰাৰ নাম ৰাখিছিল নীল। এওঁ যুৱক হ'লত ৰাজকাৰ্যত দেউতাকৰ উত্তাধিকাৰী হৈছিল আৰু সময়ত টিৰুভেলী ৰাজ্যৰ শাসনকৰ্তা হিচাপে নিয়োজিত হৈছিল। এওঁ এক বৈষ্ণৱ পৰিয়ালৰ কুমুদাবালী নামৰ এক পালিতা কন্যাৰ প্ৰেমত উন্মাদ হয়; কিন্তু অলেখ ধন-সোণৰ প্ৰলোভনৰ বিনিময়তো ছোৱালীজনীয়ে অবৈষ্ণৱ নীলক বিয়া কৰিবলৈ ৰাজি নহ'ল। নীলই তেতিয়া মন্দিৰলৈ গৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি কুমুদাবালীক পাবৰ কাৰণে ভগবানক প্ৰাৰ্থনা জনায়। ফিৰি আহি তেওঁ যেতিয়া বিবাহৰ প্ৰস্তাব দিয়ে তেতিয়া কুমুদাবালীয়ে এক চৰ্ত আৰোপ কৰে যে তেওঁ এবছৰৰ কাৰণে নিতৌ ১০০৮জন বৈষ্ণৱক ভোজন কৰাব লাগিব। নীলই সেই চৰ্ত মানি লয় আৰু দুয়োৰো শুভ-বিবাহ সম্পন্ন হয়। তেতিয়াৰ পৰাই নীলই টিৰুমাঙ্গাই নাম লয়। এনেদৰে বৈষ্ণৱভোজন কৰাওতে তেওঁৰ অৰ্থবল শেষ হয় আৰু অৱশেষত তেওঁ ৰাজ ভড়ালৰ ধনো ভাঙি ৰাজদ্ৰোহত কাৰাৰুদ্ধ হ'ব লগীয়া হয়। বন্দী অৱস্থাতে তেওঁ কাঞ্চীপুৰমৰ বিষ্ণুৰ নিৰ্দেশত এক গুপ্ত ভড়ালৰ সন্ধান পায় আৰু সেই ধনৰ দ্বাৰা ৰাজৰোষৰ পৰাও উদ্ধাৰ পায় আৰু বৈষ্ণৱভোজন কৰ্মও অব্যাহত ৰাখে। ক্ৰমে ক্ৰমে এই ধনো শেষ হ'বলৈ ধৰাত তেওঁ ৰাজপথত ডকাইতি কৰি ধন সংগ্ৰহ কৰিবলৈ লয়। এদিন এজন ভ্ৰমণকাৰী ব্ৰাহ্মণৰ পৰাই ধন-সোণ সকলো কাঢ়ি ল'লে, কিন্তু সেই ধনৰ টোপোলাটো বাৰে বাৰে চেষ্টা কৰিও দাঙিবলৈ অপাৰগ হ'ল। সেই চদ্মবেশী ব্ৰাহ্মণে তেওঁক কাণে কাণে এটি মন্ত্ৰ শিকালে য'ত চতুৰ্বেদৰ সাৰমৰ্ম নিহিত আছিল। নীলই তন্ময় হৈ দেখিলে যে সেই ব্ৰাহ্মণে তেওঁৰ সম্মুখতে বিষ্ণুৰ ৰূপ লৈ অন্তৰ্ধান হ'ল।

ইয়াৰ পিছত তেওঁ সম্পূৰ্ণভাবে ৰাজকীয় পদৱী, ঐশ্বৰ্য্য আদি পৰিত্যাগ কৰি তীৰ্থস্থানসমূহ ভ্ৰমণ কৰিবলৈ লয়। শেষত শ্ৰীৰংগমলৈ ঘূৰি অহাত তাত এটি সুন্দৰ মন্দিৰ নিৰ্মাণৰ কাৰণে স্বপ্নাদেশ পায়, কিন্তু মন্দিৰ সজাবলৈ তেওঁৰ অৰ্থ ক'ত ? এই সমস্যা সমাধান কৰিবলৈ আকৌ দস্যুবৃত্তি অৱলম্বন কৰে। তেওঁ নাগপট্টিমত থকা

বৌদ্ধ মন্দিৰৰ সকলো সম্পত্তি আনকি বুদ্ধৰ সোণৰ মূৰ্তিও ডকাইতি কৰি আনি সেই ধন মন্দিৰ নিৰ্মাণত খৰচ কৰিছিল।

এনেদৰে এক অদ্ভুত নাটকীয় জীৱন ধাৰণ কৰিও তেওঁৰ কেৱল এক নিৰাধাৰ সাধনা আছিল বিষ্ণুভক্তি আৰু শ্ৰীৰঙ্গমৰ বিষ্ণুমন্দিৰ। তেওঁৰ ৰচিত গীতিকাব্যসমূহ হ'ল– 'পেৰিয়া টিৰুমোলী', 'টিৰুনেদুন টান্দকম', 'শ্ৰীয় টিৰুমদল' আৰু 'পেৰিয়া টিৰুমদল'। এওঁ সঙ্গীতসমূহত, ভগৱানৰ বিশ্বপ্ৰেমিকৰ ৰূপত, জীৱক প্ৰেমিকাৰ ভাৱত কল্পনা কৰিছে। দাক্ষিণাত্যৰ শ্ৰীবৈষ্ণৱসকলে এওঁৰ ছটি গীত কুসুমক নমলৱাৰৰ চাৰিটি ভক্তি সঙ্গীতৰ পৰিপূৰক বুলি গণ্য কৰে। এওঁলোকৰ মতে নমলৱালৰৰ গীতত যদি কিবা অপূৰ্ণতা আছিল সি ইয়াৰ দ্বাৰাই পূৰ্ণত্ব পালে। সেয়ে নমলৱাৰৰ গীতক চাৰিবেদ আৰু টিৰুমাঙ্গাইৰ সঙ্গীতক ষড় বেদান্ত আখ্যা দিয়া হৈছে। আলৱাৰসকলৰ এই ভক্তি আন্দোলনে সপ্তম শতিকাৰ পৰা নৱম শতিকালৈ অৰ্থাৎ তিনি শতিকা জুৰি জনগণৰ চিত্তত হেন্দোলনি তুলিছিল। এই সময়খিনিতে দাক্ষিণাত্যত শৈৱভকতসকলেও সমান্তৰাল ভাবে এক প্ৰবল ভক্তিৰ জোৱাৰ সৃষ্টি কৰিছিল। এই দুয়োটা আন্দোলনৰ সাধনাৰ প্ৰতীক আছিল দুজন প্ৰতিদ্বন্দ্বী ঈশ্বৰ; অৰ্থাৎ শ্ৰীকৃষ্ণ আৰু শিৱ আৰু সেয়ে সময়ে সময়ে ইদল সিদলৰ মাজত প্ৰতিযোগিতা, নিন্দাবাদ আৰু শত্ৰুতাও পৰিলক্ষিত হৈছিল। কিন্তু আনফালৰ পৰা চালে তেওঁলোকৰ মাজত সুপ্তভাৱে মিত্ৰতাৰ দোলহে মেল খাইছিল। দুয়োদলে অতি জনপ্ৰিয় ধৰ্মীয় আবেদনৰ পাতনি মেলিছিল জনগণৰ কথিত ভাষাত অৰ্থাৎ তামিল ভাষাত আৰু তেওঁলোক উভয় পক্ষই একেশ্বৰৰ লীলা মাধুৰী প্ৰচাৰৰ গীত নাট সৃষ্টি কৰি ভগৱানৰ ওপৰত মানুহৰ প্ৰেমৰ অধিকাৰৰ তত্ত্ব প্ৰকাশ কৰিছিল। সেয়ে সময়ে সময়ে বিষ্ণু আৰু শিৱৰ প্ৰতীকৰ মাজৰ পাৰ্থক্য নোহোৱা যেন লাগিছিল। জনগণৰ ভক্তি তন্ময়তাত বিষ্ণু আৰু শিৱ একেজনাৰে দুটি ৰূপ বুলি প্ৰতীয়মান হৈছিল।

সংস্কৃত ভাষাবিদ্ আৰু বিদগ্ধপণ্ডিত আচাৰ্য্য নাথমুনিয়ে আলৱাৰসকলৰ সকলোখিনি গীত বিলুপ্ত হ'ব ধৰা অৱস্থাৰ পৰা উদ্ধাৰ কৰি সংকলন কৰি 'নলইৰ দিব্য প্ৰবন্ধম' নাম দি প্ৰকাশ কৰে (৯২০খ্ৰীষ্টাব্দ)। তামিল 'নল' শব্দৰ অৰ্থ হ'ল চাৰি আৰু 'ইৰম'ৰ অৰ্থ হেজাৰ অৰ্থাৎ এই সংকলনত চাৰিহেজাৰ গীত সন্নিবিষ্ট হৈছে। নাথমুনিয়ে এই গীতসমূহ কেৱল প্ৰকাশ কৰিয়ে ক্ষান্ত নাথাকি সেইবোৰ মন্দিৰত বিধিগতভাবে প্ৰাৰ্থনাগীত হিচাবে প্ৰচলনৰো ব্যৱস্থা কৰি গৈছে। নাথমুনিয়ে 'নলইৰম' আৰু 'দিব্যপ্ৰবন্ধম' তামিল আৰু সংস্কৃত এই দুয়োবিধ শব্দ ব্যৱহাৰ কৰাটো তাৎপৰ্য্যপূৰ্ণ।

নলইৰ দিব্যপ্ৰবন্ধম হ'ল তামিলদেশৰ সৰ্বোৎকৃষ্ট ভক্তিগীতগ্ৰন্থ আৰু তাৰ

সাধাৰণ ৰাইজে বিশ্বাস কৰে যে এই গ্ৰন্থতে বেদৰ সৈতে ভগৱানৰ নিৱাস। এই গীতবোৰ তেওঁলোক কেৱল মন্দিৰতে নহয়, বিবাহোৎসৱত, মৃত্যুৰ সময়ত আৰু আন উৎসৱ পাৰ্বনত ভক্তিভাৱে পৰিবেশন কৰে। প্ৰবন্ধম হ'ল তেওঁলোকৰ সামূহিক সাহিত্য আৰু কলা সংস্কৃতিৰ আধাৰ স্বৰূপ। প্ৰত্যেক বছৰৰ মাঘ মাহত হোৱা একাদশী উৎসৱত ট্ৰিচিনপল্লীৰ শ্ৰীৰঙ্গম মন্দিৰত গোটেইখন প্ৰবন্ধম ভগৱানৰ সম্মুখত আবৃত্তি কৰি গোৱা হয়। তামিলসকলৰ সৰ্বমান্য মন্দিৰ হ'ল শ্ৰীৰঙ্গম আৰু ইয়াতেই প্ৰবন্ধমৰ পূৰ্ণ-মৰ্য্যাদা সংস্থাপিত। টিৰুপট্টী মন্দিৰো যদিও যথেষ্ট মৰ্য্যাদাপূৰ্ণ তাত পূজা-অৰ্চনা সংস্কৃত ভাষাৰ মাধ্যমতহে প্ৰচলিত আছে। আলৱাৰসকলৰ গীতৰ ইমান জনপ্ৰিয়তাৰ কাৰণ হ'ল যে তেওঁলোকে সমস্ত ভূততে ঈশ্বৰ প্ৰত্যক্ষ কৰি সকলোৰে লগত মানুহৰ নিবিড় আনুভূতিক সম্বন্ধৰ কথা প্ৰকাশ কৰিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে প্ৰত্যেক মানুহৰ অন্তৰত ভগৱানৰ প্ৰতি এক ব্যাকুল বাসনা আছে আৰু এই বাসনাৰ পৰিতৃপ্তি নোহোৱালৈকে আত্মা সন্তুষ্ট হ'ব নোৱাৰে।

আলৱাৰসকলৰ ভক্তিগীতত বিষ্ণুই একমাত্ৰ ভগৱান বুলি বৰ্ণিত হৈছে আৰু তেওঁৰ বিভিন্ন লীলাৱতাৰৰ লীলা প্ৰচাৰ কৰা হৈছে। তেওঁলোকৰ মতে বিষ্ণুৰ অৱতাৰবোৰ হ'ল মৎস্য, কূৰ্ম, বৰাহ, নৰসিংহ, বামন, পৰশুৰাম, ৰাম আৰু শ্ৰীকৃষ্ণ। বুদ্ধ আৰু কল্কিৰ উল্লেখ পোৱা নাযায়। যিবিলাক অসুৰৰ নিধনৰ কাৰণে বিষ্ণুৱে ধৰাত অৱতীৰ্ণ হ'ব লগীয়া হৈছিল, তেওঁলোক হ'ল মধু, কংস, বাণ, বলি আৰু ৰাৱণ ইত্যাদি। শ্ৰীকৃষ্ণ আৰু ৰামৰ লীলা কাহিনীয়ে এই গীতত প্ৰাধান্যপাইছে। তেওঁলোকৰ মতে বিষ্ণুৰ আদি নিবাস হ'ল গোলোকধাম আৰু কল্পান্তৰৰ প্ৰলয়ৰ সময়ত তেওঁ ক্ষীৰসমূদ্ৰত লক্ষ্মী বা শ্ৰীৰ লগত সহস্ৰফনাৰ শেষনাগৰ ছত্ৰছায়াত ওপঙি থাকে। তেওঁলোকে বিভিন্ন মন্দিৰৰ বিষ্ণুৰ বিভিন্ন বিগ্ৰহক স্থানীয়ভাৱে নামাকৰণ কৰি সেই বিগ্ৰহৰ বিশেষ মহিমাৰ ব্যাখ্যা আগবঢ়াইছে, যেনে শ্ৰীৰঙ্গমৰ ৰঙ্গনাথ হ'ল বিশ্বমঞ্চৰ অধিনায়ক আৰু বিস্বসৃষ্টিৰ পূৰ্বৰ সৰ্বব্যাপী প্ৰস্তুতিৰ প্ৰশান্ত মূৰ্তি, কাঞ্চীপুৰমৰ বৰদৰাজস্বামী পৰম কৰুণাময় আৰু অনুগ্ৰহ প্ৰদানকাৰী, টিৰুপট্টীৰ বেংকটেশ্বৰ হ'ল প্ৰেমময় ঈশ্বৰ। ভাগৱতী পণ্ডিত স্বৰ্গীয় ডিম্বেশ্বৰ নেওগৰ অসমীয়া ভাষালৈ অনুদিত দুটিমান আলৱাৰ গীত অৰ্থাৎ তামিলগীতত চকু ফুৰালে তাৰ মাহাত্ম্য উপলব্ধি কৰা সহজ হ'ব। প্ৰথমটো সপ্তম আলৱাৰ বিষ্ণুচিত্ত ৰচিত।

'ৰুণুকজুনুক কৰি পাৱৰ নূপুৰ,
ৰুণ-জুন অলংকাৰ দুটি বাহুৰ,
ডিঙিৰে ওলোমাই সোণৰ হাৰ,

কানু মোৰ হয় বোকোচাৰ ভাৰ,
লুকাই লুকাই অ' পিছুৰ পৰাই।'

আৰু সেই কবি ভকতৰে ঃ-

'মোৰে এধানি বাউনাটি
মোৰে সৰগৰ অমিয়া পি
মোৰে প্রভুৰে মাতে গৈ,
এধানি হাত বাউল দি ঐ।।
কলীয়াৰ সৈতে উমলিবা?
মন আছে যদি আহি যাবাঁ
লুকাব এতিয়া লুকাব ঐ,
ডাবৰো লুকাব জোনটি লৈ।'

এই বিশুদ্ধচিত্তৰে তোলনীয়া জী ভক্তিকন্যা অন্দলৰ গীতঃ-

কৃষ্ণ নামেৰে ষাঁড় পোৱালিটি,
ৰামৰে পাছৰে কলা দামুৰিটি,
কঁ'তে ঘুৰিছে উমলি-
দেখিলা বাটতে ধেমালি?
'দেখিলোঁ, দেখিলোঁ, গৰু চৰায়,
বাটতে পোৱালি পানী পিয়ায।'
'বৃন্দাবন-বিহাৰী কাণু,
ক'তে দেখিলা জানো?'

সুপণ্ডিত নেওগদেৱে তেখেতৰ 'যুগনায়ক শঙ্কৰদেৱ' গ্রন্থৰ 'দ্রাবিড়ী দেশত ভক্তিধর্ম' প্রবন্ধত এনেদৰে লিখিছে;

"খৃষ্টপূর্ব কালতে তামিল দেশত কৃষ্ণ-বলৰাম (বাসুদেৱ-সঙ্কর্ষণ) উপাসনাৰ পাতনি মেলাৰ পোনপটীয়া প্রমাণ পোৱা হয়। মাদুৰা কাৱিৰিপদ্দিনম আদি দাক্ষিণাত্যৰ নগৰবোৰত থকা কৃষ্ণ-বলোৰামৰ মন্দিৰৰ উল্লেখ "চিলপথথিকৰম" আদি পুৰণি তামিল কাব্যত আছে। 'কাবিৰিপদ্দিনমৰ' কবি কৰিকান্ননৰ পুৰণি কবিতাতো কৃষ্ণ-বলোৰামৰ গুণ-বর্ণনা পোৱা যায়। কৃষ্ণ-লীলাৰ মনোৰম বর্ণনা থকা 'পেৰণ-থেৱলাৰ-ভৰথম্' নামৰ তামিল কাব্য কাৰো কাৰো মতে খৃষ্টপূর্ব্ব যুগৰ। ভেৰ ছন্দৰ মহাভাৰতৰ ভাঙনি কৰোঁতা কবি পেৰম্ দেৱনৰেও কৃষ্ণৰ গুণ বর্ণনা কৰা বুলি বুজিব পাৰি। সম্প্রতি পোৱা আটাইতকৈ পুৰণি কাব্য "সংগম" নামে অভিহিত; বৰাথম্ পাড়ীয় পেৰণ থেৱানৰ এনে এজন সংগম কবি। "প্যাৰী-পাদল" সংগম কবিতাৰ যুগৰে প্রাচীন গদ্ধী তামিলত লিখা এখনি সুমধুৰ

ভক্তিকাব্য। তামিলীসকলৰ শ্ৰেষ্ঠ মহাকাব্য "সিলাপ্পথিকৰম" খৃষ্টপূৰ্ব কালতে তেতিয়াৰ চেৰা ৰজাজনৰ ভায়েক ঈলমকো আদিগল নামৰ ৰাজ-সন্ন্যাসীয়ে ৰচা; তাত কেইবাটাও কৃষ্ণ ভক্তিৰ কবিতা পোৱা যায়।"

ওপৰোক্ত লেখনীৰ তথ্যসমূহৰ পৰা এইটো স্পষ্ট হয় যে তামিলদেশত বৈষ্ণৱী প্ৰভাৱ খৃষ্টপূৰ্ব কালৰ পৰাই আছিল। সেয়ে এইটো বিচাৰ্য্য হৈ পৰে যে সপ্তম-নৱম শতিকাৰ আলৱাৰসকলে প্ৰতিষ্ঠা কৰা ভক্তিধৰ্মই কিয় নৱবৈষ্ণৱ ধৰ্ম বুলি প্ৰচলিত বা প্ৰখ্যাত হ'ল। পূৰ্বৰ বৈষ্ণৱ পন্থ আছিল মন্দিৰাশ্ৰয়ী, গোড়াভাৱৰ কৰ্মকাণ্ডবহুল। তদুপৰি ভগৱানৰ পূজাৰ অধিকাৰ আছিল কেৱল এক বৰ্ণ পুৰুষসকলৰ। শূদ্ৰ আৰু নাৰীৰ স্থান আছিল অতি নিম্নখাপৰ। তদুপৰি তেওঁলোকৰ একবিষ্ণুৰ প্ৰতি ভক্তি অহৈতুকী আৰু ঐকান্তিক নাছিল। তেওঁলোকে মন্দিৰত বিষ্ণুৰ বিগ্ৰহ ৰাখি বাহিৰত বহু দেৱ-দেৱীৰ পূজা কৰিছিল। ভক্তিমাৰ্গীসকলে প্ৰকাশ আৰু প্ৰচাৰ কৰিলে যে ভগৱত প্ৰাপ্তিৰ কাৰণে কঠোৰ তপস্যা বা বৈৰাগ্য, আনুষ্ঠানিক ক্ৰিয়া-কৰ্মাদি আনকি জ্ঞানো আৱশ্যকীয় নহয়। জীৱাত্মা বা পৰমাত্মাৰ সম্বন্ধ অবিচ্ছেদ্য। জীৱক যিদৰে ভগৱানৰ প্ৰয়োজন সেইদৰে জীৱ অবিহনে ভগৱানো অস্তিত্ববিহীন। সেয়ে মানুহে অবিদ্যাদি নাশ কৰি ভগৱদ্‌মুখী হোৱাৰ পথ হ'ল ঈশ্বৰৰ প্ৰতি অনুৰাগ, প্ৰেম আৰু ঐক্যান্তিক ভক্তি। এই পথৰ আনুষঙ্গিক কৰ্ম হ'ল হৃদয়ত ভগৱানৰ ৰূপ-ধ্যান আৰু সৰ্বদা তেওঁৰ গুণ-যশস্যাৰ বা মহিমাৰ কীৰ্ত্তন। আলৱাৰসকলৰ মুখ্য কাম্য মোক্ষ প্ৰাপ্তি নহয়, ভগৱানৰ ওচৰত সাযুজ্য মহানন্দ বা প্ৰেমানন্দহে।

এই প্ৰক্ৰিয়াৰ দ্বাৰা আলৱাৰসকলে কাৰ্য্যত ভগৱানক স্বৰ্গৰ পৰা মৰ্ত্যলৈ নমাই আনি মন্দিৰৰ ভিতৰৰ পৰা উলিয়াই নি প্ৰত্যেক মানুহৰ হৃদয়ত প্ৰতিষ্ঠা কৰাৰ পথ নিৰ্দেশ দিছে। এক বিষ্ণু আৰু তেওঁৰ অৱতাৰী লীলাৰ বাহিৰে আন কাৰো প্ৰতি আনুগত্য স্বীকাৰ কৰা নাই। বুদ্ধৰ পিছত হিন্দু ধৰ্মৰ ইমান সুদূৰপ্ৰসাৰী সংস্কাৰবাদী ব্যৱস্থাৰ প্ৰচলন এয়ে প্ৰথম। এই ব্যৱস্থাৰ ক্ৰমে ক্ৰমে দেশ-কালৰ সীমা অতিক্ৰম কৰি পোন্ধৰ-ষোল্ল শতিকাত গোটেই ভাৰতলৈ প্ৰসাৰিত হয়।

দ্বিতীয়তে আগেয়ে ভগৱান আৰু মানুহৰ মাজত যোগসূত্ৰ স্থাপনৰ মধ্যস্থতাকাৰী আছিল কেৱল কোনোবা মন্দিৰৰ পূজাৰী বা আন কোনো উচ্চবৰ্ণৰ বৈতনিক পণ্ডিত, কিন্তু আলৱাৰসকলে সেই ব্যৱস্থাৰ বৈপ্লবিক পৰিবৰ্তন সাধন কৰি সৃষ্টি কৰিলে শিষ্য পৰম্পৰা। নমলৱাৰ আৰু তেওঁৰ শিষ্য মধুৰ কবিৰ সংযোগত এই ব্যৱস্থা আৰম্ভ হৈ নাথমুনি, পুণ্ডৰীকাক্ষ, ৰামমিশ্ৰ আৰু যামুনাচাৰ্য্যৰ পৰা ৰামানুচাৰ্য্যত বৰ্ত্তিল আৰু বিশিষ্টাদ্বৈতবাদ প্ৰথাৰ জৰিয়তে স্থায়ীৰূপ পালে। আলৱাৰসকলৰ মতে গুৰু হ'ল ভগৱানৰ লগত ভক্তৰ সংযোগৰ ঘটক আৰু সেয়ে

গুৰু অবিহনে কাৰোপক্ষে ভগৱানৰ সামীপ্য অসম্ভৱ।

তৃতীয়তে তেওঁলোকে সেই সময়ত প্ৰচলিত কঠোৰ জাতি বিভেদ প্ৰথাৰ অন্তঃসাৰশূন্যতা উদঙাই দেখুৱালে। নাৰীক যি অৱজ্ঞতাৰ চকুৰে ইমান দিনে চোৱা হৈছিল, আনকি ব্ৰাহ্মণৰ স্ত্ৰীকো শূদ্ৰ বুলি জ্ঞান কৰা হৈছিল, সেই ব্যৱস্থাকো তেওঁলোক প্ৰত্যহ্বান জনালে। জাতিপ্ৰথাৰ ক্ষেত্ৰত কেবাজনো আলৱাৰৰ আৰু বিশেষকৈ একাদশজন অৰ্থাৎ টিৰুপান্নাৰ জীৱন কাহিনী আৰু স্ত্ৰী-পুৰুষৰ ক্ষেত্ৰত ভক্তিমতী অন্দলক লক্ষ্মীৰ স্থানত বহুওৱা কথাই পিছৰ কালত ভক্তিমাৰ্গত সকলো সাধকৰ মনাকাশত স্পষ্ট প্ৰভাৱ পেলাইছে। চতুৰ্থতে, ধৰ্মীয় শাস্ত্ৰৰ জ্ঞান স্থানীয় ভাষাৰ মাধ্যমত প্ৰচাৰ কৰা আৰু ইয়াৰ দ্বাৰাই সমূহ জনগণক আকৰ্ষণ কৰি আধ্যাত্মিক ভাব তৰঙ্গত উটুৱাই নিয়া দৃষ্টান্তও আলৱাৰসকলৰে অৱদান।

আলৱাৰসকলৰ বিষ্ণুপ্ৰেমত উন্মত্ত ভাবাবেগী উদ্‌ভ্ৰান্ত গীত-পদসমূহ থান্ থিত লগালে বেদজ্ঞ শাস্ত্ৰী নাথমুনিয়ে। তেওঁৰ পিতৃ ঈশ্বৰমুনি পঞ্চৰাত্ৰ সম্প্ৰাদয়ৰ লোক আছিল। নাথমুনিয়ে প্ৰবন্ধম সংকলন কৰি তাত নিহিত তত্ত্ব শৰণ, একেশ্বৰবাদ আদি বেদ-স্মৃতিৰ আধাৰত ব্যাখ্যা আৰম্ভ কৰিলে। তেওঁ প্ৰমাণ কৰিলে যে তামিল ভাষাৰ প্ৰবন্ধম্ সংস্কৃত শাস্ত্ৰতকৈ কম মূল্যবান নহয় আৰু আধ্যাত্মিক চৰ্চাৰ কাৰণে কোনো গুণে হীন নহয়। তেওঁৰ যত্ন আৰু অহোপুৰুষাৰ্থৰ কাৰণে নৱ- বৈষ্ণৱ ধৰ্ম বা ভক্তি ধৰ্মৰ আধাৰ প্ৰতিষ্ঠা হ'ল আৰু এই কৰ্ম্ম অব্যাহত ৰাখিবলৈ আচাৰ্য্য পদৰ সৃষ্টি হ'ল। তদুপৰি প্ৰবন্ধমৰ ভক্তি—গীতসমূহৰ কেন্দ্ৰস্থল যেহেতু আছিল শ্ৰীৰঙ্গম মন্দিৰ গতিকে এই মন্দিৰৰ তত্বাৱধানৰ ভাৰো এই আচাৰ্য্যৰ ওপৰতে পৰিল; গুণ গৰিমা, ত্যাগ আৰু পাণ্ডিত্যৰ বাবে নাথমুনি প্ৰথম আচাৰ্য্য নিৰ্বাচিত হ'ল। এইজন পণ্ডিতৰ ৰচিত দুখন তত্বমূলক শাস্ত্ৰপুথি হ'ল— 'যোগৰহস্য' আৰু 'ন্যায়তত্ব'। বিশিষ্টাদ্বৈতবাদীসকলৰ মতবাদৰ প্ৰথম তত্বমূলক পুথি হ'ল— ন্যায়তত্ব। নাথমুনিৰ জীৱনকাল ৮২৪ৰ পৰা ৯২৪ খৃষ্টাব্দ।

নাথমুনিৰ পিছৰ পুণ্ডৰীকাক্ষ ৰামমিশ্ৰ আৰু যামুনাচাৰ্য্য যথাক্ৰমে বিশিষ্টাদ্বৈতবাদী আচাৰ্য্যৰূপে শ্ৰীৰঙ্গম মন্দিৰৰ কৰ্মক্ষেত্ৰৰ ভাৰ লৈছিল। যামুনাচাৰ্য্যই প্ৰকৃতপক্ষে যি কৰ্ম-পন্থা আৰম্ভ কৰিছিল ৰামানুজে তাৰেই আধাৰতে বিশিষ্টাদ্বৈতবাদী তত্বৰ পূৰ্ণৰূপ দিয়ে। যামুনাচাৰ্য্য 'শ্ৰীচতুঃশ্লোকী, 'স্তোত্ৰৰত্ন', 'সিদ্ধিত্ৰয়' আৰু 'আগম প্ৰামান্য' নামৰ মাহাত্মপূৰ্ণ চাৰিখন ধৰ্মপুথি ৰচনা কৰি গৈছে। আত্মাপৰমাত্মাৰ বিচাৰ, বাহ্যিক জগতৰ লগত আত্মাৰ সম্বন্ধ, শ্ৰীবিষ্ণুৰ সৰ্বব্যাপক সত্তা, শৰণ আদি ভক্তি ধৰ্মৰ মূল তথ্যবোৰৰ ইয়াত বিশদ ব্যাখ্যা দাঙি ধৰা হৈছে।

যামুনাচাৰ্য্যৰ পিছত ৰামানুজাচাৰ্য্যই বিশিষ্টাদ্বৈতবাদী বেদান্তসূত্ৰৰ ভাষ্য ৰচনা

কৰি শঙ্কৰাচাৰ্য্যৰ অদ্বৈতবাদী সূত্ৰৰ মতবাদৰ প্ৰবলভাৱে প্ৰত্যাহ্বান জনাবলৈ সক্ষম হ'ল। ৰামানুজক হেনো সকলোৱে ৰামৰ অনুজ লক্ষণ সদৃশ জ্ঞান কৰিছিল আৰু সেয়ে মোমাযেকে তেওঁৰ নাম ৰাখিছিল ৰামানুজ। ৰামানুজে আচাৰ্য্য পদ অলংকৃত কৰাৰ আগেয়ে যামুনাচাৰ্য্যৰ পৰলোক হৈছিল। এই মাজৰ সময়খিনিত মহাপূৰ্ণ্য আৰু শ্ৰীশৈলপূৰ্ণ নামৰ দুজন গুৰুৱে আচাৰ্য্যপদত অধিষ্ঠিত হৈছিল।

বৈষ্ণৱ সম্প্ৰদায়ৰ সৰ্বশ্ৰেষ্ঠ মান্য পুৰাণসমূহৰ ভিতৰত ভাগৱত অন্যতম। আলৱাৰসকলৰ সৃষ্টিৰ বেছিভাগ আখ্যান-উপাখ্যান ভাগৱতত সন্নিবিষ্ট আছে। অৱশ্যে ইয়াৰ বাহিৰেও শ্ৰীকৃষ্ণৰ গোপী বিহাৰ আৰু তন্ত্ৰশাস্ত্ৰ আদিৰ কথাও ভাগৱতত অন্তৰ্ভূক্ত হৈছে। সেয়ে পণ্ডিতসকলে ভাগৱত শাস্ত্ৰক আলৱাৰসকলৰ ভক্তি আন্দোলনৰ মুখপত্ৰ হিচাবে গণ্য কৰে। বহু পণ্ডিতে অনুমান কৰে যে ভাগৱত শাস্ত্ৰ আলৱাৰসকলৰ ভক্তি আন্দোলনৰে ফলশ্ৰুতি।

□□

# দ্বিতীয় অধ্যায়

## মহাৰাষ্ট্ৰৰ হৰিভকতসকল

হিন্দুধৰ্মৰ সকলো সম্প্ৰদায়ৰ লোকে তেওঁলোকৰ সম্প্ৰদায়টোৰ প্ৰতিষ্ঠাতা বা পথ-প্ৰদৰ্শক সকলক অৱতাৰী পুৰুষ বুলি গণ্য কৰে আৰু সেই কাৰণে তেওঁলোকৰ চৰিত্ৰ-বৰ্ণনাত নানা অলৌকিক ঘটনাৰ বা গুণমালাৰ সমাবেশ কৰে। মহাৰাষ্ট্ৰৰ বৈষ্ণৱপন্থী হৰিভকতসকলৰ ক্ষেত্ৰতো সেই কথা সমানে প্ৰযোজ্য হৈছে। বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে সন্তসকলৰ কাৰ্য্যাৱলীৰ ঐতিহাসিক বিশ্লেষণ কৰিবলৈ হ'লে অলৌকিক কাহিনীৰ তথ্যপাতিবিলাকৰ ওপৰত গুৰুত্ব আৰোপ নকৰাকৈয়ো তেওঁলোকৰ অমূল্য অৱদানৰ মূল্যাঙ্কন কৰিব পৰা যায়।

### জ্ঞানদেৱ বা জ্ঞানেশ্বৰ

মহাৰাষ্ট্ৰত ভাগৱত ধৰ্মৰ প্ৰতিষ্ঠাতা নিসন্দেহে জ্ঞানদেৱ। জ্ঞানদেৱৰ কিন্তু গুৰু আছিল তেওঁৰ আপোন ককায়েক নিবৃত্তিনাথ। নিবৃত্তিনাথ, জ্ঞানদেৱ, সোপানদেৱ আৰু মুক্তাবাই এই চাৰিগৰাকী ভাই-ভনীৰ ধৰ্মীয় বিশ্বাস আৰু দৰ্শনৰ প্ৰবাহত মিলিত হৈছিল নামদেৱ, একনাথ, টুকাৰাম আৰু ৰামদাস আদি সন্তসকল। এই সন্তসকলৰ ব্যক্তিত্বৰ বিকাশত ভক্তিৰ ক্ষেত্ৰ কেৱল মহাৰাষ্ট্ৰতে সীমাবদ্ধ নাথাকিল। বিশেষকৈ নামদেৱে মহাৰাষ্ট্ৰৰ বাহিৰত উত্তৰ-ভাৰতৰ ব্যাপক ক্ষেত্ৰত তেওঁৰ প্ৰভাৱ বিস্তাৰ কৰিলে। নামদেৱৰ ভক্তি-ধৰ্মৰ আধাৰতে গুৰু নানকৰ শিখধৰ্ম প্ৰতিষ্ঠিত হয় বুলি পণ্ডিতসকলে ধাৰণা কৰে।

জ্ঞানদেৱৰ পিতৃ-পিতামহ নাথপন্থী ভকত আছিল। তেওঁৰ পিতৃ বিট্‌ঠলপন্তই বৰ্তমান পুণাৰ ওচৰৰ আলন্দীগাঁৱৰ ৰুকুমাবাইক বিয়া কৰাই তাত কিছুদিন বসবাস কৰিছিল। বিট্‌ঠলপন্তৰ গৃহস্থী-সংসাৰত মন নবহিল। তেওঁ এদিন কাকো নজনোৱাকৈ গৃহত্যাগ কৰি কাশীলৈ গুছি যায় আৰু তাত ৰামানন্দৰ পৰা সন্ন্যাস-ধৰ্ম গ্ৰহণ কৰি দীক্ষা লয়। ৰামানন্দই ধৰ্ম-প্ৰচাৰ সংক্ৰান্তত দেশৰ চাৰিওফালে ঘূৰি ফুৰিছিল। এবাৰ তেওঁ আলন্দীলৈ আহিল আৰু তাত গম পালে যে বিট্‌ঠলপন্তই তেওঁৰ স্ত্ৰীৰ সম্মতি নোলোৱাকৈ সন্ন্যাস গ্ৰহণ কৰিছে। তেওঁ কাশীলৈ ফিৰি গৈ তেওঁৰ শিষ্যক পুনৰ গৃহস্থীলৈ ফিৰি যাবলৈ কঠোৰ নিৰ্দেশ দিলে। উপায়ান্তৰ হৈ বিট্‌ঠল আকৌ ঘূৰি আহিল। ক্ৰমে ক্ৰমে তেওঁলোকৰ সংসাৰত তিনিটি পুত্ৰ আৰু এটি কন্যা সন্তান উপজিল। তেওঁলোকেই হ'ল যথাক্ৰমে নিবৃত্তিনাথ, জ্ঞানদেৱ, সোপানদেৱ আৰু মুক্তাবাই।

ব্ৰাহ্মণসকলে এই পৰিয়ালটোক সমাজ-চ্যুত কৰি এঘৰীয়া কৰি থ'লে, কিয়নো তেওঁলোকৰ মতে সন্ন্যাসীৰ সন্তানসকল অবৈধ বুলি গণ্য হয়। বিঠ্‌ঠলে তেওঁলোকক কাকূতি কৰি জনাইছিল যে তেওঁ তেওঁৰ গুৰুৰ কঠোৰ নির্দেশতহে পুনৰ গৃহস্থীলৈ উভতি আহিছে। কিন্তু কাবৌ-কোকালিৰ কোনো ফল নধৰিলে। সমাজৰ বিবেকহীন নিষ্ঠুৰ বিচাৰত আৰু নিকৰুণ উৎপীড়নৰ ফলত পৰিয়ালটোৱে বর্ণনাতীত দুর্দশা ভুগ্তিব লগা হয়। তেওঁ কৰা এই নিয়মভঙ্গৰ প্ৰায়শ্চিত্তৰ কাৰণে বিঠ্‌ঠলে তেওঁৰ পৰিবাৰ আৰু শিশু পুত্ৰ-কন্যা কেইটা লগত লৈ ট্ৰ্যম্বকেশ্বৰৰ ওচৰৰ ব্ৰহ্মাগিৰি পাহাৰৰ চাৰিওফালে দুর্গম অৰণ্য আৰু বনৰীয়া হিংস্ৰ জন্তুৰ মাজতো ঘূৰি ফুৰিবলগীয়া হ'ল। এই অৱস্থাতএদিন এটি প্ৰকাণ্ড বাঘ তেওঁলোকৰ সম্মুখত উপস্থিত হ'লত সকলোৱে সন্ত্ৰস্ত হয় আৰু নিবৃত্তিনাথে প্ৰাণৰ ভয়ত পলাই গৈ এটা গুহাৰ ভিতৰত প্ৰবেশ কৰে। জনশ্ৰুতিমতে সেই গুহাৰ ভিতৰত সেই সময়ত নাথপন্থৰ যোগীগহিনী ধ্যানমগ্ন আছিল। তেওঁ নিবৃত্তিনাথক দেখা পাই আদৰ-সাদৰ কৰি দিব্যজ্ঞান দান কৰিলে।

প্ৰায়শ্চিত্তৰ কাৰণে পৰিয়ালটোৱে আৰু নানা অত্যাচাৰ, দুখ-কষ্ট সহ্য কৰিলে, কিন্তু তথাপি সমাজৰ ৰৰমূৰীয়াসকলৰ খোৰাগ্নি নির্বাপিত নহ'ল। কোনোপধো কোনো আশাৰ ৰেঙনি নেদেখি এদিন বিঠ্‌ঠল আৰু ৰুকুমাবাই একেলগে প্ৰাণ বিসর্জন দি শান্তি লভিলে। কণ্ কণ্ ল'ৰাছোৱালীকেইটা নিঠৰুৱা হ'ল, অনাহাৰে অনিদ্ৰাই য'তে-ত'তে ঘূৰি ফুৰিব ধৰিলে, কিন্তু সমাজৰ কঠিন চিত্ত বিগলিত কৰিব নোৱাৰিলে। বহির্জগতৰ নিষ্ঠুৰ পৰিবেশেও সাধকৰ জীৱনত আত্ম-প্ৰকাশৰ বা আত্মোপলব্ধিৰ সমল যোগায়। এওঁলোকৰ ক্ষেত্ৰতো তেনেই হ'ল। নিবৃত্তিনাথে জ্ঞানদেৱক শৰণ দি তত্ত্বজ্ঞান দিলে। সকলো কেইগৰাকী ভাই-ভনী ঈশ্বৰাভিমুখী হৈ পৰিল আৰু তেওঁলোকৰ দেহত, মনত বহু ঐশ্বৰিক শক্তিৰ সমাবেশ পৰিলক্ষিত হ'ল।

লাহে লাহে আলন্দী আৰু তাৰ ওচৰ-পাজৰৰ মানুহবিলাক তেওঁলোকৰ পৰা নানা উপদেশ ল'বলৈ আহিবলৈ আৰম্ভ কৰিলে। তেওঁলোকে বহু প্ৰখ্যাত তীর্থস্থান ভ্ৰমণ কৰি পণ্ডিতসকলৰো মনোযোগ আকর্ষণ কৰিলে। জনমানসত এওঁলোকৰ প্ৰতিপত্তি দেখি ব্ৰাহ্মণ পণ্ডিতসকলেও তেওঁলোকৰ জেদ বেছি দিন পোষণ কৰি থাকিব নোৱাৰিলে। সচ্চিদানন্দ নামৰ এজন কুষ্ঠৰোগীক জ্ঞানদেৱে অলৌকিকভাৱে নিশ্চিত মৃত্যুমুখৰ পৰা ৰক্ষা কৰা ঘটনাই পণ্ডিতসকলৰ মনত কৰিলে ত্ৰাসৰ সঞ্চাৰ আৰু সাধাৰণ জনগণে তেওঁলোকক মানি ল'লে অৱতাৰী পুৰুষহিচাপে। এনেদৰে এদিন এক কদৰ্য্য দুষ্কৃতিৰ মাধ্যমৰ যোগেদি মহাৰাষ্ট্ৰত এটি আপুৰুগীয়া সংস্কৃতিৰ সূচনা হ'ল, যাৰ ফল হ'ল সুদূৰ-প্ৰসাৰী।

জ্ঞানেশ্বৰৰ চূড়ান্ত কীৰ্তি হ'ল 'জ্ঞানেশ্বৰী'। ১২৯০ চনত ৰচিত এইখন পুথি হ'ল নহাজাৰ শ্লোক-সমন্বিত শ্ৰীমদ্ভাগৱতগীতাৰ ওপৰত লিখিত এখন অতি প্ৰামাণিক পাণ্ডিত্যপূৰ্ণ ভাষ্য। এই পুথি ৰচনাকালত জ্ঞানদেৱে মুখেৰে কৈ গৈছিল আৰু আৰোগ্য হোৱা কুষ্ঠৰোগী, তেওঁৰ ভক্ত সচ্চিদানন্দই লিপিবদ্ধ কৰিছিল। ভাষাৰ প্ৰাঞ্জলতা আৰু কবিত্বৰ মাধুৰ্য্যৰ ফালৰ পৰা বিচাৰ কৰিলে জ্ঞানেশ্বৰী গোটেই ভাৰতৰ ধৰ্মীয় সাহিত্যৰ ভিতৰত এটি উজ্জ্বল মণি বুলি কোৱা হয়। ইয়াৰ উপৰিও তেওঁ মাৰাঠী ভাষাত দাৰ্শনিক সিদ্ধান্তৰ ওপৰত প্ৰতিষ্ঠিত বহু ধৰ্মীয় সংগীত অৰ্থাৎ অভংগ ৰচনা কৰে। তেওঁ ৰচিত আন পুথি দুখন হ'ল 'অমৃতানুভৱ' আৰু 'চঙ্গদেৱ-প্ৰশস্তি'।

জ্ঞানদেৱে মহাৰাষ্ট্ৰত ভাগৱত ধৰ্মৰ ভেটি স্থাপন কৰিলে— এই কথাষাৰৰ অৰ্থ এয়ে যে সেই ধৰ্মৰ মূল তত্ত্ব জ্ঞানেশ্বৰীয়ে স্পষ্টভাৱে দাঙি ধৰিলে। জ্ঞানদেৱৰ এটা ওবী(ছন্দ)ত এনেদৰে বৰ্ণিত হৈছে-

"যি যি প্ৰাণীজাত হৈছে, তাকেই ভগৱান মানিবা
এই ভক্তিযোগ ——। মোৰ জানিবা
প্ৰাণীমাত্ৰতে ভগৱান জ্ঞান কৰা ভাগৱত ধৰ্মৰ
সাৰ।"

'জ্ঞানেশ্বৰী' সম্বন্ধে নামদেৱে কেইবাটাও অভংগত বৰ্ণনা দিছে। তেওঁৰ মতে জ্ঞানেশ্বৰী হ'ল শ্ৰেষ্ঠ গ্ৰন্থ।

"নামদেৱে কয় শ্ৰেষ্ঠ গ্ৰন্থ হ'ল জ্ঞানেশ্বৰী
এক ওবী(ছন্দ) কমেও হৃদয়ঙ্গম কৰি লয়"
——৬৯৯ গাথাপঞ্চক

মহাৰাষ্ট্ৰৰ সন্তসকলৰ ভিতৰত জ্ঞানদেৱ আৰু নামদেৱক পৃথকভাৱে বিচাৰ কৰিলে দুয়োজনৰে কীৰ্তি আৰু মহাত্ম্য সম্পূৰ্ণভাৱে প্ৰকাশ নাপায়, কিয়নো জ্ঞানদেৱৰ জ্ঞানভক্তি আৰু নামদেৱৰ নামভক্তি— এই দুইৰ সংমিশ্ৰণৰ ফলতেই মাৰাঠী কাব্যৰত্নৰ ভাণ্ডাৰ সৃষ্টি হৈ তটিনীৰ দৰে প্ৰবাহিত হৈ আছে। প্ৰকৃতপক্ষে জ্ঞান আৰু নাম একত্ৰ হোৱাৰ কাৰণে তাত দ্বৈতভাব থকা নাই। নিজ প্ৰতিভাৰ ক্ষেত্ৰত সমান যোগ্যতাসম্পন্ন এই দুই শ্ৰেষ্ঠ কবিৰ মণিকাঞ্চন যোগ মাৰাঠী সংস্কৃতি-প্ৰবাহৰ মহান উৎস। 'শান্ত ৰসৰ ঘৰলৈ অদ্ভুত ৰস অতিথিৰূপে আহিল', এয়া জ্ঞানদেৱৰ স্তুতি। কিন্তু স্বয়ং জ্ঞানদেৱৰ ভাষাত কবলৈ গ'লে, 'নামদেৱৰ কথাত কবিত্ব নাই। এয়া নিৰুপম অদ্ভুত ৰস'। জ্ঞানদেৱৰ জ্ঞানেশ্বৰী আৰু অভংগসমূহত যি ভক্তিৰসৰ ভৰাঁল সৃষ্টি হৈছিল নামদেৱৰ অভংগ নৈৰ দোকাল-টকা বানে তাক দেশৰ চুকে-কোণে বিলাই দিলে।

ভিন্ ভিন্ সন্তসকলৰ মহৎ কৃপাত মহাৰাষ্ট্ৰত ভাগৱত ধৰ্ম অৰ্থাৎ 'বাৰকৰী' (বৈষ্ণৱ) পন্থৰ ভেটি স্থাপিত হয়। সেই ভেটিৰ ওপৰত ধৰ্ম-মন্দিৰ স্থাপনৰ শ্ৰেষ্ঠ আসন জ্ঞানদেৱৰ। কিন্তু তেওঁৰ কিংকৰ নামদেৱে সেই ধৰ্ম-মন্দিৰ অতি বহলভাবে সম্প্ৰসাৰিত কৰিলে আৰু সেই শ্ৰেষ্ঠতাৰ আসন তেওঁৰ। কিংকৰ শব্দৰ অৰ্থ হ'ল- - 'কিংকৰোমি', অৰ্থাৎ মই কি কৰোঁ, এনেদৰে সততে সোধা কাৰ্য্য-তৎপৰ ব্যক্তি। নামদেৱে ভাগৱত ধৰ্মৰূপী দেৱালয়ত দীৰ্ঘকালজুৰি সততে সেৱা-পৰায়ণ ভক্ত হোৱাৰ কাৰণে ভাগৱত ধৰ্মৰ ইমান বিস্তাৰ ঘটিল। এই ধৰ্ম-মন্দিৰৰ কলসী বুলি ভবা সন্ত তুকাৰামৰ শিষ্যা বহিনাবাইয়ে এই বিষয়ে এনেদৰে বৰ্ণাইছে ঃ

"জ্ঞানদেৱে ভেটি বান্ধিলে। দেৱালয় নিৰ্মাণ কৰিলে। নামা তেওঁৰ কিংকৰ। তেৱেঁ কৰিলে তাৰ বিস্তাৰ"। কিন্তু এই গুৰু জ্ঞানদেৱ আৰু কিংকৰ নামদেৱৰ প্ৰথম পৰিচয় বা মিলন ক'ত কিদৰে হৈছিল সিও এক মধুৰ ৰহস্যপূৰ্ণ কাহিনী। সেই কথা আমি নামদেৱৰ চৰিত-বৰ্ণনাত প্ৰকাশ কৰিম।

জ্ঞানদেৱে নামদেৱ আৰু আন সন্তমণ্ডলীৰ লগত হৰিকীৰ্তন কৰি ঘূৰি ফুৰিছিল। সেই সময়ত জ্ঞানদেৱৰ উপদেশ আৰু নামদেৱৰ কীৰ্তনৰ আলোড়নত গোটেই মহাৰাষ্ট্ৰৰ ভূভাগ মুখৰিত হৈ উঠিল। জ্ঞানদেৱে এই সন্তসকলৰ লগত এবাৰ তীৰ্থযাত্ৰা কৰিলে। এই ভ্ৰমণকালত তেওঁৰ উত্তৰ ভাৰতৰ বিভিন্ন প্ৰদেশৰ বহু সন্ত-মহন্তৰ লগত সাক্ষাৎ হয়। এই তীৰ্থযাত্ৰা সম্বন্ধে 'তীৰ্থাৱলী' নামৰ অভংগত নামদেৱে অতি বিস্তৃত আৰু হৃদয়গ্ৰাহী বৰ্ণনা দিছে। কিন্তু এই ভ্ৰমণৰ ফলত জ্ঞানদেৱৰ প্ৰবল বৈৰাগ্য ভাবহে প্ৰকটিত হ'ল। তেওঁ তীৰ্থযাত্ৰাৰ পৰা ঘূৰি আহিয়েই সমাধিস্থ হোৱাৰ সংকল্পৰ কথা প্ৰকাশ কৰিলে। বালক যোগী, জ্ঞানীসকলৰ ৰজা আৰু যোগীসকলৰ প্ৰাণসখাই সংসাৰ ত্যাগ কৰিব, এই উৎসৱ চাবৰ কাৰণে সকলো সন্ত-মণ্ডলী আমন্ত্ৰিত উপস্থিত হ'ল। এই প্ৰসঙ্গত নামদেৱে যি বৰ্ণনা দিছে সি মাৰাঠী সাহিত্যত 'সমাধিৰ অভংগ' নামেৰে অজৰ-অমৰ হৈ আছে। জ্ঞানেশ্বৰৰ সমাধিকালৰ সূক্ষ্ম বিৱৰণ এই অভংগসমূহত অতি শক্তিশালী ৰীতিৰে বৰ্ণিত হৈছে ঃ

" নামাই কয়, এতিয়া সূৰ্য্য অস্ত গ'ল,
বাপ জ্ঞানেশ্বৰ সমাধিস্থ হ'ল ।"

নামদেৱে আকৌ বৰ্ণাইছে

" নামাই কয়, হে ঈশ্বৰ, জ্ঞানদেৱ সৃষ্টি
এতিয়া দৃষ্টিত কেতিয়াবা পৰিবনে,
সন্তৰ বিৰহ হ'ল, সখা এতিয়া দূৰলৈ গ'ল
এতিয়া পংঢৰপুৰত কিদৰে থাকোঁ ?

জ্ঞানদেৱৰ আবিৰ্ভাৱ দ্বাদশ শতিকাৰ চতুৰ্থভাগ অৰ্থাৎ ১২৭১ চন আৰু মৃত্যু ১২৯৩ খৃষ্টাব্দ বুলি পণ্ডিতসকলে অনুমান কৰে। মুঠতে তেওঁৰ জীৱনকাল আছিল অতি চমু, কিন্তু কীৰ্তি হ'ল গগনচুম্বী। বৰ্তমান মহাৰাষ্ট্ৰৰ ধৰ্মীয়-সংস্কৃতি আৰু কলা-সংস্কৃতিত জ্ঞানদেৱৰ স্থান মধ্যমণিৰ দৰে। অপূৰ্ব ভক্তি-সংগীত অভংগবো প্ৰথম সৃষ্টিকৰ্তা তেৱেঁই। জ্ঞানদেৱৰ আৰু বিশেষত্ব এয়ে যে তেওঁৰ ঐতিহ্য নামদেৱে গোটেই উত্তৰ ভাৰতত বিস্তাৰ কৰি মহাভাৰত সংস্কৃতিৰ অংগ হৈ পৰিল। এটি অভংগত নামদেৱে স্বীকাৰ কৰিছে এনেদৰেঃ

" জ্ঞানদেৱক চকুৰে দেখিলে, নামদেৱৰ আনন্দ লাগিল
চৰণ দৃঢ়ভাৱে ধৰিলে। তুমিতো সদ্‌গুৰুৰাজ হ'লা
মোক এইদৰে অস্বীকাৰ নকৰিবা, মোক দূৰ নকৰিবা
সদায় মনত পৰি থাকে, তোমাৰ ভক্তিৰ কল্পনা।।"

(যদিও মধ্যযুগীয় সাধকসকলৰ জন্ম-মৃত্যুৰ তাৰিখ লৈ পণ্ডিতসকলৰ মাজত বহু বাদানুবাদ আছে, তথাপি অধিক সংখ্যক পণ্ডিতে বিভিন্ন তথ্যৰ ভেটিত যি সম্ভাব্য জন্ম-মৃত্যু তিথি নিৰ্দ্ধাৰণ কৰিছে তাক সকলোৱে বৰ্তমানে মানি লৈছে। সেইমতে জ্ঞানদেৱৰ জন্ম ১২৭১ খৃষ্টাব্দত আৰু আচাৰ্য্য ৰামানন্দৰ জন্ম ১২৯৯ খৃষ্টাব্দত। ৰামানন্দ জ্ঞানদেৱতকৈ আঠাইশ বছৰৰ সৰু আছিল। গতিকে জ্ঞানদেৱৰ পিতৃ বিট্‌ঠলপন্তক যি ৰামানন্দ নামৰ গুৰুৱে সন্ন্যাসধৰ্ম দিয়া বুলি উল্লেখ কৰা হৈছে, তেওঁ আচাৰ্য্য ৰামানন্দ নহয়, সেই নামৰ আন কোনোবা সন্ন্যাসী হ'ব পাৰে।)

## নামদেৱ

মহাৰাষ্ট্ৰৰ সন্তসকলৰ ভিতৰত নামদেৱকেই প্ৰসিদ্ধ বুলি গণ্য কৰা হয়, কিয়নো তেওঁ কৰা ভক্তি-ধৰ্মৰ উপদেশ প্ৰচাৰ কেৱল মহাৰাষ্ট্ৰৰ ভিতৰতে সীমাবদ্ধ নাছিল। তেওঁ এক সৰ্বভাৰতীয় ব্যক্তিত্ব হৈ পৰিছিল। মহাৰাষ্ট্ৰত জন্ম-গ্ৰহণ কৰিলেও তেওঁৰ জীৱনৰ বহুকাল উত্তৰ ভাৰতত, বিশেষকৈ পাঞ্জাৱত অতিবাহিত হৈছিল। গুৰু নানকৰ পূৰ্বতে নামদেৱেহে প্ৰথমে পাঞ্জাৱত ভক্তি-ধৰ্মৰ পোহাৰ মেলিছিল আৰু তাৰ জীৱন-পৰম্পৰাৰ অংশ হৈ পৰিছিল।

নামদেৱৰ যি জীৱনী বৰ্তমান প্ৰচলিত আছে তাৰ তথ্যবিলাকত বিবাদৰ স্থল আছে। সেই জীৱনীসমূহৰ তথ্যবোৰ এজন প্ৰখ্যাত কবি বা বিশিষ্ট ধৰ্ম-গুৰুৰ গম্ভীৰ জীৱন-চৰিত বুলি ক'ব নোৱাৰি। সেইবোৰ স্বৰ্ণময় গাথাৰ ৰূপতহে পোৱা যায়। তেওঁৰ জীৱন আৰু প্ৰবাস প্ৰসংগৰ তথ্য-পাতিসমূহ সম্পূৰ্ণ ৰূপত পোৱা নাযায়।

বিশ্বাস অনুসৰি বৰ্তমান বিদ্বানসকলে সিদ্ধান্ত কৰিছে যে তেওঁৰ জন্ম আৰু

মৃত্যু তিথি ক্ৰমে ১২৭০ খৃঃ আৰু ১৩৫০ খৃষ্টাব্দ। সেইমতে ধৰি ল'ব পাৰি যে জ্ঞানদেৱ আৰু নামদেৱৰ জন্ম সমসাময়িক কালত হৈছিল, কিন্তু ৰামকৃষ্ণ গোপাল ভাণ্ডাৰকাৰ আদি পণ্ডিতসকলে নামদেৱৰ জন্ম জ্ঞানদেৱৰ এশ বছৰমান পিছৰ বুলিও সিদ্ধান্ত কৰে। তেওঁলোকৰ যুক্তি হ'ল যে জ্ঞানদেৱ আৰু নামদেৱৰ মাৰাঠী ভাষা আৰু শৈলীৰ মাজত বৰ বেছি পাৰ্থক্য দেখা যায়। কিন্তু প্ৰকৃতাৰ্থত জ্ঞানদেৱ আৰু নামদেৱৰ ৰচনাত পৰিপূৰ্ণতাৰ কল্পনা-সাম্য আৰু শব্দ-সাম্যৰ কোনো অভাৱ দেখা নাযায়। তদুপৰি নিজৰ অভংগবিলাকত ইজনে সিজনৰ বিষয়ে যিদৰে উল্লেখ কৰিছে আৰু আন সমসাময়িক সন্তসকলে এই দুগৰাকীৰ বিষয়ে যেনেদৰে একেলগে উল্লেখ কৰিছে, এইবিলাক বিচাৰ কৰিলে জ্ঞানদেৱ আৰু নামদেৱ যে সমসাময়িক আছিল এই কথাহে প্ৰত্যয় হয়।

নামদেৱৰ বিষয়ে ৰচিত প্ৰায় সকলোবিলাক গ্ৰন্থৰপৰা সকলোৱে বুজিব পৰা যি জীৱনী উপলব্ধ হৈছে, সেইমতে নামদেৱৰ জন্ম হৈছিল পংঢৰপুৰত ১২৭০ চনৰ ২৬ অক্টোবৰ তাৰিখে। তেওঁৰ পিতৃ দামাশেট শিংপী আৰু মাতৃ গোনাঈ আদিতে পৰৱণী জিলাৰ নৱসী বাসনী গাঁৱৰ বাসিন্দা আছিল। নামদেৱ ওপজাৰ আগেয়ে তেওঁলোক পংঢৰপুৰলৈ আহি তাত বসতি আৰম্ভ কৰে। পংঢৰপুৰ আছিল কৰ্ণাটকৰ সন্তসকলে প্ৰথমে প্ৰতিষ্ঠা কৰা আৰু মহাৰাষ্ট্ৰ আৰু দাক্ষিণাত্যৰ আন সকলো অঞ্চলৰ সন্তসকলৰ তীৰ্থভূমি য'ত অৱস্থিত আছিল বিট্‌ঠল মন্দিৰ। বিট্‌ঠল অৰ্থাৎ কৃষ্ণমন্দিৰত প্ৰতিষ্ঠিত আছিল শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ যুগল মূৰ্তি। মাতৃ গোনাঈৰ পংঢৰপুৰৰ বিট্‌ঠলৰ ওপৰত আস্থা-ভক্তি আছিল অতি গম্ভীৰ আৰু তাৰ ফলশ্ৰুতি হিচাপেই নামদেৱ নামৰ শিশুটিৰ জন্ম। ভগৱদ্‌ভক্তৰ বংশত জন্মগ্ৰহণ কৰাৰ কাৰণেই নামদেৱৰ মনত শৈশৱ কালৰপৰাই ভক্তিৰ বীজ অংকুৰিত হৈছিল আৰু তেওঁ সদায় নামকীৰ্তনত ব্যস্ত থাকি বিট্‌ঠলৰ চৰণত আশ্ৰয় লৈছিল।

পুত্ৰৰ এই বৈৰাগ্য ভাব লক্ষ্য কৰিয়ে হয়তো মাক-পিতাকে গোবিন্দশেট্‌টী সদাবৰ্তেৰ জীয়ৰী ৰাজাঈৰ লগত মাত্ৰ এঘাৰ বছৰ বয়সতে নামদেৱক বিবাহ-পাশত বান্ধিবৰ চেষ্টা কৰিছিল। কিন্তু বিয়াৰ পাছতো তেওঁৰ মন পত্নীৰ প্ৰতি, পৰিয়ালৰ প্ৰতি বা পৈতৃক দৰ্জী বৃত্তিৰ প্ৰতি আকৰ্ষিত নহ'ল। হাতত কৰতাল লৈ আৰু মুখেৰে বিট্‌ঠলৰ নাম গাই গাই প্ৰায় বাতুলৰ নিচিনা পংঢৰপুৰ মন্দিৰত তেওঁ দিনে নিশাই সময় কটাইছিল। মাতৃ গোনাঈ আৰু পত্নী ৰাজাইয়ে তেওঁৰ এই ভক্তিৰ উন্মাদনা দূৰ কৰিবৰ কাৰণে সকলো প্ৰকাৰে চেষ্টা কৰিও বিফল হ'ল। নামদেৱে এফালে পিতৃ-মাতৃ আৰু পৰিয়ালৰ মানুহৰ নিন্দাবাণী শুনিছিল আৰু আনফালে বিট্‌ঠলৰ মাহাত্ম্য গুণগুণাই ভক্তি-মন্দিৰৰ খট্‌খটিত উঠি আগবাঢ়ি গৈ

আছিল। পৰিয়ালৰ লগত তেওঁৰ সম্বন্ধ ছিগিল, কিন্তু চন্দ্ৰভগাৰ বলিয়া মাটিত তেওঁৰ ভক্তিসংসাৰৰ বিকাশ আৰু বিস্তাৰ আৰম্ভ হ'ল।

বৰ্তমান পুণাৰ ওচৰত আলন্দীত থকা চাৰিজন পুণ্যাত্মা বৰাগীৰ নানা লৌকিক আৰু অলৌকিক কথা নামদেৱৰ কাণত পৰিছিল। তেওঁলোক আছিল— নিবৃত্তিনাথ, জ্ঞানদেৱ, সোপানদেৱ আৰু মুক্তাবাই। এওঁলোকৰ লগত সাক্ষাৎ কৰিবলৈ তেওঁৰ হেঁপাহ হ'ল আৰু সেয়ে এদিন আলন্দীলৈ যাত্ৰা কৰিলে। এই ঘটনা জ্ঞানেশ্বৰী ৰচনাৰ দুই এক বছৰ পাছৰ হ'ব। সেই সময়ত জ্ঞানদেৱৰ বয়স পোন্ধৰ-ষোল আৰু নামদেৱৰ সোতৰ-ওঠৰ বছৰ। এই মিলনৰ ফলতেই নামদেৱৰ আধ্যাত্মিক চৈতন্য বিকাশৰ ভেটি কপ্‌কপীয়া হয় বা এক নিৰ্দিষ্ট ৰূপ লয়। ইমানদিনে নামদেৱে কাণ্ডাৰীবিহীনভাৱে বিচৰণ কৰিছিল ; এতিয়া পালে স্থিৰ লক্ষ্য আৰু সাধনাৰ পথৰ সন্ধান।

নামদেৱে আশ্ৰমত উপস্থিত হোৱাৰ লগে লগে নিবৃত্তিনাথে গৈ তেওঁক সাদৰ-সম্ভাষণ জনালে আৰু তেওঁৰ চৰণ বন্দনা কৰিলে। তাকে দেখি জ্ঞানদেৱ আৰু সোপানদেৱেও একে ব্যৱহাৰেই দেখুৱালে, কিন্তু নামদেৱে কাকো প্ৰতি-নমস্কাৰ নজনালে। নিবৃত্তিনাথ সম্বন্ধে তেওঁৰ ধাৰণা হ'ল যে তেওঁলোক দুয়োৰে মাজৰ সম্বন্ধ দেৱতা আৰু ভক্তৰ। গতিকে নিবৃত্তিয়ে তেওঁক নমস্কাৰ কৰা কৰ্তব্য, কিন্তু তেওঁ যিহেতু পংঢৰপুৰত দেৱতাৰ সাহচৰ্য্যত থাকে আৰু তেওঁৰ হৃদয়ত ব্ৰহ্মৰ নিবাস, গতিকে তেওঁ নমস্কাৰ কৰাৰ প্ৰয়োজন নাই। জ্ঞানদেৱ যিহেতু তেওঁতকৈ বয়সত সৰু গতিকে জ্ঞানদেৱৰ বন্দনাক তেওঁ সৰুৱে ডাঙৰলৈ দেখুওৱা শিষ্টাচাৰ বুলি গণ্য কৰিলে। সোপানদেৱৰ বিষয়ে তেওঁ কোনো গুৰুত্বই নিদিলে। এই ঘটনা মুক্তবায়ে লক্ষ্য কৰি আছিল ; সেয়ে যেতিয়া ভায়েকহঁতে নামদেৱৰ ভক্তি-মাহাত্ম্যৰ কথা বৰ্ণাই তেওঁক সেৱা জনাবলৈ ক'লে, তেওঁ কোনোপধ্যেই মান্তি নহ'ল। মুক্তবায়ে উত্তৰ দিলে

"কথাৰে তেওঁ প্ৰচাৰ কৰিলে
ভিতৰ শূন্য গুৰু বিনা,
সন্তৰ সন্মান যি বুজি নাপায়
তেওঁ ভগবানৰ ওচৰত থাকিও কি জানে"

মুক্তাবায়ে স্পষ্টভাৱে প্ৰকাশ কৰিলে যে নামদেৱ এডাল চন্দন গছ, কিন্তু তেওঁক অহঙ্কাৰৰূপী সৰ্পই মেৰাই ৰাখিছে। তেওঁক সন্মান কৰিলেই তেওঁৰ অহঙ্কাৰে দেখা দিয়ে। সেই কাৰণে সকলোৱে মিলি-জুলি তেওঁক জুইত পেলাই দিয়াতো উত্তম পন্থা হ'ব। এই উক্তিৰ 'জুই' শব্দটো ৰূপক যেন লাগে, কিয়নো জুইত নুপুৰিলে সোণৰ উজ্জ্বলতা প্ৰকাশ নাপায়। নামদেৱৰ বিষয়ে চাৰি ভাই-

ভনীৰ ভিতৰত মতভেদ হ'ল, কিন্তু সকলোৱে সমূহীয়া সিদ্ধান্ত হ'ল নামদেৱৰ অহঙ্কাৰ দূৰ কৰিব লাগে। তাৰ কাৰণে যি ব্যৱস্থা স্থিৰ হ'ল সি অতি কঠোৰ। গোৰোহা নামৰ এজন কুমহাৰ সম্ভুক মাতি আনি তেওঁৰ দ্বাৰা নামদেৱৰ মূৰত কাঠেৰে প্ৰহাৰ কৰিবলৈ আদেশ দিয়া হ'ল, তেওঁৰ সত্তা পৰীক্ষাৰ কাৰণে। মাৰৰ কোবত নামদেৱে চকুপানীৰে বাট নেদেখা হ'ল। এই সময়ত নিজৰ মনৰ অৱস্থা কেনেকুৱা হৈছিল সেই সম্বন্ধে তেওঁ মনোৰম বৰ্ণনা দিছে ঃ

" উদ্বিগ্ন মনেৰে দীৰ্ঘ ধ্বনি কৰে।
হে'সখা, মোৰ কোনো নাই
বৈৰাগ্য কথাটিৰ প্ৰহাৰ সহিব নোৱাৰি
পলাবৰ নিমিত্তে তেওঁ ভৰি পিছলৈ দিছে,
মনত বৰ চঞ্চল আলোড়ন হৈছে,
প্ৰতি পল যুগ যেন লাগিছে
নামাই কয এতিয়া ইয়াৰপৰা পলাওঁ,
সন্তৰ সঙ্গ হ'লেও তেওঁলোকে জুইত পেলাব।"

নামদেৱ আলন্দীৰ পৰা পলাই গৈ পংঢৰপুৰ পালে। যি পৰিস্থিতিৰ পৰা তেওঁ উভতি আহিল সেই বিষয়ে গভীৰভাবে চিন্তা কৰিবলৈ ধৰিলে। অনুভৱ কৰিব পাৰিলে যে তেওঁ ধৰ্ম পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে। অন্তৰ্মুখী দৃষ্টিৰে তেওঁ চিন্তা-সাগৰত বুৰ গ'ল। তেওঁ ধীৰে ধীৰে এই কথা উপলব্ধি কৰিব পাৰিলে যে সজ গুৰু বিনা ঈশ্বৰপ্ৰাপ্তি সম্ভৱ নহয়। তেওঁৰ কণ্ঠেৰে ধ্বনিত হ'ল—

" যেতিয়ালৈকে সজ গুৰুক সেৱা কৰা নহয়
তেতিয়ালৈকে 'মই' যেন স্বপ্নৰ ধন,
মোৰ ভৱ-বন্ধন টুটা নাই,
সদ্‌গুৰুৰ বিনা আজ্ঞাই। ১০৮৮

ঐশ্বৰিক প্ৰেৰণা অনুসৰি তেওঁ নাগনাথৰ সন্ত বিসোবা খেচৰৰ ওচৰত গুৰুপদেশ ল'বলৈ গ'ল। আচৰিত কথা এয়ে যে এই বিসোবা খেচৰ হ'ল সোপানদেৱৰ শিষ্য। মন্দিৰলৈ গৈ দেখিবলৈ পালে যে তেওঁৰ ভাবী গুৰুৱে ভগৱানৰ মূৰ্তিৰ মূৰত ভৰি তুলি শুই আছে। নামদেৱ আচৰিত হ'ল, তেওঁ চিঞৰি চিঞৰি ক'লে ঃ

"উঠা, উঠা হে প্ৰাণী তুমি অন্ধ নেকি,
দেৱতাৰ ওপৰত ভৰি থৈছা।"

বিসোবাই উত্তৰ দিলে ঃ

"মোৰ প্ৰাণক কিয় জগালা
ভাবি চোৱা, নামদেৱ,
য'ত দেৱতা নাই তাতে মোৰ চৰণ আছে
ইয়াৰ অৰ্থ পূৰাকৈ বুজি-জানি লোৱা।"

নামদেৱে চাৰিওফালে দৃষ্টিপাত কৰি কি দেখা পালে ঃ

"নামদেৱে দেখিলে সেইফালে ঈশ্বৰেই ঈশ্বৰ।
কোনো খালী ঠাই দেখা নাপালে।।" ১০৯৮

বিসোৱা খেচৰৰ সান্নিধ্যত নামদেৱে দিব্যদৃষ্টি লাভ কৰিলে। গুৰুৱে শিষ্যক উপদেশ দিলে ঃ

"নাম আৰু ৰূপ দুয়ো যাৰ নাই
সেয়ে ঈশ্বৰ, আন সকলো মিছা ;
জল-থল- কাঠ-পাষাণ- পিণ্ড-ব্ৰহ্মাণ্ড-অণু-ৰেণু
সকলোতে স্বয়ং সাক্ষী হৈ আছে,
ইয়াকে জানি যি নিজক নিজে চিনি পাইছে।
খেচৰে কয় সকলোতে ঈশ্বৰ আছে,
কাণত এই কথা ক'বা, মূৰৰ ওপৰত হাত ৰাখা
পদ-পিণ্ড-বিবৰ্জিত কৰিলা নামদেৱক।।"

নামদেৱক বিসোৱা খেচৰে পদপিণ্ড বিবৰ্জিত কৰিলে অৰ্থাৎ ব্ৰহ্মভাব আৰু জীৱভাব এই দুয়ো ভেদ দূৰ কৰি তেওঁক কেৱল ব্ৰহ্মৰূপ কৰি দিলে। খেচৰৰ আৰু তেওঁৰ পৰা নামদেৱে পোৱা জ্ঞান-সৃষ্টিৰ বৰ্ণনা জ্ঞানদেৱৰ তলৰ ওৱিৰ (ছন্দৰ) লগত ৰিজাই চাব পাৰি,

তেনেদৰে ৰাগ-দ্বেষ শেষ হৈ যোৱাৰ পিছত,
ব্ৰহ্মাৰ স্বৰাজ্য আহে;
পুনৰ নিজৰ সুখ ভোগ কৰে সি স্বয়ং,
তাত গুৰু-শিষ্যৰ গোষ্ঠী আছে, পদ-পিণ্ড একাকাৰ হয়,
তাত থিৰেৰে থাকিবলৈ অৱকাশ নোহোৱা হয়, কোনো সময়তে।

(জ্ঞানেশ্বৰী – "১৩৫০")

নামদেৱৰ ভক্তি যি পোনতে অন্ধ আছিল গুৰুৰ নিৰ্দেশ লভি সি দৃষ্টি লাভ কৰিলে। নামদেৱৰ গুৰু বিসোৱা খেচৰ মূৰ্তিপূজাৰ দুৰ্ঘোৰ বিৰোধী আছিল। তেওঁ সগুণ উপাসনাত বুৰ গৈ থকা নামদেৱক নিৰ্গুণ উপাসনাৰ ৰহস্য জ্ঞান দিলে। তেওঁৰ ওপৰত ইচলাম ধৰ্মৰ প্ৰভাৱো কিছু নপৰা নহয়। তেওঁ এটা অভংগত কৈছে।

পাষাণ দেৱতাৰ প্ৰতি ভক্তৰ মমতাৰ
দুয়োৰে সন্দেহ কেনেকৈ কম হ'ব
এনে দেৱতাক তুৰ্কীয়ে ভাঙি পেলালে,
দ পানীত পেলাই দিলে
হে ভগৱান, দেখা নাই এনে দেৱতা,
নামেই কেশৱক প্ৰাৰ্থনা কৰে। ১৩৮৯

নামদেৱৰ দাৰ্শনিক অভিব্যক্তিৰ ৰূপৰেখা প্ৰস্তুত কৰা প্ৰক্ৰিয়াত জ্ঞানদেৱৰ ভূমিকা অতি তাৎপৰ্য্যপূৰ্ণ। জ্ঞানদেৱৰ লগত মিলন, তেওঁৰ সাত্বিকতাৰ বিচাৰ আৰু পাছত জ্ঞানদেৱৰ পৰিয়ালৰে শিষ্য বিসোবাৰ পৰা শৰণ, এইবোৰ ঘটনা প্ৰবাহৰ কাৰণে এদিন বিঠ্ঠলৰ মূৰ্তি পূজা কৰিয়েই ব্ৰহ্মজ্ঞানী বুলি ভবা নামদেৱ স্বয়ং ব্ৰহ্মবাদী ৰূপে প্ৰতিভাত হ'ল। তেওঁৰ কাব্যিক প্ৰতিভাও তেতিয়া অধিক পৰিপক্কতাৰ পিনে গ'ল। নামদেৱে প্ৰকাশ কৰিলে ঃ

"গোটেই জগতৰ মূলতে এটা তত্ত্ব ব্ৰহ্ম আৰু সি একেই, একেটা তত্ত্বই দেশত একাকাৰ হৈ আছে। সকলোতে এক তেওঁক দেখা যায়। এনে ব্ৰহ্মই সকলোকে এক দেখে। বিবেকে একো কৰিব নালাগে। মিছা ডিমক মায়া মন্থন নিমিত্ত। হৰি এই স্বাৰ্থৰ পৰা বেলেগ বেলেগ। নামাই কয় যে সমৰ্থবাণী বেদত আছে। ব্ৰহ্মমনত ভেদাভেদ নাই।।" ১৬০৭

সকলোৰে হৃদয়ত ব্যাপ্ত হৈ থকা ব্ৰহ্মই সত্য আৰু ওপৰে ওপৰে লোৱা সান্ত্বনা মিছা, নামাৰ মতে বেদৰ এই মূল তত্ত্বৰ সম্পূৰ্ণ অনুসন্ধানেই হোৱা নাই। সেয়ে তেওঁ কৈছে,

"বেদৰ কথা কৈ বলিয়া হয়
দেৱতাক চাবলৈ যায় কিন্তু সেয়ে অনিৰ্বাচ্য,
অনিৰ্বাচ্য কথা কবলৈ গ'ল। ভূ-ধৰত(শেষ নাগ)
জিভাই দোৰোল নাখায়
ভূ-ধৰৰ জিভা কুণ্ঠিত হ'ল। নামাই কয় যে
তাৰ শেষ নাই"।। ৩৮৩

যাৰ দ্বাৰা বেদৰো জিজ্ঞাসা নহ'ল। শেষ-নাগৰ সহস্ৰ জিভাই বৰ্ণনা কৰিবলৈ গৈ কুণ্ঠিত হ'ল। সেই ব্ৰহ্মৰ অনুসন্ধানৰ উপায় কি ?

"জ্ঞান সত্য মুক্ত শুদ্ধ বুদ্ধ যুক্ত। কাৰণ-ৰহিত নিৰঞ্জন তেওঁক আমি চৰ্মচক্ষু দৃষ্টিৰে দেখিলোঁ।

পংঢৰীৰ বালিত থিয় হৈ আছে
বেদৰ সহস্ৰ মুখৰো যি অগোচৰ

তেওঁ হ'ল প্ৰেমেৰে পুণ্ডলিকৰ বশ
শ্ৰুতিয়ে 'নেতি নেতি' বুলি ঘূৰি গ'ল।
আমি তেওঁক গাই গাই গীতত মিলি গ'লোঁ
স্বৰূপ নিৰ্দ্ধাৰণৰ পুৰাণে বতৰা দিয়ে।
যাৰ নিমিত্তে নানা বিবাদৰ সৃষ্টি হয়
নামাই কয় তেওঁৰ নিমিত্তেতো দৌৰিব লাগে।
বিসোবাৰ চৰণ পাবৰ কাৰণে। ৩৯০

নামদেৱৰ দৰ্শনৰ মুখ্য অঙ্গ হ'ল নামস্মৰণ। নামৰ মাহাত্ম্য নামদেৱে যিদৰে গাইছে সেইদৰে তেওঁৰ পূৰ্বতে আন কোনো সন্তই গোৱা কথা জনা নাযায়। নাম-মহিমা সম্বন্ধে নামদেৱৰ প্ৰায় দুশ অভংগ পোৱা যায় আৰু সেইবোৰত নামৰ শ্ৰেষ্ঠতা সম্পূৰ্ণৰূপে বৰ্ণিত হৈছে ঃ

"নামৰ মহিমা ব্ৰহ্মায়ো নাজানে
এই কাৰণে কৰ্মানুসৰণ কৰিবলৈ ধৰা,
নামেই কৰ্ম নামেই ধৰ্ম
কেশৱে ইয়াৰ মৰ্ম দিলে
নাম শুদ্ধ স্নান, নাম শুদ্ধ সন্ধ্যা।
নামৰ বাহিৰে আৰু বেদ নাই
নামেই গতি নামেই মুক্তি
নামাৰ চিত্তত ৰাম নাম আছে।" ৭০১

নাম-মাহাত্ম্য সম্বন্ধে নামদেৱে এনে উপযুক্ত শব্দ ব্যৱহাৰ কৰিছে যে অতি সৰল ভাষাৰেও ঈশ্বৰ-সৰ্বস্ব তত্ত্ব প্ৰতিপাদন কৰিবলৈ সমৰ্থ হৈছে। তেওঁৰ মতে নাম-মাহাত্ম্যৰ ফলত আত্মজ্ঞান সাধন হয়। ই দ্বৈত আৰু অদ্বৈত দুয়োৰে পৰা বেলেগ আৰু সম্পূৰ্ণ, অধিক কি, নামেই হ'ল অন্তৰ্য্যামী পৰব্ৰহ্ম। নামৰ মাহাত্ম্য ইমান বাহুল্যভাৱে বৰ্ণনা কৰি তেওঁ নামকে ভাগৱত ধৰ্মৰ মূলপীঠ বুলি সাব্যস্ত কৰিছে। নাম স্মৰণ কৰোঁতা পুণ্যৱানসকলৰ বিষয়ে সন্ত বহিনাবায়ে ভাগৱত ধৰ্মৰূপী দেৱালয়ৰ নামা কিংকৰৰ বিষয়ে এনেদৰে ব্যক্ত কৰিছে ঃ

"পঢ়িব নালাগে বেদ নালাগে শাস্ত্ৰবোধ
নামাৰ কথা স্মৰণ কৰা
নালাগে ব্ৰহ্মজ্ঞান নালাগে বৈৰাগ্য।
সন্ত সঙ্গত থাকি সদায় ভক্তি সাধা,
এই কলিযুগত আৰু ক্ৰিয়াকৰ্ম কৰি
কোননো বলীয়ে পাৰ পাইছে,

নামাই কয় সন্তসকলে মোক কৈছে
ইয়াতকৈ পৰম শান্তি আৰু ক'তো নাই।। ১৭৬

নামদেৱে তেওঁৰ গীতি-সাহিত্য আৰু কথা-সাহিত্যত কেৱল ঈশ্বৰভক্তি, নামধৰ্ম, চিত্তশুদ্ধি, সৎসঙ্গ এইবিলাক বিষয়ে বৰ্ণনাত্মক সৃষ্টি কৰিয়েই ক্ষান্ত থকা নাছিল। সমাজৰ প্ৰতিও তেওঁৰ লক্ষ্য আছিল সতৰ্ক। তেওঁ এখন সম্পূৰ্ণ শুদ্ধজ্ঞানযুক্ত সমাজ প্ৰতিষ্ঠাৰ কল্পনা কৰিছিল। সেয়ে তেওঁ অনেক অভংগ ৰচনা কৰি গৈছে য'ত তেওঁ সেই সময়ত সমাজত প্ৰচলিত বৈষম্যমূলক সকলো প্ৰথা আৰু অনুষ্ঠানৰ বিষয়ে কটাক্ষ কৰি সত্য-শুদ্ধ পথৰ নিৰ্দেশ দি সমাজ সংস্কাৰ সূচনাৰ ভেটি প্ৰতিষ্ঠিত কৰি গৈছে। তেওঁৰ মতে মানুহৰ মন চঞ্চল, চপল, সংকল্প-বিকল্পাত্মক ; লম্পটতাৰ স্বাভাবিকপ্ৰৱণতা হ'ল পৰধন, পৰস্ত্ৰী আৰু পাপৰ প্ৰতি। সেই কাৰণে মনৰ সৎপ্ৰবৃত্তি দৃঢ় কৰিবৰ অৰ্থে মনক বিভিন্ন প্ৰকাৰৰ উপদেশ দিছে। তেওঁ সাংসাৰিক মুমুক্ষু আৰু খল দুৰ্জনকো পথ প্ৰদৰ্শনৰ চেষ্টাৰ ক্ৰুটী কৰা নাই। তেওঁৰ উপদেশৰ মৰ্ম হ'ল সকলো প্ৰকাৰৰ সৎপ্ৰবৃত্তিৰ প্ৰতি সদ্ভাব আৰু প্ৰেম। প্ৰেম স্বয়ংস্ফুৰ্ত আৰু তাক ধাৰ কৰিব নোৱাৰি, তাৰ অভিনয় কৰিব নোৱাৰি।

"চন্দ্ৰ সূৰ্যাদিৰ বিম্ব নকলত লিখিব পাৰি
কিন্তু প্ৰকাশৰ অঙ্গ লিখিব নোৱাৰি।
লোকক দেখুৱাই সন্ন্যাসীৰ বেশ ধৰিব পাৰি
কিন্তু শ্ৰেষ্ঠ বৈৰাগ্যৰ ৰূপ ধাৰণ কৰিব নোৱাৰি।
নামাই কয় যে ভেশচনধাৰীয়ে কীৰ্ত্তন কৰে
কিন্তু প্ৰেমৰ ভাগ তেওঁ নাপায়।।" ১৫৮২

ভক্তি-মাহাত্ম্য সম্বন্ধে নামদেৱৰ বৰ্ণনা অতি স্পষ্ট। তেওঁৰ মতে ভক্তিয়েই মানৱ জীৱনৰ প্ৰাপ্তব্য আৰু ভক্তি-জ্ঞান পাবৰ কাৰণে লাগে সদ-গুৰু আৰু সাধু-সঙ্গ।

"ভক্তিৰ বাহিৰে মুক্তি নাই এয়ে সিদ্ধান্ত
হাত দাঙি বেদে কয়,
সেইকাৰণে সেই জ্ঞান জানিবলৈ হ'লে
সন্তক চিনি কি কৰা উচিত,
সংসাৰ প্ৰপঞ্চ মিছা বুলি শাস্ত্ৰই কৈছে।
সাক্ষ্যৰ কাৰণে সজ গুৰু লাগে
নামাই কয় সন্তক পৰিচৰ্য্যা কৰা
তেওঁৰ কৃপা গ্ৰহণ কৰা, সেয়েই জ্ঞান।।" ১৭০২

নামদেৱে উচ্চজাতত জন্মগ্ৰহণ কৰা নাছিল, তেওঁ জাতিত শিংপী বা দৰ্জী আছিল আৰু সেয়ে জাতি বৈষম্য বা জাতিভেদ স্বীকাৰ কৰাৰ প্ৰশ্ন নুঠে, কিন্তু জাতি যিয়েই নহওঁক ব্যক্তিত্বৰ ওপৰতহে তেওঁ গুৰুত্ব আৰোপ কৰিছিল। সেয়ে কৈছিল ঃ

"লেতেৰা ঠাইত তুলসী হ'লে, তাক অপবিত্ৰ নোবোলে,
কাক বিষ্ঠাৰ পৰা আঁহত জন্মে,
তাক অমঙ্গল নোবোলে .
দাসীৰ পুত্ৰই ৰাজপাট পালে
পিচৰ উপমা নিদিয়ে।
নামাই কয়, জাতত মই শিংপী,
জাতৰ উপমা নিদিবা।।"

তীৰ্থক্ষেত্ৰ ভ্ৰমণ, নানা ব্ৰত বৈকল্প, দেৱ-দেৱীৰ পূজা আৰু বলিবিধানৰ প্ৰথা তেওঁ একেবাৰে সমৰ্থন নকৰিছিল। শুদ্ধ দেৱতাক (জীৱ) বলি দি শিল আৰু ধাতুৰ প্ৰতিমা সজাটো যে অধৰ্ম আৰু বৰ্জনীয় সেই কথা তেওঁ নানা প্ৰকাৰে মানৱক বুজাইছিল। তীৰ্থক্ষেত্ৰবোৰত দেৱতাৰ নামত যি ব্যৱসায় চলিছিল, যি প্ৰথা আজিও বিশেষকৈ উত্তৰ ভাৰতৰ মন্দিৰ বিলাকত প্ৰচলিত, সেই বিষয়ে তেওঁ কৈছিল ঃ

"মাংস বিক্ৰেতাৰ দৰে কাম কৰে
মনত নিৰন্তৰ সেয়ে ধাৰণা,
দুষ্ট দুৰাচাৰ দুৰ্বল ঘাতুক
তেওঁ পৰম নাশ কৰোঁতা পাপী।। ১৬১০

তীৰ্থস্থান সম্বন্ধে তেওঁৰ মত আছিল এনে ধৰণৰ ঃ

"তীৰ্থবিলাকৰ তীৰ্থ-সমৰ্থ নাম, তপ-দান-ব্ৰত যজ্ঞ কোটি কৰে। হৰি-নামৰ লগত জুখিলেও কমেইহে হ'ব।" ৭২৪

তেওঁ আৰু কৈছিল ঃ

"হিন্দু পূজে দেৱালয়ত, মুছলমানে মচজিদত।
নামে তেওঁক সেৱে যি নাই দেৱালয় মচজিদত।"

তেওঁ অস্পৃশ্য জাতিৰ মানুহকো পৰম আত্মীয়ৰূপে বুকুত সাৱটি লৈছিল আৰু আশীৰ্বাদ দান কৰি তেওঁলোকক শুদ্ধ পথ দেখুৱাবলৈ যত্ন কৰিছিল।

নামদেৱে মাৰাঠী ভাষাত ৰচা কবিতা বা পদৰ সংখ্যা ২৫০০ বুলি জনা যায়। হিন্দী ভাষাৰ তেওঁৰ ২১৪ টা কবিতা এতিয়ালৈ ছপা হৈছে আৰু শিখ গুৰুগ্ৰন্থ চাহিবত ৬১টা পদ সোমাইছে। নামদেৱে মাৰাঠী, হিন্দী, মিশ্ৰিত হিন্দী আৰু পাঞ্জাবী আদি বিভিন্ন ভাষাত গীত-পদ ৰচনা কৰিছিল। তেওঁ যেতিয়া যি ঠাইতে

অৱস্থান কৰিছিল তাৰ থলুৱা ভাষা অতি সহজে আয়ত্ত কৰিব পাৰিছিল। পাটিয়ালাৰ পাঞ্জাবী বিশ্ববিদ্যালয়ে গুৰু নানকৰ ৫০০ জন্মোৎসৱ উপলক্ষে ডঃপ্ৰভাকৰ মাচৱেই ইংৰাজী আৰু পাঞ্জাবী ভাষাত "নামদেৱ জীৱনী আৰু কবিতা" নামৰ এখন চৰিতপুথি প্ৰকাশ কৰিছে। এই পুথিত নামদেৱৰ জীৱনী আৰু শিকনি প্ৰসঙ্গত বিস্তৃত তথ্যপাতি দাঙি ধৰা হৈছে। এই পুথিত নামদেৱৰ ভক্তি-কবিতাৰ স্বৰূপ, সম্পূৰ্ণ গ্ৰন্থ-সূচী, লগতে মাৰাঠী আৰু হিন্দীৰ পৰা নিৰ্বাচিত পদসমূহৰ ইংৰাজী অনুবাদ আছে। গুৰু-গ্ৰন্থত পোৱা নামদেৱৰ নাম ৬১ টা পদৰ মেকলিকৃত অনুবাদো ড মাছৱেৰ কিতাপত পোৱা যায়। নামদেৱ বিৰচিত পোন্ধৰখন গ্ৰন্থ আচাৰ্য্য বিনোৱা ভাবে প্ৰমুখ্যে আন বহু প্ৰসিদ্ধ পণ্ডিতে প্ৰকাশ কৰিছে। নামদেৱৰ বিষয়ে ইংৰাজী, হিন্দী আৰু মাৰাঠী ভাষাত বহু দেশী আৰু বিদেশী লেখকে লিখা প্ৰায় পঞ্চাশখন পুথি এতিয়ালৈ প্ৰকাশিত হৈছে।

নামদেৱৰ কবিতা সম্বন্ধে ক'ব লাগিলে এক ভাষাত ক'ব পাৰি যে "কথাৰ শুৱলা কবিত্ব কবিত্ব ভাব আৰু ৰসিকত্ব আৰু ৰসিকত্বতো পৰতত্ত্বৰ স্পৰ্শ যিদৰে আছে"। জ্ঞানদেৱৰ আদৰ্শ আছিল 'এই মাৰাঠী নগৰীত ব্ৰহ্মবিদ্যাৰ সুখ বঢ়াওঁ। কিন্তু কেৱল মহাৰাষ্ট্ৰতে নহয় তাৰ বাহিৰতো ব্ৰহ্ম-বিদ্যা প্ৰচাৰৰ ক্ষেত্ৰত মাৰাঠী সন্তসকলৰ ভিতৰত নামদেৱৰে কৃতিত্ব সৰহ। জ্ঞানদেৱে তেওঁৰ ভাবাৰ্থ-দীপিকা বা জ্ঞানেশ্বৰী উচ্চ সংস্কৃতীয়া ভাষাত ৰচনা কৰিছিল আৰু সেয়ে সাধাৰণ মানুহৰ পক্ষে ইয়াক অধ্যয়ন কৰা বা বুজা টান আছিল। এই গ্ৰন্থ বিদ্বানসকলৰ মাজতে সীমাবদ্ধ আছিল। আনহাতে নামদেৱে সৰল সহজ প্ৰান্তীয় ভাষাৰে জ্ঞানেশ্বৰীৰ তথ্য আৰু আদৰ্শ বিশাল জনগণৰ হৃদয়-গহনত প্ৰবেশ কৰাই দিয়াত সমৰ্থ হ'ল। এইদৰে জ্ঞানদেৱৰ ক্ৰান্তদৰ্শী প্ৰতিভাক পৰতত্ত্বই স্পৰ্শ কৰিলে ঃ

"পৰতত্ত্বই নয়নক দেখুৱাই দিয়া। চাওঁ সুখৰ উৎসৱ মহাবোধৰ সমৃদ্ধিত। বিশ্ব বাঢ়ে।"

(জ্ঞানেশ্বৰী ১৩-১৭৩)

ঈশ্বৰৰ লগত মিলন আৰু প্ৰেম-কলহৰ ক্ৰোধ এইটোও নামদেৱৰ ভক্তি-কাব্যৰ এক মধুৰ প্ৰসঙ্গ। ইয়াত হিচাপ কৰাৰ কল্পনা আৰু "ধাৰ পৰিশোধ নকৰিলে মোৰ খং উঠিব আৰু তোমাৰ চৰণত ধৰিম, সন্ত-মহন্তসকলৰ আগত তোমাৰ অপযশ ৰটনা কৰিম। ক্ষুধাৰ্ত হৈ তুমি ভজা বস্তু খুজিছা, তোমাৰ কীৰ্তি কিমান দূৰ ক'ম? মই এতিয়া তোমাৰ বদনাম নৰটাকৈ নাথাকিম"। এনেকুৱা কল্পনাবিলাক অত্যন্ত অন্তৰস্পৰ্শী কিয়নো ইয়াত এই পৃথিবীতে মানুহ আৰু ঈশ্বৰৰ মিলন আৰু দ্বন্দ্ব প্ৰতিভাত হৈছে। ঈশ্বৰক সাৱটি ধৰিও তেওঁ কিয় এনে নিন্দা কৰিছে তাৰ উত্তৰত এঠাইত দিছে ঃ

"নিন্দা আৰু স্তুতি তোমাৰেই কৰিম
কিন্তু আনৰ দোষ-গুণ বখানিবলৈ নাযাওঁ
নামদেৱে কয় তোমাৰ লগত সান্নিধ্য থাপিম
মোক বৈকুণ্ঠ-পদ দিবা ।।" ৩৭৫৬

নামদেৱৰ সকলো সৃষ্টিতে পৰমেশ্বৰ বিৰাজ কৰিছে। এই কাৰণে যেন গোটেই সৃষ্টিৰ প্ৰতিমাসমূহ তেওঁ যেতিয়াই বিচাৰে তেতিয়াই ওচৰত পায়। বালক-ক্ৰীড়া, শ্ৰীকৃষ্ণলীলা, নাম-মহিমা, আত্মচৰিত, উপদেশ, ৰূপকচৰিত্ৰ, ভূপালী, আৰতি আদি নানা প্ৰকাৰৰ গদ্য তেওঁ ৰচনা কৰিছে। তেওঁৰ ভাবৰ কাব্য নিৰ্মাণৰ কথা-কথনবিলাক অত্যন্ত প্ৰভাৱশালী। বিট্‌ঠল, পংঢৰপুৰ আৰু সন্তসকলৰ সান্নিধ্যত নামদেৱৰ প্ৰতিভা ঘাইকৈ বিকশিত হৈছে, তেওঁৰ ভক্তিধাৰণা মুকুলিত হৈছে আৰু সেইবোৰ নিজৰি অহা অলংকৃত বাণীৰে ৰচিত। নামদেৱকৃত 'যুগে অট্‌ঠাৱীশ বিটেৱকী উমা ?' এই আৰতি আৰু শেজাৰতী এইবোৰ উচ্চাৰিত নোহোৱাকৈ মহাৰাষ্ট্ৰৰ কোনো ধৰ্মমূলক উৎসৱ আৰু ব্ৰত সম্পূৰ্ণ নহয়। অভংগ নৱনোন্মেষশালিনী কল্পনা স্পৰ্শপ্ৰাপ্ত, তীব্ৰতাত ৰমণীয় আৰু ব্যাপক প্ৰতিভা-সৃষ্টিৰ উৎস। মাৰাঠী ভাষাত নামদেৱ এনে এজন অকলশৰীয়া সন্ত কবি যাৰ ক্ষেত্ৰত কবিত্ব আৰু ব্যক্তিত্ব একাকাৰ হৈছে। এক কথাত ক'বলৈ হ'লে দেৱতাৰ কৃপাত নামাদেৱময় হৈছে, আৰু নামৰ ভক্তিৰে দেৱ নামময় হৈছে। তেওঁৰ সমসাময়িক সন্ত-কবি পৰচা ভাগৱতে সেয়ে লিখিছে,

"নাম ভাল নামদেৱ ভাল
এটা ৰূপ ভাল সেয়ে পৰমাত্মা।।"

জ্ঞানদেৱৰ মহাপ্ৰয়াণৰ পাছত নামদেৱ প্ৰায় ছাপন্ন-সাতান্ন বছৰ জীৱিত আছিল। জ্ঞানদেৱৰ সমাধিৰ পাছত তেওঁৰ চিত্ত অত্যন্ত উদাস হ'ল। সেয়ে স্থিৰ কৰিলে পংঢৰপুৰৰ পৰা আঁতৰি দূৰ দেশলৈ যাবলৈ। সেয়ে তেওঁ প্ৰতিজ্ঞা কৰিলে

"মই এনে কৰিম বিঠোবাৰায় শুনা।
পংঢৰীৰ নিবাস এৰিম
এতিয়া গৈ দূৰদেশত থাকিম।
ভক্তিৰ আশা এৰি
হে ঈশ্বৰ মোৰ চিত্ত উদাস হ'ল।
হে কেশৱ আই-বোপাই, মই যাম
নিজৰ লগত পংঢৰীক লৈ যাম।
লৈ যাম সন্তৰ নগৰী ভীমা নদীৰ ধূলি,

ইয়াতে আছিল পংঢৰী এনে এনে লোকৰ বসতি আছিল।
আগলৈ গৈ মানুহে ক'ব চাবা।।"

প্ৰথম তীৰ্থযাত্ৰাত জ্ঞানদেৱ আৰু আন আন সন্তমণ্ডলীৰ লগত নামদেৱে প্ৰায় চাৰে সাত বছৰ ঘূৰি ফুৰিছিল। তেওঁলোকে উত্তৰ ভাৰতৰ যি যি প্ৰান্তত ভ্ৰমণ কৰিছিল তাৰ ভিতৰত পাঞ্জাব ৰাজ্যও আছিল। এই দ্বিতীয় তীৰ্থযাত্ৰাতো তেওঁ উত্তৰ ভাৰতৰ পিনে যাত্ৰা কৰিলে। পংঢৰপুৰৰ পৰা পোনতে দ্বাৰকালৈ গৈ তাত ভক্তি-মাৰ্গৰ পোহাৰ খুলিলে। তাৰপৰা মাৰৱাৰ, মথুৰা, হৰিদ্বাৰ ভ্ৰমণ শেষ কৰি অৱশেষত পাঞ্জাব পালে। তেওঁ পাঞ্জাবত প্ৰায় বিশ বছৰ কাল কটাই ভক্তি-ধৰ্ম প্ৰচাৰ সম্পূৰ্ণ কৰে। তেওঁ তাত এক সন্তৰ বৃত্ত স্থাপন কৰিছিল। নামদেৱে সকলোকে বুজনি দিছিল যে,

"জীৱনটো ভক্তি-মাৰ্গ প্ৰচাৰ কৰিবৰ কাৰণে কৰা পুনৰ্জন্মহে।"

"ভক্তিৰসৰ প্ৰেম দিয়া।
হে ঈশ্বৰ মোক দ্বিতীয় জন্ম দিয়া
প্ৰেম যদি হাতলৈ আহে
তেতিয়া য'তে থাকো সেয়ে পংঢৰী হ'ব।।"২৫৯

এই সময়ৰ নামদেৱৰ শিষ্যসকলৰ ভিতৰত বিষ্ণু-স্বামী, বহোবদাস, লডচা, জল্লা আৰু কেশো কলাধাৰীৰ ৰচনাসমূহ প্ৰসিদ্ধ আৰু তাত নামদেৱৰ ভক্তি প্ৰচাৰ সম্বন্ধে বহু তথ্য পোৱা যায়। তেওঁৰ পিছৰ কালছোৱাত যিসকল সাধু-সন্তৰ আবিৰ্ভাৱ হৈছিল তাৰ ভিতৰত ৰামানন্দ, কবীৰ, গুৰু নানক, ৰৈদাস আৰু পীপা, এইসকলে নিজ কাব্য-ৰচনাত নামদেৱৰ গৌৰৱপূৰ্ণ উল্লেখ কৰিছে।

প্ৰবাসত বহুদিন সন্ত-মহন্তৰ লগত দিন কটালে যদিও নামদেৱে পাহৰা নাছিল পংঢৰপুৰৰ স্মৃতি। জ্ঞানদেৱে তেওঁক কৈছিল 'পংঢৰী ৰামাৰ তুমি প্ৰেমৰ ভঁৰালী'। "সখা বিৰল জ্ঞানেশ্বৰৰ" কথা আকৌ মনত পৰিল। শিষ্য মণ্ডলীৰ আগত তেওঁ প্ৰকাশ কৰিলে তেওঁৰ অভিলাষৰ কথা। এনেহেন গুৰুৰ বিৰহ চিন্তাত শিষ্যসকল ব্যাকুল হ'ল। সকলোকে বুজাই বঢ়াই আশীষ দান কৰি তেওঁ আহি পংঢৰপুৰ পালে আৰু ১৩৫০ খৃষ্টাব্দত তেওঁৰ চিৰপ্ৰিয় বিট্‌ঠলৰ দেৱালয়ৰ সম্মুখত ভৌতিক দেহা ত্যাগ কৰি মহাশূন্যত মিলি গ'ল।

### একনাথ

একনাথ আছিল ভানুভক্ত নামৰ এক ব্ৰাহ্মণ সন্তৰ নাতি। তেওঁলোকৰ বসতি আছিল মহাৰাষ্ট্ৰৰ পইথানত। তেওঁ যেতিয়া বাৰবছৰ বয়সত ভৰি দিয়ে

তেতিয়া এদিন এক অদ্ভুত স্বপ্নাদেশ পালে যে তেওঁ দেৱগড়ৰ জনাৰ্দন স্বামীৰ গুচৰলৈ গৈ আধ্যাত্মিক জীৱনৰ শিক্ষা-জ্ঞান আয়ত্ত কৰিব লাগে। সেইমতে তেওঁ দেৱগড়লৈ যাত্ৰা কৰিলে আৰু তাত গুৰুৰ সতে ছবছৰ কাল কটাই পুনৰ নিজ স্থানলৈ উভতি আহিল।

একনাথৰ গুৰুসঙ্গত ইমান দিন কটোৱাৰ ফলত গোটেই জীৱনটোতে এক বিৰাট পৰিৱৰ্তনৰ সূচনা হ'ল। তেওঁ ব্যৱহাৰিক জীৱন আৰু ধৰ্মীয় জীৱনৰ ভিতৰত এক সুন্দৰ সমন্বয় স্থাপন কৰি দিন অতিবাহিত কৰিবলৈ ধৰিলে। তেওঁ পোনতে জ্ঞানদেৱ বিৰচিত জ্ঞানেশ্বৰী প্ৰকাশ কৰি উলিয়ালে আৰু জ্ঞানদেৱৰ আদৰ্শতে জীৱন-বোধ ৰচনা কৰিলে। তেওঁ হিন্দুসমাজত প্ৰচলিত জাতি-ভেদ প্ৰথা সমূলি সমৰ্থন নকৰিছিল। তেওঁৰ মতে বিশ্বৰ সকলো ভূতেই এজন পৰমেশ্বৰৰ সৃষ্টি আৰু তাত কোনো ভিন্-পৰ থাকিব নোৱাৰে। এবাৰ তেওঁ কোনো এক অনুষ্ঠানৰ বাবে বহুদূৰত অৱস্থিত গোদাবৰী নদীৰ পানী কঢ়িয়াই আনি থাকোতে বাটতে দেখিলে এটি গাধৰ পানীৰ পিয়াহত মৃত্যুক্ষণ উপস্থিত । তেওঁ সেই পৱিত্ৰ পানী গাধটোক খুৱাই উভতি আঁহিল। আৰু এবাৰ তেওঁ পিতৃ-পিতামহৰ তৰ্পণৰ কাৰণে আয়োজন কৰা খাদ্য-সম্ভাৰ, কেইজনমান অস্পৃশ্য মানুহক অভুক্ত অৱস্থাত দেখা পাই, তেওঁলোকক খুৱাই খুব আনন্দ অনুভৱ কৰিছিল।

তেওঁ এজন সাৰ্থক লেখক, কবি আৰু গায়কো আছিল। তেওঁ ভাগৱত পুৰাণৰ চাৰিটা অধ্যায়ৰ ভাষ্য ৰচনা কৰিছিল। তেওঁ বহু ধৰ্মীয়সঙ্গীত অৰ্থাৎ অভংগৰো স্ৰষ্টা আছিল। তেওঁৰ দৈনন্দিন কাম আছিল কীৰ্ত্তন আৰু ভজন ; আৰু সেইবোৰ মৃত্যুৰ আগলৈকে এদিনো বাদ দিয়া নাছিল। তেওঁ, তেওঁৰ পূৰ্ববৰ্তী মহাৰাষ্ট্ৰৰ সন্তসকলৰ দাৰ্শনিক আদৰ্শ মানুহৰ মাজত প্ৰচাৰ কৰি ফুৰিছিল। ১৫৯৮ খৃষ্টাব্দত তেওঁৰ দেহাৱসান হয় বুলি জনা যায়।

## টুকাৰাম

টুকাৰাম এজন কৃষক পৰিয়ালৰ মানুহ আছিল। এবাৰ দেশত ভীষণ দুৰ্ভিক্ষ হোৱাত টুকাৰামৰ সংসাৰ চাৰখাৰ হোৱাৰ নিচিনা হয়। তেওঁৰ সকলো মাটি-সম্পত্তি দেনাৰ দায়ত বিক্ৰী হৈ যায়। তেওঁৰ পিতৃ, পুত্ৰ আৰু দুগৰাকী ঘৈণীয়েকৰ ভিতৰত এজনী মৃত্যু মুখত পৰে। তেওঁৰ যি গৰাকী পত্নী থাকিল তেওঁ আছিল অত্যন্ত দন্দুৰী তিৰোতা। তেওঁ টুকাৰামৰ লগৰ সাধু-সন্তসকলৰ প্ৰতি সদায় কদৰ্য্য আচৰণ দেখুৱাইছিল। এনেদৰে ঘৰে-বাহিৰে সকলো প্ৰকাৰ জঞ্জালত জৰ্জৰিত হৈ মনৰ শান্তিৰ কাৰণে তেওঁ জ্ঞানদেৱ, নামদেৱ আৰু একনাথৰ লিখনিসমূহ অধ্যয়ন

কৰিবলৈ ধৰিলে। তেওঁ ভণ্ডনাথ আৰু ভাণ্ডাৰৰ পাহাৰবিলাকৰ ওপৰত নিৰ্জন ঠাইত গৈ সদায় ধ্যান কৰিবলৈও আৰম্ভ কৰিলে। এনেদৰে কিছুদিন কটোৱাৰ পিছত এদিন সপোনতে বাবাজী নামৰ এজন সন্তই তেওঁক দিব্যজ্ঞান দান কৰি শৰণ দিয়া বুলি জনশ্ৰুতিমতে জনা যায়। তেওঁ সপোনতে বিঁটঠল আৰু নামদেৱৰো দৰ্শন পায় আৰু তেওঁলোকে তেওঁক তেওঁৰ পূৰ্ববৰ্তী গুৰুসকল অৰ্থাৎ জ্ঞানদেৱ, নামদেৱ আৰু একনাথে সম্পূৰ্ণ কৰিব নোৱাৰা বাকীখিনি অভংগ ৰচনাত ব্ৰতী হ'বলৈ আদেশ দিয়ে।

এনেদৰে তেওঁ সাহিত্য ৰচনাত মনপুতি লাগে আৰু বহু অভংগ সৃষ্টি কৰে। এবাৰ ৰামেশ্বৰ ভট্ট নামৰ এজন ইৰ্ষান্বিত ব্ৰাহ্মণে তেওঁ ৰচনা কৰা গোটেইখিনি গীতি-কবিতা ইন্দ্ৰায়নী নদীত পেলাই দিছিল। এই ঘটনাত তেওঁ মৰ্মান্তিক আঘাত পাই তেৰ দিন নিৰাধাৰ ব্ৰত পালন কৰে আৰু জনশ্ৰুতিমতে তাৰেই ফলত ৰহস্যজনকভাৱে লিখনিবোৰ পুনৰ উদ্ধাৰ হয়। ইয়াৰ পাছতেই ৰামেশ্বৰ ভট্ট তেওঁৰ প্ৰধান ভক্ত হৈ পৰে। কেৱল এইটোৱে নহয় টুকাৰামে তেওঁৰ জীৱন কালত আৰু নানা লোকৰ পৰা নানা অত্যাচাৰ আৰু অপমান সহ্য কৰিবলগীয়া হৈছিল, কিন্তু তেওঁ কেতিয়াও লক্ষ্যপথৰপৰা বিচলিত হোৱা নাছিল।

সেই সময়ত মহাৰাষ্ট্ৰৰ প্ৰখ্যাত বীৰ ৰজা শিবাজীয়ে তেওঁলৈ বহুমূলীয়া বহু উপহাৰ যাচিছিল, কিন্তু তেওঁ সেইবোৰ গ্ৰহণ কৰা নাছিল। শেষত শিবাজীয়ে তেওঁৰ ত্যাগ আৰু ভক্তিৰ মহিমাত মোহিত আৰু আকৰ্ষিত হৈ তেওঁৰ শিষ্যত্ব গ্ৰহণৰ প্ৰস্তাব আগবঢ়াইছিল। কিন্তু টুকাৰামে ৰাজনীতিৰ পৰা সদায় দূৰত থকাৰহে পোষকতা কৰিছিল আৰু শিবাজীক ৰামদাসৰ পৰা ধৰ্মীয় আচাৰ গ্ৰহণ কৰিবলৈ উপদেশ দি পঠাইছিল। টুকাৰাম শিবাজীৰ সম-বয়সৰে আছিল।

এইজনা গুৰুৰ মুখ্য উদ্দেশ্য আৰু মূল লক্ষ্য আছিল আধ্যাত্মবাদৰ শীৰ্ষস্তৰ লাভ কৰা জ্ঞানভক্তিৰ মাজেৰে। তেওঁৰ জীৱন এই মহান সাধনাৰ এক আদৰ্শস্বৰূপ। তেওঁ সকলো মানুহৰে নিজৰ জীৱন-পদ্ধতি উচ্চ আদৰ্শৰ মাধ্যমত পালন কৰিবলৈ উপদেশ দিছিল। তেওঁ জ্ঞানেশ্বৰ প্ৰৱৰ্তিত ভক্তিধৰ্মৰ প্ৰধান অনুৰাগী আৰু প্ৰচাৰক আছিল। সেয়ে মহাৰাষ্ট্ৰৰ সন্তসকলৰ ভিতৰত তেওঁৰ এখন বিশিষ্ট স্থান আছে।

## সমৰ্থ-ৰামদাস

ৰামদাসে ১৬০৮ খৃষ্টাব্দত জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ পিতৃ সূৰ্য্যজী ব্ৰাহ্মণকুলৰ পণ্ডিত আছিল। মাতৃৰ নাম আছিল ৰেণুবাঈ। শিশুকালত মাক-

পিতাকে ৰামদাসৰ নাম নাৰায়ণ ৰাখিছিল আৰু তেওঁ পৰিয়ালৰ দ্বিতীয় পুত্ৰ আছিল। ৰামদাসৰ যেতিয়া বয়স মাত্ৰ ছবছৰ তেতিয়াই সূৰ্য্যজীৰ পৰলোক প্ৰাপ্তি হয়। বাৰ বছৰ বয়সতে তেওঁ সংস্কৃত আৰু মাৰাঠী ভাষাত ব্যুৎপত্তি লাভ কৰে। সেই সময়তে মাকে তেওঁৰ বিয়াৰ ব্যৱস্থা কৰিছিল, কিন্তু ৰামদাসে বিয়াৰ ৰভাথলীৰ পৰাই পলাই গুচি যায়।

তেওঁ নাসিকৰ ওচৰৰ টাকলী নামে স্থানত সুদীৰ্ঘ বাৰ বছৰ গভীৰ তপস্যাত নিমগ্ন হয়। তেওঁ ব্ৰাহ্ম-মুহূৰ্ত্তৰ পৰা কঁকালৰ সমান গভীৰ পানীত থিয় হৈ দুপৰীয়ালৈ তপস্যা কৰিছিল। ভিক্ষা কৰি য'ত যেতিয়া যি পায় অলপ আহাৰ কৰি আকৌ আবেলিৰ পৰা ৰাতিলৈ পানীত নামিছিল। তপস্যা কালত তেওঁ চাৰে-তিনিকোটি নাম জপ কৰিছিল। তেওঁৰ জপৰ মন্ত্ৰ বা নাম আছিল ঃ

"শ্ৰীৰাম জয়-ৰাম জয় জয় ৰাম"

এই তপস্যাবলত তেওঁ সিদ্ধি লাভ কৰি পৰতত্ত্ব জ্ঞানৰ অধিকাৰী হ'ব পাৰিছিল। তপস্যাৰ শেষত ৰামদাসে সুদীৰ্ঘ বাৰ বছৰ ধৰি গোটেই ভাৰতবৰ্ষ ভ্ৰমণ কৰিছিল। এই ভ্ৰমণ কালত তেওঁ বদৰিনাথ, কেদাৰনাথ আৰু কৈলাসনাথ আদি তীৰ্থস্থানো দৰ্শন কৰিছিল। হিমালয়ৰ এই তীৰ্থবোৰ ভ্ৰমণ কৰি ফুৰা সময়তে এজন সন্ন্যাসী হঠাৎ তেওঁৰ সন্মুখত উপস্থিত হৈ তেওঁক দিব্যজ্ঞান প্ৰদান কৰে আৰু সন্ন্যাস ব্ৰত দিয়ে। এই সন্ন্যাসীজনক তেওঁৰ চৰিতকাৰসকলে স্বয়ং ৰাম বুলি বৰ্ণনা কৰিছে। যিহেতু তেওঁ যেতিয়াই যি ইচ্ছা কৰে সেই কাম কৰাৰ সামৰ্থ্য আছিল, গতিকে তেওঁৰ নামৰ আগত বিশেষণ হিচাপে 'সমৰ্থ' শব্দটো যোগ হ'ল। তেওঁ হনুমানৰ নিচিনা ৰামৰ অতি অনুৰক্ত ভক্ত হোৱা কাৰণে তেওঁৰ নাম নাৰায়ণৰ ঠাইত ৰামদাস হয়।

অৱশেষত ৰামদাসে তেওঁৰ নিজ গৃহৰ পৰা অনতিদূৰত কৃষ্ণা নদীৰ পাৰত ছবল নামে স্থানত আশ্ৰম নিৰ্মাণ কৰে। তেওঁ বিভিন্ন স্থানত ৰাম আৰু হনুমানৰ মন্দিৰ সজাইছিল আৰু সৰ্বমুঠ বাসত্তৰটা মঠ প্ৰতিষ্ঠা কৰি তেওঁৰ ভক্তসকলক তাত স্থাপন কৰি ভক্তিধৰ্ম প্ৰচাৰৰ বিৰাট অভিযান আৰম্ভ কৰিছিল। তেওঁৰ স্থানীয় ভাষাত 'দশবোধ', 'মনাছি শ্লোক' আৰু 'ৰামায়ণ' পুথি ৰচনা কৰিছিল। তেওঁ ৰচিত অভংগসমূহো অতি সুৱলা আৰু ভক্তি-ৰসপূৰ্ণ আছিল। তেওঁৰ লিখনিসমূহ মহাৰাষ্ট্ৰৰ ৰাইজৰ আজিও সেৱাৰ বস্তু।

মহাপুৰুষ একনাথৰ উপদেশ মতে শিৱাজী এদিন ৰামদাসৰ ওচৰলৈ আহি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰে। ইয়াৰ পাছত ৰাজ্য পৰিচালনা আৰু যুদ্ধ-বিগ্ৰহ আদি সকলো বিষয়তে শিৱাজীয়ে তেওঁৰ গুৰুৰ পৰামৰ্শতহে কাম কৰিছিল। তেওঁ গুৰুৰ

প্ৰতি অত্যন্ত অনুৰক্ত হৈ পৰিছিল। এবাৰ ছাতাৰা নামে স্থানত শিৱাজী ছাউনি পাতি থকা সময়ত ৰামদাসে তাৰে ওচৰে পাজৰে ভিক্ষা কৰি ফুৰিছিল। এই দৃশ্য দেখা পাই শিৱাজীয়ে এখন তালপাতত দান-পত্ৰ লিখি তেওঁৰ গোটেই ৰাজ্যখন গুৰুৰ নামত লিখি দিছিল আৰু তেওঁ গুৰুৰ কিংকৰ হিচাপে কাম কৰিব বুলি প্ৰকাশ কৰিছিল। ৰামদাসে তেতিয়া শিষ্যক অশেষ আশীৰ্বাদ দান কৰি কৈছিল, "এতিয়াৰ পৰা এই ৰাজ্য ৰামৰ, তুমি তেওঁৰ সেৱক হিচাপে 'ৰামৰাজ্য' পৰিচালনা কৰা আৰু সদায় মনত এই কথা স্মৰণ ৰাখিবা।" তেতিয়াৰ পৰা শিৱাজী গেৰুৱা পতাকা তেওঁৰ ৰাজ্যৰ প্ৰতীক হিচাপে গ্ৰহণ কৰিছিল আৰু সকলোকে 'ৰাম' বুলি সম্বোধন কৰিছিল।

শিৱাজী পেৰেলীত অৱস্থিত তেওঁৰ প্ৰাসাদৰ ওচৰতে পাহাৰৰ ওপৰত গুৰুৰ বাবে এখন সুন্দৰ আশ্ৰম স্থাপন কৰি তাত তেওঁক ৰখাৰ ব্যৱস্থা কৰিছিল। এই আশ্ৰম 'সাজান ঘৰ' হিচাপে জনাজাত। তাত বহু সাধু-সন্তৰ সমাবেশ হৈছিল। এতিয়াও এই স্থানত ৰামদাসৰ পাৰ্থিৱ অৱশিষ্ট বহু বস্তু সংৰক্ষণ কৰি ৰখা হৈছে।

ৰামদাসৰ সম্প্ৰদায়টোক 'ধাৰাকাৰী' সম্প্ৰদায় হিচাপে জনা যায়। নিবৃত্তিনাথ আৰু জ্ঞানদেৱ আছিল বৰাকাৰী সম্প্ৰদায়ৰ প্ৰতিস্থাতা আৰু নামদেৱ, একনাথ, টুকাৰাম আদি সন্তসকল সেই সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত আছিল। তেওঁলোকৰ উপাস্য দেৱতা আছিল পংঢৰপুৰৰ বিঠ্‌ঠল বা কৃষ্ণ। ধাৰাকাৰী সম্প্ৰদায়ৰ উপাস্য দেৱতা হ'ল 'ৰাম'। কিন্তু দুয়ো সম্প্ৰদায়ৰে মুখ্য মতাদৰ্শ হ'ল ভক্তি-মাৰ্গ।

জাষ্টিছ্ ৰাণাডেই তেওঁৰ ইংৰাজী ভাষাত লিখা কিতাপ 'The Rise of Mahratha Power'ত এনেদৰে মন্তব্য কৰিছেঃ

"It was not a mere political movement that stirred Maharastra at the beginning of the seventeenth Century. The political movement was preceded and in fact to some extent caused by a religious and social upheaval which moved the entire population. The religious revival was not Brahmanical in its enthodoxy. It was the work of the masses and not of the classes. At its head were saints and poets who sprang from the lower orders of society--tailors, carpenters, potters, gardeners, shopkeepers, barbers and even outcastes more than Brahmins. The political leaders acted in concert with the religious leaders. Sivajee's chief adviser was Ramdas. The impulse of the time was felt in art, in religion, in the growth of vernacular literature, in the communal freedom of life and in increased self

ance and toleration."

## কৰ্ণাটকৰ দাসকুটা বা হৰিদাস সম্প্ৰদায়ৰ ভূমিকা

(১)

ত্ৰয়োদশ শতাব্দীত মধবাচাৰ্য্যই তেওঁৰ বৈদান্তিক চিন্তাধাৰাৰ মাধ্যমেৰে যি ভক্তিৰসৰ সোঁত বোৱাইছিল, তেওঁৰ পৰলোকৰ পাছত তেওঁৰ শিষ্যসকলে সেই প্ৰবাহ সাগৰসদৃশ কৰি বোৱাবলৈ এক বিস্তৃত কৰ্মপন্থা হাতত ল'লে। এই আন্দোলনত ব্ৰতী সাধুসকল 'দাসকুটা' বা 'হৰিদাস' সম্প্ৰদায় নামেৰে জনাজাত হ'ল। মধবাচাৰ্য্যৰ সংস্কৃত ভাষাত ৰচিত আধ্যাত্মিক তত্ত্ববোৰ এওঁলোকে সহজ সৰল কানাড়ী ভাষাত গীত-পদলৈ ৰূপান্তৰিত কৰিলে। তেওঁলোকে একো একোটা দলত বিভক্ত হৈ দাক্ষিণাত্যৰ গাঁৱে-চহৰে সেই গীত-পদাদি গাই ফুৰি সৰ্বসাধাৰণ ৰাইজৰ মনত ভগৱদ্-চিন্তাৰ খোৰাক যোগালে। পংঢৰপুৰত (বৰ্তমান মহাৰাষ্ট্ৰত) অৱস্থিত বিটঠলৰ বিগ্ৰহ এওঁলোকৰ প্ৰতীক স্বৰূপ আছিল। এওঁলোকৰ সাধনাৰ লক্ষ্য আছিল বিটঠল অৰ্থাৎ শ্ৰীকৃষ্ণ।

হৰিদাস সম্প্ৰদায়ৰ ভকতসকলে গাই ফুৰা গীতৰ মাধ্যমেৰে প্ৰচাৰ কৰা হৈছিল যে এই সংসাৰত জীৱনযুদ্ধ অতি দুখময় আৰু জ্বালাময় আৰু সেই কাৰণে ইয়াৰপৰা পৰিত্ৰাণ পোৱাৰ একমাত্ৰ উপায় হ'ল সৎ-কৰ্মৰদ্বাৰা জীৱন যাপন আৰু শ্ৰীহৰিচৰণত একান্ত শৰণ বা আত্মসমৰ্পণ। এওঁলোকৰ গীতবিলাকত কেৱল ভক্তিমূলক কথাই নাছিল। এওঁলোকে সামাজিক সমস্যাসমূহৰ ওপৰতো প্ৰখৰ দৃষ্টি ৰাখিছিল। সেয়ে তেওঁলোকে জাতি-প্ৰথাৰ বিৰুদ্ধেও বাণী প্ৰচাৰ কৰিছিল। এওঁলোকে ধাৰ্মিকৰ ভেশ লৈ ধৰ্মৰ নামত হোজা চহা মানুহবিলাকক নানা প্ৰলোভন দেখুৱাই নানা আচাৰ-অনুষ্ঠান কৰি ফুৰা লোকসকলকো তীব্ৰভাৱে গৰিহণা দিছিল। বিজয়নগৰ ৰাজ্য মুছলমানৰ অধীনলৈ যোৱাৰ আগত আৰু পাছত প্ৰায় তিনিশ বছৰ এই ভক্তি আন্দোলন চলিছিল। মাজতে এশমান বছৰ ৰাজনৈতিক অনিশ্চয়তাই কিছু প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছিল।

এই সম্প্ৰদায়ৰ গীত-পদবিলাক যদিও আবেগপ্ৰৱণ, সেইবোৰ কিন্তু শাস্ত্ৰৰ আধাৰতে ৰচিত হৈছিল। এওঁলোকৰ মাজত বহু শাস্ত্ৰজ্ঞ পণ্ডিত আছিল। সেয়ে সমাজ সংস্কাৰ আৰু ভক্তি এই দুয়োটা পথৰ সমন্বয় স্থাপন কৰিবলৈ এওঁলোকে যত্ন কৰিছিল। তেওঁলোকে মধবাচাৰ্য্যৰ দ্বৈতবাদৰ সৰল ব্যাখ্যা দাঙি ধৰি মানুহক বুজাইছিল যে এজন সৰ্বজ্ঞ, সৰ্বত্ৰাতা ভগৱান এই বিশ্বৰ বা ত্ৰিলোকৰ গৰাকী। জন্ম-মৃত্যুৰ হাত সাৰি তেওঁৰ লগত একাত্ম হোৱাৰ একমাত্ৰ পন্থা হ'ল ঐকান্তিক ভক্তি। ভক্তিৰ মাধ্যমেৰেহে ভগৱানৰ কৰুণা লাভ সম্ভৱপৰ হয়। সেই কাৰণে এই জগতখন যে প্ৰকৃতিৰ মায়াৰ খেল সেই তাৎপৰ্য্য উপলব্ধি কৰিব লাগে।

r৬JIএওঁলোকৰ ভক্তি-আন্দোলনৰ প্ৰভাৱ সৰ্বসাধাৰণ মানুহৰ ওপৰত বাৰুকৈয়ে পৰিছিল। নিষ্পেষিত অৱহেলিতসকলে আৰু বিশেষকৈ সেই সময়ৰ সকলো প্ৰকাৰে প্ৰৱঞ্চিতা নাৰীসমাজে এওঁলোকৰ ভাৱধাৰা আৰু আদৰ্শৰ মাজত শান্তিৰ আৰু মুক্তিৰ সোপান বিচাৰি পাইছিল। দলে দলে হাজাৰ-বিজাৰ মানুহ এওঁলোকৰ লগ লাগিছিল। ওচৰ-চুবুৰীয়া ৰাজ্যৰপৰা বিশেষকৈ মহাৰাষ্ট্ৰৰ পৰা বহু ভকত এই দললৈ আহিছিল। পংঢৰপুৰত বছৰেকীয়া যি ধৰ্মসভা মহোৎসৱ হৈছিল, তাত লাখ লাখ মানুহৰ সমাগম হৈছিল। সেই উৎসৱত ভকতক শৰণ আৰু শপত দিওৱা হৈছিল। সকলোবিলাক অনুষ্ঠান ভক্তিমূলক নৃত্য-গীতৰ মাধ্যমেৰে কৰা হৈছিল।

হৰিদাস সম্প্ৰদায়ৰ গীতবিলাক মোটামুটিভাৱে তিনিভাগত ভগাব পাৰি, যেনে :— প্ৰথমখিনি সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে। এইবোৰৰ ৰচক আছিল প্ৰথম বৈষ্ণৱভকত শ্ৰীপদৰাজ (ওৰফে লক্ষ্মীনাৰায়ণ) আৰু কনকদাস আদি কবি। দ্বিতীয় : ব্যাসৰায়, গোপালদাস আদিয়ে ৰচনা কৰাখিনি ব্ৰাহ্মণ সমাজৰ বাবে।

তৃতীয়ভাগ, অৰ্থাৎ বিজয়দাস, জগন্নাথদাস আদিয়ে ৰচিতখিনি আছিল মধ্বৰ শিষ্যসকলৰ উদ্দেশ্যে। এওঁলোকে সমাজৰ সকলো খিনি মানুহক সামৰি ভেদাভেদহীন এখন সমাজ গঠন কৰি পূৰ্ণাঙ্গ এটা ধৰ্মমতৰ আধাৰ স্থাপন কৰিবলৈ যত্ন কৰিছিল। 'ভোগত সুখ' মতবাদৰ এওঁলোকে সম্পূৰ্ণ বিৰোধিতা কৰিছিল। এওঁলোকে ঈশ্বৰদৃষ্টিত সকলো মানুহৰ সমতা স্বীকাৰ কৰি সকলোৱে নিজ অনুশাসনৰ বশৱৰ্ত্তী হৈ উচ্চমানৰ নীতি-শাস্ত্ৰবোৰৰ উপদেশাৱলীৰ নিৰ্দেশত জীৱন নিৰ্বাহ কৰিবলৈ পৰামৰ্শ দিছিল।

## শ্ৰীপদৰাজ

হৰিদাস সম্প্ৰদায়টোৰ প্ৰতিষ্ঠাতা আছিল শ্ৰীপদৰাজ ওৰফে লক্ষ্মীনাৰায়ণ (১৪০৬ পৰা ১৫০৪ খৃষ্টাব্দ)। এওঁ বহুকাল শ্ৰীৰঙ্গমত আছিল আৰু সেয়ে আলোৱাৰ ভকতসকলৰ বিষ্ণুবন্দনাৰ ভক্তিগীত বোৰৰ লগত পৰিচিত আছিল। সেই সময়তে অন্নমাচাৰ্য্যই টিৰুপতিৰ শ্ৰীনিবাসৰ আশীৰ্বাদপুষ্ট হৈ তেলুগু-কীৰ্তন ৰচনা আৰম্ভ কৰিছিল। এইবিলাকেই হয়তো শ্ৰীপদৰাজকো কানাড়া ভাষাত গীত ৰচনা কৰিবলৈ প্ৰেৰণা যোগাইছিল। তেওঁ মহীশূৰৰ কোলাৰ জিলাৰ মূলবগলত অৱস্থিত পদ্মনাভ মঠৰ প্ৰধান নিযুক্ত হৈছিল আৰু এই স্থান বেদান্ত-চৰ্চ্চাৰ প্ৰধান কেন্দ্ৰ আছিল। তেওঁৰ সংস্কৃত সাহিত্যত অগাধ ব্যুৎপত্তি আছিল। বিজয়নগৰৰ ৰাজপৰিয়ালৰো তেওঁ শ্ৰদ্ধাৰ পাত্ৰ আছিল। তদুপৰি তেওঁ নিজে আছিল এজন একান্ত ভকত। তেওঁ 'ৰঙ্গবিট্‌ঠল' গুপ্ত নামলৈ বিষ্ণুৰ উদ্দেশ্যে সুৰ আৰু

কবিত্বমাধুৰীসনা বহু কীৰ্তন আৰু আন গীত-পদ ৰচনা কৰি গৈছে। তেওঁৰ কীৰ্তনবোৰৰ ভিতৰত 'ভ্ৰমৰগীত', 'গোপীগীত' আৰু 'বেণুগীত' অতি বিখ্যাত আৰু জনপ্রিয় । তেওঁৰ আটাইতকৈ জনপ্রিয় এটি গীত হ'ল শ্ৰীৰঙ্গমৰ ৰঙ্গনাথৰ উদ্দেশ্য লিখা। এই গীত ত মন্দিৰৰ পবিত্র পৰিবেশ, বিগ্ৰহৰ ষড়ৈশ্বৰ্য্যৰ মাধুৰ্য্য আৰু কাবেৰী পৰিবেষ্টিত স্থানখনৰ বিতোপন বৰ্ণনা প্ৰকাশ পাইছে। এনেই ভবিষ্যতৰ ভকত সকলৰ কাৰণে এটা অভিনব পৰিবেশ সৃষ্টি কৰি গৈছে।

## ব্যাসৰায়

শ্ৰীপদৰাজৰ শিষ্য ব্যাসৰায় আছিল এজন বিচাৰবাদী দাৰ্শনিক। তেওঁৰ জীৱনকাল আছিল ১৪৪৭খৃঃৰ পৰা ১৫৩৯খৃঃ। তেওঁৰ সংস্কৃত ভাষা আৰু দ্বৈত দৰ্শনৰ জ্ঞান সেই সময়ৰ বেদান্তপন্থীসকলৰ প্ৰতি প্ৰত্যাহ্বানস্বৰূপ আছিল আৰু সেই সময়খিনিক নবাদ্বৈতবাদ জন্ম হোৱা বুলি কোৱা হৈছিল। তেওঁ ৰচিত গীতিকাব্য 'ন্যায়মূৰ্ত্ত' 'তৰ্কতাণ্ডব' আৰু 'চন্দ্ৰিকা' ইয়াৰ প্ৰমাণস্বৰূপ আছিল। সৰ্বমুঠ তেওঁ প্ৰায় দুশ ভক্তিগীত ৰচনা কৰি গৈছে। ইয়াৰ ভিতৰত কিছুমান কীৰ্তন অত্যন্ত আবেগপূৰ্ণ আৰু কবিত্বমাধুৰীসনা। জনশ্ৰুতিমতে জনা যায় যে শ্ৰীকৃষ্ণই নিজে তেওঁৰ সম্মুখত নৃত্য কৰা দৃশ্য দেখি তেওঁ বিভোৰ হৈছিল। তেওঁৰ বৃন্দাবনৰ প্ৰতি অনুৰাগ ইমান প্ৰবল আছিল যে তেওঁ সেই পবিত্ৰ স্থানত গৈ কোনো জীৱ হিচাপে পুনৰ্জন্ম পোৱাৰ সৌভাগ্যৰ কাৰণে সদায় ঈশ্বৰক প্ৰাৰ্থনা কৰিছিল। তেওঁ গোটেই দেশ ভ্ৰমণ কৰি বহু ঠাইত বহু যশস্যা অৰ্জন কৰিছিল।

ব্যাসৰায় ৰচিত গীত-পদৰ আধাৰ আছিল ভাগৱত পুৰাণ, কিন্তু তেওঁৰ ৰচনাৱলীত তেওঁৰ ব্যক্তিত্বৰ প্ৰভাৱ পৰিস্ফুট হৈছিল। তেওঁৰ শ্ৰীকৃষ্ণৰ নৃত্যৰ বৰ্ণনা, গোপীসকলে শ্ৰীকৃষ্ণৰ হাতত থকা আৰু ওঠৰ পৰশ পোৱা বাঁহীটোৰ প্ৰতি প্ৰদৰ্শন কৰা ঈৰ্ষা, কালিয়দমন আদিৰ বৰ্ণনা অতি মধুৰ ভাৱৰ আৰু মনোৰঞ্জক। তেওঁ বিজয়নগৰ ৰাজ্যৰ আৰু বিশেষকৈ ৰজা কৃষ্ণদেৱ ৰায়ৰ ৰাজগুৰু আছিল। মধুসূদন সৰস্বতীয়ে তেওঁৰ আদৰ্শতে 'অদ্বৈতসিদ্ধি' গ্ৰন্থ ৰচনা কৰিছিল। হৰিদাস সাহিত্যৰ উত্তৰোত্তৰ প্ৰকাশ আৰু প্ৰচাৰৰ কাৰণে তেওঁ এটা ভক্তৰ দল সংগঠন কৰিছিল আৰু তেওঁলোককেই পাছত দাসকূটা বুলি জনা গৈছিল। এওঁলোকৰ ভিতৰত পুৰন্দৰদাস আৰু কনকদাস আছিল অন্যতম।

## বদিৰাজ

বদিৰাজ উদিপিৰ মঠৰ আঠজন অধিপতিৰ ভিতৰত এজন আছিল। তেওঁ কৰ্নাটকৰ বিখ্যাত ৰাজ্য তুলুৰৰ লোক আছিল আৰু মধবাচাৰ্য্যৰ দৰে এজন

টুলুভাষী ব্ৰাহ্মণ আছিল। জনা যায় যে তেওঁ শ্ৰীপদৰাজৰপৰা বিদ্যা শিক্ষা কৰিবলৈ কিছুদিন ব্যাসৰায়ৰ লগত বাস কৰিছিল। তেতিয়া তেওঁ নিশ্চয় শ্ৰীপদৰাজ আৰু ব্যাসৰায় কানাড়া সঙ্গীতৰ মাধ্যমত দাৰ্শনিক শিক্ষা প্ৰচাৰৰ নতুন অভিজ্ঞতা অৰ্জন কৰিছিল। তেওঁ শ্ৰীপদৰাজ আৰু ব্যাসৰায় সম্বন্ধে লিখা গীতে সেই বিষয়ে সাক্ষ্য বহন কৰে। তেওঁ সুপণ্ডিত আছিল আৰু দ্বৈত বেদান্তৰ ভাষ্যকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল। তেওঁ মধব-দৰ্শনৰ ওপৰত লিখা সংস্কৃত পুথি 'যুক্তিমালিকা' সেই দৰ্শন সম্বন্ধে এখন অতি উৎকৃষ্ট গ্ৰন্থ। তেনেদৰে সংস্কৃত ভাষাত লিখা 'ৰুক্মিণীচ বিজয়ো' এখন অতি মধুৰ কাব্য।

## পুৰন্দৰদাস

এই সম্প্ৰদায়ৰ পুৰন্দৰদাসক কৰ্ণাটকী সঙ্গীতৰ পিতৃস্বৰূপ হিচাপে জ্ঞান কৰা হয়। এওঁৰ জীৱনকাল আছিল ১৪৮৪খৃঃৰ পৰা ১৫৬৪খৃষ্টাব্দ। বিজয়নগৰৰ সমৃদ্ধিকালত সেই ৰাজ্যৰ তেওঁ এজন নামজ্বলা ব্যবসায়ী আছিল। কিন্তু তেওঁ তেওঁৰ অতি সাধ্বী, ধৰ্মপ্ৰাণা স্ত্ৰীৰ প্ৰভাৱৰ কাৰণে সকলো সম্পদ ত্যাগ কৰে আৰু ভক্তিসঙ্গীত সাধনাত নিজকে নিমগ্ন কৰে। এওঁৰ প্ৰায় এশ বছৰ পাছত আন এজন সঙ্গীতজ্ঞ ভেংকতমাখিয়ে 'চতুৰ্দন্দী প্ৰকাশ' নামৰ পুথিত এই সঙ্গীতৰ স্বৰ, ৰাগ, তাল, লয় আদিৰ বিভাগ কৰি ইয়াক সুসংহত ৰূপ দিয়ে। ভাৰতীয় উচ্চাঙ্গ সঙ্গীতৰ বিশিষ্ট দুটি ধাৰা, যেনে, হিন্দুস্থানী সঙ্গীত আৰু কৰ্ণাটকী সঙ্গীত। হিন্দুস্থানী সঙ্গীত বোলাটোত কিন্তু ৰাজদৰবাৰ আৰু মোগলসকলৰ প্ৰভাৱো কম নহয়। কৰ্ণাটকী সংগীতহে কেৱল সনাতন দাস্যভক্তিৰ মধুৰসৰ দ্বাৰা পুষ্ট। হৰিদাস সম্প্ৰদায়ৰ ভাৰতীয় সংস্কৃতিলৈ এইটো এটা মহৎ অৱদান।

## কনকদাস

ব্যাসৰায়ৰ দ্বিতীয় শিষ্য কনকদাস পেশাগতভাৱে সৈন্য বাহিনীৰ সেনাপতি আছিল। তেওঁৰ জীৱনকাল ১৫০৯খৃঃৰ পৰা ১৬০৭খৃষ্টাব্দ। মানুহৰ ভগৱানৰ প্ৰতি ভক্তি সম্বন্ধে জ্ঞানৰ প্ৰয়োজনীয়তা তেওঁৰ জীৱনৰ এটা সন্ধিক্ষণত উপলব্ধি হয়। এবাৰ তেওঁ যুদ্ধক্ষেত্ৰত অচেতন হৈ বাগৰি পৰে ; কিন্তু তেওঁৰ জ্ঞান ফিৰি অহাৰ পাছত তেওঁ দেখে যে তেওঁৰ সৈন্যসকলে সমৰভূমিত তেওঁক পৰিত্যাগ কৰি সকলো আঁতৰি গৈছে। এই ঘটনাই মানুহৰ চেনেহ-মৰম সম্বন্ধে তেওঁৰ মনত এক বিতৃষ্ণা জগায়। ইয়াৰ পাছত গুৰুৰ প্ৰভাৱত তেওঁ ভক্তিসঙ্গীত ৰচনাত মন দিয়ে। তেওঁৰ সঙ্গীতৰ পৰা সহজে অনুমান কৰিব পাৰি, আত্মশোধনৰ কাৰণে তেওঁৰ কি কঠোৰ সাধনা আৰু ভগৱানৰ ওচৰত আত্মনিবেদনৰ বাবে কি ব্যাকুল প্ৰাৰ্থনা। চতুষ্টয়

সমাজ সংস্কাৰৰ ক্ষেত্ৰতো এইজন ভকতৰ অৱদান অসামান্য। জনশ্ৰুতিমতে এওঁ হেনো নীচকুলীয় ব্যাধ জাতিৰ লোক আছিল। সেয়ে তেওঁৰ এই সম্প্ৰদায়ত অন্তৰ্ভুক্তিৰ বিৰুদ্ধে গোড়া ভক্তসকলে বিদ্ৰোহ ঘোষণা কৰিবলৈকো কুণ্ঠিত হোৱা নাছিল। কিন্তু কনকদাসে অতি দৃঢ়ভাৱে বিদ্ৰোহীসকলৰ মুখ বন্ধ কৰিছিল তেওঁৰ অপাৰ গুণ-গৰিমা আৰু ভক্তিৰ কথা সোঁৱৰাই দি। আজিও কনকদাস কৰ্নাটকৰ এটা অতি প্ৰিয় নাম। তেওঁৰ প্ৰগতিবাদী চিন্তাধাৰা আৰু ভক্তিতত্ত্বৰ ধাৰণাই জাত-পাত আদি সকলো বিবেচনাৰ উৰ্দ্ধত স্থান পাইছে। তাৰ প্ৰমাণ তেওঁ ৰচিত বহুগীতৰ উপৰিও চাৰিখন তত্ত্বপুথি, যেনে, 'মোহনতৰঙ্গিনী', 'হৰিভক্তিসাৰ', 'ৰামধ্যান চৰিত' আৰু 'নলচৰিত'। আজিও উদিপিত অৱস্থিত শ্ৰীকৃষ্ণৰ মন্দিৰত 'কনক খিৰিকী' নামৰ এখন খিৰিকী আছে যাৰ দ্বাৰা প্ৰমাণ হয় তেওঁৰ শিষ্যবৰ্গৰ ওপৰত তেওঁৰ প্ৰভাৱৰ কথা।

১৫৬৫ খৃষ্টাব্দত বিজয়নগৰ ৰাজ্য মুছলমান শাসনকৰ্তাৰ অধীনলৈ যায়। ৰাজনৈতিক বিশৃংখলাৰ কাৰণে হৰিদাস সম্প্ৰদায়ৰ সাহিত্য-সঙ্গীত ৰচনাতো কিছু প্ৰতিবন্ধকতাৰ সৃষ্টি হয়, কিন্তু আজিও বিদ্বানসকলৰ অভিমত যে, পোন্ধৰ শতিকাৰ যুগটোৱেঁ কৰ্ণাটকৰ সাহিত্যৰ সোণালী যুগ।

## বিজয়দাস

হৰিদাস সম্প্ৰদায়ৰ ভক্তিগীত-পদৰ আকৌ ৰচনা আৰু প্ৰচাৰ আৰম্ভ হয় বিজয়দাসৰ দ্বাৰা। তেওঁৰ জীৱনকাল আছিল ১৬৮৭খৃঃৰ পৰা ১৭৫৫খৃষ্টাব্দলৈ। এওঁ পুৰন্দৰদাস ব্যাসৰায় আৰু কনকদাসহঁতৰ প্ৰায় এশ বছৰ পাছত এই অভিযান আকৌ আৰম্ভ কৰে। হিন্দুৰাজ্য বিজয়নগৰ মুছলমান শাসনৰ অধীনলৈ যোৱাৰ ফলত বৈদিক ধৰ্মৰ ভেটিটোৰ লৰক-ফৰক অৱস্থা হৈছিল। সেয়ে হিন্দু ধৰ্মাৱলম্বী মানুহখিনিৰ মনত বিশ্বাস আৰু আস্থা প্ৰগাঢ় কৰিবলৈ কিবা এটা কাৰ্য্যসূচীৰ প্ৰয়োজন হৈছিল। সেই কামকেই আৰম্ভ কৰিছিল হৰিদাস সম্প্ৰদায়ৰ দ্বিতীয় পৰ্য্যায়ৰ ভকতসকলে।

বিজয়দাসে মনভী টালুকৰ এটা অতি দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰিছিল। জনশ্ৰুতিমতে তেওঁ যেতিয়া বাৰাণসীত অতি হতাশাগ্ৰস্ত জীৱন যাপন কৰিছিল, সপোনতে পুৰন্দৰদাসে তেওঁক শৰণ দিয়ে। ইয়াৰ পাছৰ পৰা তেওঁৰ জীৱনৰ বিৰাট পৰিবৰ্তনৰ সূচনা হয়। বিজয়দাসৰ বৈশিষ্ট্য হ'ল যে তেওঁ হৰিদাস অভিযান পুনঃপ্ৰৱৰ্তিত কৰি দ্বৈত-বেদান্তৰ আধাৰত নানা গীত-পদ আদিৰে ইয়াক সমৃদ্ধ কৰাই নহয়, এই পৰম্পৰা ভৱিষ্যতলৈ আগবঢ়াই নিবলৈ এদল অতি বিশ্বাসী আৰু সমৰ্থ শিষ্যাৰো সৃষ্টি কৰে। পুৰন্দৰদাস, বিজয়দাস, গোপালদাস আৰু জগন্নাথদাস

বুলি সাধাৰণতে আখ্যা দিয়া হয়। পুৰন্দৰদাসৰ বাহিৰে বাকী তিনিওজন হৰিদাস অভিযানৰ দ্বিতীয় অধ্যায়ৰ সাধক।

### জগন্নাথদাস

এই সম্প্ৰদায়ৰ জগন্নাথ দাসো এজন সুপণ্ডিত আৰু দ্বৈত দৰ্শনৰ প্ৰবক্তা আছিল। তেওঁৰ জীৱনকাল আছিল খৃঃ১৭২৮ৰ পৰা ১৮১৯খৃষ্টাব্দলৈ। যিসকল সাধকে হৰিদাস সম্প্ৰদায়লৈ বৰঙণি যোগাইছিল তেওঁলোকৰ বহুতৰে জীৱন কাহিনীৰ আধাৰত এওঁ বহু কীৰ্তন ৰচনা কৰিছিল। এটা সম্পূৰ্ণ সফল জীৱন পাবলৈ প্ৰয়োজনীয় আদৰ্শাৱলীৰ ভিত্তিত তেওঁ যি দীঘলীয়া কীৰ্তন ৰচনা কৰিছিল সেইটোক ফলবিদু বলদুদাকে (Phalavidu Baldudake) বোলা হয় আৰু এইটো এটা প্ৰখ্যাত সৃষ্টি। পাণ্ডুৰাগৰ বিগ্ৰহৰ বিষয়ে লিখা 'ভৃত্যনামা' কীৰ্তনো অসাধাৰণ, ভামিনী সতপদী ছন্দত লিখা 'হৰি কথামৃতসাৰ' অতি শুৱলা আৰু সুদীৰ্ঘ বত্ৰিছ সৰ্গৰ সমাহাৰ। এইটো মধব-দৰ্শনৰ ওপৰত লিখা হৈছে আৰু কানাড়া আৰু সংস্কৃত ভাষাত ইয়াৰ ওপৰত টীকাভাষ্য ওলাইছে।

হৰিদাস সম্প্ৰদায়ৰ কীৰ্তিৰাজিত প্ৰায় এশজন সন্ত-মহন্তৰ অৱদান আছে আৰু কৰ্ণাটকত এই পৰম্পৰা আজিও অব্যাহত আছে বুলিয়ে ক'ব লাগিব, কিয়নো সেই ঠাইৰ মানুহৰ জীৱন-যাপন প্ৰণালী, ধৰ্ম-বিশ্বাস আৰু নৃত্য-গীত আদিত সেই প্ৰভাৱৰ বিস্তাৰ দেখিবলৈ পোৱা যায়।

এই আন্দোলনটো বেদান্ত ভাষ্যৰ ধৰ্মীয় আদৰ্শৰ এটা গণতান্ত্ৰিক অভিযান আছিল। তামিলনাডুৰ আলৱাৰ ভকতসকলৰ লগত এওঁলোকৰ বহু মিল যদিও এই দুটি যেন দুই ভিন্নমুখী ধাৰাৰ সোঁত। আলৱাৰসকলৰ আবেগপ্ৰৱণতাক নাথমুনি আৰু ৰামানুজ আদি আচাৰ্য্যই দাৰ্শনিক ৰূপ দিছিল, আনহাতে মধবাচাৰ্য্যৰ বেদান্ত সিদ্ধান্ত দ্বৈতবাদক হৰিদাস সম্প্ৰদায়ে ভাৱাবেগী ভাব ভাষাৰে সৰ্বসাধাৰণ মানুহৰ অন্তৰৰ গভীৰতম প্ৰদেশলৈ সুমুৱাই দিয়াত সাৰ্থকতা লাভ কৰিছিল।

## উত্তৰ ভাৰতৰ ভক্তিগঙ্গাৰ নৱ ভগীৰথ ঃ ৰামানন্দ স্বামী

(১)

সমকালীন ভাৰতৰ অন্যতম শ্ৰেষ্ঠ আচাৰ্য্য ৰামানন্দ স্বামীৰ জন্ম হৈছিল ১২৯৯ খৃষ্টাব্দত প্ৰয়াগৰ ওচৰৰ মালকোট নামৰ স্থানত। তেওঁৰ পিতাৰ নাম আছিল পুন্যসদন আৰু মাতৃৰ নাম সুশীলা দেৱী। এই ব্ৰাহ্মণ পৰিয়ালটোৰ অতীজৰ স্থান আছিল কান্যকুব্জ বা কনৌজ। মালকোট পূৰ্বতে আছিল শৈৱ ব্ৰাহ্মণসকলৰ বিখ্যাত কেন্দ্ৰ। আচাৰ্য্য ৰামানুজ এবাৰ শিষ্য-প্ৰশিষ্যৰে সৈতে এই স্থানলৈ

আহিছিল বিষ্ণু মাহাত্ম্য প্ৰচাৰ কৰিবলৈ। তেওঁৰ প্ৰদীপ্ত মনীষা আৰু সাধনশক্তিয়ে সকলোকে আকৰ্ষিত কৰিছিল। ব্ৰাহ্মণ পণ্ডিতসকলে তেতিয়াৰপৰা শাক্তসম্প্ৰদায় ত্যাগ কৰি বৈষ্ণৱ সম্প্ৰদায়ত অন্তৰ্ভুক্ত হয়। ৰামানুজে ইয়াত এটা বিষ্ণু মন্দিৰো স্থাপন কৰে। ৰামানন্দৰ পিতৃ পুন্যসদন আছিল ইয়াৰে এজন বৈষ্ণৱ পণ্ডিত। পিতৃ-মাতৃয়ে ৰামানন্দৰ নাম থৈছিল ৰামদত্ত।

আঠ বছৰ বয়সত ৰামদত্তৰ উপনয়ন আৰু শিক্ষাৰম্ভ হয়। সৰুৰেপৰা তেওঁৰ শিক্ষাগুৰু আৰু গাঁৱৰ আন পণ্ডিতসকলে বালকৰ কৃতিত্ব দেখি বিস্ময় মানিছিল। মাত্ৰ বাৰ বছৰ বয়সতে তেওঁ ধৰ্মশাস্ত্ৰৰ বহু দুৰূহ পাঠ আয়ত্ত কৰিছিল। সেয়ে পিতৃ-মাতৃয়ে উচ্চশিক্ষাৰ্থে তেওঁক বাৰানসীলৈ পঠাইছিল। বাৰানসী তেতিয়া গোটেই দেশৰ ভিতৰতে সংস্কৃত শিক্ষাৰ প্ৰখ্যাত কেন্দ্ৰস্থল। ভাৰতৰ বিখ্যাত আচাৰ্য্য আৰু শাস্ত্ৰবিদ পণ্ডিতসকলৰ তাত সমাবেশ ঘটিছিল। অধ্যয়ন, অধ্যাপনা, বিচাৰ, বিতৰ্ক আৰু ধৰ্মসভা অনুষ্ঠানাদিৰ দ্বাৰা বাৰানসী তেতিয়া সদায় মুখৰ হৈ আছিল। ৰামদত্তক এজন স্মাৰ্ত আচাৰ্য্যৰ টোলত ভৰ্তি কৰোৱা হৈছিল।

দৈৱী জীৱনত ঐশী আশীৰ্বাদ কেতিয়া কিদৰে বৰ্ষিত হয় কোনোৱে ক'ব নোৱাৰে। ৰামদত্তৰ জীৱনত হঠাৎ তেনেকুৱা এক অদ্ভুত ঘটনা ঘটিল। এদিন শেষ ৰাতি তেওঁ গুৰুৰ প্ৰাতঃপূজাৰ কাৰণে ফুল তুলিবলৈ গৈ যিখন বাগিছাৰ পৰা মনে মনে ফুল গোটাইছিল, সেই বাগিছাৰ অধিকাৰী আছিল স্বয়ং ৰাঘৱানন্দ মহাৰাজ। তেখেত আছিল ৰামানুজ সম্প্ৰদায়ৰ অগ্ৰণী আচাৰ্য্য আৰু সাধন-ভক্তিৰ বলত গোটেই ভাৰতবৰ্ষত খ্যাত। তেওঁ যোগ-বিভূতিসম্পন্ন মহাসাধক আছিল আৰু ভূত-ভৱিষ্যতৰ কথা আগতে জানিছিল। ৰামদত্তই ফুল চুৰ কৰি থাকোঁতে হঠাৎ তেওঁ বালকৰ সম্মুখত উপস্থিত হ'ল, কাৰ ল'ৰা, কি কৰে ইত্যাদি প্ৰশ্ন সুধিলে আৰু কিছুসময় মুখৰ ফালে ৰ লাগি চাই অকস্মাৎ কৈ পেলালে, "বালক তোমাৰ জীৱন প্ৰদীপৰ তেল যে শেষ হওঁ হওঁ।" তেতিয়া পূব গগণত সূৰ্য্যদেৱে পাটত বহিছে। অন্ধকাৰ আঁতৰি গৈছে। ৰাঘৱানন্দই কুমলীয়া ল'ৰাটোক বহু আশীৰ্বাদ দি সদায় হৰিনাম জপ কৰিবলৈ উপদেশ দি নিজ ছাত্ৰশাললৈ পঠিয়াই দিলে। সূৰ্য্যৰ আলোকৰশ্মি তেতিয়া তেওঁৰ মুখমণ্ডলত শৰীৰৰ সৰ্বঅঙ্গত বিয়পি পৰিছে। তেওঁ ওপৰৰ ফালে মুখ তুলি ভাবাবেগত বিভোৰ।

ৰাঘৱানন্দৰ কথা শুনি ৰামদত্তৰ অন্তৰাত্মা কঁপি উঠিল। বুজিব পাৰিলে যে এই সুন্দৰ সংসাৰখন পিতৃ-মাতৃ আত্মীয়-স্বজন সকলোকে এৰি তেওঁ চিৰদিনৰ কাৰণে গুচি যাব লাগিব। সেয়ে আশ্ৰমলৈ গৈ নিজ গুৰুৰ আগত সকলো বিৱৰি ক'লে। তেওঁৰ গুৰুৱেও জানিছিল যে ৰাঘৱানন্দ শক্তিধৰ সাধক আৰু বাক্‌সিদ্ধ মহাপুৰুষ। ৰামদত্তৰ অকাল মৃত্যু সম্বন্ধে তেওঁ যি ভৱিষ্যত বাণী উচ্চাৰণ কৰিছে

সি কেতিয়াও মিছা নহ'ব। ৰামদত্তক লগত লৈ শিক্ষাগুৰুৱে লৰালাৰিকৈ আহি ৰাঘৱানন্দৰ আশ্ৰমত উপস্থিত হ'ল আৰু পুত্ৰসম ছাত্ৰৰ প্ৰাণ ৰক্ষাৰ উপায় ভিক্ষা কৰিলে। তেওঁ আৰু ক'লে যে জ্যোতিষ বিদ্যাৰ সহায়ত তেওঁ ৰামদত্তৰ অকাল মৃত্যুৰ যোগ দেখিছিল, কিন্তু তাৰ প্ৰতিকাৰ কৰাৰ ক্ষমতা বা উপায় তেওঁৰ নাছিল। ৰাঘৱানন্দই আশ্বাস দি গুৰুক ক'লে, "আপুনি ব্যাকুল নহ'ব, ৰামদত্ত যে শেষৰাতি মোৰ বাগিছালৈ আহিব মনতে সেই কথা মই আগতে জানিছিলোঁ। তেওঁৰ প্ৰাণৰক্ষাৰ বাবে মই আদিষ্ট হৈছো, ঈশ্বৰ-নিৰ্দিষ্ট এক মহান কৰ্ম এওঁৰ দ্বাৰাই এদিন সম্পন্ন হ'ব আৰু সেয়ে জনকল্যাণৰ কাৰণেই তেওঁ বাচি থকাৰ প্ৰয়োজন। ৰামদত্তক আপুনি মোক দান কৰক।" শিক্ষাগুৰুৱে আনন্দত উৎফুল্ল হৈ ৰামদত্তক ৰাঘৱানন্দৰ হাতত সঁপি দিলে। পিছদিনাই এক শুভলগ্নত বালকক সন্ন্যাস ধৰ্মত দীক্ষিত কৰোৱা হ'ল। গুৰুৱে নাম দিলে ৰামানন্দ স্বামী। ৰামদত্তই ৰামানন্দৰ মাজেৰে পালে নতুন জীৱন আৰু নব আলোকৰ সন্ধান।

গুৰুৰ আশীৰ্বাদত ৰামানন্দই সুদীৰ্ঘ পৰমায়ু আৰু বিপুল কৰ্মশক্তিৰ অধিকাৰী হয়। ৰামানন্দী সম্প্ৰদায়ৰ মতে তেওঁ ১১১ বছৰ কাল জীয়াই থাকি অগণিত মানুহৰ জীৱনত ভক্তি-ধৰ্মৰ ঐশ্বৰ্য্য বিস্তাৰ কৰিছিল। ৰামানুজীয় ভক্তি-তত্ত্বৰ পৰা যি পৰম সম্পদ তেওঁ আহৰণ কৰিছিল সেই তত্ত্বৰ পৰম্পৰা ভঙ্গ কৰি উদাৰতৰ মানবতাবোধ সমাজ জীৱনৰ সৰ্বস্তৰত অকৃপণভাৱে বিতৰণ কৰিছিল। এই শক্তিমান আচাৰ্য্যৰ জীৱন আৰু বাণীত উদ্বুদ্ধ হৈছিল ভাৰতৰ লাখ লাখ 'ৰামাওয়ৎ' সাধক। মধ্যযুগীয় অধিকাংশ ভক্তিবাদী মহাপুৰুষে ৰামানন্দৰ ভাবধাৰাৰ পুণ্য সলিলত অৱগাহন কৰি ধন্য হৈছিল। হিন্দুধৰ্মৰ জাত-পাতৰ বিচাৰ সমূলে নিৰ্মূল কৰি হিন্দু-মুছলমান আদি সকলো ধৰ্মৰ মহান আদৰ্শবোৰৰ সমন্বয় সাধন কৰি ভাৰতৰ এক মহান বিপ্লৱৰ সূচনা কৰিছিল এইজন মহাপুৰুষেই।

আশ্ৰমত গুৰুৰ তত্ত্বাবধানত নানা উচ্চতৰ উপলব্ধি, শক্তি আৰু বিভূতি তেওঁ লাভ কৰিলে। বিশিষ্টাদ্বৈতবাদৰ এক বিশিষ্ট ব্যাখ্যাকাৰ হিচাপে তেওঁ এতিয়া খ্যাত। যৌৱনৰ দুৱাৰদলিত থিয় হৈ তেওঁৰ প্ৰখ্যাতি বিয়পি পৰিছে। চাৰিওফালে কাশীৰ সাধক সমাজত তেওঁৰ জনপ্ৰিয়তা এতিয়া অসামান্য। এদিন হঠাৎ গুৰুৰ আদেশ পালে, "ৰামানন্দ। শ্ৰীবিষ্ণুৰ কৃপাত সাধন ভজন মাৰ্গত তুমি বহু দূৰ আগবাঢ়িছা। তোমাৰ ঐকান্তিকতা আৰু ভক্তিনিষ্ঠা দেখি মই সন্তোষ লাভ কৰিছোঁ। কিন্তু মঠৰ অভ্যন্তৰৰ নিশ্চিত আৰামত বহি বহিতো সাধকৰ প্ৰকৃত পৰীক্ষা নহয়।"

"প্ৰভু ; কৃপা কৰি আদেশ কৰক মোৰ কি কৰ্তব্য।"

"তুমি পৰিভ্ৰমণলৈ ওলাই যোৱা অজান পথেদি। জনগণৰ মাজত ঘূৰি-ফুৰি তেওঁলোকৰ ঘনিষ্ঠ সংস্পৰ্শ লাভ কৰি তেওঁলোকৰ অন্তৰৰ উম লোৱা, অনুভৱ

কৰা তেওঁলোকৰ নিভৃত প্ৰাণৰ অভাৱ, দৈন্য। তেওঁলোকৰ সুখ-দুখৰ ভাষা বুজিবলৈ চেষ্টা কৰা। তেতিয়াহে বুজিব পাৰিবা তোমাৰ সাধনাৰ প্ৰকৃত লক্ষ্য কি। তদুপৰি ঐশীকৰ্মৰ বাবেই তোমাৰ এই পৃথিবীত জন্ম।" গুৰুৰ আজ্ঞা শিৰোধাৰ্য কৰি ৰামানন্দ এক সাধুদলৰ লগত ওলাই গ'ল তীৰ্থভ্ৰমণলৈ।

কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ, গুজৰাটৰ পৰা পূৰ্বাঞ্চলৰ গংগানদীৰ মোহনাত অৱস্থিত গঙ্গাসাগৰ তীৰ্থ পৰ্যন্ত গোটেই অঞ্চল পৰিভ্ৰমণ কৰি সকলো ধৰণৰ মানুহৰ সঙ্গ লাভ কৰি উপাৰ্জন কৰে নানা অভিজ্ঞতা। গঙ্গাসাগৰত তেওঁ আৱিষ্কাৰ কৰে কপিলমুনিৰ প্ৰাচীন সাধনপীঠ। উত্তৰ কালত এই পুণ্যময় স্থান হৈ পৰে লক্ষ লক্ষ ভক্তৰ পূজ্য তীৰ্থস্থান। কেইবাবছৰো এনেদৰে পৰিভ্ৰমণ কৰি ৰামানন্দ উভতি আহে নিজ আশ্ৰমলৈ।

বহুদিনৰ পাছত প্ৰিয় শিষ্যৰ দৰ্শন পাই স্বামী ৰাঘৱানন্দৰ আনন্দৰ সীমা নাই। প্ৰণাম কৰোতে শিষ্যক বুকুত সাৱটি লৈ যাছিলে স্নেহাশীষ আৰু চুম্বন। ৰাঘৱানন্দৰ এতিয়া যথেষ্ট বয়স হৈছে। তেওঁৰ চেনেহৰ শিষ্য প্ৰতিভাবান, শাস্ত্ৰবিদ আৰু নানা বাস্তব অভিজ্ঞতাৰে পৰিপূৰ্ণ। সেয়ে তেওঁৰ হাতত আশ্ৰমৰ ভাৰ সমৰ্পণ কৰি তেওঁ নিশ্চিত হ'ব খোজে, কিন্তু তেওঁৰ আন শিষ্যসকলে গুৰুৰ মনোভাব বুজিব পাৰি ৰামানন্দৰ ওপৰত বিতুষ্ট। গুৰুৱে ৰামানন্দৰ আগমনত উৎফুল্লিত হৈ তেওঁক বিপুল ভোগ প্ৰস্তুত কৰিবলৈ আদেশ দিলে। ৰামানন্দই নিজে ভোগ ৰন্ধন কৰি ইষ্টদেৱ আৰু গুৰুক প্ৰসাদ দান কৰিব সেই কথা ভাবি অত্যন্ত পুলকিত। কিন্তু তেওঁৰ প্ৰতিদ্বন্দ্বীসকলে এই কামৰ মাজেৰেই গ্ৰহণ কৰিলে পূৰ্ণ সুযোগ তেওঁক হেয় প্ৰতিপন্ন কৰিবলৈ। ৰামানুজী সম্প্ৰদায়টোৰ আচাৰ-পদ্ধতি আছিল অতি কঠোৰ আৰু ৰক্ষণশীল। এওঁলোকৰ ভোগ ৰন্ধা আৰু ভোগগ্ৰহণ কামত বাহিৰৰ লোকৰ স্পৰ্শদোষৰ কথাই নাই, কাৰো দৃষ্টি পৰিলেও সি হৈছিল অস্পৃশ্য।

ৰামানন্দৰ বিৰুদ্ধবাদীসকলে গুৰুৰ ওচৰত নিবেদন জনালে যে ভোগশালত প্ৰৱেশ কৰাৰ আগেয়ে তেওঁলোকে ৰামানন্দক কিছুমান প্ৰশ্ন সুধিব খোজে। গুৰুৱে অনুমতি প্ৰদান কৰিলে। তেওঁলোকে প্ৰশ্ন কৰিলে যে পৰিব্ৰাজক জীৱনত ৰামানন্দই যেহেতু বিভিন্ন গৃহত বাস কৰিছে, জাতি-বৰ্ণ নিৰ্বিশেষে কিমান লোকৰ লগত মিলামিছা কৰিছে, গতিকে তেওঁ জানো ৰামানুজী সম্প্ৰদায়ৰ ভোগ আদি ৰন্ধা বিষয়ৰ যি শুচিতা বা ধৰা-বন্ধা নিয়ম আছে, সেইবোৰ সদায় ৰক্ষা কৰিব পাৰিছিল ? ৰামানন্দই উত্তৰ দিলে যে প্ৰবাসী জীৱনত সেইবোৰ সম্ভৱপৰ নাছিল আৰু প্ৰয়োজনীয় বুলিও ভবা নাছিল। তদুপৰি চুৱা-চুই আদি সৰু কথাবোৰক লৈ সাধনা বিড়ম্বিত কৰা কাম তেওঁ সমৰ্থন নকৰে। তেওঁ জগন্নাথ ধামত প্ৰসাদ বিতৰণৰ ক্ষেত্ৰত নিৰ্বিচাৰে যিদৰে কৰা হয় তেওঁৰ মঠটো সেই প্ৰথা প্ৰৱৰ্তনৰ পোষকতা

কৰে। তেওঁৰ মতে জগন্নাথক মানিব আৰু আনহাতে তাৰ আচাৰ প্ৰথা ঘৃণা কৰিব পাৰি সেয়া অযুক্তিকৰ। এই কথা লৈ লাগি গ'ল হুলস্থূল। বিসম্বাদীসকলৰ বাসনা পূৰণ হ'ল।

ৰাঘৱানন্দ অত্যন্ত আনন্দিত হ'ল, পুলকিত হ'ল ৰামানন্দৰ উত্তৰত কিন্তু আন শিষ্যসকলক দেখুৱাই সুধিলে যে তেওঁ কি সঁচাকৈ তেওঁৰ বৈপ্লৱিক মতকে ধৰি ৰাখিব খোজে। ৰামানন্দই উত্তৰ দিলে বিনীতভাৱে—"গুৰুদেৱ, ভগৱানৰ বাস সকলো ভক্তৰ হৃদয়ত। ভগৱানক ভাল পাম আৰু ভক্তক নাপাম সেইটো কেনেকুৱা কথা। ভক্তসমাজে এনেদৰে বিভক্ত হ'লে সমাজ হ'ব বিপন্ন আৰু বৈষ্ণৱ সাধনা হ'ব নিস্ফল। মই এই কথা আগতেও ভাবিছিলো কিন্তু এই কেইবছৰত বিভিন্ন স্থান পৰিভ্ৰমণ কৰি বিভিন্ন লোকৰ লগত সহবাস কৰি সেই মত মোৰ দৃঢ় হৈছে। সেয়ে মঠৰ বাহিৰলৈ গৈ মই সমাজক নিবিড়ভাৱে চাব খোজো সমকালীন সমাজ ধৰ্ম আৰু ইতিহাসৰ আলোকত।"

ৰাঘৱানন্দই তেতিয়া আন সাধুবোৰক উদ্দেশ্যি ক'লে "তোমালোকে শুনা মোৰ সিদ্ধান্তৰ কথা, ৰামানুজী সম্প্ৰদায়ৰ গুৰু পৰম্পৰাত যি আদৰ্শ আৰু আচাৰ-পদ্ধতি চলি আহিছে সেইবোৰৰ ব্যতিক্ৰম কৰাৰ অধিকাৰ মোৰ নাই। সেইবোৰ আগৰ দৰেই থাকিব। কিন্তু ৰামানন্দই যি আদৰ্শৰ কথা কৈছে সেয়া তেওঁৰ নিজস্ব বিশ্বাস আৰু উপলব্ধ সত্য। ভক্তিপ্ৰেমৰ গভীৰতম অৱস্থাতহে সেই উপলব্ধি সম্ভৱপৰ। সেয়ে তেওঁক এই সম্প্ৰদায়ৰ গণ্ডীৰ পৰা মই মুক্তি দিলোঁ।"

নতজানু হৈ ৰামানন্দই গুৰুৰ পদধূলি গ্ৰহণ কৰিলে। বিৰুদ্ধবাদী সতীৰ্থসকল নিৰ্বাক, নিস্পন্দ আৰু হতভম্ব হৈ থিয় হৈ থাকিল।

ৰাঘৱানন্দই প্ৰিয়তম শিষ্যৰ শিৰ চুই আশীৰ্বাদ দি ক'লে যে তেওঁ যেন তেওঁৰ উপলব্ধ সত্যৰ ভেটিত ভক্তিধৰ্মৰ আধাৰত এখন নতুন সমাজ ৰচনা কৰি জগতৰ কল্যাণ সাধন কৰিব পাৰে।

গুৰু আৰু সতীৰ্থসকলৰ পৰা বিদায় লৈ ৰামানন্দই সিদিনাই আশ্ৰম ত্যাগ কৰি ওলাই গ'ল।

পূৰ্বাপৰ বৈষ্ণৱ আচাৰ্য্যসকলৰ লগত ৰামানন্দৰ পাৰ্থক্য আৰু বৈশিষ্ট্য নিৰ্ণয় কৰিবলৈ গৈ ড° আৰ. জি. ভাণ্ডাৰকাৰে লিখিছে —

'A spirit of sympathy for the lower castes and classes of Hindu society has from the beginning been a distinguishing feature of Vaisnavism. Still, so far as we have advanced, the great teachers kept these castes and classes into, what might be called, an outer court, though they were admitted to the benefits of the new dispensation. They had not, as the pure Vedantins assert, to do the duties prescribed for their

mean position and rise in succeeding lives until they were finally born as Brahmanas, when alone they could avail themselves of the methods laid down for the attainment of Moksa, or deliverance. They could attain this even as members of the lowest caste by resorting to devotion, but the Brahmanic teachers, Ramanuja and others, made the methods based on the study of the Vedic literature accessible only to the higher castes, leaving other methods to the rest. (Vaisnavism, Saivism and other minor religious systems by R.G. Bhandarkar. P.67)

(হিন্দু সমাজৰ অতি নীচ অন্ত্যজ শ্ৰেণীৰ মানুহৰ প্ৰতি সহানুভূতি হৈছে বৈষ্ণব সম্প্ৰদায়ৰ অন্যতম বৈশিষ্ট্য আৰু এই আন্দোলনৰ প্ৰথমৰ পৰাই সেইটো চকুত পৰে, কিন্তু প্ৰাচীন আচাৰ্য্যসকলে ব্ৰাহ্মণেতৰ জাতি-বৰ্ণৰ মানুহক সাধাৰণতে বাহিৰ চোতালত থিয় কৰাই ৰাখিছিল, যদিও তেওঁলোকক নতুন পৰিস্থিতি আৰু ভাবধাৰাৰ সুযোগ সুবিধা দিয়া হৈছিল। ৰক্ষণশীল বেদপন্থীসকলে বিচাৰিছিল যে এইবিলাক মানুহে নিজস্ব নীচ গণ্ডীৰ ভিতৰত থাকিয়েই ধৰ্মাধৰ্মৰ অনুষ্ঠান কৰক আৰু জন্ম-জন্মান্তৰৰ অৰ্জিত পুণ্যফলৰ দ্বাৰা আকৌ ব্ৰাহ্মণৰ ঘৰত জন্মগ্ৰহণ কৰক। তাৰ পাছত তেওঁলোকৰ নবলব্ধ উন্নত জীৱনত আৰম্ভ হওক মোক্ষ সাধনা। বৈষ্ণৱীয় পন্থা আৰু আদৰ্শ অনুযায়ী যি কোনো সাধাৰণ নিম্নশ্ৰেণীৰ লোককো মোক্ষৰ অধিকাৰী বুলি গণ্য কৰা হৈছিল। কিন্তু ৰামানুজ প্ৰভৃতি ব্ৰাহ্মণ আচাৰ্য্যসকলে বেদভিত্তিক ভক্তিসাধনাৰ ব্যৱস্থা দিছিল কেৱল উচ্চবৰ্ণৰ অৰ্থাৎ ব্ৰাহ্মণ সাধকৰ কাৰণেহে। ব্ৰাহ্মণৰ বাহিৰে আন জাতিৰ মানুহৰ কাৰণে আছিল ভিন্ন ব্যৱস্থা।)

ৰামানন্দ আছিল প্ৰথম আচাৰ্য্য যিয়ে এই প্ৰথাৰ দুৰ্ঘোৰ বিৰোধিতা কৰিছিল। তেওঁৰ দ্বিতীয় বৈশিষ্ট্য আছিল স্থানীয় ভাষাত ভক্তিশাস্ত্ৰৰ ৰচনা আৰু চৰ্চা। তৃতীয় বৈশিষ্ট্য আছিল ৰাধাকৃষ্ণৰ পৰিবৰ্তে ৰাম-সীতাক ভগৱানৰ প্ৰতীক হিচাপে প্ৰতিষ্ঠা কৰা, কিয়নো সেই সময়ত ৰাধাকৃষ্ণ সম্প্ৰদায়ৰ ভিতৰত সমাজত নানা ব্যভিচাৰী প্ৰথাৰ প্ৰচলন আৰম্ভ হৈছিল। ৰাম আৰু সীতা আছিল আনুষ্ঠানিকভাৱে বিবাহিত স্বামী-স্ত্ৰী, কিন্তু শ্ৰীকৃষ্ণৰ ৰাধাৰ লগত সম্বন্ধ আছিল পৰস্ত্ৰীৰ লগত প্ৰেম আৰু ৰতিবিলাস। ৰাম-সীতাৰ মিলন প্ৰেম আৰু বিৰহ আছিল অতি উচ্চ ভাবাদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত। সাধাৰণ স্তৰৰ মানুহৰ কাৰণে ৰাধাতত্বৰ তাৎপৰ্য্য উপলব্ধি কৰাটো দুৰূহ কথা আছিল আৰু সেয়ে তেওঁলোকে লাস্যভাবৰ উপভোগৰ প্ৰতি আসক্ত হৈছিল। ভগৱানৰ কীৰ্তি-কলাপ অনুসৰণ কৰিবলৈ চেষ্টা কৰাটো মানুহৰ

এটা সাধাৰণ দুৰ্বলতা।

ৰামানুজী সম্প্ৰদায়ৰ গণ্ডী চিৰদিনৰ কাৰণে চিঙি পেলাই ৰামানন্দ বিশ্বৰ বহল বুকুলৈ ওলাই গ'ল। অচিৰে 'ৰামাওয়ৎ' নামে এক নতুন ভক্তিবাদী সম্প্ৰদায় গঠন কৰিলে। তেওঁৰ নামানুসাৰে এই সম্প্ৰদায়ৰ লোকক ৰামানন্দী বুলিও জনা যায়। কেৱল কাশীতেই নহয় ভাৰতৰ বিভিন্ন তীৰ্থক্ষেত্ৰত ঘূৰি ফুৰি এই নৱ ধৰ্ম আন্দোলনক তেওঁ প্ৰাণৱন্ত কৰি তোলে। তেওঁৰ সিদিনাৰ পৌৰষদৃপ্ত কণ্ঠৰ ঘোষণাই জনমনত আনি দিয়ে নতুন সাহস, নতুন আশাৰ আলোক, অৱজ্ঞাত, লাঞ্ছিত সমাজৰ অতি নীচ বুলি হেয়জ্ঞানত জৰ্জৰিত মানুহৰ অন্তৰত জাগে আত্মপ্ৰত্যয়ৰ শক্তি। তেওঁলোকে ভাবিবলৈ শিকে যে ঈশ্বৰীয় কৃপা আৰু জ্ঞানৰ পোহৰ সূৰ্য্যৰ পোহৰৰ দৰে সকলোৰে প্ৰাপ্য কিন্তু তাৰ কাৰণে লাগিব ভক্তি-গঙ্গাৰ পুণ্যসলিলত অৱগাহন। সমাজ জীৱনৰ বন্ধন আৰু নিষ্পেষণৰ পৰা মুক্তিৰ এয়েই উপায়।

ৰামানন্দ আছিল এজন অসাধাৰণ শাস্ত্ৰবিদ। তেওঁ শাস্ত্ৰসাগৰ মন্থন কৰি নিজৰ মতৰ পৰিপোষক তথ্য আৰু যুক্তি সংগ্ৰহ কৰে আৰু একান্তমনে নিয়োজিত কৰে তেওঁৰ অসামান্য প্ৰতিভা আৰু কৰ্মশক্তি। শাস্ত্ৰবাক্যৰ উদ্ধৃতি দি তেওঁ ঘোষণা কৰে যে যি ভক্তই ভগৱানত শৰণ লয়, তেওঁৰ সেৱাত আত্মনিয়োগ কৰে, জাতিভেদ সেইসকলে মনাৰ প্ৰয়োজন নাই। তেওঁৰ নিৰ্দেশ দিছিল যে যিয়ে তেওঁৰ সম্প্ৰদায়ৰ মত আৰু আদৰ্শ গ্ৰহণ কৰিব তেওঁলোকে জাতি-বৰ্ণ নিৰ্বিচাৰে একেলগে শয়ন-ভোজনৰ অধিকাৰ পাব। ভগৱানৰ সেৱাৰ বিধি অনুযায়ী যিসকলে সম্বন্ধ কৰে তেওঁলোকৰ সামাজিক মৰ্য্যাদাও একে হ'ব। ৰামানন্দৰ নিৰ্দেশিত সাধনাৰ অন্যতম অঙ্গ হ'ল শ্ৰীভগৱানৰ নাম জপ। নামৰ ওপৰতেই তেওঁ সদায় গুৰুত্ব আৰোপ কৰিছিল আৰু কৈছিল যে ভগৱানৰ নাম নিৰন্তৰ জপ কৰাটোৱে অভীষ্ট সিদ্ধি আৰু পৰম মুক্তিৰ একমাত্ৰ উপায়। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে তৃতীয় শিখ গুৰু অমৰদাসে যি লঙ্গৰ প্ৰথা বা সকলো ভক্তই একেলগে খোৱাৰ প্ৰথা প্ৰচলন কৰিছিল সেয়া আছিল ৰামানন্দৰ আদৰ্শমতে।

সমাজ আৰু ধৰ্মাচৰণত অনাৱশ্যক আচাৰ নিয়মৰ পৰা ৰামানন্দী সম্প্ৰদায়টো আছিল মুক্ত আৰু সেয়ে সাধুসমাজত তেওঁলোক পৰিচিত হৈছিল "অবধূত" বা সৰ্বপাশমুক্ত সাধকৰূপে। এই সম্প্ৰদায়ৰ ভকতসকলে সৰ্বাধিক গুৰুত্ব দিছিল বৈৰাগ্যৰ ওপৰত, জাগতিক সকলো সুখ-স্বাচ্ছন্দ্য ত্যাগ কৰি হৈছিল সৰ্বত্যাগী সন্ন্যাসী। এই বৈৰাগ্যক ভিত্তি কৰিয়েই এওঁলোকৰ মাজত আত্মপ্ৰকাশ কৰিছিল চাৰি শ্ৰেণীৰ নাগা সাধু। উত্তৰ ভাৰতৰ ধৰ্মীয় আৰু সামাজিক আন্দোলনত এই সাধুসকলৰ অৱদান অপৰিসীম।

নিৰীশ্বৰবাদী বা ভগবৎবিমুখ তাৰ্কিকসকলেও ৰামানন্দৰ অসামান্য শাস্ত্ৰজ্ঞান, ব্যক্তিত্ব আৰু ধীশক্তিৰ আগত পৰাভৱ স্বীকাৰ কৰিব লগীয়া হৈছিল। সেয়ে তেওঁৰ যুগত জৈন আৰু বৌদ্ধ প্ৰভৃতি ধৰ্মসম্প্ৰদায়বোৰৰ কৰ্মপৰিধি বহু পৰিমাণে সঙ্কুচিত হৈছিল।

ভগবানৰ ভক্তসমাজ মানেই এনেকুৱা এখন সাৰ্বজনীন ভ্ৰাতৃসমাজ য'ত কোনো ভেদ-বিভেদৰ গণ্ডী ৰচনাৰ প্ৰশ্ন নুঠে। ৰামানন্দৰ সাধনা আৰু দাৰ্শনিক তত্ত্বৰ মূল কথা-ভগবৎ প্ৰেম পুৰুষ বা নাৰী, ব্ৰাহ্মণ বা অন্ত্যজ ভক্ত যিয়েই নহওক ভগবানৰ দৃষ্টিত সকলো সমান আৰু মানব দৃষ্টিত সকলো ভাই ভাই। সেয়ে তেওঁৰ ভক্তসকলৰ ভিতৰত আমি দেখিবলৈ পাওঁ হিন্দু-মুছলমান, ব্ৰাহ্মণ-চণ্ডাল সকলোৰে সমাবেশ। সিদিনাৰ ৰক্ষণশীল সমাজৰ সমুখত থিয় হৈ তেওঁ ধ্বনিত কৰিছিল উদাৰ আশ্বাসৰ বাণী—

জাতি পাতি পুছই নাহি কোই।

হৰিকো ভজই সো হৰিকো ভাই।

গৱেষক গ্ৰীয়াৰছনে 'এনছাইক্লোপিডিয়া অব ৰিলিজিয়ন এণ্ড এথিক্স' গ্ৰন্থৰ এঠাইত মন্তব্য কৰিছে এনেদৰে—

"এইটো কেতিয়াও বিশ্বাস কৰিব নোৱাৰি যে সেই সময়ৰ ভাৰতৰ ৰাজনৈতিকদুৰ্গতি আৰু দুৰ্দশাই স্বামী ৰামানন্দৰ ওপৰত কোনো প্ৰভাৱ বিস্তাৰ কৰা নাই। পৰম কৃপালু মহিমান্বিত বীৰ যোদ্ধা ৰামচন্দ্ৰৰ উপাসনাৰ তত্ত্ব তেওঁ দেশৰ জনজীৱনৰ সকলো স্তৰলৈ বিস্তাৰিত কৰিছিল আৰু ই সেই সময়ত সকলো স্থানতে সমৰ্থনো লাভ কৰিছিল। তাৰ কাৰণ বিদেশীৰ শাসনৰ গ্লানি আৰু লাঞ্ছনাই সাধাৰণ মানুহক সেই মহাশক্তিধৰ উপাস্য দেৱতাৰ প্ৰতি সহজে আকৃষ্ট কৰিছিল।"

হিন্দী সাহিত্যৰ অত্যুজ্জ্বল ৰত্ন তুলসীদাস আছিল এজন বিশিষ্ট ৰামাওয়ৎ সাধক। তেওঁৰ ৰামচৰিত মানস আৰু আন ভক্তিৰসাশ্ৰিত কাব্য ৰামানন্দৰেই শিক্ষাৰ ফলশ্ৰুতি। আজিৰ হিন্দী সাহিত্যৰ ৰামানন্দ জনক বুলি ক'লেও ভুল নহয়। ভাৰতীয় ভক্তিসাধনাৰো তেওঁ আছিল মধ্যমণি। কিন্তু দুখৰ বিষয় যে তেওঁৰ ৰচনাসমূহ অতীতৰ বুকুত জাহ গৈছে। তেওঁৰ মাথোন একেটি গাথা বা কবিতা যিটো গুৰু গ্ৰন্থ চাহিবত সন্নিবিষ্ট হৈছে সেইটোৰ ভাবাৰ্থ হ'ল :—

ক'ত কোন দিশলৈ বাৰু
কৰিম পৰিব্ৰাজন
ক'লৈ কৰিম অহা-যোৱা ?
মই যে সদায় ভাহিছোঁ
দিব্য আনন্দৰ ৰসস্ৰোতত

নিৰ্জন গোপনপুৰত বহি।
অন্তৰে মোৰ নিৰিবিচাৰে আৰু
কৰিব ইতস্তত
ইবাৰ সন্ধান পাইছে তাৰ
আপদ উৎস-স্থল।
মনত পৰে বিগত দিনৰ
কতনা স্মৃতি
পুৰিছো কিমান সুগন্ধি ধূপ
সানিছো পবিত্ৰ চন্দন
শৰীৰৰ অঙ্গে অঙ্গে
তীৰ্থ আৰু মন্দিৰলৈ
লৰিছো দেৱতা বিচাৰি
হঠাৎ এনেতে আবিৰ্ভূত হ'ল
মোৰ পথ-প্ৰদৰ্শক গুৰু
অন্তৰত দিলে জ্বালি
দিব্যজ্যোতি।
জানিলোঁ পৰম সত্য
জীৱন প্ৰভুৰ অপাৰ কৃপাত
বুজিলো বেদ আৰু পুৰাণৰ
নাই কোনো মূল্য
যদি নাথাকে তাত
শ্ৰীভগবানৰ মধুময় স্পৰ্শ।
চিদানন্দময় হে মোৰ সদ্গুৰু
তযু চৰণত কৰিছো নিজকে
অপ্ৰমাদে উৎসৰ্গ।
সৰ্ব দ্বিধা সংশয়ৰ
সমাধান দিছা তুমি।
ৰামানন্দই উপলব্ধি কৰিছে
সেই পৰমোজ্জ্বল সত্য
ওৰে বিশ্বৰ অণুপৰমাণুত
যি হৈ আছে ওতপ্ৰোত।
সত্য উদ্ভাসিত হ'ল মোৰ প্ৰাণত

কৃপালু সদ্‌গুৰুৰ অসীম কৃপাত
লক্ষকোটি পাপৰ কালিমা
মচ্ছ গ'ল নিশ্চিহ্ন হৈ।

এজন ধৰ্মীয় গুৰুৰ মাহাত্ম্য নিৰ্ভৰ কৰে তেওঁৰ দ্বাৰা দীক্ষিত বা তেওঁক অনুশৰণ কৰা শিষ্যসকলৰ ভৱিষ্যতৰ সাধনা আৰু কাৰ্য্যকলাপৰ ভেটিত। এই ক্ষেত্ৰত ৰামানন্দ ভাৰতৰ আচাৰ্য্যসকলৰ ভিতৰত অন্যতম বুলি ক'বই লাগিব। তেওঁৰ প্ৰধান শিষ্যসকলৰ ভিতৰত কবীৰ আছিল জাতত মুছলমান আৰু পেশাগতভাৱে তাঁতী, যি ব্যৱসায় উত্তৰ ভাৰতৰ মানুহে অত্যন্ত হেয় বুলি জ্ঞান কৰিছিল। ৰবিদাস আছিল মুচী, ধন্না জাতসম্প্ৰদায়ৰ কৃষক, সেনা নাপিত আৰু পিপা ৰাজপুতবংশীয় ৰজা। বাকীবিলাক হ'ল অনন্তানন্দ, সুখানন্দ, সুৰেশ্বৰানন্দ, নৰহৰিয়ানন্দ, যোগানন্দ, গালভানন্দ আৰু ভবানন্দ। পদ্মাৱতী আৰু সুৰেশ্বৰী নামৰ দুগৰাকী নাৰীও ৰামানন্দৰ শিষ্যা আছিল।

আত্মিক সাধনাৰ ক্ষেত্ৰত এই শিষ্যসকলে অতি উন্নত স্থান অধিকাৰ কৰিছিল আৰু এওঁলোকক কেন্দ্ৰ কৰিয়েই বিভিন্ন স্থানত ভক্তসমাজ গঢ়ি উঠিছিল। ৰামানন্দৰ এই শিষ্যসকলৰ জীৱন আৰু বাণীৰ মাজেৰে ভক্তিধৰ্মৰ প্লাৱন দেশৰ চাৰিওফালে বিয়পি পৰে।

১৪১০ খৃষ্টাব্দত ১১১ বছৰ বয়সত তেওঁৰ নৰলীলাৰ অৱসান ঘটে।

# তৃতীয় অধ্যায়

## বেদভূমিত ভক্তিধর্মৰ প্লাৱন – শিখ সম্প্ৰদায়

উত্তৰ ভাৰতৰ সিন্ধু উপত্যকা অঞ্চলৰ ঐতিহ্য হিন্দু-সংস্কৃতিৰ আধাৰ। প্ৰথমে বেদমন্ত্ৰ উচ্চাৰিত হোৱা এই ঠাই প্ৰাচীন কালত সংস্কৃত শিক্ষাৰ মূল কেন্দ্ৰস্থল আছিল। সংস্কৃত ব্যাকৰণৰ শিৰোমণি পণ্ডিত পাণিনিৰ জন্মও ইয়াতেই হৈছিল। ইয়াৰেই পঞ্চনদীৰ প্ৰবাহেৰে সমৃদ্ধ অঞ্চল পাঞ্জাবৰাজ্যত এজনা মহাপুৰুষৰ আবিৰ্ভাৱ হৈছিল, যাৰ নাম আছিল নানক।

### গুৰু নানক

নানকৰ জন্ম হৈছিল ১৪৬৯ খৃষ্টাব্দত পবিত্ৰ ৰাস পূৰ্ণিমাৰ নিশা পাঞ্জাবৰ শেখপুৰ জিলাৰ টালবান্দি (নানকানা চাহিব) গাঁৱত। তেওঁ কোনো ৰজা-মহাৰাজা বা বিত্তশালী ঘৰত ওপজা নাছিল। তেওঁৰ পিতৃ মেহতা কালু আৰু মাতৃ ত্ৰিপ্তা সাধাৰণ গাঁৱলীয়া নৈষ্ঠিক হিন্দু পৰিয়ালৰ মানুহ আছিল। নানক সৰুৰে পৰা চিন্তাশীল ব্যক্তি আছিল। অতি কম বয়সৰপৰাই তেওঁৰ সমাজ-সচেতনতা আৰু তীক্ষ্ণ মেধাৰ প্ৰকাশ ঘটিছিল। তেওঁৰ জন্মভূমি অঞ্চলত সেই সময়ৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক সমস্যাবিলাকে তেওঁৰ অন্তৰত ৰাৰকৈয়ে ৰেখাপাত কৰিছিল আৰু সেয়ে সেইবোৰৰ প্ৰতিকাৰৰ কথা চিন্তা কৰি তেওঁ অস্থিৰভাৱে ঘূৰি ফুৰিছিল। দুস্কৃতিৰ অন্ধকাৰ আঁতৰ কৰি সংস্কৃতিৰ পোহৰ বিলোৱাসকলে সাধাৰণতে মহাপুৰুষ আখ্যা পায়। গুৰু নানকৰ চৰিত্ৰত সেই লক্ষণ শিশুকালৰপৰাই স্পষ্টভাৱে প্ৰকাশ পাইছিল।

নানকৰ জন্মৰ সময়ত সিন্ধু উপত্যকাত বৌদ্ধধৰ্ম লুপ্তপ্ৰায় অৱস্থা পাইছিল আৰু ব্ৰাহ্মণ্যধৰ্মই মূৰ দাঙি উঠিছিল, জৈন ধৰ্মাৱলম্বী সকল ক্ৰমে ক্ৰমে হিন্দু-সমাজত অন্তৰ্ভুক্ত হৈ পৰিছিল। হিন্দু আৰু মুছলমান এই দুই ধৰ্মৰ লোকেই সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল। কিন্তু এই দুয়ো সম্প্ৰদায়ৰ লোকেই গোৰক্ষপন্থী 'কাণফাটা' যোগীসকলৰ মায়াজালত সোমাইছিল। এই যোগীসকলে তন্ত্ৰ-মন্ত্ৰৰ দ্বাৰা জনতাৰ মাজত এনেকুৱা পৰিৱেশ সৃষ্টি কৰিছিল যে, কিছুমানে সহজলভ্য আকাংক্ষা পূৰণৰ বাবে আৰু কিছুমানে অভিশাপৰ ভয়ত তেওঁলোকৰ বশ্যতা স্বীকাৰ কৰিবলগীয়া হৈছিল।

হিন্দুসমাজ আগৰপৰাই চাৰি বৰ্ণত বিভক্ত আছিল, কিন্তু একোটা বৰ্ণৰ উপজাতিবো সৃষ্টি হৈছিল আৰু তেওঁলোকৰ মাজত উচ্চ-নীচ ভেদভাৱ অতি প্ৰবল হৈ উঠিছিল। এই চাৰিবৰ্ণৰ পৰা পৃথক আৰু এক শ্ৰেণীত ভাগ কৰা হৈছিল চণ্ডালসকলক, যিসকলক দৰ্শন কৰিলেও উচ্চজাতৰ মানুহ অপবিত্ৰ হোৱা বুলি প্ৰথা প্ৰবৰ্তিত হৈছিল। নাৰীসমাজক অতি হেয়জ্ঞান কৰা হৈছিল আৰু ভগবানৰ সৃষ্টি-প্ৰক্ৰিয়াৰ প্ৰধান অংশীদাৰ নাৰীক কোনো মানৱীয় মৰ্যাদা দিয়া নহৈছিল।

সেই সময়ত উত্তৰ ভাৰতত পাঠান ৰাজত্বৰ শেষ অধ্যায় আৰু মোগল আগমনৰ পাতনি। ইছলামধৰ্মীয় বিজেতাসকলৰ নিজৰ ভিতৰত অৰিয়া-অৰি বা দ্বন্দ্ব-যুদ্ধ থাকিলেও এটি আদৰ্শত তেওঁলোক এক আছিল সেয়া হৈছে কাফেৰ হিন্দুস্থানক 'পয়গম্বৰ'ৰ দ্বাৰা প্ৰচাৰিত প্ৰকৃত ধৰ্মত অন্তৰ্ভুক্ত কৰোৱা বা সেও মনোবা। এই দুই বিজেতা দল যদিও আৰববাসী নাছিল আৰু তেওঁলোকৰ ওপৰত ইছলামৰ প্ৰভাৱো খুব বেছিদিনীয়া নাছিল, তথাপি তেওঁলোকে ভাৰতত প্ৰচলিত হিন্দু ভাবধাৰা আৰু সংস্কৃতিৰ প্ৰতি সদায় বিৰাগভাব পোষণ কৰিছিল। তেওঁলোকে ইছলাম ধৰ্মৰ ভাওহে দিছিল, কিয়নো প্ৰকৃতাৰ্থত তেওঁলোকে সদায় যি কোনো প্ৰকাৰে অৰ্থ-আহৰণ আৰু সুৰা আৰু নাৰী সম্ভোগৰ মত্ততাতহে দিন কটাইছিল— যিবিলাক ইছলামৰ পৰিপন্থী প্ৰথা আছিল। এইবিলাকৰ প্ৰভাৱ তেওঁলোকৰ ৰাজকাৰ্য্য প্ৰণালীত বাৰুকৈয়ে পৰিলক্ষিত হৈছিল আৰু সেয়ে সাধাৰণ প্ৰজাৰ ধন-প্ৰাণৰ কোনো নিৰাপত্তা নাছিল।

সৰুবেপৰা ধাৰ্মিক, সামাজিক আৰু ৰাজনৈতিক ব্যভিচাৰী ব্যৱস্থাবোৰ নিৰীক্ষণ কৰি কৰি নানকৰ কোমল হৃদয় ভাগি যোৱা অৱস্থা হৈছিল। এইবিলাকৰ কিদৰে প্ৰতিকাৰ কৰিব পাৰি সেই কথা তেওঁ সদায় চিন্তা কৰিছিল। এজন শিল্পীহিচাপে, চাৰণকৱিৰ ভাও লৈ দেশৰ মানুহৰ দৈনন্দিন অৱস্থা পৰ্য্যবেক্ষণ কৰিবলৈ তেওঁ গোটেই ভাৰতবৰ্ষ ইমূৰৰপৰা সিমূৰলৈ ঘূৰি ফুৰিছিল। ইছলাম ধৰ্মৰ প্ৰকৃত তাৎপৰ্য্য পৰীক্ষা কৰিবলৈ তেওঁ পাৰস্য, তুৰ্কীস্থান, ইৰাক আৰু মক্কা আদি ঠাইলৈও গৈছিল। তেওঁ ইছলামী দেশবোৰত ইছলামী প্ৰথাৰ সৎপ্ৰভাৱৰ লগত ভাৰতত মুছলমান বিজেতাসকলৰ ধৰ্ম ব্যভিচাৰৰ কাণ্ডবোৰ বিজাই চাই স্তম্ভিত হৈছিল। সেয়ে ভ্ৰমণ কালত সদায় তেওঁ হিন্দু আৰু ইছলাম ধৰ্মৰ মূল বাণীবিলাকৰ উদ্ধৃতি দি মানুহৰ মাজত মানৱতা আৰু ধৰ্ম-সমন্বয় স্থাপন কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল।

এমিনাবাদত নানকে নিজ চকুৰে প্ৰত্যক্ষ কৰিছিল বাবৰৰ নিষ্ঠুৰ সৈন্যদলৰ বীভৎস উন্মত্ততা। বাবৰৰ সৈন্যই নিৰপৰাধী কৃষকসকলৰ শস্যপথাৰ জুই লগাই ভস্মীভূত কৰিছিল। যুৱতী নাৰীসকলৰ চুলি কাটি দিছিল, শিৰৰ সেন্দুৰ মচি

পেলাইছিল। বাবৰে নিজে নতুন দম্পতীৰ বিবাহশয্যা যৌজীইতক উপভোগ কৰিব দিছিল। গণ-ধৰ্ষণৰ ফলত হাজাৰ-বিজাৰ নাৰীয়ে আত্মহত্যা কৰিহে উদ্ধাৰ পাইছিল। বাবৰবাণীত নানকে অতি তীব্ৰভাষাৰে বাবৰৰ কাৰ্য্যক গৰিহণা দিছিল; কিন্তু তেওঁৰ সমালোচনাত কোনো সাম্প্ৰদায়িক ইংগিত নাছিল।

পাঠান শাসনকৰ্তাসকলৰ ব্যভিচাৰী শাসন প্ৰণালীৰো নানকে তীব্ৰভাৱে নিন্দা কৰিছিল। তেওঁ প্ৰতিবাদ জনাই কৈছিল যে শাসনকাৰীসকল নিজে অনুশাসনহীন হৈ কছাইত পৰিণত হৈছে। তলতীয়া কৰ্মচাৰীসকলে লোভী কুকুৰৰ নিচিনা আচৰণ কৰিবলৈ ধৰিছে। অন্যায়কাৰী পাষণ্ডসকলে কু-কৰ্মৰ বাবে লাজপোৱাৰ পৰিৱৰ্তে সেইবোৰ গৌৰৱৰ কাম বুলি অনুভৱ কৰিছে। ব্যক্তিৰ স্বাধীনতা আৰু সমাজত সুশৃংখলা ৰক্ষা কৰা যিসকলৰ কৰ্তব্য আৰু দায়িত্ব, সেইবোৰে লুট কৰাত লাগিছে। মুছলমানসকলৰ মাজত সাম্প্ৰদায়িক অসহিষ্ণুতা প্ৰকট হৈ উঠিছে।

হিন্দুসমাজ সম্বন্ধে তেওঁ কৈছিল যে সেই ধৰ্মৰ কৰ্ণধাৰসকলে দৰ্শনৰ আৰু অধ্যাত্মবাদৰ শিক্ষা নিদিয়ে, যাৰ ফলত বিচাৰহীন আচাৰৰ আড়ম্বৰ প্ৰচলিত হৈছে। ধৰ্মীয় গোড়ামি আৰু কুসংস্কাৰৰ প্ৰভাৱত সমাজ দিনে দিনে অধঃপতিত অৱস্থালৈ নামি গৈছে। উচ্চজাতৰ ব্ৰাহ্মণসকলে অন্ধ অহমিকাৰ ফলত আনজাতৰ মানুহক মানুহ বুলি নভবা হৈছে। যি হৰিমন্দিৰৰপৰা ব্ৰহ্মজ্যোতি আৰু দিব্যজ্ঞান লাভ হ'ব লাগিছিল সেই মন্দিৰৰ দুৱাৰ অধিক-সংখ্যক জনগণৰ কাৰণে ৰুদ্ধ হৈছে। যি নাৰীৰ গৰ্ভৰপৰা কিমান মহান ঋষি, ৰজা-মহাৰজা আদিৰ জন্ম হ'ল সেই নাৰীৰ অৱমাননাই চূড়ান্ত ৰূপ পাইছে।

সেই সময়ত উত্তৰ ভাৰতৰ হিন্দুসমাজত আৰু এটা ডাঙৰ সমস্যা হৈছিল সন্ন্যাসপ্ৰথা লৈ। হিন্দু ধৰ্মৰ চতুৰাশ্ৰম প্ৰথা আধাৰ কৰি জীৱনকাল বিভাজন কৰা নিয়মমতে শেষ বয়সত মানুহক সন্ন্যাসব্ৰত ল'বলৈ শিক্ষা দিয়া হৈছিল। সন্ন্যাস গ্ৰহণ কৰাৰ পাছত ধৰ্মগ্ৰন্থ চৰ্চা আৰু সত্য-উপলব্ধিৰ কাৰণে তপ-সাধনা প্ৰধান কৰ্তব্য বুলি জ্ঞান কৰা হৈছিল, ভিক্ষা কৰি জীৱন নিৰ্বাহ কৰা আৰু সকলো সময়তে আধ্যাত্মিক চিন্তাত নিমগ্ন থকাটো আছিল নিয়ম। কিন্তু কালক্ৰমত দলে দলে যিকোনো বয়সৰ লোকেই সন্ন্যাসী হ'বলৈ ধৰিলে, কিয়নো তেওঁলোকে পৰিশ্ৰম নকৰাকৈ বেশ-ভূষণৰ যোগেদি জীৱনৰ সকলো প্ৰয়োজনীয় বস্তু লাভ কৰিব পৰা বৃত্তিটো সহজ পালে। এই দলবোৰে জীৱন নিৰ্বাহৰ প্ৰয়োজনীয় বস্তু আহৰণ কৰিবলৈ অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ, নাৰী-ব্যভিচাৰ আদি একো বাদ নিদিয়া হ'ল। নানা তন্ত্ৰ-মন্ত্ৰৰ দ্বাৰা মানুহৰ মাজত নানা কু-প্ৰথা প্ৰচলন কৰিলে।

শাসক গোষ্ঠীৰ অন্যায়-অত্যাচাৰৰ ফলত সৃষ্টি হোৱা অৰাজক অৱস্থা,

ধৰ্মীয় গোষ্ঠীৰ স্বাৰ্থান্ধ অৰ্থলোভী অনৈতিক ব্যৱস্থাৰ ফলত সমাজৰ নৈতিক অধঃপতনৰ পৰিবেশ আদি এশ এবুৰি সমস্যাৰ বিষয়ে গভীৰভাৱে চিন্তা কৰা আৰু সকলো-অন্যায় অত্যাচাৰৰ বিৰুদ্ধে মুক্তকণ্ঠে প্ৰতিবাদ কৰা তেতিয়া এজনেই আছিল ব্যক্তি— অৰ্থাৎ নানক। তেওঁ নিৰ্পীড়িত, নিৰ্য্যাতিত মানুহৰ লুপ্ত সত্তা সঞ্জীৱিত কৰি তেওঁলোকৰ ন্যায্য অধিকাৰ দাবী কৰিবলৈ আৰু সকলো কু-প্ৰথা ধ্বংস কৰিবলৈ জনগণক আহ্বান জনাইছিল। বিশাল জনতাক একত্ৰিত কৰিবৰ কাৰণে তেওঁলোকৰ মাজত সত্য, শুদ্ধ জ্ঞান বিতৰণ কৰি ফুৰিছিল। হিন্দু-মুছলমানৰ ভিতৰত দৈনন্দিন প্ৰবল সংঘৰ্ষই তেওঁক আটাইতকৈ বেছি চিন্তাগ্ৰস্ত আৰু দুঃখিত কৰিছিল। যদিও মুছলমানসকলে একেজন ঈশ্বৰ সমস্ত জগতৰ পিতা বুলি প্ৰচাৰ কৰিছিল আৰু বিশ্বভ্ৰাতৃত্বৰ বাণী ইছলাম ধৰ্মৰ মূলমন্ত্ৰ বুলি ঘোষণা কৰিছিল, তথাপি প্ৰকৃতাৰ্থত সেইবিলাককহে ভ্ৰাতৃত্বৰ পদ দিয়া হৈছিল, যিসকলে মুছলমান ধৰ্ম গ্ৰহণ কৰিছিল। নানকে বিভিন্ন ধৰ্মাৱলম্বীৰ ভিতৰত সদ্ভাৱ স্থাপনৰ কাৰণে সদায় নিয়োজিত আছিল। পৰমাত্মাৰ লগত সাক্ষাৎ উপলব্ধিৰ পাছত সেয়ে তেওঁ ঘোষণা কৰিছিল —

নাই কোনো হিন্দু ,
নাই কোনো মুছলমান।

তেওঁৰ বাণীৰ মৰ্মাৰ্থ এয়ে আছিল যে যি কোনো ধৰ্মৰ মোহৰ মাৰি ললেও, যথাৰ্থতে সকলো মানুহ সমান আৰু ব্যক্তিগত কৰ্মানুযায়ীহে তেওঁলোক ঈশ্বৰৰ ওচৰ চাপিব পাৰে, নতুবা আঁতৰি যায়। তেওঁ মানুহৰ বিভাজন দেশ, ধৰ্ম আৰু বৰ্ণৰ ভিত্তিত কৰাটো বিফল প্ৰচেষ্টা বুলি কৈছিল। তেওঁৰ মতে মানুহ দুই প্ৰকাৰৰ, যেনে গুৰুমুখ (ভক্ত) আৰু মনমুখ (অভক্ত)। গুৰুমুখসকল ঈশ্বৰাভিমুখী, তেওঁলোকৰ জীৱন সত্য আৰু সেৱাভাবাপন্ন আৰু তেওঁলোকে সকলো জীৱকে এজন সৃষ্টিকৰ্তাৰ সন্তান বুলি গণ্য কৰি অনুৰূপ আচৰণ কৰে। মনমুখসকলে সকলো সময়তে নিজ স্বাৰ্থ আৰু লাভৰ প্ৰতি আগ্ৰহী আৰু নিজৰ তৃপ্তিৰ কাৰণে যিকোনো কু-কৰ্মৰ পৰা বিৰত নহয়। এইবিলাক লোকে যিকোনো ধৰ্মৰ নীতি-নিয়ম পালন নকৰক কিয় এওঁলোকৰ ইহলোকত বা পৰলোকত ক'তো শান্তি নহ'ব। এই তথ্যৰ বাস্তৱ ৰূপ দিবলৈ তেওঁ 'বালা' নামে এজন হিন্দু আৰু 'মৰ্দানা' নামে এজন মুছলমানক শিষ্য-সঙ্গীৰূপে লৈ প্ৰচাৰ অভিযান আৰম্ভ কৰিছিল।

নানকে তেওঁৰ ধৰ্মমত সম্বন্ধে কোনো দাৰ্শনিক গ্ৰন্থ ৰচনা কৰা নাছিল যদিও, তেওঁৰ অমৃত বাণীবিলাকৰপৰা দাৰ্শনিক মতবাদৰ ভেটিটো পৰিষ্কাৰভাৱে প্ৰকট হৈছে।

গুৰু নানক সম্পূৰ্ণভাৱে একেশ্বৰবাদত বিশ্বাসী আছিল। তেওঁৰ পূৰ্ববৰ্তী

সন্তসকলে আৰু বিশেষকৈ বৈষ্ণৱপন্থী আচাৰ্য্যসকলে একেশ্বৰবাদত বিশ্বাস কৰিলেও ঈশ্বৰৰ বিভিন্ন অৱতাৰ-লীলাতো বিশ্বাস ৰাখিছিল। কিছুমানে আকৌ ঈশ্বৰৰ বিভিন্ন শক্তিৰ প্ৰকাশৰূপী নানা দেৱ-দেৱীৰ অস্তিত্বও স্বীকাৰ কৰিছিল। নানকে দেৱ-দেৱী অৱতাৰ আৰু আন কোনো শক্তিৰ পূজা-অৰ্চনাৰ সম্পূৰ্ণ বিৰোধী আছিল। তেওঁ গুৰুত্ব দিছিল কেৱল ভগৱানৰ স্মৰণ আৰু কীৰ্ত্তনত। সেয়ে তেওঁৰ একেশ্বৰবাদী বিশ্বাস ইছলাম ধৰ্মৰ লগতহে মিলে। তেওঁ সগুণ আৰু নিৰ্গুণ ঈশ্বৰৰ মাজত সমন্বয় স্থাপন কৰিছিল। তেওঁৰ মতে ভগৱান কেৱল এটা বিশ্বাসৰ তত্ত্ব নহয়, ভগৱান সত্য, তেওঁ নিৰাকাৰ, নিৰ্গুণ, অনাদি, অনন্ত, স্বয়ং সম্পূৰ্ণ আৰু সৰ্বব্যাপী। তেওঁ সৃষ্টিৰ মাজেৰে নিজকে প্ৰকাশ কৰে আৰু ঐকান্তিক সাধকসকলৰ সন্মুখতহে প্ৰকটিত হয়। তেওঁৰ মতে জীৱনৰ উদ্দেশ্য মোক্ষপ্ৰাপ্তি নহয়, অভিপ্ৰায় হ'ব লাগে নিজৰ ভিতৰৰ সুন্দৰতম সত্ত্বাখিনি বিকশিত কৰা, যাৰ নামেই ঈশ্বৰ। কিছুমান তত্ত্বৰ মূল্যবোধ স্বীকাৰ কৰাটোকে ধৰ্ম নোবোলে। ধৰ্মৰ প্ৰকৃত উদাহৰণ নিজৰ চাৰিত্ৰিক গুণৰ দ্বাৰাহে প্ৰকাশিত হয়। যি অন্তৰত সত্য, প্ৰেম আৰু দয়াৰ পৰশ নাই, সেই অন্তৰ ভগৱানৰ নিবাসস্থান হ'ব নোৱাৰে। তেওঁৰ মতে জীৱ আৰু সংসাৰে নিৰাকাৰ প্ৰভুৰ আদেশ অনুযায়ীহে অস্তিত্ব গ্ৰহণ কৰে। তেওঁ কৰ্মফল আৰু পৰজন্ম বিশ্বাস কৰিছিল। "এক ওংকাৰ, সতিনামু, কৰতাপুৰুখ, নিৰভউ নিৰবৈৰ অকালমূৰতি" অজুনী, সৈভঙ্গ গৰুপ্ৰসাদি।। পৰম তত্ত্ব যাৰ বাচক ওঁম্, তেওঁ কেৱল একেজন, তেৰেঁই সত্য। অৰ্থাৎ সকলো সময়তে সনাতন (বৰ্তমান), তেৰেঁ সৃষ্টি ৰচোতা আৰু তাতে স্বয়ং বিয়পি আছে। তেওঁ নিৰ্ভয় আৰু নিৰ্বৈৰ। তেওঁ অস্তিত্ব কালৰ প্ৰভাৱৰ পৰা মুক্ত। তেওঁ জন্মৰহিত আৰু স্বপ্ৰকাশ। তেওঁক পাবলৈ গুৰুৰ অনুগ্ৰহৰ প্ৰয়োজন। (মূলমন্ত্ৰ জপ)

মধ্যযুগীয় হিন্দুধৰ্ম সংস্কাৰক প্ৰায় সকলোৱে জীৱাত্মা-পৰমাত্মাৰ অংশ বুলি স্বীকাৰ কৰি মানৱ ভ্ৰাতৃত্ব তত্ত্বৰ পোষকতা কৰিছিল, কিন্তু ব্যাৱহাৰিক ক্ষেত্ৰৰ কথা বিবেচনা কৰিলে সেই তত্ত্ব আদৰ্শগতহে আছিল বুলি ধৰিব লাগিব, কিয়নো সেই তত্ত্বৰ কাৰ্য্যকৰী ৰূপ দিয়াৰ কোনো প্ৰস্তুতি বা কৰ্মপন্থাৰ কোনো ইঙ্গিত আমি নাপাওঁ। বৈষ্ণৱ আচাৰ্য্যসকলে ভক্তিৰ ক্ষেত্ৰতহে জাত-পাতৰ বিচাৰ নামানিছিল। সেয়ে হয়তো মুছলমান সম্প্ৰদায়ৰ জোলা (জুলাহা) জাতৰ ভক্ত-কবীৰ আৰু চামাৰ জাতৰ ৰবিদাস আদিক ভক্তিশ্ৰদ্ধা প্ৰদৰ্শন কৰা হৈছিল, কিন্তু তেওঁলোকৰ জাত-ভাইসকলক কোনো সমাদৰ দেখুৱা নহৈছিল আৰু আজিও নহয়। ৰামানন্দ, কবীৰ, ৰবিদাস আৰু নামদেৱ আদি সাধকসকলে জন্মগতভাৱে জাতি-বিভাজন প্ৰথাৰ বিৰুদ্ধে সদায় উপদেশ দিছিল। কিন্তু সেই উপদেশ বা আদৰ্শৰ প্ৰভাৱ আমি সমাজত একো দেখিবলৈ নাপাওঁ।

নানকেই প্ৰথম আৰু একমাত্ৰ বৈষ্ণৱগুৰু যিয়ে জাত-পাত প্ৰথাৰ তীব্ৰ প্ৰতিবাদ কৰি তেওঁৰ অনুগামীসকলৰ ভিতৰত সেই প্ৰথা কাৰ্য্যকৰীভাৱে বিলুপ্ত কৰিছিল। নানকে কৈছিল যে মানুহৰ মাজত ভেদাভেদ থাকিব কেৱল কৰ্ম আৰু গুণৰ আধাৰত, জন্মসূত্ৰে নহয়। গুণ-কৰ্ম অনুসাৰে চাৰিবৰ্ণৰ সৃষ্টি, গীতাৰ এই মহান বাণী— আৰু ভাগৱত পুৰাণৰ উপদেশ যে বৰ্ণসকলৰ যাৰ বাবে যি কৰ্ম বিধান শাস্ত্ৰমতে নিৰ্দ্ধাৰিত হৈছে সেই কৰ্ম নকৰিলে উচ্চ বংশত জন্ম গ্ৰহণ কৰিলেও পতিত হোৱা আৰু নীচ বংশত জন্মিও সৎকৰ্মৰ গুণত উন্নীত হোৱা ব্যৱস্থা গুৰু নানকেহে প্ৰথমে হিন্দুসমাজত কাৰ্য্যকৰীভাৱে প্ৰৱৰ্তন কৰে। তেওঁৰ শিষ্যসকলৰ বাহিৰে আন হিন্দু সম্প্ৰদায়বিলাকৰ ভিতৰত জাত-পাত প্ৰথা আজিও প্ৰৱলভাৱে বিদ্যমান ; বৰঞ্চ ৰাজনৈতিক প্ৰভাৱত এইবোৰৰ তীব্ৰতা দিনকদিনে বাঢ়িবহে ধৰিছে।

নীচা অন্দৰি নীচ জাতি নীচী হু অতি নীচু।
নানকু তিন কৈসঙ্গি সাথি বড়িয়া সিও কিয়া ৰীস
যিথৈ নীচ সমালীয়নি তিথে নদৰি তেৰী বখ্‌সীস।।
(শ্ৰী ৰাগ মহলা ১।। পৃষ্ঠা ১৫।

নীচতকৈ নীচ যি জাতি, নিঃকিনতকৈ নিঃকিন
যিজন — তেৱেঁ নানকৰ বন্ধু আৰু ভাই,
বৰজনক কিয় লাগে? য'ত প্ৰেম আৰু
স্নেহ আছে তাতহে ভগৱানৰ আশীষ বৰষে।
সমকালীন সামাজিক পৰিস্থিতিৰ বিষয়ে নানকৰ বক্তব্য আছিল :
কাদী কূড় বোল মলু খায়ি
ব্ৰাহমন নাৱৈ জীয়া ঘায়ি
যোগী জুগতি ন জানৈ অন্ধু
তীনে ওজাড়ে কা বন্ধু ।।২।।৫।।১

ধনাশ্ৰী

কাজীয়ে অসত্য কথা কয় আৰু মল (ভেটী) খায়।
ব্ৰাহ্মণে জীৱ হত্যা কৰিও স্নান কৰি শুচি হয়।
জ্ঞানহীন যোগীয়ে যোগৰ প্ৰকৃত অৰ্থ নাজানে —
এই তিনিওজনেই সামাজিক পতনৰ কাৰণ।

এনেদৰে এইজনা গুৰুৱে ঈশ্বৰ, জগৎ, জীৱাত্মা, কৰ্মসিদ্ধান্ত, জন্মচক্ৰ, মুক্তি, জীৱনৰ লক্ষ্য, লক্ষ্যপ্ৰাপ্তিৰ সাধন, সদ্‌গুৰু, দীনতা, লোকসেৱা আৰু অশুদ্ধ সাধন আদিৰ বিষয়ে অজস্ৰ বাণীপ্ৰচাৰ কৰি বিভীষিকাময় সমাজখনত আশাৰ বন্তি

জ্বলাইছিল। সেই বাণীবিলাক আদি গুৰুগ্ৰন্থ চাহিবত সংকলিত হৈছে— কেন্দ্ৰস্থিত মূল গুৰুবাণীৰূপে। তেওঁৰ গোটেই জীৱনটো সাধনাত অৰ্পিত জীৱন। হিন্দু মুছলমানৰ মাজত সদ্ভাব স্থাপন, জাতি-অজাতিৰ বিচাৰৰ শুদ্ধ নিৰূপণ, সামাজিক অনীতি-অন্যায়ৰ সৰ্বপ্ৰকাৰে বিৰুদ্ধাচৰণ আৰু মানুহৰ অন্তৰত ভগৱদ্‌ভাৱৰ জাগৰণ, এয়ে আছিল তেওঁৰ মুখ্য সাধনা। সেয়ে তেওঁৰ বিষয়ে মানুহে কৈছিল —

গুৰু নানক চাহ্ ফকিৰ,
হিন্দুকা গুৰু মুছলমানকা পীৰ ।।

যিখন সমাজৰ তেৰাই ভেটি স্থাপন কৰিছিল সেই সমাজৰ শিষ্যসকলৰ প্ৰতিদিনে প্ৰাৰ্থনাসভা নিম্নলিখিত গুৰুবাণীৰ দ্বাৰা সমাপ্ত কৰা হয়।

"নানক নাম চড়্‌দী কলা
তেৰে ভানে সৰবত দা ভলা ।"

নানকে কয় (হে ঈশ্বৰ) আমাক 'নাম' হৰিনাম আৰু উন্নতিৰ মাৰ্গত অৰ্থাৎ আশাবাদী হ'বলৈ আশীৰ্বাদ দিয়া। তোমাৰ শুভাশীষ লাভ কৰি সমস্ত সংসাৰৰ কল্যাণ হওক।

এইখিনিতে এইটো উল্লেখযোগ্য যে ত্ৰয়োদশ শতিকাৰ মহাৰাষ্ট্ৰৰ বৈষ্ণৱ সাধক নামদেৱে প্ৰায় একুৰি বছৰ কাল পাঞ্জাৱত থাকি ভক্তিধৰ্ম বা নামধৰ্ম প্ৰচাৰ কৰিছিল আৰু তাৰ বহুলোক তেওঁৰ শিষ্যত্বও গ্ৰহণ কৰিছিল। নামদেৱৰ প্ৰায় দুশ বছৰ পাছত গুৰু নানকৰ জন্ম হয়। শিখ সম্প্ৰদায়ৰ 'আদি গুৰুগ্ৰন্থ চাহিব'ত নামদেৱৰ এৰষষ্টিটা পদভজন সন্নিবিষ্ট হৈছে। শিখ সম্প্ৰদায়ৰ মুখ্য আধ্যাত্মিক তত্ত্ব আৰু জাত-পাত নমনা বিচাৰ নামদেৱৰ প্ৰচাৰিত মতৰ লগত একে। গুৰু নানকৰ উপদেশ আৰু আদি গ্ৰন্থত ঈশ্বৰৰ নামস্মৰণৰ ওপৰত যি প্ৰাধান্য দিয়া হৈছে, সেই তত্ত্ব নানকে নামদেৱৰ পৰা পোৱা বুলি বহু পণ্ডিতে অনুমান কৰে।

১৫৩৮ খৃষ্টাব্দত এইজনা মহাপুৰুষৰ মহাজীৱনৰ অৱসান ঘটে।

গুৰু নানকৰ পাছত অঙ্গদ দ্বিতীয় গুৰুৰূপে নিৰ্বাচিত হয়। তেওঁৰ জীৱনকাল ১৫৩৮ খৃঃৰ পৰা ১৫৫২ খৃঃ। তেওঁ গুৰুমুখী বৰ্ণলিপিৰ সুসংহত ৰূপ দি অক্ষয়কীৰ্তি ৰাখি গৈছে।

তৃতীয় গুৰু অমৰদাসে (১৫৫২-৭৪) তেওঁৰ পূৰ্ববৰ্তী দুজনাৰ পদাঙ্ক অনুসৰণ কৰি সম্প্ৰদায়টো ভালদৰে সংঘবদ্ধ কৰে। তেৰেঁই প্ৰথমে লঙ্গৰপ্ৰথা প্ৰবৰ্তন কৰিছিল। লঙ্গৰৰ উদ্দেশ্য জাত-পাতৰ কোনো ভেদাভেদ নামানি সকলো ভক্তই একেলগে খোৱাৰ ব্যৱস্থা। জাতি-ভেদ প্ৰথাৰ প্ৰভাৱ নোহোৱা কৰিবলৈ এইটো আছিল প্ৰথম পদক্ষেপ।

অমৰদাসৰ জোঁৱাই চতুৰ্থ গুৰু ৰামদাসৰ অমৰ কীৰ্তি হ'ল 'ৰামদাসপুৰ' চহৰ প্ৰতিষ্ঠা; এই চহৰৰে বৰ্তমান নাম অমৃতসৰ। এইজন গুৰুৰ দিনতে হৰিমন্দিৰৰো নিৰ্মাণ কাৰ্য্য আৰম্ভ হয়। হৰিমন্দিৰক গুৰুমুখী ভাষাত 'হৰমন্দিৰ' বোলা হয়। এই মন্দিৰ স্বৰ্ণমন্দিৰ বা Golden Temple হিচাপে বেছি প্ৰখ্যাত। এইজনা গুৰুৰে ৰাজশক্তি মোগলৰ লগত বন্ধুত্বপূৰ্ণ সম্বন্ধ স্থাপন কৰিবলৈ সক্ষম হৈছিল।

গুৰু ৰামদাসৰ কনিষ্ঠতম পুত্ৰ আছিল পঞ্চম গুৰু অৰ্জনদেৱ। তেওঁ গুৰুপদত আছিল ১৫৮১ খৃঃৰ পৰা ১৬০৬ খৃঃলৈ। তেওঁৰ অমৰ কীৰ্তি হ'ল শিখসকলৰ তথা গোটেই বিশ্ববাসীৰ পবিত্ৰতম ধৰ্মগ্ৰন্থ 'আদি গুৰুগ্ৰন্থ চাহিব' সংকলন আৰু সম্পাদনা। তেওঁৰ আৰু এক কীৰ্তি 'সুখমণি' গ্ৰন্থ, য'ত নামধৰ্ম, ভগবান আৰু শিখ্‌সম্প্ৰদায়ৰ আন সিদ্ধান্তসমূহ গুৰলা ভাষাত বৰ্ণিত হৈছে। সমাজ সংস্কাৰৰ দিশতো এওঁৰ ভূমিকা উল্লেখযোগ্য। এওঁ হিন্দু ৰমণীয়ে বিধবা হ'লে সতী যোৱা প্ৰথাৰ প্ৰবল বিৰোধী আছিল। তেওঁ বিধবাৰ পুনৰ্বিবাহৰ পক্ষপাতী আছিল। এওঁৰ দিনতেই পাঞ্জাব ৰাজ্যত আৰ্থিক অৱস্থা যথেষ্ট টনকিয়াল হয়, কিয়নো তেৰেঁই প্ৰথমে খেতিত জলসিঞ্চন প্ৰথা প্ৰবৰ্তন কৰে আৰু বেহা-বেপাৰৰ ক্ষেত্ৰত বিদেশৰ লগতো আদান-প্ৰদানৰ ব্যৱস্থা কৰে। তেওঁ শিখগুৰুৰ মৰ্য্যাদা অনুসৰি সুকীয়া পোছাকৰ ব্যৱস্থাও কৰে। গুৰুৰ ক্ৰমবৰ্দ্ধমান ক্ষমতা আৰু যশস্যা মোগল সম্ৰাটৰ ঈৰ্ষাৰ কাৰণ হয় আৰু ইয়াৰ ফলত তেওঁ প্ৰাণকে হেৰুৱাব লগীয়া হয়। সেই বিষয়ে পাছত আলোচনা কৰা হয়।

## আদি গুৰুগ্ৰন্থ চাহিব

আদি গুৰুগ্ৰন্থ চাহিব ১৪৩০ পৃষ্ঠাৰ এক বৃহৎ ধৰ্মগ্ৰন্থ। যদিও পুথিখন গুৰুমুখী ভাষাত ৰচিত, ইয়াত কিন্তু লেহেন্দী, দক্ষিণী, হিন্দী, মাৰাঠী, পাৰ্চী, অপভ্ৰংশ আৰু সংস্কৃত আদি ভাষাৰো সমাবেশ ঘটিছে। ড° এ ট্ৰাম্পে সেয়েহে এই পুথি সম্বন্ধে মন্তব্য দিছিল এনেদৰে

"But the chief importance of the
Sikh Granth lies in linguistic
line, as being the literacy of the
old Hindus dialects"
[ Adi Guru Granth. preface"]

গুৰু অৰ্জনদেৱে প্ৰথমতে প্ৰখ্যাত পণ্ডিত ভাই গুৰুদাসৰ দ্বাৰা গুৰু নানক আৰু তেওঁৰ পৰৱৰ্তী অৰ্থাৎ দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ গুৰুৰ বাণীবিলাক সংগ্ৰহ কৰি তাৰ লগত তেওঁৰ বাণীসমূহো সংযোজন কৰে। এই গ্ৰন্থক প্ৰথমতে 'পোঠী চাহিব' নাম দিয়া হৈছিল। শেষ গুৰু গোবিন্দ সিংহই তাত তেওঁৰ পিতৃ নৱমগুৰু

তেগবাহাদুৰৰ বাণীসমূহো যোগ দি 'আদি গুৰুগ্ৰন্থ চাহিব' নামকৰণ কৰে। এই গ্ৰন্থত 'আদি' শব্দটো ব্যৱহাৰ কৰা হৈছে গুৰু গোবিন্দ সিংহৰ দশম গ্ৰন্থৰ লগত পাৰ্থক্য বুজাবলৈ, আৰু 'চাহিব' শব্দটো গ্ৰন্থখনৰ মৰ্য্যাদা আৰু পবিত্ৰতাৰ প্ৰতীক।

ধৰ্মগ্ৰন্থ বিশ্বৰ সকলো ধৰ্মাবলম্বীৰে আছে আৰু সেইবিলাকৰ মৰ্য্যাদাও বিশ্ববাসীসকলৰ কাৰণে অতি পবিত্ৰ, কিন্তু শিখসকলৰ এই ধৰ্মগ্ৰন্থখনকেই গুৰুগ্ৰন্থ বোলা হয়, ই ইয়াৰ এটা বৈশিষ্ট্য। জপজীয়ে কয় : 'গুৰুমুখী নাদম গুৰুমুখ বেদন," অৰ্থাৎ গুৰুৰ বাণীয়ে সংগীত যি ভক্তই তেওঁৰ হৰ্ষান্বিতঅৱস্থাত শুনিবলৈ পায়। গুৰু-বাণীয়েই শ্ৰেষ্ঠ গ্ৰন্থ, গুৰুৰ লগত সংযোজিত হৈয়ে দৃষ্টিৰ অক্ষম দৃশ্যও দেখিবলৈ পোৱা যায়। গুৰু অৰ্জনদেৱে কয় :

'পোঠী পৰমেশ্বৰ কাথাম' অৰ্থাৎ গুৰুগ্ৰন্থই ভগৱানৰ নিবাস। ইয়াৰ সকলোবিলাক বাণী সংগীত গাঠা। শিখসকলে কেৱল দহগুৰু আৰু গুৰুগ্ৰন্থ চাহিবতহে আস্থা ৰাখে।

গুৰুগ্ৰন্থ চাহিবৰ বিশেষত্ব নাইবা উদাৰতা এই যে ইয়াত কেৱল ছজন গুৰুৱে নহয়, সেই সময়ৰ হিন্দু-মুছলমান সকলো সম্প্ৰদায়ৰ সন্তসকলৰ বাণীসমূহো অন্তৰ্ভুক্ত কৰা হৈছে। মুঠতে এই গ্ৰন্থত ছজন গুৰুৰ, পোন্ধৰজন বিভিন্ন জাতৰ আৰু সম্প্ৰদায়ৰ সাধকৰ সোতৰজন ভকতৰ আৰু শিখগুৰুসকলৰ নিকট আত্মীয়, যেনে বাবা সুন্দৰৰ বাণীও সন্নিবিষ্ট কৰা হৈছে। এই গ্ৰন্থত যিবিলাক বিশিষ্ট সাধকৰ ৰচনা অন্তৰ্ভুক্ত হৈছে তেওঁলোক হ'ল, উত্তৰ প্ৰদেশৰ ৰামানন্দ, কবীৰ, ৰবিদাস, সুৰদাস, সৈন্ আৰু ভিখান, বিহাৰৰ জয়দেৱ, মহাৰাষ্ট্ৰৰ নামদেৱ, ত্ৰিলোচন আৰু পৰমানন্দ, ৰাজস্থানৰ পিপা আৰু ধন্না আৰু গোটেই উত্তৰভাৰতত প্ৰখ্যাত বেণী। মুছলমান সাধকসকল হ'ল বাবা ফৰিদ, সাদ্‌না, বলবান্দ আৰু মৰ্দানা। সন্ত কবীৰ আছিল, মুছলমান আৰু তাঁতী সম্প্ৰদায়ৰ, নামদেৱ দৰ্জী, ধন্না কৃষক, সাদ্‌না কছাই, ৰবিদাস চমাৰ, সৈন নাপিত। পিপা আছিল ৰজা আৰু ত্ৰিলোচন ব্ৰাহ্মণ। ইয়াৰ পৰাই বুজিব পাৰি যে এইখনেই পৃথিৱীৰ একমাত্ৰ ধৰ্মগ্ৰন্থ য'ত জন্মসূত্ৰে অতি হীন, অতি নীচ সম্প্ৰদায়ৰ সাধকসকলকো গুৰুত্বপূৰ্ণ মৰ্যাদা দান কৰা হৈছে, পূৰ্ণ সন্মান যচা হৈছে। এই গ্ৰন্থক দ্বাদশ শতিকাৰ পৰা সপ্তদশ শতিকালৈ ধৰ্মসমন্বয়ৰ এক বুৰঞ্জীও বুলিব পাৰি।

আনহাতে বহু সাধনালব্ধ সাধকৰ মতো এই গ্ৰন্থত গ্ৰহণযোগ্য বুলি বিবেচিত হোৱা নাই। মীৰাবাইৰ গীত ইয়াত লোৱা হোৱা নাই, তাৰ কাৰণ তেওঁ সগুণ ব্ৰহ্মৰ পূজাৰী আছিল। ছাহ হুছৈইন আৰু চাহজু আদি মুছলমান সন্তৰ লিখাও সোমোৱা নাই, কিয়নো তেওঁলোকে সকলো নৰ-নাৰীৰ সম অধিকাৰ, আৰু বিশ্বভ্ৰাতৃত্ব তত্ত্বৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাত আগ্ৰহী নাছিল।

এই গ্ৰন্থত বাণীসমূহ বিষয়ানুসাৰে লিপিবদ্ধ কৰা হোৱা নাই, ৰাগানুসাৰেহে কৰা হৈছে। ইয়াত আছে ৩১ টা ৰাগৰ সমাবেশ। গুৰু অৰ্জনদেৱ নিজে প্ৰখ্যাত সংগীতজ্ঞ আছিল। তেওঁ এই গ্ৰন্থৰ সম্পাদনা ১৬০৪ চনত শেষ কৰে। সম্ৰাট আকবৰে এই গ্ৰন্থ সম্বন্ধে মন্তব্য দিছিল এনেদৰে :

"এইখন সমন্বয় সাধনৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ আৰু সেয়ে ভক্তিভাজন।"

আগেয়ে উল্লেখ কৰি অহা হৈছে যে গুৰু অৰ্জনদেৱ মোগল সম্ৰাট জাহাংগীৰৰ ঈৰ্ষাৰ বলি হ'বলগীয়া হ'ল, কাৰণ তেওঁৰ নেতৃত্বত সেই সময়ৰ পাঞ্জাবৰ আৰু বিশেষকৈ শিখসকলে যথেষ্ট ধনদৌলত আৰু ক্ষমতা আহৰণ কৰিবলৈ আৰম্ভ কৰে। তেওঁৰ দিনতে শিখগুৰুৰ মৰ্যাদা অনুসৰি পোছাকৰ ব্যৱস্থা কৰা হয়। গুৰুৰ ক্ৰমবৰ্দ্ধমান ক্ষমতা আৰু যশস্যা জাহাঙ্গীৰে সহ্য কৰিবলৈ টান পাইছিল। সেয়ে তেওঁ শিখসকলৰ ওপৰত নানা অত্যাচাৰ আৰম্ভ কৰিছিল। অৱশেষত ১৬০৬ চনৰ ৩০মে তাৰিখে মোগল সম্ৰাটৰ আদেশত লাহোৰৰ কটোৱাল শেখ কৰিদ বুখাৰীয়ে গুৰুক অতি নিৰ্মমভাৱে বধ কৰে। প্ৰথমে তেওঁক উতলি থকা পানীৰ কেৰাহীত বহুৱাই দিয়া হয়, পাছত তেওঁৰ নগ্ন শৰীৰত উত্তপ্ত বালি দি ৰাবী নদীৰ শীতল পানীলৈ তেওঁৰ দেহটো দলিয়াই দিয়া হয়। গুৰুৰ পাৰ্থিব দেহ এনেদৰে ৰাজশক্তিয়ে ধ্বংস কৰিলেও তেওঁৰ অমৰ আত্মাৰ জ্যোতি আজিও উজ্জ্বল হৈয়ে আছে। হিন্দুসমাজৰ এৱেঁই আছিল প্ৰথম শ্বহীদগুৰু। গুৰুৱে শেষ সময়ত উচ্চাৰণ কৰিছিল এই বাণী :

"ঈশ্বৰ মৃত্যুহীন, সেয়ে এই মৃত্যুক ভয় নকৰোঁ।
যেহেতু তেওঁক ধ্বংস কৰিব নোৱাৰি, সেয়ে
মোৰো ধ্বংসৰ ভয় নাই।"

(ভাই গুৰদাস)

গুৰু অৰ্জনদেৱৰ একমাত্ৰ পুত্ৰ হৰগোবিন্দ ষষ্ঠ শিখ গুৰুৰ আসনত অধিষ্ঠিত হয়, (১৬০৬-১৬৪৫)। তেওঁ পিতৃৰ অসম্পূৰ্ণ কাম অৰ্থাৎ গুৰুৰ পোছাক আদিৰ বিষয়ে সকলো প্ৰথা সম্পূৰ্ণ কৰে। এই প্ৰথামতে গুৰুৰ লগত দুখন তৰোৱাল ৰখাৰ ব্যৱস্থা কৰা হয়। এই তৰোৱাল দুখনৰ এখন ধৰ্মৰ প্ৰতীক (ফকিৰী) আৰু আনখন শক্তিৰ (আথিৰী)। তেৱেঁই প্ৰথমে হিন্দুসকলৰ আত্মৰক্ষাৰ কাৰণে গড় নিৰ্মাণ কৰে। তেওঁ প্ৰথম গুৰু যি মোগলৰ বিৰুদ্ধে অস্ত্ৰ ধৰিবলৈ বাধ্য হয়।

গুৰু হৰগোবিন্দৰ নাতি সপ্তম গুৰু হৰৰায়ে সম্ৰাট চাহজাহানৰ প্ৰথম পুত্ৰ দাৰাশিকোৰ লগত সদ্ভাব গঢ়িবলৈ চেষ্টা কৰিছিল, কিয়নো দাৰা আছিল ধৰ্মনিৰপেক্ষ আৰু হিন্দুদৰ্শনৰ প্ৰতি অনুৰক্ত, কিন্তু তথাপি তেওঁ সম্ৰাটৰ ওচৰলৈ

শাস্তিৰ কথা আলোচনা কৰিবলৈ যাওঁতে, তেওঁক তাত বন্দী কৰি ৰখা হয়।

সপ্তম গুৰুৰ মৃত্যুৰ পিছত তেওঁৰ দ্বিতীয় পুত্ৰ হৰকিষণ অষ্টম গুৰুৰূপে নিৰ্বাচিত হয়, মাত্ৰ পাঁচ বছৰ বয়সতে। তেওঁকো মুগল সম্ৰাটে আলোচনাৰ কাৰণে মাতি নিয়ে আৰু তাতেই মাত্ৰ ৮ বছৰ বয়সতে তেওঁ বসন্ত ৰোগত আক্ৰান্ত হৈ মৃত্যু মুখত পৰে।

### তেগবাহাদুৰ নৱমগুৰু

শিখসকলৰ নৱমগুৰু তেগবাহাদুৰ আছিল এটি উজ্জ্বল নক্ষত্ৰস্বৰূপ। তেওঁৰ হিন্দুধৰ্ম ৰক্ষাৰ কাৰণে কৰা আত্মত্যাগৰ কাহিনী যীশুখৃষ্টৰ কাহিনীৰ লগতহে বিজাব পাৰি। সেয়ে তেওঁক 'হিন্দ-ই চাদৰ' অৰ্থাৎ হিন্দুৰ ৰক্ষাকৰ্তা বুলি জনা যায়।

গুৰু তেগবাহাদুৰ গুৰু হৰগোবিন্দৰ পাঁচজন পুত্ৰৰ ভিতৰত কনিষ্ঠতম আছিল। ১৬২১ চনৰ পহিলা এপ্ৰিল তাৰিখে অমৃতসৰত তেওঁৰ জন্ম হয়। তেওঁ ভাইবন্ধু আৰু গুৰদাসৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হয় আৰু শিক্ষা-দীক্ষা লাভ কৰে। তেওঁ ধনুৰ্বিদ্যা, অস্ত্ৰবিদ্যা আৰু অশ্বচালন আদি কামত সৰুৰেপৰা পাৰ্গতালি দেখুৱায়। ধৰ্মশাস্ত্ৰ আৰু নীতিশাস্ত্ৰ আদি অধ্যয়নতো তেওঁৰ আছিল মনোময় গতি। তেওঁ গীত-বাদ্য আৰু কবিতা আদিতো যথেষ্ট ব্যুৎপত্তি দেখুৱাইছিল। সৰুৰে পৰা তেওঁৰ অন্তৰ দাৰ্শনিক চিন্তাধাৰাৰে সমৃদ্ধ আছিল। সেয়ে তেওঁ নিৰ্জনতাত কাল কটাই সুখ অনুভৱ কৰিছিল। ১৬৩৩ চনত তেওঁৰ গুজৰিজীৰ সৈতে বিবাহকাৰ্য্য সম্পন্ন হয়। মাতা গুজৰিজীও আছিল স্বামী আৰু ঈশ্বৰত অনুৰক্ত এগৰাকী মহীয়সী নাৰী।

১৬৬৪ চনত তেগবাহাদুৰ গুৰুপদত অধিষ্ঠিত হয়। শিখসকলৰ প্ৰচলিত ধৰ্মৰ বিৰুদ্ধাচৰণকাৰীও সেই সময়ত বহুত ওলাইছিল আৰু গুৰুপদ লৈয়ো প্ৰতিদ্বন্দ্বিতাৰ সূত্ৰপাত হৈছিল। তেওঁ পদপ্ৰাপ্তিৰ পাছতে সকলো বাক-বিতণ্ডা মষিমূৰ কৰি শিখ সমাজক সুসংবদ্ধ কৰে আৰু দূৰ-দূৰণিত অৱস্থিত শিখসংগতবোৰৰ লগত যোগাযোগ আৰু সম্বন্ধ কটকটীয়া কৰে।

গুৰু নানকৰ পদাঙ্ক অনুসৰণ কৰি দেশৰ বিভিন্ন স্থানত প্ৰতিষ্ঠিত উপাসনা কেন্দ্ৰসমূহ সঞ্জীৱিত কৰিবলৈ তেওঁ দেশব্যাপী বিস্তৃত ভ্ৰমণসূচী লৈছিল। তেওঁ অসমলৈ আহি ধুবুৰীত গুৰু নানকে অসম ভ্ৰমণকালত যি ঠাইত অৱস্থান কৰিছিল তাতেই জিৰণি লৈছিল। সেই স্থান "গুৰুদ্বাৰ দমদমে" বুলি আজিও বিখ্যাত আৰু অসংখ্য তীৰ্থযাত্ৰীৰ সেই ঠাইত সমাগম হয় বিশেষকৈ গুৰু তেগবাহাদুৰৰ শ্বহিদী পৰবৰ সময়ত।

গুৰুৰ এইবাৰ উত্তৰ-পূব ভাৰত ভ্ৰমণৰ সময়ত তেখেতৰ পত্নীও লগত

আছিল। তেওঁ কিন্তু পৰিবাৰক আন ভক্তসকলৰ সংগত পাটনাত এৰি থৈ বঙ্গদেশ আৰু অসমত সোমায়। অসমত ভ্ৰমণৰত অৱস্থাতে তেওঁ খবৰ পায় যে পাটনাত তেওঁৰ পত্নীয়ে এটি পুত্ৰসন্তান জন্ম দিছে। এই ক্ষণজন্মা শিশুটিয়ে হ'ল পিছৰ কালত বিশ্ববিখ্যাত হোৱা গোবিন্দ ৰায় অৰ্থাৎ শিখসকলৰ দশম আৰু শেষ গুৰু গোবিন্দ সিংহ।

অসম-বঙ্গ ভ্ৰমণ সমাপ্ত কৰি গুৰুৱে ১৬৭০ চনত যেতিয়া পাটনালৈ প্ৰত্যাবৰ্তন কৰে, তাত তেওঁ শুনিবলৈ পায় যে সম্ৰাট ঔৰংজেবে হিন্দুসকলৰ ওপৰত নিষ্ঠুৰ অত্যাচাৰ আৰম্ভ কৰিছে আৰু হিন্দুৰ মঠ-মন্দিৰবোৰ ধ্বংস কৰিবলৈ আদেশ দিছে। তেওঁ ততাতৈয়াকৈ আনন্দপুৰ অভিমুখে যাত্ৰা কৰে। কাশ্মীৰ, কুৰুক্ষেত্ৰ আৰু হৰিদ্বাৰ আদি স্থানৰপৰা বহু বিশিষ্ট ব্ৰাহ্মণে আনন্দপুৰত তেওঁলোকৰ দুখ-দুৰ্গতিৰ কথা গুৰুক জনায়। ঔৰংজেবে প্ৰথমতে বিশেষকৈ ব্ৰাহ্মণসকলক জোৰপূৰ্বক ইছলাম ধৰ্মত দীক্ষিত কৰিবলৈ আদেশ দিছিল আৰু সেই কাৰণে উত্তৰ ভাৰতৰ ব্ৰাহ্মণসকল ভীতিবিহ্বল হৈ পৰিছিল। মাৰাঠিৰীৰ শিবাজী আৰু কিছুসংখ্যক ৰাজপুতে দক্ষিণভাৰতত ঔৰংজেবৰ ধৰ্মান্ধতাৰ বিৰুদ্ধে থিয় হ'ব পাৰিছিল, কিন্তু উত্তৰ ভাৰতত তেওঁৰ হিন্দুবৈৰী অভিযানত বাধা দিব পৰা কোনো নাছিল। সকলো কথা অৱগত হৈ গুৰুৱে মন্তব্য দিছিল এনেদৰে :

"ধৰ্ম আজি বিপন্ন, শাসকৰ অত্যাচাৰ-উৎপীড়নৰ পৰা ভাৰতবৰ্ষক মুক্ত কৰিবলৈ কোনো এজন মহান পুৰুষে জীৱন আহুতি দিব লাগিব। সেই সময়ত তেওঁৰ ওচৰত থকা শিশুপুত্ৰ গোবিন্দৰায় কৈছিল : "পিতা আপুনিয়ে একমাত্ৰ সেই উপযুক্ত পুৰুষজন।" গুৰুজনাই পুত্ৰৰ বচন শুনি বিশ্বাস আৰু আনন্দৰ আবেগত অভিভূত হৈছিল।

১৬৭৫ চনৰ কোনোবা এটা দিনত গুৰু তেগবাহাদুৰে আনন্দপুৰৰ পৰা দিল্লীলৈ যাত্ৰা কৰিছিল, সম্ৰাট ঔৰংজেবক সাক্ষাৎ কৰি তেওঁ তেওঁৰ কাৰ্য্যৰ প্ৰতিবাদ জনাইছিল ; কিন্তু আগ্ৰাত উপস্থিত হোৱাৰ লগে লগে তেওঁক বন্দী কৰা হ'ল আৰু শৃঙ্খলিত অৱস্থাত দিল্লীলৈ নি সম্ৰাটৰ আগত হাজিৰ কৰোৱা হ'ল। সম্ৰাটে প্ৰথমে তেওঁক ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ নানা প্ৰলোভন দেখুৱালে ; তাত বিফল হৈ নানা শাস্তিৰ ভয় দেখুৱালে। কোনো ফল নধৰাত তেওঁ গুৰুহিচাপে অলৌকিক কিবা দেখুৱাবলৈ ক'লে। গুৰুৱে উত্তৰ দিলে যে অলৌকিকতা প্ৰদৰ্শন কৰি মানুহক চমৎকৃত কৰা নিয়ম তেওঁৰ ধৰ্মত নাই। গুৰুৰ মত পৰিবৰ্তন কৰিব পাৰিব বুলি বহুদিন লোৰ পিঁজৰাত বন্ধ কৰি ৰাখিলে। অৱশেষত ঔৰংজেবৰ চল-চাতুৰীৰ কোনো ফল নধৰাত তেওঁৰ শিৰশ্চেদ কৰিবলৈ আদেশ দিলে।

সিদিনা আছিল ১৬৭৫ চনৰ ১১ নৱেম্বৰ, বৃহস্পতিবাৰ। গুৰুক হত্যা কৰাৰ

পূৰ্বে তেওঁৰ লগতে কাৰাৰুদ্ধ তিনিজন শিষ্যক তেওঁৰ সম্মুখতে নিৰ্মমভাৱে হত্যা কৰা হ'ল। ভাই মতিদাসক দুটা খুঁটাত বান্ধি কৰতেৰে শিৰৰ পৰা তলৰ পিনে ৰেপি ৰেপি দুডোখৰ কৰিলে। ভাই দয়ালদাসক উতলি থকা পানীৰ কেৰাহীত পেলাই দিয়া হ'ল। ভাই সতীদাসক সৰ্বশৰীৰত তুলা মেৰাই জুই জ্বলালে। অৱশেষত গুৰুৰ শিৰশ্ছেদ কৰিলে — লালকিল্লাৰ পৰা অনতিদূৰত ছাদনীচ'কৰ খোলা ৰাজপথত। গুৰুৱে হাঁহি হাঁহি প্ৰাণ বিসৰ্জন দিলে। তেওঁ শিৰ দিলে, কিন্তু ধৰ্মত্যাগ নকৰিলে।

### দশম আৰু শেষ গুৰু গোবিন্দ ৰায়

পিতৃৰ মৃত্যুৰ পাছত গোবিন্দ ৰায় ১৬৭৬ চনৰ ২৯ মাৰ্চ তাৰিখে নবছৰ বয়সতে গুৰুপদত অধিষ্ঠিত হয়। ১৬৬৬ চনত পাটনাত জন্মগ্ৰহণ কৰিছিল যেতিয়া তেওঁৰ পিতা অসম ভ্ৰমণত আছিল। এৱেঁই শিখসম্প্ৰদায়ৰ দশম আৰু শেষ গুৰু। তেওঁ মাত্ৰ ৪২ বছৰ জীয়াই আছিল। সত্য আৰু ন্যায়ৰ আজীৱন পূজাৰী গুৰু গোবিন্দসিংহৰ জীৱনত যিমান কৰুণ ঘটনাৰ সমাবেশ — তাতকৈ বহু মহান তেওঁৰ কৰ্মৰাজি, জীৱনাদৰ্শ আৰু আধ্যাত্মিক শক্তি।

তেওঁ গুৰুপদ পোৱাৰ পাছতেই নিজ সম্প্ৰদায়ৰ ধৰ্মপ্ৰতিনিধিসকলৰ আৰু গুৰুপদপ্ৰয়াসী আত্মীয় স্বজনৰ প্ৰবল বিৰোধিতাৰ সম্মুখীন হ'ব লগীয়া হ'ল। সাধনশক্তিৰ দ্বাৰা অনতিপলমে তেওঁ সেইবোৰ দমন কৰি সম্প্ৰদায়টো পূৰ্ণভাৱে সংঘবদ্ধ কৰিলে। তেওঁ সৰুকালৰ পৰাই সংস্কৃত, পাৰ্চী, আৰবী আৰু পাঞ্জাবী ভাষা চৰ্চা কৰি তাত প্ৰচুৰ ব্যুৎপত্তি লাভ কৰিছিল। তেওঁ ধৰ্মশাস্ত্ৰ, কাব্য আৰু ইতিহাস আদিও গভীৰভাৱে অধ্যয়ন কৰিছিল। দৈনন্দিন সকলো দায়িত্ব সুকলমে পৰিচালনা কৰিও তেওঁ সাহিত্য চৰ্চাৰ বাবে সময় উলিয়াইছিল। 'জপ' অৰ্থাৎ তপস্যা নামৰ প্ৰখ্যাত প্ৰাৰ্থনাটো, শ্ৰীকৃষ্ণ আৰু শ্ৰীৰামচন্দ্ৰৰ জীৱনী তেওঁ সৰু কালতে লিখিছিল। "চণ্ডী- দি-বৰ বা "বৰ শ্ৰী ভগৌতি জী কি" তেওঁৰ সৰু কালতে পাঞ্জাবী ভাষাত লিখা প্ৰথম ৰচনা যদিও মহাকাব্যৰ এক অমূল্য সম্পদ। তেওঁৰ ৰচনাসমূহ 'দশম-গ্ৰন্থ' নামে পুথিত সংগ্ৰহ কৰা হৈছে। এইবোৰৰ ভিতৰত 'জপ-সাহিব' আৰু 'তৈপ্ৰসাদ স্বৈয়ে'—শিখসকলৰ দৈনন্দিন প্ৰাৰ্থনাৰ ভজন। জপ-সাহিবত ৮০০ শ্লোক আছে আৰু ইয়াত ভগৱানৰ গুণানুকীৰ্তন কৰা হৈছে. 'অকল উস্তত', 'শব্দ হাজাৰে' আৰু 'শ্ৰী মুখবক স্বৈয়ে' আদিয়ো ভগৱানৰ গুণানুকীৰ্তনৰ পুথি। "জ্ঞান প্ৰবোধ" গ্ৰন্থ দৰ্শনৰ বা আত্মতত্ত্ব বিষয়ৰ। বিষ্ণুৰ চব্বিশ অৱতাৰ আৰু ব্ৰহ্মা আৰু ৰুদ্ৰৰ অৱতাৰৰ কাহিনীত অৱতাৰবাদ সম্বন্ধে একোটি সুমধুৰ বৰ্ণনা দিয়া হৈছে। ইয়াৰ উপৰি বীৰ-বীৰাঙ্গনা আদিৰ কাহিনীৰ আধাৰত তেওঁ বহু গুৰলা

কবিতাও ৰচনা কৰি গৈছে।

গুৰু গোবিন্দসিংহেই অস্ত্ৰক শক্তিৰ আৰু স্বয়ং ভগৱানৰ প্ৰতীক বুলি ধাৰণা কৰিছিল আৰু সেই কাৰণে ভগৱানকবৰ্ণনা কৰিছে 'সৰ্বলোহ' বুলি। 'বিচিত্ৰ নাটক'ৰ আৰম্ভণিতে ভগৱানক তেওঁ অস্ত্ৰৰূপে আৰাধনা কৰিছেঃ "মই স্বৰ্গীয় অস্ত্ৰক প্ৰাৰ্থনা কৰিছোঁ— নমস্কাৰ কৰিছোঁ— মোৰ সহায় হোৱা, মই যাতে এই কাম সম্পূৰ্ণ কৰিব পাৰোঁ।"

এই আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হৈয়ে তেওঁ এদল সৈন্য গঠন কৰাত মনোনিৱেশ কৰে। প্ৰথমতে তেওঁ নিজৰ শিষ্যসকলক এই দলত ভৰ্তি কৰে। ইয়াৰ উপৰি বেতনভোগী কিছুমানকে দলত নিযুক্তি দিয়ে। তেওঁ শিষ্যসকলক কৈছিল, "সংসাৰত ভালদৰে জীয়াই থাকিবলৈ হ'লে মস্তিষ্কৰ পৰিচালনা যিদৰে দৰ্কাৰ মাংসপেশীৰ পৰিচালনাও তেনেদৰে প্ৰয়োজনীয়। তেওঁ যুদ্ধবিদ্যাত অগ্ৰাধিকাৰ দিলেও শিষ্যসকলক আধ্যাত্মিক উৎকৰ্ষ সাধনৰ বিষয়তো সদায় তৎপৰ আছিল। ৰাতিপুৱা আৰু আবেলিৰ প্ৰাৰ্থনাৰ সময়ত তেওঁ শিষ্যসকলক বিবিধ তত্ত্বৰ জ্ঞান দিছিল।

নানা ধৰ্মশাস্ত্ৰ আৰু বিশেষকৈ পুৰাণ আদি প্ৰচুৰভাৱে অধ্যয়নৰ ফলত গুৰুৰ বিশ্বাস হৈছিল যে তেওঁ নিজে এজন অৱতাৰ। এই পৃথিৱীৰ পৰা অন্যায় -অধৰ্ম নিঃশেষ কৰি এখন ধৰ্মৰাজ্য প্ৰতিষ্ঠাৰ কাৰণেহে তেওঁৰ এই মানৱীজীৱন। নিজ আত্মজীৱনী 'বিচিত্ৰ নাটক'ত তেওঁ লিখিছে, "ভগৱানে মোক পৃথিৱীলৈ আহিবলৈ আদেশ দিলে। ভগৱানৰ পাদপদ্মৰ দৰ্শন এৰি এই পৃথিৱীলৈ আহিবলৈ মোৰ সমুলি ইচ্ছা নাছিল। ভগৱানে তেতিয়া আদেশ কৰিলে — মই তোমাক পুত্ৰজ্ঞান কৰিছোঁ, তুমি পৃথিৱীলৈ যোৱা, সত্য আৰু ধৰ্ম প্ৰতিষ্ঠা কৰাগৈ আৰু মানৱক পাপৰ পৰা মুক্ত কৰাগৈ। মোৰ পিতৃ গুৰু তেগবাহাদুৰ যেতিয়া ত্ৰিবেণীসঙ্গম পালেহি, তেতিয়া সদায় দান-দক্ষিণা আৰু ধৰ্মাচৰণ কৰিবলৈ ধৰিলে। ত্ৰিবেণীসঙ্গমতেই মোৰ আত্মাই মাতৃগৰ্ভত থিতাপি লয়।"

গুৰু গোবিন্দসিংহৰ মহত্তম কীৰ্তি হ'ল শিখসম্প্ৰদায়ৰ গুৰুপদৰ বিলোপ সাধন আৰু খালসা (পবিত্ৰ) সমাজ স্থাপন। ১৬৯৯ চনৰ বৈশাখী উৎসৱৰ দিনা প্ৰায় ৫০ হাজাৰ শিখৰ সমাগমৰ পৰা এক অদ্ভুত উপায় অৱলম্বন কৰি তেওঁ পাঁচজন ভকত বাছি উলিয়ালে, যিসকলে বিনা-দ্বিধাই গুৰুৰ কাৰণে তেওঁলোকৰ শিৰ আগবঢ়াইছিল, তেওঁলোক হ'ল — ভাই দয়াৰাম, ধৰমদাস, মোহকামচাঁদ, চাহিব চাঁদ আৰু হিম্মত। বিৰাট জনগণৰ সম্মুখত গুৰুগ্ৰন্থৰ প্ৰথম পাঁচ বাণী পাঠ কৰি অমৃত (বীৰৰস) পাঁচোজনকে পান কৰাই শৰণ দি তেওঁলোকক "পঞ্চপ্যাৰা" নাম দিলে আৰু ঘোষণা কৰিলে যে ভৱিষ্যতে শিখসকলৰ আৰু কোনো নিৰ্দিষ্ট গুৰু

নাথাকিব, পঞ্চপ্যাৰাৰ পিছত যিকোনো পাঁচজন ধাৰ্মিক শিখে একগোট হৈ গুৰুৰ কৰ্ম সমাধা কৰিব পাৰিব আৰু শিষ্যক দীক্ষা দিব পাৰিব। তেওঁ আৰু ঘোষণা কৰিলে যে আদি গুৰুগ্ৰন্থ চাহিবক সকলো গুৰুৰ জীৱন্তবাণী বা গুৰুবাণী হিচাপে গণ্য কৰিব লাগিব। এই পঞ্চপ্যাৰাৰ পৰা গুৰুৱে নিজেও শৰণ লৈছিল আৰু গোবিন্দৰায়ৰ পৰা গোবিন্দসিংহ হৈছিল।

তেওঁ গঠন কৰা খালসা সমাজৰ বিধি নিয়মৰ নিৰ্দেশত তলত লিখাকেইটা আছিল মুখ্য পালনীয় বা অনুসৰণ কৰিবলগীয়া বিষয় :-

সেই সমাজত জাতি-বৰ্ণৰ বিচাৰ নাথাকিব। মূৰ্তিপূজা বা আন দেব-দেৱীৰ পূজা নিষেধ। হৰিনাম কীৰ্তনৰ দ্বাৰা এক ঈশ্বৰত বিশ্বাস আৰু ভক্তি। ধনী-দুখীয়া, উচ্চ-নীচ ব্যৱধান ব্যৱস্থাৰ অৱসান। ক্ষুধাতুৰক আহাৰ, পিপাসিতক পানী, নিৰ্বলী, নিৰাশ্ৰয় আৰু নিপীড়িতক আশ্ৰয়দান, অভয়দান আৰু শোকাতুৰক সান্ত্বনা। সত্য-কথন, সংযম পালন, ধৰ্মৰক্ষা আৰু দেশৰ স্বাধীনতা ৰক্ষাৰ বাবে জীৱন আহুতি দিবলৈ সদায় প্ৰস্তুত থকা। সকলোৱে সুখ-শান্তিৰে গাৰ্হস্থ্য জীৱন-যাপন, আনহাতে তীৰ্থযাত্ৰা আৰু ব্ৰতপালন অপ্ৰয়োজনীয়। পুৰুষ আৰু নাৰীৰ সমস্থান আৰু সম অধিকাৰ। ধূমপান বা আন কোনো ৰাগিয়াল বস্তু পান নিষেধ। আন ধৰ্মৰ মানুহৰ প্ৰতি সমভাব পোষণ। ধৰ্ম-বৰ্ণ-জাতি নিৰ্বিশেষে সকলো দুখীয়া মানুহক সামৰ্থ্য অনুযায়ী সহায়, নিজৰ উপাৰ্জনৰ দশম অংশ অন্যৰ হকে আৰু ধৰ্মকাৰ্য্যত ব্যয়। সকলোৱে শৰীৰ চৰ্চাৰ ওপৰত গুৰুত্ব। খালসা সমাজৰ প্ৰধান কৰ্তব্য হ'ল — দেশৰ অধৰ্ম, অত্যাচাৰ, ব্যভিচাৰ আদি সমাজৰ সকলো প্ৰকাৰ ব্যাধিৰ বিৰুদ্ধে সকলোৱে একত্ৰিত হোৱা আৰু নিপীড়িত, নিৰ্য্যাতিত মূক জনগণক ঈশ্বৰপ্ৰেম, দেশপ্ৰেম আৰু আত্মত্যাগৰ আদৰ্শেৰে উদ্বুদ্ধ কৰি সত্যৰ উপলব্ধি কৰোৱা।

গুৰুৱে খালসা সমাজৰ প্ৰত্যেক সভ্যৰ বাবে নিয়ম বান্ধি দিছিল যে তেওঁলোকে পাঁচটা প্ৰথা সদায় পালন কৰিব লাগিব। সেই প্ৰথাক বৰ্তমান পঞ্চ 'ক' বা five K বুলি জনা যায়। প্ৰথাকেইটা হ'ল :

(১) কেশ : দাড়ি-চুলিকে ধৰি শৰীৰৰ অন্য নোমভাগো কেতিয়াও নাকাটিব, কিয়নো তাৰদ্বাৰা তেওঁলোক ঋষিভাবাপন্ন হ'ব পাৰিব।

(২) কাঙ্গা : লগত একোখনকৈ ফণি ৰাখিব। এই ফণি দাড়ি, চুলি শৃঙ্খলা লগাই ৰখাৰ সহায়ক হ'ব।

(৩) কচ্ছেৰা : শিখসকলে প্ৰত্যেকে একোটাকৈ চুটি অধঃপৰিচ্ছদ পিন্ধিব। এই অধঃপৰিচ্ছেদে তেওঁলোকক সংচৰিত্ৰ হ'বলৈ বা কামাতুৰ নহ'বলৈ শিকাব।

(৪) কাড়া : তেওঁলোকেপ্ৰত্যেকে হাতত এপাট তীখাৰ খাৰু পিন্ধিব। এই খাৰুৱে ভগৱান যে এজন সেই কথা সদায় মনত পেলাব।

(৫) কৃপাণ ঃ তেওঁলোক প্ৰত্যেকে হাতত বা কঁকালত একোখনকৈ তীখাৰ কৃপাণ ৰাখিব। এই কৃপাণ আত্মৰক্ষাৰ প্ৰয়োজনত।

খালসা সভ্যৰ কাৰণে সমূহীয়া খানা (ভদ) কৃপাণৰ দৰেই অপৰিহাৰ্য্য।

**গুৰুৰ বাণী**

"খালসা মেৰো ৰূপ হে খাস,
খালসে মহি হো কৰৌ নিবাস।"

অৰ্থাৎ খালসাই মোৰ ৰূপ আৰু খালসাতেই মই বিৰাজ কৰোঁ।

গুৰুৱে আৰু নিৰ্দেশ দিছিল যে খালসা সমাজৰ সকলোৱে সকলোকে ভাই বুলি জ্ঞান কৰিব, তেওঁলোকে সিং (সিংহ) উপাধি ল'ব আৰু প্ৰত্যেকে প্ৰত্যেকক অভিবাদন জনাব এই বুলি—

"ৱাহে গুৰুজী কা খালসা,
ৱাহে গুৰুজী কী ফটেহ,"

অৰ্থাৎ হে ভগৱানভক্ত খালসা, ভগৱানৰ জয় হওক।

শিখসকলে এইবিলাক প্ৰথা আজিও বেদবাণীৰ দৰে মানি চলে। সনাতন ধৰ্মাৱলম্বী আন কোনো সম্প্ৰদায়ে গুৰুৰ নিৰ্দেশ ইমান কটকটীয়াকৈ আৰু ইমান ভক্তিভাৱে মানি চলাৰ নজিৰ নাই।

এখন স্বাৰ্থান্ধ সমাজ আৰু ধৰ্মান্ধ ৰাজকুলৰ ৰোষাগ্নিৰ পৰা নিজকে ৰক্ষা কৰিবলৈ গুৰু গোবিন্দসিংহই গোটেই জীৱন চৰম দুৰ্যোগপূৰ্ণ অৱস্থাত কটাবলগীয়া হৈছিল। সৰুতে গুৰুপদ লোৱাৰ লগে লগে আত্মীয়-স্বজন আৰু বিপথগামী ধৰ্মপ্ৰতিনিধি (মচণ্ড) সকলৰ ঈৰ্ষা, দ্বেষ আৰু বিৰুদ্ধাচৰণৰ কাৰণে তেওঁ সদায় সতৰ্ক থাকিব লগীয়া হৈছিল। আনফালে প্ৰবল প্ৰতাপী মোগল শাসক শক্তিটোৱে সদায় সুযোগ বিচাৰিছিল কাফেৰজনক ধ্বংস কৰিবলৈ। সেই শক্তি তেওঁৰ পিতৃ আৰু আজোককাকক নিৰ্মমভাৱে হত্যা কৰিও ক্ষান্ত হ'ব পৰা নাছিল, ওচৰ-চুবুৰীয়া হিন্দু-জমিদাৰসকলেও তেওঁক বাৰে বাৰে আক্ৰমণ কৰিছিল, কিয়নো গুৰুৰ সমাজ আৰু ধৰ্মসংস্কাৰৰ প্ৰগতিবাদী প্ৰথাবিলাকে তেওঁলোকৰ ন্যস্ত স্বাৰ্থত আঘাত হানিছিল। ক্ষুদ্ৰ মুছলমান ৰজাসকলৰ কাৰণে এজন হিন্দুধৰ্মযাজকৰ ইমান শৌৰ্য্য, বীৰ্য্য আৰু প্ৰভাৱ সহ্য কৰাটো স্বাভাৱিকতে কঠিন আছিল। সেয়ে তেওঁলোকে কেতিয়াবা হিন্দু জমিদাৰসকলৰ লগ হৈ, কেতিয়াবা অকলে আৰু কেতিয়াবা মোগল সৈন্যৰ সহায় লৈ বাৰে বাৰে তেওঁৰ ওপৰত আক্ৰমণ চলাইছিল। এই যুদ্ধ-বিগ্ৰহতে গুৰুৰ প্ৰথম দুই পুত্ৰ অজিত সিংহ আৰু জুঝাৰ সিংহই প্ৰাণ আহুতি দিব লগা হৈছিল।

স্বজাতি আৰু ভৃত্যৰ কৃতঘ্নতাৰ চূড়ান্ত কদৰ্য্যৰূপ প্ৰকাশ পাইছিল সিদিনা, যিদিনা গুৰুৰ অনুপস্থিতিৰ সুযোগ লৈ তেওঁৰ নিজৰ ৰান্ধনি ব্ৰাহ্মণ গাঙ্গুৱে তেওঁৰ মহীয়সী মাতৃ গুজাৰি আৰু কনিষ্ঠতম দুই কিশোৰ পুত্ৰক আজীৱন শত্ৰু চিৰহিন্দৰ নবাবৰ হাতত তুলি দিছিল, হয়তোবা অলপমান অৰ্থৰ লালসাত। নবাবে দুয়োজন পুত্ৰক আদেশ দিছিল ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ। তেওঁ কিন্তু ভাবিব পৰা নাছিল যে সিংহৰ সন্তান সিংহই হয়, শিয়াল নহয়। সেয়ে দুয়ো পুত্ৰই যেতিয়া নবাবৰ আদেশ দম্ভপূৰ্ণভাৱে অস্বীকাৰ কৰিলে, তেওঁলোকক দিয়া হ'ল জীৱন্ত সমাধি আৰু সেই শোকত প্ৰাণ ত্যাগ কৰিলে মাতা গুজাৰি। এই নবাবৰে প্ৰেৰিত এজন সঠ পাঠান ব্যৱসায়ীয়ে শিষ্যৰ ভাও লৈ লগত থাকি, এদিন সুযোগ বুজি গুৰুক তীক্ষ্ণ তৰোৱালেৰে আঘাত কৰিছিল, যাৰ ফলত এইজন মহান গুৰুৱে অকালতে ইহজীৱন ত্যাগ কৰিবলগীয়া হ'ল।

গুৰু গোবিন্দসিংহৰ জীৱনবন্তি অকালতে নিৰ্বাপিত হলেও তেওঁ শক্তিমান, চৰিত্ৰবান, স্বাধীনচিতীয়া কৰ্মবীৰ, যি এটা জাতি গঠনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি গৈছিল, ফলত যি সম্প্ৰদায় ওলাল সেইটো জনাজাত হ'ল শিখ অৰ্থাৎ গুৰুৰ শিষ্যৰূপে খালসা।

শিখ শব্দটো সংস্কৃত শিষ্য শব্দৰপৰা আহিছে। গুৰু নানকৰ দিনৰে পৰা তেওঁৰ পৰৱৰ্তী নজন গুৰুৰ সকলো শিষ্যকে সেয়ে শিখ বোলা হয়। খালসা সমাজত অন্তৰ্ভুক্ত নোহোৱা শিখসকলে দাড়ি-চুলি নাৰাখে। এনেকুৱা শিখ পাঞ্জাবত বহুত আছে। তদুপৰি প্ৰায় গোটেইখিনি সিন্ধিমানুহ শিখ সম্প্ৰদায়ভুক্ত, গুৰুগ্ৰন্থ চাহিব তেওঁলোকৰ ধৰ্মগ্ৰন্থ আৰু তেওঁলোকৰ নিজা গুৰদ্বাৰাও আছে।

## বঙ্গদেশ, উৰিষ্যা আৰু বৃন্দাবনৰ ভক্তিধৰ্মৰ ধাৰা

### শ্ৰীশ্ৰীচৈতন্যদেৱ

১৪৮৬ খৃষ্টাব্দৰ অৰ্থাৎ ১৪০৭ শকৰ ফাগুন মাহৰ দৌলপূৰ্ণিমা তিথিত গৌড়দেশৰ নবদ্বীপত শ্ৰীচৈতন্যদেৱৰ জন্ম হৈছিল। তেওঁৰ পিতৃ জগন্নাথ মিশ্ৰ আছিল ধৰ্মজ্ঞ বৈষ্ণৱ পণ্ডিত আৰু মাতৃশচীদেৱীও আছিল ধৰ্মপ্ৰাণা মহিলা। প্ৰাচীন কামৰূপ ৰাজ্যৰ অন্তৰ্গত আৰু বৰ্তমান বাংলাদেশৰ অন্তৰ্ভুক্ত শ্ৰীহট্ট দক্ষিণ ঢাক গাৱঁৰপৰা জগন্নাথ মিশ্ৰ সংস্কৃত অধ্যয়নৰ কাৰণে নদীয়ালৈ গৈ তাতে বসবাস কৰিছিল।

চৈতন্যদেৱ পিতৃ-মাতৃৰ কনিষ্ঠতম সন্তান আছিল। শচীদেৱীৰ ক্ৰমান্বয়ে আঠজনী কন্যাসন্তান ভূমিষ্ঠ হোৱাৰ পিছে পিছে মৃত্যুমুখত পৰে। তেওঁলোকৰ নৱম সন্তানটি আছিল পুত্ৰ আৰু তেওঁৰ নাম ৰখা হৈছিল বিশ্বৰূপ। এওঁৰ পাছত

জন্ম হয় চৈতন্যৰ। এওঁক বিশ্বম্ভৰ নামকৰণ কৰা হৈছিল। মাক-পিতাকে চৈতন্যক মৰমতে নিমাই বুলি মাতিছিল। এওঁৰ গাৰ বং উজ্জ্বল আৰু গৌৰবৰ্ণ হোৱা কাৰণে প্ৰতিবেশীসকলে তেওঁক গৌৰাঙ্গ নাম দিছিল।

চৈতন্যৰ বয়স যেতিয়া ৭/৮ বছৰ তেতিয়া ষোল বছৰীয়া তেওঁৰ ককায়েক বিশ্বৰূপ সন্ন্যাসী হৈ গৃহত্যাগ কৰি গুচি যায়। চৈতন্যই পাঠশালাত পঢ়ি থকা অৱস্থাত আৰু তেওঁৰ মাত্ৰ ১০/১১ বছৰ বয়সতে তেওঁৰ পিতৃ পৰলোকগামী হয়। এই পৰিবেশৰ মাজতে তেওঁ সংস্কৃত টোলৰ উচ্চ শিক্ষা সাং কৰে। তেওঁৰ যদিও বুদ্ধি আছিল অতি প্ৰখৰ, তেওঁ যে গভীৰভাৱে অধ্যয়নত মনোনিবেশ কৰিছিল, সেইটো কোৱা টান। তথাপি, সেই সময়ৰ এজন ব্ৰাহ্মণ ল'ৰাই নৱদ্বীপৰ দৰে শিক্ষাৰ কেন্দ্ৰত যিবিলাক বিষয়ৰ শিক্ষা লাভ কৰিব পাৰে সেইখিনি শিক্ষাৰ সুযোগ তেওঁ পাইছিল।

শৈশৱ কালত নিমাই এজন চঞ্চলমতি বালক হিচাপেহে পৰিচিত হৈছিল। তেওঁ পিতৃ-মাতৃক সদায় অতিষ্ঠ কৰি ৰাখিছিল। ওচৰ-চুবুৰীয়াইও তেওঁৰ ল'ৰালি কাৰ্য্যকলাপৰ কাৰণে সদায় সতৰ্ক হৈ থাকিবলগীয়া হৈছিল। তেওঁ ইফালে সিফালে ঘূৰি ফুৰি আৰু আনক ঠাট্টা-মস্কৰা কৰিহে তৃপ্তি পাইছিল। অৱশ্যে তেওঁ কাৰো অমংগল চিন্তা নকৰিছিল আৰু তেওঁৰ শিশুসুলভ হাঁহি আৰু সৰল পবিত্ৰ মনটোৰ কাৰণে তেওঁক কোনেও বেয়া পাব নোৱাৰিছিল।

পিতৃহীন ভ্ৰাতৃহীন নিয়ৰে চালুকীয়া অৱস্থাতে সংসাৰৰ সকলো ভাৰ ল'বলগীয়া হয়। ষোল বছৰ বয়সত মাতৃৰ আদেশমতে তেওঁ নৱদ্বীপৰ বল্লভদেৱৰ কন্যা লক্ষ্মীদেৱীৰ লগত বিবাহ বান্ধোনত সোমাল। সেই সময়ৰ নৱদ্বীপৰ পণ্ডিতসকলৰ নিয়ম অনুসৰি আৰু পৰিয়ালৰ প্ৰতিপালনৰ কাৰণে তেওঁ এখন সংস্কৃত পাঠশালা খুলিলে। এই সময়খিনিত তেওঁৰ চাল-চলন আছিল সাধাৰণ গৃহবাসীৰ দৰে, বৰং অলপ গৰ্বী ডেকা পণ্ডিত ভাবৰ। ধৰ্মচৰ্চাৰ প্ৰতি বিশেষ স্পৃহা বা ভৱিষ্যত বৈৰাগ্য জীৱনৰ কোনো আভাস তেতিয়া দেখা নগৈছিল। স্নেহশীলা মাতৃৰ মৰম আৰু পতিব্ৰতা পত্নীৰ সাহচৰ্য্যত তেওঁ ভোগবিলাসৰ আনন্দময় জীৱন-যাপন কৰিছিল।

এবাৰ তেওঁ তেওঁৰ পাঠশালাৰ ছাত্ৰবিলাকৰ দান-বৰঙণি সংগ্ৰহ কৰাৰ উদ্দেশ্যে লৈ পূৰ্ববঙ্গৰ ফালে গ'ল। বহু ঠাই ঘূৰি, উদ্দেশ্যত সফলকাম হৈ অতি আনন্দমনে ঘৰলৈ উভতি আহিয়েই সংবাদ পালে যে তেওঁৰ পত্নী লক্ষ্মীদেৱীৰ সৰ্প-দংশনত মৃত্যু ঘটিছে। এই দুৰ্ঘটনাই তেওঁৰ অন্তৰ মষিমূৰ কৰি পেলালে। যদিও ধৈৰ্য্য-সহকাৰে এই আঘাত সহ্য কৰা যেন দেখা গ'ল, অন্তৰৰ গভীৰতম স্তৰত তেওঁৰ কিন্তু বিষম এক ঘাঁৰ দাগ বহিল। সেয়ে বহুজনে ভাবে যে তেওঁৰ

মানসিক বৈৰাগ্য তেতিয়াৰ পৰাই আৰম্ভ হ'ল।

এই ঘটনাৰ পাছত বেছিদিন নৌহওঁতেই তেওঁৰ মাতৃ শচীদেবীয়ে আৰু এক কাণ্ড কৰিলে। নিমায়ে নজনাকৈ দ্বিতীয়বাৰ তেওঁৰ বিয়াৰ বন্দোবস্ত কৰিলে। বিয়াৰ দিনাহে এই বিষয়ে তেওঁক জনোৱা হ'ল। এই কথাত তেওঁ বৰ অশান্তি বোধ কৰিলে আৰু প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাৰ কথা চিন্তা কৰিলে, কিন্তু শেষত বিধবা মাকৰ কাকুতি-মিনতি এৰাবও নোৱাৰিলে। তেতিয়া তেওঁৰ বয়স বিশ বছৰ। তেওঁৰ দ্বিতীয়া পত্নীৰ নাম আছিল বিষ্ণুপ্ৰিয়া। বিষ্ণুপ্ৰিয়া নবদ্বীপৰ সনাতন মিশ্ৰৰ ছোৱালী। তেওঁ অতি সৰলচিতীয়া, হাঁহিমুখীয়া নিষ্ঠাবতী মহিলা আছিল। তেওঁ ওবে দিন স্বামীসেৱাত ব্যস্ত থাকি আনন্দ পাইছিল। কিন্তু তেওঁৰ সংসাৰী জীৱন অতি চমু হ'ল। স্বামীৰ মৃত্যুৰ পাছতো তেওঁ প্ৰায় পঞ্চাশ বছৰ কাল জীবিত আছিল আৰু স্বামীৰ আদৰ্শ অনুসৰণ কৰি পবিত্ৰ ধাৰ্মিক জীৱন-যাপন কৰিছিল। গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ে তেওঁক অতি উচ্চ আসন দিছিল।

পৰলোকগত পিতৃৰ শেষকৃত্য কৰিবলৈ নিমাই গয়াধামলৈ যাত্ৰা কৰিলে। আৰু এই গয়াতেই তেওঁৰ জীৱনৰ সোঁত সম্পূৰ্ণভাৱে ভিন্নমুখী হৈ পৰিল। গয়াত পবিত্ৰ পৰিবেশ, বিষ্ণুৰ মন্দিৰ আৰু পদচিহ্ন আৰু ঈশ্বৰপুৰী সন্ন্যাসীৰ ঘনিষ্ঠ সান্নিধ্য, এইবোৰে তেওঁৰ মনত গভীৰ ৰেখাপাত কৰিলে। ঈশ্বৰপুৰীৰ পৰা তেওঁ ভক্তিধৰ্মৰ দশাক্ষৰী মন্ত্ৰ গ্ৰহণ কৰিলে। লগে লগে তেওঁৰ পাৰ্থিৱ ধন-জন আদিৰ মায়া আঁতৰি গ'ল। পিছলৈ গয়াৰ নাম ক'লেই তেওঁ কান্দি কান্দি জ্ঞান হেৰুৱাই পেলাইছিল।

গয়াৰপৰা যেতিয়া বিশ্বম্ভৰ উভতি আহিল তেওঁ এজন সম্পূৰ্ণ বেলেগ মানহ, তেওঁৰ গাত নতুন চৈতন্য। আগৰ সেই মইমতীয়া ধুনীয়া চিকাচন্দা যুৱকজনৰ এতিয়া সকলো সুখ-স্বাচ্ছন্দ্যৰ প্ৰতি বিৰাগ আৰু কাম-কাজৰ প্ৰতি অনুৎসাহ। তেওঁৰ হাৱ-ভাৱ, চাল-চলন দেখি মানুহে বলিয়া হোৱা বুলি কোৱা কুই আৰম্ভ কৰিলে। তেওঁ মাজে মাজে কোঠাৰ দুৱাৰ বন্ধ কৰি মনে মনে বহি থাকে। কেতিয়াবা 'হা কৃষ্ণ, হা কৃষ্ণ' বুলি চিঞৰি চকু পানীৰে বাট নেদেখা হয় আৰু জ্ঞান হেৰুৱায়। কৃষ্ণ-চৈতন্যই তেওঁক সম্পূৰ্ণৰূপে অধিকাৰ কৰিলে। পাঠশালালৈ গ'লে ছাত্ৰসকলক আন পঢ়াতকৈ কৃষ্ণ-কীৰ্তন শিকায় আৰু নিজেও কীৰ্তন গাই গাই সমাধিস্থ হয়। এই অৱস্থাত ছাত্ৰসকলে পাঠশালালৈ নহা গ'ল আৰু তেবোঁ স্বস্তিৰ নিশ্বাস পেলালে।

কৃষ্ণ উপাসনাৰ গভীৰ অনুভূতি প্ৰকাশ কৰাৰ কাৰণে তেওঁ এটা উপায় উলিয়ালে। কৃষ্ণ-প্ৰেম, কীৰ্তনৰ সুৰত মানুহৰ মাজত গাই ফুৰিবলৈ তেওঁ সৰু সৰু সংকীৰ্তন দল গঠন কৰিলে। এই সংকীৰ্তনে মানুহৰ মন বৰকৈ আকৰ্ষণ কৰিবলৈ

ধৰিলে আৰু কীৰ্তনীয়াৰ সংখ্যা দিনক দিনে বাঢ়ি গৈ থাকিল। এই আন্দোলনত কৃষ্ণ-প্ৰেমৰ জোৱাৰ আহিল, চৈতন্য আত্মহাৰা হ'ল আৰু ইয়াৰ দ্বাৰাই তেওঁৰ নব-বৈষ্ণব ধৰ্মৰ সোঁত মানুহৰ মাজত বিলাই দিয়াৰ প্ৰশস্ত উপায় হ'ল। তেওঁ ৰাধা-কৃষ্ণ প্ৰেমৰ প্ৰকাশ ভঙ্গীৰ মাধ্যমেৰে ভগবানৰ সান্নিধ্য লাভ কৰিবলৈ বিচাৰিছিল আৰু এইটোৱে আছিল তেওঁৰ বাণী আৰু সাধনাৰ প্ৰধান লক্ষ্য।

চৈতন্যদেৱে প্ৰৱৰ্তন কৰা বৈষ্ণব ধৰ্মৰ সামাজিক সম্বন্ধৰ উদ্দেশ্য হ'ল এজন ভগৱানেই সকলো ভূতৰ স্ৰষ্টা আৰু সেয়ে সকলো মানুহ ভগৱানৰ দৃষ্টিত সমান। মানুহে প্ৰেম আৰু উপাসনাৰ দ্বাৰা ভগৱানৰ প্ৰতি আনুগত্য আৰু ভক্তি প্ৰদৰ্শন কৰিলে সকলো প্ৰকাৰৰ ভেদ, যেনে— মানসিক, সাম জিক আৰু জাতিপ্ৰথা আদি আপোনা আপুনি বিলোপ হৈ পৰিব। চৈতন্যৰ প্ৰচলিত নাম সংকীৰ্তনে সাধাৰণ জনগণৰ মাজত যথেষ্ট ৰূপে বৈষ্ণব ধৰ্মৰ প্ৰতি বিশ্বাস জন্মাইছিল আৰু সংকীৰ্তনত যোগ দি হাজাৰ-বিজাৰ মানুহ আপ্লুত হৈছিল। তেওঁৰ বৈষ্ণব ধৰ্মৰ তত্ত্বটো কবিয়ে এনেদৰে বৰ্ণনা কৰিছে,

"ৰাধাভাব, হৰিভক্তি, জীৱেৰ নিস্তাৰ
এই তিনি বাঞ্ছা পূৰাইতে অৱতাৰ।"

গৌড়ীয় বৈষ্ণব ধৰ্মৰ এটা তাৎপৰ্য্যপূৰ্ণ ঘটনা গৌৰ নিতাইৰ মিলন। বঙ্গদেশৰ বীৰভূম জিলাৰ একচক্ৰা গাঁৱৰ সাধক নিত্যানন্দই সৰুকালতে সন্ন্যাস ধৰ্ম লৈ ভাৰতৰ বিভিন্ন প্ৰান্তত ঘূৰি ফুৰিছিল। তেওঁ আহি নৱদ্বীপ পালে আৰু নিমাইৰ প্ৰতি আকৃষ্ট হ'ল। তেওঁ দেখাত নিমাইৰ সন্ন্যাসী হৈ যোৱা দাদাক বিশ্বৰূপৰ নিচিনা আছিল আৰু সেয়ে শচীদেৱীয়ে তেওঁক পুত্ৰৰ দৰে স্নেহ কৰিছিল। নিমায়েও এওঁক যথেষ্ট সম্মান দেখুৱাইছিল। এবছৰ পাছত নিমাইয়ে যেতিয়া সন্ন্যাস ধৰ্ম লৈ বঙ্গদেশ ত্যাগ কৰে তেতিয়া ইয়াৰ ধৰ্মকাৰ্য্য পৰিচালনাৰ সকলো দায়িত্ব এওঁৰ ওপৰতে পৰিছিল।

নৱদ্বীপ বিশেষকৈ গোড়া ব্ৰাহ্মণসকলৰ বাসস্থান আছিল। তান্ত্ৰিক ধৰ্মৰ প্ৰভাৱো ইয়াত যথেষ্টৰূপে পৰিছিল। সেই সময়ত গোটেই বঙ্গদেশতে ধৰ্মীয় পৰিবেশ নিম্নগামী হৈছিল। ওৰে ৰাতি জাগি থাকি মঙ্গলচণ্ডীৰ পাঠ আৰু মনসা পূজাকে সাধাৰণ হিন্দু সম্প্ৰদায়ৰ মানুহখিনিয়ে একমাত্ৰ ধৰ্মকাৰ্য্য বুলি ভাবিছিল। ধৰ্মাচাৰ্য্য ব্ৰাহ্মণ-পণ্ডিতসকল বিষয়-বাসনাতে মগ্ন হৈছিল। একমাত্ৰ অৰ্থ-সম্পত্তি লাভেই তেওঁলোকৰ সাধনা আছিল আৰু তাৰ বিনিময়ত তেওঁলোকে সাধাৰণ মানুহক যিকোনো অবৈদিক কুপ্ৰথা আচৰিলেও কোনো বাধা নিদিছিল। বৈষ্ণব সম্প্ৰদায় সংখ্যাত শকত নাছিল। মাধবেন্দ্ৰপুৰীৰ শিষ্য কমলাক্ষ ভট্টাচাৰ্য যিজনাক অদ্বৈতাচাৰ্য্য বুলিও জনা যায়, তেওঁ নৱদ্বীপৰ ওচৰত শান্তিপুৰত বাস কৰিছিল।

তেওঁ মহাপণ্ডিত আৰু পবিত্ৰ ধাৰ্মিক বৈষ্ণৱ আছিল। তেওঁ আৰু গোটাচেৰেক শিষ্য-বন্ধুৰ সৈতে ডেকো কৃষ্ণভক্ত চৈতন্যক সমৰ্থন কৰি তেওঁলৈ সকলো সহযোগিতা আগবঢ়ালে, কিন্তু পেশাদাৰ পুৰোহিত আৰু নৈষ্ঠিক ব্ৰাহ্মণসকলে চৈতন্যৰ প্ৰচাৰিত গণ-আন্দোলনমুখী হৰি-ভক্তি প্ৰথাৰ প্ৰতি বিৰক্তি প্ৰকাশ কৰিয়েই ক্ষান্ত নাথাকি তেওঁৰ প্ৰতি বিষেদগাৰ আৰম্ভ কৰিলে।

চৈতন্যদেৱে প্ৰচাৰ কৰিছিল ভগৱানৰ প্ৰতি প্ৰেম-ভক্তি শুদ্ধ নামধৰ্মৰ মাধ্যমেৰে। তেওঁ বিশ্বাস কৰিছিল যে ইয়াৰ দ্বাৰাই হ'ব চিত্তৰূপ দৰ্পণ মাৰ্জিত, ভব-দাবাগ্নি নিৰ্বাপিত, হৃদয় পদ্ম বিকশিত ; প্ৰতিপদত পূৰ্ণামৃতৰ আস্বাদনত প্ৰাণ, মন আৰু আত্মাৰ পৰমানন্দৰ ৰসত অৱগাহন। এই অমৃত তেওঁ বিলাই দিব খুজিছিল উচ্চ-নীচ, স্ত্ৰী-পুৰুষ, ব্ৰাহ্মণ-চণ্ডাল সকলোৰে মাজত সমভাবে। গোড়াপন্থীসকলে সেই অৱস্থা দেখি হৈছিল আতঙ্কিত, ঈৰ্ষান্বিত আৰু বৈষয়িক নিৰাপত্তাহীনতাৰ ভয়ত ভীত। সেয়ে তেওঁলোকেআত্মৰক্ষাৰ বাবে কৰিছিল নানা অপপ্ৰচাৰ। ব্ৰাহ্মণ কুলোদ্ভৱ 'জগাই' আৰু 'মাধা'য়ে সেয়ে অত্যধিক সুৰাপান কৰি চৈতন্য আৰু নিত্যানন্দক প্ৰহাৰ কৰি তেজৰ সোঁত বোৱাই দিছিল। পাছত অৱশ্যে গুৰুৰ ব্যৱহাৰত এওঁলোকৰ সুবুদ্ধি উদয় হৈছিল আৰু দুয়ো ভক্তি-ধৰ্মত দীক্ষিত হৈছিল।

সেই সময়ত গৌড়দেশ বা বঙ্গদেশ মুছলমান ৰজাৰ অধীনত আৰু হুছেইন চাহ আছিল ইয়াৰ চুলতান। যদিও তেওঁ ভয়ঙ্কৰ ধৰ্মান্ধ নাছিল তথাপি ৰাজনৈতিক দৃষ্টিকোণৰপৰা নিমায়ে ভক্তিধৰ্মৰ জৰিয়তে সকলো মানুহক একতাৰ দোলেৰে বন্ধাৰ প্ৰয়াস তেওঁ সহ্য কৰিব পৰা নাছিল। ৰাজকুলক আৰু ইন্ধন জোগাইছিল শাক্ত ব্ৰাহ্মণসকলে। আইন-শৃঙ্খলাৰ দায়িত্বত থকা কাজীৰ হতুৱাই চুলতানে ৰাজপথবা সংকীৰ্তন নিষিদ্ধ কৰি ৰাজাদেশ জাৰি কৰিছিল। কিন্তু চৈতন্যৰ মানৱ-দৰদী ধৰ্মভাবাপন্ন ব্যক্তিত্বই হাজাৰ-বিজাৰ মানুহক বাধা-বিপত্তি নেওচিসংকীৰ্তনৰ শোভাযাত্ৰালৈ আকৰ্ষিত কৰিছিল। বিৰাট জনস্ৰোতাৰ সম্মুখত চিপাহী-চন্তৰী ফুটুকাৰ ফেনত পৰিণত হৈছিল। ৰাজাদেশ উঠাই লবলৈ কাজী বাধ্য হৈছিল।

আগেয়ে কোৱা হৈছে যে গয়াৰপৰা উভতি অহাৰ পাছৰপৰাই নিমাই সম্পূৰ্ণ বৈৰাগী ভাবাপন্ন হৈছিল। মাজতে হৰি-সংকীৰ্তনৰ সোঁতত উটি গৈ জন-গণক হৰিভক্তিত উদ্বুদ্ধ কৰি সকলোৰে মঙ্গল-সাধনাৰ বাসনাত উত্ৰাৱল হৈছিল। কিন্তু তাতো যেতিয়া গোড়াপন্থীসকলৰ পৰা পদে পদে পালে বাধা, লাঞ্ছনা-গ্লানি, তেওঁৰ কোমল হৃদয় ভাগি গ'ল। সেয়ে এদিন ৰাতি শোৱাপাটীত ভাৰ্য্যাক এৰি, বিধৱা মাতৃকো ত্যাগ কৰি ঘৰ-সংসাৰ সকলো নেওচি নৱদ্বীপৰপৰা চিৰদিনৰ কাৰণে বিদায় লৈ সন্ন্যাস-ধৰ্ম গ্ৰহণ কৰিলে। তাৰিখটো আছিল ১৫১০ খৃষ্টাব্দৰ জানুৱাৰী মাহ. তেতিয়া চৈতন্যৰ বয়স মাত্ৰ ২৩/২৪ বছৰ আৰু তেওঁৰ পত্নী

বিষ্ণুপ্ৰিয়াৰ বয়স চৈধ্য। তেওঁৰ চৰিতকাৰসকলে নিমায়ে সন্ন্যাসী হোৱাৰ পাছত এনেদৰে কোৱা বুলি উল্লেখ কৰিছে ঃ

"মই এই সন্ন্যাসধৰ্ম গ্ৰহণ কৰিছোঁ কেৱল এই মানুহবিলাকক ৰক্ষা কৰিবৰ কাৰণে, কাৰণ মই সৰ্বত্যাগী হ'লে তেওঁলোকে মোৰ ওচৰত মূৰ দোঁৱাব আৰু এনে কৰিলে তেওঁলোকৰ পাপমোচন হ'ব আৰু মই তেওঁলোকৰ অন্তৰত ভক্তি জগাই তুলিবলৈ সমৰ্থ হ'ম।"

নিমায়ে নবদ্বীপৰপৰা অলপ দূৰত গঙ্গাৰ সিপাৰে কাটোৱা নামে ঠাইত প্ৰসিদ্ধ বঙালী সন্ন্যাসী কেশৱ ভাৰতীৰ পৰা সন্ন্যাস দীক্ষা লৈছিল আৰু এই উৎসৱত তেওঁৰ তিনিজন অনুগামী নিত্যানন্দ, চন্দ্ৰশেখৰ আৰু মুকুন্দ দত্ত উপস্থিত আছিল। নিমায়ে এদিন শান্তিপুৰলৈ আহি তেওঁৰ গুৰু বৈষ্ণৱ-পণ্ডিত অদ্বৈতাচাৰ্য্যৰ ঘৰতে মাক আৰু অনুগামীসকলৰপৰা বিদায় লয়। তেওঁৰ সন্ন্যাসী জীৱন গোপকৃষ্ণৰ শিশুলীলাৰ ধাম বৃন্দাবনত কটোৱাৰ ইচ্ছা আছিল, কিন্তু মাতৃ শচীদেৱীয়ে বৃন্দাবন অতি দূৰ হয় কাৰণে তেওঁক পুৰীত থাকিবলৈ অনুৰোধ কৰে কিয়নো পুৰীৰ লগত নবদ্বীপৰ মানুহৰ আহ-যাহ সদায় চলে। নিমায়ে মাকৰ ইচ্ছা অনুসৰি পুৰীলৈ যাত্ৰা কৰে।

পুৰীলৈ যাওঁতে চৈতন্যৰ লগত যোৱা সঙ্গী চাৰিজন আছিল নিত্যানন্দ, দামোদৰ পণ্ডিত, মুকুন্দ দত্ত আৰু যোগদানন্দ। তেওঁ পুৰীত নামিয়েই জগন্নাথ মন্দিৰৰ চূড়া দৰ্শন কৰি উন্মাদৰ দৰে দৌৰি গৈ মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰি মূৰ্ছিত হৈ পৰে। নিত্যানন্দই হৰিনাম শুনাই-শুনাইহে তেওঁৰ মূৰ্চ্ছাভঙ্গ কৰে। মন্দিৰৰ পুৰোহিতে এই অচিনাকি মানুহজনক পগলা বুলি ভাবি বেয়া ব্যৱহাৰ কৰে। সেই সময়ত মন্দিৰত উড়িষ্যাৰ ৰজা গজপতি প্ৰতাপচন্দ্ৰৰ ৰাজপণ্ডিত বেদান্ত বিশাৰদ বাসুদেৱ সাৰ্বভৌম উপস্থিত আছিল। তেওঁ এই অৱস্থা দেখি চৈতন্যক লৈ গৈ নিজ ঘৰত ৰাখে। পাছত তেওঁ গম পালে যে এই ডেকা সন্ন্যাসীজন তেওঁৰ দেউতাকৰ বন্ধু নীলাম্বৰ চক্ৰবৰ্তীৰ নাতিয়েক। বাসুদেৱ সাৰ্বভৌমৰ লগত চৈতন্যৰ মিলন গৌড়ীয় বৈষ্ণৱপন্থীসকলৰ কাৰণে বিশেষ তাৎপৰ্য্যপূৰ্ণ, কিয়নো এওঁ পাছত চৈতন্য প্ৰচাৰিত ধৰ্ম গ্ৰহণ কৰিছিল আৰু এওঁৰ প্ৰভাৱতে উড়িষ্যাৰ ৰজা প্ৰতাপচন্দ্ৰও চৈতন্যৰ বিশেষ শুভাকাঙ্ক্ষী হৈ পৰিছিল।

চৈতন্যদেৱে পুৰীৰ পৰা দুবাৰ দক্ষিণ আৰু পশ্চিম ভাৰতত তীৰ্থভ্ৰমণ কৰিছিল। এই তীৰ্থযাত্ৰাত তেওঁ সেই ঠাইবিলাকৰ প্ৰায় সকলো ধৰ্মক্ষেত্ৰ দৰ্শন কৰিছিল আৰু তাৰ ধৰ্মীয় নেতাসকলৰ লগত মত বিনিময় কৰিছিল। প্ৰথমবাৰ ভ্ৰমণৰ সময়ত গোদাবৰী নদীতীৰত ৰাজমাহেন্দ্ৰিৰ ওচৰত তেওঁৰ সাক্ষাৎ হৈছিল ৰামানন্দ ৰায়ৰ লগত আৰু ভৱিষ্যতত এই সাক্ষাৎ অত্যন্ত তাৎপৰ্য্যপূৰ্ণৰূপে

পৰিগণিত হৈছিল। ৰামানন্দ ৰায় আছিল উড়িষ্যাৰ ৰজা প্ৰতাপৰুদ্ৰৰ অধীনস্থ উচ্চপদস্থ কৰ্মচাৰী আৰু প্ৰসিদ্ধ বৈষ্ণৱ ভক্তপণ্ডিত। তেওঁ পাছত চৈতন্যৰ অতি বিশ্বাসী অনুসৰণকাৰী হৈ পৰিছিল।

দ্বিতীয়বাৰ ভ্ৰমণত তেওঁ বাৰানসী, প্ৰয়াগ আৰু বৃন্দাবনলৈ গৈছিল। বৃন্দাবন আছিল তেওঁৰ অতি প্ৰিয় তীৰ্থ। মাকৰ আদেশত পুৰীত তেওঁ থাকিবলগীয়া হ'লেও বৃন্দাবনৰ মাহাত্ম্য তেওঁৰ মানসপটত সদায় উজ্জ্বল আছিল। তেওঁ সন্ন্যাস লোৱাৰ আগতে লোকনাথ গোস্বামী আৰু দুৰ্লভ গোস্বামী নামৰ দুজন বৈষ্ণৱ ভকতক শ্ৰীধামৰ লুপ্ত তীৰ্থাদিৰ সংস্কাৰ সাধনৰ কাৰণে বৃন্দাবনলৈ পঠাইছিল। ৰাজনৈতিক, সামাজিক নানা উত্থান-পতনৰ কাৰণে বৃন্দাবন সেই সময়ত জঙ্গল আদিৰে পৰিব্যাপ্ত হৈ লোকৰ কাৰণে অগম্য স্থানত পৰিণত হৈছিল। চৈতন্যই বৃন্দাবনৰ অতীত গৌৰৱ পুনৰুদ্ধাৰ কৰি ঠাইখন বৈষ্ণৱ ধৰ্মৰ কেন্দ্ৰস্বৰূপ কৰি গঢ়ি তুলিবলৈ সকলো ব্যৱস্থা লৈছিল। আজিৰ বৃন্দাবনৰ যি পৰিবেশ সেয়া চৈতন্যৰ অৱদান বুলি স্বীকাৰ কৰিব লাগিব। অৱশ্যে শুদ্ধাদ্বৈতবাদী আচাৰ্য্য বল্লভৰো বৃন্দাবনৰ লগত যথেষ্ট ঘনিষ্ঠ সম্বন্ধ আছিল। চৈতন্যৰ দুবাৰ তীৰ্থভ্ৰমণৰ কাল আছিল প্ৰায় তিনি বছৰ।

১৫১৫ খৃষ্টাব্দৰ পৰা ১৫৩৩ খৃষ্টাব্দলৈ অৰ্থাৎ তেওঁৰ মৃত্যুৰ সময়লৈকে ওঠৰ বছৰ কাল চৈতন্যদেৱে পুৰীত একেবাহে বাস কৰিছিল। তেওঁৰ প্ৰভাৱতে উড়িষ্যা আৰু বঙ্গদেশৰ বৈষ্ণৱ ভকতসকলৰ এটি প্ৰগাঢ় সম্বন্ধ স্থাপিত হৈছিল। বঙ্গদেশৰ ভকতসকলে ৰথযাত্ৰাৰ সময়ত আৰু বিশেষকৈ চৈতন্যদৰ্শনৰ কাৰণে দলে দলে পুৰীলৈ আহিছিল। চৈতন্যৰ চেষ্টাত সুকীয়া আড়ম্বৰেৰে জগন্নাথৰ ৰথযাত্ৰা উৎসৱ পালন কৰা হৈছিল। বিশেষ আড়ম্বৰটো আছিল ৰথযাত্ৰা হৈ থাকোতে লগত চৈতন্য আৰু তেওঁৰ শিষ্যসকলে কৃষ্ণ-কীৰ্তন কৰি পিছে পিছে গৈ থকা সমদলৰ পৰিবেশ। পুৰীত থকা ওঠৰ বছৰ কালত চৈতন্যৰ জীৱনত বিশেষ উল্লেখযোগ্য ঘটনা ঘটা নাছিল। সেই সময়ত তেওঁ গভীৰ উপাসনাত নিমগ্ন আছিল আৰু শিষ্য-প্ৰশিষ্যক নানা সদুপদেশ দিছিল। শেষৰ ফালে তেওঁৰ উপাসনাত সুস্পষ্ট কৃষ্ণ-প্ৰেম উন্মাদনাৰ ৰূপ প্ৰকাশ পাইছিল।

মাত্ৰ আঠচল্লিশ বছৰ বয়সতে চৈতন্যৰ ইহজীৱনৰ সামৰণি পৰে। ড' বিমানবিহাৰী মজুমদাৰৰ মতে তেওঁৰ মৃত্যুৰ তাৰিখ ১৫৩৩ খৃষ্টাব্দৰ ৯ জুলাই। তেওঁৰ মৃত্যু কি অৱস্থাত হ'ল বা কেনেকৈ হ'ল, সেই বিষয়ে চৰিতকাৰসকল একমত নহয়। তেওঁৰ মৃত্যু ঘন ৰহস্যাবৃত। চৰিতামৃতত লিখা মতে জীৱনৰ শেষ কালছোৱাত চৈতন্যই কৃষ্ণ-প্ৰেমত উন্মাদ হৈ প্ৰায়ে চেতনা হেৰুৱাইছিল। বিশেষকৈ ৰাতি এই অৱস্থা বৰ উগ্ৰ হৈ পৰিছিল। তেওঁক কেইবাদিনো অজ্ঞান অৱস্থাত ফুলৰ

বাগিছাৰ মাজৰপৰা তুলি নিব লগীয়া হৈছিল। জ্ঞান অহাৰ পাছতো তেওঁ কেতিয়া কেনেকৈ ক'লৈ গৈছিল একো মনত পেলাব নোৱাৰিছিল। তেওঁ সাগৰৰ পাৰৰ বালিৰ দ'মক গোবৰ্দ্ধন পৰ্বত জ্ঞান কৰি আৰু সাগৰৰ নীলা পানীক কৃষ্ণ-জ্ঞান কৰি উদ্বাউল হৈছিল। চৈতন্য চৰিতত উল্লেখ কৰা মতে বহুতে ভাবে যে অজ্ঞান অৱস্থাত সাগৰৰ পানীত পৰিয়েই তেওঁৰ মৃত্যু ঘটে। জ্ঞানানন্দৰ গুৰুজীৱনী 'চৈতন্যমঙ্গল'ৰ মতে ৰথযাত্ৰা উৎসৱত যেতিয়া উন্মাদৰ দৰে তেওঁ জগন্নাথৰ আগত নৃত্য কৰিছিল তেওঁৰ বাঁও ভৰিৰ তলুৱাত বাটত পৰি থকা ইটাৰ টুকুৰা এডোখৰত খুন্দা খাই ঘাঁ লাগিছিল। সেই ঘাঁৰপৰাই তেওঁৰ খুব জ্বৰ হয় আৰু ঘাঁ বিষাক্ত হৈ তেওঁ মৃত্যুমুখত পৰে, কিন্তু তেওঁৰ মৃতদেহ বা দেহৰ সৎকাৰ সম্বন্ধে কোনো তথ্য পোৱা নাযায়।

## চৈতন্যৰ ধৰ্মমত

চৈতন্যদেৱে তেওঁৰ ধৰ্মমত সম্বন্ধে কোনো তথ্য লিখি থৈ যোৱা নাই — গতিকে তেওঁৰ ব্যৱহাৰিক জীৱনৰ সাধনা আৰু কৰ্মৰাজিৰপৰা প্ৰেৰণা লৈহে গৌড়ীয় বৈষ্ণৱ মত প্ৰতিষ্ঠিত হৈছে আৰু তেওঁৰ মৃত্যুৰ বহু পাছত আচাৰ্য্যসকলে ইয়াৰ দাৰ্শনিক ৰূপ দিছে। আগেয়ে উল্লেখ কৰা হৈছে যে ৰাধা-কৃষ্ণৰ প্ৰেমলীলা সংকীৰ্তনৰ মাজেদি তেওঁ হৰিভক্তি আৰু নাম-ধৰ্ম প্ৰচাৰ কৰিছিল আৰু বৈষ্ণৱসকলৰ নৱবিধ ভক্তিৰ ভিতৰত তেওঁ কান্ত বা মধুৰ ৰসকেই উচ্চ স্থান দিছিল। কৃষ্ণভক্তিত তেওঁ নিজকে ৰাধা জ্ঞান কৰিছিল। নাৰদ ভক্তিসূত্ৰতো নাৰদে পৰম প্ৰেমভাবক ভক্তি আখ্যা দিছে

"সা কস্মৈচিৎ পৰমপ্ৰেমৰূপা"

— 'নাৰদ ভক্তিসূত্ৰ'

শাণ্ডিল্যই ভগৱানৰ প্ৰতি একান্ত অনুৰক্ত হোৱাকেই ভক্তি বুলি কৈছে

"সা পৰানুৰক্তিৰীশ্বৰে,"

— 'শাণ্ডিল্য সূত্ৰ'

চৈতন্যপন্থীসকলৰ মতে ভগৱান শ্ৰীকৃষ্ণৰ সৎ, চিৎ আৰু আনন্দ এই তিনিটা স্বৰূপ আৰু হ্লাদিনী সন্ধিনী আৰু সংবিৎ এই তিনিটাৰ শক্তি। হ্লাদিনী শক্তিৰ দ্বাৰাই প্ৰেম উৎপন্ন হয়। প্ৰেমৰ পৰাকাষ্ঠা হ'ল ভাব আৰু ভাবৰ চৰম বিকাশকে মহাভাব বা মদনভাব বুলি কোৱা হয়। এই মহাভাবেই হ'ল শ্ৰীৰাধিকাৰ স্বৰূপ। আনকি স্বয়ং শ্ৰীকৃষ্ণও এই ভাবৰ অধিকাৰী নহয়। এই মহাভাব যেতিয়া জাগ্ৰত হয় তেতিয়া শ্ৰীকৃষ্ণৰ স্পৰ্শ বা দৰ্শনতো এক উন্মাদ ভাববিহ্বল আনন্দ বিকশিত হয়, যি আনন্দত শ্ৰীকৃষ্ণৰ চুম্বন, আলিঙ্গন আদি জনিত ৰস অনুভূত হয়। লগতে কৃষ্ণ-বিৰহৰ জ্বালাও অনুভূত হয় আৰু সেয়ে সদায় কৃষ্ণৰ লগত মিলনৰ

আকাঙক্ষা প্ৰবল হয়।

## ৰাধাতত্ত্ব

গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ৰ বৈশিষ্ট্য হ'ল – তেওঁলোকৰ 'ৰাধাতত্ত্ব'ৰ ওপৰত বিশ্বাস। ভাৰতৰ আন কোনো বৈষ্ণৱ সম্প্ৰদায়ে এই তত্ত্বৰ প্ৰতি ইমান মৰ্য্যাদা প্ৰদৰ্শন কৰা নাই। দ্বাদশ শতিকাৰ দ্বৈতাদ্বৈতবাদী আচাৰ্য্য নিম্বাৰ্কয়ো ৰাধাক শ্ৰীকৃষ্ণৰ নিত্য-সহচাৰী ৰূপে ধাৰণা কৰিছিল, কিন্তু তেওঁ সৃষ্টি প্ৰণালী আদি কোনো দাৰ্শনিক প্ৰক্ৰিয়াত ৰাধাক স্থান দিয়া নাই। চৈতন্যদেৱৰ সমসাময়িক দাক্ষিণাত্যৰ শুদ্ধাদ্বৈতবাদী আচাৰ্য্য বল্লভৰ মতেও পুষ্টিভক্তি বা প্ৰেমাভক্তি ভক্তিৰ উচ্চতম অৱস্থা। তেওঁ সকলো জীৱাত্মাকে গোপিনীৰূপে কল্পনা কৰিছে আৰু শ্ৰীকৃষ্ণক তেওঁলোকৰ স্বামীৰূপে পাবলৈ প্ৰেমাভক্তিৰ যুক্তি দৰ্শাইছে। তেওঁৰ মতে পুষ্টিভক্তসকলে সালোক্য মুক্তি লাভ কৰে, অৰ্থাৎ তেওঁলোকে হৰিৰ লগত একে লোকত বাস কৰি তেওঁৰ লগত নিৰবচ্ছিন্ন আনন্দ লাভ কৰে।

প্ৰাচীন সাহিত্যৰ পৰা জনা যায় যে প্ৰায় চতুৰ্থ পঞ্চম শতাব্দী মানৰপৰা ৰাধা-কৃষ্ণৰ আৰু কৃষ্ণৰ আন গোপীসকলৰ লগত ঘটিত মুখৰোচক প্ৰেমকাহিনীবোৰ লোককথা হিচাপে মানুহৰ মুখে মুখে গীত-পদাদিৰ মাধ্যমত প্ৰচলন হ'বলৈ ধৰে। তাৰ পাছত আহিল সাংখ্য দৰ্শনৰ প্ৰকৃতি-পুৰুষৰ তত্ত্বটো। এনেদৰে এই দুই মতবাদৰ সমিলমিল কৰি পৌৰাণিকসকলে তাৰ ওপৰত কিছু ধৰ্মীয় ৰহন সানি ৰাধাকৃষ্ণ সম্পৰ্কীয় তত্ত্বটো এটা ধৰ্মীয় তত্ত্ব হিচাপে প্ৰতিষ্ঠাপিত কৰিলে।

গাহাসত্ত সই (গাথা সপ্তশতী) নামৰ প্ৰাকৃত ভাষাত ৰচিত প্ৰেমমূলক কবিতাৰ এক সংগ্ৰহ শতবাহন বংশৰ ৰজা হালৰ নামত চলি আহিছে। শতবাহন ৰজাবিলাকৰ কাল হ'ল খৃঃপূঃ প্ৰথম শতিকাৰপৰা খৃষ্টীয় দ্বিতীয় শতিকালৈ। পণ্ডিতসকলে ভাষা আৰু আন আন কাৰণত এই কবিতাৰ সংগ্ৰহ ৰজা হালৰ লগত জড়িত কৰিব নোখোজে ; তেওঁলোকেএই সংগ্ৰহৰ কাল পঞ্চম শতিকা বুলি ধৰিব খোজে। সংগ্ৰহটোত দুই এক শতিকাৰ আগৰ কবিতা আৰু সপ্তম অষ্টম শতিকাত ৰচিত কবিতাও সোমাইছে বুলি সিদ্ধান্ত কৰা হৈছে, অৱশ্যে হালৰ নাম থকা কবিতাও সংগ্ৰহত আছে। এই ৰজা হাল কোন তাৰো সঠিকতা নাই। সংগ্ৰহটোত কৃষ্ণ আৰু গোপীসকলৰ লীলাৰ আভাস থকা কবিতা পোৱা যায় আৰু দুই এটিত ৰাধাৰ নাম স্পষ্টকৈয়ে উল্লেখ কৰা হৈছে। তাৰ এটি পদত কৃষ্ণক উদ্দেশ্যি এনেদৰে কোৱা হৈছেঃ

মুহমাৰুএণ তং কহ্ন গোৰঅ, ৰাহিআএঁ

অবানেন্তো,

এন্তার্নৈ বলবীণং অন্নার্ণ বি গোৰঅং

হৰসি, (১-৮৯)

হে কৃষ্ণ, তুমি মুখৰ বতাহৰ দ্বাৰা ৰাধাৰ গালৰ গো-ধূলি (গোৰজ) আঁতৰ কৰি তাৰ লগে লগে গোপীসকলৰ অহংকাৰো হৰণ কৰিলা।

অষ্টম শতিকামানৰপৰা ৰচিত সংস্কৃত সাহিত্যতো ৰাধাকৃষ্ণৰ প্ৰেমৰ কাহিনী বৰ্ণিত হৈছে। সেই শতিকাৰ কবি ভট্টনাৰায়ণৰ দ্বাৰা ৰচিত নাটক "বেণীসংহাৰত" নান্দী শ্লোকত বৰ্ণিত হৈছে যে ক্ৰোধান্বিত ৰাধাই নৃত্যমণ্ডল পৰিত্যাগ কৰি গুচি যোৱাত শ্ৰীকৃষ্ণই পিছে পিছে লৰি গৈছে। সেই শতিকাৰ আনন্দবৰ্দ্ধনৰ এটা শ্লোকৰ উক্তিত ৰাধা-কৃষ্ণৰ প্ৰেমৰ বিষয়ে উল্লেখ কৰিছে।

'কবীন্দ্ৰ-বচন-সমুচ্চয়" নামৰ সংস্কৃত শ্লোক কিছুমান পোৱা যায়। সংকলনকাৰী পণ্ডিতজনৰ নাম যদিও সংগ্ৰহ কৰিব পৰা নাই, তথাপি পণ্ডিতসকলে এইখিনি দশম শতিকাৰ ৰচনা বুলি সিদ্ধান্ত কৰিছে। ইয়াৰ কিছুমান শ্লোকত কৃষ্ণৰ ব্ৰজলীলা সম্বন্ধে আৰু ৰাধা-কৃষ্ণৰ প্ৰেমৰ বিষয়ে বিদৰে বৰ্ণনা কৰা হৈছে তাৰ পৰা সহজে অনুমান কৰিব পাৰি যে সেই সময়ত শিক্ষিত অশিক্ষিত সকলো লোকৰ মাজত ৰাধা-কৃষ্ণৰ প্ৰেমকাহিনী অতি জনপ্ৰিয় হৈ পৰিছিল।

দ্বাদশ শতিকাটো বৈষ্ণব সাহিত্যৰ সোণালী যুগ বুলি অভিহিত কৰিব পাৰি। এই যুগতেই কৃষ্ণলীলা সম্বন্ধে বহু ৰচনাৰ সৃষ্টি হৈছে, যাৰ মুখ্য বিষয় ব্ৰজলীলা বা ৰাধাকৃষ্ণৰ প্ৰেমলীলা। জয়দেৱ ৰচিত অমৰ কাব্য "গীত-গোবিন্দম্" এই যুগৰ শ্ৰেষ্ঠ সৃষ্টি। জয়দেৱৰ সংস্কৃত পদাবলীত ভক্তিতত্ত্ব আৰু ৰাধা-কৃষ্ণৰ শৃংগাৰ ৰসাত্মক প্ৰেম-তত্ত্বৰ সংমিশ্ৰণ ঘটিছে অৰ্থাৎ ৰাধাৰ কৃষ্ণৰ লগত পৰকীয়া প্ৰেম আৰু যৌনবিহাৰক দৰ্শনৰ স্তৰলৈ তোলাৰ প্ৰচেষ্টা কৰা হৈছে। জয়দেৱৰ এই সৃষ্টিৰ উৎস হিচাপে সহজে অনুমান কৰিব পাৰি যে সেই সময়ৰ সমাজ-ব্যৱস্থা আৰু সাহিত্যৰ পৰম্পৰা তেওঁৰ লিখনিত অপূৰ্ব মনোময় ৰূপত প্ৰকাশিত হৈছে। এই পৰম্পৰাতেই পদাবলী ৰচনা কৰিছে ত্ৰয়োদশ শতিকাৰ মিথিলাৰ কবি বিদ্যাপতি আৰু বঙ্গীয় কবি চণ্ডীদাসে ক্ৰমে ব্ৰজাৱলী আৰু বঙলা ভাষাত। আৰু আন আন পণ্ডিতৰো ৰাধা-কৃষ্ণৰ প্ৰেমভিত্তিক সংস্কৃত ৰচনা পোৱা যায়। নাৰদ পঞ্চৰাত্ৰ তাৰ ভিতৰত অন্যতম।

এই তত্ত্বটোৰ বিষয়ে পুৰাণসমূহৰ বক্তব্য কি সেয়া বিশেষভাৱে বিচাৰ্য্য, কিয়নো পুৰাণেই লোক-সংস্কৃতিৰ আধাৰত এই তত্ত্বটো প্ৰতিষ্ঠা কৰিছে। ৰাধা-কৃষ্ণৰ বৰ্ণনা মাজে মাজে দুই চাৰিটা শ্লোকত তলত লিখা পুৰাণ কেইখনত উদ্ধৃত হৈছে —

(১) মৎস্য পুৰাণ

(২) বায়ু পুৰাণ

(৩) বৰাহ পুৰাণ

(৪) নাৰদীয় পুৰাণ

ওপৰোক্ত পুৰাণ কেইখনত কিন্তু ৰাধা-কৃষ্ণৰ প্ৰেমৰ বিস্তৃত বৰ্ণনা নাই। মৎস্য পুৰাণত দক্ষৰ এটা প্ৰশ্নৰ উত্তৰত সতীয়ে কৈছে যে তেওঁ তলত উল্লেখ কৰা তীৰ্থস্থান বিলাকত বিভিন্ন নামত অৱস্থান কৰিব, যেনে— বাৰাণসীত 'বিশালাক্ষী', নৈমিষত 'লিঙ্গধাৰিণী, দ্বাৰাৱতীত 'ৰুক্মিণী' আৰু বৃন্দাবনত 'ৰাধা' নামত। সতীয়ে আৰু কৈছে যে তেওঁ সূৰ্য্যৰ প্ৰভা আৰু মন্ত্ৰবোৰৰ ভিতৰত বৈষ্ণৱী। বায়ুপুৰাণে কৃষ্ণক ৰাধাৰ প্ৰেমিক বুলি বৰ্ণনা কৰিছে। বৰাহপুৰাণত তীৰ্থবোৰৰ বৰ্ণনাত ৰাধাকুণ্ডও এখন বুলি কোৱা হৈছে। নাৰদীয় পুৰাণত মথুৰা আৰু বৃন্দাবন আদি তীৰ্থৰ মাহাত্ম্য বৰ্ণনাত স্বাভাৱিকভেৰাধা-কৃষ্ণৰ কথা উল্লিখিত হৈছে।

ৰাধা-কৃষ্ণ প্ৰেমৰ আদিৰসাত্মক আৰু যৌনকেন্দ্ৰিক অদ্ভুত বৰ্ণনা বাহুল্যভাৱে প্ৰচাৰ কৰা হৈছে পদ্মপুৰাণ আৰু ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ দ্বাৰা। যদিও এই দুখন পুৰাণৰ প্ৰাচীনত্ব স্বীকাৰ নকৰি নোৱাৰি তথাপি ইয়াৰ বহুলাংশ বহু পাছৰ কালত প্ৰক্ষিপ্ত কৰা বুলি সহজে বুজিব পাৰি আৰু সেয়ে পণ্ডিতসকলে এই দুখন পুৰাণৰ কাল পঞ্চদশ বা ষোড়শ শতাব্দীৰ আগৰ বুলি নাভাবে। তদুপৰি এই দুয়োখন পুৰাণত তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ যথেষ্ট প্ৰভাৱ পৰিলক্ষিত হয় আৰু কিছুমান অংশত ৰাধাবল্লভ সম্প্ৰদায়ৰ পণ্ডিতসকলেও ৰহন সনা বুলি পণ্ডিতসকলে অনুমান কৰে।

পদ্মপুৰাণত মহাদেৱে পাৰ্বতীৰ আগত ব্যাখ্যা কৰা কাহিনীৰ পুনৰুক্তি দি সনকে ঋষিসকলৰ আগত এনেদৰে কৈছে :

বৃন্দাবনেই বিষ্ণুৰ সৰ্বশ্ৰেষ্ঠ পুণ্যক্ষেত্ৰ, কিয়নো তাত সিংহাসনত ৰাধা-কৃষ্ণৰ যুগল মূৰতি বিৰাজ কৰিছিল আৰু গোপীসকলে তেওঁলোকক ঘেৰি আছিল আৰু কৃষ্ণৰ শৰীৰৰ পৰশ পাবলৈ তেওঁলোকে নিৰ্লজ্জ ভাব প্ৰকাশ কৰিছিল।

পাৰ্বতীৰ আৰু প্ৰশ্নৰ উত্তৰত মহাদেৱে ব্ৰজলীলাৰ সজীৱ বৰ্ণনা দি কৈছে যে মহৰ্ষি নাৰদে বিষ্ণুৱে পৃথিৱীত অৱতাৰ গ্ৰহণ কৰা কথা অৱগত হৈ গোকুললৈ যাত্ৰা কৰিলে, নন্দৰজাৰ গৃহত শিশুটিক দেখা মাত্ৰকে তেওঁ অৱতাৰী বিষ্ণুক চিনি পালে। নাৰদে তাৰ পাছত চিন্তা কৰিলে যে বিষ্ণুপ্ৰিয়া লক্ষ্মীদেৱীয়েও নিশ্চয় ইয়াৰ ওচৰে-পাজৰে ক'ৰবাত জন্ম লৈছে। সেয়ে তেওঁ গোকুলবাসীসকলৰ প্ৰত্যেকৰে ঘৰে ঘৰে গ'ল। অৱশেষত তেওঁ বৃষভানুৰ ঘৰত এটি কন্যা বিচাৰি পালে। বৃষভানুৱে নাৰদক দুখ কৰি ক'লে যে তেওঁৰ জীয়ৰীজনী কলা আৰু বোবা। নাৰদে

বৃষভানুক ফুচুলাই আন ফালে পঠাই দি কন্যাটিক মহামায়াৰ অৱতাৰ বুলি পূজা কৰিলে আৰু তেওঁৰ যৌৱন-মাধুৰী ৰূপ দেখুৱাবলৈ প্ৰাৰ্থনা জনালে। কন্যাটিয়ে লগে লগে এটি চৌদ্ধ বছৰীয়া অপৰূপা যুৱতীৰ ৰূপ ল'লে আৰু অসংখ্য সমবয়সী সুন্দৰী যুৱতীয়ে তেওঁক ঘেৰি ধৰিলে। যুৱতীসকলে নাৰদক ক'লে যে তেওঁ যদি ইচ্ছা কৰে তেওঁলোকক পুনৰ দেখিবলৈ পাব বৃন্দাবনত, অশোক বৃক্ষৰ তলত মাজনিশা। এনেদৰে কৈ তেওঁলোক অন্তৰ্দ্ধান হ'ল।

সেইমতে নাৰদে বৃন্দাবনলৈ গ'ল, তেওঁ যুৱতীসকলক দেখা পালে, কিন্তু হৰিপ্ৰিয়া ৰাধাক দেখা নাপালে। নাৰদ এনেদৰে মোহিত হ'ল যে তেওঁ ৰাধাৰ বিষয়ে সুধিব বুলি ভাবিও সুধিব নোৱাৰিলে। এনেতে তেওঁৰ সম্মুখত অশোকামালিনী নামৰ এগৰাকী নাৰী আবিৰ্ভূত হৈ ক'বলৈ আৰম্ভ কৰিলে যে তেওঁ হৰি আৰু হৰিপ্ৰিয়া আৰু গোপবালিকাসকলৰ সম্বন্ধৰ কথা জানে। তাৰ পাছত তেওঁ আৰু বৰ্ণনা কৰিবলৈ ধৰিলে কিদৰে একসত্তৰ হাজাৰ ঋষিয়ে মানস সৰোবৰৰ পাৰত ৰাধাৰ চৰণ-পদ্ম দেখিবলৈ তপস্যা কৰিছিল। তেওঁ আৰু ক'লে যে ঋষি জবালী, ব্যাসপুত্ৰ শুকদেৱ, মহৰ্ষি নাৰদ, কৃষ্ণসখা অৰ্জুন আৰু বহু ৰজা ঋষিয়ে সাধনাৰ বলত নাৰীজন্ম লৈ কৃষ্ণৰ লগত যৌনবিহাৰ কৰিহে মোক্ষ লাভ কৰিব পাৰিছিল। ইয়াতেই বৰ্ণিত হৈছে যে নাৰীৰূপী অৰ্জুনে কৃষ্ণৰ লগত অত্যধিক যৌনবিহাৰৰ ফলত অতিশয় ক্লান্ত হৈ পৰাত শ্ৰীকৃষ্ণই ৰাধাক অৰ্জুনৰ পৰিচৰ্য্যাৰ ভাৰ দিছিল। অৰ্থাৎ কৃষ্ণৰ যৌনক্ৰিয়া সম্বন্ধত ৰাধাৰ মনত কোনো ঈৰ্ষাভাব নাছিল। এইখন পুৰাণতে পোৱা যায় যে কৃষ্ণ ত্ৰিনয়ন আছিল আৰু তেওঁৰ চকুবোৰ সদায় মদৰ ৰাগীত ৰঙা হৈ আছিল ; কৃষ্ণ ৰাধাৰেই পুৰুষৰূপ আৰু ৰাধাই ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ— সকলোৰে সৃষ্টিৰ কাৰণ। এই পুৰাণত আৰু বৰ্ণিত হৈছে যে ৰাধা বিষ্ণুমায়া আৰু কৃষ্ণ মায়াপুত্ৰ। এইবিলাক তথ্যৰপৰা সহজে অনুমান কৰিব পাৰি যে এইখন পুৰাণত তান্ত্ৰিক ,বৌদ্ধধৰ্মৰ প্ৰভাৱ কিমান। তান্ত্ৰিক শাস্ত্ৰ 'ৰাধাতন্ত্ৰম'তো একেভাৱৰ তথ্য পৰিবেশিত হৈছে। পদ্মপুৰাণৰ বাহিৰে আন পুৰাণত এনেকুৱা তথ্য পোৱা নাযায়। ইয়াত ৰাধা ব্ৰহ্মাস্বৰূপা, গোপবালক শ্ৰীকৃষ্ণৰ ৰক্ষিতা পৰস্ত্ৰী গোপনাৰী নহয়।

ব্ৰহ্মাবৈবৰ্ত পুৰাণতো ৰাধা-কৃষ্ণৰ প্ৰেমলীলা বিস্তৃতভাৱে বৰ্ণিত হৈছে। এই লীলাৰ ক্ষেত্ৰ প্ৰথমে কৃষ্ণজন্মৰ পূৰ্বতে গোকুলত আৰু কৃষ্ণজন্মৰ পাছত বৃন্দাবনত। এই পুৰাণৰ কৃষ্ণজন্ম খণ্ডৰ উপৰিও আন খণ্ডবোৰতো ৰাধা-কৃষ্ণৰ প্ৰেমকাহিনী বৰ্ণিত হৈছে। ইয়াত কোৱা হৈছে যে শ্ৰীকৃষ্ণই নিজ শৰীৰৰ অংশৰ পৰাই ৰাধাক সৃষ্টি কৰিলে। ৰাধাক দেখা মাত্ৰকে কৃষ্ণৰ ৰমণসুখৰ বাসনা জাগিল আৰু ৰাধাও অত্যন্ত ৰমণকাতৰ হ'ল। যেহেতু তেওঁ কামপীড়িত হৈ কৃষ্ণৰ

ওচৰলৈ দৌৰি আহিল সেয়ে তেওঁক 'ৰাধা' বোলা হ'ল।

ইয়াত আৰু বৰ্ণিত হৈছে যে ৰাধাৰ শৰীৰৰ লোমৰ ছিদ্ৰবোৰৰ পৰা গোপীসকলৰ উৎপত্তি আৰু কৃষ্ণৰ শৰীৰৰ ছিদ্ৰৰপৰা সৃষ্টি হ'ল গোপসকল। স্বয়ং লক্ষ্মীও ৰাধাৰ শৰীৰৰ পৰাহে সৃষ্টি হ'ল। সৰ্বেশ্বৰী ৰাধা সদায় কৃষ্ণৰ কোলাত থাকে আৰু যি আয়ানক বা ৰয়নক ৰাধাৰ স্বামী বোলা হয় তেওঁ শ্ৰীহৰিৰ অংশহে। আন পুৰাণত আৰু মধ্যযুগীয় সাহিত্যত স্পষ্টভাৱে ৰাধা আয়ানৰ বিবাহিত স্ত্ৰী বুলি কোৱা হৈছে, কিন্তু এইখন পুৰাণে ৰাধাই পৰপুৰুষৰ লগত কৰা যৌনমিলনক কিছু মৰ্য্যাদা দান কৰিবলৈ প্ৰয়াস কৰিছে।

ব্ৰহ্মবৈবৰ্ত পুৰাণৰ মতে ৰাধাৰ পিতৃৰ নাম বৃষভানু আৰু মাতৃৰ নাম আছিল কলাৱতী। আয়ান গোপৰ লগত ৰাধাৰ বিয়া হৈছিল, কিন্তু আয়ান পুৰুষত্বহীন আছিল। আয়ানৰ পিতাৰ নাম আছিল মলয়ক আৰু মাতৃৰ নাম জটিলা। আয়ানৰ দুই ভাই আৰু তিনিজনী ভনী আছিল আৰু তাৰে এগৰাকীৰ নাম আছিল যশোদা। সেই সম্বন্ধে আয়ান কৃষ্ণৰ মামা আৰু ৰাধা মামী। ৰাধা কৃষ্ণতকৈ চৈধ্য বছৰৰ ডাঙৰ আছিল আৰু কৃষ্ণ জন্মাৰ পিছদিনা আন গোপীসকলৰ লগত নন্দৰ ঘৰলৈ কৃষ্ণক চাবলৈও আহিছিল। কেঁচুৱাটোক কোলাত তুলি লোৱাৰ লগে লগে ৰাধাৰ কামভাব জাগৰিত হ'ল আৰু আন গোপ-গোপীয়ে সেই ভাব লক্ষ্য কৰে বুলি কৃষ্ণক কোলাৰপৰা নমাই দিলে। মোটামুটিভাৱে ওপৰত আলোচনা কৰা কথাখিনিয়েই হ'ল ৰাধা সম্বন্ধে প্ৰাচীন পুথিৰ তথ্য।

এতিয়া আমি বিবেচনা কৰিম গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ৰ ৰাধাতত্ত্বটোৰ ভেটি কি আৰু কি কি শাস্ত্ৰৰ দ্বাৰা এই তত্ত্বটো অনুমোদিত হোৱা বুলি তেওঁলোকে কয়। এই সম্প্ৰদায়ৰ মান্য পুথিকেইখন হ'ল :

(১) ভাগৱত পুৰাণ

(২) ব্ৰহ্ম সংহিতা

(৩) কৃষ্ণকৰ্ণামৃত

ভাগৱত পুৰাণ ভাৰতৰ সকলো বৈষ্ণৱ সম্প্ৰদায়ৰ আটাইতকৈ মান্য শাস্ত্ৰ, কিন্তু ভাগৱতত কৃষ্ণৰ বৃন্দাবনৰ লীলাৰ বিষয়ে আৰু বিশেষকৈ ৰাসলীলাৰ বৰ্ণনা আছে যদিও, ক'তো ৰাধাৰ নামো উল্লিখিত হোৱা নাই। ভাগৱততকৈ প্ৰাচীন বিষ্ণুপুৰাণতো ৰাসলীলাৰ বৰ্ণনা আছে। বিষ্ণুপুৰাণত এই বৰ্ণনা সংক্ষিপ্ত আৰু ভাগৱতত বিস্তৃত। সেয়ে অনুমান কৰিব পাৰি যে ভাগৱতৰ ৰাসলীলাৰ কথাখিনি বিষ্ণুপুৰাণৰ পৰা লোৱা, আৰু তাত হয়তো কিছু লোক-সংস্কৃতিৰ প্ৰভাৱো পৰিব পাৰে। কিন্তু বিষ্ণুপুৰাণতো হৰিপ্ৰিয়া ৰাধাৰ কোনো উল্লেখ নাই। উপ-পুৰাণ হৰিবংশতো বৃন্দাবনত কৃষ্ণলীলা সম্বন্ধে সুন্দৰ বৰ্ণনা দিয়া হৈছে, কিন্তু এইখন

পুথিতো ৰাধাৰ বিষয়ে কোনো তথ্য নাই।

ভাগৱতৰ দশম স্কন্ধত ৰাসলীলা বৰ্ণনাত পোৱা যায় যে ৰাসনৃত্যই যেতিয়া চূড়ান্ত পৰ্যায় পাইছে তেতিয়া কৃষ্ণ অন্তৰ্দ্ধান হৈছে। গোপীসকলে কৃষ্ণক বিচাৰি হাবাথুৰি খাই ইফালে সিফালে ঘূৰি ফুৰোতে দেখিছে যমুনাৰ বালিৰ ওপৰত কৃষ্ণৰ ভৰিৰ খোজৰ লগত আন এজনী গোপীৰ খোজ। গোপীসকলে তেতিয়া বিলাপ কৰি কৈছে যে তাইৰ ইমান ভাগ্য, কিয়নো তাই নিশ্চয় পূৰ্বজন্মত শ্ৰীহৰিক সন্তুষ্ট কৰিব পাৰিছিল। ভাগৱতৰ এই সম্বন্ধে শ্লোকটো হ'ল ঃ

অনয়াৰাধিতো নূনং ভগবান্ হৰিৰীশ্বৰ ঃ।
যন্নো বিহায় গোবিন্দঃ প্ৰীতো যামনয়দ্ৰহঃ।।

শ্ৰীমন্ত শংকৰদেৱে অসমীয়া ভাগৱতত এই শ্লোকটোৰ ভাঙনি এনেদৰে দিছে ঃ

নিশ্চয়ে জানিলো আৰাধিলে দেৱহৰি।
তাইক লগে নেন্ত আমি সমস্তক এৰি।।

এই 'অনয়া-ৰাধিত' শব্দটোৰপৰাই ভাগৱতৰ কিছুমান টীকাকাৰে কৃষ্ণপ্ৰিয়া বা হৰিপ্ৰিয়া ৰাধা এগৰাকী আৱিষ্কাৰ কৰিছে আৰু ৰাধাৰ প্ৰেমকে সৰ্বোচ্চ প্ৰেম-ভক্তি বুলি ব্যাখ্যা কৰি এটা দাৰ্শনিক তত্ত্ব বা ৰাধাতত্ত্ব প্ৰতিষ্ঠা কৰিছে।

গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ৰ সপ্তদশ শতিকাৰ ভাগৱতৰ টীকাকাৰ সনাতন গোস্বামীয়ে 'অনয়া আৰাধিতা' শব্দটোৰ ব্যাখ্যা প্ৰসঙ্গত কৈছে যে তেৰেঁই অৰ্থাৎ ৰাধাই পূৰ্বজন্মত হৰিক সন্তুষ্ট কৰি তেওঁক তেওঁৰ কবললৈ আনিব পাৰিছিল, কিন্তু আনে পৰা নাই। ৰাধ্যতিৰ অৰ্থ হ'ল আৰাধয়তি আৰু সেয়ে ভাগৱতৰ ৰচকে ৰাধানামৰ যি গূঢ় তত্ত্ব তাৰ শব্দৰূপকেই প্ৰকাশ কৰিছে অৰ্থাৎ যিয়ে যিয়েই হৰিক সন্তুষ্ট কৰে তেৰেঁই ৰাধা। একে সম্প্ৰদায়ৰ বিশ্বনাথ চক্ৰবৰ্তী নামৰ আন এজন টীকাকাৰে সেই একে শব্দকেই আৰু বেলেগ ধৰণে ব্যাখ্যা কৰি কৈছে যে হৰিয়ে নিশ্চয় ৰাধাক পাইছে আৰু সেয়ে তেওঁ আৰাধিত। তেওঁ আৰু মন্তব্য দিছে যে গোপীসকলে কৃষ্ণৰ ভৰিৰ খোজৰ লগত এজনী গোপীৰ ভৰিৰ খোজ দেখি চিনি পাইছিল যে সেইজনীয়ে বৃষভানুনন্দিনী, কিন্তু সেই কথা ব্যক্ত কৰা নাছিল। টীকাকাৰসকলে আৰু ব্যাখ্যা দিছে যে ভাগৱতৰ ৰচক ৰাধানামৰ লগত সম্পূৰ্ণভাৱে পৰিচিত আছিল। তেওঁ ৰাধাৰ বিষয়ে অৱগত নোহোৱা বাবে ৰাধা নাম উল্লেখ নকৰা নহয়, তেওঁলোকে ৰাধাৰ অতীতৰ কৰ্মৰাজিৰ কাৰণে সেই নাম স্পষ্টভাৱে উল্লেখ কৰা নাই। কিন্তু ভাগৱতৰ মতে কৃষ্ণৰ লগত অকলে যোৱা গোপীজনীকো তাইৰ অলপ অহংভাবৰ প্ৰকাশ দেখি লগে লগে কৃষ্ণই ত্যাগ কৰি

অন্তৰ্দ্ধান হৈছে। ভাগৱত পুৰাণৰ সৰ্বাধিক মান্য টীকাকাৰ শ্ৰীধৰস্বামীয়ে কিন্তু তেখেতৰ ভাষ্যত ৰাধাৰ কোনো উল্লেখ কৰা নাই আৰু 'ৰাধিত' শব্দৰো বিশেষ কোনো তাৎপৰ্য্যৰ কথা কোৱা নাই।

গৌড়ীয় বৈষ্ণৱ পন্থৰ দ্বিতীয়খন মান্য পুথি ব্ৰহ্মসংহিতা প্ৰায় চাৰি কুৰি বছৰ পূৰ্বে দাক্ষিণাত্যৰ পৰা প্ৰকাশিত। এই পুথিত এক শ অধ্যায় থকা বুলি জনা যায়। চৈতন্যদেৱে তেওঁৰ দাক্ষিণাত্য ভ্ৰমণৰ সময়ত তাঞ্জোৰ নামৰ ঠাইৰ কেশৱ মন্দিৰৰ পৰা ৭৩টা শ্লোক সম্বলিত ইয়াৰ পঞ্চম অধ্যায়ৰ পাণ্ডুলিপি সংগ্ৰহ কৰিছিল। গৌড়ীয় সম্প্ৰদায়ৰ শ্ৰীজীৱ গোস্বামীয়ে এই অধ্যায়ৰ ওপৰত পাণ্ডিত্যপূৰ্ণ টীকাভাষ্য ৰচনা কৰিছে। ইয়াৰ প্ৰথম শ্লোকটো হ'ল ঃ

ঈশ্বৰঃ পৰমঃ কৃষ্ণঃ সচ্চিদানন্দবিগ্ৰহঃ।
অনাদিৰাদিৰ্গোবিন্দঃ সৰ্বকাৰণকাৰণম্॥

এই গ্ৰন্থমতে বিষ্ণু আৰু দুৰ্গা অভেদ। সাংখ্যৰ প্ৰকৃতি পুৰুষ তত্ত্বৰ পৰা ইয়াত প্ৰকৃতিৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। শ্ৰীজীৱ গোস্বামীয়ে ভাষ্যমতে মতে পুৰুষ আৰু প্ৰকৃতি একেই আৰু সেয়ে আত্মাৰাম। শ্ৰীহৰি নিজেই পুৰুষ আৰু নিজেই প্ৰকৃতি আৰু সেয়ে আত্মাই আত্মাত ৰমণ কৰে। গোকুল কোনো ভৌগোলিক এলেকা নহয়, ই মানসিক ভূখণ্ড, স্বৰূপ। নাৰদীয় পঞ্চৰাত্ৰৰ এটা অংশকো দাক্ষিণাত্যত ব্ৰহ্মসংহিতা বুলি কোৱা হয়, যদিও দুয়োখন পুথিৰ বিষয়বস্তু একে নহয়। কিন্তু পঞ্চৰাত্ৰ সম্প্ৰদায়ৰ ব্যূহতত্ত্বৰ প্ৰভাৱ এই সংহিতাত পৰিলক্ষিত হয়। এই গ্ৰন্থৰ মতে বাসুদেৱ, সংকৰ্ষণ, প্ৰদ্যুম্ন আৰু অনিৰুদ্ধ এই চাৰি হ'ল ধৰ্ম, অৰ্থ কাম আৰু মোক্ষৰ প্ৰতীক।

দ্বাদশ শতিকাৰ দাক্ষিণাত্যৰ কবি লীলাশুক বা বিল্বমঙ্গলৰ দ্বাৰা ৰচিত কৃষ্ণ-কৰ্ণামৃত গ্ৰন্থৰ পাণ্ডুলিপিও চৈতন্যদেৱে ভ্ৰমণকালত সংগ্ৰহ কৰি আনিছিল। এই পুথিৰো সাৰবস্তু হ'ল ৰাধাৰ কৃষ্ণৰ প্ৰতি মধুৰ বিৰহ ভাৱ ; ৰাধাৰ লগত শ্ৰীকৃষ্ণৰ কোনো দৈহিক বা যৌনলীলাৰ বৰ্ণনা নাই।

ৰাধা-কৃষ্ণৰ প্ৰেমভক্তি তত্ত্ব প্ৰথমে প্ৰচাৰ কৰা সাধক কিন্তু চৈতন্যদেৱ নহয়, ভক্ত-শিৰোমণি মাধৱেন্দ্ৰপুৰীহে। শ্ৰীহট্ট জিলাৰ পুৰ্ণিপাট নামৰ এখন সৰু গাঁৱৰ এক ধৰ্মনিষ্ঠ ব্ৰাহ্মণ পৰিয়ালত তেওঁ জন্মগ্ৰহণ কৰিছিল। তেওঁৰ প্ৰধান দুই শিষ্য ক্ৰমে ঈশ্বৰপুৰী আৰু কেশৱ ভাৰতী। ঈশ্বৰপুৰীয়ে চৈতন্যদেৱক দিছিল ভক্তিসূত্ৰ আৰু কেশৱ ভাৰতীয়ে দিছিল সন্ন্যাস মন্ত্ৰ। চৈতন্যৰ গাত প্ৰথম মহাপুৰুষৰ লক্ষণ আৱিষ্কাৰ কৰোঁতা শান্তিপুৰৰ অদ্বৈতাচাৰ্য্যও আছিল মাধৱেন্দ্ৰপুৰীৰ শিষ্য।

## সামাজিক প্ৰতিক্ৰিয়া

গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ে প্ৰচাৰ কৰা ৰাধাকৃষ্ণ প্ৰেমভক্তি তত্ত্বটো অতি জটিল আৰু গম্ভীৰ। যি সময়ত এই তত্ত্বৰ প্ৰচাৰ আৰম্ভ হ'ল বিশেষকৈ বঙ্গদেশ আৰু উড়িষ্যাত, সেই সময়ত এই দুয়োখন ৰাজ্য প্ৰবলভাবে তান্ত্রিক বৌদ্ধ ধৰ্মৰ আয়ত্তত। বঙ্গদেশত ইছলাম ধৰ্মৰ প্ৰসাৰো আৰম্ভ হৈছিল। সেই সময়ত এই ঠাইৰ হিন্দু মানুহখিনিৰ আচাৰ-বিচাৰৰ কথা আগেয়ে উল্লেখ কৰি অহা হৈছে। মুঠতে সেই সময়ত ইয়াত ধৰ্মীয় পৰিবেশ আছিল বিশৃঙ্খল আৰু নিম্নগামী। শিক্ষা-দীক্ষাৰ অভাৱত সমাজব্যৱস্থাত কেৰোণ লাগিছিল আৰু মানুহৰ মন হৈছিল লক্ষ্যভ্ৰষ্ট। সেয়ে সাধাৰণ শ্ৰেণীৰ লোকে ৰাধা-কৃষ্ণৰ লীলামাধুৰীৰ পৰা ভক্তিৰসৰ পৰিবৰ্তে আদিৰসৰ সোৱাদহে বেছিকৈ আহৰণ কৰিছিল। কীৰ্তনৰ মাধ্যমেৰে, যাত্ৰা-ভাওনাৰ জৰিয়তে ৰাধাৰ স্বামীগৃহ ত্যাগ কৰি গোপনে কুঞ্জকাননত কৰা কামকেলি, কেতিয়াবা চন্দ্ৰাবলী আদি আন গোপীৰ লগত কৃষ্ণৰ নিশা-বিহাৰৰ কাৰণে ৰাধা-কৃষ্ণৰ মান-অভিমানৰ দৃশ্যবোৰ উপভোগ্য আছিল নিশ্চয়, কিন্তু লোকৰ অন্তৰত আধ্যাত্মিক ভাবনা জাগৰিত কৰাৰ পক্ষে অনুকূল নাছিল। সামাজিক-ভাৱেও এইবোৰে কোনো উচ্চ আদৰ্শ দাঙি ধৰিব পৰা নাছিল আৰু তাৰ ফলত বহু ব্যভিচাৰী প্ৰথাৰ, প্ৰচলন আৰম্ভ হৈছিল। প্ৰখ্যাত সমাজবিজ্ঞানী আৰু দাৰ্শনিক আৰ.জি. ভাণ্ডাৰকাৰে সেয়েহে মন্তব্য কৰিছিল এনেদৰে :

"The introduction of Radha's name and her elevation to a higher position even than Krishna's operated as a degrading element in Vaisnavism, not only because she was a woman, but also because she was originally a mistress of the cowherd god, and her amorous dealings were of an overt character."

Vaisnabism Saibism anad minor religious system. Page 87.

এনেকুৱা পৰিবেশতে "সহজীয়া" নামে এটি পন্থৰ সৃষ্টি হৈছিল। এই পন্থৰ শিষ্যসকলে প্ৰেম-ভক্তি ধৰ্মৰ বিধিমাৰ্গ সম্পূৰ্ণৰূপে উলঙ্ঘা কৰি ৰাগমাৰ্গত বিশ্বাস স্থাপন কৰিছিল। সহজীয়া পন্থৰ ভক্তক তেওঁৰ সাধনাৰ কাৰণে নিজৰ স্ত্ৰীৰ বাহিৰে আন এজনী নাৰীৰ প্ৰয়োজন হৈছিল, যি অবিবাহিতা, পৰস্ত্ৰী বা বিধৱাই নহওক কিয়। সেই নাৰীজনীক পুৰুষজনে 'ৰাধা' আৰু নিজকে 'কৃষ্ণ' জ্ঞান কৰিছিল। তেওঁলোকে ৰাধা-কৃষ্ণক অন্তৰৰ মাজত বা কোনো প্ৰতীকতো পূজা-সেৱা কৰা নকৰিছিল। তেওঁলোকে গুৰু আৰু তেওঁৰ পৰস্ত্ৰী সহচৰীক ৰাধাকৃষ্ণ জ্ঞানে পূজা কৰিছিল আৰু তেওঁলোকৰ প্ৰেমলীলা বা কামলীলাক প্ৰকৃত ৰাধা-কৃষ্ণৰ লীলা বুলি বিশ্বাস কৰিছিল। এই পন্থৰ শিষ্যসকলে আচাৰ-বিচাৰ খাদ্য আদি সকলো বিষয়তে ব্যভিচাৰী আছিল। তেওঁলোকে সামাজিক শৃঙ্খলাৰ কোনো নিয়ম

নামানিছিল। তাৰ ফলত সৃষ্টি হৈছিল সখী-ভাবৰ "বৈৰাগী-বৈৰাগিনী" সম্প্ৰদায়ৰ। দাক্ষিণাত্যৰ বল্লভাচাৰ্য্যৰ ৰাধা-কৃষ্ণৰ পুষ্টিভক্তি বা প্ৰেমভক্তি তত্ত্বয়ো তেনেদৰে বহু ব্যভিচাৰী প্ৰথাৰ সৃষ্টি কৰিছিল গুজৰাট আৰু ৰাজস্থান আদি ৰাজ্যত। সহজীয়া পন্থৰ প্ৰভাৱ পৰিছিল, বঙ্গদেশ, উড়িষ্যা আৰু মণিপুৰ আদি ৰাজ্যত।

আৰ. জি. ভাণ্ডাৰকাৰে এই ৰাধাতত্ত্বটোৰ উৎপত্তি এসময়ৰ অহিৰ বা আভীৰসকলৰ মাজত প্ৰচলিত সমাজব্যৱস্থা আৰু লোকগীত, লোককথা আদিৰ প্ৰভাৱত হোৱা বুলি ভাবে। এওঁলোক গোপ জাতিৰ 'মানুহ'। তেওঁ পূৰ্বতে উল্লেখ কৰা গ্ৰন্থৰ ৩৮ পৃষ্ঠাত এনেদৰে লিখিছে :

"The dalliance of Krishna with cowherdesses, which introduced an element inconsistent with the advance of morality into the Vasudeva religion, was also an after-growth, consequent upon the freer intercourse between the wandering Abhiras and their more civilised Aryan neighbours. Morality cannot be expected to be high or strict among races in the condition of the Abhiras at the time ; and their gay neighbours took advatage of its looseness. Besides, the Abhira women must have been fair and handsome as those of the Ahir-Gavaliyas or cowherds of the present day are."

চৈতন্যদেৱে কিন্তু ৰাধা-কৃষ্ণ প্ৰেম-ভক্তি তত্ত্বটোৰ পৰা সৰ্বসাধাৰণ মানুহৰ মাজত কি প্ৰতিক্ৰিয়া হ'ব পাৰে সেই সম্ভাব্য পৰিস্থিতিৰ বিষয়ে আগতেই অনুমান কৰিব পাৰিছিল যেন লাগে। কৃষ্ণদাস কবিৰাজ ৰচিত 'চৈতন্য চৰিতামৃত'ত পৰিষ্কাৰভাৱে উক্ত হৈছে যে চৈতন্যই নাৰীৰ সংস্পৰ্শৰ পৰা আঁতৰি থাকিবলৈ সদায় চেষ্টা কৰিছিল। আনকি দৰ্শনপ্ৰাৰ্থী ভক্ত বয়স্ক মহিলাকো তেওঁ কেতিয়াও তেওঁৰ ওচৰ চাপিব নিদিছিল। হৰিদাস নামৰ তেওঁৰ এজন ভক্তক মাধবীদেৱী নামৰ এজনী যুৱতীৰপৰা চাউল খুজিবলৈ গৈ দুই চাৰিটা কথা পতাৰ বিষয়ে জানি তেওঁক চিৰদিনৰ কাৰণে পৰিত্যাগ কৰিছিল। তেওঁৰ জ্যেষ্ঠভ্ৰাতৃসম সন্ন্যাসী নিত্যান্দক নবদ্বীপৰ বৈষ্ণৱ সম্প্ৰদায়ৰ গুৰুভাৰ লোৱাৰ আগতে, সন্ন্যাসধৰ্মৰ পৰম্পৰা ভঙ্গ কৰিও বিবাহ কৰাবলৈ বাধ্য কৰিছিল। নিত্যানন্দই দুবাৰকৈ বিয়া কৰাইছিল।

## সাংস্কৃতিক প্ৰভাৱ

মধ্যযুগৰ বঙ্গত গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ৰ ধৰ্মচৰ্চা আৰু ধৰ্মীয় ভাবৰ উপাদান হিচাপে বহুমুখী সংস্কৃতিৰ সৃষ্টি হ'ল। চৈতন্যপন্থই বঙ্গদেশত আৰু বিশেষভাৱে উড়িষ্যা বৃন্দাবনত বৈষ্ণৱ ধৰ্মৰ অনুগামীসকলৰ মাজত এটা বৃহৎ

সাংস্কৃতিক যুগৰ সৃষ্টি কৰে। কাব্য, সঙ্গীত আৰু নাটকৰ যোগেদি, সৃষ্টিৰ শক্তিৰে ভক্তসকলৰ আগত ধৰ্মীয় তত্ত্ব প্ৰচাৰৰ ফলতে ধৰ্মীয় ভাবধাৰাৰ মানসিক বিকাশৰ স্তৰ সৌন্দৰ্য্য সম্ভাৰপূৰ্ণ হ'ল। বৃন্দাবনৰ গোস্বামীসকলে সংস্কৃত ভাষাৰ মাধ্যমত বৈষ্ণৱ ধৰ্মৰ উচ্চ দৰ্শনতত্ত্ব প্ৰকাশ কৰিলে। এই সকলোবোৰ ৰচনা পাণ্ডিত্য-প্ৰতিভাৰে অদ্বিতীয়। বঙ্গীয় শাখাৰ গুৰিয়াল হিচাপে মুৰাৰি গুপ্ত আৰু কবিকৰ্ণপূৰে সংস্কৃত ভাষাত প্ৰধানকৈ জীৱনচৰিতৰ বিৱৰণী প্ৰকাশ কৰিলে। এই বিৰাট সাহিত্যৰ ভিতৰত দৰ্শন, ধৰ্মশাস্ত্ৰ, ৰসশাস্ত্ৰ আদি গীতিকাব্য আৰু গল্পৰ সামগ্ৰীৰে পৰিপূৰ্ণ। এই সকলোবোৰ একেলগ কৰিলে বৈষ্ণৱ ধৰ্মৰ প্ৰেৰণাত সৃষ্টি হোৱা বহুমুখী সাহিত্যৰ স্বৰূপ উপলব্ধি কৰিব পাৰি।

চৈতন্যৰ ধৰ্ম প্ৰকাশৰ কাৰণেই বঙ্গীয় সাহিত্যৰ এটি বিৰাট উৰ্বাল সৃষ্টি হ'ল। গীতিকাব্য, জীৱনচৰিত আদি প্ৰাচীয় ভাষাত প্ৰথম ৰচিত হ'ল। চৈতন্যৰ সমসাময়িক অনুগামীসকলে গুৰুৰ বিষয়ে প্ৰথমতে গীতিকাব্য ৰচনা আৰম্ভ কৰিলে। নৰহৰি ঠক্কাৰ আৰু আন আন আঠজন সমসাময়িক কবিয়ে চৈতন্যক বিষয়বস্তু কৰি লৈ করুণ সুৰত পদ ৰচনা কৰিছিল। শ্ৰীকৃষ্ণৰ লীলাৰ আধাৰত আৰু চৈতন্যই জীৱন কাহিনীৰে যথেষ্ট পদাৱলী ৰচনাৰ সৃষ্টি হ'ল। বঙ্গদেশৰ সাহিত্যক্ষেত্ৰত চৈতন্যৰ ভাবধাৰাৰ গীত, পদ আৰু নৃত্যাদিৰ মাধ্যমেৰে এটা সোণালী যুগৰ সৃষ্টি হ'ল। বৈষ্ণৱ ধৰ্মৰ জীৱনচৰিত আৰু গীতিকাব্য ৰচনাৰ ব্যাপকতালৈ চাই এইটো সহজে অনুমান কৰিব পাৰি যে চৈতন্য ধৰ্মই বঙ্গালী সাহিত্যৰ ভেটিটো প্ৰধান ৰচনা কৰাই নহয়, এই সাহিত্যৰ ভাবীকালৰ সমলখিনিও গোটাই থৈছিল। মাইকেল মধুসূদন দত্ত আৰু ৰবীন্দ্ৰনাথ আদি সাহিত্যৰথীৰ ৰচনাৰ পদাৱলী সাহিত্য ভেটি। ৰবীন্দ্ৰনাথে নিজে তেওঁৰ সাহিত্যৰ আধাৰ উপনিষদ আৰু পদাৱলী বুলি স্বীকাৰ কৰি গৈছে। ৰাধা-কৃষ্ণৰ প্ৰেমলীলাৰ আধাৰত কেৱল সংস্কৃত বা বঙলা ভাষাতেই নহয় ভাৰতৰ আন প্ৰান্তীয় ভাষাতো যথেষ্ট মধুৰ গীতিসাহিত্যৰ সৃষ্টি হৈছে।

## গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়

গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ৰ প্ৰধান কেন্দ্ৰ তিনিটা। এটা গুৰুৰ জন্মস্থান নবদ্বীপত ; এই ঠাইৰপৰা চৈতন্যই প্ৰথম ধৰ্মপ্ৰচাৰ আৰম্ভ কৰিছিল। দ্বিতীয়টো উড়িষ্যাৰ পুৰীত যি স্থান সন্ন্যাস গ্ৰহণ কৰাৰ পাছত চৈতন্যৰ বাসস্থান আছিল। তৃতীয়টো হ'ল উত্তৰ প্ৰদেশৰ বৃন্দাবনত, যি স্থান চৈতন্যৰ মনত ৰম্য পুৰী আছিল।

বৃন্দাবনৰ বৈষ্ণৱ ভকতসকল আৰু নবদ্বীপৰ প্ৰসিদ্ধ মুখিয়ালসকল যদিও

চৈতন্যদেৱৰ প্ৰথম অনুসৰণকাৰী আছিল, চৈতন্যৰ দেহান্তৰৰ লগে লগে ধৰ্মনীতিৰ ব্যাখ্যা লৈ দুয়ো দলৰ মাজত মতবিৰোধ দেখা দিয়ে। আনকি বঙ্গৰ সকলো বৈষ্ণৱেও বংগীয় নেতাসকলৰ মত গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। বঙ্গৰ বৈষ্ণৱ সম্প্ৰদায়ৰ নেতাসকলৰ মতে চৈতন্য নিজেই শ্ৰীকৃষ্ণ আছিল আৰু সেই কাৰণে তেওঁক পূজা কৰিব লাগে। বৃন্দাবনৰ বৈষ্ণৱ সংগঠক দলৰ সাহিত্যত চৈতন্যক গুৰুৰ সন্মান যচা হৈছে, কিন্তু শ্ৰীকৃষ্ণহে আৰাধ্য দেৱতা বুলি প্ৰচাৰ কৰা হৈছে। বঙ্গ দেশৰ বৈষ্ণৱ দলৰ সাহিত্যত চৈতন্যই একমাত্ৰ লক্ষ্যৰূপে গৃহীত আৰু পূজিত। মুৰাৰি গুপ্ত, শিবানন্দ সেনা, নৰহৰি চৰকাৰ আদি চৈতন্য পূজাৰ প্ৰথম নায়ক আছিল।

## বৃন্দাবনৰ ছজন গোস্বামী

চৈতন্যৰ বৈষ্ণৱ আন্দোলনক ব্যাৱহাৰিক আৰু ধৰ্মমত প্ৰচাৰ কাৰ্য্যৰ কৃতিত্বৰে যি কেইজন নেতাই কেৱল আগবঢ়াই নিয়াই নহয়, এটা দাৰ্শনিক তত্ত্ব হিচাপে প্ৰতিষ্ঠা কৰিছিল, তেওঁলোক বৃন্দাবনৰ ছজন গোস্বামী হিচাপে জনাজাত। এওঁলোক হ'ল ৰূপ, সনাতন, ৰঘুনাথ দাস, ৰঘুনাথ ভট্ট, গোপাল ভট্ট আৰু জীৱ। এওঁলোকৰ ভিতৰত প্ৰথম পাঁচজন চৈতন্যৰ পোনপটীয়া শিষ্য আছিল। ৰঘুনাথ ভট্টৰ বাহিৰে বাকী আটাইকেইজনে বৈষ্ণৱ ধৰ্ম সম্বন্ধে সংস্কৃত ভাষাৰ মাধ্যমত বহু গ্ৰন্থ ৰচনা কৰি গৈছে। গোপাল ভট্ট দক্ষিণ ভাৰতৰ অবঙ্গালী ব্ৰাহ্মণ আছিল। তেওঁ বৈষ্ণৱ মতবাদৰ সামাজিক বিচাৰধাৰাৰ ব্যাৱহাৰিক দিশটো সুনিয়ন্ত্ৰিত কৰি এখন বৃহৎ গ্ৰন্থ সংকলন কৰিছিল। এই ছজন গোস্বামীক সকলোৱে পণ্ডিত আৰু বুদ্ধিমান লোক বুলি গণ্য কৰিছিল আৰু বঙ্গৰ বৈষ্ণৱ সম্প্ৰদায়ৰো এওঁলোক আছিল সুবিজ্ঞ উপদেশদাতা। সকলো গৌড়ীয় কেন্দ্ৰত ৰচিত ধৰ্মীয় গ্ৰন্থবিলাক এওঁলোকৰ অনুমোদনৰ কাৰণে বৃন্দাবনলৈ পঠোৱা হৈছিল। এওঁলোকৰ অনুমোদন নাপালে সেই গ্ৰন্থ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিব নোৱাৰিছিল। এওঁলোকৰ অধ্যৱসায় আৰু যুক্তিৰ বলতে চৈতন্যমত 'অচিন্ত্য ভেদাভেদ' তত্ত্ব হিচাপে প্ৰতিষ্ঠিত হয়।

এই ছজন গোস্বামীৰ পৰিচালনাতে গঢ়ি উঠিছে আধুনিক বৃন্দাবন। এওঁলোকেই পুনৰুদ্ধাৰ কৰিলে সেই পুৰণি নগৰখনৰ লুপ্তপ্ৰায় হৈ থকা শ্ৰীকৃষ্ণৰ স্মৃতি আৰু মাহাত্ম্য জড়িত স্থানসমূহ। এওঁলোকে ধনী লোকসকলক মন্দিৰ, গা-ধোৱা ঘাট, ফুলৰ বাগিছা ইত্যাদি সজাই বৃন্দাবনৰ সৌন্দৰ্য্য বৃদ্ধি কৰি হেৰোৱা গৌৰৱ ঘূৰাই আনিবলৈ অনুৰোধ কৰিলে আৰু সেই বিষয়ত কৃতকাৰ্য্যও হ'ল। ৰজা মানসিংহেই তেওঁৰ গুৰু সনাতন গোস্বামীৰ উপদেশ মতে বৃহৎ আৰু ধুনীয়া গোবিন্দৰ

মন্দিৰ সজাই দিলে। এই ছজন গোস্বামীৰ প্ৰভাৱৰ কাৰণেই পবিত্ৰ বৃন্দাবন ভাৰতৰ আন বৈষ্ণৱ সম্প্ৰদায়বোৰতকৈ বেছিকৈ গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ৰ লগত জড়িত হৈ পৰিল।

## উড়িষ্যাৰ পঞ্চসখা

গৌড়ীয় বৈষ্ণৱসকলৰ তিনিটা কেন্দ্ৰৰ ভিতৰত চৈতন্যৰ ধৰ্ম বুৰঞ্জীত পুৰীয়ে প্ৰধান স্থান পাইছে। ড° বিমানবিহাৰী মজুমদাৰৰ মতে চৈতন্যৰ চাৰিশ নবৈজন সংগীৰ ভিতৰত প্ৰায় ষাঠিজন অবাংগালী আৰু তাৰে ভিতৰত চৌবাল্লিশজন উড়িষ্যাৰ লোক আছিল। এইটো অৱশ্যে স্বাভাৱিক কথা কিয়নো চৈতন্যই যৌৱন কালৰপৰা শেষ সময়লৈকে উড়িষ্যাতে কটাইছিল।

চৈতন্যদেৱৰ বহু আগৰপৰাই জগন্নাথ মন্দিৰক কেন্দ্ৰ কৰি পুৰী এখন প্ৰধান বৈষ্ণৱভূমিৰূপে পৰিগণিত আছিল। ভাৰতৰ সকলো বৈষ্ণৱ সাধকে পুৰী দৰ্শনৰ সৌভাগ্য কামনা কৰিছিল। কিন্তু প্ৰাক্-চৈতন্য যুগৰ বৈষ্ণৱ মতাদৰ্শৰ উড়িষ্যাত দুটা ধাৰা পৰিলক্ষিত হয়। এটা হৈছে সম্পূৰ্ণ কৃষ্ণপূজাৰ উপাসনা আৰু আনটো জ্ঞানসংমিশ্ৰিত জগন্নাথ প্ৰভুৰ উপাসনা। ৰেমুনাৰ গোপীনাথ মন্দিৰ কৃষ্ণ উপাসনাৰ এটা মুখ্য কেন্দ্ৰস্থল হৈ থকাত ইয়াকে বুজা যায় যে উড়িষ্যাত বহুদিনৰ পৰাই কৃষ্ণপূজাৰ প্ৰাধান্য আছিল। ৰজা প্ৰতাপৰুদ্ৰৰ পিতৃ পুৰুষোত্তমদেৱে কৃষ্ণপূজাৰ কেইবাটাও স্তোত্ৰ ৰচনা কৰিছিল। ৰায় ৰামানন্দই 'জগন্নাথ বল্লভ' নাটকখন চৈতন্যক লগ পোৱাৰ আগতে ৰচনা কৰিছিল। পুৰুষোত্তমদেৱ আৰু ৰায় ৰামানন্দৰ লিখনিতো ৰাধা-কৃষ্ণৰ প্ৰেমৰ প্ৰাধান্য আছিল।

খৃঃ পূঃ ৩০০ বছৰ আগতে অশোকে কলিঙ্গ অৰ্থাৎ উড়িষ্যা জয় কৰাৰ পাছৰ পৰাই ইয়াত বৌদ্ধ ধৰ্মৰ প্ৰতিপত্তি বাঢ়িছিল। পিছলৈ বৌদ্ধধৰ্ম হ্ৰাস পৰি অহাৰ লগে লগে ইয়াৰ বৌদ্ধ ধৰ্মাবলম্বী লোকসকলে আগৰ সনাতন হিন্দুধৰ্মলৈ উভতি আহিল। কিন্তু তেওঁলোকে তেতিয়াও বৌদ্ধধৰ্মৰ কিছুমান নীতি-নিয়ম ত্যাগ কৰিব পৰা নাছিল। তেওঁলোকে জগন্নাথক বুদ্ধ বুলিয়েই জ্ঞান কৰিছিল আৰু সেই কাৰণেই জগন্নাথ মূৰ্তিক যথেষ্ট শ্ৰদ্ধাৰে পূজা-সেৱা কৰিছিল। তেওঁলোকৰ মতে শ্ৰীকৃষ্ণই বুদ্ধৰ ৰূপত জগন্নাথ নাম লৈ আবিৰ্ভাৱ হৈছিল। এই কথাটো জগন্নাথদাসে তেওঁৰ 'দাৰুব্ৰহ্ম'ত আৰু অচ্যুতে তেওঁৰ 'শূন্যসংহিতা'ত লিপিবদ্ধ কৰিছে। উড়িষ্যাৰ বৈষ্ণৱসকলে লিখা পুথি পঢ়িলে তেওঁলোকৰ পূজাৰ সুকীয়া পদ্ধতিৰ বিষয়ে জানিব পাৰি। তেওঁলোকে আকাৰবিহীন ব্ৰহ্মাক বৌদ্ধ মন্ত্ৰত পূজা কৰিছিল আৰু লগতে বত্ৰিশটা আখৰৰ জগৰ ৰাধা-কৃষ্ণ মন্ত্ৰেৰেও পূজা কৰিছিল।

চৈতন্যই ৰাধা-কৃষ্ণ ধৰ্মমতৰ ওপৰত ভিত্তি কৰি প্ৰচাৰ কৰা ধৰ্মমতৰ লগত উড়িষ্যাৰ পূৰ্ব্বৰপৰা প্ৰচলিত ধাৰা সানমিহলি হ'ল। সম্পূৰ্ণ কৃষ্ণপূজা কৰা সম্প্ৰদায়টোৰ চৈতন্যৰ লগত পাৰ্থক্য বিশেষ নাছিল কাৰণে সমস্যা নহ'ল ; কিন্তু জগন্নাথৰ উপাসকসকলৰ সুকীয়া অস্তিত্ব কিছু পৰিমাণে বৰ্তি থাকিল। যিসকল আগতে বৌদ্ধধৰ্মাবলম্বী আছিল আৰু পাছত হিন্দুধৰ্মলৈ আহিও সুকীয়া ধৰ্ম-নীতিৰ অনুসৰণকাৰী হ'ল, তেওঁলোকৰ ভিতৰত পাঁচজন প্ৰধান আছিল আৰু এওঁলোকক 'পঞ্চসখা' বা চৈতন্যৰ ' পঞ্চবন্ধু' বোলা হৈছিল। এই পাঁচজনৰ নাম জগন্নাথদাস, বলৰামদাস, অচ্যুতানন্দ, অনন্ত আৰু যশোৱন্তদাস। এওঁলোকে উড়িয়া ভাষাত ৰচনা কৰা গদ্য, পদ্য, গীতিসাহিত্যই আধুনিক উড়িয়া সাহিত্যৰ ভেটিস্বৰূপ। এওঁলোকে ধৰ্মীয় প্ৰচাৰৰ কাৰণে কলম হাতত লৈ তাৰদ্বাৰা লোকশিক্ষাৰ প্ৰতিভূৰূপে স্বীকৃত আৰু সমাদৃত হৈছিল। এওঁলোকৰ অনুগামীসকলেও সেই কাব্যসাহিত্যৰ সোঁত বোৱাই ৰাখি উড়িয়া ধৰ্ম-সংস্কৃতিলৈ মহান অৱদান আগ বঢ়াইছে।

## নৱদ্বীপৰ ত্ৰিমূৰ্তি

কৃষ্ণচৈতন্য, নিত্যানন্দ আৰু অদ্বৈতাচাৰ্য্য এই তিনিজনেই নবদ্বীপ অঞ্চলৰ গৌড়ীয় বৈষ্ণৱ ধৰ্মৰ শিৰোমণি বুলি স্বীকৃত। চৈতন্যই সন্ন্যাস গ্ৰহণ কৰাৰ পাছত তেওঁৰ ইচ্ছানুসৰি নিত্যানন্দ নবদ্বীপৰ ধৰ্মাচাৰ্য্যৰ পদত অধিষ্ঠিত হয়। শান্তিপুৰৰ ধৰ্মৰ গৰাকী আছিল অদ্বৈতাচাৰ্য্য। এওঁলোকৰ বংশ-পৰম্পৰাই এতিয়াও তাৰ ধৰ্মীয় কাৰ্য্য পৰিচালনা কৰি আছে।

বঙ্গদেশত নৱবৈষ্ণৱ আন্দোলনৰ যোগেদি সমাজ সংস্কাৰৰ এক বিশাল কাৰ্যসূচীৰ আৰম্ভণি হয়। এই ব্যৱস্থাৰ বিশেষ তাৎপৰ্য্য পৰিলক্ষিত হৈছিল জাতি-ভেদৰ আঁতৰ কৰা প্ৰচেষ্টাত। নিত্যানন্দই গুৰুৰ আশীষ শিৰত লৈ সমাজ সংস্কাৰৰ দায়িত্ব গ্ৰহণ কৰি সমাজৰ তল খাপৰ লোকসকলকো সাদৰি লৈ হিন্দু সমাজৰ ভেটি টনকিয়াল কৰিবৰ উপায় উলিয়াইছিল। চৈতন্যৰ অনুগামীসকলৰ দ্বাৰা বংগীয় সাহিত্য-সংস্কৃতিলৈ অৰিহণাৰ বিষয়ে আগেয়ে উল্লেখ কৰা হৈছে। বংগদেশত চৈতন্যৰ স্মৃতি জড়িত আৰু আন গুৰুসকলৰ কৰ্মস্থলবিলাকতো বহু ক্ষুদ্ৰ ক্ষুদ্ৰ গৌড়ীয় পন্থৰ কেন্দ্ৰ স্থাপিত হৈছে। বৰ্তমান কালত 'কৃষ্ণ চৈতন্য' (Krishna consciousness) তত্ত্বৰ আধাৰত বিশ্বৰ বহু দেশত ধৰ্মকেন্দ্ৰ স্থাপন হবলৈ ধৰিছেআৰু হাজাৰ হাজাৰ আন ধৰ্মাবলম্বী মানুহে এই তত্ত্বৰ প্ৰতি অভূতপূৰ্ব সঁহাৰি জনাইছে।

# চতুৰ্থ অধ্যায়

## প্ৰাচীন কামৰূপৰ ভক্তি আন্দোলনৰ জোঁৱাৰ
## যুগনায়ক শ্ৰীমন্ত শঙ্কৰদেৱ

১৩৭১ শকৰ আহিন মাহৰ শুক্লাদশমী তিথিত বৰ্তমান নগাঁও জিলাৰ আলিপুখুৰী নামে ঠাইত শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল কুসুম্বৰ ভূঞা আৰু মাতৃৰ নাম সত্যসন্ধা। কুসুম্বৰ আৰু সত্যসন্ধাৰ বিবাহৰ বহুকাল পিছলৈ কোনো সতি-সন্ততি নোহোৱাত কুসুম্বৰে শ্ৰীপতি ভূঞাৰ পৰিয়ালৰ কন্যা অনুধৃতীক বিয়া কৰায়। শঙ্কৰদেৱৰ জন্মৰ কিছু পিছত অনুধৃতীৰ গৰ্ভত তেওঁৰ বৈমাত্ৰ ভাতৃ বনগঞাগিৰি ওপজে।

শঙ্কৰদেৱৰ পৰিয়ালটোৰ স্থান আছিল কান্যকুব্জ বা কনৌজ। কনৌজলৈ তেওঁলোকে গুজৰাট অঞ্চলৰ পৰা অহা বুলি জনা যায়। ভাৰতবৰ্ষৰ বহু ঠাইত মুছলমানসকলৰ অধিকাৰ হ'লত কান্যকুব্জ নগৰৰ বহু ধৰ্মপ্ৰাণ হিন্দু মানুহে ধৰ্ম আৰু প্ৰাণৰ ভয়ত দেশ এৰি হাবিয়ে পৰ্বতে পলাই ফুৰিছিল। এই লোকসকলৰ মাজত শঙ্কৰৰ উপৰিপুৰুষ লণ্ডাদেৱগিৰি আৰু তেওঁৰ পুতেক চণ্ডীবৰগিৰিয়ো আছিল। এওঁলোকে কান্যকুব্জলৈ উভতি যোৱা নিৰাপদ যেন জানি বৰ্তমান বঙ্গদেশৰ উত্তৰ অঞ্চলৰ গৌড়দেশলৈ আহি তাত বসবাস আৰম্ভ কৰে। সেই ঠাইত গৌড়ৰ ৰজা আছিল ধৰ্মনাৰায়ণ। লণ্ডাবৰ আৰু চণ্ডীবৰ দুয়ো প্ৰখৰ বুদ্ধিমান পণ্ডিত আৰু পৰাক্ৰমী কাৰণে এওঁলোকধৰ্মনাৰায়ণৰ চকুত পৰে আৰু ক্ৰমে তেওঁৰ প্ৰিয়পাত্ৰ হৈ উঠে। চণ্ডীবৰক ৰজাই দেৱান নিযুক্ত কৰে। এওঁলোকে গৌড়দেশত যথেষ্ট সুখ-শান্তি আৰু প্ৰতিপত্তিৰে বাস কৰি আছিল। কিন্তু ঘটনা প্ৰবাহত তেওঁলোকে গৌড়দেশ ত্যাগ কৰি প্ৰাচীন কামৰূপলৈ অৰ্থাৎ অসমলৈ আহিবলগীয়া হয় আৰু কালক্ৰমত এই পৰিয়ালৰ শঙ্কৰদেৱে উত্তৰ-পূব ভাৰতত ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক স্তৰত এনেকুৱা অবদান আগবঢ়ায় যাৰ ফলত এই অঞ্চলটোৰ এটা সুকীয়া অস্তিত্ব বৃহৎ ভাৰতীয় সমাজত প্ৰতীয়মান হয়।

গৌড়ৰ ৰজা ধৰ্মনাৰায়ণ আৰু কমতাৰ অধীশ্বৰ দুৰ্লভ নাৰায়ণৰ লগত মিত্ৰতাৰ সন্ধি স্থাপন হয়। সেই সূত্ৰে কমতাধিপতিয়ে তেওঁৰ ৰাজ্যত ধৰ্মপৰায়ণ, জ্ঞানী আৰু শাসনাভিজ্ঞ লোক নিচেই তাকৰ থকা কাৰণে মিত্ৰৰজালৈ তেনে কিছু পণ্ডিত আৰু জ্ঞানী মানুহ পঠাবলৈ অনুৰোধ কৰে। ধৰ্মনাৰায়ণে সেইমতে সাতঘৰ ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থ মানুহ কমতালৈ পঠায়। এই সাতঘৰ কায়স্থৰ ভিতৰতে লণ্ডাদেৱ আৰু চণ্ডীবৰ এঘৰ আছিল। এওঁলোকক কামৰূপ জিলাৰ বৰনদীৰ ওচৰত লেঙামাগুৰি নামে ঠাইত বসবাস কৰিবলৈ দিয়া হয়। লণ্ডাদেৱৰ কুল-পুৰোহিত কৃষ্ণ পণ্ডিতো একে ঠাইতে থাকে। কমতেশ্বৰে চণ্ডীবৰক শিৰোমণি

ভূঞা পাতি শাসন কাৰ্য্যত নিযুক্ত কৰে। তেওঁ অতি সুদক্ষতাৰে শাসনকাৰ্য্য পৰিচালনা কৰে আৰু সেই অঞ্চলত ভোট আদি পৰ্বতীয়া জাতিবিলাকৰ উপদ্ৰৱ বহু পৰিমাণে প্ৰতিহত কৰে। পিছত বানপানী আদি নানা অসুবিধাৰ কাৰণে তেওঁলোকে লেঙামাগুৰিৰ পৰা উজাই গৈ টেম্বুৱানি বৰদোৱাত ঘৰবাৰী পাতিলেগৈ।

লণ্ডাদেৱৰ মৃত্যুৰ পিছত চণ্ডীবৰৰ ৰাজধৰ নামে এটি পুত্ৰ জন্মে। ৰাজধৰৰ চাৰিজন পুত্ৰ আছিল— সূৰ্য্যবৰ, জয়ন্ত, মাধব আৰু হলায়ুধ। সূৰ্য্যদেৱৰ পুত্ৰটিৰ নাম আছিল কুসুম্বৰ। এৱেঁই মহাপুৰুষ শঙ্কৰদেৱৰ পিতৃদেৱ।

## বাল্যকাল আৰু শিক্ষা

শঙ্কৰে নিচেই সৰুকালতে পিতৃ-মাতৃ দুয়োকো হেৰুৱায়। বুঢ়ীমাক খেৰসূতীয়ে তেওঁক তুলি-তালি ডাঙৰ-দীঘল কৰে। তেওঁ সৰুকালত এটা উৎপতীয়া ল'ৰা হিচাপেহে পৰিচিত হৈছিল। লগৰীয়া ল'ৰাৰ লগত সদায় খেল-ধেমালি কৰিয়ে সময় কটাইছিল। ভটাখেল, ঘিলাখেল, লুকাভাকু আদি খেলি ভাল পাইছিল। কনৰ মাজৰ পৰা হৰিণাশিশু, নদীৰ পৰা শিহু আৰু গছৰ পৰা চৰাই-পোৱালি ধৰি আনি খেলি মেলি সিবিলাকক আকৌ এৰি দিছিল। ৰামৰাম গুৰুৱে সৈতে ভাদমহীয়া ব্ৰহ্মপুত্ৰ নৈ সাঁতুৰি পাৰ হৈছিল। এনেদৰে আনন্দ-স্ফূৰ্ত্তিৰ মাজেৰে তেওঁৰ বাৰবছৰ কাল উকলি গ'ল, কিন্তু পঢ়াশুনাৰ প্ৰতি কোনো ধাউতি দেখা নগ'ল। এই কথাৰে বুঢ়ীমাক সদায় চিন্তান্বিত আছিল, অথচ মাউৰীয়া ল'ৰাটোক কঠোৰ শাসনো কৰিবলৈ টান পাইছিল। এদিন তেওঁ শঙ্কৰক স্নান ভোজন কৰাই অতি চেনেহপূৰ্ণভাৱে কিন্তু অভিমানী সুৰত ক'লে :

"তোৰ আৰু পঢ়িবৰ মন নাই। ভণ্টাখেৰি গৰুজাকতহে চিত্ত। বাৰে বৎসৰীয়া হলিকে, আমাৰ বংশত অপণ্ডিত নাই, তই মূৰ্খ হ'ব খুজিছনে? দৈৱজ্ঞে চাই পণ্ডিত হ'ব বুলি ক'লে, সিও দেখো মিছা হ'ল। আমাৰেসে কৰ্মতৰে পণ্ডিতৰো বাক্য লৰে।"

বাক্যবাণে বালক শঙ্কৰক বাৰুকৈয়ে বিন্ধিলে। অতি বিনম্ৰভাৱে উত্তৰ দিলে "কোন পণ্ডিতৰ ওচৰত পঢ়িব লাগে মোক পঠিয়াই দিয়ক, মই অতি অলপ দিনৰ ভিতৰতে পঢ়ি আপোনালোকৰ মনত সন্তোষ দিম।" যেনে কথা তেনে কাম। মহেন্দ্ৰ কন্দলিৰ ছাত্ৰশালত তেওঁক ভৰ্ত্তি কৰোৱা হ'ল।

পঢ়াশালিত শঙ্কৰ অধ্যাপকৰ অতি প্ৰিয় ছাত্ৰ হৈ উঠিল, শিক্ষকে এবাৰ যিকোনো বিষয়ে বুজাই দিলে তেওঁ সেই কথা আয়ত্ত কৰিব পাৰিছিল। প্ৰথম দিনতে ক, খ আদি ব্যঞ্জনবৰ্ণ লিখিব আৰু পঢ়িব পৰা হ'ল। ব্যঞ্জনবৰ্ণ শিকিয়ে তেওঁ অকল ব্যঞ্জনবৰ্ণ জোঁটাই এটি পয়াৰ কৰি অধ্যাপক মহেন্দ্ৰ কন্দলিক দিয়াত কন্দলিয়ে আচৰিত মানিলে। কবিতাটো এনেকুৱা,

কৰতল কমল কমল দল নয়ন।
ভবদব দহন গহন বন শয়ন।।
নপৰ নপৰ পৰ সতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয়।।
খৰতৰ বৰশৰ হত দশবদন।
খগচৰ নগধৰ ফণধৰ শয়ন।।
জগদৰ মপহৰ ভৱভয় তৰণ।
পৰপদ লয় কৰ কমলজ নয়ন।।

অকল ক ফলা পঢ়িয়েই যি ল'ৰাই এনে পদ্য লিখিব পাৰে সেই ল'ৰাৰ ভৱিষ্যত সম্বন্ধে অধ্যাপক নিশ্চিন্ত হ'ল। সকলো ছাত্ৰ গোটাই শঙ্কৰক 'শঙ্কৰদেৱ' বুলি সম্বোধন কৰিবলৈ আদেশ দিলে আৰু তেওঁক পঢ়াশালি মষ্ঠ আদি কামৰ পৰা অব্যাহতি দিলে। ডাঙৰলৈকে উমলি ফুৰি তেওঁৰ এনে অভ্যাস হৈছিল যে পঢ়াশালিৰ অধ্যাপকক এটকা ৰূপ আৰু এখন কাপোৰ লুকাই ভেঁটি দি অধ্যাপকৰ পৰা বিদায় লৈ খেলিবলৈ গৈছিল। অধ্যাপকে সেই ৰূপ আৰু কাপোৰ বুঢ়ীমাকক ওভোতাই দিলত বুঢ়ীমাকে শঙ্কৰক দাবি-ধমকি দিয়াত সেইদিনাৰ পৰা ভালকৈ পঢ়া-শুনাত মন লগালে। দৈত্যাৰি ঠাকুৰে শঙ্কৰৰ ছাত্ৰকালৰ বৰ্ণনা এনেদৰে দিছে:

সেহি দিন ধৰি উমলিবেক নযান্ত।
পৰম যতনে গুৰুগৃহত পঢ়ন্ত।।
বাৰেক দেখাই দিলে এতেক পাৰন্ত।
অতি অনায়াসে গুৰু তাহাক পঢ়ান্ত।।
পঢ়িলন্ত নিৰন্তৰে শাস্ত্ৰ সমস্তয়।
অপ্ৰমাদী পণ্ডিত ভৈলন্ত মহাশয়।।
অধিৰতে সমস্ত শাস্ত্ৰক বিচাৰন্ত।
শাস্ত্ৰালাপ বিনে আন কৰ্ম্ম নাচৰন্ত।।
শাস্ত্ৰৰ তত্বক জানি মনত হৰিষে।
পৰলোক হিত মাত্ৰ চিন্তে অহৰ্নিশে।।
ধৰ্মত সদায় ৰতি কৃপাময় মন।
শিশু হন্তে ধৰ্ম মাত্ৰ কৰন্ত সঘন।।

পঢ়াশালি এবাৰ পিছত শঙ্কৰে যোগাভ্যাস কৰিবলৈ লয় আৰু সেই বিদ্যাত নিপুণতা লাভ কৰে। তেওঁ কুম্ভক যোগ আদি কৰি প্ৰাণ অপান আদি বায়ু বশ কৰি অতি অদ্ভুত ক্ষমতা প্ৰদৰ্শন কৰিছিল। শাৰীৰিকভাৱে তেওঁ সৰুৰেপৰা অতি সুদৰ্শন আৰু শক্তিমন্ত আছিল। তেওঁৰ গাৰ ৰং উজ্জ্বল গৌৰবৰ্ণৰ আছিল। দৈত্যাৰি ঠাকুৰে

লিখিছে:

"দেখিতে সুন্দৰ গৌৰবৰ্ণ কলেবৰ।
কৰন্ত প্ৰকাশ অতি সূৰ্য্য সমসৰ।।
ৰূপ দেখি কন্দৰ্পৰো দৰ্প হোৱে ছন্ন।
সৰ্ব্বজন ৰঞ্জি থাকে মধুৰ বচন।।
গমন গম্ভীৰ, নেত্ৰ কমলৰ পাসি।
চন্দ্ৰ সম বদন প্ৰকাশে অল্প হাসি।।
সুবোধ সুথিৰ ধীৰ গম্ভীৰ সাগৰ।
প্ৰীতি বাঢ়ি যায় তান্ত সমস্ত লোকৰ।।

## ধৰ্মীয় মাৰ্গৰ পাতনি

শঙ্কৰৰ উপৰিপুৰুষ চণ্ডীবৰে প্ৰথমতে লেঙামাগুৰিৰ পৰা আহি বৰদোৱাত বসতি কৰাৰ কথা আগতে উল্লেখ কৰা হৈছে। কিন্তু মাজতে দেশবিভ্ৰাটৰ কাৰণে বৰদোৱা এৰি ভূঞাসকল আলিপুখুৰীলৈ গৈছিল। ইয়াত ভূঞা বংশৰ পৰিয়াল ইমান বাঢ়িল যে সকলোৰে কাৰণে ঠাইৰ অকুলন হ'ল। সেয়ে তেওঁলোকে পুনৰ বৰদোৱালৈ উঠি আহে। বৰদোৱাত এদিন শঙ্কৰে ৰামৰাম গুৰুক ক'লে, "দেৱমন্দিৰক কৰিবাৰ মন ভৈল, সকলোকে জান দিয়া আনা এতিক্ষণ। সবে মিলি মন্দিৰক কৰা নিৰূপণ।" এই মন্দিৰৰ ভেটি খান্দোতে বিষ্ণুমূৰ্ত্তি এটা ওলাল। সেই মূৰ্ত্তিকেই মন্দিৰত প্ৰতিষ্ঠা কৰিবলৈ আয়োজন কৰা হয় আৰু সেই অনুষ্ঠানলৈ কন্দলি, মিশ্ৰ প্ৰভৃতি সকলো মুখ্য ব্ৰাহ্মণক আৰু ভূঞাসকলক নিমন্ত্ৰণ কৰা হ'ল। ৰামৰাম গুৰু পূজাৰীৰ আসনত বহিল। প্ৰতিমাৰ ওচৰত শঙ্কৰ বহিছে। ৰামৰাম গুৰুৱে ধ্যান কৰি মন্ত্ৰ পঢ়ি যি ফুল, তুলসী, চন্দন, পুষ্পমালা আদি প্ৰতিমালৈ আগবঢ়ায় সেইবোৰ কেনেবাকৈ ততালিকে শঙ্কৰৰ মূৰলৈহে যায়। বাৰে বাৰে এনেকুৱা হোৱা দেখি সকলোৰে আচৰিত মানিলে।

"আশ্চৰ্য্য দেখিয়া ৰামৰাম আদি কৰি।
সকলে মানিলা শঙ্কৰেহে মহা হৰি।।
কিসক ভাওনা কৰি আমাক আচয়।
নিশ্চয় জানিলো আমাসাৰ গুৰু হয়।।" পূজা শেষ হ'ল, মূৰ্তিৰ প্ৰতিষ্ঠা হ'ল কিন্তু পণ্ডিত সমাজতশঙ্কৰ কোন সেই বিষয়ে আলোড়ন আৰম্ভ হ'ল।

মন্দিৰ প্ৰতিষ্ঠা উৎসৱৰ পিছত এদিন ৰামৰাম আদি কৰি সকলো ব্ৰাহ্মণে শঙ্কৰৰ ওচৰলৈ আহি তেওঁলোকক শৰণ দিবলৈ অনুৰোধ জনালে। তেওঁলোকে ক'লে, "ভক্তি মুক্তি দাতা তুমি বিনে নাহি আন। চৰণে সেৱিলোঁ প্ৰভু দিয়োক

শৰণ।।" সেই সময়ত হিন্দু-শাস্ত্ৰ মতে অকল ব্ৰাহ্মণ গুৰুৰেহে শৰণ দিয়াৰ নিয়ম আছিল। শঙ্কৰ নিজে শাস্ত্ৰত পণ্ডিত। গতিকে বিধান লঙ্ঘন কৰে কেনেকৈ? সেয়ে তেওঁ কৈছিল ঃ

"আমি শূদ্ৰ, গুৰু তুমি ব্ৰাহ্মণসকল।
শৰণ লৈবাক লাগি কেন মতে বল।।

কিন্তু ব্ৰাহ্মণসকল নাছোৰবন্ধা। অগত্যা উপায় নাপাই শঙ্কৰে শৰণ দিবৰ কাৰণে এখন শাস্ত্ৰ ৰচনা কৰি উলিয়ালে, তেওঁ ভাগৱতৰ দশম স্কন্ধৰ আলম লৈ 'গোপী- উদ্ধৱ-সংবাদ' নামৰ পুথি ৰচনা কৰিলে। এয়েই তেওঁৰ প্ৰথম ৰচনা। তেওঁ শাস্ত্ৰ স্থাপনা কৰি ব্ৰাহ্মণসকলক সেই শাস্ত্ৰৰ সম্মুখ কৰি শৰণ লগোৱাই হিন্দুৰ শ্ৰুতি স্মৃতিৰ বিধানৰো সম্মান ৰক্ষা কৰিলে আৰু নিজেও ব্ৰাহ্মণৰ দীক্ষাগুৰু হোৱাৰ পৰা হাত সাৰিলে। এইখিনিতে এটা মন কৰিবলগীয়া কথা যে শঙ্কৰে ব্ৰাহ্মণসকলক থাপনা কৰা মূৰ্তিৰ সম্মুখত শৰণ লগোৱা নাছিল। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে তেওঁ মূৰ্তিপূজাৰ পক্ষপাতী নাছিল। এনেদৰে মহাশাক্ত কুসুম্বৰ ভূঞাৰ পুত্ৰই আড়ম্বৰপূৰ্ণ পূজাৰী-প্ৰধান পূজা-পাতল বিধিৰ ঠাইত একমাত্ৰ হৰিনামৰ মহিমা প্ৰচাৰৰ উপায় উদ্ভাৱন কৰি ভাৰতৰ উত্তৰ-পূব প্ৰান্তত নব-বৈষ্ণৱ আন্দোলনৰ পাতনি মেলিলে। তেতিয়াৰ পৰাই অসমত গুৰুগিৰী কাৰ্যত অব্ৰাহ্মণৰো অধিকাৰ বৰ্তিল।

শঙ্কৰদেৱে তেওঁৰ পৈতৃক বিষয় ৰাজকাৰ্য্য চলাই বৰদোৱাত জ্ঞাতি-কুটুম্বসকলৰ লগত সুখেৰে আছে। তেওঁৰ ব্যৱহাৰত সকলো সন্তুষ্ট। ভগৱানৰ প্ৰতি অচলা ভক্তি, নিজৰ কৰ্তব্য সুচাৰুৰূপে পালন, দীন-দুখীয়াৰ প্ৰতি সহায় সহানুভূতিআদি তেওঁৰ চৰিত্ৰৰ বৈশিষ্ট্য আছিল।

শঙ্কৰদেৱৰ মুখৰ পৰা ধৰ্মীয় কাহিনীবিলাক শুনি শুনি ভূঞাসকল আৰু ব্ৰাহ্মণসকল পৰিতৃপ্ত হৈছিল। তেওঁলোকে এইবাৰ ভাবিলে কাণেৰে শুনাতকৈ বৈকুণ্ঠৰ দৃশ্য চকুৰে চাব পাৰিলে আৰু ভাল হয়। শঙ্কৰক তাৰ বাবে অনুৰোধ জনালে। তেওঁ ভাবি-চিন্তি চিহ্নযাত্ৰা নাট লিখি উলিয়াই ভাওনা কৰিবৰ উদ্যোগ কৰিলে। তেওঁ লিখা এইখনেই প্ৰথম অঙ্কীয়া নাট। সেই সময়ত এখন নাট মেলা কাম কিমান কঠিন আছিল সহজে অনুমান কৰিব পাৰি। একো সমলো নাই। শঙ্কৰে নিজে দেখুৱাই দি কুমাৰৰ দ্বাৰা খোল গঢ়ালে। সেই খোলত ঘুণ দি কেনেকৈ মাত উলিয়াব লাগে তাকো শিকালে। কঁহাৰৰ হতুৱাই মন্দিৰা, খুতিতাল, ভোৰতালকে আদি কৰি অনেক বিধৰ তাল গঢ়ালে। দৃশ্যপটৰ নিচিনাকৈ পটত বৈকুণ্ঠৰ দৃশ্য নিজে আঁকিলে। নাটখনত ধেমালিৰ ঘোষা প্ৰথমতে লিখিলে, দ্বিতীয়তে শ্লোক ৰচিলে। তাৰ পিছত সূত্ৰ, ভটিমা আৰু গীত ৰচনা কৰি লিখিলে। পটখনত "যাৰ যেন স্থান, যিমত লক্ষণ, কল্পতৰু উপবন। সৰোবৰচয়, অধিকে শোভয় স্বৰ্ণঘাট সুশোভন, লক্ষ্মী, সৰস্বতী, চৌদ্ধ পাৰিষদ পটত সবাকে দিলা। সাত বৈকুণ্ঠৰ সপ্তম,

গোপাল, সবাকো তাতে লিখিলা।" তাৰ পিছত গায়ন, বায়ন, ভাৱৰীয়া সকলোকে প্ৰশিক্ষণ দি প্ৰস্তুত কৰিলে। ভিন্ ভিন্ চৰিত্ৰৰ বাবে মুখা আদি সজ্জা কামো তেওঁ নিজে কৰিলে।

এইখিনিতে এটা তাৎপৰ্য্যপূৰ্ণ ঘটনা উল্লেখ কৰাতো উচিত হ'ব। শঙ্কৰদেৱে যেতিয়া দৃশ্যপটখন অঁকা কাম প্ৰায় শেষ কৰিছে সেই সময়ত তেওঁৰ গৃহৰ দাসী চন্দৰী বুঢ়ী ঘৰ সাৰি সাৰি আহি পটখন নিৰীক্ষণ কৰিলে। বুঢ়ীয়ে শঙ্কৰক সুধিলে, "ডেকাগিৰি তোমাৰ পটত দেখোন বৈকুণ্ঠৰ কল্পতৰু বৃক্ষজোপা দেখা নাপাওঁ। ডেকাগিৰি অলপ অপ্ৰস্তুত হৈ ক'লে, "বাই, কটবৃক্ষডাল ক'ত আঁকিম, তুমি দেখুৱাই দিয়া।" বায়ে বাঢ়নিৰে খোচা মাৰি ঠাই এডোখৰ দেখুৱাই ক'লে, "ইয়াতে দিয়া।" শঙ্কৰে সেই মতেই কাম কৰিলে। এই ঘটনাৰ পৰা সহজে অনুমান কৰিব পাৰি যে শঙ্কৰৰ পৰিয়ালৰ সাংস্কৃতিক বুনিয়াদ কেনে ধৰণৰ আছিল, যি ঘৰৰ এজনী দাসীৰো এনেকুৱা তত্ত্বজ্ঞান আৰু সূক্ষ্মদৃষ্টি।

নাট আৰম্ভ কৰি শঙ্কৰে নাট-ধেমালি, বৰ-ধেমালি বজালে। বৰবায়ন হৈ নটা খোল লৈ একেলগে বজালে। সূত্ৰধাৰ হৈ নানা ভাৱভঙ্গীৰে নৃত্য কৰি ভাওনাৰ সূত্ৰ জুৰিলে। মুঠতে ভাওনাৰ গোটেই অংশতে, সকলো ঘাই কামতে শঙ্কৰ। "বায়নত, নটুৱাত সূত্ৰ, ওজা, নাৰদ, এই চৈধ্যৰূপ হৈছে। লোক বায়তে দেখি অদ্ভুত আশ্চৰ্য্য হ'ল।" এই ভাওনাত তেওঁৰ ভায়েক কাগএগপিৰিক গায়ন, সৰ্বজয় আৰু কমলি ধৰা পৰমানন্দক নটুৱা পাতি আৰু আন বহুতকে বিভিন্ন ভাও দিছিল। এনেদৰে সিদিনা প্ৰাচীন কামৰূপৰ পৰম্পৰাৰ ভেটিত নতুন নৃত্য, নতুন বাদ্য, নতুন গীত, ৰাগ, সুৰ আৰু তালৰ মূৰ্চ্ছনাৰে এটি নতুন বুনিয়াদ সৃষ্টি হ'ল। বিভিন্ন ভাওত, বিভিন্ন ভাগত ঠাই ঠাই হৈ থকা সমূহ জনগণক হৰিনাম ধ্বনিৰে অন্তৰ সংস্কৃতময় কৰি একেটি দোলেৰে বন্ধাৰ এক মহান অভিনৱ প্ৰয়াস আৰম্ভ হ'ল।

যাত্ৰাৰ অন্তত আৰু এক তাৎপৰ্য্যপূৰ্ণ ঘটনা ঘটিল। দৰ্শকৰ মাজত শিক্ষাগুৰু কন্দলিক দেখি শঙ্কৰে সেৱা কৰিবলৈ তেওঁৰ ওচৰ চাপিল। কন্দলিয়ে এক অদ্ভুত কাম কৰিলে ঃ

"প্ৰণামিতে চাহে গুৰু কন্দলি দেখিয়া।
কি কৰাহা বুলি তাক ধৰি আলিঙ্গিয়া।।
তোমাকেহে নমস্কাৰ কৰিবে লাগয়।
তুমিসি ঈশ্বৰ মই জানোহো নিশ্চয়।।"

ভাওনা চাবলৈ অহা প্ৰায় দহ হাজাৰ দৰ্শকে অভিনয়ত আপ্লুত হৈ মতলীয়াৰ নিচিনাকৈ সেই সময়ত সমস্বৰে হৰিধ্বনি কৰি আছিল। মহেন্দ্ৰ কন্দলিয়ে সমূহ দৰ্শকৰ আগত দণ্ডৱতে ক'বলৈ ধৰিলে ঃ

"মহেন্দ্ৰ কন্দলি দণ্ডৱত কৰিলন্ত।

কৰযোৰ কৰি সমাজক বুলিলন্ত।।
শুনা সভাসদ বোলোঁ নিশ্চয় বচন।
শঙ্কৰদেৱত মই পশিলো শৰণ।।
শুনিয়োক সৰ্ব্বজন কহিবো বুজাই।
শঙ্কৰৰ মহিমাক কহন নাযায়।।
পাঠশালা মধ্যে একদিন শুতিলন্ত।
অনন্তে আসিয়া তেতে ছত্ৰ ধৰিলন্ত।।
দেখিয়া আমাক সিটো সৰ্প অন্তৰিলা।
চকমক্ কৰি পাছে শঙ্কৰ বসিলা।।
শুনা কৰ্ণপূৰ চতুৰ্ভুজ দুয়োজন।
নৰোত্তম বৃদ্ধ তুমি পণ্ডিত গহন।।
উৰ্দ্ধবাহু কৰি মই কৰোঁ অঙ্গীকাৰ।
শঙ্কৰৰ পৰ গুৰু নাহিকে আমাৰ।।
শূদ্ৰ বুলি যিটো পাপী কৰে তিৰস্কাৰ।
তাহাৰ ব্ৰাহ্মণ জন্ম আছোক ধিক্কাৰ।।"

এনেদৰে মহেন্দ্ৰ কন্দলিয়ে সমূহ ৰাইজক সম্বোধি ক'লত ৰামৰাম আদি কৰি সকলো শ্ৰেষ্ঠ দ্বিজে কন্দলিৰ মতক পূৰ্ণ সমৰ্থন জনালে আৰু শঙ্কৰক গুৰুপদত বৰণ কৰি শৰণ দিবলৈ অনুৰোধ জনালে। শঙ্কৰে পূৰ্ব্বৰ নিচিনাকৈ তেওঁলোকৰ বৈদিক পন্থৰ পৰম্পৰাৰ কথা সোঁৱৰাই ব্ৰাহ্মণৰহে গুৰুপদত অধিকাৰ সেই বচন বুলিলে, ব্ৰাহ্মণসকলে উত্তৰ দিলে ঃ

বদতি ব্ৰাহ্মণসবে শুনিয়ো বচন।
কাৰ্য্যত লেখিলো আমি তুমি নাৰায়ণ।।
বৈশ্য নন্দ, ৰাজন্য জাতিত বসুদেৱ।
তাহাৰাৰ পুত্ৰৰূপে ভৈলা কৃষ্ণদেৱ।।
দেৱ ব্ৰহ্মা ঋষি কিবা তাঙ্ক নেসেবিলা।
যাৰ গুণ নামে লোক সংসাৰ তৰিলা।।

ইয়াৰ পিছত শঙ্কৰদেৱে গোপী-উদ্ধৱ-সংবাদ পুথি সম্মুখত থৈ ব্ৰাহ্মণসকল আৰু বহু ভূএগ্ৰা বংশৰ লোকক শৰণ দিয়ালে আৰু নাম, ভকত আৰু দেৱমহিমা প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰিলে।

শঙ্কৰদেৱে সদায় হৰিকথা চৰ্চ্চি দিন নিয়াবলৈ ধৰিলে। সৰ্বত্তৰৰ সৰ্বশ্ৰেণীৰ মানুহে তেওঁৰ ওচৰলৈ আহি শৰণ ল'বলৈ ধৰিলে। হৰিনামৰ আলোড়নত মানুহ মতলীয়া হ'ল আৰু ৰাজকাৰ্য্য সংসাৰৰ যাৱতীয় কামৰ প্ৰতি তেওঁৰ উদাসীনতা প্ৰকাশ পাবলৈ ধৰিলে। এদিন তেওঁ দুইজন পিতামহ জয়ন্ত আৰু মাধৱক মাতি আনি

ক'লে :

"শুনিয়ো জয়ন্তা আৰু মাধৱ আতাই।
অনিত্য সংসাৰ আত কিছু স্থিৰ নাই।।
শাস্ত্ৰক কৰিবো মই ধৰ্ম প্ৰকাশিবোঁ।
ৰাজৰ চৰ্চ্চনা ভাৰ কেন মতে লৈবোঁ।।
জানিয়া সিসব তোমসাত সমপিলোঁ।
পৰকাল চেষ্টা কাৰ্য্য কৰিবাক লৈলোঁ।।

দুই পিতামহই এনেকুৱা কথা শুনি চিন্তান্বিত হ'ল। তেওঁলোকে শঙ্কৰৰ সংসাৰৰ প্ৰতিবিৰক্তিৰ ভাব আঁতৰ কৰিবলৈ হৰিখা ৰৰভূঞাৰ ৰূপে গুণে বিভূষিতা কন্যা সূৰ্য্যৱতীক শঙ্কৰলৈ বিয়া কৰাই অনালে। সেয়া আছিল ১৩৯২ শকৰ কথা।

বিবাহৰ পিছত শঙ্কৰে গৃহস্থীধৰ্ম আৰু আধ্যাত্মিক চৰ্চাত সমানে নিমগ্ন থাকিও সামাজিক সমস্যাবোৰৰো সমাধানত সদায় নিয়োজিত আছিল। লোকসকলে টেম্বুৱানি জানৰ পানী আহি তেওঁলোকৰ খেতি-পথাৰৰ শস্য নষ্ট কৰা কথা জনোৱাত তেওঁ সেই জান বন্ধা কাম সম্পূৰ্ণ কৰি লোকৰ দুখ-দুৰ্গতি আঁতৰ কৰে। তদুপৰি বৰদোৱাত সেই সময়ত খৰালি খোৱা পানীৰ খুব অভাব হৈছিল, তেওঁ ভক্ত সমন্বিতে অভিনৱ উপায়েৰে পানীৰ ব্যৱস্থা কৰে, যাক মানুহে "বটদ্ৰৱা গঙ্গা" বা "আকাশী গঙ্গা" বুলি কয়। এইবোৰ কাৰ্য্যত চৰিতকাৰসকলে নানা অলৌকিকতাৰ ৰহণ সানিছে। সেইবোৰত গুৰুত্ব আৰোপ নকৰাকৈয়ো এইটো অনুমান কৰিব পাৰি যে শঙ্কৰদেৱ সদায় লোকহিতকৰ কামত অগ্ৰণী আছিল।

১৩৯৬ শকত শঙ্কৰে মনু নামে এজনী কন্যা লাভ কৰে। কিন্তু মনুৰ বয়স নমাহ হওঁতেই মাক সূৰ্য্যৱতী মৃত্যু মুখত পৰে। এই ঘটনাৰ পিছত শঙ্কৰৰ বৈৰাগ্য প্ৰবলতৰ হয়। মনুৰ সাত বছৰ বয়স হ'লত ৰামচন্দ্ৰ কায়স্থৰ পুত্ৰ হৰিৰ লগত তেওঁৰ বিবাহ কাৰ্য্য সম্পন্ন কৰা হ'ল। শঙ্কৰে সংসাৰৰ দায়িত্ব এৰিবলৈ এটা ছল পালে। তেওঁ হৰিজোঁৱাই আৰু ভায়েক ৰনগঞাগিৰিক ঘৰবাৰী যথাসৰ্বস্ব সমৰ্পণ কৰি পিতৃ, মাতৃআৰু ভাৰ্য্যাৰ অস্থি লৈ তীৰ্থযাত্ৰাৰ আয়োজন কৰিলে। তাৰ আগে আগে ককাক জয়ন্তক ৰৰভূঞা বিষয়বাব সোধাই দিয়ে।

## প্ৰথম তীৰ্থভ্ৰমণ

এই তীৰ্থভ্ৰমণ কালত তেওঁৰ লগত যোৱা সঙ্গীসকল হ'ল ৰামৰাম, মহেন্দ্ৰ কন্দলি, সৰ্বজয়, পৰমানন্দ, বলোৰাম, বলোভদ্ৰ, গোবিন্দ, নাৰায়ণ ৰৰশ্ৰীৰাম, গোপাল, ছোটবলোৰাম, মুকুন্দ, মুৰাৰি, হৰিদাস বনিয়া, দামোদৰ আতা আৰু দুজন। তেওঁ একেৰাহে বাৰ বছৰ কাল তীৰ্থভ্ৰমণত কটায়। তীৰ্থযাত্ৰাৰ সময়ত তেওঁৰ বয়স ৩২ বছৰ হৈছিল। ৪৪ বছৰ হোৱাতহে তীৰ্থৰ পৰা ঘূৰি আহে। এই

ভ্ৰমণকালত তেওঁ প্ৰথমতে গঙ্গানদীত বিধিমতে স্নান-দান কৰি পুৰুষোত্তম ক্ষেত্ৰ পায়। তাত তেওঁ দাৰুব্ৰহ্ম আৰু পঞ্চতীৰ্থ ভ্ৰমি সকলো কাম সমাধা কৰে। পুৰীত ব্ৰহ্মপুৰাণৰ আখ্যান মতে শ্ৰীক্ষেত্ৰৰ মাহাত্ম্য ব্যাখ্যা কৰি আৰু আন শাস্ত্ৰ বিষয়ত নিজৰ পাণ্ডিত্য প্ৰকাশ কৰি পণ্ডিতসকলৰ আৰু পাণ্ডাসকলৰ শ্ৰদ্ধা ভক্তি আকৰ্ষণ কৰে। তাৰ পিছত তেওঁ গয়া, কাশী, প্ৰয়াগ, সীতাকুণ্ড, বৰাহকুণ্ড, উত্তৰ-বাহিনী, অযোধ্যা, পুষ্কৰ-তীৰ্থ, মথুৰা, বৃন্দাবন আৰু দ্বাৰকা আদি তীৰ্থস্থান দৰ্শন কৰে। বৃন্দাবনৰ পৰা তেওঁ বদৰিকালৈ যায়। ইয়াতেই তেওঁ এদিন তেওঁৰ প্ৰথম বৰগীত "মন মেৰি ৰাম চৰণহি লাগু" ৰচনা কৰি সুৰ লগাই আপোনমনে গাই আছিল আৰু জন্মকুণ্ডলীমতে সিদিনাই পিছৰ কালৰ তেওঁৰ পৰম ভক্ত দ্বিতীয় মহাপুৰুষ মাধৱদেৱৰ নাৰায়ণপুৰৰ লেতেকুপুখুৰীৰ হৰিশিঙা বৰাৰ ঘৰত আবিৰ্ভাৱ হয়। এই তীৰ্থভ্ৰমণ কালৰ পিছত চৈতন্য ধৰ্ম গ্ৰহণ কৰা ৰূপ আৰু সনাতন গোস্বামীদ্বয়ে বৃন্দাবনত তেওঁৰ শৰণ লয়। ইয়াৰ উপৰি আৰু বহু নানা কুলৰ নানা শ্ৰেণীৰ লোকে তেওঁৰ ঐশ্বৰিক মহিমাৰ সন্তেদ পাই তেওঁৰ শিষ্য হৈছিল। তাৰ পিছত

কতো দিন পথক্ৰমে আসি দেৱবৰ।
ভক্তগণ সমে পাছে পাইল নিজঘৰ।।

শঙ্কৰদেৱে তীৰ্থভ্ৰমণ শেষ কৰি ঘৰলৈ উভতি অহাত স্বাভাৱিকতে তেওঁৰ বুঢ়ীমাক খেৰসূতী আই, আন আন আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱ সকলো অতি আনন্দিত হ'ল। তেওঁৰ জ্ঞাতি-কুটুম্ব সকলোৱে তেওঁক পুনৰ শিৰোমণি ভূঞাৰ বাব লৈ ৰাজকাৰ্য্য চলাবলৈ টানি অনুৰোধ জনালে। শঙ্কৰৰ কিন্তু আৰু বিষয় বাসনাৰ লগত জড়িত হোৱাৰ ইচ্ছা নাই। সেয়ে তেওঁ ক'লে, "মোক আৰু বিষয় নালাগে, ঈশ্বৰৰ নাম লৈ বহি থাকিবৰহে মোৰ ইচ্ছা।" ইয়াৰ কিছুদিন পিছতে খেৰসূতী আইৰো মৃত্যু হয়। বুঢ়ীমাকৰ শ্ৰাদ্ধ আদি সম্পন্ন কৰি ধৰ্মীয় চিন্তা-চৰ্চাতেই তেওঁ সময় কটাইছিল। কিন্তু ককাক জয়ন্তা আৰু মাধব আৰু আন আত্মীয় স্বজনসকলে তেওঁৰ পুনৰ্বাৰ বিয়া পাতি দিলে কালিকা ভূঞাৰ কন্যা কালিন্দীৰ লগত। তেতিয়া শঙ্কৰৰ বয়স ৫৪ বছৰ।

## বৰদোৱা ত্যাগ

বৰদোৱাৰ ব্ৰাহ্মণ আৰু ভূঞাসকলৰ কছাৰী মানুহখিনিৰ লগত মাটিৰ সীমা আদি লৈ সদায় হাই-কাজিয়া লাগি আছিল। কছাৰীসকলে মাজে সময়ে গাঁৱত নানা উপদ্ৰৱ কৰিছিল আৰু সেই কাৰণে মানুহ সদায় ভয়ত ত্ৰস্ত আছিল। এবাৰ ভূঞাসকলে মিলি এটি বৰ গৰ্হিত কাম কৰিছিল। তেওঁলোকে ভোজ খোৱাৰ ছল কৰি মাতি আনি বহু কছাৰী মানুহক বধ কৰিলে। শঙ্কৰদেৱে এই কথাত মৰ্মান্তিক

আঘাত পালে। কছাৰীবিলাকে বহু ৰণুৱা লৈ বৰদোৱা আক্ৰমণ কৰিবলৈ সাজু হ'ল। সেয়ে তেওঁ ক'লে ঃ

"পূৰ্ব্বে কহি আছো আমি নহৈবেক ভাল।
সি কথা মিলিল আহি জানিবা সফল।।
নাপাৰিবা যুদ্ধে তাসম্বাৰ বহু লোক।
জানিয়া উত্তৰ পাৰে সবে চলিয়োক।।

এনেদৰে জ্ঞাতি-কুটুম্ব, পৰিয়াল, শিষ্য সকলোকে লৈ শঙ্কৰে বৰদোৱা ত্যাগ কৰিলে। এই সময়ৰপৰাই শঙ্কৰৰ বংশৰ ভূঞাগিৰী বা জমিদাৰীৰ অন্ত পৰিল। তেওঁৰ আকৌ বৰদোৱালৈ ঘূৰি যোৱাৰ অৱকাশ নহ'ল।

## উজনিত ধৰ্মপ্ৰচাৰ

বৰদোৱাৰ পৰা আহি গোটেই মানুহখিনি প্ৰথমে ভালুকাগুৰিত, তাৰ পিছত কোমোৰা-কুটা আদি ঠাইত কিছুদিন থাকি বুঢ়ীগঙ্গাই দি উজাই গৈ গাংমৌত থিতাপি ল'লে। গাংমৌত হাটী-বাটী, নামঘৰ আদি সকলো সজোৱা হ'ল আৰু বহুলোকে আহি শঙ্কৰদেৱৰ পৰা নাম ধৰ্ম গ্ৰহণ কৰিবলৈ ধৰিলে। ইয়াতেই শঙ্কৰৰ পিতামহ জয়ন্ত আৰু মাধৱৰ মৃত্যু হয়। ইয়াতেই তেওঁৰ তিনিজন পুত্ৰ ক্ৰমে ৰামানন্দ, হৰিচৰণ আৰু কমললোচনৰো জন্ম হয়। শঙ্কৰদেৱে এদিন যেতিয়া বহুলোকৰ লগত সভা কৰি বহি আছিল তেওঁৰ বুঢ়ী দাসী চন্দৰীয়ে আহি তেওঁৰ প্ৰথম পুত্ৰ জন্মাৰ বাতৰিটো দিছিল। এই খবৰ শুনি তেওঁ আনন্দ প্ৰকাশ কৰাৰ পৰিবৰ্তে অতি বিষাদিতভাৱে তলৰ গীতটি ৰচনা কৰি গাবলৈ ধৰিলে ঃ

পাৱে পৰি হৰি, কৰোঁহো কাতৰি, প্ৰাণ ৰাখবি মোৰে।
বিষয়-বিষধৰ বিষে জৰজৰ, জীৱন নাৰহে থোৰ।।
অথিৰ ধন-জন, জীৱন যৌৱন, অথিৰ এহু সংসাৰ।
পুত্ৰ পৰিবাৰ সবহি অসাৰ, কৰবো কাহেৰি সাৰ।। ইত্যাদি ইত্যাদি।

সভাসদসকলে আচৰিত হৈ তেওঁৰ বিষাদৰ কাৰণ জানিব বিচৰাত তেওঁ উত্তৰ দিছিল ঃ

অনিত্য শৰীৰ আছে নাই এইক্ষণ।।
কমল পত্ৰৰ জল চঞ্চল যেমন।
খনিকে পৰয়ে স্থিৰ নৰহে কখন।।

গাংমৌত আনটো তাৎপৰ্য্যপূৰ্ণ ঘটনা হ'ল ত্ৰিহুটৰ জগদীশ মিশ্ৰৰ বাৰাণসীৰ পৰা আগমন আৰু শঙ্কৰদেৱৰ আগত ভাগৱত পাঠ। চৰিতপুথি মতে এই ব্ৰাহ্মণজনে বাৰাণসীত শাস্ত্ৰ পাঠ কৰি পাৰ্গত হৈ পুৰীৰ জগন্নাথদেৱৰ আগত ভাগৱত

পুৰাণ শুনাবলৈ গৈছিল, ব্ৰাহ্মণে তাতে হেনো জগন্নাথদেৱৰপৰা স্বপ্নাদেশ পালে যে তেওঁ কামৰূপৰ সৌমাৰ প্ৰদেশত যাক আসাম ৰজাৰ দেশ বুলি কয় তাত গাংমৌত বসবাস কৰি থকা শঙ্কৰৰ আগত ভাগৱত শুনালেই তেওঁক শুনোৱা হ'ব। তেওঁ যেন লগত পঞ্চৰাত্ৰ আৰু গীতাও লৈ যায়। জগদীশ মিশ্ৰই গাংমৌলে আহি সাত দিনত ভাগৱত পাঠ আৰু ব্যাখ্যা শেষ কৰে। তাৰ পিছতেই তেওঁ পৰলোকলৈ যাত্ৰা কৰে। শঙ্কৰদেৱে ৰামৰাম গুৰু প্ৰমুখ্যে আন ব্ৰাহ্মণসকলৰ হতুৱাই তেওঁৰ পৰলৌকিক ক্ৰিয়া-কৰ্ম কৰোৱায়।

গাংমৌত এনেদৰে ৭/৮ বছৰ থকাৰ পিছত তাত আকৌ ভোটৰ আক্ৰমণৰ সম্ভাৱনা দেখা দিলে। সেয়ে ভূঞাসকল, ব্ৰাহ্মণসকল আৰু আন আন শিষ্য-প্ৰশিষ্যসকল গাংমৌৰ পৰা ধুৱাহাটলৈ গ'ল। এই ধুৱাহাটেই পিছত বেলগুৰি থান বুলি প্ৰসিদ্ধ হয়। এই ঠাইত মহাপুৰুষজনাই প্ৰায় ওঠৰ/ঊনৈশ বছৰ কাল কটায় আৰু গোটেই উজনি অসমতে নামধৰ্মৰ জোৱাৰ সাগৰৰ দৰে বোৱাই দিয়ে। লিখা-পঢ়াৰ কোনো সুযোগ সুবিধা নোপোৱা, পণ্ডিতসকলৰ সংস্কৃত-শাস্ত্ৰবাক্যৰ একো মোল নুবুজি কুসংস্কাৰ আৱৰ্জনাত ডুব গৈ থকা সাধাৰণ ৰাইজে থলুৱা ভাষাৰ গীত-পদৰ মাধ্যমেৰে ভগৱত স্তুতিৰ অমিয়া মাধুৰী পান কৰি তাত্ত্বিক বিষয়সমূহৰ সৰল-সহজ ভাষ্যবিলাক হৃদয়ঙ্গম কৰিব পাৰি মৰতেতে সৰগ প্ৰতিষ্ঠা হোৱা যেন অনুমান কৰিছিল। ঈশ্বৰক আৰাধনা কৰিবলৈ তেওঁলোকক এতিয়া কাৰো মধ্যস্থতাৰ প্ৰয়োজন নাই, ব্যয়বহুল পূজা-পাতলৰ কোনো আয়োজনো কৰিব নালাগে। এনে পৰিবেশৰ মাজতে যেন দৈৱিক নিৰ্দেশত শঙ্কৰৰ ওচৰলৈ আহিছিল মাধৱদেৱ, যিয়ে শঙ্কৰত শৰণ লৈ তেওঁৰ প্ৰিয়তম শিষ্যৰূপে পৰিগণিত হৈ শেষত গুৰুজনাৰ দেহাৱসানৰ পিছত তেওঁৰ গুৰুভাৰ বহন কৰি গুৰুৰ অৰ্দ্ধসমাপ্ত সকলো কৰ্ম সমাধা কৰি অসম, কামৰূপ আৰু বেহাৰ এই তিনি ৰাজ্যত নামধৰ্মৰ পোহাৰ মেলি গৈছিল, পাঁচশ বছৰ জুৰি যি ধৰ্ম-সংস্কৃতিৰ দ্বাৰাই অসম সংস্কৃতময় হৈ আছে। মাধৱ মহাপুৰুষৰ বিষয়ে আমি পিছত বিতংকৈ আলোচনা কৰিম।

যিবিলাক মহাপুৰুষে সংস্কাৰলব্ধ প্ৰতিভা লৈ জন্মগ্ৰহণ কৰি, ওৰে জীৱন অহোপুৰুষাৰ্থ কৰি, সমাজ সংস্কাৰৰ দ্বাৰা প্ৰগতিৰ পথ ৰচনা কৰিব খোজে, তেওঁলোকৰ বিপদ পদে পদে। তেওঁলোকৰ শত্ৰুৰ অভাৱ নাই। তাৰ উদাহৰণ যীশুখৃষ্ট, হজৰত মহম্মদ, শঙ্কৰাচাৰ্য্য, ৰামানুজাচাৰ্য্য, ৰামানন্দ, কবীৰ, চৈতন্যদেৱ আদি সকলো। শঙ্কৰদেৱৰো একেই দশা হৈছিল। তেওঁলোক সংৰক্ষণশীল যাজনিক পুৰোহিতসকলৰ চকুৰ কুটা আৰু দাতৰ শূল যেন হৈছিল।

সেই সময়ত অসমত প্ৰচলিত ধৰ্ম, সমাজব্যৱস্থা আৰু শাসন প্ৰণালী আদিৰ বিষয়ে অলপ আলোচনা কৰিলে পৰিবেশৰ স্বৰূপ উপলব্ধি সহজবোধ্য হ'ব। শঙ্কৰৰ

আবিৰ্ভাৱৰ পূৰ্বৰ পৰাই অসমৰ বিভিন্ন স্থানত আহোম, চুতীয়া, কছাৰী, ভূএগ আৰু কোচসকলৰ ৰাজত্ব চলিছিল। ৰাজত্ব বুলিলে আজিৰ যুগৰ প্ৰশাসনীয় গোটৰ লগত সেই সময়ৰ ৰাজ্যৰ তুলনা অবাস্তৱ। তেতিয়াৰ ৰাজত্ব আছিল ব্যক্তিকেন্দ্ৰিক। এই ৰাজশক্তিবোৰৰ মাজত কোনো সদ্ভাব নাছিল। প্ৰায় সদায় অৰিয়া-অৰি আৰু যুদ্ধবিগ্ৰহ লাগিয়েই আছিল। ফলত সাধাৰণ প্ৰজাৰ নিৰাপত্তাৰ অভাৱত মন আছিল সদায় সংশয়চিত্ত। কোনো কেন্দ্ৰীয় শাসন প্ৰবৰ্তিত হোৱা নাছিল। শঙ্কৰদেৱৰ সময়ত কিন্তু এই ব্যৱস্থাৰ কিছু উন্নতি পৰিলক্ষিত হৈছিল। চুতীয়া, কছাৰী আৰু ভূএগসকলৰ শৌৰ্য্য-বীৰ্য্য অস্তগামী হৈছিল। পূৰ্বদিশত আহোমৰ প্ৰভাৱ আৰু প্ৰতিপত্তি প্ৰায় সুদৃঢ় হৈছিল। পশ্চিমত কোচসকলে তেওঁলোকৰ শাসনৰ বাঘজৰী কটকটীয়া কৰিব পাৰিছিল।

আহোমসকলৰ ৰাজত্ব সুদৃঢ় হোৱাত তেওঁলোকে প্ৰজাৰ লগত সম্বন্ধ সহজ কৰিবলৈ তেওঁলোকৰ পূৰ্বৰ ভাষা-সংস্কৃতি পৰিত্যাগ কৰি অসমৰ থলুৱা ভাষা সংস্কৃতি গ্ৰহণ কৰিছিল। এই প্ৰক্ৰিয়াত অৱশ্যে নাৰীসকলৰ অৱদান আছিল অসামান্য। আহোমসকলৰ বেছিভাগে লগত তিৰোতা মানুহ লৈ এই দেশ জয় কৰিবলৈ অহা নাছিল। তেওঁলোকে স্থানীয় ছোৱালী বিয়াবাৰু কৰাই অসমীয়া সমাজৰ অন্তৰ্ভুক্ত হৈ পৰিছিল। সাধাৰণতে পৰিয়াল এটাত ঘৰৰ গৃহস্থনী গৰাকীৰ মাত-কথাই প্ৰাধান্য লাভ কৰে আৰু সতি-সন্ততিসকলে সৰুৰে পৰা মাকৰ ভাষাৰ মাধ্যমতে মাত-কথা শিকে। এনেদৰে আহোমসকলৰ অসমীয়া সমাজত সম্পূৰ্ণৰূপে জাহ যোৱা প্ৰক্ৰিয়া সামাজিক আৰু ৰাজকীয় এই দুয়ো প্ৰকাৰ প্ৰভাৱৰ ফল বুলি ক'ব পাৰি। সেইবাবে অসমীয়া প্ৰজাই আহোম ৰাজ-শক্তিক কোনো বাহিৰৰ পৰা অহা শাসক বুলি গণ্য কৰা নাছিল।

কোচৰজা শিৱসিংহই শাসনৰ গাদী সুসংহত কৰাৰ পিছত বঙ্গদেশৰ ব্ৰাহ্মণসকলে তেওঁক পৌৰাণিক ক্ষত্ৰিয় ৰজা কাৰ্তবীৰ্য্য অৰ্জুনৰ বংশধৰ আদি নানা উপাধিৰে বিভূষিত কৰি ব্ৰাহ্মণ্য ধৰ্মৰ আয়ত্তলৈ আনিছিল। তেওঁৰ দুই পুত্ৰ নৰনাৰায়ণ আৰু চিলাৰায়ৰ বাৰাণসীত সংস্কৃত অধ্যয়নৰ ব্যৱস্থা হৈছিল। নৰনাৰায়ণ ৰাজপাটত বহাৰ পিছত ৰাজ্যত শাস্ত্ৰচৰ্চাৰ প্ৰসাৰ ঘটিছিল। তেওঁ ৰাজসভাত সংস্কৃত ভাষাৰ শাস্ত্ৰসমূহ থলুৱা ভাষালৈ অনুবাদ কৰিবৰ কাৰণে অসমৰ আৰু বঙ্গদেশৰ পণ্ডিতসকলক সম্মান সহকাৰে দায়িত্ব দিছিল।

অসমভূমি অতীজৰে পৰা দ্ৰাবিড়, অষ্ট্ৰিক, কিৰাট, মঙ্গোল আদি নানা জনজাতিৰ বাসস্থান। ইয়ালৈ খৃঃপূঃ ৪/৫ শতিকা মানৰ পৰা পশ্চিম দিশৰ পৰা আৰ্য্য প্ৰব্ৰজনো ঘটিছিল; আৰ্য্যসকল স্বাভাৱিকতে শিক্ষা-দীক্ষাত কিছু আগবঢ়া আছিল। তেওঁলোকে সেয়ে এই দেশত আধিপত্যৰ সুযোগ গ্ৰহণ কৰিবলৈ চেষ্টাৰ

ক্ৰটী কৰা নাছিল। এই গোষ্ঠীৰ কায়স্থ, কলিতা, ভূএগ্ৰাসকলে যিমান পাৰে সিমান ভূ-সম্পত্তিৰ অধিকাৰ সাব্যস্ত কৰি ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। আৰ্য্য ব্ৰাহ্মণসকলৰ ভিতৰত দুটা শ্ৰেণী আছিল। প্ৰথম শ্ৰেণীৰ মানুহখিনি আছিল শাস্ত্ৰজ্ঞ পণ্ডিত আৰু বৈদিক-সংস্কৃতি পৰম্পৰাৰ বাহক। শাস্ত্ৰমতে ব্ৰাহ্মণক ষড়কৰ্মী বুলি কোৱা হয়, যেনে, পঠন, পাঠন, যজন, যাজন, দান আৰু প্ৰতিগ্ৰহ। শাস্ত্ৰজ্ঞসকলে যাজনৰ বাহিৰে বাকী সকলো ধৰ্মানুসাৰে পালন কৰি শিক্ষা-দীক্ষাৰ মাধ্যমেৰে বৈদিক সংস্কৃতিৰ বিস্তাৰ কৰিছিল। এওঁলোকৰ বহুতে শঙ্কৰদেৱৰ ভক্তিধৰ্মৰ অনুগামী হৈছিল। দ্বিতীয় শ্ৰেণীৰ সকলৰ কৰ্ম আছিল কেৱল যাজন আৰু দান গ্ৰহণ। আন শাস্ত্ৰীয় কৰ্মবোৰ তেওঁলোকে পালন নকৰিছিল। অৰ্থোপাৰ্জনৰ লালসাত তেওঁলোকে স্মাৰ্ত-ধৰ্মৰ পঞ্চদেৱতাৰ উপৰিও আন যি কোনো কৰ্ম-কাণ্ডৰ যাজক হ'বলৈ প্ৰস্তুত আছিল।

অসমত বাস কৰা জনগোষ্ঠীসমূহৰ সুকীয়া সুকীয়া কথিত ভাষা, ধৰ্মীয় বিশ্বাস আৰু নৃত্য-গীতৰ উচ্চমানৰ সংস্কৃতি আছিল। দ্বিতীয় শ্ৰেণীৰ ব্ৰাহ্মণসকলে অৰ্থাৎ পুৰোহিত সম্প্ৰদায়টোৱে এইবোৰ মানুহৰ মাজত সোমাই তথাকথিত বৈদিক প্ৰথাৰ নামত আধিপত্য বিস্তাৰ কৰিবলৈ যত্ন কৰিছিল। কিন্তু বহু কথাৰ কাৰণে তেওঁলোক সেই প্ৰক্ৰিয়াঁত সফলকাম হোৱা নাছিল। প্ৰথম কথা জনজাতিসমূহৰ মাজত জাতিভেদ প্ৰথা নাছিল বুলিলেও হয়। স্পৃশ্য-অস্পৃশ্য বিচাৰ তেওঁলোকে নামানিছিল। খোৱা-লোৱাৰ আচাৰ-বিচাৰতো তেওঁলোকৰ ব্যৱস্থা আছিল বেলেগ। এইবিলাক কথা লৈ সংমিশ্ৰণৰ প্ৰক্ৰিয়াৰ মাজতো সংঘৰ্ষৰ সূত্ৰপাত নোহোৱাকৈ নাছিল। এনেকুৱা পৰিবেশতেই পাঞ্চৰাত্ৰ বৈষ্ণৱ, শৈৱ, শাক্ত আৰু অধঃপতিত বৌদ্ধ ধৰ্মৰ প্ৰসাৰ হৈছিল আৰু বিশেষকৈ তান্ত্ৰিক প্ৰভাৱ প্ৰবল হৈছিল। কামাখ্যা আৰু সদিয়াৰ ওচৰৰ কেঁচাইখাতী গোসাঁনী আদি মন্দিৰত, আনকি হাজোৰ বৈষ্ণৱ মন্দিৰতো নৰবলি প্ৰথা চলিছিল। পূজা-পাৰ্বণত সুৰা, মাংস আৰু নাৰীৰ প্ৰভাৱে ভয়ানক ৰূপ ধাৰণ কৰিছিল। গোসাঁনীৰ সম্মুখত বলি দিবলৈ নিৰ্বাচন কৰা বা নিজে প্ৰস্তুত হোৱা পুৰুষসকলক "ভোগী" বোলা হৈছিল। এওঁলোকে নিৰ্দ্ধাৰণ হোৱা দিনৰে পৰা বলি হোৱালৈকে যি কোনো যুৱতী বা মহিলাৰ লগত অবাধ যৌন-সঙ্গমৰ অধিকাৰ পাইছিল। পুৰোহিত শ্ৰেণীটোৱে জনজাতীয় প্ৰথাৰ লগত আপোচ কৰি বেদ বিৰোধী এইবিলাক কৰ্মৰ অংশীদাৰ আৰু যাজক হৈছিল। তথাপি তেওঁলোকে পূৰ্ণ সফলকাম হ'ব নোৱাৰিলে। প্ৰায় সকলো জনজাতিয়ে হিন্দুধৰ্ম গ্ৰহণ কৰিও বা ইয়াৰ প্ৰভাৱৰ কবলত সোমাইও তেওঁলোকৰ নিজৰ সম্প্ৰদায়ৰ মানুহৰ দ্বাৰাইহে যাজন কৰ্মক্ৰিয়া কৰাইছিল। আনকি কৈৱৰ্ত আৰু নমশূদ্ৰ জাতিৰ মানুহেও ব্ৰাহ্মণ পুৰোহিত নামানিছিল। অসম বুৰঞ্জী লেখক ছাৰ এডৱাৰ্ড গেইটেও এই অৱস্থাৰ কথা এনেদৰে বৰ্ণাইছেঃ

"আদিমবাসীবোৰৰ অনাৰ্য্য দস্তুৰৰ লগত অধঃপতিত হিন্দু-ধৰ্মক বৰ্জিতা খুৱাই ধৰ্মৰ নামত যি ভয়ঙ্কৰ আৰু জঘন্য ভেকো-ভাওনা চলিছিল, তাক অনিৰ্দিষ্ট কাললৈ চলি থাকিবলৈ অসম্ভব বুলিয়ে শঙ্কৰদেৱৰ দ্বাৰা প্ৰবৰ্তিত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰেৰে নৰনাৰায়ণৰ ৰাজত্ব গৌৰৱমণ্ডিত হৈ পৰিছিল।(২য় ৫৬/৫৭পিঠি)

এইবোৰ কাৰণতে নৰনাৰায়ণ ৰজাই কামাখ্যা মন্দিৰ নতুনকৈ সজাই গোসাঁনী পূজা কৰিবৰ কাৰণে অসমীয়া ব্ৰাহ্মণৰ পৰিবৰ্তে বঙ্গদেশৰ পৰা ভাল ব্ৰাহ্মণ অনাই কামাখ্যাত বহুৱাইছিল। কমতেশ্বৰ দুৰ্লভ নাৰায়ণে এইবোৰ কাৰণতে গৌড়ৰ পৰা শিক্ষিত জ্ঞানী-গুণী ব্ৰাহ্মণ আৰু কায়স্থ পৰিয়াল অনাইছিল। শঙ্কৰদেৱে সৰ্বজীৱৰ প্ৰতি সমভাবাপন্ন ধৰ্ম প্ৰচাৰৰ মাধ্যমেৰে সকলো জাতি-উপজাতিৰ চিত্ত আকৃষ্ট কৰিব পাৰিছিল। তেওঁৰ ধৰ্মমতত পূজা-পাৰ্বণৰ প্ৰাধান্য নাছিল। "মুখে বোলা ৰাম, হৃদয়ে ধৰা ৰূপ" এয়ে আছিল তেওঁৰ নিৰ্দেশ। এই সাৰ্বজনীন মতবাদত পুৰোহিত শ্ৰেণীটো আতঙ্কিত হৈছিল, তেওঁলোকৰ ভবিষ্যতৰ বৈষয়িক নিৰাপত্তাৰ কাৰণে। তেওঁলোকে আহোম ৰজাৰ ওচৰত অভিযোগ আনিলে শঙ্কৰ নামৰ এক শূদ্ৰই দেশত ধৰ্ম নষ্ট কৰিলে, যাৰ ফলত ৰাজ্যত অশান্তি, প্ৰজাবিদ্ৰোহ আদি হৈ ৰজাৰ অমঙ্গল আনিব। বিচাৰ আৰম্ভ হ'ল। আহোম ৰজা তেতিয়াও হিন্দু ধৰ্মত দীক্ষিত হোৱা নাছিল আৰু সেই ধৰ্মৰ নিয়ম আদিও ভালকৈ নাজানিছিল। ৰাজকৰ্মচাৰীৰ পৰা তেওঁ যেতিয়া গম পালে কৰ্মকাণ্ডী পুৰোহিতৰ কি কৰ্ম আৰু শঙ্কৰৰ ধৰ্মমত কি, তেতিয়া তেওঁ গুচৰীয়াইতক খেদাই পঠালে, কিন্তু তথাপি পিছত গুৰুজন আকৌ ৰাজৰোষত পৰিল।

## ৰাজৰোষ

আহোম ৰজাই হাতীৰ সংখ্যা এহেজাৰ পূৰ্ণ কৰিবলৈ ন কৈ আৰু হাতী ধৰাই আৰু খেদোৱাই আনি গড় মৰাই ৰখাৰ ব্যৱস্থা কৰিছিল। গড়ৰ পশ্চিমৰ ফালৰ গড়ৰখীয়াসকলৰ ওপৰত চকু ৰখাৰ দায়িত্ব দিছিল শঙ্কৰদেৱক। কিন্তু সাধাৰণ গড়ে জানো হাতী হেন জন্তুক ৰাখিব পাৰে। পশ্চিমৰ ফালৰ গড় ভাঙি বনৰীয়া হাতী পলাল। গুৰুজনাকধৰি নিবলৈ ৰজাই আদেশ দিলে, এই খবৰ পাই তেওঁ আত্মগোপন কৰিলে। তেওঁক বিচাৰি নাপাই বাটতে মাধৱদেৱ আৰু হৰিজোঁৱাইক পায় আৰু তেওঁলোকগুৰুজনাৰ শিষ্য বুলি জানি তেওঁলোকক ধৰি নিলে। ৰজাই মাধৱদেৱক বৰলা বুলি আৰু কেও কিছু নোহোৱা জানি ক্ষমা কৰিলে, হৰিজোঁৱাইৰ শিৰচ্ছেদ কৰালে।

## কোচ ৰাজ্যলৈ আগমন

এই ঘটনাতশঙ্কৰদেৱে মৰ্মান্তিক আঘাত পালে। মনুকন্যাৰ বৈধব্য-যন্ত্ৰণাৰ হৃদয়

বিদাৰক দৃশ্য দেখি তেওঁৰ হিয়া ভাগি গ'ল। এনে স্বেচ্ছাচাৰী ৰজাৰ দেশ ত্যাগ কৰিবলৈ তেওঁ সিদ্ধান্ত ল'লে। ভ্ৰমণকাৰী কেইজনমান সন্ন্যাসীৰ মুখে কোচৰজা নৰনাৰায়ণৰ গভীৰ শাস্ত্ৰজ্ঞান আৰু সুনীতিপূৰ্ণ ৰাজ্য পৰিচালনাৰ কথা জানিব পাৰি, আত্মীয় স্বজন সমন্বিতে ধুৱাহাট ত্যাগ কৰি কোচৰাজ্যলৈ বুলি ৰাওনা হ'ল। এই ধুৱাহাটতেই তেওঁৰ দ্বিতীয় কন্যা ৰুক্মিণীৰো জন্ম হৈছিল।

কোচৰাজ্যত সোমাই শঙ্কৰে বৰ্তমান বৰপেটা জিলাৰ টপাবৰি, বাৰাদি, চূণপোৰা, কমাৰকুছি আদি ঠাইত কিছুদিন থাকি পাটবাউসীত স্থায়ীভাৱে নামঘৰ, মণিকূট, হাটী-বাটী সাজি সত্ৰ প্ৰতিষ্ঠা কৰি থাকিবলৈ লয়। চূণপোৰাত বৰপেটাৰ অলেখ লোকে তেওঁত শৰণ লয় আৰু তাৰ ভিতৰত অন্যতম আছিল নাৰায়ণদাস ঠাকুৰ আতা। তেওঁৰ পূৰ্বৰ নাম ভবানন্দ আছিল আৰু তেওঁ প্ৰখ্যাত সদাগৰ আছিল। শঙ্কৰদেৱত শৰণ লৈ তেওঁ বৰপেটা অঞ্চলত ভক্তি আন্দোলন সকলো স্তৰৰ লোকৰ মাজত ব্যাপক কৰি তোলাত অহোপুৰুষাৰ্থ কৰে। তেওঁ জনিয়াত আৰু মহৈতদুখন সত্ৰও স্থাপন কৰিছিল। শঙ্কৰদেৱে ভবানন্দৰ নতুন নামকৰণ কৰে 'নাৰায়ণ দাস' আৰু মাধৱদেৱৰ লগত তেওঁৰ সখি সম্বন্ধ পাতি দিয়ে।

পাটবাউসী শঙ্কৰদেৱৰ শেষ বাসস্থান আৰু সৰ্বব্যাপক কৰ্মভূমি। ইয়াতে তেওঁ ওঠৰ বছৰৰো অধিক কাল কটাইছিল আৰু এই ঠাই দ্বাৰকাসদৃশ কৰি তুলিছিল। ধৰ্মীয় চৰ্চ্চা, শাস্ত্ৰৰচনা, নামগুণ, নৃত্যগীত, ভাওনা আদিৰ মাধ্যমত সমূহ জনগণক আকৃষ্ট কৰি এটি বিৰাট গণ-বিপ্লৱৰ সূচনা কৰিছিল। আধ্যাত্মিকতাৰ লগে লগে সকলো প্ৰকাৰ সামাজিক শান্তি আৰু প্ৰগতিৰ কাৰণেও তেওঁ দেহে-কেহে খাটিছিল। অৱজ্ঞাত তাঁতীসকল হৈছিল তেওঁৰ বুকুৰ কুটুম্ব, কিয়নো ক্ষুদ্ৰ উদ্যোগৰ জৰিয়তে এইসকল লোকে দুখীয়া মানুহখিনিক আৰ্থিক সকাহ দিছিল। শঙ্কৰৰ আশীৰ্বাদত তাঁতশিল্প হৈ উঠে এক "জাতীয় শিল্প"। প্ৰথমে বাৰাদিৰ পৰা আৰু পিছত গণককুছিৰ পৰা মাধৱদেৱে নিতৌ আহি গুৰুৰ প্ৰসঙ্গত যোগ দিছিল। জনিয়াৰপৰা আহিছিল ঠাকুৰ আতা, মনেৰীৰ পৰা আহিছিল হৰিদেৱ আৰু হাজোৰপৰা আহি লগ লাগিছিল বন্ধুপুত্ৰ দামোদৰদেৱ। ইয়াত শঙ্কৰৰ ভক্তৰ সংখ্যা আঙুলিৰ মূৰত গণিব নোৱাৰা হ'ল। ব্ৰাহ্মণ, অব্ৰাহ্মণ, মুনিহ, তিৰোতা, হিন্দু, মুছলমান, ভোট, কছাৰী, বণিয়া, কৈৱৰ্ত, আহোম, নগা সকলো কুলৰ, সকলো জাতৰ মানুহে পাহৰি গৈছিল জাত-কুলৰ প্ৰভেদ, ভক্তি গঙ্গাত স্নান কৰি সকলো হৈ পৰিল হৰিভকত। "নবাছে ভকতি জাতি-অজাতি"।

কোচৰজা নৰনাৰায়ণক দৈৱজ্ঞই ভৱিষ্যতে বাণী শুনালে যে তেওঁৰ বেহাৰ ৰাজ্যত শনিৰ দৃষ্টি পৰিছে। সেয়ে তেওঁ কিছুদিন ৰাজ্যৰপৰা আঁতৰি নাথাকিলে বিপদ ঘটিব। ৰজাই ভয়তে আহি কামৰূপ ৰাজ্যৰ বৰনগৰত চাউনি পাতিব'ল। নৰনাৰায়ণৰ

সৰু ভাই আৰু সেনাপতি বীৰ চিলাৰায় ৰাজকাৰ্য্যত ঘূৰি ফুৰোতে শঙ্কৰদেৱৰ খুড়াকৰ পুতেক ৰামৰায়ৰ বিতোপন কন্যা ভূৱনেশ্বৰীক দেখা পালে আৰু লগে লগে আকৃষ্ট হ'ল। তেওঁ কন্যাৰ পাণি প্ৰাৰ্থনা কৰি ৰামৰায়লৈ দূত পঠালে। ৰামৰায় বিপাঙত পৰিল। তেওঁলোক কায়স্থ মানুহ, কিন্তু চিলাৰায় ৰাজকুমাৰ আৰু অদ্বিতীয় বীৰ হ'লেও জাতত কোচ। তেওঁ পৰামৰ্শ বিচাৰি শঙ্কৰদেৱৰ ওচৰলৈ দৌৰি গ'ল। শঙ্কৰদেৱে যদিও হিন্দু সম্প্ৰদায়ৰ জাত-পাত প্ৰথা বিলোপ কৰিবলৈ দেখাদেখিকৈ কোনো অভিযান চলোৱা নাছিল, তেওঁৰ লিখনিসমূহত সকলো জীৱ যে এক ঈশ্বৰৰ অংশ সেই কথাত স্পষ্টভাৱে জোৰ দিছিল। সেয়ে তেওঁ এই বিবাহৰ সম্বন্ধত পূৰ্ণ সন্মতি জনালে। শুক্লধ্বজে ৰীতি মতে ভূৱনেশ্বৰীক বৰ্তমান ধুবুৰী জিলাৰ অন্তৰ্গত সত্ৰশাল বা ৰামৰায়ৰ কুঠী নামে ঠাইত বিয়া কৰাই ভূঞা পৰিয়ালৰ লগত মধুৰ সম্পৰ্ক স্থাপন কৰিলে। এই জোঁৱায়েকৰ সহায়ত শঙ্কৰদেৱে ভৱিষ্যতৰ বহু বিপদ বিঘিনিৰ পৰা উদ্ধাৰ পায়।

## দ্বিতীয় তীৰ্থভ্ৰমণ

ইয়াৰ পিছত গুৰুজনাই দ্বিতীয়বাৰ তীৰ্থভ্ৰমণৰ বাবে যো-জা আৰম্ভ কৰিলে ; তেওঁৰ বয়স তেতিয়া ৯৭ বছৰ। কালিন্দী আয়ে প্ৰমাদ গণিলে। তেওঁ মাধৱক মাতি আনি ক'লে, "বঢ়াৰ পো, বৃন্দাবনলৈ যাব পাৰিলে পূৰ্বৰ খেলা পালে প্ৰভু আৰু নাহে। তুমি নগ'লে গোসাঁই কেতিয়াও নাযায় ; অতএব মাধৱ, তুমি গোসাঁইত যাব নোৱাৰো বুলি জনাবা।" মাধৱে আই গোসাঁনীক আশ্বাস দিলে যে তেওঁলোক বৃন্দাবনলৈ নাযায়। গুৰুজনে মাধৱদেৱ, ৰামৰাম, নাৰায়ণ, গোবিন্দ, পৰমানন্দ, উদাৰ গোবিন্দ, গোকুলচান্দ, শ্ৰীৰাম, বলোৰাম, বলভদ্ৰ, হৰিদেৱ, জটীৰাম বনিয়া, ভোবোৰা দামোদৰ আদি ছয়কুৰি ভক্তক লগত লৈ আঘোণ মাহৰ সাদিনৰ দিনা তীৰ্থলৈ যাত্ৰা কৰিলে।

শঙ্কদেৱৰ দ্বিতীয়বাৰ তীৰ্থভ্ৰমণ বৰ দীঘলীয়া নাছিল। তেওঁ ছমাহত ভ্ৰমণ সমাপ্ত কৰি ব'হাগ মাহত পাটবাউসীলৈ উভতি আহিছিল। এই ভ্ৰমণত উল্লেখযোগ্য ঘটনা হ'ল গুৰুজনাৰ ভক্তসমে কবীৰৰ সমাধিস্থল দৰ্শন, কবীৰৰ নাতিনীৰ লগত সাক্ষাৎ আৰু কবীৰ সম্বন্ধে বিতং তথ্য গ্ৰহণ। আলি নগৰৰ কবীৰৰ ভেটিলৈ গৈ ভক্ত কবীৰৰ কথা এজনী তিৰোতাক সোধাত তেওঁ উত্তৰ দিলে,

আৰাসব বিষ্ণু ভকত এতেকে কবীৰক পুছিলন্ত।
কবীৰৰ ঝীৰ নাতিনী আমিতো এহি বুলি কহিলন্ত।।

এই বুলি কৈ তোৰছি নামৰ কবীৰৰ নাতিনী গৰাকীয়ে কবীৰৰ জন্ম-কৰ্মৰ চমু বিৱৰণ দিলে। সেই মতে এক কায়স্থ মালীৰ ঘৰত কবীৰৰ জন্ম ; পিছে কেঁচুৱাতে মাক-বাপেক মৰাত মুছলমানে তেওঁক তুলি লৈছিল। গুৰুজনাই মাধৱদেৱক কৈছিল,

"কবীৰ কেৱল ভক্ত জানিবা নিশ্চয়।" কবীৰৰ প্ৰতি শঙ্কৰৰ আকৰ্ষণ আছিল স্বাভাৱিক, কিয়নো সেই সময়ত তেওঁ স্বৰ্গী হ'লেও তেওঁৰ ধৰ্মসংগীতে গোটেই উত্তৰ ভাৰত ছানি পেলাইছিল। শঙ্কৰে কীৰ্ত্তন-ঘোষাত লিখিছে,

"পুৰী বাৰাণসী আদি ঠাৱে ঠাৱে।
কবীৰ গীত সন্তসবে গাৱে।"

কবীৰৰ সাধনাত ছুফিবাদ আৰু অদ্বৈতবাদৰ সমন্বয় ঘটিছিল। সেয়ে তেওঁ কৈছিল,

নিৰ্গুণ কী সেৱা কৰো সগুণ কা কৰো ধ্যান।
নিৰ্গুণ সগুণ সে পৰে তহাঁ হমাৰো জ্ঞান।।

গুৰুজনাই সেয়ে ভক্তসমে কবীৰৰ সমাধিত জনাইছিল ভক্তিপূৰ্ণ প্ৰণাম।

এইবাৰ ভ্ৰমণত বেহাৰৰ ওচৰৰ এডোখৰ ঠাইত ৰওঁতে গুৰুৱে মাধৱক কৈছিল, "বঢ়াৰ পো, তোমাৰ আমাৰ পাছত আতে মধুপুৰ নামে এখনি থান হ'ব। বৰ্তমান তাতে মধুপুৰ সত্ৰ আছে।"

ভক্তদলটোৱে আন আন তীৰ্থস্থান ভ্ৰমণ কৰি বিনাইগঞ্জত এনিশা ৰ'ল। তাৰপৰা নেলাইহাটৰ এক চাৰিআলিৰ মূৰত ৰ'ল, য'ৰপৰা বৃন্দাবন, সেতুখণ্ড, জগন্নাথ আৰু গঙ্গালৈ চাৰিটা চাৰিটা বেলেগ বেলেগ বাট। গুৰুসমে সকলো ভক্তৰ ইচ্ছা বৃন্দাবনলৈ যোৱাৰ, কিন্তু মাধৱদেৱৰ গুৰু-পত্নীৰ কথা মনত আছিল, সেয়ে তেওঁ কেৰো-ঘেহো লগালে। শঙ্কৰদেৱে কাৰণ সুধিলত মাধৱদেৱে অতি বিনম্ৰভাৱে ক'লে, "বাপ, বৃন্দাবনলৈ যাবৰ কোনো সকাম নাই। তোমোৰাই দশম শাস্ত্ৰৰ মনোৰম পদ কৰি বৃন্দাবনৰ লীলাৰ সকলোখিনি সুন্দৰকৈ বৰ্ণনা কৰিছে, তাকে পঢ়ি শুনি আমাৰ মন উপশম হৈ আছে। বৃন্দাবনত এতিয়া পূৰ্বৰ চিহ্ন নাই, কালক্ৰমত সেইবোৰ বিভিন্ন হৈ পৰিছে ; দশম শাস্ত্ৰৰ মতে এতিয়া নেদেখিলে শাস্ত্ৰৰ কথা আমাৰ মনত শঙ্কা উপজিব পাৰে, গতিকে দশমতে যি বৃন্দাবন দেখিছো সেয়েই যথেষ্ট ; সেইদেখি আৰু বৃন্দাবন দৰ্শন কৰিবলৈ মোৰ মন নাই। আপোনাৰ চৰণত বাপ, এই প্ৰাৰ্থনা, যেন এই ভৃত্যৰ মনোৰথ পূৰণ কৰে।" এই কথা শুনি শঙ্কৰদেৱে আনন্দচিত্তে ক'লে, "বঢ়াৰপো য'লৈ নাযায় তালৈ আমাৰ যোৱা নুশুবায়। এতেকে আমি সকলো উজনিলৈহে যাম।"

শঙ্কৰদেৱে তীৰ্থভ্ৰমণ শেষ কৰি উভতি আহি পাটবাউসী পালত সকলোৰে আনন্দৰ সীমা নোহোৱা হ'ল। দামোদৰদেৱ আদি সঙ্গীসকলে আহি তেওঁৰ পৰা তীৰ্থৰ সকলো বা-বাতৰি জানি সন্তোষ লভিলে। চিলা বা শিলাৰ ব্ৰাহ্মণসকলো শঙ্কৰৰ ওচৰলৈ অহাত তেওঁ য'ত যি দেখিছিল তেওঁলোকৰ আগত ব্যক্ত কৰি শেহত ক'লে ঃ

সৰ্ব্বতীৰ্থ শিৰোমণি নামধৰ্ম্ম সাৰ।
নামৰ কিঙ্কৰ তীৰ্থ যজ্ঞ ব্ৰতাচাৰ।।

জানিয়া ব্ৰাহ্মণ নাম-ধৰ্ম্মক কৰিয়ো।

নামৰ প্ৰসাদে তোৰা বৈকুণ্ঠে চলিয়ো।।

এই কথা শুনি ব্ৰাহ্মণসকলেও নানা শ্লোক মাতি নানা অৰ্থ শঙ্কৰক বুজাবলৈ চেষ্টা কৰিলে, কিন্তু শঙ্কৰে সেই শ্লোকৰ প্ৰকৃত অৰ্থ ব্যাখ্যা কৰাত লাজ পাই ঘৰাঘৰি গ'ল।

কিন্তু এই ব্ৰাহ্মণসকল মনে মনে থকা ভকত নহয়। শুদ্ধ শাস্ত্ৰজ্ঞান বুজালেও তেওঁলোকে বুজিব নোখোজে, কিয়নো জ্ঞান লৈ তেওঁলোকে কি কৰিব? তেওঁলোকক লাগে অন্ধকাৰত ডুব গৈ থকা শিষ্য, যিসকলৰ পৰা তেওঁলোকে কামধেনুৰ দৰে গাখীৰ খীৰাই থাকিব পাৰিব। তেওঁলোকে এইবাৰ মহাৰাজ নৰনাৰায়ণৰ ওচৰলৈ গ'ল শঙ্কৰদেৱৰ বিৰুদ্ধে গোচৰ দিবলৈ। এই টুটকীয়াসকলৰ ঘাই আছিল বিদ্যাবাগীশ চক্ৰবৰ্তী নামে এজন। ভূষণ দ্বিজৰ মতে এই বিদ্যাবাগীশৰ পিতৃ বিদ্যানিধি বিপ্ৰক ৰজা বিশ্বসিংহই নানা নগুৰ-নাকতি কৰি শাস্তি দিছিল। বিলৰ পানীৰ পৰা মাটি খহি যোৱা কালীৰ প্ৰতিমাৰ ভঁকা এটা তুলি নি তেওঁলোকে মহাৰাজক দেখুৱাই ক'লে যে শঙ্কৰে ৰজাৰ ৰাজ্য তল নিয়ালে। তেওঁ বেদ নামানে, গীতা শাস্ত্ৰ নামানে, যাগ-যজ্ঞ, পিতৃ শ্ৰাদ্ধ নকৰে ইত্যাদি ইত্যাদি। তেওঁলোকে আৰু ক'লে যে যদি মহাৰাজে এই অনাচাৰী, ভ্ৰষ্টাচাৰী ধৰ্মবিৰোধী শঙ্কৰক শাসন নকৰে তেনেহলে তেওঁৰ শ্ৰী, যশ, আয়ু নষ্ট হ'ব।

### কোচৰাজ্যত গুৰুৰ বিচাৰ

আহোম ৰজাৰ আগত ব্ৰাহ্মণসকলে যেতিয়া শঙ্কৰদেৱৰ বিৰুদ্ধে গোচৰ তৰিছিল তেতিয়া আহোমৰজা হিন্দুধৰ্মত দীক্ষিত হোৱা নাছিল আৰু সেই কাৰণে হিন্দু সম্প্ৰদায়ৰ আচাৰ-বিচাৰ সম্বন্ধে বেছি ভূ-ভা নাপাইছিল। কিন্তু মহাৰজা নৰনাৰায়ণ আছিল নিজে শাস্ত্ৰজ্ঞ আৰু পূৰ্ণভাৱে ব্ৰাহ্মণ্যধৰ্মৰ অনুগামী। সেয়ে তেওঁৰ ওপৰত ব্ৰাহ্মণসকলৰ অধিকাৰ যথেষ্ট আছিল। তেওঁলোকৰ গোচৰ শুনি নৰনাৰায়ণে খঙত জ্বলি-পকি তৎক্ষণাৎ শঙ্কৰদেৱক ধৰি নিবলৈ দুজন চিপাহী পঠালে। এই কথা চিলাৰায়ৰ কাণত পৰিল। তেওঁ ভাবিলে কথা বিষম। তেওঁ আঠজন নাৱৰীয়াৰে সৈতে দ্ৰুতবেগী নাৱত দূত পঠাই ৰজাৰ চিপাহী পোৱাৰ আগতে শঙ্কৰদেৱক তুলি লৈ নি তেওঁৰ কাৰেঙত ৰাখিলে। ৰজাৰ চিপাহীয়ে তেওঁক বিচাৰি নাপাই, তেওঁৰ ভক্ত বুলি জানি, বাটৰপৰা নাৰায়ণ দাস ঠাকুৰ আতা আৰু গোকুলচান্দক ধৰি নি ৰজাক ভেটিলে। ঠাকুৰ আতাৰ পত্নীও স্বামীৰ লগতে গ'ল।

ৰজাৰ আদেশ মতে নাৰায়ণ দাস আৰু গোকুলচান্দৰ পৰা পোনতে শঙ্কৰদেৱৰ বাৰ্তা উলিয়াবলৈ যত্ন কৰা হ'ল। কিন্তু তেওঁলোকেতো শঙ্কৰদেৱ ক'ত আছে, ক'লৈ

গৈছে একো ভূ নাপায়। তেওঁলোকক অমানুষিক নিৰ্য্যাতন কৰা হ'ল। কণ্ঠাচেঙ্গি, কুন্দাগৰকা আদি যন্ত্ৰেৰে শাস্তি দিলে, কিন্তু সকলোতে বিফল হোৱাত ৰজাৰ আদেশমতে দুয়োকো ভোটক দি ঘোঁৰা সলাবৰ বন্দবস্ত কৰিলে, কিন্তু যমা আৰু পামা ভোটেও তেওঁলোকক দেও-মানুহ বুলি ঘূৰাই থৈ গ'ল। ভক্তসকলৰ মহিমা দেখি হৰিসাঁ গৰমালিয়ে নিজে ছকুৰি ৰূপ দি ৰজাৰ দায় মাৰিলে আৰু সকলো কথা বিবৰি ক'লে, এই দুজন ভক্তৰ অকথ্য অত্যাচাৰ সত্বেও ঈশ্বৰ-ভক্তি আৰু গুৰুভক্তিৰ নমুনাৰ কথা জানিব পাৰি ৰজা নৰনাৰায়ণ চিন্তিত হ'ল।

নৰনাৰায়ণে পিছত গম পালে যে শঙ্কৰদেৱ চিলাৰায়ৰ প্ৰাসাদত আছে। দূত পঠাই ভায়েকক শঙ্কৰদেৱক ৰাজসভালৈ পঠাবলৈ অনুৰোধ কৰিলে। কিন্তু চিলাৰায়ে ককায়েকৰ পূৰ্ব্বৰ কথাবোৰ সুঁৱৰি তেওঁক বিশ্বাসত লব পৰা নাছিল। সেয়ে ৰজাৰ এজন প্ৰিয়পাত্ৰক জামিনত ৰাখিহে গুৰুজনাক ৰাজসভালৈ পঠালে আৰু ভঁাৰৰ বাতৰি ডাঁৱে তেওঁক দি থাকিবলৈ গোপন দূত নিযুক্ত কৰিলে।

শঙ্কৰদেৱে ৰাজসভাৰ সাত খলপাৰ ওপৰলৈ এখলপা এখলপাকৈ উঠি যাওঁতে "মধু-দানৱ-দাৰণ-দেৱ-বৰম" আদি তোটয় শ্লোক মাতি, পুনৰ চাৰিটি শ্লোকেৰে ৰজাক আঁশীৰ্বাদ কৰি, বহিবলৈ কমলি দিয়াত ভাৱন্তিৰে বহি "নৰনাৰায়ণ কাহে ভকতি কৰু তেৰা" ধনশ্ৰী ৰাগৰ গীতটি আৰু নৰনাৰায়ণ প্ৰশস্তি "জয় জয় মল্ল নৃপতি ৰসজান। যাকেৰি গুণগুণ নাহিকে সমান।।" এই ভটিমাটি গালে। ৰজা পৰম আপ্যায়িত হ'ল। মল্লদেৱ নিজে সুপণ্ডিত আছিল। তেওঁ আঠোটি শ্লোকৰ গদ্য টীকা কৰিছিল, গুৰুজনক দেখুৱাত তাৰ গভীৰ পৰমাৰ্থিক ব্যাখ্যা শুনি ৰজা মুগ্ধ হ'ল। সিদিনা সসম্মানে বিদায় দি ক'লে, "নিতৌ আগবেলা মোৰ ঠাইলৈ আহিব, পিছবেলা নুনুৰ ঠাইত থাকিব।"

বেহাৰত গুৰুজনাই এনেদৰে তিনিমাহ ৰাজসভালৈ অহা-যোৱা কৰি থাকিল, বিৰুদ্ধবাদীসকলে যিমানে কুতৰ্ক আৰম্ভ কৰে তেওঁ যুক্তি-পাণ্ডিত্যেৰে সেইবোৰ খণ্ডন কৰে। গুৰুজনে দ্বিতীয় দিনা ৰাজসভাত "বন্দো গোবিন্দ গোপীজনমানন্দা", তৃতীয় দিনা "হাসি সভাসদ কৰু বহু থিৰ, মল্ল নৃপতিক সম নাহিকয় বীৰ", চতুৰ্থ দিনা "পেখিয়ে চাণুৰ সভা মাজে যাই। সুনত ৰাজ-আজ্ঞা ৰাম গোসাঁই।।" গীত গাইছিল। এনেদৰে তৰ্কসভা চলি থাকোঁতে ব্ৰাহ্মণসকলে অনা সকলোবিলাক অভিযোগ মিছা বুলি প্ৰমাণিত হ'ল। শঙ্কৰদেৱে ৰজাক স্পষ্টভাৱে জনালে যে তেওঁ গীতাৰ একশৰণ, ভাগৱতৰ নৱবিধা ভক্তি, সাত্বত তন্ত্ৰ, পঞ্চৰাত্ৰ তন্ত্ৰ, বেদ-বেদান্তৰ সাৰ লৈ ধৰ্ম প্ৰচাৰ কৰিছে ।

নৃপতিয়ে এদিন সভাত উপস্থিত পণ্ডিতসকলক সুধিলে যে ভাগৱত পুৰাণখনৰ দুই দণ্ডৰ ভিতৰতে গাব পৰাকৈ সাৰাংশ কৰিব পাৰি নেকি ? ব্ৰাহ্মণ পণ্ডিতসকলে এই

কাম কেতিয়াও সম্ভৱপৰ নহয় বুলি জনালে। গুৰুজনাক সোধাত তেওঁ চেষ্টা কৰি চাম বুলি ক'লে। পিছদিনা ভাগৱত-সাৰ 'গুণমালা' পুথিখন ৰজাৰ আগত স্থাপন কৰিলে। মহাৰাজে এই পুথি পাঠ কৰি কেৱল আচৰিতেই নহয়, উল্লাসিতও হ'ল, গুৰুজনাৰ প্ৰতি শ্ৰদ্ধাত মূৰ দোঁৱালে। নিতৌ নানা উপহাৰেৰে গুৰুক সম্মান দেখুৱালে আৰু শেষত পাত্ৰক আদেশ দিলে ব্ৰাহ্মণসকলৰ শাস্ত্ৰবোৰ ফালি-চিৰি তোৰোচা নৈত পেলাই দিবলৈ। সেইমতে পুথিবোৰ টুকুৰা-টুকুৰকৈ কুটি তোৰোচা নৈত পেলোৱা হ'ল। সেই সুঁতিটো পিছত আনফালেৰে ববলৈ ধৰিলে। মৰাসুঁতিটোৰ পিছত 'কাকত-কুটা' নামকৰণ হ'ল।

ৰজাৰ সম্মান পাই শঙ্কৰৰ যশস্যা দিনক দিনে বাঢ়িল। ব্ৰাহ্মণসকল আতঙ্কিত হ'ল। গুৰুজনাৰ ওচৰত আহি মিনতি কৰিলে ঃ "ব্ৰাহ্মণৰ জীৱিকাক নকৰিবা ছন্ন"। গুৰুৱে হাতৰ বুঢ়া আঙুলিৰে ভূমি চুই ক'লে ঃ

"ব্ৰাহ্মণক হিংসা কৰে কোননো পামৰে।।
কিন্তু তোৰা যদি ভকতিত বিপক্ষ আচৰা।
নিষ্ঠ কৰি বোলো এবে বাজিবো আমৰা।।"

শঙ্কৰদেৱ বেহাৰত থাকোতেই নদীয়াৰ শান্তিপুৰৰ পৰা তিনি-চাৰিজন শিষ্য লৈ কবিচন্দ্ৰ নামে এজন পণ্ডিতে দিগ্বিজয় কৰোঁ বুলি ৰাজদৰবাৰ পালে। ৰজাই ক'লে যে ব্ৰাহ্মণ পণ্ডিত নালাগে এজন শূদ্ৰ পণ্ডিত ৰাজ্যত আছে, আৰু তেওঁক জিনিব পাৰিলেই কবিচন্দ্ৰ পণ্ডিত বুলি জনা যাব। গুৰুজনাই চিলাৰায়ৰ চন্দন-চ'ৰাত বহি নৱম স্কন্ধ ভাগৱতৰ ভাঙনি কৰি থাকোতেই কবিচন্দ্ৰই শঙ্কৰদেৱক পালেগৈ আৰু শূদ্ৰই ভাগৱত পঢ়িব নাপায় বুলি দম্ভ কৰি তৰ্ক জুৰিলে, কিন্তু শান্তিপুৰীয়া পণ্ডিতে যুক্তিৰে গুৰুজনক বলে নোৱাৰি ৰাতিতে পলাই পত্ৰং দিলে। মহাৰাজে এই বাতৰি পাই পৰম আনন্দ পালে ঃ

"শুনি ৰাজা চাপড় মাৰিয়া বালিছত।
খলখলি হাসিলেক হৰিষ মনত।।"

সিদিনাৰ পৰাই ৰজাৰ মনত শঙ্কৰৰ প্ৰতি অৱতাৰ জ্ঞান উপজিল।

এনেদৰে বেহাৰ ৰাজ্যত শঙ্কৰদেৱৰ যশস্যা বাঢ়ি যোৱা সময়ত তেওঁ কেইবাবাৰো পাটবাউসীৰ পৰা কোচবেহাৰলৈ অহা-যোৱা কৰিবলগীয়া হ'ল, গুৰুজন বেহাৰৰ পৰা বেছি দিন আঁতৰি থাকিলে চিলাৰায় দেৱানে তেওঁক মতাই নিয়ে আৰু আদৰ-সাদৰ কৰি প্ৰাসাদতৰাখি সদায় শাস্ত্ৰ বচন শুনি আপ্লুত হয়। এবাৰ চিলাৰায়ে গুৰুজনাৰ মুখে শ্ৰীকৃষ্ণৰ লীলা শুনি মোহিত হৈ সেই লীলা চিত্ৰত দেখিবৰ কাৰণে তেওঁৰ মনোকামনা ব্যক্ত কৰিলে। গুৰুজনে বস্ত্ৰত সেই চিত্ৰ ববলৈ গাত ল'লে। চিলাৰায়ে সূতা আদি সকলো যোগান দি নাৱেৰে তেওঁক পাটবাউসীলৈ

পঠাই দিলে। গুৰুজনে গোপাল তাঁতীৰ তত্ত্বাৱধানত ছকুৰি তাঁতীৰ হতুৱাই নানান ৰঙৰ সূতা বনকাই ছকুৰি হাত ঘৰ কৰালে। কাপোৰ ছকুৰি হাত বাটি কৰালে। কংসৰ বন্দীশালত শ্ৰীকৃষ্ণৰ জন্মৰেপৰা কংস-বধলৈকে সকলো লীলা পুতলা স্বৰূপে চিত্ৰিত কৰা হ'ল। আখৰ তুলি সকলো চিত্ৰৰ নাম দিলে। ছমাহ কি বছৰেকত কাপোৰ ওলাল। এই কামত শঙ্কৰদেৱৰ লগত মাধৱদেৱেও সকলো প্ৰকাৰে সহায় আগবঢ়ালে। সেইখনেই ইতিহাস প্ৰসিদ্ধ তিনিকুৰি হাত বহল আৰু ছকুৰি হাত দীঘল বৃন্দাবনী বস্ত্ৰ। এই বস্ত্ৰখনিৰ দীৰ্ঘ প্ৰস্থৰ সমানে পৰৱৰ্তী কালত মাধৱদেৱৰ পৰামৰ্শ অনুসৰি বৰপেটা সত্ৰৰ নামঘৰৰ ভেটি স্থাপন কৰা হয়।

বৃন্দাবনী কাপোৰখন লৈ গুৰুজনাই চিলাৰায়ৰ ঘৰলৈ গৈ দেৱানক এনিশা হবিষ্যান্ন কৰাই অন্দৰ মহলত এচলীয়া চাং পতাই ঢাৰি-পাটীৰ ওপৰত থৈ বস্ত্ৰৰ ওপৰৰ চিত্ৰবোৰৰ বিষয়ে পৰিপাটিকৈ বুজাই দিলে। চিলাৰায়ে আনন্দত উৎফুল্লিত হ'ল, বিস্ময়ত অভিভূত হ'ল। গুৰুক এশটকা ৰূপ, সোণ চাৰিতোলা, বস্ত্ৰ এযোৰ আৰু দ্বিগ্বিজয় কৰোঁতে অনা যুধিষ্ঠিৰ-যজ্ঞৰ বাসুদেৱ মূৰ্তি দি সেৱা কৰিলে। পিছদিনা মহাৰাজ নৰনাৰায়ণে সেই বস্ত্ৰ দেখি তাত শিল্পৰ অপূৰ্ব নিপুণতাৰ লগত ভাগৱতী লীলাৰ মনোৰম সমাহাৰ প্ৰত্যক্ষ কৰি এই কাম মনুষ্যৰ দুৰ্লভ বুলি জ্ঞান কৰি আৰু গুৰুজনাক ঈশ্বৰ মানি পশ্চিমে মোৱামাৰি, দক্ষিণে মানছৈ, উত্তৰে তোৰোচা আৰু পূবে ভেলা এই চাৰি হজ সীমা কৈ দুশ বিঘা মাটি নানকৰ ব্ৰহ্মোত্তৰ কৰি গৃহ-বাৰী কৰাই বিলে সৈতে দিলে।

বাৰে বাৰে গুৰুজনাৰ ঐশ্বৰিক মহিমা আৰু শক্তিৰ প্ৰমাণ পাই মহাৰাজ নৰনাৰায়ণ মুগ্ধ হয় আৰু তেৰাৰ ওচৰত শৰণ ল'বলৈ ব্যগ্ৰ হৈ উঠে ঃ

"একদিনা ৰাজা শঙ্কৰক মাতি আনি।
কোমল মধুৰ কৰি বুলিলন্ত বাণী।।
কৃষ্ণৰ শৰণ তুমি কৰায়ো আমাক।
নিশ্চয় কৰিয়া আমি বুলিলো তোমাক।।"

## গুৰুৰ বৈকুণ্ঠ প্ৰয়াণৰ সূচনা

শঙ্কৰদেৱে কিন্তু ৰজাক শৰণ দিবলৈ মন নকৰিলে। সেই সময়ত ৰজাসকলক প্ৰজাসকলে ঈশ্বৰ বুলি জ্ঞান কৰিছিল আৰু ৰজাই যি ধৰ্ম মানে বা যিমতে চলে সেইদৰে তেওঁলোকেও আচৰণ কৰিবলৈ চেষ্টা কৰিছিল। ৰজাৰ ধৰ্ম আৰু প্ৰজাৰ ধৰ্ম বেলেগ হ'লে বহু সময়ত প্ৰজাক নিজ ধৰ্মাৱলম্বী কৰিবলৈ ৰজাই উৎপীড়নো কৰিছিল। তদুপৰি নানাধৰণৰ প্ৰশাসনিক কাৰ্য্যত তেওঁলোকে ভক্তিধৰ্ম পালন কৰাটো সম্ভৱো নাছিল। শঙ্কৰদেৱে বিচাৰিছিল ত্যাগৰ মনোবৃত্তি লৈ আধ্যাত্মিক

সাধনা। ৰজাৰ কাৰণে সেইটো সম্ভৱপৰ নাছিল। তেৰাই চিলাৰায় আৰু তেওঁৰ এশ মাদৈক কিন্তু শৰণ দিছিল। সেয়ে ৰজাক কৈছিল ঃ

"হেন শুনি শঙ্কৰে বুলিলা মনে গুণি।
ৰজাৰ শৰণ কোন শাস্ত্ৰে আছা শুনি।।"

তেৰাই আৰু কৈছিল ঃ

"একান্ত শৰণ যিটো লৱয় কৃষ্ণত।
হৰিময় দেখে সিটো সমস্ত জগত।।
শৰণ ভজন ভক্তি ব্ৰহ্মাণ্ডৰ বাজ।
হেন জানি ৰাজা তুমি এৰা ইটো কাজ।।"

কিন্তু মহাৰাজ নৰনাৰায়ণ অলৰ-অচৰ। শ্ৰীমন্ত শঙ্কৰৰ পাদদেশত শিৰ থৈ ৰজাই সকলো ত্যাগ কৰিবলৈ প্ৰস্তুত হ'ল।

"দেৱ-দেৱী সবাৰে এৰিলো মই আশ।
তোমাক মানিয়া গুৰু পাইবো কৃষ্ণ-যশ।।"

কোনো ৰকমে ৰজাৰ হাত এৰাব নোৱাৰি আৰু নিজৰ সিদ্ধান্ত বিসৰ্জন দিবলৈ ইচ্ছা নকৰি গুৰুজনে ৰজাক কিছুদিন অপেক্ষা কৰিবলৈ উপদেশ দি পাটবাউসীলৈ বুলি ৰাওনা হ'ল। এয়েই মহাপুৰুষজনাৰ বৈকুণ্ঠ প্ৰয়াণৰ সূচনা।

"মনত গুণিয়া গুৰু বাটে বাটে যায়।
ৰাজাক লাগিয়া একো উপায় নাপায়।।
নৰনাট এৰিবাৰ মনে ভৈলা সাৰ।
বোলো তেবে এৰাইবোহো হাতক ইহাৰ।।"

পাটবাউসী পাই গুৰুজনাই সকলো ভকত, আত্মীয় স্বজনক মাতি আনি সকলোকে সান্ত্বনা দি ব্যক্ত কৰিলে যে তেওঁ শ্ৰীক্ষেত্ৰলৈ তীৰ্থ কৰিবলৈ যাব।

"আৰো গাৱে গাৱে দিলা সবাকে প্ৰবোধ।
আমি নাসো মানে নমিবাহা মাধৱক।।
জগন্নাথ ক্ষেত্ৰক কৰিয়া আসো মই।
তোৰা সবে মোৰ বাক্য মানিবা সদায়।।
এহি বুলি মাধৱৰ মাথে মালা দিলা।
আচাৰ্য্য পাতিলো বুলি সবাত কহিলা।।"

অন্তৰ্য্যামী মাধৱদেৱে বুজিলে অকলে শ্ৰীক্ষেত্ৰলৈ যোৱাৰ হাবিয়াস আৰু গুৰুভাৰ চমজাই দিয়াৰ অৰ্থ। চৰণত পৰি পৰি কান্দিলে। গুৰুৱে মাধৱৰ চকুপানী মচি ক'লে ঃ

"শঙ্কৰে বোলন্ত তুমি নকৰিবা দুখ।
বস্ত্ৰে ধৰি মাধৱৰ মুচিলন্ত মুখ।।
গণকক্‌ছিক লাগি দিলন্ত বিদায়।
ক্ষেত্ৰক যাইবোহো আমি তোমাক জনাই।।"

গুৰুৱে পাটবাউসীৰ পৰা বিদায় লৈ আহিল এনিশা অৰ্থাৎ কামৰূপ ৰাজ্যত; তেওঁৰ শেষ নিশা গণকক্‌ছিৰ উত্তৰাধিকাৰী, প্ৰিয় ভক্ত মাধৱৰ লগত কটাবলৈ। গুৰুজনাৰ বৰপুত্ৰ ৰামানন্দই অন্ন ৰান্ধি দুজনা গুৰুৰ আগত ৰাখিলে। আধা খোৱাৰ পিছত মাধৱে ক'লে :

"মাধৱে বোলন্ত অৱশেষ অন্ন দিয়ো।
চৰণত ধৰো মোৰ বচন কৰিয়ো।।"

ভক্তিপূৰ্ণচিত্তে শিষ্যই গুৰুৰ মহাপ্ৰসাদ ভোজন কৰিলে। কিন্তু শিষ্য আৰু গুৰু, গুৰু আৰু শিষ্য ইয়াৰ প্ৰকৃত সম্বন্ধ লোক-সমাজত প্ৰচাৰ কৰা প্ৰয়োজন। সেয়ে শঙ্কৰেও মাধৱৰ অৱশিষ্ট অন্ন জোৰকৈ গ্ৰহণ কৰিলে। মাধৱদেৱে বাধা দিলে, মিনতি কৰিলে, কিন্তু কোনো ফল নধৰিল। গুৰুৱে বাণী শুনালে,

"শঙ্কৰে বোলন্ত আত দোষ কিছু নাই।
ভিন্ন ভাৱ নাই তুমি আমি একে কায়।।
এতেকেহে ভুঞ্জিলোহো তব অন্ন আমি।
থাকিয়োক শঙ্কা কিছু নকৰিবা তুমি।।"

অকল তাতেই শেষ নহ'ল। মুখ শুদ্ধি আদি কৰি অটাই গুৰুৱে পুনৰ ক'লে :

"শঙ্কৰে বুলিলা মাধৱৰ মুখ চাই।
মোৰ লগে শয়ন কৰিবা আজি যাই।।"

মাধৱদেৱৰ কাতৰ অনুনয়ৰ কোনো লাভ নহ'ল। শিষ্যই গুৰুৰ লগত একত্ৰে শয়ন কৰিবলৈ বাধ্য হ'ল।

অৱশেষত মাধৱৰ আগত শৰণ ভজন আৰু ভক্তিতত্ত্বৰ সকলো উপদেশ দি পিছদিনা কোচবিহাৰলৈ নাৱেৰে যাত্ৰা কৰিলে। চকুপানী টুকি টুকি মাধৱদেৱে গুৰু নেদেখা হোৱা পৰ্য্যন্ত চাই থাকিল। তেতিয়া আছিল ফাগুন মাহৰ ফৰকাল বতৰ।

কোচবিহাৰ ৰাজ্যত গুৰুজনে ফাগুন মাহৰপৰা ভাদমাহ পৰ্য্যন্ত এবেলা চিলাৰায়ৰ তাত, এবেলা ৰাজ্যসভাত এনেদৰে কটাই আছিল। এদিন তেওঁ মহাৰাজৰ পৰা শ্ৰীক্ষেত্ৰ দৰ্শনৰ বাবে যাবলৈ অনুমতি বিচাৰিলে, কিন্তু মহাৰাজে তেওঁ যোৱাৰ আগতে তেওঁক শৰণ দিবলৈ জেদ ধৰিলে। গুৰুজনে তেওঁক আকৌ বুজাবলৈ চেষ্টা কৰিলে যে ৰাজধৰ্মৰ মাৰ্গ প্ৰবৃত্তি, কিন্তু ভক্তি-ধৰ্মৰ হ'ল নিবৃত্তি মাৰ্গ। গতিকে এই দুই পৰস্পৰ-বিৰোধী মাৰ্গৰ সমন্বয় নহয়, হ'ব নোৱাৰে। সেয়ে ৰজাই

ভক্তিধৰ্মত শৰণ লোৱা বাসনা পৰিত্যাগ কৰা মঙ্গল, কিন্তু ৰজাই নামানে।

"হেন শুনি ৰাজা বুলিলন্ত শঙ্কৰক।
সবাক এৰিয়া আমি ভজিবো কৃষ্ণক।।
নিশ্চয় কৰিয়ো আমি বুলিলো তোমাক।
হেন জানি বাধা বাপ নকৰা আমাক।।"

উপায়ান্তৰ হৈ মহাপুৰুষজনাই ক'লে "মহাৰাজ আপোনাৰ যদি নিতান্ত শৰণ ল'বৰ মন হৈছে, তেন্তে কাইলৈ আপুনি উপবাসে থাকক, পৰশুলৈ ঈশ্বৰে কৰিলে শৰণ দিবলৈ অহা হ'ব। অবশ্যে ঈশ্বৰেহে সকলো কাৰ্য্যক সিদ্ধ অসিদ্ধ কৰে। এতেকে পৰশুলৈ যদি ঈশ্বৰে কৃপা কৰে, আপোনাৰ মনস্কামনা পূৰ্ণ হ'ব পাৰে।" এই বুলি কৈ অতি চিন্তান্বিতভাবে কাকতকুটাৰ ওচৰত মহাৰাজে সজাই দিয়া তেওঁৰ বাহালৈ উভতিল।

ৰজাই শৰণ ল'ব খুজিছে আৰু তেওঁৰ ভক্তিৰ পাত্ৰ আৰু সম্মানৰ গুৰু ৰজাৰ গুৰু হৈ ৰজাৰবীয়া সম্মান লভিব এই কথা শুনি চিলাৰায় আনন্দত মতলীয়া হ'ল। আন আন সেৱক ভক্তসকলে আনন্দ প্ৰকাশ কৰিলে, কিয়নো তেওঁলোকৰ গুৰু ৰজাৰো গুৰু হ'লে তেওঁলোকৰ সকলো দুখ-দুশ্চিন্তা নোহোৱা হ'ব আৰু গোটেই বেহাৰ ৰাজ্যৰ প্ৰজা একশৰণীয়া ভকত হ'ব।

পিছদিনা ৰজাই ব্ৰতে উপবাসে থাকি এটি মনোৰম কৰি দিব্য নতুন গৃহ সজালে। পিছদিনা শুচি সংযমন হৈ গুৰুক আনিবলৈ দোলা আৰু দূত পঠালে। ইতিমধ্যে শঙ্কৰদেৱৰ বুঢ়া আঙুলিত কোঁহা এটাই দেখা দিছে আৰু তেওঁ অসহ্য যন্ত্ৰণা ভুগিছে। দূতে সেই দৃশ্য দেখি গৈ ৰজাক জনালে। গুৰুৱে কমণ্ডলুৰ পানীৰে মুখ প্ৰক্ষালন কৰি, নতুন বস্ত্ৰ পৰিধান কৰি বহিল, টেপৰ গছৰ তলত শয্যা পতাই পূব মুখে পদ্মাসন কৰি বহিল। সকলো ভকতে বিস্মিত হৈ তেওঁক আগুৰি বহিল। এনে সময়তে ৰজাৰ খবৰ পৰা আকৌ মানুহ আহিল। ৰামানন্দ ঠাকুৰে বুজিলে পিতৃৰ অনন্ত যাত্ৰাৰ মুহূৰ্ত উপস্থিত, সেয়ে তেওঁ আক্ষেপ কৰিলে একো নাপালো বুলি। গুৰুৱে উত্তৰ দিলে, "পাৰ্থিব যিকণ বস্তু আছে সেয়াতো মাৰাৰ আৰু তোমাৰ হাতত আছে।" ৰামানন্দই ক'লে, "পিতা, মই পৰকালৰ বিত্তৰ কথাহে কৈছোঁ।" গুৰুজনা আনন্দিত হ'ল, পুত্ৰৰ আধ্যাত্মিক ভাবৰ উদ্ৰেক দেখি উত্তৰ দিলে, "বাপু, এই দ্ৰব্য খুজি তই মোক আনন্দ দিলি। মই জানিছিলো, তই মোৰ সাংসাৰিক সম্বন্ধৰহে পুত্ৰ ; এতিয়াহে তোৰে সৈতে মোৰ আচল পিতা-পুত্ৰৰ সম্বন্ধ ঘটিল। কিন্তু বাপু এই সময়ত মোৰ শৰীৰ বিকল হৈ পৰিছে। তই আৰু সেই দ্ৰব্যৰ নিমিত্তে খেদ নকৰিবি। বঢ়াৰ-পোৰে সৈতে মোৰ কোনো ভেদ নাই। বঢ়াৰ-পোক মই মোৰ শক্তি-ভক্তি, বল-বীৰ্য্য, পৰাক্ৰম সকলো সমৰ্পণ কৰি আহিলোঁ। তই স্বচক্ষে প্ৰমাণ

দেখিলি। এতেকে তই বঢ়াৰ-পোক মোৰ স্বৰূপ জানি গুৰু বুলি মানি তেওঁ ৰূপৰা ধৰ্ম-বস্তু লভিবি।" এনেদৰে তেওঁ নিজৰ চিত্ত ঈশ্বৰত সমৰ্পণ কৰি, গীত ঘোষাৰ পদ যি যি উচ্চাৰণ কৰিব লাগে তাক উচ্চাৰণ কৰি, টেপৰ গছত আউজি গাইপতি যাক যেনেকৈ মাত লগাব লাগে লগাই ১৪৯০ শকৰ ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথিৰ দিনৰ ডেৰ প্ৰহৰত নশ্বৰ দেহ পৰিত্যাগ কৰি বৈকুণ্ঠলৈ প্ৰয়াণ কৰিলে।

কোচবেহাৰৰ ৰাজপ্ৰাসাদলৈ সেই মৰ্মন্তুদ বাতৰি বিয়পি গ'ল। ৰজাই শোকত বিহ্বল হৈ বাগৰি বাগৰি কান্দি ক'লে, "হায়, মই অনাচাৰী ৰজা দেখি গুৰুজনে মোক শৰণ নিদি গুচি গ'ল ; আৰু বা তেওঁ কতদিন এই পৃথিবীত থাকিলহেঁতেন।" ৰজাই শঙ্কৰদেৱৰ শবদেহৰ নিমিত্তে বিস্তৰ ঘিউ, চন্দন, কাঠ আৰু আন সকলো দ্ৰব্য সম্ভাৰ পঠাই দি ভায়েক চিলাৰায়ৰে সৈতে ভূমিপাৰে আহি গুৰুৰ পাৰত পৰি ক্ৰন্দন কৰিবলৈ ধৰিলে। কাকতকুটাৰ পাৰত চিতাশয্যা প্ৰস্তুত হ'ল। গুৰুজনাৰ শবদেহত পুত্ৰ ৰামানন্দই মুখাগ্নি চৰালে। আকাশলংঘী চিতাৰ জুই উঠিল। এটি অপৰিসীম প্ৰতিভাৰ গভীৰ প্ৰাণ-স্পন্দন শূন্যত মিলি গ'ল, কিন্তু ৰৈ গ'ল তাৰ অমিয়া ঝংকাৰ, প্ৰাচীন কামৰূপীয় পৰম্পৰাৰ ভেটিত অভিনৱ সংগীত, শিল্পকলা, ধৰ্ম আৰু সমাজ নীতি, নতুন সংস্কৃতিৰ ভেটি ; সকলোৱে সকলোকে হৰিময় জ্ঞান কৰাৰ বা ভ্ৰাতৃজ্ঞান কৰাৰ বিশ্বভাৱনাৰ আৰ্হি।

## শঙ্কৰী সাহিত্য আৰু কলা

অসমবাসীৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক জীৱনলৈ মহাপুৰুষজনাৰ যি অৱদান তাৰ মূল্য নিৰূপণ কৰিব পাৰি তেৰাৰ লিখনিসমূহ আৰু আন আন শিল্পকলাৰাজিৰ পৰা। আগতে উনুকিয়াই অহা হৈছে যে এই দেশৰ মানুহখিনিয়ে নানা প্ৰথাৰ কবলত পৰি, নানা বিশ্বাসৰ অধীন হৈ, নানা দেৱ-দেৱীৰ পূজা-পাৰ্বণ কৰি জীৱন নিৰ্বাহ কৰিছিল আৰু মোক্ষৰ সন্ধান বিচাৰিছিল। মহাপুৰুষে তেওঁলোকক সন্ধান দিলে বেদতে ইঙ্গিত থকা, গীতাতপ্ৰতিষ্ঠিত হোৱা একমাত্ৰ শৰণপুৰুষ পুৰুষোত্তম শ্ৰীকৃষ্ণৰ। এই সনাতন সত্যৰ সন্ধানৰ জৰিয়তে আৰম্ভ হ'ল সামাজিক চৈতন্যৰ জাগৰণ, স্বীকৃত হ'ল বাহ্যিক আচাৰ-অনুষ্ঠান, যজ্ঞ পূজা আদিৰ অসাৰতা আৰু অপসাৰিত হ'ল সামাজিক শ্ৰেণীবদ্ধতাৰ ব্যৱধান।

"এক দেৱ এক সেৱ
এক বিনে নাহি কেৱ।"

অসমত সেই সময়ত বিভিন্ন ক্ষুদ্ৰ ৰাজ্যবোৰৰ পৰম্পৰাৰ ৰাজনৈতিক শক্তিৰ সংঘাতত সামাজিক জীৱন আছিল অস্থিৰ। মহাভাৰতীয় জাতীয় চৈতন্যৰ লগত অসমৰ যোগসূত্ৰ প্ৰাচীন ধৰ্মীয় শাস্ত্ৰৰ পাতত লিপিবদ্ধ থাকিলেও বাস্তৱত তাৰ একো

পোৱা নগৈছিল। গুৰুজনাৰ আৰু তেৰাৰ অনুগামীসকলৰ সাহিত্য সম্ভাৰেই সৰ্বভাৰতীয় স্তৰত আধ্যাত্মিক আৰু সামাজিকভাৱে অখণ্ড জাতীয় সত্তাৰ স্বৰূপ নিৰ্দ্ধাৰণ কৰে।

সেই সময়ত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত সংস্কৃত প্ৰাকৃত আৰু প্ৰাকৃতৰ অপভ্ৰংশ আৰু তাৰো পিছৰ অবহট্‌ঠ ভাষাত গীত-পদ লিখাৰ পৰম্পৰা প্ৰচলিত আছিল। অবহট্‌ঠ ভাষাক আধুনিক ভাৰতীয় আৰ্য্যভাষাৰ পূৰ্বস্তৰ অৰ্থাৎ মধ্যবৰ্তী স্তৰৰ ভাষা আখ্যা দিয়া হয়। এই ভাষা আছিল সেই সময়ৰ আৰ্য্যাবৰ্ত্তৰ অনাখৰী সৰ্বসাধাৰণৰ মাত-কথা, গীত-পদৰ অন্যতম বাহক। মহাপুৰুষজনাই অসমীয়া (প্ৰাচীন কামৰূপী), সংস্কৃত আৰু ব্ৰজাবুলি ভাষাত সাহিত্য সৃষ্টি কৰিছিল। এই ব্ৰজবুলি ভাষা আছিল অবহট্‌ঠ ভাষা গোষ্ঠীয় কৃষ্ণকেন্দ্ৰিক বিষয়বস্তুৰ দ্বাৰা সমৃদ্ধ। কৃষ্ণলীলা সম্বলিত কথা-কাহিনী আদিক বৈষ্ণৱ ভকতসকলে বাস্তৱ পটভূমিত প্ৰতিষ্ঠিত কৰাৰ প্ৰয়াস কৰিছিল আৰু তাৰ দ্বাৰা বাইজক বৈষ্ণৱ ভাবাপন্ন কৰি তুলিবলৈ যত্নপৰ হৈয়েই এই ভাষাৰ প্ৰতি বেছি আনুগত্য দেখুৱাইছিল। সেয়ে বিহাৰ, উড়িষ্যা, বঙ্গদেশ আৰু অসমৰ বৈষ্ণৱ কবিসকলে ব্ৰজবুলি ভাষাৰ মাধ্যমেৰে কৃষ্ণপ্ৰেমৰ লীলামাধুৰীৰ ৰসসৃষ্টিৰ প্লাবনেৰে, ভক্তিৰ ক্ষেত্ৰত প্ৰান্তীয় সীমাবদ্ধতাৰ দেৱাল ভাঙি পেলোৱাৰ ব্যৱস্থা কৰিছিল। কিন্তু শঙ্কৰদেৱে ব্যৱহাৰ কৰা ব্ৰজবুলি স্থানীয় বৈশিষ্ট্যৰে পৰিপূৰ্ণ আছিল কাৰণে মৈথিলী ব্ৰজবুলিৰ পৰা ই বেলেগ বুলি স্বীকৃত হৈছিল। গুৰুজনাই এই ভাষাত গীত-পদ ৰচনা কৰিয়েই ক্ষান্ত থকা নাই, চমৎকাৰ গদ্য ৰচনাও কৰিছে। অঙ্কীয়া নাটেই তাৰ সাক্ষী। গদ্য-পদ্য দুয়োভাগতে এই প্ৰয়োগৰ ফলত অপূৰ্বৰস সৃষ্টি হৈছে। গুৰুজন-ৰচিত সাহিত্যত তেৰাৰ পূৰ্ব কবিসকলৰ জনজাতীয় অজনজাতীয় লোককথা, লোকগীত আৰু শাস্ত্ৰীয় শব্দৰ উপৰিও শাসন সম্পৰ্কীয় কিছু আৰবী, পাৰ্চী শব্দও ব্যৱহৃত হৈছে। যেনে- দেৱান, ফৰমান, ওৱাচিল, ওৱাৰিচ, চাহেব ইত্যাদি।

শঙ্কৰদেৱৰ সাহিত্য সৃষ্টিৰ প্ৰেৰণাৰ উৎস কেৱল সাহিত্যানুৰাগ নাছিল। ই আছিল তেওঁৰ লোকশিক্ষাৰ মাধ্যম আৰু তাৰদ্বাৰা জনগণক আধ্যাত্মিক স্তৰলৈ উন্নতিৰ প্ৰচেষ্টা। সেই সময়ৰ নিৰক্ষৰ বা অৰ্দ্ধশিক্ষিত মানুহখিনিক ভক্তিধৰ্মৰ দোলেৰে বান্ধি, উচ্চ-নীচ ভেদাভেদ জ্ঞান দূৰ কৰি, এখন সুশৃঙ্খল সমাজ গঠনৰ দ্বাৰা প্ৰগতিশীল ভাবধাৰা সৃষ্টি কৰা। কিন্তু ধৰ্মীয় আদৰ্শ প্ৰচাৰৰ কাৰণে প্ৰয়োজন হৈছিল শাস্ত্ৰীয় অনুমোদন। সেয়ে তেওঁ মুখ্যভাৱে ভাগৱত পুৰাণ আৰু গীতাক সাৰ কৰি, আন পুৰাণাদি ধৰ্মপুথিৰ পৰা ভক্তিধৰ্মৰ তত্ত্ব সম্বলিত আখ্যান উপাখ্যান সংগ্ৰহ কৰি, সেইবিলাক থলুৱা ভাষাৰ মাধ্যমত, কাব্য, পদ ভাওনি ব্যৱস্থা গ্ৰন্থ, প্ৰবন্ধ-সঙ্গীত, শাস্ত্ৰীয় সঙ্গীত আৰু অঙ্কীয়া-নাট আদিৰ জৰিয়তে লোকৰঞ্জনৰ আহিলা

হিচাপে মানুহৰ মাজত প্ৰচাৰ কৰিছিল আৰু তাৰ দ্বাৰাই অগণন ভকতৰ হৃদয়ত সঞ্চাৰ হৈছিল ভক্তিৰসৰ অন্তঃস্পৰ্শী প্ৰৱাহমান ধাৰা। এই ব্যৱস্থাৰ ফলত এটা উচ্চমানৰ সাংস্কৃতিক পৰিবেশৰ সৃষ্টি হোৱাত মানুহে বিপথগামী হ'ব নোৱাৰিছিল। তেওঁৰ শাস্ত্ৰীয় পুথিৰ অনুবাদসমূহো গতানুগতিক নাছিল। ইবিলাকত অসমৰ প্ৰাকৃতিক পৰিবেশ, থলুৱা আচাৰ-বিচাৰ আদিৰ তেওঁ এনেদৰে প্ৰলেপ সানিছিল যে জনগণে শ্ৰীকৃষ্ণৰ ৰম্যভূমি গোকুল, বৃন্দাবন আদিৰ মাহাত্ম্য ঘৰত বহিয়েই উপভোগ কৰিব পাৰিছিল। মানবীয় চৰিত্ৰ চিত্ৰণৰ যোগেদি কথাবস্তুক আকৰ্ষণীয় ৰূপ দি মূল লক্ষ্যৰ ফালে আগবঢ়াই নিয়া কাৰ্য্যত গুৰুজনাৰ কৃতিত্ব আছিল অপূৰ্ব।

শঙ্কৰদেৱৰ ৰচনাৰাজি বা তেওঁৰ বিষয়ে লিখা চৰিতাদি সকলোখিনি সম্পূৰ্ণভাৱে যে উদ্ধাৰ হৈছে, সেই কথা সঠিককৈ কোৱা টান। মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ আদিৰ দৰে ৰাষ্ট্ৰবিপ্লৱৰ উখলমাখলে অসমৰ সত্ৰসমূহকো যথেষ্টভাৱে ক্ষতিগ্ৰস্ত কৰিছিল। যিহওক কেইবাজনো সদাশয় মহান ব্যক্তিৰ অশেষ চেষ্টা আৰু পৰিশ্ৰমৰ ফলত বৰ্তমান আমি পোৱা গুৰুজনাৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহৰ ভাগ সুপণ্ডিত ড° মহেশ্বৰ নেওগদেৱে তলত দিয়া ধৰণে কৰিছে ঃ

(১)

**(ক) ভাগৱতৰ বাহিৰৰ কাহিনী ঃ**

(১) হৰিশ্চন্দ্ৰ উপাখ্যান (মাৰ্কণ্ডেয় পুৰাণ)।

(২) ভক্তি-প্ৰদীপ (গৰুড় পুৰাণ)

(৩) কীৰ্ত্তন-ঘোষাৰ উৰেষা-বৰ্ণন (ব্ৰহ্মপুৰাণ)।

**(খ) ভাগৱতৰ বাহিৰৰ কাহিনীৰ লগত সংমিশ্ৰিত ভাগৱতৰ কাহিনী, কিন্তু শ্ৰীধৰী টীকাৰ প্ৰভাৱৰ পৰা মুক্ত ঃ**

(৪) ৰুক্মিণী-হৰণ কাব্য (হৰিবংশ)।

**(গ) গীত ঃ**

(৫) প্ৰথম বৰগীত "মন মেৰি ৰাম-চৰণেহি লাগু"

**(ঘ) দশম স্কন্ধৰ বাহিৰৰ ভাগৱতৰ কথাৰে প্ৰথম থুল ঃ**

(৬) ষষ্ঠ স্কন্ধ বা অজামিল উপাখ্যান।

(৭) অষ্টম স্কন্ধ বা গজেন্দ্ৰোপাখ্যান আৰু অমৃত-মথন।

(কীৰ্ত্তন-ঘোষাৰ হৰমোহনে সৈতে)

(৮) কীৰ্ত্তন-ঘোষাৰ অজামিল উপাখ্যান (ষষ্ঠ স্কন্ধ), হৰমোহন, বলিছলন, গজেন্দ্ৰোপাখ্যান (অষ্টম স্কন্ধ), চতুৰ্বিংশতিতম অৱতাৰ বৰ্ণন, ধ্যান-বৰ্ণন।

**(ঙ) (৯) গুণমালা, দ্বিতীয়-ষষ্ঠ অধ্যায়**

(২)

(ক) ভক্তি-বিৰোধী-দলন যুক্তি—

১০। কীৰ্ত্তন-ঘোষাৰ পাষণ্ড-মৰ্দ্দন, নাম অপৰাধ

(ভাগৱত, পদ্ম, বিষ্ণুধৰ্ম্মোত্তৰ, বৃহন্নাৰদীয় পুৰাণ আৰু সূত সংহিতা)

১১। পত্নী-প্ৰসাদ নাট (ভাগৱত দশম স্কন্ধ)

(খ) ভাগৱতৰ দশম স্কন্ধৰ পূৰ্ব্বাৰ্দ্ধৰ কৃষ্ণৰ শিশু-জীৱনৰ বৰ্ণনা —

১২। কীৰ্ত্তন-ঘোষাৰ শিশুলীলা, ৰাস-ক্ৰীড়া, কংস-বধ, গোপী-উদ্ধৱ সংবাদ, কুঁজীৰ বাঞ্ছা-পূৰণ, অক্ৰূৰৰ বাঞ্ছা-পূৰণ।

(৩)

**(ক) দশম স্কন্ধৰ বাহিৰৰ ভাগৱত-কথাৰে দ্বিতীয় থুল ঃ**

১৩। বলি-ছলন (অষ্টম স্কন্ধ)

১৪। অনাদি-পাতন (তৃতীয় স্কন্ধ, বামণপুৰাণ আৰু অন্যান্য কথাৰে লিখিত)

**(খ) ভাগৱতৰ দশম স্কন্ধৰ উত্তৰাৰ্দ্ধৰ আৰু একাদশ-দ্বাদশ স্কন্ধৰ কাহিনীৰ কীৰ্ত্তন ঃ**

কীৰ্ত্তন-ঘোষাৰ জৰাসন্ধ-যুদ্ধ, কালযৱন-বধ, মুচুকুন্দ-স্তুতি, স্যমন্ত-হৰণ, নাৰদৰ কৃষ্ণ-দৰ্শন, বিপ্ৰ-পুত্ৰ আনয়ন, বেদ-স্তুতি, লীলা-মালা, ৰুক্মিণীৰ প্ৰেম-কলহ, ভৃগু-পৰীক্ষা (দশম স্কন্ধ) শেষ দুই খণ্ড বৰ্তমানে কীৰ্ত্তন-ঘোষাৰ বহিষ্কৃত ; অনন্ত কন্দলীৰ মধ্য, শেব দশম ৰচনাৰ আগতে সকলো ৰচিত হৈ কন্দলিক প্ৰভাৱান্বিত কৰিছে), (তিনিটা উপখণ্ডেৰে, তৃতীয় স্কন্ধৰ সংযোগেৰে) শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ-প্ৰয়াণ, ভাগৱতৰ তাৎপৰ্য্য।

**(গ) বহলভাৱে ভাগৱতৰ স্কন্ধৰ ভাঙনি আৰু কাহিনী ঃ**

(১৫) দশম স্কন্ধ আদি

(১৬) একাদশ স্কন্ধ (আন সংমিশ্ৰণেৰে)

(১৭) দ্বাদশ স্কন্ধ

(১৮) প্ৰথম স্কন্ধ

(১৯) দ্বিতীয় স্কন্ধ

(২০) নৱম স্কন্ধ

(২১) কুৰুক্ষেত্ৰ

(২২) নিমি-নৱসিদ্ধ-সংবাদ

(২৩) গুণমালা, প্ৰথম অধ্যায়

**(ঘ) ৰাম-কথা ঃ**

(২৪) ৰামায়ণ, উত্তৰাকাণ্ড

**(ঙ) গীত ঃ**

(৫) বৰগীত (সঙ্কলন)

(০) তোটয়

(০) ভটিমা

(চ) প্ৰকৰণ-গ্ৰন্থ ঃ

(২৫) ভক্তি-ৰত্নাকৰ।

(ছ) নাট ঃ

(২৬) কালিয়-দমন

(২৭) কেলি-গোপাল

(২৮) ৰুক্মিণী-হৰণ

(২৯) পাৰিজাত-হৰণ

(৩০) ৰাম-বিজয়, অন্ত্য ৰচনা ১৪৯০ শক

ড° নেওগদেৱে গুৰুজনাৰ বিভিন্ন স্থানত অৱস্থিতি আৰু সেই সময়ত সমাজৰ আৰু ৰাজনৈতিক পৰিবেশৰ ভেটিত তেৰাৰ মানসিক প্ৰতিক্ৰিয়াৰ প্ৰভাৱ ৰচনাসমূহত দেখুৱাবলৈ চেষ্টা কৰিছে।

মহাপুৰুষ শঙ্কৰদেৱৰ কাব্যিক সৃষ্টিয়ে যে অকল অসমীয়া কাব্য-কানন সৌৰভময় আৰু সমৃদ্ধ কৰিছে তেনে নহয়, তেওঁ প্ৰসিদ্ধ সংস্কৃত পণ্ডিত আৰু কবিও আছিল। অঙ্কীয়া নাট কেইখনৰ অন্তৰ্গত শ্লোকসমূহ তেৰাৰ স্বকীয় সংস্কৃতত ছন্দোবদ্ধ ৰচনাৰ উৎকৃষ্ট সম্পদ। "মধু-দানব-দাৰণ দেববৰং" প্ৰখ্যাত বিষ্ণু স্তোত্ৰটি আৰু "ভক্তি-ৰত্নাকৰৰ" প্ৰস্তাৱনা শ্লোক চাৰিটি, সেই সম্পদৰ অন্যতম চানেকি। শঙ্কৰদেৱৰ ছয়োখন নাটৰ ভিতৰত নান্দী শ্লোক কেইটিৰ সৈতে মুঠতে ১৭৯টা শ্লোক আছে। কালিয় দমনত ২৪টা, পত্নী প্ৰসাদত ২টা, কেলি গোপালত ২৫টা, পাৰিজাত হৰণত ৪৫টা, ৰুক্মিণী হৰণত ৪২টা আৰু ৰাম-বিজয় নাটত আছে ৪১টা শ্লোক। ইয়াৰ ভিতৰত নান্দী শ্লোক আছে এঘাৰটা, পত্নী প্ৰসাদত এটা আৰু বাকী পাঁচখনত দুটাকৈ।

চাৰিটা প্ৰস্তাৱনা শ্লোকেৰে গুৰুজনাই "ভক্তি-ৰত্নাকৰ" গ্ৰন্থ আৰম্ভ কৰিছে। যাৰ নাম ধ্যান কৰি মানুহে পৰমপদ লাভ কৰে। যাৰ কৃপাযোগে পাপীৰো অভীপ্সিত পদলাভ হয়, সেই পৰম পুৰুষৰ পদ-পঙ্কজত কবিয়ে নমস্কাৰ জনাইছে প্ৰথম দুটা শ্লোকৰ মাজেদি ; দ্বিতীয় শ্লোক দুটাৰ মাজেদি গ্ৰন্থখনৰ বিষয়বস্তুৰ আভাস দিয়া হৈছে। ৰামচৰণ ঠাকুৰৰ ভাষাত,

"ভাগৱত নামে দুগ্ধ-সাগৰ মথিলা।
তাহাৰ লৱণু পিণ্ড সাৰ উদ্ধাৰিলা।।
আনো সপ্ত শাস্ত্ৰচয় পাইলন্ত যতেক।

তাহাৰ সাৰক আনি উদ্ধাৰি প্ৰত্যেক ।।
কৰিলন্ত গ্ৰন্থ নামে ভক্তি ৰত্নাকৰ।"

গুৰুজনা নিজে আছিল এক মহান গন্ধৰ্ব। নৃত্য, গীত, চিত্ৰ, বাদ্য, নাট্য, হস্তশিল্প, আদি সকলো বিষয়তে তেওঁ নিজে অংশ লৈ শিষ্য-প্ৰশিষ্যক প্ৰশিক্ষণ দি সত্ৰসমূহত নিয়মীয়াভাবে ধৰ্মীয় আচাৰ হিচাপে প্ৰচলন কৰি অসমত যি এক অপূৰ্ব কলাৰ নিদৰ্শন ৰাখি গৈছে, সেইখিনিকে আমি আজি শঙ্কৰী কলা, শঙ্কৰী নৃত্য, সত্ৰীয়া নৃত্য-কলা, বৰগীত আদি নানা নামেৰে নামকৰণ কৰি জাতীয় ঐশ্বৰ্য্যৰ ভঁড়াল চহকী কৰিছোঁহক। তেৰাব লিখনিৰ পৰাই জানিব পাৰি যে পিতৃ কুসুম্বৰ ভূঞাও এজন গন্ধৰ্ব আছিল। এই সত্ৰীয়া পদ্ধতিৰ নৃত্যৰ বিষয়ে ভাৰতৰ প্ৰখ্যাত শিল্পী আৰু ধ্ৰুপদী কলা বিশাৰদ উদয় শঙ্কৰে কৈ গৈছে যে অসমৰ সত্ৰীয়া নৃত্য ভাৰতৰ শাস্ত্ৰীয় নৃত্যৰ এটা বিশেষ ধাৰা।

কেইবাখনো গুৰুচৰিতত গুৰুজনাই চিত্ৰৰ মাধ্যমত ভাগৱত অঙ্কন কৰা, সাত বৈকুণ্ঠৰ চিত্ৰ অঙ্কন কৰি চিহ্ন-যাত্ৰা ভাওনা পতাৰ উল্লেখ আছে। এই ভাওনাৰ পাণ্ডুলিপি লুপ্ত হ'ল, ৰক্ষা হ'লে সেই বিষয়ে সবিশেষ জনাৰ সুবিধা হ'লহেঁতেন। তাম্ভীকুচীৰ তাঁতীৰ হতুৱাই বৃন্দাবনৰ চিত্ৰ অঙ্কন কৰা "বৃন্দাবনী বস্ত্ৰৰ" কাহিনী সেই যুগৰ এক চমকপ্ৰদ কলাৰ স্বাক্ষৰ। কালিয়দমন আদি নাটতো কালিয় সৰ্পৰ সহস্ৰ-ফণা আৰু কৰযোৰ কৰি আঁঠুলৈ স্তুতি কৰা কথা আছে। যথেষ্ট পোহৰৰ সুবিধা নোহোৱাকৈ এইবোৰ দৃশ্য প্ৰদৰ্শনৰ মাধ্যম চিত্ৰকলাৰ বাহিৰে আন আৰু কি সম্ভৱ হ'ব পাৰে? শঙ্কৰদেৱৰ সময়ত সজা কীৰ্ত্তনঘৰৰ আৰ্হি আজি পাবলৈ নাই। তথাপি নামঘৰসমূহৰ চলি অহা পৰম্পৰাই আমাৰ তৎকালীন বস্তুকলাৰ বিষয়েও এটা ধাৰণা নিশ্চয় দিব পাৰে।

## শঙ্কৰদেৱৰ ধৰ্মীয় মতবাদৰ স্বৰূপ

ভাৰত মহাসাগৰ, বঙ্গোপসাগৰ আৰু আৰব সাগৰৰ সঙ্গমস্থলত এদিন আলোৱাৰসকলৰ ভক্তিসঙ্গীতৰ ঢৌ উঠিছিল আৰু তাত মিলিত হৈছিল পাৰস্যৰ (বৰ্তমান ইৰাণ) জৰথুস্ত্ৰ, পশ্চিমদেশৰ খ্ৰীষ্ট আৰু আৰবৰ ইছলাম ধৰ্মৰ একেশ্বৰবাদী ভক্তিমাৰ্গী ধাৰা। ইয়ে প্লাবিত কৰিছিল গোটেই ভাৰতভূমি। উত্তৰ-পূব ভাৰতৰ উৰ্বৰ ভূমিত সেই জোৱাৰৰ পানী শঙ্কৰদেৱে এনেকুৱা অভিনৱ প্ৰণালীৰে সুচিন্তিত মাধ্যমেৰে সিঞ্চন কৰিছিল যে গোটেই ভূমিখণ্ড শস্যশ্যামলা হৈ পৰিছিল।

ভাগবতৰ শ্ৰীকৃষ্ণৰ মাহাত্ম্য আৰু গীতাৰ একশৰণ তত্ত্ব তেৰাৰ আছিল প্ৰচাৰিত তত্ত্ব আৰু সেই লক্ষ্যত উপনীত হ'বলৈ তেওঁ ব্যৱস্থা কৰিছিল নাম (কীৰ্ত্তন) ঘাই উপায় হিচাপে। নৱবিধ ভক্তিৰ ভিতৰত নামকেই প্ৰাধান্য দিয়াৰ কাৰণ আছিল,

কীৰ্ত্তনত (নামত) শ্ৰৱণ, স্মৰণ আৰু বন্দন— এই চাৰিবিধ ভক্তি স্বভাৱতেএকত্ৰিত হয়। নামৰ (কীৰ্ত্তনৰ) ভিতৰেদি বিষ্ণুৰ অৰূপৰ যি স্বৰূপ বা নিৰ্গুণৰ যি গুণ প্ৰকাশ পায়, যেনে- ধ্যান-বৰ্ণন তাতে দাস্য-সখিত্ব ভাৱ আৰু অৰ্চ্চন, পদ-সেৱন, দেহ-অৰ্পণ আদি কাৰ্য্যও সাধিত হ'ব পাৰে উন্নয়নৰ উত্তৰোত্তৰ অৱস্থাত। "যদ্যাপি ভকতি নৱবিধ মাধৱৰ। শ্ৰৱণ-কীৰ্ত্তন তাতে মহা শ্ৰেষ্ঠতৰ।।" তন্ত্ৰ আৰু জপ-তপ অপ্ৰয়োজনীয় বা অনুপযোগী বুলি তেওঁ বৰ্জন কৰিছে। তন্ত্ৰ-মন্ত্ৰ যিদৰে কৰ্মকাণ্ডৰ ব্যৱস্থা, তেনেদৰে জপ-তপ জ্ঞানমাৰ্গৰ অন্তৰ্গত। কিন্তু নাম-কীৰ্ত্তন তাৰ ওপৰৰ ভক্তিমাৰ্গৰ সাৰবস্তু আৰু উচ্চ-নীচ, ধনী-দুখীয়া, জাতি-অজাতি সকলোৰে কাৰণে সহজসাধ্য প্ৰথা। গুৰুজনে তেৰাৰ কীৰ্ত্তন পুথিত "প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন" বুলিয়ে তাৰ পৰা সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ কথালৈ আহিছে। এয়ে কীৰ্ত্তন শাস্ত্ৰৰ যোগেদি প্ৰকাশ কৰা গুৰুজনাৰ ধৰ্মীয় আদৰ্শৰ গূঢ় ৰহস্য। ইয়াৰ দ্বাৰাই তেওঁ আদিগুৰু শঙ্কৰাচাৰ্য্য আৰু ব্ৰহ্মবাদীসকলৰ পৰাও সুকীয়া পথ ল'লে, যদিও ব্ৰহ্মবাদীৰ লক্ষ্যৰ লগত তেওঁৰ কোনো অমিল নাই। উপনিষদৰ লক্ষ্য আত্মতত্ত্ব আৰু শঙ্কৰদেৱৰো লক্ষ্য সেয়ে। কিন্তু এক উচ্চস্তৰীয় তৰ্কমন্দিৰৰ পৰা তাক নমাই অনা হ'ল অসমৰ অনাক্ষৰী জনজাতি-অজনজাতি সংমিশ্ৰিত জনতাৰ বুকুৰ মাজলৈ। সেয়ে তেওঁ প্ৰচাৰ কৰিলে-

"তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত।।"

আৰু

"পৰম দুৰ্বোধ আত্মতত্ত্ব
তাৰ জ্ঞান অৰ্থে হৰিবত
লীলা অৱতাৰ ধৰা
তুমি কৃপাময়
তাহাৰ চৰিত্ৰ সুধা-সিন্ধু
তাত ক্ৰীড়া কৰি দীনবন্ধু
চাৰি পুৰুষাৰ্থ তৃণৰ সম কৰায়।"

প্ৰকৃততে সংসাৰত মানুহে ত্ৰিতাপৰ দ্বাৰা জৰ্জৰিত হয়। সেই ত্ৰিতাপ হ'ল— আধিদৈবিক, আধিভৌতিক আৰু আধ্যাত্মিক। এই ত্ৰিতাপ খণ্ডনৰ উপায় "নামকীৰ্ত্তন" বুলি শঙ্কৰদেৱে উপদেশ দিছে। নামৰ গুণ সম্বন্ধে তেওঁ এনেদৰে বৰ্ণাইছে,

"প্ৰথমে দহিবে পাতেকচয়।
কৰিবে মহাপুণ্য অভ্যুদয়।।
কৰাইবে বিষয়ত বিৰকতি।
কৃষ্ণতে বাঢ়িব প্ৰেম-ভকতি।।

উপজাইবে আতি বৈষ্ণৱ জ্ঞান।
মায়াকো কৰিবে দহি নিৰ্ব্যাণ।।
চৈতন্য মূৰ্ত্তি পূৰ্ণানন্দ হৰি।
থৈবেক তেন্তে এৰে একে কৰি।।" (পাষণ্ড মৰ্দ্দন)

শঙ্কৰদেৱে প্ৰচাৰ কৰা ধৰ্মীয় প্ৰথা ভাৰতৰ ভক্তি-ধৰ্ম আন্দোলনৰ অংশীভূত হৈয়ো বা সেই আন্দোলনৰ পটভূমিত প্ৰতিষ্ঠিত হ'লেও আন পূৰ্বাপৰ প্ৰথাবোৰৰ পৰা কিছু পৰিমাণে পৃথক আৰু ইয়াৰ বৈশিষ্ট্যও সুকীয়া। কামৰূপীয় বৈষ্ণৱ সম্প্ৰদায়ৰ মত, আচাৰ উপাসনা প্ৰণালী, তত্ত্ব-কথা, আনকি নাম-প্ৰসঙ্গৰ শেষত ভকতসকলৰ মাজত বিলোৱা প্ৰসাদৰ দ্ৰব্যসমূহো ভাৰতৰ আন বৈষ্ণৱ সম্প্ৰদায়ৰ ব্যৱস্থাতকৈ বেলেগ। ৰামানুজৰ বিশিষ্টাদ্বৈতবাদত পাঁচ-উপাসনাৰ প্ৰাধান্য, অন্তৰ্য্যামীৰ উপাসনাৰ কাৰণে বহুত দীঘলীয়া আৰু কাঁইটীয়া বাট। তেওঁৰ শ্ৰীসম্প্ৰদায়ত লক্ষ্মী-বিষ্ণুৰ দ্বৈত উপাসনাই স্থান পাইছে। দেখিবলৈ পোৱা যায় গীতাৰ একশৰণ তত্ত্বৰপৰা ভক্তিবাদী আচাৰ্য্য ৰামানুজেই প্ৰথমে ফালৰি কাটিছে। তেওঁৰ পাঁচপুৰুষ পিছৰ শিষ্য ৰামানন্দৰ পৰম্পৰাত ৰাম-সীতা উপাসনা প্ৰৱৰ্ত্তিত হৈছে, হনুমান আদিৰ উপাসনাও বাদ পৰা নাই। নিম্বাৰ্ক, মধ্ব আৰু বল্লভাচাৰ্য্যই অদ্বৈতবাদৰ ওপৰতে সামান্য সালসলনিৰে নিজ নিজ মতবাদ প্ৰচাৰ কৰে। নিম্বাৰ্ক আৰু বল্লভাচাৰ্য্যৰ সম্প্ৰদায়ত ৰাধাৰ স্থান আছে। মধ্বাচাৰ্য্যৰ সম্প্ৰদায়ত লক্ষ্মীৰ যি স্থান সেই স্থান চৈতন্যদেৱৰ সম্প্ৰদায়ত ৰাধাৰ বেছি নিকপকপীয়া হ'ল। শ্ৰীকৃষ্ণ ৰাধাৰ অনুগামীত পৰিণত হ'ল। এই কেইটা সম্প্ৰদায়ৰ লগত আকস্মিকভাৱে কিছু কথাৰ মিল হ'লেও পৰম্পৰাৰ ভিন্নতা স্পষ্ট। সাধনাৰ ক্ষেত্ৰত দ্বৈতভাৱৰ আভাস থাকিলেও শঙ্কৰদেৱে তেওঁৰ ৰচনাৱলীৰ বহু ঠাইত স্পষ্টভাৱে দ্বৈতভাৱৰ বিৰোধ কৰিছে। যেনে,

চৈতন্য স্বৰূপে তুমি এক নিৰঞ্জন।
তোমাক বুলিবে দ্বৈত কোন অজ্ঞজন।। (ওড়েষা কীৰ্ত্তন) ২১০১

১৯০৫ চনত প্ৰকাশিত হোৱা District Gazetteers of Assamৰ তথ্য মতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ হিন্দু মানুহৰ ভিতৰত শতকৰা আশীভাগেই বৈষ্ণৱ সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত। জিলাভিত্তিত পৰিসংখ্যাটো এনেকুৱা আছিল— গোৱালপাৰাত ৯০ ভাগ, কামৰূপত ৯৮ভাগ, দৰঙত ৭২ভাগ, নগাওঁত ৯০ভাগ, শিৱসাগৰত ৬৮ভাগ আৰু লক্ষীমপুৰ জিলাত ৬২ভাগ। জনজাতি প্ৰধান অসম ৰাজ্যত এইটোৱে প্ৰমাণ কৰে মহাপুৰুষ শঙ্কৰদেৱ আৰু তেওঁৰ পৰৱৰ্তী আৰু অনুগামী বৈষ্ণৱ গুৰুসকলৰ অৱদানৰ মহিমা। সমাজ সংগঠনত শঙ্কৰদেৱৰ এটি মহৎ কীৰ্তি হ'ল সমাজত সকলো সম্প্ৰদায়ৰ মাজত উদাৰ সাম্যভাব বিস্তাৰ। এই সাম্যভাবৰ ফলস্বৰূপে

আজিও অসমীয়া সমাজ ভাৰতৰ ভালেমান প্ৰাদেশিক সমাজতকৈ আচাৰ-বিচাৰত উদাৰ আৰু উন্নত বুলি ক'লে অত্যুক্তি নহয়। গুৰুজনাৰ ধৰ্মশিক্ষাৰ মূলমন্ত্ৰ আছিল-

"কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।
সমস্ত ভূততে ব্যাপি আছো মই হৰি।
সবাক মানিবা তুমি বিষ্ণুবুদ্ধি কৰি।।
ব্ৰাহ্মণ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি এক তুল।।
নীচন্ত সাধুত যাৰ হৈল এক জ্ঞান।
তাহাকেসে পণ্ডিত বুলিয়া সবে জ্ঞান।।" (বৈকুণ্ঠ বৰ্ণন)

এই উদাৰ দৃষ্টিভঙ্গীৰ কাৰণেই ভোট, কছাৰী, গাৰো, মিৰি, নগা, কৈবৰ্ত, বনিয়া, মুছলমান, ব্ৰাহ্মণ সকলো সম্প্ৰদায়ৰ, সকলো জাতৰ মানুহে সমবেত হৈ, ভক্তি-ধৰ্মত শৰণ লৈ তেৰাক আখ্যা দিছিল "মহাপুৰুষ।" "সৰ্ব্বগুণাকৰ সদানন্দ পুৰুষ।"

এজন বিত্তশালী বাৰভূঞাৰ শিৰোমণি জমিদাৰ, কোচৰজাৰ খিতাপধাৰী ৰাজবিষয়া হৈও তেওঁ আছিল দীন-দুখীয়াৰ পৰম বান্ধৱ ; গৃহস্থী লোক হৈও তেওঁ আছিল উদাসীন, সত্ৰ-অনুষ্ঠান সংগঠন কৰি তাৰ জৰিয়তে সকলোপ্ৰকাৰ লোকশিক্ষাৰ ব্যৱস্থা কৰি তেওঁ কটাইছিল জীৱনৰ সৰহখিনি সময় ভক্ত-বান্ধৱৰ সমাজত। গন্ধৰ্ব কলাকাৰ হিচাপে সকলোৰে লগত মিলিজুলি প্ৰচাৰ কৰিছিল ভক্তিধৰ্মৰ স্বৰূপ। এই সকলোবিলাক দৃষ্টিকোণেৰে মিলাই চালে এইটো সহজবোধ্য হয় যে শঙ্কৰেদেৱ তেওঁৰ পূৰ্ব্ববৰ্তী বা সমসাময়িক সকলোকেইজন আচাৰ্য্যৰ ভিতৰত আছিল অনন্য। সংস্কৃত শাস্ত্ৰৰ বিদগ্ধ পণ্ডিত হৈয়ো, তাত্ত্বিক দৰ্শনৰ সংৰক্ষণশীল মনোবৃত্তিৰে ভাৰাক্ৰান্ত সমসাময়িক পণ্ডিতসকলৰ শিৰোমণি হৈও লোকসমাজৰ পৰা আঁতৰি থকাৰ হাবিয়াস তেওঁৰ নাছিল। তেওঁ আহৰণ কৰা জ্ঞান নিয়োজিত কৰিছিল বিৰাট জনগণৰ শিক্ষা আৰু সংস্কাৰমূলক কল্যাণৰ অৰ্থে। সেয়ে তেওঁৰ পৰম-বান্ধৱ আৰু উত্তৰাধিকাৰী শিষ্য মাধৱদেৱে নামঘোষাত লিখিছে :

"পৰম অমূল্য ৰত্ন হৰিৰ নামৰ পেৰা
অতি গুপ্ত স্বৰূপে আছিলা।
লোকক কৃপায়ে হৰি শঙ্কৰ স্বৰূপে আসি
মুদ ভাঙ্গি সমস্তকে দিলা।।
হৰিনাম প্ৰেমৰস অমৃত নিধিক বান্ধি
গুপ্ত কৰি থৈলা দেৱগণে।
দয়ালু শঙ্কৰে পাই তুলি মুদ ভাঙ্গি দিলা
মুখে পান কৰা সৰ্ব্বজনে।।

হৰিনাম গুপ্ত ভৈল মনুষ্যত পূজা ৰৈল
বুলি ৰঙ্গ কৰে দেৱ সৰ্ব্ব।
হেন হৰি নাম ধৰ্ম্ম শঙ্কৰে বিদিত কৰি
চূড় কৈলা দেৱতাৰ গৰ্ব্ব।।"

" A great vaishnava revival under Sankardeva in the Sixteenth Century has made the Assamese people kind, tolerant and humane".

Mahatma Gandhi

## মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ

(১)

১৪১১শকৰ (ইং ১৪৮৯খৃষ্টাব্দ) জেঠ মাহৰ কৃষ্ণপক্ষৰ প্ৰতিপদ তিথি ৰবিবাৰে ৰাতি দুপৰত মহাপুৰুষ মাধৱদেৱ ভূমিষ্ঠ হৈছিল উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰ অঞ্চলৰ হৰশিঙা বৰাৰ গৃহত। হৰশিঙা বৰা আছিল তেওঁৰ পিতৃৰ আপাতকালৰ আশ্ৰয়দাতা।

মাধৱদেৱৰ পিতৃ-মাতৃৰ নাম ক্ৰমে গোবিন্দগিৰী আৰু মনোৰমা। চৰিত পুথিসমূহত গোবিন্দগিৰীৰ কেইবাটাও নাম পোৱা যায়, যেনে—দীঘলকণাগিৰী, নামকণাগিৰী, বৰকণাগিৰী, মহোদৰ ভূঞা আৰু দীঘলপুৰীয়া ইত্যাদি। গোবিন্দগিৰী বাণ্ডকাৰ (বৰ্তমান বাংলাদেশৰ ৰংপুৰ জিলাৰ অন্তৰ্গত) ভূঞা বংশৰ লোক আছিল। তেওঁৰ দ্বিতীয়া স্ত্ৰী অৰ্থাৎ মাধৱৰ মাতৃ মনোৰমা আই আছিল শঙ্কৰদেৱৰ পৰিয়ালৰ জীয়াৰী।

গোবিন্দগিৰীয়ে বাণ্ডকাত ৰজাৰ অধীনত মজিন্দাৰী কাম কৰিছিল। তেওঁৰ প্ৰথমা পত্নীৰ নাম আছিল অনুচিতা আৰু তেওঁলোকৰ দামোদৰ নামে এটি পুত্ৰ সন্তান আছিল। হঠাৎ এদিন অনুচিতাৰ মৃত্যু হ'ল। গোবিন্দৰ মন বিষাদ সাগৰত ডুব গ'ল। তেওঁ পুতেকক ৰজাঘৰীয়া বাব সোধাই দি পুৰণি সম্বন্ধীবোৰৰ খা-খবৰ লৈ বৰদোৱা পালেগৈ আৰু শঙ্কৰদেৱক সাক্ষাৎ ক'ৰিলে। শঙ্কৰে তেওঁৰ বিষয়ে সবিশেষ অৱগত হৈ তেওঁৰ সম্বন্ধীয় খুড়াকৰ জীয়েক মনোৰমাৰ লগত তেওঁৰ পুনৰ্বিবাহ পাতি দি ঘৰ-বাৰী সজাই দি থাপি থ'লে।

কছাৰী উপদ্ৰৱৰ কাৰণে যেতিয়া বৰদোৱাৰ ভূঞাসকল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ যোৱা ঠিক কৰিলে, শঙ্কৰদেৱে গোবিন্দগিৰীকো মাতি আনি ক'লে, "চলিয়ো এখন, কৰিয়া যতন উত্তৰ পাৰক যথা," তেওঁলোকক আঠজন দুলীয়াৰে দোলা ঠিক কৰি দিয়া হ'ল। দুয়ো স্বামী-স্ত্ৰী যথাসৰ্বস্ব লৈ দোলাৰে অনিৰ্দিষ্ট পথত যাত্ৰা আৰম্ভ

কৰিলে। গৈ গৈ বাটতে এডৰা হাবি পালে আৰু বেলিও লহিয়াই আহিল। মনোৰমা আই তেতিয়া অন্তঃসত্ত্বা আছিল। দুখে-ভাগৰে দুয়ো পতি-পত্নীয়ে দোলাৰ ভিতৰতে শুই পৰিল আৰু দুলীয়াইঁতকো ৰাতিটো তাতে কটাব বুলি জিৰণি ল'বলৈ ক'লে। ৰাতিপুৱা যেতিয়া তেওঁলোকৰ টোপনি ভাগিল তেতিয়া দেখিলে দুলীয়াকেইটাই তেওঁলোকৰ যথাসৰ্বস্ব চুৰ কৰি পলাই গৈছে। আনকি পিন্ধন-উৰণৰ কাপোৰো বাদ দিয়া নাই। নাম্নং নাবস্ত্রং এহাল দম্পতিৰ সেইদিনা অজান অচিন পথৰ হাবিৰ মাজত কেবল ভগবানক স্মৰণ কৰাৰ বাহিৰে আন কোনো উপায় নাথাকিল।

ৰাতিপুৱা ঘৈণীয়েকৰ পিয়াহ লগাত গোবিন্দগিৰী বাহৰ চুঙা এটা কাটি তাত ভৰাই ওচৰৰ নদীৰ পৰা পানী আনিবলৈ গ'ল। সেই সময়ত অসম ৰজাৰ উজিৰ হৰশিঙা বৰা ৰাজকাৰ্য্য কৰি নাৱেৰে উজাই আহি আছিল। উজিৰক দেখি গোবিন্দগিৰী বিৰিণাৰ মাজত লুকাব খুজিছিল, কিয়নো তেওঁৰ গাত তেতিয়া যি সাজ তাৰে ভদ্ৰলোকৰ সম্মুখত ওলাব নোৱাৰি। কিন্তু উজিৰে নাও ৰখাই তেওঁক মাতিলে। গিৰীৰ শৰীৰৰ সুন্দৰ ক্লান্তি দেখি আৰু তেওঁৰ পিন্ধনৰ কাপোৰৰ অৱস্থা দেখি তেওঁ সন্দেহ হ'ল যে মানুহজন নিশ্চয় বিপদত পৰিছে। গিৰীয়ে উজিৰৰ আগত নিজৰ পৰিচয় দি তেওঁৰ বিপদৰ কথা আদ্যোপান্ত বৰ্ণনা দিলে। উজিৰ ঘটনা শুনি আচৰিত হ'ল। তেওঁ গৈ মনোৰমাকো হাবিৰ মাজৰ পৰা নাওলৈ আনি তেওঁৰ তাত যি বস্ত্ৰ আছিল পিন্ধিবলৈ দি ক'লে :

"কহন্ত উজিৰে শুনা তুমি মোৰ পিতা।
তোমাৰ পত্নীক মই বুলিলোঁহো মাতা।।
এই নৌকা মধ্যে আসি তোৰা দুইজন।
আমাৰ সহিত আবে চলা ৰঙ্গমন।।"

গোবিন্দগিৰী আৰু মনোৰমা এনেদৰে বৰাৰ লগত আহি তেওঁৰ গৃহত ঠাই ল'লে। বৰাই অতি আদৰ সাদৰ কৰি তেওঁলোকক তেওঁৰ ঘৰত আশ্ৰয় দিলে। তেওঁলোক বৰাৰ ঘৰৰ সম্ভ্ৰান্ত অতিথি হ'ল। কিছুদিন পিছত বৰাই তেওঁৰ ঘৰৰ ওচৰতে এডোখৰ ঠাইত সুকীয়াকৈ ঘৰ-বাৰী সজাই দিলে আৰু তাতেই মাধবদেৱৰ জন্ম হ'ল। সেই ঠাই বৰ্তমান লেতেকুপুখুৰী বুলি জনাজাত আৰু মাধৱৰ জন্ম-ভেটি হিচাপে প্ৰখ্যাত।

### বাল্যকালৰ লটিঘটি

মাধৱ সৰুৰেপৰা দেখনিয়াৰ আছিল। অলপ ডাঙৰ হ'লত সমনীয়া ল'ৰাৰ লগত ৰং-ধেমালি কৰি দিন নিয়াবলৈ ধৰিলে। কিন্তু শৈশৱ আৰু কৈশোৰ কালতে তেওঁৰ বহু অলৌকিক শক্তি হৰশিঙা বৰাৰ চকুত পৰিছিল। সেয়ে মাধৱক তেওঁ

পুত্ৰতকৈও অধিক চেনেহৰ চকুৰে চাইছিল। ঘৰতে যিখিনি সম্ভৱ তেওঁৰ পঢ়া-শুনাৰ ব্যৱস্থা কৰিছিল। এডৰা মাটি দি তাত খেতি-বাতি কৰিবলৈকো সুবিধা কৰি দিছিল। মাধৱে কৃষি-কৰ্মত যথেষ্ট সফলতাও অৰ্জন কৰিছিল। মাধৱৰ চেঙেলীয়া বয়স হ'লত উজিৰে ৰাজকাৰ্য্যত ইফালে-সিফালে ঘূৰি ফুৰোঁতে, মাধৱক সদায় লগত লৈ গৈছিল।

ইমানখিনি সময়লৈকে মাধৱৰ দিনবোৰ মোটামুটিভাৱে সুখেৰে অতিবাহিত হৈছিল, কিন্তু ইয়াৰ পিছতে আহিল চূড়ান্ত দুৰ্য্যোগৰ কাল। হৰশিঙা বৰাৰ মৃত্যু হ'ল। দেশত দুৰ্ভিক্ষ লাগিল। গোবিন্দগিৰীৰ জিঞ্জিবাত (জিকিৰি) ৰোগ হ'ল। এই ৰোগত জুইৰে সেকিলেহে কিছু সকাহ মিলে আৰু সেয়ে মাধৱৰ কাম হ'ল দুয়োবেলা খৰি লুৰি অনা। বৰাৰ ভতিজাইঁতে পৰিয়ালটোক অবহেলাৰ ভাবো দেখুৱালে। গাঁঠিৰ ধন যি অলপ অচৰপ আছিল সিও শেষ হ'ল। এদিন অনিশ্চিত ভৱিষ্যতআগত লৈ তেওঁলোকে লেতেকুপুখুৰী ত্যাগ কৰিলে।

অদূৰত গোবিন্দগিৰীৰ এজন সম্বন্ধীয়াৰ ঘৰ। তেওঁলোকে কিছুদিনৰ কাৰণে তালৈ যাবলৈ থিৰাং কৰিলে। কিন্তু তেওঁলোকৰ ঘৰলৈ গৈ তাত যি ব্যৱহাৰ পালে সি বৰ্ণনাৰো অতীত। গিৰিহঁতে মাধৱৰ হতুৱাই খৰি ফলাই ল'লে আৰু হয়তো তাৰ বিনিময়ত কেইটামান চাউল সিজোৱাৰ যোগাৰ দিলে, যি তিনিজন মানুহৰ কাৰণে কেৱল মুখত দিবৰহে হ'ল। বৰকণাগিৰী প্ৰভাততে ভাৰ্য্যা-পুত্ৰৰে সৈতে তাৰ পৰা ওলাই আন ঠাইলৈ আশ্ৰয় বিচাৰি যাত্ৰা কৰিলে।

বাটত গিৰীৰ তেওঁৰ পুৰণি বন্ধু ঘাঘৰি মাজিলৈ মনত পৰিল। হৰশিঙা বৰাই যি নাবেৰে গোবিন্দগিৰী আৰু তেওঁৰ ভাৰ্য্যাক অৰণ্যৰ মাজৰ পৰা নাৰায়ণপুৰলৈ নিছিল সেই নাওৰ মাজিজনৰ নাম আছিল গোবিন্দ। তেওঁৰ ঘৰ ঘাঘৰ নামে ঠাই এখনত আছিল কাৰণে তেওঁক ঘাঘৰি মাজিও বোলা হৈছিল। নাওত যাওঁতে এই মাজিৰ সৈতে গোবিন্দগিৰীৰ বন্ধুত্ব হয়। বাটতে য'তে ভাত-পানী খাবলৈ নাও ৰখা হৈছিল ত'তে মাজিয়ে বৰ যতন কৰি গিৰীৰ কাৰণে খোলা, চুৰুকি চৌকা আদি কৰি দিছিল। সেয়ে তেওঁলোকৰ বন্ধুত্ব সখিত্বত পৰিণত হৈছিল।

নিজ আত্মীয় ঘৰত পোৱা ব্যৱহাৰৰ কথা সুঁৱৰি মহোদৰ ভূঞাৰ মন-আকাশ নিৰাশাৰ কুঁৱলীয়ে আবৰি ধৰিছিল, তথাপি গত্যন্তৰ নাছিল। সেয়ে তেওঁলোকে মাজিৰ ঘৰৰ ফালে আগুবাই গৈ আছিল। এনেয়ে গিৰীৰ শৰীৰ সুস্থ নাছিল, অনাহাৰী অৱস্থাত দীঘলীয়া বাট খোজ কাঢ়ি মাধৱৰ মাক-পিতাকৰ অৱস্থা কাহিল হ'ল। এজোপা বৰগছৰ ছাঁত তেওঁলোক অৱশ হৈ বহি পৰিল। মাধৱে চাৰিওফালে বিচাৰি খুচৰি এখন এৰাবাৰীত এটা কুমলীয়া লাও পালে। সেইটোকে আনি বাঁহৰ কৰ্দনী এচলাৰে চুছি তেওঁলোকক খুৱালে আৰু নিজেও অলপ খালে। অলপ সুস্থ

অনুভৱ কৰাত পুনৰ যাত্ৰা আৰম্ভ কৰি দুদিনৰ মূৰত ঘাঘৰি মাজিৰ ঘৰ বিচাৰি পালে।

মাজিয়ে তেওঁৰ পুৰণি মিতিৰ ৰবকণাগিৰীক দেখা পাই আনন্দত আপ্লুত হৈ আঁকোৱালি ধৰিলে, প্ৰণাম কৰি পাৱৰ ধূলি মূৰত ল'লে। গিৰীৰপৰা মাজিয়ে আদ্যোপান্ত বৃত্তান্ত শুনি আদৰ সাম্ভৰকৈ ঘৰত তুলিলে আৰু যথাযোগ্য সম্মান যাচিলে। কিছুদিন পিছত তেওঁলোকক ভালকৈ ঘৰ-দুৱাৰ সজাই দি খোৱা-লোৱাৰ সকলো ব্যৱস্থা কৰি দিলে। ঘাঘৰি মাজিৰ তত্ত্বাৱধানত মাধৱৰ পৰিয়াল সুদীৰ্ঘ ওঠৰ বছৰ থাকিল আৰু তাতেই তেওঁৰ সৰু ভনী উৰ্বশীৰ জন্ম হ'ল।

ইয়াত মাধৱে মাজিৰ মাটিত খেতি-বাতি কৰি অলপ ধনো উপাৰ্জন কৰিলে। কিন্তু ক্ৰমে ক্ৰমে উৰ্বশীৰ দহ বছৰ বয়স হ'ল আৰু তেওঁৰ বিয়া-বাৰুৰ চিন্তা কৰিবলগীয়া হ'ল। মাক-দেউতাকৰ ইচ্ছা মাধৱৰ কাৰণেও ছোৱালী এজনী আনি সংসাৰখন পাতি দিয়া। কিন্তু সেই অঞ্চলত তেওঁলোকৰ জ্ঞাতি-বন্ধু কোনো নাছিল। সেয়ে তেওঁলোকে মাজিক সমস্যাৰ বিষয়ে জনাই তেওঁৰ পৰা বিদায় মাগিলে। মাজিয়ে বন্ধু বিচ্ছেদ হোৱাৰ কথা ভাবি অতি দুঃখ পালে। শেষত নিৰুপায় হৈ বেজাৰ মনেৰে তেওঁলোকক নাও, মানুহ ঠিক কৰি দিলে। কিন্তু বিদায় পৰত তেওঁ চকুপানী সামৰি ৰাখিব নোৱাৰিলে :

"বৎসৰেকো আটে হেন বস্ত্ৰক দিলন্ত।
ছমাসেকো কুলাই হেন চাউল পঠাইলন্ত।।
থাকিলা ঘাঘৰি মাজি তাহাঙ্ক নিৰিখি।
তেহো যান্ত লোতকে চঞ্চল কৰি আখি।।" (দৈত্যাৰি)

ঘাঘৰি এৰি নাও বুঢ়ী-লোহিত্য পালেগৈ। ধুবাবোল সুঁতিয়েদি কলাকটালৈ গৈ ভাগুৰী-ডুবী পাই তাত নাও ৰাখি দুপৰীয়াৰ ভোজনৰ তেওঁলোকে আয়োজন কৰিলে। সেই সময়ত ঘাটলৈ গা-ধুবলৈ আহিছিল চফল ডেকা ৰামদাস ভূঞা (গয়াপাণি)। মাধৱৰ পৰিয়ালটো দেখি আগুৱাই আহি সোধ-পোচ কৰি চা-চিনাকি হ'ল। ৰামদাসে নিজ পৰিচয় দি ক'লে যে তেওঁ বিশিষ্ট কায়স্থ বংশৰ সৰস্বতী ভূঞাৰ পুত্ৰ। ৰামদাসে তেওঁলোকক নি নিজ ঘৰত তুলিলে আৰু নাৱৰীয়াহঁতক তাৰপৰাই বিদায় দিলে। এনেদৰে তেওঁলোকে তাত মহাসুখে থাকিল আৰু ৰামদাসলৈ উৰ্বশীক বিয়া দিলে।

ইয়াত কিছুদিন থকাৰ পিছত মহোদৰ ভূঞাই ভাৰ্য্যা মনোৰমাক জী-জোঁৱাইৰ আশ্ৰয়ত থৈ মাধৱক লগত লৈ নাৱেৰে তেওঁৰ পুৰণি গৃহ বাণ্ডুকালৈ গ'ল। তেওঁৰ বৰপুত্ৰ দামোদৰে বহুকাল পিছত পিতাকক দেখা পাই অতি আনন্দিত হ'ল। তেওঁৰ ভ্ৰাতৃ মাধৱকো বুকুত সাবটি ল'লে। সুদীৰ্ঘ বিচ্ছেদৰ পিছত বাপেক-পুতেকৰ মিলন হোৱাত দুয়োয়ে দুয়োৰো বিস্তৃত বা-বাতৰি, বিপদ-আপদৰ কথা অৱগত হ'ল আৰু

মনৰ সুখত দিন কটাবলৈ ধৰিলে। কিন্তু হঠাতে এদিন বৰকণাগিৰীৰ তাতে মৃত্যু ঘটিল।

## শিক্ষাৰ সুযোগ

বাণ্ডুকালৈ আহিয়েই মাধৱে ৰাজেন্দ্ৰ অধ্যাপকৰ ছাত্ৰশালাত ভৰ্তি হৈছিল আৰু তাত ব্যাকৰণ, ভাৰত, পুৰাণ আৰু ন্যায় আদি ধৰ্মশাস্ত্ৰ অধ্যয়ন কৰি যথেষ্ট ব্যুৎপত্তি লাভ কৰে। তেওঁৰ ককায়েক দামোদৰৰ ঘৰখন বেমেজালিপূৰ্ণ আছিল। কোনো কাম সুশৃঙ্খলভাৱে কৰা অভ্যাস পৰিয়ালটোৰ নাছিল আৰু সেই কাৰণে খেতি-বাতিত সুফল পোৱা নগৈছিল আৰু খোৱা-লোৱাৰো সদায় অভাৱ-অনাটন নুগুচিছিল। মাধৱে সকলো ব্যৱস্থা সুশৃঙ্খল কৰি ঘৰখনৰ থানথিত্ কৰাৰ পিছত ঘৰখনৰ যথেষ্ট উন্নতি হ'বলৈ আৰম্ভ কৰে। নিজে খেতি-বাতি কৰিও ঘৰৰ অৱস্থা টনকিয়াল কৰে। পিতাকৰ পাৰলৌকিক সকলো ক্ৰিয়া-কৰ্ম সমাধা কৰি মাধৱে মাকক পিতৃবিয়োগৰ বাতৰি জনাবলৈ অসমলৈ ৰাওনা হয়।

ঘৰ পাই মাধৱে সকলো বাতৰি দিলত মাকে কান্দি-কাটি বৈধব্যৰ পোছাক পৰিধান কৰিলে। এটা অধ্যায়ৰ শেষ হ'ল। মাধৱৰ জীৱনৰপৰা পিতৃৰ বোজা আঁতৰি গ'ল আৰু ৰামদাসৰ তত্ত্বাৱধানত থকাত মাতৃৰ প্ৰতিও দায়িত্ব বহু পৰিমাণে কমিল। কিশোৰ অৱস্থাৰপৰাই প্ৰকৃতপক্ষে মাধৱেহে তেওঁৰ পিতৃ-মাতৃৰ সকলো দায়িত্ব পালন কৰিবলগীয়া হৈছিল। অভিভাৱকত্বৰ সোৱাদ আৰু আৰ্থিক ৰঙাগণি পোৱাৰ সৌভাগ্য তেওঁৰ নহ'ল। সেয়ে মানসিক গঠন প্ৰক্ৰিয়াত সংগোপনে গঢ় ল'লে অকলশৰে জীৱন-যুদ্ধৰ সম্মুখীন হোৱাৰ বৈশিষ্ট্য। মনত বাহ ল'লে বিশ্লেষণহীন এটি ভাব।

কিছুদিন মাকৰ লগত কটাই তেওঁ আকৌ বাণ্ডুকালৈ গ'ল, অস্থিৰ মনৰ তাড়নাত, হয়তো পৈতৃক সম্পত্তিৰ ভাগ বিচাৰি বা কিবা এটা কৰাৰ উদ্দেশ্য লৈ। ককায়েকে ভায়েকক দেখি সন্তোষ পাই মজিন্দাৰ কামত নিযুক্ত কৰি দিলে। ছমাহৰ মূৰত এদিন ককায়েকে হিচাপৰ কাকতপত্ৰ চাই দেখিলে যে কাকতত কাৰো বিলাতৰ বাকী বখা নাই। বাকী নাৰাখিলে কাথালি বৃত্তি নচলে। সেয়ে ককায়েকে বেয়া পালে আৰু ঘৰলৈ পঠাই দিলে। মাধৱে ৰাজকাৰ্য্যৰ হাত সাৰিব পাই যথেষ্ট আনন্দ পালে, কিয়নো মন তেতিয়া তেওঁৰ স্থিৰ নহয়। ককায়েক এদিন ঘৰলৈ আহোতে তেওঁ পৈতৃক সম্পত্তিৰ ভাগৰ কথাও উলিয়ালে। ককায়েক ৰাজী হ'ল ভাগ দিবলৈ। মাধৱৰ মনত অদ্ভুত খেলিমেলি ভাব। কেতিয়াবা ভাবে সা-সম্পত্তি লৈ সংসাৰী হ'ব আৰু কেতিয়াবা ভাবে এইবোৰে জানো জীৱনত শান্তি দিব ? সৰুকালৰপৰাই আনৰ আশ্ৰয়ত ডাঙৰ হৈ এক অঘৰী জীৱন যাপন কৰিলে।

তেতিয়া তাৰ বাহিৰে তেওঁৰ উপায় নাছিল। জৰাগ্ৰস্ত বৃদ্ধ পিতৃ আৰু লগতে মাতৃ, কিছুদিন পিছত আহিল সৰু ভনী। ভনীৰ বিয়া হৈ সদগতি লাগিল, তাতে মাকেও আশ্ৰয় পালে। পিতৃৰ দেহাৱসান হ'ল। সেয়ে মাধৱে জীৱনৰ এক সন্ধিক্ষণত থিয় হৈ ভাবিলে ভৱিষ্যত কি, বহুত ভাবি-গুণি মন ডাঠকৈ বান্ধিলে। ককায়েকে দিব খোজা সম্পত্তি প্ৰত্যাখ্যান কৰিলে :

"ইসব দ্ৰৈৱত কোনো সাৰ নাহিকন্ত।
ইথানত নাহি কিছু ভক্তি আলোচন।।
নাহিকয় সন্ত সাধু আৰু বিজ্ঞজন।
মাতৃয়ো আছন্ত জানো শোকাকুল মন।
এতেকে যাইবাক লাগি কৰোহো যতন।।" (দৈত্যাৰি)

মাতৃৰ কথা চিন্তা কৰি টেমনিলৈ আহি থাকোতে বাটত খবৰ পালে মাকৰ টান নৰিয়া হোৱা বুলি। মন অস্থিৰ হ'ল। ভগৱানক প্ৰাৰ্থনা জনালে, দুৰ্গাদেৱীৰ নামত কণা ছাগ এযোৰ আগ কৰিলে। ঘৰ পাই দেখে মাকৰ নৰিয়া নিৰাময় হৈছে। ইতিমধ্যে দুৰ্গা পূজাৰ দিন চাপি আহিল। বৈনায়েকক পাঠা কিনি আনিবলৈ ধন দিলে। গয়াপাণিয়ে থেৰোগেৰোকৈ পঠা অনা নাই বুলি কলত মাধৱদেৱৰ খং উঠিল। বৈনায়েকক গালিও দিলে। গয়াপাণিয়ে স্পষ্ট উত্তৰ দিলে— "তুমি নুবুজি ইমান দিন পাঠা পাঠা কৰিব লাগিছা ; বিনাশী কাৰ্য্যৰ নিমিত্তে কোনে পাঠা কিনে ? ব্ৰহ্মাঅংশী জীৱ তাক কি নিমিত্তে তুমি বধ কৰি আপোনাৰ দুখ আপুনি অৰ্জিবা ? জীৱহত্যা কৰি অন্য দেৱক পূজি বিনাশী স্বৰ্গলাভ কৰি আকৌ নৰক ভূঞ্জিব লাগিব।" মাধৱে সুধিলে তুমি ইমানবোৰ কথা ক'ত পালা। গয়াপাণিয়ে উত্তৰ দিলে যে তেওঁ মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰপৰা ভক্তি-ধৰ্মত শৰণ লৈছে আৰু শাস্ত্ৰৰ সাৰ জানিব পাৰিছে। শৰণৰ পাছত শঙ্কৰদেৱে গয়াপাণিক নাম দিছিল ৰামদাস।

আত্মাভিমানী মাধৱদেৱে অতি সহজে কোনো বস্তু গ্ৰহণ নকৰে, সেয়ে তেওঁ কৈ উঠিল :

"মূৰ্খৰ আগত যেন কথা কহ তয়।
ধৰ্ম্ম চিনাবস কিছু নাজানোহো মঞ।।"

ৰামদাসো এলাপেছা পুৰুষ নহয়, টপৰাই উত্তৰ দিলে :

"মোৰ আগতহে বৰ ৰাগ গোট।
শংকৰৰ গুৰি পালে তুমি হ্বা সোত লোত।।"

মাধৱদেৱৰ খং উঠিল। বৈনায়েকক ক'লে, "ব'ল চোন যাঞ, দুৰ্গা দেৱীক নো কোনে কেনেকৈ খণ্ডে চাঞ, যাৰ সৃষ্টি মায়াত ব্ৰহ্মা হৰ সৰা নাই।" তেতিয়া আবেলি হৈছিল। পিছদিনাই ৰাতিপুৱাতে দুয়ো শঙ্কৰৰ ওচৰলৈ যাবলৈ সিদ্ধান্ত

কৰিলে।

## মণিকাঞ্চন যোগ

পিছদিনা দুয়োজনে গৈ যেতিয়া শঙ্কৰৰ ওচৰ পালে গুৰুজনে তেতিয়া ভক্ত-সঙ্গত কৃষ্ণ কথা চৰ্চ্চি আছিল। মাধৱদেৱে তেওঁক দেখাৰ লগে লগে "গাটি জাকি মাৰি লোম সিহৰি গৈল।" ৰামদাসে দণ্ডৱতে পৰি সেৱা কৰিলে। সঙ্কোচিতভাৱে মাধৱেও চৰণ-ধূলি ল'লে।

"শৰীৰৰ কান্তি দেখি সিহৰিল গাৱ।
মনত বোলন্ত কিনো তেজৰ প্ৰভাৱ।।
সঙ্কোচিত ভৈলা কায় পদ দৰশনে।
কৰিলা প্ৰণাম পৰি শঙ্কৰ চৰণে।।" (কঃগুঃচঃ)

শঙ্কৰে সুধিলে "ৰামদাস আৰা কোন? বোলে বাপ, বৰকণা কাথৰ বেটা। তেহে গুৰু বোলে "অ, মনোহৰী বাইৰ বেটা, ইমান মৰদ হ'লনে, বাটে পন্তে লগ পালেও নিচিনো নেপা।" (কথা গুৰুচৰিত)

তাৰ পিছত আৰম্ভ হ'ল শঙ্কৰ-মাধৱৰ তৰ্কযুদ্ধ। মাধৱে প্ৰবৃত্তি, আগম, তৰ্ক, নীতি, ন্যায়, কল্প, স্বৰোদয় অনেক মাৰ্গৰ শ্লোকৰ উদ্ধৃতি দিলে। শঙ্কৰদেৱে নিবৃত্তি ব্ৰহ্মাস্কন্ধৰ শ্লোক আনি খণ্ডিলে—

"হংস, ছাগ কাটিযিটো ৰুধিৰে কৰ্দ্দম কৰে।

"সি যেন স্বৰ্গে যায়, নৰকত নো কোন পৰে।" পিছত আকৌ ক'লে, "বোলে নাজানিসে ব্যাসে ক'লে বোলে বেদৰ শাখা, ব্যাসৰ ভাগৱত চন্দ্ৰৰ আগে জলৌকা, সূৰ্য্য আগে বত্তি আগম কৰি ব্যাসৰ মন কন্দাৰ বিহিনে নাএঃ সাগৰে ফুৰাদি মন অথিৰ হ'ল। নাৰদ কন্দাৰ ভাগৱত ব'ঠা ধৰি ক'লে, অজ্ঞান অথিৰ টৌ বতাস নিৰ্ম্মল হৈ জড় চৈতন্য মায়া সবাকে দেখিলে।" (কথা গুৰুচৰিত)

তিনি প্ৰহৰ বেলা ধৰ্মশাস্ত্ৰৰ মত লৈ বাদানুবাদ চলিল। শেষত গুৰুজনে তৰুমূল শ্লোক আনিলে। এই শ্লোকৰ অৰ্থ ভাঙি ক'লে, "প্ৰাণৰ ভোজনে ইন্দ্ৰিয় তুষ্ট, বত্ৰিশ অলঙ্কাৰে কচালে শিৰ নহলে অশোভন।" মাধৱৰ জ্ঞান-পিপাসা মিটিল। তাৰ্কিক মাধৱে সদ্‌গুৰুক চিনি পালে। অপূৰ্ণতাৰ বেদনা নোহোৱা হ'ল, হৃদয় শান্ত হ'ল। গুৰুৰ চৰণত প্ৰণিপাত জনালে। গুৰুৱে সুধিলে, "ৰৰাৰ পো' যোৱানে এতিয়া? বোলে বাপ নযাএঃ। বোলে দেখো আহিও সেৱা কৈলা, এতিয়াও সেৱা কৈলা, কিয়? ছোট আতা বোলে "আগে যি কৰিলো ৰৰভূএগ্ৰা বিষয় মানি, এতিয়া যি কৰিছোঁ অভয় পাদপঙ্কজত বিক্ৰই জীৱ কৰি গুৰুমানি।" কামৰূপী বৈষ্ণৱ আন্দোলনত মণিকাঞ্চন যোগৰ বিভূতি সঞ্চাৰিত হ'ল।

মাধৱদেৱ আছিল এনে এগৰাকী পুৰুষ যাৰ আদৰ্শৰ প্ৰতি নিষ্ঠা আছিল অকপট আৰু আপোচহীন। এবাৰ যিকোনো এটা সিদ্ধান্তত উপনীত হ'লে, অনন্য ভক্তিৰে তেওঁ তাৰ হকে কাম কৰিছিল। সেয়ে যিদিনাই মহাশাক্ত মাধৱ ভক্তিধৰ্মত দীক্ষিত হ'ল তেতিয়াৰ পৰা পূৰ্বৰ দৃঢ়মত বিসৰ্জন দি গুৰুৰ যুক্তি-বিচাৰ মনে-প্ৰাণে গ্ৰহণ কৰিলে। অকল সেয়াই নহয়, তেওঁ গুৰুৰ শৰীৰৰ ছাঁৰ নিচিনা হ'ল। গুৰুৰ খোৱা-লোৱা, শোৱা বস্ত্ৰাদি ঠিকঠাক কৰি দিয়া, গুৰুৰ লিখা-পঢ়াৰ সঁজুলি যতনাই দিয়া আদি কৰি সকলো প্ৰকাৰে আলপৈচান ধৰিলে। গুৰুৰ ধৰ্মীয় কৰ্ম যেনে — প্ৰসঙ্গ, তাত্ত্বিক আলোচনা আদি সকলোতেসহকৰ্মী হ'ল। তেওঁৰ সাধনাত ব্যাঘাত হ'ব বুলি জোৰোণ পিন্ধোৱা কইনাৰো পানিগ্ৰহণ নকৰিলে। কিন্তু তেওঁযে গুৰুভক্তিৰ কাৰণে নিজৰ ব্যক্তিত্ব বিসৰ্জন দিছিল সেইটোও নহয়, গুৰুৰ চৰণধূলি লৈ গুৰুক মাজে মাজে অতিক্ৰমো কৰিছিল। তেওঁ অন্ধভাৱে গুৰুক অনুসৰণ কৰা ভক্ত নাছিল। তেওঁ আছিল সাধক-পণ্ডিত ভক্ত, তেওঁ আছিল প্ৰেমিক ভক্ত। এক বিক্ষিপ্ত প্ৰতিভাৰ অগ্নিকুণ্ডৰ ৰশ্মি যেন শঙ্কৰে সুসংহত মাৰ্গেৰে প্ৰবাহিত কৰিলে। বেহাৰলৈ শেষবাৰ যোৱাৰ সময়ত সেয়ে গুৰুৱে শিষ্যক কৈছিল :

"সবাতো অধিক তুমি প্ৰিয়তম
নিশ্চয়ে জানিবা তাক।
তুমি আমি ভিন্ন নুহিকো জানিবা
কহিলোহো সত্য বাক্য।।" (কথা গুৰু চৰিত)

মাধৱদেৱে প্ৰতিদিন গুৰুৰ সেৱা কৰি নোখোৱা নোবোৱাকৈ গুচি যায় কাৰণে গুৰু-পত্নীৰ দুখ লাগে, সেয়ে স্বামীক অনুৰোধ কৰিলে মাধৱক তেওঁলোকৰ অন্নগ্ৰহণ কৰিবলৈ ক'বলৈ। শঙ্কৰে ক'লে, "বাৰু তুমি কৈছা বুলি এবাৰ কৈ চাম ; কিন্তু অলপ খট্‌মট্ হব যেন পাইছোঁ।" পিছদিনা গুৰুৱে শিষ্যক তেওঁৰ তাতে ভোজন কৰিবলৈ ক'লে, মাধৱে উত্তৰ দিলে, "গুৰুপত্নী সাক্ষাৎ লক্ষ্মী আই, তেওঁৰ অন্ন ভোজন কৰিবলৈ বৰ ভাগ্যৰেহে পোৱা যায়। কিন্তু এটি কথা আছে, মই ঘৰৰ ভিতৰখন এবাৰ চাই ল'ব লাগিব, তেহে প্ৰসাদ ভোজন কৰিব পৰা হ'ব।" ভিতৰ সোমাই মাধৱে দেখিলে "এফালে পতিলা, এচুকে ভিটি বান্ধি ঘট পাতি আমডালি আৰু সূতা থৈছে।" বোলে মাতৃ, এই কি ? বোলে বাপু, "তোম্ৰা সুধিব নালাগে ; চাইটি ছাৱা-চিতা আছে, আৰে কিবা পাৰতেহি কাৰণে থৈছো।" বোলে "ঘৰতে পৰম ব্ৰহ্মা, তাৰা যো বিঘ্নি দূৰ কৰিব নপাৰে, এই ভোৰে দূৰ কৰিব, যাৰ দাসী ঘৰ দেউতি ?" এই বুলি মৰিয়াই ভাঙ্গি পাচি ভৰি কলা কাউতে উঠালে নি। গুৰু বোলে, আমি ক'লে নলয়, এতিয়া পাইছে ক।জাএ। তেহে স্নানকৈ আহি বোলে, "মাতৃ পাগ পাত্ৰ দূৰকৈ বস্ত্ৰ ধুই খাৰে টেঙ্গা স্নানকৈ উপাসে থাকি চাউল সিজোৱা।" (কথা গুৰুচৰিত)

এই ঘটনাৰ পৰা এইটো ধৰি লব পাৰি যে গুৰুপত্নীক মাধৱদেৱেহে একশৰণ ধৰ্মৰ পথ প্ৰদৰ্শন কৰে যিটো কাম গুৰুৱে পৰা নাছিল। স্বামীক কিদৰে সম্ভাষণ কৰিব লাগে, স্বামীৰ লগত কেনেকুৱা ব্যৱহাৰ কৰিব লাগে, এইবোৰ শিক্ষাও গুৰুপত্নীক মাধৱেহে দিছিল।

গুৰুপত্নীৰ ইচ্ছা তেওঁৰ বিবাহযোগ্যা কন্যা ৰুক্মিণীক মাধৱলৈ বিয়া দিয়া, স্বামীক তাৰ বাবে অনুৰোধ কৰিলে। ভাৰ্য্যাৰ কথা শুনি শঙ্কৰদেৱে উত্তৰ দিলে, "তুমি ক'বলৈ কৈছা, মাধৱ আহিলে তেওঁক বাৰু কম, কিন্তু তেওঁ সন্মত নহ'ব।" ভাটীবেলা মাধৱ আহিলত গুৰুৱে ক'লে, "বৰাব পো, এটি কথা সোধা হ'ব, কৰিবানে?" মাধৱে উত্তৰ দিলে, "বাপ সবেখিনি কৰা যাব, এটিহে ৰাখিব নাপাৰিম।" গুৰুৱে ক'লে, "গড়বান্ধি যুঁজিলে সজ, প্ৰাণৰ সংশয় নাই, বিনাগড়ে যুঁজিলে ভয়।" মাধৱে উত্তৰ দিলে "গড় বান্ধি যুঁজিলে ৰথী, গড় নবন্ধাকৈ যুঁজিলেহে মহাৰথী।" এই বিনয় অথচ তেজী বচন শুনি শঙ্কৰদেৱে ক্ষণকালৰ নিমিত্তে অলপ ক্ষুণ্ণ হৈ সুধিলে, "তুমি কাৰ বলত এনেকৈ কৈছা?" সুচতুৰ মাধৱদেৱে অতি বিনম্ৰভাৱে উত্তৰ দিলে, "বাপ আপোনাৰ পদধূলাৰ প্ৰসাদত। শ্ৰীচৰণৰ প্ৰসাদৰ বাহিৰে মোৰ আন বলবীৰ্য্য একো নাই।"

আৰু এদিন গুৰুজনে বোলে, "বৰাৰ পো পশু নকৰিবা শৰ, মৰাও নানিবা জীয়াও নানিবা, শুদা হাতেনপশিবা ঘৰ। এটি কালে নৰপশু আনি দিয়া।" পিছদিনা আহিলত সোধাত মাধৱদেৱে উত্তৰ দিলে, "বাপ, আপোনাৰ বাক্য শিৰে ধৰি আজি চাৰা নিশা নিদ্ৰা নাহিল, গুণি-ভাবি বিচাৰি সপ্তদ্বীপ, চৈধ্য ব্ৰহ্মাণ্ড, তিনি ভুৱন, স্বৰ্গ, মৰ্ত্ত্য, পাতাল চালোঁ, মোত পৰে নৰাধম পশু নাপালো বিচাৰি। আটাইতকৈ মইহে নৰপশু, পাপী।" গুৰুজনে নৱসিদ্ধ একাদশৰ পদ কৰিছিল। ছোট আতাৰ বাক্যত সন্তোষ হৈ প্ৰেম জাৰি দ্ৰৱ হৈ উপদেশ দিছে:

"তোমাৰ ভৃত্যৰ ভৃত্যৰো ভৃত্যৰ
তাৰো ভৃত্য ভৈলো আমি।
মোকে জগন্নাথ নকৰা অনাথ
নেৰিবা মাধৱ স্বামী।।" (কথা গুৰুচৰিত)

মাধৱদেৱৰ অনুপম গুৰুভক্তিৰ বিস্ময়কৰ উদাহৰণ বৰ্ণনাৰে শেষ কৰিব নোৱাৰি। তেওঁৰ এই অতুলনীয় আদৰ্শৰ মাহাত্ম্যই কামৰূপীয় বৈষ্ণৱ সম্প্ৰদায়ৰ ভক্তসকলক এক নতুন আলোকৰ সন্ধান দিছিল। গুৰুসেৱাৰ দ্বাৰা গুৰুৰে সৈতে তেওঁৰ একাত্মবোধ জন্মিছিল। গুৰু আৰু তেওঁ অভেদ হৈছিল। মাধৱদেৱৰ ভাগিন আৰু শিষ্য ৰামচৰণ ঠাকুৰে শ্ৰীমন্ত শঙ্কৰদেৱ ৰচিত মূল ভক্তি-ৰত্নাকৰ গ্ৰন্থৰ পদ্যানুবাদ কৰোঁতে শঙ্কৰৰ গুণানুকীৰ্ত্তনৰ অন্তত লিখিছে,

"কি কহিবা গুণ মাধৱদেৱৰ
অতি মহা ধৰ্মশীলা।
শঙ্কৰদেৱৰ গুণ আছে যত
মাধৱেসে প্ৰকাশিলা।।

মাধৱৰ গুৰুভক্তি যেনেকুৱা অসীম ভকতৰ প্ৰতি প্ৰেমো তেনেদৰে ভ্ৰাতৃসম আছিল। শঙ্কৰদেৱে আহোম ৰাজ্য ত্যাগ কৰি ধুৱাহাটৰপৰা ভকতসমে যেতিয়া কোচৰাজ্যলৈ বুলি যাত্ৰা কৰিছিল সেই সময়ত দুজন ভকত খৰি লুৰিবলৈ গৈছিল। তেওঁলোকে উভতি আহি দেখে যে গুৰুজনাৰ নাও গ'লেই। তেওঁলোকে উপায়ান্তৰ হৈ নদীৰ পাৰত কান্দি-কাতি বহি আছিল। এনেতে ৰামদাসৰ নাওত আহি মাধৱদেৱে সেই ঠাই পায়। তেওঁ ভকত দুজনৰ অৱস্থা বুজি ৰামদাসক তেওঁলোকক নাওত লবলৈ কয়। কিন্তু নাৱত ঠাই সমুলি নাছিল আৰু সেয়ে ৰামদাসে অলপ আপত্তি কৰিলে। তেতিয়া মাধৱে নিজৰ কাপোৰ-কানিৰ জপা দুটা নৈত পেলাই দি ভকত দুজনক তুলি ল'লে। কিছুদূৰ ভটিয়াই গৈ মাধৱে শঙ্কৰদেৱে নাও বন্ধা দেখি নিজৰো নাও বান্ধিলে আৰু এনেতে জপা দুটা ভাঁহি আহি তেওঁৰ নাওৰ গোজত লাগিল। মাধৱে জপা দুটা তুলি অনা দেখি, শঙ্কৰদেৱে সুধি-পুছি সকলো কথা গম পাই মাধৱক ক'লে, "মাধৱ তুমি ধন্য। তুমিহে বাপু ভকতৰ মোল বুজা।"

শঙ্কৰদেৱে আহোম-ৰাজ্য ত্যাগ কৰি কোচ-ৰাজ্যলৈ বুলি ভক্তসমে নাৱেৰে ভটীয়াই যাওঁতে য'তে গধূলি হয় তাতে নাও ৰাখে। এনেদৰে আহি আহি তেওঁলোক চাউলখোৱা নদীৰ সুঁতিৰ পাৰৰ টপাবৰী নামে ঠাই পাই তাতে বহা ঘৰ আদি সজাই নাম-ধৰ্ম প্ৰকাশ কৰি ৰ'ল। কিন্তু তাত সকলোৰে জ্বৰ-নবিয়া হ'বলৈ ধৰিলে। অনেক ভকতৰ তাত মৃত্যুও হ'ল আৰু মাধৱৰ মাতৃ মনোৰমা আয়ো পৰলোকলৈ গমন কৰিলে। সেয়ে গুৰুজনাই সেই ঠাই পৰিত্যাগ কৰাৰ সিদ্ধান্ত ল'লে। তেওঁলোকে তাৰপৰা আহি খোৱা নদীয়েদি বাৰাদি পাই তাতে উঠিল আৰু মাধৱদেৱ আৰু ৰামদাস আতাই বুঢ়াদলৈ নামে এজনৰ নতুন ঘৰ এটি পাই তাত থাকিল। শঙ্কৰদেৱে বৰপেটাৰ চুণপোৰা নামে ঠাইত ভক্তসকলেৰে সৈতে বহাঘৰ, কীৰ্তনঘৰ আদি সজাই নামধৰ্ম প্ৰচাৰ কৰিবলৈ ল'লে।

## নাৰায়ণদাস ঠাকুৰ আতা

শঙ্কৰদেৱে চুণপোৰাত থাকোতে এজন অতি নিষ্ঠাবান শক্তিমন্ত পুৰুষ তেওঁৰ সান্নিধ্যলৈ আহি তেওঁত শৰণ লয় আৰু পিছত মাধৱদেৱৰ সখি হৈ তেওঁলৈ আৰু নাম-ধৰ্ম প্ৰচাৰ কাৰ্য্যত অসীম অৰিহণা যোগায়। তেৱেঁই ঠাকুৰ আতা। তেওঁৰ নাম আছিল ভবানন্দ। ভবানন্দৰ বাপেকৰ নাম আছিল ধৰ্ম। সৰুকালতে তেওঁৰ পিতৃ-মাতৃৰ বিয়োগ ঘটে। তেওঁ খুৰাক চৈতন্যৰ সৈতে লগলাগি বেহা-বেপাৰ আৰম্ভ কৰি

যথেষ্ট উন্নতি সাধন কৰে। কিন্তু তেওঁৰ জীৱনত দুৰ্য্যোগৰো অন্ত নাছিল। ভাস্কৰ গুৰু নামৰ এজন ব্ৰাহ্মণে শঙ্কৰদেৱৰ লগত শাস্ত্ৰৰ তৰ্কত জিকিব নোৱাৰি শঙ্কৰৰ ধৰ্মমত খণ্ডাবৰ ইচ্ছাৰে আকৌ ভালকৈ শাস্ত্ৰ পঢ়িবলৈ বুলি নবদ্বীপলৈ নাৱেৰে ভটিয়াই গৈ আছিল। বাটত এদিন ভবানন্দৰ নাৱৰ ওচৰতে নাও বান্ধিলে আৰু দুপৰীয়া ভোজন কৰিবৰ আগেয়ে ব্ৰহ্মপুত্ৰত গাধুই উঠি ভোজনৰ পাতত বহিল। ভবানন্দই এজন ব্ৰাহ্মণ মানুহে সন্ধ্যা-আহ্নিক একো নকৰাকৈ কেৱল "ৰাম ৰাম" বুলি ভাত খাবলৈ বহা কাৰ্য্য দেখি আচৰিত হ'ল আৰু তেওঁক তিৰস্কাৰৰ সুৰত সেই বিষয়ে সুধিলে। তেতিয়া ভাস্কৰ গুৰুৱে শঙ্কৰদেৱৰ নাম-ধৰ্মৰ বিষয়ে সবিশেষ ক'লে আৰু ইয়াকো দোহাৰিলে যে তেওঁ শাস্ত্ৰৰদ্বাৰাই শঙ্কৰদেৱক পৰাস্ত কৰিব নোৱাৰালৈকে তেওঁৰ মতকে মানিবলৈ প্ৰতিজ্ঞা কৰি আহিছে। এই কথা শুনি ভবানন্দ শঙ্কৰদেৱৰ সাক্ষাৎ পাবলৈ উৎকণ্ঠিত হ'ল, তেওঁ সেই উদ্দেশ্যে যাত্ৰা আৰম্ভ কৰিলে।

ভবানন্দ মানাহৰ সুঁতি এৰি চাউলখোৱাইদি গৈ খোৱানদীত সোমাল। তেতিয়া সেই নদীৰ পাৰত দুজন ভকতে খৰি লুৰি লুৰি গীত এটি গুণগুণাইছিল,

নাৰায়ণ কাহে ভকতি কৰো তেৰা
মেৰি পামৰ মন, মাধৱ ঘনে ঘন
ঘাটুক পাপ নাছোৰা। ইত্যাদি ইত্যাদি

সেই গীতৰ সুৰে ভবানন্দক বৰকৈ আকৰ্ষিত কৰিলে। ভকত দুজনৰ ওচৰলৈ গৈ সেই গীত কাৰ ৰচনা বুলি সোধাত ভকত দুজনে শঙ্কৰদেৱৰ কথা ক'লে আৰু তেওঁ বৰ্তমান ক'ত আছে তাকো জনালে। ভবানন্দ লগে লগে চুণপোৰালৈ গৈ গুৰুজনাৰ বিমল কান্তি দেখি বিমোহিত হৈ পদযুগলত তেওঁৰ শিৰ ৰাখিলে।

শঙ্কৰদেৱে তেওঁক কোন বুলি সুধিলত ভবানন্দই ক'লে, "আমাৰ ঘৰ বগৰিগুৰ পৰগণাৰ হালধীআটী গ্ৰামত। পিতা-মাতাই মোৰ নাম ভবানন্দ থ'লে। ৰজাই বৰ সদাগৰ নাম দিলে। ভাস্কৰৰ মুখে আপোনাৰ কথা শুনি আপোনাক গুৰু লভিবৰ নিমিত্তে বিচাৰি আহিছিলোঁ। নৈৰ পাৰত দুজন ভকতে আপোনাৰ ভণিতাৰে গীত গোৱা শুনি, মোৰ মনোবাঞ্ছা সিদ্ধি হ'বৰ আগন্তুক হোৱা দেখি কৃতকৃত্য হৈ তেওঁলোকৰ মুখে সঠিক বাতৰি পাই এইখিনি পালোহি।" শঙ্কৰদেৱে ক'লে, "ভাস্কৰে পৰোক্ষে তোমাৰ উপকাৰ কৰিলে, গুনা ভবানন্দ, তুমি আহি মোৰ ওচৰত থিয় দিওঁতে মোৰ মুখত 'নাৰায়ণ' নাম ওলাল। এতেকে আজিৰ পৰা তোমাৰ নাম 'নাৰায়ণ' দিলো। মোৰ পৰম বান্ধৱ ভক্ত এজন আছে তেওঁৰ সৈতে তোমাৰ সখ্য নিৰূপণ কৰিলো।

মাধৱদেৱ গুৰুজনাৰ ওচৰলৈ অহাত তেওঁ ভবানন্দৰ বিষয়ে সকলো বৃত্তান্ত কৈ তেওঁক নাৰায়ণৰ নাওলৈ যাবলৈ পাচিলে। মাধৱদেৱ তেতিয়া মাতৃশ্ৰাদ্ধ বাটী

সংক্ৰান্তত বহু কথালৈ বিব্ৰত আছিল। মাধৱদেৱক লগ পাই নাৰায়ণ আতাই নানান ভাৱে মান-সংকাৰ কৰিলে। তেওঁৰ লগত বাৰাদিলৈ গৈ শ্ৰাদ্ধৰ সকলো কাম সুকলমে সমাধা কৰালে আৰু দুয়োজন ওৰে জীৱনৰ কাৰণে পৰম বান্ধৱ স্বৰূপ হ'ল।

নাৰায়ণদাস আতাৰ বিস্তৃত জীৱনী অসাধাৰণ কৃতিত্বৰে ভৰপূৰ। নৰনাৰায়ণ ৰজাই শঙ্কৰদেৱৰ বিচাৰ সংক্ৰান্তত সুদীৰ্ঘ দিন ধৰি তেওঁক যি অমানুষিক শাস্তি দিছিল আৰু গুৰুৰ চৰণ চিন্তি তাক তেওঁ যিদৰে সহ্য কৰিছিল সি আছিল উপমাবিহীন। সেয়ে ভকতসকলে তেওঁক "কলিযুগৰ প্ৰহ্লাদ" আখ্যা দিছিল আৰু গুৰুজনেও 'ধৰ্মৰ খুটি' উপাধিৰে বিভূষিত কৰিছিল। ইয়াৰ উপৰিও গুৰুজ... ...ওঁক 'ঠাকুৰ' উপাধিও প্ৰদান কৰিছিল, যি সম্মান সেই সময়ত অকল ব্ৰাহ্মণৰহে আছিল।

অপৰিসীম সাংগঠনিক দক্ষতাৰ উপৰিও তেওঁৰ ভক্তিতত্ত্বজ্ঞান আছিল সুগভীৰ; যাৰ পৰিচয় পোৱা যায় তেওঁৰ ৰচিত ঘোষা আৰু প্ৰায় ২৬০ টা ফকৰাত। তেওঁৰ সহধৰ্মিণী ৰৱবাহী আয়ো আছিল অতি নিষ্ঠাৱতী, স্বামীপৰায়ণা ভাৰ্য্যা আৰু স্বামীৰ ভক্তিমাৰ্গৰ সৰ্বতোভাৱে অনুগামী। তেৰোঁ ঘোষা ৰচনা কৰাৰ চানেকি পোৱা যায় আৰু সেই হিচাপে তেৰেঁই প্ৰথম অসমীয়া মহিলা কবি বুলি ধৰিব লাগিব। ৰৱবাহী আই ৰচিত এটি ঘোষাৰ নমুনা এনে ধৰণৰ :

হে কৃষ্ণ স্বামী, তয়ু পাৱে আমি, কেৱল শৰণ চাওঁ।
কৰা অনুগ্ৰহ মায়াৰ নিগ্ৰহ, তেবেসে প্ৰভু এৰাওঁ।।

দেশত আকাল অৱস্থা হোৱাত ঠাকুৰ আতাই তেওঁৰ সকলো শস্যৰ ভঁৰাল উজাৰ কৰি দান দিছিল আৰু দানৰ ক্ষেত্ৰত আতা, তেওঁৰ পত্নী আৰু পুত্ৰ পৰমানন্দৰ মাজত কোনে কোনে বেছিকৈ দান আগবঢ়াব সেই কথা লৈ হেতাওপৰা লাগিছিল। এইজনা মহাপুৰুষক বৈষ্ণৱী বিনয়ৰ কাৰণে 'নাৰায়ণদাস' বুলিও কোৱা হৈছিল।

ঠাকুৰ আতাৰ অসাধাৰণ উপস্থিত বুদ্ধি, অপৰিসীম দূৰদৰ্শিতা, প্ৰগাঢ় ভক্তিতত্ত্ব জ্ঞান, অদ্ভুত সামাজিক অভিজ্ঞতা আৰু সাংগঠনিক দক্ষতাৰ গুণত দুজন গুৰুৰ প্ৰতিভা বিস্তাৰত উল্লেখনীয় অৱদান মহাপুৰুষীয়া সমাজৰ এক উজ্জ্বল চানেকি। এইজনা মহাপুৰুষৰ জীৱনকাল আছিল ১৪৯৫ চনৰ পৰা ১৫৯০ চনলৈ।

শঙ্কৰদেৱে চূণপোৰাত কিছুমান অসুবিধাৰ সম্মুখীন হৈ তাৰপৰা গৈ কুমাৰকুছিত থাকিল। কুমাৰকুছিতো তেওঁ নানা আহুকাল সহ্য কৰি শেষত মাধৱদেৱ, ৰামদাস আতা আৰু নাৰায়ণ ঠাকুৰৰ লগত আলচ কৰি সেই ঠাইও এৰি পাটবাউসীলৈ গ'ল। আগেয়ে তাত ৰজাৰ পাটনগৰ আছিল দেখি ঠাইখিনিক পাটবাউসী বোলা হয়। শঙ্কৰদেৱৰ অনুজ্ঞাক্ৰমে সেৱকসকলে হাবি-বন কাটি হাটী-

নামঘৰ, মণিকূট সাজি প্ৰস্তুত কৰিলত শঙ্কৰদেৱে তাত সত্ৰ পাতিলে। মাধৱদেৱ বাৰাদিত থাকে, তাৰ পৰা পাটবাউসীলৈ বহুত দূৰ হয় কাৰণে তেওঁৰ কাৰণে ওচৰৰ স্থানৰ বিষয়ে খা-খবৰ কৰা হ'ল আৰু অৱশেষত গণককুছি নিৰ্বাচন কৰা হ'ল।

"এক গণকে গৃহ-বাৰী কৰিছিলি, যাবলৈ তাৰ পত্নী কহিলাত যাব নাপাৰি আছে। ভক্তসমে গুৰুজনক দেখি আগবাঢ়ি গৈ সেৱাকৈ সুধিলে, কিয় আহিছে বুলি। গুৰু বোলে দীঘলা কাথৰ গুৰিত তোমাৰ যে গৃহ-বাৰী কৰিছা পাম ধৰিবলৈ তাকে আমাক দিয়া, যাক খুজিবলৈ আহিছোঁ। বৰ আন্তিকৈ তেওঁ বোলে গৃহ-বাৰী এতিক্ষণে আপুনাৰ অভয় পাদত সমৰ্পিলো ; মোৰ সদভাগ্য বংশ সমে উদ্ধাৰ হ'ব। পাছে সেইতে গৈ কামি ধামে সৈতে ছোট আতাক থৈ তেহে গৈছে গুৰুজন। গণকৰ গৃহবাৰী দেখি গণককুছি নাম হ'ল।"

কথা গুৰুচৰিতত এয়েই হ'ল গণককুছিৰ বুৰঞ্জী, যি ঠাইত মাধৱদেৱ একেৰাহে ওঠৰ বছৰ ছমাহ আছিল আৰু গুৰুজনা শেষবাৰ বেহাৰলৈ যোৱাৰ আগতে যি থানত দুজনা গুৰুৰ শেষ মিলন হৈছিল।

## শ্ৰীশ্ৰীৰাম আতা

মাধৱদেৱে প্ৰতিদিনে গণককুছিৰপৰা শঙ্কৰদেৱৰ ওচৰলৈ অকলে আহে। তেতিয়া সেই ঠাইবোৰত চাৰিওফালে অৰণ্য আছিল আৰু বনৰীয়া জীৱ-জন্তুই কেতিয়াবা অত্যাচাৰো কৰিছিল। সেয়ে গুৰুজনাই নাৰায়ণ ঠাকুৰক আজ্ঞা দিলে যে মাধৱৰ সেৱা-শুশ্ৰূষা কৰিবলৈ আৰু সদায় লগত আহিবলৈ এজন আলধৰা তেওঁক যেন বিচাৰি দিয়া হয়। কাৰ্য্যকুশল নাৰায়ণে তেতিয়াই মানুহ এজন বিচাৰি গৈ শ্ৰীৰাম নামৰ এজন লোকে ধাননিত ধান দাই থকা দেখি তেওঁক আনিলে। শ্ৰীৰামে আনন্দ মনেৰেই আহিল, কিয়নো তেওঁ যেন এই সুযোগ বিচাৰিহে আছিল। পত্নী-পুত্ৰ বিয়োগত তেওঁৰ তেতিয়া বৈৰাগী ভাব হৈছিল। এই শ্ৰীৰামেই ইয়াৰ পিছৰপৰা শঙ্কৰ মাধৱৰ অকপট, নিস্বাৰ্থ, নিৰ্বিকাৰ, নিস্পৃহ ভক্ত-শিৰোমণি 'শ্ৰীৰাম আতাৰূপে' পৰিগণিত হ'ল। এওঁৰ নিৰন্থ-নিপানী গুৰুসেৱা আৰু সংসাৰত নিৰ্লিপ্ততাই সকলোকে আশ্চৰ্য্যান্বিত কৰিছিল। এওঁৰ মুখৰপৰা আনকি গভীৰ নিদ্ৰাৱস্থাতো ৰাম নাম নুগুচিছিল। মৃত্যুৰ সময়ত তেওঁৰ শবদেহো বিচাৰি পোৱা নগ'ল আৰু সাধাৰণ লোকে সেয়ে তেওঁ সশৰীৰে স্বৰ্গাৰোহণ কৰা বুলি বিশ্বাস কৰে।

এদিন মাধৱদেৱ শঙ্কৰদেৱৰ লগত বহি আছিল, হেন সময়তে উজনিৰপৰা জনদিয়েক মুদৈ আহি গুৰুজনাক জনালে যে তেওঁ উজনি ত্যাগ কৰাৰ পিছৰপৰা তাত নাম-ধৰ্মৰ প্ৰচাৰ বঢ়া নাই আৰু সেয়ে তেওঁৰ এজন বিশিষ্ট ভক্তক তালৈ

পঠাব লাগে। মুদৈসকলৰ লগত এজন দেখনিয়াৰ ব্ৰাহ্মণৰ ল'ৰাও আহিছিল। শঙ্কৰদেৱে ল'ৰাজনৰ বিষয়ে মুদৈসকলক সোধাত তেওঁলোকেক'লে যে ল'ৰাজন পিতৃ-মাতৃহীন কাৰণে বায়েক-ভিনিহিয়েকৰ লগত থাকি ডাঙৰ-দীঘল হৈছে, নাম বংশীগোপাল। এৱেঁই হ'ল ভৱিষ্যতে কুৰুবাবাহী সত্ৰৰ প্ৰতিষ্ঠাতা বংশীগোপালদেৱ। তেওঁ আৰু আন কেইবাখনো সত্ৰ উজনিত স্থাপন কৰে। শঙ্কৰদেৱে মুদৈসকলৰ প্ৰাৰ্থনামতে মাধবদেৱক উজনিলৈ গৈ তাত ধৰ্মপ্ৰচাৰৰ ভাৰ লবলৈ আজ্ঞা শুনালে। মাধবদেৱে গুৰুআজ্ঞা শিৰোধাৰ্য্য কৰি যাবলৈ প্ৰস্তুত হ'বলৈ গণককুছিলৈ বুলি ৰাওনা হ'ল। মুদৈসকলে গুৰুক সেৱা কৰি যেতিয়া যাবলৈ ওলাল বংশীগোপাল তেওঁলোকৰ লগত উভতি যাবলৈ অমান্তি হ'ল। তেওঁ গুৰুজনাৰ প্ৰতি এনেদৰে আকৃষ্ট হ'ল যে সদায় তেওঁৰ লগত থকাৰ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু মুদৈসকলে তেওঁক এৰি যাব নুখুজিলে। তেওঁলোকে ক'লে যে আহোমৰজা যি অবুজন, তেওঁক যদি কোনোবাই লগায়, ল'ৰাজনক আমি লগত আনি ফিৰাই নিয়া নাই বুলি, ৰজাই নিশ্চয় আমাক ধৰাই নি কটাব। শঙ্কৰদেৱে বহুত বুজাই-বঢ়াই ল'ৰাজনক পঠিয়ালে আৰু ক'লে "ভক্তিধৰ্মৰ প্ৰকাশৰ কাৰ্য্য তুমিও এদিন নিশ্চয় লাভ কৰিবা।"

মাধবদেৱ আহি গণককুছি পাওঁতেই সিফালৰপৰা ঠাকুৰআতা আহি ওলাল। তেওঁ যেতিয়া সখিয়েকৰপৰা শুনিলে যে গুৰুজনে তেওঁক উজনিলৈ যাবলৈ আজ্ঞা দিছে, ঠাকুৰআতাই বেগাবেগিকৈ গৈ শঙ্কৰদেৱৰ চৰণত দীঘল দি পৰি এই বুলি প্ৰাৰ্থনা কৰিলে ঃ

"কৃপাৰ সাগৰ দৈৱকী নন্দন,
পূৰিয়ো মনৰ কাম।
ভকতৰ সঙ্গ সদা নুগুচোক
মুখে তুৱা গুণ নাম।।"

"বাপ, বহ্যসুখৰ সঙ্গ মোৰ গুচিল। মোৰ প্ৰাণবন্ধুৰ সঙ্গ লাভৰপৰা মই বঞ্চিত হ'লো। যাব জাৰাই যি সময়ত উজনিত ধৰ্ম প্ৰকাশ হ'ব লাগে সি অৱশ্যে হ'ব, তাত সংশয় নাই। এতেকে ক্ষমা কৰি বান্ধৱক থাকিবলৈ আজ্ঞা কৰক।" এই কথা শুনি শঙ্কৰদেৱে হাঁহি ক'লে, "তোমাৰ প্ৰাৰ্থনা মতেই হ'ব বাৰু।" শঙ্কৰদেৱৰ প্ৰয়াণৰ পিছত ধৰ্মৰ গুৰুভাৰ শিৰত ল'বলৈ ঈশ্বৰে হয়তো মাধৱক গুৰুৰ লগতে ৰাখিলে।

গুৰুৰ আজ্ঞামতে মাধবদেৱে গীত-পদ আৰু শাস্ত্ৰ লিখিবলৈ আৰম্ভ কৰিছে। এদিন তেওঁ "ৰাজসূয়" গ্ৰন্থখন লিখিবৰ নিমিত্তে পাত, মহী আদি যুগুত কৰি বহিছে, সেই সময়ত শঙ্কৰদেৱৰ খুৰাকৰ পুতেক ৰতিকান্তই উপহাস কৰি ক'লে, "দদায়ো শাস্ত্ৰ কৰে, তুমিও কৰিবা। লোকে এইটো কথা শুনিলে কি বুলিব।"

মাধৱদেৱে শাস্ত্ৰ সামৰি থ'লে। শঙ্কৰদেৱৰ এই কথা কাণত পৰিল আৰু তেওঁ অতি বিষাদিত হ'ল। এদিন সকলো ভকতৰ সৈতে বহি থাকোতে মাধৱক সম্বোধন কৰি ক'লে যে "বড়াৰ পো, তোমাৰ আমাৰ ভিতৰত একো ভিনপৰ নাই। এই কথা নাজানি মন্দমতিসকলে আনপ্ৰকাৰে কল্পনা কৰে। আজিৰপৰা যত শাস্ত্ৰ কৰিব লাগিব সকলোকে তুমিহে ৰচনা কৰিবা, এই কথা মই নিশ্চয়কৈ ক'লো। তুমি গীত-পদ-নাট আদি ৰচনা কৰি জীৱৰ তৰণৰ উপায় চিন্তিবা। মই বেহাৰলৈ যাবলৈ মন কৰিছোঁ। ৰমানন্দক লগত লৈ গৈ কিছুদিন বেহাৰত থাকিম। বড়াৰ পো, মোৰ এটি খেদ ৰ'ল, চাৰিদিশে চাৰিবস্তু প্ৰেৰণ কৰিলোঁ, তাৰ তিনটি চাপিল, এটি নাচাপিল ; তোমাৰ পৰা সেইটো চাপিব আৰু তাক আমি পাম। তেওঁ সকলো সৰ্বস্ব তোমাৰপৰা লাভ কৰিব। তেওঁৰ পৰা অনেক জীৱৰ সদ্‌গতি হ'ব। তেওঁতে শেষত তুমি ধৰ্ম সমৰ্পণ কৰি অৱসৰ ল'বা।"

তাৰ পিছত তেওঁ নাৰায়ণ ঠাকুৰক নাও এখন যুগুত কৰি সজাবলৈ আৰু যʼত যি আছে সকলো ভক্তকে তেওঁৰ ওচৰলৈ মাতিবলৈ ক'লে। ইয়াৰ পিছত শঙ্কৰদেৱে হাঁহি মাধৱদেৱক ক'লে, "মই পূৰ্বে কোৱা কথা তোমাৰ মনত আছেনে? এই কথা কাৰ্য্যত পৰিণত কৰিবৰ কাল এতিয়া উপস্থিত, এইটি কথা ৰামানন্দৰ মাকক নক'বা। কাইলৈ গণককুছিলৈ যাবলৈ সকলো উদ্যোগ কৰিবা।" এয়াই আছিল গুৰুজনাৰ পাটবাউসীৰ পৰা অন্তিম যাত্ৰা।

আমি শঙ্কৰদেৱৰ চৰিত আলচ কৰোঁতে গুৰুজনাৰ দ্বিতীয়বাৰ তীৰ্থভ্ৰমণ, কোচৰজাৰ দ্বাৰা তেওঁৰ বিচাৰ আৰু কোচবিহাৰত তেওঁৰ মহাপ্ৰয়াণৰ বিষয়ে উল্লেখ কৰিছোঁহক। গুৰুজনাৰ তিৰোধানৰ সময়ত মাধৱদেৱ গণককুছিত আছিল আৰু তেওঁ বহুদিন গুৰুৰ বা-বাতৰি একো পোৱাও নাছিল। এদিনাখন এখন নাৱেৰে আহি ৰমানন্দ গণককুছি পালে। মাধৱদেৱে ঠিক সেই সময়তে আগ বাঢ়ি আহি বাটত থিয় হৈ আছিল। ঠাকুৰ নাওৰপৰা উঠি অহা মাধৱদেৱে দূৰৰপৰা দেখি এই গীতটি আলোকন কৰি গালে :

"আলো মই কি কহব দুখ।
পৰাণ নিগৰে নেদেখিয়া চান্দ মুখ।।
কত পুণ্যে লভিলো গুণৰ নিধি শ্যাম।
বঞ্চিয়া নিলেক নিকৰুণ বিধি বাম।।
শ্যাম কানু বিনে মোৰ নাৰহে জীৱন।
হা শ্যাম বুলিতে আকুল কৰে মন।।
দিৱস নাযায় সুখে নাযায় ৰজনী।
চান্দ চন্দন মন্দ পৱন বৈৰীনি।।

কোথা যাওঁ কোথা থাকোঁ কিবা কৰে মন।
কানাইৰ নেওচনি দিওঁ সবে বন্ধুজন।।
শ্যাম কানু বিনে জীৱনৰ কিবা কাজ।
বিৰহ অনল জ্বলে হৃদয়ৰ মাজ।।
নাজানো দাৰুণ বিধি কি কৰে বিপত্তি।
কহয় মাধৱ ৰাঙা পদে মোৰ গতি।।"

মহাগুৰুৰ মহাপ্ৰয়াণত মাধৱদেৱ কৃষ্ণহীন উদ্ধৱৰ নিচিনা হ'ল। মাধৱদেৱ আৰু ঠাকুৰআতাই মিলি ভকতসকলক গোটাই গুৰুৰ দহাকাৰ্য্য আৰু মাহেকীয়া আদ্যশ্ৰাদ্ধ মহাসমাৰোহেৰে সম্পাদন কৰিলে। মাধৱদেৱে সেৱকসকলেৰে সৈতে হৰিকীৰ্তন কৰিলে। ইয়াৰ পিছত নাৰায়ণদাস ঠাকুৰ আতাই ৰমানন্দ ঠাকুৰক সুধিলে, "ঠাকুৰদেৱ, তোমাক এটি কথা সোধো। তুমি গুৰুজন শঙ্কৰদেৱৰ ৰৰপুত্ৰ, দ্বিতীয় শঙ্কৰ, সৰ্বগুণালংকৃত। শ্ৰীমন্ত শঙ্কৰগুৰুৱে চলিবৰ সময়ত বাৰু কি বাক্য বুলি গ'ল তুমি অনুগ্ৰহকৈ কোৱাচোন, আমি খেদ-সাগৰৰপৰা তৰোঁ। ৰমানন্দ ঠাকুৰে উত্তৰ দিলে পিতৃয়ে তেওঁক শেষ সময়ত যিদৰে কৈছিল ঃ—"মাধৱক মই শক্তি, ভক্তি, বল-বীৰ্য্য,-পৰাক্ৰম সকলো সমৰ্পণ কৰি আহিছোঁ। তেওঁক তুমি শিষ্য ভাই বুলি নাভাবি গুৰু বুলি মানিবা। তুমি তেওঁক মোৰ প্ৰতিনিধি বুলি তেওঁৰপৰাই ভক্তিধৰ্মপথৰ উপদেশ লভিবা। এতেকে শুনা নাৰায়ণদাস, মাধৱৰ বাহিৰে মোৰ আৰু কোনো গুৰু নাই।"

এই কথা শুনি সকলো ভকতৰ মনত ৰঙ্গ হ'ল। নাৰায়ণদাস আতাই আনন্দত নাচিবলৈ ধৰি ক'লে, "গুৰুজনাৰ কিনো সৰ্বানন্দ গুণ। তেওঁ কি বিচক্ষণ। গুৰুজনে তেওঁৰ পিছত ঘটিবৰ সম্ভৱ থকা সকলোৰে ব্যৱস্থা ভাঙি থৈ গ'ল।" ঠাকুৰ আতাই টকা বস্ত্ৰ আদি ঠগীত লৈ সকলো সভাসদৰ মাজত মাধৱদেৱৰ আগত থৈ ক'লে, "গুৰুজনে যাৰ হাতত নিজৰ জ্যেষ্ঠ পুত্ৰক সমৰ্পণ কৰিব, যাক জ্যেষ্ঠ পুত্ৰৰ গুৰু পাতিলে তেৱেঁই আজিৰপৰা আমাৰ সকলোৰে নিজগুৰু হ'ল।" এই বুলিলত সকলো ভকতে হৰিধ্বনি কৰি ৱাদ্যভণ্ড বজাই মাধৱদেৱক ধৰ্মৰ অধিকাৰ পদত অভিষেক কৰিলে।

### ধৰ্মাচাৰ্য্য পদলাভ

মাধৱদেৱ ধৰ্মাচাৰ্য্য পদত অভিষিক্ত হ'ল। গুৰুজনৰ পাৰলৌকিক ক্ৰিয়া মহোৎসৱ শেষ হ'ল, কিন্তু তাৰ লগে লগে কামৰূপীয় বৈষ্ণৱ পৰম্পৰাত এটি নতুন অধ্যায়ৰ আৰম্ভণি হ'ল। শঙ্কৰদেৱে তেওঁৰ ধৰ্মীয় উত্তৰাধিকাৰীৰ প্ৰশ্নত তেওঁক নিজৰ পুত্ৰ বা আন কোনো ব্ৰাহ্মণ শিষ্যক বিবেচনা নকৰাৰ পৰা এইটো সহজে ধৰি ল'ব পাৰি যে ভক্তিধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত তেওঁ আধ্যাত্মিক মানদণ্ড, পাণ্ডিত্য,

সাংগঠনিক পটুতা আৰু ব্যক্তিত্বৰ ওপৰতহে গুৰুত্ব দিছিল, উচ্চকুলৰ জন্মসূত্ৰ বা নিজ বংশ-পৰম্পৰাত নহয়। ভক্তি-ধৰ্মত শৰণ লবৰ দিনৰপৰা মাধৱদেৱে গুৰুৰ ওচৰত শৰীৰৰ ছাঁৰদৰে আছিল। তেওঁৰ অতুলনীয় গুৰুভক্তিৰ কথা আগেয়ে উল্লেখ কৰি অহা হৈছে। গুৰুৱে তেওঁৰ শিষ্যৰ অগাধ পাণ্ডিত্য, গন্ধৰ্ববিদ্যাৰ নিপুণতা আৰু অসাধাৰণ ব্যক্তিত্বৰ বিষয়ে সম্পূৰ্ণভাৱে অৱগত হৈহে তেওঁক উত্তৰাধিকাৰী মনোনীত কৰিছিল। কিন্তু এই কথাত গুৰুৰ জীৱনকালতে ধৰ্মাধিকাৰীৰ বাব পোৱা দামোদৰদেৱ কিছু ক্ষুণ্ণ হোৱাতো হয়তো স্বাভাৱিক আছিল। দামোদৰদেৱ আৰু মাধৱদেৱ প্ৰায় একে বয়সৰ আছিল। মাধৱদেৱক গুৰু বুলি স্বীকাৰ কৰিবলৈ দামোদৰদেৱ ৰাজি হোৱা নাছিল। দামোদৰদেৱ আৰু মাধৱদেৱৰ আদৰ্শগত সংঘাতো কিছু আছিল। এই অৱস্থাৰ সুযোগ লৈয়ে এই দুজনা গুৰুৰ পৰলোকৰ পিছত তেওঁলোকৰ উভয়ৰে শিষ্যসকলে নানা সৰু কথাকো ডাঙৰকৈ প্ৰচাৰ কৰি ভক্তিধৰ্মৰ দুটা শাখাৰ সৃষ্টি কৰিলে। যি 'মহাপুৰুষীয়া' আৰু 'দামোদৰীয়া' পন্থ বুলি বৰ্তমান জনাজাত।

বহুদিনলৈ শঙ্কৰদেৱৰ প্ৰয়াণৰ পিছতো মাধৱদেৱে ধৰ্মীয় প্ৰচাৰ কাৰ্য্যত মন দিব পৰা নাছিল ; কিয়নো গুৰুৰ বাৎসৰিক শ্ৰাদ্ধৰ পিছতে তেওঁৰ বৰপুত্ৰ ৰমানন্দৰ পৰলোক হৈছিল। গুৰুৰ ঘৰখনৰ একেবাৰে থান্‌থিত নোহোৱা অৱস্থা। এইবোৰ সকলো কথা মাধৱদেৱেই চম্ভালিব লগীয়া হৈছিল। তেওঁ সদায় গণককুছিৰপৰা পাটবাউসীলৈ বাটকুৰি বাই থাকিবলগীয়া হৈছিল। কিন্তু পৃথিৱীত দুৰ্মুখৰ অভাৱ নাই। শঙ্কৰদেৱৰ ইমান যশস্যাৰ প্ৰচাৰ দেখি তেওঁৰ কিছু আত্মীয়য়ো সহ্য কৰিব পৰা নাছিল। এদিন শঙ্কৰদেৱৰ খুৰাকৰ পুতেক ৰতিকান্তই মাধৱদেৱক বাটত পাই খংকৈ ক'লে, "তুমি উদাসীন মানুহ, তুমি কিয় দিনৌ পাটবাউসীলৈ দাদাৰ ঘৰলৈ যোৱা। তোমাৰ বেয়া নালাগেনে?" এই কথাত তেওঁ অতি বেজাৰ পাই এদিন গুৰুপত্নীৰ ওচৰলৈ গৈ ক'লে, "আই, মই বেহাৰলৈ যাবলৈ ইচ্ছা কৰি আপোনাৰ ওচৰত বিদায় ল'বলৈ আহিছোঁ। ৰতিকান্তকে আদি কৰি আপোনাৰ বংশৰ গিৰীসকলে অসূয়া কৰি মোৰ প্ৰতি বৰ বেয়া বচন প্ৰয়োগ কৰিছে। এতেকে তেওঁলোকৰ ওচৰ এৰি দূৰ হৈ যাবলৈ স্থিৰ কৰিছোঁ।"

এই কথা শুনি গুৰুপত্নীৰ মূৰত সৰগ ভাগি পৰা যেন হ'ল। কিয়নো ঘৰখনৰ সকলো বিপদ-আপদ, বাধা-বিঘিনিত মাধৱেহে তেওঁৰ ওচৰত থিয় হৈছে। আন আত্মীয়-স্বজনে দূৰৰপৰা ৰংহে চাইছে। সেয়ে তেওঁ ক'লে, "তুমি কিয় যাব লাগিছে; কাউৰীৰ বাক্যত কিয় স্থান এৰিবা। তুমি গ'লে তিনিটি বালকৰে সৈতে, বিধবা বোৱাৰীক লৈ মোক কোনে প্ৰতিপাল কৰিব? তথাপি যদি নিলগ হৈ যাব খুজিছা তেন্তেসুন্দৰীত থাকাগৈ।" মাধৱে তেতিয়া কৰযোৰে ক'লে, "আই, সুন্দৰীলৈ গ'লে

গুৰুবাক্য পৰে ; গুৰুৱে মোক পূৰ্ব্বে সুন্দৰীলৈ যাবলৈ মানা কৰিছিল।" গুৰুপত্নীয়ে তেতিয়া সুধিলে, "তুমি মোক কি বুলি মানা ?" মাধৱে উত্তৰ দিলে, "গুৰুপত্নী জগত জননী বুলি।" এই উত্তৰ শুনি গুৰুপত্নী কালিন্দী আয়ে ক'লে, "তুমি মোৰ আজ্ঞাত সুন্দৰীলৈ যোৱা। সুন্দৰীৰ সুন্দৰীহঁতে তোমাক মুহিব নোৱাৰে। বৰং তোমাক দেখি তোমাৰ প্ৰভাৱত সিহঁতে ভকতিহে আচৰণ কৰিব।" গুৰুপত্নীৰ আদেশ শিৰোধাৰ্য কৰি মাধৱদেৱে গণককুছিৰ পৰা গৈ সুন্দৰীদিয়াত থাপনি ল'লে।

নাৰায়ণদাস ঠাকুৰ আতা সুখে-দুখে সদায় মাধৱদেৱৰ একান্ত সহযোগী আছিল। তেওঁৰ পৰামৰ্শ মতেই গুৰুজনে সুন্দৰীৰ প্ৰখ্যাত ব্যক্তি মাধৱ মৰলৰ সহায়ত নামঘৰ, মণিকূট, হাটী-বাটী আদি সজালে। শুভ তিথিৰ শুভ ক্ষণত ভাগৱত শাস্ত্ৰখন নামঘৰত স্থাপন কৰিলে। নাম-প্ৰসঙ্গৰ ৰোল উঠিল, চাৰিওফালৰ পৰা অসংখ্য লোক আহি ভক্তিধৰ্মত শৰণ ল'বলৈ ধৰিলে, কিন্তু এই গোটেই সমাৰোহৰ মুখ্য সংগঠক আছিল নাৰায়ণদাস ঠাকুৰ আতা। মাধৱদেৱৰ অবিহনে শঙ্কৰদেৱৰ ভক্তিধৰ্মৰ প্ৰচাৰ ইমানখিনি হ'লহেঁতেন নে নাই যিদৰে ভাবিব পাৰি, মাধৱদেৱৰ প্ৰচাৰৰ ক্ষেত্ৰতো ঠাকুৰ আতাৰ ভূমিকা সমতুল্য। ঠাকুৰ আতাৰ দূৰদৰ্শিতা, কষ্টসহিষ্ণুতা আৰু গুৰুৰ প্ৰতি অচলা ভক্তিৰ উদাহৰণ বিৰল।

মাধৱদেৱৰ অগণন শিষ্যভকতৰ ভিতৰত যিকেইজনক অসমৰ বিভিন্ন প্ৰান্তত ভক্তিধৰ্মৰ প্ৰচাৰাৰ্থে অধিকাৰী পদত অভিষিক্ত কৰা হৈছিল তেওঁলোক হ'ল : ভৱানীপুৰীয়া গোপাল আতা, মথুৰাদাস বুঢ়া আতা, বৰবিষ্ণু আতা, লক্ষ্মীকান্ত আতৈ, বেহেৰীয়া বিষ্ণু আতা, শ্ৰীহৰি, ভাটৌকুচিয়া কেশৱচৰণ আতা, বুৰীৰগো গোবিন্দ আতৈ, উজনিৰ হৰিহৰ আতা, পাটয়া আতৈ বা পৰিহাৰপাৰৰ গোপাল, ৰামচৰণ ঠাকুৰ, পুৰুষোত্তম ঠাকুৰ, চতুৰ্ভুজ ঠাকুৰ, বংশীগোপালদেৱ আৰু যদুমণি দেৱ। এওঁলোকৰ শেষৰ দুজনে দামোদৰদেৱৰ পৰাও ধৰ্মৰ উপদেশ পাইছিল। সেই সময়ত শঙ্কৰ-মাধৱ আৰু দামোদৰদেৱৰ ধৰ্মীয় আদৰ্শৰ মাজত কোনো পাৰ্থক্য নাছিল। গুৰুসকলৰ প্ৰয়াণৰ পিছত তেওঁলোকৰ অনুপযুক্ত অথচ অত্যুৎসাহী ভকতসকলে বহু বিভেদৰ প্ৰাচীৰ থিয় কৰিছে, যি বিষয়ে পিছত আলোচনা কৰা হ'ব। মাধৱদেৱে নিযুক্ত কৰা কনিষ্ঠতম আৰু শেষৰজন ধৰ্মাচাৰ্য্য আছিল বদুলা আতা। তেওঁক মাধৱদেৱে কোচবিহাৰত থকা কালত উজনিত ধৰ্ম প্ৰচাৰৰ ভাৰ দিছিল।

### মাধৱগুৰুৰ প্ৰসিদ্ধ ভকত কেইজনমানৰ চিনাকি

#### বৰবিষ্ণু আতা

বৰবিষ্ণু আতাৰ ঘৰ বঙ্গদেশৰ বিক্ৰমপুৰত আছিল বুলি জনা যায়। তেওঁ অসমদেশ চাবলৈ বুলি আহি থাকোতে বাটতে নাও ডুবি যথাসৰ্বস্ব হ'ল। তেওঁ কোনোপ্ৰকাৰে আহি কামৰূপৰ দক্ষিণত মালাচা নামে ঠাই পালে আৰু তাৰ

চন্দ্ৰভূএগ্ৰা নামৰ এজন আঢ্যৱন্ত লোকৰ ঘৰত আলহী হ'ল। কালক্ৰমত কৰবিষ্ণু আতাৰ সৰল ব্যৱহাৰ, কামৰ প্ৰতি নিষ্ঠা আৰু সকলো বিষয়তে সণ্ডভাৰ পৰিচয় পাই চন্দ্ৰভূএগ্ৰাই তেওঁৰ ছোৱালীক তেওঁলৈ বিয়া দিলে। তেওঁ শহুৰেকৰ ঘৰৰ ওচৰতে ঘৰ সাজি জীৱন নিৰ্বাহ কৰি আছিল। তেওঁৰ সতি-সন্ততিও হৈছিল। এদিন তেওঁ খেতিৰ কাৰণে কঠীয়া বিচাৰি উত্তৰ পাৰলৈ আহি নাৰায়ণদাস ঠাকুৰ আতাৰ ঘৰ পায়। এই সৎসংগৰ প্ৰভাৱতে তেওঁৰ জীৱনৰ বিৰাট পৰিবৰ্তনৰ দুৱাৰ মেল খায়। তেওঁ ঠাকুৰ আতাৰপৰা শঙ্কৰ মাধৱ প্ৰচাৰিত ভক্তিধৰ্মৰ বিষয়ে অৱগত হৈ মাধৱ গুৰুৰ দৰ্শন পাবলৈ উৎকণ্ঠিত হয়। ঠাকুৰ আতাই তেওঁক সুন্দৰীলৈ লৈ গৈ মাধৱৰ লগ লগায়। মাধৱদেৱে তেওঁৰ ব্যক্তিত্বত মোহিত হৈ কেৱল শৰণ দিয়াই নহয় তেওঁক দক্ষিণ কামৰূপত ভক্তিধৰ্ম প্ৰচাৰৰ ভাৰ অৰ্পণ কৰি ধৰ্মাচাৰ্য্য নিযুক্ত কৰে। এওঁৰ দ্বাৰাই স্থাপিত হয় চমৰীয়া সত্ৰ। এই সত্ৰলৈ মাধৱদেৱ, ঠাকুৰ আতা আৰু বদুলা আতা আদি মহাপুৰুষৰ সমাগম হৈছিল। চমৰীয়া সত্ৰৰ "পাঠ" আজিও ভকতসকলে অসমত শ্ৰেষ্ঠ বুলি স্বীকাৰ কৰে।

## মথুৰাদাস বুঢ়া আতা

মহাপুৰুষ মাধৱদেৱৰ শিষ্যসকলৰ ভিতৰত মথুৰাদাস বুঢ়া আতা প্ৰধান। তেওঁৰ অতুলনীয় গুৰুভক্তি, একশৰণ ভক্তি-তত্ত্ব প্ৰচাৰ কাৰ্য্যত তেওঁৰ ভূমিকা অসাধাৰণ; সাংগঠনিক প্ৰতিভা আদি বহুমুখী গুণৰ কাৰণে মহাপুৰুষীয়া সম্প্ৰদায়ৰ আৰু বিশেষকৈ বৰপেটা সত্ৰৰ ভকতসকলে তেওঁক আজিও শিৰোমণি ভকত জ্ঞান কৰে আৰু দুজনা গুৰুৰ পিছতেই স্থান দিয়ে। মহাপুৰুষ মাধৱদেৱৰদ্বাৰা নিৰ্বাচিত বৰপেটা সত্ৰৰ আদি সত্ৰীয়া আছিল মথুৰাদাস আতা। তেওঁক গুৰুজনে সন্মানিত পদৰ অধিকাৰ পাতি তেওঁৰ যোগ্যতাৰ সমাদৰ দেখুৱাইছিল। সেয়েহে আজিও ভকতসকলে কীৰ্তন মহোৎসৱ বা তিথি-পৰ্বাদিত থান-দৰ্শনৰ সময়ত গোৱা ঘোষাত ভক্তি-বিগলিত কণ্ঠে গায়ঃ

"অ হৰি এহে তিনি ৰাজ্যৰ বন্দনী থান বৰপেটা।
এনে থানৰ অধিকাৰী ভৈলা বুঢ়া আতা।।"

বুঢ়া আতাৰ উপৰিপুৰুষসকল শিৱসাগৰ জিলাৰ অন্তৰ্গত থনা-খোকোৰা নামৰ গাঁৱৰ আছিল। সেই পৰিয়ালত নানা আলাই-অথন্তৰৰ কাৰণে তেওঁলোকে বাউসী পৰগণাৰ তাঁতীকুছি (বৰপেটা) অঞ্চললৈ আহি বসতি কৰে। ইয়াতে ১৪১২ শকত বীৰসাদৰ ঔৰসত আৰু ধৈৰ্য্যাদেৱীৰ গৰ্ভত এটি শিশুৰ জন্ম হয়, যাৰ নাম ৰখা হৈছিল গোপাল। পৰিয়ালটোৱে তাঁতীৰ কাম কৰি জীৱন নিৰ্বাহ কৰিছিল। গোপাল আতাই সৰুতে তাঁতীকুছিৰ দক্ষিণফালৰ ইচ্ছাকুছিৰ ছাত্ৰশালাত অলপ

শিক্ষালাভ কৰিছিল। শিশুকালতে তেওঁ পিতৃ-মাতৃহীন হয়।

গোপাল আতা বয়ন-শিল্প আৰু চিত্ৰকলাত অতি নিপুণ লোক আছিল। তাঁতীকুছিৰ ছয়কুৰি তাঁতীয়ে সম্মানেৰে তেওঁক অধিনায়ক পাতিছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে মহাৰাজ নৰনাৰায়ণক উপঢৌকন স্বৰূপে দিয়া সুবিখ্যাত "বৃন্দাবনী বস্ত্ৰ"খন বুঢ়া আতাৰ তত্ত্বাৱধানতে নিৰ্মিত হৈছিল।

বুঢ়া আতাই প্ৰথমে হৰিমিশ্ৰ নামৰ কামৰূপীয়া (শ্ৰীচৈতন্যপন্থী) ধৰ্মাচাৰ্য্য এজনৰ ওচৰত দীক্ষা লৈছিল। তেওঁ ধৰ্মপ্ৰাণ, চিন্তাশীল আৰু সঙ্গীতানুৰাগী আছিল। আজৰি পৰত তেওঁ সঙ্গীসকলক লৈ খঞ্জৰী আৰু কৰতালেৰে পদাৱলী, দেহবিচাৰৰ গীত আদি গাই ফুৰিছিল। এদিনাখন তেওঁ মনথৈ গাঁৱলৈ গৈ নাৰায়ণদাস ঠাকুৰ আতাৰ বাটচ'ৰাত 'নিমিনৱসিদ্ধ' সংবাদ পুথিৰ পদ গায়। ঠাকুৰ আতাই সেই পদৰ কৰ্তা কোন আৰু তাৰ অৰ্থ কি সুধিলত, বুঢ়া আতাই ক'লে, "বাপ, আমি সিমানৰ নে? কিবা পুথি এখন পাই তাৰ পদখিনি ভাল লগা দেখি তাকে আওৰাই গাই ফুৰিছোঁ ; ভিতৰুৱা এইবোৰ কথাৰ আমি একো ভূ নাপাওঁ।" তাকে শুনি ঠাকুৰ আতাই পদ মাতিলে,

"অজ্ঞনৰ আগত সজ্জন বোলাইছা,
লোকৰ চাউল লোণ খাই।
ভাৰত বৰিষত যি গাঁতি মাৰিছা,
কি কৈ গা সাৰি যাই।।"

বুঢ়া আতাই সেই ফকৰাটিৰ অৰ্থ একো বুজি নাপাই ভাষ্তি ক'বলৈ ধৰাতঠাকুৰ আতাই তেওঁক সুন্দৰী থানলৈ গৈ গুৰুজন অৰ্থাৎ মাধৱদেৱক সুধিলে সকলো বুজি পাব বুলি ক'লে।

বুঢ়া আতাই কিছুদিনৰ পৰা অনুভৱ কৰিবলৈ আৰম্ভ কৰিছিল যে তেওঁৰ গুৰুৱে বহু কথাত তেওঁৰ সংশয় দূৰ কৰিব নোৱাৰে আৰু শাস্ত্ৰবাক্যবো গূঢ় অৰ্থ বুজাবলৈ চেষ্টা নকৰে বা নোৱাৰে। সেয়ে তেওঁ বিশ্লেষণীয় মন নিৰুৎসাহ হৈছিল। ঠাকুৰ আতাৰ কথা শুনি তেওঁ এদিন চৈধ্যজন পালীৰে সৈতে সুন্দৰীদিয়ালৈ গৈ মাধৱদেৱৰ ওচৰ পালে। তেওঁৰপৰা ভক্তি-ধৰ্মত শৰণ লোৱাৰ অভিপ্ৰায় জনোৱাত মাধৱদেৱে বহু বিবেচনা কৰি ক'লে, "বাৰু শৰণ দিয়া হ'ব ; কিন্তু তোমালোকে তোমালোকৰ পূৰ্বৰ গুৰুক পৰিহাৰ কৰিছা বুলি তেওঁৰ নামে মাটিত আঁক এটা দি আঁকটো ভৰিৰ বুঢ়া আঙুলিৰে মছি দিয়া।" এই কথা শুনি আতাৰ লগৰীয়া চৈধ্যজনে তেনে কৰিলে, কিন্তু আতাই বিনয় কৰি গুৰুজনাক জনালে, "বাপ, সেইজনকে আশ্ৰয় কৰি আপোনাক পালো, এতেকে আঁকটি ভৰিৰে মছিবলৈ নকৈ যেন হাতেৰে মছিবলৈ আজ্ঞা দিয়ে।" এই কথা শুনি মাধৱদেৱে সন্তোষ পাই বুঢ়া

আতাক আঁকটো মছিব নালাগে বুলি কৈ আদৰ-সাদৰ কৰি যথানিয়মে শৰণ দিছে। গুৰুৰ নামৰ আঁকটো ভৰিবে মছা কেইজনক গুৰুদ্ৰোহী বুলি শৰণ নিদি ঘূৰাই পঠালে। গুৰুজনে পিছত আতাক সম্বোধি ক'লে, "গোপাল তুমিও ৰ'লা আমাকো ৰাখিলা।"

মাধৱদেৱ বৰপেটা সত্ৰত থকাৰ সময়ত এদিন সত্ৰৰ পৰিচাৰকৰ কাম এটিৰ কাৰণে বুঢ়া আতাই সকাতৰে নিবেদন জনালে— "বাপ, কৃপালু গুৰু, আমাক সত্ৰৰ দাসালি কাম দিয়া যাওক।" গুৰুজনে প্ৰিয়তম শিষ্যৰ মনৰ অভিলাষ পূৰণৰ অৰ্থে সত্ৰখন নিতৌ সাৰি-মছি পৰিষ্কাৰকৈ ৰখাৰ ভাৰ বুঢ়া আতাৰ ওপৰত অৰ্পণ কৰিলে। লগতে ক'লে, "গোপাল, বৰপেটা থান আমাৰ মানত মথুৰাপুৰী সদৃশ, তেনে পবিত্ৰ ভূমিৰ দাসালি কাম আজি তোমাক দিয়া গ'ল ; গতিকে আজিৰপৰা তোমাৰ নাম গোপালৰ পৰিবৰ্তে "মথুৰাদাস" ৰখা হ'ল। সিদিনাৰ পৰা বুঢ়াআতাৰ পূৰ্বৰ নাম "গোপাল"ৰ পৰিবৰ্তে "মথুৰাদাস" প্ৰখ্যাত হ'ল।

তাঁতীকুছিত ৰঙিয়াল গৃহ নিৰ্মাণ, মাধৱদেৱে বেহাৰলৈ যোৱাৰ পিছত সুন্দৰীদিয়াৰ সত্ৰ নিৰ্মাণ আদি কামত বুঢ়া আতাৰ অৱদান অপৰিসীম। বৰপেটা সত্ৰত আজি যিবোৰ প্ৰথা প্ৰচলিত, সেই সকলোবোৰ তেখেতেই প্ৰতিষ্ঠা কৰিছিল। যেনে— আলহী সৎকাৰৰ কাৰণে "অক্ষয় ভাণ্ডাৰ", চৈধ্য প্ৰসঙ্গৰ নিয়ম, আইসকলৰ প্ৰসঙ্গ, বিশুদ্ধ ধৰ্মপ্ৰচাৰিণী সভা স্থাপন, হাটী প্ৰথা প্ৰৱৰ্তন, হাটীৰ ধনভঁৰাল প্ৰতিষ্ঠা, সত্ৰৰ বিষয়ববীয়া লোক নিয়োগকৰণ, ভাগ লোৱা নিয়ম প্ৰৱৰ্তন, ভকত লেখা নিয়ম আৰু বৰপেটা সত্ৰৰ সত্ৰীয়া পদৰ অধিকাৰীক জনমতৰ দ্বাৰা নিৰ্বাচন, ইত্যাদি। এইবোৰ কাৰণতে বৰপেটা সত্ৰ অসমৰ আন সত্ৰসমূহৰ আৰ্হি স্বৰূপ।

দুজনা গুৰুৰ নামধৰ্ম প্ৰথাৰ সম্পূৰ্ণভাৱে বৰপেটা অঞ্চলত খোপনি পুতি ১৫৬৩ শকৰ আহিন মাহৰ কৃষ্ণ চতুৰ্থী তিথিত ১৫১ বছৰ বয়সত বুঢ়া আতা বৈকুণ্ঠধামলৈ গতি কৰিলে। কথিত আছে যে তেওঁৰ জীৱনৰ শেষছোৱাত গোটেই গাৰ নোমবোৰ পকি বগা হৈছিল। চেলাউৰিৰ গুকুলা দীঘল নোমবোৰ সুন্দৰ চকুযুৰিৰ ওপৰেদি ওলমি পৰিছিল। সেই দেখি আনৰ লগত কথা পাতোঁতে এহাতেৰে দাড়ি ধৰিহে কথা কৈছিল। তেৰাই মহাপুৰুষ মাধৱদেৱৰ প্ৰয়াণৰ পিছতো ৪৪ বছৰ কাল জীয়াই আছিল।

## ৰামচৰণ ঠাকুৰ

গয়াপাণি বা ৰামদাস ভূঞা আৰু উৰ্বশী আইৰ বিবাহৰ কথা আগতে উল্লেখ কৰি অহা হৈছে। এওঁলোকৰ পুত্ৰই হ'ল ৰামচৰণ ঠাকুৰ, যিয়ে মহাপুৰুষ মাধৱদেৱৰ কেৱল সম্বন্ধত ভাগিনেই নাছিল, তেওঁ হৈছিল গুৰুজনাৰ প্ৰকৃতাৰ্থত

আত্মিক উত্তৰাধিকাৰী। ৰামচৰণৰ ভনী কান্তিদেৱীৰ শঙ্কৰদেৱৰ কনিষ্ঠ পুত্ৰ হৰিচৰণৰ লগত বিয়া হৈছিল।

এদিন ৰামদাস ভূঞাই ৰামচৰণক ক'লে, "ছ বছৰ হ'ল, তুমি তোমাৰ মোমায়েৰাক দেখা নাই, এতেকে এবাৰ তেওঁৰ ওচৰলৈ যোৱা।" তেতিয়া ৰামদাসৰ পৰিয়ালটো তসুৰি নামৰ ঠাইত আছিল। উৰ্বশী আয়ে পুতেকক ক'লে, "আগেয়ে তোমাৰ ভনীয়েৰাৰ সুখ-দুখৰ বুজ-বাজ লৈ তাৰ পিছত মোমায়েৰাৰ ওচৰলৈ যাবা।" ৰামচৰণ সেয়ে পাটবাউসীলৈ গ'ল। গুৰু পত্নীয়ে ৰামচৰণৰ লগত হৰিচৰণকো মাধৱৰ ওচৰলৈ গৈ কুশল বাতৰি আনিবলৈ ক'লে। মাধৱদেৱে তেওঁৰ ভাগিনক দেখা নাছিল কাৰণে প্ৰথমে চিনিবই পৰা নাছিল। হৰিচৰণেহে মামা-ভাগিনৰ পৰিচয় কৰালে। মাধৱে আই গোঁসানী আৰু তেওঁৰ পৰিয়ালৰ বিষয়ে সোধ-পোচ কৰি গুৰুপত্নীলৈ দ্ৰব্যবস্তু অনেক দি হৰিচৰণক বিদায় দি ভাগিনক নিজৰ লগতে ৰাখিলে। কিছুদিন পাছত ৰামদাস আৰু উৰ্বশী আয়ো সুন্দৰীলৈ উঠি আহিল।

যদুমণি নামে এজন ভকত ব্ৰাহ্মণে সুন্দৰী থানত সদায় প্ৰসংগৰ পাঠ কৰিছিল। এবাৰ তেওঁ উজনিলৈ গ'লত পাঠ পঢ়িবলৈ কোনো নোহোৱা দেখি শ্ৰীৰাম আতাই ৰামচৰণক পাঠ পঢ়িবলৈ লগাই দিলে। গুৰুজনে ভাগিনৰ পাঠ পঢ়াৰ ধৰণ দেখি আৰু সুৱদি কণ্ঠস্বৰ শুনি মোহিত হ'ল। ৰামচৰণৰ হাতৰ আখৰো বেছ ভাল আছিল। সেয়ে তেওঁক বলিছলন পুথিখনো নকল কৰিবলৈ ভাৰ দিছিল। এনেদৰে মাধৱদেৱে ৰামচৰণক সকলো প্ৰকাৰে পৰীক্ষা-নিৰীক্ষা কৰি তেওঁৰ যোগ্যতাৰ প্ৰমাণ পাই তেওঁ নিজে সকলো প্ৰকাৰৰ শিক্ষাদান কৰি ভৱিষ্যতৰ বাবে গঢ়ি তুলিলে।

মাধৱদেৱ বেহাৰলৈ যোৱাৰ পিছত ৰামচৰণে সুন্দৰী সত্ৰৰ ভাৰ লৈ ধৰ্মপ্ৰচাৰৰ কাৰ্য্যপন্থা অব্যাহত ৰাখিলে। ধৰ্মপ্ৰচাৰৰ উপৰিও তেওঁৰ সাহিত্যিক অৱদানো লেখত লবলগীয়া। তেওঁ এখন গুৰুচৰিত, কংসবধ নাট আৰু বহু বৰগীতো ৰচনা কৰে। শঙ্কৰদেৱৰ সংস্কৃত শাস্ত্ৰ 'ভক্তি-ৰত্নাকৰ'ৰো তেওঁ অসমীয়া ভাঙনি কৰিছিল।

ৰামচৰণৰ তিনিজন পুত্ৰ আছিল, তেওঁলোক হ'ল দৈত্যাৰি, নৰহৰি আৰু ত্ৰিপুৰাৰি। এওঁলোকৰ বংশধৰ সুন্দৰীদিয়া, বামুণা, খেকাপাৰা, দলগোমা, ছয়গাওঁ আৰু গৌৰীপুৰ আদি ঠাইত আছে।

এদিন দুজন মানুহ আহি মাধৱদেৱৰ ওচৰত শৰণ প্ৰাৰ্থনা কৰিলে। সেই লোক দুজনৰ এজন আছিল গাৰো আৰু আনজন ভোট। মাধৱদেৱে লোক দুজনৰ বিষয়ে বিশেষ একো নাজানিছিল কাৰণে প্ৰথমতে অলপ ইতস্ততঃ কৰিছিল। কিন্তু তেওঁলোক দুয়ো একেলগে মাধৱদেৱৰ ৰচিত এই ঘোষা ফাঁকি তেওঁক গাই শুনালে-

"গাৰো ভোট যৱনে হৰিৰ নাম লয়।

হেনয় হৰিৰ নাম সজ্জনে নিন্দয়।।"

এই কথা শুনি মাধৱদেৱ পৰম পুলকিত হৈ তেওঁলোকক শৰণ দিলে। তেওঁ গাৰোজনৰ নাম গোবিন্দ আৰু ভোটজনৰ নাম জয়ানন্দ দিলে। দুয়োজনে ভক্তিধৰ্ম অবলম্বন কৰি শুদ্ধ-সত্ত্বৰ সেৱক হ'ল। এনেদৰে সকলো কুলৰ, সকলো সম্প্ৰদায়ৰ উচ্চ-নীচ, নিৰ্ধনী নানা তৰহৰ অসংখ্য লোকে ভক্তি-ধৰ্মৰ ৰস নিজৰাত অৱগাহন কৰিলে। এইসকলৰ সকলোৰে বৰ্ণনা দিব লাগিলে এখন মহাভাৰত সৃষ্টি হ'ব।

## ঘাঘৰি মাজি

মাধৱদেৱৰ তাৰে আৰু তেওঁৰ পৰিয়ালটোৰ আপাতকালৰ পৰম মিত্ৰ ঘাঘৰি মাজি উজনিৰপৰা মাধৱদেৱক বিচাৰি আহি মাণ্ডৰী পালে ; মাধৱৰ কোনো বাৰ্তা নাপাই তেওঁলোক তাত ঘৰবাৰী কৰি থাকিল। মাধৱদেৱে মাণ্ডৰীৰ লোকৰ মুখে এই বাতৰি পাই তেওঁক সুন্দৰীলৈ লৈ আহিল আৰু সকলো কুশল-বাৰ্তা সোধ-পোচ কৰি থাকিবলৈ ঠাই নিৰূপণ কৰি দিলে। মাজিয়ে মাধৱৰ লগত কিছুদিন থাকি তেওঁৰপৰা ধৰ্ম ধৰি মাণ্ডৰীলৈ গ'ল। কিছুদিন পিছত তেওঁ আকৌ এদিন আহি ওলাল। মাধৱৰ প্ৰশ্নত মাজিয়ে ক'লে যে তেওঁ উজনিৰ মানুহ কাৰণে তেওঁৰ জাতি, কুটুম্ব, কুল, গোত্ৰ কেৱে নাজানে বাবে তেওঁৰ সৈতে কেৱে খোৱা-বোৱা নকৰে আৰু তেওঁক ঘিণায়ো। মাধৱে এই কথা শুনি অতি দুঃখ পালে। তেওঁ ভক্তসমে নিজে গৈ মাজিৰ ঘৰত উপস্থিত হৈ তেওঁৰ আলহী হ'ল। পিছদিনা গাঁৱৰ লোকসকলক মতাই আনি তেওঁৰ কিশোৰ কালত মাজিৰপৰা তেওঁৰ পৰিয়ালে পোৱা সকলো মৰম-চেনেহ আৰু সহায়ৰ কথা বিৱৰি ক'লত গাঁৱৰ মানুহ ভধা লাগিল। তেতিয়াৰপৰা মাজিক গাঁৱৰ মানুহে কেৱল আপোন কৰি লোৱাই নহয়, গুৰুজনৰ ত্ৰাণকৰ্তা বুলি তেওঁক মান্য কৰিবলৈ ধৰিলে। মথুৰাদাস বুঢ়াআতাক গুৰুজনে ঘাঘৰি মাজিৰ জাতি কৰি দিলে। মাজিৰ ঘৰত মাধৱদেৱ প্ৰায় এমাহ কাল থাকিল।

## সুন্দৰী ত্যাগ

সুন্দৰীদিয়াত এদিন এটা দুৰ্ঘটনা ঘটিল, যাৰ কাৰণে মাধৱদেৱে সেই স্থান পৰিত্যাগ কৰিবলৈ সিদ্ধান্ত ল'লে। মাধৱ মৰলৰ ভায়েক গোপালে এদিন মাধৱদেৱৰ দুজন সেৱকক তেওঁৰ খেতিপথাৰৰ মাজেদি খোজকাঢ়ি বোৱা অপৰাধত নগুৰশাস্তি কৰিলে। গুৰুজনে এই বাতৰি পাই মৰ্মান্তিক আঘাত পালে আৰু সিদিনা ভোজনকে নকৰিলে। তেওঁ ক'লে, "মই সৰ্ব্বস্ব গোটাই ভক্তক আনিলোঁ, এতিয়া ভক্তৰ এনে দুৰ্গতি মই দেখিবলগীয়া হ'ল। মই ভবানীপুৰৰ গোপালৰ ঠাইলৈ গুচি যাম।" এই কথা শুনিবলৈ পাই গোপাল আতাই তেওঁক নিবলৈ আহিল। কিন্তু তাৰ আগেয়ে মথুৰাদাস বুঢ়া আতাই সুন্দৰীলৈ গৈ গুৰুজনক কাকূতি-মিনতি কৰি ক'লে যে তেওঁ গুৰুক বৰপেটালৈ নিবলৈ আহিছে। তেওঁ

গুৰুজনৰ সকলো বয়-বস্তু গোটাই ভাৰ বান্ধি নি পদূলিত থ'লে। মাধৱদেৱে তেতিয়া গোপাল আতাক ক'লে, "গোপাল, মোৰ তোমাৰ তালৈ যোৱা নহ'ল। মথুৰাদাসে মোৰ সৰ্বস্ব ভাৰ বান্ধি উলিয়াই লৈ গ'ল।" এনেদৰে বহু সেৱকৰ লগত মাধৱদেৱ আহি তাঁতীকুছি পালে।

মাধৱদেৱে বৰপেটালৈ আহি তাত হাটীঘৰ, নামঘৰ আদি সজাই সত্ৰ পাতিলে। চাৰিওফালৰ পৰা অনেক লোক আহি ভক্তি-ধৰ্ম ধৰিলে। থানৰ হাটী ছকুৰি ভকতৰে পূৰ্ণ হ'ল। প্ৰভাত কালত ভকতনী বা আইসকলে নাম-প্ৰসংগ কৰা প্ৰথা প্ৰচলিত হ'ল। দুই প্ৰসংগৰ সময়ত কীৰ্ত্তন ঘৰত ভাগৱত পাঠ আৰু ব্যাখ্যাৰ নিয়ম কৰা হ'ল, যিবোৰ প্ৰথা বৰপেটা কীৰ্ত্তন ঘৰত আজিও প্ৰচলিত হৈ আছে। ইয়াত মাধৱদেৱে ঝুমুৰা আৰু দধিমথন নাট ৰচনা কৰি সেই দুই ভাওনা প্ৰথমতে কৰে। শ্ৰীকৃষ্ণৰ আন আন বাল্যলীলাৰ বহু গীতো তাতে ৰচনা কৰে। ইয়াৰ পৰাই গুৰুজনে বৰক্ষেত্ৰী, দক্ষিণপাৰ, মালাচা আদি ঠাইলৈকো গৈছিল, ভক্তবৃন্দৰ অনুৰোধত তাত নাম-ধৰ্মৰ বাণী প্ৰচাৰ কৰিবলৈ।

বৰপেটা থানত গুৰুজনৰ এটি সুন্দৰ ৰঙ্গিয়াল ঘৰ সাজিবৰ মন গ'ল। তেওঁৰ ইচ্ছাৰ কথা ভক্তসকলক জনোৱাৰ লগে লগে বেত, বাঁহ, কাঠ, পাট, কৰা, খুটা, চতি আদি যোগাৰ হৈ গ'ল। সূতাৰ চিত্ৰকাৰসকলক অনা হ'ল। ঠাই পৰিষ্কাৰ কৰি ভেটি বন্ধোৱা হ'ল। হেঙ্গুল, হৰিতাল আদিৰ ৰহণ, সোণ-ৰূপৰ ৰহণ আদি প্ৰস্তুত কৰি চতি, মাৰলি আদিত বিচিত্ৰ কৰি লগোৱা হ'ল। ঘৰৰ চালত মাধৱদেৱে নিজে পঞ্চমুখী গাঁঠি এটা দিলে আৰু ঠাকুৰআতাই চৰাইনখীয়া গাঁঠি এটা দিলে। বাঢ়ৈয়ে চতিত লতা-ফুল কাটিলত, মাধৱদেৱে বাঢ়ৈক ক'লে, "তুমি যেনেকৈ লতা কাটিলা, সেইদৰে মই ঘোষা এটা ৰচনা কৰোঁ।" এই বুলি তেওঁ লতা-বন্ধ ঘোষা কৰি গালত সকলোৱে পুলকিত হ'ল। ৰঙ্গিয়াল গৃহ প্ৰস্তুত হোৱা সংক্ৰান্তত গুৰুজনে শ্ৰীৰাম চৰিত্ৰ সংকলন কৰি ভাওনা উৎসৱ পাতিলে।

বৰপেটা থানত গুৰুজনে ভক্তি-ধৰ্ম প্ৰচাৰ কৰি আছে, এনেতে এটা ঘটনা ঘটিল। অসুৰাৰি ভট্টাচাৰ্য্য নামৰ এজন ব্ৰাহ্মণৰ পুত্ৰই শান্তিপুৰত শাস্ত্ৰ পঢ়ি আহি বিদ্যাভিমানী হৈ গৰ্বত ওফন্দি ফুৰিছিল। এদিন তেওঁ মাধৱদেৱৰ ওচৰলৈ শাস্ত্ৰৰ বিষয়ে তৰ্ক কৰিবলৈ আহিল। ডেকা পণ্ডিতে ক'লে যে মনুষ্য জন্মত শিৱ, ব্ৰহ্মা, দেৱ-দেৱী সকলোকে পূজা কৰিব লাগে। মাধৱদেৱে বেদান্তৰ পৰা ব্ৰহ্ম নিৰূপণৰ শ্লোক উদ্ধাৰ কৰি তেওঁক বুজালে যে ব্ৰহ্মা হৰকে প্ৰমুখ্যে কৰি সকলো দেৱ-দেৱী প্ৰকৃতত জাত হৈছে আৰু এওঁলোকে প্ৰকৃতি আশ্ৰয় কৰি থাকে। যিয়ে জাত হয় তাৰ বিনাশ অৱশ্যম্ভাৱী। কেৱল পৰমব্ৰহ্ম পুৰুষ নিত্য। ডেকা পণ্ডিত অধোমুখ হৈ উভতি গ'ল।

**ৰাজবন্দী**

পণ্ডিতৰ পিতৃ অসুৰাৰিয়ে পুতেকৰপৰা এই কথা শুনি আসুৰিক পন্থা ল'লে। তেওঁ মাধৱদেৱক মৌখিকভাবে সমাদৰ দেখুৱাই তেওঁৰ বঙ্গিয়াল গৃহ আদি চালে। তেওঁৰ অনুৰোধত গুৰুজনে তেওঁক ভকতৰ ল'ৰাৰ হতুৱাই ছালিনাচ, ঝুমুৰা নাচ আদি দেখুৱালে। তেওঁ সেইবোৰ দেখি শুনি গৈ পুতেক আৰু আন কেইজনমান ব্ৰাহ্মণক লগত লৈ বিজয়পুৰলৈ গৈ ৰজা ৰঘুদেৱৰ আগত গোচৰ দিলে যে "মাধৱ নামৰ শূদ্ৰ এজনে ধৰ্মপ্ৰচাৰৰ চেলু লৈ লোকৰ মাজত অনাচাৰ প্ৰচাৰ কৰিছে। মাধৱে বেদ নামানে, বেদবিহিত সকলো কাৰ্য্যকে পৰিহাৰ কৰিছে, সোণ-ৰূপেৰে ঘৰ এটা সজাই কপট আচাৰেৰে লোকক ভুলাবলৈ তাত যুৱতী নৰ্তকীসকলৰ হতুৱাই নাচ গান কৰায়। ইফালে নিজক তেওঁ উদাসীন বুলি প্ৰকাশ কৰে। তেওঁৰে সৈতে শাস্ত্ৰৰ বাদ কৰিবলৈ গ'লে, তেওঁ আচল কথাৰ উত্তৰ নিদি আন কথা কয়। গতিকে তেওঁক ধৰাই আনি এই কথাৰ বিচাৰ কৰাব লাগে। চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱে এই কথা শুনি খং কৰি তেতিয়াই সুৰানন্দ নামৰ ৰাজবিষয়া এজন পঠিয়াই মাধৱদেৱক ধৰাই নিয়ালে।

মাধৱদেৱ বিজয়পুৰত বন্দী। ইফালে বাদী ব্ৰাহ্মণসকলে আলচ কৰিবলৈ ধৰিলে কিদৰে মাধৱদেৱক তৰ্কত পৰাস্ত কৰি ৰজাৰ হতুৱাই শাস্তি দিয়াব পাৰি। কিন্তু কেইজনমান ব্ৰাহ্মণে ক'লে যে, "পূৰ্বে নৰনাৰায়ণ ৰজাৰ সভাত মাধৱৰ গুৰু শঙ্কৰেৰে সৈতে ব্ৰাহ্মণসকলে বাদ কৰি বাদত হাৰিলত ৰজাই তেওঁলোকক লঘু কৰি খেদিলে, এতিয়াও আমি বাদ কৰাৰ আগেয়ে মাধৱৰ বিদ্যাৰ জোখ কিমান বুজি লোৱা যাওক ; এতেকে জনচেৰেক ওজা ছাত্ৰক মাধৱৰ ওচৰলৈ পঠিয়াই দিয়া যাওক, সিহঁতে দুই চাৰি প্ৰশ্ন কৰি চাওক।" সেইমতে জনচেৰেক ওজা ছাত্ৰ মাধৱৰ ওচৰলৈ গ'ল। কিন্তু তেওঁলোকে ফিৰি আহি মাধৱৰ পাণ্ডিত্যৰ যি বৰ্ণনা দিলে তেতিয়া বাদীসকলে পৃষ্ঠভংগ দিয়াকে থিৰ কৰিলে। বাগ ভট্টাচাৰ্য্য নামৰ এজনে বাদীসকলৰ হৈ ৰজাকক'লে যে তেওঁলোকে এইজন মাধৱক ধৰি আনিব কোৱা নাছিল। তেওঁলোকে খনাৰ মাধৱ বুলিহে এজনক আনিব কৈছিল। মাধৱদেৱক তেওঁ মহা ধাৰ্মিক আৰু সদাচাৰী ভকত বুলিও ৰজাৰ আগত প্ৰশংসা কৰিলে। ব্ৰাহ্মণে যেতিয়া এই কথা কৈছিল ৰজাই তেতিয়া গা ধুই আছিল। ৰজাৰ খঙে চুলিৰ আগ পালে। তেওঁ তেওঁৰ হাতৰ পানীৰ কলহটো ভট্টাচাৰ্য্যৰ গালে মাৰি পঠিয়াই ক'লে, "আগেয়ে তোমালোকে মোক মাধৱ অনাচাৰী বুলি ক'লা, এতিয়া আকৌ সদাচাৰী বুলি কৈছা। তোমালোকৰ শিঙ্গায়েই কয় ধৰ ধৰ ; আকৌ ঘূৰি তোমালোকৰ শিঙ্গায়েই এতিয়া কয় এৰ এৰ।"

মাধৱদেৱক ৰজাই মুক্তি দিলে আৰু আদৰ সাদৰ কৰি খেল নাওত তুলি পঠিয়াই দিলে। বাটতে ৰামচৰণৰ নাও পাই মাধৱে ৰজাৰ নাৱৰ পৰা ভাগিনৰ নাৱত

উঠিল। উৰ্বশী আই তেওঁৰ বিষয়ে খুব চিন্তান্বিত বুলি শুনি তেওঁ পোনে পোনে সুন্দৰীদিয়ালৈ গ'ল আৰু তাত কিছুদিন থাকিল। এই সময়খিনিতে এজন ইছলামধৰ্মী মানুহে গুৰুজনাৰ পৰা নামধৰ্মত শৰণ ল'লে। তেৱেঁই প্ৰখ্যাত জয়হৰি আতৈ। পূৰ্বে চান্দসাইকও মহাপুৰুষ শঙ্কৰদেৱে এইদৰে শৰণ দিছিল। চান্দসাইক গুৰুজনে পাটবাউসী থানত থাপিছিল। জয়হৰি আতৈক বৰপেটা সত্ৰলৈ পঠোৱা হ'ল।

ৰঘুদেৱ ৰজাৰ হাতত লাঞ্ছিত হ'বৰ পৰা মাধৱদেৱৰ মন ভাগি গৈছিল। তেওঁৰ মনত পৰিছিল তেওঁৰ গুৰুৱে বেহাৰ ৰাজ্যলৈ গৈ তাত শেষ নিশ্বাস ত্যাগ কৰা কথা। তেৰোঁ সেয়ে বেহাৰলৈ যাবলৈ সিদ্ধান্ত ল'লে। কিন্তু ভক্তসকলৰ অনুৰোধত আৰু ৰজাৰ পৰোক্ষ আদেশত গৈ হাজোত থাকিবলগীয়া হৈছিল কিছুদিন। তেওঁৰ নাম শুনি চাৰিওফালৰ মানুহ আহি ভৰি পৰিবলৈ ধৰিলে। মানুহে দ্ৰব্যবস্তু ভাৰ-ভেটী সকলো তেওঁৰ ওচৰলৈ লৈ আহে, মন্দিৰলৈ কোনোৱে যাব নোখোজে। এই অবস্থা দেখি হাজোৰ ব্ৰাহ্মণ পাণ্ডাসকলৰ ভৱিষ্যত আয়ৰ পথ বন্ধ হোৱাৰ ভয়ত ৰজাৰ ওচৰলৈ গৈ গোচৰ দিলে। ৰজাই পাণ্ডাসকলক উত্তৰ দিলে, "জীয়া মাধৱে সকলোকে টানি আনে, তোমাৰ মাধৱে তাত বাধা নিদিয়ে কিয়? কাৰণ তোমাব মাধৱ মৰা। তথাপি তোমালোকে গৈ মাধৱক ক'ব পাৰা তেওঁ মোৰ ৰাজ্যৰ আন আন যি দেৱালয় আছে য'তে ইচ্ছা থাকিব পাৰে।" এই কথা পাণ্ডাসকলে গৈ ৰজাৰ আদেশ বুলি গুৰুজনাক জনোৱাত তেওঁ আনন্দমনেৰে তাৰ পিছদিনা হাজো ত্যাগ কৰি নীলাচললৈ গ'ল। তাৰ পৰা নাৱেৰে ভটীয়াই গৈ থাকিল। হাজোৰ বালি পাই ঠাকুৰ আতা ৰামচৰণক তেওঁলোকৰ ঘৰলৈ পঠিয়াই দিলে।

## বৰপেটা বিদায়

বেহাৰৰ লক্ষ্মীনাৰায়ণ ৰজাৰ মাতৃ আইধায়ে মাধৱদেৱৰ প্ৰতি ৰঘুৰজাৰ বিচেষ্টাৰ কথা শুনি খেদ কৰি সাত সতৰীয়াৰ হতুৱাই কাকুতি-মিনতি কৰি তেওঁক বেহাৰ ৰাজ্যলৈ মাতি পঠালে। মাধৱদেৱ তালৈ যাবলৈ দৃঢ় সংকল্প হ'ল। তেওঁ ভটীয়াই গৈ গজিয়াৰ ঘাট পাই তাতে নাও ৰখাই ঠাকুৰ আতা, বুঢ়া আতা, গোপাল আতা, ৰামচৰণ ঠাকুৰ আৰু আন ভক্তসকলক খবৰ দিয়ালে যাতে তেওঁলোকে মন্দিয়াৰ ঘাটত গৈ তেওঁৰ লগ পায়। সকলো ভকত উধাতু খাই লৰি আহিল। ঠাকুৰ আতাই সখিয়েকৰ গলত ধৰি কান্দিবলৈ ধৰিলে। তেওঁ সকলোকে গাই প্ৰতি সম্ভাষণ জনাই কুশল বাতৰি সুধি তেওঁৰ বেহাৰ যাত্ৰাৰ কথা উত্থাপন কৰিলে। তেওঁ ৰামচৰণক সম্বোধি ক'লে, " বাপু তোৰ পিতা বৃদ্ধ, তেওঁক এৰি এতিয়া তই মোৰ লগত যাব নালাগে। তোৰ পিতৃৰ সেৱা কৰি ঘৰতে থাক। তই এটা কাম কৰিবি। শ্ৰীশঙ্কৰ গুৰুৱে কীৰ্ত্তন ঘোষা কৰিলে কিন্তু সি ছোৱা ছোৱা হৈ ঠায়ে ঠায়ে থাকিল। এতেকে তই সকলোবোৰ গোটাই এক ঠাই কৰি এবছৰৰ মূৰত মোৰ

ওচৰলৈ লৈ যাবি।" তেওঁ বুঢ়া আতাক সম্বোধি ক'লে, "মথুৰাদাস, তুমি বৰপেটা থানলৈ যোৱা, তাত ভকতক প্ৰতিপাল কৰি বন্তিগছ জ্বলাই থাকিবা।" গোপাল আতাক ক'লে, "গোপাল, তুমি সেৱকসকলক প্ৰতিপাল কৰি থাকিবা।" ঠাকুৰ আতাক বুকুত সাৱটি লৈ ক'লে, "সখি, তুমি মোক সদায় পাবা, তোমাৰ মোৰ বিচ্ছেদ নাই।" "ৰামচৰণ আৰু ঠাকুৰ আতাৰ পুত্ৰ পৰমানন্দৰ মূৰ শুঙি আশীৰ্বাদ কৰি নাও ভটিয়াই দিলে। সকলো ভকত এটি হৃদয় বিদাৰক দৃশ্যৰ নিৰ্বাক সাক্ষী হৈ ঘৰাঘৰি গ'ল। লগত গ'ল কেৱল শ্ৰীৰাম আতা, মাধৱৰ একান্ত ভকত।

আইধায়ে পুত্ৰক কৈ দলৈৰ মাটি লৈ ভেলাদুৱাৰত মাধৱদেৱলৈ হাটী-বাটী, নামঘৰ আদি প্ৰস্তুত কৰি দিয়ালত গুৰুজন তাত সত্ৰ পাতি থাকিল। ৰাজকোঁৱৰ বীৰনাৰায়ণ আৰু ৰাজমাও আদি কৰি ৰাজ অন্তঃপুৰৰ সকলোৱে মাধৱদেৱৰ গুণ-গৰিমাৰ সম্ভেদ পাই ভক্তিভাৱে আহি তেওঁত শৰণ ল'লে। বিজয়পুৰৰ পৰা হৰিকৃষ্ণ আৰু হৰিদাস বনিয়া আহি গুৰুজনৰ সেৱা-শুশ্ৰূষাৰ ভাৰ ল'লে। কোচবিহাৰৰ অসংখ্য লোক আহি তেওঁৰ শৰণ ল'বলৈ ধৰিলে। ৰজা লক্ষ্মীনাৰায়ণেও তেওঁলৈ যথেষ্ট সমাদৰ দেখুৱালে।

এদিন হঠাৎ জুই লাগি বৰপেটা সত্ৰৰ ৰঙ্গিয়াল গৃহটি ভস্মীভূত হ'ল। মথুৰাদাস বুঢ়া আতাই এই ঘটনাত মৰ্মান্তিক বেজাৰ পাই, গুৰুজনাৰ পাশত গৈ ভেলাতে থাকিবলৈ মন স্থিৰ কৰি পশ্চিমলৈ যাত্ৰা কৰিলে। বুঢ়া আতাই তেওঁৰ ওঠৰ পালীৰ সৈতে বাটে বাটে হৰিকীৰ্ত্তন কৰি গৈ থাকিল। যেতিয়া দলটো ভেলাদুৱাৰ পালে গুৰুজনে যদুমণি ভঁৰাল আতৈৰ হতুৱাই গুৱা-পাণ আগবঢ়ালে, বৰপেটা থানৰ বাতৰি সুধিলে, সখি নাৰায়ণদাস, গোপাল আতা আৰু আন আন ভকতবৃন্দৰ কুশল সুধিলে। সকলো কথা বিৱৰি কৈ বুঢ়া আতাই কীৰ্ত্তনঘৰ পুৰি যোৱাৰ বাৰ্ত্তা দিলত সকলো ম্ৰিয়মান হ'ল। মাধৱদেৱে সুধিলে, "থানত বন্তিগছি জ্বলি আছেনে?" বুঢ়া আতাই উত্তৰ দিলে, "বাপ, ঘৰটি পোৰাৰ পিছত শ্ৰীচৰণৰ দাসীয়ে ভেটিটিৰ ওপৰত ছাইসোপা গোটাই তাৰ ওপৰত চৈ দি তাতে বন্তি এগছ জ্বলাই বুঢ়ীসকলেৰে সৈতে তিনি প্ৰসঙ্গ কৰি আছে।" এই কথা শুনি মাধৱদেৱ পৰম আনন্দিত হৈ বুঢ়া আতাৰ স্ত্ৰীক প্ৰশংসা কৰিবলৈ ধৰিলে।

হাজাৰি-ঘোষা শাস্ত্ৰখন বৰপেটা থানত আছিল। ৰঙ্গিয়াল ঘৰ পোৰা শুনি মাধৱদেৱে ভাবিলে যে তেওঁৰ ঘোষা শাস্ত্ৰখনিও পুৰিলে। সেই নিমিত্তে তেওঁ আকৌ নতুনকৈ শাস্ত্ৰখনি কৰিলে।

মথুৰাদাস মাধৱদেৱৰ লগত কিছুদিন থকাৰ পিছত গুৰুজনে তেওঁক বৰপেটালৈ উভতি গৈ পোৰাভেটিত আকৌ বন্তিৰ প্ৰকাশ কৰিবলৈ আজ্ঞা শুনালে। বুঢ়াআতাই ক'লে, "বাপ, বৰপেটাত আৰু কি আছে যে এই দাস তালৈ উভতি আছে

যাব। আপুনি শুচি আহিল, তাত আৰু কোনে কি দিব যে বস্তি জ্বলিব।" এই কথা শুনি মাধৱদেৱে যদুমণিৰ হতুৱাই ভাণ্ডাৰৰ দুখনি বস্ত্ৰ আৰু দুটি নাগেৰী টকা আনি বুঢ়া আতাৰ হাতত দিলে। বুঢ়া আতাই সেৱা কৰিলত মাধৱদেৱে পাঁচ বৰণীয়া মালা আৰু দোপাতি কাপোৰ তেওঁৰ মূৰত দি আশীৰ্বাদ কৰি ক'লে, "মথুৰাদাস, তোমাক আজিৰপৰা বৰপেটা থানৰ অধিকাৰ পাতিলোঁ। এই দুটি টকা মই তোমাক কৰ দিলোঁ ; সকলো সেৱকে এই কথা শুনি তোমাক কৰ দিব। বৰপেটা থান মোৰ মথুৰানগৰ, তাৰ তোমাক মই যুৱৰাজ পাতিলোঁ। শুনা মথুৰাদাস, তোমাক কওঁ পৰশুকুশুৰপৰা বৰনদীলৈকে সীমা কৰি এই ঠাইডোখৰ এখন শ্ৰেষ্ঠ পুৰুষৰ নিমিত্তে থলোঁ। বৰনদীৰপৰা সোণকোঁহলৈকে এইডোখৰ মাজৰ ৰাজ্য তোমাক দিলোঁ। সোণকোঁহৰপৰা কৰতোয়া নদীলৈকে এইডোখৰ মই বুঢ়াগোটৰ নিমিত্তে ৰাখিলোঁ।" এই কথাৰ পিছত মাধৱদেৱে মথুৰাদাস আতাক ঘোষা কীৰ্তন কৰিবলৈ আজ্ঞা দিলে। বুঢ়া আতাই ওঠৰ পালীৰে সৈতে ঘোষা কীৰ্ত্তন কৰিলে। সেই কীৰ্ত্তনত বুঢ়া আতাই তিনিটা নতুন ঘোষা যোগ দি গোৱা শুনি মাধৱদেৱে সুধিলে, "এই তিনিটি ঘোষা মই কৰা মনত নপৰে।" মথুৰাদাসে, "বাপ, এই তিনিটি মোৰ ৰচনা।" আপোনাৰ উদ্দেশ্য কৰি কৰা হৈছে। এতেকে বাপ আপুনি প্ৰসন্ন হৈ দাসৰ প্ৰতি কৃপা কৰক।" ঘোষা তিনিটি,

"ৰামচন্দ্ৰ স্বৰ্গে চলি গৈলা।
অযোধ্যা নগৰী শূন্য ভৈলা।।
মাধৱক দৰশন পাইলো।
আনন্দ কৰি হৰি গুণ গাইলোঁ।।
মাধৱ বান্ধৱ দেৱ হৰি।
কৰা কৃপা দোষ ক্ষমা কৰি।।"

মাধৱদেৱে বুঢ়া আতাক প্ৰশংসা কৰি ঘোষা তিনিটি নিজৰ ঘোষাৰ অন্তৰ্গত কৰি ল'লে। মথুৰাদাস বৰপেটালৈ উভতি গ'ল।

গুৰুজনে আজ্ঞা কৰি যোৱা মতে ৰামচৰণ ঠাকুৰে ঠায়ে ঠায়ে ছেৰা ছেৰা হৈ থকা কীৰ্ত্তন-ঘোষা পুথিখন গোটাই এক কৰি বেহাৰলৈ মোমায়েকক দিব'ল বুলি যাত্ৰা কৰিলে। বাটতে বিজয়পুৰত সোমাওঁতে তাৰ হৰিকৃষ্ণ আতৈয়ে পঢ়িবলৈ বুলি দিনচেৰেকৰ বাবে পুথিখন ৰাখিলে। ৰামচৰণ মাধৱদেৱৰ ওচৰ পালত সবিশেষ বাতৰি সোধপোছ কৰি পুথিখনৰ প্ৰসঙ্গ উলিয়ালে। ৰামচৰণে সেইখন বিজয়নগৰত এৰি অহাৰ কথা কোৱাত চাৰিজন ভকত পথাই পুথিখন আনালে। পুথিখনৰ পূৰ্বাপৰ সকলোখিনি চাই সকলো ঠিকঠাক পাই ৰামচৰণৰ শলাগ ল'লে। তেওঁ আকৌ এবাৰ শাস্ত্ৰখন চাই ৰামচৰণক ক'লে, "বাপু, পুথিখনিত সকলো

কিন্তু ৰুক্মিণীদেৱীৰ প্ৰেমৰ কণাহটো নাই।" ৰামচৰণে সেইখিনি বিচাৰি নোপোৱা বুলি ক'লত মাধৱে ক'লে, "নাপাব পাৰা ; সি যি ঠাইলৈ যাব লাগে গ'ল।"

ইয়াৰ পিছত এদিন ৰামচৰণক গুৰুজনে সুধিলে, "বাপু, তুমি মোৰ লগত থাকিবলৈ ইচ্ছা কৰা নে?" ৰামচৰণে তেওঁৰ পিতৃৰ অতি বৃদ্ধকাল বুলি ক'লত মাধৱদেৱে হাঁহি ভাগিনিয়েকক ক'লে, "তোমাৰ পিতৃ আৰু দহ বছৰ জীয়াই থাকিব। মোৰ লগত তুমি মাত্ৰ আঠ-দহ মাহ থাকিব লাগিব। এই কথা শুনি ৰামচৰণ মোমায়েকৰ লগত থাকিল।

## কোচৰাজ্যত বিচাৰ

বিৰূপাক্ষ কাজী নামৰ এজন ৰাজ কৰ্মচাৰীয়ে মাধৱদেৱৰ গুণমুগ্ধ হৈছিল। তেওঁ সদায় ৰজাৰ আগত মাধৱৰ গুণ বখানিছিল আৰু গুৰুজনাৰ মাজে মাজে ৰাজ সাক্ষাতৰো ব্যৱস্থা কৰিছিল। তেওঁৰ দুজন পুত্ৰই গুৰুজনাৰ পদত শৰণ লৈছিল। এদিন এটা ঘটনা ঘটিল। বিৰূপাক্ষই এদিন ভাত খাওঁতে, তেওঁৰ পুতেক দুজনকো লগত খাবলৈ মাতিলত, পুতেকহঁতে বাপেকক ক'লে, "পিতা, আমি তোমাৰ লগত ভাত খাব নোৱাৰোঁ ; আমি মাধৱদেৱৰ ধৰ্ম ধৰিছোঁ, তুমি ধৰা নাই। এই কথা শুনি বিৰূপাক্ষ খঙত হিতাহিত জ্ঞানশূন্য হ'ল। তেওঁ ক'লে, "দেখা, মাধৱৰ কাৰ্য্য, পিতা পুত্ৰকো বিচ্ছেদ কৰিলে। এতিয়া মই বেছকৈ বুজিলো যে মাধৱ আমাৰ ৰাজ্যত কলিস্বৰূপ হৈ সোমালহি। এই কলিক ইয়াৰ পৰা খেদাব লাগে। তেতিয়াৰ পৰা বিৰূপাক্ষই মাধৱৰ বিৰুদ্ধে সকলো প্ৰকাৰ ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে।

বিৰূপাক্ষই মাধৱৰ শাস্ত্ৰৰ মতবাদেৰে অপদস্ত কৰাৰ মতলব কৰি বঙ্গদেশৰ মাধৱ নামৰ এজন পণ্ডিতক অনালে। তেওঁৰে সৈতে স্থানীয় আৰু কেইবাজনো ব্ৰাহ্মণ পণ্ডিত গোটাই তেওঁলোকৰ সৈতে তৰ্ক কৰি বাদ কৰিবলৈ মাধৱদেৱক নিমন্ত্ৰণ কৰিলে। প্ৰকৃতপক্ষে বঙ্গদেশী মাধৱ আছিল শাস্ত্ৰজ্ঞানহীন কেৱল মুখেৰে পণ্ডিত বোলাই ফুৰা লোক। বিৰূপাক্ষই প্ৰথমে তেওঁলোকৰ হতুৱাই মাধৱদেৱক সোধালে যে মালাত মেৰু আছে নে নাই? মাধৱদেৱে উত্তৰ দিলে, "গীতা, ভাগৱত, বৃহৎ সহস্ৰনাম আদি শাস্ত্ৰসকলত, মালাত মেৰু দিবলৈ নকয়।" "ব্ৰাহ্মণসকলে তন্ত্ৰ-মন্ত্ৰ মাতি মালাত মেৰু দিব লাগে বুলি ক'লে।" মাধৱদেৱে শাস্ত্ৰৰ বচনৰ উদ্ধৃতি দি ক'লে, "যি বীজ মন্ত্ৰ জপ কৰে, সেইজনৰ সেই মালাত মেৰু দিবৰ ব্যৱস্থা আছে, কিন্তু হৰিনামৰ মালা যি ধাৰণ কৰে, সেই মালাত মেৰুৰ কোনো প্ৰয়োজন নাই।" এই বুলি তেওঁ পঞ্চৰাত্ৰ শ্লোকবোৰ সৰ্‌সৰকৈ মাতিবলৈ ধৰিলত, বিৰূপাক্ষ আৰু ব্ৰাহ্মণসকলৰ মুখৰ মাত নোহোৱা হ'ল। ব্ৰাহ্মণসকলে সেই কথাত বলে নোৱাৰি মাধৱদেৱক সুধিলে, "শিৱ, চৈতন্য নে জড়?" মাধৱদেৱে

উত্তৰ দিলে যে শিৱ জড়, চৈতন্য নহয়। এই কথা শুনি ব্ৰাহ্মণসকল গির্জনি মাৰি উঠিল আৰু বিৰূপে ক্ৰোধান্ধ হৈ মাধৱক সুধিলে, "তুমি শিৱক, জড় বুলিলা, বুজাই কোৱা।" মাধৱদেৱে ধীৰভাৱে ক'লে, "শাস্ত্ৰবোৰ বিচাৰি চোৱা, দেখিবা বিশেষকৈ ভাগৱতত প্ৰকট হৈ আছে যে শিৱই বৃকাসুৰৰ ভয়ত তিনিও লোক ঘূৰি পিছত বিষ্ণুৰ প্ৰসাদত সেই আপদৰ হাত সাৰিলে। মোহিনীৰ ৰূপত মুগ্ধ হৈ শিৱই মোহিনীৰ পিছে পিছে দ্বীপ-দ্বীপান্তৰ ঘূৰি ফুৰিছিল। চৈতন্যৰ মায়াই সকলোকে মোহে ; যি মোহিত হৈ ফুৰে তেৱেঁই নিশ্চয় জড়। এতেকে মহেশ, জড় আৰু মাধৱ চৈতন্য ঈশ্বৰ।"

মহেশ জড়, চৈতন্য ঈশ্বৰ নহয় এই কথা শুনি বিৰূপাক্ষ অত্যন্ত ক্ৰোধান্বিত হৈ মাধৱক কুবচন বুলিবলৈ আৰম্ভ কৰিলে। কুতৰ্কী ব্ৰাহ্মণসকলে চেলু চাইহে আছিল। বিৰূৰ কথাত সিহঁতৰ সাহস দুগুণ বাঢ়িল আৰু মাধৱক অকথ্য গালিগালাজ কৰি শাৰীৰিকভাৱে আঘাত কৰিবলৈ অগ্ৰসৰ হ'ল। মাধৱদেৱৰ ভকতসকল তৰ্কসভাত উপস্থিত নাছিল। তেওঁৰ লগত কেৱল অচ্যুত গুৰু আৰু ৰামচৰণ ঠাকুৰহে আছিল। ৰামচৰণে বিৰূৰ আৰু ব্ৰাহ্মণসকলৰ উত্তগুলি সহ্য কৰিব নোৱাৰিলে। তেওঁ কঁকালত কাপোৰ বান্ধি থিয় হৈ আগবাঢ়ি গৈ ক'বলৈ ধৰিলে, "আহ, তহঁতৰ কাৰ সাহ আছে। শাস্ত্ৰৰ কথা একো নাজান, পৰম অজ্ঞানী তহঁত। শাস্ত্ৰৰ তৰ্কেৰে বলে নোৱাৰি মিছাই ফক্‌ফকাই উঠিছ।" ৰামচৰণ ঠাকুৰৰ তেনে মূৰ্তি দেখি ব্ৰাহ্মণসকল পলাল। বিৰূপাক্ষ হতাশ হৈ ওলাই গ'ল।

পিছদিনা আইধায়ে এই ঘটনাৰ কথা শুনি ৰজাৰ আগত বিৰূপাক্ষৰ বিৰুদ্ধে অভিযোগ আনিলে। ৰজাই কাজীক মতাই আনি খণ্ডকৈ সুধিলে, "বিৰূ, তই সদায় মাধৱক ভাল বুলি কৱ, এতিয়া কিয় তেওঁৰ বিপক্ষে চল ? বিৰূপাক্ষই ৰজাক ক'লে, মহাৰাজ, গোটেইখন দেশ মাধৱে নাশ কৰিলে। মাধৱৰ উপদেশ শুনি লোক অনাচাৰী হ'ল। মাধৱে পিতা-পুত্ৰৰ ভিতৰত ভেদ উপস্থিত কৰি বিচ্ছেদ ঘটাব লাগিছে।" ৰজাই ক'লে, "তই মাধৱক বহুদিন পালি এতিয়াহে বেয়া বুলি জানিলি ?" তাৰ পিছত বিৰূপাক্ষৰ মাধৱৰ বিপক্ষে ইমান আক্ৰোশৰ কাৰণ কি সেইটো বুজ লোৱাৰ অভিপ্ৰায়ে তেওঁক ৰাজসভালৈ মাতি আনিলে। পশ্চিমৰ তিনিজন পণ্ডিত তেওঁৰ ৰাজ্যতে আছিল। তেওঁলোকক ৰজাই মতাই আনি, সমাৰোহ কৰি সভা পাতি তেওঁলোকক ক'লে, "এওঁ অসমৰ এজন মহাজন। এওঁৰ সৈতে তোমালোকে আলাপ আৰু বিচাৰ কৰা। এওঁ শৰৎ কালৰ দেৱী পূজা নকৰে। বিষ্ণুৰ বাহিৰে আন দেৱতাৰ পূজা নকৰে।"

পণ্ডিতসকলে মাধৱদেৱৰ আন দেৱতাৰ পূজা নকৰাৰ কাৰণ সুধিলত মাধৱদেৱে উত্তৰ দিলে, "গতাগত ভোগ বাঞ্ছা যি কৰে তেওঁৰহে আন দেৱ-দেৱী পূজা কৰিবৰ আৱশ্যক হয়। একশৰণ হৈ কৃষ্ণক ভক্তি কৰোঁতাজনৰ হৰি বিনে আন

মুক্তিদাতা নাই। যত দেব-দেবী হৰিৰ বিভূতি মাত্ৰ। হৰিৰ আজ্ঞাত সেইসকলে সৃজন সংহাৰ কৰে, অচৈতন্য দেৱতাসকলৰ উৎপত্তি একমাত্ৰ চৈতন্য হৰিত। হৰিৰ মায়া বিভৱৰ পৰিচ্ছেদ নাই। সকলো দেব-দেবী ঈশ্বৰৰ পৰা পৃথক। কৃষ্ণৰ বাহিৰে দেৱতাৰ চিদাংশ নাই। ব্ৰহ্মা, ৰুদ্ৰ মায়াৰ প্ৰভাৱত অভিভূত। দেৱতাসকলে জড় ৰূপে কৰ্ম কৰি থাকে আৰু সেৱকসকলক ভোগ-ঐশ্চৰ্য্য দিয়ে। জড়ক পূজিলে মুক্তিলাভ নহয়। এই কথাৰ প্ৰমাণ মুচুকুণ্ডৰ বচনত আছে আৰু ভাগৱতৰ বেদস্তুতিত আছে।" পশ্চিমীয়া পণ্ডিতসকল মাধৱৰ শাস্ত্ৰজ্ঞানৰ গভীৰতাত অভিভূত হ'ল। তেওঁলোকে মাধৱক ধন্য ধন্য বুলি প্ৰশংসা কৰিবলৈ ধৰিলে। তেওঁলোকে ৰজাক ক'লে, "মহাৰাজ, মাধৱৰ মত সৰ্ব্ব বেদ-বেদান্তৰ ৰহস্য। আমি শুনি মানিবলৈ বাধ্য হ'লো।" ৰজাই তেতিয়া বিৰুক বহু তিৰস্কাৰ কৰিলে। বিৰুয়ে ক'লে, " মই কোচ মেচ অন্ত্যজন, মই কি জানো ; বামুণে যিহকে ক'লে তাকে শুনিছিলোঁ।"

ৰজাই আদেশ দিলে, "এই বামুণবিলাকক দূৰ কৰি দেগৈ। আৰু যেন সিহঁতে মোৰ নগৰৰ ভিতৰলৈ নাহে।" ৰজাই আৰু ক'লে, "মাধৱৰ মত কেনে বিচক্ষণ। এই পথৰ বাহিৰে জীৱৰ তৰণৰ সুগম পথ নাই। আজিৰ পৰা মোৰ ৰাজ্যৰ সকলো লোক মাধৱৰ মতে চলক। মোৰ ৰাজ্যত যত সন্ত সাধু সন্যাসী আছে সকলোৰে ওপৰত মই মাধৱক ধৰ্মৰ ৰজা পাতিলোঁ।" এই বুলি ৰজাই গন্ধ চন্দন আনি মাধৱদেৱক দি সন্মান কৰিলে। আইধায়ে মাধৱৰ জয়জয়কাৰ শুনি পৰম আনন্দ লাভ কৰিলে। ৰাজ্যৰ সকলো প্ৰজা পুলকিত হ'ল। মাধৱৰ যশৰাশি বেহাৰৰ চতুৰ্দিশে ব্যাপ্ত হৈ পৰিল। নানা ঠাইৰপৰা সন্যাসী, বৰাগী, সাধু, মহন্ত আহি তেওঁৰ লগত শাস্ত্ৰালাপ কৰিবলৈ ধৰিলে। বহুলোকে আহি তেওঁৰ ওচৰত শৰণ ল'লে। মাধৱৰ দিগ্বিজয় অভিযান সফল হ'ল, বেহাৰ ৰাজ্যৰ তেওঁ মুকুটমণি স্বৰূপ হ'ল।

## মাধৱদেৱৰ শেহতীয়া শিষ্য শ্ৰীশ্ৰী পদ্মআতা বা বদলা আতা

প্ৰাচীন বিদৰ্ভ ৰাজ্যৰ ৰাজধানী সুবিখ্যাত কুণ্ডিল নগৰীয়েই পদ্ম আতাৰ পূৰ্বপুৰুষসকলৰ আদি বাসস্থান আছিল। এসময়ত দেশত বিভ্ৰাটঘটাত পৰিয়ালটো তাৰপৰা আহি বৰ্তমানৰ লক্ষীমপুৰ জিলাৰ বৰ নাৰায়ণপুৰ অঞ্চলৰ সক্ৰাহি বা সাওকুচি গাঁৱত বসতি আৰম্ভ কৰে।

পদ্মআতাৰ পিতৃৰ নাম আছিল তিতা চোমদাৰ আৰু মাকৰ নাম সত্যা। তেওঁৰ শঙ্কৰদাস নামে এজন ককায়েক আৰু বহুৰমা নামৰ এজনী বায়েক আছিল। তেওঁৰ জন্ম শক সম্বন্ধে কোনো চৰিত পুথিতে কোনো তথ্য নাই। তেওঁৰ গাৰ বৰণ পদুম ফুলৰ দৰে বগা আছিল বাবে পদ্ম নাম ৰখা হৈছিল। তেওঁ ঢলপুৰৰ এখন প্ৰাথমিক

বিদ্যালয়ত শিক্ষা লাভ কৰিছিল। অলপ দিনৰ ভিতৰতে শিক্ষণীয় সকলো বিষয়তে তেওঁ পাৰদৰ্শিতা দেখুৱাইছিল। ঘৰৰ অৱস্থা ভাল নাছিল কাৰণে তেওঁ ঘৰুৱা কাম-বনৰ উপৰিও গৰখীয়াৰ কামো কৰিব লগা হৈছিল।

এবাৰ তেওঁলোকৰ গাঁও দফলাবিলাকে আক্ৰমণ কৰাত গাঁৱৰ মানুহবে সৈতে তেৱোঁ যুঁজলৈ যা হ্লগীয়া হৈছিল। এই যুদ্ধত শ শ গৰু-ম'হ মানুহ আদিৰ মৃতদেহৰ নিকৰুণ দৃশ্য আৰু পতি-পুত্ৰহাৰা নাৰীৰ কান্দোনৰ ধ্বনিয়ে তেওঁৰ অন্তৰ বিষাদগ্ৰস্ত কৰি পেলালে। সৰুৰেপৰা তেওঁ উদাসীন ভাবৰ মানুহ আছিল। এই ঘটনাৰ পিছত তেওঁ সংসাৰৰ সকলোকে অসাৰ আৰু অনিত্য বুলি ভাবি পৰমেশ্বৰকে একমাত্ৰ নিত্য বস্তু বুলি ধৰি ল'লে আৰু গৃহ-কৰ্মৰ প্ৰতি অনাসক্ত হৈ উঠিল। তেওঁৰ মতিগতি দেখি ককায়েক আৰু বৌয়েকে এজনী ধুনীয়া ছোৱালীৰ লগত তেওঁৰ বিয়া পাতি দিলে। কিন্তু ভাৰ্য্যাৰ প্ৰতি তেওঁ সমূলি আসক্ত নহ'ল। মুখ চন্দ্ৰিকাতেই দম্পতিৰ দৰ্শনৰ সামৰণি পৰিল। তেওঁ ৰামৰমীয়া বৰাগীসকলৰ সৈতে হৰিনাম গাই ফুৰিবলৈ ধৰিলে। ককায়েকে তেওঁক বহুত বুজাই মেলি মন ঘিৰাবলৈ চেষ্টা কৰি বিফল হৈ ঘৰৰ পৰা খেদি দিলে। তেওঁ ইঠাই সিঠাই কৰি কহু ঠাইত থাকিবলৈ ল'লে। কিন্তু ককায়েকে সদায় তেওঁৰ ওপৰতে অত্যাচাৰ চলাই থাকিল।

ভাগিনিয়েক জগন্নাথচৰণো আহি তেওঁৰ লগ লাগিল। দিনে দিনে তেওঁৰ বিষয়ত বিৰকতি আৰু হৰিত ভকতি বাঢ়িবলৈ ধৰিলে। ঈশ্বৰৰ নাম গুণ গাই, ঈশ্বৰক ধ্যান কৰি তেওঁ অতি সৎ জীৱন যাপন কৰিবলৈ ল'লে। তেওঁ কাৰোপৰা ধৰ্ম বস্তু গ্ৰহণ নকৰাকৈয়ে ভক্তিভাবত আগবাঢ়ি যাব পাৰিছিল। এই সময়তে তেওঁৰ লগ লাগে বাসুদেৱ বিপ্ৰৰ পুত্ৰ হৰি আতৈ আৰু তেওঁৰ ভায়েক, তেওঁ স্থানীয় সদাশয় লোকৰ সাহায্যত শাস্ত্ৰ পাঠন আৰু অধ্যয়নৰ সুবিধা পালেও প্ৰকৃততে ভাটৌকুছিৰ কেশব চৰণ আতাৰ পৰাহে গুৰুৰ সন্ধান পায় আৰু ধৰ্মবস্তু লভিবলৈ সুযোগ লাভ কৰে। গুৰুৰ সাক্ষাৎ নোহোৱাকৈয়ে গুৰুৰ গুণ-গৰিমা আদিৰ বৰ্ণনা শুনিয়েই তেওঁৰ লগত হৃদয়ৰ সংযোগ ঘটাৰ উদাহৰণ ধৰ্মীয় বুৰঞ্জীত বিৰল।

শ্ৰীমন্ত শঙ্কৰদেৱে পাটবাউসী থানৰ পৰা বেহাৰ ৰাজ্যলৈ শেষ যাত্ৰা কৰোঁতে যিদৰে নিজৰ শক্তি-ভক্তি, বল-পৰাক্ৰম সকলো শ্ৰীশ্ৰীমাধৱদেৱৰ ওপৰত সমৰ্পণ কৰি ধৰ্ম-ৰাজ্য পৰিচালনাৰ ভাৰ দি গৈছিল, ঠিক তেনেদৰে মাধৱদেৱেও জীৱনৰ সন্ধিয়া পৰত, হয়তো তাৰ আগলি বতৰা পায়েই, ভেলাডোবাৰ থানত সুযোগ্য শিষ্যস্বৰূপে শ্ৰীশ্ৰীপদ্ম আতাক পাই তেওঁক অভেদ আত্মা জ্ঞান কৰি নিজৰ দেহৰ বদল দি ধৰ্মাচাৰ্য্য পাতি উজনি ৰাজ্যলৈ পঠাইছিল। এই অভাৱনীয়, অপূৰ্ব বিস্ময়কৰ গাৰ বদল দিয়া কাৰ্য্যৰ নিমিত্তেই তেওঁ পৰৱৰ্তী কালত "বদলা আতা"

নামে অভিহিত হৈছিল। এওঁৱেই বদুলা আতা নামেও প্ৰখ্যাত। বদলা আতাই গুৰু বাক্য ৰক্ষা কৰি ধৰ্ম বিস্তাৰ কৰি থাকোঁতে ৰজাৰ কোপ দৃষ্টিত পৰিব লগা হৈছিল, কিন্তু বিচাৰত জয়লাভ কৰি আকৌ পূৰ্ণোদ্যমে প্ৰচাৰত লাগি আছিল। গুৰুজনাৰ প্ৰতি এওঁৰ ঐকান্তিকতা আৰু পৰম নিষ্ঠা থকাৰ বাবে আজিও চৰ্চ্চনৰ সময়ত এওঁক ভকতসকলে "হৃদয়ৰ বস্তু" বুলি কয়। দূৰদৰ্শী আতাই সমাজ গঠনৰ উদ্দেশ্যে ধৰ্মৰ লগত সামাজিক শিক্ষা সম্বন্ধে দি যোৱা অবদানৰ কথা কেৱে পাহৰিব নোৱাৰে। তেৰাৰ ব্যক্তিত্ব, সাধুতা আৰু অনুপম সংগঠনৰ সামৰ্থ্যৰ ফলত উজনি অসমৰ কেইবাখনো ঠাইত সত্ৰ স্থাপন হৈছে। এই সত্ৰসমূহৰ ভিতৰত উজনিৰ শঙ্কৰী ধৰ্ম, কলা-সংস্কৃতি আদিৰ চৰ্চ্চাৰ প্ৰাণ-কেন্দ্ৰ স্বৰূপ সুবিখ্যাত কমলাবাৰী সত্ৰই সৰ্বপ্ৰধান।

### গুৰুৰ মহাপ্ৰয়াণ

ভেলাডোৱা সত্ৰ বৃন্দাবন সদৃশ হ'ল। হৰিনামৰ ধ্বনি আকাশে-বতাহে বিয়পি গ'ল। পদ্মআতাক গাৰ বদল দি উজনি অসমলৈ পঠোৱা হ'ল। কোচবেহাৰ ৰাজ্য প্ৰাচীন কামৰূপীয় বৈষ্ণৱ সংস্কৃতিৰ অন্তৰ্ভুক্ত হ'ল। শঙ্কৰগুৰুৰ চাৰিদিশে চাৰিৰত্ন প্ৰেৰণ সম্পূৰ্ণ হ'ল, ইয়াৰ পিছত আৰু কি ? কোচ ৰজাই সদায় গুৰুজনাক মতাই নি কৃষ্ণ-যশৰাশি শ্ৰবণ কৰি পৰমানন্দত মজি থাকে। ৰজাই শ্ৰীমন্ত শঙ্কৰদেৱৰ গুণৰাশি শুনি শুনি ভাগৱতী ধৰ্মৰ তাৎপৰ্য্য হৃদয়ঙ্গম কৰি ভক্তিভাৱত বিচলিত হ'ল। ৰজাই মাধৱদেৱৰ ওচৰত প্ৰাৰ্থনা জনালে তেওঁক শৰণ দিবলৈ। গুৰুজনাই ৰজাক মৃদুভাৱে বুজনি দিলে "মহাৰাজ, ৰজাৰ শৰণ নাই। অন্য দেৱ-দেৱী নুপূজিলে ৰজাৰ বিঘিনিৰ আশংকা আছে। পূৰ্বে আপোনাৰ পিতৃ নৰনাৰায়ণ ৰজাক শৰণ নিদিবৰ নিমিত্তেই শ্ৰীশঙ্কৰ গুৰুদেৱ পৃথিৱী এৰি চলিল। এতেকে মই আপোনাক শৰণ লগাব নোৱাৰিম, আপুনি মোক ক্ষমা কৰিব।" ৰজাই অতি বিনয় সহকাৰে ক'লে, "মই আন দেৱ-দেৱী কদাচ পূজা নকৰোঁ ; এতেকে কৃপা কৰি মোক কৃষ্ণদেৱৰ ওচৰত শৰণ কৰাওক।" মাধৱদেৱে মনতে ভাবিলে তেওঁৰ গুৰুৰ নিচিনা তেওঁৰ প্ৰতিও নেদেখাজনৰ এয়া স্পষ্ট নিৰ্দেশ। যি তত্বত তুমি বিশ্বাস স্থাপন কৰিছা সেই বিশ্বাস যি কোনো বস্তুৰ বিনিময়ত ভঙ্গ কৰাতকৈ নশ্বৰ দেহ ত্যাগ কৰা শ্ৰেয়তৰ। লোকক দেখুৱাই ৰজাক ক'লে, "বাৰু আজি যাওঁ, ঈশ্বৰৰ ইচ্ছা হয় যদি আপুনি কাইলৈ শৰণ পাব।" এই বুলি ৰাজসভাৰ পৰা সত্ৰলৈ ৰাওনা হ'ল।

ৰাজপ্ৰাসাদত ৰজাই ব্ৰতে-উপবাসে থাকি শৰণ পৰ্বৰ প্ৰস্তুতি চলাইছে। তেওঁ লভিব জীৱনত কৃষ্ণপ্ৰেমৰ পৰম শান্তি, দেহে লাভ কৰিব পৰম কান্তি। আৰু আনফালে ভেলাডোৱা সত্ৰত চলিছে আৰু এক বিৰাট প্ৰস্তুতি। ৰজাৰ লোক আহিছে

গুৰুক ৰাজপ্ৰাসাদলৈ নিবলৈ। আইধায়ে দোলা পঠিয়াইছে গুৰুৰ যাত্ৰাৰ কাৰণে। গুৰুজনে হৰিবল্লভ আতৈক নিৰ্দেশ দিলে "হৰিবল্লভ, শীঘ্ৰে তুমি নতুন বস্ত্ৰ এখন দিয়া, কমণ্ডলুত জল আনা আৰু আঙ্গিনাত শয্যা পাতা, মাধৱে মুখ প্ৰক্ষালন কৰি নতুন বস্ত্ৰ পৰিধান কৰি শয্যাত বহি যোগাসন কৰি মুখেৰে মাত্ৰ "হৰি হৰি" উচ্চাৰণ কৰিবলৈ ধৰিলে। সেৱকসকলৰ মুখৰ মাত হৰিল। ৰামচৰণ ঠাকুৰে কান্দি মোমায়েকক সাবটি ধৰিলে। চাৰিওফালে হৰিনামৰ গুঞ্জন উঠিল। ১৫১৮ শকৰ ভাদ মাহৰ কৃষ্ণপক্ষৰ পঞ্চমী তিথি বেলা ডেৰ প্ৰহৰত মহাপুৰুষ মাধৱদেৱৰ আত্মা পৰব্ৰহ্মত লীন হৈ গ'ল। মানবী লীলাৰ সম্বৰণ হ'ল। এটি বিৰাট জ্যোতি নিৰ্বাপিত হ'ল। কিন্তু তাৰ জিলিকনি মাৰ নগ'ল।

## সাংস্কৃতিক অবদান

মহাপুৰুষ মাধৱদেৱ তেখাৰ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰিপূৰক আছিল। মাধৱদেৱৰ অবিহনে শঙ্কৰদেৱৰ প্ৰকৃত মূল্যায়ন হয়তো সম্ভৱেই নহ'লহেঁতেন, সেয়ে হ'বলা দুজনা গুৰুৰ অনুগত শিষ্যসকলে সম্বস্বৰে গাইছে,

শঙ্কৰ স্বৰূপে হৰি নিজ অংশে অৱতৰি
ভকতি প্ৰদীপ লগাই থৈলা।
মাধৱ স্বৰূপে আসি তাতে তৈল বত্তি দিয়া
অজ্ঞান আন্ধাৰ দূৰ কৈলা।।

শঙ্কৰ গুৰুৰ ধৰ্মীয় সাহিত্য ৰচনাৰ দৰে মাধৱদেৱেও নামঘোষা, ভক্তি ৰত্নাৱলী, নাম মালিকা, জন্ম ৰহস্য, ৰাজসূয়, আদিকাণ্ড ৰামায়ণ, বিভিন্ন নাট : অৰ্জ্জুন ভঞ্জন, চোৰধৰা, পিম্পৰা গুচোৱা, ভূমি লোটোৱা, ৰাস ঝুমুৰা, কোটোৰা খেলোৱা, ভূষণ হেৰোৱা, ভোজন বেহাৰ, বৰগীত আৰু ভটিমা আদি উচ্চস্তৰৰ গীত ৰচনা কৰে। এই সামগ্ৰিক সাহিত্যৰ ভিতৰত নামঘোষা আৰু ভক্তি-ৰত্নাৱলী আধ্যাত্মিক স্তৰত অতি উচ্চমানৰ সম্ভাৰ। মহাপুৰুষীয়া সম্প্ৰদায়ৰ চাৰিশাস্ত্ৰ— দশম, কীৰ্ত্তন, নাম ঘোষা আৰু ৰত্নাৱলী। চাৰিবেদ সম মৰ্য্যাদাপূৰ্ণ আৰু এই চাৰিপুথিক সেয়ে "ধৰ্মৰ চাৰিখুটি" বুলি আখ্যা দিয়া হয়। শঙ্কৰদেৱে কৈ গৈছে,

শুনিয়া মাধৱ মোৰ থাকিবাৰ থান।
দশম কীৰ্ত্তন মোৰ মূৰ্ত্তিৰ সমান।।
ঘোষা নামে এক শাস্ত্ৰ তুমিও লিখিবা।
ঘোষা ৰত্নাৱলী মাজে তুমিও থাকিবা।।

মাধৱদেৱৰ প্ৰতিভা আছিল বহুমুখী, ধৰ্মপ্ৰচাৰক, সমাজ সংস্কাৰক, নাট্যকাৰ, গীতিকাৰ, কবি, অভিনেতা, শাস্ত্ৰজ্ঞ পণ্ডিত। বাস্তুকলা আদি বিভিন্ন ক্ষেত্ৰত তেওঁৰ

গুণগৰিমাৰ স্বাক্ষৰ তেওঁ থৈ গৈছে, যিয়ে অসমৰ সংস্কৃতিৰ আকাশ উজ্জ্বলকৈ ৰাখিছে। অসমৰ চাৰিখন মুখ্য থান সুন্দৰী দিয়া, বৰপেটা, মধুপুৰ আৰু কমলাবাৰী মাধব পুৰুষৰ ধৰ্ম সংস্কৃতিৰ পীঠস্থান হিচাপে পৰিগণিত। গুৰুজনে বৰপেটা থানত ৰঙ্গিয়াল গৃহ সাজি নাৰায়ণ দাস ঠাকুৰ আতা, ভবানীপুৰীয়া গোপাল আতা, মথুৰাদাস আতাৰ লগলাগি ধৰ্ম সংস্কৃতিৰ পূৰ্ণাহুতি স্বৰূপে কলাসংস্কৃতিৰ কাৰ্য্যসূচীৰ পূৰ্ণ ৰূপ দিয়ে আৰু বদুলা আতাৰ জৰিয়তে সেই সংস্কৃতিৰ বিস্তাৰ ঘটায় উজনি অসমলৈ। বৰপেটা থানতেই ৰচিত হ'ল বৰপেটীয়া ধেমালি প্ৰমুখ্যে খনচেৰেক আপুৰুগীয়া বাদ্য বাজনা, চালিনাচ প্ৰমুখ্যে খনচেৰেক নৃত্য আৰু গীত-মাত আদি কৰি সত্ৰীয়া সংস্কৃতিৰ অমূল্য সম্পদ। কলাকটাত থাকোঁতে ৰচনা কৰা 'কলাকটীয়া ৰামদানি', হাজোত থাকোঁতে ৰচনা কৰা 'হাজোৱলীয়া ৰামদানি', বৰপেটীয়া যতি তাল আৰু অন্যান্য সঙ্গীত, নৃত্য আৰু নাটৰ অমূল্য সম্ভাৰ।

কমলা গায়নে আওৰাবলৈ নিয়া শঙ্কৰদেৱ ৰচিত বাৰকুৰি বৰগীত বনপোৰা জুয়ে পোৰাত গুৰুৰ নিৰ্দেশত মাধবদেৱে ৰচিলে নকুৰি এঘাৰটা (কথা গুৰুচৰিত মতে) বৰগীত। বৰগীত আৰু অংকীয়া গীতৰ ভিতৰত নিবদ্ধ বত্ৰিশটা ৰাগৰ সাতোটা (মতান্তৰে ছটা) ৰাগ গুৰুজনাৰ আপোন সৃষ্টিৰ এক অভিলেখ আৰু ই সৰ্বভাৰতীয় সাঙ্গীতিক কাৰ্য্যক্ৰমৰ লগত সম্পূৰ্ণ মিলে। তেওঁ নাট ৰচনা কৰিয়ে এৰা নাছিল, তাত ভাও লৈ ভাওৰীয়া হিচাপেও ৰাইজক চমৎকৃত কৰিছিল। তেওঁ বৰগীতৰ ৰচনা কৰি তাত সুৰ লয়ৰ সমন্বয় কৰি সুৱদী কণ্ঠেৰে গাইছিলও। কিন্তু তেওঁৰ নাটতে হওক বা গীততে হওক প্ৰাধান্য লাভ কৰিছিল শ্ৰীকৃষ্ণৰ শিশুলীলা। শঙ্কৰদেৱৰ ৰচনাত শ্ৰীকৃষ্ণৰ ৰূপ অতি মানবীয়, কিন্তু মাধবদেৱৰ আনন্দ পৰমব্ৰহ্ম শ্ৰীকৃষ্ণক দুষ্ট মাখনচোৰ ৰূপে সজাই, এজন উৎপতীয়া ৰসপ্ৰিয় বংশীধাৰী, গৰখীয়া বালকৰ অসীম ক্ষমতাৰ নানা তত্ত্ব সমাজৰ সকলো স্তৰৰ মানুহৰ আগত দাঙি ধৰি অন্তৰত সেই প্ৰতিকৃতিৰে ভাগৱত সত্ত্বাৰ বীজ ৰোপণ কৰি। সেয়ে তেওঁ লিখিছিল,

কহয় মাধব বেদকন পৰিহৰা।
গোৱালীৰ ঘৰে গৈয়া ব্ৰহ্ম চিনি ধৰা।।

মাধবদেৱে গুৰুক অনুসৰণ কৰিয়েই বা তেৰাৰ আদেশ মতে ভক্তিপন্থ প্ৰচাৰৰ অৰ্থে লিখনি হাতত লৈছিল, কিন্তু তেওঁৰ নাটেই হওক বা গীতেই হওক বা ভটিমাই হওক তাত তেওঁৰ বৈশিষ্ট্য পূৰ্ণৰূপে বিদ্যমান।

অধ্যাত্ম-চেতনা আৰু কাব্য-সাহিত্য-চেতনা অঙ্গাঙ্গী আৰু সেয়েহে বৈষ্ণৱ সাহিত্যৰ ভিতৰতে মাধবদেৱ ৰচিত 'নামঘোষা' গ্ৰন্থখনিয়ে এক বিশিষ্ট স্থান অধিকাৰ

কৰি আছে। অসমত শঙ্কৰদেৱৰ 'কীৰ্ত্তন ঘোষা'ৰ পিছতে 'নামঘোষা' সৰ্বাধিক জনপ্ৰিয় ধৰ্মগ্ৰন্থ। এই গ্ৰন্থ ইতিপূৰ্বে ইংৰাজী, হিন্দী, বঙলা, পাঞ্জাবী আদি বিভিন্ন ভাষালৈ অনূদিত হৈছে আৰু ইয়াৰ ওপৰত বহুজনে টীকাভাষ্যও ৰচনা কৰিছে। নামঘোষাৰ টীকাভাষ্য ৰচোতা আৰু বিচাৰ বিশ্লেষণ কৰোঁতাসকলৰ ভিতৰত অমৃত ভূষণদেৱ অধিকাৰী, ৰামেশ্বৰ বৰুৱা, বেণুধৰ ৰাজখোৱা, তীৰ্থনাথ গোস্বামী, ডিম্বেশ্বৰ কাকতি, হৰিনাৰায়ণ দত্তবৰুৱা, হৰমোহন দাস, মহেশ্বৰ নেওগ, কৃষ্ণানন্দ ব্ৰহ্মচাৰী, বাপচন্দ্ৰ মহন্ত আদি সকলৰ নাম বিশেষভাৱে উল্লেখযোগ্য। আচাৰ্য্য বিনোবা ভাৱে এবছৰ কাল অসম ভ্ৰমণ কৰা সময়ত দুজনা গুৰুৰ গ্ৰন্থৰাজি অধ্যয়ন কৰি অভিভূত হৈছিল আৰু কীৰ্ত্তন ঘোষা আৰু নামঘোষা পুথিক অমৃতোপম বস্তু বুলি ঘোষণা কৰিছিল। তেওঁ 'নামঘোষা সাৰ' নাম দি ইয়াৰ এটা চমু সংস্কৰণো কৰিছিল আৰু ঘোষাবোৰৰ ব্যাখ্যা লিখি নামঘোষা 'নৱনীত' নামেৰে এখনি গ্ৰন্থও প্ৰণয়ন কৰি গৈছে। আচাৰ্য্য ভাৱেৰ মতে নামঘোষা পৃথিবীৰ সৰ্বশ্ৰেষ্ঠ ধৰ্মগ্ৰন্থ কেইখনৰ এখন।

### পৰম্পৰাৰ বিচাৰত মাধৱদেৱ

মহাপুৰুষ মাধৱদেৱ শ্ৰীমন্ত শঙ্কৰদেৱৰ একনিষ্ঠ সেৱক আছিল আৰু তেওঁ গুৰুক ঈশ্বৰৰূপে ভজনা কৰিছিল, এই কথা আমি আলোচনা কৰি আহিছোঁ। সেই কাৰণেই শঙ্কৰদেৱে মাধৱদেৱক ধৰ্মীয় পৰম্পৰাত তেওঁৰ উত্তৰাধিকাৰী ৰূপে মনোনীত কৰি গৈছিল। এওঁলোকৰ মাজত কোনো প্ৰভেদ নাৰাখি মহাপুৰুষীয়া ভকতসকলে সেয়ে তেওঁলোকক "দুজনা গুৰু" হিচাপে প্ৰতিষ্ঠিত কৰিছে। এওঁলোকৰ ধৰ্মীয় আদৰ্শ যে একে সেই কথাত কোনো দ্বিমত নাই, কিন্তু মূলতত্ত্ব বা লক্ষ্যবস্তু একে হ'লেও তাৰ তাৎপৰ্য্য ব্যাখ্যা বা প্ৰকাশত ব্যক্তি বিশেষৰ কিছু প্ৰভাৱ পৰিলক্ষিত নোহোৱাকৈ নাথাকে। ব্যক্তিবিশেষ, তেওঁৰ আদৰ্শ আৰু ব্যৱস্থা এই তিনিওটাৰ সমন্বয়তহে গুৰুৰ স্বৰূপ নিৰ্ণয় হয়। শঙ্কৰদেৱৰ আদৰ্শ আৰু ব্যৱস্থাৰ ক্ষেত্ৰত যি মুকলি দৃষ্টি আছিল মাধৱদেৱৰ সময়ত তাত কিছু পৰিবৰ্তন বা সংৰক্ষণশীলতা বা কঠোৰতা চকুত নপৰাকৈ নাথাকে। এই নীতি হয়তো পৰম্পৰা ৰক্ষা আৰু ব্যৱস্থাৰ সংগঠনৰ স্বাৰ্থতেই প্ৰয়োজন বুলি অনুভৱ কৰা হৈছিল, কিন্তু ইয়াৰ ফলাফল সম্পূৰ্ণ শুভ বুলি একাষাৰে কোৱা টান।

এই বিষয়ত মাধৱদেৱ আৰু ঠাকুৰ আতাৰ সম্বন্ধৰ কথা আওঁতুলিয়াব পাৰি। ঠাকুৰ আতা মাধৱদেৱৰ পৰম সুহৃদ আছিল, যি সম্বন্ধ গুৰুজনে নিজে নিৰ্দ্ধাৰণ কৰিছিল। ঠাকুৰ আতা সুখে-দুখে, বিপদে-আপদে সদায় সখিয়েকৰ লগত থাকি

তেওঁৰ সাধনাত সৰ্বপ্ৰকাৰে বৰগুণি যোগাইছিল, সেই কথা পূৰ্বতে আলচ কৰি অহা হৈছে। তথাপি সৰুসুৰা কথাতেই মাধৱদেৱে ঠাকুৰ আতাৰ প্ৰতি কটুবাক্য ব্যৱহাৰ কৰা আৰু ৰূঢ় আচৰণ কৰাৰ উদাহৰণো গুৰুচৰিতত পোৱা যায়। অৱশ্যে ঠাকুৰ আতাই সেইবোৰ হাঁহিমুখে গ্ৰহণ কৰিছিল আৰু সেই কাৰণে কোনো সংঘাতৰ পৰিস্থিতি হোৱা নাছিল। কিন্তু মাধৱদেৱৰ প্ৰধান শিষ্য ভৱানীপুৰীয়া গোপাল আতাৰ ক্ষেত্ৰত এনেবোৰ কাৰণতে সংঘাতৰ সৃষ্টি হ'ল আৰু ফলত তেওঁ গুৰুপৰা আঁতৰি গৈ স্বমতত দৃঢ়তা প্ৰকাশ কৰি এটা বেলেগ সম্প্ৰদায় প্ৰতিষ্ঠাৰ হেতু হ'ল।

শঙ্কৰদেৱৰ প্ৰয়াণৰ পিছত মাধৱদেৱ আৰু দামোদৰদেৱৰ ভিতৰত যিকোনো কাৰণতে নহওক যি মনোমালিন্যৰ সৃষ্টি হ'ল সেই কথা পৰ্য্যালোচনা কৰিলে কি ধাৰণা হয়? শঙ্কৰদেৱে অন্তিমবাৰ বেহাৰলৈ যোৱাৰ আগে আগে মাধৱদেৱৰ ওপৰত তেওঁৰ ধৰ্মীয় ভাবাদৰ্শৰ সম্পূৰ্ণ ভাৰ অৰ্পণ কৰি যায় আৰু তেওঁৰ মৃত্যুৰ পূৰ্বতো পুত্ৰ ৰামানন্দৰ আগত সেই কথা কৈ দৃঢ় কৰে। এই কথাত দামোদৰদেৱৰ কিছু ক্ষুণ্ণ হোৱাতো হয়তো অস্বাভাৱিক নাছিল, কিন্তু গুৰুৰ শ্ৰাদ্ধক উপলক্ষ্য কৰি বা আন কিছুমান সৰুসুৰা কথাত তেওঁলোকৰ যি মনোমালিন্যৰ সৃষ্টি হ'ল, অলপমান সহনশীলতাৰ প্ৰভাৱেৰে, তাৰ দ্বাৰা বিচ্ছেদৰ ফাঁট হয়তো ৰোধ কৰিব পৰা গ'লহেঁতেন। শ্ৰীমন্ত শঙ্কৰৰ পদত অধিষ্ঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত সেই দায়িত্ব মাধৱদেৱৰহে বেছি আছিল বুলি ভাবিবৰ হেতু থাকে।

## মহাপুৰুষ শ্ৰীশ্ৰীদামোদৰদেৱ

### (১)

১৪৮৮ খৃষ্টাব্দ বা ১৪১০ শকৰ ফাগুন মাহৰ শুক্লা একাদশী তিথিত বৰ্তমান নগাঁও জিলাৰ বৰদোৱাৰ ওচৰৰ নলচা গাঁৱত দামোদৰদেৱৰ জন্ম হয়। তেওঁৰ পিতৃ-মাতৃৰ নাম আছিল যথাক্ৰমে সদানন্দ আৰু সুশীলা দেৱী। এই পৰিয়ালটো গৌতম গোত্ৰীয়। দামোদৰৰ পূৰ্বপুৰুষসকল হাজোৰ ওচৰৰ গৰুড়াচল পাহাৰৰ উত্তৰ ফালে থকা ৰত্নেশ্বৰ গাঁৱত বাস কৰিছিল। সদানন্দৰ প্ৰথম দুজন পুত্ৰ সৰ্বেশ্বৰ আৰু ৰত্নাকৰৰ ৰত্নেশ্বৰ গাঁৱতে জন্ম হৈছিল। নলচা গাঁৱলৈ উঠি অহাৰ পিছত দামোদৰৰ জন্ম হয়। দামোদৰৰ পিতামহৰ নাম সিদ্ধানন্দ আৰু প্ৰপিতামহৰ নাম কৃষ্ণানন্দ আছিল।

### বংশ পৰম্পৰা আৰু বাল্যকাল

গৌৰেশ্বৰ আৰু কমতেশ্বৰৰ মিত্ৰভাবৰ সন্ধি-সূত্ৰ মতে যি চৌদ্ধঘৰ ব্ৰাহ্মণ আৰু কায়স্থ পৰিয়াল গৌৰদেশৰ পৰা অসমলৈ আহিছিল, তাৰ ভিতৰত শঙ্কৰদেৱৰ

পূৰ্বপুৰুষ লণ্ডাৰ যিদৰে এঘৰ আছিল, দামোদৰৰ পূৰ্বপুৰুষো আন এঘৰ আছিল। সেয়ে এই পৰিয়াল দুটাৰ মাজত যুগ যুগৰ আত্মীয়তাৰ আৰু বন্ধুত্বৰ সম্বন্ধ আছিল। শঙ্কৰদেৱৰ পূৰ্বপুৰুষে অসমলৈ আহি পোনতে হাজোৰ ওচৰৰ লেঙামাগুৰি গাঁৱত বসতি পাতে। দামোদৰৰ পূৰ্বপুৰুষেও হাজোৰ ওচৰৰে ৰত্নেশ্বৰ গাঁৱত থিতাপি লয়। প্ৰাকৃতিক দুৰ্য্যোগ আৰু ৰাজবিদ্ৰোহ আদি নানা কাৰণত শঙ্কৰৰ পৰিয়ালে তেওঁলোকৰ কুলপুৰোহিত কনৌজীয়া ব্ৰাহ্মণ ৰতিপতি মিশ্ৰ (ৰাম ৰাম গুৰুৰ পূৰ্বপুৰুষ) আদিৰে সৈতে বৰদোৱালৈ গ'ল। একে কাৰণতে দামোদৰৰ পূৰ্বপুৰুষে ৰত্নেশ্বৰ গাঁৱৰ পৰা উঠি গৈ মিত্ৰ ভূঞাসকলৰ গাঁও বৰদোৱাৰ ওচৰৰ নলচা গাঁৱত বসতি আৰম্ভ কৰে।

বাহিৰৰ পৰা একেলগে আহি অসম দেশত ওচৰাউচৰিকৈ বসবাস কৰা হেতুকে আৰু শিক্ষা-সংস্কৃতিৰ পৰম্পৰাৰ কাৰণে শঙ্কৰ আৰু সদানন্দৰ পৰিয়ালৰ মাজত যথেষ্ট সদ্ভাৱ আছিল আৰু ইঘৰে সিঘৰৰ সুখ-দুখত বা পাৰিবাৰিক অনুষ্ঠান আদিত সমানে ভাগ লৈছিল। সদানন্দৰ কনিষ্ঠ পুত্ৰ দামোদৰৰ নামকৰণ উৎসৱত শঙ্কৰ উপস্থিত আছিল আৰু দৈৱজ্ঞই গণনা কৰি 'দ' আখৰৰ নাম খোজাত শঙ্কৰদেৱে 'দামোদৰ' নামৰ প্ৰস্তাৱ দিছিল। ভট্টদেৱৰ গীতৰ পৰা বুজিব পাৰি যে দামোদৰৰ জন্মৰ কথা শুনি শঙ্কৰ অত্যন্ত উৎফুল্লিত হৈছিল, এজন মহাপুৰুষৰ আবিৰ্ভাৱত আনজনা মহাপুৰুষৰ প্ৰাণত হিল্লোল উঠিছিল।

লোক মুখে শুনিলন্ত কথা ছৱালৰ।
শঙ্কৰৰ ভৈলা অতি হৰিষ অন্তৰ।।

সৰুৰেপৰা দামোদৰৰ গাত মহাপুৰুষৰ লক্ষণ প্ৰকটিত হৈছিল। তেওঁ দেখাত যেনে শুৱনি আছিল, স্বভাৱ-চৰিত্ৰতো তেনে অসামান্য আছিল। ভট্টদেৱৰ গুৰুভটিমা, কৃষ্ণমিশ্ৰ দ্বিজ আৰু নীলকণ্ঠ দাসৰ চৰিত পুথিৰপৰা এই বিষয়ে বিশদ তথ্য পোৱা যায়। উপযুক্ত বয়স হোৱাত খ্যাতনামা অধ্যাপক কপালচন্দ্ৰ ভট্টাচাৰ্য্যৰ অধীনত তেওঁৰ বিদ্যা-শিক্ষাৰ ব্যৱস্থা কৰা হৈছিল। অলপ দিনৰ ভিতৰতে তেওঁৰ মেধা আৰু প্ৰজ্ঞাৰ সম্ভেদ পোৱা যায়। তেওঁ বেদ-বেদান্ত, গীতা-ভাগৱত আদি শাস্ত্ৰৰ প্ৰগাঢ় জ্ঞান লাভ কৰে আৰু সহপাঠী ছাত্ৰসকলৰ মাজত তেওঁৰ শ্ৰেষ্ঠত্বৰ প্ৰমাণ স্পষ্ট হৈ পৰে। গীতা-ভাগৱত আদি শাস্ত্ৰ অধ্যয়নৰ ফলত তেওঁৰ মন ভগৱন্মুখী হয়। অৱশ্যে আত্মদৰ্শী মনোভাৱৰ পৰিবেশ তেওঁ ঘৰতে পাইছিল, কিয়নো তেওঁৰ পিতৃ আছিল এজন নিষ্ঠাবান বৈষ্ণৱ পণ্ডিত আৰু মাক এগৰাকী আদৰ্শৱতী সাধ্বী নাৰী।

বৰদোৱাত শঙ্কৰদেৱে পৰিয়ালৰ আৰু সমাজৰ পূৰ্ব পৰম্পৰা ভঙ্গ কৰি হৰিভক্তি আৰু নামধৰ্মৰ পাতনি মেলিছিল। অধ্যয়নপুষ্ট কিশোৰ দামোদৰৰ মনতো স্বাভাৱিকতে ভক্তিপ্ৰেমৰ জোৱাৰ উঠিছিল। শঙ্কৰৰ ওচৰলৈ সদানন্দই তেওঁৰ পুত্ৰক

লগত লৈ সদায় আহিছিল আৰু তেওঁলোকৰ মাজত শাস্ত্ৰ আলোচনা হৈছিল, নৱ-বৈষ্ণৱ ধৰ্ম সম্পৰ্কে মত বিনিময় হৈছিল। সদানন্দই শঙ্কৰৰ ধৰ্মমতৰ প্ৰতি পূৰ্ণ সঁহাৰি জনাইছিল। সেয়ে নিচেই সৰুকালতে দামোদৰ শঙ্কৰৰ প্ৰতি আকৃষ্ট হৈছিল। শঙ্কৰৰ ব্যক্তিত্ব আৰু প্ৰতিভাই দামোদৰক মুগ্ধ কৰিছিল।

"কতো দিনে দামোদৰ সমৰ্থ ভৈলন্ত।
পিতৃৰ লগত শঙ্কৰৰ পাশে যান্ত।।
কোনো বেলা একেশ্বৰে যান্ত দামোদৰ।
তাঙ্ক দেখিবাককতো আসয় শঙ্কৰ।।
শঙ্কৰ সহিতে মহা মনত হৰিষে।
দিনগোট বসি থাকে কথা মাত্ৰ ৰসে।।
সূৰ্য্য অৱসানে পাছে গৃহে চলি যান্ত।
শঙ্কৰেয়ো তান সতে হৰিষ লভন্ত।।
এহিমতে দামোদৰ শঙ্কৰ সহিতে।
ইষ্টতা বাঢ়িল পাছে দুহ্যন তহিতে।।" (গুৰুলীলা)

## ভাগ্য বিপৰ্য্যয়

সদায় ধৰ্মীয় আদৰ্শত অনুগত আৰু উদাসীন ভাব লক্ষ্য কৰিয়েই হয়তো মাক-পিতাকে মাথোন যোল্ল বছৰ বয়সতে দামোদৰক বিবাহ-বন্ধনত সুমুৱাইছিল। কিন্তু কালৰ গতি কুটিল। বিবাহৰ পিছতেই তেওঁৰ জীৱনত প্ৰবাহিত হ'বলৈ ধৰিলে দুৰ্য্যোগৰ প্ৰবল ধুমুহা। বিবাহৰ কিছুদিন পিছতে সদানন্দ পৰলোকগামী হয়। দামোদৰৰ ডাঙৰ ভাই সৰ্বেশ্বৰৰ ঘৈণীয়েক কোনো সতি-সন্ততি হ'বলৈ নৌপাওঁতেই হঠাৎ মৰি থাকিল। সৰ্বেশ্বৰে মনৰ দুখ পাতলাবলৈ তীৰ্থলৈ গ'ল আৰু তাতেই তেওঁৰ দেহাৱসান হ'ল।

মাজু ভায়েক ৰত্নাকৰৰ দুজনী ঘৈণীয়েক আছিল। ৰত্নাকৰৰ তিনিটি পুত্ৰ উপজিছিল। নাম থৈছিল যথাক্ৰমে — শ্ৰীকৃষ্ণ, মুকুন্দ আৰু ভীম। ভীমো এদিন মৃত্যুমুখত পৰিল। পুতেক দুজনাৰ সকলো জাতকৰ্মাদি সমাপন কৰাৰ পিছত ৰত্নাকৰৰো মৃত্যু হ'ল। স্বামী, পুত্ৰ, নাতিৰ বিয়োগত সুশীলাদেৱী চকুৰ পানীৰে বাট নেদেখা হ'ল আৰু এই শোকাতুৰা বৃদ্ধাকো এদিন মৃত্যুৱে সাৱটি ল'লে। এনেদৰে দামোদৰৰ সংসাৰ শূন্য হোৱাৰ উপক্ৰম হ'ল। এই নিকৰুণ শোক-যন্ত্ৰণাৰ কাৰণে সদ্যবিবাহিত দামোদৰৰ জীৱনৰ পৰা সুখ-সম্ভোগৰ কামনা নিৰ্বাপিত হ'ল। তেওঁ গভীৰ আধ্যাত্মবাদী চিন্তাত নিমগ্ন হ'ল।

## নলচা ত্যাগ

দামোদৰৰ অভিভাৱক স্বৰূপ পৰামৰ্শদাতা শঙ্কৰো তেতিয়া কছাৰী উপদ্ৰৱৰ কাৰণে উজনিলৈ গৈছে। অধিক সংখ্যক ভূঞা আৰু ব্ৰাহ্মণ পৰিয়ালে বৰদোৱা ত্যাগ কৰিছে। বুকুত ভৰসা লৈ ওচৰত থিয় হ'বলৈ কোনো মিত্ৰ পৰিয়াল নাই। শত্ৰুৰ উপদ্ৰৱৰ কোনো সীমা নাই। উপায়ান্তৰ হৈ সেয়ে দামোদৰে সপৰিয়ালে নলচা গাঁও ত্যাগ কৰি তেওঁলোকৰ পুৰণি বাসস্থান ৰত্নেশ্বৰ গাঁৱলৈ আশ্ৰয় বিচাৰি গ'ল।

ৰত্নেশ্বৰ গাঁৱলৈ আহিও দামোদৰদেৱে মনত শান্তি পোৱা বুলি ধাৰণা কৰিব নোৱাৰি। বিধৱা বৌৱেক, নিজৰ স্ত্ৰী আৰু ভতিজা এই সকলক লৈ সংসাৰ। পিতৃ-মাতৃ-ভ্ৰাতৃৰ বিয়োগৰ শোকৰ ছাঁ তেতিয়াও মাৰ যোৱা নাই। তেওঁ মাধৱ মন্দিৰত সদায় ভাগৱত পাঠ আৰম্ভ কৰিলে। ভাগৱতৰ লীলা-তত্ত্ব, পৰম-পুৰুষ শ্ৰীকৃষ্ণৰ গুণ-কীৰ্ত্তন কৰি কৰি মায়া-মোহৰপৰা মুক্ত হোৱাৰ তেওঁৰ জীৱনাদৰ্শৰ এয়েই পাতনি বুলি অনুমান কৰিব পাৰি। ইয়াত কিছুদিন থকাৰ পিছত তেওঁ সপৰিয়ালে এই স্থান ত্যাগ কৰি ভটীয়াই যাত্ৰা আৰম্ভ কৰিলে, কিয়নো ইয়াতো তেওঁৰ আত্মীয় মিত্ৰ কোনো নাছিল আৰু আৰ্থিক সুব্যৱস্থা একো হোৱা নাছিল।

এই যাত্ৰাত তেওঁ নন্দা গাঁৱত তিনি দিন জিৰণি লৈছিল। এই গাঁৱক বৰ্ত্তমান নন্‌গাঁও বোলে। তাৰপৰা গৈ গয়জানত কিছুদিন থাকে। তাৰপৰা নাওমাৰি বিলেৰে অলপ উজাই আহি ৰামৰায়ৰ ঘাট পায়। ৰামৰায় আছিল বাউসী অঞ্চলৰ ভূঞা বা শাসনকৰ্ত্তা। তেওঁ শঙ্কৰদেৱৰ খুড়াকৰ ল'ৰা ভায়েক ; দামোদৰে তেওঁক দেখা পাই পূৰ্বৰ মিত্ৰৰ লগত পুনৰ মিলনত উল্লাসিত হয়। অজান পথৰ যাত্ৰীৰ মনত নতুন আশাৰ সঞ্চাৰ হয়। ৰামৰায়ে তেওঁক ভক্তিপূৰ্ণ সম্ভাষণ জনায়। তেওঁক গৃহবাৰী নিৰ্মাণ কৰিবলৈ মাটি দান কৰে। সেই ঠাইখনেই হ'ল বিয়াসপাৰা য'ত দামোদৰদেৱৰ সত্ৰ পিছত প্ৰতিষ্ঠা কৰা হয়। ৰামৰায়ৰ মুখৰপৰা শঙ্কৰদেৱ অনতিদূৰত বৰলচুঙ্গত সত্ৰ পাতি থকাৰ বাতৰি পাই দামোদৰদেৱৰ মনত বৰদোৱাৰ সকলো স্মৃতি সজীৱ হৈ উঠে। তেওঁৰ মনত পৰে শঙ্কৰদেৱে বৰদোৱা ত্যাগ কৰাৰ পিছতে তেওঁৰ জীৱনলৈ নামি অহা সকলো বিপদ-বিঘিনিৰ কথা। এই সকলোবোৰ ঘটনা ঈশ্বৰৰ অভিপ্ৰেত বুলি তেওঁৰ প্ৰত্যয় হয়। সেয়ে বাধ্য নহ'লে কেতিয়াও এই স্থান পৰিত্যাগ নকৰিবলৈ তেওঁ দৃঢ়সংকল্প হয়।

বৰ্ত্তমান পাটবাউসীৰ পূৰ্বে গাঁহেৰপাম আৰু ব্যাসপাৰা এই দুই গাঁৱৰ মাজত ৰামৰায়ৰ ঘাট আছিল বুলি জনা যায়, উক্ত বিলৰ এক অংশক আজিকালিও ৰামৰায়ৰ কুৰ বোলে। বিয়াসপাৰা আৰু বৰলচুঙ্গ আদি ঠাইবোৰ পিছত পাটবাউসী নামে

জনাজাত হয় আৰু চাৰিজন একশৰণীয়া ভক্তি-ধৰ্মৰ গুৰুৰ পদৰেণুসিক্ত এই পৱিত্ৰ ভূমিতেই এদিন অসমৰ পূৰ্বৰ ধৰ্মীয় পৰম্পৰাৰ যুগাৱসনাৰ ভেটি প্ৰতিষ্ঠিত হয়।

### শঙ্কৰদেৱৰ লগত মিলন

পাটবাউসীলৈ দামোদৰ অহা সময়ত শঙ্কৰে তাত হাটী-বাটী, নামঘৰ আদি সজাই সত্ৰ প্ৰতিষ্ঠা কৰিছিল। ইতিমধ্যে বহু শিষ্য-প্ৰশিষ্যই তেওঁত শৰণ লৈছিল। প্ৰসঙ্গৰ সময়ত নাম গাবলৈ আহিছিল গণককুছিৰপৰা মাধৱদেৱ, জনীয়াৰপৰা নাৰায়ণ ঠাকুৰ আৰু বহুলোক। শঙ্কৰৰ লগত দামোদৰৰ সাক্ষাৎ হ'ল। প্ৰিয়তম বন্ধু সদানন্দৰ পুত্ৰক তেওঁ সাবটি ল'লে। তেওঁৰ পাৰিবাৰিক সন্তাপৰ বাতৰি শুনি খেদ কৰিলে। এই সকলোবোৰ ঈশ্বৰৰে লীলা বুলি আশ্বাস বাণী শুনাই সদায় হৰিনাম লৈ থাকিবলৈ উপদেশ দিলে।

দামোদৰদেৱে কিন্তু পাটবাউসীলৈ আহিও আৰ্থিকভাৱে থান-থিত্ লগাব পৰা নাছিল। দুজনী বিধবা বৌৱেক, ঘৈণীয়েক আৰু দুজন ভতিজাকক লৈ সংসাৰখনত খোৱা-বোৱাত যথেষ্ট কষ্ট হৈছিল, সেয়ে তেওঁ খেতি-বাতি কৰিবলৈকে মনস্থ কৰিলে। ৰামৰায়ে দিয়া মাটিতে তেওঁ কোৰ মাৰি খেতি কৰি কোনোমতে জীৱিকা নিৰ্বাহ কৰিব লগাত পৰিল। কিন্তু এই ডাঙৰ পৰিয়ালটোৰ কাৰণে এই ব্যৱস্থা যথেষ্ট নাছিল। সেয়ে বছৰত ছমাহমান খুজি-মাগি খাব লগাত পৰিছিল।

পৰিয়ালৰ অভাৱ-অনাটন সত্ত্বেও কিন্তু দামোদৰে প্ৰায়ে শঙ্কৰৰ থানলৈ গৈ নাম-প্ৰসঙ্গত ভাগ লৈছিল। "কতো বেলা ভোকে, কতো বেলা কোৰ খানি থুতৰিত দি এফেৰি শুনি যায়।" তাৰ অনুভৱ ছোট আতা ঘোষা কৰিছে পাছে সুন্দৰীত —

"যিটোজনে কৃষ্ণকথা বিচাৰ সমএ মনে
ধৈৰ্য্য ধৰি ক্ষণেক থাকয়।
যত তীৰ্থ, স্থান, দান, দেৱ, পিতৃ, যজ্ঞ,যাগ
যোগাদিৰো ফলক পাৱয়।।" (কথা গুৰুচৰিত)

শঙ্কৰে এদিন দামোদৰক নানা আলোচনা প্ৰসঙ্গত উপদেশ দিলে যে তেওঁ যিখিনি মাটিত খেতি কৰি আছে তাৰ আধা অংশতহে শস্য ৰুই বাকী সময় যেন নাম-প্ৰসঙ্গত কটায়, কিয়নো হৰিহে সহায়। দামোদৰে সেইমতে খেতি কৰাত শস্য আগতকৈ দুগুণহে হ'ল। মুঠতে সংসাৰ বিষয়ত অতিষ্ঠ দামোদৰক আশাশুধীয়াভাৱে হৰিভক্তিত মন লগাবলৈ শঙ্কৰে চেষ্টাৰ কোনো ত্ৰুটি কৰা নাছিল। তাৰ কাৰণ আছিল তেওঁলোকৰ পৰিয়ালৰ পূৰ্বৰ মিত্ৰতা, সদানন্দৰ লগত শংকৰৰ বন্ধুত্ব আৰু সহজ-সৰল দামোদৰৰ সৎ-জীৱনৰ আদৰ্শ। এনেদৰে দুই মহাপুৰুষৰ সম্বন্ধৰ গাঢ়তা

ক্ৰমে বেছি গঢ় হ'বলৈ ধৰিলে। কিন্তু হঠাৎ আৰু এক ঘটনা ঘটিল। প্ৰসব বেদনাত দামোদৰৰ পত্নীৰো সদ্যজাত সন্তানটিৰ সতে মৃত্যু হ'ল।

কতদিন পাছে দামোদৰ পত্নী
জন্মাইলন্ত কন্যাখানি।
প্ৰসূতি বায়ুকে শৰীৰ পীড়াৱে
তেজিলা প্ৰাণ আপুনি।।
পাছে কন্যাখানি মৰিলেক তথা
দামোদৰে দেখিলন্ত।
মনত হৰিষে ভাৰ্য্যাক তথাত
প্ৰেত কৰ্ম্ম কৰিলন্ত।। (গুৰুলীলা)

দামোদৰ বিষণ্ণ নহ'ল, ভাগি নপৰিল। আত্মদৰ্শী ভাৱনাৰ দ্বাৰা তেওঁৰ মন-আকাশ উজ্জ্বল, মুক্ত, শান্ত অন্তৰেৰে অনুভৱ কৰিলে।

অনিত্য শৰীৰ ইটো, অনিত্য সংসাৰ।
দেখিয়োক গৃহসুখ সবে অনাচাৰ।।

বিষয় বাসনাৰ প্ৰতি তেওঁৰ মনোভাৱ কি সেয়া পৰীক্ষা কৰিবলৈ শংকৰে সুধিলে ; "আৰু একদিনা গুৰুজনে বোলে দামোদৰ যদি বিষয়ত ৰতি তৃষ্ণা আছে বিবাহ কৰা। আমি অলঙ্কাৰ-পাতি খুজি দিঞো।" দামোদৰে বোলে বাপ, "পূৰ্ব্বে কৰালো, আপোনাৰ কৃপাত গুচিল, সজ হ'ল, নকৰাঞো আৰু বোলা নাযাব বাপ বাসনা নালাগে।"

এনেদৰে বিষয়-বাসনা, সাংসাৰিক বন্ধন এই সকলোবোৰ মায়াজালৰপৰা ক্ৰমে ক্ৰমে মুক্ত হৈ ভাগৱতী ধৰ্মমতৰ ভক্তি গঙ্গাত নিজকে নিমগ্ন কৰিলে আৰু অৱশেষত নৱ-বৈষ্ণৱধৰ্ম সম্প্ৰদায়ৰ হোতা স্বৰূপ হৈ প্ৰতিফলিত হ'ল।

যিকোনো প্ৰগতিবাদী আন্দোলনৰ সংগ্ৰামীসকলে সংস্কাৰবাদী শক্তিবোৰৰ লগত সংঘৰ্ষত লিপ্ত হ'ব লগীয়া হয়। কামৰূপৰ নৱ-বৈষ্ণৱ আন্দোলনৰ পথ-প্ৰদৰ্শক গুৰুসকলৰ ক্ষেত্ৰতো ইয়াৰ অন্যথা হোৱা নাছিল। শংকৰদেৱ, মাধৱদেৱ আৰু দামোদৰদেৱ তিনিওজনে চক্ৰান্তবাদীৰ ষড়যন্ত্ৰৰ কাৰণে ৰাজবিচাৰৰ সম্মুখীন হ'ব লগীয়া হৈছিল। গুৰুসকলৰ চৰিতপুথিৰ পৰা এইটো স্পষ্টভাৱে বুজিব পাৰি যে যাজনিক ব্ৰাহ্মণসকলে ভক্তিধৰ্মৰ দুৰ্ঘোৰ বিৰোধিতা কৰিছিল। কিন্তু তেওঁলোকৰ এই বিৰোধৰ যে যুক্তি বা হেতু নাছিল এইটো কোৱা টান। ব্ৰাহ্মণ শ্ৰেণীৰ ভিতৰত এতিয়া যেনেকৈ আছে তেতিয়াও স্পষ্ট দুটা ভাগ আছিল। সু-শিক্ষিত পণ্ডিতসকলে শিক্ষা-দীক্ষাৰ গুণত সমাজৰ উচ্চস্থান আৰু অৰ্থনৈতিক নিৰাপত্তা লাভ কৰিব পাৰিছিল। কিন্তু এই সমাজৰ দুৰ্বল অৰ্থাৎ বেছিভাগেই শিক্ষা-দীক্ষাৰ সুবিধাৰ অভাৱত কেৱল যাজনিক কাম-কাজ কৰিয়ে পেট প্ৰৱৰ্তন কৰিছিল।

ব্ৰাহ্মণ আৰু কায়স্থসকলে পূৰ্বাপৰ প্ৰথামতে নিজে হাল নাবাইছিল, মুৰেৰে বোজা নকঢ়িয়াইছিল আৰু বহুতো কাম সামাজিকভাৱে হীন বুলি বিবেচনা কৰি তাৰপৰা আঁতৰত আছিল। কায়স্থ-ভূঞাসকলৰ বেছিভাগৰে মাটি-বৃত্তি কিছুপৰিমাণে আছিল, কিন্তু দুখীয়া ব্ৰাহ্মণসকলৰ বহুতৰে সেয়াও নাছিল। আজন্ম সংস্কাৰৰ বশৱৰ্তী মানুহবোৰে যিকোনো পূজা-পাৰ্বণ শ্ৰাদ্ধাদিৰ কাৰণে পুৰোহিত নিযুক্ত কৰিছিল। এই প্ৰক্ৰিয়াত বিভিন্ন সম্প্ৰদায়ৰ মানুহৰ বিভিন্ন ধৰ্মীয় প্ৰথা পুৰোহিত শ্ৰেণীটোৱে স্বীকাৰ কৰিবলগীয়া হৈছিল। যি প্ৰথাৰ ভিতৰত নানা অবৈদিক আচাৰো অন্তৰ্ভুক্ত কৰা হৈছিল। ভক্তিধৰ্মমতৰ কেৱল নাম-ধৰ্মৰ প্ৰাধান্য দিয়া হ'ল, পূজা-পাতল অপ্ৰয়োজনীয় বা গৌণ বুলি সাব্যস্ত কৰা হ'ল আৰু এইসকল লোকৰ আৰ্থিক নিৰাপত্তাহীনতাৰ চিন্তাবোৰক সংৰক্ষণশীল আখ্যা দিয়া হ'ল। কিন্তু সেই অৱস্থাৰ প্ৰতিকাৰৰ কোনো ব্যৱস্থা চিন্তা কৰা নহ'ল। ধৰ্মই যেতিয়া আৰ্থ-সামাজিক সমস্যা দূৰ কৰাত সহায় নকৰে তেতিয়া তাৰ বিৰূপ প্ৰতিক্ৰিয়া স্বাভাৱিক, ই ইতিহাসৰো নিদৰ্শন।

শংকৰদেৱে প্ৰচাৰ কৰা ভক্তিধৰ্মক যাজনিকসকলে অৱহেলা বা উপেক্ষা কৰাৰ সুবিধা পাইছিল আৰু এটা কাৰণত যে শঙ্কৰদেৱ ব্ৰাহ্মণ নাছিল। যুগ যুগ ধৰি ব্ৰাহ্মণৰ শ্ৰেষ্ঠত্ব আৰু একাধিকাৰ সমাজে স্বীকাৰ কৰি আহিছিল। ভক্তিধৰ্মৰ জাত-পাতৰ বিচাৰ জন্মসূত্ৰে নকৰি ভক্তিৰ গভীৰতাৰ ভিত্তিত (চণ্ডালোহপি দ্বিজশ্ৰেষ্ঠ বিষ্ণুভক্তি পৰায়ণ) বুলি মত প্ৰকাশ কৰিছিল, আৰু তাতেই বিবাদৰ সূত্ৰপাত হৈছিল। শংকৰদেৱে এই সমস্যাৰ বিষয়ে অৱগত আছিল। সেয়ে দামোদৰ বান্ধৱক তেওঁ পাৰিবাৰিক আৰু অৰ্থনৈতিক চিন্তাবোৰৰ পৰা আঁতৰাই আনি গুৰুভাৰ লবৰ কাৰণে আকৰ্ষিত কৰিছিল আৰু উপদেশ দিছিল :

শুনা দামোদৰ মোৰ আদেশ শুনিয়ো
ব্ৰাহ্মণ সবক তুমি শৰণ কৰায়ো।
এহি বুলি তাক মূৰ্ত্তি ভাগৱত দিলা
দেৱ দামোদৰ নাম সেহি দিনা ভৈলা।

(ৰামচৰণ)

দামোদৰদেৱৰ গুৰু কোন সেই বিষয়ে পণ্ডিত মহলত যথেষ্ট বাক্‌বিতণ্ডা হৈছে আৰু সেই কথা লৈ ভক্তি ধৰ্মাবলম্বী দুই গোটৰ মাজত বহু তিক্ততাৰো সৃষ্টি হৈছে। তেখাৰ চৰিতসমূহৰ পৰা তিনিজন গুৰুৰ সন্ধান পোৱা যায়। যেনে—নাৰদ, চৈতন্য আৰু উৰিষ্যাৰ বাসুদেৱ বিপ্ৰ। শংকৰদেৱৰ চৰিতকাৰসকলৰ কোনোবাই কৈছে দামোদৰৰ গুৰু শংকৰ আৰু কোনোবাই কৈছে ৰামৰাম গুৰু। কথা-গুৰুচৰিতত এনেদৰে বৰ্ণিত হৈছে, "দামোদৰদেৱে আৰু এমহা সুবৰ্ণ দি মহাপুৰুষক গুৰু বুলিবলৈ ঠেলে। তেহে গুৰুজনে নকৰাই ৰাম ৰাম গোঁসাইৰ তাত

কৰালে। সোণাও দিলে। পাছে এতোলা সোণা দি বগা দলৈৰ মাটি কিনি ধনুখন্দাৰ সিপাৰে বহা সজাই থলে। ব্ৰাহ্মণ ভকত আহিলে দামোদৰৰ ঠাইত শৰণ কৰায়।"

গুৰুচৰিতসমূহ গুৰুসকলৰ তিৰোধানৰ বহু পিছত লিখা হৈছিল। গুৰুচৰিতৰ তথ্য সম্বন্ধে পিছত আমি বহলাই আলোচনা কৰিম। কিন্তু এইটো সহজে অনুমান কৰিব পাৰি যে চৰিতসমূহৰ সকলোবোৰ তথ্যৰ ঐতিহাসিক ভেটি নাই। এইবোৰ জনশ্ৰুতি আৰু অনুমানৰ ওপৰত ভিত্তি কৰি লিখা হৈছিল। দামোদৰদেৱৰ গুৰু কোন এই বিষয়ে বহু পণ্ডিতে পণ্ডশ্ৰম কৰিছে। বৈষ্ণৱ সম্প্ৰদায়ৰ মতাদৰ্শৰ মাজত বিৰোধ সৃষ্টি কৰিবলৈ কিবা বৈদিক বিধি-বিধানৰো উদাহৰণ দিয়া দেখা যায়। কিন্তু কামৰূপীয়া বৈষ্ণৱগুৰু পাঁচজনৰ ভিতৰত দামোদৰ গুৰুৰ বিশিষ্ট ভূমিকাৰ বিষয়ে আজিলৈ আবেগিক প্ৰকাশ কিছু হ'লেও ঐতিহাসিক বিশ্লেষণ একেবাৰে হোৱা নাই বুলি ক'লেও বোধকৰো ভুল নহয়। বুদ্ধদেৱ, যীশুখৃষ্ট, হজৰত মহম্মদ, শংকৰদেৱ, গুৰু নানক, ৰামকৃষ্ণ পৰমহংস আদি মহাপুৰুষৰ গুৰু কোন আছিল সেই কথাইদে কোনেনো মূৰ ঘমাইছিল? কিন্তু তেওঁলোকৰ অমূল্য অৱদানৰ বিষয়ে কোনেনো অৱগত নহয়? তদুপৰি শংকৰদেৱৰ দিনত তেওঁ শৰণ কৰোৱা সকলৰ কাৰণে দেৱ, নাম আৰু ভকত এই তিনি তত্ত্বই প্ৰাধান্য লাভ কৰিছিল। গুৰু তত্ত্বটোত দেৱ আৰু ভকত মিলি আছিল। গুৰু তত্ত্বৰ বিষয়ে মূল ভাগৱতত এনেদৰে কোৱা আছে— "আত্মনো গুৰুৰাত্মৈ", অৰ্থাৎ তোমাৰ আত্মাই তোমাৰ গুৰু। গুৰুজনাই এই তত্ত্বকেই সাৰোগত কৰিছিল বুলি অনুমান কৰিব পাৰি। শৰণত গুৰু তত্ত্বই প্ৰাধান্য পালে মাধৱদেৱে শৰণ কৰোৱা কাম আৰম্ভ কৰাৰ পিছৰ পৰাহে। নামঘোষাত মাধৱদেৱে শংকৰদেৱক গুৰু বুলি দঢ়াই দঢ়াই ঘোষণা কৰিছে। দামোদৰদেৱৰ চৰিতকাৰসকলেও গুৰুৰূপে শংকৰদেৱৰ উল্লেখ নকৰাকৈ থকা নাই। দামোদৰদেৱে নিজে প্ৰতিষ্ঠা কৰা সত্ৰ পাটবাউসীত ধৰ্মাধিকাৰ ৰামদেৱ অধিকাৰ গোস্বামীদেৱে ৰামৰায় দ্বিজ ৰচিত দামোদৰ চৰিতৰ ভূমিকাত কৈছিল: "অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ সকলোৰে একে মত আৰু একে দাস্য আৰু বাৎসল্য ভাব। মহাপুৰুষীয়া, দামোদৰী আৰু হৰিদেৱী তিনিও সম্প্ৰদায়ৰ মূলভাব মাত্ৰ এটা।"

শংকৰদেৱ, মাধৱদেৱ আৰু দামোদৰদেৱ এই তিনিও গুৰু একাত্মাসদৃশ আছিল, সেই কথা প্ৰায় সকলো গুৰুচৰিতত উল্লেখিত হৈছে। দামোদৰৰ আৰু শংকৰৰ পৰিয়ালৰ আত্মীয়তা আৰু ঘনিষ্ঠতা আছিল যুগ যুগৰ। ধৰ্মীয় মাৰ্গতো সেয়ে তেওঁলোকৰ সমদৃষ্টি আছিল। দামোদৰ শংকৰতকৈ প্ৰায় দুকুৰি বছৰৰ সৰু আছিল। নানা পাৰিবাৰিক দুৰ্যোগ আৰু তাৰ ফলত উদ্ভৱ হোৱা মানসিক অশান্তি, আনফালে আৰ্থিক অনাটনে জুৰুলা কৰা দামোদৰে যেতিয়া পাটবাউসীত শংকৰদেৱৰ

লগ লাগিল শংকৰে তেওঁক সন্তান সদৃশ জ্ঞান কৰাটোৱে স্বাভাৱিক আৰু সেয়ে দামোদৰে তেওঁৰপৰা লাভ কৰিলে কেৱল আৰ্থিক সাহায্যই নহয়, সৎ জীৱন-যাপন প্ৰণালীৰ দ্বাৰা ধৰ্মীয় আদৰ্শৰো। পাটবাউসীত তেতিয়া শংকৰৰ নেতৃত্বত ভক্তি-ধৰ্মৰ জোৱাৰ উঠিছে, সেই জোৱাৰৰ সোঁতত দামোদৰ স্নিগ্ধস্নাত হ'ল। সেই পৰিবেশৰ মাজত ধৰ্মীয় আন্দোলনৰ নেতৃত্ব লবলৈ দামোদৰৰ পথ কেৱল নিৰ্মাণেই নহয়, প্ৰশস্তও কৰিলে শংকৰদেৱে।

"দয়ালু শংকৰ তান কি কহিবে লীলা"

(নীলকণ্ঠ)

### গুৰুভাৰ গ্ৰহণ

শংকৰদেৱে দ্বিতীয়বাৰ তীৰ্থভ্ৰমণ কৰি অহাৰ পিছত ৰাজৰোষত পৰি মহাৰাজ নৰনাৰায়ণৰ বিচাৰ সভাত উপস্থিত হ'ব লগীয়া হ'ল। বিচাৰ পৰ্ব শেষ হোৱাৰ পিছত নৰনাৰায়ণ আৰু চিলাৰায়ৰ ধৰ্ম-পিপাসা পূৰণ কৰিবলৈ জীৱনৰ শেষ দিনকেইটা কোচবিহাৰ আৰু পাটবাউসীৰ মাজত বাটকুৰি বাই থাকিবলগীয়া হ'ল। পাটবাউসী সত্ৰৰপৰা গুৰুৰ এই দীঘলীয়া অনুপস্থিতিৰ বাবে ভকতসকলে কোনো শূন্যতা অনুভৱ কৰিব নোৱাৰাকৈ দামোদৰদেৱে অৱস্থা চম্ভালিলে। শংকৰদেৱৰ উপদেশ মতে দামোদৰদেৱে শৰণ ভজন দিয়াৰ কাম আৰম্ভ কৰিলে। তেঁৱাৰ প্ৰতিভা আৰু ব্যক্তিত্বৰ গুণত আৰু সহজ-সৰল ব্যৱহাৰত সকলো মুগ্ধ হ'ল। ভক্তি বিমুখ যাজনিক ব্ৰাহ্মণসকলেও দামোদৰদেৱক প্ৰত্যাহ্বান জনোৱাৰ উপায় বিচাৰি নাপালে। দলে দলে তেওঁলোক আহি শৰণ লবলৈ আৰম্ভ কৰিলে, আৰু তেওঁলোকৰ যজমানসকলকো এই বিষয়ে উৎসাহিত কৰিলে। এনেদৰে কামৰূপ ৰাজ্যত ভক্তিধৰ্মৰ সোঁত সৰ্বস্তৰৰ লোকৰ মাজলৈ বিয়পি গ'ল। দুই গুৰুৰ লীলা মাহাত্ম্যৰ আলোকত বৰপেটা অঞ্চল বৃন্দাবন সদৃশ হ'ল। দামোদৰৰ শিষ্য শ্ৰীহৰি দাস বিৰচিত ভাগৱত পদত (৫ম স্কন্ধ) সেই মাহাত্ম্যৰ প্ৰতিধ্বনি শুনা যায় :

"বৰপেটা নাম থান অনুপাম
মুকুতিৰ সন্নিহিত।
জাত হৰি ধ্বনি যাত্ৰা মহোৎসৱ
আছিলেক প্ৰতিনিত।।
সেই গ্ৰামে সিত শ্ৰীমন্ত শংকৰ
মহাপাপ বিনাশন।
লোকৰ কৃপায় মূৰ্ত্তি ধৰিলন্ত

আপুনিয় নাৰায়ণ।।
ভকতি পথক প্ৰকাশ কৰিলা
বাদকি ঠেলি পেছুাই।
যাহাৰ প্ৰসাদে মহাপাপী সবে
বৈকুণ্ঠপুৰক জাই।।
তৈতে আছিলন্ত অতি মহাসন্ত
দামোদৰ দ্বিজবৰ।"

**ভাগৱত ভট্টাচাৰ্য্য ভট্টদেৱ**

শঙ্কৰদেৱৰ প্ৰয়াণৰ পিছত ধৰ্মীয় আন্দোলনৰ নেতৃত্বৰ প্ৰশ্ন লৈ দামোদৰদেৱ আৰু মাধৱদেৱৰ মতানৈক্যৰ বিষয়ে মাধৱদেৱৰ চৰিতত চমুকৈ আলোচনা কৰি অহা হৈছে। সেইবোৰ কথাত বেছি গুৰুত্ব আৰোপ নকৰি আমি সহজে অনুমান কৰিব পাৰোঁ যে এক মহাযজ্ঞৰ পুৰোহিতসকলৰ মাজত মন্ত্ৰ উচ্চাৰণ বা আন কিবা কাৰণত অলপ আগপিছ হ'লেও বা তেৰাসৱৰ ব্যক্তিত্বৰ সংঘাত চকুত পৰিলেও তেওঁলোকৰ লক্ষ্য আৰু মতাদৰ্শত কোনো পাৰ্থক্য নাছিল। যদি কিবা পাৰ্থক্য আমি এতিয়া দেখোঁ সেয়া পিছৰ কালৰ সাম্প্ৰদায়িক ধৰ্মব্যৱসায়ীসকলৰ মনেসজা। দামোদৰদেৱৰ অসংখ্য ভক্তৰ ভিতৰত যি কেইজন গুৰুৰ সান্নিধ্যত আৰু আশীৰ্বাদত অতি উচ্চস্তৰীয় মৰ্য্যাদাত প্ৰতিষ্ঠিত হৈ গুৰুৰ মহিমা বিস্তাৰত অশেষ অৱদান যোগাইছিল, তাৰ ভিতৰত ভট্টদেৱ অন্যতম। তেওঁৰ আচল নাম আছিল বৈকুণ্ঠনাথ ভট্টাচাৰ্য্য। গুৰুলীলাৰ মতে তেওঁৰ জন্ম বৰনগৰৰ ওচৰৰ ভেৰাগ্ৰামত। পিতৃ-মাতৃৰ নাম যথাক্ৰমে কবি সৰস্বতী আৰু তাৰাদেৱী। তেওঁ সৰুকালত গোপালদেৱ নামৰ এক শাস্ত্ৰজ্ঞ পণ্ডিতৰ টোলত ভৰ্তি হৈ অসাধাৰণ প্ৰতিভা দেখুৱাইছিল আৰু সকলো শাস্ত্ৰত বিশেষ ব্যুৎপত্তি লাভ কৰিছিল। তেওঁ বাগ্মীতা আৰু মধুৰ ভঙ্গীৰে ভাগৱত পাঠ কৰি শ্ৰোতামণ্ডলীক মুগ্ধ কৰি "ভাগৱত ভট্টাচাৰ্য্য" উপাধি লাভ কৰিছিল। পিতৃৰ আদেশমতে তেওঁ পাটবাউসীলৈ গৈ দামোদৰদেৱৰ শৰণ লয়। গুৰুৰ সান্নিধ্যত তেওঁ ভগৱতী ধৰ্মৰ গভীৰতাত প্ৰৱেশ কৰি সেই ৰসৰ নিজৰা ভাগৱত পাঠৰ মাজেদি আনৰ অন্তৰতো বোৱাবলৈ ধৰিলে।

ভট্টদেৱে গুৰুসঙ্গত পাটবাউসীতে থাকিবলৈ লোৱাত বৰনগৰীয়া ৰাইজে ভাগৱত ৰসৰ পৰা বঞ্চিত হৈ আপত্তি কৰিবলৈ ধৰিলে। দামোদৰদেৱে সেই কথা গম পাই তেওঁক আকৌ বৰনগৰলৈ পঠালে আৰু লগতে সৰ্বসাধাৰণে বুজিব পৰাকৈ ভাগৱত শাস্ত্ৰ গদ্যত লিখিবলৈ উপদেশ দিলে ঃ

আৰু এক জগত ঈশ্বৰ আজ্ঞা ধৰা।

কথাবন্ধে একখণ্ড ভাগৱত কৰা ।।
পূৰ্ব্বে মহাপুৰুষে কৰিলা দশস্কন্ধ ।
কীৰ্ত্তন ভটিমা দুলড়ী সুছন্দ ।।
তাত কৰি সুগম কৰিয়ো ভাগৱত ।
স্ত্ৰী শূদ্ৰ সৰ্ব্বলোকেবুজে যেন মত ।। (গুৰুলীলা)

বৰনগৰলৈ গৈ তেওঁ "হংস গদ গদ" বাণীৰে ভাগৱতৰ পাঠ আৰু ব্যাখ্যা শুনাই অগণন মানুহক মুগ্ধ কৰিবলৈ ধৰিলে আৰু বৰনগৰীয়া "মোড়লসকল" মুগ্ধ হৈ তেওঁক কবিৰত্ন উপাধি দিলে। "সবে মিলি দিলা তাঙ্ক কবিৰত্ন নাম।"

অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভট্টদেৱৰ অৱদান অতুলনীয়। তেখেতৰ অসমীয়া ভাষাত লিখা গ্ৰন্থ হ'ল 'কথা ভাগৱত', 'কথা গীতা', 'ভক্তি ৰত্নাৱলী', 'নন্দোৎসৱ', 'প্ৰসঙ্গমালা' 'বিষ্ণুসহস্ৰনাম', সাত্বিক তন্ত্ৰ আৰু সংস্কৃতত লিখা গ্ৰন্থ 'ভক্তিসাৰ', 'ভক্তি-বিবেক', 'ভাগৱত অধিকৰণ' আৰু 'শৰণ মালিকা'।

ভট্টদেৱৰ উপৰিও আৰু কেইবাজনো দামোদৰ গুৰুৰ পণ্ডিত শিষ্যই তেওঁলোকৰ লিখনিৰ দ্বাৰা অসমীয়া সাহিত্যলৈ প্ৰচুৰ অৱদান আগবঢ়াই গৈছে। ভট্টদেৱৰ সহপাঠী সখা গোপাল মিশ্ৰ কবিৰত্ন এজন বিদগ্ধ সংস্কৃত পণ্ডিত আছিল। তেওঁৰ দ্বাৰা ৰচিত 'ঘোষাৰত্ন' পুথিখন ধৰ্মীয় তত্ত্বৰ আপুৰুগীয়া অৱদান। তেওঁ নলবাৰীৰ ওচৰত খুদিয়া সত্ৰৰো প্ৰতিষ্ঠাপক আছিল। বনগএগিবিৰ নাতি কেশৱ চৰণে কোচবিহাৰৰ বৈকুণ্ঠপুৰ সত্ৰত ভাগৱতৰ নৱম স্কন্ধৰ অসমীয়া পদ ৰচনা কৰে। হাজোৰ সুকবি শ্ৰী হৰিদাসে পাটবাউসী সত্ৰত ভাগৱতৰ ৫ম স্কন্ধৰ অসমীয়া পদ ৰচনা কৰে। এওঁৰ বংশধৰসকলে এতিয়া পাটবাউসী সত্ৰৰ মূল পাঠকৰ কাম চলাই আছে। দামোদৰদেৱৰ শিষ্য গোপাল চৰণে গুৰুৰ লগত কোচবিহাৰ সত্ৰত থাকি ভাগৱতৰ ৩য় আৰু ৮ম স্কন্ধৰ অসমীয়া পদ আৰু "ভাগৱত মিশ্ৰিত" আৰু "বিষ্ণুপুৰাণ জৰিত" কৰি হৰি বংশৰ অসমীয়া পদ ৰচনা কৰিছিল বুলি জনা যায়। "গীতা" আৰু "ভক্তিবিবেক" পদকৰ্তা গোবিন্দ মিশ্ৰৰ অৱদানো লেখত লবলগীয়া।

## ধৰ্মপ্ৰচাৰ

দামোদৰদেৱৰ ভক্তিনিষ্ঠা, একাগ্ৰতা আৰু সততাৰ উপৰিও আছিল অপৰিসীম সাংগঠনিক দক্ষতা। তেওঁ লক্ষ্যহীন, অন্ধ-কূপত কৰুবকাই থকা অৱহেলিত সকলো শ্ৰেণীৰ মানুহৰ মাজত ভক্তিধৰ্মৰ নিৰ্মল পোহৰ বিকিৰণ কৰিবলৈ জীৱনৰ শেষ অধ্যায় পৰ্যান্ত অহৰহ চেষ্টা কৰি গৈছে। তেৰাই বেহাৰ, কামৰূপ আৰু উজনি, সেইকালৰ এই তিনিও ৰাজ্যতে উপযুক্ত শিষ্য নিৰ্বাচন কৰি তেওঁলোকৰ দ্বাৰা সত্ৰ স্থাপন কৰাই ভক্তি আন্দোলনৰ গতিশীলতা তীব্ৰতৰ তৰি

তোলা প্ৰথম মহাপুৰুষ বুলি সকলোৱে স্বীকাৰ কৰিবই লাগিব। তেৰাৰ প্ৰয়াণৰ পিছতো শিষ্য-প্ৰশিষ্যসকলে এই অভিযান বহুদিনলৈ অব্যাহত ৰাখিব পৰা কাৰণেই আৰু আন কেইজন মহাপুৰুষে আৰু তেওঁলোকৰ শিষ্যসকলে তেনেদৰে সত্ৰ প্ৰতিষ্ঠা কৰি সামাজিক আৰু আধ্যাত্মিক দিশত উজ্জ্বল চাকিৰ দৰে প্ৰতিভাত হোৱা কাৰণে আজিৰ অসমীয়া সংস্কৃতি সত্ৰীয়া সংস্কৃতিৰ আধাৰতে প্ৰতিষ্ঠা হোৱা বুলি সকলো পণ্ডিতে স্বীকাৰ কৰে।

দামোদৰ গুৰুৰ ভক্তি আন্দোলনৰ প্ৰধান শিষ্যবিলাকৰ ভিতৰত ভট্টদেৱৰ পিছতেই যিসকলৰ স্থান সেই বিষয়ে ভট্টদেৱে এনেদৰে কৈছে :

"পাচে কপিল মুনিক, শ্ৰীকৃষ্ণক, কৃষ্ণদেৱক, ভগৱানক, নাৰায়ণক, বংশীগোপালক, আধাৰ যদুমণিক, সকৰ্ষণক, গোপাল মিশ্ৰক, সৰুগোপালক ভাগৱত মিশ্ৰক, সনাতনদেৱক (সন্তভূষণ) শৰণ কৰাই চাৰিনাম দি শৰণ পটল ক্ৰমে শিষ্য ভজাইবে দিলা।" ইয়াৰ উপৰিও মনোহৰদেৱ আৰু তিলাবায় নামেৰে দুজন অব্ৰাহ্মণকো দামোদৰদেৱে সত্ৰাধিকাৰ পদত থাপিছিল।

মনোহৰদেৱ পলোৱাত থিতি ভৈলা,
নামধৰ্ম প্ৰকাশিয়া তথাসঙ্গে ৰৈলা। (নীলকণ্ঠ)

## গুৰুৰ বিৰুদ্ধে অভিযোগ

চাৰিওফালে হৰিনামৰ ৰোল উঠিল। জাতি-অজাতিৰ বিচাৰৰ প্ৰকোপ কমি আহিল। সকলো জাতিৰ ধনী-দুখীয়ে সমানভাবে, সকলো স্ত্ৰীপুৰুষে একেলগে সত্ৰত বহি প্ৰসঙ্গ-কীৰ্তনৰ জৰিয়তে ভগৱানৰ লগত ভকতৰ একাত্ম অনুভূতিৰ পৰিবেশ সৃষ্টি হ'ল। যুগ যুগ ধৰি আগম শাস্ত্ৰৰ তন্ত্ৰ-মন্ত্ৰৰে মুগ্ধ কৰি হোজা-চহা মানুহখিনিক প্ৰৱঞ্চনা কৰি খোৱাসকলৰ সন্ত্ৰাস আৰম্ভ হ'ল। স্ত্ৰী-শূদ্ৰৰ পৰা সযত্নে আঁতৰাই ৰখা বেদ-বাণীৰ গূঢ়তত্বৰ লৌহ কপাট ভক্তিৰ সোঁতত ভাগি পৰাৰ উপক্ৰম হ'ল। এই সমাজ সংস্কাৰত ধৰ্মীয় উদাৰভাৱ সৰল সহজ ব্যৱস্থা ধৰ্মব্যৱসায়ীসকলৰ সহ্য নহ'ল। কামেশ্বৰগিৰি সন্ন্যাসী আৰু শিৱবৰ দৈৱজ্ঞই কোচৰজা পৰীক্ষিতৰ আগত গোচৰ দিলে যে কামৰূপ ৰাজ্যত দামোদৰ নামে বিশিষ্ট ব্ৰাহ্মণ এজনে দেশত একশৰণ ধৰ্ম প্ৰৱৰ্তন কৰি দেৱীপূজা, দুৰ্গাপূজা নিষেধ কৰি দেশত অনাচাৰৰ সৃষ্টি কৰিছে আৰু ৰজা-প্ৰজাৰ অমঙ্গল সূচনা কৰিছে। ৰজা খঙত অগ্নিশৰ্মা হ'ল। মধ্যযুগীয় পৌত্তলিকতা বিশ্বাসী ৰজা আৰু ব্যক্তি স্বাৰ্থান্বেষী গোচৰীয়া :

শুনা কামেশ্বৰ শুনিয়োক শিৱবৰ,
কোনজনে দেৱীপূজা খণ্ডাইলা লোকৰ,
কোনে নুপূজয় দুৰ্গা ৰাজ্যত আমাৰ।

সত্বৰে কহিয়ো ময় সাধো প্ৰতিকাৰ।।
শুনি দুয়োজনে পূৰ্ব্বাপৰ কহিলেক।
দামোদৰ নামে জানা আছে পুৰুষেক,
বিশিষ্ট ব্ৰাহ্মণ কুলে উতপতি ভৈলা।।
কামৰূপে বৰপেটা গ্ৰামে সত্ৰ ভৈলা।
তেহো একশৰণ লগাইলা লোকক।
শৰত কালৰ পূজা লোকে এৰিলেক।।
আন দেৱতাৰ নাম নুশুনয় কাণে।
ভাগৱত ধৰ্ম্ম প্ৰবৰ্ত্তাইলা থানে থানে।। **(গুৰুলীলা)**

**ৰজাই ধোপধৰাক আদেশ দিলে দামোদৰক ধৰি আনিবলৈ স্বৰ্ত সাপেক্ষে**

**চলা ধোপধৰা দামোদৰ পাশক।**
কি কাৰণে নুপূজয় জগত মাৰক।।
যদি দেবী পূজে থাকোক সেহিস্থান।
নুহি তেবে মোৰথানে শীঘ্ৰ কৰি আন।। **(গুৰুলীলা)**

**দূতে গুৰুজনাৰ ওচৰলৈ গৈ সম্মান প্ৰদৰ্শন কৰি ক'লে :—**

**দুৰ্জ্জনে ৰাজাৰ আগে লাগাইলেক খল।**
**দেবীপূজা এৰাইলা লোকৰ সকল।।**
**গঙ্গাক নামানে পিতৃশ্ৰাদ্ধ এৰাইলেক।**
**শুনি নৃপতিৰ ক্ৰোধ ভৈল অতিৰেক।।**
**আমাক আদেশ কৰিলন্ত নৰেশ্বৰ।**
**দামোদৰ গুৰু পাশে চলিয়ো সত্বৰ।।**
**মোৰ আজ্ঞা কহিবি তাহাৰ আগে যাই।**
**বলি কাটি দুৰ্গাক পূজক সেহি ঠাই।।**
**যদি বলি নাকাটে আনিবি ইঠাইক।**
**এহি প্ৰয়োজনে আইলো তযু চৰণক।।**
**যদি দেবী পূজিবে পাৰিবে তুমি মনে।**
**নাপাৰিলে যাইতে লাগয় ৰাজস্থানে।।**

**দূতৰ কথা শুনি গুৰুৱে স্পষ্ট উত্তৰ দিলে :**

**শুনিয়োক ৰাজদূত আমাৰ বচন।**
**তিনিও লোকৰ যিটো লক্ষ্মী নাৰায়ণ।।**
**তাৰপৰ আন কোন পাৰো পূজিবাক।**
**বলিৰ লগত যদি কাটয় আমাক।।**

মোৰ গল ওপৰ বলিৰ গল তল।
কাটা যদি আছে তোহোৰ গায়ে বল।।
ৰাজাৰ পাশক যাইবু নকৰিব পূজা।
হৰিবিনে আছয় মোৰ কোন দশভূজা।।

গুৰুৰ কথা শুনি ভকতসকলৰ চিন্তা হ'ল, মনত আশংকা হ'ল, ৰজাইবা কি দণ্ড দিয়ে। হৰিজোঁৱাইৰ মৃত্যুদণ্ডৰ কথা তেওঁলোকে শুনিছে, সেয়ে কোনো কোনোৱে ক'লে : "আমি বলি কাটিয়া তোমাৰ নাম কৰো। তথাপি নাযাবা নাথ চৰণত ধৰো।।" গুৰুজনে বিষ্ণু বিষ্ণু স্মৰি সেইবোৰ বেদ বাহ্য কাম কৰিবলৈ হাক দিলে। অন্তৰত তেওঁৰ অনুভৱ হ'ল তেওঁক যেন অন্তৰ্য্যামীয়ে আদেশ দিছে যে পাটবাউসীৰ পৰা তেওঁৰ পাত উঠিল। সেয়ে সত্ৰখন ভালকৈ পৰিচালনা কৰিবলৈ সকলোকে পৰামৰ্শ দিলে আৰু ক'লে :

"মোক লাগি তোমাসবে চিন্তা এৰিয়োক।
সবাৰো কল্যাণ জগদীশ্বৰে কৰোক।।" (গুৰুলীলা)

ৰাজাদেশ অনুসৰি গুৰুজনে যাঠিজন কেবলীয়া ভকতৰ সৈতে গৈ ৰাজধানী বিজয় নগৰত উপস্থিত হ'ল। গোচৰীয়া কামেশ্বৰৰ ঘৰতে তেওঁক ৰখাৰ ব্যৱস্থা হ'ল। কামেশ্বৰে কপট ভক্তি দেখুৱাই তেওঁৰ থকা-মেলাৰ আৰু খোৱা-লোৱাৰ সকলো ব্যৱস্থা কৰিলে। ভোজনৰ শেষত.সকলো ভকতে চুৱাপাতবোৰ পেলাব খোজোতে সন্ন্যাসীয়ে বাধা দি ক'লে যে ভকতসকলে সেই কাম কৰিব নালাগে। তেওঁ নিজেই সেইবোৰ আঁতৰাব। ভকতসকল শোৱাপাটীত পৰিল। তেতিয়া সন্ন্যাসীয়ে ভাতখোৱা ঘৰটোত গৰু-ছাগলী সোমাই দিলে। গৰু-ছাগলীয়ে চুৱাপাত খাই খচি কেনেকি পেলালে। কামেশ্বৰে গৈ ৰজাক লগালে যে বিপ্ৰদামোদৰ অতি অনাচাৰী। তেওঁ ভোজন কৰি চুৱাপাতো নেপেলায়। অভিযোগ পাই ৰজাই কটোৱাল পঠালে। কটোৱালে সেইবোৰ দেখি আহি ক'লে যে সন্ন্যাসীৰ অভিযোগ সত্য। ৰজাই খণ্ডৰ ভমকত দামোদৰদেৱৰ ওপৰত শাস্তি বিধান কৰিবলৈ স্থিৰ কৰিলে। কিন্তু ৰজাৰ পাত্ৰ-মন্ত্ৰীসকলে ৰজাক পৰামৰ্শ দিলে যে বিচাৰৰ দ্বাৰাহে সঁচা-মিছা নিৰ্দ্ধাৰণ কৰাটো ৰজাৰ কৰ্তব্য।

ৰাজবিষয়াসকলে টুটকীয়া কামেশ্বৰগিৰি সন্ন্যাসীৰ স্বভাৱ-চৰিত্ৰৰ সম্বন্ধে অৱগত আছিল, যদিও সি তোষামোদৰ দ্বাৰা ৰজাৰ প্ৰিয়পাত্ৰ হৈছিল। তেওঁলোকে আহি দামোদৰ গুৰুক মিছা গোচৰৰ সকলো বৃত্তান্ত জনালে আৰু ৰজাৰ আজ্ঞা লৈ আহি তেওঁক সন্ন্যাসীৰ ঘৰৰপৰা বেদুৱা নামে এক পশ্চিমীয়া বিপ্ৰসন্তৰ ঘৰত ৰাখিলে। গুৰুজনে যাবৰ সময়ত সন্ন্যাসীক আদৰ সম্ভাষণ জনাই গ'ল।

বেদুৱা আছিল চৈতন্য-পন্থৰ ভকত। তেওঁৰ ঘৰত সদায় খোল-তালেৰে

সংকীৰ্ত্তন হৈছিল। এদিন এযোৰা ভাল খোল-কীৰ্ত্তনীয়া আহি গুৰুজনাৰ মন তুষ্ট কৰিবলৈ কীৰ্ত্তন আৰম্ভ কৰিলে। দুটা মৃদংগ আৰু আঠ-দহযোৰ কৰতাল বজাই তেওঁলোকে নৃত্য-গীত আৰম্ভ কৰিলে। খোল-কীৰ্ত্তনৰ ধ্বনিত গীতৰ কথা একো বুজিব নোৱাৰা হ'ল। কীৰ্ত্তনৰ ভমক দেখি গুৰুজনাৰ মুখ আচন্দ্ৰাই কৰিব ধৰিলে। গাত জ্বৰ উঠিল। তেওঁ উঠি গৈ ভকতসকলক গা সেকিবলৈ ক'লে। এনেদৰে পৰিচৰ্য্যা কৰাত কিছুসময় পাছত তেওঁ সুস্থ অনুভৱ কৰি ভকতসকলক ক'লে :-

শুনা ভক্তজন কথা শ্ৰৱণত
আছো আমি একমনে।
হৰি মন্দিৰত কীৰ্ত্তন পাতিলা
খোল কীৰ্ত্তনীয়া গণে।।
সিয়ো একবিধ ভকতি কৃষ্ণৰ
তথাপি জানা নিশ্চয়।
কথা শ্ৰৱণৰ প্ৰতিকূল হোৱে
কথাক যেন ভাঙ্গয়।।
খোল কীৰ্ত্তনৰ শবদে আমাৰ
গাৱত উঠিলা জ্বৰ।
গাৱৰ বিষং ভৈলা প্ৰতিহত
আসিলো উঠি সত্বৰ।। (গুৰুলীলা)

নাম-প্ৰসঙ্গত অভ্যস্ত গুৰুজনাৰ খোল-কীৰ্ত্তন শুনি জ্বৰ উঠিছিল। সেয়ে প্ৰমাণ কৰে যে কামৰূপীয় বৈষ্ণৱ গুৰুৰ ওপৰত বাহিৰৰ কোনো প্ৰভাৱ পৰা নাছিল, বিশেষকৈ চৈতন্য পন্থৰ।

### গুৰুৰ বিচাৰ

গুৰুজন বিজয়নগৰত কিছুদিন থকাৰ পিছত পৰীক্ষিত ৰজাই তেওঁৰ লগত তৰ্ক কৰিবলৈ বহু ঠাইৰ পৰা বহু বিজ্ঞ পণ্ডিত গোটাই আনি এদিন দামোদৰদেৱৰ লগত তৰ্কত লগালে। বাগীশ ভট্টাচাৰ্য্য নামৰ পণ্ডিতএজনে তেওঁক প্রশ্ন কৰিলে :

দুৰ্গাৰ পূজন জাহ্নবীত স্নান
নকৰে কোন দোষত।।
যাগ-যজ্ঞ ব্ৰত এৰিল সমস্ত
লক্ষ্মী পূজা নকৰয়।
আন শিক্ষা ধৰি লোকেয়ো আচৰি
কৰ্ম্মত ভ্ৰষ্ট হোৱয়।।
বেদৰ বিহিত ধৰ্ম্ম-কৰ্ম্ম যত
দ্বাদশ যেন নিয়ম।
পিতৃ-মাতৃ শ্ৰাদ্ধ গায়ত্ৰী সন্ধ্যাকে
আন যত নিত্য কাম।।
দ্বিজৰ আচাৰ কৰি পৰিহাৰ
বৌদ্ধমত প্ৰবেশিলা।
তযু উপদেশে প্ৰজাক নিঃশেষে
কৰ্ম্মত বিমুখ ভৈলা। (গুৰুলীলা)

ভট্টাচাৰ্য্যৰ উত্তৰত দামোদৰদেৱে গুৰুগম্ভীৰ স্বৰে ক'লে :

শুনা বিজ্ঞজন তোৰা বিচক্ষণ
পণ্ডিত দিগ্‌বিজয়।
মহাৰাজে সুধে কহিবাক লাগে
আমাৰ যেন নিশ্চয়।।
তীৰ্থক সেৱন দেৱী উপাসন
ধৰ্ম্ম-কৰ্ম্ম যোগাযোগ।
ৰামকৃষ্ণ নামে সকলো সিজয়
নলাগে একো উদ্যোগ।।
তহিতে বহন্ত গঙ্গা যমুনাও
গোদাৱৰী সৰস্বতী।
আন তীৰ্থ যত আছে পৃথিৱীত
স্নানি পাৱে সদ্‌গতি।।
অচ্যুতৰ যত উদাৰ চৰিত্ৰ
প্ৰসঙ্গ কৰে সতত।

তীৰ্থৰ সমান হোৱে সেহি স্থান
গীতা ভাগৱত মত।।
এতেকেসে ৰাম কৃষ্ণ নাম বিনে
নাজানোহো আমি আন।
কৃষ্ণৰ নামৰ ধৰ্ম্ম কৰ্ম্ম যত
সবাৰো আশ্ৰয় স্থান।।
সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰে পূজা সম্প্ৰতি।
কলিত কৃষ্ণৰ নাম ব্যতিৰেকে
নাই নাই আন গতি।।
সন্ত সঙ্গ লৈয়া যবে হৰিপদে
আশ্ৰয় নকৰে নৰ।
এবে ব্ৰহ্মাণ্ডত আয়াযাত কৰি
ফুৰিবেক নিৰন্তৰ।।
পঞ্চভূত দেহা যাবত থাকয়
তাৱত নাম নেৰিবো।
ই দেহ পৰিলে সেহি যোনি যাওঁ
জন্মে জন্মে নাম লৈবোঁ। (গুৰুলীলা)

গুৰুজনাৰ মতৰ দৃঢ়তা আৰু শাস্ত্ৰজ্ঞান আৰু যুক্তিৰ গভীৰতাত সভাকক্ষ নিমাত হ'ল, বৰ বৰ পণ্ডিতসকল নিৰুত্তৰ হ'ল। কেৱল বৈষয়িক স্বাৰ্থ আগত ৰাখি দাঙি ধৰা যুক্তি আৰু প্ৰকৃত শাস্ত্ৰৰ বিধান ইয়াৰ পাৰ্থক্য বুজিবলৈ কাৰো বাকী নাথাকিল। ৰজাই পণ্ডিতসকলক দামোদৰে কোৱা কথাবোৰৰ বিষয়ে তেওঁলোকৰ মতামত সুধিলে। অৱশেষত যদুমণি চক্ৰবৰ্ত্তী নামৰ পণ্ডিতে নিৰ্ভয়চিত্তে ক'লে যে দামোদৰেদেৱে যি কৈছে সেয়া সত্য আৰু শাস্ত্ৰসন্মত। "ঋকবেদত কোৱা হৈছে যে "একং সদ, বিপ্ৰাঃ বহুধা বদন্তি।" উপনিষদত এক ব্ৰহ্মৰ স্বৰূপ নিৰ্দ্ধাৰিত হৈছে। পূজা-পাতল সেইবোৰ পৌৰাণিক যুগৰ আৰ্য্য-অনাৰ্য্যৰ মিশ্ৰসংস্কৃতি আৰু আগম তন্ত্ৰৰ অন্তৰ্ভুক্ত।

গোবিন্দৰ ফল পৰম নিৰ্ম্মল
আনন্দিত সুশোভন।।
তাহাক শ্ৰৱণ কীৰ্ত্তন স্মৰণ
কৰয় যিটো সতত।

নুহিবে কৃতাৰ্থ হেনয় সংশয়
নাহি নাহি স্বৰূপত।। (গুৰুলীলা)

তৰ্কত দামোদৰদেৱ জয়ী হ'ল। পণ্ডিত ব্ৰাহ্মণ সমাজে পৰাজয় গ্লানি শিৰত লৈ অধোমুখ হৈ ৰাজসভা ত্যাগ কৰিবলৈ বাধ্য হ'ল। তাৰ পিছত ঃ

ৰাজায়ে বোলন্ত যিটো ভক্ত হোন্ত
সমস্তৰে এক কথা।
ভকতৰ মত ভকতে ৰাখন্ত
নকৰন্ত যে অন্যথা।
এতেক বুলিয়া ক্ষণেক থাকিয়া
উঠি নৃপ পৰীক্ষিত।
সভা বিসৰ্জ্জিয়া অন্তেষপুৰত
প্ৰবেশ ভৈলা ত্বৰিত। (গুৰুলীলা)

যিসকল লোক ভক্তিবিহীন আৰু যাৰ ধৰ্ম আছিল কেৱল ব্যৱসায়ৰ আহিলা, তেওঁলোকে দামোদৰদেৱক ৰজাই এশিকনি দিবলৈ লোৱা প্ৰচেষ্টাত ব্যৰ্থকাম হৈ নতুন ফন্দি উলিয়াবলৈ যত্নপৰ হৈ থাকিল। এদিন ৰজা মৃগয়াৰপৰা উভতি আহোতে বাটত দেখিবলৈ পালে যে, দামোদৰ গুৰু থকা স্থানত নাম-প্ৰসঙ্গত অলেখ লোকে ভাগ লৈছে। আনকি অন্তেষপুৰৰ ৰাণীসকলেও নানাবিধৰ উপঢৌকন লৈ গুৰুজনাক সেৱা কৰিবলৈ আহিছে। ৰজাই এই দৃশ্য দেখি চিন্তিত হ'ল। তেওঁ দামোদৰৰ প্ৰভাৱ দেখি ভয় খালে। বৈষ্ণৱদ্ৰোহী শিৱবৰ আৰু কামেশ্বৰগিৰি ৰজাৰ লগতে আছিল। সিহঁতে সুযোগ গ্ৰহণ কৰাত অকণো পলম নকৰিলে। তেওঁলোকে ক'লে,

"আমাৰ বচন শুনিয়োক নৰেশ্বৰ।
কৰিলেক বৈশ্য সবে তোমাৰ নগৰ।।
কাটি-মাৰি বৈশ্য যাক কৰণ নাবায়।
হেন সব দামোদৰ আগে মোহ যায়।।
তোমাৰ সেৱক যত ৰুদ্ৰা আছয়।
মুখে মাত্ৰ অনুবৰ্ত্তি তাৰ কথা কয়।।
কায়-বাক্য-মনে চিন্তে দামোদৰ পদ।
তোমাৰ সেৱাক মনে মানয় আপদ।।
তযু ৰাজ্য নগৰত আছে যত প্ৰজা।
চতুৰ্থ ভাগৰ ভাগ কৰায়ন্ত ৰজা।।
তিনি ভাগ লোক দামোদৰে বৈশ্য কৈলা।

হৰি সংকীৰ্ত্তনে লোক বশবৰ্ত্তী ভৈলা।।
কিনো তেজৱন্ত বিপ্ৰ চোৱা গুণি মনে।
অৰ্থাদিৰ বিশ্বাস এৰিলা সৰ্ব্বজনে।।
যি কিছু নবীন দ্ৰব্য হোৱে উৎপন্ন।
তাহাকেহে আগে আনি কৰাৱে ভোজন।।
এহে যদি তযু ৰাজ্যে থাকে কিছুদিন।
আপুনিও হৈবা ৰাজা তাহাৰ অধীন।।
তোমাৰ সন্নিকটে এতেক অত্যাচাৰ।
জাতি যে অজাতি সবে ভৈলা একাকাৰ।।
আনৰ নাৰীয়ে আন পুৰুষ সহিত।
হিন্দোলা হিন্দোলি ফুৰে দেখি অবিদিত।।
অন্তেৰপুৰৰ নাৰী আসিয়া আছয়।
নেত্ৰক বলায়া চাহিয়োক মহাশয়।।
অধিক তোমাৰ আগে কি কহিবো আৰ।
মনে বিমাৰিবি ৰাজা কৰিয়ো বিচাৰ।।
কিন্তু দামোদৰক ঐত নিদিবাহা ঠাই।
অনৰ্থ কৰিবে কৈলো গণিপিটি চাই।। (গুৰুলীলা)

## নিৰ্বাসন

এই কথা শুনি ৰজা পৰীক্ষিত সম্পূৰ্ণভাৱে পতিয় ন গ'ল। তেওঁ মনতে ভাবিলে যে দামোদৰে প্ৰজাৰ হতুৱাই ৰাজদ্ৰোহ ঘটাব পাৰে। সেয়ে ৰাজসভাত ঘোষণা কৰিলে,

"দামোদৰ বৈষ্ণৱ আমাৰ নগৰত।
থাকিবাক নালাগয় কহঁ স্বৰূপত।।
এতিক্ষণে গুচি যাক মোৰ নগৰৰ।
সোণকোষ পাৰ কৰি থৈয়োক সত্বৰ।। (গুৰুলীলা)

যেনে আদেশ তেনে কাম। ৰাজদূতে গৈ দামোদৰদেৱক ৰাজাদেশ শুনালে, তেৰাৰ শিষ্যসকল বিমৰ্ষিত হ'ল, ক্ৰুদ্ধ হ'ল, কিন্তু প্ৰতিকাৰৰ কোনো উপায় বিচাৰি নাপালে। এনেকুৱা এজন সাধু মহন্ত যিয়ে সকলোৰে প্ৰতি বৰিষণ কৰিছিল স্নেহৰ অমিয়া ধাৰা, যিয়ে এটি শুদ্ধ আদৰ্শৰ মাধ্যমেৰে বিশৃংখল সমাজত এটি সু-শৃংখল অৱস্থাৰ সৃষ্টি কৰি মানুহৰ অন্তৰত প্ৰেম, প্ৰীতি, দয়াভাৱৰ আধাৰ সৃষ্টি কাৰ্য্য আৰম্ভ কৰিছিল, তেওঁক এনেদৰে নিৰ্বাসন দিয়াত তেওঁলোকে মৰ্মান্তিক আঘাত পালে। গুৰুজনে সকলোকে সান্ত্বনা দি নিৰ্বিকাৰ মনে, ভক্তসমে বেহাৰলৈ যাত্ৰাৰ আয়োজন কৰিলে। ৰাওনা হোৱাৰ আগে আগে ভকতসকলক শেষ বাণী শুনালে ঃ

"অন্যদেৱ নভজিবা ভক্তদ্ৰোহ নকৰিবা
কৰিবাহা শ্ৰৱণ কীৰ্ত্তন।
অৰ্থপুত্ৰ বিষয়ত বিশ্বাস কৰিছা যত
সেহিখানি বিশ্বাস সন্তত।
কৰিবাক পাৰা যেবে এহি জন্মে জানা তেবে
ভব ভয় তৰিবা সমস্ত।।" (গুৰুলীলা)

দামোদৰদেৱে বিজয়নগৰৰপৰা গৈ প্ৰথম দিনা ৰাতি কচুবাৰী নামে গাঁৱত কটালে। দ্বিতীয় দিনাও গৈ কোচবিহাৰৰ সীমা পোৱা নাছিল। তৃতীয়দিনা বেলাভাটী গৈ সোণকোষ নদী পায়; এয়ে আছিল সেই সময়ত কোচবিহাৰ আৰু কামৰূপ ৰাজ্যৰ সীমা। গুৰুৱে নৈ পাৰ হৈ এচলু নৈৰ পানী মূৰত লৈ তেওঁৰ চেনেহৰ কামৰূপ ৰাজ্যৰ পৰা মেলানি মাগিলে :

নৌকাৰ নামিয়া একচোল জল
হাতত তুলি লৈলন্ত।
আজি হন্তে কাম ৰূপ এৰা গৈলা
বুলিয়া মাথে লৈলন্ত।।

ভট্টদেৱে ভকতৰ মুখে তেওঁৰ গুৰুক পৰীক্ষিত ৰজাই নিৰ্বাসন দিয়া আৰু তেওঁ সদলবলে কোচবিহাৰলৈ যাত্ৰা কৰাৰ বাতৰি পাইছিল। তেওঁ ততাতৈয়াকে গুৰুক লগ কৰিবলৈ ৰাওনা হ'ল। সোণকোষ নদীৰ পাৰত দুজনৰ দেখাদেখি হ'ল। ভট্টদেৱে গুৰুৰ আজ্ঞামতে কৰা ভাগৱতৰ প্ৰথম স্কন্ধৰ বিস্তৃত কথা-ভাঙনি তেৰাৰ হাতত অৰ্পণ কৰিলে। গুৰুৱে চকুফুৰাই চাই কেৱল মূল ৰক্ষা কৰি সংক্ষেপ কৰিবলৈ পৰামৰ্শ দিলে। তেওঁ ভট্টদেৱক বৰনগৰ এৰি পাটবাউসীত নিগাজীভাবে থাকিবলৈ আদেশ দিলে।

যি সময়ত (অৰ্থাৎ ১৫১৬ শকত) দামোদৰদেৱ কোচবিহাৰলৈ যায় সেই সময়ত মধুপুৰত মাধৱদেৱ আৰু ভেলাপুৰত শঙ্কৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰে ধৰ্মপ্ৰচাৰ কৰি আছিল। কোচবিহাৰৰ ৰজা লক্ষ্মীনাৰায়ণে সেয়ে ভকতসকলৰপৰা কামৰূপ ৰাজ্যৰ সকলো বা-বাতৰি অহৰ্নিশে পাই আছিল। কামৰূপৰ ৰজা পৰীক্ষিতৰ লগত তেওঁৰ সম্পৰ্ক মধুৰ নাছিল। লক্ষ্মীনাৰায়ণে পৰীক্ষিতৰ দ্বাৰা দামোদৰদেৱক তেওঁৰ ৰাজ্যলৈ নিৰ্বাসিত কৰা কথা গম পাই আৰু তেওঁ কোচবিহাৰত সোমোৱা বুলি শুনি ৰাজবিষয়া পঠিয়াই অতি আদৰ-সম্ভাষণ জনাই ৰাজধানীলৈ নিয়ালে আৰু যথাবিহিত অভ্যৰ্থনা জনালে। ৰমানন্দ নামৰ এজন লোকৰ ঘৰত তেওঁৰ আশ্ৰয়ৰ ব্যৱস্থা কৰা হ'ল। গুৰুজনাৰ ব্যক্তিত্বত ৰজা, ৰাজবিষয়া সকলো মুগ্ধ হ'ল।

"মহা তেজৱন্ত বৃদ্ধশৰীৰ অত্যন্ত,
ভক্তি যেন মূৰ্ত্তি কৰি প্ৰকাশ কৰন্ত
শুদ্ধ মন ৰাতুল চৰণ মৌনভাৱ,
আচম্বিতে নৃপতিৰ শিহৰিলা গাব।।" (গুৰুলীলা)

ৰজাই জাৱৰ কায়স্থক গুৰুজনাৰ কাৰণে আহল বহলকৈ এখন সত্ৰ নিৰ্মাণ কৰিবলৈ আদেশ দিলে। ভিতৰুৱা ধাপ নামৰ ঠাইত সত্ৰখন প্ৰতিষ্ঠা হ'ল ঃ

চতুস্পাশে গড় নিৰ্ম্মিলেক ভাল কৰি
গড়ৰ ভিতৰে ভৈলা বৈকুণ্ঠ নগৰী।।
পাটদ্বাৰ উপৰে উচ্ছত ৰম্য ঘৰ।
তাহাৰ ভিতৰে চাৰি হাটী মনোহৰ।।
হাটীৰ মধ্যত হৰিমন্দিৰ বান্ধিলা।
চটীক লগায়া বেৰে জিঞ্জিৰি কাটিলা।।
দামোদৰদেৱক লাগিয়া দিব্য ঘৰ।
সাজিলেক ৰম্য কৰি অত্যন্ত সুন্দৰ।।
সেহিস্থানে পাটকী দিলেক বিতোপন।
উপমাৰ ঠাই যেন বৈকুণ্ঠ ভৱন।।
মাৰোবালি পদুলি বান্ধিলা স্থানে স্থান।
বৈকুণ্ঠ সদৃশ সত্ৰ কৰিলা নিৰ্মাণ।। (গুৰুলীলা)

### ৰজাৰ শৰণ

এয়েই প্ৰখ্যাত বৈকুণ্ঠপুৰ সত্ৰ। সত্ৰত নাম-প্ৰসঙ্গৰ ৰোল উঠিল। কোচবিহাৰৰ বহলোকে আহি দামোদৰদেৱৰ চৰণত শৰণ ল'লে আৰু ভক্তিধৰ্মৰ বান্ধোনত বান্ধ খালে আৰু অৱশেষত সপৰিয়ালে ৰজা লক্ষ্মীনাৰায়ণে সেই মহামেলাৰ অংশীদাৰ হ'ল ঃ

লক্ষ্মীনাৰায়ণ পুত্ৰ পত্নী যত যত।
লৈলেক শৰণ দামোদৰ চৰণত।।

বেহাৰত গুৰুজনা সাতবছৰ কাল আছিল। সেই সময়ত তেৰাৰ ওচৰত ৰজাই শৰণ লোৱাৰ বাতৰিয়ে প্ৰজাসকলক ভাগৱতী নাম-ধৰ্মৰ প্ৰতি বৰকৈ আকৃষ্ট কৰে। কিন্তু এনেতে গুৰুৰ সন্মুখত এটি প্ৰত্যাহ্বান আহি পৰিল। ৰজাই ভক্তিধৰ্ম গ্ৰহণ কৰিলেও ৰাজকীয় লাস-বিলাসৰ পয়োভৰ আৰু বিশেষকৈ প্ৰজাসকলৰ সন্মুখত ৰাজকীয় মান-মৰ্য্যাদা আৰু বল-বিক্ৰম আদি প্ৰদৰ্শন কৰাৰ পৰা বিৰত হ'ব পৰা

নাছিল। কিয়নো ৰজাৰ মুখ্য ধৰ্ম আছিল ৰাজ্যৰক্ষা আৰু ৰাজ্যশাসন। তেওঁ শৰৎ কালত ধুমধামকৈ দুৰ্গাপূজাৰ আয়োজন কৰি, প্ৰতিমাৰ সম্মুখত বলি দিবলৈ বহু সংখ্যক ম'হ, ছাগলী আৰু আন জীৱ-জন্তু গোটালে। এই বাতৰি গুৰুৰ কাণত পৰিল। তেওঁ বিচলিত হ'ল। তেওঁ ভালকৈ বুজি পালে যে, কি কাৰণে শংকৰদেৱে ৰজাক শৰণ দিবলৈ অস্বীকাৰ কৰিছিল। তেওঁৰ মনত পৰিল এই দুৰ্গাপূজাৰ কাৰণেই চিলাৰায়ৰ নাতি পৰীক্ষিত ৰজাই তেওঁক তেওঁৰ ৰম্যভূমি কামৰূপৰ পৰা নিৰ্বাসন দিছিল। তেওঁৰ মনত পৰিল সেই সময়ৰ তেওঁৰ নিজৰ বাণী।

"ৰজাৰ পাশক যাইবু নকৰিবো পূজা,
হৰিবিনে আছয় মোৰ কোন দশভুজা।।"

পৰীক্ষিত ৰজা তেৰাৰ শিষ্য নাছিল, কিন্তু লক্ষ্মীনাৰায়ণ তেওঁৰ নতুন শিষ্য, তেওঁ বিমোৰত পৰিল। ৰজালৈ নিষেধ বাণী পঠালে। ৰজাই বলি নিদিলে, কিন্তু মহাসমাৰোহেৰে পূজা সমাপন কৰিলে আৰু তেওঁৰ ৰাজ্যৰ সকলো বৈষ্ণৱভকতে সেই পূজাৰ অংশ গ্ৰহণ কৰি ৰজাৰ মনোৰঞ্জন সাধন কৰিলে। এনেদৰে গুৰুৰ আজীৱন সাধনাৰ অৰ্থাৎ একশৰণ ধৰ্মৰ লগত আন দেৱ-দেৱীৰ পূজা সানমিহলি হৈ এক নতুন ধাৰাঁ প্ৰবৰ্তিত হ'ল বুলি ধাৰণা কৰিব পাৰি। ইয়াৰ কিছুকাল পিছত কোচ-বিহাৰৰ ৰাজপৰিয়াল পুনঃ শাক্ত-ধৰ্মমতলৈ উভতি গ'ল।

মহাপুৰুষ শংকৰদেৱে কোচৰজা মহাৰাজ নৰনাৰায়ণক শৰণ দিবলৈ ৰাজী হোৱা নাছিল। অৱশেষত ৰজাৰ অনুৰোধ এৰাব নোৱাৰি তেওঁ ইচ্ছা মৃত্যু বৰণ কৰিছিল। এই কথা বিশ্লেষণ কৰিলে আমি কি সিদ্ধান্তত উপনীত হ'ব পাৰোঁ? যজমানী ব্ৰাহ্মণৰ লগনীয়া কথাত শংকৰদেৱৰ আহোম আৰু কোচৰজাৰ বিচাৰালয়ত দুবাৰ বিচাৰ হৈছিল। তেওঁৰ অতি মৰমৰ হৰিজোঁৱাইক আহোম ৰজাই বিনাদোষে শিৰচ্ছেদ কৰিছিল। মাধৱদেৱৰো কামৰূপৰ আৰু বেহাৰৰ কোচৰজাই দুবাৰ বিচাৰ কৰিছিল। দামোদৰদেৱক কোচৰজাই কেৱল বিচাৰ কৰাই নহয়, তেওঁৰ গৃহভূমি কামৰূপৰ পৰা নিৰ্বাসন দিছিল। সেয়ে ভক্তিপন্থীসকলে সামন্তবাদী ৰজাৰ মোহজালত সোমোৱাতো বিপজ্জনক বুলি শংকৰদেৱে বিবেচনা কৰাটোৱে স্বাভাৱিক আছিল বুলি প্ৰমাণিত হ'ল। ভক্তিবাদী আন্দোলন আছিল প্ৰগতিবাদী আৰু গণতান্ত্ৰিক আৰু ই জাতিভেদৰ পূৰ্ণ-বিৰোধ নকৰিলেও ভক্তিৰ ক্ষেত্ৰত সকলোৰে সমমৰ্য্যাদা স্বীকাৰ কৰিছিল। ৰামানুজাচাৰ্য্যৰপৰা আৰম্ভ কৰি এই পন্থৰ প্ৰায় সকলো গুৰুকে সেয়ে ৰজাঘৰে আৰু পুৰোহিত শ্ৰেণীয়ে যিমান দূৰ সম্ভৱ অৱদমিত কৰিবলৈ প্ৰচেষ্টা চলাইছিল। পূজা-পাতল, তন্ত্ৰ-মন্ত্ৰ, ক্ৰিয়া-কাণ্ডৰ নতুন নতুন বিধান সৃষ্টি হৈছিল, শ্ৰুতিৰ নামত জ্ঞানচক্ষুহীন সাধাৰণ জনসাধাৰণক প্ৰলোভিত কৰি ৰাখিবলৈ যাতে সামন্তবাদীইঁতৰ শাসনৰ ৰাজ্য নিৰ্বিবাদে চলি

থাকে। পুৰোহিতসকলৰ স্বাৰ্থ আছিল ৰজাসকলৰ তোষামোদ কৰি নিজস্বাৰ্থ অক্ষুণ্ণ ৰখা।

দামোদৰদেৱে লক্ষ্মী নাৰায়ণক শৰণ দিয়াৰ আদৰ্শৰ ভিত্তিতেই হয়তো উজনিৰ চাৰিসত্ৰ আহোম ৰজাৰ প্ৰলোভনত ভোল গ'ল। স্বৰ্গদেউ গদাপাণি আৰু জয়ধ্বজ সিংহই সত্ৰবিলাকৰ ওপৰত অমানুষিক অত্যাচাৰ চলালে। বহু মহন্তৰ প্ৰাণ, ধন-সম্পত্তি সকলো গ'ল। কিন্তু তথাপি নিপীড়িত জনসাধাৰণে ভক্তিবাদৰ আধ্যাত্মিক ভাবধাৰা, মানবীয় মৰ্য্যাদাবোধ আৰু শ্ৰেণীহীন সমাজ এখনৰ কল্পনা কৰিব পৰা অৱস্থা পাইছিল। সেয়ে ৰাজপুৰোহিতৰ মন্ত্ৰণাক্ৰমে জয়ধ্বজ ৰজাই তেওঁ নিজে হত্যা কৰা কুৰুৱাবাহীৰ অধিকাৰ মিশ্ৰদেৱৰ সত্ৰৰে নিৰঞ্জন বাপুত শৰণ ল'লে আৰু বহুতো মাটি-বৃত্তি আৰু পাইক ভকত দি আউনীআটি সত্ৰ প্ৰতিষ্ঠা কৰালে। কোচবিহাৰৰ পৰা মাতি আনি বনমালীদেৱৰ হতুৱাই দক্ষিণপাট সত্ৰ পাতি দিলে। মিশ্ৰদেৱৰ পুত্ৰ ৰামকৃষ্ণক নানা দান-দক্ষিণা দি কুৰুৱাবাহী ৰমকজমক কৰিলে। কুৰুৱাবাহীৰ পৰা লক্ষ্মীনাৰায়ণক নি গড়মূৰ সত্ৰ প্ৰতিষ্ঠা কৰা হ'ল। ৰাজসভাত সত্ৰীয়াসকলৰ স্থান নিৰ্ধাৰিত হ'ল। যি সেইখন সত্ৰ আঢ্যৱন্ত তেওঁলোকক সভাত বহাৰ আসনৰ প্ৰথম স্থান দিয়া হ'ল। সত্ৰসমূহৰ পৰিচালনাত, সত্ৰীয়া আদিৰ নিৰ্বাচনত চকু ৰাখিবলৈ বিশেষ ৰাজবিষয়া নিযুক্ত হ'ল। ব্ৰাহ্মণ আৰু অব্ৰাহ্মণৰ সত্ৰীয়াৰ মাজত বিভেদ সৃষ্টি কৰা হ'ল। অব্ৰাহ্মণ অধিকাৰসকলক শূদ্ৰমেধি আখ্যা দিয়া হ'ল।

কিন্তু ইমানবোৰ ব্যৱস্থা লোৱা সত্বেও ভক্তি-আন্দোলনৰ প্ৰাবল্য কমি নগ'ল। সত্ৰসমূহৰ সংস্কাৰবাদী অভিযান অব্যাহত থাকিল আৰু জনসাধাৰণৰ ৰজাঘৰীয়া আকৰ্ষণতকৈ সত্ৰৰ লগত বেছি আত্মিক সম্বন্ধ স্থাপিত হ'ল। ৰাজদণ্ডৰ প্ৰতি এই অৱজ্ঞা এক প্ৰত্যাহ্বান স্বৰূপ বুলি ভাবিয়েই স্বৰ্গদেউ ৰুদ্ৰসিংহই এক অভিনৱ ব্যৱস্থা ল'লে। নবদ্বীপৰ পৰা এক শাক্ত ব্ৰাহ্মণ কৃষ্ণৰাম ন্যায়-বাগীশক নিমন্ত্ৰণ কৰি আনি ৰাজপুৰোহিত পদত অধিস্থিত কৰিলে। প্ৰাচীনকলীয়া অসমীয়া ব্ৰাহ্মণৰ ওপৰত তেওঁক কৰ্তৃত্ব দিয়া হ'ল। তেওঁৰ বাবে ৰাজহাউলীৰ ভিতৰত বাসস্থান স্থিৰ কৰিলে। স্বৰ্গদেউ শিৱসিংহৰ দিনত সেই পুৰোহিতে পৰ্বতীয়া গোঁসাই নাম লৈ স্মৃতি ধৰ্মৰ ৰক্ষণশীল আৰু প্ৰলোভনপূৰ্ণ নানা ব্যৱস্থাৰে ভক্তিধৰ্মৰ পথৰপৰা জনসাধাৰণক ঘিৰাই আনিবলৈ ব্যৱস্থা ল'লে। নটৰ জীয়ৰী ফুলেশ্বৰীৰ লগত চক্ৰান্ত কৰি ৰজাৰ বিয়া পাতিলে। পিছত ৰজাৰ ছত্ৰভংগ যোগ পৰা বুলি স্বয়ং ৰজাকে সিংহাসনৰ পৰা আঁতৰাই ফুলেশ্বৰীক বৰৰজা পাতিলে। ফুলেশ্বৰীৰ হতুৱাই ৰাজাজ্ঞা প্ৰচাৰ কৰি মোৱামৰীয়া মহন্তৰ শিৰত পূজাৰ বলিকটা তেজৰ ফোঁট দিলে। পৰ্বতীয়া গোঁসায়ে প্ৰবৰ্তন কৰা ব্যৱস্থা ৰাজধৰ্ম বুলি ঘোষিত হ'ল। উজনিৰ ৰাজানুগ্ৰহ প্ৰাপ্ত সত্ৰবোৰত অসমৰ বৈষ্ণৱগুৰুসকলে প্ৰবৰ্তন কৰা বিধি-সেই

বিধানৰ পৰিবৰ্তন ঘটাই তান্ত্ৰিক দীক্ষা পদ্ধতি আদিৰ প্ৰচলন কৰা হ'ল আৰু সত্ৰীয়া নৃত্য-গীতৰ পৰিবৰ্তে বঙলুবা কলাকৃষ্টিৰ প্ৰচলনত উদ্‌গনি দিয়া হ'ল। এইবোৰ কাৰণতে সঞ্চিত ক্ষোভৰ বিস্ফোৰণ হ'ল। মোৱামৰীয়া বিদ্ৰোহৰ মাজেদি যিয়ে ছশবছৰীয়া আহোম ৰাজত্বৰ পতনৰ সূচনা কৰিলে।

মহাপুৰুষ দামোদৰদেৱে প্ৰতিষ্ঠা কৰা পাটবাউসী সত্ৰ আৰু ভট্টদেৱে স্থাপিত কৰা ব্যাসকুচি সত্ৰৰ পাঠ-প্ৰসঙ্গৰ আৰু উজনিৰ দামোদৰীয়া পন্থৰ বুলি দাবী কৰা সত্ৰসমূহৰ এই ব্যৱস্থাৰ পাৰ্থক্যৰ হেতু বিচাৰ কৰিবলৈ সেয়ে বেছি দূৰলৈ যাব নালাগে।

আগেয়ে কৈ অহা হৈছে যে শংকৰদেৱৰ বৰনাতি পুৰুষোত্তম ঠাকুৰ দামোদৰদেৱ কোচবেহাৰলৈ অহাৰ আগৰ পৰা তাত আছিল। পুৰুষোত্তমে ভেলাথানত ভাৰ্য্যা আৰু সেৱকসকলৰে সৈতে বাস কৰি আছিল। ঠাকুৰদেৱৰ গুণ-গৰিমাৰ কথা শুনি কোচবিহাৰৰ ৰজাই (লক্ষ্মীনাৰায়ণৰ পুতেক) তেওঁক সমাদৰ কৰাৰ উদ্দেশ্যে ৰাজসভালৈ আহিবলৈ নিমন্ত্ৰণ পঠালে। কিন্তু ঠাকুৰদেৱে ৰজাক ভকতদ্ৰোহী আৰু দুৰ্জন বুলি জানিছিল। সেয়ে দূতৰ আগত তেওঁৰ শৰীৰ অসুস্থ কাৰণে যাবলৈ অপাৰগ বুলি কৈ পঠালে। সঁচাকৈ ঠাকুৰৰ শৰীৰ ভালো নাছিল। সিদিনাই ঠাকুৰে মধুপুৰ থানৰ গোবিন্দ অধিকাৰ আতৈক মতাই আনি দুয়ো ৰহস্য বস্তু আলাপ কৰি তেওঁক বিদায় দি নিশা প্ৰাণ ত্যাগ কৰিলে। তাৰ পিছত ভকতসকলে ঠাকুৰ ভাৰ্য্যাক ক'লে, "আই, আপোনাৰ স্বামীৰ সৈতে ৰজাই সাক্ষাৎ কৰিবলৈ ইমান আগ্ৰহ কৰি মাতি পঠিয়াইছিল, কিন্তু দৈব্যক্ৰমে তেওঁৰ যোৱা নহ'ল। এতেকে আপুনি ৰজালৈ নিৰ্মালি-পুষ্প পঠোৱাটো যুগুত।" এই কথা শুনি আয়ে সেইমতে ৰজালৈ ফুল-নিৰ্মালি পঠিয়াই দিলে। ৰাজসভাৰ বৈষ্ণৱ-বিৰোধী কূট-ব্ৰাহ্মণসকলে ৰজাক ক'লে, "মহাৰাজ শূদ্ৰৰ বিধৱা অতি অপৱিত্ৰ। এনে অপবিত্ৰজনাই আপোনালৈ নিৰ্মালি কেনেকৈ দিয়ে?" এই কথা শুনি ৰজাই ক্ৰোধ কৰি জগৰ ধৰি পঠিয়ালে।

সদ্য বিধৱা নিৰাশ্ৰয়া ঠাকুৰৰ ভাৰ্য্যা ভয়ত অস্থিৰ হ'ল। দামোদৰদেৱ তেতিয়া বৈকুণ্ঠপুৰ সত্ৰত। ঠাকুৰৰ ভাৰ্য্যাই এই বিপদৰ বাতৰি তেওঁক জনালে। তেতিয়া দামোদৰদেৱে গৈ ৰজাক ক'লে, "মহাৰাজ, এই বিধৱা ৰমণী সামান্য লোক নহয়। আপোনাৰ পিতামহ মল্লনাৰায়ণ মহাৰাজে মহাপুৰুষ শঙ্কৰদেৱৰ শক্তিপ্ৰভাৱ আৰু গুণজ্ঞান জানি তেওঁত শৰণ লবলৈ অত্যন্ত ইচ্ছা কৰিছিল। এই ৰমণী সেই শঙ্কৰদেৱৰ নাতি পুৰুষোত্তমৰ পত্নী। এতেকে তেওঁক আপোনাৰ গুৰুপত্নী বুলিব লাগে। এই ধাৰ্মিক গুৰুপত্নী আপোনাৰ ৰাজ্যত আছে; তেওঁ আপোনাৰ মঙ্গলৰ নিমিত্তে ফুল-নিৰ্মালি আপোনালৈ পঠাই দিছিল; আপুনি নিজকে ভাগ্যবান বুলি ভাবি

নিৰ্মালি গ্ৰহণ কৰি তুষ্ট হ'ব লাগে। অজ্ঞানীৰ কথা শুনি ক্ৰোধ কৰিব নালাগে।" এই কথা শুনি ৰজাই সকলো কথা অৱগত হৈ ব্ৰাহ্মণবোৰক ঢকিয়াই ৰাজসভাৰ পৰা খেদি দিবলৈ হুকুম দিলত বামুণবোৰ পলাই পত্ৰং দিলে।

## ভট্টদেৱ উত্তৰাধিকাৰী পদত

পাটবাউসীৰপৰা দুখদায়ক বাতৰি আহিবলৈ ধৰিলে। গুৰুৰ আপোন ভতিজা শ্ৰীকৃষ্ণদেৱে পাটবাউসী সত্ৰত ভট্টদেৱে প্ৰচলন কৰা নিয়ম পদ্ধতি সকলো নিৰ্বিবাদে গ্ৰহণ কৰিবলৈ ৰাজী নহয়। এই কথাৰ কাৰণে দুয়োৰে মতানৈক্য প্ৰকট হ'ল। দামোদৰদেৱ চিন্তিত হ'ল। উভয়কে পৰীক্ষা কৰি চোৱাৰ মনেৰে পাটবাউসীলৈ ভকত পঠিয়াই উভয়কে জনালে যে তেওঁৰ অন্তিম কাল আৰু সেইবাবে উভয়ে তেওঁলৈ সুমিষ্ট দ্ৰব্য পঠিয়াব। শ্ৰীকৃষ্ণদেৱে পঠালে বিধে বিধে মিষ্টান্ন আৰু ভট্টদেৱে পঠালে তেওঁৰ বাকী থকা ভাগৱতৰ শেষ পাঁচ স্কন্ধৰ অসমীয়া গদ্য। গুৰুৱে ভতিজাকে পঠোৱা মিষ্টান্ন ভকতসকলক বিলাই দিলে আৰু মন্তব্য কৰিলে যে ভট্টদেৱৰ কথা ভাগৱত অমৃতসম। ই মনক তৃপ্তি আৰু আত্মাক মুক্তি দিয়ে। তেওঁ ভট্টদেৱক পাটপাউসী সত্ৰৰ অধিকাৰ পদলৈ নিৰ্বাচন কৰি বাতৰি পঠালে। ইয়াৰ পিছত ভট্টদেৱে কোচবেহাৰলৈ আহি তেওঁ ওঠৰ আধ্যা গীতাৰ গদ্য ভাঙনি গুৰুৰ পদত সেৱা কৰি অৰিহণা স্বৰূপে অৰ্পণ কৰিলে।

ভট্টদেৱ একাধাৰে ধৰ্মবীৰ আৰু কৰ্ম্মবীৰ আছিল। সত্ৰৰ কাম নিয়াৰিকৈ পৰিচালনা কৰাৰ উপৰিও নিজৰ টোলত বহু ছাত্ৰক শিক্ষাদান কৰি শাস্ত্ৰবিদ্ কৰিছিল। আৰু তেওঁলোকক ধৰ্মাচাৰ্য্য মেধি নিযুক্ত কৰি দশোদিশে পঠাই নামধৰ্ম বৃক্ষৰ পুলিটিৰ শাখা-প্ৰশাখা বিস্তাৰ হোৱাত প্ৰচুৰ পৰিমাণে অৰিহণা যোগাইছিল। তেওঁ পাটবাউসী সত্ৰৰ ভকতসকলৰ উদাসীন প্ৰথাৰো বিলোপ সাধন কৰিছিল।

শ্ৰীকৃষ্ণদেৱৰ উপৰিও দামোদৰ পাটোৱাৰী নামৰ এজন দুষ্ট প্ৰকৃতিৰ লোকেও ভট্টদেৱৰ সকলো কামত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি তেওঁক বৰকৈ অশান্তি দিছিল। এই কাৰণেই তেওঁ বুঢ়ী লোহিতৰ পাৰত নতুনকৈ এখন সত্ৰ স্থাপন কৰি তালৈ উঠি যায়। এইখনেই বিখ্যাত ব্যাহ (ব্যাস) কুচি সত্ৰ। ব্যাসদেৱৰ সদৃশ ভট্টদেৱে স্থাপন কৰা কাৰণে এই সত্ৰৰ নাম ব্যাসকুছি বুলি মানুহে কয়। ইয়াৰপৰাই ভট্টদেৱে দুয়োখন সত্ৰ পৰিচালনা কৰি ১৬৩৮ খৃষ্টাব্দত মানৱীদেহা পৰিত্যাগ কৰিলে।

ভট্টদেৱে তেওঁৰ গুৰু মহাপুৰুষ দামোদৰদেৱৰ আজ্ঞা শিৰত লৈ 'কথা ভাগৱত', 'কথা-গীতা' আৰু 'কথা-ৰত্নাৱলী' শাস্ত্ৰপুথি প্ৰণয়ন কৰিছিল। এই

তিনিখনে প্ৰস্থানত্ৰয়ীৰ স্থান লোৱা বুলি বহুতে কয় ; কিন্তু গুৰুৰ প্ৰয়াণৰ ২৩ বছৰ পিছত তেওঁ ৰচনা কৰা 'ভক্তিবিবেক' গ্ৰন্থত তেওঁ গীতা-ভাগৱতৰ ওপৰত প্ৰতিষ্ঠিত একশৰণ নাম-ধৰ্মৰ নামত কিছু নতুন কথাৰ অৱতাৰণা কৰিছে।

## গুৰুৰ বৈকুণ্ঠ প্ৰয়াণ

যৌৱনৰ দুৱাৰদলিত থিয় হৈ নানা দুখ, শোক, দৈন্য, অনাহাৰ, অনাটনৰ পৰিবেশৰ মাজতো যিজন গুৰুৰ মানসিক ক্ৰিয়া আছিল ভাগৱন্মুখী, আজীৱন সাধনাৰ দ্বাৰা তেওঁ গঢ়ি তুলিছিল হৰিভক্তিৰ এক বিশাল পৰিবেশ জনগণৰ মন-গহনত। কামৰূপীয় ভাগৱতী ধৰ্মপৰম্পৰাত সেয়ে দামোদৰদেৱ এক উজ্জ্বল নক্ষত্ৰ স্বৰূপ। মায়াময় সংসাৰত সাধনাৰ এদিন অন্ত হয়, মানৱী জীৱনৰ সামৰণি হয়। গুৰুৰ জীৱনলৈও ১৫২০ শকৰ ব'হাগ মাহৰ প্ৰতিপদ তিথিটো আহিছিল প্ৰকৃতিৰ চিৰাচৰিত নিয়মানুসাৰে। সিদিনা উদয় বেলাৰ প্ৰসংগ চলি আছিল। শাৰীৰিক অসুস্থতাৰ কাৰণে গুৰুজনে কীৰ্ত্তনঘৰলৈ যাব পৰা নাছিল। এজন ভকতক পঠাই বলোৰামু আতৈক সুধি পঠালে, প্ৰসংগ শেষ হ'বলৈ আৰু কিমান বাকী? ভকতে উভতি আহি আৰু দহোটা ঘোষা বাকী বুলি জনালে। কিছুসময় পিছত পুনৰ ভকতক পঠালে প্ৰসঙ্গৰ অন্তলৈ কিমান সময় জানিবলৈ। বলোৰামে কৈ পঠালে ছয়টা ঘোষা আছে বুলি। ভকতসকলৰ সন্দেহ হ'ল গুৰুজনে কিয় বাৰে বাৰে প্ৰসংগৰ সামৰণিৰ বিষয়ে বিশেষ উদ্বিগ্ন হৈছে, এয়া তেৰাৰ নিজৰ জীৱন প্ৰসংগৰ সামৰণিৰ ইংগিত নহয়তো? এক অস্থিৰতা বিৰাজ কৰিলে, তথাপি নিত্য-নৈমিত্তিক পাঠ-প্ৰসংগৰ নিয়মৰ লৰচৰ নহ'ল।

সকলো কাম সমাধা কৰি আঁতাই ভকতসকল লৰি আহিল গুৰুৰ বাহঁলৈ। গুৰুৱে তেওঁলোকৰ সকলোৰে মুখৰ ফালে চালে ; দৃষ্টি কাতৰ কিন্তু বিষণ্ণ নহয়।

গুৰুগাম্ভীৰ স্বৰে সৰ্বানন্দক ক'লে,

হৰিসেৱা সাধন পুস্তক সমস্তয়
ইদানিক যেন মতে ৰখা মহাশয়

বলোৰামক সম্বোধি ক'লে,

শুনা বলোৰাম মম আজ্ঞাক পালিবা।
দুখীয়া ভক্তক মোৰ পুথিক শুনাবা।।
পিতৃ-মাতৃ ভাৰ্য্যা বন্ধু সকলো তেজিয়া।
হৰি-কথা ৰস লোভে আছয় আসিয়া।।

কমলাকান্তক দায়িত্ব দি ক'লে,
তিনিৰ মাজত ধৰ্ম্মখানি সাজি থৈলো।
যেমনে প্ৰবৰ্ত্তে আৰু অধিক নুবুলো।।

এনেদৰে সকলো ভক্তক সকলো প্ৰকাৰ দিহা-পৰামৰ্শ দান কৰি, সকলো ব্যৱস্থা সমাপ্ত কৰি, হৰিনাম মুখত লৈ বিদায়বাণী শুনালে ঃ

নৱবিধ ভক্তি এক কৃষ্ণত কৰিবা।
লোকক তাৰিবা আপুনিও নিস্তাৰিবা।
(নীলকণ্ঠ)

আৰু তাৰ লগে লগে শেষ নিশ্বাস ত্যাগ কৰি অনন্তধামলৈ গতি কৰিলে।

বৈশাখ মাহৰ অমাবস্যাৰ শেষত।
প্ৰতিপদ তিথি আসি ভৈলা উপগত।।
নিজৰূপ ঈশ্বৰৰ মনে স্থিৰ কৰি।
ৰাম-কৃষ্ণ হৰিমুখে কীৰ্ত্তন উচ্চাৰি।।
নৰচেষ্টা তেখনে কৰিলা পৰিত্যাগ।
পঞ্চতত্ব এৰি ৰাজ ভৈলা তেজভাগ।।

## ধৰ্মমত

একেশ্বৰবাদী বা একশৰণীয় ধৰ্ম-সম্প্ৰদায়ৰ মত গোটেই ভাৰতবৰ্ষতেই একে। কেৱল অঞ্চল ভেদে ইয়াৰ স্থানীয় প্ৰভাৱ পৰিছে। অসম দেশৰ জনগাঁথনি, অতীতৰ পৰা প্ৰচলিত ধৰ্মীয় ধাৰা আদিৰ প্ৰতি লক্ষ্য ৰাখি মহাপুৰুষ শঙ্কৰদেৱে ইয়াত একশৰণ নাম-ধৰ্মৰ যি ব্যৱস্থা প্ৰৱৰ্তন কৰিলে সিয়ে অসমৰ নৱ-বৈষ্ণৱ মতবাদৰ বৈশিষ্ট্য সৰ্বভাৰতীয় ক্ষেত্ৰত প্ৰতিষ্ঠা কৰিছে। সেয়ে এই ধৰ্মৰ পুৰণা পুৰোধাসকলৰ যেনে মাধৱদেৱ, দামোদৰদেৱ, গোপালদেৱ আদিৰ কোনো সুকীয়া মতবাদৰ প্ৰশ্ন তোলা কথা নিৰৰ্থক। অৱশ্যে একে পথৰ যাত্ৰী বা একে ভাবাদৰ্শৰ মতাৱলম্বীসকলৰ ভিতৰতো ব্যক্তিত্বৰ প্ৰভাৱৰ সাঁচ গুৰুসকলৰ কৰ্মৰ মাজেদি ঠায়ে ঠায়ে প্ৰকট হোৱা চকুত পৰিব পাৰে, কিন্তু সিয়ে মতাদৰ্শৰ পাৰ্থক্য নুবুজায়, বৰঞ্চ এক সত্য সন্ধানৰ পথত ইজন সিজনৰ পৰিপূৰকহে বুলি ধৰিব লাগিব।

দামোদৰদেৱৰ জন্ম হৈছিল এক বিশিষ্ট বৈষ্ণৱ পৰিয়ালত। গতিকে এই পৰিয়ালৰ ধৰ্ম-কৰ্ম অতীতত পঞ্চৰাত্ৰ বৈষ্ণৱ প্ৰথামতে পৰিচালিত হৈছিল বুলিহে ধৰি লব লাগিব। কিন্তু দামোদৰদেৱৰ জন্মৰ আগৰপৰাই তেৰাৰ জন্মস্থান, অৰ্থাৎ এটা

বৰদোৱা, নলচা অঞ্চলত নব-বৈষ্ণব মতবাদৰ অৰ্থাৎ একশৰণ নাম-ধৰ্মৰ জোৱাৰ উঠিছিল। আগেয়ে কৈ অহা হৈছে যে দামোদৰ গুৰুৰ পিতৃ-মাতৃ আৰু শিশু দামোদৰে কিদৰে শঙ্কৰদেৱৰ সাহচৰ্য্যত সেই আন্দোলনত সোমাই পৰিছিল। গতিকে পঞ্চৰাত্ৰ বৈষ্ণৱ প্ৰথাৰ চিন-চাব তেওঁৰ মনৰ পৰা নোহোৱা হৈছিল। প্ৰগতিবাদী যি কোনো আন্দোলনলৈ সঁহাৰি নজনোৱাকৈ অতি প্ৰাচীন মতাদৰ্শক কোনো সংস্কাৰমুখী সাধকে ধৰি নাথাকে, কিয়নো তেওঁলোকে সমাজ বিবৰ্তনৰ অগ্ৰদূত হৈহে ৰাইজৰ মংগল সাধন কৰাত ব্ৰতী হয়। এই সাধনাত যিসকলে সিদ্ধি লাভ কৰে তেওঁলোকেই আখ্যা পায় মহাপুৰুষ উপাধিৰে।

শংকৰদেৱে আৰু মাধৱদেৱে বিস্তৰ শাস্ত্ৰপুথি আদি ৰচনা কৰি গৈছে কাৰণে তেৰাসবৰ মতাদৰ্শক আজিৰ যুগৰ লোকে কোনো বিকৃতি নোহোৱাকৈ বুজিবলৈ সুবিধা পাইছে। কিন্তু দামোদৰদেৱৰ কোনো ৰচনাৰ সম্ভেদ আমি নাপালোঁ। সেই কাৰণেই তেৰাৰ মতাদৰ্শ সম্বন্ধে কেতিয়াবা বাদানুবাদৰ সৃষ্টি হয়। দামোদৰদেৱে নিজে একো শাস্ত্ৰ নিলিখিলেও তেওঁৰ আদেশত তেৰাৰ বিদগ্ধ পণ্ডিত শিষ্য-প্ৰশিষ্যই ধৰ্ম সম্বন্ধীয় পুথি লিখি গুৰুৰ আদৰ্শ অমৰ কৰি থৈ গৈছে। তদুপৰি কিছু পিছৰ হ'লেও তেৰাৰ চৰিতকাৰসকলেও এই দিশত যিখিনি আলোকপাত কৰিছে তাৰ পৰা গুৰুজনাৰ ধৰ্মীয় মতবাদৰ কোনো অস্পষ্টতা নাথাকে। পৰীক্ষিত ৰজাৰ সম্মুখত তেৰাৰ বিচাৰৰ সময়ত গুৰুচৰিতৰ উক্তিবোৰ আগেয়ে উনুকিয়াই আহিছোঁ।

ভাৰতৰ ভক্তিবাদী আন্দোলনৰ সাধকসকলৰ সৰ্বশ্ৰেষ্ঠ মান্য শাস্ত্ৰ হ'ল শ্ৰীমদ্ভাগবদ্‌গীতা, ভাগৱত পুৰাণ আৰু ভক্তি ৰত্নাৱলী। এইবিলাক শাস্ত্ৰক আধাৰ হিচাপে লৈ তেওঁলোকে ভক্তিবাদ প্ৰচাৰ কৰিবলৈ আন আন পুথিৰো প্ৰয়োজন মতে সহায় লৈছে। মহাপুৰুষ শ্ৰীশংকৰদেৱ, মাধৱদেৱ আৰু অনন্ত কন্দলী পুৰুষে অসমীয়া ভাষাত ৰচনা কৰা ভাগৱত, কীৰ্ত্তন, নামঘোষা, অঙ্কীয়া নাট, পদ ভটিমা আৰু বৰগীত আদি সৃষ্টিৰ মূলাধাৰ সেই কেইখন শাস্ত্ৰ আৰু দামোদৰদেৱৰ প্ৰধান শিষ্য ভট্টদেৱ, গোপালমিশ্ৰ আৰু গোপালচৰণ দ্বিজ আদিয়েও গুৰুৰ নিৰ্দেশিত একে আধাৰতে তেওঁলোকৰ শাস্ত্ৰ-পুথিবোৰ যেনে, কথা-গীতা, কথা-ভাগৱত, কথা-ভক্তি-ৰত্নাৱলী, কথা-ভক্তি-ৰত্নাকৰ আৰু ঘোষাৰত্ন আদি ৰচনা কৰি গৈছে। প্ৰথম তিনিজনে পূৰ্বৰ ৰীতি অনুসৰি পুথিবোৰ পদ্যত লিখিছে, কিন্তু ভট্টদেৱ আৰু গোপাল দ্বিজই সেইবোৰ গদ্যভাষাৰে শুৱলাকৈ সজাইছে।

অৱশ্যে শংকৰদেৱ আৰু ভট্টদেৱৰ দ্বাৰা ৰচিত ভাগৱতত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। যেনে— শংকৰদেৱে ভাগৱতৰ আক্ষৰিক অনুবাদ কৰা নাই। ভাগৱতত বৰ্ণিত তন্ত্ৰপ্ৰধান অধ্যায়বোৰ তেৰাই হয় বাদ দিছে নহয় অত্যন্ত চমুকৈ বৰ্ণাইছে। ইয়াৰ কাৰণ কি আমি অলপ চিন্তা কৰি চাব পাৰোঁ। তন্ত্ৰ ভাৰতীয় সাধনাৰ

মূলতত্ত্ব আৰু সময়ৰ সোঁতত ই অবৈদিক হৈও বৈদিক প্ৰথাৰ লগত সানমিহলি হৈ বহু ক্ষেত্ৰত একাকাৰ হোৱা যেন লাগে। তন্ত্ৰৰ মুখ্য বক্তব্য হ'ল শিৱশক্তিৰ প্ৰভাৱ আৰু তাৰ দ্বাৰাই পাৰ্থিৱ কামনাৰ পৰিতৃপ্তি, জীৱ-জগতৰ অশুভ শক্তিৰ বিৰুদ্ধে অভিযান। ইয়াৰো শেষ লক্ষ্য মোক্ষ। কিন্তু উপায় হ'ল মন্ত্ৰৰ দ্বাৰা কঠোৰ সাধনা। তন্ত্ৰৰ প্ৰভাৱ বৌদ্ধ, শৈৱ, শাক্ত, পঞ্চৰাত্ৰ বৈষ্ণৱ, সৌৰ আৰু গাণপত্য আদি সকলো সম্প্ৰদায়ৰ ওপৰতে পৰিছে। কিন্তু এটা সময়ত অধঃপতিত বৌদ্ধতন্ত্ৰই যি বামাচাৰী প্ৰথাৰ জন্ম দিলে আৰু বৌদ্ধ সহজীয়া আদি যিবিলাক সম্প্ৰদায়ৰ সৃষ্টি হ'ল তেওঁলোকে নাৰীশক্তিৰ ওপৰতে প্ৰাধান্য দিলে আৰু শিক্ষা-দীক্ষাহীন মানুহে সেইবোৰ যাদুকৰী বিদ্যাত মোহিত হোৱাত ই এটা ব্যভিচাৰত পৰিণত হ'ল। বংগদেশৰ পৰা এই প্ৰভাৱ অসমৰ ওপৰতো বাৰুকৈয়ে পৰিছিল। ভক্তিবাদীসকলে তন্ত্ৰ-মন্ত্ৰৰ ওপৰত কোনো প্ৰাধান্য নিদি কেৱল ভক্তিৰ ওপৰতে গুৰুত্ব আৰোপ কৰিছিল। শংকৰদেৱে হয়তো উজনিত থকা সময়ত সেই প্ৰভাৱ প্ৰত্যক্ষ কৰিয়েই অসমীয়া ভাগৱতত সেইবোৰৰ স্থান দিব খোজা নাছিল, সমাজ সংস্কাৰৰ উদ্দেশ্য আগত ৰাখি। গুৰুজনে ভাগৱতখন অসমৰ সমাজৰীতি, জন-গাঁথনি, অৰ্থনৈতিক পৰিবেশ আদি সকলো দিশলৈ লক্ষ্য ৰাখিয়েই সৃষ্টি কৰিছিল যেন লাগে, কিয়নো সৰ্বভাৰতীয় এটা সাধন পদ্ধতি প্ৰচাৰ কৰিলেও তেওঁৰ লক্ষ্য আছিল হোজা-চহা, শিক্ষাৰ পোহৰ নোপোৱা অসমৰ জনগণ! কীৰ্ত্তন ঘোষাৰ আৰম্ভণিতে চতুৰ্বিংশতি অৱতাৰ অধ্যায়ত এই অনাচাৰী লোকসকলক তেওঁ বামানয় শাস্ত্ৰৰ পাষণ্ড আচাৰ পালন কৰা ম্লেচ্ছ বা বোধগণ বুলি কোৱা বুলি ধাৰণা কৰিব পাৰি।

ভট্টদেৱৰ কৰ্মক্ষেত্ৰ আছিল কেৱল বৰপেটা, বৰনগৰ আৰু বজালী। তেওঁ মাত্ৰ দুবাৰ কোচবিহাৰৰ ফালে যোৱাৰ কথাহে গুৰুচৰিতত উল্লেখ আছে। এই অঞ্চলটোত হয়তো সেই অধাচাৰী প্ৰভাৱ বেছিকৈ পৰা নাছিল কাৰণে তেওঁৰ দৃষ্টি সেইফালে যোৱা নাছিল। ভট্টদেৱে শ্ৰীধৰস্বামীৰ ভাষ্যৰ ওপৰত ভিত্তি কৰিয়েই কথাভাগৱত ৰচনাত মূলৰ বিশেষ কথা একো বাদ দিয়া নাই, কেৱল কোনো ঠাইত বিস্তৃতকৈ আৰু কোনো ঠাইত চমুকৈ আলোচনা কৰিছে।

ভট্টদেৱে দশম স্কন্ধ ভাগৱতৰ ভাওনিৰ অন্তত এনেদৰে প্ৰকাশ কৰিছে, "হে সভাসদ সব : পূৰ্বত সন্ত মহন্ত মহাগুণৱন্ত শ্ৰীশংকৰদেৱে ভাগৱত শাস্ত্ৰৰ পয়াৰ কৰিলা ; কত ভক্তি পন্থ প্ৰবৰ্তাইলা যাক পাই অন্ত্য জাতিয়ো সংসাৰ তৰিল। পাছে তাৰ অৱশেষ কথা অনন্ত কন্দলী পদ ৰচিলা। তাক দেখি মোৰ কৃষ্ণগুণ বৰ্ণাইতে মনত ইচ্ছা হৈল, তাক জানি শ্ৰীকৃষ্ণে দামোদৰ ৰূপে আজ্ঞা দিলা।"

কথা-ভক্তি-ৰত্নাকৰৰ ৰচয়িতা গোপালচৰণ দ্বিজ কোচবেহাৰত দামোদৰদেৱৰ সত্ৰত শ্ৰীদামোদৰদেৱৰ পৰম বান্ধৱ, একান্ত সাধুভকতসকলৰ আজ্ঞা শিৰোগত কৰি

শ্ৰীশংকৰদেৱৰ ভক্তি ৰত্নাকৰ অসমীয়াত কথাবন্ধে ৰচনা কৰে। তেখেতে শংকৰদেৱৰ প্ৰবৰ্তিত ভক্তিধৰ্মৰ কথা এনেদৰে কৈছে, "আহে সভাসদলোক দেখ, ওহি কামৰূপে ইমত হৰিভক্তি নাছিল। পাষণ্ডৰ মত প্ৰবৰ্তন হৈছিল, কৃষ্ণৰ কৃপা মিলিল। শ্ৰীশংকৰৰূপে মহন্ত সবৰ অগ্ৰগণী হৈয়া পাষণ্ডক দণ্ডিলে। এতেকে লোকত ইমত ভক্তি প্ৰচাৰিত হৈল তেন্তেসে সমস্ত লোকৰ বান্ধৱ। যাৰ পূৰ্ণ যশে জগত ঢাকিল।" কথা-ভক্তি-ৰত্নাকৰৰেই আন এঠাইত গোপাল চৰণে কৈছে "হে সামাজিক লোক দেখ' সন্ত সূৰ্য্য মহাপুৰুষ শ্ৰীশংকৰৰ কেন কৃপাগুণ, যাৰ ভক্তি সম্প্ৰদায়ত ধৰি কলিযুগত কামৰূপ দেশাদি স্থানত মহামহন্ত শ্ৰীপুৰুষোত্তম দামোদৰদেৱ, গোপালদেৱাদি সবে প্ৰচাৰিলা।"

ৰামৰায়ে গুৰুলীলাত সেয়েহে বৰ্ণনা কৰিছে,

ঈশ্বৰ শ্ৰীকৃষ্ণৰ এক শৰণ ৰাখিলা।
কৃষ্ণৰাম নাম লোকত সাজিলা।।
শংকৰৰ মত কেহো লাৰন্ত নভৈলা।
একশৰণ যে নাম ধৰ্ম থাপি থৈলা।।

গোবিন্দ মিশ্ৰকৃত ভক্তিবিবেকৰ পদ ভাঙনিত একশৰণ তত্ত্বৰ বিষয়ে এনেদৰে দাঙি ধৰা হৈছে ঃ

অখিল লোকৰ যিটো মায়া বিনাশিত।
অৱতাৰ হুইছ্য হৰি জগতৰ হিত।।
তাহান চৰণে কহো শৰণৰ ভাগ।
শৰণ লৈলেসে ভকতিক পাইবা লাগ।।
কৃষ্ণ বোলে ধনঞ্জয় সখি এৰা শোক।
সৰ্ব্বধৰ্ম্ম এৰি মোত শৰণ লৈয়োক ।।
ধৰ্ম্ম এৰিলাত হোৱে যিটো পাপচয়।
মঞি সিটো তযু পাপ কৰিবোহো ক্ষয়।।
কোনো ধৰ্ম্ম এৰিবেক শুনা কহো তাক।
উদ্ধৱৰ আগে কৃষ্ণ দেৱতাৰ বাক।।
বেদৰ বিহিত ধৰ্ম্ম অধৰ্ম্ম প্ৰত্যেক।
প্ৰবৃত্তি-নিবৃত্তি শ্ৰুত শুনিবা যতেক।।
ইসব এৰিয়া মোত শৰণ লৈয়োক।
মোক সৰ্ব্বকৰ্ত্তা মানি সখি তেজা শোক।।
একে ভগৱন্ত মাত্ৰ শৰণ লৈয়োক।
লয়ো বেদ পুৰাণত প্ৰমাণ প্ৰত্যেক।।

গোপালকৃষ্ণদেৱে ঘোষাৰত্নত উল্লেখ কৰিছে—

"বেদেয়ো কহিছে জগতৰ হেতু
একমাত্ৰ কৃষ্ণস্বামী।
মায়া পুনু জড় চৈতন্যত বিনা
কাহাকো নভজো আমি।।"

ভক্তিবিবেকত ভট্টদেবৰ ভাষাৰ ভাঙনিত এনেদৰে প্ৰকাশ পাইছে—

'ভক্তি মাত্ৰ কৰি মোকে পাৱে জানা।
যদি অন্ত্যজাতি হয়।
মোৰ ভক্তি তাকো পবিত্ৰ কৰয়
কহিলো মই নিশ্চয়।।
ভক্তি কৰি যিটো হৰিয়ে তাৰেসে
অৱশ্যে বশ্য হোৱন্ত।
জ্ঞানী কৰ্ম্মী দুখে সুখে নাপাৱন্ত
শুকদেৱে কহিছন্ত।।"

এনেদৰে গুৰু দামোদৰদেৱ প্ৰধান শিষ্যসমূহৰ লিখনি আৰু চৰিতকাৰসকলৰ বৰ্ণনাত উপৰোল্লিখিত ধৰণৰ আৰু বহু তথ্য পোৱা যায় যে, গুৰুজনে শ্ৰীমন্ত শংকৰদেৱে প্ৰবৰ্তিত একশৰণ নাম-ধৰ্ম বা ভক্তি ধৰ্মৰ প্ৰচাৰৰ ক্ষেত্ৰত মধ্যমণিৰ দৰে আছিল আৰু তেওঁৰ সৰলতা, অমায়িকতা আৰু অধ্যৱসায়ৰ গুণতেই অজস্ৰ হৰিভক্তি বিমুখী বিপ্ৰয়ো এই পন্থত যোগ দি অসম দেশত এটা বিশিষ্ট পৰম্পৰাৰ সৃষ্টি কৰি গৈছে।

কালৰ ব্যৱধানত ৰাজশক্তিৰ প্ৰভাৱত আৰু ধৰ্মব্যৱসায়ীসকলৰ প্ৰলোভনত অ'ত ত'ত দুই এটা ত্ৰুটী-বিচ্যুতি চকুত পৰিলেও অসমৰ নৱ-বৈষ্ণৱ আন্দোলনৰ ভূমিকা এতিয়াও গোটেই দেশৰ ভিতৰত বৈশিষ্ট্যপূৰ্ণ আৰু সৰ্বাত্মক।

গুৰুলীলাত সেয়ে গুৰুজনাই শংকৰগুৰুৰ বিষয়ে এনেদৰে কোৱা বুলি বৰ্ণোৱা হৈছে:

তোমাক আমাক ভিন্ন কৰে যিটো জন।
নৰকত থিত হৈব স্বৰূপ বচন।।
তযুভক্ত আমাৰ হৈবেক অনুগত।
আমাৰ ভকত হৈবো তযু অনুগত।।

মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ

ভক্তিপ্ৰাণ মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱৰ জীৱন চৰিত সম্বন্ধে চিন্তা-চৰ্চা কৰিবলৈ সমল নিতান্ত কম। তেৰাৰ যি দুখন চৰিত পুথি অৰ্থাৎ ইংৰাজী ১৯২৫ খৃষ্টাব্দত প্ৰথম প্ৰকাশিত ' দ্বিজ বানেশ্বৰ আৰু দ্বিজ দিবাকৰদেৱ ৰচিত 'শ্ৰীশ্ৰীহৰিদেৱ চৰিত্ৰ' আৰু হৰিপুৰ সত্ৰৰ শ্ৰী সূৰ্য্যকান্ত গোস্বামীয়ে সংগ্ৰহ কৰা আৰু কোনোবা বনগঞাগিৰিয়ে লিখা বুলি কথিত আৰু মাত্ৰ সৌ সিদিনা অৰ্থাৎ ইং ১৯৬০ খৃষ্টাব্দত প্ৰকাশিত "মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ"ৰ চৰিতখনৰ বাহিৰে আন সমল পাবলৈ নাই। তদুপৰি এই দুখন পুথিৰ তথ্যবোৰ ইমান পৰস্পৰ বিৰোধী আৰু বিতৰ্কমূলক যে তাৰ পৰা গুৰুজনাৰ জীৱন-কাল, গুণ-গৰিমা আৰু সাধনাৰ বিষয়ে নিৰপেক্ষ বিচাৰ একপ্ৰকাৰ অসম্ভৱ। আধুনিক কালত দুই এজন পণ্ডিতে তেওঁৰ বিষয়ে যি চিন্তা-চৰ্চা আগবঢ়াইছে, সিও ইখন নতুবা সিখন পুথিৰ তথ্যৰ ভেটিতহে। মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ চৰিত পুথিত এইজন গুৰুৰ সম্বন্ধে ছেগাছেৰেকাকৈ উল্লেখ থাকিলেও তাৰপৰাও বিশেষ তথ্য আহৰণ কৰা সহজ নহয়। সেয়ে গুৰুজনাৰ বিষয়ে আৰু অধিক অনুসন্ধান আৰু গৱেষণা আদি নিতান্ত প্ৰয়োজন আৰু তেতিয়াহে এইজন অসম জননীৰ সুসন্তানৰ প্ৰকৃত মূল্যায়নৰ দ্বাৰা বৃহত্তৰ অসমীয়া সমাজ উপকৃত হ'ব পাৰিব বুলি আমি ভাবোঁ।

### জন্মতিথি আৰু সময়

বৰ্তমান লক্ষীমপুৰ জিলাৰ অন্তৰ্গত নাৰায়ণপুৰ গাঁৱত মহাপুৰুষ হৰিদেৱৰ আবিৰ্ভাব হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল অজনাভ আৰু মাতৃৰ নাম পাৰিজাতী দেৱী। দ্বিজ বানেশ্বৰ আৰু দ্বিজ দিবাকৰ ৰচিত চৰিতখনৰ ভাষ্যকাৰ সকলৰ মতে তেওঁৰ জন্ম হৈছিল ভাদ মাহৰ কৃষ্ণা পঞ্চমী তিথিত।

"ভাদ্ৰ মাসে আদি কৃষ্ণা পঞ্চমী তিথিত।
মধ্যাহ্ন দিবসে জাত ভৈলা পৃথিবীত।।"

কিন্তু বৰ্তমান ভাদ মাহৰ শুক্লা পঞ্চমী তিথিটোকে গুৰুজনাৰ আবিৰ্ভাব তিথি হিচাপে পালন কৰা দেখা যায়। এয়া বনগঞাগিৰিৰ তথ্যমতে বুলিব পাৰি।

### জন্ম শক

গুৰুজনৰ আবিৰ্ভাবৰ কাল সম্বন্ধে মতানৈক্য আৰু অধিক। বনগঞাগিৰিৰ চৰিত মতে তেওঁৰ জন্ম শক ১৩৪৮ বুলি কোৱা হৈছে। যেনে-

"তেৰশ আঠ চল্লিচ শকত
গুৰুৰ ভৈলা জনম।
অশ্লেষা নক্ষত্ৰ বৃহস্পতিবাৰ

কৰিলা জ্ঞাত কৰম।।

দ্বিজ বানেশ্বৰ আৰু দ্বিজ দিবাকৰৰ চৰিতপুথিত কিন্তু হৰিদেৱৰ জন্মৰ সময়, শক, তাৰিখৰ কোনো উল্লেখ নাই। ১৩৩২ বাঙ্গলা চনত শ্ৰীহৰিনাৰায়ণ গোস্বামী আৰু শ্ৰীকৰুণাকান্ত বৰুৱাই প্ৰকাশ কৰা হৰিদেৱৰ চৰিতপুথিত তেৰাৰ জন্ম ১৪১৫ শক (১৪৯১ চন) বুলি উল্লেখ কৰিছে। ১৯৬০ চনত বনগএগিৰিৰ চৰিতপুথি প্ৰকাশৰ আগলৈকে হৰিদেৱী সম্প্ৰদায়ে সেইমতে গুৰুৰ জন্ম আৰু তিৰোধান তিথি পালন কৰিছিল বুলি জনা যায়। শ্ৰীহৰিনাৰায়ণ গোস্বামী আৰু শ্ৰীকৰুণাকান্ত বৰুৱাৰ পুথিত গুৰুজনৰ জন্মৰ শক তাৰিখৰ তথ্য দ্বিজ গদাধৰৰ বুলি উল্লেখ কৰিছে। ডঃ সত্যেন্দ্ৰনাথ শৰ্মাদেৱেও তেখেতৰ গৱেষণা গ্ৰন্থত গুৰুজনাৰ জন্ম শক ১৪১৫ বুলিয়েই লিপিবদ্ধ কৰিছে।

## "মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ"

আন আন কিছুমান পণ্ডিতৰ মতে মহাপুৰুষ জন ১৩৭৫ শকত ভূমিষ্ঠ হৈছিল। আন গুৰুচৰিতবোৰৰপৰা গুৰুজন শংকৰদেৱৰ সমসাময়িক বুলিহে বুজা যায়। তেওঁৰ জন্ম শক ১৩৪৮ ধৰিলে তেওঁ শঙ্কৰদেৱতকৈ ২৩ বছৰ ডাঙৰ হয় আৰু ১৪১৫ শক ধৰিলে ৪৪ বছৰ সৰু হয়। "মহাপুৰুষীয়া ধৰ্মৰ পঞ্চৰত্ন"ৰ গ্ৰন্থকাৰ অৰ্জুন দাসে তেখেতৰ সেই গ্ৰন্থত মহাপুৰুষ মাধৱদেৱে সুন্দৰীদিয়াৰ ভেৰভেৰিত (কয়লাত) যি ধৰ্মসভা পাতিছিল তাত হৰিগুৰু উপস্থিত থকাৰ কথা উল্লেখ কৰিছে এনেদৰে ঃ

"গুৰুজনাৰ আমন্ত্ৰণ পোৱা মাত্ৰকে সকলো ফালৰ ভকতসকল আহি সুন্দৰীথানত উপস্থিত হ'লহি। এই সভাত যোগদান দিয়া ভকতসকলৰ ভিতৰত বিশেষকৈ জনিয়াৰ ঠাকুৰ আতা, জয়ন্তীৰ মথাই আতৈ, তাঁতীকুছিৰ গোপাল (বুঢ়া আতা), ভবানীপুৰৰ গোপাল আতা, মানেৰীৰ হৰিগুৰু আৰু মালচাৰ বৰবিষ্ণু আতাৰ নাম উল্লেখযোগ্য।" (৩১৪ পৃঃ)

মাধৱদেৱৰ কয়লাৰ ধৰ্মসভাৰ কাল তেওঁৰ সুন্দৰীত বসবাসৰ শেষ সময়ত অৰ্থাৎ শঙ্কৰদেৱৰ পৰলোকৰ ১২/১৪ বছৰ পিছত। গতিকে তেতিয়া হৰিদেৱ যথেষ্ট বৃদ্ধবয়সৰ। ১৩৪৮ শকটো ধৰিলে তেতিয়া তেওঁৰ বয়স ১৫০ৰ ওচৰাউচৰি হয়, যি সময়ত এজন মানুহ ইখন ঠাইৰপৰা সিখনলৈ গৈ পদব্ৰজে ঘূৰি ফুৰা কথা বিশ্বাস কৰিবলৈ টান হয় আৰু কোনোখন চৰিতত তেওঁৰ জীৱনকাল ১৫০ বছৰ উৰ্দ্ধত বুলি উল্লেখ নাই।

ড° হৰিনাথ শৰ্মাদলৈ বৰপেটা জিলা সাহিত্য পৰিষদৰ দ্বিতীয় বাৰ্ষিক (১৯৮৭) স্মৃতিগ্ৰন্থৰ এটি প্ৰবন্ধত উল্লেখ কৰিছে যে পুৰুষোত্তমে ১৪৯০শকত বা ১৫৬৮ খৃষ্টাব্দত ৰত্নমালা ব্যাকৰণ ৰচনা কৰিছে। পুৰুষোত্তম ভট্টাচাৰ্য্য হৰিদেৱৰ

ৰৰপিতাকৰ ল'ৰা আৰু তেওঁতকৈ বয়সত সাতবছৰৰ ডাঙৰ বুলি কথিত হৈছে। হৰিদেৱৰ ১৩৪৮ শকত জন্ম কথা মানি ল'লে পুৰুষোত্তমে ৰত্নমালা ব্যাকৰণ ১৫০ বছৰ মানতহে ৰচিব লাগিব, যি কথা অসম্ভৱ। এই তথ্যৰ ভিত্তিত দ্বিজ গদাধৰৰ ১৪১৫ শকটোহে বেছি গ্ৰহণযোগ্য হয়। ভাৰতৰ বিখ্যাত গৱেষক পণ্ডিত নগেন্দ্ৰ নাথ বসুৱেও তেওঁৰ (Social History of Kamrupa) গ্ৰন্থত গুৰুজনাৰ জন্ম ১৪১৫ শকত অৰ্থাৎ ১৪৯১ খৃষ্টাব্দ বুলি উল্লেখ কৰিছে।

## হৰিদেৱৰ পূৰ্বপুৰুষ

বৰ্তমান নলবাৰী জিলাৰ টি হ নাথকুছিৰ দামোদৰদেৱ গোস্বামীয়ে সংগ্ৰহ কৰা মহাপুৰুষজনাৰ বংশাৱলীৰ তালিকাখন এনেকুৱা —

নৰোত্তম
।
কৃষ্ণদত্ত
।
হৰদত্ত
।
উমাকান্ত
।
পঞ্চানন
।
সূৰ্য্যবড়
।
পদ্মনাভ ——————— অজুনাভ
। ।
পুৰুষোত্তম হৰিদেৱ

কনগএগাগিৰিৰ চৰিতপুথিৰ গুৰুজনাৰ পুৰুষনামাৰ বৰ্ণনাও একে। কিন্তু ইয়াত এটা অদ্ভুত তথ্য প্ৰকাশ কৰা হৈছে। এই তথ্যমতে প্ৰথম পুৰুষ নৰোত্তমক তেতিয়াৰ কামৰূপৰ ৰজা কুমাৰ ভাস্কৰবৰ্মণে কোনোবা কাশীৰাজৰ যজ্ঞত লগ পাই কামৰূপত ভাল ব্ৰাহ্মণ পণ্ডিত নোহোৱা কাৰণে ইয়ালৈ লৈ আহে আৰু অশ্বক্ৰান্তত পঢ়াশালি আদি পাতি দি তাত সংস্থাপিত কৰে। তেওঁ তাৰপৰা পিছত বহৰি গাঁৱলৈ গৈ তাত বসতি পাতে। এটা পৰিয়ালৰ এক পুৰুষত ৩০ বছৰকৈ ধৰিলেও সাত পুৰুষত খুব বেছি ২১০ বছৰ বা তাৰ ওচৰউচৰি হ'ব। কিন্তু নৰোত্তম যদি সপ্তম শতাব্দীতে

কামৰূপলৈ অহা বুলি ধৰা হয় তাৰ সাতপুৰুষৰ পিছৰ হৰিদেৱ কোন কালৰ বুলি লোৱা হ'ব? গতিকে এই তথ্য আবেগজনিত আৰু কল্পনাপ্ৰসূত এক অসত্য বুলিয়েই ধৰিব লাগিব।

## বাল্যকাল

শৈশৱকালৰ পৰাই হৰিদেৱৰ উজ্জ্বল সম্ভাৱনাপূৰ্ণ ভৱিষ্যতৰ লক্ষণ দেখা পাইছিল। তেওঁ দেখাত যেনে ৰূপবান আছিল, চাৰিত্ৰিক দিশতো তেনে প্ৰখৰ বুদ্ধিসম্পন্ন, বিনয়ী, সুভাষী আৰু প্ৰফুল্লচিত্ত আছিল। তেওঁ কেৱল নিজ পিতৃ-মাতৃৰ নহয়, সেই অঞ্চলৰ আবাল-বৃদ্ধ সকলোৰে আলাসৰ লাৰুৰ নিচিনা হৈছিল। দহ বছৰ বয়সত উপনয়ন কাৰ্য্য সমাপন কৰি তেওঁক গুৰুগৃহলৈ পঠোৱাৰ ব্যৱস্থা কৰা হ'ল। গুৰু গোবিন্দ পণ্ডিতে হৰিদেৱৰ তীক্ষ্ণ বুদ্ধি-বৃত্তি দেখি তেওঁৰ প্ৰতি অকল স্নেহ দেখুৱাই নহয়, যথেষ্ট আগ্ৰহেৰে তেওঁৰ শিক্ষাৰ ব্যৱস্থা কৰিছিল। তেওঁ গুৰুগৃহত বেদাদি শাস্ত্ৰও অধ্যয়ন কৰিছিল আৰু লগে লগে কুলীয় আচাৰ-পদ্ধতিও আয়ত্ত কৰিছিল । ইয়াৰ পিছত তেওঁ নিজ পিতৃৰ তত্ত্বাৱধানত পাণিনিৰ ব্যাকৰণ আৰু আন আন শাস্ত্ৰ পুথি অধ্যয়ন কৰি যথেষ্ট ব্যুৎপত্তি লাভ কৰে।

হৰিদেৱৰ দহবছৰ বয়সত অজনাভৰ এজনী ছোৱালীৰ জন্ম হয় আৰু তেওঁৰ নাম সুভদ্ৰা ৰখা হয়। এজনী সৰু ভনীৰ সঙ্গ পাই হৰিদেৱ যথেষ্ট আনন্দিত হৈছিল। কিন্তু সেই আনন্দৰ পৰিবেশ বেছি দিন নাথাকিল। তেওঁৰ যোল্ল আৰু সুভদ্ৰাৰ ছয় বছৰ বয়সতে পিতৃ অজনাভ স্বৰ্গী হ'ল আৰু স্বামীৰ জ্বলন্ত চিতাগ্নিত মাতৃ পাৰ্বিজাতী দেৱীও সতী প্ৰথা পালন কৰিলে। এনেদৰে অতি কম বয়সতে এই দুই বালক-বালিকা পিতৃ-মাতৃহীন হৈ নিঠৰুৱা অৱস্থাত পৰে। অজনাভ এজন প্ৰসিদ্ধ পণ্ডিত আছিল আৰু সেয়ে তেওঁৰ শিষ্য-প্ৰশিষ্যবোৰ আৰু গাঁৱৰ আন সকলো মানুহে শিশু দুটিক সকলো প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়াই তেওঁলোকৰ যত্ন লয়। অজনাভৰ এজন ভক্তৰ নাম আছিল গোবিন্দ। এই লোকজন হৰিদেৱৰ হাতৰ লাখুটি স্বৰূপ আছিল। তেওঁ আজীৱন হৰিদেৱৰ লগত থাকি তেওঁৰ সেৱাতেই জীৱন উছৰ্গা কৰে। তেওঁৰ গুৰুৰ প্ৰতি ভক্তিপূৰ্ণ সেৱা শুশ্ৰূষাৰ কাৰণে 'উদাৰ গোবিন্দ' আখ্যা পাইছিল। এই উদাৰ গোবিন্দৰ বৰ্ণনা কিন্তু শঙ্কৰদেৱৰ চৰিততো পোৱা যায়—তেৰাৰ এজন শিষ্য হিচাপে।

অজনাভৰ পৰিয়ালটো বংশ-পৰম্পৰাক্ৰমে বৈষ্ণৱ সম্প্ৰদায়ৰ আছিল। তেওঁলোকৰ গৃহ-দেৱতা আছিল শ্ৰীকৃষ্ণ। সেই সময়ত অসমত নব-বৈষ্ণৱ আন্দোলন আৰম্ভ হোৱা নাই। সম্ভৱতঃ এওঁলোক প্ৰাচীন পঞ্চৰাত্ৰ বৈষ্ণৱ কোনো

সম্প্ৰদায়ৰ লোক আছিল। হৰিদেৱৰ বাল্যকালৰ পৰাই নাৰায়ণ শ্ৰীকৃষ্ণৰ একান্ত উপাসক আছিল। বয়সত কম হ'লেও বিদ্যা-বুদ্ধি, ধৰ্মশাস্ত্ৰৰ জ্ঞান, ঈশ্বৰ ভক্তি আৰু ধৰ্মনিষ্ঠাৰ বাবে তেওঁ সকলোৰে পৰা সমাদৰ লাভ কৰিছিল। তেওঁৰ গুণ-গৰিমাৰ খ্যাতি চাৰিওফালে বিয়পি গৈছিল। ধৰ্মশাস্ত্ৰৰ জ্ঞান আৰু ধৰ্মীয় আচৰণ বিধি আদি শিকিবলৈ সেই অঞ্চলৰ হোজা-চহা মানুহখিনি তেওঁৰ ওচৰলৈ ঢাপলি মেলিছিল। সেই সময়ত উজনি অঞ্চলত ধৰ্মভ্ৰষ্টৰ অবস্থা প্ৰকট হৈছিল। নানা ব্যভিচাৰী প্ৰথা গা কৰি উঠিছিল। হৰিদেৱৰ বৈষ্ণৱ ধৰ্মৰ সহজ-সৰল ব্যাখ্যা, একেশ্বৰবাদী তত্ত্ব আৰু সৰ্বভূততে ঈশ্বৰৰ অস্তিত্ব আদি কথাবোৰে অন্ধকাৰৰ মাজত খেপিয়াই ফুৰা মানুহৰ মনত উজ্জ্বল পোহৰৰ নিচিনা আলোকপাত কৰিছিল।

### ৰাজৰোষ

যেতিয়াই কোনো ব্যক্তি বা অনুষ্ঠানৰ জনপ্ৰিয়তা বাঢ়ে তেতিয়াই কিছুমান চকুচৰহাৰ আবিৰ্ভাৱ হয় আৰু সিহঁতে সততে সৰ্বনাশী চিন্তাত ব্যস্ত হয়। হৰিদেৱৰ ক্ষেত্ৰতো তেনেকুৱাই হ'ল। চুচেনফাই যেতিয়া অসমৰ ৰাজপাট খাইছিল, সেই সময়ত আহোম আৰু টংচু নগাৰ মাজত এখন যুদ্ধ লাগে। এই ৰণত প্ৰথমতে আহোমৰ পৰাজয় হয় আৰু এওঁলোকৰ ভালেমান সৈন্য আৰু বিষয়া নিহত হয়। কিছুমান দুষ্ট লোকে ৰজাক জনালে যে, নাৰায়ণপুৰৰ হৰিদেৱৰ কুপৰামৰ্শত ৰজাৰ সৈন্যসকলৰ মাজত আহাৰ-বিহাৰৰ বাচ-বিচাৰৰ কাৰণে আৰু বিশেষকৈ সিহঁতে টোপলীয়া ভাত খাবলৈ অস্বীকাৰ কৰা কাৰণে শাৰীৰিকভাৱে দুৰ্বল হৈ যুদ্ধত প্ৰাণ দিবলগীয়া হ'ল। হৰিদেৱে বৈষ্ণৱধৰ্ম প্ৰচাৰ কৰি মানুহবোৰক আৰু সৈন্যসকলকো ভকতীয়া কৰি পেলাইছে। তেতিয়া ৰজাই সৈন্যবোৰক টোপলীয়া ভাতেৰে খোৱাৰ যোগান ধৰিছিল, যি ভাত হৰিদেৱৰ শিষ্যসকলে চুৱা বুলি গণ্য কৰিছিল। ৰজাই এই কথা শুনি খঙত জ্বলি-পকি হৰিদেৱক ধৰি আনিবলৈ ভীমা আৰু লুমা নামৰ দুজন চাউদাং পঠিয়াই দিলে। ৰাজদূত আহি হৰিদেৱক ৰাজআজ্ঞা শুনালত তেওঁৰ বুজিবলৈ বাকী নাথাকিল ৰাজ-দৰবাৰত তেওঁ থিয় হ'লে বিচাৰৰ পৰিণাম কি হ'ব। তেতিয়াৰ সামন্তবাদী ৰজাৰ বিচাৰ শব্দটোৰ অৰ্থ কি নাজানিছিল বা জানিবলৈ চেষ্টা নকৰিছিল। ৰজাৰ ইচ্ছাই আছিল বিচাৰৰ শেষ কথা। হৰিদেৱে তৎক্ষণাৎ সিদ্ধান্ত গ্ৰহণ কৰিলে আৰু উদাৰগোবিন্দক ইংগিত দিলে তামোল-পাণ অনাৰ চেলু কৰি সুভদ্ৰাক লৈ হাবিলৈ পলাই যাবলৈ। কিছু সময়ৰ পিছত তেওঁ তামোল অনাত কিয় পলম হ'ল বুলি ঘৰৰ ভিতৰ সোমোৱাৰ ছলেৰে পিছফালেৰে পলাল। ৰাজদূতে কিছুসময় অপেক্ষা কৰি কাৰো মাত-বোল নুশুনি, ঘৰ সোমাই দেখে

নাই। তেওঁলোকে ঘূৰি গৈ ৰজাক জনালে যে হৰিদেৱ তেওঁলোকৰ চকুৰ সম্মুখতে মায়া কৰি অন্তৰ্দ্ধান হ'ল।

তিনিটি প্ৰাণীয়ে ৰাতিটো হাবিৰ মাজত কটালে। পিছদিনা ভক্তসকলৰ সহায়ত এখন ডাঙৰ কলৰ ভেল সজাই হৰিদেৱ, সুভদ্ৰা আৰু গোবিন্দ ব্ৰহ্মপুত্ৰৰ বুকুৰে ভটিয়াই যাত্ৰা আৰম্ভ কৰিলে। গুৰুজনে লগত নিব পাৰিলে কেৱল পিতাকৰ দিনৰ পৰা নিত্য-পূজা-সেৱা কৰা লক্ষ্মীনাৰায়ণ বিগ্ৰহটো আৰু স্বৰ্গীয় পিতৃ-মাতৃৰ শেষ স্মৃতি-চিহ্ন অস্থিখিনি।

এওঁলোকে ভটিয়াই গৈ গৈ অশ্বক্ৰান্ত পাই তাত ভেল ৰখালে। পিতৃ অজনাভে ইয়াত কিছুদিন অধ্যাপনা কৰিছিল, সেই বিষয়ে হৰিদেৱ অৱগত আছিল। নিজ পৰিচয় দিয়াত তাৰ পাণ্ডাসকলে তেওঁলোকক সাদৰি ল'লে আৰু গুৰু-পুত্ৰ হিচাপে তেওঁলৈ মান-সৎকাৰ আগ বঢ়ালে। ইয়াত কেইদিনমান থাকি তেওঁলোকে আকৌ ভটিয়াই গৈ হাজো পালে। হাজোত হৰিদেৱে হয়গ্ৰীৱ মাধৱৰ মন্দিৰ আৰু কেদাৰৰ শিৱ-মন্দিৰ দৰ্শন কৰে। হৰিদেৱ এজন অতি সৰল আৰু উদাৰ ব্যক্তিত্বৰ জ্ঞান যোগী পুৰুষ আছিল। তেওঁৰ সংস্পৰ্শলৈ অহা যি কোনো লোক মুগ্ধ হৈছিল।

## তীৰ্থভ্ৰমণ

নাৰায়ণপুৰৰ পৰা স্থানচ্যুত হৈ হৰিদেৱৰ মন আছিল অশান্ত; অতীতৰ সুখ-দুখৰ নানা ঘটনাৰ, আশা-আকাঙ্ক্ষাৰ বহু বাসনাৰ স্মৃতিৰে জৰ্জৰিত। সেয়ে তেওঁৰ তীৰ্থভ্ৰমণৰ দ্বাৰাই মনক সান্ত্বনা দিবলৈ প্ৰয়াস কৰি সুদূৰত সমুদ্ৰপাৰত অৱস্থিত শ্ৰীক্ষেত্ৰলৈ এক বিপদ-সঙ্কুল অভিযান আৰম্ভ কৰিলে আৰু হৰিৰ সহায়ত আৰু সুদৃঢ় মনোবলৰ কাৰণে সফলো হ'ল। তেওঁ ভনীয়েক সুভদ্ৰা আৰু গোবিন্দৰ সৈতে পুৰীলৈ গৈ তাত বিশ্ৰান্তৰ মহাপাত্ৰ নামৰ পাণ্ডা এজনৰ ঘৰত উঠিল। পিছদিনা তেওঁ জগন্নাথৰ বিগ্ৰহ দৰ্শন কৰি থকা অৱস্থাত তেওঁৰ আঠবছৰীয়া ভনীয়েক সুভদ্ৰা মন্দিৰৰ ভিতৰতে মূৰ্চ্ছা গ'ল আৰু লগে লগে তেওঁৰ প্ৰাণবায়ু উৰি গ'ল। হৰিদেৱ স্তম্ভিত হ'ল, বিষাদিত হ'ল; কিন্তু লগে লগে আশ্বস্তও হ'ল — এই ভাবি যে তেওঁৰ জীৱনৰ মহৎ অভিযানৰ কাৰণে ভগৱানে তেওঁক মোহমুক্ত কৰিলে। পিতৃ-মাতৃ, ভনী সকলোৰে তেওঁক একে একে মুক্তি দিলে। পাৰ্থিৱ মায়া জালৰ পৰা তেওঁ মুকলি হ'ল।

পুৰীৰ পৰা হৰিদেৱ উদাৰ গোবিন্দৰ লগত যথাক্ৰমে বৈদ্যনাথ আৰু তাৰ পৰা গৈ গয়া পালে। গয়াত তেওঁ পিতৃ-মাতৃৰ পিণ্ডাদি দান কৰ্ম সম্পন্ন কৰি তাৰ পিছত কাশী হৈ প্ৰয়াগ পালে। ত্ৰিবেণী সঙ্গমত তেওঁৰ পিতৃ-মাতৃৰ ভৌতিক দেহৰ অৱশিষ্ট অৰ্থাৎ অস্থিখিনি বিসৰ্জন দিলে। তেওঁৰ মন ফৰকাল হ'ল, হৃদয় শান্ত

হ'ল। ভৌতিক জঞ্জালৰ পৰা তেওঁ এতিয়া মুক্ত। তেওঁৰ লগত বৰ্তমান লক্ষ্মীনাৰায়ণৰ বিগ্ৰহ আৰু সঙ্গী গোবিন্দ আৰু হিয়াৰ মাজত কেৱল শ্ৰীকৃষ্ণ। প্ৰয়াগৰ পৰা তেওঁ শ্ৰীকৃষ্ণৰ শিশুলীলাৰ নানা স্মৃতি-চিহ্নৰে মুখৰিত বৃন্দাবনলৈ গৈ তাত কিছুদিন থাকি পৰম শান্তি অনুভৱ কৰিলে। শিশুকালৰ পৰা কল্পনাপটত গঢ় লোৱা শ্ৰীকৃষ্ণৰ প্ৰগাঢ় সংস্পৰ্শ অনুভৱ কৰিলে। প্ৰেমানন্দত তেওঁৰ চকুৰে নিগৰি ওলাল আনন্দাশ্ৰু।

## কাশীত বিদ্যালাভ

বৃন্দাবনৰ পৰা উভতি তেওঁ প্ৰয়াগ হৈ আকৌ কাশী পালে— কাশীধাম তেতিয়া ভাৰতবৰ্ষৰ সংস্কৃত শিক্ষাৰ প্ৰাণকেন্দ্ৰ । কাশীধামত বাস কৰে অগণন শিক্ষাবিদ আৰু প্ৰজ্ঞাবান পণ্ডিত। সেয়ে তেওঁৰ মনত আকাঙ্ক্ষা জাগিল বেদান্ত-দৰ্শনৰ গভীৰতম জ্ঞানৰ সোৱাদ ল'বলৈ। তেওঁ বিখ্যাত বেদজ্ঞ দাৰ্শনিক পণ্ডিত শ্ৰদ্ধানন্দ আচাৰ্য্যৰ সঙ্গ লাভ কৰিলে। আৰম্ভ হ'ল অধ্যয়ন অৰ্থাৎ জ্ঞান-যজ্ঞ। অধ্যয়ননিষ্ঠা আৰু প্ৰখৰ বুদ্ধিমত্তাৰ গুণত আচাৰ্য্যক আপ্যায়িত কৰিলে। গুৰুৱে উজাৰ কৰি দিলে জ্ঞান-ভাণ্ডাৰ উপযুক্ত শিষ্যৰ সম্মুখত। সুদীৰ্ঘ চাৰিবছৰ নিমগ্ন হৈ থাকিল কঠোৰ জ্ঞান তপস্যাত। এদিন তপস্যাৰ অন্ত পৰিল। গুৰুৰ কৃপাত হৰিদেৱ এতিয়া বেদজ্ঞ আৰু দৰ্শন শাস্ত্ৰজ্ঞ পণ্ডিতৰূপে প্ৰতীয়মান হ'ল। বেদ অধ্যয়নৰ সময়তে তেওঁ আত্মোপলব্ধিৰ কাৰণে যোগ সাধনাৰ প্ৰতিও অনুৰাগী হৈছিল আৰু নিষ্ঠাৰে সেই ব্ৰতো পালন কৰিছিল।

শ্ৰদ্ধানন্দ আচাৰ্য্যই হৰিদেৱৰ বিদায় উপলক্ষে কাশীৰ পণ্ডিতসকলৰ এখন সভা পাতিলে। সেই সময়ত কামৰূপৰ বিশিষ্ট পণ্ডিত পুৰুষোত্তম বিদ্যাবাগীশ তীৰ্থভ্ৰমণ কৰি আহি কাশীত উপস্থিত হৈছিল। তেৰোঁ হৰিদেৱৰ বিদায় সভাত যোগ দিলে। সভাত উপস্থিত হৈ এই কামৰূপীয়া পণ্ডিত হৰিদেৱ কোন, তেওঁৰ ঘৰ ক'ত, থাকে ক'ত, আৰু বংশ পৰিচয় আদিৰ বিতং পৰিচয় ল'বলৈ তেওঁ আগ্ৰহান্বিত হ'ল। দূৰ স্থানত নিজৰ ঠাইৰ মানুহক লগ পালে মনত আনন্দ লগা আৰু বিতং পৰিচয় জানিব খোজাতো স্বাভাৱিক কথা। হৰিদেৱৰ পৰা তেওঁ সকলো বিৱৰণ পাই "হা মোৰ প্ৰাণৰ ভাই" বুলি বুকুত সাৱটি লৈ আনন্দত অধীৰ হৈ চকুলোৰে বাট নেদেখা হ'ল। অলপ সুস্থিৰ হৈ তেওঁ ক'লে যে, তেওঁ অজনাভৰ সৰু ভাই পদ্মনাভৰ পুত্ৰ। তেওঁ সৰুৰে পৰা শিলা গাঁৱৰ মোমায়েকৰ পঢ়াশালিত আৰু পিছত নবদ্বীপত সংস্কৃত অধ্যয়ন কৰি তীৰ্থ কৰিবলৈ আহিছিল। সৰুতে পিতৃৰ মৃত্যু হোৱাত জেঠাক (ববপিতাক) অজনাভেই ভৰণ-পোষণ আৰু উপনয়ন আদিৰ ব্যৱস্থা কৰিছিল। জেঠাক অজনাভে প্ৰথমে অশ্বক্ৰান্তলৈ আৰু পিছত নাৰায়ণপুৰলৈ গৈ তাত বসতি

কৰা কাৰণে পৰিয়ালটোৰ সবিশেষ একো জানিব পৰা নাছিল। হৰিদেৱেও ককায়েকৰ আগত তেওঁৰ পিতৃ-মাতৃৰ মৃত্যু, ৰাজ-বোৰত তেওঁলোকৰ আহোম ৰাজ্যৰপৰা পলায়ন আৰু পৰীত সুভদ্ৰাৰ মৃত্যু আদি কৰি সকলো ঘটনা ব্যক্ত কৰি সশ্ৰদ্ধ প্ৰণিপাত জনালে। দুই ভাইৰ এনেকুৱা আচম্বিত মিলনৰ যোগাযোগত সমবেত পণ্ডিতমণ্ডলীয়ে হৰ্ষোল্লিত হৈ দুয়োকো আশীৰ্বাদ জনালে। সভাত হৰিদেৱক বেদ-দৰ্শন আচাৰ্য্য উপাধিৰে বিভূষিত কৰা হ'ল।

(বহু পণ্ডিতে কিন্তু পুৰুষোত্তমক হৰিদেৱৰ খুড়াকৰ ল'ৰা বুলি স্বীকাৰ কৰিব নোখোজে)

## পুৰুষোত্তম বিদ্যাবাগীশ

এতিয়া আমি পুৰুষোত্তম সম্বন্ধে কিছু আলোচনাৰ প্ৰয়াস কৰিম। সূৰ্য্যবৰ নামৰ পণ্ডিতৰ দুজন পুত্ৰ আছিল অজনাভ আৰু পদ্মনাভ। অজনাভৰ পুত্ৰ হৰিদেৱ আৰু পদ্মনাভৰ পুত্ৰ পুৰুষোত্তম। পুৰুষোত্তমৰ বহৰি গাঁৱতে জন্ম হৈছিল আৰু নিচেই সৰু কালতে তেওঁৰ পিতৃ-মাতৃৰ বিয়োগ হোৱাত অজনাভেই তেওঁক লালন-পালন কৰে। পাছত শিলা গাঁৱৰ মোমায়েকৰ ঘৰত থাকি পাণিনি, কলাপ আদি ব্যাকৰণৰ লগতে আন আন শাস্ত্ৰও অধ্যয়ন কৰে। তেওঁ কিছুকাল নবদ্বীপতো সংস্কৃত শিক্ষা গ্ৰহণ কৰিছিল। এবাৰ তীৰ্থযাত্ৰালৈ যোৱাৰ পথত সেই সময়ৰ কামৰূপৰ ৰাজধানী কোচবিহাৰত সোমাই গৈছিল। তেতিয়া মহাৰাজ নৰনাৰায়ণৰ লগত তেওঁৰ সাক্ষাৎ হয় আৰু তেওঁৰ পাণ্ডিত্যগুণত মুগ্ধ হৈ মহাৰাজে তেওঁক যথোচিত মান-সম্মান প্ৰদান কৰে আৰু ৰাজসভাৰ মুখ্য পণ্ডিত পদত নিয়োগ কৰে। মহাৰাজৰ আজ্ঞানুসৰি তেওঁ "ৰত্নমালা" ব্যাকৰণো ৰচনা কৰে। দৰং ৰাজবংশাৱলীৰ পৰা মহাৰাজ মল্লদেৱৰ পণ্ডিত প্ৰীতি আৰু জ্ঞান প্ৰচাৰৰ বিষয়ে এনেদৰে বৰ্ণিত হৈছে।

"গৌড় কামৰূপে যত পণ্ডিত আছিলা।
সমস্তকে আনি সত্ৰ দেৱাল পাতিলা।।
বোলে বিপ্ৰ পণ্ডিত সমস্তে শুনিয়োক।
কলিৰ যুগত বৃদ্ধি হৈব ভয় শোক।।
অল্পআয়ু অল্পবুদ্ধি হৈবেক নিঃশেষ।
লোপ হৈবে পূৰ্ব্বশাস্ত্ৰ গ্ৰন্থাদি বিশেষ।।
শুনিযো পুৰুষোত্তম ভট্টাচাৰ্য্য দ্বিজ।
কৰিয়োক ৰত্নমালা ব্যাকৰ্ণৰ বীজ।।"

পণ্ডিত মনোৰঞ্জন শাস্ত্ৰীয়ে পুৰুষোত্তম সম্বন্ধে এনেদৰে লিখিছে "তেওঁৰ বংশগত উপাধি আছিল মিশ্ৰ আৰু বিদ্যাৰ গুণত পোৱা উপাধি 'ভট্টাচাৰ্য্য' আৰু পালে

বিদ্যাবাগীশ'।

অতি প্ৰাচীন কালৰ পৰা কামৰূপত যে নানা শাস্ত্ৰ আৰু জ্ঞান-বিজ্ঞানৰ অধ্যয়ন-অধ্যাপনা হৈছিল সেই কথাৰ দ্বিমত নাই। কিন্তু বৃহৎ ভাৰতৰ অংশীভূত হৈও এই চৰ্চ্চা এই স্থানৰ প্ৰাকৃতিক বা পাৰিপাৰ্শ্বিক অৱস্থা আৰু লোক-সংস্কৃতিৰ প্ৰভাৱৰ কাৰণে স্বকীয় বৈশিষ্ট্যপূৰ্ণ। সেয়ে মহান ভাৰতীয় সংস্কৃতিৰ মাজত কামৰূপীয় ধাৰাৰ এটা বিশেষত্ব নজৰত নপৰাকৈ নাথাকে। অতি বিস্তৃত মাহেশ ব্যাকৰণ আৰু ইন্দ্ৰ ব্যাকৰণ কালক্ৰমত বিলুপ্ত হৈ গ'ল, তাৰ সংক্ষেপ বা সাৰ সংগ্ৰহৰূপে পাণিনীয় ব্যাকৰণ আৰু কলাপ ব্যাকৰণ হে চলি থাকিল। পৰৱৰ্তী কালত বিভিন্ন বৈয়াকৰণ পণ্ডিতৰ ৰচিত ভাষ্য-বাৰ্ত্তিক, টীকা-টিপ্পনী ব্যাখ্যা উপব্যাখ্যা আৰু প্ৰকৰণগ্ৰন্থৰ দ্বাৰা এই সংক্ষিপ্ত ব্যাকৰণে বহু বিস্তৃত হৈ উঠিল। তাৰ উপৰিও বিভিন্ন প্ৰদেশৰ বৈয়াকৰণ পণ্ডিতে সেই পূৰ্ব্বৱৰ্তী বিভিন্ন ব্যাকৰণৰ পৰা উপাদান সংগ্ৰহ কৰিয়ে নিজৰ বুদ্ধি-বৃত্তি খটুৱাই বিভিন্ন নামেৰে বিভিন্ন সংস্কৃত ব্যাকৰণ ৰচনা কৰি লোকত প্ৰচাৰ কৰিলে।" (অসমৰ সংস্কৃত ব্যাকৰণ-শাস্ত্ৰ সম্প্ৰদায়— পণ্ডিত মনোৰঞ্জন শাস্ত্ৰী )

পুৰুষোত্তম বিদ্যাবাগীশো "প্ৰয়োগ ৰত্নমালা"ৰ যোগেদি অসমত এটা বিশিষ্ট ব্যাকৰণ সম্প্ৰদায়ৰ সৃষ্টিকৰ্তা বুলি ক'বই লাগিব।

প্ৰয়োগ ৰত্নমালা ব্যাকৰণ আপেক্ষিকভাৱে সহজ আৰু সৰল। ইয়াৰ সূত্ৰবিলাক ছন্দোবদ্ধ আৰু কাব্যিক। শিক্ষাৰ্থীয়ে কম আয়াসতে ইয়াৰ তত্ত্ববোৰ বুজিব পাৰে। দ্বিতীয়তে, বিদ্যাবাগীশে ব্যাকৰণত সত্য প্ৰতিপাদনৰ উদ্দেশ্যে বিভিন্ন স্থানত বিভিন্ন শাস্ত্ৰৰ উপযুক্ত উদাহৰণবোৰ দাঙি ধৰিছে — ফলত ব্যাকৰণ পাঠৰ লগতে শিক্ষাৰ্থীয়ে নানা শাস্ত্ৰৰ কথাও আয়ত্ত কৰিব পাৰে। পাণিনিৰ ব্যাকৰণৰ বৰ্ণমালাত ৪৫ টা বৰ্ণ, যিবোৰ মাহেশ্বৰ-ব্যাকৰণ প্ৰদৰ্শিত চৈধ্যটা সূত্ৰৰ মাজেদি দেখুওৱা হৈছে। 'ক্ষ' অক্ষৰটো এটা স্বতন্ত্ৰ আখৰ হিচাপে পাণিনিয়ে তেওঁৰ বৰ্ণমালাত অন্তৰ্ভুক্ত কৰা নাই ; কাৰণ ক্ষ অক্ষৰটো 'ক' আৰু 'ষ'ৰ সংযুক্ত ৰূপহে। প্ৰয়োগ ৰত্নমালাত কিন্তু 'ক্ষ' স্বতন্ত্ৰ অক্ষৰৰূপে স্বীকাৰ কৰা হৈছে। পুৰুষোত্তমে পঞ্চাশ অক্ষৰযুক্ত 'অকাৰাদি ক্ষকাৰান্ত' বৰ্ণমালাখন হে গ্ৰহণ কৰিছে যি ক্ৰমযুক্ত বৰ্ণমালা তন্ত্ৰ শাস্ত্ৰোক্ত মাতৃকামন্ত্ৰৰ মাজত এই বৰ্ণমালাহে প্ৰচলিত।

পুৰুষোত্তমৰ পিছত কেইবাগৰাকী পণ্ডিতে এই ব্যাকৰণৰ টীকাও ৰচনা কৰিছে। এই টীকাৰ সৈতে ৰত্নমালা ব্যাকৰণৰ অধ্যয়ন-অধ্যাপনা অসমৰ শৈক্ষিক জগতত পৰম্পৰাগতভাৱে চলি আহিছে।

কাশীত পণ্ডিত সমাৰোহৰ পৰা খিতাপ আদি গ্ৰহণ কৰি হুৰিদেৱে, পুৰুষোত্তম গোবিন্দৰ লগত নিজ স্থানলৈ বুলি ৰাওনা হ'ল। তেওঁলোক আহি যেতিয়া পুৰী

তাৰ পাণ্ডাসকলে তেওঁলোকক আনন্দেৰে সম্ভাষণ জনালে। এনেহেন এজন পণ্ডিতৰ সঙ্গ তেওঁলোকে সহজে এৰিবলৈ টান পালে আৰু জগন্নাথৰ দোহাই দি তেওঁক মন্দিৰত ভাগৱত পাঠ কৰিব লাগে বুলি সাদৰে আমন্ত্ৰণ জনালে। হৰিদেৱে সেই আমন্ত্ৰণ অগ্ৰাহ্য কৰিব নোৱাৰিলে আৰু পাঠত নিবিষ্ট হ'ল। পুৰুষোত্তম নবদ্বীপলৈ গ'ল। সম্পূৰ্ণ ভাগৱত পাঠ শেষ কৰিবলৈ পাঁচ বছৰ লাগিল। এই পাঠ সামৰণি উৎসব উপলক্ষে পুৰীৰ ভাগৱতী সমাজে গুৰুজনৰ মান-সৎকাৰ কৰি 'ভাগৱত-আচাৰ্য্য' উপাধি প্ৰদান কৰে।

## বহৰিলৈ প্ৰত্যাগমন আৰু ধৰ্মপ্ৰচাৰৰ আৰম্ভণি

পুৰুষোত্তমৰ লগত হৰিদেৱ পুৰীৰ পৰা নবদ্বীপলৈ গ'ল আৰু তাত কিছুদিন কটাই কামৰূপলৈ ৰাওনা হ'ল। তেওঁৰ মনৰ তেতিয়া দোধোৰ মোধোৰ অৱস্থা ; ক'লৈ যাব? পিতৃগৃহ নাৰায়ণপুৰলৈ গ'লে জানোচা আকৌ আহোম ৰজাৰ ৰোষত পৰিব লগীয়া হয়? বহু ভাবি-চিন্তি তেওঁ পিতৃ-পিতামহৰ ভূমি বহৰিলৈকে যাবলৈ সিদ্ধান্ত ল'লে। সেই সময়ত বহৰি গাঁৱৰ সামাজিক অৱস্থা অতি নীচ স্তৰলৈ গৈছিল। মানুহৰ মাজত আচাৰ-বিচাৰ একো নাছিল। উদণ্ড ডেকাইত সকলো প্ৰকাৰ কুকাৰ্য্যত ৰত আছিল — নাৰীৰ আৰু সৎ লোকৰ কোনো নিৰাপত্তা নাছিল। আনকি স্থানীয় নাৰীয়েও প্ৰকাশ্যে দেহ-বিক্ৰীৰ ব্যৱসায় চলাইছিল। হৰিদেৱ যেতিয়া আহি গাঁও পালে তেওঁক সম্ভাষণ জনোৱা হ'ল অশ্লীল বাক্যেৰে আৰু অসৎ ব্যৱহাৰেৰে। কিন্তু নিচেই কম দিনৰ ভিতৰতে তেওঁ তেওঁৰ মধুৰ ব্যৱহাৰ আৰু সৎ আচৰণৰ দ্বাৰা সকলোকে মুগ্ধ কৰিলে। যি বাৰজন খট বা দুষ্ট প্ৰকৃতিৰ লোকে প্ৰথমতে তেওঁৰ লগত অতি বেয়া ব্যৱহাৰ কৰিছিল, তেওঁলোকে আহি ক্ষমা ভিক্ষা কৰিলে, তেওঁৰ পৰা শৰণ মাগিলে। হৰিদেৱেও তেওঁলোকক প্ৰায়শ্চিত্ত কৰাই শৰণ দিলে আৰু তেওঁলোকৰ দ্বাৰাই বহৰিত নামঘৰ আৰু দৌল আদি নিৰ্মাণ কৰালে। হৰিমন্দিৰত বাসুদেৱৰ বিগ্ৰহ স্থাপন কৰি নাম-প্ৰসঙ্গ, ভাগৱত পাঠ আৰু নিত্য পূজা-সেৱাৰ ব্যৱস্থা কৰা হ'ল। বহৰিত নামঘৰ মঠ আদি নিৰ্মাণ হ'ল, তিনিবেলা প্ৰসঙ্গ, নাম-কীৰ্ত্তনৰ ব্যৱস্থা হ'ল আৰু গোটেই অঞ্চল জুৰি এটা ধৰ্মীয় বাতাবৰণৰ সৃষ্টি হ'ল। সমাজত সুশৃঙ্খলতা, আচাৰ-বিচাৰৰ প্ৰতি শ্ৰদ্ধা বাঢ়িল। গুৰুজনে চুবুৰীয়া অঞ্চলবোৰতো মাজে সময়ে ভাগৱত ব্যাখ্যা শুনাই সাধাৰণ ৰাইজৰ মাজত আধ্যাত্মিক চেতনা জগাই তুলিবলৈ সক্ষম হ'ল। এনেকুৱা পৰিবেশতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱ উজনিৰ পৰা ভটিয়াই আহি আহি বৰপেটা পালে। তেওঁলোকে নানা বিপদ-আপদৰ কাৰণে আহোম ৰাজ্য এৰি আহি কোচৰজাৰ ৰাজ্য কামৰূপত সোমাই তাৰ আন আন ঠাইতো খোপনি লৈছিল। কিন্তু বৰপেটা অঞ্চলত অৰ্থাৎ পাটবাউসীত

নামঘৰ, মণিকূট আদি সজাই সুস্থিৰভাৱে তাত থকাৰ সিদ্ধান্ত লোৱাৰ কাৰণ আছিল সেই অঞ্চলটোৰ তেতিয়াৰ সামাজিক পৰিবেশ। মহাপুৰুষজনে তাত গৰখীয়া ল'ৰাৰ মুখতো শ্ৰীকৃষ্ণৰ গীত শুনিলে, নাৱৰীয়াসকলে বঠাৰ ছেৱে ছেৱেও হৰিনাম গাইছিল, আনকি মাছমৰীয়াসকলেও কৃষ্ণপ্ৰেমত আপ্লুত হৈ তেওঁলোকৰ কৰ্ম কৰিছিল।

"চণ্ডাল জনেক মাছ মাৰিয়া আসয়।
নাৱ চৰি কৃষ্ণ-কৃষ্ণ ডাকিয়া বোলয়।।
নাৱ ৰখি কাণ পাতি উনাৱন্ত তাক।
অনন্তৰে শঙ্কৰে বুলিলা হেন বাক।।
দ্বাদশ গুণীয়া বিপ্ৰো আকো নোহে সম।
এহিজন পুৰুষে সে সবাতো উত্তম।। গুঃ চঃ (দৈত্যাৰি ঠাকুৰ)

এই পৰিবেশ হৰিগুৰুৱে সৃষ্টি কৰিছিল বুলি ভাবিব পাৰি। বৰপেটা অঞ্চলত নামঘৰ, মঠ আদিও প্ৰথমে প্ৰতিষ্ঠা কৰিছিল তেৱেঁই। গতিকে একে আদৰ্শৰ পণ্ডিত-সকলৰ একান্ত হ'বলৈ বেছি সময় নালাগিল। মাধবদেৱ মহাপুৰুষৰ লগত আছিলেই। দামোদৰদেৱেও আহি পাটবাউসী পালে আৰু পাটবাউসীৰ পৰা মাত্ৰ চাৰি পাঁচমাইল দূৰত বহৰিত আগৰ পৰাই আছিল হৰিগুৰু। শঙ্কৰদেৱ আৰু মাধবদেৱৰ মিলনক মণিকাঞ্চন যোগ বুলি কোৱা হয়; কিন্তু বৰপেটা অঞ্চলত চাৰিগুৰুৰ মিলন স্বৰ্ণকাঞ্চন বুলিহে ক'ব লাগিব।

## মানেৰি

বহৰিৰ সমাজত সুশৃঙ্খলতা সৃষ্টি হোৱাত হৰিদেৱে তাৰ ৰাইজক আৰু অধিক আত্ম-সচেতন কৰিবলৈ এক ব্যৱস্থা ল'লে। তেওঁ বাৰজন ভকতক বহৰি সত্ৰৰ ভাৰ অৰ্পণ কৰি তাৰ পৰা অনতিদূৰত ব্ৰহ্মপুত্ৰৰ পাৰত এক নিৰ্জন পৰিবেশৰ স্থান নিৰ্বাচন কৰি তাত আশ্ৰম পাতি থাকিবলৈ ল'লে। গাৱলীয়া ৰাইজে তাতো কীৰ্ত্তনঘৰ নিৰ্মাণ কৰি দিলে। গুৰুজনে মন্দিৰত লক্ষ্মীনাৰায়ণৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰি ধৰ্মীয় কামত নিমগ্ন হ'ল। এই সময়তে পাটবাউসীৰ ত্ৰিমূৰ্ত্তিৰ লগত হৰিগুৰুৰ সাক্ষাৎ-পৰিচয় আৰু একাত্মতা গঢ়ি উঠে। গীতা-ভাগৱত গ্ৰন্থৰ আধাৰত নাম-ধৰ্ম প্ৰচাৰ কৰা শঙ্কৰদেৱৰ লগত হৰিগুৰুৰ ভক্তি আৰু আদৰ্শৰ সমন্বয় হ'ল। শ্ৰীহৰিগুৰু নিতৌ মানেৰিৰ পৰা পাটবাউসীলৈ আহি শঙ্কৰগুৰুৰ লগত প্ৰসঙ্গত যোগ দিলে। এদিন শঙ্কৰগুৰুৱে মাধৱদেৱ, দামোদৰদেৱ আৰু আন আন ভকত আতৈসৱৰ লগত হৰিগুৰুৰ সত্ৰ মানেৰিলৈ যাত্ৰা কৰিলে। মানেৰিৰ পৰা পাটবাউসীলৈ অহা-যোৱা বাটটো তেতিয়া হাবি-বন আৰু বোকা-পানীৰে ভৰা আছিল। মহাপুৰুষে হৰিগুৰুৰ এই বাটেদি সদায় অহা-যোৱাত যথেষ্ট কষ্ট হয় কাৰণে বাটটো ভালকৈ বন্ধোৱাৰ

ব্যৱস্থা কৰিলে। মহাপুৰুষ তিনিজনাই মানেৰি সত্ৰলৈ গৈ তাত সাত দিন সাত ৰাতি একেৰাহে নাম-প্ৰসঙ্গ কৰি গোটেই অঞ্চলত হৰিনামৰ অমিয়া বোৱালে। ওচৰ-চুবুৰীয়া হেজাৰ-বিজাৰ মানুহে অসমৰ বৈষ্ণৱ কৰ্ণধাৰ চাৰিজনৰ লীলা প্ৰাণভৰি উপভোগ কৰি পুলকিত হ'ল। হৰিগুৰুক মান সৎকাৰৰ উদ্দেশ্যেই এই মহোৎসৱ হোৱা কাৰণে তেওঁৰ সত্ৰৰ নাম তেতিয়াৰ পৰা হ'ল মানেৰি।

"শংকৰে বোলন্ত শুনা ভক্ত জ্ঞানীগণ।
উৰিয়া নগৰে যেন হৰিগুৰু স্থান।।
ইহাৰ ভিতৰে জন্ম লভে যিটোজন।
অপ্ৰয়াসে চলি যায় বিষ্ণুৰ ভুৱন।।
তিনিও দেশৰ যত লোক নিৰন্তৰ।
সবে আহি ইয়াত যোগাইব কৰভাৰ।।
আমি সকলে আহি কৰিলোঁহো মান।
আজি ধৰি নাম ভৈলা মানেৰীৰ স্থান।। হঃ চঃ (দ্বিজ দিবাকৰ)

মানেৰি সত্ৰখন বৰ্তমান ব্ৰহ্মপুত্ৰ নদীত জাহ গৈছে। সেই সত্ৰ বৰ্তমান নলবাৰী জিলাৰ বৰতলা নামৰ গাঁৱত প্ৰতিষ্ঠা কৰি প্ৰাচীন ঐতিহ্যৰ স্মৃতি ৰক্ষা কৰা হৈছে। প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে হৰিদেৱী শুভা সত্ৰৰো বৰ্তমান চিন-চাব নাই।

শৈশৱ কালতে পিতৃ-মাতৃক হেৰুৱাই আৰু তাৰ পিছত একমাত্ৰ ভনী সুভদ্ৰাৰ বিয়োগে হৰিদেৱক সংসাৰবিমুখী কৰি তুলিছিল। কিন্তু অৱস্থাৰ পৰিপাকত তেওঁ সংসাৰধৰ্মী হ'বলগীয়া হ'ল। ভকতসকলৰ একান্ত অনুৰোধ আৰু দাবীৰ ওচৰত নতি স্বীকাৰ কৰি তেওঁ কৃষ্ণকান্ত অধ্যাপকৰ কন্যা তিলোত্তমা দেৱীৰ লগত বিবাহ-পাশত আবদ্ধ হ'ল। তেওঁৰ তিনিটি সতি-সন্ততিও হ'ল। প্ৰথমা কন্যা ভুবনেশ্বৰী, দ্বিতীয় পুত্ৰ দামোদৰ আৰু তৃতীয়া কন্যা বনমালা। দামোদৰৰ যথা সময়ত উপনয়ন আদি কৰ্ম সমাধা কৰি বহৰিৰ মোমায়েকৰ পঢ়াশালিত পঢ়িবলৈ থৈছিল। এদিন তাৰ পৰা আহি থাকোতে পানীত ডুবি তেওঁৰ মৃত্যু ঘটিল। এই মৰ্মান্তিক আঘাত তেওঁ সহ্য কৰিলে নীৰৱ অশ্ৰুনদীৰ অন্তৰালত। সকলো ভগৱানৰ ইচ্ছা বুলি গণ্য কৰি হৰিৰ সেৱাত তেওঁ অধিক মনোনিবেশ কৰিলে।

বহৰিত স্থায়ীভাৱে সত্ৰ আদি পাতি বসবাস কৰাৰ আগত হৰিদেৱৰ জগন্নাথপুৰী আৰু কাশী আদি তীৰ্থস্থান ভ্ৰমণৰ কথা উল্লেখ কৰি অহা হৈছে। তেওঁ বৃদ্ধ বয়সতো আকৌ এবাৰ জগন্নাথ তীৰ্থলৈ যোৱাৰ কথা চৰিত পুথিত পোৱা যায়। ৰামচৰণ ঠাকুৰৰ গুৰুচৰিতৰ বৰ্ণনা এনে ধৰণৰ ঃ

"অনন্তৰে মাতি আনি শঙ্কৰে বুলিলা বাণী

শুনা তুমি মাধৱ বচন।
গঙ্গা-স্নান কৰিবহো জগন্নাথ যাইবোহো
শীঘ্ৰে তুমি কৰিয়ো যতন।।
শুনা মিত্ৰ ৰাম ৰাম শুনা গুৰু দামোদৰ
শুনা নাৰায়ণ মহাশয়।
গোবিন্দ পৰমানন্দ উদাৰ গোবিন্দচান্দ
শুনা হৰি হৰি ৰাম ৰাম।।
শ্ৰীৰাম বলৰাম বলভদ্ৰ অনুপাম
শুনা তুমি জয়ন্তী মাধৱ।
হৰিগুৰু জটীৰাম বনিয়া ভোবোৰা দাস
শুনা সবে কৰিয়ো উৎসৱ।।
দৈবজ্ঞত পৰে বলো সবাকে শুনায়া ক'লো
আনো যত আছা মোৰ সংগে।
কৰিয়ো যতন আকে যাৰ যাৰ যাইবে লাগে
সাৱধানে হয়ো সবে ৰঙ্গে।। ১৩৫২

'কথা গুৰুচৰিত'ত মহাপুৰুষসকলৰ দ্বিতীয়বাৰ তীৰ্থভ্ৰমণৰ বিষয়ে কোৱা হৈছে যে মহাপুৰুষ শঙ্কৰদেৱে ছয়কুৰি ভক্তৰ লগত তীৰ্থযাত্ৰা কৰিছিল। ড° মহেশ্বৰ নেওগদেৱেও তেখেতৰ 'শ্ৰীশ্ৰীশঙ্কৰদেৱ' গ্ৰন্থত লিখিছে :

"মহাপুৰুষ গুৰুজন, মাধদৱদেৱ, ৰামৰাম, নাৰায়ণ, গোবিন্দ, পৰমানন্দ, উদাৰ, গোবিন্দ, গোকুলচান্দ, শ্ৰীৰাম, বলোৰাম, বলভদ্ৰ, হৰিদেৱ, জটীৰাম, বনিয়া আতা, ভোবোৰা দামোদৰ আদি ছকুৰি ভক্তে সমে আঘোণ মাহৰ সাদিনৰ দিনা তীৰ্থলৈ ওলাল।" ড° নেওগে শঙ্কৰদেৱৰ দ্বিতীয়বাৰ তীৰ্থভ্ৰমণ ৯৭ বছৰ বয়সত অৰ্থাৎ ১৪৬৮ শকত বুলি উক্ত গ্ৰন্থত উল্লেখ কৰিছে। কিন্তু লক্ষ্মীনাথ বেজবৰুৱাদেৱে এই ভ্ৰমণ ১৪৫৫ শকত অৰ্থাৎ গুৰুজনৰ ৮৪ বছৰ বয়সত বুলি অনুমান কৰিছে।

দ্বিজ বানেশ্বৰ আৰু দ্বিজ দিবাকৰৰ "শ্ৰীশ্ৰীহৰিদেৱ চৰিত্ৰ" মতে শঙ্কৰদেৱ আৰু হৰিদেৱ একেলগে নদীয়ালৈ গ'ল আৰু চৈতন্যৰ প্ৰিয় শিষ্য হৰিদাসক পাই নম্ৰভাৱে চৈতন্যদেৱক দৰ্শন কৰাই দিয়াৰ কথা ক'লে। তেতিয়া হৰিদাসে ক'লে, "শুনা তোৰা আমাৰ বচন" :

"জানিবা স্বৰূপে ৰাক আন জাতি নাপাই তাক
ব্ৰাহ্মণেসে প্যাব দৰশন।" পৃঃ ৮৪

বনগএৱাগিৰিৰ চৰিত পুথিতো সেই একেই তথ্য যে হৰিদেৱে ভাগৱত যজ্ঞৰ

কাৰণে ব্ৰাহ্মণ বিচাৰি নদীয়ালৈ যোৱাৰ সময়ত শঙ্কৰদেৱে তাত চৈতন্যৰ দৰ্শন প্ৰাৰ্থী হৈ আছিল আৰু হৰিদেৱক লগ পাই তেওঁৰ লগত চৈতন্যৰ মন্দিৰলৈ যোৱাত তেওঁ শূদ্ৰ বুলি শঙ্কৰদেৱক সাক্ষাৎ নিদিলে, কেৱল হৰিদেৱক ভিতৰলৈ মাতি নি তেওঁ ভাগৱত দান কৰিলে আৰু শঙ্কৰদেৱ আৰু দামোদৰদেৱলৈ লিখিতভাৱে নামমন্ত্ৰ দিলে অৰ্থাৎ দূৰৰ পৰাই শৰণ দিলে।

এইখিনি প্ৰশ্ন উদয় হ'ল যে শঙ্কৰদেৱ আৰু হৰিদেৱৰ দেখা সাক্ষাৎ আৰু পৰিচয় কেতিয়াবা হৈছিল ? উত্তৰ হ'ব নিশ্চয় শঙ্কৰগুৰু বৰপেটালৈ অহাৰ পিছত। তেৰাৰ প্ৰথম তীৰ্থভ্ৰমণ আছিল বৰদোৱাৰ পৰা ডেকা বয়সত আৰু সেইবাৰ তেওঁ যদি নদীয়ালৈ গৈও থাকে তেতিয়া হৰিদেৱ লগত থকাৰ প্ৰশ্ন নাই আৰু চৈতন্য হয় জন্মাই নাই আৰু জন্মিলেও নাবালক মাত্ৰ। দ্বিতীয়বাৰ তীৰ্থভ্ৰমণত হৰিদেৱ হয়তো তেওঁৰ লগত আছিল কিন্তু তেওঁলোক নদীয়ালৈ যোৱাৰ কথা আন কোনো গুৰুচৰিতত উল্লেখ নাই আৰু যদি গৈও থাকে তেতিয়া চৈতন্য জীৱিতই নাছিল ; নদীয়া তেওঁ তেইশ বছৰ বয়সত ত্যাগ কৰিছিল। গতিকে এই কথা অসমৰ সংৰক্ষণশীল কুচক্ৰী দুই এজন পণ্ডিতৰ কল্পনাবিলাসেই নহয়, সুপৰিকল্পিতভাৱে অসমৰ মহাপুৰুষ কেইজনক চৈতন্যৰ বহতীয়া কৰি দেখুৱাবলৈ এটা নিষ্ফল প্ৰয়াস। চৈতন্য কুলত ব্ৰাহ্মণ আছিল কাৰণেই তেওঁক অসমৰ মহাপুৰুষসকলৰ গুৰুৰূপে প্ৰতিষ্ঠাৰ এক জাতিদ্ৰোহী চক্ৰান্ত বুলি ক'লে বোধকৰো ভুল নহয়। এই বিষয়ে আমি গ্ৰন্থৰ সামৰণিত আৰু বিতংভাৱে আলোচনা কৰিম।

## হৰিদেৱৰ প্ৰধান শিষ্যবৰ্গ

হৰিদেৱৰ শিষ্যসকলৰ ভিতৰত যদুমণিদেৱ, নাৰায়ণদেৱ, হৰিচৰণ আৰু গোপীনাথ বা জগন্নাথদেৱেই প্ৰধান। গুৰুৰ আজ্ঞানুসৰি যদুমণিদেৱে উজনি অসমত 'মাহৰা সত্ৰ', নাৰায়ণদেৱে বৰপেটাত 'শুভাসত্ৰ', হৰিচৰণদেৱে নলবাৰীত 'জাগৰা সত্ৰ' আৰু গোপীনাথে বাণীকুটি বা কৈনাকুচিত সত্ৰ স্থাপন কৰে। গোপীনাথলৈ গুৰুৰ নুমলীয়া জীয়ৰী বনমালাক বিয়াও দিয়া হৈছিল। বহুৰি সত্ৰৰ ভাৰ বাৰজন ভকতৰ হাতত সমৰ্পণ কৰাৰ কথা আগেয়ে কৈ অহা হৈছে। সত্ৰবিলাকত নিত্য-প্ৰসঙ্গ ভাগৱত পাঠ, শ্ৰৱণ-কীৰ্ত্তন আদি কেনেকৈ কৰিব লাগে সেইবিষয়ে গুৰুজনে ভক্ত শিষ্যসকলক স্পষ্টকৈ উপদেশ দি গৈছে। তেৰাৰ শিষ্যপ্ৰশিষ্যই পিছত আন কেইবাখনো সত্ৰ প্ৰতিষ্ঠা কৰে। কামৰূপী ভাগৱতী ধৰ্ম সম্প্ৰদায়ৰ সকলো কেইজন গুৰুৱে শ্ৰীকৃষ্ণক পৰম ব্ৰহ্মৰ সোপাধিক ৰূপ বুলি বিশ্বাস কৰি একেশ্বৰবাদী তত্ত্ব জনগণৰ মাজত প্ৰচাৰ কৰিছিল। শ্ৰীশ্ৰী হৰিদেৱ চৰিত্ৰত দ্বিজ গদাধৰে সেয়ে বৰ্ণনা কৰিছে এনেদৰে ঃ

"শুনিয়ো লোকাই কলি যুগে নাই
অন্যে ধৰ্ম্মে অধিকাৰ।
কেবল হৰিৰ নামেসে জানিবা
সংসাৰত পাৰাপাৰ।" ৩৯
"হেন জানি সবে আলাস ত্যজিয়া
গলে বান্ধা হৰিনাম।
সকাম নিষ্কাম যাৰ যেন মত
পূৰ্ণ হৈব মনস্কাম।। ৬৯
"নমো নমো কৃষ্ণ বলৰ কনিষ্ঠ
তুমি জগতৰ নাথ।
তোমাৰ চৰণে শৰণে পশিলো
নমো নমো নমাই মাথ।" ৮২
"ইতো কলিযুগে পাপ পুণ্য একো নাই।
বেদৰ সম্মত জানা নামেসে উপায়।।
যি বেলা পৰিবা ভাই সংসাৰ সঙ্কটে,
পলায়োক পাতেক, ৰাম ৰাম বোলা জান্তে।। " ৯৩

কামৰূপীয় বৈষ্ণৱ সম্প্ৰদায়ৰ আটাইকেইজন গুৰুৰ মাজত যে অতি সৌহাৰ্দ্যপূৰ্ণ সম্বন্ধ আছিল আৰু তেওঁলোক সকলোৱে এই অঞ্চলৰ শিক্ষা-দীক্ষাৰ অভাবত অন্ধকাৰ পৰিবেশত বাট বিচাৰি ফুৰা সাধাৰণ জনগণক ধৰ্মীয়, সামাজিক, সাংস্কৃতিক, সকলো স্তৰতে উচ্চমানৰ আদৰ্শেৰে অনুপ্ৰাণিত কৰি এখন সুস্থ সমাজৰ ভেটি ৰচনা কৰাত সফল হৈছিল সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। পঞ্চদশ-ষষ্ঠদশ শতিকাৰ সমাজখনৰ কথা আজি একবিংশ শতিকাৰ দুৱাৰদলিত বহি সম্যক ধাৰণা কৰাটোও সহজ নহয় আৰু সেই কাৰণে আজিৰ যুগত গুৰুসকলৰ মূল্যায়ন কৰিবলৈ যাওঁতেও পণ্ডিতসকলে বাৰে বাৰে উজুটি খায়। আজিৰ যুগ ব্যক্তিকেন্দ্ৰিক, ৰাজনৈতিকভাবে সাম্প্ৰদায়িক আৰু জাতিগতভাৱেও। বিচ্ছিন্নতাবাদ আৰু সংৰক্ষণশীলতাৰ তাণ্ডৱ নৃত্যই সামাজিক ভেটিটোও থৰক-বৰক কৰি পেলাইছে। কিন্তু গুৰুচৰিতসমূহ আলোচনা কৰিলে আমি দেখিবলৈ পাওঁ আমাৰ গুৰুকেইজনৰ নিজৰ নিজৰ সুকীয়া দৃষ্টিভঙ্গী থকা সত্ত্বেও জনগণৰ কল্যাণ সাধনৰ ভূমিকাত তেওঁলোক আছিল এক আৰু অবিচ্ছেদ্য। দ্বিজ ধনেশ্বৰ বানেশ্বৰ ৰচিত "হৰিদেৱ চৰিত"'ত এনেদৰে বৰ্ণনা কৰা হৈছে,

"শ্ৰীশংকৰ নামে আসি অৱতাৰ হৈব।
জ্ঞান ভক্তি উপদেশে লোক নিস্তাৰিব।"

লোক তাৰিবাক হেতু পৃথিৱীক আসি ।
হৰিদেৱ ব্ৰাহ্মণক কহিবা প্ৰকাশি ।।"

## ধৰ্মমত

উক্ত উক্তিৰ পৰাই শঙ্কৰদেৱ আৰু হৰিদেৱৰ মাজত থকা সম্বন্ধ সম্পৰ্কে আমি স্পষ্ট সংকেত পাওঁ। মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ চৰিতসমূহত হৰিদেৱক হৰিগুৰু বুলি উল্লেখ কৰিছে আৰু তেওঁৰ মাহাত্ম্যও প্ৰকাশ কৰিছে; কিন্তু শঙ্কৰ-মাধৱ আৰু হৰিদেৱৰ প্ৰচাৰিত ধৰ্মমতত কিছু পাৰ্থক্যও চকুত নপৰাকৈ নাথাকে। শঙ্কৰ-মাধৱৰ মূৰ্তি বা বিগ্ৰহৰ প্ৰাধান্য নাই আৰু পূজাৰো ব্যৱস্থা নাই। কিন্তু হৰিদেৱৰ আছে। উভয় পক্ষৰে ভজনীয় ঈশ্বৰ বিষ্ণু বা শ্ৰীকৃষ্ণ হ'লেও সামাজিক জীৱনত হৰিদেৱে আন দেৱ-দেৱীৰ পূজা-সেৱাৰো ব্যৱস্থা দিছে। শঙ্কৰ-মাধৱে "এক দেৱ এক সেৱ এক বিনে নাহি কেৱ" এই তত্ত্বত গুৰুত্ব দিছিল। কিন্তু দেৱ-দেৱী পূজকসকলকো নিন্দা কৰিবলৈ হাক দিছিল। তেওঁলোকে আনহাতে নাম-কীৰ্ত্তনৰ দ্বাৰাই শ্ৰী হৰিৰ চৰণত ঐকান্তিক শৰণৰ ব্যৱস্থা দিছে। হৰিদেৱে পৰম্পৰাৰ শিকলিডাল সমূলি চিঙিব পৰা নাছিল ; শঙ্কৰ-মাধৱ আপেক্ষিকভাৱে আছিল নতুন যুগৰ লোক।

মতবাদৰ এই বিভিন্নতাৰ ঐতিহাসিক তাৎপৰ্য্য বিচাৰ কৰিব লাগিলে আমি গুৰু কেইজনৰ বংশ পৰম্পৰা, তেওঁলোক পৰিবৰ্দ্ধিত হোৱা সামাজিক পৰিবেশ আদিৰ বিষয়ে বিবেচনা কৰিব লগীয়া হয়। শঙ্কৰদেৱ আৰু মাধৱদেৱ উভয়ৰে জন্ম হৈছিল শাক্ত পৰিয়ালত। শঙ্কৰৰ পূৰ্বপুৰুষ চণ্ডীবৰ দেৱীদাস উপাধিৰে খ্যাত আছিল। কিন্তু হৰিদেৱ আছিল প্ৰাচীন বৈষ্ণৱ পৰিয়ালৰ লোক। আমি আগতে আলোচনা কৰি আহিছোঁ যে হিন্দুধৰ্মৰ বৈষ্ণৱ সম্প্ৰদায়টো অতি প্ৰাচীন আৰু মহাভাৰতৰ কালৰ পৰাই "পঞ্চৰাত্ৰ" প্ৰথা এই সম্প্ৰদায়ৰ সাধনাৰ ভেটি। অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পণ্ডিত আৰু মাদ্ৰাজ ওৱেচলি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ স্বৰ্গীয় জে.এছ.এম. হুপাৰ চাহাবে দাক্ষিণাত্যৰ আলৱাৰসকলৰ নব-বৈষ্ণৱ আন্দোলনৰ বিষয়ে আলোচনা সন্দৰ্ভত তাৰ পূৰ্বত প্ৰচলিত বৈষ্ণৱ সম্প্ৰদায়ৰ বিষয়ে এনেদৰে লিখিছে,

"Hinduism as it developed tolerated as of at least temporary value, thı aboriginal cults in which men had found some satisfaction for these needs, anc thus we find an increasing number of local legends of the gods incorporatec into Hinduism through the 'Puranas', and attached to the greater gods of thı pantheon. In particular, from the stand point of this study, is to be noted thı movement, associated with the 'Pancharatras' in the early centuries A.D. Thi

was among the higher castes, and emphasised the worship of Vishnu in temples and by means of images, with an ancient non-Vedic ritual. It marked a great advance on indiscriminate polytheism in that it insisted on all worship being directed to Vishnu ; even the other gods of the pantheon were excluded, Narayana (identified with Vishnu) the primal cause, alone being the object of worship. This sect was for these reasons criticised as unorthodox : but it has always claimed orthodoxy, and has maintained caste and the observance of Vedic forms in domestic worship."

Hymns of the ALWARS. Page 9.

(বিবৰ্তনৰ পথত আগবাঢ়ি হিন্দুধৰ্মই, অস্থায়ী মূল্যৰ বুলি ধৰি ল'লেও, আদিবাসীসকলে পালন কৰি অহা পন্থবিলাক মানি লৈছিল, আৰু সেই কাৰণেই দেৱ-দেৱী সম্বন্ধীয় বহুতো স্থানীয় প্ৰবাদ নাইবা কাহিনী পুৰাণবিলাকৰ জৰিয়তে হিন্দুধৰ্মৰ ভিতৰত সোমাই পৰে আৰু এই ধৰ্মৰ মূল দেৱসকলৰ লগত সাঙোৰ খায়। বিশেষকৈ এই অধ্যয়নৰ দৃষ্টিভংগীৰ ফালৰ পৰা খৃষ্টীয় প্ৰথম শতিকা কেইটামানত পাঞ্চৰাত্ৰৰ লগত জড়িত আন্দোলনটোৰ কথা ক'ব পাৰি। এই আন্দোলন আছিল উচ্চকুলৰ লোকৰ মাজত আৰু ইয়াত জোৰ দিয়া হৈছিল মন্দিৰত স্থাপিত মূৰ্তিৰ আশ্ৰয়ত কৰা বিষ্ণুৰ পূজা— এক প্ৰাচীন অবৈদিক অনুষ্ঠান অনুসৰণ কৰি, বিচাৰহীনভাৱে অনুসৰণ কৰা বহুদেৱবাদৰ ঠাইত এই পূজাই এক উন্নতি সূচাইছিল— এই অৰ্থত যে সকলো পূজাৰ লক্ষ্য হ'ব লাগে বিষ্ণু ; সৃষ্টিৰ মূল কাৰণ নাৰায়ণৰ (বিষ্ণুৰ সমাৰ্থক) পূজাহে কৰণীয় ; এইবিলাক কাৰণত এই পন্থটোক অনৈষ্ঠিক বুলি সমালোচনা কৰা হৈছিল ; আনহাতে এই পন্থই সদায় গোড়া বুলি দাবী কৰি আহিছে ; কুলভেদ মানিছে আৰু ঘৰুৱা পূজা-সেৱাত বৈদিক আচাৰ অনুসৰণ কৰিছে।)

আলৱাৰসকলৰ অভ্যুত্থান হৈছিল গীতাৰ যুগৰ পিছত আৰু ৰামানুজাচাৰ্য্যৰ আগত। এই যুগতে বৌদ্ধ আৰু জৈন ধৰ্মমতে হিন্দুধৰ্মৰ সংৰক্ষণশীল আৰু গোড়ামিৰ বিৰুদ্ধে এনেদৰে প্ৰত্যাহ্বান জনাইছিল যে হিন্দুধৰ্মৰ ভেটিয়ে লৰক থৰক হৈছিল। শঙ্কৰাচাৰ্য্যই ব্ৰহ্মাসূত্ৰৰ ভাষ্য লেখি জ্ঞানযোগৰ অদ্বৈতবাদী দৰ্শন ব্যাখ্যা আগবঢ়াইছিল। জ্ঞানযোগৰ ব্যাখ্যা মুষ্টিমেয় পণ্ডিতৰ মাজতে সীমাবদ্ধ আছিল। অগণন জনগণৰ বাবে "ব্ৰহ্ম সত্য, জগৎ মিথ্যা" তত্বটো আছিল দুৰ্বোধ্য। এই পৰিবেশতেআলৱাৰসকলে উন্মাদৰ দৰে মানুহৰ মাজত ঘূৰি ফুৰি আবেগিক থলুৱা ভাষাৰে সৃষ্টি কৰিছিল অপূৰ্ব ভক্তি সঙ্গীত। এই তৰঙ্গৰ ঢৌৱে জাতি-বৰ্ণ, স্ত্ৰী-পুৰুষ পণ্ডিত-মূৰ্খ সকলোৰে অন্তৰৰ গভীৰতম প্ৰদেশ স্পৰ্শ কৰিছিল। এই

আন্দোলনৰ তাত্ত্বিক ব্যাখ্যা দাঙি ধৰিছিল প্ৰথম ভক্তিবাদী আচাৰ্য্য ৰামানুজে। তেওঁ শঙ্কৰাচাৰ্য্যৰ মতবাদ খণ্ডন কৰি শুদ্ধ ভক্তিৰ পথ প্ৰদৰ্শন কৰিছিল , কোনো বিভেদ নকৰাকৈ সকলো শ্ৰেণীৰ লোকৰ কাৰণে আত্মনিবেদন আৰু শৰণাগতি হ'ল এই দৰ্শনৰ মূলতত্ত্ব। ৰামানুজৰ মতে ব্ৰাহ্মণ-শূদ্ৰ, পণ্ডিত-মূৰ্খ নিৰ্বিশেষে সকলোৰে প্ৰপত্তিৰ অধিকাৰী আৰু প্ৰপত্তিৰ অৰ্থ হ'ল ব্ৰহ্মত সম্পূৰ্ণ আত্ম সমৰ্পণ। ৰামানুজ বিশুদ্ধ ব্ৰাহ্মণ পৰিয়ালৰ আছিল কিন্তু তেওঁ গুৰু বৰণ কৰিছিল কাঞ্চীপূৰ্ণক যাৰ পিতৃ আছিল শূদ্ৰ আৰু মাক পৰ্বতীয়া শবৰী জাতিৰ। গীতাৰ কৰ্মযোগ আৰু জ্ঞানযোগৰ ওপৰত ভক্তিযোগ প্ৰতিষ্ঠিত হৈছিল। আনুষ্ঠানিক যাগ-যজ্ঞ, পূজা-সেৱা আৰু পুৰোহিতৰ প্ৰাধান্য কমি গৈছিল। এনেদৰে সূচনা হৈছিল নব-বৈষ্ণৱ আন্দোলনৰ পটভূমি। এই ভক্তি আন্দোলনৰ মুখপত্ৰ হিচাপে সৃষ্টি হৈছিল ভাগৱত মহাপুৰাণ।

শঙ্কৰদেৱ আছিল শিৰোমণি ভূঞা পৰিয়ালৰ, যি বাবৰ ভাৰ তেওঁৰ ওপৰতো পৰিছিল। নিজৰ পৰিয়ালৰ উপৰিও তেৰাৰ সম্বন্ধ আছিল অলেখ জাতি-মিত্ৰ পাত্ৰ পৰিষদ আৰু প্ৰজাৰ লগত, তেৰাৰ সামজিক পৰিবেশ আছিল বিস্তৃত। তেৱেঁই অসমৰ প্ৰথম গুৰু যিয়ে নব-বৈষ্ণৱ আন্দোলনৰ নেতৃত্ব লৈছিল উত্তৰ-পূব ভাৰতত, শাক্তধৰ্মৰ আনুষ্ঠানিক ক্ৰিয়া-কলাপৰ পয়োজৰ দলিয়াই পেলাই আৰু পিছত একনিষ্ঠ ভক্তৰূপে তেওঁৰ পূৰ্ণ অনুগামী হৈছিল মাধৱদেৱ। হৰিদেৱৰ সৰুকালতে পিতৃ-মাতৃৰ বিয়োগ হোৱাত তেওঁ প্ৰায় ওঠৰ বছৰ বয়সতে ৰজাৰ অত্যাচাৰৰ কাৰণে নিজ জন্মভূমি পৰিত্যাগ কৰি যাযাবৰী জীৱন-যাপন কৰিবলৈ বাধ্য হৈছিল। তেওঁ উত্তৰ ভাৰতৰ বহু মঠ-মন্দিৰ দৰ্শন কৰি বাৰানসীত চাৰি বছৰ বেদ অধ্যয়ন কৰি তাৰ পিছত পুৰীৰ জগন্নাথ মন্দিৰত পাঁচ বছৰ কাল ভাগৱত চৰ্চ্চা কৰিছিল। গতিকে সহজে অনুমান কৰিব পাৰি যে এই গুৰুজন আছিল পৰম্পৰাগত সংস্কাৰ আৰু ভাগৱতী বা ভক্তিধৰ্মৰ সমন্বয়ৰ প্ৰতীক। তেওঁ বহুৰিলৈ আহি সত্ৰ স্থাপন, তাত নাম-প্ৰসঙ্গ আৰু ভাগৱত পাঠ-প্ৰবচনৰহে ব্যৱস্থা কৰিছিল আৰু শঙ্কৰদেৱৰ সঙ্গতো ভাগৱতহে চৰ্চ্চা কৰিছিল। গতিকে এইটো ধাৰণা কৰিব পাৰি যে, তেৰাই প্ৰাচীন বৈষ্ণৱপন্থী হৈও নব-বৈষ্ণৱ ধৰ্মমত সাদৰে গ্ৰহণ কৰিছিল, যদিও প্ৰাচীন পৰম্পৰাৰ আনুষ্ঠানিক আচাৰ-বিচাৰ আৰু ক্ৰিয়া-কাণ্ড একেবাৰে বাদ দিয়া নাছিল। মহাপুৰুষ কেইজনাৰ সৌহাৰ্দ্যৰ এয়েই আধাৰ বুলি ধৰি ল'লেহে আজিৰ যুগৰ বহু সাম্প্ৰদায়িক মতবাদৰ ভুল বুজাবুজিৰ সমাধান বিচাৰি পোৱাত সহায় হ'ব বুলি আমি আশা কৰিব পাৰো।

## মহাপ্ৰয়াণ

এটি সুদীৰ্ঘ জীৱন কেৱল ভগৱদ্-ভক্তিৰ সাধনাত আৰু দলিত পীড়িত জনগণৰ মঙ্গলৰ কাৰণে উছৰ্গা কৰি হৰিগুৰুৱে যি খ্যাতি ৰাখি গৈছে, সি অতুলনীয় কিন্তু ভৌতিক জীৱনত দুখ-দৈন্য, আশা-নিৰাশা, হৰ্ষ-বিষাদৰ মায়াজালৰ পৰা কেৱে মুক্ত থাকিব নোৱাৰে। তেৰাৰ চকুৰ আগতে জ্যেষ্ঠ ভ্ৰাতৃ-পুৰুষোত্তম আৰু প্ৰিয়তমা পত্নী তিলোত্তমা দেৱীয়ে তেওঁক এৰি অনন্তধামলৈ যাত্ৰা কৰিলে। সেয়ে মানৱী দেহৰ মায়াৰো অৱসান পৰ্ব আৰম্ভ হ'ল। মানেৰি সত্ৰত এটি উৎসৱৰ আয়োজন কৰি তেওঁ তেওঁৰ ভক্তমণ্ডলীক নিমন্ত্ৰণ জনালে। সকলোকে সম্বোধি বৈষ্ণৱ ধৰ্মৰ উপদেশাৱলী আকৌ দোহাৰিলে আৰু সেই সত্ৰৰ দায়িত্ব তেওঁৰ অবিবাহিত জ্যেষ্ঠা কন্যা আই ভুবনেশ্বৰীৰ ওপৰত অৰ্পণ কৰি কামৰূপীয় বৈষ্ণৱ ধৰ্মত নাৰীগুৰুৰ এটি নতুন পৰম্পৰা সৃষ্টি কৰি ইহলীলা সম্বৰণ কৰিলে।

"মোহোৰ দুহিতা ভুবন ঈশ্বৰী
মালাক দিলো শিৰত।
শুদ্ধ সত্য ধৰ্ম্ম মোৰ ভক্তি দিয়া
থৈলো জানা মানেৰীত।।
মোৰ সম দেখি থাকিবা সদায়
এৰিও মনে সংশয়।
তেবে তোমাসাৰ বিশ্বাস ভকতি
বাড়িবে জানা নিশ্চয়।"

(দ্বিজ দিবাকৰ ৰচিত শ্ৰীশ্ৰীহৰিদেৱ ৰচিত)

গুৰুজনাৰ তিৰোধানৰ তিথিটো হ'ল ১৪৯০ শকৰ জেঠ মাহৰ অমাৱস্যা।

এই সংক্ৰান্তত অসমৰ খ্যাতনামা গৱেষক পণ্ডিত ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱকেই প্ৰধান বুলি সকলোৱে স্বীকাৰ কৰে। তেখেতৰ "The New-Vaisnavit Movement and the Satra Institution of Assam" নামৰ প্ৰসিদ্ধ গৱেষণা গ্ৰন্থখনিত তেখেতেহৰিদেৱী সম্প্ৰদায়টোৰ বিষয়ে এনেদৰে লিখিছে,

"All the Carita-puthis of Sankaradeva and Madhavadeva contain the incident of Damodaradeva's act of Seceding away from the main body, but no where is there any reference to Harideva starting a distinct sect or sub-sect. Anyway, it is clear and beyond doubt that the Sub-sect of Damodaradeva came in to existence in times of Madhavadeva and that took place after the death of Sankaradeva. But Haridevi sub-sect does not seem to be so old, as no reference

to its growth is found in any of the earlier biographics. The only biography, which tries to establish this sect as an independent one is "Harideva Carita" written by Dhaneswara and Baneswara Dvija. It appears to be a later work.

Most probably, this sub-sect began to claim its independence after the formation of the Damodari Sub-sect and the idea of proclaiming itself as a seperate sect must have been supplied by the action of Damodara and his followers.

"The so-called Haridevi Sect is generally taken as a branch of the Brahma Samhati, because of the existence of the Brahmanical rituals along side the devotional practices. Excepting the manner and procedure of conducting devotional services, the Haridevi Sub-sect is practically identical in fundamental teachings and practices with the Sub-sect of Damodaradeva.

It has already been said that all the biographics of Sankardeva and Madhavadeva have uniformly stated that Harideva was one of the four 'Dharmacaryas' appointed by Sankaradeva. The biography of Damodaradeva by Nilakantha Dasa also refers to Harideva as a follower of Sankaradeva. Even 'Harideva Carita' by Baneswara Dvija also admits the indebtedness of Harideva to Sankaradeva in the following way.

"There will be anincarnation of Vishnu by the name of Sankaradeva in Kalî Yuga, who will emancipate people by his preachings on knowledge and devotion. In order to release people from the bondage of the world he will explain everything on knowledge and devotion to a Brahmin named Harideva."

Moreover, the Sub-sect does not differ in essential points from the Sect founded by Sankaradeva. These alone will show that independence of the Sect claimed by the followers of Harideva is based rather on Sectarian zeal than on genuine ground. " (PP-67, 81-82)

## মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱ

আহোমৰাজ্যৰ ৰাজধানী প্ৰসিদ্ধ গড়গাওঁ নগৰৰ ওচৰৰে নাজিৰাত শ্ৰীগোপালদেৱৰ জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল কামেশ্বৰ ভূঞা আৰু মাতৃ বজ্ৰাঙ্গীদেৱী। গোপালৰ জন্ম ১৫৪১ খৃষ্টাব্দৰ ব'হাগ মাহৰ শুক্লা সপ্তমী তিথি বুধবাৰে মধ্যৰাত্ৰিত হৈছিল বুলি জনা যায়। অৱশ্যে অসমৰ আন কেইজনমান বৈষ্ণৱ গুৰুৰ নিচিনা এওঁৰো জন্ম তাৰিখ আৰু বৈকুণ্ঠী হোৱা সময়ৰ বিষয়ে গুৰুচৰিতবোৰত মতানৈক্য হোৱা দেখা যায়। আমি এওঁৰ ক্ষেত্ৰতো বৰ্তমান ৰাইজে যি তাৰিখটোত তিথি-উৎসৱ পালন কৰে তাকেই মানি লৈছোঁ। গোপালদেৱৰ জন্ম সম্বন্ধে ৰামানন্দ দ্বিজৰ চৰিত পুথিৰ বৰ্ণনা এনে ধৰণৰ ঃ

"নামত নাজিৰা হাট অতি বিতোপন।
তাত যত লোক বৰ্ঞে অতি সুশোভন।।
মহা ৰম্যস্থান তাৰ কি কৈবো মহত্ব।
গোপালদেৱৰ জন্ম সেহি প্ৰদেশত।।
তত্ত্বক্ত সবৰ মধ্যে মুখ্য অতিশয়।
কামদেৱ বুলি তাঙ্ক সমস্তে জানয়।।"

ৰমানন্দা, পূৰ্ণানন্দ, ৰামগোপাল আৰু হৰিবল্লভ নামৰ চাৰিগৰাকী বিশিষ্ট চৰিতকাৰৰ অপ্ৰকাশিত চাৰিখন পৃথক চৰিতপুথিৰ পৰা বাছি ৰাছি সংগ্ৰহ কৰা পদাৱলীৰ সমষ্টি "শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ" নামৰ পুথিত গুৰুজনাৰ বংশলতাৰ বিৱৰণ এনেদৰে পোৱা যায় ঃ

"চণ্ডীবৰ সঙ্গে আইলা ৰুদ্ৰেশ্বৰ নাম।
তান পুত্ৰ গৌড়েশ্বৰ আতি অনুপাম।।
সিংহেশ্বৰ, গোপেশ্বৰ, ভোটেশ্বৰ তিনি।
কামেশ্বৰে সমে সন্ত কহিলো প্ৰমাণি।।
খোখোৰা গ্ৰামৰ কোলে নাচনী ঘাটত।
তথাত ভৈলন্ত দেৱ গোপাল বেকত।।
কামদেৱ ভূঞাৰ যে ভাৰ্য্যা মহাসতী।
তান গৰ্ভে ভৈলন্ত গোপাল উতপতি।"

গোপালদেৱৰ কন্যা পদ্মপ্ৰিয়া আয়ে বহু ঘোষা-পদ আদি ৰচনা কৰিছিল। সেই সময়ৰ এনেকুৱা বিদুষী নাৰীৰ চানেকী অসমত বিৰল বুলিব পাৰি। তেওঁ পিতৃপুৰুষৰ বংশাৱলী এনেদৰে এটি পদত বৰ্ণনা কৰিছে ঃ

"আত অনন্তৰে, শুনা গোপালৰ উপৰিবংশৰ কথা।
পশ্চিমদেশত, থাকন্ত তথাত, মিলিল বিপাক যথা।।
যৱন পশিল, লোক পীড়িল, কুলধৰ্ম ৰক্ষা নোহে।
উত্তম যতেক, লোক আছিলেক, পলাই আসিল সবে।।
নামে ৰুদ্ৰেশ্বৰ, পুত্ৰ খন্তেশ্বৰ, আন পুত্ৰ গোপেশ্বৰ।
তাহাৰ নন্দন, নামে বিৰোচন, তানসূত চৈতন্যবৰ।।
তানে গৃহজাত, নৰেশ্বৰ খ্যাত, তানপুত্ৰ কামেশ্বৰ।
কামেশ্বৰলাল, শ্ৰীমন্তগোপাল, কৃষ্ণ অংশে অৱতাৰ।।
গৌৰাঙ্গ শৰীৰ, পঙ্কজৰুচিৰ, গোপাল ৰাতুলবৰ্ণ।
তিনি ঈশ্বৰৰ নাহি ভিনপৰ জানিয়া লৈলো শৰণ।।

চণ্ডীবৰ প্ৰমুখ্যে যি চৈধ্যঘৰ কায়স্থ আৰু ব্ৰাহ্মণ পৰিয়াল গৌড়দেশৰ পৰা কমতেশ্বৰ দুৰ্লভ নাৰায়ণৰ অনুৰোধত অসমলৈ আহিছিল, তেওঁলোকৰ সম্পূৰ্ণ বিৱৰণ পোৱা যায়। সেইসকলৰ ভিতৰত ৰুদ্ৰেশ্বৰ নামৰ কোনো নাছিল ; কিন্তু এইটো স্বাভাৱিক যে তেওঁলোকৰ পুৰণি ঠাইৰ লগত অহা-যোৱা আছিল আৰু তেওঁলোকৰ সঙ্গলৈ আন আন পৰিয়াল কিছুমান অসমলৈ আহিছিল। ৰুদ্ৰেশ্বৰ সম্ভৱত এইসকলৰ ভিতৰতে এজন আছিল। চণ্ডীবৰ ভূঞা আদি ব্ৰাহ্মণ, কায়স্থ লোকসকলক প্ৰথমতে যদিও ৰজাই হাজোৰ ওচৰৰ লেঙ্গামাগুৰিত স্থাপন কৰিছিল, পিছত তেওঁলোক নগাঁও জিলালৈ উঠি যায়। ৰুদ্ৰেশ্বৰ ভূঞাই লক্ষীমপুৰ জিলাত বসতি আৰম্ভ কৰে বুলি চৰিত পুথিৰ পৰা জনা যায়।

নাৰায়ণপুৰ অঞ্চলতে ভূঞা পৰিয়ালটোৰ কেইবা পিৰি পাৰ হয়। গোপালদেৱৰ পিতামহ নৰেশ্বৰে তেওঁৰ ককায়েক কান্তেশ্বৰৰ লগত মত-বিবাদ হোৱাত, দিক্ৰং নদীৰ পাৰলৈ উঠি যায়। তেওঁৰ একমাত্ৰ পুত্ৰ কামেশ্বৰ এজন গুণৱন্ত আৰু শাস্ত্ৰজ্ঞ পুৰুষ আছিল আৰু সেয়ে সমাজত তেওঁ "মুখ্য ভূঞা" নামে অভিহিত হৈছিল, উপযুক্ত বয়স হ'লত কামেশ্বৰে নাৰায়ণপুৰৰ বৃদ্ধ শঙ্কৰ নামৰ এজন ধাৰ্মিক লোকৰ বজ্ৰাঙ্গী নামে কন্যাৰ পাণি গ্ৰহণ কৰে। ইয়াৰ কিছুদিন পিছত ওচৰৰ পৰ্বতীয়া জনজাতীয় লোকসকলে সেই ঠাই আক্ৰমণ কৰি লোকক নানা পাশৱিক অত্যাচাৰ উৎপীড়ন কৰে। খিলঞ্জীয়া লোকসকল আতঙ্কিত হৈ দশোদিশে পলাবলৈ ধৰে। সেই অৱস্থাত কামেশ্বৰেও ভাৰ্য্যাক লগত লৈ পলাই গৈ নাজিৰাৰ ওচৰৰ খোখোৰাগ্ৰামৰ নাচনীঘাট নামৰ চুবুৰি এটাৰ এজন সদাশয় লোকৰ ঘৰত আশ্ৰয় লয়। তেওঁ লাহে ধীৰে তাত নিজাকৈ ঘৰবাৰী সজায়। কিন্তু হঠাতে পলাই আহিব লগা হোৱাত তেওঁ ধন-সম্পত্তি লগত একো আনিব পৰা নাছিল আৰু সেয়ে প্ৰথমতে আৰ্থিক দৈন্যৰ মাজত দিন কটাবলগীয়া হৈছিল। তেওঁৰ

আশ্ৰয়দাতা লোকজন সদাশয় আছিল আৰু তেওঁৰ জীৱিকা আছিল ব্যৱসায়। তেওঁৰ সহায়তে কামেশ্বৰে বেহা-বেপাৰ আৰম্ভ কৰি ক্ৰমে আৰ্থিক অৱস্থা টনকিয়াল কৰিবলৈ সুযোগ পায়।

নাজিৰাৰ ওচৰ-পাজৰে বহু তাঁতী লোকৰ বাসস্থান আছিল। ৰজাঘৰীয়া কানি-কাপোৰ যোগান ধৰিবলৈ ৰজাই এওঁলোকক ঘৰ-বাৰী সজাই দি ওচৰতে ৰাখিছিল। তাঁতীসকলে কামেশ্বৰ ভূঞাৰ অধ্যৱসায় আৰু সজ গুণাৱলীত বিমুগ্ধ হৈ তেওঁক তেওঁলোকৰ মুৰব্বী অৰ্থাৎ মুখ্য তাঁতীৰ পদত অধিষ্ঠিত কৰিলে।

## বাল্যকাল

কোনো ব্যক্তিয়ে হঠাতে মহাপুৰুষ আখ্যা পোৱাৰ যোগ্য নহয়। শিশুকালৰপৰাই এইসকল পুৰুষৰ অসামান্য প্ৰতিভাৰ লক্ষণসমূহ লোকদৃষ্টিত প্ৰস্ফুটিত হয়। গোপালদেৱৰ ক্ষেত্ৰতো সেয়াই হৈছিল। তেওঁ শাৰীৰিক অৱয়বৰ মনোহৰ কান্তি, সমনীয়া শিশুৰ লগত ধেমালিৰ সময়ত আকৰ্ষণীয় পাৰ্গতালি আৰু পিতৃ-মাতৃ বা আন আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ লগত মধুৰ ব্যৱহাৰ, এনেবোৰ দৃষ্টান্তৰ দ্বাৰাই তেওঁ সকলোকে আকৃষ্ট কৰিব পাৰিছিল। তেওঁৰ যেতিয়া দহ বছৰমান বয়স তেতিয়া এদিনাখন ঘটনা চক্ৰত পৰি তেওঁ নিজৰ শাৰীৰিক শক্তিৰ পৰিচয় দিবলৈ বাধ্য হ'ল। তেতিয়া ৰজা আৰু ৰাজকোঁৱৰসকলে লোকৰ মাজত মদমত্ত হাতী মেলি দি আনন্দ উপভোগ কৰিছিল, তেহেলৈ কাৰোবাৰ ধন-প্ৰাণ হানি হ'লেও। কিশোৰ গোপালে এই অত্যাচাৰৰ যথাৰ্থ প্ৰতিবাদ জনালে। এই ঘটনা শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ পুথিত এনেদৰে বৰ্ণোৱা হৈছেঃ

যেবে গোপালৰ, দশম বৰিষ, আসি উপগত ভৈলা।।
আৰো একবৰ, অদ্ভুত কৰ্ম, গোপালে যেবে কৰিলা।
গোপালৰ সিটো, মহিমাক তেবে, সবেও লোকে দেখিলা।।
নৃপতিৰ আগে এক মদমত্ত হস্তীগোট চলি যায়।
ঘন্টাৰ শবদে, কৰ্ণেহানে তাল, দেখন্তে ধাতু উৰায়।।
তৈতে বিদ্যমানে, গোপালে দেখিলা, শুণ্ডক ধৰিয়া তাক।
দশহাত মানে, টানি আনিলন্ত, শিশু যেন ছাগলক।।
দেখি নৃপবৰ, হাসিয়া বোলন্ত, কাহাৰ ইটো ছৱাল।
শুনি মন্ত্ৰীগণে, পলুৱাইলা তেবে, গোপালক ততকাল।।
হস্তীও ভাগৰি, ফোফাইতে লাগিলা, চাহি আছে সৰ্ব্বজনে।
ইটো শিলগুটি, নুহিবা মানুষ, জানিলো আমি আপুনে।।

"শ্ৰীশ্ৰীগোপালদেৱৰ কথাচৰিত" পুথিখনত ইয়াৰ পাছৰ ঘটনাৰ বিৱৰণ

এনেদৰে পোৱা যায়, "প্ৰজাই দেখি আশ্চৰ্য্য অদ্ভুত মানিলে। গোটেই নগৰত হুলস্থুল লাগিল ; পাত্ৰমন্ত্ৰী আৰু প্ৰজাসকলে জানিলে যে কামেশ্বৰ ভূঞাৰ নিস্তাৰ নাই। ৰজাই পিতা-পুত্ৰ দুয়োকে শূলত দিব। গোপালদেৱক সকলোৱে স্নেহ কৰিছিল। গতিকে সকলোৱে কামেশ্বৰক ততালিকে নগৰ এৰি পলাই যাবলৈ ক'লে।"

"কথা গুৰুচৰিত'ত এই বিষয়ে বিৱৰণ এনে ধৰণৰ, "একদিনা আতা আলিতে ঘিলা খেদিছে। আএ পসাৰ দিছে। সিকালতে ৰজাৰ কুমাৰ ছৱা হাতীত উঠি ছৱা, লিগিৰা সৈতে পসাৰ দ্ৰব্য লুটি আহিছে। আই আতাৰ গুৰি পাই লিগিৰা থৈলে পসাৰে দ্ৰব্যত। কোঁৱৰে পূৰ্ব্বৰ খেপতে মাৰিবলৈ হাতী খুম্পি ওপৰতে তুলিলেনি। আতা উঠি দাঁতে ধৰি আলি খাৱৈলৈ মাৰি পঠালে। কোঁৱৰে সৈতে পৈল গৈ। লিগিৰা সবকো গতাই বগৰাই পঠালে দ লৈ। কোঁৱৰ লিগিৰা পৰি কেঁকাইছে। ৰজা-প্ৰজা উস্-মিহ লাগিল। ভিতৰতে ঘোঁৰা চিপাহী লালী হ'ল। সেই হিহনিতে চব দ্ৰব্য এৰি আতা আইক লৈ বেগতে সাৰিল।" (পৃষ্ঠা ২৫১)

এই ঘটনাটো এটা সাধাৰণ শক্তি প্ৰদৰ্শনৰ কাহিনী বুলি ধাৰণা কৰাটো উচিত নহ'ব। প্ৰকৃতপক্ষে এয়া আছিল সামন্তবাদী ৰাজ পৰিয়ালৰ মানুহৰ বৰ্বৰোচিত নিষ্ঠুৰ বিলাসৰ বিৰুদ্ধে এক তেজস্বী শিশুৰ নিৰ্ভীক প্ৰতিবাদ।

গোপালে আগৰ পৰাই ৰাজকোঁৱৰসকলৰ স্বভাৱ সম্বন্ধে অৱগত আছিল, কিয়নো তেওঁ মাকৰ লগত আঠ বছৰ মান বয়সৰ পৰাই সদায় কাৰেঙলৈ যোৱাৰ সুযোগ পাইছিল। বজ্ৰাঙ্গী আই বয়ন শিল্পত অতি নিপুণা আছিল আৰু ৰাজকুঁৱৰীসকলৰ মাজত এই কথা প্ৰচাৰ নোহোৱাকৈ নাছিল। সেয়ে তেওঁক ৰজাৰ বাৰকুৰিখন তাঁতশালৰ ওপৰত বিষয়-বাব দি নিৰীক্ষণ আৰু প্ৰশিক্ষণৰ কামত নিয়োগ কৰা হৈছিল। এই সুযোগতে শিশুগোপালে সমনীয়া ৰাজকোঁৱৰসকলৰ লগত নানা তৰহৰ খেল-ধেমালি কৰি আনন্দ উপভোগ কৰিছিল। কিন্তু প্ৰায় সদায়ে সকলো খেলতে গোপালে জয়লাভ কৰিছিল আৰু সেইবোৰ ঘটনাই কোঁৱৰসকলক গোপালৰ বিৰুদ্ধে ঈৰ্ষান্বিত কৰিছিল। এই কথা কান্তেশ্বৰ ভূঞাৰ কাণত পৰাত তেওঁ পুতেকক মাকৰ লগত যোৱাটো নিষেধ কৰিছিল।

গোপালদেৱে নাজিৰাত এজন পণ্ডিতৰ পঢ়াশালিত দুবছৰমান শিক্ষালাভৰ সুযোগ পাইছিল আৰু শাস্ত্ৰাদি পঢ়িব আৰু কিছু পৰিমাণে বুজিব পৰা হৈছিল। স্কুলীয়া শিক্ষাৰ পৰিসৰ তেওঁৰ ইয়াতকৈ বেছি নাছিল। পিছৰ জীৱনত তেওঁ যি জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছিল সেয়া গুৰুৰ কৃপাত আৰু নিজ অধ্যৱসায়ৰ গুণত।

হাতী-বগৰোৱা ঘটনাৰ পিছতে সকলো গাঁৱলীয়া লোকৰ পৰামৰ্শ মতে তথাতে গোপাল যেৱে আহুন্ত হৰিবে।

কামেশ্বৰ ভূঞাই তেওঁৰ স্ত্ৰী আৰু পুত্ৰক লগত লৈ নাও এখনত উঠি দিখৌ নদীয়েদি পলাই গৈ জকাইচুক নামৰ এখন ঠাইত এঘৰ মানুহৰ ঘৰত উঠিল। বজ্ৰাঙ্গী আইৰ পিতা বৃদ্ধ শংকৰৰ ঘৰ নাৰায়ণপুৰত আছিল। তাত আশ্ৰয় ল'বলৈ আশা কৰি গৈ দেখিলে ঘৰ শূন্য, বৃদ্ধ শংকৰ সপৰিয়ালে কামৰূপলৈ উঠি গৈছে। সেই সময়ৰ কিছু আগতে মহাপুৰুষ শংকৰদেৱ ধুঞাহাটৰ পৰা কামৰূপলৈ আহিছিল। মহাপুৰুষৰ লগত নাৰায়ণপুৰৰ বহুলোক বিশেষকৈ ব্ৰাহ্মণ আৰু কায়স্থসকল কামৰূপলৈ উঠি আহিছিল আৰু বৃদ্ধ শংকৰো তাৰে এঘৰ আছিল। তেওঁ বৰপেটালৈ আহি তাত ঘৰ-বাৰী সজাই বসতি আৰম্ভ কৰিছিল।

## ভৱানীপুৰলৈ

উপায় নাপাই নাৰায়ণপুৰৰ হৰি বৰদলৈ নামৰ এজন মানুহৰ ঘৰত কামেশ্বৰ ভূঞাই আশ্ৰয় ল'লে আৰু তাত দুবছৰমান থকাৰ পিছত তাতে তেওঁৰ মৃত্যু হ'ল। বজ্ৰাংগী আই বৰ দুখত পৰিল কাপোৰ-কানি বৈ কোনোৰকমে দুটি প্ৰাণীয়ে পেট প্ৰবৰ্তাই থাকিল। সেই সময়ত মহাৰাজ নৰনাৰায়ণে আহোম ৰাজ্য আক্ৰমণ কৰে, "শ্ৰীশ্ৰীগোপালদেৱৰ কথাচৰিত"ত এই ঘটনাৰ বৰ্ণনা এনেধৰণৰ ; "মল্ল ৰজাই গুৰুজনাৰ কথামতেই অসমত সোমাই কায়স্থ, ব্ৰাহ্মণ আদি উত্তম লোকসকলক মতাই আনি দান-দক্ষিণা কৰি সন্তুষ্ট কৰিলে। সকলোৱে মল্লৰজাৰ প্ৰশংসা কৰিবলৈ ধৰিলে। কোনো বাধা নোপোৱাকৈ অপ্ৰয়াসে আহি ৰজাৰ ৰাজধানী গড়গাঁৱৰ ওচৰ পোৱাত ৰজা পলাই গ'ল। প্ৰাণীহত্যা নোহোৱাকৈয়ে অসম জয় কৰিলে। মল্ল ৰজাই অসমৰ তন্ত্ৰী, কৰ্মকাৰ, কুম্ভকাৰ আদি শিল্পী লোকসকলক লৈ গৈ বৰনগৰ, নৱনগৰ, ভৱানীপুৰ আৰু কালজাৰ এই চাৰিখন নগৰ পাতিলে। কায়স্থ, ব্ৰাহ্মণ আদি উত্তম লোকসকলে মল্লৰজা ধৰ্মৱন্ত বুলি জানি বেহাৰ ৰাজ্যলৈ গ'ল। তেওঁলোককো সেই চাৰি ঠাইতে মাটি-বাৰী দি বহুৱালে। সেই সয়মত গোপালদেৱ মাতৃৰ সৈতে তেওঁলোকৰ লগতে গ'ল।" এনেদৰে ভাগ্য বিপৰ্য্যয়ত গোপালদেৱ আহি ভৱানীপুৰ পালে আৰু অৱশেষত ভৱানীপুৰীয়া গোপালআতা নামে প্ৰখ্যাত হ'ল।

ৰজা নৰনাৰায়ণ শিল্পীপ্ৰেমিক আছিল। তেওঁ বৰনগৰ, ভৱানীপুৰ, নৱনগৰ আৰু কালজাৰ নামৰ চাৰিখন নগৰত বহোৱা বিবিধ শিল্পৰ শিল্পীসকলক নানা ধৰণে সহায়-সুবিধা আগবঢ়ালে। গোপালদেৱ আতাৰ ৰূপ-লাবণ্য, মধুৰ বচন আৰু কৰ্মনৈপুণ্যতাত বিমুগ্ধ হৈ তেওঁক তেওঁৰ তামুলী কৰি লৈ যাবলৈ মনস্থ কৰিলে ; কিন্তু কলীয়া দলৈয়ে অচিন ঠাইৰ মনোভাৱ বুজি নোপোৱা লোকক তেনে কামত নিযুক্ত কৰা অযুগুত বুলি নিষেধ কৰাত তেওঁ অসন্তোষ মনেৰে সেই আশা পৰিহাৰ কৰিলে। এই সম্বন্ধে পূৰ্ণানন্দকৃত চৰিত্ৰত এনেদৰে আছেঃ

দেখিয়া লোকৰ মনে অমৃত বৰিষে।।
মদনকো জিনি জলে তনু সুকুমাৰ।
দেখি নৃপতিৰ হৰিষৰ নাহি পাৰ।।
তামুলী লৈবাক ৰাজা যতন কৰিলা।
কলিয়া দলৈয়ে যাই নিষেধ কৰিলা।।
বোলে লৈবে তামুলী ইহাক নুযুৰায়।
পৰৰ ৰাজাৰ লোক কোনে আশ পায়।।
শুনি ৰাজা অসন্তোষে গৃহক চলিল।
বোলে মোৰ মনৰ কামনা নিসিজিল।।

## গুৰুদৰ্শন

গোপালদেৱ ভৱানীপুৰত থিতাপি লৈ অতাই, বৰপেটাত থকা তেওঁৰ মোমায়েকহঁতৰ খা-খবৰ ল'বলৈ ওলাল। তেওঁ গৈ পালত আতাক বৃদ্ধশংকৰ আৰু মোমায়েক মনপুৰে বৰ আদৰ-সাদৰকৈ ৰাখিলে। এদিনাখন আতাকে নাতিল'ৰা গোপালক লৈ পাটবাউসীলৈ গ'ল গুৰুজনৰ লগত সাক্ষাৎ কৰিবলৈ। শংকৰদেৱে বৃদ্ধ শংকৰক মিতা বুলি সম্ভাষণ কৰিছিল। গোপালদেৱৰ বিষয়ে আতাকৰ মুখে সকলো কথা শুনি গুৰুজনেও তেওঁক বৰকৈ আদৰ-চেনেহ দেখুৱালে। এনেদৰে গোপালে তেওঁৰ মোমায়েকৰ ঘৰলৈ আহ-যাহ কৰি থাকোতে তিনিবাৰ গুৰুজনৰ স্নেহাশিস লাভ কৰাৰ সুযোগ পায়। তৃতীয়বাৰ যেতিয়া গোপালদেৱ আহি পাটবাউসী সত্ৰ পাইছিল তেতিয়া গুৰুজনাই ভকত সমন্বিতে বহি 'ভক্তিৰত্নাক'ৰ শাস্ত্ৰ ব্যাখ্যাত মনোনিবেশ কৰি আছিল। ভগৱানৰ নাম-গুণ মহিমাৰ মধুৰ ভাষণ গুৰুজনৰ কণ্ঠৰ পৰা যেন অমৃতৰ নিজৰাৰ নিচিনা বৈ আহিছিল। গোপাল সেই পৰিবেশত আত্মবিস্মৃত হৈছিল, তেওঁৰ হৃদয় পুলকিত হৈছিল, আৰু তেতিয়াই গুৰুজনৰ চৰণত দীঘলদি পৰি নাম-ধৰ্মত শৰণ ল'বলৈ হেঁপাহ উপজিল। তেওঁ লগত সিদিনা আৱশ্যকীয় বয়-বস্তু একো নিয়া নাছিল, সেইবাবে স্থিৰ সংকল্প কৰিলে যে সোনকালে সাজু হৈ আহি শৰণ ল'ব। এই সম্বন্ধে ৰামানন্দ দ্বিজৰ চৰিত পুথিত আছে ঃ

"জন্মদাতা কৰ্ম্মদাতা হৰি সমসৰ।
জ্ঞানদাতা গুৰুযেন সাক্ষাতে ঈশ্বৰ।।
এহি সব কথা কহিছন্ত প্ৰকটিয়া।
গোপালে তহিতে বসি আছিলা শুনিয়া।।

মনত বোলন্ত মোৰ গুৰু নাহিকয়।
শংকৰৰ চৰণত ভজিবে লাগয়।।
এহি বুলি আলোচন কৰন্ত মনত।
একো বস্তু যাতো মোৰ নাহিকে হাতত।।
ইবাৰ উলটি মোৰ লাগয় যাইবাক।
পুনৰবাৰ আসিলেসে পাৰো ভজিবাক।।

কিন্তু আতাৰ মনৰ হাবিয়াস মনতে মাৰ গ'ল। তেওঁৰ অন্তৰৰ বাসনা পূৰ্ণ নহ'ল। তেওঁ ধৰ্মবস্তু লভিবলৈ প্ৰস্তুতি চলাই থাকোঁতেই এদিন গুৰুজনে নশ্বৰদেহ ত্যাগ কৰা বাতৰিটো পালে। এই বাতৰি পাই তেওঁ মৰ্মাহত হ'ল, মাটিত বাগৰি বাগৰি কান্দিবলৈ ধৰিলে। তেওঁ এই বাতৰিটো এজন অশ্বাৰোহী লোকৰ পৰা পাইছিল ; সেই লোকজনে তেওঁক নানা প্ৰকাৰে সান্ত্বনা যাচি সুস্থিৰ কৰিলে। খন্তেকতে এই বাতৰি গোটেই ভবানীপুৰ অঞ্চলত বিয়পি পৰিল। সকলোবোৰ শিষ্যই লগলাগি যথাসময়ত গুৰুজনাৰ প্ৰয়াণতিথি সমাৰোহেৰে পালন কৰিলে।

মহাপুৰুষজনাক দৰ্শন কৰাৰ পাছৰে পৰা গোপালৰ মনৰ পৰা তেওঁৰ ৰূপ-লাৱণ্যৰ, গুণ-গৰিমাৰ সাঁচ নুগুচা হৈছিল। তেওঁ গুৰুজনৰ ৰচিত শাস্ত্ৰবোৰ যিমান সম্ভৱ অধ্যয়ন কৰিছিল আৰু স্থানীয় লোকক লগত লৈ নাম-কীৰ্ত্তন কৰি ফুৰিছিল। শাস্ত্ৰসমূহ পঢ়ি-শুনি আৰু বুজি নাম-ধৰ্মৰ এজন সফল ভকত আৰু প্ৰবক্তাৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল ঃ

"গুৰুমুখে শাস্ত্ৰসব অপ্ৰয়াসে পৰিলন্ত
ভৈল মহা বিবেকী চতুৰ।
সৰ্ব্বগুণে গুণান্বিত পৰম করুণাচিত্ত
মহা সন্ত সুবোধ সুধীৰ।।

—পূৰ্ণানন্দ

গোপালদেৱ কেৱল শাস্ত্ৰ-চৰ্চ্চা আৰু নাম-গুণ গায়েই ক্ষান্ত নাথাকিল। তেওঁৰ কল্পিত গুৰুৰ স্মৰণত এটি হৰিমন্দিৰ প্ৰতিষ্ঠা কৰি তাত কীৰ্ত্তনাদিৰ ব্যৱস্থা কৰিলে। সেই সময়ত ভবানীপুৰ অঞ্চলত কিছু প্ৰচাৰকে শ্ৰীচৈতন্যদেৱৰ ধৰ্মমত প্ৰচাৰৰ বাবে কাম কৰি আছিল আৰু বহু মানুহক প্ৰভাৱিতো কৰিছিল। গোপালৰ মাতৃ বজ্ৰাঙ্গী আই আৰু দূৰ সম্পৰ্কৰ পেহীয়েকৰ পুতেক সুপিতা নামৰ এজন লোকেও বঙ্গদেশীয় যোল্ল নামলৈ প্ৰবৰ্ত্তিছিল। এই সম্পৰ্কে ৰামানন্দ দ্বিজৰ চৰিত পুথিত এনেদৰে বৰ্ণনা আছে ঃ

"গোপালৰ সমীপত যিলোক বঞ্চয়।
বঙ্গদেশী মত সবে কৰিছে আশ্ৰয়।।

চৈতন্যৰ মতে বঙ্গদেশী বৈষ্ণৱত।
যোল নাম লৈয়া জাপ্য কৰয় মনত
প্ৰভাতত মধ্যকত সন্ধ্যা সময়ত।
চক্ষু জপাই জাপ্য কৰে কৰি দণ্ডৱত।।
গোপালৰো মাতৃ সেহি পথে প্ৰবৰ্ত্তন্ত।
গোপালে মনত তাক ভাল নমানন্ত।।

সুপিতাই প্ৰথমতে গোপালে শংকৰদেৱৰ ধৰ্ম ধৰা বুলি ভাবিছিল, কিন্তু পিছত যেতিয়া গম পালে যে তেওঁ শৰণ লোৱা নাই, তেওঁকো চৈতন্যপন্থী মততে লগাবলৈ যত্নপৰ হ'ল। গোপালৰ জনপ্ৰিয়তাৰ বিষয়ে সুপিতা অৱগত আছিল। সেয়ে তেওঁ ভাবিছিল যে গোপালো তেওঁলোকৰ দললৈ আহিলে গোটেই অঞ্চলত তেওঁলোকৰ ধৰ্মমতৰ প্ৰচাৰ বাঢ়িব।

সুপিতা লোকজন সৰল প্ৰকৃতিৰ নাছিল, তেওঁ চল-চাতুৰিৰ আশ্ৰয় লৈ হ'লেও অভীষ্ট সিদ্ধ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ এদিন গোপালক ক'লে যে তেৰোঁ শংকৰদেৱৰ ধৰ্ম ধৰিছে আৰু বহু লোকক নাম-ধৰ্মত শৰণ লগাইছে। গোপালদেৱ আছিল ধীৰ-স্থিৰ প্ৰকৃতিৰ। তেওঁ নিজে সত্যাসত্য নিৰ্ণয় নকৰাকৈ কোনো বস্তু গ্ৰহণ নকৰিছিল। তেওঁ সুপিতাৰ স্বৰূপ ভালদৰে বুজিবলৈ তেওঁৰ ঘৰলৈ ঘনাই অহা-যোৱা কৰিবলৈ ধৰিলে। সুপিতাই আৰু কৈছিল যে মাধৱদেৱেও তেওঁক বৰকৈ আদৰ-চেনেহ কৰে আৰু থানলৈ গ'লে আগবঢ়াই নিয়ে। গোপালে সুপিতাৰ মুখৰ কথা আৰু কামত কোনো সঙ্গতি দেখা নাছিল, তথাপি শংকৰদেৱৰ মনোনীত গুৰু মাধৱদেৱক লগ পাবলৈ তেওঁৰ হাবিয়াস প্ৰবল আছিল। সেয়ে তেওঁ এই বিষয়ে সুপিতাক খাটনি ধৰিলে। সুপিতাৰ অনিচ্ছা সত্ত্বেও গোপালক বিমুখ কৰাৰ সাহস নহ'ল আৰু এদিনাখন ৰাতিপুৱা দুয়ো সুন্দৰীথানলৈ ৰাওনা হ'ল।

## মাধৱগুৰুৰ সান্নিধ্য

এওঁলোক আহি পোৱা সময়ত মাধৱদেৱে সত্ৰৰ চোতালত বহি "জন্ম-ৰহস্য" পুথি ৰচনাৰ কামত নিমগ্ন আছিল। তেওঁ সুপিতাৰ ফালে কটাক্ষ দৃষ্টিৰে এবাৰ চাই পুনৰ পুথি ৰচনাত মনোনিবেশ কৰিলে। পদ লেখা শেষ হ'লত সোধ-পোচ কৰি সুপিতাক আগমনৰ উদ্দেশ্য সুধিলে। সুপিতাই তেওঁক দৰ্শন কৰাই একমাত্ৰ উদ্দেশ্য বুলি কৈ গোপালকো পৰিচয় কৰাই দিলে। গুৰুজনে গোপালক দেখাৰ লগে লগে তেওঁৰ ওপৰতহে দৃষ্টি নিবদ্ধ কৰিলে আৰু কিছুসময় কথা-বতৰা হৈ "জন্ম-ৰহস্য" পুথিখন তেওঁৰ হাতত তুলি দি সেইখন ভবানীপুৰৰ অমৃতকৰ দলৈৰ হাতত দিবলৈ নিৰ্দেশ দিলে। প্ৰথম দিনা দেখা হোৱাৰ পিছতেই গুৰুজনাৰ এনেকুৱা বিশ্বাসৰ পাত্ৰ

হোৱাৰ যোগ্যতা লাভ কৰাৰ কাৰণে গোপালে নিজকে ধন্য মানিলে। গুৰুৰ চৰণত প্ৰণিপাত জনাই তেওঁলোক ৰাওনা হ'ল। সুপিতাৰ চালাকি ধৰা পৰিল। তেওঁৰ উদ্দেশ্য ব্যৰ্থ হ'ল বুলি ভাবি ল'লে। গোপালে পুথিখন শিৰত তুলি লৈ গৈ যথাস্থানত অৰ্পণ কৰিলে। অমৃতকৰ দলৈৰ মুখত মাধৱদেৱৰ গুণ-গৰিমাৰ কথা শুনি অন্তৰ পৰিতৃপ্ত হ'ল। গুৰুলাভৰ আশাত তেওঁ পুলকৰ শিহৰণ অনুভৱ কৰিলে।

এদিনাখন হঠাৎ মাধৱদেৱ গৈ অমৃতকৰ দলৈৰ ঘৰত উপস্থিত হ'ল। দলৈয়ে তেৰাক আথে-বেথে নি আসনত বহুৱাই মান-সৎকাৰ কৰি আগমনৰ উদ্দেশ্য সুধিলে। গুৰুজনে তেতিয়া ক'লে যে মহাপুৰুষৰ ভাৰ্য্যা কালিন্দী আই গোঁসানীৰ খোৱা পানীৰ অভাৱে দেখা দিছে আৰু সেয়ে পাটবাউসীত তেওঁৰ গৃহত এটি পাটকুঁৱা বহুৱাব লাগে। দলৈয়ে ক'লে, "বাপ নাদৰ পাট কেইটি কঢ়িয়াই নিয়াব পাৰিলে আমি এতিয়াই কিনি দিব পাৰোঁ।" তেওঁ লগতে গোপালৰ নামো উল্লেখ কৰি ক'লে যে সেই অঞ্চলত তেওঁৰ কথা কেৱে নেপেলায় আৰু সেয়ে এই কথাটো তেওঁকো জনাব লাগে। গুৰুজন আৰু দলৈ গৈ তেওঁৰ গৃহত উপস্থিত হ'ল। গোপালদেৱ হৰিমন্দিৰত তেতিয়া নাম-কীৰ্ত্তন কৰি আছিল। মাধৱদেৱ অভিভূত হ'ল। নিজ উদ্যোগত কীৰ্ত্তনঘৰ প্ৰতিষ্ঠা কৰি এজন অশৰণীয়া মানুহে এনেদৰে নাম-কীৰ্ত্তন কৰা দেখি তেওঁৰ গুৰুৰ মহিমাৰ কথা মনলৈ আহিল। গোপাল আতাই খবৰ পাই ওলাই আহি গুৰুজনক দেখা পাই স্বয়ং ঈশ্বৰৰ সাক্ষাৎ পোৱা বুলি ভাবিলে। বিনম্ৰ ভাৱেৰে চৰণত প্ৰণিপাত জনাই স-সম্মানে আসনত বহুৱালে। মাধৱদেৱে তেওঁৰ উদ্দেশ্য বিৱৰি ক'লত গোপালে ঈশ্বৰৰ কৃপা বুলি সেই দায়িত্ব গ্ৰহণ কৰিলে। গুৰুজন সন্তুষ্ট হৈ সুন্দৰীলৈ উভতিল।

গুৰুজনাৰ মুখে গোপালৰ প্ৰশংসা শুনি শুনি নিৰ্মল ভকত শ্ৰীৰাম আতাই তেওঁক লগ পাবলৈ উদ্‌গ্ৰীৱ হৈ আছিল। সেয়ে তেওঁ যেতিয়া কুঁৱাৰ পাট আদিৰে সৈতে সুন্দৰীদিয়াত ঘাটত নাও চপালে শ্ৰীৰাম আতাই আনন্দত অধীৰ হৈ তেওঁক বুকুত সাৱটি ধৰিলে আৰু দুয়ো আনন্দাশ্ৰু টুকিলে। গুৰুজন, মথুৰাদাস বুঢ়াআতা, ঠাকুৰআতা, শ্ৰীৰাম আতা সবাৰো লগত গৈ গোপালআতা পাটবাউসী পালে আৰু তাত আই গোসানীৰ পাটকুঁৱা বহোৱাৰ কাম সমাধা কৰিলে। ঠাকুৰ আতাই শ্ৰীৰাম আতাৰ মুখে গোপালৰ উদ্যম, সৎচৰিত্ৰ আৰু আন গুণাবলীৰ কথা শুনি বৰ সন্তোষ পাইছিল আৰু সেইবাবে তেওঁক পুত্ৰৰ দৰে স্নেহ কৰিছিল। গোপালে দিনত কুমাৰসকলৰ লগত কামত ব্যস্ত থাকি ৰাতি হ'লে শ্ৰীমাধৱদেৱৰ পৰা হৰিকথা শুনিছিল। কুঁৱা দিয়া কাম শেষ হ'লত গোপাল কুমাৰসকলৰ লগত ভৱানীপুৰলৈ নগৈ সুন্দৰীথানত গুৰুজনাৰ লগত কিছুদিন থাকিবলৈ তালৈ গ'ল। সুন্দৰীথানলৈ সদায় অহা-যোৱা কৰি থকা ঠাকুৰআতা গোপালৰ ভক্তি-নিষ্ঠা দেখি পুলকিত হ'ল।

গুৰুজনে যেতিয়া থানত গীতা-ভাগৱত আদি শাস্ত্ৰ ভকতসকলৰ আগত ব্যাখ্যা কৰি শুনাইছিল তেতিয়া গোপাল আতাই একান্তমনে সেইবোৰ শুনিছিল আৰু যেতিয়া কোনো কঠিন তত্ত্বৰ ব্যাখ্যা বুজা নাছিল গুৰুজনক প্ৰশ্ন কৰি কৰি সাৰমৰ্ম উপলব্ধি নকৰালৈকে সন্তুষ্ট নহৈছিল। মাধৱদেৱে এই কথাত বৰ সন্তুষ্ট হৈছিল। কোনো তত্ত্ব কেৱল কাণেৰে শুনা আৰু তাৰ তাৎপৰ্য্য হৃদয়ঙ্গম কৰা দুটা বেলেগ কথা ; গুৰুজনে সেই কথা জানিছিল কাৰণে তেওঁৰ গোপালৰ প্ৰতি স্নেহ বাঢ়ি গৈছিল। এদিনাখন গোপালে শাস্ত্ৰ ব্যাখ্যা শুনি থাকিও কোনো প্ৰশ্ন কৰা নাছিল। গুৰুজনৰ সন্দেহ হ'ল আৰু সেয়ে প্ৰশ্ন কৰিলে ; "গোপাল, তুমি প্ৰত্যেকদিনে প্ৰশ্ন কৰি অকল তোমাৰেই নহয় অইনৰো মনৰ সংশয় দূৰ কৰিছিলা। ই সজ গুণ। প্ৰশ্ন কৰিলেহে আচল কথাৰ মন্তেদ ওলাই পৰে ; কিন্তু আজি দেখোন তোমাৰ মুখৰ পৰা এটিও প্ৰশ্ন ওলোৱা নাই ; ইয়াৰ কাৰণ কি ?" গোপালে উত্তৰ দিলে, "বাপ, আমি সাগৰৰ পাৰতে বাস কৰিও পিয়াহত অষ্ঠ কণ্ঠ শুকাই যোৱাত ছট্‌ফটাই মৰিব লগা অৱস্থা হোৱাদি হৈছে। আমাক মায়াই অন্ধ কৰি মাৰিব যেন লাগিছে। সেয়ে 'পঢ়ি-শুনি নাপায় তত্, চাই থাকে বগলীৰ মত' বোলা বচন ফাঁকিৰদৰে আমি শাস্ত্ৰ শুনিও মায়াৰ হাত এৰাৰ উপায় বিচাৰি পোৱা নাই।" গুৰুজনাই গোপালৰ মানসিক অৱস্থা সম্বন্ধে সঠিক ধাৰণা কৰিলে আৰু সেয়ে প্ৰবোধ বাক্যৰে ক'লে ঃ "গোপাল, তোমাৰ ধাৰণা ভুল ; তুমি ঘৰলৈ গৈ বিবাহ কৰা। তোমাক বিষয়ে আবদ্ধ কৰি ৰাখিব নোৱাৰিব। তুমি নিশ্চয়কৈ জানিবা যে হৰিভকতক ভগৱন্তই মায়াৰ ফান্দত নেপেলায় ; মায়া তৰণৰ উপায়হে দান কৰে।" গোপালে এই আজ্ঞা সাৰোগত কৰি ভৱানীপুৰলৈ যাত্ৰা কৰিলে।

নাৰায়ণ দাস ঠাকুৰ আতাই সিদিনা গুৰুজনৰ আৰু গোপালৰ কথোপকথন শুনি আছিল। ঠাকুৰ আতা আছিল এক বিচক্ষণ ব্যক্তি। তেওঁ কেতিয়া কাৰ কি প্ৰয়োজন সেই মতে পৰিবেশ সৃষ্টি কৰাত সিদ্ধহস্ত। তেওঁ চাই-চিতি ঘৰপেটাৰ হৰিৰাম কায়স্থৰ কন্যা বৃন্দাৱতীক গোপালৰ কাৰণে নিৰ্বাচন কৰি বজ্ৰাঙ্গী আইৰ আগত প্ৰস্তাৱ দিলে আৰু সেই মতেই বিবাহ সম্পন্ন হ'ল। কিন্তু তাতো আৰু এক লেঠা লাগিল। বজ্ৰাঙ্গী আয়ে ভৱানীপুৰতে পৰ্হিয়া আতাৰ কন্যা সুভাগীৰ লগত পুতেকৰ বিয়া পাতিব বুলি একপ্ৰকাৰ প্ৰতিশ্ৰুতি দিছিল। গোপালৰ বিয়াৰ কথা শুনি তেওঁলোকে আহি বৰকৈ ধৰিলে। কথা পেলাব নোৱাৰা অৱস্থা হোৱাত গোপালৰ দ্বিতীয়বাৰ বিয়া পাতিব লগা হ'ল। গোপালে প্ৰথমতে বৰকৈ আপত্তি কৰিছিল যদিও মাক বিমোৰত পৰা দেখি লোকনিন্দাৰ পৰা হাত সাৰিবলৈ অৱশেষত ৰাজী হ'বলগীয়া হ'ল।

ঠাকুৰ আতাই গোপালৰ স্বভাব-চৰিত্ৰ, চলন-ফুৰণ, আচাৰ-ব্যবহাৰ আৰু ধৰ্মনিষ্ঠাৰ প্ৰতি সদায় চকুদি আছিল বুলি আগতে উল্লেখ কৰা হৈছে। এদিনাখন

গোপালৰ আগত শৰণৰ বিষয়ে উলিয়ালে। তেওঁ এই কথা শুনা মাত্ৰকে বেদনা-কাতৰ অন্তৰৰ আবেগ ভৰা ভাষাৰে ক'বলৈ ধৰিলে, "বাপ, এই হতভগীয়াই জগত-গুৰু শ্ৰীমন্ত শংকৰদেৱৰ ওচৰত শৰণ ল'ম বুলি ভাবি থাকোঁতেই তেৰাই আমাক এৰি বৈকুণ্ঠধামলৈ গুচি গ'ল। এতিয়া সুন্দৰীত থকা গুৰুজনাক দৰ্শন কৰি অহাৰে পৰা মনত লাগিছে যেন শ্ৰীমন্ত শংকৰদেৱৰ সকলো লক্ষণ আৰু গুণ তেৰাৰ দেহতে বৰ্ত্তিছে। গতিকে তেৰাৰ ওচৰত আমি ধৰ্ম-বস্তু লাভ কৰিব পৰা যাব বুলি আশা কৰা হৈছে।" ঠাকুৰ আতাই গোপালৰ মনোভাব বুজিবলৈ পাই শুভ-কাৰ্য্য শীঘ্ৰে কৰা যুগুত বুলি উপদেশ দি গুচি গ'ল।

## শৰণ

এদিনাখন গোপালদেৱ ভবানীপুৰৰ পৰা সুন্দৰীদিয়ালৈ যাত্ৰা কৰিলে ধৰ্ম-বস্তু লাভ কৰাৰ আশা বুকুত লৈ। তেওঁ পোনতে গুৰুজনাৰ ওচৰ পাই চৰণত পৰি সেৱা জনাই ক'লে, "বাপ, কৃপালুগুৰু, আপোনাক গুৰু মানি ধৰ্মবস্তু লভিবৰ মনেৰে পৰম আশা কৰি ইয়ালৈ অহা হৈছে। গতিকে দাসলৈ কৃপাদৃষ্টি পেলাই শৰণ দান দি কৃতাৰ্থ কৰিব বুলি সকাতৰে প্ৰাৰ্থনা জনোৱা হৈছে।" গুৰুজনে এটি মিচিকিয়া হাঁহি মাৰি তেওঁক সুন্দৰীৰ গুৰুৰ বান্ধৱ মাধৱ মৰলৰ ঘৰত কেইদিনমান থাকিবলৈ উপদেশ দিলে। যদিও মাধৱদেৱে গোপালৰ বিষয়ে নজনা একো নাছিল তথাপি সতকাই শৰণ নিদি আৰু কিছুদিন পৰীক্ষা কৰিবলৈকে মৰলৰ ঘৰত ৰাখিছিল বুলি ধৰি ল'ব পাৰি। ইয়াৰো হয়তো কাৰণ নোহোৱা নহয়। গোপালে মাজে মাজে চৈতন্যপন্থী ভকতসকলৰ লগত সংকীৰ্ত্তন কৰি ফুৰিছিল আৰু সেই কথা গুৰুজনৰ কাণত পৰিছিল। চাৰিদিনমান পিছত মাধৱ মৰলৰ পৰা যেতিয়া গুৰুজনে জানিব পাৰিলে যে গোপালে সেই কেইদিন কেৱল শৰণৰ কথাহে চিন্তা কৰি আছিল আৰু ধৰ্ম-বস্তু লভিবলৈ তেওঁৰ মন অশান্ত হৈ পৰিছিল, তেতিয়া তেওঁ নিজে মাতি আনি শৰণ দান কৰিলে। শৰণৰ অন্তত গোপালে দণ্ডৱতে পৰি গুৰুজনাক সেৱা কৰি ক'লে, "বাপ, কৃপালুগুৰু, আপুনি আমাৰ জীৱনৰ জীৱ, প্ৰাণৰো প্ৰাণ, আত্মাৰো আত্মা, আপুনি জীৱন-কাণ্ডাৰী, আপোনাৰ শ্ৰীচৰণৰ কৃপাত আজি জীৱনৰ এটি মহৎ কাৰ্য্য সম্পন্ন হোৱাত পৰম কৃতাৰ্থ মানিছো ; গতিকে আপোনাৰ দুখনি অভয় চৰণত বাদে এই দাসৰ কাম্য বস্তু একোৱেই নাই।" এই কথা শুনি গুৰুজন হৰষিত হ'ল আৰু শ্ৰীৰাম আতাক ক'লে, "শুনা শ্ৰীৰাম, গোপালে কোৱা এই কথাষাৰিৰ বাবে তোমাক সাক্ষী স্বৰূপে ৰখা হ'ল।" তাৰ পিছত গোপাললৈ চাই হাঁহি মাৰি ক'লে- "গোপাল, তুমী পৰম সৌভাগ্যবান। যিদিনা চৈতন্যপন্থী গুৰুজনক লগত লৈ ইয়াল আহিছিলা সেইদিনাই তোমাৰ শৰণৰ কামখিনি অজ্ঞানিতভাৱে সম্পন্ন

হৈ গৈছিল ; আজি সি মাথোন সদৰিহে হ'ল।"

গোপালদেৱে হৰিভক্তিৰ অতুলনীয় আদৰ্শ ৰাখি গৈছে। শৰণৰ পিছৰ পৰা তেওঁ সুন্দৰীথানত থাকি গুৰুৰ সকলো প্ৰকাৰ আলপৈচান ধৰিছিল। গুৰুৰ ওচৰত বহি সদায় কৃষ্ণ-কথা শুনিছিল আৰু যেতিয়াই মনত কোনো সংশয় বা দ্বিধা উপজিছিল গুৰুৰ পৰা সমাধান উলিয়াই নোলোৱালৈকে ক্ষান্ত নহৈছিল। তেওঁৰ শিক্ষাৰ ঐকান্তিকতাত মাধৱদেৱ পুলকিত হৈছিল। খোৱা-লোৱাত গোপাল আছিল অলপতে তুষ্ট হোৱা ব্যক্তি। গুৰুৱে ধৰ্ম-কথা শেষ কৰাৰ পিছত তেওঁ নিজৰ গৃহলৈ (বাহা) গৈ অন্ন-এমুঠি পেটত ভৰাই গুৰুৰ খোৱা-লোৱাৰ আগতেই আহি আকৌ সত্ৰত উপস্থিত হৈছিল। গুৰুজনে এই বিষয়ে চিন্তা কৰিছিল আৰু শিষ্যই কেতিয়াবা নাখায়ো গুৰুসেৱাত অধিক মনযোগী বুলি অনুমান কৰি তেওঁৰ লগতে খোৱা-লোৱা কৰিবলৈ আদেশ দিছিল। কিন্তু তেতিয়াও তেওঁ গুৰুজনৰ কাৰণে খৰি আৰু আন বয়-বস্তু যোগাৰ কৰি আনিছিল।

গোপালদেৱে গুৰুজনে ৰন্ধা অন্ন-ব্যঞ্জন ভুঞ্জিবলৈ পাই নিজকে সৌভাগ্যবান বুলি বিবেচনা কৰিছিল। ভোজনৰ সময়ত গুৰুজনে নিতৌ আগধৰি গোপালৰ পাতত অন্ন-ব্যঞ্জন সাজি দি তাৰ পিছতহে নিজৰ কাৰণে সাজিছিল। গোপালদেৱে সেই অন্ন মহা প্ৰসাদ বুলি গণ্য কৰি পৰম তৃপ্তিৰে ভোজন কৰিছিল। কিন্তু এটা কথা এদিন ঠাকুৰ আতাৰ চকুত পৰাত তেওঁ গোপালক মাতি নি ক'লে ঃ "গোপাল, গুৰুজনে পোনতে তোমাৰ পাতত অন্ন দিহে পিছত নিজৰ কাৰণে বাঢ়ি আনে। ইয়াৰ দ্বাৰা তোমাৰ গাত অপৰাধৰ অলপ ছিটিকনি পৰে। গতিকে এই বিষয়ে কোনো পৃথক ব্যৱস্থা কৰিব পাৰিলে সজ হয়।" গোপালদেৱ সচকিত হ'ল। তেওঁ এনেদৰে কেতিয়াও চিন্তা কৰা নাছিল। ঠাকুৰ আতাৰ উপদেশ অতি যুক্তিযুক্ত বুলি মানি লৈ গুৰুজনাক নিবেদন জনালে ঃ "বাপ, কৃপালুগুৰু, আমি বৰ কষ্ট দি আপোনাৰ পবিত্ৰ হাতৰ অন্ন ইমানদিনে ভোজন কৰা হ'ল। কিন্তু এনেহেন মহাপ্ৰসাদ ভুঞ্জিবৰ সৌভাগ্য হোৱাতো পুণ্য সঞ্চয় হক ছাৰি পাতকহে অৰ্জন কৰা বুলি অনুভৱ কৰা হৈছে। গতিকে কৃপা কৰি দাসক সুকীয়াকৈ চাউল মুঠি সিজাই খাবলৈ অনুমতি দি পৰম উপকৃত কৰে যেন।" মাধৱদেৱে গমকে নাপালে কোন ফালৰপৰা কি ঘটনা ঘটিল।

গোপালদেৱে বাহাঘৰ বান্ধিবলৈ মাটি এডোখৰ খুজিলত গুৰুজনে ভকতৰ হাটীৰ পূবমূৰে থকা ঠাই এডোখৰ দিলে। গোপালে তাত গৃহ সজাই আপোনমনে থাকিবলৈ ল'লে। এনেদৰে কিছুদিন থকাৰ পিছত অচ্যুত গুৰুৱে মাধৱদেৱৰ ওচৰত শৰণ লৈ তেওঁৰ ওচৰতে সুন্দৰীত থাকিবলৈ হাবিয়াস কৰিলে। গুৰুজনে ভাবি-চিন্তি গোপালদেৱক মতাই নি ক'লে, "গোপাল, তুমি গুৰু দক্ষিণা দিব লাগে।" শিষ্যই লগে লগে দণ্ডৱত হৈ গুৰুৱে যিহতে সন্তুষ্ট হয় তাকে দিবলৈ আগ্ৰহ

দেখুওৱাত, গুৰুজনে অচ্যুত গুৰুলৈ আঙুলিয়াই তেওঁক ক'লে, "তোমাৰ বাহাঘৰটি এওঁক দিয়া ; এওঁ ইয়াত থাকিব খুজিছে।" গোপালদেৱ লগে লগে সন্মত হৈ আন এঠাইত আৰু এটি বাহাঘৰ সজোৱাত লাগিল। এই ঘৰ সম্পূৰ্ণ হোৱাত গুৰুৰ অনুৰোধ অনুসৰি সেই ঘৰো যদুমণি আতৈ নামৰ নতুন শৰণীয়া ভকতজনক দিবলগীয়া হ'ল। এনেবোৰ গুণ দেখিয়েই গুৰুজনে এদিন শ্ৰীৰাম আতাক কৈছিল, "শ্ৰীৰাম, গোপালৰ দৰে এনে বিচক্ষণ বুদ্ধি-সম্পন্ন আৰু উদাৰচিতীয়া লোক অতি বিৰল।"

গোপালআতা আছিল এজন মহান সাধক। তেওঁৰ গুৰুভক্তি, সদাচাৰ আৰু প্ৰখৰ বুদ্ধিমত্তাৰ গুণত আধ্যাত্মিক সাধনাত অতি কম সময়ৰ ভিতৰতে শীৰ্ষস্থান লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ আনকি গুৰুজনৰ মনত উদয় হোৱা অথচ প্ৰকাশ নকৰা কথাও আগতে গম পাইছিল। শাস্ত্ৰৰ অতিশয় জটিল তত্ত্বকো নানা উপমাৰ ৰহন সানি সজাই-পৰাই এনে সহজ-সৰল, ৰসাল আৰু মনোগ্ৰাহী ভাষাৰে ব্যক্ত কৰিব পাৰিছিল যে বিজ্ঞলোকৰ কথাই নাই সাধাৰণ লোকেও অনায়াসে বুজিবলৈ সক্ষম হৈছিল। এনেকুৱা অনুপম প্ৰজ্ঞা আৰু বাক্‌শক্তি দেখি গুৰুজনে গোপালদেৱক "কথাৰ-সাগৰ" উপাধিৰে বিভূষিত কৰিছিল।

শৰণৰ পিছত গোপালদেৱে একেৰাহে চাৰিমাহ সুন্দৰীথানত গুৰু আৰু আন ভকতসকলৰ সঙ্গত মহানন্দত দিন কটালে। তেওঁৰ ঘৰত থকা মাতৃ বা পত্নী দুজনীলৈ এবাৰো মনত নপৰিল। বজ্ৰাংগী আই অত্যন্ত চিন্তিত হ'ল। সূৰ্য্য আতৈ নামৰ ভকত এজনৰ আগত গুৰুজনাক পুতেকক জনাবলৈ কৈ পঠালে ;

"সূৰুয আতাইক মাতি বুলিলা বচন।
সুন্দৰীদিয়াক তই কৰহ গমন।।
মাধৱৰ আগে কথা কহিবিহি যাই।
মোহোৰ পুত্ৰক তেহো নিলেক ভুলাই।।
দুই ভাৰ্য্যা তাৰ কোনে কৰিব পোষণ।
পুষিবেক কোনে মোক মিলিল মৰণ।।
তেন্তে যেন লম্ভ্ৰাগ্ৰামী একো নজানয়।
মোহোৰ পুত্ৰক তেহু কৰিবে খোজয়।।
গোপালক কৈবি যাই আসোক সত্বৰ।
নুহি তেবে বিসঙ্গতি মিলিবে বিস্তৰ।।

সূৰ্য্য আতৈয়ে এই সংবাদ গুৰুজন আৰু গোপালদেৱক দিলত গুৰুজনে একো নক'লে, কিন্তু গোপালে গুৰুজনৰ প্ৰতি মাকৰ কটুবাক্য শুনি মৰ্মান্তিক বেদনা অনুভৱ কৰিলে। গুৰুজনে গোপালৰ মনৰ অৱস্থা বুজি প্ৰবোধ বাক্যৰ ছলেৰে তেওঁক ক'লে ঃ

"গোপাল, ভাগৱতৰ একাদশ স্কন্ধত ভক্তিমন্ত পুৰুষক গৃহস্থালিয়ে কোনো বিঘিনি ঘটাব নোৱাৰে বুলি স্পষ্টভাবে কোৱা আছে। গতিকে ভৱানীপুৰলৈ গৈ তাতে গৃহস্থী-ধৰ্ম পালন কৰি সদায় শ্ৰৱণ-কীৰ্ত্তন ভক্তি কৰি থাকিবা ; মাহেকে-পষেকে ইয়ালৈ একোবাৰ আহি আমাক দেখা দি গ'লে সন্তোষ পাম।"

গোপালদেৱ ভৱানীপুৰলৈ আহিল। সুন্দৰীদিয়াত শ্ৰীৰাম আতা প্ৰমুখ্যে আন ভকতসকলে "কথাৰ-সাগৰ"ৰ বিচ্ছেদ যন্ত্ৰণা সহ্য কৰিবলৈ টান পালে। গোপালদেৱে ঘৰলৈ আহিয়ো কোনো সাংসাৰিক লেঠাৰ মাজত সোমোৱাৰ লক্ষণ দেখা নগ'ল। তেওঁ দুয়ো বেলা ভকতসকলৰ লগত হৰিমন্দিৰত বহি নাম-কীৰ্ত্তন আৰু গুৰু বন্দনাত ৰত থাকিল। বহ্ন্ৰাঙ্গী আইৰ মনোকামনা পূৰ্ণ নহ'ল ; অৱস্থা তেওঁৰ অসহ্য হ'ল। সেয়ে এদিন গোপালক ধিক্কাৰ দি ক'লে ঃ "তই কি জন্ম পাইছিলি? সংসাৰী হৈ এনেকৈ নিষ্কৰ্মাভাৱে থাকিলে জীৱিকা নিৰ্বাহ হ'ব কেনেকৈ? কেৱল নিতৌ সুন্দৰীৰ মাধৱদেৱৰ কথা পাতি থাকিলে আৰু দিনে-ৰাতি হৰিৰ নাম-গুণ গাই তাকেই ভাবি-চিন্তি থাকিলে ভাত মিলিব নে? মাধৱদেৱৰ কথা শুনিহে তই আমাক ত্যাগ কৰিলি। সকলো সৰ্বনাশৰ মূল একমাত্ৰ মাধৱ।" গোপালদেৱে মনত বৰ দুখ পালে। ঘৰৰ অৱস্থা তেওঁৰ মতাদৰ্শৰ সম্পূৰ্ণ প্ৰতিকূল যেন লাগিল আৰু সেয়ে পুনৰ গুৰুজনৰ ওচৰলৈ যাবলৈ মনস্থ কৰিলে।

গোপালদেৱ সুন্দৰীলৈ আহিল কিন্তু তাতো আগৰ নিচিনা তেওঁক প্ৰফুল্ল দেখা নগ'ল। গুৰুজনে ভৱানীপুৰৰ বাতৰি সোধাতো একোকে নকৈ দুখমনে তলমূৰ কৰি থাকিল। এতিয়া তেওঁ দেশভ্ৰমণৰ উদ্দেশ্যে পশ্চিমলৈ যাবলৈ থিৰাং কৰি কমণ্ডলু, খন্তা, কন্থা আদি মনে মনে যোগাৰ কৰিলে। শ্ৰীৰাম আতাই তেওঁৰ পৰম মিত্ৰ গোপালৰ মানসিক অৱস্থা দেখি দুখ পাইছিল। পিছত যেতিয়া সন্ন্যাসী পৰিচ্ছদ আদি তেওঁৰ চকুত পৰিল তেওঁ তৎক্ষণাতে গৈ গুৰুজনক জনালে। গুৰুজনে মনত অতিশয় দুখ পালে আৰু গোপালক মতাই আনি তেওঁৰ কি কাৰণে বৈৰাগ্য উপজিছে সেই কথা সুধিলে। গোপালে স্বীকাৰ কৰিবলৈ বাধ্য হ'ল যে তেওঁৰ মাতৃয়ে তেওঁৰ পৰা পাৰ্থিব সম্পদহে আশা কৰে, হৰিৰ গুণ-কীৰ্ত্তন, ভকতসেৱা আৰু গুৰুসেৱা আদি কামবোৰত তেওঁ প্ৰাধান্য দিব নোখোজে। গতিকে, এই মতাদৰ্শৰ পাৰ্থক্যৰ সমন্বয় যিহেতু সম্ভব নহয় সেয়ে তেওঁ দিগভ্ৰান্ত। তেওঁ আৰু ক'লে, "বাপ, কৃপালুগুৰু, আয়ে আমাক সমূলি নেদেখিলেহে মনোকষ্ট পাব আৰু তেতিয়াহে কিজানি আমাৰ প্ৰতি সদয় হ'ব। ইয়াকে ভাবি পশ্চিম ভাৰতখন চাই আহিবলৈ মন কৰা হৈছে।" গুৰুজনে এই কথা শুনি উত্তৰ দিলে, "গোপাল, এই সামান্য কামটিৰ কাৰণে দেশ ভ্ৰমণ কৰিব লাগেনে? সুন্দৰীথানত ইয়াৰ উপায় পোৱা যাব। কচু

কাটিবলৈ কুঠাৰৰ প্ৰয়োজন নাই ; তুমি নিশ্চিন্ত মনেৰে থাকা।”

মাধৱদেৱে যদুমণি আতৈক পঠিয়াই ব্ৰজাঙ্গী আইক খবৰ দিলে যে তেওঁৰ পুত্ৰই সন্ন্যাসী হৈ পশ্চিমলৈ যাবলৈ ওলাইছে। আইৰ মূৰত সৰগ ভাগি পৰাৰ নিচিনা হ'ল। তেওঁৰ পুতেকে সাংসাৰিক কাম-কাজত মন নিদিয়া কাৰণেহে গালি-শপনি দিছিল, কিন্তু আন্তৰিক স্নেহতো নোহোৱা নহয়। তেওঁ ব্যাকুল হৈ কান্দি-কাতি আহি সুন্দৰীথান পালে আৰু গুৰুজনৰ চৰণত দীঘল দি পৰি প্ৰাৰ্থনা জনালে : “বাপ, এইবাৰলৈ আপুনি দয়া কৰি বুজাই বঢ়াই কোনোমতে গোপালক যাব নিদিয়াকৈ ৰাখি পো-দান দিয়ক।” গুৰুজনে বুজনি দিলে : “তোমাৰ দোষতে তেওঁ গৃহত্যাগ কৰি যাব ওলাইছে; আমি ৰাখিম কেনেকৈ? এই অৱস্থাত তুমিহে ৰাখিব পাৰা।” এই বুলি কৈ গোপালে যোগাৰ কৰা কমণ্ডলু, কন্থা, খন্তা আদি বস্তুবোৰ অনাই দেখুৱালে। সেইবোৰ দেখি হুৱা-ৰুৱাকৈ মাকে কান্দিবলৈ ধৰিলে আৰু গুৰুজনক ক'লে, “বাপ, সঁচাকৈয়ে মই মহাপাপিনীৰ দোষতে এই কাম ঘটিব খুজিছে। পোৱে এৰা দিলে ময়ো জীয়াই নাথাকিম। আপুনি মোৰ সকলো অপৰাধ ক্ষমা কৰক ; মই আৰু ভৱিষ্যতলৈ দুৰ্বাক্য মুখলৈ নানো।” এইবোৰ বাক্য শুনি গুৰুজনে গোপালক বহুত বুজালে আৰু মাতৃৰ লগত থাকি সংসাৰ প্ৰবৰ্তাই লগতে ধৰ্মীয় কৰ্মও কৰি থাকিবলৈ উপদেশ দিলে। গোপালে তেতিয়া প্ৰশ্ন কৰিলে যে তেওঁ অশৰণীয়া মাতৃৰ হাতে কেনেকৈ চাউল সিজোৱা গ্ৰহণ কৰিব। এই কথা শুনি বজ্ৰাঙ্গী আই শৰণ ল'বলৈ আগবাঢ়ি গুৰুজনৰ ওচৰ চাপিল। তেওঁৰ শৰণৰ পিছত মাতা-পুত্ৰই হৰিষ মনে ভৱানীপুৰলৈ গ'ল আৰু তেতিয়াৰ পৰা বজ্ৰাঙ্গী আইয়ে একশৰণ ধৰ্মৰ মহিমা বুজি পাই তেওঁৰ পুত্ৰৰ লগতে এই আন্দোলনৰ অংশীদাৰ হৈ পৰিল।

ভক্তিধৰ্ম আন্দোলনৰ এটি শাখা ভৱানীপুৰ অঞ্চলত প্ৰতিষ্ঠিত হ'ল। মাজে মাজে শ্ৰীৰাম আতা প্ৰমুখ্যে ভকত পঠিয়াই আৰু কেতিয়াবা নিজে আহিও গুৰুজনে গোপালৰ নামধৰ্মৰ আচাৰ-বিচাৰ, সমাজ সেৱাৰ আদৰ্শৰাজিৰ পৰ্য্যালোচনা কৰাই নহয়, সেইবোৰলৈ সহায় আগবঢ়াই থ'কিল। এদিন মাধৱদেৱে শ্ৰীৰাম আতাক ভৱানীপুৰ থানৰ বিশেষ বাতৰি সুধিলে আৰু সেই বিষয়ে তেওঁৰ মন্তব্যও বিচাৰিলে। শ্ৰীৰাম আতাই উত্তৰ দিলে, “বাপ, গোপাল আতাৰ মুখে কৃষ্ণকথা শ্ৰৱণ কৰা হ'ল। ভকতসকলৰো গতি-গোত্ৰ লক্ষ্য কৰি অহা হ'ল। আমি দেখাত কোনো খুঁত চকুত নপৰিল। তেওঁ পুথি বা ধৰ্ম-কথা চৰ্চ্চা কৰোঁতে আপোনাতকৈ কিছু অধিক পৰিমাণে কোৱা যেন লাগিল। ভকতসকলেও একান্তমনে কৃষ্ণ-কথা শুনা দেখা গ'ল।” তেতিয়া গুৰুজনে মাত লগালে, “শ্ৰীৰাম, আমাৰ প্ৰিয়তম গোপালে সকলো কথাৰে সংশয় মাৰি মূল-তত্ত্ব শিকি-বুজি গৈছে। তাতে আকৌ ৰসহীন কথাকো ৰসালভাৱে

চিত্তাকৰ্ষক কৰি ক'ব পৰা তেওঁৰ অদ্ভুত ধৰণৰ বাক্-নিপুণতাও আছে ; গতিকে তেওঁৰ শাস্ত্ৰ-ব্যাখ্যা যথাৰ্থ আৰু মনোগ্ৰাহী হোৱা স্বাভাৱিক ; তেওঁ কথাৰ সাগৰ।" এনেধৰণে তেতিয়াৰ দিনত গুৰু-শিষ্যৰ মাজত কৰ্মৰাজিৰ মূল্যায়ন কৰা হৈছিল। তেওঁলোকৰ একমাত্ৰ লক্ষ্য আছিল নাম-ধৰ্ম প্ৰচাৰৰ জৰিয়তে সমাজৰ সৰ্বস্তৰৰ সংস্কাৰ সাধন।

গোপাল আতাৰ দুয়োজনী ভাৰ্য্যা পতিব্ৰতা, গুণৱতী আৰু ধৰ্মশীলা আছিল। তেওঁলোক দুয়ো প্ৰকৃতাৰ্থত স্বামীৰ সহ-ধৰ্মিনী আছিল। আলহী অতিথিক সোধ-পোচ, ভকতসকলৰ সকলোপ্ৰকাৰ আলপৈচান ধৰাত তেওঁলোকে কোনো ত্ৰুটী নকৰিছিল। মুঠতে গোপালদেৱে তেওঁৰ মাতৃ আৰু পত্নীৰ পৰা সাংসাৰিক আৰু পৰমাৰ্থিক সকলো কৰ্মতে সকলোপ্ৰকাৰে সহযোগিতা লাভ কৰিছিল। তেওঁৰ প্ৰথমা ভাৰ্য্যা বৃন্দাৱতীৰ গৰ্ভত দামোদৰ নামৰ এজন পুত্ৰ আৰু পদ্মপ্ৰিয়া নামৰ এগৰাকী কন্যা জন্মিছিল। তেওঁৰ দ্বিতীয় গৰাকী পত্নীৰ গৰ্ভতো এটি ল'ৰা আৰু এজনী ছোৱালী উপজিছিল। তেওঁলোকৰ নাম আছিল যথাক্ৰমে কমললোচন আৰু যোগমায়া। আদৰ্শ পিতৃ-মাতৃৰ তত্ত্বাৱধানত আৰু ভগৱন্মুখী সাংসাৰিক পৰিবেশত সকলোটি সন্তান সমাজৰ আদৰ্শস্থানীয় হৈ উঠিছিল। কিন্তু তাৰ ভিতৰতে প্ৰথমা জীয়ৰী পদ্মপ্ৰিয়া বিশেষ ৰূপে উল্লেখযোগ্য। তেওঁৰ মুখৰ পৰা ভগৱানৰ নাম-গুণ নুগুচিছিল আৰু সেয়ে তেওঁ বিবাহ-বান্ধোনত নোসোমোৱাকৈয়ে জীৱন অতিবাহিত কৰিলে। তেওঁৰ কবিত্ব শক্তিৰ আভাস আগতে দি অহা হৈছে।

মাধৱদেৱে সুন্দৰীদিয়া থানৰ পৰা তাঁতীকুচিলৈ (বৰপেটা) আহি ৰঙিয়াল গৃহ সজাওঁতে ভৱানীপুৰীয়া গোপালআতাই সকলো প্ৰকাৰ সহায় আগবঢ়াইছিল। এই গৃহ সম্পূৰ্ণ হৈ উঠাৰ পিছত আতাই তেওঁৰ শিশুপুত্ৰ দামোদৰক লগত লৈ সত্ৰ দৰ্শন কৰিবলৈ আহিছিল। গুৰুজনে দামোদৰক দেখা পাই অতি আনন্দ পালে আৰু শিশুটিৰ লগত নানা ৰং-ধেমালি কৰি আৰু তেওঁ নানাভাৱে পৰীক্ষা-নিৰীক্ষা কৰি ল'ৰাটিৰ প্ৰখৰ বুদ্ধি আৰু ভক্তিভাৱৰ সম্ভেদ পালে। আনকি ল'ৰাজনে অভাৱনীয় ধৰণে কিছুমান কথা কোৱা দেখি অকল গুৰুজনে নহয় সকলো ভকতে বিস্ময় মানিলে। গুৰুজনে পিছত গোপাল আতাক ওচৰলৈ মাতি নি কাণে কাণে ক'লে, "বাপু গোপাল, তুমি দামোদৰক অধিক স্নেহ নকৰিবা ; সি বেছিদিন পৃথিবীত নাথাকে।" গোপাল আতাই বিধিৰ বিধানত যি আছে সেয়া ঘটিব বুলি ধৰি ল'লে। সঁচাকৈয়ে মাধৱদেৱে কামৰূপ এৰি বেহাৰ ৰাজ্যলৈ যাত্ৰা কৰা সময়তে নিদাৰুণ কালে দামোদৰক চপাই ল'লে।

### কয়লাৰ সুখ

মাধৱদেৱে সুন্দৰীথানত থাকোঁতে ভকতসকলৰ আধ্যাত্মিক প্ৰগতিৰ বিষয়ে পৰীক্ষা কৰিবলৈ আৰু একশৰণ নাম-ধৰ্মৰ সকলো গুহ্য তত্ত্ব তেওঁলোকৰ আগত প্ৰকাশ কৰিবলৈ এখন সভা আহ্বান কৰিছিল। সকলো ফালৰ পৰা আহি যেতিয়া ভকতসকল সমবেত হ'ল তেতিয়া গুৰুজনে তেওঁলোকক সত্ৰৰ পৰা অনতিদূৰত অৱস্থিত 'ভেৰভেৰি' নামে ঠাইৰ পথাৰৰ মাজলৈ লৈ গ'ল আৰু তাত প্ৰকৃতিৰ সেউজ পৰিবেশৰ মাজত সভাৰ কাম আৰম্ভ কৰিলে। এই সভাত সকলো প্ৰসিদ্ধ ভকত ; যেনে ঃ জনিয়াৰ ঠাকুৰ আতা, জয়ন্তীৰ মধাই আতৈ, তাঁতীকুচিৰ গোপাল (মথুৰাদাস বুঢ়া আতা) মানেৰিৰ হৰিগুৰু, মালচাৰ বৰবিষ্ণু আতা আৰু ভবানীপুৰৰ গোপাল আতা উপস্থিত আছিল। গুৰুজনে তত্ত্বজ্ঞানৰ কথা কৈ থাকোঁতে যাতে সকলোৱে মুখ জপাই নীৰৱে ধৈৰ্য্য ধৰি থাকে তাৰবাবে সতৰ্ক কৰি দিলে। সকলো ভকতে গুৰুজনৰ ফালে সতৃষ্ণ নয়নে ৰ লাগি একাগ্ৰচিত্তে অমৃতময় বাণী শুনি থাকোঁতে তেওঁলোক তন্ময় হৈ গ'ল। এনেকৈ এদিন এদিনকৈ একেৰাহে সাতদিন গুৰুজনে ভকতসকলক তাত্ত্বিক কথা কৈ তেওঁলোকৰ ধৈৰ্য্য, একাগ্ৰতা আৰু ভক্তিৰ চূড়ান্ত অৱস্থা নিৰীক্ষণ কৰি পৰম তৃপ্তি লাভ কৰিছিল। এই সপ্তদিনৰ মহাসমাৰোহৰ পিছদিনা একাদশী তিথি মিলিল আৰু গুৰুজনে ভেৰভেৰি থানৰ মহিমাৰ চিন ৰক্ষাৰ্থে তাত নাম-প্ৰসঙ্গ পাতিলে। এই ভেৰভেৰি নামৰ ঠাইখিনিক 'কয়লা' বুলিও জনা যায় আৰু তাত এটি নামঘৰ নিৰ্মিত হৈছে। ইয়াৰ ওচৰৰ এটি জান 'কয়লাগঙ্গা' বুলি জনা যায় আৰু বৰদোৱাৰ 'আকাশীগঙ্গা'ৰ লগত ইয়াকো তুলনা কৰা হয়, কিয়নো ভকতসকলে বিশ্বাস কৰে যে নাম-মাহাত্ম্যৰ ফলতে এই জানৰ উৎপত্তি হৈছিল। যদিও সকলো ভকতৰ কাৰণে এই ধৰ্মসভাৰ আয়োজন কৰা হৈছিল, দ্বিজ পূৰ্ণানন্দই চৰিত পুথিত অকল গোপাল আতাৰ আগতহে গুৰুজনে বৈকুণ্ঠৰ বস্তু প্ৰকাশ কৰিছিল বুলি উল্লেখ কৰিছে আৰু ইয়ে "কয়লাৰ সুখ" বুলি ভকতসকলৰ মাজত পিছত প্ৰখ্যাত হৈছে।

সুন্দৰীথানত গোপালক লগ পাই।
সাতদিন সাতৰাতি ভেদাভেদ নাই।।
মাধৱ গোপাল দুয়ো বসিয়া বিৰলে।
বৈকুণ্ঠৰ বস্তুমানে প্ৰকাশ কৰিলে।।
পৰমাৰ্থ তত্ত্ব যেবে কৰন্তে কীৰ্ত্তন।
বহি গৈল পাছে সপ্তৰাতি সপ্তদিন।।

গোপালদেৱে এনেদৰে সুন্দৰীদিয়াত গুৰুজন আৰু আন ভকতসকল, জনিয়াত ঠাকুৰ আতা, বৰপেটাত বুঢ়াআতা আৰু পাটবাউসীত শংকৰদেৱৰ ভাৰ্য্যা কালিন্দী

আই, নাতিল'ৰা পুৰুষোত্তম আৰু চতুৰ্ভুজ ঠাকুৰ সকলোৱে ওচৰলৈ আহ-যাহ কৰি সকলোৰে পৰা মৰম-চেনেহ আৰু তত্ত্ব-কথাৰ সন্তেদ পাই ক্ৰমে ক্ৰমে নাম-ধৰ্মৰ গভীৰতম জ্ঞানৰ অধিকাৰী হ'ল। কিন্তু এদিনাখন এটি অঘটন ঘটিল। মাধৱপুৰুষ গৈছিল ভৱানীপুৰলৈ ভকতসকলৰ লগত। তাত গোপালআতাৰ লগত নাম-প্ৰসঙ্গাদি সামৰি যেতিয়া তেওঁসকল নাৱেৰে সুন্দৰীদিয়ালৈ বুলি আহিবলৈ লয় তেতিয়া বতৰ বেয়া হৈ বৰষুণ দিওঁ দিওঁ অৱস্থা হ'ল। তেতিয়া কি ঘটিল তাৰ বৰ্ণনা বৈকুণ্ঠ-দ্বিজৰ সন্তমালাত এনেদৰে দিছেঃ

**গুৰু-বিবাদ**

"দেখিয়া গোপাল হাসি বাক্য বুলিলন্ত।।
শুনা দেৱৰাজ চাহিয়োক কৃপাদৃষ্টি।
খানিতেক মান তুমি নকৰিবা বৃষ্টি।।
শুনিয়া মাধৱে বোলে ভৈল ব্যভিচাৰ।
নামিয়ো নৌকাৰ তই নোহস আমাৰ।।
শুনিয়া গোপাল নৌকা হন্তে নামি বৈলা।
মাধৱেও দুখ মনে ভটিয়াই গৈলা।।
কতো বেলা মাধৱৰ সম্পজ্জিলা দায়া।
বুলিলন্ত এক ভকতৰ মুখ চায়া।।
শুনিয়ো ভকত মোৰ বচন কৰিও।
মৰিছেনে জীছে গোপালত সুধি চায়ো।।
যদি মৰো বোলে তাক মাতিয়া আনিবা।
নমৰে বোলয় যদি এৰিয়া আসিবা।।
শুনি ভক্তে সেহিভাবে পুছিলন্ত যাই।
গোপাল বোলয় মই আছোঁহে জীয়াই।।
কদাচিতো নমৰোঁহো আছো মই ভালে।
তাৰা পাটে বাৰে মই বাহিবোহো নালে।।
এহিভাবে মাধৱে তিনি বাৰেক সুধিলা।
তথাপি গোপালে মৰোঁ হেন নুবুলিলা।।
শুনি অসন্তোষ ভৈল মাধৱৰ মন।
বোলন্ত লালীৰ আজি ছিগিল এজন।।

গোপালদেৱৰ মুখৰ বাণীঃ

"তাৰা পাটে বাৰে মই বাহিবোহো নালে"

আৰু মাধবদেৱৰ ভৱিষ্যত বাণী ঃ

"লালীৰ আজি ছিগিল এজন"- এইবোৰ উক্তি যথেষ্ট তাৎপৰ্য্যপূৰ্ণ। গোপালদেৱ নিশ্চিতভাবে যদিও মাধৱদেৱৰ আজ্ঞাপৰ ভকত আছিল আচাৰ-বিচাৰৰ ক্ষেত্ৰত তেওঁ গুৰুৰ মতৰ পৰা পিছুত আঁতৰি গৈছিল আৰু সেয়ে তেওঁৰ পৰম্পৰাই নব-বৈষ্ণব ধৰ্ম সম্প্ৰদায়ৰ "কাল সংহতি" বুলি পৰিচিত হ'ল। নিষ্ঠাবান একেশ্বৰবাদী আৰু নামধৰ্মত পৰম বিশ্বাসী মাধৱদেৱে গোপালৰ ইন্দ্ৰদেৱতাক বৰযুণ নিদিবলৈ কৰা প্ৰাৰ্থনা সহজভাবে লব নোৱাৰাতো হয়তো কিছু কঠোৰ হ'লেও অস্বাভাৱিক নাছিল। কিন্তু গোপালৰ উক্তিত তেওঁৰ ব্যক্তিত্বৰ এটা বিশেষ দিশ অৰ্থাৎ গুৰুৰ পৰা সকলো গ্ৰহণ কৰিও প্ৰয়োজন হ'লে নিয়ম-নীতিৰ কিছু সংস্কাৰ-সাধন কৰাৰ ইচ্ছাৰ ভাব প্ৰকাশ পাইছিল বুলি ধৰি ল'ব পাৰি ঃ

"তাৰা পাটে বাৰে মই বাহিবোহো নালে।"

ইয়াৰ কিছুদিন পিছত গোপালৰ অনুশোচনা হ'ল। মাধৱগুৰুৰ কৃপা বিনে তেওঁৰ প্ৰতিষ্ঠা সম্ভৱপৰ নহয় বুলি তেওঁ হয়তো বুজি পালে, কিয়নো তেওঁ তেতিয়াও ধৰ্মাচাৰ্য্য পদত অধিষ্ঠিত হোৱা নাছিল। তেওঁ নাৰায়ণ ঠাকুৰক খাটনি ধৰিলে ঃ

বোলে আতা মাধৱত কহা তুমি যাই।
কৰোঁহো কাতৰ দিয়ন্তোক মোক ঠাই।।
শুনি নাৰায়ণে মাধৱৰ আগে কৈলা।
মাধৱেও হাস্য কৰি বুলিবাক লৈলা।।
বাক্যৰেসে ছিদ্ৰ তাৰ কায়ে কৰা নাই।
কায়ৰেও পাছে লোক কৰিবে সদাই।।
তথাপিতো দিবে ঠাই লোভত থাকিয়া।
তোমাৰ আগত কহিলোহো শুদ্ধ হিয়া।।
আপুনি কহিবা তুমি গোপালক মাতি।
দণ্ডদিয়া সভা কৰন্তোক দিনে ৰাতি।।

মাধৱদেৱৰ দৃষ্টিত ভৱিষ্যতৰ ছবিখন বৰ সমুজ্জ্বল যেন লগা নাছিল আৰু সেই বাণী পিছত ফলিছেও। অসমৰ পাঁচোজন গুৰুৰ ভিতৰত কেতিয়াবা কিবা মতানৈক্য ঘটিছিল যদিও সেইবোৰৰ দ্বাৰা তেওঁলোকে সমূহীয়া লক্ষ্যত কেতিয়াও ছাঁ পৰিব দিয়া নাছিল, কিন্তু তেৰাসবৰ প্ৰয়াণৰ পিছত ভকতসকলে আৰু বিশেষকৈ চৰিতকাৰসকলে নিজগুৰুৰ গৌৰৱ বৃদ্ধিৰ উদ্দেশ্যে আগত লৈ চৰিত্ৰ গ্ৰন্থসমূহত বিকৃত ৰূপ দি ইজন গুৰুৰ বিপক্ষে সিজন গুৰুৱে প্ৰকাশ কৰা নানা কটূক্তিৰ ৰহণ

সানি পক্ষপাতমূলক অতিৰঞ্জিত সমাহাৰ লিপিবদ্ধ কৰি গৈছে, যাৰ ভয়াবহ পৰিণাম আজি সমাজত প্ৰকট হোৱা দেখা যায়।

ঠাকুৰ আতাই মাধৱদেৱৰ বাণী গোপালক অৱগত কৰালে ঃ

শুনি নাৰায়ণে পাছে গোপালত ভৈলা।
গোপালৰো শুনি বৰ আনন্দ মিলিলা।।
সকলো সভাৰ পাছে কৰি এক ঠাই।
দেৱ মাধৱক াতি আনিলন্ত যাই।।
নাৰায়ণ দাসক পাছে মাতিবাক ভৈলা।
কাহাক মাতিবো নাৰায়ণেও পুছিলা।।
শুনিয়া গোপালে সমস্তৰে লেখা দিলা।
পুৰুষোত্তম ঠাকুৰৰ নাম নকহিলা।।

## ধৰ্মাচাৰ্য্য পদ

শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰক গোপালদেৱে নিমন্ত্ৰণী তালিকাৰ পৰা বাদ দিলে, প্ৰখ্যাত আন কোনো ভকতে বাদ নপৰিল। সেই কথা এতিয়া থাকক ; পিছত সবিশেষ আলোচনা কৰা হ'ব। কিন্তু এই সভাতেই গোপালদেৱক ধৰ্মাচাৰ্য্য পদত অধিষ্ঠিত কৰিলে।

পাছে গোপালৰ সভা কৰি সমাপত।
লৈলন্ত মাধৱে দণ্ড ৰূপ একশত।।
সবে ভকতক তাক বাটিয়া দিলন্ত।
আশ্বাসিয়া সবে ভকতক বুলি মাতি।
সেহি থানে গোপালক সত্ৰীয়া পাতি।।
বৰপেটা থানে পাছে মাধৱ চলিলা।

কিন্তু ৰামানন্দ দ্বিজৰ চৰিত্ৰ-পুথিত গোপালদেৱৰ সত্ৰীয়া পদত অধিষ্ঠিত হোৱা কাহিনী বেলেগ ধৰণে পোৱা যায়। তেওঁৰ মতে গুৰুজনে মধুপুৰৰ পৰাহে গোপালদেৱক এই ভাৰ অৰ্পণ কৰিছিল। তেওঁৰ বৰ্ণনা এনে ধৰণৰ ঃ

এহি কথা কহি, শ্ৰীমন্ত মাধৱে বুঢ়া আতা দিকিচাই।
আঘোন মাসত, ভাল পথ ভৈলে যাইবাহা কামৰূপক।
লোক সমস্তত, হৰিকথা কৈবে, কহিবাহা গোপালক।।
গোপালে বুলিব, ইসব কাৰ্য্যক, মোৰ পুনু ইচ্ছা নাই।
মোৰ আজ্ঞা তান, কৰিবাক লাগে, কহিলোহো সমুদায়।।
শুনিয়া ঠাকুৰ কালি কালজাৰে যাইবো।

জীৱ নিস্তাৰণ, শক্তি আছে তান, বুলিলোহো সিকাৰণ।
তান মুখে উপদেশ কথা শুনি তৰিবেক জীৱ গণ।।
জীৱ নিস্তাৰণ, শক্তি আছে যাৰ, শ্ৰদ্ধালুও নকহয়।
কৈবা গোপালত জীৱবধ পাপ, জানিবা তাৰ মিলয়।।

শ্ৰীৰাম আতাই ভেলা থানৰ পৰা আহি ভৱানীপুৰত গোপালদেৱৰ আগত গুৰুৰ আজ্ঞা সদৰি কৰিলে। কিন্তু, তেওঁ উচাপ খাই উঠি অপৰিপক্ক জ্ঞানৰ দ্বাৰা তেনে অসীম দায়িত্বৰ বোজা বহন কৰিবলৈ অপাৰগ বুলি জনালে। পিছত ঠাকুৰ আতাৰ নানা বুজনিৰ পিছতহে তেওঁ মান্তি হ'ল আৰু তাৰ পিছত বিৰাট জনতাই বিপুল সমাৰোহেৰে তেওঁক সত্ৰীয়া পদত বৰণ কৰিলে।

এতিয়া পুৰুষোত্তম ঠাকুৰৰ কথা। ভূষণদ্বিজই শংকৰদেৱ, মাধৱদেৱ আৰু পুৰুষোত্তম ঠাকুৰৰ বিষয়ে এনদৰে লিখিছে ঃ

কতোদিনে মহাসুখে তহিতে আছিলা। (শংকৰদেৱ)
দেহ এৰি তেখনে বৈকুণ্ঠ চলি গৈলা।।
সেহি নাম-গুণ কহি মাধৱ আছিলা।
ঈশ্বৰৰ আজ্ঞা ভৈলা বৈকুণ্ঠ চলিলা।।
জয় জয় পুৰুষোত্তম গুণে নাহি আৰ।
হৰিৰ ভকতি তেন্তে কৰিলা প্ৰচাৰ।।
পুৰুষোত্তম নাম ধৰি লোক নিস্তাৰিলা।
শংকৰত বিনে গুৰু আন নকহিলা।।
পুত্ৰতো অধিক কৰি ভক্তক পালিলা।
ভাগৱত শাস্ত্ৰমানে কণ্ঠ গত কৈলা।।
তান্ত পৰে পৃথিৱীত পণ্ডিত নাছিলা।
যতেক পণ্ডিত মানে তাহাতে ঘটিলা।।

গতিকে সেইজন ভকত আৰু বিশেষকৈ শংকৰদেৱৰ নাতিপুৰুষ, গোপালে আয়োজন কৰা ভকতসভাত অৱজ্ঞাত হোৱাটো তাৎপৰ্য্যপূৰ্ণ ঘটনা আৰু বিশ্লেষণযোগ্য। বৰপেটা অঞ্চলত নাম-ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত নাৰায়ণদাস ঠাকুৰ আতাৰ অৱদানৰ কথা আগতে উল্লেখ কৰি অহা হৈছে। তেৰাই পুৰুষোত্তম ঠাকুৰক আওকাণ কৰাটো সহজে মানি ল'ব নোৱাৰিলে ঃ মনথৈৰ পৰা আহোঁতে জনিয়াত পুৰুষোত্তম ঠাকুৰৰ থানত সোমাই ক'লে ঃ

একথোকা তামোলক ৰংগে হাতে লই।
পুৰুষোত্তম ঠাকুৰক জনাইলন্ত গই।।

আসিছে মাধৱ তাংক সভাতে দেখিবো।।
শুনিয়া ঠাকুৰ বোলে মোক মতা নাই।
নাৰায়ণে বোলে মোক বুলিছে পঠাই।।
শুনিয়া ঠাকুৰ অতি আনন্দিত ভৈলা।
নাৰায়ণে সমে পাছে ৰংগে চলি গৈলা।।
কন্ত দূৰে ঠাকুৰক নাৰায়ণে থই।
মাধৱক সেৱা কৰিলন্ত গই।।
বোলে নাৰায়ণে এতা বুদ্ধিত ঘাটিলা।
মাথাহীন সভা ইটো কিমতে পাতিলা।।
পুনু নাৰায়ণে বোলে শ্ৰীমন্ত শংকৰ।
তেঁহে মাথা জানা তুমি আমি সমস্তৰ।।
তান প্ৰিয় নাতি পুৰুষোত্তম বিদ্যমানে।
তাংক নামাতিয়া সভা কৰা কি কাৰণে।।
শুনি মাধৱৰ অতি প্ৰেম উপজিলা।
সখি বুলি নাৰায়ণক আলিঙ্গি ধৰিলা।।
তুমি প্ৰাণ দিলা আজি সুমৰাইলা ভালে।
তুমি অবিহনে আজি যাওঁ ৰসাতলে।।
এতিক্ষণে যাওঁ মই তান পাস যাইবো।
আ পুনিয়ো ঠাকুৰক মাতিয়া আনিবো।।

০০০০০০০০

পুৰুষোত্তম দেখে মাধৱদেৱ আসে চলি।
আগ বাঢ়ি প্ৰণামিলা কৰি কৃতাঞ্জলি।।
মাধৱেও তাহাংক ধৰিয়া আলিংগিয়া।
হাতত ধৰিয়া হাতে সভামধ্যে গৈলা।।
তগুৰ আগত কঠ ঢাৰি পৰাইলা।
পৰম সাদৰ কৰি তাতে বসুৱাইলা।।
থিউ হয়া মাধৱে সভাৰ ভিতি চাই।
বুলিলন্ত হেন বাক্য সবাকে শুনাই।।
শংকৰৰ শুদ্ধ ধৰ্ম্ম ৰত্ন পটন্তৰ।
মোত সমৰ্পিয়া তেজিলন্ত কলেবৰ।।

০০০০০০০০০

ময়ো আজি সেহি ধৰ্ম্ম নাতিতে অৰ্পিলো।

তোমৰা সবৰ আগে নিষ্ঠ কৰি কৈলোঁ।।
শংকৰৰ নাতি এন্তে দ্বিতীয় শংকৰ।
তান সংগে নিস্তাৰিব লোক বহুতৰ।।
এহি বুলি ঠাকুৰৰ মাথে ঢোপ দিলা।
সভাসদ লোক সবে হৰিধ্বনি কৈলা।।

এই কাহিনীৰ পৰা এইটো স্পষ্ট হয় যে শংকৰদেৱৰ প্ৰতি মাধৱদেৱৰ আনুগত্যৰ কোনোদিনে কোনো কাৰণতে অলপো ত্ৰুটী হোৱা নাছিল, আৰু গোপালদেৱে পতা সভাতে গোপালৰ আগতে পুৰুষোত্তমক ধৰ্মাচাৰ্য্য পদত বৰণ কৰি শংকৰদেৱৰ শুদ্ধ মতাদৰ্শৰ প্ৰতি তেওঁৰ গভীৰ নিষ্ঠা সমাজ বিদ্যমানে ব্যক্ত কৰি ভৱিষ্যতৰ কাৰণে এটা পটন্তৰ দাঙি ধৰিলে। মাধৱদেৱে হয়তো সাময়িক পৰিবেশ আৰু আত্মাপৰ গুৰুসকলৰ আচাৰ-বিচাৰৰ পৰা ভৱিষ্যতত ভক্তিধৰ্মৰ স্বৰূপ সলনিৰ বা গুৰু বিপৰ্য্যয়ৰ কিছু ইঙ্গিত পাইছিল। ইয়াৰ পিছতেই মাধৱদেৱে কামৰূপ ত্যাগ কৰি বেহাৰলৈ গৈছিল।

পুৰুষোত্তম ঠাকুৰ বৈকুণ্ঠী হোৱাৰ সময়ত তেওঁৰ খুড়াক হৰিচৰণৰ পুত্ৰ চতুৰ্ভুজ ঠাকুৰক ধৰ্ম সভাৰ দায়িত্ব অৰ্পণ কৰি গৈছিল। চতুৰ্ভুজ ঠাকুৰৰ লগতো গোপালদেৱৰ কিছু মনোমালিন্যৰ আভাস পোৱা যায়। "সন্তমালাত" গোপালদেৱে নিজকে মহাপুৰুষ বোলোৱা কথাত চতুৰ্ভুজ ঠাকুৰে আপত্তি তোলা ঘটনাৰ বিবৰণ এনেদৰে পোৱা যায় :

—তাত পাছে শংকৰৰ ভাদ্ৰমাসে থিতি উপগত ভৈলা।
কামৰূপ মাজে যতেক মহন্ত ঠাকুৰৰ থান গৈলা।।
কালজাৰ হন্তে গোপাল আসিল অতি আনন্দিত মনে।
তান ভক্ত বোলে মহাপুৰুষৰ কঠ পাবোঁ কোন স্থানে।।
ঠাকুৰৰ ভক্তে বোলে মহাপুৰুষৰ তিথি হুয়া আছে।
আউৰ কৈৰ কোন কহ তই মহাপুৰুষ আসিল পাছে।।
গোপালৰ ভক্তে বোলে আমাসাৰ আসিছে মহাপুৰুষ।
শুনি ভক্তে হাসি ঠাকুৰক কৈলে গৈয়া কৰি অসন্তোষ।।
শুনিয়া ঠাকুৰে সভা অৱসানে পুছিলন্ত গোপালতে।
মহাপুৰুষ নামক গোপাল লৈলা তুমি কাৰ মতে।।
গোপাল বোলয় কদাচিতো ইটো নামক মই নলওঁ।
যিহেতু ভকতে বোলয় আপুনি তাতে অপযশ পাওঁ।।
ঠাকুৰে বোলয় যদি এনে হয় এৰিয়ো তাক এখনে।
গোপালে বোলয় নাপাবোঁ এৰিবে কহিলো তযু চৰণে।।

ঠাকুৰে বোলয় আপুনি বোলোৱা খোলোৱা মিছা-চাতুৰি।
তোমাৰ আমাৰ সম্বন্ধ ছিগিল নাসিবাহা আজি ধৰি।।

গুৰু বোলোৱা বা গুৰু সম্বন্ধীয় বিবাদ কেৱল গোপাল আতাৰ ক্ষেত্ৰতে সৃষ্টি হোৱা নাছিল। বৰপেটাৰ মথুৰাদাস আতাও এই প্ৰভাৱৰ পৰা বাদ পৰা নাছিল। বৰপেটাৰ ভকতসকলৰ লগত চতুৰ্ভুজ ঠাকুৰৰ গুৰুৰ প্ৰশ্ন লৈ বিবাদ আৰম্ভ হোৱাৰ কথাও চৰিত পুথিত পোৱা যায়। এনেকুৱা পৰিস্থিতিতেই শংকৰদেৱৰ পত্নী কালিন্দী আইৰ বাৰ্ষিক শ্ৰাদ্ধলৈ ৰামচৰণ ঠাকুৰ চতুৰ্ভুজৰ সত্ৰ বিষ্ণুপুৰলৈ যাব ওলাওঁতে মথুৰাদাস বুঢ়া আতাই তেওঁক বাধা দিছিল, কিন্তু চতুৰ্ভুজ ঠাকুৰ ৰামচৰণ ঠাকুৰৰ আপোন ভাগিন আছিল ; গতিকে ৰামচৰণে কাৰো বাধা শুনাৰ প্ৰশ্ন নাছিল। বৰপেটীয়া ভকতসকলে শংকৰদেৱক গুৰু নুবুলি মাধৱদেৱক গুৰুবোলা কথাটো পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰ দুয়ো সহ্য কৰিব পৰা নাছিল। এই বিষয়ত বৰপেটাত সত্ৰৰ দ্বিতীয়জন সত্ৰীয়া, (মথুৰাদাসৰ পাচৰজন) গোপাল মিশ্ৰই চতুৰ্ভুজ ঠাকুৰক বুজাবলৈ চেষ্টা কৰিছিল ঃ

আতা বোলে তুমি ভাল বুলিলা আমাক।
শংকৰক গুৰু বুলিবাক দেই হাক।।
মাধৱেসে গুৰু আৰ কহয় নিশ্চয়।
এতেকে মোহোৰ মনে বিষাদ মিলয়।।
মাধৱক গুৰু বুলি যিজনে আছয়।
শংকৰ ঈশ্বৰ সিটো বুলিবে লাগয়।।
যিটো জনে গুৰু বোলে শংকৰদেৱক।
সিটো জনে ভক্ত বুলিবেক মাধৱক।।
এহি কথা পূৰ্ব্বে মোত দাদা কহিছয়।
তোমৰাসৱত মই কহিলো নিশ্চয়।।
এহি বুলি আতা মন-কষ্ট এৰিলন্ত।
গোপাল মিশ্ৰক ৰংগে তাম্বুল দিলন্ত।।

—সন্তমালা

কিন্তু ভালদৰে বিচাৰ কৰিলে এইটো ওলাই পৰে যে, এইবোৰ বিবাদ বা মতানৈক্য ব্যৱহাৰিক দিশতহে উঠিছিল ; আদৰ্শগত সংঘাতৰ প্ৰশ্ন উঠা নাছিল। সেই কথাৰ প্ৰমাণ পোৱা যায় গুৰুসকলৰ পৰস্পৰৰ ভিতৰত সামাজিক ব্যৱহাৰত। দ্বিজ পূৰ্ণানন্দ ৰচিত 'গোপালদেৱৰ চৰিত'ত শংকৰদেৱৰ দুই নাতি সম্পৰ্কে গোপালদেৱে পোষণ কৰা দৃষ্টিভঙ্গীৰ আভাস তলত দিয়া পদৰ পৰা পোৱা যায় ঃ

কোনজন অনাদৰ কৰিবৰ ঠাই।

বৰ সৰু আমি বুলিবাক নুসুৱায় ।।

০০০০০০০০

ঠাকুৰে আমাক যদি বচন বোলয় ।
হাতে হানিলেও মোৰ সহিতে লাগয় ।

০০০০০০০০

ঠাকুৰে যদিবা পাৱে প্ৰহাৰ কৰয় ।
তথাপিতো তাক মোৰ সহিতে লাগয় ।।

পুৰুষোত্তম ঠাকুৰৰ অন্তিম সময়ত গোপাল আতা উপস্থিত আছিল আৰু তেওঁৰ পিছত উত্তৰাধিকাৰীৰ প্ৰশ্ন সম্বন্ধে আলোচনাও কৰিছিল ঃ

সেই সময়ত বুঢ়া হৰিভক্ত আসিলন্ত দুইজন ।
ঠাকুৰে পৃথিৱী এৰিব খোজন্ত দেখোহো গৈয়া চৰণ ।।
বৰ পুৰাতেই গোপাল আতা দুইজনে গই ।
তোমৰা পৃথিৱী এৰিব খোজাহা ধৰ্ম্ম কৈত থাপি থৈ ।।
শুনিয়ো গোপাল শুনিয়ো গোবিন্দ তোমাত কহঞ নিষ্ঠ ।
ঘৰসিয়া মধ্যে আছন্ত ঠাকুৰ আমাৰ ভাতৃ কনিষ্ঠ ।।

গোপাল আতাৰ অন্তিম সময়তো চতুৰ্ভুজ ঠাকুৰ কালজাৰ থানত উপস্থিত হৈছিল। সন্তমালাত এই কথাৰ বিৱৰণ এনেদৰে পোৱা যায় ঃ

পাছে কালজাৰে ভৌনীপুৰীয়া গোপাল ।
নাপৰা পৰিয়া তোহো ভৈলা লালকাল ।।
ভকত পঠায়া পাছে আতাক আনিয়া ।
অনেক কৰিলা তুতি পাৱত পৰিয়া ।।
বোলন্ত উদ্ধাৰ বাপ কৰিও ভৃত্যক ।
আউৰ যেন নাপাসৰো তযু চৰণক ।।
কত ভাগ্যে দেখিলোহো প্ৰভু চৰণক ।
অনেক সাদৰে পঠাই দিলন্ত গৃহক ।।

এইবোৰ কথা দ'কৈ গমি-পিতি চালে আমি কি অনুমান কৰিব পাৰোঁ? মহাপুৰুষ শংকৰদেৱে নব-বৈষ্ণৱ ভক্তি-ধৰ্মৰ পথ নিৰ্ণয় কৰি আৰু প্ৰচাৰ আৰম্ভ কৰি তেৰাৰ শিষ্য-প্ৰশিষ্যক সেই ধৰ্ম ৰক্ষা আৰু প্ৰচাৰৰ ভাৰ দি তেওঁ স্বৰ্গগামী হ'ল। তেওঁ গুৰুতত্ত্বটোৰ ওপৰত জীৱিত কালত কেতিয়াও গুৰুত্ব দিয়া দেখা নাযায়। তেওঁৰ সৰ্বাধিক আস্থা আছিল ভকতৰ ওপৰত। গুৰু সম্বন্ধে প্ৰশ্ন কৰোতেই তেওঁ কৈছিল, "ভকতহে মোৰ গুৰু।" তেওঁ এই বিষয়ত সম্পূৰ্ণভাৱে ভাগৱতী আদৰ্শ গ্ৰহণ কৰিছিল বুলি ধৰি ল'ব পাৰি। তদুপৰি তেওঁৰ আছিল বিৰাট ব্যক্তিত্ব, অপৰিসীম

প্ৰজ্ঞা, অনন্ত তত্ত্বজ্ঞান আৰু বহুমুখী প্ৰতিভা। সেই সময়ত অন্ততঃ তেওঁৰ ওচৰে-পাজৰে বা ভাৰতৰ পূৰ্ব দিশত তেওঁৰ কোনো সমকক্ষ ব্যক্তি নাছিল। গতিকে তেওঁৰ ছত্ৰছায়াতেই গোটেই ভক্তি-আন্দোলন প্ৰবাহিত হৈছিল আৰু তেওঁ সকলোৰে প্ৰতি মুকলি দৃষ্টিভংগী গ্ৰহণ কৰিছিল। কিন্তু সৰ্বগুণাকৰ হোৱা সত্ত্বেও আৰু গুৰুৰ পূৰ্ণ আস্থাভাজন হৈয়ো মাধৱদেৱৰ সেই অৱস্থা নাছিল আৰু বিশেষকৈ গুৰুৰ প্ৰয়াণৰ পিছত তেওঁ নানা বাধা-বিঘিনিৰ সম্মুখীন হ'বলগীয়া হৈছিল। প্ৰথমতে দামোদৰদেৱৰ লগত তেওঁৰ মতানৈক্য আৰু বিচ্ছেদ ঘটিছিল, শংকৰদেৱৰ বহু আত্মীয়লোক মাধৱৰ প্ৰতি অসন্তুষ্ট হৈছিল। তেওঁৰ সময়ত বঙ্গদেশৰ চৈতন্যপন্থীসকলে অসমতো চৈতন্যমত প্ৰচাৰৰ কাৰণে অহোপুৰুষাৰ্থ কৰিছিল। মাধৱদেৱৰ প্ৰধান শিষ্য মথুৰাদাস আৰু গোপাল দুয়ো এই প্ৰভাৱৰ মাজেৰে আহিহে মাধৱদেৱক পাইছিল। সেয়ে তেওঁৰ আচাৰ-বিচাৰ ব্যৱস্থাত কিছু সংৰক্ষণশীলতা আৰু গুৰুত্বৰ ওপৰত বেছি প্ৰাধান্য দিয়া কথাও পৰিবেশৰ ভিত্তিতহে বিচাৰ কৰিব লাগিব। একেটা দাৰ্শনিক ভিত্তিতে স্থানকালৰ পৰিৱেশ আৰু সমাজভেদে সাধনমাৰ্গৰ ৰূপ কিছু পৃথক হ'ব পাৰে।

মাধৱদেৱ আৰু শংকৰদেৱৰ দুই নাতি পুৰুষোত্তম আৰু চতুৰ্ভুজে একমাত্ৰ শংকৰদেৱৰ নামত আদৰ্শ আৰু ব্যৱস্থা অবিকৃত কৰি ৰাখিবলৈ যত্ন কৰিছিল, কিন্তু ভকতসকলৰ কথাও এই ক্ষেত্ৰত বিচাৰ কৰিবলগীয়া। নিৰাকাৰ আৰু সাকাৰ ঈশ্বৰৰ ভেদাভেদৰ নিচিনা ভকতসকলে নিজ চকুৰে দেখা গুৰুৰ ব্যক্তিৰূপটো আৰু গুৰুৰ সান্নিধ্যত থাকি তেওঁৰ পৰা পোৱা শিক্ষা আৰু সংস্কাৰৰ প্ৰভাৱো উলাই কৰিব নোৱাৰি। মাধৱদেৱে সুন্দৰীদিয়া আৰু বৰপেটাত বেছিকৈ প্ৰচাৰ কাৰ্য্য চলাইছিল আৰু সেয়ে সেই ঠাইৰ ভকতসকলে মাধৱদেৱক গুৰুশ্ৰেষ্ঠ বুলি জানিছিল। শংকৰদেৱৰ মাহাত্ম্যৰ কথাও তেওঁলোকে গুৰুৰ মুখৰ পৰাহে শুনিব পাইছিল। ঠিক তেনেদৰে ভৱানীপুৰ অঞ্চলৰ ভকতে গোপাল আতাৰ পৰাহে সকলো তত্ত্ব কথা আৰু আচাৰ-বিচাৰৰ সম্ভেদ পাইছিল আৰু সেয়ে তেওঁকেই পৰমাৰাধ্য গুৰু বুলি সম্মান দেখুৱাইছিল। কিন্তু তাৰ দ্বাৰা তেওঁলোকে শংকৰদেৱক অসম্মান দেখুওৱাৰ প্ৰশ্ন নাছিল। যিসকলে সেই প্ৰশ্ন তুলিছিল তেওঁলোকৰ কাৰণেই পুৰুষসংহতি, নিকাসংহতি, কালসংহতি আৰু ব্ৰহ্মসংহতি আদি ভেদাভেদবিলাক পিছৰ কালত হ'ল বুলি ভাবিবৰ কাৰণ আছে।

বঙ্গদেশৰ চৈতন্যপন্থী পণ্ডিত আৰু আহোম ৰাজ্যত ৰাজগুৰু পদত অধিষ্ঠিত শাক্তগুৰু পৰ্বতী গোঁসাইহঁতৰ প্ৰভাৱত যদি অসমৰ নৱ-বৈষ্ণৱ আন্দোলনত বহু বাধা-বিঘিনি উপস্থিত হৈছিল আৰু তেওঁলোকৰ পৰোক্ষ আৰু প্ৰত্যক্ষ কুচুলনিত পৰি বহুকেইজন চৰিতকাৰেও গুৰু বিপৰ্য্যয়ৰ সমস্যা সৃষ্টি কৰিছিল আৰু ইজন গুৰুৰ

বিৰুদ্ধে সিজনৰ নানান কুৎসা ৰচনাৰ পোহাৰ মেলিছিল, তথাপি অসমৰ গুৰু কেইজনে প্ৰয়োজনবোধে শংকৰদেৱৰ বিৰুদ্ধপন্থীসকলৰ বিপক্ষে প্ৰতিবাদ ধ্বনি ঘোষণা কৰাৰ উদাহৰণো নোহোৱা নহয়। কোচবেহাৰত পুৰুষোত্তম ঠাকুৰৰ বিধৱা পত্নীক কোচৰজাই দেখুৱাব খোজা অসৌজন্য ব্যৱহাৰৰ বিৰুদ্ধে দামোদৰদেৱে কৰা প্ৰতিবাদৰ কথা তেৰাৰ চৰিত অধ্যায়ত ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। চলিহা বাৰেঘৰ সত্ৰৰ অধিকাৰ শ্ৰীৰামদেৱৰ সমকালীন দ্বিজবসুদেৱ ৰচিত "শ্ৰীৰামদেৱ চৰিত"ত কালসংহতিৰ গুৰুসকলে আহোম ৰাজসভাত চৈতন্যপন্থীসকলৰদ্বাৰা অসমৰ নৱ-বৈষ্ণৱ আন্দোলনটোৰ বিকৃত ব্যাখ্যাৰ বিৰুদ্ধে প্ৰতিবাদৰ এটা বিৱৰণ এনেদৰে পোৱা যায় ঃ

গৌড়দেশী পণ্ডিতেও ৰাজাত কহিলা।
এহি কামৰূপে ধৰ্ম্ম প্ৰকাশ নাছিলা।। ৪৪১
চৈতন্যদেৱৰ মতে কায়স্থ শংকৰ।
ইটো ৰাজ্যে নামধৰ্ম্ম কৰিলা প্ৰচাৰ।।
নৃত্য গীত বাদ্য সবে চৈতন্যদেৱৰ।
সত্ৰনাম অনুষ্ঠানো আৰ্হি চৈতন্যৰ।। ৪৪২
ধৰ্ম্ম সূত্ৰে কামৰূপ বংগৰ অধীন।
মিছা নোবোলোহোঁ ৰাজা স্বৰূপ বচন।।
শুনি ৰাজা মহন্ত সবক পুছিলেক।
কথা শুনি মহন্তসকল স্তম্ভিলেক। ৪৪৩
হাসিয়া শ্ৰীৰামদেৱ কহিবাক লৈলা।
চৈতন্যৰ শিষ্যে মিছা কথাকে কহিলা। ৪৪৪
গীতা ভাগৱত আদি নিবৃত্তি,শাস্ত্ৰৰ।
শ্ৰীমন্ত শংকৰে তাৰ কৰি সাৰোদ্ধাৰ।।
নাম ধৰ্ম্ম শৰণ ভজন ভক্তিসাৰ।
প্ৰকাশি কৰিলা তেন্তে জগত উদ্ধাৰ।। ৪৪৫
সত্ৰনাম অনুষ্ঠানো শ্ৰীশংকৰ মত।
যিবা গীত নৃত্যবাদ্য শংকৰদেৱৰ।
তাৰ কণ্ কহোঁ শুনিয়োক নৃপবৰ।। ৪৪৬
ৰ'মৰ বাক্যে গৌড়দেশীয় পণ্ডিত।
'পায়া ভৈলা' পৰম লজ্জিত।। ৪৪৭
দেখি ৰাজা শ্ৰীৰামদেৱক প্ৰশংসিলা।

বঙালৰ হস্তে মোৰ ৰাজ্য ৰক্ষা কৈলা ।।

## কালসংহতিৰ বৈশিষ্ট্য

সেই সময়ত বৰ্তমানৰ অবিভক্ত কামৰূপ আৰু গোৱালপাৰা জিলা কোচ ৰাজ্যৰ অন্তৰ্গত আছিল আৰু ইয়াৰ মানুহখিনিৰ ওপৰত কোচৰাজ-সংস্কৃতিৰ প্ৰভাৱ পৰিছিল। কোচ ৰজা নৰনাৰায়ণৰ শিক্ষা-দীক্ষা বাৰাণসীত হৈছিল আৰু সেয়ে তেওঁ ব্ৰাহ্মণ্য ধৰ্মীয় পৰম্পৰাত বিশ্বাসী আছিল। কিন্তু উজনি অসম আহোম ৰজাৰ শাসনত থকা কাৰণে ইয়াৰ মানুহবিলাকৰ আচাৰ-বিচাৰ, ধৰ্মীয় পৰম্পৰা আৰু সামাজিক পৰিবেশত জনজাতীয় প্ৰভাৱ বেছি আছিল বুলি সহজে অনুমান কৰিব পাৰি। গোপাল আতাৰ জন্ম উজনি অসমত হৈছিল আৰু তেওঁ ভৱানীপুৰত বসবাস কৰি থাকিলেও উজনিৰ লগত তেওঁৰ আহ-যাহ আছিল আৰু তাৰ সমাজ-ব্যৱস্থা সম্বন্ধে তেওঁ অৱগত আছিল। সেয়ে তেওঁ উজনিত ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত কুলক্ৰিয়া আৰু আচাৰ-নীতি আদি বিষয়ত যথেষ্ট উদাৰতা অৱলম্বন কৰিছিল। গোপাল আতাৰ আজ্ঞাপৰ গুৰুসকলে কুলীন ব্ৰাহ্মণ, কায়স্থ, পাহৰী, ভৈয়ামী, জনজাতি, অজনজাতি সকলোকে ভক্তিধৰ্মৰ পৰিসৰৰ ভিতৰলৈ আনিব পাৰিছিল। এইসকল লোকৰ খোৱা-লোৱা খাদ্য-পানীয় আৰু আচাৰ-নীতি একে ধৰণৰ নাছিল। আনকি সুকীয়া সুকীয়া স্তৰৰ জনগোষ্ঠীৰ প্ৰাচীন ধৰ্মীয় বিশ্বাসকো এদিনতে নোহোৱা কৰিব পৰাতো সম্ভৱপৰ নাছিল। সেই সমাজত সেই সময়ত মহাযানী বৌদ্ধ পৰম্পৰা অনুসৰণ কৰা লোকো আছিল। গোপাল আতাৰ বিৰাট ব্যক্তিত্বৰ ছাঁত এই সকলোবোৰ আপাত বিৰোধী শক্তি একত্ৰিত হৈছিল আৰু অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলনত এই বিশিষ্ট ৰূপটোৱে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত সাংস্কৃতিক ঐক্যৰ ভেটি ৰচনা কৰিছিল বুলি ক'ব পাৰি। এই গোটেই প্ৰক্ৰিয়াটো সম্ভৱপৰ হৈছিল গোপাল আতাৰ উদাৰতা, দূৰদৰ্শিতা আৰু মানৱতাবাদী বা মানৱদৰদী আদৰ্শৰ কাৰণে। কিন্তু সেই সময়ত উজনিত ধৰ্মীয় প্ৰচাৰত লাগি থকা বংশীগোপালদেৱৰ আৰু পদ্ম বা বদুলা আতাৰ আজ্ঞাপৰসকলে তেওঁলোকৰ সংৰক্ষণশীলতা ত্যাগ নকৰাৰ কাৰণে অনেক শিষ্য গোপালদেৱৰ ওচৰ চাপিব নোৱাৰিলে যেন লাগে।

ভৱানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ গুৰু আৰু সত্ৰসমূহৰ নাম তলত দিয়া হ'ল ঃ

(১) শ্ৰীৰামআতা (আহতগুৰি) (২) বৰযদুমনি (বাঁহবাৰী) (৩) সনাতন (নগৰীয়া) (৪) অনিৰুদ্ধ (মায়ামৰা) (৫) সৰুযদুমনি (গজলা) (৬) ৰামচন্দ্ৰ (খৌৰামচৰা) (৭) পুৰুষোত্তম (কাথপাৰ) (৮) ৰামচৰণ (ইকৰাজান) (৯) ধ্ৰুং-

পৰমানন্দ (হাবুং) ১০) বুঢ়াগুৰু (সত্ৰ নাই) (১১) নাৰায়ণ (দহঘৰীয়া) (১২) মুৰাৰি (চৰাইবাৰী) (১৩) কমললোচন (পুত্ৰ) কালজাৰ। কিন্তু সত্ৰৰ সংখ্যা ইয়াতেই শেষ বুলি ধৰিলে ভুল হ'ব। এই গুৰুসকলৰ পুত্ৰ, নাতি আৰু পৰিনাতিসকলে উজনি অসমৰ আৰু আন আন বহু ঠাইত সত্ৰ স্থাপন কৰি ধৰ্মীয় প্ৰবাহ অব্যাহত ৰখাৰ কাৰণে অৱদান যোগাই থৈ গৈছে। কমললোচনৰ বাহিৰে বাকী ১২জন ধৰ্মাচাৰ্য্যৰ ভিতৰত ছ'জন ব্ৰাহ্মণ আৰু ছ'জন অব্ৰাহ্মণ আছিল বুলি জনা যায়।

গোপালদেৱে তেওঁৰ গুৰুৰ পদক অনুসৰণ কৰিয়েই হৰিভক্তি প্ৰচাৰৰ আহিলা হিচাপে নাট-গীত আদি ৰচনা কৰিছিল আৰু নাট আদিত ভাও লৈছিল বুলি গুৰুচৰিতত উল্লেখ আছে। গোপালদেৱে "জন্মযাত্ৰা" নামৰ অংকীয়া নাটখনি ৰচনা কৰি তেৰাৰ গুৰুজনাক নিমন্ত্ৰণ কৰি শ্ৰীকৃষ্ণৰ জন্মাষ্টমী তিথিত গুৰুৰ সম্মুখত ভাওনা কৰিছিল আৰু নিজে বাসুদেৱৰ ভাও লৈছিল। গুৰুজনেও তাত নিজে ঘোষা-কীৰ্ত্তন গাই সমবেত জনতাক বিমুগ্ধ কৰিছিল। আতাই ঘোষা-কীৰ্ত্তনৰ অন্তত স্নান কৰি আহি গুৰুজনাক সেৱা জনাই ক'লে- "বাপ, আপুনি আমাৰ হৃদয়ৰ বস্তু ; জীৱ, আত্মা আদিক অনুমতি দি যে এইফেৰা কাম কৰালে তাৰ বাবে তাৰ ফলে সমে আপোনাৰ অভয়-পদত তাক অৰ্পণ কৰা হৈছে আৰু জীৱে সমে হাতে-দাঁতে তৃণ ধৰি চুলি ছিঙি কাতৰ কাৰুণ্য কৰি প্ৰাৰ্থনা জনাই কোৱা হৈছে যেন আপোনাৰ নাম আৰু হৃদয়ত ৰূপ যেন সৰ্বদায় বিৰাজমান হৈ থাকে।" ইয়াকে কৈ পুনৰ সেৱা জনাই গুৰুজনাৰ চৰণ লোতকেৰে তিয়াই পেলালে, তেতিয়া গুৰুজনে অতি চেনেহৰে সাবটি ধৰি গালে :

"গোপাল গোপাল পালয় কৃপাময়।
তুৱা পাৱে মোৰ মতি ৰতি যেন নচাৰয়।।
কৰিছোঁ আশা যিটো চিৰকাল।
নকৰিয়ো ভঙ্গ তাক গোপাল।।"

গুৰুজনাই এই আবৃত্তিৰ পাছত গোপাল আতাক আশীৰ্বাদ দি কোৱা কথাখিনি কথা গুৰুচৰিতত এনেকৈ আছে, "বোলে গোপাল, আজি মোক অমৃতপান কৰাই যি সন্তোষ লভাইছা তোমাৰ ভক্তি বস্তুতে সন্তোষ লভিবা, যশে তোমাৰ চন্দ্ৰ সূৰ্য্য প্ৰকাশ কৰাদি কৰিব, নদী বোৱা দিব।" "তেহে আতাই প্ৰাৰ্থনা কৈলে বোলে বাপ, তোমাৰ চৰণে অৰ্পিলোঁ, তযু কৃত্য এটি মাজতে গীত' কৰি দিওক, তযু মুখপদ্মৰ বাক্য থাকিলে প্ৰবৰ্ত্তিব, শৃগালক ডিঙিতে সিঙ্গ পাত্ৰ আৰি লক।" বোলে গোপাল মোৰ কি দিম? মোৰ গুৰু মহাপৰুষ শ্ৰীশংকৰদেৱৰ দিওঁ।" তেহে গীত দিছে-

গীত-ৰাগ-ধনশ্ৰী।

হৰিক বয়ন হেৰি মাই।

ফোকাৰয় শ্বাস নীৰ নয়ন জুৰাই।।

পদ- আজু জনমি সুত বিহি চল পৰদেশ।

কতনো লিখিল বিহি অভাগীক ক্লেশ।।

বিনে তুহু ৰহব জীবন নাহি মোই।

কহতু, শংকৰ কৃষ্ণ বোল সব লোই।।

গোপালদেৱে ৰচনা কৰা আন দুখন নাট হ'ল, 'উদ্ধৱ সংবাদ' আৰু 'নন্দোৎসৱ'। তেৰাই ৰচনা কৰা গীত ঘোষাবোৰ নানা ঠাইত সিঁচৰতি হৈ থকা বুলি জনা যায় আৰু সেয়ে জনসাধাৰণে এতিয়াও এইবোৰৰ ৰস-পান কৰিব পৰা নাই। যোৰহাটৰ বৰকটকী কোম্পানীয়ে 'কেৱলীয়া ঘোষা' নাম দি কিছুমান গীত প্ৰকাশ কৰিছিল। সেই ঠাইৰে শ্ৰীযুক্ত কুমুদচন্দ্ৰ মহন্তদেৱেও শ্ৰীশ্ৰীগোপালদেৱৰ ৰচিত 'গীত-ঘোষা' প্ৰকাশ কৰিছে। তাৰে এটি ঘোষা তলত উল্লেখ কৰি তেওঁৰ কবিত্বৰ আভাস দিবলৈ চেষ্টা কৰা হৈছে।

**গীত ৰাগ-বসন্ত**

হৰি হৰি কিনা ভেল সুদিন হামাৰি।

হামু পাপৰ বন্ধু নমজিলো তাপ সিন্ধু

তাৰিলা শংকৰ অৱতৰি।।

তিনি যুগ ভৈল শেষ কলি ভৈল পৰবেশ

লোকক পীড়িলে ঘোৰ পাপে।

শুষি নিলে আত্মতত্ত্ব ভৈললোক উনমত্ত

পুৰি মাৰে সংসাৰৰ তাপে।।

ভকতি বাৰিষা ঋতু লোকৰ কুশল হেতু

মিলিলা শংকৰ ৰূপে হৰি।

মাধৱ গম্ভীৰ মেঘ বৰষিলা অবিচ্ছেদ।

হৰি নাম জল জগ ভৰি।।

ভকত সকলে যত পায়া পিয়া উনমত্ত

হৰি যশ ৰসৰ প্ৰভাৱে।

আনোলোক সুখী ভৈল কলি মল দূৰ গৈল

কহতু গোপাল হৰি পাৱে।।

**ভৱানীপুৰৰ পৰা কালজাৰলৈ**

ভৱানীপুৰ থানত বৰুৱা উপাধিৰ অমৃতকৰ, মধুকৰ, ৰশ্মিকৰ আৰু পুস্কৰ নামৰ চাৰিজন ভাই-ককাই গোপালদেৱৰ মুখ্য সেৱক আছিল। অমৃতকৰ বৰুৱা শ্ৰীমন্ত শংকৰদেৱৰ শিষ্য আছিল। কালক্ৰমত চাৰিজনৰে মৃত্যু হোৱাত এওঁলোকৰ পৰিয়ালৰ কোনো কোনো লোক কালজাৰলৈ উঠি গ'ল। অনেক ভকত আৰু গাঁৱলীয়া ৰাইজৰ অচিন ৰোগত মৃত্যু হোৱা কাৰণে ভৱানীপুৰৰপৰা বহুলোক কালজাৰলৈ উঠি গ'ল। এইবোৰ দৃশ্য দেখি গোপাল আতাৰো মন লৰিল। তেওঁ কালজাৰলৈ যাবলৈ মন কৰিলে ঃ

এথাত থাকিবে আউৰ নাহি প্ৰয়োজন।
কালজাৰে যাইবে গোপালৰ ভৈল মন।।
মাধৱৰ সত্ৰ তৈতে আছিল পূৰ্ব্বত।
আছন্ত ভকত সব তৎপৰ ধৰ্ম্মত।।

-গোপাল আতাৰ চৰিত

সেই সময়ত কালজাৰ গাঁৱত একাদশ আতৈ নামৰ এজন বিত্তশালী, ধৰ্মপৰায়ণ লোক আছিল। তেওঁ সকলো প্ৰকাৰ সহায় আৰু বৰগুণি আগবঢ়োৱাত গোপাল আতাই তালৈ যাবলৈ সিদ্ধান্ত কৰিলে আৰু তিনিশ তিনিকুৰি তেৰজন ভকত সমন্বিতে আহি কালজাৰত বসতি আৰম্ভ কৰিলে। স্থানীয় লোকসকল এনেহেন এজন মহাপুৰুষৰ সঙ্গলোভত আপ্লুত হ'ল আৰু ৰাইজে মিলি অটব্য হাবি-বননি চাফ কৰি তাতে চকুৰোৱা কীৰ্ত্তনঘৰ আৰু হাটী-বাতি আদি সাজি উলিয়ালে। চাওঁতে চাওঁতে কালজাৰ সত্ৰৰ নিত্য নাম-প্ৰসঙ্গৰ ধ্বনি দশোদিশ মুখৰিত হ'ল। চাৰিওফালৰ পৰা অলেখ লোক আহি শৰণ ল'লে, নাম-ধৰ্মৰ ভক্তি-সোঁতত অবগাহন কৰিলে। আতাই তেওঁৰ প্ৰাচীন স্থান ভৱানীপুৰৰপৰা আঁতৰি আহিছিল, কিন্তু নানা স্মৃতি বিজড়িত সেই পুণ্যভূমিৰ লগত কেতিয়াও সম্পৰ্ক ছেদ কৰা নাছিল। তেৰাই ভৱানীপুৰ, সুন্দৰীদিয়া আৰু কালজাৰ সত্ৰৰ যথাক্ৰমে ৰাতিপুৱা, আবেলি আৰু ৰাতিৰ নিত্য-প্ৰসঙ্গত যোগ-দান কৰি সকলো দিশৰ ভকতসকলক আৱৰি ৰাখিছিল।

## দেহাৱসান

মনুষ্য জীৱন মৰণশীল আৰু ইয়াৰ অস্তিত্বও কচুৰ পাতৰ পানীৰ নিচিনা, সেই কথা গোপালদেৱে উপলব্ধি কৰিছিল, এক অসাধাৰণ শাৰীৰিক শক্তি আৰু অদম্য মনোবলৰ আধাৰ স্বৰূপ আতাই তিনিকুৰি দহ বছৰতো যিয়ে প্ৰচণ্ড ধুমুহাৰ উদ্যম লৈ ভাগৱতী ধৰ্মৰ বিকাশ আৰু প্ৰচাৰত আত্মনিয়োগ কৰি দশোদিশে ঘূৰি ফুৰিছিল, তেৱেঁই সিদিনা অণ্ডকোষত সামান্য বেদনা অনুভৱ কৰি চাৰিওফালে ভকতসকললৈ বাতৰি পঠিয়ালে। বৰপেটা সত্ৰৰ পৰা মথুৰাদাস বুঢ়াআতা, বিষ্ণুপুৰ সত্ৰৰ পৰা

চতুৰ্ভুজ ঠাকুৰ প্ৰমুখ্যে আন আন ভকতসকল লৰি আহিল। তেতিয়া আতাৰ তীৰকঁপে জ্বৰ উঠিছিল, অসহ্য যন্ত্ৰণাত তেওঁ কাতৰ হৈছিল, তেওঁ কৰযোৰে সকলোৰেপৰা মেলানি মাগিছিল। কোনোৱে এইহেন মহান পুৰুষজনাৰ শেষপৰ্ব ইমান খৰতকীয়া হ'ব বুলি ভাবিব পৰা নাছিল। সকলো ভকত আৰু শিষ্যই তেওঁৰ আৰোগ্যৰ কাৰণে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালে। কিন্তু অলক্ষ্যে নিয়তিয়ে হাঁহিলে। ১৫৩৩ শকৰ ব'হাগ মাহৰ শুক্লা ষষ্ঠী তিথিত তেওঁ এই ধৰাধামৰ মায়া ত্যাগ কৰি বৈকুণ্ঠ ধামলৈ গতি কৰিলে, মুখত হৰিনাম লৈ আৰু অসংখ্য জনগণৰ হৰিধ্বনিৰ কোলাহলৰ মাজত।

মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ আজ্ঞাপৰ ধৰ্মাচাৰ্য্যসকলৰ চমুবিৱৰণ আগতে দি অহা হৈছে। এওঁলোকৰ ভিতৰত বৰযদুমনি বা হিংসুলীয়া আৰু অনিৰুদ্ধদেৱৰ পৰম্পৰাতে শিষ্যৰ সংখ্যা সৰ্বাধিক। তদুপৰি অনিৰুদ্ধদেৱৰ দ্বাৰা প্ৰতিষ্ঠাপিত মায়ামৰা সত্ৰৰ ভকতসকলে আহোমৰ শাসনকালত ৰজাৰ বিৰুদ্ধে অস্ত্ৰ লৈ আৰু ৰজাক পৰাভূত কৰি যি এক নতুন ঐতিহ্যৰ সৃষ্টি কৰিছিল ৰাজনৈতিক বুৰঞ্জীত সেই অধ্যায় তাৎপৰ্য্যপূৰ্ণ আৰু সেয়ে অনিৰুদ্ধদেৱৰ সম্বন্ধে দুআষাৰ লিখাৰ প্ৰয়োজন অনুভৱ কৰা হ'ল।

## মায়ামৰা বা মোৱামৰীয়া সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতা
## শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ

মহাপুৰুষীয়া ধৰ্ম-সম্প্ৰদায়ৰ অন্তৰ্গত মায়ামৰা সম্প্ৰদায় আৰু মায়ামৰা আন্দোলনৰ পিতৃপুৰুষ আছিল অনিৰুদ্ধদেৱ। তেওঁৰ পিতৃৰ নাম আছিল গোন্দডেকাগিৰি আৰু মাতৃৰ নাম আজলীদেৱী। আজলীদেৱী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সম্বন্ধীয়া ভনী আছিল। ডেকাগিৰি পৰিয়ালটো বাৰভূঞাসকল অৰ্থাৎ শংকৰদেৱৰ পূৰ্বপুৰুষসকল অহাৰ বহু আগতে অসমলৈ অহা বুলি জনা যায় আৰু সেই কাৰণে তেওঁলোকক আদিভূঞা বোলা হয়। বৰ্তমানৰ উত্তৰ লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ অঞ্চলৰ বিষুবালি-কুচি গাঁৱত ১৪৭৫ শকৰ ব'হাগ মাহৰ পোন্ধৰ তাৰিখে অনিৰুদ্ধদেৱে জন্ম গ্ৰহণ কৰিছিল।

"চন্দ্ৰবেদ যোৱবান শকে জন্ম ভৈলা তান
পঞ্চদশ দিনে বৈশাগত।
শুকুলা নৱমী তিথি সৰ্ব্ব শুভগ্ৰহ দৃষ্টি
শুকুবাৰে ভৈলন্ত বেকত।।"

অনিৰুদ্ধৰ পৰিয়ালত পঢ়া-শুনাৰ পৰিবেশ আছিল আৰু তেওঁ সেই সুযোগ পূৰ্ণৰূপে ব্যৱহাৰ কৰি শাস্ত্ৰাদি অধ্যয়ন কৰি পণ্ডিতৰূপে প্ৰখ্যাতি পাইছিল। তেওঁ

কিন্তু সৰুৰে পৰা পাৰ্থিব সম্পদৰ প্ৰতি উদাসীন আছিল আৰু শাস্ত্ৰ অধ্যয়নৰ প্ৰতিহে বেছি অনুৰক্ত আছিল। ৪০/৪৫ মান বয়স হোৱাত ভৱানীপুৰীয়া গোপাল আতাৰ গুণ-গৰিমাৰ কথা তেওঁৰ কাণত পৰে আৰু লগে লগে তেওঁৰ সাক্ষাৎ পাবলৈ উৎকণ্ঠিত হয়। তেওঁ যেতিয়া ভৱানীপুৰলৈ ৰাওনা হয় গোপালআতা তেতিয়া কালজাৰত। তেওঁ অনিৰুদ্ধৰ সংজীৱন আৰু নিষ্ঠা সম্বন্ধে অৱগত আছিল। অনিৰুদ্ধ আহিব বুলি খবৰ পাই তেওঁক আদৰিবলৈ তেওঁ পদ্মানদীৰ পাৰৰ পৰা তেওঁৰ বাসগৃহলৈ এটা নতুন পথ সাজি উলিয়ালে। ইয়াৰ কাৰণ অনিৰুদ্ধ মহাপুৰুষ শংকৰদেৱৰ সম্বন্ধীয় ভাগিন আৰু অতি প্ৰসিদ্ধ আদি ভূঞা পৰিয়ালৰ লোক। অনিৰুদ্ধই নদীৰ পাৰত উপস্থিত হৈ নতুন পথ তেওঁৰ বাবেই সজোৱা বুলি জানি সেই পথটোক নমস্কাৰ কৰিলে ; কিন্তু সেই পথেদি নগৈ পুৰণি পথেৰেই গৈ গুৰুজনৰ ওচৰ পালে। এই ঘটনাৰ কাৰণেই তেওঁৰ শিষ্যসকলক আজিও 'পুৰণি ভকত' নামে জনা যায়।

অনিৰুদ্ধই গোপাল আতাক প্ৰণিপাত জনাই তেওঁক জ্ঞান দি শিষ্য কৰি ল'বলৈ নিবেদন জনালে। আতাই তেওঁৰ সৰলতা আৰু বিনম্ৰতাত মুগ্ধ হ'ল আৰু সানন্দে তেওঁক গ্ৰহণ কৰিলে। অনিৰুদ্ধ আতাৰ সঙ্গত সুদীৰ্ঘ তিনি বছৰ থাকি নাম-ধৰ্ম সম্বন্ধীয় সকলো তত্ত্ব, আচাৰ-বিচাৰ তন্ন তন্নকৈ শিকি বুজি ল'লে। অৱশেষত তেওঁ শৰণ লৈ গুৰুৰ আদেশ ক্ৰমে উজনিত ধৰ্ম প্ৰচাৰ কৰিবলৈ ৰাওনা হ'ল। গুৰুজনে শিষ্যক আচাৰতকৈ বিচাৰৰ ওপৰতহে বেছি প্ৰধান্য দিবলৈ উপদেশ দিলে। অনিৰুদ্ধৰ পূৰ্বৰ নাম আছিল হৰকান্ত। আতাই নতুন নামকৰণ কৰিলে 'অনিৰুদ্ধ' অৰ্থাৎ যিয়ে কোনো যুদ্ধতে নাহাৰে, যেনে শ্ৰীকৃষ্ণৰ নাতি। গোপাল আৰু অনিৰুদ্ধৰ সঙ্গম সেয়ে ভৱিষ্যতত অতি তৎপৰ্য্যপূৰ্ণ হ'ব বুলি প্ৰমাণিত হ'ল।

অনিৰুদ্ধদেৱে ঘৰলৈ উভতি আহি তাত এখন সত্ৰ প্ৰতিষ্ঠা কৰি একশৰণ নাম-ধৰ্ম প্ৰচাৰ কৰিবলৈ লয়। কিন্তু সেই ঠাইৰ দফলাসকলে সঘনে অত্যাচাৰ কৰি শান্তি ব্যাহত কৰাৰ কাৰণে সত্ৰ আন ঠাইলৈ স্থানান্তৰিত কৰিব লগাত পৰে। তেওঁ নতুন সত্ৰখনৰ চাৰিওফালে নাহৰ গছ ৰুই ইয়াৰ নামকৰণ কৰে, 'নাহৰতি'। অনিৰুদ্ধদেৱৰ সাত্বিক ঋষি সদৃশ ভাবমূৰ্তি, বিচক্ষণ বিচাৰবুদ্ধি আৰু অতুলনীয় সংগঠন শক্তিৰ প্ৰভাৱত কুলীন ব্ৰাহ্মণ কায়স্থৰ পৰা আৰম্ভ কৰি অতি নিম্নবৰ্গৰ বুলি অৱহেলিত হৈ থকা লোকসকল, আনকি পাহাৰী জনজাতি পৰ্য্যন্ত সকলো স্তৰৰ লোকে আহি তেওঁৰ ধৰ্মমত গ্ৰহণ কৰি শিষ্য হৈ পৰিল। তেওঁৰ অত্যধিক শিষ্যবৃদ্ধিৰ প্ৰধান কাৰণ হ'ল সেই সময়ত লোক সমাজত প্ৰচলিত আচাৰ-নীতিৰ ক্ষেত্ৰত গুৰুৰ উদাৰ দৃষ্টিভঙ্গী। কুলক্ৰিয়া আচাৰ সম্বন্ধে অকল অনিৰুদ্ধদেৱেই নহয় গোপাল আতাৰ পৰম্পৰাৰ সকলো গুৰুৱে উদাৰতা অৱলম্বন কৰিছিল।

সুকীয়া সুকীয়া স্তৰৰ জন-গোষ্ঠীৰ মাজত থকা প্ৰাচীন ধৰ্মীয় বিশ্বাসকো কোনো কোনো ক্ষেত্ৰত আংশিকভাৱে হ'লেও স্বীকাৰ কৰিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে, প্ৰথমতে আদৰ্শৰ বিচাৰত গুৰুত্ব দিবলৈ গ'লে লোকাচাৰ আৰু লোক-বিশ্বাসৰ প্ৰবল হেঁচাত আদৰ্শ বিকৃত হোৱাৰহে সম্ভাৱনা, যাৰ ফলত প্ৰচাৰ বাধাৰ সম্মুখীন হয়। তেওঁলোকে লোকৰুচি পৰিৱৰ্তনৰ কাৰণে কলাত্মক ব্যৱস্থা প্ৰধান সাধন স্বৰূপে ব্যৱহাৰ কৰি সংস্কাৰৰ আওপকীয়া ব্যৱস্থা কৰি কৃতকাৰ্য্য হৈছিল। সেই কাৰণেই সমাজ, ব্যৱস্থা আৰু আদৰ্শৰ সমন্বয়কাৰী ৰূপে গুৰুৰ স্থান সৰ্বশ্ৰেষ্ঠ বুলি স্বীকৃতি হোৱা বুলি অনুমান কৰিব পাৰি।

অনিৰুদ্ধদেৱৰ পাণ্ডিত্যৰ নমুনা পোৱা যায় তেওঁৰ দ্বাৰা অসমীয়া ভাষাত ৰচিত চতুৰ্থ আৰু পঞ্চম স্কন্ধ ভাগৱত পুথিত। তেওঁ ইয়াত নিজকে "কায়স্থ কুলপতি" অৰ্থাৎ কায়স্থ সমাজৰ মুৰব্বী বুলি পৰিচয় দিছে আৰু তেওঁৰ গুৰু গোপালদেৱৰ প্ৰতি অকুণ্ঠ শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শন কৰিছে। তেওঁ অৱশ্যে তেওঁৰ সম্বন্ধীয় খুড়াক মাধৱদাসৰ প্ৰতিও গুৰু-সদৃশ শ্ৰদ্ধা প্ৰদৰ্শন কৰিছে। জনা যায় যে মাধৱদাসে অনাসক্ত, সংসাৰত্যাগী ব্ৰহ্মচাৰীৰ জীৱন যাপন কৰিছিল। হয়তো অনিৰুদ্ধই প্ৰথমতে তেওঁৰ পৰাই সৎ আদৰ্শৰ প্ৰেৰণা পাইছিল।

## মায়ামৰা বা মোৱামৰীয়া সম্প্ৰদায়

অনিৰুদ্ধদেৱৰ শিষ্য পৰম্পৰাক "মায়ামৰা" বা মোৱামৰীয়া" সম্প্ৰদায় স্বৰূপে জনা যায়। সেই নাম সম্বন্ধে নানা পণ্ডিতৰ নানা মত। অনেকৰ মতে অনিৰুদ্ধই তেওঁৰ গুৰু গোপালদেৱৰ পৰা একশৰণ নাম-ধৰ্ম সম্বন্ধীয় এনেকুৱা গূঢ় তত্ত্ব আয়ত্ত কৰিছিল যে তেওঁৰ সকলো পাৰ্থিব সম্পদৰ প্ৰতি থকা মায়া সম্পূৰ্ণভাৱে তিৰোহিত হৈছিল আৰু সেই কাৰণেই তেওঁৰ সম্প্ৰদায়ক 'মায়ামৰা' বোলা হয়। আনটো অতি সবল যুক্তিৰ মত যে অনিৰুদ্ধই তেওঁৰ গুৰুৰ কৃপাত নানা অলৌকিক শক্তিৰ অধিকাৰী হৈছিল আৰু সেই শক্তিৰ প্ৰভাৱৰ বহু ক্ৰিয়া-কাণ্ড দেখি আন আন সত্ৰৰ গোঁসাইসকলৰ উপৰিও স্বয়ং আহোম স্বৰ্গদেউ খোৱাৰজা চিন্তিত হৈছিল। এদিনাখন তেওঁ পাত্ৰ মিত্ৰৰ সৈতে অনিৰুদ্ধৰ যাদুকৰী বিদ্যাৰ প্ৰমাণ ল'বলৈ আহি তেওঁৰ আগত এটি মুখ বন্ধ কলহ ৰাখি তাৰ ভিতৰত কি আছে ক'বলৈ ক'লে আৰু ক'ব নোৱাৰিলে গুৰুতৰ শাস্তিৰ ইঙ্গিতো দিলে। অনিৰুদ্ধই বীজমন্ত্ৰ উচ্চাৰণ কৰি কলহৰ ভিতৰত এডাল ফেঁটীগোম সাপ থকা বুলি ক'লে। ৰজাৰ লোকে যেতিয়া কলহৰ মুখ খুলি দিলে সঁচাকৈয়ে তাৰ ভিতৰৰপৰা এডাল ফেঁটীগোম সাপ ওলাল আৰু ওচৰত থকা মানুহবিলাক ভয়ত

পলাবলৈ ধৰিলে। ৰজায়ো ভয়ত তাৰ পৰা আঁতৰি গ'ল। অনিৰুদ্ধই কিন্তু সাপডাল মাৰি পেলালে আৰু তেতিয়াৰ পৰাই মায়াসাপ মৰাৰ কাৰণে তেওঁৰ ফৈদক 'মায়ামৰা' বোলা হ'ল।

মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে কোচবিহাৰৰ পণ্ডিত ৰজা নৰনাৰায়ণ আৰু তেওঁৰ উত্তৰাধিকাৰীইঁতৰ নানা কাকুতি-মিনতি সত্ত্বেও ৰাজ-গুৰু হ'বলৈ অস্বীকাৰ কৰি আত্মাহুতি দিলে। পুৰুষোত্তম ঠাকুৰেও সেই আদৰ্শ পালন কৰিলে। এনেকুৱা জ্বলন্ত ত্যাগৰ বিনিময়ত তেৰাসকলে এটা মহৎ আদৰ্শৰ ইঙ্গিত দি গৈছিল যে ৰাজধৰ্ম আৰু আত্মধৰ্ম কেতিয়াও এক হ'ব নোৱাৰে। প্ৰবৃত্তি আৰু নিবৃত্তি, দৃষ্টিভঙ্গীৰ দুটা সম্পূৰ্ণ ওলোটা দিশ। কিন্তু তেৰাসবৰ পৰলোকৰ পিছত অসমৰ বহু বৈষ্ণৱ গুৰুৱে সেই পন্থ অনুসৰণ নকৰি ৰাজ-ঐশ্বৰ্য্য লাভৰ আশাত লালায়িত হ'ল, যি বিষয়ে আগতে চমুকৈ আলোচনা কৰি অহা হৈছে। এই ব্যৱস্থাৰ প্ৰবলতম বিস্ফোৰণ ঘটিল মোৱামৰীয়া বিদ্ৰোহৰ মাজেৰে। এই বিদ্ৰোহ এক বিৰাট গৃহযুদ্ধত পৰিণত হৈ কেৱল আহোম ৰাজশক্তিৰ পতনৰ সূচনাই নকৰিলে, ইয়াৰদ্বাৰা সমাজ-শৃংখলা সম্পূৰ্ণৰূপে ভাগি পৰিল। মোৱামৰীয়া বিদ্ৰোহৰ সময়ৰ অসমৰ ৪০ লাখ মানুহৰ ভিতৰত মায়ামৰাৰ ফালৰ প্ৰায় ন' লাখ আৰু ৰজাৰ ফালৰ প্ৰায় তিনি লাখ অৰ্থাৎ বাৰ লাখ লোকৰ মৃত্যু ঘটি অসমৰ লোক সংখ্যা ২৮ লাখলৈ নামিল, ঘৰ-বাৰী অগ্নিত দাহ গ'ল, শস্যপথাৰ উদং হৈ পৰি থাকিল। মানুহৰ আশ্ৰয় হ'ল পাহাৰ-পৰ্বত বা হাবি-বননিৰ ভিতৰত। খেতি নোহোৱাৰ ফলত দেশত দুৰ্ভিক্ষই দেখা দিলে। অসমৰ বুৰঞ্জী প্ৰণেতা গেইট চাহাবৰ মতে মানুহবিলাকেও উপায় নাপাই ম'হ, গৰু, কুকুৰ আৰু শিয়ালৰ মাংস মুখত দিছিল।

কিন্তু দেশত এনে এক অৱস্থা সৃষ্টি হোৱাৰ কাৰণ কি সেই বিষয়ে অলপ দকৈ গমি চালেই ওলাই পৰে যে, আহোম ৰাজ শক্তিয়ে প্ৰথমতে বৈষ্ণৱ সম্প্ৰদায়ৰ গুৰুসকলৰ কিছুমানক বহু প্ৰলোভন দি বহু সত্ৰ আদি সজাই দি, বহু মাটি-বাৰী দান কৰি ধৰ্মীয় জনপ্ৰিয়তাক ৰাজস্বাৰ্থৰ অনুকূলে ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু সকলো গুৰুৱে সেই প্ৰভাৱত পৰা নাছিল। তেওঁলোকৰ নিষ্ঠা আছিল আদৰ্শৰ স্বৰূপতহে আৰু মোৱামৰীয়া সম্প্ৰদায় এই বিষয়ত পূৰ্ণভাৱে আপোচহীন আছিল। চিদানন্দৰ অনিৰুদ্ধ চৰিতৰ পৰা বুৰঞ্জীৰ এই ঘটনাবিলাকৰ অধিক স্বৰূপ বিৱৰণ আৰু মায়ামৰা সম্প্ৰদায়ৰ সত্যনিষ্ঠা আৰু ধৰ্মনিষ্ঠাৰ আপুৰুগীয়া চানেকি পোৱা যায়। বুৰঞ্জীসম্মত তাৰ প্ৰথম ঘটনাটিৰ জীৱন্ত বৰ্ণনাত নিজ ধৰ্ম-নিষ্ঠাৰ বাবে প্ৰাণ উছৰ্গা কৰা উদাহৰণ স্বৰূপে ধৰ্মীয় বুৰঞ্জীত চিৰকাল জিলিকি থাকিবলগীয়া কথাটো এনেধৰণৰ ঃ

চুচেংফা নৃপতিৰ ৰাজত্বকালত।

মায়ামৰা সত্ৰৰ আছিল চাৰিপাত্ৰ।। ২৮০
সিসবাৰ নাম কহোঁ শুনা ভিন্নে ভিন্নে।
লাকো বৰপাত্ৰ আৰু নেওগ ফুকন।।
সোলা গুই মেলা যে আৰৰ একজন।
ৰজাৰ সভাত বহি থাকে সৰ্ব্বক্ষণ।। ২৮১
সিবেলাত সিটো সত্ৰে কৃষ্ণদেৱ স্থিত।
আদ্যমূৰ্ত্তি সুত বহুগুণে অলংকৃত।।
তেৰাৰ সৱক চাৰিজন শুদ্ধাশয়।
ৰজাৰ সভাত থাকি বিচাৰ কৰয়।। ২৮২
সিসকলে নৃপতিৰ নকৰে বন্দন।
চাৰিকো চাৰিয়ে মাথা দবাই কৰে মান।।
তাক দেখি অন্য সভাসদ একজনে।
ৰাজাত দিলন্ত খল মৰাইবেক মনে।। ২৮৩
এই চাৰিজন যে পুৰণি ভক্ত হয়।
সেহি হেতু নৃপতিক সেৱা নকৰয়।।
এহি কথা শুনি খোৰা ৰাজাৰ কুমাৰ।
তাসম্বাক বাক্য বুলিলন্ত খৰোত্তৰ।। ২৮৪
কি কাৰণে মোৰ সেৱা নকৰা আতাই।
আমাৰ আগত কথা কহিয়ো বুজাই।। ২৮৫
ৰাজাৰ বচন শুনি পাছে পাত্ৰবৰ।
কৰযোৰে মহাৰঙ্গে দিলন্ত উত্তৰ।।
যেহি লাগে তাকে কৰিয়োক মহাৰাই।
সত্য কথা কৈবো আমি সবে সমুদাই।। ২৮৬
যাক গুৰু মানি আমি দিয়া আছোঁ শিৰ।
নদমাওঁ মাথা সেহি জনৰ বাহিৰ।।
হেন শুনি ৰাজা পাছে বুলিলন্ত বাণী।
নাওৰাত কিবা মাথা নোদোওঁৰা তুমি।। ২৮৭
মুণ্ড চাপৰাইবে লাগে বুলি আমি সবে।
বৰ যে মাৰল ঘৰ নকৰিলো আগে।।
দীঘল কৰিয়া ঘৰ হোৱয় আমাৰ।
মুখে দ্বাৰ দিয়া থাকে জানা সাৰে সাৰ।। ২৮৮
সেহি কথা শুনি মৌন ৰহিলা নৃপতি।

চৰ পঠাইয়া পাছে বুজিলা যুগুতি।।
পুৰণি ভক্তৰ গ্ৰাম আছে যত যত।
পৰ্য্যটি আসিয়া দূতে কহিলা ৰাজাত।। ২৮৯
মুখে বাট কটা পেটে নাহিকে দুৱাৰ।
হেন শুনি ৰাজা অতি ভৈল চমৎকাৰ।।
পুনৰপি পাত্ৰসকলক মাতি আনি।
মহা শান্তভাৱে ৰাজা বুলিলন্ত বাণী।। ২৯০
যতি তোমাসাৰ হোৱে প্ৰাণৰ সঙ্কট।
তেতিয়া মাথাক নিয়া ৰাখিবা তলত।।
হেন বাক্য শুনি তাসম্বাৰ চাজিন।
ৰাজাৰ মুখক চাই বুলিলা বচন।। ২৯১
যদি প্ৰাণ মৰে সিও কথা অতি ভাল।
তথাপিতো মূৰ নচাপৰে কোনো কাল।।
হেন শুনি ৰাজা ভৈল পৰম বিস্ময়।
পৰীক্ষা কৰিবে লাগি মনে আলোচয়।। ২৯২
তেজী ঘোঁৰা চাৰিগোট তেখনে অনাইলা।
পথত দীঘল খাণ্ডা যতনে বন্ধাইলা।।
ঘোঁৰা দৌৰাইবাক লাগি কৰিলা আদেশ।
তেসম্বেও ৰঙ্গমনে উঠিলা নিঃশেষ। ২৯৩
ঘোঁৰাত উঠিলা আগে নেওগ ফুকন।
বিজুলী সঞ্চাৰে ঘোঁৰা কৰিলা গমন।।
খাণ্ডা সমীপত মাথা নত নকৰিলা।
খাণ্ডা ঘাৱে মুণ্ডগোট উফৰি পৰিলা।। ২৯৪
গাণ্ডীগোট ঘোঁৰাৰ যে ওপৰে থাকিলা।
গুইমেলা সোলাৰো যে সেহিমত ভৈলা।।
আন দুজনক ৰাজা ৰাখিলা ধৰাই।
দেখি বুদ্ধি স্বৰ্গনাৰায়ণ মহাৰাই।। ২৯৫
শুনিবে লাগিলা ৰাজা শোক কৰি অতি।
একনিষ্ঠ লোক মাৰি ভৈলোঁ ভক্ত-ঘাতী।। ২৯৬
তোমৰা সৱৰ জানিলোহো একমত।
একগুৰু পদ বিনে নাজানা সতত।। ২৯৭
এতেকে মতেক আখ্যা দিলো আজি ধৰি।

এহি কথা নিশ্চয় জানিবা স্থিৰ কৰি।।৩০০

আহোম স্বৰ্গদেৱে এক গুৰুৰ বাহিৰে কাৰো ওচৰত শিৰ নোদোওৱা সকলক অৰ্থাৎ এক ঈশ্বৰ শ্ৰীকৃষ্ণ আৰু সেই তত্ত্বৰ সাধক গুৰুৰ বাহিৰে আন কোনো তত্ত্ব স্বীকাৰ নকৰাসকলক নাম দিলে মতএক = মতেক বা মতক, যাৰ আধুনিক লিখিত ৰূপ মটক। মটক এটা কোনো জাতি নহয়, ই এটা সম্প্ৰদায় ; একেশ্বৰবাদৰ প্ৰতি কঠোৰভাৱে নিষ্ঠাবান সম্প্ৰদায়।

ৰজা আৰু প্ৰজাৰ মাজত সাংস্কৃতিক ঐক্য সুদৃঢ় হ'লেহে সদ্ভাৱ বাঢ়ে। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত সেই প্ৰক্ৰিয়া আৰম্ভ হয় আৰু ল'ৰাৰজাৰ কাললৈকে আহোম ৰজাসকলে হিন্দুধৰ্ম গ্ৰহণ কৰি সেই প্ৰবাহৰ মাজেৰে ভক্তিধৰ্মৰ মাজত সোমাই পৰে। কিন্তু গদাধৰ সিংহৰ দিনৰ পৰাই সম্বন্ধৰ অৱনতি ঘটিবলৈ আৰম্ভ হয়। গোপাল আতাৰ পৰম্পৰাৰ গুৰুসকলে পাছ পৰা সম্প্ৰদায়বোৰৰ মাজত প্ৰভূত জনপ্ৰিয়তা অৰ্জন কৰা কথা ৰজাই সহ্য কৰিব নোৱাৰা হয়। তেওঁৰ বিপদৰ সময়ত কিছুমান গুৰুৱে তেওঁৰ সহায় আগনবঢ়োৱা কথাটোও ইয়াৰ লগত জড়িত হয়। অনিৰুদ্ধদেৱৰ পিছৰ সপ্তমজন অধিকাৰ বা সত্ৰীয়া বৈকুণ্ঠনাথদেৱক ৰজাৰ আদেশত হত্যা কৰা হয়। কামৰূপত গোপালদেৱ আতাৰ পৰম্পৰাৰ সকলো গুৰুৰ সমাবেশ ঘটাই প্ৰত্যেক সত্ৰৰ পৰা দুজনকৈ গোঁসাইক বধ কৰিবলৈ আদেশ দিয়া হয়। কিন্তু শিৱ সিংহৰ ৰাজত্বকালত কেৱল সত্ৰীয়া দমনেই নহয় কামৰূপীয় ভাগৱতী ধৰ্মৰ বিশেষকৈ 'কালসংহতি'ৰ ভকতসকলক সম্পূৰ্ণৰূপে নিঃশেষ কৰিবলৈ ব্যৱস্থা লোৱা হয়।

স্বৰ্গদেউ ৰুদ্ৰসিংহই বঙ্গদেশৰ শাক্ত ব্ৰাহ্মণ আমদানি কৰি অসমৰ গুৰু ব্ৰাহ্মণ সকলোৰে ওপৰত আধিপত্য দি ৰাজগুৰু পাতে। তেতিয়াৰ পৰাই ধৰ্মীয় সংঘাতৰ উপৰিও বঙ্গদেশী সাংস্কৃতিক প্ৰভাৱ অসমৰ জনজীৱনত বিস্তাৰ হ'বলৈ আৰম্ভ কৰে। অসম শক্তিপীঠ হিচাপে ভাৰতৰ ভিতৰত অতীতৰপৰাই প্ৰখ্যাত। অসমীয়া শাক্ত-ভকতসকলে মন্দিৰত পূজা সেৱা কৰাৰ প্ৰথা আছিল। নতুনকৈ অনা সকলে মূৰ্তি সাজি পূজা-সেৱাৰ ব্যৱস্থা কৰে। পূজা ধৰ্মীয় উৎসৱৰ পৰিৱৰ্তে ৰাজকীয় উৎসৱত পৰিণত হয় আৰু কালত ইয়াৰ ওপৰত তামসিক প্ৰভাৱো পৰিল।

ৰুদ্ৰসিংহৰ অযোগ্য উত্তৰাধিকাৰী শিৱসিংহই ৰাজপাটত উঠি এই পণ্ডিতসকলৰ চক্ৰান্তত নটৰ জীয়ৰী ফুলেশ্বৰীক বিয়া কৰিবলগীয়া হয় আৰু অৱশেষত নিজে সিংহাসন ত্যাগ কৰি ৰাণীক বৰ-ৰজা পাতিবলগীয়া হয়। নকৈ শাক্ত হোৱা ফুলেশ্বৰীয়ে মহাপুৰুষীয়াবিলাকে দেৱী-পূজা নকৰে বুলি শুনি মায়ামৰা মহন্ত কেইজনমান ধৰাই নি বলি দিয়া ম'হ-ছাগলীৰ তেজেৰে তেওঁলোকৰ কপালত ফোঁট দিয়ালে। গুৰুসকলৰ এই অপমান শিষ্যসকলে সহ্য কৰিব নোৱাৰিলে। ১৭৬৯ চনত

বিদ্ৰোহৰ জুই-জ্বলি উঠিল। ফুলেশ্বৰীৰ লগত এই বিদ্ৰোহৰ অগনি জ্বলোৱাত গুৰি ধৰিছিল কীৰ্তিচন্দ্ৰ বৰবৰুৱা নামৰ আহোম বিষয়াজনে। এদিন মায়ামৰা মহন্তই ৰজাৰ লগত কথা পাতি বৰবৰুৱাকো নমতাকৈ গুচি অহাত কীৰ্তিচন্দ্ৰই মহন্তক অত্যন্ত অপমান কৰিলে আৰু তাৰ পিছতে এদিন মৰাণৰ নেতা নাহৰ খোৱাই বৰবৰাৰ কাষলৈ পোনতে নগৈ ৰজাক হাতী সোধোৱাৰ চেলু লৈ উঠি ৰজা বৰবৰুৱাই নাহৰ খোৱাক মাৰ-কিল কৰি কাণ দুখন কাটি পঠালে। এই অৱস্থাতে ফুলেশ্বৰী আৰু শিৱসিংহৰ মৃত্যু হ'ল।

ৰাঘব মৰাণৰ নেতৃত্বত মৰাণ, কছাৰী, মটক সকলো ভকতে সংঘবদ্ধ হৈ যুদ্ধ কৰি ৰাজধানী অধিকাৰ কৰিলে। ৰজা লক্ষ্মীসিংহ গুৱাহাটীলৈ পলাল। নাহৰ খোৱাৰ পুত্ৰ ৰমাকান্ত মৰাণ নেতাৰূপে সিংহাসনত বহিল। ৰাজকোঁৱৰ কেইবাজনকো হত্যা কৰা হ'ল। কীৰ্তিচন্দ্ৰৰ সবংশে মৰণ মিলিল। ইয়াৰ পিছত লক্ষ্মীসিংহই সিংহাসন অধিকাৰ কৰিলেও শাসনভাৰ আগৰ দৰে হৈ নাথাকিল। তেওঁৰ পিছৰজন ৰজা গৌৰীসিংহই মিলাপ্ৰীতিৰে শাসনভাৰ সুসংহত কৰাৰ পৰিবৰ্তে কিছুদিন নিতাল মাৰি থকা মায়ামৰাসকলক, তেওঁৰ প্ৰধানমন্ত্ৰীৰ মন্ত্ৰণাকো আওকাণ কৰি আকৌ জোকাই ল'লে। ল'ৰা-তিৰোতা নিৰ্বিশেষে মায়ামৰীয়া হত্যাৰ আদেশ দিলে। অকল ইমানেই নহয়, বিদ্ৰোহত লিপ্ত বুলি অনেক নিৰীহ লোকক চকু কাঢ়ি বা তেলত ভাজি হত্যা কৰিলে। বিদ্ৰোহীবিলাকে পুনৰ গড়গাঁও অধিকাৰ কৰিলে। ৰজাই প্ৰাণ লৈ পলাই সাৰিল আৰু উপায় নাপাই ভাৰতৰ গৱৰ্ণৰ জেনেৰেল কৰ্ণৱালিছলৈ (১৭৮৬-৯৩ খৃঃ) সহায় ভিক্ষা মাগিলে। গেইটে নিজে ক'বৰ দৰে সেই অলায়ক ৰজাই নুবুজিলে যে ভাবধাৰা তেওঁ অসমৰ বুৰঞ্জীৰ গতি ওলোটাই দিয়াৰ পথ সুগম কৰিলে। অসমৰ এনেই ইংৰাজৰ লগত প্ৰথম সম্বন্ধ ঘটিল। চনটো আছিল ১৭৯২ খৃষ্টাব্দ, ইংৰাজৰ সহায়ত গৌৰীসিংহই ৰাজপাট পালে, কিন্তু প্ৰত্যক্ষভাবে ইংৰাজৰ বহতীয়া হিচাপেহে। তাৰ পিছতে হ'ল তিনিবাৰ উপৰ্য্যুপৰি মানৰ আক্ৰমণ। ১৮২৬ চনত অসম ইংৰাজৰ শাসনৰ অধীন হ'ল। সেয়েহে ঐতিহাসিক উপন্যাসৰ সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে অতি দুখেৰে লিখিছিল ঃ "স্বধৰ্ম এৰি পৰধৰ্ম লোৱাৰ ফল এই হ'ল যে আহোমৰ সিংহাসন লৰিল- আহোমৰ ৰাজছত্ৰ যি মুহূৰ্তৰ পৰা ফুলেশ্বৰীৰ মূৰত উঠিল, সেই দিনৰে পৰা আহোম ৰাজবংশ 'লক্ষ্মীছাড়া' হ'ল, শিৱসিংহ, ৰাজেশ্বৰ সিংহ, গৌৰীনাথ সিংহ, চন্দ্ৰকান্ত সিংহ, পুৰন্দৰ সিংহ কোনোৱে আৰু ৰাজপাট সুখেৰে খাবলৈ নাপালে। যি ছত্ৰ আৰু সিংহাসন সেই কালতে লৰিল, আৰু লৰিলেই ; বৰ্তমানে তাৰ অস্তিত্বও নোহোৱা হ'ল।"

প্ৰখ্যাত বুৰঞ্জী প্ৰণেতা ই. এ. গেইট চাহাবে আৰু প্ৰাচ্যবিদ্যামহাৰ্ণব নগেন্দ্ৰনাথ বসুৱে তেখেতৰ "Social History of Kamrup" নামৰ গ্ৰন্থত মায়ামৰা বিদ্ৰোহ আৰু

আহোম ৰাজত্বৰ পতন সম্বন্ধে বিতংভাৱে বৰ্ণনা দিছে। পিছৰ বুৰঞ্জীবিদসকলেও একে কথাৰে পুনৰাবৃত্তি কৰিছে। মহাপুৰুষ শংকৰদেৱৰ বাণী মায়ামৰা বিদ্ৰোহৰ মাজেৰেই প্ৰমাণিত হ'ল যে ৰাজধৰ্ম আৰু আত্মধৰ্মৰ ক্ষেত্ৰ বেলেগ আৰু বিপৰীতমুখী। ক্ষমতাৰ দৰ্পত আহোমৰজাৰ আত্ম-বিস্তৃতি ঘটিল। মায়ামৰা ভকতসকলৰ সম্বল আছিল একনিষ্ঠ ভক্তি আৰু আত্মবিশ্বাস আৰু সেয়ে তেওঁলোকে প্ৰবল প্ৰতাপী শাসকৰ ধৰ্মীয় বিধানক প্ৰত্যাহ্বান জনাই নিজ বিশ্বাসত অলৰ-অচৰ হৈ থাকিল আৰু আজিও আছে। ভাৰতীয় ৰাজশক্তিবোৰলৈ তাহানিতেই অসমৰ মহাপুৰুষসকলে এটা আদৰ্শগত পটন্তৰ দাঙি ধৰিছিল, যিটো আজিলৈ কোনোৱে শুদ্ধভাৱে মানি নল'লে আৰু তাৰ ফলত সমাজতো নানা অশান্তি আৰু বিপ্লৱৰ অন্ত পৰা নাই।

# পঞ্চম অধ্যায়

## বিহঙ্গম দৃষ্টিত কামৰূপৰ গুৰুসকলৰ জীৱন আলেখ্য আৰু দৰ্শন

মধ্যযুগীয়া আচাৰ্য্য বা মহাপুৰুষসকলৰ জীৱন বৃত্তান্তৰ বিষয়ে আজিৰ যুগত ঐতিহাসিক বিশ্লেষণ সম্পন্ন বৈজ্ঞানিক সিদ্ধান্তত উপনীত হোৱাতো এটা দুষ্কৰ কৰ্ম। এই কথা সেই যুগৰ ৰাজপুৰুষসকলৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য। বুৰঞ্জীক অতীত হৈ যোৱা ঘটনাৰ দাপোণ বুলিব পাৰি, কিন্তু সেই দাপোণ ৰচিত হ'ব লাগে কিছুমান নিৰ্ভুল তথ্যৰ ভিত্তিত। সেই সময়ৰ বুৰঞ্জীৰ সমল হিচাপে যিবিলাক তথ্য যেনে, নথিপত্ৰ আদি পোৱা যায় সেইবোৰ বহু ক্ষেত্ৰত অনুমানৰ ভিত্তিত ৰচিত। তদুপৰি ৰজা-মহাৰজাসকলে নিজৰ ঢাক-ঢোল বজাবলৈ দোষ-ক্ৰুটীবোৰ গাপ দি ৰাখি বুৰঞ্জী লিখোৱাৰ উদাহৰণো আছে। ধৰ্মীয় গুৰুসকলৰ চৰিত্ৰ অঙ্কনতো সেই নীতিয়েই বহু ক্ষেত্ৰত প্ৰয়োগ কৰা দেখা যায়। চৰিতকাৰসকলে তেওঁলোকৰ ভজনীয় গুৰুৰ আদৰ্শ, শিক্ষানীতি আদি সৰ্বশ্ৰেষ্ঠ বুলি প্ৰমাণ কৰিবলৈ কল্পনাৰ আশ্ৰয় ল'লে আৰু প্ৰয়োজনবোধে আন সমসাময়িক গুৰুসকলৰ গাত কলঙ্ক সানি তেওঁলোকক সমাজত হেয় প্ৰতিপন্ন কৰিবলৈকো প্ৰচেষ্টা চলালে। সেয়ে গুৰুসকলৰ জীৱন বুৰঞ্জীৰ যিখিনি সমল পোৱা যায় সেইবোৰ হয় অসম্পূৰ্ণ বা অসংলগ্ন বা উদ্দেশ্যপ্ৰণোদিতভাৱে ৰচিত। বৈজ্ঞানিক দৃষ্টিৰে বিচাৰ কৰিলে সেইবোৰৰ পৰা সেই সময়ৰ গুৰুসকলৰ বা সমাজখনৰ প্ৰকৃত ৰূপ উদ্‌ঘাটন কৰিবলৈ আনুষঙ্গিক আন আৰু বহু তথ্যৰ প্ৰয়োজন হয়।

প্ৰাচীন কামৰূপ ৰাজ্যৰ মধ্যযুগীয় মহাপুৰুষসকলৰ জীৱন চৰিতৰ বিষয়ে যিখিনি নথি আমাৰ হাতত বৰ্তমান আছে অৰ্থাৎ গুৰুচৰিতবোৰ আমি যিদৰে পাইছোঁ সেয়া সেই সময়ৰ পৰা বহু পিছৰ কাললৈ চৰিতকাৰসকলৰ বৰ্ণনা, যিবোৰৰ সৰহখিনিয়ে তেওঁলোকে আন সূত্ৰৰ পৰা জানিছিল তেওঁলোকৰ এই অৱদান অমূল্য আৰু সেই ভিত্তিতেই আজি গুৰসকলৰ বিষয়ে আলোচনা বিলোচনা সম্ভৱপৰ হৈছে। কিন্তু এইটোও অস্বীকাৰ কৰিব নোৱাৰি যে, সেই নথিখিনি বহুক্ষেত্ৰত একপাক্ষিক আৰু অলৌকিকতাৰ কুঁৱলীৰে আবৃত।

সেই সময়ত যানবাহনৰ সুবিধা বিশেষ নাছিল, লেখন প্ৰক্ৰিয়া আৰম্ভ হ'লেও ছপাশালৰ ব্যৱস্থা নাছিল আৰু চৰিতকাৰসকল ক্ৰমে ক্ৰমে গোষ্ঠীবাদী মনোবৃত্তিৰ কবলত পৰিছিল। সেয়ে চৰিতপুথিসমূহৰ অসম্পূৰ্ণতা, অত্যুক্তি আৰু কিছুক্ষেত্ৰত সত্যহীনতা নিৰপেক্ষ দৃষ্টিৰে চালে চকুত নপৰাকৈ নাথাকে। সেই সময়ৰ গোটেই ভাৰতবৰ্ষৰ সাধকসকলৰ চৰিত্ৰবৰ্ণনাতো অলৌকিক ঘটনাবিন্যাসৰ প্ৰাবল্য ইমান

বেছি যে মাজে মাজে বুৰঞ্জীৰ উপাদানসমূহ ম্লান হোৱা বা হেৰাই যোৱা বুলিও ক'ব পাৰি। তদুপৰি প্ৰশস্তিৰ মাত্ৰাধিক্যয়ো বুৰঞ্জীমূলক চৰিত্ৰবোৰ মাজে মাজে অপাৰ্থিব ৰূপত সজাই এনেদৰে প্ৰকাশ কৰিছে যে মানৱীয় মূল্যবোধৰ তুলাচনীত বিচাৰ একপ্ৰকাৰ অসম্ভৱ হৈছে। হিন্দু সম্প্ৰদায়ৰ মানুহৰ প্ৰকৃত অৰ্থত ইতিহাস লিখা প্ৰথা খুব প্ৰাচীন নহয়। পুৰাণৰ যুগৰ পৰা হিন্দুসকলে জানিছিল হয় পূজা আৰু তোষামোদী কৰিবলৈ নতুবা ঘৃণা কৰি কুৎসা ৰটিবলৈ। যিকোনো বিষয়ৰ বিশ্লেষণাত্মক মূল্যায়নৰ যুগ এতিয়াহে আৰম্ভ হৈছে বুলি ক'ব পাৰি।

আমাৰ গুৰুচৰিতসমূহ ৰচিত হোৱাৰ পিছত বহুদিন কোনোবা সত্ৰ বা মানুহৰ গৃহত পৰি থাকিল। তাৰপৰা ইজনে সিজনে পঢ়িবলৈ নাইবা নকল কৰিবলৈ নিয়াত বহু হাতৰ পৰশো লাগিল আৰু সেই অৱস্থাত তাত কিছু নতুন তথ্য সন্নিবিষ্ট হোৱা বা কিছু চৰিতপুথি উদ্দেশ্য প্ৰণোদিতভাৱে প্ৰক্ষিপ্ত কৰা ঘটনাও নুই কৰিব নোৱাৰি। সেয়ে সেই পুথিবোৰ যেতিয়া ছপাশাল পালে আৰু তাৰ পৰা ওলাই আহিল, সকলোখিনি যে পূৰ্বৰ ৰূপত নাথাকিল সেই বিষয়ে তথ্যও নোহোৱা নহয়। এই সময়ৰ ভিতৰত সমাজ বিপ্লৱ আদি নানা ঘটনাৰ পাকচক্ৰত বহু পুথি বা আন তথ্য কালৰ বুকুত লীনো গ'ল।

কিন্তু আটাইতকৈ ডাঙৰ সমস্যা বা বিপদটো হ'ল তেতিয়া, যেতিয়া প্ৰসিদ্ধ মহাপুৰুষ কেইজনৰ তিৰোধানৰ পিছত তেওঁলোকৰ শিষ্য-প্ৰশিষ্যৰ মাজত অৰিয়া-অৰি লাগিল, নিজ গুৰুজনক ডাঙৰ কৰি প্ৰয়োজনবোধে আন গুৰুৰ গাত কলঙ্ক সানিবলৈ কৰা প্ৰচেষ্টাত। এই প্ৰক্ৰিয়াতে কামৰূপী ভাগৱতী ধৰ্ম সম্প্ৰদায় কেইবাটাও ভাগত বা সংহতিত পৰিণত হ'ল আৰু আমাৰ নিজ অসংহতিৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিলে চুবুৰীয়া ৰাজ্যৰ ধৰ্ম-সম্প্ৰদায়বিলাকে।

১৮২৬ খৃষ্টাব্দত যেতিয়া আমাৰ ৰাজ্য ইংৰাজ শাসনৰ অধীনলৈ গ'ল তেতিয়া আমাৰ চুবুৰীয়া ৰাজ্যৰ পণ্ডিতসকলে ইংৰাজক বুজালে যে অসমীয়া ভাষা বঙলা ভাষাৰ অপভ্ৰংশ আৰু ইংৰাজে তাকে স্বীকাৰ কৰি ইয়াৰ চৰকাৰী কাম-কাজত আৰু শিক্ষা ব্যৱস্থাত বঙলা ভাষা প্ৰৱৰ্তন কৰিলে। অসমৰ বুদ্ধিজীৱী পণ্ডিত আৰু খৃষ্টান মিছনেৰীসকলৰ আপ্ৰাণ চেষ্টাত যেনিবা বহুদিন পিছত সেই বিপদ আঁতৰিল। কিন্তু আজিও দুই এজন তথাকথিত অসমীয়া পণ্ডিতে ক'বলৈ চেষ্টা কৰে যে, শংকৰদেৱ কমতাৰ কবি আছিল আৰু শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা সৃষ্ট ৰচনাৰাজি বঙালীসকলে তেওঁলোকৰ ভাষাত অন্তৰ্ভুক্ত নকৰি অন্যায় বা ভুল কৰিছে। কোনো কোনোৱে আকৌ কয় শংকৰদেৱ, মাধৱদেৱ জন্মসূত্ৰে বঙালী আছিল আৰু শংকৰদেৱ বঙলা গদ্যৰ প্ৰথম লেখক ইত্যাদি। বঙ্গদেশত মহান ব্যক্তিৰো অভাৱ নাই আৰু বিশ্বকবি ৰবীন্দ্ৰনাথ, আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰায়, ৰমেশ চন্দ্ৰ

দত্ত, ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়, ডঃ সুকুমাৰ সেনৰ লেখীয়া গৱেষক পণ্ডিতে অসমীয়া ভাষা-সাহিত্য সম্বন্ধে তেওঁলোকৰ শুদ্ধ মতামত লিপিবদ্ধ কৰি থোৱা সত্বেও আজিও বাদানুবাদৰ সামৰণি পৰা নাই।

ঠিক তেনেদৰে কামৰূপীয় ভাগৱতী ধৰ্ম সম্প্ৰদায়টো যে বঙ্গীয় বৈষ্ণৱ ধাৰাৰ অংশহে অৰ্থাৎ "ধৰ্মসূত্ৰে কামৰূপ বঙ্গৰ অধীন" এই তথ্যটো প্ৰমাণ কৰিবলৈ চেষ্টাৰ ত্ৰুটি হোৱা নাই আৰু সেই কামত ব্ৰতী হৈছে আধুনিক যুগৰ কিছু ব্যক্তিয়ে চৰিতকাৰৰ ৰূপ লৈ বিভিন্ন ভুৱা নাম লৈ, ঐতিহাসিক ভিত্তি নোহোৱা বহু তথ্য সম্বলিত পুৰণি ধাৰাৰ পুথি ৰচনা কৰি যাৰ ফলত অসমৰ বৈষ্ণৱ সমাজখনৰ ভেটি মাজে মাজে কঁপি উঠা দেখা যায়। এই বিষয়ে আমি পিছত বিতংভাৱে আলোচনা কৰিম। তাৰ আগেয়ে আমাৰ নিজৰ ঘৰৰে খবৰ লওঁচোন।

অসমৰ গুৰুসকলৰ চৰিতকাৰসকলৰ সীমাবদ্ধতাৰ কথা আগেয়ে উনুকিয়াই অহা হৈছে। সম্ভৱতঃ সেইবোৰ কাৰণতে মহাপুৰুষসকলৰ জন্ম মৃত্যু তিথিৰ, তাৰিখ, শক আদি জীৱন প্ৰবাহৰ কৰ্মৰাজি আৰু বিভিন্ন ঘটনাৰ পটভূমি আৰু কাল আদিৰ, ইখন চৰিতপুথিৰ লগত আনখন মিলাই চালে বহু অমিল পোৱা যায়। আধুনিক যুগৰ বৰেণ্য লক্ষ্মীনাথ বেজবৰুৱা, কালিৰাম মেধি, ড° বাণীকান্ত কাকতি, ড° বিৰিঞ্চিকুমাৰ বৰুৱা, ৰাজমোহন নাথ, ডিম্বেশ্বৰ নেওগ, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা আৰু শ্ৰীৰাপচন্দ্ৰ মহন্ত আদি গৱেষক পণ্ডিতমণ্ডলীয়ে বৈজ্ঞানিক দৃষ্টিভংগীৰে ঐতিহাসিক ভিত্তিত বিবদমান তথ্যবোৰৰ সৰ্বজনমান্য সূত্ৰ নিৰূপণ কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। কিন্তু এইটোও ঠিক যে কোনোবা পণ্ডিতে ঐকান্তিক আশাসুধীয়া প্ৰচেষ্টাৰে প্ৰকাশিত অপ্ৰকাশিত চৰিতপুথিবোৰ গোটাই আৰু সেইবোৰ মূল সাঁচিপতীয়া পুথিৰ লগত মিলাই গুৰুসকলৰ ৰচিত সকলো সাহিত্যৰাজি একত্ৰিত কৰি পূৰ্ণভাৱে বিষয়টোৰ ওপৰত গৱেষণা কৰি আলোকপাত নকৰালৈকে বাক্-বিতণ্ডাৰ ওৰ পৰাৰ সম্ভাৱনা কম।

শ্ৰীৰাপচন্দ্ৰ মহন্তদেৱে তেখেতৰ "ঐতিহাসিক পটভূমিত মহাপুৰুষ শংকৰদেৱ" নামৰ গ্ৰন্থত বিশেষকৈ দ্বিতীয় খণ্ডত কামৰূপী ভাগৱতী ধৰ্মসম্প্ৰদায়ৰ গুৰুসকলৰ জীৱনলীলা আলোচনা প্ৰসঙ্গত তেৰাসকলৰ কিছু চৰিতকাৰৰ বিষয়ে বিতংকৈ আৰু চৰিতকাৰসকলৰ জীৱনকাল, দৃষ্টিভঙ্গী, চৰিত ৰচনাৰ কাল আৰু সমল আদিৰ বিষয়ে আলোচনা কৰিছে। আমি এই আলোচনাত কামৰূপীয় ভাগৱতী ধৰ্মৰ শাখাটো যে কেৱল বঙ্গদেশৰে নহয় ভাৰতৰ আন প্ৰান্তৰ বৈষ্ণৱী ধাৰাৰ পৰাও স্বতন্ত্ৰ এটা প্ৰবাহ, সেই বিষয়হে দুই চাৰি তথ্য দাঙি ধৰিবলৈ চেষ্টা কৰিম। আমাৰ ধৰ্মীয় সম্প্ৰদায়টো আন সম্প্ৰদায়ৰ শাখা বা আশীৰ্বাদ পুষ্ট বুলি প্ৰমাণ কৰিবলৈ যিসকলে চৰিত লিখাৰ ছলেৰে প্ৰচেষ্টা চলাইছিল তাৰ কিছু উদাহৰণ

উল্লেখ কৰিলেই বোধকৰো বিষয়টো স্পষ্ট হ'ব।

কৃষ্ণাচাৰ্য্য নামৰ এজন ব্যক্তিয়ে ১৮৪৫ শকত 'সন্তচৰিত্ৰ' নামৰ এখন চৰিতপুথি ৰচনা কৰিছিল। এইজন লোক অসমৰে নে বাহিৰৰ পৰা অহা সেই বিষয়ে সঠিক কোৱাৰ সমল নাই। এওঁ মহাপুৰুষ শংকৰদেৱ আৰু দামোদৰদেৱক কিদৰে চৈতন্যদেৱৰ লগত মিলাইছে আমি পৰীক্ষা কৰি চাওঁহক। তেওঁ 'সন্তচৰিত্ৰ' বৰ্ণনা কৰিছে এনেদৰে,

মল্লদেৱ নৃপতিৰ গোমস্তা শংকৰ।
চণ্ডীবৰ বৰ নাতি পুত্ৰ কুসুম্বৰ।। ৯৮
ৰাজাৰ সেৱাত তান বিৰকত ভৈলা।
ৰামৰায় ভায়েকক ৰাজাক ভেটাইলা।।
ৰামৰাম গুৰুসমে মনে আলোচিল।
ভাৰ্য্যাপুত্ৰ এৰি দুয়ো মণিকূটে গৈল।।
হয়গ্ৰীৱ মাধৱক নাম প্ৰসঙ্গত।
'ৰত্ন পাঠকৰ মুখে শুনি ভাগৱত।।
কোনে ঐত এহি শাস্ত্ৰ প্ৰৱৰ্ত্তাইলা আনি।
এই প্ৰশ্ন কৰিলন্ত গোমস্তা ন-জানি।। ১০০
শঙ্কৰৰ বাণী শুনি বিপ্ৰ ৰত্নেশ্বৰে।
কহিবাক লৈলা কথা তান্ত ধীৰে ধীৰে।।
শুনিয়ো শঙ্কৰ কহো ইহাৰ কাহিনী।
ইতো শাস্ত্ৰ কৈলা মোক চৈতন্য মহামানী।। ১০১
বৰাহ কুণ্ডৰ উৰ্দ্ধ গোমাতা বলিয়া।
মহাভাগৱত মোক পড়াইলা আসিয়া।।
ওঁৰেশা পুৰিত তেহে মঠৰ ভিতৰে।
মৌনব্ৰত ধৰি তেহো আছে একেশ্বৰে।। ১০২
এতেক বচন শুনি কুসুম নন্দন।
চৈতন্যক দেখিবাক উল্লাসিত মন।।
ৰাম ৰাম গুৰুসমে তীৰ্থক্ষেত্ৰ ঘূৰি।
পাছে আহি প্ৰবেশিলা ওৰেষা নগৰী।। ১০৩
জগন্নাথ ঠাকুৰক কৰি নমস্কাৰ।
চলি গৈলা চৈতন্যৰ মঠৰ দুৱাৰ।।
দ্বাৰে বসিয়াছে গিয়া ব্ৰহ্ম হৰিদাস।
দেখি তাক প্ৰণামিয়া কান্দিলন্ত পাশ।। ১০৪

চৈতন্যক দেখিবাৰ উপায় পুছিলা।
শুনি ব্ৰহ্মাহৰিদাসে কহিতে লাগিলা।।
বোলন্ত উপায় শুণ কুসুম নন্দন।
কিছু বিত্ত ভাঙ্গি কৰা হৰিৰ কীৰ্ত্তন।। ১০৫
কীৰ্ত্তন বিলাইলা প্ৰভু কীৰ্ত্তনক ধাৰে।
কীৰ্ত্তন বিলাই লোকে তাহাক নপাৰে।।
এহি কথা শুনি পাছে কুসুম নন্দন।
ধাৰ ভাঙ্গি আৰম্ভিলা হৰিৰ কীৰ্ত্তন।। ১০৬
সেই কীৰ্ত্তনতে নৃত্য কৰি অলক্ষিতে।
চৈতন্য পশিল আসি মঠৰ গুহাতে।।
কণ্ঠভূষণৰ মুখে ভাগৱত শুনি।
পদগীত কৰিবাক দিছো আজ্ঞাবাণী।।
গজপতিৰাজকৃত সাতশত শ্লোক।
তায়ো ঘোষা কৰিবাক বলিছে তোমাক।
এহিঁ নিদৰ্শনি কৰে বুঝিবা শঙ্কৰ।
দাস্তিকত হৰিভক্তি অতি অগোচৰ।।
ৰাম বিপ্ৰ তুমি লভিয়াছ চাৰি নাম।
তাকে সাৰ কৰি জপি যাকা অবিশ্ৰাম।। ১২১
শতানন্দ বিপ্ৰ জিতো গুৰু কুসুমৰ।
তাহাৰ পুত্ৰৰ পুত্ৰ দেৱ দামোদৰ।।
সিদেশত দিবে তেহ নাম মন্ত্ৰদান।
কৃষ্ণ পৰিবহ তেহে পুৰাণে প্ৰমাণ।। ১২২
বত্তিশ শ্লোকৰ এহি শৰণ পটল।
প্ৰভুৰ মুখৰ আছে নিৰ্ণয় সৰল।।
এহি পুথি ৰাম তুমি তান হাতে দিবা।
ৰহস্য শাস্ত্ৰৰ তুমি সুজনে মিলিবা।। ১২৩
এহি আজ্ঞা কৰি দিলা দেৱ নামমালা।
ৰাম শঙ্কৰেয়ো পাছে আনন্দ লভিলা।।
প্ৰভুৰ মঠক দুই কৰি প্ৰদক্ষিণা।
দণ্ডবতে পড়ি পাছে কৰিলা বন্দনা।। ১২৪
গঙ্গাস্নান কৰি দুইয়ো কামৰূপ পশি।
অশেষ কহিলা দুই ৰাজাক হৰিষি।। ১২৫

চৈতন্যৰে আজ্ঞা মানি তাহান্ত কহিলা।
পাটবাউসি গ্ৰামে পাছে নিবাস কৰিলা।।
কণ্ঠভূষণক আনি প্ৰসঙ্গ পাতিলা।
ভাগৱত শুনি পদ কৰিতে লাগিলা।।
অনন্তৰে দামোদৰদেৱক আনিল।
শৰণ-পটল ৰামে তান হাতে দিল।।
মুখ মেলি পুথি চাই দেৱ দামোদৰ।
চৈতন্যক প্ৰণাম কৰিলা বাৰম্বাৰ।। ১২৭
দ্বিতীয় চৈতন্য যেন ভৈলা দামোদৰ।
ভুঞ্জাইলন্ত তেহে পাছে লোক নিৰন্তৰ।। ১২৯

আমি শ্ৰীমন্ত শঙ্কৰদেৱ আৰু দেৱ দামোদৰৰ চৰিত্ৰ বৃত্তান্তত তেওঁলোকৰ জীৱনী, কৰ্মৰাজি আৰু ধৰ্মপ্ৰচাৰ সম্বন্ধে কিছু আলোচনা কৰি আহিছোঁ। সেয়ে কৃষ্ণাচাৰ্য্যৰ অদ্ভুত লিখনিৰ সম্বন্ধে সমালোচনা কৰিবৰ কিবা প্ৰয়োজন আছে বুলি নাভাবো। এই বিষয়ে বঙ্গদেশৰ প্ৰাচ্য মহাবিদ্যাৰ্ণৱ আৰু চিন্তামণি সুধী পণ্ডিত নগেন্দ্ৰনাথ বসুৰ তেখেতৰ বহুমূলীয়া গ্ৰন্থ 'Social History of Kamrup' ত মন্তব্য বোধকৰো যথেষ্ট হ'ব। তেখেতে লিখিছে,

"It is superfluous to mention that all these are nothing but imagination by fantical brain of the modern poets." (2nd volume P. 141)

কৃষ্ণাচাৰ্য্যই দামোদৰদেৱ সম্বন্ধে আৰু এনেদৰে লিখিছে :

চোষট্টি মহন্ত শিষ্য কৈলো চৈতন্যৰ।
কামৰূপ দেশে এক ভৈল দামোদৰ।।
পুষ্পদন্ত নামে যিটো হৰিৰ কিঙ্কৰ।
দামোদৰ নামে তিহো ভৈলা অৱতাৰ।। ৯৭

চৈতন্যপন্থী খোলকীৰ্ত্তনীয়াসকলৰ সংকীৰ্ত্তন শুনি যি দামোদৰদেৱৰ জ্বৰ উঠিছিল তেওঁ হ'ল চৈতন্যদেৱৰ শিষ্য।

সন্তচৰিত্ৰৰ ৯৬-৯৬ পদত কৃষ্ণাচাৰ্য্যই লিখিছে যে চৈতন্যদেৱে বাদশাহৰ সম্মুখত তেওঁৰ চতুৰ্ভুজ মূৰ্ত্তি প্ৰদৰ্শন কৰি বেহাৰলৈ গৈছিল আৰু তাত তেওঁক সকলো শিক্ষিত জ্ঞানীসকলে পূজা কৰিছিল। তাৰ পিছত তেওঁ কামৰূপ বৰাহকুণ্ডৰ মণিকূটত কিছুদিন আছিল। তাতেই তেওঁ ৰত্ন পাঠকক শৰণমন্ত্ৰ দিছিল আৰু ভাগৱত শিকাইছিল। তাৰপিছত তেওঁ মাগুৰীগাঁৱৰ কণ্ঠভূষণ, কণ্ঠহাৰ, কন্দলি, কতেবিন্দ্ৰ আৰু কবিশেখৰকো নামমন্ত্ৰ দিছিল। মণিকূটত তেওঁ অহা উপলক্ষে আয়োজিত

মহোৎসৱত তেওঁ কীৰ্ত্তনৰ মহিমা প্ৰকাশ কৰে আৰু তাৰ পিছত উৰিষ্যালৈ গৈ মৌনব্ৰত লয়।

এইবোৰৰ বিষয়ে বসু মহোদয়ে মন্তব্য কৰি কৈছেঃ

"When Sankar Deva came to Navadwipa in the course of his pilgrimage, Chaitanya Deva was a mere boy. At that time he was not a Sannyasi. Hence, all of the ancient biographers say that Sankar Deva saw Sri Chaitanya but had no conversation with him. Hence it is proved that the account given by Krishnacharya is fabricated and deserves to be rejected." (The Social History of Kamrupa, 2nd volume p. 144)

[শংকৰদেৱ যেতিয়া তীৰ্থভ্ৰমণ সংক্ৰান্তত নৱদ্বীপলৈ আহিছিল চৈতন্যদেৱ তেতিয়া বালক মাত্ৰ। সেই সময়ত তেওঁ সন্ন্যাসী হোৱা নাই। সকলো প্ৰাচীন চৰিতকাৰে কৈছে যে, শংকৰদেৱে চৈতন্যক দেখিছিল, কিন্তু তেওঁৰ লগত কোনো কথা-বতৰা হোৱা নাছিল। সেয়ে এইটো প্ৰমাণিত হয় যে, কৃষ্ণাচাৰ্য্যৰ বিৱৰণবোৰ সাজি কোৱা মিছা কথা আৰু ই প্ৰত্যাখ্যানযোগ্য।]

কৃষ্ণাচাৰ্য্যৰ সন্তচৰিত্ৰৰ আৰ্হিৰ আৰু এখন চৰিতপুথি ১৯৬০ খৃষ্টাব্দত প্ৰকাশিত হৈছে আৰু তাত মহাপুৰুষ হৰিদেৱৰ জীৱন-বৃত্তান্ত বৰ্ণনা কৰা হৈছে। চৰিত্ৰকাৰজনৰ নাম বনগঞাগিৰি আৰু নিজকে শংকৰদেৱৰ ভাই বুলিও পৰিচয় দিছে। প্ৰকাশকসকলে পুথিখনৰ সাম্ভাব্য ৰচনা কাল আদিৰ বিষয়ে একো কোৱা নাই। পুথিখনৰ আদিতে লেখকে নাৰায়ণ, গণেশ আৰু 'সৰস্বতী'ক প্ৰণাম জনাই তাৰ পিছতেই শংকৰদেৱক হৰিদেৱৰ ওচৰলৈ লৈ গৈছে। ভাগৱত শুনিবলৈ শংকৰদেৱে হৰিদেৱৰ ওচৰলৈ যোৱাৰ কাৰণ হ'ল হৰিদেৱক চৈতন্যই ভাগৱত দান কৰি ধন্য কৰিছে আৰু শংকৰদেৱকো ভাগৱত-শুনাবলৈ আদেশ দিছে।

বৰ্ণনা এনে ধৰণৰঃ

"একদিনা প্ৰভুহৰি ব্যাস গুৰুদেৱ।
ভাগৱত ব্যাখ্যা কৰে হৰি মন্দিৰত।।
চতুৰ্দ্দিকে ভক্তগণে আছন্ত আৱৰি।
ভাগৱত ভক্তিৰস পিয়ে কৰ্ণভৰি।।
সেহি সময়ত আসি মিলিলা শঙ্কৰ।
মোৰ জ্যেষ্ঠ ভাই সিটো মহাজ্ঞানী বড়।। ২/৩ পৃষ্ঠা

তাৰ পিছত শংকৰদেৱৰ হতুৱাই হৰিদেৱক কোৱাইছে-

চৈতন্য মহন্তে তাল-পাত শাস্ত্ৰ

ভাগৱত মহাধন।
উপযুক্ত পাত্ৰ তোমাক বলিয়া
কৰিলা তোমাক দান।।
সেহি সময়ত মোক সুনাইবাক
আদেশ কৰে তোমাক।
সেহিসে কাৰণে নিমন্ত্ৰণ মই।
কৰিলো দেৱ তোমাক।। (৭ পৃষ্ঠা)

এই পুথিৰ ১৯৩-১৯৫ পৃষ্ঠাত বৰ্ণিত হৈছে যে শংকৰদেৱে ৰামৰাম গুৰুক লগত লৈ নৱদ্বীপলৈ গৈ তাত চৈতন্যদেৱক গুৰু ভজিবলৈ ব্যাকুল হৈ ঘূৰি ফুৰিছে। সেই সময়ত হৰিদেৱো গৈছে নৱদ্বীপলৈ ভাগৱত যজ্ঞৰ কাৰণে বামুণ বিচাৰি। বাটত দুয়োৰো ভেটা-ভেটি হৈছে। তেতিয়া শংকৰদেৱে চৈতন্যৰ ওচৰলৈ লৈ যাবলৈ হৰিদেৱক খাটনি ধৰিছেঃ

"শুনিয়া শঙ্কৰে কহে সুনিয়ো গোসাই।
চলা জাউ একসঙ্গে চৈতন্যৰ ঠাই।।
তান পাসে দীক্ষা নাম কৰিতে গ্ৰহণ।
ভৈলা আসিছিলো তীৰ্থ পৰ্জ্জতন।।" (১৯৪ পৃষ্ঠা)

আগেয়ে উল্লেখ কৰি অহা কৃষ্ণাচাৰ্য্যৰ পুথিমতে শংকৰদেৱ চৈতন্যৰ ওচৰলৈ যাওঁতে পুৰীত তেওঁ মৌনব্ৰত লৈ আছিল আৰু দুৱাৰত আছিল ব্ৰহ্মাহৰিদাস নামৰ এজন। এইখন পুথিৰ মতে শংকৰদেৱ আৰু হৰিদেৱে নৱদ্বীপত চৈতন্যৰ ওচৰলৈ যাওঁতেও তেওঁ ব্ৰতধাৰী আৰু দুৱাৰত সেই একে ব্ৰহ্মাহৰিদাস [চৈতন্যদেৱৰ বহু শিষ্যৰ ভিতৰত এজন মুছলমান শিষ্যৰ তেওঁ নাম থৈছিল হৰিদাস। এইজন সেই হৰিদাস নেকি বুজা নাযায়।]

"ব্ৰহ্মাহৰিদাস দ্বাৰী দাৰোত আচন্ত।
তান পাষে চৈতন্যক জানিবা দিলন্ত।।
কামৰূপে থাকু আমি কায়স্থ একজন।
তিনিজন, ব্ৰাহ্মণ বলিবা পাশে তান।।"
তেতিয়া চৈতন্যৰ উক্তি এনে ধৰণৰ ঃ
"সুনিয়া চৈতন্য কহে শুনা হৰিদাস।
সুদ্ৰ এৰি ব্ৰাহ্মণ আনিও মমপাষ।।"

চৈতন্যই শূদ্ৰ শংকৰক তেওঁৰ লগত দেখা কৰাৰ যোগ্য বুলি নাভাবিলে। তেওঁ হৰিদেৱক একাদশ স্কন্ধ ভাগৱত দিলে আৰু ৰামৰাম গুৰুৰ হাতত শংকৰলৈ দীক্ষামন্ত্ৰ লিখি দিলে অৰ্থাৎ দূৰৰ পৰাই শংকৰক শৰণ কৰাই গুৰুগিৰীৰ কৰ্তব্য সম্পাদন per-

কৰিলে।

"একাদশ স্কন্ধ তালপাট ভাগৱত।
তুমিযে ইহাৰ পাত্ৰ লোৱা জ্যেষ্ঠ ভ্ৰাত।।
কি দিয়া কৰিবো মই সন্তোষ তোমাক।
তুস্ত হয়া যায়া কিন্তু নাহে মুখে বাক।।
শংকৰক শুনাইবাহা মূল ভাগৱত।
দীক্ষানাম দিলো লিখি ৰামৰামৰ হাতত।।
পঞ্চে নাচাইবাহা দিবা শংকৰৰ হাতে।
কৰিলো বিদায় কিন্তু আচো মই ব্ৰতে।।

উপৰোক্ত চৰিত দুখনৰ কথা ঐতিহাসিক ভিত্তি বিচাৰ কৰিলে স্বাভাৱিকতে প্ৰশ্ন উঠিব : (১) মহাপুৰুষ শংকৰদেৱ আৰু হৰিদেৱ দুয়ো একেলগে বা একে সময়তে কেতিয়াবা নৱদ্বীপলৈ গৈছিল নেকি ?

(২) গুৰুদুজনা যদি নৱদ্বীপলৈ গৈছিল, তেন্তে কেতিয়া আৰু কোন সময়ত আৰু চৈতন্যৰ তেতিয়া কি অৱস্থা আছিল।

(৩) পুৰীত চৈতন্যদেৱ কিমানদিন আছিল আৰু ধৰ্মীয় দিশত তেওঁৰ অৰিহণা কি ধৰণৰ আছিল।

কনগএগাগিৰি নামধাৰী চৰিতকাৰজনৰ মতে হৰিদেৱৰ জন্ম হৈছিল ১৩৪৮ শকত আৰু বঙ্গদেশৰ সকলো চৰিতকাৰৰ মতে চৈতন্যদেৱৰ জন্ম শক হ'ল ১৪০৭, অৰ্থাৎ তেওঁ হৰিদেৱতকৈ উনষাঠী বছৰৰ সৰু। শংকৰদেৱৰ জন্ম ১৩৭১ শকত। চৈতন্য তেওঁতকৈয়ো ছয়ত্ৰিশ বছৰৰ সৰু। সেয়ে এইটো প্ৰমাণ হয় যে শংকৰদেৱৰ প্ৰথম তীৰ্থভ্ৰমণৰ সময়ত তেওঁ যদি নৱদ্বীপলৈ গৈয়ো থাকে আৰু হৰিদেৱে মানেৰিত ভাগৱত-যজ্ঞৰ কাৰণে যদি বামুণ বিচাৰি গৈছিলও তেতিয়া চৈতন্য নাবালক বা জন্মাই নাই। শংকৰদেৱৰ প্ৰথম তীৰ্থ ভ্ৰমণ ৩২ বছৰ বয়সত।

চৈতন্যদেৱৰ মৃত্যু হৈছিল মাত্ৰ ৪৮ বছৰ বয়সত অৰ্থাৎ ১৪৫৫ শকত। তেওঁ তেইশ বছৰ বয়সত অৰ্থাৎ ১৪৩০ শকত সন্ন্যাসী হৈ নৱদ্বীপ ত্যাগ কৰিছিল। পুৰীত থকা সময়খিনিৰ ৪/৫ বছৰ তেওঁ তীৰ্থ ভ্ৰমণ কৰি কটাই প্ৰায় ওঠৰ বছৰ কাল তাত আছিল। গতিকে শংকৰদেৱে দ্বিতীয়বাৰ তীৰ্থভ্ৰমণৰ সময়তো তেওঁ জীৱিত নাছিল। শংকৰদেৱে দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণলৈ গৈছিল ৯৭ বছৰ বয়সত অৰ্থাৎ ১৪৬৮ শকত। তদুপৰি পুৰীত থকা সময়খিনি চৈতন্যদেৱৰ কৰ্মৰাজি সম্বন্ধে আমি বঙ্গদেশৰ প্ৰখ্যাত গৱেষক পণ্ডিত সুশীল কুমাৰ দে'ৰ লিখনিত এনেদৰে পাওঁ -

"There is indeed a great deal of religious appeal in Chaitanya's devotional

sonality, in his passionate and sincere adoration ; but it must be said that the excess of mystic emotionalism and the ardent pursuit of a sublime erotic fancy, which left him almost a nerveous wreck in his later years, do not bear witness to great service. Nor could they have been a great ethical force, in as much as his practice of the devotional faith, as it is recorded, was essentially an individual, and not a social, experience."

পণ্ডিত দে আৰু লিখিছে ঃ

"All this may be the consummation of the spiritual aspiration of the faith, but from the ethical point of view, Chaitanya's life of 'Divine madness' at Puri is singularly empty."

(EARLY HISTORY OF THE VAISNAVA FAITH AND MOVEMENT IN BENGAL. p. 552 & 553)

[সঁচাকৈয়ে চৈতন্যৰ ভক্তিবাদী ব্যক্তিত্বত আৰু তেওঁৰ প্ৰবল আৰু আন্তৰিক ভক্তিত যথেষ্ট ধৰ্মীয় আবেদন আছিল, কিন্তু এইটোও ক'ব লাগিব যে, তেওঁৰ ৰহস্যপূৰ্ণ আৰু আবেগিক ভাবৰ প্ৰাবল্য আৰু মহান যৌনগন্ধী প্ৰেম-বিষয়ক কল্পনাৰ অহৰহ উত্তেজনাপূৰ্ণ কৰ্মৰাজিৰ প্ৰভাৱত শেষৰ বছৰকিটা তেওঁ মানসিকভাৱে বিকাৰগ্ৰস্ত হৈছিল, যিয়ে কোনো মহান কৰ্মৰ সাক্ষ্য বহন নকৰে। ই কোনো নৈতিক শক্তিৰ আধাৰো নহয় কিয়নো তেওঁৰ সম্বন্ধে যিবোৰ কথা লিপিবদ্ধ হৈছে তাৰ পৰা যিহেতু বুজা যায় যে, তেওঁৰ ধৰ্মীয় বিশ্বাসৰ কৰ্মবোৰ প্ৰকৃততে সামাজিক অভিজ্ঞতাবিহীন ব্যক্তিগত বিশ্বাসহে।]

[এইবোৰ হয়তো বিশ্বাসৰ আধ্যাত্মিক প্ৰেৰণাৰ শেষ কথা আছিল, কিন্তু নৈতিক দৃষ্টিকোণৰ পৰা চৈতন্যৰ পুৰীৰ জীৱনৰ স্বৰ্গীয় উন্মাদনা অন্তঃসাৰশূন্য।]

মহাপুৰুষ শংকৰদেৱ আৰু হৰিদেৱৰ আন আন চৰিত পুথিবোৰত তেওঁলোক দুয়ো একে সময়তে নবদ্বীপলৈ যোৱা কথাৰ উল্লেখ নাই। কিন্তু এইখন পুথিৰ মতে নাবালক চৈতন্যই একেলগে দুকুৰি বছৰীয়া শংকৰদেৱৰ শৰণ দি কৃতাৰ্থ কৰিলে আৰু ভাগৱতাচাৰ্য্য বৃদ্ধ হৰিদেৱকো কৃপা কৰি কৰি ভাগৱত শাস্ত্ৰ দান কৰি কামৰূপীয় ব্ৰাহ্মণক চক্ষুদান দিলে। শংকৰদেৱে বৃদ্ধ বয়সত পাটবাউসীলৈ অহাৰ আগেয়ে হৰিদেৱৰ লগত সাক্ষাৎ হোৱাৰ কোনো প্ৰমাণ নাই।

এইজন চৰিতকাৰে শংকৰদেৱৰ অপঘাত মৃত্যুও ঘটাইছে ঃ

"বহুবৰ্ষান্তৰে পাচে সঙ্কৰ মহন্ত।
জলে মগ্ন হুয়া স্বৰ্গে চলিয়া গৈলন্ত।।" ২১১ পৃষ্ঠা

এইখিনি আলোচনাৰপৰা এইটো স্পষ্টকৈ ওলাই নপৰে নে যে, নৱযুগৰ কোনোবা বেনামী স্বাৰ্থান্বেষী লেখক যাৰ একমাত্ৰ উদ্দেশ্য হ'ল কামৰূপীয় ভাগৱতী ধৰ্ম-সম্প্ৰদায়ৰ তিনিওজন বিশিষ্ট নায়ক শংকৰদেৱ, দামোদৰদেৱ আৰু হৰিদেৱক পাকে-প্ৰকাৰে চৈতন্যৰ শিষ্য বুলি প্ৰমাণ কৰা বা চৈতন্যৰ ওচৰত ঋণী কৰি দেখুওৱা ?

সেই উদ্দেশ্যৰ কাৰণে শংকৰদেৱ আৰু দামোদৰদেৱক চৈতন্যৰদ্বাৰা শৰণ দিয়ালে আৰু বনগএগাগিৰি নামধাৰীয়ে ভাগৱত পাঠৰ কাৰণে কামৰূপত উপযুক্ত ব্ৰাহ্মণ নাই বুলি প্ৰমাণ কৰিবলৈ হৰিদেৱক বাৰে বাৰে বামুণ বিচাৰি নৱদ্বীপলৈ নি চৈতন্যৰদ্বাৰা ভাগৱত দান কৰালে, অৰ্থাৎ হৰিদেৱে যেন ভাগৱত পুৰাণ দেখাই নাছিল; অথচ সেই সময়ত চৈতন্য কি আছিল সেই কথা বিচাৰৰ ভাৰসাম্যও হেৰুৱাই পেলালে।

কোচবেহাৰত দামোদৰদেৱৰ সত্ৰত অৰ্থাৎ বৈকুণ্ঠপুৰত বনগএগাগিৰিৰ নাতি কেশৱচৰণে কিছুদিন থাকি ভাগৱতৰ নৱম স্কন্ধৰ অসমীয়া পদ ভাঙনি কৰিছিল। চৈতন্যদেৱৰ পৰলোকৰ পিছত গৌড়ীয় ধৰ্ম-পৰম্পৰাত অধঃপতন আৰু নৈতিক অবক্ষয়ৰ সূচনাঁ হৈছিল। সেয়ে বহু চৈতন্যপন্থী ইফালে সিফালে অনাই বনাই ফুৰিবলগীয়া হৈছিল। এনেকুৱা কিছু ভকতে বৈকুণ্ঠপুৰ সত্ৰতো আশ্ৰয় লৈছিল। এওঁলোকে খুব সম্ভৱতঃ কেশৱচৰণৰ পৰা বনগএগাগিৰি সম্বন্ধে, বিশেষকৈ তেওঁ কুসুম্বৰৰ পুত্ৰ হৈয়ো যে ভক্তি-ধৰ্মৰ প্ৰতি বিশেষভাৱে আকৃষ্ট নহ'ল সেইবোৰ তথ্য অৱগত হৈছিল।শংকৰ-বিদ্বেষী কামৰূপীয় লোকৰ অভাৱ নাছিল। এওঁলোকে মিলি পুথি ৰচনা কৰিলে আৰু বনগএগাগিৰি নামত প্ৰচাৰ কৰিলে অৰ্থাৎ ভ্ৰাতৃৰ হতুৱাই ভ্ৰাতৃৰ শ্ৰাদ্ধৰ ব্যৱস্থা কৰিলে। এইখন পুথিৰ বহু তথ্য যেনে হৰিগুৰুৰ বংশ-পৰম্পৰা জন্ম শক আদি আন কোনো চৰিতৰ লগত নিমিলে। নাৰায়ণপুৰৰ পৰা কলৰ ভেলেৰে উত্তাল সমুদ্ৰৰ বুকুৰে পুৰীলৈ যোৱা, অশ্বক্ৰান্তৰ জনাৰ্দন মন্দিৰৰ দুৱাৰ হৰিদেৱৰ প্ৰৱেশৰ লগে লগে বন্ধ হোৱা, ছদ্মবেশী সন্ন্যাসীয়ে তেওঁক দীক্ষা দিয়া, স্বয়ং ভগৱানে ভেলত উঠি তেওঁক পুৰীলৈ নিয়া আদি অলৌকিক কাহিনী গুৰুজনৰ আন চৰিতত নাই। আন কোনো চৰিত পুথিয়ে এই কথাও সমৰ্থন নকৰে যে, মহাপুৰুষ শংকৰদেৱৰ ভ্ৰাতৃৰ হৰিগুৰুৰ লগত কেতিয়াবা কিবা সম্পৰ্ক আছিল।

বনগএগাগিৰিৰ উত্তৰ-পুৰুষ পাটবাউসী, ৰতনপুৰ আৰু নগাঁও জিলাৰ ধিং অঞ্চলত আছে। শংকৰদেৱে বৰপেটাৰ চুণপোৰাৰ পৰা গৈ কুমাৰকুছিত যি সত্ৰ প্ৰতিষ্ঠা কৰিছিল সেই সত্ৰৰ অধিকাৰী বনগএগাগিৰিৰ বংশধৰ। এওঁলোকৰ এটা ঠাল বামুন্দিত সত্ৰ পাতি আছিল। ১৮৯৭ চনৰ প্ৰবল ভূমিকম্পত বামুন্দিসত্ৰ ধ্বংস হোৱাত এওঁলোকে গৈ বজালী অঞ্চলৰ ৰতনপুৰত সত্ৰ পাতে। এওঁলোকৰ হৰিদেৱী

সম্প্ৰদায়ৰ লগত কোনো সম্পৰ্ক কেতিয়াও নাছিল আৰু এতিয়াও নাই।

নীলকণ্ঠ দাস বিৰচিত "শ্ৰীশ্ৰীদামোদৰ চৰিত্ৰ"তো শংকৰদেৱ আৰু দামোদৰদেৱক চৈতন্যদেৱৰ শিষ্য সজোৱাৰ প্ৰচেষ্টা প্ৰকট। অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত আৰু শৰৎচন্দ্ৰ গোস্বামীদেৱৰ দ্বাৰা সম্পাদিত চৰিত পুথি মতে শংকৰদেৱে পুৰীত চৈতন্যক লগ পাইছিল আৰু তেওঁৰ পৰা নামমালা গ্ৰহণ কৰিছিল, অৰ্থাৎ শিষ্যত্ব লৈছিল। কোনোবা এজন ৰামানন্দৰ হতুৱাই দামোদৰদেৱৰ কাৰণেও চৈতন্যদেৱে দিয়া জাপ্যৰ তুলসীমালা আৰু সালগ্ৰাম আদি লৈ আহিছিল। বৰ্ণনা এনে ধৰণৰ ঃ

ক'তো বেলি দুইকো দুই চাহি ৰহিলন্ত।
চৈতন্যক মাতিয়া শংকৰে বুলিলন্ত।।
দিয়া নামমালাক সমস্তে তযু ঠাই।
আমাৰো তোমাত বিনে আন কেহো নাই।।
শুনিয়া চৈতন্যদেৱ তেখনে উঠিলা।
শংকৰ আলিংগিয়া অভ্যন্তৰে গৈলা।।
অভ্যন্তৰে দুয়োজনে সবে কথা ভৈলা।
নামমালা লৈয়া দুনাই ভক্তমেলে গৈলা।। ২৮২
সবাকো দেখাইলা জপিবাৰ মালা এই।
চৈতন্যৰ নামমালা আমাসাৰো সেই।।
কিছু ভিন্ন নাই জানা একে নাম ধৰ্ম্ম।
নকৰা সংশয় বুজি লোৱা নাম ধৰ্ম্ম।। ২৮৩
ভক্তসমে সম্ভাষিয়া শংকৰ আছন্ত।
অভ্যন্তৰে চৈতন্য পত্ৰক দেখিলন্ত।।
শৰণ ভজন ভক্তি চাৰি গুটি নাম।
চাৰি পত্ৰ লেখিলা চৈতন্য আত্মাৰাম।। ২৮৪
শীলশিক্ষা সমস্তে পত্ৰত লেখিলন্ত।
লেখাৰ মোহৰ দিয়া গুপ্ত কৰিলন্ত।।
জপ্যৰ তুলসী মালা মেৰু সমে দিলা।
শালগ্ৰাম সমে পাছে গুপ্ত কৰি দিলা।। ২৮৫
চৈতন্য বোলন্ত ৰামানন্দ তুমি লোৱা।
দ্বিজ দামোদৰৰ হাতত তুমি দিবা।।

কিন্তু আমি শুনামতে নীলকণ্ঠৰ চৰিত পুথিখন ছপা হোৱাৰ লগে লগে ইয়াৰ ঘটনা প্ৰক্ষিপ্ত বুলি বহু বাদানুবাদতো সৃষ্টি হয়েই, আনকি আদালতত মোকৰ্দমা আদিও

চলে। পিছত সাহিত্য সভাই উপায় নাপাই এই পুথিৰ প্ৰকাশেই বন্ধ কৰি দিয়ে। দামোদৰদেৱৰ অন্যতম প্ৰশিষ্য পাটবাউসী সত্ৰৰ প্ৰথম পাঠক শ্ৰীহাৰদাসৰ বংশধৰ স্বৰ্গীয় খগেন্দ্ৰনাথ পাঠক আৰু স্বৰ্গীয় ভূমিধৰ দাসৰদ্বাৰা প্ৰকাশিত ৰাম ৰাম দাসৰ গুৰুলীলাৰ (সন্তযশামৃত) পাতনিত দাসে এনেদৰে লিখিছে ঃ "পাটবাউসী সত্ৰত পোৱা পুৰণি সাঁচিপতীয়া পুথিত আমি পঢ়িছো, নীলকণ্ঠই লিখিছে ঃ

শঙ্কৰৰ শুদ্ধমত আমি আছো ধৰি।
শঙ্কৰেষে বন্ধু মোৰ জানা নিষ্ট কৰি।। ৩৬০

কিন্তু শৰত চন্দ্ৰ গোস্বামী সম্পাদিত চৰিত পুথিত ছপাইছে এনেদৰে ঃ

চৈতন্যৰ শুদ্ধমত আমি আছো ধৰি।
চৈতন্যহে বন্ধু মোৰ জানা নিষ্ট কৰি।। ৩৮৫

আৰু এটা এনে উদাহৰণ দাঙি ধৰিলো, সাঁচিপাতত আছে-

নিজভাই ৰামৰায় তাঙ্ক মোক দিলা।
আনোলোক ভজাইবাক আদেশ কৰিলা।।
শঙ্কৰ ঈশ্বৰ তান পত্নীও ঈশ্বৰী।
তাহান শৰণ কৈত জানা নিষ্ট কৰি।। ৩৬২
ছপা পুথিত সেয়া হ'লগৈ এনেকুৱা,
দয়ালু শংকৰ তান কি কহিবো লীলা।
নিজভাতৃ ৰামৰায় ত'ঙ্ক মোক দিলা।।
শংকৰ মহেশ তানপত্নী মহেশ্বৰী।
তাহাংক শৰণ কৈলো জানা নিষ্ট কৰি।।" ৩৮৬

এতিয়া ৰামৰায়ৰ গুৰুলীলাৰ বিষয় অলপ আলোচনা কৰোঁহক। গুৰুলীলাৰ চৰিতকাৰ ৰামৰায়ে দিয়া নাম আছিল "সন্তযশামৃত"। গুৰুলীলাৰ প্ৰথম প্ৰকাশক স্বৰ্গীয় গঙ্গাৰাম বৰুৱা বুলি জনা যায়। তাৰপিছত সেই একেখনিকেই প্ৰকাশ কৰিছিল স্বৰ্গীয় মহেন্দ্ৰমোহন চৌধুৰীদেৱে আৰু ১৯০৪ শকত খগেন্দ্ৰনাথ পাঠকদেৱে। ১৯৮৫ খৃষ্টাব্দত সেই পুথিকেই ভূমিধৰ দাস আৰু খগেন্দ্ৰনাথ পাঠকে যুটীয়াভাৱে সম্পাদনা কৰি প্ৰকাশ কৰে পাটবাউসী সত্ৰৰ তুলাপতীয়া গুৰুলীলা আৰু মঙ্গলদৈ অঞ্চলৰ হৰিপুৰসত্ৰৰ পুথিৰ আলমত।

আগৰ গুৰুলীলাৰ পৰা জনা গৈছিল যে চৰিতকাৰৰ নাম ৰামৰায় দ্বিজ, কিন্তু নতুন পুথিখনে প্ৰমাণ কৰিলে যে, ৰামৰায়ৰ প্ৰকৃত উপাধি দাসহে আছিল। তেওঁ দৰঙীৰজা চন্দ্ৰনাৰায়ণৰ দিনৰ লোক আছিল আৰু লোচসত্ৰৰ প্ৰতিষ্ঠাপক দামোদৰদেৱৰ শিষ্য অৰ্জুনদেৱৰ আজ্ঞা শিৰে ধৰি গুৰুলীলা ৰচনা কৰিছিল।

সন্তযশাকৃত্তিত্ৰ অতি গহন, নামে দামোদৰ
অৰ্জুনদেবৰ কৃপা লক্ষ্য কৰি
কৰিলো পদ ৰচন।।
ৰামৰায় দাস সন্তত বিশ্বাস
হৌক বোলা হৰি হৰি।।" ৭১২.

এইখিনিতে এইটো উল্লেখযোগ্য যে দাস উপাধিটো কোনো জাতিসূচক নহয়। সেয়ে প্ৰায় সকলো জাতিৰ লোকে দাস উপাধি ব্যৱহাৰ কৰে। অসমত ব্ৰাহ্মণ আৰু কায়স্থসকলৰ দাস উপাধি ব্যৱহাৰ এতিয়ালৈ পোৱা নাই; কিন্তু বঙ্গদেশত দাস উপাধিৰ কায়স্থ এটা ঠাল আছে। ভাৰতবৰ্ষৰ আগশাৰীৰ স্বাধীনতা সংগ্ৰামী আৰু এসময়ত বঙ্গদেশৰ অদ্বিতীয় নেতা চিত্তৰঞ্জন দাস এই ঠালৰ লোক আছিল। উৰিষ্যাত বহু ব্ৰাহ্মণেও দাস উপাধি লিখে। ৰামৰায় দাসে "ক ফলাৰ অৰ্থ বিচাৰি নাপাওঁ, মহামূৰ্খ অন্ত্যজাতি" বুলি কোৱাৰ উপৰিও, 'শূদ্ৰতো অধম' বুলিও পৰিচয় দিছে।

গুৰুলীলাৰ এই নতুন সংস্কৰণৰ প্ৰকাশকে পাতনিতে লিখিছে,

"পিছে ইচ্ছা নোহোৱা সত্বেও ন্যস্ত স্বাৰ্থীক কটু সমালোচনা কৰিব লগা হ'ল সেইবাবেহে দুখ পোৱা গৈছে। কাৰণ কেঁচু খান্দোতে সাপ ওলাব বুলি আমি ভবা নাছিলো। আমি ভাবিছিলো দুই-চাৰি ঠাইত শব্দ বা বানান বিভ্ৰাটহে হ'ব। কিন্তু ধৰ্মৰ ক্ষেত্ৰতো যে চোৰাং কাৰবাৰে ইমান দকৈ শিপাব পাৰে, সেই অভিজ্ঞতা বা ধাৰণা আমাৰ নাছিল। শংকৰ-মাধৱদেৱে লিখিতভাৱে আদৰ্শ-তত্ত্ব লিখি থৈ নোযোৱাহেঁতেন, আৰু গুণমুগ্ধ ভকতে প্ৰায়খিনিকেই কণ্ঠস্থ কৰি নৰখা হ'লে এতিয়ালৈ কিজানি একশৰণ নামধৰ্ম শব্দটোও হেৰাই গ'লহেঁতেন। ছপা চৰিত পুথিখনিত পদৰ বিভ্ৰাট ইমান বেছি যে ভাবিলে স্তম্ভিত হ'ব লাগে। এয়া আচলতে দুৰ্ভাগ্যৰে কথা। প্ৰায় প্ৰতিটো পদতেই কিবা নহয় কিবা বিভ্ৰাট ওলাইছেই। অকল শব্দ বিভ্ৰাট হ'লেই কথা নাছিল, অসংখ্য পদ, বাক্যকেই নানা ষড়যন্ত্ৰমূলকভাৱে ওলট-পালট কৰা হৈছে। ক'ৰবাত হয়তো পৃষ্ঠাকে পৃষ্ঠা পদ একেবাৰে বেলেগ, সাঁচিপাতত সেইবোৰ নায়েই। হয়তো ক'ৰবাৰ পৰা 'আৰ ছিগাচুলি, তাৰ ছিগাচুলি আনি নেঘেৰী খোপা বন্ধাদি বান্ধিছে, নহয়তো নিজেই ৰামৰায় কবি হৈ দুই-চাৰি কিবা লিখি সোমাই দিছে। উদাহৰণ হিচাপে ছপা পুথিৰ পদ নম্বৰ ৩১ ৰ পৰা ২৯৮ পদলৈ সম্পূৰ্ণ ২৬৮ টা পদ প্ৰথমাৰ্দ্ধতেই প্ৰক্ষিপ্তকৈ সোমাইছে। শ্ৰীপাঠকে কোৱা মতে এইখিনি কোনোবা কৃষ্ণ মিশ্ৰ নামৰ চৰিত লেখকৰ। তুলাপতীয়া আৰু হৰিপুৰৰ

পুথিত সেই ঠাইত মাত্ৰ ৪৯ টাহে পদ আছিল। কিন্তু সেইকেইটা ছপা পুথিত নাই। নোহোৱাৰ কাৰণ আছে, ৰহস্যও আছে। উদ্দেশ্য প্ৰণোদিতভাৱে ৪৯ টা পদ কাটি কৰি থৈ কোনোবা মিশ্ৰৰ পদ আনি থোৱাৰ তত্ত্ব-ৰহস্য আমি ধাৰণা কৰাত শংকৰ-দামোদৰক বিভেদ কৰা। সেই ৪৯ টা পদত বিশেষকৈ একশৰণ নাম-ধৰ্ম প্ৰবৰ্ত্তক শংকৰদেৱৰ গুণ-চৰিত্ৰ বৰ্ণনাৰ উপৰিও তেৰাৰ ওচৰলৈ দামোদৰদেৱে আহি ধৰ্ম ধৰা আদি সত্য কথা আছে। গতিকে সেইখিনি বাদ দি কৃষ্ণ মিশ্ৰৰ এনে কিছু পদ সোমোৱালে য'ত দামোদৰদেৱক শংকৰদেৱৰ সলনি সন্ন্যাসীবেশী নাৰদৰ ওচৰত দীক্ষা লোৱাতো দেখুওৱা হ'ল। অৰ্থাৎ ন্যস্তস্বাৰ্থ পূৰণ কৰা হ'ল।

তুলাপতীয়া আৰু হৰিপুৰৰ সত্ৰৰ পুথিত নাৰদৰ ওচৰত দীক্ষা লোৱাৰ কাহিনী নাই। তাৰ সলনি আহোম ৰজাৰ ভূঞাধৰা আন্দোলনৰ পাছত শংকৰদেৱক বিচাৰি দামোদৰদেৱেও আহি পাটবাউসীত (সেই সময়ত বৰপেটা গ্ৰাম) উপস্থিত হ'ল। দামোদৰদেৱক দেখিয়েই মহা যোগ্যবন্ত বুলি চিনি পাই শংকৰদেৱে দামোদৰদেৱক কামৰূপত ধৰ্মৰ আচাৰ্য্য পাতি লোকক শৰণ দি শ্ৰৱণ-কীৰ্ত্তনৰূপ ভক্তি-ধৰ্ম বিলাবলৈ দায়িত্ব দিয়া কঁথা আছে,

কামৰূপে এহে হৈবন্ত আচাৰ্য্য
মনে সাৰ কৰিলন্ত। (৪৯)

ন্যস্তস্বাৰ্থীৰ লগনীয়া কথাৰ বাবে শংকৰদেৱে বেহাৰলৈ যাব লগা হোৱাত আন আন ভকতক মাতি উপদেশ-পৰামৰ্শ দিয়াৰ লগতে দামোদৰদেৱকো বিশেষভাৱে উপদেশ দিছে ঃ

সেহিমতে দামোদৰদেৱকো আশ্বাস কৰিয়া বোলে শংকৰে।
শুনিয়োক বাপ ভকতিধৰ্ম্মক প্ৰৱৰ্ত্তাইবা নিৰন্তৰে।।
প্ৰসঙ্গ পূৰ্ব্বকে ভকতি কৰিবা দিবা লোক উপদেশ।
তোমাৰ প্ৰসাদে ই ৰাজ্যৰ লোক তৰোক সংসাৰ ক্লেশ।।৩৫
ভাগৱত পাঠ শ্ৰৱণ-কীৰ্ত্তন নিৰ্গুণ ৰূপ প্ৰসঙ্গ।
তিনি প্ৰসঙ্গৰ প্ৰৱৰ্ত্তাইবা তুমি অন্যে অন্যে কৰি সঙ্গ।। ৫৩

দামোদৰদেৱৰ চৰিতকাৰে শংকৰদেৱৰ মহিমা বৰ্ণাই কৈছে ঃ

"হেন শংকৰৰ চৰণ পদ্মত কৰোহো নিতে প্ৰণাম।
হেনয় কৃপালু শংকৰৰ মত নামানিব কোন লোক।।"
গুৰুলীলা (সন্তযশামৃত) (প্ৰথম খণ্ড)
(পাতনি পৃষ্ঠা ৩ৰ পৰা ৫লৈ)

এই পুথিৰ প্ৰকাশকে আৰু মন্তব্য দিছে এনেদৰে-

"উদাহৰণ স্বৰূপে ছপা পুথিৰ পদ নং ৬৪৯-৫৭, ৭১৬-১৮, ৭৭৬, ৭৯৭-৮০০, ৮০৬-১৩, ১০২৫-২৬, ১১০৫-৭ আদি পদ তুলাপতীয়া পুথিত পাবলৈ নাই।

ছপাপুথিত এইবোৰ ক'ৰবাৰ পৰা আনি উদ্দেশ্যমূলকভাৱে সোমাই দিছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল ছপাপুথিৰ পদ নম্বৰ ১১০৭ বা তুলাপতীয়া পুথিৰ ৮৬৬ পদতেই চৰিতখন শেষ হোৱা নাই। পাতনিত আন ক'তো এই কথাৰ উল্লেখ নাই। অথচ তাৰ পাছতো চৰিতখনত প্ৰায় ডেৰশ পদ নছপোৱাকৈ থাকি গ'ল। এই হিচাপে গুৰুলীলাখন আচলতে আধৰুৱা চৰিতহে।"

পাতনি পৃষ্ঠা ৮

তুলাপতীয়া পুথিৰ পৰা ছপাপুথিলৈ ৰূপান্তৰিত কৰোঁতে প্ৰক্ষিপ্ত কৰা ঘটনা সম্পৰ্কে স্বৰ্গীয় হৰিনাৰায়ণ দত্তবৰুৱাদেৱে তেখেতৰদ্বাৰা সম্পাদিত শ্ৰীমদ্ভাগৱত গ্ৰন্থৰ মুখবন্ধত এনেদৰে লিখিছিল,

"প্ৰায় ডেৰশ বছৰ পুৰণি ঘোষাৰত্ন এখন হঠাৎ আমাৰ হাতত পৰাত হেমচন্দ্ৰ গোস্বামীৰ সম্পাদিত (১৮৩৬ শক) আৰু অধ্যাপক উমাকান্ত গোস্বামী এম-এ-বি-এলৰ সম্পাদিত (১৮৫১শক) ছপাপুথি দুখনৰ লগত মিলাই চোৱাত অমিল পাওঁ। তলত ইয়াৰ উদাহৰণ দুটা দিয়া হ'ল,

৩য় ঘোষা (সাঁচিপতীয়া লগত মিলে)

শ্ৰীমন্ত শঙ্কৰ শুভাশয় যাৰ যশৰাশি প্ৰকাশয়

ভাগৱতক্ষীৰ সাগৰত গৈলা তল।

ছপা দুয়োখন পুথিত আছে,

শ্ৰীমন্ত শঙ্কৰ শুভাশয় দামোদৰ যশ প্ৰকাশয়

তলৰ চৰণ সাঁচিপতীয়া পুথিৰ লগত মিলে।

সেইদৰে ৪ৰ্থ ঘোষাৰ ২য় চৰণত ৰাম ৰাম গুৰুৰ কথা লিখোতে "নাৰদৰ সম ভৈল"ৰ ঠাইত "পৰম সন্তোষ ভৈলা" হৈছে। ৫ম ঘোষা (সাঁচিপতীয়া)

শ্ৰীমন্ত মাধৱ নাম ধৰি বিষয় সুখক পৰিহৰি

কৃষ্ণ যশ ৰস কৰিলা যিটো বিস্তৰে।

শঙ্কৰৰ মত অনুসৰি মুখে গোবিন্দৰ নাম ধৰি

সন্ত হৰিনাম বখানিলা সাৰেসাৰ।।

দুয়োজনা গোস্বামীদেৱৰ সম্পাদিত দুয়োখন ছপাপুথিৰ ৩য় চৰণৰ "শঙ্কৰৰ মত অনুসৰি"ৰ ঠাইত "দামোদৰৰ মত অনুসৰি" আছে।

গোপালদেৱৰ প্ৰত্যেক গ্ৰন্থতেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীমাধৱদেৱলৈ অকপট ভক্তি দেখুৱাই গৈছে। এনে অৱস্থাত গোস্বামী দুজনাৰ লৈ

প্ৰকাশিত পুথিৰ কথা দু আষাৰ সঁচা বুলি ধৰা টান।"

এনেকুৱা বিপৰীতধৰ্মী তথ্যৰ মুখামুখি হৈ সাধাৰণ পাঠক বা সৰল-সহজ সত্ৰীয়া ভকতসকলে কি কৰিব? ভুল তথ্যৰদ্বাৰা প্ৰভাৱান্বিত হৈ ভুৱা প্ৰৰোচনাৰ দ্বাৰা উত্তেজিত হৈ ইজনে সিজনৰ বিষেদগাৰ, তৰ্কাতৰ্কি আৰু অৱশেষত হতাহতি? এনেকুৱা পৰিবেশে আজি সমাজত যি সমস্যাৰ সৃষ্টি কৰিছে সেই বিষয় গভীৰভাবে চিন্তা নকৰিলে অৱস্থা ক্ৰমে বেয়াৰ ফালে ঢাল খোৱাৰহে সম্ভাৱনা। **কামৰূপীয় ভাগৱতী ধৰ্ম সম্প্ৰদায়ৰ আটাইকেইজন সাধকে যি মহান পৰম্পৰাৰ সৃষ্টি কৰি এখন শান্তিপূৰ্ণ সুখী প্ৰগতিবাদী সমাজ ৰচনাৰ ভেটি স্থাপন কৰি গৈছিল সেই আদৰ্শৰ ব্যাপক প্ৰচাৰৰ উপৰিও গোটেইকেইজন গুৰু সম্বন্ধে বিশ্লেষণাত্মক বৈজ্ঞানিক সমালোচনা অপৰিহাৰ্য্য। এই বিষয়ে অসমৰ বিশ্ববিদ্যালয় দুখনে আৰু "শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠান" আদি অনুষ্ঠানে যথেষ্ট বৰঙণি যোগাব পাৰে। প্ৰথমতে মহাপুৰুষকেইজনৰ সমস্ত চৰিতপুথি, লিখনি একত্ৰিত কৰি, ছপা হোৱা পুথিবোৰৰ পাণ্ডুলিপিবোৰো সংগ্ৰহ কৰি আৰু অপ্ৰকাশিত পাণ্ডুলিপিবোৰ চেষ্টা কৰি উদ্ধাৰ কৰি কিছু গৱেষকৰ দ্বাৰা সেইবোৰ বৈজ্ঞানিক ভাবেৰে পৰীক্ষা কৰোৱাই ভুল-ক্ৰুটীবোৰ ফঁহিয়াই দেখুৱাই সকলোকেইটা সংহতিৰ প্ৰতিনিধিৰ লগত আলোচনা কৰি সৰ্বসন্মত সিদ্ধান্তত উপনীত হোৱাত বোধকৰো অসুবিধা নাই। কামটো কষ্টসাধ্য হ'ব কিন্তু ইয়াৰ দ্বাৰা জাতিটোৰ মহৎ কল্যাণ সাধিত হ'ব।**

পূৰ্বৰ প্ৰকাশিত ৰামৰায়ৰ "গুৰুলীলা"ত দামোদৰদেৱৰ চৈতন্যদেৱৰ লগত সাক্ষাৎ হোৱা ঘটনা এনেদৰে বৰ্ণিত হৈছেঃ

বৰাহ কুণ্ডত পুৰ্ব্বে চৈতন্য আছিলা।
মণিকূটে দুয়োজনে সম্ভাষণ ভৈলা।।
পৰম আনন্দে দুয়ো দুইকো আশ্বাসিলা।
তথা হন্তে শ্ৰীচৈতন্য জগন্নাথে গৈলা।। ১৪৭

ভূষণদ্বিজ, দৈত্যাৰি ঠাকুৰ, ৰামচৰণ ঠাকুৰ, কথা গুৰুচৰিত আৰু বৰদোৱা গুৰুচৰিততো দ্বিতীয়বাৰ তীৰ্থভ্ৰমণৰ সময়ত শংকৰদেৱে চৈতন্যদেৱক লগ পোৱা তথ্য উল্লেখিত হৈছে। আমি আগেয়ে উল্লেখ কৰি আহিছোঁ যে ঐতিহাসিক তথ্যমতে শংকৰদেৱৰ দ্বিতীয়বাৰ তীৰ্থভ্ৰমণৰ সময়ত চৈতন্যদেৱ জীৱিত নাছিল। প্ৰথম তীৰ্থ ভ্ৰমণৰ সময়ত যদি শংকৰদেৱ নবদ্বীপলৈ গৈছিল তেনেহ'লে তেওঁ পণ্ডিতপুত্ৰ বালক নিমাইক হয়তো দেখিলেও দেখিব পাৰে, কিন্তু সেই দৰ্শনৰ একো তাৎপৰ্য্য নাই। এইবোৰ তথ্য গুৰুচৰিতবোৰত প্ৰক্ষিপ্তভাবে পিছত সোমাইছে বুলি সন্দেহ কৰিবৰ থল আছে। অসমত ভকত মণ্ডলীয়ে এইবোৰ কথা

বাক্‌বিতণ্ডা কৰি মুৰ ঘমোৱাৰ বিপৰীতে বঙ্গদেশৰ পণ্ডিতপ্ৰৱৰ নগেন্দ্ৰনাথ বসুৱে মত দিছে এনেদৰে,

Some modern writers are inclined to hold that the teachings of Mahaprabhu Chaitanya Deva influenced the religion of Sankara. Some of them even go so far as to say that Chaitanya Deva went to Kamrupa to preach his religion there. As a matter of fact the Great Bengal reformer never went to Kamarupa None of his disciples in Bengal ever allude to his ever having been there in their writings. Most of the followers of Chaitanyadeva adopt the four modes of worship - Dasya, Sakhya, Vatsalya and Madhurya which have no prominent place in the religion preached by Sankara. The mantra preached by the former consisted of sixteen letters, whereas that of the latter consisted of the four names, Rama, Narayana, Krishna and Hari

Mahaprabhu was the preacher of the doctorine of Prema and Bhakti Sankaradeva, on the other hand preached the doctorine of Nishkama Bhakti The songs composed by him are saturated with Bhakti towards God. He worshipped Lord Krishna as Purna Brahma. He forbade the worship of any other deity than Lord Krishna. He used to say, 'God is one, worship Him alone. There is no other god but Him.' The religion of the Great Bengal reformer recommends the worship of Radha and Krishna. But Radha has no place in the Sarana-dharma of Sankara. He was an advocate of the worship of Purna-Brahma SriKrishna of the Srimad-bhagavata.

(THE SOCIAL HISTORY OF KAMARUPA 2nd volume, p. 115 & 116)

[কিছুমান আধুনিক যুগৰ লেখকে ক'ব খোজে যে মহাপ্ৰভু চৈতন্যদেৱৰ শিকনিয়ে শংকৰী ধৰ্মক প্ৰভাৱান্বিত কৰিছিল। কিছুমানে আকৌ ইয়াকো কয় যে, চৈতন্যদেৱে ধৰ্ম প্ৰচাৰ কৰিবলৈ কামৰূপলৈকো গৈছিল। প্ৰকৃতপক্ষে বংগদেশৰ মহান সংস্কাৰকজন কেতিয়াও কামৰূপলৈ যোৱা নাছিল। বংগদেশৰ তেওঁৰ কোনো শিষ্যই তেওঁলোকৰ লিখনিত প্ৰকাশ কৰা নাই যে, তেওঁ কেতিয়াবা কামৰূপলৈ গৈছিল। চৈতন্যদেৱৰ বেছিভাগ শিষ্যই চাৰিপ্ৰকাৰৰ ভক্তিৰ নিয়ম পালন কৰে, যেনে— দাস্য, সখ্য, বাৎসল্য আৰু মাধুৰ্য্য, যিবিলাকৰ শংকৰদেৱে প্ৰচাৰ কৰা ধৰ্মমতত কোনো প্ৰাধান্য নাই। চৈতন্যৰ মতানুসৰি মন্ত্ৰৰ ষোলবৰ্ণ কিন্তু শংকৰৰ মতে মাথোন চাৰি নাম যেনে— ৰাম, নাৰায়ণ, কৃষ্ণ, হৰি।

মহাপ্ৰভুৱে প্ৰেম ভক্তিতত্ত্ব প্ৰচাৰ কৰিছিল, আনহাতে শংকৰদেৱে নিষ্কাম

ভক্তিতত্ত্বৰহে উপদেশ দিছিল। তেওঁ ৰচনা কৰা গীতসমূহ ভগৱত ভক্তিৰ ৰসধাৰা তেওঁৰ ঈশ্বৰ কৃষ্ণক পূৰ্ণব্ৰহ্মৰূপেহে আৰাধনা কৰিছিল। তেওঁ কৃষ্ণৰ বাহিৰে আন দেৱ-দেৱীৰ পূজা কৰিবলৈ হাক দিছিল। তেওঁ কৈছিল, "ঈশ্বৰ এক, তেওঁৰেই আৰাধনা কৰা, তেওঁৰ বাহিৰে আন কোনো নাই।' বংগদেশৰ মহান ধৰ্ম সংস্কাৰকজনৰ ধৰ্মত ৰাধাকৃষ্ণৰ পূজাৰ ব্যৱস্থা আছিল। কিন্তু শংকৰদেৱৰ শৰণ-ধৰ্মত ৰাধাৰ কোন স্থান নাই। তেওঁ ভাগৱতৰ পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণৰ আৰাধনাৰহে প্ৰবক্তা আছিল।]

ভক্তিবাদী ভাগৱতী সম্প্ৰদায়টোৱে বৈদিক হিন্দু ধৰ্মক যজ্ঞবেদীৰ পৰা জনসমূদ্ৰলৈ বোৱাই অনাৰ কৃতিত্ব অৰ্জন কৰিছে। সকলোবোৰ বৈষ্ণৱ মহাপুৰুষে কেৱল মানৱৰে নহয় সৰ্বভূতত ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰি বিশ্ব ভ্ৰাতৃত্বৰ বান্ধোনলৈ হাত আগবঢ়াইছে। সেয়ে তেওঁলোকে প্ৰাচীন বৰ্ণাশ্ৰম প্ৰথা অস্বীকাৰ কৰি ভক্তিত বাচ-বিচাৰ নোহোৱাকৈ সকলোৰে সম অধিকাৰৰ পোষকতা কৰিছে সিন্দুনদৰ পটভূমিৰ বৈষ্ণৱ সাধক গুৰু নানকে তেওঁৰ দ্বাৰা প্ৰচাৰিত ধৰ্মমতত জাতিপ্ৰথা স্বীকাৰেই কৰা নাই। আন সকলো সাধকে জাতিপ্ৰথা সম্পূৰ্ণ নিৰ্মূল কৰাৰ চেষ্টা নকৰিলেও জাতিভিত্তিক অগ্ৰাধিকাৰৰ কোনো তথ্য স্বীকাৰ কৰা নাই। আমি চৈতন্যদেৱৰ চৰিতত উল্লেখ কৰি আহিছোঁ যে, তেৰাই যেতিয়া প্ৰথম নৱদ্বীপত নাম-ধৰ্ম বা সংকীৰ্তনৰ মাধ্যমেৰে তেওঁৰ ভাৱাদৰ্শৰ প্ৰচাৰ আৰম্ভ কৰিছিল তেতিয়া যাজনিকসকলে আৰু তথাকথিত অভিজাতসকলে লাজত নাক কোচাইছিল। যেতিয়া হাজাৰ-বিজাৰ পদদলিত, নীচকুলীয়া মানুহে তেওঁৰ প্ৰতি সঁহাৰি জনালে তেতিয়া সংস্কাৰবাদীসকলে তেওঁৰ বিৰুদ্ধে মুছলমান ৰজাত গোচৰ দিছিল আৰু তেওঁক আৰু নিত্যানন্দক প্ৰহাৰ কৰি তেজৰ সোঁত বোৱাবলৈও পিছ হোহঁকা নাছিল। বৈষ্ণৱ ধৰ্মমতত যদিও সংসাৰ ত্যাগৰ কোনো বিধান নাই তথাপি চৈতন্যদেৱে এইবোৰ কাৰণতে সন্ন্যাস গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল। সেই চৈতন্যদেৱৰ মুখেৰেই বনগঞাগিৰি নামধাৰী চৰিতকাৰজনৰদ্বাৰা শংকৰদেৱৰ বিষয় কোৱাইছে :

"শূদ্ৰ এৰি ব্ৰাহ্মণ আনিও মম পাষ" এনেকুৱা কৰ্মৰ দ্বাৰা চৈতন্যদেৱৰ আদৰ্শকে অপমান কৰা হোৱা নাইনে? বঙ্গদেশৰ প্ৰখ্যাত গৱেষক ড° এছ. চি. মুখাৰ্জীয়ে গুৰুজনৰ নামধৰ্ম প্ৰবৰ্তন আৰু প্ৰচাৰ প্ৰসঙ্গত এনেদৰে লিখিছে :

The most striking feature of this new-Vaisnavism was the simplificatio of religion. The only requisite was 'The chanting of the sacred name.' In it, t humblest, the most ignorant and poorest of all, could join. It was an emancip tion of common men from ecclesiastical tyranny. 'Temple worship', no doul

occupied a prominent place in the practice of Chaitanya and his followers. But, the heart of this movement was sankirtana. It goes to the credit of Srichaitanya that in the midst of' a sacrifice-ridden and caste-mad society'. he inaugurated 'a popular religious movement which for a time freed the commonalty of men from the ancient thraldom of the law book and the priest and led them into a common fellowship of devotion.

---A Study of Vaisnavism in Ancient And Medieval Bengal.

By Dr. S.C. Mukharjee (Punthi Pustak, Calcutta. 19966) page : 174

(নব-বৈষ্ণব ধৰ্মমতৰ আটাইতকৈ উল্লেখযোগ্য দিশটো আছিল ধৰ্মৰ সৰলীকৰণ। একমাত্ৰ প্ৰয়োজন আছিল পবিত্ৰ হৰিনাম কীৰ্ত্তন। ইয়াত অতি নীচ, অতি অজ্ঞান আৰু সকলোতকৈ দৰিদ্ৰজনেও যোগ দিব পাৰিছিল। যাজকীয় অত্যাচাৰৰ পৰা সাধাৰণ লোকক উদ্ধাৰ কৰাৰ এইটো এটা অভিযান আছিল। মন্দিৰৰ ভিতৰত পূজাটো চৈতন্য আৰু তেওঁৰ অনুগামীসকলৰ কাৰণে প্ৰসিদ্ধ আছিল, কিন্তু এই আন্দোলনৰ মূল কথা আছিল সংকীৰ্ত্তন। বলি-বিধান আৰু সুকঠোৰ জাতি-ভেদত উন্মাদ এটা ব্যৱস্থাৰ পৰা আৰু শাস্ত্ৰীয় পুথি আৰু পুৰোহিতৰ গোলামিৰ পৰা আঁতৰি আহি চৈতন্যৰ নেতৃত্বতে এটা জনপ্ৰিয় ধৰ্মীয় অভিযান আৰম্ভ হৈছিল, যাৰ ফলত ভক্তিৰ ক্ষেত্ৰত সৰ্বসাধাৰণ মানুহৰ মাজত ভ্ৰাতৃত্ববোধৰ উদয় হৈছিল।)

কিছুমান গুৰুচৰিতত এনেদৰে অৰ্দ্ধসত্য আৰু অসত্য কাল্পনিক কাহিনী লিপিবদ্ধ হোৱা আৰু সাঁচিপাতৰ পৰা ছপাশাললৈ অনাৰ সময়ত প্ৰক্ষিপ্ত কৰা যিবোৰ ঘটনা আমি আলোচনা কৰিলো, সেইবোৰৰ পৰা এইটো সহজে অনুমান কৰিব পাৰি যে মুষ্টিমেয় কিছুলোকে চৰিতকাৰ সাজি বা আনপ্ৰকাৰে উদ্দেশ্যমূলকভাৱে এটা ষড়যন্ত্ৰত লিপ্ত হৈছিল। উচ্চবৰ্ণবাদী কিছুমানে অব্ৰাহ্মণ শংকৰৰ দ্বাৰা কামৰূপত ভক্তিধৰ্ম প্ৰচাৰৰ নেতৃত্ব লোৱাতো সহ্য কৰিব পৰা নাছিল। গতিকে তেওঁক চৈতন্যদেৱ বা আন কোনো ব্ৰাহ্মণগুৰুৰ আজ্ঞাপৰ হিচাপে প্ৰতিষ্ঠিত কৰি কিছু তৃপ্তি পোৱাৰ আশা কৰিছিল। চৈতন্যদেৱ তেওঁলোকৰ কাৰণে সহজলভ্য হ'ল এই কাৰণে যে তেওঁ আমাৰ চুবুৰীয়া ৰাজ্যৰ আছিল আৰু দুয়োখন ৰাজ্যৰ ভিতৰত মানুহৰ যাতায়াত সঘনে চলিছিল আৰু আমাৰ ৰাজ্যত চৈতন্যৰ ধৰ্মমত কিছুমান মানুহে গ্ৰহণ কৰিছিল। দ্বিতীয় কাৰণটো হ'ল চৈতন্যদেৱে নাম-ধৰ্ম প্ৰচাৰ কৰিলেও আনুষ্ঠানিক বহু কৰ্ম-ক্ৰিয়া বাদ দিয়া নাছিল। তেওঁ নিজে শিৱপূজা কৰাৰো উদাহৰণ আছে। কিন্তু শংকৰ এইবোৰৰ বিৰোধী আছিল। পুৰোহিত শ্ৰেণীটোৱে শংকৰৰ পৰিবৰ্তে চৈতন্যৰ মতবাদত আৰ্থিক সংস্থানৰ বেছি আশা ৰাখিছিল।

আচৰিত কথা এয়ে যে বঙ্গদেশৰ চৈতন্যৰ অসংখ্য চৰিতকাৰ আৰু বৰ্ত্তমান যুগৰ কোনো পণ্ডিতে চৈতন্যৰ লগত শংকৰদেৱ, দামোদৰদেৱ বা হৰিদেৱক সাঙোৰাৰ কোনো উদাহৰণ পাবলৈ নাই। এই গোটেইখিনি কাম কৰিছে অসমৰ পণ্ডিতসকলে। কামৰূপৰ সংস্কাৰধৰ্মী ভাগৱতী মতবাদৰ বিৰুদ্ধে সংৰক্ষণশীলসকলৰ এই প্ৰচেষ্টাৰ ইঙ্গিত গুৰুচৰিতো পোৱা যায়। ৰামৰায় দাস ৰচিত আৰু ভূমিধৰ দাস আৰু খগেন পাঠকৰ দ্বাৰা সম্পাদিত গুৰুলীলাত আছে ঃ-

"পণ্ডিতসকলে যুগুতি কৰিয়া ভক্তি উচ্ছাদিবে মনে।
দানপূৰ্ণ ধৰ্ম্ম কৰ্ম্ম তীৰ্থ ব্ৰত ৰাখিবে লাগি যতনে।" (৫৫)

এনেবোৰ শক্তিয়েই আহোম আৰু কোচবজাৰ ওচৰত শংকৰদেৱৰ বিৰুদ্ধে আৰু কোচৰ ৰাজসভাত দামোদৰদেৱৰ বিৰুদ্ধে অভিযোগ তুলিছিল। অভিযোগৰ নমুনাও আছিল একে ধৰণৰ। শংকৰৰ বিৰুদ্ধে কৈছিল ঃ

"বেদৰ বিহিত পিতৃ শ্ৰাদ্ধ আদি শংকৰে সবে এৰিলা।
শিব দুৰ্গা পূজা গুচায়া লোকক ভক্তিমাৰ্গ দৰশিলা।"

গুৰুলীলা (৫৬)

দামোদৰৰ বিপক্ষে অভিযোগ আছিল ঃ

"দুৰ্জ্জনে ৰাজাৰ আগে লগাইলেক খল।
দেৱীপূজা এৰাইলা লোকৰ সকল।।
গঙ্গাক নামানে পিতৃশ্ৰাদ্ধ এৰাইলেক।
শুনি নৃপতিৰ ক্ৰোধ ভৈল অতিৰেক।। গুৰুলীলা (১০১)

এইবিলাকৰ প্ৰত্যুত্তৰ ৰাজসভাত দুয়োজন গুৰুৱে কি দিছিল তাৰ পৰিণামত ৰজাই গোচৰীয়াসকলক কি ব্যৱহাৰ কৰিছিল সেই কথা আমি গুৰু দুজনাৰ চৰিতত উল্লেখ কৰি আহিছোঁ, সেইবিলাকৰ পুনৰাবৃত্তি অনাৱশ্যক।

এইবোৰৰপৰা মোটামুটিভাৱে সিদ্ধান্ত কৰিব পাৰি যে ভক্তিবাদৰ বিৰোধীসকলে তিনিপাত অস্ত্ৰ লৈ যুদ্ধলৈ নামিছিল। প্ৰথম প্ৰাচীন বৰ্ণাশ্ৰম প্ৰথাগতে যিকোনো ধৰ্মীয় শাসন বা নিয়মৰ অধিকাৰ কেৱল ব্ৰাহ্মণৰহে আছিল ; কিন্তু অসমৰ পাঁচজন প্ৰধান বৈষ্ণৱ ধৰ্ম-গুৰুৰ তিনিজন অৰ্থাৎ শংকৰদেৱ, মাধৱদেৱ আৰু গোপালদেৱ ব্ৰাহ্মণ নাছিল। বিৰুদ্ধবাদীসকলে প্ৰায় দ্বাদশ শতাব্দীৰ আগৰ পৰা আৰম্ভ হোৱা ভক্তি আন্দোলনটোৰ মূল তত্ত্বটো হয়তো জনা নাছিল বা জানিও তাক গ্ৰহণ কৰিবলৈ প্ৰস্তুত নাছিল। ভক্তি আন্দোলনৰ প্ৰথম আৰু প্ৰধান আচাৰ্য্য ৰামানুজ আৰু মহাৰাষ্ট্ৰৰ আচাৰ্য্য জ্ঞানেশ্বৰ আদিৰ গুৰু কোন আছিল আমি আগতে উল্লেখ কৰি আহিছো। আচাৰ্য্য ৰামানন্দ কি কাৰণত ৰামানুজী সম্প্ৰদায়ৰ পৰা ওলাই

**আহিল সেই কথাও বৰ্ণনা কৰা হৈছে আৰু বিশেষকৈ ভক্তি-আন্দোলনৰ প্ৰথম জোৱাৰ সৃষ্টি কৰোঁতা আল্‌ৱাৰসকল কোন কি জাতৰ আছিল সেই কথাও উল্লেখ কৰা হৈছে।**

## জাতি ভেদ

বৰ্ণাশ্ৰম ধৰ্মই চাৰিটা শ্ৰেণীৰ কথা কৈছে। যেনে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। যিসকল এই শ্ৰেণীত নপৰিছিল তেওঁলোকক বোলা হৈছিল দস্যু বা দৈত্য বা ম্লেচ্ছ। কিন্তু ঋগ্‌বেদৰ যি দুজন প্ৰধান ঋষি, অৰ্থাৎ বশিষ্ঠ আৰু বিশ্বামিত্ৰ তেওঁলোকৰ জন্মকাহিনী আলোচনা কৰিলে আমি কি পাওঁ :—

মিত্ৰ আৰু বৰুণদেৱতা এসময়ত বদৰিকাশ্ৰমত ধ্যানমগ্ন আছিল। বসন্ত ঋতুৰ আগমনত অধীৰা হৈ তালৈ আহিছিল সুশোভিত বসন আৰু অলঙ্কাৰেৰে সজ্জিতা স্বৰ্গবেশ্যা, নৃত্যপটীয়সী, কামৰূপা, সুন্দৰী উৰ্বশী। তেওঁক দেখি দুই দেৱতাৰ ধ্যানভঙ্গ হ'ল, তেওঁলোক কামাৰ্ত হ'ল আৰু দুয়োৰো অজ্ঞাতসাৰে বীৰ্য্যস্খলন হ'ল। ধ্যানৰত অৱস্থাত মানসিক চঞ্চলতাৰ ভয়াবহ পৰিণতিৰ ভয়ত দুয়ো দেৱতাই এটি পানীৰ কলহত সেই বীৰ্য্য ভৰাই গংগাত নিক্ষেপ কৰি পলাল। সেই কলহৰ ভিতৰতে গংগা নদীৰ বুকুত দুটি সন্তানৰ জন্ম হ'ল- এজন বশিষ্ঠ আৰু আনজন অগস্ত্য। (মৎস্য পুৰাণ)। গতিকে এইটো প্ৰমাণ হয় যে জন্মসূত্ৰে বশিষ্ঠ ব্ৰাহ্মণ নাছিল। কিন্তু তেওঁৰ মেধা, প্ৰজ্ঞা আৰু মানৱতাবোধৰ আদৰ্শৰ বাবে তেওঁ সৰ্বশ্ৰেষ্ঠ বৈদিক ব্ৰাহ্মণ।

বিশ্বামিত্ৰ ক্ষত্ৰিয় ঔৰসজাত ৰাজকুমাৰ আৰু পিছত ৰজা। তেওঁৰো গুণ-গৰিমাৰ অন্ত নাছিল ; কিন্তু তেওঁ ব্ৰহ্মৰ্ষি উপাধি লাভ কৰিবলৈ হেজাৰ সাধনা কৰিও সফলকাম হ'ব পৰা নাছিল, কিয়নো তেওঁ আছিল আত্মগৌৰৱী আৰু নিষ্ঠুৰ। অৱশেষত তেওঁ যেতিয়া ষড়ৰিপু দমন কৰিবলৈ সমৰ্থ হ'ল তেওঁক ব্ৰহ্মৰ্ষি বুলি স্বয়ং বশিষ্ঠই স্বীকাৰ কৰিলে। বিশ্বামিত্ৰৰ দ্বাৰা ৰচিত গায়ত্ৰীমন্ত্ৰ নিতৌ উচ্চাৰণ নকৰিলে আজিও কেৱে ব্ৰাহ্মণত্ব দাবী কৰিব নোৱাৰে। বৈদিক যুগৰ ব্ৰাহ্মণ ঋষিসকলৰ সৰহভাগেই ব্ৰাহ্মণৰ ঔৰসজাত বা ব্ৰাহ্মণীৰ গৰ্ভজাত নহয় ; যেনে ঐতৰেয় ব্ৰাহ্মণ ইতৰাৰ পুত্ৰ, তেওঁৰ প্ৰকৃত নাম মহীদাস ; জবালাৰ পুত্ৰ সত্যকাম পিতৃপৰিচয়হীন ; মৃগীৰ পুত্ৰ ঋষ্যশৃংগ ; কুশৰ পৰা কৌশিক ; অস্বাভাৱিকভাৱে জন্ম লাভ কৰা মহৰ্ষি গৌতম একালত দস্যু আছিল। কৈৱৰ্তকন্যা সত্যৱতীৰ গৰ্ভতে জন্মিছিল মহৰ্ষি বেদব্যাস। আদিকবি মহৰ্ষি বাল্মীকি আছিল হৰিজন সম্প্ৰদায়ৰ। ব্ৰাহ্মণশ্ৰেষ্ঠ ভৰদ্বাজৰ জন্ম-কাহিনী শুনিলে নাক কোচাব লাগে। অশ্লীলতাৰ ভয়ত বিৰত

থাকিলো। কিন্তু 'দ্বাজ' শব্দটোৰ অৰ্থ হ'ল 'জাৰজ'। বৃহস্পতিৰ অবৈধ ধৰ্ষণৰ ফলত শিশুটি ভূমিষ্ঠ হোৱাত বৃহস্পতিৰ বৌৱেক মমতাই খঙেৰে কৈ উঠিছিল "ভাৰদ্বাজ! বৃহস্পতে!" অৰ্থাৎ বৃহস্পতি জাৰজটোক মানুহ কৰা। এই ভৰদ্বাজে কুৰুবংশৰ ৰাজপাটো খাইছিল। ভৰতে নিজ পুত্ৰসকলক অলায়ক ভাবি তেওঁৰ পিছত সিংহাসনত বহুৱাইছিল ভৰদ্বাজক। পিছত তেওঁৰ পুত্ৰ ভূমন্যু ৰজা হৈছিল। এই ভূমন্যুৰ নাতিয়েই হ'ল হস্তী, যিয়ে হস্তিনাপুৰ ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। গতিকে পাঠকসকলে বিচাৰ কৰক যে প্ৰাচীন ইতিহাসৰ অতি গৌৰৱশালী ভৰত বংশটোক ক্ষত্ৰিয় নে ব্ৰাহ্মণ বোলা হ'ব। অকল সেয়াই নহয়, ভৰতবংশৰ কাহিনী অধ্যয়ন কৰিলে ওলাই পৰে যে এই বংশ ব্ৰাহ্মণ, ক্ষত্ৰিয়, দৈত্যকন্যা, বেশ্যা, ধীবৰকন্যা সকলোৰে তেজৰ সংমিশ্ৰণত গঠিত। প্ৰাচীন সাহিত্যত এনেকুৱা উদাহৰণ অন্তহীন। গতিকে এইটো প্ৰমাণিত হয় যে জ্ঞান আৰু প্ৰজ্ঞা কোনো কালে কোনো বিশেষ জাতি বা কুলৰ একাধিপত্য আৰু প্ৰকাশ নাছিল। অৱশ্যে বিদ্যা আৰু বুদ্ধিৰ গুণত ব্ৰাহ্মণসকল আন সকলতকৈ অগ্ৰণী আছিল। সকলো শ্ৰেণীৰ মানুহৰ পৰা জ্ঞান প্ৰতিপাদিতা বহু ঋষি বা মহাপুৰুষৰ আবিৰ্ভাৱ হৈছে আৰু সাধাৰণ মানুহে চিৰদিন জ্ঞানীসকলৰ নিৰ্দেশিত পথ অনুসৰণ কৰি প্ৰগতিৰ পথ ৰচনা কৰিছে। বেদ, পুৰাণ আদি শাস্ত্ৰপুথিত উদাহৰণৰ অন্ত নাই যে বহু উচ্চ জাতিৰ মানুহ কৰ্মদোষত পতিত হৈ কুল হেৰুৱাইছে আৰু বহু তথাকথিত নীচকুলীয়াই গুণ কৰ্মৰ প্ৰভাৱৰ দ্বাৰা আলোকিত হৈ ব্ৰাহ্মণত্ব লাভ কৰিছে। বৈদিক কালত জাতিভেদ নিৰ্দ্ধাৰিত হৈছিল গুণ-কৰ্মৰ আধাৰত। ব্ৰহ্মজ্ঞানীসকলক কোৱা হৈছিল ব্ৰাহ্মণ, শক্তিমান বীৰ্য্যবান আৰু পৰাক্ৰমীসকলক ক্ষত্ৰিয়, কৃষি আৰু বেহা-বেপাৰ আদিত পাৰ্গতসকলক বৈশ্য আৰু সংস্কাৰহীন হেতুকে নিকৃষ্ট কাম কৰি খোৱাসকলক বা দাসসকলক শূদ্ৰ বুলি কোৱা হৈছে।

## শূদ্ৰ কাক বোলে?

মহাপুৰুষ শংকৰদেৱক কোনো কোনো চৰিতকাৰে শূদ্ৰ আখ্যা দিয়াৰ কথা আমি উল্লেখ কৰি আহিছোঁ। মহাপুৰুষজন কোন কুলৰ আছিল আজিৰ পৰিস্থিতিত সেই প্ৰশ্ন অবান্তৰ। কিন্তু তথাপি চৰিতকাৰকেইজনৰ ভ্ৰান্তিবোৰ ফঁহিয়াই নেদেখুৱালে সাধাৰণ পাঠকৰ সংশয় দূৰ নহ'ব বুলি ভাবিয়েই সেই বিষয় অৱতাৰণা কৰাৰ প্ৰয়াস কৰা হ'ল। গুৰুজনাই তেৰাৰ প্ৰথম কালৰ ৰচনাসমূহত নিজকে কায়স্থ কুলোদ্ভৱ বুলি পৰিচয় দিছে। কিন্তু পিছৰ কালৰ ৰচনাত তেওঁ 'কৃষ্ণৰ কিঙ্কৰ' আদি শব্দহে ব্যৱহাৰ কৰিছে। কায়স্থ জাতিটো সম্বন্ধে প্ৰাচ্যমহাবিদ্যাৰ্ণৱ নগেন্দ্ৰনাথ বসুৱে বহু প্ৰাচীন শাস্ত্ৰৰ উদ্ধৃতি দি কৈছে যে এই কুলটো যমৰাজৰ মন্ত্ৰী চিত্ৰগুপ্তৰ পৰা উদ্ভৱ

হোৱা আৰু ব্ৰহ্মাৰ শৰীৰৰ বা কায়াৰ পৰা উদ্ভূত কাৰণে কায়স্থ নাম হৈছে।

মহাৰাষ্ট্ৰীয় ব্ৰাহ্মণ কলিকতা বিশ্ববিদ্যালয়ৰ ইতিহাসৰ অধ্যাপক ডঃ দেৱদত্ত ৰামকৃষ্ণ ভাণ্ডাৰকাৰে অমৃতবাজাৰ পত্ৰিকাত প্ৰকাশিত প্ৰবন্ধ এটাত লিখিছিল যে "তৃতীয় শতিকাত ৰচিত 'যাজ্ঞবল্ক্য স্মৃতিত' ৰাজধৰ্ম প্ৰকাৰণত কায়স্থৰ উল্লেখ আছে। এওঁলোক ৰজাৰ 'ৰাজহ' আদায় ব্যৱস্থাৰ পদাধিকাৰী। 'বিষ্ণুমূৰ্তি'ৰ মতে কায়স্থ বিচাৰৰ ভাৰপ্ৰাপ্ত, ভূমি আৰু ৰাজহ বন্দোবস্তকাৰী বিষয়া আছিল। উত্তৰ ভাৰতত নৱম শতিকাত কায়স্থৰ অভ্যুদয় হয়। ৰাজতৰঙ্গিনীৰ মতে কায়স্থ মানে ৰাজহ কৰ্মচাৰী। কিছুমান কায়স্থ ব্ৰাহ্মণ আছিল, মহাৰাষ্ট্ৰত এতিয়াও কিছুমান ব্ৰাহ্মণে নিজকে কায়স্থ বা কায়স্থ ব্ৰাহ্মণ বুলি পৰিচয় দিয়ে।

ডঃ ভাণ্ডাৰকাৰে আৰু কৈছে– "মনুসংহিতাৰ ৰচক মনুৰ মতে ব্ৰাহ্মণৰ বাহিৰে আনে 'কুশল' শব্দেৰে আনৰ মঙ্গল কামনা কৰা নিষেধ ; কিন্তু মৃচ্ছকটিকা নাটকত কায়স্থৰ দ্বাৰা কুশল শব্দ উচ্চাৰণ কৰাইছে। গতিকে কায়স্থ বুলিলে যে অব্ৰাহ্মণ বুজিব লাগে ইয়াৰ কোনো ভিত্তি নাই।" ডঃ ভাণ্ডাৰকাৰৰ মতে দশম শতিকাত বংগদেশত কায়স্থৰ অভ্যুদয় হয়। দ্বাদশ শতিকালৈ কায়স্থৰ হাততেই বংগদেশৰ শাসনভাৰ আছিল। পণ্ডিত ৰমেশচন্দ্ৰ দেৱশৰ্মা চক্ৰৱৰ্ত্তী কাব্যবিনোদ ৰচিত 'ৰাজা জাতি'ত উল্লেখিত হৈছে যে– "বংগদেশৰ বাহাত্তোৰা কায়স্থসকলৰ ভিতৰত 'শৰ্মা' উপাধিকাৰী আগেয়ে আছিল এতিয়াও আছে।" এনেবোৰ উক্তিৰ আধাৰত এইটো অনুমান কৰিব পাৰি যে আদিতে ব্ৰাহ্মণ ক্ষত্ৰিয়ৰ বিশেষ ভেদ একো নাছিল। জাতিভেদ প্ৰথা প্ৰকট হৈছে মুছলমান ৰাজ্য ভাৰতত প্ৰতিষ্ঠা হোৱাৰ পিছৰ পৰাহে। অশোকৰ শিলালিপিত লাজুক বা ৰাজুক শব্দৰ ব্যৱহাৰ হৈছে। ডঃ বুহলৰ (Dr. Buhlu) মতে এই শব্দটোৱে কায়স্থক বুজাইছে। তেওঁ লিখিছে,

"I have added that the Rajuka was an old name of the writer caste which i later called kayastha and that Asoka calls his great administrative officia simply the writer because they were taken from that caste."

গুপ্তযুগৰ অনেক ছীল মোহৰত কায়স্থ শব্দৰ উল্লেখ আছে। এই আমোলৰ দামোদৰপুৰ তাম্ৰপত্ৰত কায়স্থসকল নগৰৰ শাসন ব্যৱস্থাপক বুলি অভিহিত হৈছে। ৰাখালদাস বানাৰ্জীয়ে 'The age of the Imperial Guptasগ্ৰন্থত কায়স্থক মুখ্য লেখক বুলি অভিহিত কৰিছে।

অসমৰ সাহিত্যৰত্ন হৰিনাৰায়ণ দত্তবৰুৱা, বঙ্গৰ নগেন্দ্ৰনাথ বসু আৰু ভাৰতৰ আন আন অঞ্চলৰ বহু পণ্ডিতে কায়স্থসকলৰ উৎপত্তি আৰু ইতিবৃত্ত সম্বন্ধে বহু গৱেষণাপূৰ্ণ আলোচনা-বিলোচনা লিপিবদ্ধ কৰি গৈছে। মুঠতে সাহিত্যিক আৰু পুৰাতাত্ত্বিক উভয় সাক্ষ্যই কায়স্থ কুলৰ প্ৰাচীনতা আৰু তেওঁলোকৰ প্ৰশাসনিক,

সাহিত্যিক, সাংস্কৃতিক আদি অৱদানৰ কথা শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে। মহাপুৰুষ শংকৰদেৱৰ পৰিয়ালটোও সেই ঐতিহ্যৰে প্ৰতীক আছিল। গুৰুজনাৰ প্ৰপিতামহ চণ্ডীবৰ ভূঞা ধৰ্মজ্ঞ পণ্ডিতৰূপে প্ৰখ্যাত আছিল। কমতাৰাজ দুৰ্লভ নাৰায়ণে গৌড় ৰাজ্যৰ পৰা যি বিশিষ্ট সাতঘৰ কায়স্থ কামৰূপলৈ আনিছিল, তেওঁলোকৰ ভিতৰত চণ্ডীবৰকহে 'শিৰোমণি ভূঞা' উপাধি দি সম্মান প্ৰদৰ্শন কৰিছিল, যদিও সেই সময়ৰ সামাজিক আৰু ৰাজকীয় প্ৰথামতে এই সম্মান ব্ৰাহ্মণৰহে প্ৰাপ্য আছিল। সেই সম্মান কুল বিচাৰত নহৈ জ্ঞান-গৰিমাৰ স্বীকৃতি বুলি আমি নিশ্চয় ধৰি লব পাৰোঁ।

ভাৰতবৰ্ষত শ্ৰেণী ব্যৱস্থা যে কৰ্ম আৰু গুণৰ আধাৰত বিচাৰ কৰা হৈছিল তাৰ প্ৰধান প্ৰমাণ গীতাৰ বাণী।

চাতুৰ্ব্বৰ্ণ্যং ময়া সৃষ্টং গুণ কৰ্ম্ম বিভাগশঃ।

আন বহু শাস্ত্ৰতো এই বিষয়ে স্পষ্ট উল্লেখ আছে। ভাৰতীয় সমাজ ব্যৱস্থাৰ ন্যায় প্ৰতিষ্ঠাপক বিধান সম্বলিত মনুসংহিতা বা মনুস্মৃতি শাস্ত্ৰ যদিও ব্ৰাহ্মণ্য ধৰ্মৰ মুখপত্ৰ আৰু ব্ৰাহ্মণৰ শ্ৰেষ্ঠতা প্ৰতিপন্নৰ কাৰণে পঞ্চমুখ তথাপি সেই শাস্ত্ৰয়ো কৰ্ম আৰু গুণানুসাৰে শ্ৰেণীবিভাগৰ কথা স্বীকাৰ নকৰাকৈ থাকিব পৰা নাই। এই শাস্ত্ৰ মহাভাৰতৰো আগৰ আৰু ইয়াত বৰ্ণ আৰু আশ্ৰম ব্যৱস্থাৰ বিতং তথ্য সম্বলিত হৈছে। এই শাস্ত্ৰমতে ব্ৰাহ্মণে জাতিগত নিৰ্দ্ধাৰিত কৰ্ম শুদ্ধমতে পালন নকৰিলে পতিত হোৱাৰ ব্যৱস্থা আছে। অপৰাধৰ দণ্ডও আন শ্ৰেণীৰ মানুহতকৈ ব্ৰাহ্মণৰ বহু বেছি বুলি বিধান দিয়াটোৱে কি বুজায়? মনুসংহিতাত বিদ্বানক বৃদ্ধ নহ'লেও বৃদ্ধৰ সম্মানৰ যোগ্য বুলি স্বীকাৰ কৰা হৈছে আৰু শূদ্ৰই দাসালি কৰ্মত শাৰীৰিক কাৰণত অযোগ্য বা অসমৰ্থ বিবেচিত হ'লে তেওঁলোকক কৃষি কৰ্মাদিত নিয়োজিত হ'বলৈ উপদেশ দিয়া হৈছে।

জন্মনা জায়তে শূদ্ৰ। সংস্কাৰাৎ দ্বিজ উচ্ছ্যতে। বেদাধ্যায়ী ভবেৎ বিপ্ৰঃ। ব্ৰহ্ম জানাতি ব্ৰাহ্মণ। স্মৃতি।

মনুসংহিতামতে শূদ্ৰৰ যি সংজ্ঞা পোৱা যায় সেইমতে অসমত বাস কৰা কেইজন মানুহক চিনাক্ত কৰিব পাৰি? দাসপ্ৰথা আমাৰ ইয়াত কোনোদিনে নাছিল। বৰ্তমানৰ কথা নধৰিলেও মহাপুৰুষসকলৰ জীৱন কালৰ যি সামাজিক ব্যৱস্থাৰ বিৱৰণ পোৱা যায় সেইমতে অসমত মোটামুটিভাৱে এই কেইটা শ্ৰেণীৰহে উমান পোৱা যায়। যেনে (১) ভূস্বামী (২) পণ্ডিত (৩) পুৰোহিত (৪) ৰাজবিষয়া আৰু বাকীখিনি কৃষি বেহা-বেপাৰ আৰু আন আন প্ৰকাৰৰ শ্ৰমজীৱী। কৈৱৰ্ত বা নমশূদ্ৰ মানুহখিনিয়েও কেতিয়াও কাৰো দাসালি কৰাৰ প্ৰমাণ নাই, তেওঁলোকে নিজ ব্যৱসায়ৰ দ্বাৰাইহে প্ৰতিপালিত হৈছিল। আহোম ৰাজত্বৰ সময়ত যি পাইক প্ৰথা প্ৰৱৰ্তিত হৈছিল সেয়া সৈন্যবাহিনী আৰু আন কৰ্মচাৰী নিয়োগৰ এটা প্ৰাচীন

জনজাতীয় প্ৰথাহে বুলিব পাৰি। তেনে স্থলত প্ৰকৃত দাস বা শূদ্ৰ বুলি কাক ক'ব পাৰি?

ইতিহাসৰ সাক্ষ্যমতে বুজিব পাৰি যে ভাৰতবৰ্ষত যেতিয়া একেশ্বৰবাদী আৰু ভক্তিবাদী ইছলাম আৰু খৃষ্ট ধৰ্মৰ প্ৰৱেশ ঘটিল তেতিয়া প্ৰবৃত্তিমাৰ্গী ধৰ্মীয় নেতাসকলে সংৰক্ষণশীলতাৰ আশ্ৰয় ল'লে। সংস্কৃত ভাষাক দেৱভাষা আখ্যা দি শূদ্ৰ বা নাৰীক সেই ভাষা জনা বা শুনাৰ পৰাও বঞ্চিত কৰা হ'ল, অৰ্থাৎ ভাষাটো জনগণৰ মাজৰ পৰা নি পেৰাৰ ভিতৰত সুমুওৱা হ'ল। বৈদিক যুগৰ বহু আগৰ পৰাই প্ৰচলিত বৈদেশিক বেহা-বেপাৰ অৰ্থাৎ সমুদ্ৰ যাত্ৰাদি ধৰ্মীয় শাসনেৰে নিষিদ্ধ বুলি ঘোষণা কৰা হ'ল। বৰ্তমান পাকিস্তানৰ অন্তৰ্ভুক্ত হৰপ্পা আৰু মহেঞ্জদাৰো আৰু স্বাধীনোত্তৰ কালত গুজৰাট, ৰাজস্থান আৰু উত্তৰ প্ৰদেশত খনন কাৰ্য্যৰ ফলত যিবোৰ প্ৰমাণ পোৱা গৈছে তাৰ ভেটিত প্ৰত্নতত্ত্ববিদ্‌সকলে স্পষ্টভাৱে কৈছে যে, অতীত কালত মেছোপটেমীয়া আৰু চীন আদি দেশৰ লগত জল আৰু স্থল পথেদি ভাৰতীয় লোকে উন্নতমানৰ বৈদেশিক বাণিজ্য চলাইছিল। এইবোৰ বন্ধ হোৱাৰ ফলত সংযোগৰ অভাৱ ঘটিল, অৰ্থনীতি সংকুচিত হ'ল। সেই অৱস্থাত বিকাৰগ্ৰস্ত সংস্কৃতিয়ে জন্ম দিলে নানা বিচাৰহীন আচাৰৰ ব্যৱস্থা. দেশীয় ৰাজ্যৰ ৰজা-মহাৰজাসকলৰ ভিতৰত অৰিয়াঅৰি, বিদ্বেষ আৰু দ্বন্দ্বই চূড়ান্ত ৰূপ পালে। এই অৱস্থাৰ সুযোগ গ্ৰহণ কৰিলে বিদেশী শাসক গোষ্ঠী। ভাৰত বিদেশীৰ পদানত হ'ল, অৰ্থনীতিৰ নিকৰুণ অৱস্থা পালে, সামাজিক বৰ্ণাশ্ৰম প্ৰথা ভাগি পৰিল আৰু তেতিয়াই পণ্ডিতসকলে চতুৰ্বৰ্ণৰ ঠাইত মাথোন দুটা জাতিৰ সৃষ্টি কৰিলে ব্ৰাহ্মণ আৰু শূদ্ৰ ঃ— বামুণ আৰু শূদিৰ। ক্ষত্ৰিয় আৰু বৈশ্য এই শ্ৰেণী দুটাক শূদ্ৰৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হ'ল। এই তথ্য মানি ল'লে সনাতন হিন্দু ধৰ্মৰ দুইজন বিশিষ্ট অৱতাৰী পুৰুষ শ্ৰীৰাম আৰু শ্ৰীকৃষ্ণক কোন বৰ্ণৰ বুলি কোৱা হ'ব?

ভাৰতৰ উত্তৰ-পূব অঞ্চল প্ৰধান আৰ্য্যভূমিৰ পৰা বহু আঁতৰত অৱস্থিত কাৰণে ওপৰত উল্লেখ কৰা সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অশুভ শক্তিবোৰৰ আয়ত্তৰ বাহিৰত থাকিবলৈ সক্ষম হ'ল। এই অঞ্চলত বাস কৰা পাহাৰী আৰু ভৈয়ামৰ আদিবাসী, জনজাতিসকলৰ মাজত জাতিভেদ প্ৰথাৰ কেতিয়াও প্ৰচলন নাছিল আৰু আজিও নাই। ইয়াৰ পূবদিশৰ শাসনকৰ্তা আহোমসকল আৰু পশ্চিম দিশৰ কোচসকলে জাতিভেদ প্ৰথা নামানিছিল। যিখিনি আৰ্য্য বংশোদ্ভৱ জীৱিকাৰ সন্ধানত বা আন কাৰণত ইয়ালৈ আহিছিল তেওঁলোকে ইয়াৰ জনসংস্কৃতিক আওকাণ কৰিব নোৱাৰিলে। সেয়ে এই অঞ্চলত বসবাস কৰা ব্ৰাহ্মণসকল ভাৰতৰ আন প্ৰান্তৰ ব্ৰাহ্মণৰ পৰা আচাৰ-ব্যৱহাৰ, নীতি-নিয়মত বহু পৰিমাণে উদাৰপন্থী আৰু

সহনশীল। সেই সময়ত ভাৰতীয় বহু ব্যভিচাৰী ধৰ্মীয় প্ৰথা অসমতো প্ৰচলন হ'বলৈ ধৰিছিল আৰু সেইবোৰৰ বিপক্ষে থিয় হৈ শংকৰদেৱে যেতিয়া ইয়াত ভক্তিধৰ্মৰ প্ৰচাৰ আৰম্ভ কৰে তেতিয়া বিশিষ্ট ব্ৰাহ্মণ পণ্ডিতসকলে তেওঁৰ লগত সম্পূৰ্ণ সহযোগিতা আগবঢ়াই ভক্তি আন্দোলন সফল কৰাত মহৎ অহিৰণা যোগাইছিল আৰু এইবোৰ কাৰণতে ভাৰতৰ আন ৰাজ্যৰ তুলনাত বহু নিৰ্মম প্ৰথা যেনে— সতীদাহ, কুলীন ব্ৰাহ্মণৰ বহু-বিবাহ, পণ প্ৰথা, কঠোৰ জাতিভেদ, গণিকাবৃত্তি, দাসপ্ৰথা, হৰিজন প্ৰথা আদি আমাৰ ৰাজ্যৰ মানুহৰ কাৰণে গল্পৰ নিচিনা কথাহে। ভাৰতৰ বৰ্ণভিত্তিক আৰু আচৰণসৰ্বস্ব ব্ৰাহ্মণ্য সমাজৰ তুলনাত অসমৰ ব্ৰাহ্মণসমাজ আদৰ্শগতভাৱে বহু অগ্ৰণী বুলি সকলোৱে স্বীকাৰ কৰিব লাগিব। তাৰ ভিতৰত মুষ্টিমেয় যি কেইজনে সংৰক্ষণশীলতা ত্যাগ কৰিব পৰা নাছিল বা নিজ ক্ষুদ্ৰ বৈষয়িক স্বাৰ্থ বিশাল জনগণৰ স্বাৰ্থৰ লগত মিলাই দিব নুখুজিলে তেওঁলোকেই আখ্যা পাইছিল কৰ্মকাণ্ডী হিচাপে।

### বেদ-বিহিত কৰ্ম?

এতিয়া ওপৰোক্ত বিষয়টোৰ বিষয় অৰ্থাৎ পিতৃশ্ৰাদ্ধ আদি কৰ্মৰ বিষয়ে বিচাৰ কৰি চোৱা যাওক। বেদৰ মন্ত্ৰ, ব্ৰাহ্মণ, অৰণ্যক আৰু উপনিষদত প্ৰেত-যজ্ঞ সম্বন্ধে কোনো উক্তি নাই। বেদৰ পিছৰ কালৰ ষড়দৰ্শন, যাৰ ভিতৰত বেদকো পূব মীমাংসা আৰু উত্তৰ মীমাংসা নামেৰে অন্তৰ্ভুক্ত কৰা হৈছে, সেই যুগতো পিতৃশ্ৰাদ্ধ বা প্ৰেতকৰ্ম সম্বন্ধে কোনো তথ্য বা নিৰ্দেশ নাই। মহাভাৰতৰ অনুশাসন পৰ্বৰ ৯১অধ্যায়ৰ কিছু শ্লোকৰ পৰা উমান পোৱা যায় কোনে শ্ৰাদ্ধ উদ্ভাৱন কৰিলে, কি কাৰণে কৰিলে আৰু ইয়াৰ মৰ্মাৰ্থই বা কি,

কেন চোৎপাদিতং শ্ৰাদ্ধং কস্মিন্নৰ্থে কিমাত্মকম্

বৰাহ পুৰাণতো শ্ৰাদ্ধোৎপত্তি সম্বন্ধে তথ্য পোৱা যায়। কিন্তু এই পুৰাণখন অৰ্বাচীন বুলি প্ৰায় সকলো আধুনিক পণ্ডিতে মত পোষণ কৰিছে। শ্ৰাদ্ধোৎপত্তি-বিনিশ্চয়ত কোৱা হৈছে যে নিমিৰ বংশত আত্ৰেয় নামৰ মহাত্মাই জন্ম লৈছিল। সহস্ৰ বছৰ তপস্যাৰ পাছত তেওঁৰ মৃত্যু হ'ল। নিমি অতি শোকাতুৰ হ'ল। এই শোক দূৰ কৰিবলৈ তেওঁ বহুচিন্তা কৰি এক উপায় উদ্ভাৱন কৰিলে। তেওঁ বিগত আত্মাৰ প্ৰতি শ্ৰদ্ধা দেখুৱাবলৈ শ্ৰাদ্ধ কৰিবলৈ স্থিৰ কৰিলে। পুত্ৰৰ প্ৰিয় সকলো দ্ৰব্যৰে তেওঁ ব্ৰাহ্মণসকলক ভোজ দান কৰি দক্ষিণাবৰ্তক্ৰমে শ্ৰাদ্ধ কৰিলে। কি ভাবে সেই ক্ৰিয়া কল্পিত হ'ল তাৰো বৰ্ণনা দিয়া হৈছে। কিন্তু পিণ্ডসংকল্প শ্ৰাদ্ধ কৰি উঠি ঋষিৰ মনত

গভীৰ অনুতাপ জন্মিল— "মই কি কৰিলোঁ, মোৰ পূৰ্বৰ কোনো মুনিয়েতো এই কৰ্ম কৰা নাই!"

বৃত্বা ভু পিণ্ডসংকল্পং পশ্চাতাপামকু ৰ্বত
অকৃতং মুনিভিঃ সৰ্বং কিং ময়া তদনুষ্ঠিতম্

(বৰাহ, ১৮৭, ৪০-৪১। মহাভাৰত অনুশাসন ৯১, ১৭) পুত্ৰস্নেহত বুদ্ধিহত অশুচিচিত্ত মই পুত্ৰাৰ্থে নিবাপ কৰ্ম (শ্ৰাদ্ধ কৰ্ম) কৰিলোঁ। দেৱতা, অসুৰ, গন্ধৰ্ব, পিশাচ আৰু ৰাক্ষসসকলে মোক কি বুলিব? পিতৃস্থানীয়সকলে বা মোক কি বুলি ভাবিব।

নিবাপকৰ্ম্ম অশুচি পুত্ৰাৰ্থে বিনিয়োজিতম।
অহো স্নেহ প্ৰভাৱেন ময়া চাকৃত বুদ্ধিনা।।
কথং মে মুনয়ঃ শাপাৎ প্ৰদহেযুৰ্ণমামিতি।
সদেবাসুৰগন্ধৰ্ব্বাপিশাচোৰ ৰাক্ষসাঃ
কিং কক্ষ্যন্তি মাং সৰ্বে যে বৈ পিতৃপদে স্থিতাঃ

(বৰাহ ১৮৭, ৪১-৪৩। মহাভাৰত অনুশাসন ৯১)

পূৰ্বতে এই শ্ৰাদ্ধ কোনো দেৱতা বা ঋষিয়ে কৰা নাই। এই কথা মই আগতে শুনাও নাই।

ন'চ শ্ৰুতংময়া পূৰ্বং ন দৈবৈ ঋষিভি কৃতম
(বৰাহ ১৮৭, ৬৫)

ভীত নিমিক নাৰদে আহি আশ্বাস দি ক'লে নিজ পিতৃক স্মৰণ কৰিবলৈ। পিতাকে নিমিৰ সম্মুখত আবিৰ্ভূত হৈ ক'লে, "হে তপোধন নিমি, তোমাৰ সংকল্পিত এই যজ্ঞ ভৱিষ্যতত পিতৃযজ্ঞ নামে এটি ধৰ্ম হ'ব বুলি ব্ৰহ্মাই নিৰ্দেশ কৰিলে।

নিমে সঙ্কল্পিত স্তেইয়ং পিতৃযজ্ঞস্তপোধন
পিতৃযজ্ঞেতি নিৰ্দিষ্টো ধৰ্ম্মোহয় ব্ৰহ্মাণাস্বয়ম।।
( বৰাহ ১৮, ৭, ৭১, মহাঃ অনুঃ ৯১, ২০)

ওপৰত বৰ্ণিত কথাখিনিৰ পৰা এইটো নিশ্চিতভাৱে ক'ব পাৰি যে শ্ৰাদ্ধকৰ্ম বৈদিক যুগৰ বহু পিছত প্ৰবৰ্তিত এটা সামাজিক কৰ্ম, যিটোত ধৰ্মীয় আৰোপ সনা হ'ল। কালক্ৰমত ই গৈ ধৰ্ম শাস্ত্ৰতো স্থান পালে। পৰলোকগত প্ৰিয়জনক স্মৰণ আৰু বিগত আত্মাৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন এই কৰ্মৰ মুখ্য উদ্দেশ্য, কিন্তু মৃতকৰ তৃপ্তিৰ বা মুক্তিৰ অৰ্থে বুলি যি দান, পিণ্ড আদিক বাধ্যবাধকতাৰ নিয়ম প্ৰচলিত হ'ল সেইবোৰ প্ৰকৃততে পুৰোহিতৰ তৃপ্তিৰ অৰ্থেহে। মৃতকৰ আত্মাৰ লগত সেইবোৰৰ কোনো সম্বন্ধ নাই, কিয়নো উপনিষদীয় সূত্ৰ মতে আত্মাৰ কোনো ক্ষুধা, তৃষ্ণা নাথাকে। দেহান্তৰত কাম-ক্ৰোধ, লোভ-মোহ, মদ-মাৎসৰ্য্য আদি পুৰি ছাই হয়। কেৱল হিন্দুৱে

নহয়, আন আন ধৰ্মৰ মানুহেও মৃতকৰ প্ৰতি বিভিন্ন ধৰণে শ্ৰদ্ধা দেখুৱায়।

প্ৰেতকৰ্ম সমাজত প্ৰচলিত হ'লেও ব্ৰাহ্মণসকল মনুসংহিতাৰ দিনৰ পৰাই এই কৰ্মৰ প্ৰতি খুব শ্ৰদ্ধাশীল নহয় বুলি ভাবিবৰ থল আছে। আন শ্ৰেণীৰ তুলনাত ব্ৰাহ্মণসকলে মৃতকৰ অশৌচ কম দিন পালন কৰে। প্ৰেতকৰ্ম সম্পাদন কৰা ব্ৰাহ্মণক অৱজ্ঞাৰ চকুৰে চোৱা হয়। শ্ৰাদ্ধত দান গ্ৰহণ কৰা অগ্ৰদানী ব্ৰাহ্মণসকলক সমাজত ব্ৰাহ্মণসকলেই সম্মানৰ চকুৰে নাচায়। শ্ৰাদ্ধত নিমন্ত্ৰণ খোৱাতো অনেকে অনুচিত বুলি ভাবে। আন যি কোনো যজ্ঞৰ পিছত 'ব্ৰাহ্মণ ভোজন' ব্যৱস্থা অতি মংগলজনক বুলি বিধান আছে। কিন্তু মৃতকৰ শ্ৰাদ্ধৰ পিছত ব্ৰাহ্মণভোজনৰ ব্যৱস্থা নাই। শাস্ত্ৰমতে যিদিনা শ্ৰাদ্ধ কৰা হয় সিদিনা বৈদিক সন্ধ্যা নিষিদ্ধ। শ্ৰাদ্ধৰ সময়ত উপবীত সাধাৰণ স্থলৰ ওলোটা অৰ্থাৎ সোঁফালে ধাৰণ কৰা নিয়ম। তদুপৰি শ্মশান অপৱিত্ৰ স্থান বুলি গণ্য কৰা হয় আৰু তাত চণ্ডালৰহে গতিবিধি। হৰিশ্চন্দ্ৰ ৰজাৰ অভিশাপৰ নিকৃষ্টতম কৰ্ম আছিল শ্মশান সেৱা। শ্মশানৰ অৰ্থ হ'ল য'ত শৱ শুই থাকে। (শ্মানঃ শবাঃ শেবতে যত্ৰ) শৱদাহ কৰা স্থানকো শ্মশান বোলা হয়।

## বেদ সম্বন্ধে

বৰ্তমান কালৰ কিছুমান পণ্ডিতে যিকোনো কৰ্মকাণ্ড অৰ্থাৎ পূজা-পাতলৰ বিষয়ে কথা উঠিলে এইটো বৈদিক বা শ্ৰুতিসম্মত, সেইটো বৈদিক নহয়, এনে ধৰণৰ যুক্তিৰেই মানুহৰ সংশয় দূৰ কৰিবলৈ যত্ন কৰে। কিন্তু বেদতনো কি আছে বা কোন মন্ত্ৰৰ কোন শব্দৰ কি অৰ্থ বা প্ৰভাৱ, এইবোৰৰ তাৎপৰ্য্য ব্যাখ্যা কৰাৰ তেওঁলোকৰ কোনো প্ৰচেষ্টা দেখা নাযায় বা প্ৰয়োজনো তেওঁলোকে অনুভৱ নকৰে যেন লাগে। আজিকালি সমাজত বেদজ্ঞ পণ্ডিতৰ সঙ্গ পোৱা দুৰ্লভ, কিন্তু বেদৰ দোহাই দি সস্তীয়া দুই-এষাৰ সংস্কৃতৰ শ্লোক (তাকো অতি অশুদ্ধভাৱে) আওৰাই অৰ্থ সংগ্ৰহ কৰি জীৱিকা নিৰ্বাহৰ পথ উলিওৱা 'লোক প্ৰচুৰ। কোনো অভিজ্ঞতা, শিক্ষা বা মূলধন নোহোৱাকৈ কৰিব পৰা এতিয়া এটাই ব্যৱসায় আছে আৰু সেইটো হৈছে পুৰোহিতালি। ইমান ঐতিহ্যমণ্ডিত এই পেচাটোৰ বৰ্তমান অৱক্ষয়ৰ কাৰণো এয়েই।

শূদ্ৰ আৰু নাৰীক বেদ পঢ়া দূৰৰ কথা, শুনাৰ পৰাও বঞ্চিত কৰা হৈছিল ধৰ্মৰ দোহাই দি, ম্লেচ্ছ আখ্যা পোৱা মোক্ষমূলাৰ, উইলসন, ক্ৰুম্নহফাৰ আদি পাশ্চাত্য পণ্ডিতৰ অধ্যৱসায় আৰু প্ৰচেষ্টাৰ গুণতহে বেদে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। পাশ্চাত্য পণ্ডিতসকলৰ ভিতৰত বেদৰ বিৰুদ্ধে কৰা সমালোচকো আছে বহুত। ওলডেনবাৰ্গে কৈছিল, স্থূলবুদ্ধি, তোষামোদপ্ৰিয় বাক্‌সৰ্বস্ব ব্যক্তিসকলৰ কল্পনাৰ বহু চাকচিক্য আৰু ঔজ্জ্বল্যপ্ৰিয়তা বেদত পোৱা যায়।" উইন্টাৰনিজ আৰু শ্ৰেডাৰৰ মতে বেদমন্ত্ৰ অপ্ৰকৃতিস্থ ব্যক্তিসকলৰ দ্বাৰা লিপিবদ্ধ আৰু মনোব্যাধি বিশেষজ্ঞসকলৰ

ৰক্ষিত ৰচনা। আন কেৱে বেদক হালোৱাৰ গীত বুলিও কৈছে। কিন্তু ক্ৰম্নহফাৰে মন্তব্য কৰিছে যে "স্বীয় মহত্ত্ববোধত জাগ্ৰত মানৱ জাতিৰ উষাকালত যি সুমধুৰ সঙ্গীত মূৰ্চ্ছনাত ঝংকৃত হৈছিল বেদ তাৰ তুল্য" ; মোক্ষমূলাৰৰ বেদ সম্বন্ধে ধাৰণা অতি উচ্চ আছিল। তেওঁৰ মতে ইন্দো ইউৰোপীয় জগতত বেদ প্ৰাচীনতম সাহিত্যস্তম্ভ। ইতিহাস, ভাষাতত্ত্ব আৰু দৰ্শনৰ মৌলিক গৱেষণাত বেদতকৈ মূল্যৱান গ্ৰন্থ জগতত নাই।

আধুনিক মনীষী আৰু ঐতিহাসিকসকলে গৱেষণাৰ দ্বাৰা বেদৰ জন্মকাল নিৰ্ণয় কৰিবলৈ চেষ্টা কৰিছে। তিলক আৰু জাকবিব মতে প্ৰচলিত খ্ৰীষ্টাব্দৰ পাঁচ-ছয় হাজাৰ বছৰ পূৰ্বে ঋগ্বেদ ৰচিত। মাৰ্টিন আৰু কোলব্ৰুকে কয়, খ্ৰীষ্টপূৰ্ব বিশ শতকৰ পৰা চৈধ্য শতকৰ ভিতৰত বেদ আবিৰ্ভূত হৈছিল। উইলসন চাহাবৰ মতে এনেকুৱা "ঋগ্বেদৰ অধিকাংশ সূক্ত সুপ্ৰাচীন কালত উদ্ভূত বুলিলে আৰু প্ৰাচীন পৃথিৱীৰ আদিতম প্ৰচলিত গ্ৰন্থসমূহৰ ভিতৰত গণ্য কৰিলে আমি বেছি ভুল নকৰোঁ।" মোক্ষমূলাৰ চাহাবৰ মতে বেদ বুদ্ধ প্ৰাক্‌কালৰ আৰু ই খ্ৰীষ্টপূৰ্ব পঞ্চম শতাব্দীৰ পূৰ্বে ৰচিত।

উইন্টাৰনিজৰ মন্তব্য এনে ধৰণৰ ঃ

"দুৰ্ভাগ্যবশতঃ ঋগ্বেদৰ জন্মকাল সম্বন্ধে প্ৰসিদ্ধ পণ্ডিতসকলৰ ভিতৰত ভীষণ মতভেদ বিদ্যমান। এই মতভেদ অনুসাৰে কালৰ পাৰ্থক্য শ শ বছৰৰ নহয়, সহস্ৰ বছৰৰ। কাৰো মতে ঋগ্বেদৰ উৎপত্তি খ্ৰীষ্টপূৰ্ব এক হাজাৰ বছৰ আৰু কাৰোবাৰ মতে খ্ৰীষ্টপূৰ্ব ২৫০০ ৰ পৰা ৩০০০ বছৰৰ ভিতৰত।" বিশেষজ্ঞসকলৰ ভিতৰত ইমান অধিক মতভেদ থাকিলে কোনো সময় নিৰ্দ্ধাৰণ অসম্ভৱ। সম্ভৱতঃ ইন্দো-আৰ্য্য সভ্যতাৰ প্ৰাৰম্ভণিতে বেদ ৰচিত।"

চতুৰ্বেদৰ ভাষ্যকাৰৰূপে সায়নাচাৰ্য্য সমগ্ৰ ভাৰতত স্মৰণীয় হৈ আছে আৰু থাকিবও। তেওঁৰ পূৰ্বত যে বেদভাষ্য ৰচিত হোৱা নাছিল তেনে নহয়, কিন্তু চতুৰ্দশ শতিকাত তেওঁ ৰচনা কৰা বেদভাষ্য সৰ্বশ্ৰেষ্ঠ ভাষ্যৰূপে ভাৰতৰ সৰ্বস্থানৰ সকলো পণ্ডিতৰ দ্বাৰা সমাদৃত। সায়ন আছিল অন্ধ্ৰদেশীয় ব্ৰাহ্মণ। একত্ৰিশ বছৰ বয়সত তেওঁ বিজয়নগৰ ৰাজ্যৰ মন্ত্ৰী পদত অধিষ্ঠিত হয়। সাম্ৰাজ্য পৰিচালনা আৰু শিক্ষাদান এই দুই কৰ্মত সায়ন নিপুণ আছিল। সায়নে কেৱল ৰাজ্য পৰিচালনাই নহয়, ৰাজ্যবিস্তাৰৰ কাৰণে যুদ্ধ-বিগ্ৰহতো নেতৃত্ব লৈছিল। চন্দ্ৰগুপ্তৰ অমাত্য কৌটিল্য অথবা মহাভাৰতৰ দ্ৰোণাচাৰ্য্যৰ দৰে তেৱোঁ পাণ্ডিত্য আৰু বীৰত্বৰ কীৰ্তিচিহ্ন এৰি গৈছে। ডঃ ঔফ্ৰেক্ত চাহাবৰ মতে তেওঁ প্ৰায় পঞ্চাশখন গ্ৰন্থ ৰচনা কৰি গৈছে। কাঞ্চীপুৰমত পোৱা শিলালিপিত নিম্নোক্ত শ্লোক পোৱা যায় ঃ

"ভৰদ্বাজকুলেশ শায়ন। গুণে স্বস্তস্থমে বাধিকঃ।"

(ভৰদ্বাজকুলতিলক সায়নাচাৰ্য্য ধন্য। বিচিত্ৰ গুণৰাজিৰ সমাবেশত তোমাৰ চৰিত্ৰ শ্লাঘণীয় আৰু স্মৰণীয়।)

ভাৰতত বেদ লুপ্তপ্ৰায় অৱস্থা পাইছিল। ১৮৪৯ খ্ৰীষ্টাব্দত সায়ন ভাষ্যসহ সমগ্ৰ ঋগ্বেদ ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰিপোষণত অক্সফোৰ্ডৰ পৰা প্ৰথমে প্ৰকাশ কৰে ফেডেৰিক মোক্ষমূলাৰে আৰু তেতিয়াৰ পৰাহে হিন্দু পণ্ডিতসকলৰ দৃষ্টি বেদ-চৰ্চাৰ প্ৰতি আকৰ্ষিত হয়। পাশ্চাত্য সংস্কৃতজ্ঞসকলৰ ভিতৰত হোৰেচ হেমান উইলসনৰ নামো ভাৰতত চিৰকাল স্মৰণীয় হৈ থাকিব, কিয়নো তেৱেঁই আছিল সম্পূৰ্ণ ঋগ্বেদৰ প্ৰথম ইংৰাজী অনুবাদক। ১৮৬০ খ্ৰীষ্টাব্দত তেওঁৰ অনূদিত প্ৰথম খণ্ড প্ৰকাশিত হয় আৰু প্ৰায় অৰ্ধাংশ প্ৰকাশিত হোৱাৰ সময়তে তেওঁ মৃত্যু বৰণ কৰে। তেওঁৰ পৰলোকৰ পিছত তেওঁৰ প্ৰাক্তন ছাত্ৰ আৰু বৈদিক অধ্যয়ন অনুৰাগী কাউৱেল চাহাবে এই গুৰুভাৰ যোগ্যতাসহকাৰে সমাধা কৰে। সায়নাচাৰ্য্যৰ ভাষ্যানুসাৰে উইলসনে ঋগ্বেদ অনুবাদ কৰিছিল। ভাষ্যকাৰ সায়নাচাৰ্য্য সম্বন্ধে কাউৱেল চাহাবৰ মন্তব্য এনেকুৱা ঃ "গ্ৰীচদেশীয় মহাকবি হোমাৰ ৰচিত কবিতাৱলীৰ যিদৰে ব্যাখ্যাকাৰ আছিল ইউষ্টেথিয়াম, তেনেদৰে বৈদিক সাহিত্যৰ স্মৰণীয় ভাষ্যকাৰ সায়নাচাৰ্য্য।"

ভাষ্যকাৰ সায়নাচাৰ্য্যৰ বেদ সম্বন্ধে বক্তব্য এনেকুৱা ঃ "মন্ত্ৰ ব্ৰাহ্মণয়োৰ্বেদ নামধেয়স" অৰ্থাৎ মন্ত্ৰ আৰু ব্ৰাহ্মণকে বেদ বোলে। মীমাংসা সূত্ৰতো পোৱা যায় যে বেদৰ অংশ দুটা যেনে মন্ত্ৰ আৰু ব্ৰাহ্মণ আৰু যি অংশ মন্ত্ৰ নহয় সিয়ে ব্ৰাহ্মণ। মন্ত্ৰাংশক সংহিতাও বোলা হয়, কাৰণ এই অংশত মন্ত্ৰসমূহ সংহিত আৰু সংগৃহীত। উইলসন চাহাবৰ মতে সংহিতা আৰু ব্ৰাহ্মণৰ ভিতৰত কালৰ ব্যৱধান সুদীৰ্ঘ। ব্ৰাহ্মণাংশত যি যজ্ঞৰ বিৱৰণ পোৱা যায় সংহিতাত সেইবোৰ নাই। সেয়ে সংহিতা আৰু ব্ৰাহ্মণৰ মাজৰ দূৰত্ব আৰু পাৰ্থক্য বিচাৰ কৰিলে অনুমান হয় যে ব্ৰাহ্মণ সংহিতাৰ সমকালীন বা অঙ্গীভূত নহয়। খ্ৰীঃ পূঃ সপ্তম দশকৰ পৰা চতুৰ্থ দশকৰ ভিতৰত যাস্কই 'নিৰুক্ত' ৰচনা কৰে। ইয়াত বেদাৰ্থ সংগৃহীত। যাস্কৰ মতে, 'মননাৎ মন্ত্ৰঃ' অৰ্থাৎ যিহৰ দ্বাৰা মনন কৰা হয় সেয়ে মন্ত্ৰ। যাস্কই কয় যে বেদমন্ত্ৰৰ, অধিযাজ্ঞিক, অধিদৈৱিক আৰু আধ্যাত্মিক এই তিনি প্ৰকাৰ অৰ্থ হ'ব পাৰে। সায়নৰ মতে অপ্ৰবৃত্তক যজ্ঞকৰ্মত প্ৰবৃত্ত কৰাই যজ্ঞবিধিৰ উদ্দেশ্য।

যজ্ঞকৰ্ম বা কৰ্মকাণ্ডই অতি গুৰুত্ব আৰোপ কৰিছে শব্দ আৰু অৰ্থৰ নিত্য আৰু অবিচ্ছেদ্য সম্বন্ধৰ ওপৰত। যথাবিধি শুদ্ধভাৱে মন্ত্ৰ উচ্চাৰণ আৰু যজ্ঞক্ৰিয়া অনুষ্ঠানৰ দ্বাৰাইহে মঙ্গলকাৰী ফল লাভ হয়। যথাবিধি কৰ্মই ধৰ্ম আৰু নিষেধ বাক্যৰ দ্বাৰা অবিহিত কৰিব নলগা কাম কৰিলে অধৰ্ম বুলি কোৱা হৈছে। সংহিতা আৰু ব্ৰাহ্মণৰ ভাষ্যকাৰসকলে বিশ্বাস নকৰে যে আনুষ্ঠানিক যজ্ঞকৰ্মৰ বাহিৰে আন কোনো

জ্ঞানৰ দ্বাৰা মানুহৰ আকাঙ্ক্ষাপূৰণ বা পূৰ্ণত্ব-প্ৰাপ্তি হ'ব পাৰে। পূৰ্বমীমাংসত ঈশ্বৰ সম্বন্ধে কোনো তথ্য আলোচিত হোৱা নাই আৰু ঈশ্বৰৰ অস্তিত্ব বা ৰূপো প্ৰকট হোৱা নাই। দেৱ-দেৱীসকলৰো কেৱল শক্তিৰহে কল্পনাৰ ব্যাখ্যা আছে, কিন্তু ৰূপৰ বৰ্ণনা নাই। সেয়ে যজ্ঞত দেৱ-দেৱীৰ উদ্দেশ্যে আহুতি দিয়া হয় অগ্নিত আৰু অগ্নিয়ে শিখাৰ দ্বাৰা সেই হবি বিভিন্ন দেৱ-দেৱীলৈ লৈ যায় বুলি বিশ্বাস কৰা হয়।

ভাৰতীয় সমাজৰ ধৰ্ম-দৰ্শন, সাহিত্য-পুৰাণ, স্মৃতিশাস্ত্ৰ সকলোতে বেদৰ প্ৰভাৱ অনস্বীকাৰ্য্য। ভাৰতীয় বিবাহ পদ্ধতি, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, গাৰ্হস্থ্য ধৰ্ম, বিজ্ঞান, চিকিৎসাশাস্ত্ৰ, সঙ্গীতশাস্ত্ৰ এই সকলোবোৰৰ ওপৰত বেদৰ প্ৰভাৱ প্ৰত্যক্ষ কৰা যায়। শত্ৰুজয়, পাপ-ক্ষয়, সৌভাগ্যকৰণ, পুত্ৰাদি লাভ, পুত্ৰকন্যাৰ বিবাহ, বাণিজ্যাদিত শ্ৰীলাভ, বশীকৰণ আদি নানা প্ৰকাৰ কৰ্মকাণ্ডৰ মন্ত্ৰ চতুৰ্বেদত পোৱা যায়। আনকি বধ-শপত, শাওঁশাপনি, নিজৰ স্বাৰ্থত আনৰ জীৱননাশো মন্ত্ৰৰ দ্বাৰা সম্ভৱ বুলি কথিত আছে। ৰাজসূয়, অশ্বমেধ, পুৰুষমেধ আৰু সৰ্বমেধ আদি বেদৰেই বিধি। সৃষ্টি-তত্ত্বৰ কথা বেদত উল্লেখ আছে, কিন্তু জন্ম-মৃত্যু, অমৰত্ব আদিৰ কোনো তত্ত্ব নাই। সেয়ে বেদ অবিমিশ্ৰিত ধৰ্ম-শাস্ত্ৰ বুলি বহু পণ্ডিতে মানিব নোখোজে আৰু বেদ সম্বন্ধে পণ্ডিতসকলৰ সম্পূৰ্ণ বিপৰীতধৰ্মী মন্তব্যও কালে কালে লিপিবদ্ধ হৈ আছে। পণ্ডিত ডি. এম. আপ্তেই এনেদৰে কৈছে ঃ "বেদৰ কৰ্মকাণ্ডত যদি কিবা মহৎ বা সুন্দৰ কথা আছে, তেন্তে ঋক বেদতেই তাৰ সীমা আৰু যিমান নীচ আপচু কথা হ'ব পাৰে, ব্ৰাহ্মণ সাহিত্যই তাৰ ভঁৰাল।" আনহাতে ঋষি অৰবিন্দৰ বেদ সম্বন্ধে মন্তব্য অতি ওখ খাপৰ, "আমি আৰু বেদক অজ্ঞানমূলক শ্ৰদ্ধাভক্তিৰ আৱৰণত আবৃত্ত ৰাখি আত্ম প্ৰৱঞ্চনাৰ প্ৰশ্ৰয় নিদিম। যদি আমি বেদক আখ্যানমূলক আৰু যজ্ঞবিধি-পূৰ্ণ গ্ৰন্থৰূপে ধৰি লওঁ, তেনেহ'লে সেইবোৰ সদায় পিছত পেলাই আৰু যদি ই ইউৰোপীয় পণ্ডিতসকলৰ মতানুসৰি বিশ্বাস কৰোঁ যে বেদ অৰ্ধসভ্য আদিম অধিবাসীসকলৰ অতীত কাহিনীমাত্ৰ, তেনেহ'লে সেইবোৰ প্ৰত্নবস্তুৰূপে যাদুঘৰত ৰখাই কৰ্তব্য। প্ৰকৃততে বেদ দিব্যজ্ঞানৰ অক্ষয় ভাণ্ডাৰ আৰু বেদবাণীৰ শ্ৰৱণ আৰু স্বাধ্যায় আমাৰ জীৱন সাধনাৰ কাৰণে অত্যাৱশ্যক।" মন্ত্ৰ আৰু ব্ৰাহ্মণ সম্বন্ধে অলপ আলোচনা কৰা হ'ল। ঋষি মন্ত্ৰদ্ৰষ্টা হৈ মন্ত্ৰ উচ্চাৰণ কৰিলে, ব্ৰাহ্মণ গ্ৰন্থত বিধি ৰচনা হ'ল। মুষ্টিমেয় কিছু ব্ৰাহ্মণ মন্ত্ৰ বিধিৰ সহায়ত যজ্ঞকৰ্মৰ পুৰোহিত হ'ল। সৰ্বশ্ৰেষ্ঠ ক্ষত্ৰিয় দুই এজন ৰাজচক্ৰৱৰ্তীয়ে যজ্ঞ কৰি প্ৰবৃত্তি মাৰ্গৰ সাধনাত আগবাঢ়িল ; কিন্তু বিৰাট জনতাৰ এই কৰ্মকাণ্ডৰ লগত জড়িত হোৱাৰ সুযোগ নহ'ল, বেছিভাগ ক্ষত্ৰিয় ৰজা বেহা-বেপাৰ কৰি, খেতি কৰি জনগণৰ চাহিদা পূৰণ কৰা বৈশ্যসকল, সকলোৰে আলপৈচান ধৰা শূদ্ৰসকল, নাৰীসকল যজ্ঞমণ্ডপৰ বাহিৰত থাকিল, অনাৰ্য্য বা ম্লেচ্ছ বোলা সকলৰতো কোনো প্ৰশ্নই নুঠিল। মুঠতে

এটা বিশাল জনতাৰ এটা গোষ্ঠীয়ে আধিযাজ্ঞিক কৰ্মত ৰত থাকিল, আধ্যাত্মিক চিন্তাশীলসকলৰ প্ৰশ্ন আৰম্ভ হ'ল, এয়া কি হৈছে, কাৰ কাৰণে হৈছে, ইয়াৰ পৰিণতি কি ? অনুসন্ধিৎসাই বিৱৰ্তনৰ আলোড়ন তুলিলে। ক্ষত্ৰিয়সকলে যজ্ঞকাণ্ডৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনালে। ঋষিসকলৰ অৰণ্যৰ ভিতৰত সাধনা আৰম্ভ হ'ল। এনেদৰেই আৰম্ভ হ'ল অৰণ্যক আৰু উপনিষদীয় যুগ ব্ৰাহ্মণৰ শেষ অংশৰ পটভূমিত।

উপনিষদ শব্দৰ অৰ্থ ব্ৰহ্মবিদ্যা আৰু সেয়ে ই জ্ঞানমাৰ্গী আখ্যা পাইছে। 'উপ' আৰু 'নি' পূৰ্বক 'সদ' ধাতুৰ উত্তৰ ক্বিপ প্ৰত্যয় যোগ হৈ এই শব্দটো গঠিত হৈছে। 'উপ' শব্দই সামীপ্য বুজায় ; 'নি' শব্দটো নিশ্চয়াৰ্থক আৰু নিঃশেষাৰ্থক। 'সদ্' ধাতুৰ অৰ্থ শিথিলকৰণ, গতি বা প্ৰাপ্তি আৰু অবসাদন বা বিনাশ। সেয়ে উপনিষদৰ ধাতুগত অৰ্থ একান্ত নিশ্চয়তাৰদ্বাৰা যি বিদ্যাই সহেতুক সংসাৰ উন্মূলিত কৰে, অথবা যিয়ে সোনকালে আত্মসমীপলৈ লৈ যায়। নতুবা যি বিদ্যাৰ আশ্ৰয় গ্ৰহণপূৰ্বক যোগস্থ হৈ নিঃসংশয়ে অনুশীলন কৰিলে সেই বিদ্যাই অবিদ্যাদি সংসাৰ বন্ধন শিথিল বা বিনাশ কৰে। চমুভাৱে ক'বলৈ হ'লে, নতুন জ্ঞান লভিলে নেদেখা সত্তাক দেখিব পাৰি, নুশুনাক শুনিব পাৰি, নভবাক ভবা হয় আৰু নজনাও জনা হয়। এই বিদ্যাই প্ৰতিষ্ঠা কৰিলে যে, এজন সৰ্বশক্তিমান, সৰ্বব্যাপী আৰু সৰ্বজ্ঞ অক্ষৰ ব্ৰহ্মৰ তত্ত্ব, যাৰ প্ৰশাসনত চন্দ্ৰ-সূৰ্য্য, ভূলোক-দ্যুলোক, সৰ্বভূত ভ্ৰাম্যমান আৰু বিৰাজমান ; যাক কোনেও বাহ্য ইন্দ্ৰিয়েৰে নেদেখে, নুশুনে, নাজানে, কিন্তু যাৰ বাহিৰে দ্ৰষ্টা, শ্ৰোতা আৰু বিজ্ঞতা কেও নাই, আৰু যি ব্ৰহ্মাতে সৰ্বতত্ত্বৰ অবস্থান।

উপনিষদৰ এই ব্ৰহ্মবিদ্যাৰ প্ৰৱক্তাসকলৰ ভিতৰত ক্ষত্ৰিয় কুলতিলক ৰাজৰ্ষি জনক সুপ্ৰসিদ্ধ। বিশ্বামিত্ৰৰ দৰে এৰোঁ ক্ষত্ৰিয় কুলজ হৈয়ো জ্ঞানত ব্ৰাহ্মণত্ব লাভ কৰিছিল। প্ৰাচীন ১০৮ খন উপনিষদৰ অতি সৰহ আৰু ঘাইখিনি ক্ষত্ৰিয় ঋষিৰ ধ্যানমগ্ন চিন্তাৰ পৰিণতি। কৰ্মকাণ্ডৰ যুগৰ উপেক্ষিত, অৱহেলিত বহু শূদিৰ আৰু তিৰোতায়ো উপনিষদৰ যুগত বেদৰ মন্ত্ৰকৰ্তা ঋষিৰ আসনত বহিবলৈ সক্ষম হ'ল। সেয়ে আমি পাওঁ দেৱীসূক্তৰ মন্ত্ৰ-কৰ্ত্ৰী অম্ভৃণ ঋষিৰ কন্যা শূদ্ৰা বাক্, গাৰ্গী, যাজ্ঞবল্ক্যৰ পত্নী মৈত্ৰেয়ী আদি মহীয়সি নাৰীৰ স্মৰণ। উপনিষদৰ যুগৰ ভাৰতমনীষাৰ চিত্তবিকাশৰ উজ্জ্বলতম আৰু উচ্চতম স্তৰ বুলি সকলোৱে স্বীকাৰ কৰে। উপনিষদৰ যুগৰ সত্যপৰায়ণতা আৰু প্ৰজ্ঞাৰ উপমা সেই সময়ৰ পৃথিৱীৰ আন কোনো প্ৰান্ততে বিকশি উঠাৰ উদাহৰণ নাই। সেয়ে মন্ত্ৰ-ব্ৰাহ্মণৰ প্ৰৱক্তা ঋষিসকলে ব্ৰহ্মবিদ্যা লভিবলৈ ক্ষত্ৰিয় ঋষিসকলৰ শিষ্যত্ব স্বীকাৰ কৰি সেই বিদ্যা আয়ত্ত কৰিবলৈ চেষ্টা কৰিছিল। এই বিদ্যা লাভ কৰিবলৈ যি সাধনা, তাক সংক্ষেপে কোৱা হৈছে "প্ৰণিপাতেন, পৰিপ্ৰশ্নেন, সেবয়া"— অৰ্থাৎ প্ৰণিপাত, পৰিপ্ৰশ্ন আৰু সেৱাৰ দ্বাৰা।

সময়বোৰ বাগৰি গৈ আছিল। সত্যদ্ৰষ্টা ঋষিসকলৰ পৰ্য্যবেক্ষণ, বিশ্লেষণ আৰু বিচাৰত প্ৰকাশ পাইছিল যে সেই কালৰ ভাৰতীয় জনসংস্কৃতিৰ যি স্তৰ আছিল সেই অৱস্থাত উপনিষদযুক্ত তত্ত্ববোৰো সকলোৰে সহজে বোধগম্য হোৱাতো সম্ভৱ নাছিল। এই জ্ঞানৰ পোহৰে সকলোকে পোহৰ বিলাব পৰা নাছিল। ইতিমধ্যে বহু আগম শাস্ত্ৰৰো আবিৰ্ভাৱ ঘটিছিল। সেয়ে উপনিষদৰ সাৰ-বস্তু উদঘাটনৰ আৰু প্ৰচেষ্টা আৰম্ভ হ'ল। সৃষ্টি হ'ল ব্যাসমনীষাৰ অৱদান ব্ৰহ্মসূত্ৰ বা বেদান্তসূত্ৰ, প্ৰকাশ হ'ল ভাৰত পুৰাণ আৰু তাৰেই অংশ গীতা। উপনিষদ, ব্ৰহ্মসূত্ৰ আৰু গীতা, এই ত্ৰয়ীকেই সংক্ষেপে বোলা হয়, 'প্ৰস্থানত্ৰয়ী'। এই তিনি শাস্ত্ৰই বেদান্তদৰ্শনৰ ভেটি। ব্ৰহ্মসূত্ৰত এফালে উপনিষদৰ প্ৰতিপাদ্য বিষয় সূত্ৰাকাৰে বৰ্ণিত হৈছে, আনফালে বিৰুদ্ধমত খণ্ডন কৰি স্বমত প্ৰতিপাদিত হৈছে। সেয়ে এই গ্ৰন্থ, 'ন্যায় প্ৰস্থান' নামে অভিহিত। গীতাক 'স্মৃতি প্ৰস্থান' আৰু উপনিষদসমূহক 'শ্ৰুতিপ্ৰস্থান' বোলা হয়। এই গীতাতেই নিৰ্গুণ নিৰাকাৰ অক্ষৰ ব্ৰহ্মই মায়োপহিত সগুণ সাকাৰ ৰূপ পালে। কালক্ৰমত সেই হেজাৰ যুগৰ অনসন্ধান, কল্পনা আৰু অভিজ্ঞতাৰ ভেটিত পাঁচটা বৈদান্তিক মতবাদ প্ৰতিষ্ঠিত হ'ল, যেনে- অদ্বৈত, বিশিষ্টতাদ্বৈত, দ্বৈতাদ্বৈত, শুদ্ধাদ্বৈত আৰু দ্বৈত। ইয়াৰ প্ৰথমটো ভক্তি ৰসাপ্লুত জ্ঞানমাৰ্গী আৰু বাকী চাৰিটা সম্পূৰ্ণ ভক্তিমাৰ্গী।

এই পটভূমিতেই সুপ্ৰসিদ্ধ দ্বৈতবাদী আনন্দতীৰ্থ বা মাধবাচাৰ্য্যই তেওঁৰদ্বাৰা প্ৰণীত বেদ-ভাষ্যত বৰ্ণনা কৰিছে যে, ভগৱান নাৰায়ণেই সৰ্ববেদৰ প্ৰতিপাদ্য। সেই নাৰায়ণেই পুৰ্ণপুৰুষ আৰু ঋগ্বেদীয় পুৰুষ সূক্তত তেওঁকে সহস্ৰশীৰ্ষ পুৰুষ বোলা হৈছে। আৰ্য্যসমাজৰ প্ৰতিষ্ঠাতা স্বামী দয়ানন্দ সৰস্বতীয়ে ঋগ্বেদ-সংহিতাৰ ভাষ্য সংস্কৃতত লিখিছে। উক্ত ভাষ্যৰ ভূমিকাত তেওঁৰ মন্তব্য এনেকুৱা : "বেদ অনাদি আৰু ঈশ্বৰ প্ৰণীত। চতুৰ্বেদত একেশ্বৰবাদ প্ৰতিপাদিত। ঈশ্বৰেই বেদসমূহৰ প্ৰতিপাদ্য বিষয়। ইন্দ্ৰ, অগ্নি, ৰুদ্ৰ, বৰুণ, সবিতা, পূষা প্ৰভৃতি বেদোক্ত স্তুতি একেশ্বৰৰ স্তুতি মাত্ৰ।" ভাগৱতৰ একাদশ স্কন্ধৰ শ্ৰীকৃষ্ণ-উদ্ধৱ খণ্ডত মহাপুৰুষ শংকৰেদেৱেও বৰ্ণাইছিল :

চাৰিবেদ ৰামায়ণ পুৰাণ ভাৰত।
হৰিকেসে কবৈ মাত্ৰ সমস্তে শাস্ত্ৰত।।
ইহাক নাজানি আন কবৈ অল্পমতি।
কদাচিতো নুশুনিব সিসব সম্মতি।।

বৈদিক যুগৰ পিছৰ ধৰ্ম বিৱৰ্তনৰ ইতিহাস বিচিত্ৰ। ৰামায়ণ, মহাভাৰত আৰু পুৰাণসমূহত আমি ব্ৰাহ্মণসকলৰ যজ্ঞকৰ্মত বিঘিনি ঘটোৱা অসুৰ দানৱৰ বহু কাহিনী পাওঁ। এই অসুৰ দানৱ বিশেষণধাৰী ব্যক্তিবোৰ কোন? অলপ চিন্তা কৰিলে ওলাই

পৰে যে, আৰ্য্য ঋষিসকলৰ প্ৰবৃত্তিমাৰ্গী যজ্ঞকৰ্মৰ লগত ভাৰতৰ সাধাৰণ জনগণৰ কোনো যোগাযোগ নাছিল আৰু তেওঁলোকে সেইবোৰ বিশ্বাসো নকৰিছিল। সেয়ে যিসকল বীৰে তেওঁলোকৰ আচৰণত প্ৰতিবন্ধকতা সৃষ্টি কৰিছিল তেওঁলোকক অসুৰ, দানৱ, ৰাক্ষস, দস্যু আদি নানা আখ্যা দিয়াৰ প্ৰচেষ্টা চলিছিল। আৰ্য্যসকল বাহিৰৰপৰা ভাৰতলৈ আহিছিল নে ভাৰতৰে এটা গোষ্ঠীয়ে বুদ্ধিমত্তাৰ অহমিকাত ইয়াৰ স্থানীয় অধিবাসীসকলক পদতলত ৰাখিবলৈ চেষ্টা কৰিছিল সেই বিষয়ে মতানৈক্য আছে, কিন্তু আৰ্য্য অহমিকাৰ বিষয়ে কোনো মতানৈক্য নাই। অৱশেষত এমুঠি পণ্ডিতৰ অগনিত মানৱমণ্ডলীৰ লগত বিৰোধ আৰু কিমান দিন প্ৰৱৰ্তে ? সেয়ে ধাপে ধাপে তেওঁলোকে নামি আহি প্ৰাকৃত ধৰ্মৰ নানা প্ৰথা গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। তেওঁলোকে ক্ৰমে ক্ৰমে এইটোও গম নোপোৱাকৈ নাছিল যে, প্ৰাক্ বৈদিক যুগৰ ভাৰতীয় ইতিহাস বৈদিক যুগৰ বহু ব্যৱস্থাতকৈ অনেক উন্নত আছিল। এনেকুৱা পৰিৱেশতে সকলো যজ্ঞৰ পূৰ্বতে বিঘ্ননাশন, গণদেৱতা অৰ্থাৎ প্ৰাকৃতজনৰ দেৱতা গণেশক স্বীকাৰ কৰি লোৱা হ'ল। হোমাগ্নিৰ ওচৰত শালগ্ৰাম বুলি শিলক স্থান দিয়া হ'ল।

ঋগ্বেদত শিশ্নদেৱ শব্দটো একাধিকবাৰ পোৱা যায়। বহুতে ভাবে যে, এই শিশ্নদেৱ উক্তিৰদ্বাৰা লিঙ্গপূজাৰ বা Phallic Workshipৰ বিষয়ে ক'ব খোজা হৈছে। কিন্তু আৰ্য্যসকলে শিশ্নদেৱক সহ্য কৰিব পৰা নাছিল। চৰিত্ৰহীন শিশ্নদেৱৰ নিন্দাসূচক পুৰাণসমূহৰ আখ্যানবোৰৰ পৰা লিঙ্গপূজাৰ লগত বৈদিক ধৰ্মৰ বিৰোধৰ স্পষ্ট প্ৰমাণ পোৱা যায়। শিৱ আছিল শূদ্ৰৰ দেৱতা। শবৰ আৰু কিৰাতসকলৰ দ্বাৰা পূজিত শিৱ আছিল কিৰাতবেশী আৰু শিৱানী আছিল শবৰী মূৰ্তি। কিন্তু অৱশেষত বেদৰ ৰুদ্ৰ আৰু শিৱ একে বুলি স্বীকাৰ কৰি গণ-চিত্তৰ অনুকূলতা প্ৰাৰ্থনা কৰা হ'ল। আৰ্য্যঋষিসকলে শিৱপূজাৰ মাহাত্ম্যৰ স্বীকৃতি দিয়াৰ ক্ষেত্ৰত অৱদান আচলতে ঋষিপত্নীসৱৰহে। এই কথাৰ প্ৰমাণ বহু পুৰাণতে পোৱা যায়। নগ্নবেশী সৰ্বাঙ্গসুন্দৰ যুৱক শিৱক দেখি মুনিপত্নীসকলে কামাৰ্ত হৈ নিৰ্লজ্জ আচৰণ কৰিছিল। স্ত্ৰৈন মুনিসকলে স্ত্ৰীবোৰক আয়ত্তত ৰাখিবলৈ চেষ্টা কৰিও বিফল হ'ল। অৱশেষত যাজ্ঞিক তপোবলৰ অহংকাৰত মত্ত মুনিসকলে নিজৰ স্ত্ৰীকে চম্ভালিবলৈ অপাৰগ হোৱাৰ লোকলজ্জাৰ হাত সাৰিবলৈ শিৱপূজা বা লিঙ্গপূজা স্বীকাৰ কৰিবলৈ বাধ্য হ'ল। এই পূজা স্বীকাৰ কৰিলেও ব্ৰাহ্মণসকলে আন্তৰিকভাৱে ইয়াক লব নোৱাৰিলে আৰু সেয়ে অতি কৌশলেৰে শিৱপূজাৰ উচ্ছিষ্ট বা প্ৰসাদ খোৱাটো অস্পৃশ্য বুলি বিধান কৰা হ'ল। এইবোৰৰ পৰাই প্ৰমাণিত হয় যে, শিৱপূজা বা শিৱাণীপূজা বৈদিক ধৰ্ম নহয়। ই প্ৰাকৃতসকলৰহে পূজা।

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ মতে শক্তিপূজা অনাৰ্য্যসকলৰহে বস্তু। Indian Philosophy গ্ৰন্থত তেখেতে লিখিছে

"Sakti worship, there is no doubt, prevailed originally among the non-Aryans and was gradually adopted by the Aryas."

[ Indian Philosophy voll p 487]

[কোনো সন্দেহ নাই যে শক্তিপূজা (দুৰ্গাপূজা) পোনতে অনাৰ্য্যসকলৰ মাজত প্ৰচলিত আছিল আৰু লাহে লাহে আৰ্য্যসকলৰ দ্বাৰা গৃহীত হৈছিল]

The Religion of India গ্ৰন্থত Mr A Bartk এ লিখিছে ঃ

As for the supremacy assigned to the female divinity that is only affirmed in certain puranas and the literature of the Tantras (p. 200)

[ স্ত্ৰীদেৱতাক প্ৰাধান্য দিয়াৰ বিষয়ত কেইখনমান পুৰাণ আৰু তন্ত্ৰসাহিত্যতহে সমৰ্থন পোৱা যায় ]

শক্তি উপাসনাৰ বিষয়ে আৰ. জি. ভাণ্ডাৰকাৰৰ মত এনে ধৰণৰ,

In the vedic literature down to the Grihasutra which we have examined for tracing the development of the idea of Rudra-Siva, no female devote of predominal power is mentioned. We have such name as Rudrani and Bhabani, which are simply derivatives and donot show a belief in the existence of an independent powerful goddess, Uma too is the wife of a god and does not over-shadow her male consort.

(ৰুদ্ৰশিৱৰ ধাৰণা বিকাশৰ উহ বিচাৰি বৈদিক সাহিত্যৰ পৰা আৰম্ভ কৰি গৃহসূত্ৰবোৰলৈকে যিবোৰ ৰচনা আমি পৰীক্ষা কৰিলোঁ, তাত প্ৰাধান্যসূচক শক্তিযুক্ত কোনো স্ত্ৰী ভক্তাৰ আমি উল্লেখ নাপালো, ৰুদ্ৰানী, ভৱানীৰ দৰে শব্দ আমি পাইছোঁ, সেইবোৰ কেৱল প্ৰত্যয়যুক্ত শব্দহে। শক্তিমতী দেৱী এগৰাকী সম্পৰ্কে কোনো বিশ্বাস সেইবোৰত পোৱা নাযায়। উমাও দেৱতা এজনৰ পত্নীহে, স্বামীক তেওঁ আঁৰ কৰি ধৰিব পৰা নাই।)

Vaisnavism, Saivism and Minor Religious Systems (P. 142)

## ভাগৱতী মতৰ উদাৰতা

সকলো মানুহৰ মাজত আৰু বিশেষকৈ বাহিৰৰ লগত সংযোগ স্থাপন এয়া হ'ল জীৱনৰ ধৰ্ম। এই প্ৰক্ৰিয়া বাধাগ্ৰস্ত হ'লে ধীৰে ধীৰে জাতি মৃত্যুমুখলৈ আগবাঢ়ে। ভাৰতত বাস কৰা বিভিন্ন জাতি-উপজাতি আৰু বিদেশৰ পৰা ভাৰতলৈ অহা নানা

জাতিৰ মানুহক ভাগৱতীসকলে বুকুত সাৱটি আপোন কৰি লৈছিল। পৰক আপোন কৰিব নোৱাৰিলে মানুহ আৰু পশুৰ বিশেষ প্ৰভেদ নাথাকে। ভক্তি আৰু প্ৰেমৰ দ্বাৰাইহে এই যোগ সম্ভৱপৰ। গ্ৰীকসকল ভাৰতলৈ অহাত তেওঁলোকক সম্ভাষণ জনোৱা হ'ল। খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ বেসনগৰত পোৱা এক শিলালিপিৰ পৰা জানিব পাৰি যে তক্ষশীলাবাসী ডিয়সৰ পুত্ৰ হেলয়োডৰ পৰম বৈষ্ণৱ ভক্ত হৈ বিষ্ণুমন্দিৰৰ গৰুড়ধ্বজ নিৰ্মাণ কৰি দিছিল। ৰাজ্যজয়ৰ কাৰণে ভাৰতলৈ অহা মুছলমান ৰজাসকলৰ বহুপূৰ্বে ইয়ালৈ আহিছিল মুছলমান সাধকদল। মুছলমানৰ চুফী সম্প্ৰদায়টো এই সাধানাৰে ফল। বাউল আদি সম্প্ৰদায়বোৰৰ সাধকসকলে নিজকে হিন্দু বা মুছলমান ধৰ্মৰ লোক বুলিও নকয়। তেওঁলোক কেৱল বাউল অৰ্থাৎ পাগল। প্ৰকৃতপক্ষে ভাৰতীয় সনাতন ধৰ্মটোৰ 'হিন্দু' নামকৰণ মুছলমানসকলেহে কৰিছিল; কিন্তু বিজেতা মুছলমান ৰজাসকলে যেতিয়া শক্তিপ্ৰদৰ্শনৰ দ্বাৰা আৰু আন প্ৰলোভন দেখুৱাই ধৰ্মান্তকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিলে তেতিয়া সাধনাৰ পথত বিজুতি ঘটিল। সেয়া আছিল ৰাজনীতিৰ দানবীয় প্ৰকাশ, আদৰ্শগত সাধনাৰ লগত সম্পৰ্কহীন।

খ্ৰীষ্টান ধৰ্মযাজকসকলে যেতিয়া প্ৰথমে দক্ষিণ ভাৰতলৈ আহিল তাৰ হিন্দু ৰজাসকলে তেওঁলোকক ব্ৰহ্মোত্তৰ ভূমিবৃত্তি দি ধৰ্মসাধনাৰ পথত সহায় আগবঢ়াইছিল। নিজ ধৰ্ম ৰক্ষাৰ কাৰণে পাৰস্যৰ পৰা (বৰ্তমান ইৰাণ)। পাৰসীসকলে যেতিয়া ভাৰতলৈ আহিল গুজৰাটৰ ৰাণাই তেওঁলোকক ভূমি আৰু আশ্ৰয় দান কৰি নিজ ধৰ্মৰ পৰম্পৰা ৰক্ষা কৰাত সকলো সাহায্য আগবঢ়াইছিল। বহু হিন্দুৰজাই মুছলমান ভক্তসকলৰ কাৰণে বহু মচজিদ সাজি দিয়াৰ তথ্যও জৈনসকলৰ পুৰণি প্ৰবন্ধ-গ্ৰন্থত পোৱা যায়। এনেকুৱা পৰিবেশৰ সৃষ্টি কৰিছিল ভক্তিপ্ৰধান ভাগৱতীসকলে। বেদপন্থী যাগযজ্ঞপৰায়ণ আৰ্য্যসকলে কেৱল আনক দূৰতে বিদূৰ কৰি ৰখাৰ মন্ত্ৰহে জানিছিল। এক ভগৱানৰ উপাসনা, একৰ বাহিৰে আন কাৰো উপাসনাত নিজকে জড়িত নকৰাতো কেৱল নববৈষ্ণৱ পন্থৰ তত্ত্ব বুলি ভবাটো ভুল। এই তত্ত্ব খ্ৰীষ্টজন্মৰ বহু পূৰ্বতে বৈষ্ণৱপন্থীসকলে প্ৰচাৰ কৰিছিল। ভাগৱত পুৰাণ ষষ্ঠ শতিকামানত ৰচিত বুলি পণ্ডিতসকলে কয়, তথাপি এই শাস্ত্ৰ সেই প্ৰাচীন ধাৰাৰেই অভিব্যক্তি বুলি ধৰি লব পাৰি।

এনেকুৱা এক পৰিবেশৰ প্ৰতি অভূতপূৰ্ব সঁহাৰি আগবঢ়াইছিল মোগল সম্ৰাট আকবৰে। তেওঁৰ শাসনকাল আছিল ১৫৫৬-১৬০৫ খ্ৰীষ্টাব্দ। মহামতি আকবৰে তেওঁৰ ৰাজসভাত মুছলমান উলেমাৰ উপৰিও খ্ৰীষ্টিয়ান, হিন্দু, জৈন আৰু পাৰসী ধৰ্মযাজকক সম্মানিত স্থান দিছিল আৰু তেওঁলোকৰ লগত সৰ্বধৰ্ম সমন্বয়ৰ বিষয়ে গভীৰভাৱে আলোচনা কৰিছিল। ভাৰতীয় সনাতন ধৰ্মৰ শিৰোমণি শাস্ত্ৰ উপনিষদ আদি, ৰামায়ণ, মহাভাৰত কাব্য ফাৰ্চী ভাষালৈ অনুবাদ কৰাইছিল। আকবৰৰ পিছত

জাহাঙ্গীৰ আৰু চাহজাহানৰ ৰাজত্ব কালতো আকবৰৰ নিৰ্দেশিত ব্যৱস্থাই চলি আছিল, যদিও এই দুজন সম্ৰাটৰ কাৰ্য্যাবলীত ত্ৰুটী বিচ্যুতিয়ো চকুত নপৰাকৈ নাছিল। চাহজাহানে তেওঁৰ জ্যেষ্ঠপুত্ৰ দাৰা শিকোক তেওঁৰ উত্তৰাধিকাৰী মনোনীত কৰিছিল আৰু শেষত ৰুগ্ন অৱস্থাত ৰাজ্য পৰিচালনাৰ ভাৰ দিছিল। দাৰা শিকো হিন্দু-দৰ্শনৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত হৈছিল। তেওঁৰ দ্বাৰা ৰচিত বিখ্যাত গ্ৰন্থ 'মজনাউল বাহৰেইন' (The minqling of two oceans) তাৰেই নিদৰ্শন। সম্ৰাট ঔৰংজেবৰ ৰাজত্বকালত আকবৰীয় সমন্বয়বাদী ধৰ্মীয় নীতি প্ৰত্যাখ্যাত হ'ল আৰু তাৰ ফলতেই মোগল সাম্ৰাজ্যৰো পতনৰ সূত্ৰপাত হ'ল।

## কামৰূপীয় ভাগৱতী ধৰ্ম-সম্প্ৰদায়ৰ বৈশিষ্ট্য

**দৰ্শন :** ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ কামৰূপ ৰাজ্যত ভক্তিধৰ্মৰ শলিতা জ্বলাইছিল প্ৰথমতে যুগনায়ক মহাপুৰুষ শংকৰদেৱে, কিন্তু ইয়াৰ দ্বাৰা এইটো নুবুজায় যে শংকৰৰ পূৰ্বত এই দেশত বৈষ্ণৱ ধৰ্মমতৰ প্ৰচলন নাছিল। বহু পণ্ডিতৰ মতে ভগদত্তৰ ৰাজত্বকালৰ পৰাই কামৰূপত বৈষ্ণৱ মতবাদৰ শুভাৰম্ভ হৈছিল। এই বিষয়ত পুৰাতাত্বিক আৰু ঐতিহাসিক প্ৰমাণো নোহোৱা নহয়। কিন্তু দাক্ষিণাত্যত আলৱাৰসকলৰ আবেগময় ভক্তি আন্দোলনৰ পিছৰ পৰা আগৰ বৈষ্ণৱ প্ৰথা প্ৰাচীন বুলি পৰিচিত হ'ল। এটা সংস্কাৰধৰ্মী অন্তৰ্বিপ্লৱৰ আৰম্ভণি হ'ল। এই আন্দোলনত প্ৰাচীন জাত-পাতৰ বিচাৰৰ কঠোৰতা শিথিল হ'ল. আনুষ্ঠানিক ক্ৰিয়া-কৰ্ম, নিয়ম-নীতিৰ পৰিৱৰ্তে এজন মাত্ৰ ঈশ্বৰৰ প্ৰতি আবেগিক বা অহৈতুকী বা ঐকান্তিক ভক্তিৰ প্ৰাধান্য স্বীকৃত হ'ল। ইয়েই নাম পালে 'নৱ-বৈষ্ণৱ ধৰ্ম-পন্থ।'

আমি আগতে আলোচনা কৰি আহিছোঁ যে বেদান্তৰ পাঁচটি দাৰ্শনিক শাখাৰ ভিতৰত চাৰিটাই ভক্তিমাৰ্গী। শংকৰাচাৰ্য্যৰ অদ্বৈতবাদী তত্ব ভক্তিবাদীসকলে স্বীকাৰ নকৰে আৰু তেওঁক ব্যৱহাৰিক ক্ষেত্ৰত শৈৱ মতালম্বী বুলি বিবেচনা কৰা হয়। এই প্ৰসঙ্গতে শ্ৰীমন্ত শংকৰদেৱে প্ৰচাৰ কৰা ধৰ্মমতৰ দাৰ্শনিক ভেটি সম্বন্ধে প্ৰশ্ন উঠে। আধুনিক যুগত শংকৰৰ দৰ্শন সম্বন্ধে যিবিলাক আলোচনা-বিলোচনা বা যুক্তি-তৰ্কৰ বাদানুবাদ অসমৰ পণ্ডিতৰ মাজত চলি আছে সেইবোৰৰ পৰা তিনিটা মতবাদৰ আভাস পোৱা যায় :

(১) বহুজনে ক'ব খোজে যে শংকৰদেৱ শংকৰাচাৰ্য্যৰ অনুগামী অদ্বৈতবাদী আছিল। ইয়াৰ সমৰ্থনত তেওঁলোকে গুৰুজনাৰ লিখনিসমূহৰ পৰাই সাক্ষ্য দাঙি ধৰে।

(২) দ্বিতীয় ভাগৰ লোকসকলে তেৰাৰ লিখনিৰ ভিত্তিতেই প্ৰমাণ কৰিব খোজে যে তেওঁ ৰামানুজৰ বিশিষ্টতাদ্বৈতবাদৰ সমৰ্থক আছিল।

(৩) তৃতীয় দলৰ কিছুমানে কয় যে মহাপুৰুষজনৰ বিস্তৃত লিখনিসমূহত ক'তো যেহেতু তাত্ত্বিক তথ্যৰ বিশ্লেষণাত্মক কোনো আলোচনা পোৱা নাযায় গতিকে তেওঁৰ তেনে কোনো নিৰ্দিষ্ট দৰ্শন নাছিল বুলি ধৰি ল'ব লাগিব।

প্ৰথম আৰু দ্বিতীয় মতবাদৰ যি কোনো এটা সত্য হ'লে তৃতীয় মতবাদটো স্বাভাৱিকতে সত্য বুলি প্ৰমাণিত হয়, কিয়নো আন এটা মতবাদৰ সমৰ্থক বা প্ৰবক্তাজনৰ ক্ষেত্ৰত তেওঁৰ মৌলিকতা মানি লোৱাটো সম্ভৱ নহয়।

এইবোৰ কথা সূক্ষ্মভাৱে বিচাৰ কৰিবলৈ গ'লে স্বাভাৱিকতে প্ৰশ্ন হয় যে, দৰ্শন নো কি ? দৰ্শন বিজ্ঞানৰ নিচিনা এটা কটকটীয়া প্ৰণালী নেকি যে যদি কোনো এটা উপপাদ্য প্ৰমাণ কৰি দেখুৱাব নোৱাৰি সেইটো ভুল বুলি ধৰি লোৱা হ'ব ! তৰ্কশাস্ত্ৰৰ দ্বন্দ্বমূলক প্ৰমাণ পদ্ধতিৰ দ্বাৰাও জানো সম্পূৰ্ণ সত্য বুলি কিবা তথ্য স্বীকৃত হৈছে? দৰ্শন হ'ল ভাববাদী আদৰ্শবাদী এটি প্ৰজ্ঞা, চিন্তা আৰু অন্তৰ্দৃষ্টি। কোনো মতবাদৰ প্ৰণালীবদ্ধ কিছুমান সূত্ৰকেই দৰ্শন বুলি স্বীকাৰ কৰিলে তাৰ দাৰ্শনিক তাৎপৰ্য্যৰ সূক্ষ্মৰূপ অদৃশ্য হৈ পৰিব পাৰে। সামগ্ৰিক দৃষ্টিৰে স্থান-কালৰ বহুধা অভিজ্ঞতাৰ ফলতহে দৰ্শনে ৰূপ লয়। আদৰ্শবাদ উপলব্ধিৰ বস্তু, তাক ধৰা-বন্ধা ৰীতিৰে বুজাব নোৱাৰি। সময়ে সময়ে ইয়াৰ ৰং সলনি হয়, আকাৰৰ বিভিন্নতা প্ৰকাশ পায় অথচ এই বিৰোধিতাৰ মাজতো এনে কিছুমান মূল কথা থাকে সি একেটি মূল সত্তাৰ হে আধাৰ বুলি সহজে বিশ্বাস কৰিব পাৰি। সেয়ে সাধাৰণভাৱে যিকোনো মতবাদৰ বিজ্ঞানময়খিনি দৰ্শন আৰু জ্ঞানময়খিনি ধৰ্মীয় নীতি বুলি ধৰি ল'লে বিতৰ্কৰ বৃত্ত সংকুচিত হয়। দৰ্শনৰ আধাৰতে ধৰ্মীয় নীতিৰ সৃষ্টি হয়। অৱশ্যে দৰ্শনহীন ধৰ্মপন্থও নোহোৱা নহয়। বিভিন্ন সময়ত, বিভিন্ন স্থানত বিভিন্ন উপায়ে লব্ধ জ্ঞানৰ পৰিপূৰ্ণ আৰু সু-শৃঙ্খল আকাৰ দিয়ে বিজ্ঞানে। ইয়াৰেই পূৰ্ণতৰ ৰূপ হ'ল দৰ্শন। ক্ষুদ্ৰ ক্ষুদ্ৰ উপাদানৰ পৰা বৃহত্তৰ বস্তু নিৰ্মাণ দৰ্শন আৰু শিল্পৰ কাম। সেয়ে দাৰ্শনিক আৰু শিল্পীৰ সাদৃশ্য দেখা যায়। বিজ্ঞানে শক্তিক অন্বেষণ কৰে, দৰ্শনে শক্তিক স্বীকৃতি দিয়ে।

"Philosophy has its roots in man's practical needs. If a system of thought cannot justify fundamental human instincts and interpret the deeper spirit of religion it cannot meet with general acceptance.

[ Indian Philosophy vol II p 659 by S. Radhakrishnan ]

আমি যি কোনো এটা ধৰ্মীয় মতৰ বিষয়ে আলোচনা কৰিবলৈ ল'লে সেই মতৰ দাৰ্শনিক আধাৰৰ জ্ঞান যিদৰে আৱশ্যক, ধৰ্মীয় নীতিসমূহৰো বিশ্লেষণ তেনেদৰে প্ৰয়োজনীয়। ধৰ্মই নিৰ্দেশ কৰে ব্যক্তি আৰু সমাজৰ সু-শৃংখল আৰু

আত্মিক প্ৰগতিৰ পথ, আৰু নীতিবোৰ সেই পথৰ প্ৰদীপ। হিন্দু দৰ্শনৰ নিৰ্দিষ্ট লক্ষ্যবস্তু হ'ল ঈশ্বৰপ্ৰাপ্তি বা ব্ৰহ্মজ্ঞান। সেয়ে স্থান, কাল আৰু ব্যক্তিৰ সীমাবদ্ধতাৰ প্ৰভাৱত উপাস্য, উপাসক এই তত্ত্বয়ো বহুৰূপ ধাৰণ কৰিব পাৰে। সেয়ে কোনো দৰ্শনকে সম্পূৰ্ণ সত্য বুলি বা অসত্য বুলি ললে আপেক্ষিকভাৱে গ্ৰহণ কৰাহে যুক্তিপূৰ্ণ যেন লাগে। তাত্ত্বিক বা সাধকসকলৰো মানৱীয় সীমাবদ্ধতাৰ কথা পাহৰি গ'লে ভুল হ'ব। তেওঁলোক দ্ৰষ্টাহে, দৰ্শনীয় নহয়।

হিন্দুদৰ্শনি মতে উপাস্য আৰু উপাসকৰ একাত্মানুভূতিৰ পথ চাৰিটা, যেনে ঃ ভক্তিযোগ, কৰ্মযোগ, ৰাজযোগ আৰু জ্ঞানযোগ। কৰ্মযোগ হ'ল নিস্বাৰ্থ কৰ্ম, ফলাকাঙ্ক্ষাশূন্য হৈ দুখতো অনুদ্বিগ্ন থাকি কৰা কৰ্মৰ পথ। সমস্ত জীৱক ঈশ্বৰজ্ঞানে সেৱা কৰাও এই পথৰ প্ৰধান সাধনাৰূপে স্বীকৃত। জ্ঞানযোগ হ'ল সৎ অসৎৰ ভেদাভেদ জ্ঞান সম্যক উপলব্ধি কৰি ভগৱান লাভৰ পথ, চূড়ান্ত বিশ্লেষণৰ ফলত যেতিয়া জাগতিক সকলো বস্তু অসৎ অনিত্য বুলি প্ৰতীয়মান হয় আৰু পৰিত্যক্ত হয় তেতিয়া অৱশিষ্ট থাকে একমাত্ৰ ব্ৰহ্ম বা ভগৱান। ৰাজযোগ হ'ল গভীৰ ধ্যানৰ দ্বাৰা উপলব্ধ ঈশ্বৰানুভূতি। সহজে অনুমান কৰিব পাৰি যে এই পথবোৰ অৱলম্বন কৰা সাধক বা মনৰ দৃঢ়তা থকা লোকৰ পক্ষেহে সম্ভৱ। এই পথবোৰ সকলো স্তৰৰ মানুহৰ কাৰণে সহজসাধ্য নহয়। এইবিলাকৰ তুলনাত, ভক্তিযোগৰ পথ সহজ আৰু বেছি আকৰ্ষণীয়, কিয়নো এই পথত কেৱল অনুৰাগ, ভক্তি আৰু ভালপোৱা এই কথাতহে গুৰুত্ব। ভালপোৱাৰ অনুভূতি সকলো মানুহৰ স্বাভাৱিক এটি প্ৰবৃত্তি আৰু তাৰপৰাই ওপজে ভক্তি। নাৰদীয় ভক্তিসূত্ৰ মতে সেই ভালপোৱাত কোনো ঈৰ্ষা, কোনো অহমিকাৰ দ্বন্দ্ব, কোনো পাৰ্থিব সুবিধা লাভ বা অধিকাৰ লাভৰ আকাঙ্ক্ষা থাকিব নোৱাৰে, এই ভালপোৱাত নিৰানন্দৰো স্থান নাই।

ভাগৱত মহাপুৰাণ শাস্ত্ৰৰ ৰচয়িতা যদিও বেদব্যাস, ব্যাসঋষিক ভাগৱত ৰচনা কৰিবলৈ প্ৰেৰণা যোগাইছিল নাৰদ ঋষিয়েহে। সেয়ে নাৰদচৰিত্ৰৰ সন্ধান নল'লে ভাগৱতৰ তাৎপৰ্য্য সম্পূৰ্ণভাৱে আয়ত্ত কৰা কঠিন। ভাগৱত ৰচনাৰ পূৰ্বত ব্যাসদেৱৰ মনৰ বৰ্ণনা এনেকুৱা ঃ

দিনেক পূৰ্ব্বত পৰাশৰসূত ঋষি।
বদৰিকাশ্ৰমত আছন্ত ব্যাস বসি।।
উগুল থুগুল মন নাহি সুখ-শান্তি।
নাপান্ত উপায় একো মনেগুণি গন্থি।।২২

ব্ৰহ্মজ্ঞান চিন্তন্ত মনত নাহি সুখ।
নজানন্ত কিসক মনত মিলে দুখ।।

অধোমুখে আছে বসি হুয়া নিশবদ।
সেহি বেলা তৈতে আসি মিলিল নাৰদ।।

হাতত দিব্য বীণা যন্ত্ৰ লৈ, মুখত ৰামনাম গাই হৃদয়ত কৃষ্ণমূৰ্তি ধাৰণ কৰি নাৰদে বিশ্ব ব্ৰহ্মাণ্ড ঘূৰি ফুৰে। ব্যাসক সেই অৱস্থাত দেখা পাই সুধিলে কিয় তেওঁৰ এই অৱস্থা। নাৰদে জানে যে বেদব্যাসে বেদৰ শাখা ভেদ কৰিছিল, ভাৰতকথা, অষ্টাদশ আৰু পুৰাণ ৰচিছিল আৰু জানে আন সকলো তেওঁৰ গুণ-যশস্যাৰ কথা। সেই ব্যাস ইমান চিন্তান্বিত কিয়? ব্যাসে বৰ্ণালে সকলো কথা। তেতিয়া নাৰদে কি ক'লে ঃ

নাৰদ বদতি শুনা মহামুনি ব্যাস।
তুমিসে কৰিলা সবে জগতকে নাশ।।
নিৰন্তৰে পশুৰ লোৱাইলা তুমি প্ৰাণ।
নাহি মন্দ কৰ্ম্ম আৰু ইহাৰ সমান।। ৩২
আকস্মিতে লোকক কৰাইলা হিংসা ধৰ্ম্ম।
নুবুজিলা তুমিয়ো বেদৰ তত্ত্ব মৰ্ম্ম।।
গৰিহিত কৰ্ম্মকো কহিলা ধৰ্ম্ম বুলি।
তোমাৰ বচনে লোক নাশিল সমূলি।। ৩৩
স্বভাৱে লম্পত বিষয় অনুৰাগ।
স্বৰ্গ পাইবো বুলি ৰঙ্গে কাটে হংস ছাগ।।
কৰে নানা হিংসা ধৰ্ম্ম নানা দেৱ পূজে।
পুণ্যক্ষয় ভৈলে দুনাই নৰকত মাজে।। ৩৪
যদি জ্ঞানীগণে তাক কৰে নিবাৰণ।
আউৰ তাৰ বাক্যক নমানে একোজন।।
বোলৈ উপালম্ভ কৰি বচন খণ্ডিত।
ব্যাসতো অধিক ভৈল এহেন্তে-পণ্ডিত।। ৩৫
প্ৰকটি কহিলা তুমি আনেসে ধৰ্মক।
নকৈলা প্ৰখ্যাত কৰি কৃষ্ণ কীৰ্ত্তনক।।
সিজিল তোমাৰ ঋষি পৰম অন্যায়।
নাহি সুস্থ চিত্ত তব সেহি অভিপ্ৰায়।। ৩৬
মোৰ উপদেশে কৰা ভাগৱত শাস্ত্ৰ।
প্ৰচাৰোক গোবিন্দৰ গুণ-নাম মাত্ৰ।।
শ্ৰবণ-কীৰ্ত্তন মাত্ৰ কৰোক নিঃশেষ।
দূৰ হৌক তোমাৰ মনৰ মহা ক্লেশ।। ৩৭

—এয়াই হ'ল ভাগৱত সৃষ্টিৰ আদি আৰু মূল কথা।

প্ৰাচীন শাস্ত্ৰবোৰৰ ভিতৰত অন্যতম ছান্দোগ্য উপনিষদত নাৰদৰ নামৰ প্ৰথম উল্লেখ পোৱা যায়। তাত আমি দেখিবলৈ পাওঁ, আত্মজ্ঞান-পিপাসু হৈ তেওঁ মহৰ্ষি সনৎকুমাৰৰ ওচৰলৈ গৈছিল। সেই গ্ৰন্থতে উল্লেখ আছে যে, নাৰদ কলা, বিজ্ঞান, সংগীত, দৰ্শন আৰু প্ৰাচীন শাস্ত্ৰাদিৰ সকলো বিভাগতে পাৰদৰ্শী আছিল। তেওঁ সনৎকুমাৰক ক'লে, "মই শান্তি পোৱা নাই। মই সকলো পঢ়িছো কিন্তু আত্মাক নাজানো। মই আপোনাৰ নিচিনা মহান আৰ্য্যসকলৰ পৰা শুনিছো, যিয়ে আত্মাক জানে সিয়ে কেৱল দুঃখ অতিক্ৰম কৰিব পাৰে। এই দুখৰ পৰা নিষ্কৃতি পাবলৈ দয়া কৰি মোক সহায় কৰক।"

সনৎকুমাৰে শিষ্য নাৰদক ক'লে, —"ভূমৈৱ সুখং নাল্পে সুখমস্তি।" ভূমাতেই সুখ; অল্পত সুখ নাই। যি অসীম, সিয়ে অমৰণ ধৰ্মী, সসীম সকলো মৰণশীল। যিয়ে পৰমাত্মাক, সেই সীমাহীন সত্তাক জানে, সি আত্মাতেই ৰমণ কৰে, আত্মাতেই মিলন সুখ অনুভৱ কৰে আৰু আত্মানন্দত বিভোৰ হৈ জগতৰ প্ৰভু হয়। যিসকলে এই সত্য নাজানে, সিহঁত ক্ৰীতদাসস্বৰূপ।

ভাগৱতত নাৰদে ব্যাসৰ আগত তেওঁৰ জন্মৰ ইতিহাস ব্যক্ত কৰিছে। তেওঁ কৈছে যে ঋষিসকলৰ তপোবনত তেওঁৰ মাক দাসী আছিল। সৰুকালতে ঋষিসকলৰ সংস্পৰ্গ পাইছিল আৰু তেওঁলোকক সেৱা কৰিছিল। সেই পবিত্ৰ সৎসঙ্গত তেওঁৰ হৃদয় উজ্জ্বল হৈছিল। এদিন এক মুনিয়ে তেওঁৰ সেৱাত প্ৰীত হৈ তেওঁক ভালপাই জ্ঞান লাভৰ মন্ত্ৰ শিকালে। সেই শিক্ষাৰ ফলত তেওঁ বুজিব পাৰিলে যে দৈহিক আৰু মানসিক জীৱনৰ সৰ্বপ্ৰকাৰ অশুভৰ প্ৰতিবিধান হ'ল ঈশ্বৰত কৰ্মফলৰ সমৰ্পণ। মাকৰ মৃত্যু পৰ্য্যন্ত নাৰদ সেই আশ্ৰমতে আছিল। তাৰ পিছত তেওঁ দেশ-দেশান্তৰ ঘূৰি ফুৰিবলৈ ধৰিলে। অৱশেষত নিৰ্জনতাৰ অন্বেষণত এক গভীৰ বনত প্ৰৱেশ কৰিলে। শান্ত নিৰ্জন পৰিবেশত এক বৃক্ষতলত বহি ভগৱানৰ ধ্যান আৰম্ভ কৰিলে। ক্ৰমে ক্ৰমে তেওঁৰ অন্তৰ্দৃষ্টি পৰিষ্কাৰ হ'ল, তেওঁ অনুভৱ কৰিলে তেওঁৰ হৃদয়গহ্বৰত দয়াময়, প্ৰেমময় ঈশ্বৰ বিৰাজিত। তেওঁ আনন্দত অভিভূত হ'ল। ভগৱান আৰু তেওঁৰ পৃথক সত্তা নোহোৱা হ'ল, কিন্তু সেই দিব্যক্ষণ বেছি সময় নাথাকিল। আকৌ তেওঁ ইন্দ্ৰিয়গ্ৰাহ্য জগতলৈ নামি আহিলা। তেওঁ হাহাকাৰ কৰিবলৈ ধৰিলে। হঠাৎ তেওঁ দৈৱবাণী শুনিবলৈ পালে ঃ "বাছা, এই জীৱনত তুমি আৰু মোক দেখা নোপোৱা। বাসনাৰ নিবৃত্তি নহ'লে কোনেও মোক নেদেখে।"

তাৰ পিছত যথাসময়ত নাৰদে দেহত্যাগ কৰি ভগৱানৰ লগত মিলিত হৈ সাযুজ্য অৱস্থাত এক কল্পকাল বাস কৰিলে। পৰবৰ্তী কল্পাৰম্ভত তেওঁ পুনৰ এই জগতলৈ প্ৰেৰিত হ'ল ব্ৰহ্মাৰ পুত্ৰৰূপে। সেই জীৱনত তেওঁ এজন মুক্ত পুৰুষ।

ভগৱৎকৃপাত য'তে ত'তে যি কোনো লোকতে তেওঁ বিচৰণ কৰি ফুৰিব পাৰে। তেওঁ য'লৈকে যায় তাতেই বীণা বাই বাই প্ৰভু শ্ৰীকৃষ্ণৰ গুণানুকীৰ্ত্তন কৰে। শ্ৰীকৃষ্ণই নিজে তেওঁৰ পদ প্ৰক্ষালন কৰি নিজ যশ-গুণ শুনে। তেওঁৰ পৰা যিয়ে প্ৰভুৰ গুণানুকীৰ্ত্তন শুনে সিয়ে শান্তি পায় আৰু মুক্তি লাভ কৰে।

ভাগৱত সৃষ্টিৰ মূলৰ এই ৰহস্য কাহিনী, ভাগৱতৰ অসংখ্য আখ্যান উপাখ্যানত পোৱা শ্ৰীকৃষ্ণৰ যশানুকীৰ্ত্তন আৰু ভক্তিপূৰ্ণ আবেদন, গীতাৰ একশৰণ তাৎপৰ্য্য এয়াই আছিল কামৰূপৰ বৈষ্ণৱ পৰম্পৰাত শংকৰদেৱে প্ৰচাৰ কৰা নাম-ধৰ্ম দৰ্শনৰ আধাৰ। কামৰূপ ৰাজ্যত যেতিয়া ধৰ্মৰ গ্লানি হৈছিল, অৰ্থাৎ স্মাৰ্তপ্ৰথাৰ লগত অধঃপতিত বৌদ্ধতান্ত্ৰিক প্ৰভাৱে বিভীষিকাৰ সৃষ্টি কৰিছিল, তেতিয়া হয়তো গুৰুজন ব্যাসদেৱৰ দৰেই অশান্ত হৈ উঠিছিল। শিক্ষকৰ পাঠশালাৰ পৰা ওলাই অহাৰ কিছুদিন পিছতে, ধৰ্মৰ শিক্ষা দিয়াৰ উদ্দেশ্য লৈয়ে ৰচনা কৰিছিল প্ৰথম শাস্ত্ৰ "গোপী-উদ্ধৱ-সংবাদ", শ্ৰীকৃষ্ণৰ বৃন্দাবনলীলা, ভক্তিধৰ্মৰ পৰাকাষ্ঠা ; তাত ভক্ত-ভক্তাৰ ব্যক্তিত্ব লুপ্ত হৈ ভকত আৰু ঈশ্বৰ একত পৰিণত হৈছিল। গোপীসকল আছিল সাধাৰণ দৈনন্দিন কাম-কাজ কৰি খোৱা মানুহ। শাস্ত্ৰজ্ঞও নাছিল, সাত্বিকো নাছিল, আছিল ক'বলৈ গ'লে ব্যভিচাৰী ; কিন্তু তেওঁলোকৰ ভক্তি আছিল অহৈতুকী, ঐকান্তিক আৰু অনন্য। সেয়ে হয়তো গুৰুজনে গোপী-উদ্ধৱৰ সংবাদৰ মাজেৰে ভক্তি ধৰ্মৰ শুভাৰম্ভ কৰিছিল। চিহ্নযাত্ৰাৰ মাধ্যমেৰে বৈকুণ্ঠৰ লীলা ভকতৰ আগত দাঙি ধৰিছিল- চিত্ৰ, গীত, নৃত্য, বাদ্যৰ সমাৰোহত।

মহাপুৰুষজনাৰ সমস্ত শাস্ত্ৰ, পদ-ঘোষা, গীত-নাট চিত্ৰাদি ৰচনাত কেৱল একেটি সুৰ প্ৰকটিত হৈছে, সেয়া হ'ল কৃষ্ণৰ যশ-গুণ কীৰ্ত্তনৰ মাধ্যমেৰে ভগৱানত ভক্তি আৰু শৰণ। গন্ধৰ্ব হিচাপে তেওঁ আৰু মাধৱদেৱে ভাওনাৰ মাজেদি, নৃত্য-গীতৰ মাজেদি তাকেই প্ৰদৰ্শন কৰিছিল- ভক্তৰ হৃদয় কৃষ্ণপ্ৰেমৰ ৰসমাধুৰীৰে আপ্লুত কৰি ভকতক ভগৱৎ প্ৰেমত উদ্বুদ্ধ কৰিবলৈ। এই প্ৰেম স্বৰ্গীয় প্ৰেম, এই প্ৰেমৰ ৰসেই অমৃত, এই অমৃততকৈ স্বৰ্গপ্ৰাপ্তি শ্ৰেষ্ঠ নহয়, মোক্ষ কাম্য নহয়। সেয়ে মাধৱদেৱে নিজৰ গুৰুজনক লক্ষ্য কৰিয়েই লিখিছিল ঃ

"মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।"

আদিগুৰু শংকৰাচাৰ্য্যই পৰমাৰ্থিক ক্ষেত্ৰত অদ্বৈতবাদ প্ৰচাৰ কৰিও ব্যৱহাৰিক বিষয়ত স্মাৰ্তমত সমৰ্থন কৰি পঞ্চদেৱতাৰ পূজাৰ ব্যৱস্থা দিছিল। তেওঁ প্ৰায় সকলো প্ৰধান শাস্ত্ৰৰ ভাষ্য প্ৰণয়ন কৰিছিল, কেৱল ভাগৱতৰ বাহিৰে। কোনো কোনো পণ্ডিতে ক'ব খোজে যে শংকৰৰ সময়ত হেনো ভাগৱতৰ সৃষ্টিয়ে হোৱা নাছিল। বিশিষ্ট দ্বৈতবাদী আচাৰ্য্য ৰামানুজেও ভাগৱতৰ ভাষ্য লিখা নাছিল, তেওঁ

শ্ৰীভাষ্যত বিষ্ণুপুৰাণৰ অংশবিশেষহে নিজ যুক্তিৰ সপক্ষে দাঙি ধৰিছিল। এইটো ঠিক যে বিষ্ণুপুৰাণো এখন প্ৰসিদ্ধ বৈষ্ণৱ পুৰাণ আৰু ইয়াৰ পঞ্চম অংশত ভাগৱতৰ দশম স্কন্ধৰ কাহিনী সংক্ষেপে পৰিবেশিত হৈছে। কিন্তু ভাগৱতৰ মূল-তত্ত্ব যে শ্ৰীকৃষ্ণ ভগৱানৰ পূৰ্ণ অৱতাৰ সেই তথ্য বিষ্ণুপুৰাণত নাই। বিষ্ণুপুৰাণৰ মতে বিষ্ণুৰ কেশ পৃথিবীত অৱতীৰ্ণ হৈ পৃথিৱীৰ ক্লেশ দূৰ কৰিব বুলিহে কোৱা হৈছে। "কেশেহি বাসুদেৱ পত্নী দৈৱকীৰ অষ্টম গৰ্ভস্থ সন্তান হ'ব।" তস্যায়মষ্টমো গৰ্ভো মৎকেশো ভবিতা সুৰা ঃ ৫।১।৬৩। ৰামানুজেও ব্ৰাহ্মণৰ বাহিৰে আনৰ বেদজ্ঞানৰ অধিকাৰ অস্বীকাৰ কৰিছিল আৰু আন জাতৰ মানুহে ভক্তিৰ দ্বাৰা বিশুদ্ধ হৈ পুনৰ ব্ৰাহ্মণ জন্ম ল'লেহে মোক্ষৰ অধিকাৰী হ'ব পাৰিব বুলি ধাৰণা কৰিছিল।

মহাপুৰুষ শংকৰদেৱে ধৰ্মীয় ক্ষেত্ৰত মানুহৰ জন্মগত প্ৰাধান্য অস্বীকাৰ কৰিছিল। সেই মতাদৰ্শক স্পষ্টৰূপে তেওঁৰ ভাগৱতৰ একাদশ স্কন্ধত বৰ্ণনা কৰিছে এনেদৰে ঃ

কুক্কুৰ চণ্ডাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।। ১৭৭৩

তেওঁ আৰু বৰ্ণাইছিল ঃ

সমস্ত প্ৰাণীক দেখিবাহা আত্মাসম।
উপায় মধ্যত ইটো অতি মুখ্যতম। ১৭৭৩৪

ৰামানুজৰ মতে কেৱল বিষ্ণু বা নাৰায়ণ উপাস্য নহয়, নাৰায়ণৰ শক্তিৰূপে শ্ৰীদেৱী বা লক্ষ্মীও আৰাধ্য। লক্ষ্মীনাৰায়ণৰ যুগল ৰূপহে ৰামানুজৰ উপাস্য বিষয়। অৰ্থাৎ শংকৰৰ মায়াবাদ অস্বীকাৰ কৰি তেওঁ তাৰ পৰিবৰ্তে স্ত্ৰী শক্তি আৱিষ্কাৰ কৰিলে। দ্বৈতবাদী মতে লক্ষ্মী বিষ্ণুৰ পৰা ভিন্ হৈয়ো বিষ্ণুৰ দৰে অনন্ত মূৰ্তিবিশিষ্টা আৰু তেওঁৰ ক্ৰিয়া শক্তিৰ প্ৰতীক। দ্বৈতাদ্বৈতবাদী নিম্বাৰ্ক আৰু শুদ্ধাদ্বৈতবাদী বল্লভৰ মতেও ৰাধা শ্ৰীকৃষ্ণৰ নিত্যসহচৰীয়ে নহয়, শ্ৰীকৃষ্ণৰ ক্ৰিয়া-শক্তিৰ আধাৰ। পাঁচোজন বেদান্তদৰ্শনৰ পণ্ডিতৰ সম্বন্ধে আৰু তেওঁলোকৰ দাৰ্শনিক মতৰ বিষয় গ্ৰন্থৰ প্ৰথমতে আলোচনা কৰি অহা হৈছে। এই কেইটা মতবাদৰ ইটোৰ সিটোৰ লগত ভেদ অভেদৰ কথাবোৰো উনুকিওৱা হৈছে। মুঠতে গোটেই কেইজন পণ্ডিতৰ ভক্তিৰ সংজ্ঞা আৰু ব্ৰহ্ম, চিৎ, অচিৎ এই তত্ত্বত্ৰয়ৰো আদৰ্শগত পাৰ্থক্য চকুত নপৰাকৈ নাথাকে। সেয়ে সম্পূৰ্ণ ভাগৱতী দৰ্শনৰ কামৰূপীয় নৱ-বৈষ্ণৱ ধৰ্মীয় ধাৰাটোক সম্পূৰ্ণভাৱে কোনোটো মতবাদৰ লগত সাঙুৰিব নোৱাৰি। উপৰোক্ত ভক্তিবাদী চাৰিটা পন্থৰ ধৰ্মীয় নীতিসমূহত পূৰ্বৰ ব্ৰাহ্মণ্য ধৰ্মৰ আনুষ্ঠানিক কৰ্মাদিৰ পয়োভৰ আছে, যিবিলাক শংকৰ-নিৰ্দেশিত পন্থটোত সম্পূৰ্ণভাৱে অদৃশ্য। সেয়ে

এইটো প্ৰমাণিত হয় যে ৰামানুজ প্ৰমুখ্যে আন গুৰুসকলে ভক্তি পথেৰে আগবাঢ়ি য'ত থমকি ৰৈছিল শংকৰদেৱে পথৰ কন্টক আঁতৰাই সেই পথেদি আগবাঢ়ি যাবলৈ সক্ষম হৈছিল।

ভাৰতবৰ্ষৰ সনাতন ধৰ্মৰ বিবৰ্তনৰ ধাৰা বৈচিত্ৰ্যপূৰ্ণ। ই প্ৰথমতে মুষ্টিমেয় পণ্ডিতৰ জ্ঞান লব্ধ সত্যৰ ওপৰত প্ৰতিষ্ঠিত হৈ জ্ঞানীসকলৰ মাজতে আবদ্ধ আছিল। কালৰ প্ৰভাৱত সি মহাসমুদ্ৰৰ ফালে অৰ্থাৎ বিশাল জনগণৰ মাজত বিয়পি পৰিল, নানা সংস্কাৰবাদী অভিযানৰ পৰিণতি হিচাপে আৰু সেই ব্যাপকতাৰে সংজ্ঞা হ'ল বিশ্বপ্ৰেম বা বিশ্বভ্ৰাতৃত্ব। খ্ৰীঃ পূঃ ৫/৬ শতিকাতে তিনিটা সংস্কাৰবাদী ধৰ্মীয় মতবাদে ভাৰতবৰ্ষত এক আলোড়নৰ সৃষ্টি কৰিছিল। মতকেইটা হ'ল জৈন, বৌদ্ধ আৰু ভাগৱত। এই মতকেইটাৰ মতাদৰ্শ বেদৰ কৰ্মকাণ্ড আৰু পশুবলি আদি ব্যৱস্থাৰ বিৰুদ্ধে এক সংঘবদ্ধ বিপ্লব। জৈন আৰু বৌদ্ধ ধৰ্মই বেদ-বিৰোধী বুলি আৰু বস্তুবাদী আৰু শূন্যবাদী বুলি "নাস্তিক" নাম পালে আৰু সনাতন ধৰ্মৰ গণ্ডীৰ বাহিৰলৈ গ'ল। হিন্দুধৰ্মৰ বাহিৰলৈ গৈ কিন্তু বৌদ্ধ ধৰ্মই বিশ্ব-ধৰ্মৰ ৰূপ ল'লে। হিন্দু ধৰ্মৰ আয়ত্তত থকা ভাগৱত সম্প্ৰদায়ৰ অভিযান ক্ষান্ত নহ'ল আৰু ইয়াৰে ফলত সৃষ্টি হ'ল ভাগৱত, নাৰদীয় আৰু শাণ্ডিল্যৰ ভক্তিসূত্ৰ আদি শাস্ত্ৰ। ভাৱাত্মক পৰমাত্মা বা ব্ৰহ্মাৰ স্থানত নিৰ্দিষ্ট হ'ল হৰি— যি হৰি দেৱতাৰো দেৱতা ঈশ্বৰৰো ঈশ্বৰ যি যজ্ঞ বা সংযমৰ দ্বাৰা উপলব্ধ নহয়, জীৱহত্যা আৰু পূজাৰ দ্বাৰা যাক ভাবিবও নোৱাৰি, যি সন্তুষ্ট হয় একমাত্ৰ গুণানুকীৰ্ত্তন আৰু অহৈতুকী ভক্তিত। ভকতৰ সংজ্ঞা জাত-পাতৰ দ্বাৰা নাইবা অকল জ্ঞান গৰিমাৰ দ্বাৰা নিৰ্দিষ্ট নহয়। এই প্ৰক্ৰিয়াৰ ফলতেই শ্ৰীকৃষ্ণই বেদৰ বিষ্ণুৰ স্থান ল'লে আৰু বৈদিক বহু প্ৰতাপী দেৱতা যেনে ব্ৰহ্মা, ইন্দ্ৰ আদি অৱনমিত হ'ল। অগণন জনতাৰ ভক্তিপ্ৰেমৰ ধন, চকুৰ মণি আৰু ইয়াৰ দেৱতা শ্ৰীকৃষ্ণ, কিন্তু পেশাগতভাৱে গুৱাল, তেওঁৰ গাৰ ৰঙো ক'লা বা শ্যাম, অৰ্থাৎ আৰ্য্য নমুনাৰ নহয়। আৰ্য্য-অনাৰ্য্যৰ মহা-মিলনৰ সূচনা এনেদৰে সাধিত হ'ল।

কাল বৈ থাকে, ইয়াৰ প্ৰৱাহ অনন্ত, কিন্তু কালেই বহন কৰে পূৰ্ব সংস্কাৰৰ কণিকা। সেই ভাগৱত পন্থতো সোমাল নানা তান্ত্ৰিক আৰু অবৈদিক প্ৰথাৰ সম্ভাৰ। জাত-পাতৰ বিচাৰ কঠোৰ হ'ল। বিদেশৰ পৰা ভক্তিবাদী খ্ৰীষ্ট আৰু ইছলাম ধৰ্মাদিৰ আগমন হ'ল। আকৌ আৰম্ভ হ'ল আন্দোলন প্ৰায় দশম শতিকামানৰ পৰা, ই সৰ্বভাৰতীয় ৰূপ পালে পঞ্চদশ ষষ্ঠদশ শতাব্দীত। সেই সময়তে ইউৰোপতো কেথেলিক খ্ৰীষ্ট ধৰ্মৰ বিৰুদ্ধে জাগৰণ হ'ল সংস্কাৰবাদী প্ৰটেষ্টাণ্ট ধৰ্মমতৰ। ধৰ্ম জনগণৰ স্বাৰ্থৰ হকে নহৈ আনুষ্ঠানিক পৰম্পৰাৰ ভেটিত মুষ্টিমেয় ধৰ্মযাজকৰ প্ৰচলিত ধৰ্মীয় অধ্যাদেশৰ বিৰুদ্ধে আন্দোলনৰ এয়া হ'ল এক আন্তৰ্জাতিক প্ৰকাশ। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত এই আন্দোলনৰ নেতৃত্ব ল'লে মহাপুৰুষ শংকৰদেৱে।

ভাৰতবৰ্ষৰ মধ্যযুগীয় ভক্তি আন্দোলনৰ অঙ্গস্বৰূপে শংকৰদেৱে কামৰূপত ধৰ্ম-আন্দোলন আৰম্ভ কৰিলেও ইয়াৰ এক নিজস্ব বৈশিষ্ট্য প্ৰতিষ্ঠা কৰিলে। এই অঞ্চলত বাস কৰা জনগাথনি আৰু সংস্কৃতি, প্ৰাকৃতিক পৰিবেশ, ৰাজনৈতিক আৰু অৰ্থনৈতিক সমাজ ব্যৱস্থা এইবোৰৰ দ্বাৰা তেওঁৰ দাৰ্শনিক চেতনা প্ৰভাৱান্বিত হ'ল। সেয়ে ভাৰতীয় দৰ্শনৰ উচ্চতম আদৰ্শক সাধাৰণ লোকৰ প্ৰজ্ঞা আৰু সাধনাৰ মাজলৈ অনাৰ বাবে কৰা তেওঁৰ প্ৰয়াসত এটি অনন্য ৰূপ চকুত পৰে। অকল তেৱেঁ নহয় এই অঞ্চলৰ আন বৈষ্ণৱ গুৰুসকলো সেই দৰ্শনৰে অনুগামী হ'ল। কামৰূপীয় ভাগৱতী ধৰ্মত যুগল প্ৰাৰ্থনাৰ অভাৱে ভাৰতৰ ভক্তিমাৰ্গী আন পন্থবোৰৰ লগত ইয়াৰ পাৰ্থক্য প্ৰমাণিত কৰে। গীতা, ভাগৱত আৰু ভক্তি ৰত্নাকৰ এই কেইখন শাস্ত্ৰৰ আধাৰতে তেওঁৰ দাৰ্শনিক ভেটি প্ৰতিষ্ঠিত কৰিলেও সাধন-মাৰ্গৰ ক্ষেত্ৰত ভাগৱতত বৰ্ণিত সকলো তথ্যকে তেওঁ গ্ৰহণ কৰা নাই। ভাগৱতত নানা প্ৰসঙ্গত তপ, জপ, যজ্ঞাদি বিবিধ শ্ৰেণীৰ সাধনৰ ব্যৱস্থা আছে। কামৰূপীয় জনসমাজৰ প্ৰতি দৃষ্টি ৰাখি তেওঁৰ আৰু সহযোগীসকলৰ দ্বাৰা ৰচিত ভাগৱতৰ ৰূপ বেলেগ। তত্ত্বৰ ক্ষেত্ৰত কেৱল অক্ষৰ অদ্বয় ব্ৰহ্ম আৰু সাধন মাৰ্গৰ ক্ষেত্ৰত লীলাবাদ সম্বন্ধীয় পদসমূহৰ পৰা তেওঁৰ ভক্তিবাদৰ স্বকীয় ৰূপৰ পৰিচয় পোৱা যায়। সেয়ে শংকৰদেৱৰ ধৰ্মীয় দৰ্শনক এক সামাজিক দৰ্শনৰ আধাৰ হিচাপে ধৰি ল'ব লাগিব। তেওঁ জীৱনৰ প্ৰয়োজন আৰু ধৰ্মীয় ব্যৱস্থাৰ মাজত সংগতি ৰক্ষা কৰি ইয়াক জনধৰ্মৰ ৰূপ দিছে। সামাজিক চেতনাৰ লগত সম্পৰ্কহীনভাৱে কেৱল বুদ্ধিজীৱীৰ চমৎকাৰিতা প্ৰদৰ্শন কৰি তাত্ত্বিক উপাধি লোৱাৰ হাবিয়াস তেওঁৰ নাছিল বুলিয়েই ভাবিব লাগিব। তেওঁ ভূমিৰ লগত ভূমাৰ সম্বন্ধ স্থাপন কৰিব বিচাৰিছিল।

এই অভিযানৰ ফলতেই বিভিন্ন মতবাদৰ দ্বাৰা বিভ্ৰান্ত কামৰূপীয় সমাজলৈ আহিল সুশৃঙ্খল পৰিবেশ, পূৰ্বৰ স্মাৰ্ত-ধৰ্মৰ লোক, ইছলামধৰ্মী, হীন বুলি অৱহেলিত কৈৱৰ্ত, বনিয়া, জনজাতি সমাজৰ ভোট, গাৰো, কছাৰী, মিকিৰ, নষ্টে সকলো আহি নাম-ধৰ্মৰ সমাবেশত মিলি গ'ল। তেওঁলোকে কেৱল সাধাৰণ ভকত হৈয়ো নাথাকিল, স্থান ল'লে কীৰ্ত্তন ঘৰত, গুৰু আসনৰ কাষত, একোজন ধৰ্মীয় নেতা বা আতৈ হিচাপে। সেই পৰিবেশৰ প্ৰতিধ্বনি শুনা যায় পাৰস্যৰ পৰা আহি অসমক মাতৃভূমি বুলি গ্ৰহণ কৰি অসমীয়া ভাষাত ইছলাম ধৰ্মীয় ভক্তিমাৰ্গী আদৰ্শ প্ৰচাৰ কৰা আজান ফকিৰৰ 'জিকিৰ' গীতত, যেনে,

"দিনে ৰাতি লবা নাম নকৰিবা ক্ষতি"

### সত্ৰ/ থান/ নামঘৰ:

বৰ্তমান অসমৰ কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাতে পাঁচ শতাধিক সত্ৰ, নামঘৰ

আছে। নৱ-বৈষ্ণৱ আন্দোলনৰ গুৰুসকলে যিবিলাক স্থানত সমূহীয়াভাৱে হৰি-ভক্তি প্ৰচাৰ কৰিছিল সেইবোৰ স্থানত গুৰুসকলৰ আদৰ্শক স্থায়ীৰূপ দিবলৈ সত্ৰসমূহৰ প্ৰতিষ্ঠা হোৱা বুলি ভাবিব পাৰি। প্ৰধান গুৰুসকলৰ তিৰোধানৰ পিছতো তেৰাসকলৰ শিষ্য-প্ৰশিষ্যই একে আদৰ্শতে সত্ৰ অনুষ্ঠানৰ সৃষ্টি কৰি নাম ধৰ্মৰ সুঁতি যুগ যুগ ধৰি বোৱাই ৰাখিবলৈ সমৰ্থ হৈছে। শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম, কলা আৰু সমাজ দৰ্শনৰ আধাৰতেই সত্ৰ অনুষ্ঠানৰ উৎপত্তি, স্থিতি আৰু বিকাশ, এই কথাত যদিও কোনো সন্দেহ নাই তথাপি তেওঁৰ দিনতেই যে সত্ৰ-ব্যৱস্থা পূৰ্ণ বিকশিত হৈছিল সেই কথা ন-দি কোৱা টান। সময়ত ক্ৰমে ক্ৰমে সত্ৰসমূহ সামাজিক সংগঠনৰ কেন্দ্ৰস্বৰূপ হৈ পৰিল। ভাৰতবৰ্ষৰ আন আন প্ৰান্ততো মঠ, মন্দিৰ বা আখৰাসমূহতো সামাজিক সংগঠনৰ কেন্দ্ৰ সন্দেহ নাই, কিন্তু অসমৰ সত্ৰসমূহৰ নিৰ্মাণ পদ্ধতি, ইয়াত নিত্য নৈমিত্তিকভাৱে পালন কৰা পাঠ-প্ৰসঙ্গ-প্ৰৱচন আৰু উৎসৱ, সাংস্কৃতিক কাৰ্য্যাৱলী, বিদ্যালয়, গ্ৰন্থাগাৰ, অতিথিশালা, ভকতসকলৰ অনাৰম্বৰ কৈৱল্য আদিয়ে ইয়াক সৰ্বাত্মকভাৱে সমাজ ব্যৱস্থাৰ আধাৰস্বৰূপে প্ৰতিষ্ঠিত কৰি এক বৈশিষ্ট্যপূৰ্ণ ৰূপ দান কৰিছে।

অসমৰ সত্ৰীয়া সমাজ দুটা ভাগত ভগাব পাৰি। কিছুমান ভকতে সত্ৰৰ ভিতৰত বসবাস কৰি সত্ৰাধিকাৰক সত্ৰ পৰিচালনাত সহায় কৰে। এওঁলোকৰো উদাসীন আৰু গৃহস্থী দুয়োবিধ আছে। যোগ্যতা আৰু ৰুচি ভেদে তেওঁলোকৰ ওপৰত বিভিন্ন কৰ্মভাৰ ন্যস্ত কৰা হয়, যেনে- বুঢ়াভকত, দেউৰী, পাঠক, গায়ন, বায়ন ইত্যাদি। সত্ৰৰ বাহিৰত বিভিন্ন অঞ্চলত থকা শিষ্যসকলে সত্ৰীয়া অনুশাসন পালন কৰি থাকে, পাঠ-প্ৰসঙ্গ আৰু নৈমিত্তিক উৎসৱসমূহত সৰ্বতোপ্ৰকাৰে অৰিহণা আগবঢ়ায়। ইয়াৰ ফলত সত্ৰীয়া অনুষ্ঠানসমূহ সমূহীয়া ৰাইজৰ অনুষ্ঠান হিচাপেহে পৰিগণিত হয় আৰু এই অৱস্থাতেই গোটেই সমাজ ব্যৱস্থাত সুৰুচিপূৰ্ণ শৃংখলাবদ্ধ জীৱন যাত্ৰাৰ পৰিবেশ সৃষ্টি হয়।

অসমৰ সত্ৰসমূহৰ আন এক বৈশিষ্ট্য হ'ল যে এইবোৰ সম্পূৰ্ণভাৱে জনগণৰদ্বাৰা আৰু জনগণৰ কাৰণে সংগঠিত হোৱা অনুষ্ঠান। ইয়াত ৰাজকীয় প্ৰভাৱ নাই বুলিলেই হয়, কিয়নো কামৰূপীয় গুৰুসকলে ৰাজানুগ্ৰহৰ ওপৰত ভিত্তি কৰি ধৰ্মপ্ৰচাৰ কৰা কাৰ্য্যত বিশ্বাসী নাছিল। শংকৰ-মাধৱ দুজনা গুৰুৱে কিদৰে ৰজাৰ শৰণ-প্ৰাৰ্থনা প্ৰত্যাখান কৰিছিল সেই কথা আগতে উনুকিওৱা হৈছে। আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনৰ পৰা সত্ৰসমূহৰ ওপৰত ৰাজকীয় প্ৰভাৱ বিস্তাৰৰ যথেষ্ট চেষ্টা চলিল। পৰিস্থিতিত বাধ্য হৈ মাজুলীৰ থনাদিয়েক সত্ৰত সামন্তী আহিঁ পৰিল আৰু শাক্ত তন্ত্ৰধৰ্মী ৰাজগুৰুৰ প্ৰভাৱত বহু আচহুৱা নিয়ম-নীতিও দুই-চাৰিখন সত্ৰৰ পৰম্পৰাত যুক্ত হ'ল।

অসমৰ সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট আৰু চমকপ্ৰদ অৱদান হ'ল অস্পৃশ্যতা নিবাৰণ আৰু ভাৰতৰ আন স্থানত প্ৰচলিত বহু কু-প্ৰথাৰ পৰা অসমীয়া সমাজখনক মুক্ত ৰখা। কামৰূপৰ বৈষ্ণৱগুৰুসকলে বৈদিক-পৌৰাণিক পৰম্পৰাৰ লগত স্থানীয় জনজাতীয় আৰু আন আন ব্যৱস্থাৰ সমন্বয় ঘটোৱাত কৃতকাৰ্য্য হোৱাৰ কাৰণেহে এইটো সম্ভৱপৰ হোৱা বুলি নিশ্চয়কৈ ঠাৱৰ কৰিব পাৰি। এই ব্যৱস্থাৰ তাত্ত্বিক দৃষ্টিভংগী এটা সৰু উদাহৰণেই যথেষ্ট হ'ব যেন পাওঁ। ভাগৱত পুৰাণ ভাৰতৰ বৈষ্ণৱ সমাজৰ শিৰোমণি শাস্ত্ৰ, কিন্তু মহাপুৰুষ শংকৰদেৱে সেই ভাগৱতৰ অনুবাদ স্থানীয় ব্যৱস্থাৰ লগত সংগতি ৰাখিহে কৰিছিল বুলি ক'ব পাৰি। মূল ভাগৱতৰ ১২/৩/২৫ পদত শূদ্ৰ-কৈবৰ্ত প্ৰভৃতি লোকৰ প্ৰতি কটূক্তিহে উচ্চাৰিত হৈছে। 'সকলো মানুহ শূদ্ৰৰ দৰে দুষ্ট হ'ব আৰু শূদ্ৰাদি প্ৰজাৰহে প্ৰতিপত্তি বাঢ়িব' এনেকুৱা উক্তিয়ে ভক্তিধৰ্মৰ মূল আদৰ্শতে আঘাত কৰে বুলি ক'ব পাৰি, কিন্তু মহাপুৰুষে সেই পদৰ ভাঙনি এনে ধৰণেহে কৰিছে;

"শূদ্ৰসব অনেক কৈবৰ্ত্ত আদি কৰি।
অন্ত্যজ পৰ্য্যন্তে ভজিবেক মহাহৰি।।
অপ্ৰয়াসে লভিবে ঈশ্বৰ মহাজ্ঞান।
এতেকে কলিত শূদ্ৰ কৈবৰ্ত প্ৰধান।।
(দ্বাদশ স্কন্ধ ভাগৱত ১১১)

অসমৰ সত্ৰ নামঘৰৰ দুৱাৰ সকলোৰে প্ৰতি মুকলি ৰাখি উচ্চ-নীচ জাত-পাতৰ বিচাৰ নকৰি কেৱল নীতি সদাচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা ব্যৱস্থাৰ কাৰণে দুজনা গুৰুৰ জীৱনকালতে গাৰোৰ গোবিন্দ, মিৰিৰ পৰমানন্দ, ভোটৰ দামোদৰ, নগুেৰ নৰোত্তম কছাৰীৰ ৰমাই, কৈবৰ্তৰ পূৰ্ণানন্দ, বনিয়াৰ হৰিদাস, যবনৰ চান্দখাঁ আদি ভকতক সত্ৰীয়া আতৈ বা শ্ৰেষ্ঠ ভকতৰ শাৰীত স্থান দিয়া আৰ্হিয়ে আজিও অসমৰ সমাজ ব্যৱস্থা গভীৰভাৱে প্ৰভাৱান্বিত কৰি আছে।

মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আৰু গোপালদেৱে যিসকল ব্যক্তিক ধৰ্মাচাৰ্য্য বা সত্ৰীয়া পদত বৰণ কৰি ৰাজ্যৰ বিভিন্ন স্থানলৈ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে প্ৰেৰণ কৰিছিল তেওঁলোকৰ ভিতৰত ব্ৰাহ্মণ অব্ৰাহ্মণ সকলো সম্প্ৰদায়ৰ লোক আছিল। তেওঁলোকৰ পৰলোকৰ পিছতো সেই ব্যৱস্থাৰ সলনি হোৱা নাই। গুৰুসকলৰ পৰম্পৰাৰ তৃতীয় চতুৰ্থ স্তৰ পৰ্য্যন্ত এই ব্যৱস্থা কাৰ্য্যকৰী ৰূপে প্ৰচলিত থকাৰ প্ৰমাণ পোৱা যায়। বংশীগোপালদেৱ, পুৰুষোত্তম ঠাকুৰ আৰু কনকলতা আইৰ আজ্ঞাপৰ গুৰুসকলেই ইয়াৰ প্ৰমাণ। পুৰুষোত্তম ঠাকুৰে তেৰাৰ শেষ সময়ত গুৰুভাৰ খুড়াকৰ পুতেক চতুৰ্ভুজ ঠাকুৰৰ হাতত অৰ্পণ কৰি যায়। তেতিয়াৰ পৰা সেই পৰম্পৰাৰ গুৰুসকলে নিজ পুত্ৰ বা পৰিয়ালৰ কাৰোবাক গুৰুভাৰ দিয়াৰ ব্যৱস্থা

প্ৰচলিত হৈছে বুলি ক'ব পাৰি। এই ব্যৱস্থাৰ ফলত গুৰু নিৰ্বাচনত সমূহ ভকতৰ মতামতৰ প্ৰাধান্য কিছু কমিছে। বৰপেটা আদি প্ৰধান সত্ৰত এতিয়াও পূৰ্বৰ ব্যৱস্থা প্ৰচলিত আছে। ভাৰতবৰ্ষৰ সকলো প্ৰান্ততে নৱ-বৈষ্ণৱ আন্দোলনে ভক্তিৰ ক্ষেত্ৰত সাম্প্ৰদায়িক সংকীৰ্ণতা স্বীকাৰ নকৰিছিল যদিও পৰম্পৰাগত আনুষ্ঠানিক বহু নীতি-নিয়মৰ পয়োভৰে বিশেষকৈ ধৰ্মাচাৰ্য্য পদৰ ক্ষেত্ৰত ব্ৰাহ্মণসকলকে অগ্ৰাধিকাৰ দিছিল। কামৰূপীয় নৱ-বৈষ্ণৱ ধাৰাত জাতিগত বৈশিষ্ট্যতকৈ ভক্তি আৰু জ্ঞানৰ পৰিসীমাৰ ভিত্তিতহে ধৰ্মাচাৰ্য্য পদ-প্ৰাপ্তিৰ যোগ্যতা পৰম্পৰাগতভাৱে স্বীকৃত হৈ আহিছে।

অসমৰ বৈষ্ণৱ গুৰুসকলে সামাজিক, সাংস্কৃতিক আৰু তাত্ত্বিক সকলো দিশতেই তেওঁলোকৰ নিজ কৰ্মজীৱনৰ আৰ্হিৰে আৰু সাহিত্য সাংস্কৃতিক কাৰ্য্যসূচী, ধৰ্মীয় ব্যৱস্থা, ভক্ষ্য-অভক্ষ্য বিচাৰ আদিৰ দ্বাৰা এনেদৰে সুশৃঙ্খলিত কৰি থৈ গৈছে যাৰ প্ৰভাৱ পাঁচশ বছৰৰো অধিক কাললৈকে অৰ্থাৎ আজিও অধিক সংখ্যক অসমীয়া মানুহৰ মাজত বিদ্যমান হৈ আছে। বৰ্তমান যুগৰ বিশ্বৰ অৰ্থনীতিবিদসকলৰ সাম্যবাদী চিন্তাৰ ভেটিও তেতিয়াই অসমত ৰচিত হৈছিল। পুৰুষোত্তম ঠাকুৰে ন-ঘোষাত লিখিছে :

উদৰ ভৰণ মাত্ৰ নাহি সঞ্চয়ত যাত
সেহি সত্য জীৱিকা হোৱয়।
অধিক সঞ্চয় যিটো তস্কৰেসে যানা সিটো
দণ্ড কৰিবাৰ যোগ্য হয়।।

□□

## সহায়ক গ্ৰন্থসমূহ (অসমীয়া আৰু বঙলা)


| বেদ ঃ | সম্পাদান আৰু প্ৰকাশন |
|---|---|
| ১। ঋগ্বেদ মংহিতা | স্বামী জগদ্বীশ্বৰানন্দ, (হৰফ) প্ৰকাশন, কলিকতা |
| ২। যজুৰ্বেদ সংহিতা | বিজনবিহাৰী গোস্বামী, (হৰফ) প্ৰকাশন |
| ৩। সামবেদ সংহিতা | পৰিতোষ ঠাকুৰ, (হৰফ) প্ৰকাশন |
| ৪। অথৰ্ববেদ সংহিতা | বিজন বিহাৰী গোস্বামী, (হৰফ) প্ৰকাশন |
| ৫। বেদৰ পৰিছয় | ড° যোগীৰাজ বসু |
| ৬। বেদ ৰহস্য | নলিনীকান্ত গুপ্ত |
| **উপনিষদ ঃ** | |
| ১। উপনিষদ গ্ৰন্থাৱলী (প্ৰথম আৰু দ্বিতীয় খণ্ড) | স্বামী গম্ভীৰানন্দ, উদ্বোধন কাৰ্য্যালয়, কলিকতা |
| ২। উপনিষদ সংগ্ৰহ | চিত্তৰঞ্জন গোষাল |
| ৩। উপনিষদ ধেনু | দিবাকৰ গোস্বামী |
| **পুৰাণ ঃ** | |
| ১। ভাগৱত পুৰাণ | হৰিনাৰায়ন দত্তবৰুৱা |
| ২। ব্ৰহ্মবৈবৰ্ত পুৰাণ | সুবোধচন্দ্ৰ মজুমদাৰ (দেব সাহিত্য কুটিৰ) · কলিকতা |
| ৩। বিষ্ণু পুৰাণ (আৰ্য্যশাস্ত্ৰ) মহামহোপধ্যায় „ তৰ্কাচাৰ্য্য জীব ভট্টাচাৰ্য্য ন্যায়তীৰ্থ | ড° অশোক চট্টোপধ্যায় নৱপত্ৰ প্ৰকাশন কলিকতা |
| ৪। ব্ৰহ্মাণ্ড পুৰাণ | ঐ |
| ৫। ব্ৰহ্ম পুৰাণ | ঐ |
| ৬। বায়ুপুৰাণ | ঐ |
| ৭। অগ্নিপুৰাণ | ঐ |
| ৮। বামণ পুৰাণ | ঐ |
| ৯। আন পুৰাণসমূহ | গুৱাহাটী বাজ্যিক পুথিভড়ালৰ সহায়ত |
| ১০। পুৰাণ পৰিছয় | ডঃ অশোক চট্টোপধ্যায় |

| | |
|---|---|
| ১১। পৌৰাণিক অভিধান | সুধীৰ চন্দ্ৰ সৰকাৰ |

**ৰামায়ণ :**

| | |
|---|---|
| ১। সপ্তকাণ্ড ৰামায়ণ | হৰিনাৰায়ণ দত্ত বৰুৱা |
| ২। বাল্মিকী ৰামায়ণ | হেমচন্দ্ৰ ভট্টাচাৰ্য্য ভাৰবি সংস্কৰণ, কলিকতা |
| ৩। ৰামায়ণ | ৰাজা গোপালচাৰী |

**মহাভাৰত :**

| | |
|---|---|
| ১। মহাভাৰত | হৰিনাৰায়ণ দত্ত বৰুৱা |
| ২। ঐ | গুৱাহাটী বিশ্ববিদ্যালয় |
| ৩। কথা মহাভাৰত | ৰাজা গোপালচাৰী |

**গীতা :**

| | |
|---|---|
| ১। শ্ৰীমদ্ভাগৱত গীতা | স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী |
| ২। গীতাধ্যায় | মহানামব্ৰত ব্ৰহ্মচাৰী |
| ৩। গীতাৰ ভূমিকা | শ্ৰী অৰবিন্দ |

**মহাপুৰুষৰ জীৱনী :**

| | |
|---|---|
| ১। জগত গুৰু শঙ্কৰাচাৰ্য্য | শ্ৰীভগীৰথ |
| ২। আচাৰ্য্য শঙ্কৰ ও ৰামানুজ | ৰাজেন্দ্ৰ নাথ ঘোষ |
| ৩। নামদেৱ | মাধৱগোপাল দেশমুখ<br>অনুবাদ- যতীন্দ্ৰ নাথ গোস্বামী<br>(প্ৰকাশন সাহিত্য একাডেমী) |
| ৪। ৰামানুজাচাৰ্য্য | আৰ পাৰ্থসাৰথী<br>(নেচনেল বুক ট্ৰাষ্ট অব ইণ্ডিয়া) |
| ৫। চৈতন্য | দিলীপ কুমাৰ মুখোপধ্যায়<br>(নেচনেল বুক ট্ৰাষ্ট অব ইণ্ডিয়া) |
| ৬। গুৰুচৰিত | ৰামচৰণ ঠাকুৰ |
| ৭। বৰচৰিত | শ্ৰীদীননাথ বেজবৰুৱা |
| ৮। কথা গুৰুচৰিত | উপেন্দ্ৰনাথ লেখাৰু |
| ৯। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱ | দৈত্যাৰি ঠাকুৰ<br>(সম্পাদনা ৰাজমোহন নাথ) |
| ১০। যুগনায়ক শঙ্কৰদেৱ | ডিম্বেশ্বৰ নেওগ |

১২। শ্ৰীশ্ৰী শঙ্কৰদেৱ — মহেশ্বৰ নেওগ
১৩। ঐতিহাসিক পটভূমিত মহাপুৰুষ শঙ্কৰদেৱ — বাপচন্দ্ৰ মহন্ত
১৪। বেজবৰুৱা গ্ৰন্থাৱলী — সাহিত্য প্ৰকাশ
১৫। দেৱ দামোদৰ গুৰু — সেনাপতি দেৱশৰ্মা
১৬। দেৱ দামোদৰ গুৰু দৰ্শন — নাৰায়ণ দেৱ গোস্বামী
১৭। শ্ৰীশ্ৰী হৰিদেৱ চৰিত্ৰ — দ্বিজ ৰানেশ্বৰ
১৮। মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ — বনগাঁওগিৰী
১৯। শ্ৰীশ্ৰী দামোদৰ দেৱ — ভবানন্দ ডেকা
২০। মহাপুৰুষীয়া ধৰ্মৰ পঞ্চৰত্ন — অৰ্জুন চন্দ্ৰ দাস
২১। শ্ৰীশ্ৰী দেৱ দামোদৰ চৰিত্ৰ — নীল কণ্ঠ
২২। গুৰুলীলা — ৰামৰায়
২৩। গুৰুলীলা (সন্ত যশামৃত) — ৰামৰায় দাস, সম্পাদনা- ভূমিধৰ দাস আৰু খগেন্দ্ৰ নাথ পাঠক
২৪। ভাৰতৰ সাধক — শঙ্কৰ নাথ ৰায়
২৫। গুৰু টেগ বাহাদুৰ — ভূপেন সিং
২৬। গুৰু নানক বাণী — নেচনেল বুক ট্ৰাষ্ট অৱ ইণ্ডিয়া
২৭। মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ চৰিত্ৰ চিন্তা — শ্ৰীতীৰ্থলোচন তামুলী
২৮। কবীৰ — প্ৰভাকৰ মাচৱে
অনুবাদ ঃ প্ৰভাত মোহন বন্দোপধ্যায়
( সাহিত্য একাডেমী)


## প্ৰাসঙ্গিক পুথি


১। সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা — শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী
২। বেদান্ত দৰ্শন — ৰমা চৌধুৰী
৩। নাৰদীয় ভক্তিসূত্ৰ — স্বামী প্ৰভৱানন্দ
৪। ভক্তিবাদ — তীৰ্থনাথ শৰ্মা
৫। শ্ৰীশ্ৰী বৈষ্ণৱ ইতিহাস — হৰিনাৰায়ণ চট্টোপধ্যায়
৬। বৈষ্ণৱ দৰ্শন — ঐ
৭। শ্ৰীগীত গোবিন্দম — জয়দেৱ
৮। পদাবলী সমগ্ৰ — জয়দেৱ বিদ্যাপতি চণ্ডিদাস
৯। ভক্তিবিবেক — ভট্টদেৱ
অনুবাদ ঃ উপেন্দ্ৰ চন্দ্ৰ লেখাৰু
১০। ঘোষা ৰত্ন — গোপাল মিশ্ৰ

১১। ভাৰতেৰ সংস্কৃতি — ক্ষিতিন্দ্ৰ মোহন সেন
১২। দৰ্শনেৰ ৰূপ ও অভিব্যক্তি — উমেশ চন্দ্ৰ ভট্টাচাৰ্য্য
১৩। ভাৰতেৰ আধ্যাত্মবাদ — নলিনীকান্ত ব্ৰহ্ম
১৪। ভাৰতীয় সাধনাৰ ঐক্য — শশীভূষণ গুপ্ত
১৫। বৈষ্ণৱ প্ৰবাহ আৰু আন আন প্ৰকাশ — উত্তৰ পূৰ্বভাৰত হৰিদেৱ সংঘ
১৬। বৈষ্ণৱ পদাৱলী সাহিত্য এবং ৰবীন্দ্ৰ নাথ — ড° অজয় কুমাৰ চক্ৰৱৰ্তী
১৭। মনু সংহিতা — আচাৰ্য্য পঞ্চানন তৰ্ক ৰত্ন
১৮। ভাৰত নাট্যশাস্ত্ৰ — ড° সুৰেন্দ্ৰ মোহন বন্দোপধ্যায়

ইংৰাজী :

**Biographies :**

1. Modern Saints and mystics — A. N. Sarma.
2. Saints of India — Amma (Publication Shri Ramkrishna Math) Madras
3. Jagatguru Sankardav — Dimberswar Neog
4. Sankaradeva- Baisnava Saint of Assam — Dr. Birinchi Kumar Borua.

Referance Books

1. Vaisnavism Saivism and other minor religious systems — R. G. Bhandarkar.
2. Sankardeva and his times : Early history of Vaisnava faith and movement in Assam — Maheswar Neog.
3. The Neo-Vaisnavite movement and the satra institution of Assam — Satyendra Nath Sarma.
4. Early history of Vaisnava faith and movement in Bengal — Susils Kr. Dey.
5. A study of Vaisnavism in ancient and medeival Bengal — Dr. S. C. Mukharjee.
6. Caste, culture and socialism — Swami Vivekananda.
7. Religion and culture — Dr. S. Radhakishnen.
8. Practical Vedanta — Swami Vivekananda.
9. Outline of Indian Philosophy — A. N. Warden.
10. Chandana — Karnataka Sahitya Academy.

| | |
|---|---|
| 11. An Introduction of the history of Tamil literature | M. Arunachalan |
| 12. Brahma Sutra | Swami Vireswara Nanda. |
| 13. Social history of Kamrupa | Nagaendra Nath Basu. |
| 14. Vivekchudamani of Sree Sankaracharjya | Swami Madhavananda. |
| 15. Basie writings | S. Radhakrishnen. |
| 16. The Theism of Nyaya and Vaisesika | C. Buleke S. D |
| 17. The cultural Herittae of India (vol. I to VI) | Ramkrisna Mission Institute of culture calcutta. |
| 18. Hymns of Alwars | J. S. M. Hooper. |
| 19. Krisna Kanta Handique Felicitation volume | Dr. M.N. Sarma. |
| (Radha in the Purana and allied literature– The concept and development) | Dr. Biswanarayan Sastri |